জীৱন-জীৱন বৰ অনুপম

ড° নিৰ্মলপ্ৰভা বৰদলৈ

জ্যোতি প্ৰকাশন

জ্যোতি প্ৰকাশন
পাণবজাৰ ঃ গুৱাহাটী-৭৮১ ০০১

JIWAN-JIWAN BAR ANUPAM : An Assamese autobiography written by Dr. Nirmalprava Bardoloi and published by Sri. Nagen Sarmah, on behalf of **M/s. Jyoti Prakashan**, Jaswanta Road, Panbazar, Guwahati-781 001, Assam.
***First edition** : November, 2004*
***Second edition** : March, 2005* **Price** : Rs. 130.00

প্ৰকাশক ঃ
শ্ৰীনগেন শৰ্মা
জ্যোতি প্ৰকাশন
যশোৱন্ত পথ, পাণবজাৰ
গুৱাহাটী-৭৮১ ০০১

প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০০৪
দ্বিতীয় প্ৰকাশ ঃ মাৰ্চ, ২০০৫

বেটুপাত ঃ ত্ৰৈলোক্য দত্ত

মূল্য ঃ ১৩০.০০ টকা

ছপাশাল ঃ
হৰাইজন প্ৰিণ্টাৰ্ছ
১৪৮৮, পাটাউদী হাউছ
দৰিয়াগঞ্জ, নতুন দিল্লী

আগকথা

'জীৱন-জীৱন বৰ অনুপম' বাইদেউ ড° নিৰ্মলপ্ৰভা বৰদলৈৰ আত্মজীৱনী। বাইদেৱে এই আত্মজীৱনীখন লিখাৰ কাম আৰম্ভ কৰিছিল ২০০১ চনৰ মাজভাগৰ পৰা। অসমীয়া পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ স্বত্বাধিকাৰী প্ৰদীপ বৰুৱাই 'প্ৰান্তিক'ত বাইদেউৰ আত্মজীৱনী প্ৰকাশ কৰিবলৈ বিশেষ আগ্ৰহ প্ৰকাশ কৰাত বাইদেৱে সেই সময়তে আত্মজীৱনী লেখাৰ কাম আৰম্ভ কৰিছিল আৰু 'প্ৰান্তিক'ৰ পাতত সেইবোৰ খণ্ড-খণ্ডকৈ প্ৰকাশ পাইছিল। ২০০৪ চনৰ মাৰ্চ মাহত শেষ খণ্ডেৰে আত্মজীৱনীখন সম্পূৰ্ণ কৰিছিল। আত্মজীৱনীখন লেখাৰ সময়ত বাইদেউ শাৰীৰিকভাৱে ভীষণ অসুস্থ হৈ পৰিছিল। বহুত বছৰৰ আগতেই আৰম্ভ হোৱা 'ডায়বেটিছ' ৰোগটো বাঢ়ি অহাত বাইদেউৰ চকুৰ জ্যোতি কমি গৈছিল। পাৱাৰফুল চছমা আৰু মেগ্নিফায়িং গ্লাছ নহ'লে পঢ়িব নোৱাৰিছিল। নিজে লেখাতো দূৰৈৰ কথা। নিজৰ সকলো লেখা-মেলা কাম-কাজ শ্ৰুতলিপি দি আনৰ হতুৱাই লেখোৱাইছিল। এই আত্মজীৱনীখনো শ্ৰুতলিপি দি নিজৰ কেইগৰাকীমান প্ৰিয় ছাত্ৰীৰদ্বাৰা লেখোৱাইছিল। শ্ৰুতলিপি দি লেখোৱাৰ বাবে মাজে-মাজে ঘটনাৰ ক্ৰম বা ভাষাৰ আঁত হেৰাইছে, কৰবাত একেখিনি কথাকে বেলেগ বেলেগ ৰূপত প্ৰকাশ পাইছে। আনহাতে গোটেই আত্মজীৱনীখন বাইদেৱে মনৰ মাজৰ স্মৃতি ৰোমন্থন কৰি কৰি লেখোৱা। বাইদেউৰ দিনপঞ্জী লিখাৰ অভ্যাস নথকাৰ কাৰণে নিজৰ জীৱনৰ কোনো কথাই পূৰ্বতে লিপিবদ্ধ হৈ থকা নাছিল। এনেকৈয়ে নিজে লেখিব নোৱাৰি অনৰ্গল শ্ৰুতলিপি দি লেখোৱাৰ কাৰণে এনে হোৱাটো স্বাভাৱিক হৈছিল। আত্মজীৱনীখন কিতাপ আকাৰে প্ৰকাশ কৰাৰ সময়ত এনে repetition কিছুমান আঁতৰাই দিয়া হৈছে।

'জীৱন-জীৱন বৰ অনুপম' গতানুগতিক গতেৰে লিখা আত্মজীৱনী নহয়। এইখন বিভিন্ন সময়ৰ তাৰিখ-চনৰ পয়োভৰ ঘটাই একাদিক্ৰমে লেখা হোৱা নাই। বাইদেউৰ মতে তাৰিখ-চনবোৰে আত্মজীৱনীৰ ৰসাস্বাদনত বাধা জন্মায়। সেয়ে আত্মজীৱনীখন উপন্যাসৰ আৰ্হিত লেখাতহে বাইদেৱে বেছি গুৰুত্ব দিছিল। অৱশ্যে প্ৰয়োজন সাপেক্ষে মাজে-মাজে তাৰিখ-চনৰ ব্যৱহাৰ কৰিব লগা হৈছে।

অসুস্থতাৰ হেতু বাইদেৱে আত্মজীৱনীখন শেষৰ ফালে বৰ খৰ-ধৰকৈয়ে সামৰিব লগীয়া হ'ল। বহুত কথা বহলাই নেলেখি কেৱল সংক্ষেপেহে বৰ্ণাই গ'ল। আত্মজীৱনীখনৰ শেষ খণ্ডটো ২০০৪ চনৰ মাৰ্চ মাহৰ ১৬ তাৰিখে 'প্ৰান্তিক'ত প্ৰকাশ হোৱাৰ এমাহৰ

পিছতে বাইদেউ শয্যাগত হ'ল। দেৰমাহ শয্যাত পৰি থাকি ১ জুনত ইহসংসাৰ ত্যাগ কৰিলে। আত্মজীৱনীও লেখা শেষ হ'ল, বাইদেউৰ জীৱন বন্তিও নুমাই গ'ল।

'প্ৰান্তিক'ৰ জৰিয়তে ভীষণ জনপ্ৰিয় হৈ পৰা বাইদেউৰ এই আত্মজীৱনীখনৰ গ্ৰন্থ সংস্কৰণটোকো পাঠক সমাজে আদৰি ল'ব বুলি আশা কৰিলো। গ্ৰন্থখনি প্ৰকাশৰ বাবে আগবাঢ়ি অহাত গুৱাহাটীৰ প্ৰকাশক আৰু কিতাপ বিক্ৰেতা 'জ্যোতি প্ৰকাশন'ৰ স্বত্বাধিকাৰী শ্ৰীনগেন শৰ্মাৰ শলাগ লৈছোঁ।

গীতানগৰ, গুৱাহাটী
৭ ছেপ্টেম্বৰ, ২০০৪

— প্ৰদীপ বৰদলৈ

দ্বিতীয় সংস্কৰণ

সত্যানুসন্ধানী, মননশীল সাহিত্যৰ সৌষ্ঠৱ আৰু পৰিচ্ছন্নতাই ৰসগ্ৰাহী পাঠকক যি বিমল আনন্দ প্ৰদান কৰে আন কোনো মাধ্যমে তাক দিব পাৰে বুলি আমাৰ বিশ্বাস নহয়। গ্ৰন্থৰ সৌৰভে মানুহক সদায় আহ্লাদিত আৰু আমোদিত কৰে। গ্ৰন্থ সংস্কৃতিৰ আলোকময় বৰ্ণচ্ছটাৰে মননশীল অসমীয়া পাঠকৰ মন প্লাৱিত কৰিব পাৰিলেহে অসমীয়া কিতাপৰ দুৰ্দিন আঁতৰিব বুলি আমি আন্তৰিকতাৰে বিশ্বাস কৰোঁ। মাটিৰ গোন্ধ আৰু ঐশ্বৰ্যৰে সম্পৃক্ত যুগজয়ী গীতসমূহ আৰু সুসংহত গদ্যশৈলীৰে খিয়াতি লভা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ 'জীৱন-জীৱন বৰ অনুপম' আত্মজীৱনীখনৰ প্ৰথম সংস্কৰণ অতি কম সময়ৰ ভিতৰতে শেষ হৈ যোৱাত দ্বিতীয় সংস্কৰণটি সুশীল পাঠকৰ হাতত তুলি দিয়াৰ বিনম্ৰ প্ৰয়াস কৰিলোঁ। পাঠকৰ সঁহাৰিয়েই আমাৰ ভাবীকালৰ বাবে পৰম পাথেয়। পুণ্যশ্লোকা ড° বৰদলৈৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা যাচি এই সংস্কৰণটিয়েও সহৃদয় পাঠকৰ সমাদৰ লাভ কৰিব বুলি আমি পৰম আশাবাদী হৈ ৰ'লো।

—প্ৰকাশক

জীৱন-জীৱন বৰ অনুপম

মোৰ সৰুকালৰ কথা

সৰু কালটোৱেই মোৰ জীৱনৰ আটাইতকৈ অনুপম প্ৰহৰ। সেয়ে সৰুকালিৰ কথাৰেই আৰম্ভ কৰিছোঁ। মোৰ জন্ম হৈছিল ১৯৩৩ চনৰ ২০ জুনৰ দিনা।

মোৰ জন্মৰ আগৰ বা জন্মৰ সময়ৰ সমসাময়িক সমাজৰ কথাবোৰ মই জনাৰ উপায় নাই। কেৱল মা, বৰমা, ওচৰ-চুবুৰীয়াৰ মুখৰপৰাহে পাছত শুনিছিলো। তেওঁবিলাকে মোৰ মূৰত হাত ফুৰাই কোলাত তুলি লৈ হেনো মৰম কৰি কৈছিল,— "তই কত যে সেৱা-পূজাৰ মূৰত জন্ম হৈছ। ভালে থাক আই। বংশৰ মুখ উজ্জ্বল কৰ।"

আমি 'বৰবৌ' বুলি মতা এগৰাকী ওচৰ-চুবুৰীয়া বয়সীয়া মহিলাই নামঘৰৰপৰা ঘূৰি আহি প্ৰায়ে আমাৰ ঘৰত সোমাইছিল। নামঘৰৰ প্ৰসাদ অৰ্থাৎ ফলমূল মোৰ হাতত দি প্ৰায়ে কৈছিল,— "মোৰ মলামুখীজনী! তাইৰ হাঁহিটো চাবলৈকে মই আহোঁ। কেনে ধুনীয়াকৈ তাই হাঁহিটো মাৰে! নহ'বনো কেলেই, তাই যে গোসাঁইৰ নিৰ্মালি।" কিয়নো বিবি বাইদেউৰ মাক বৰবৌৱে মোক মলামুখী বুলিছিল ডাঙৰ হোৱাতহে বুজিছিলো। মোৰ মুখখন হেনো মলা এটাৰ দৰে সুগোল আছিল। কোনোবাই মোৰ ঘন কেঁকোৰা চুলিখিনি কৃষ্ণ গোসাঁইৰ দৰে আৰু মিঠা বৰণীয়া ৰঙৰ মুখখনো কৃষ্ণ গোসাঁইৰ ছবিৰ দৰে বুলিছিল। "তাই ভুলতহে ছোৱালী হৈ উপজিলে।"

কথাবোৰৰ অৰ্থ তেতিয়া একো বুজি নাপালেও আটাইৰে আদৰত বৰ পুলকিত আৰু আলসুৱা হৈছিলো।

মায়ে বুকুত শুৱাবলৈ লওঁতে বা বহুত ডাঙৰলৈকে কোলাত বহুৱাই মৰম কৰোঁতে মোক কোৱা মনত পৰে,— "মোৰ মাজনী নাথাকোঁতে ঘৰখনত পোহৰেই নাছিল। এতিয়া দেউতাকৰ মনত কিমান আনন্দ।"

দূৰৰ সম্বন্ধীয় মানুহ আমাৰ ঘৰলৈ বহুত বছৰৰ মূৰত আহিলে দেউতাৰ মাক আইতাই কথা প্ৰসংগত কোৱা শুনিছিলো,— "ডাঙৰজনীৰ (বৰমাৰ) কাৰণে কত কিমান পূজা-সেৱা নকৰিলো! ডাক্তৰ, কবিৰাজ কত নলগালো! একোতে একো নহ'ল। পাৰোঁতেনো সৰুজনী আনিব লগা হ'লনে! যি নহওক সৰুজনীৰপৰাই বংশটো ৰক্ষা পৰিল।"

দেউতা আছিল আইতাৰ একমাত্ৰ সন্তান। আইতাৰ দেউতাতকৈ ডাঙৰ ছজন ল'ৰা, এগৰাকী ছোৱালী সৰু-সৰু হৈ থাকোঁতেই ঢুকালত, বংশৰ একমাত্ৰ প্ৰদীপ ৰূপে

দেউতাহে বাচি আছিল। দেউতাৰ সতি-সন্ততি নহ'লে বংশৰ বন্তিগছ নুমাই যাব,— এয়ে আছিল আইতাৰ আন্তৰিক বেদনা। বংশও বিখ্যাত টঙা বৰদলৈৰ বংশ।

টঙা বৰদলৈৰ পূৰ্বপুৰুষ আহিছিল কনৌজৰপৰা স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্বৰ আগে-আগে। কনৌজৰপৰা অহা পণ্ডিত পুৰুষজনৰ নাম আছিল অৰ্জুন শৰ্মা। তেখেত দেখাতো হেনো বৰ ধুনীয়া, ওখ-পাখ মানুহ আছিল। এই পণ্ডিতসকলক ৰজাঘৰেই অনাইছিল।

ল'ৰা ৰজাই অংগক্ষত কৰাৰ ভয়ত গদাপাণিয়ে যেতিয়া ছদ্মবেশ লৈ পলাই ফুৰিব লগা হৈছিল, সেই সময়তে মাজে-মাজে তেওঁ নগাৰ ছদ্মবেশত নগা পৰ্বত, মিকিৰ পৰ্বততো আশ্ৰয় লৈ আত্মগোপন কৰিছিল। এনেতে অৰ্জুন শৰ্মা নামৰ বৰ ডাঙৰ পণ্ডিত এজন ভাটীৰপৰা আহি বোকাখাতৰ ওচৰত থকা বুলি গম পাই এদিন নগা ছদ্মবেশত গদাপাণি আহি অৰ্জুন শৰ্মা পণ্ডিতৰ আগত উপস্থিত হ'ল। পণ্ডিতজনাই ৰাজলক্ষণ মুহূৰ্ততে চিনি পালে আৰু গাৰ চাদৰখনকে মাটিত পাৰি দি আথে-বেথে বহক বুলি ক'লে। গদাপাণিয়ে পণ্ডিতজনাক ভৱিষ্যতৰ কথা সুধিলে আৰু পণ্ডিতেও অমুক মাহৰ অমুক তিথিত দিনৰ কিমান প্ৰহৰ যাওঁতে ৰাজপাটত উঠিব ভৱিষ্যৎবাণী কৰিলে। এই কথা ফলিয়ালে পণ্ডিতক বিচাৰিব আৰু নফলিয়ালেও বিচাৰিব বুলি কৈ সন্তৰ্পণে গদাপাণি আঁতৰি গ'ল। পণ্ডিতজনাৰ ভৱিষ্যৎবাণী আখৰে-আখৰে ফলিয়ালে। সেই মাহৰ সেই তিথি সেই বাৰত গদাপাণি গদাধৰ সিংহ হৈ ৰাজপাটত উঠিল আৰু পণ্ডিতজনাক মতাই নি মাটি-বাৰী, খাত-পাম-পুখুৰী, সোণৰ লগুণ, ধোবা, নাপিত, চমাৰ-কমাৰ দি 'বৰদলৈ' উপাধি প্ৰদান কৰিলে। টঙা গছৰ গুৰিত পণ্ডিতক প্ৰথম লগ পোৱা কাৰণে বংশৰ নাম হ'ল টঙা বৰদলৈৰ বংশ।

বৰমা আছিল অতি ৰূপৱতী আৰু গুণৱতী, কিন্তু সন্তানহীনা। এই দোষ গুচাবৰ কাৰণে কলিকতালৈ নিও চিকিৎসা কৰাইছিল। কিন্তু জৰায়ু অতি সংকুচিত কাৰণে সন্তান ধাৰণৰ ক্ষমতা নাই বুলি ডাক্তৰে শেষ সিদ্ধান্ত দিলে। কথাটো শুনি আইতা অধীৰ হ'ল। সেই সময়ত এজন পুৰুষে স্ত্ৰী জীৱিত হৈ থাকিলেও তিনি-চাৰিগৰাকীলৈকে বিয়া কৰোৱা প্ৰথা সমাজত সহজভাৱেই চলি থকাৰ কাৰণে আইতাই দেউতাক পুনৰ্বিবাহৰ কাৰণে বাৰে-বাৰে ক'বলৈ ধৰিলে। দেউতা বৰমাৰ বৰ অনুৰাগী আছিল। প্ৰথমা পত্নীয়ে মনত আঘাত পাব বুলিয়েই মাতৃৰ এনে অনুৰোধ দেউতাই বহুদিনলৈ উপেক্ষা কৰিছিল। শেষত উভয় সংকটত পৰি বৰমাৰ সন্মতি হ'লেহে দ্বিতীয় বিবাহ হ'ব পাৰে বুলি ক'লে। বৰমায়ো বংশ ৰক্ষাৰ উদ্দেশ্যেই সন্মতি প্ৰদান কৰিলে। বৰ অনুষ্টুপীয়াকৈ বৰমাৰে সম্পৰ্কীয় ভনী, আমাৰ মা মুক্তাবালাৰ লগত দ্বিতীয় বিবাহ সম্পন্ন হ'ল। মা মিঠা বৰণীয়া যদিও অতি সুগঢ়ী, সৰল আৰু অতি মৰমিয়াল আছিল।

মাক বিয়া কৰাই অনা কেইবছৰমান পাছত মোৰ জন্ম হ'ল। মাৰ বেলিকাও হেনো সন্তানৰ কাৰণে বহুত পূজা-সেৱা, গ্ৰহ-যাগ আদি কৰিবলগীয়া হৈছিল। মোৰ জন্ম হ'লত ঘৰখনতে নহয়, গাঁওখনতেই হেনো আনন্দই পাৰ ভাঙি গ'ল। কাৰণ গোটেইবোৰ মানুহ আছিল দেউতাৰ দুখত দুখী, সুখত সুখী। দেউতা ইমানেই পৰোপকাৰী, ইমানেই প্ৰিয় আছিল।

মোৰ জন্ম-পত্ৰিকা কৰিছিল হেনো কেইবাগৰাকীও বিদ্বান জ্যোতিষীয়ে। তাৰ ভিতৰত ককা উমাকান্ত চাংকাকতি আছিল অন্যতম। তেতিয়াৰ দিনত জ্যোতিষ শাস্ত্ৰৰ ওপৰত গভীৰ বিশ্বাস আছিল। জ্যোতিষীসকলো আছিল প্ৰকৃত অৰ্থত শাস্ত্ৰজ্ঞ, নিষ্ঠাবান পণ্ডিত। বাৰানসী, মিথিলা, নৱদ্বীপ আদি ঠাইলৈ আৰ্থিক অভাৱৰ কাৰণে কম ব্যক্তিয়েহে জ্যোতিষ অধ্যয়ন কৰিবলৈ যাব পাৰিছিল। অৱশ্যে অসমতো এই শাস্ত্ৰৰ গভীৰ অনুশীলন হৈছিল।

মই ওপজোঁতে হেনো মালভোগ কল এটাৰ সমানহে আছিলো। মাৰ গৰ্ভৰ সাতমাহ পূৰ হৈ আঠমাহ সোমাওঁতেই বোলে মোৰ জন্ম হৈছিল। তুলাৰ মাজত শুৱাই-শুৱাই কপাহৰ শলিতাৰে টোপ-টোপকৈ গাখীৰ মুখত দি মোক বোলে তুলিব লগা হৈছিল। তেনেই খীণ, নিশকতীয়া আছিলো কাৰণে অলপতে বেমাৰো হৈছিল। তেতিয়াৰ দিনত প্ৰসূতিক হস্পিটেললৈ নি গাইন'কলজিৰ ডাক্তৰৰ হতুৱাই পৰীক্ষা কৰাই থকা, গৰ্ভ অৱস্থাত টনিক আদি দিয়া আৰু হস্পিটেললৈ নি প্ৰসৱ কৰোৱা নিয়মবোৰো নাছিলেই। উশাহ-নিশাহ লোৱা যেনেকৈ স্বাভাৱিক প্ৰক্ৰিয়া, গৰ্ভত সন্তান হোৱা, প্ৰসৱ হোৱা আদিও সহজ, প্ৰাকৃতিক কথা বুলিয়েই গণ্য কৰা হৈছিল। ঘৰৰ আহাৰত মাছ-মাংস, শাক-পাচলি, দাইল-দৈ ইত্যাদি থাকেই। বতৰৰ ফলমূলো ঘৰবোৰত থাকে। সেয়ে আছিল গৰ্ভাৱস্থাৰ মাতৃৰ আহাৰ। কোনো ওপৰঞ্চি আহাৰ নাথাকে। গৰ্ভৱতী মাতৃয়ে এতিয়াৰ দৰে সন্তান জন্মৰ আগতে বা পাছত বিশেষ একো পৰিচৰ্যা নাপায়। ডাঙৰ ঘৰবোৰত খাওঁতে-বওঁতে বেলি দুপৰ, ৰাতি এপৰ হয় আৰু তেনেকৈয়ে জীৱন চলি যায়। গৰ্ভ অৱস্থাক তেতিয়াৰ মাতৃয়ে এটা ৰোগ বুলি নাভাবে। স্বাভাৱিকভাৱে ঘৰুৱা কাম-কাজ কৰি থাকে। পিঠাগুৰিৰ ঢেঁকী, কোমল চাউলৰ ঢেঁকী, হালধি-মছলাৰ ঢেঁকী আদিও দি থাকে। এনে কামবোৰ কৰি থাকিলে সন্তান প্ৰসৱ সুকলমে হয় বুলি ভবা হৈছিল। শতকৰা আশীভাগ গৰ্ভৱতী মহিলাই ধানৰ ঢেঁকীও দিয়ে। সন্তান গাত হ'লে মাতৃগৰাকীয়ে গা-মূৰ ঢাকি পৰাপক্ষত আনে গম নোপোৱাকৈ ৰাখে। লাজৰ কাৰণেও আৰু মুখ লগাৰ আশংকাৰ কাৰণেও। শত্ৰুৱে গৰ্ভস্থ সন্তানৰ অপকাৰ কৰিব পাৰে বুলিও বহুতে দৃঢ় ধাৰণা কৰিছিল। সেয়ে সন্তানসম্ভৱা মাতৃৰ গাত বেজে জাৰি দিয়া ডোল, জাপ, মাদলী ইত্যাদি থাকেই। কিছুমান লোকবিশ্বাসো মানি চলা হয়। আমাৰ

ঘৰবোৰো এনে নিয়মৰ ব্যতিক্ৰম নাছিল।

প্ৰসৱো সচৰাচৰ ঘৰতেই হৈছিল। গৰ্ভ অৱস্থাত বা প্ৰসৱৰ সময়ত কঠিন সমস্যা হ'লেহে লেডি ডাক্তৰণী অনা হৈছিল বা হস্পিটেললৈ নিয়া হৈছিল। ঘৰলৈ অনা অভিজ্ঞা ধাইৰদ্বাৰা, গাঁৱত হ'লে গাঁৱৰ মহিলাৰ সহায়তেই প্ৰসৱ কাৰ্য সম্পন্ন হৈছিল। গাঁৱৰ মাতৃসকলৰ বেছিভাগেই কেঁচুৱাৰ 'নাই' (নাভি) নিজেই কাটিবলৈ সক্ষম আছিল, কেঁচুৱাক নিজেই ধুৱাইছিল আৰু লেতেৰা কানি-কাপোৰ চপাই, বুটলি, ঘৰ মচি লেতেৰা বস্তুবোৰ নি নিজেই পুতি পেলাইছিল আৰু গা-পা ধুই পৰিষ্কাৰ হৈছিল। এইবোৰ কথা পৰিশ্ৰমী, স্বনিৰ্ভৰশীল মানুহৰ কথা। আমি দেখাত আমাৰ ঘৰবোৰলৈ 'ধাই' দুজনী-তিনিজনী আহিছিল আৰু লাগি-ভাগি প্ৰসূতি আৰু কেঁচুৱাক পৰিষ্কাৰ কৰিছিল, সেক-পোতক দি যত্ন লৈছিল। এমাহত 'শুদ্ধি সবাহ' হয়। সেইদিনা প্ৰসূতিৰ প্ৰায়শ্চিত্ত হৈছিল আৰু সেই এমাহ জুৰি এজনী বা দুজনী ধাই আহি প্ৰসূতিক মালিচ আদি কৰি দিছিল আৰু কেঁচুৱাকো ধুৱাই-পখলাই, মিঠাতেলৰ মালিচ দিছিল।

ঘৰত ল'ৰা জন্ম হ'লে উৰুলি দিয়া, আৰু ছোৱালী জন্ম হ'লে বেৰ ঢকিওৱা নিয়মবোৰ আছিল।

মাটিত খেৰৰ শয্যা পাৰি প্ৰসূতিক শুবলৈ দিয়া, শয্যাৰ ওচৰত তুঁহজুই ধৰি থোৱা, সৰিয়হ ছটিওৱা, উখোৱা চাউলৰ ভাত পাতত দি পোৰা জালুকেৰে কেঁচুৱাৰ জন্মৰ কেইবাদিনলৈকে প্ৰসূতিক খাবলৈ দিয়া নিয়ম সেই সময়ত প্ৰচলিত আছিল। নৰসিংহ, মানিমুনি, ভেদাইলতা, বনজালুক আদি বিবিধ বনশাকৰ আঞ্জাও শুকনী হিচাপে খাব লগা হৈছিল। সন্তান জন্মৰ তিনিদিনৰ দিনা কচুশাক আৰু কাঠ মাছৰ জালুকীয়া আঞ্জা প্ৰসূতিক দিয়া আৰু লগতে ওচৰ-চুবুৰীয়াকো কচুশাক আৰু মাছ বিলোৱাৰ নিয়ম আছিল।

জন্মৰ এঘাৰ দিনৰ দিনা নৱজাতক বা জাতিকাক সূৰ্য দেখুওৱা আন এটা অপৰিহাৰ্য প্ৰথা। সেইদিনা আয়তীসকল সমবেত হৈ সূৰ্যক নৈবেদ্য আগবঢ়াই কিছু লোকাচাৰ পালন কৰে। এখন তামুলী পীৰা সুন্দৰ কাপোৰেৰে ঢাকি চোতালতে পৰা হয়। পঞ্জিকাৰ শুভক্ষণ চাই সেইমতে শিশুটোক ধুৱাই-পখলাই, পৰিষ্কাৰ কাপোৰ পিন্ধাই স্নান কাৰ্য সমাপন কৰা মাতৃয়ে আনি তামুলী পীৰাত পুবমুৱাকৈ শুৱাই দিয়ে। তাৰ পাছত এটা ডাঙৰ শিলেৰে তামুলী পীৰাখনৰ চাৰিওপিনে চাৰিটা খুন্দা মাৰি শব্দ কৰা হয় আৰু প্ৰতিবাৰ শিলটো কেঁচুৱাৰ শৰীৰৰ নাইটোত দি শিলত ভয় নাখাবি বুলি তিনিবাৰ কোৱা হয়। তাৰ পাছত কেঁচুৱাটো তুলি মাকে এবাটি পানীৰ ওপৰত তিনিবাৰ ঘূৰাই পানীত ভয় নাখাবি বুলি কয়। ইয়াৰ পাছত জুইৰ জুমুঠিৰ ওপৰত তিনিবাৰ ঘূৰাই জুইত ভয় নাখাবি বুলি কৈ কেঁচুৱাটো পুনৰ পীৰাখনত শুৱাই দি মাকে ধূপ-ধূনা, চাকি-বন্তিৰে

সূৰ্যক অৰ্চনা কৰি, প্ৰণাম কৰি সৰ্বমংগল কামনা কৰে। আয়তীসকলে আশীৰ্বাদ প্ৰদান কৰে।

সেইদৰেই কেঁচুৱাৰ জন্মৰ ছদিনৰ দিনা ৰাতি 'ষষ্ঠী যাগ' পতা নিয়ম। ষষ্ঠী যাগ হৈছে ষষ্ঠী মানে ছদিনৰ দিনা পতা যাগ বা যজ্ঞ। জন্মৰ ষষ্ঠ ৰাত্ৰিত প্ৰসূতিৰ গৃহলৈ স্বয়ং বিধাতা আহে বুলি বিশ্বাস কৰা হয়। বিধাতা আহি শিশুৰ ভাগ্য লিখন সেই ৰাতি লিখে। সেই ৰাতি মাকে উজাগৰে থাকি গোটেই ৰাতি কোলাত কেঁচুৱাটো লৈ থাকে। প্ৰসূতিৰ শয্যাৰ চাৰিওপিনে চাৰিখন সৰু-সৰু ধেনু থোৱা নিয়ম। দুৱাৰমুখত বগৰীজেং থোৱা হয়। দুৱাৰমুখত ক'লা ছাগলী বান্ধি ৰখা হয়। শয্যাৰ ওচৰতে মূৰৰ শিতানৰ পিনে এখন তামুলী পীৰাত কাপোৰ দি ঢাকি তাত এটা ঘট সজাই তাত আমপাত তিনিখিলা দিয়া হয়। তাতে এখন ভাল বগা কাগজো ৰখা হয় ভাল কলম এটাৰে সৈতে। ওৰে ৰাতি জ্বলি থকাকৈ এগছ বন্তি আৰু ধূপো জ্বলাই ৰখা হয়। সেই কাগজখনকে পাছত কোষ্ঠী কৰিবলৈ দৈৱজ্ঞৰ ওচৰলৈ নিয়া হয়। কাৰণ সেই কাগজখনতে নৱজাতকৰ ভাগ্য বিধাতাই অদৃশ্য চিয়াহীৰে লিখি থৈ যায় বুলি বিশ্বাস কৰা হয়। জাতি-জনজাতীয় বিশ্বাসৰ সমন্বয়ত এইবোৰ প্ৰথা অসমীয়া সমাজত নিশ্চয় গঢ় লৈ উঠিছিল।

প্ৰথম সন্তানটো মাকৰ গৰ্ভত থাকোঁতে পঞ্চম মাহত পঞ্চামৃত খুৱাই গৰ্ভস্থ সন্তানক স্বাগত জনোৱা প্ৰথা এতিয়া বৃদ্ধি পাইছে। আমি গৰ্ভত স্থিতি লওঁতে তেনে একো কৰা হোৱা নাছিল হেনো। সন্তানসম্ভৱা মাতৃয়ে যিহকে খাবলৈ ইচ্ছা কৰে তাকেই হেঁপাহেৰে অৱশ্যে খুউৱা হৈছিল। ন মাহ হ'লে সুপ্ৰসৱৰ কামনাৰে আই-বাই গোট খাই কল, পিঠাগুৰি, গাখীৰৰ নৈবেদ্য দি প্ৰসূতি সবাহ পতা নিয়ম আছিল।

মোৰ জন্মৰ এঘাৰ দিনৰ দিনা হেনো সূৰ্য দেখুউৱাৰ পাছত, দেউতাই বৰমাৰ হাতত মোক তুলি দি কৈছিল— "আজিৰেপৰা এইজনী ছোৱালী তোমাৰ ছোৱালী।" বৰমাই যাতে সন্তানহীনা বুলি শোক নাপায় সেইকাৰণে দেউতা সজাগ আছিল। সেই যে বৰমাই দুহাত পাতি মোক বুকুত ল'লে তেখেতৰ মৃত্যুৰ দিনলৈকে নিজৰ তেজ-মঙহৰ সন্তানৰ দৰে মোক ডাঙৰ-দীঘল কৰিলে, ভাষাৰে প্ৰকাশ কৰিব নোৱৰা মৰম দিলে।

বৰমা, মা আৰু দেউতাৰ মাক আইতা,— এই তিনিগৰাকী মাতৃ আৰু ঘৰভৰা লগুৱা-লিকচৌৰ আদৰ-যত্নত টোপ পৰিবলৈ নিদিয়াকৈ মোক ডাঙৰ কৰা হ'ল।

জন্মৰ দুই-তিনিমাহমান হওঁতে মোৰ হেনো এবাৰ যোৱা-থোৱা অৱস্থা হ'ল। আইতা, বৰমা, মা ঘৰৰ গোসাঁইঘৰত উবুৰি খাই পৰিল। ডাক্তৰ, কবিৰাজৰ চিকিৎসাতো ভাল নোহোৱাত দেউতাই ভাবিলে মই আৰু নাবাচিম। ঘৰৰ পুখুৰী পাৰৰ নিজানত বহি সেয়েহে দেউতাই হেনো বৰ কান্দিছিল,— "হে প্ৰভু, ইমানদিনে সন্তান নিদিছিলা,

ভালেই কৰিছিলা। এতিয়া সন্তানৰ মুখ দেখুৱাই কাঢ়ি নিব কিয় খুজিছা?" উপায়ান্তৰ হৈ দেউতাই ওচৰতে থকা সম্বন্ধীয় উমা ককাৰ (উমাকান্ত চাংকাকতি) ওচৰলৈ গৈ আতুৰ হৈ সুধিছিল,— "ছোৱালীজনী বাচিবনে?" উমা ককাই সোঁৱৰণী নিজে কৰি, চাই হাঁহি মাৰি অভয় দি কৈছিল,— "তাই যদি মৰে মই কুশেৰে বা সোণেৰে এজনী সাজি দিম। তাই ভাল হৈ উঠিব, অতি প্ৰখ্যাত হ'ব, তাইৰদ্বাৰা গোটেই বংশৰ মুখ উজ্জ্বল হ'ব। তাইতো আনৰ আৰ্জন নাখায়েই, তাইহে এশজনক খুৱাব।"

মই লাহে-লাহে হেনো ভাল হৈ উঠিলো। কলিকতাৰপৰা অনোৱা ইটালিয়ান অলিভ অয়ল, মিঠাতেল আৰু শিহুৰ তেল দিনে পাঁচ-ছবাৰকৈ পাঁচ-ছজনে গাত মালিচ কৰি ৰ'দৰ জিলিঙনি পৰা বাৰাণ্ডাত শুৱাওঁতে-শুৱাওঁতে মোৰ গাৰ ৰং যথেষ্ট ক'লা পৰিল। দিনক দিনে মই নিপোটল হৈ আহিলো বোলে। তুলতুলীয়া মঙহ গালৈ ইমান আহিল যে ছমাহমানৰপৰা বোলে শকতৰ কাৰণে ডিঙি ঘূৰাবই নোৱৰা হ'লো। তেতিয়াহে জী উঠিব বুলি নিশ্চিত হৈ হেনো অন্নপ্ৰাশনৰ কাৰণে গোটেইখন খদমদম লাগিল। পুহ মাহত জন্মৰপৰা সাত মাহ সোমাওঁতেই (ল'ৰা হ'লে সমান মাহত, ছোৱালী হ'লে অসমান মাহত অন্নপ্ৰাশনপতাৰো প্ৰচলিত নিয়ম) মোৰ অন্নপ্ৰাশন পতাৰ আয়োজন চলিল আৰু অতি পয়োভৰেৰে অন্নপ্ৰাশন অনুষ্ঠিত হ'ল। অন্নপ্ৰাশনৰ আগদিনা হেনো বিৰাট ডাঙৰ-ডাঙৰ ৰৌ মাছ, বাহু মাছ, চিতল মাছ কিনি আনি ঘৰ ওপচাই পেলাইছিল। চাৰিটা মানুহে পুহমহীয়া ৰাতিৰ ৰাতিটো হেনো ৰাতি পুৱাই যোৱালৈকে মাছ কাটিছিল আৰু ৰাতিপুৱাই মানুহৰ ঘৰে-ঘৰে এসেৰ-এসেৰমানকৈ মাছ আৰু মাছৰ মূৰ বিলোৱা হৈছিল। পুৰণা আমোলাপটি, ঠাকুৰপটি, গায়েন গাঁও, দেউতা, মা, বৰমাৰ সম্বন্ধীয়া মানুহ, বন্ধু-বান্ধৱৰ ঘৰ কাকোৱেই বাদ দিয়া নহৈছিল। মই কলেজত পঢ়া দিনলৈকে মানুহবোৰে মোক লগ পালেই "কেনে আছ অ' আই" বুলি সুধি "তই জন্ম হওঁতে খোৱা মাছ আজিও পাহৰা নাই" বুলি কৈছিল।

মালভোগ কল, ভীম কল চালনীত চালি গাখীৰৰ লগত দি, নতুবা আৰৈ চাউলৰ পিঠাগুৰিৰ লুথুৰী কৰি লগত গাখীৰ দি খুউৱাটোৱেই সেই সময়ৰ কেঁচুৱাৰ আহাৰ আছিল। আমাৰ ঘৰতো এইবোৰৰ উপৰিও মুখ সলাই-সলাই বাৰ্লি, চাগু, কৰ্ণফ্লাৱাৰ আদিও মোক হেনো খুউৱা হৈছিল। অলপ ডাঙৰ হৈ অহাৰ লগে-লগে শাক-পাচলিৰ চুৰুহা কৰি খুৱাইছিল। ঘৰৰ গৰুৰ ডাঠ গাখীৰৰ সৰেৰে ঘৰতে কৰা গৰুঘিউ আৰু শুদ্ধ গাখীৰেৰে কৰা মোহনভোগ (চুজিৰ), ঘৰত কৰা আখৈ, গৰুঘিউৰে ভজা আটাৰ ৰুটী, মুড়ি, ঘৰত কৰা পৰমান্ন আমাৰ পুৱা-আবেলিৰ জলপান আছিল।

হাঁহৰ কণী বহুত ডাঙৰলৈকে আমাক তেনেকৈ খাবলৈ দিয়া নাছিল। কাৰণ ল'ৰা-ছোৱালীয়ে হজম কৰিব নোৱাৰিব বুলি ভাবিছিল। কেতিয়াবা ক'ৰবাত দিলেও এফালহে

দিছিল। মোৰ পাঁচ-ছবছৰমান বয়সৰপৰাহে পাকঘৰৰ বাহিৰত পাম্প দিয়া ষ্টভত সিজোৱা কুকুৰাৰ কণী দিনে এটাকৈ (বৰ নিয়মিতভাৱে অৱশ্যে নহয়) খাবলৈ দিছিল। মাংসৰ ভিতৰত কেৱল পাৰৰ মাংস, হাইঠা, কপৌৰ (চিকাৰত পৰা) মাংস। মাজে-সময়ে চুবুৰিত কটা ছাগলী মাংস বা কাছৰ মাংসৰ ভাগ ঘৰলৈ অনা হৈছিল। কচায়ে কটা মাংস সেই সময়ত হিন্দু মানুহে নাখাইছিল। হাঁহৰ মাংস, বৰালি মাছ আমাৰ ঘৰত নচলিছিল। কাৰণ এইবোৰে হেনো বেমাৰ মাতে। তেতিয়া ঘৰবোৰত মাছৰ প্ৰচলনেই বেছি আছিল। আমাৰ ঘৰত সদায় অপৰ্যাপ্ত মাছ। ৰৌ মাছৰ গৰাকী, চিতল মাছৰ গৰাকী (ঘৰত মাছ বেচিবলৈ অহা পোহাৰীক দেউতাই দিয়া নাম) ভাগে-ভাগে মূৰত পাচি লৈ-লৈ আমাৰ ঘৰলৈ আহিছিল আৰু ধানৰ লগত সলনি কৰি মাছবোৰ দি গৈছিল। ভাগে-ভাগে মাছ ৰান্ধোতে-ৰান্ধোতে মায়ে পাকঘৰৰপৰা ডেৰ-দুই বজালৈকে ওলাবই নোৱাৰে। সদায় তিতা-কেঁহা লাগি যায়গৈ। তাতে ঘৰবোৰত পাৰেমানে আলহী। সম্বন্ধীয়া অৱস্থাহীন মানুহৰ স্কুলত পঢ়া কেইবাজনো ল'ৰা আমাৰ ঘৰত থাকিয়েই পঢ়িছিল। ৰাতিপুৱা ততাভুকুতাকৈ ভাত খাই স্কুললৈ যায় কাৰণে আবেলি স্কুলৰপৰা আহি খাবলৈ সুন্দৰকৈ ৰান্ধি-বাঢ়ি ভাত মজিয়াৰ একোণত স্কুলীয়া ল'ৰা-ছোৱালীলৈ সজাই থোৱা হয়। মাছ খৰিকাত দিয়া, পোৰা, পাতত দিয়া, ভাপত দিয়া, সৰিয়হ দি কৰা চৰচৰি,— এইবোৰ মায়ে স্বাভাৱিকভাৱেই কৰিছিল। নহ'লে মাছ আৰু কিমান ভাজিব! বেছীৰে দিয়া বৈয়ামৰ তেল বাৰে-বাৰে শেষ হয় আৰু শেষ হয় সময়। পাকঘৰৰ চৌকা, পাকঘৰ, খোৱাঘৰ মুচি-কাচি আজৰি হৈ গা ধুই তাঁতখন মেলিবলৈ মাৰ সময়েই নাথাকেগৈ।

ঘৰৰ চালত, চোতালত পৰি ঘূৰি-ঘূৰি লাকপাকুৰকুৰ-লাকপাকুৰকুৰকৈ ৰুণ দিয়া পাৰৰ মাতটো বুজি পোৱা আৰু ভাল লগাৰপৰা মই পাৰ মাংস খাবলৈ এৰিলো। ইমান ধুনীয়া, নিৰীহ চৰাইটো মানুহে খাবৰ কাৰণেই কেনেকৈ বধ কৰে! মানুহ ইমান নিষ্ঠুৰনে! তেনেকৈ কপৌ আৰু হাইঠাৰ মাংস অতি তৃপ্তিৰ আছিল যদিও কপৌৰ মাত শুনি ৰ লগাৰেপৰা খাবলৈ এৰিলো। চিকাৰ কৰিলে হৰিণা, চৰাই আদি মাৰিলে বৰ দুখ পাওঁ কাৰণে দেউতাই চিকাৰলৈ যাবলৈ বন্ধ কৰিলে। আগতে পৰ্ঘুমা, ডাউক, কপৌ, হাইঠা,— এইবোৰ চিকাৰ কৰি জোঁটা-জোঁটে ঘৰলৈ অনা মনত পৰে। সেই হৰিণা চিকাৰ কৰি আনি ওৰে ৰাতি চোতালত কাটি ওচৰ-চুবুৰীয়াৰ ঘৰে-ঘৰে বিলোৱাৰ কথা এতিয়াও মনত পৰে। ঘৰৰ কাৰণে প্ৰকাণ্ড টৌত হৰিণাৰ মাংস (পিৰাবোৰ) তিয়াই থোৱা দৃশ্য এতিয়াও চকুৰ আগতে আছে। যেতিয়াই শুনিছিলো হৰিণাটো মাৰিলে লগৰটোৱে বৰ দুখত কান্দে; মই যে শোকত ৰ'ব নোৱৰা হৈছিলো। হৰিণাৰ মাংসতো নাখাৱেঁই, ৰাতি নাই দিন নাই বিছনাত পৰি-পৰি কান্দিছিলো। দেউতাই মই আঘাত পোৱা দেখি হৰিণাৰ

চিকাৰো একেবাৰে বন্ধ কৰিলে। ছাগলী কটা দেখা নাছিলো। সেই ইতিহাস পাছলৈ থাওক। কুকুৰাৰ মাংসৰ কথা ক'বলৈ গ'লে ক'ব লাগিব যে ব্ৰাহ্মণ সমাজৰ কথা বাদেই, প্ৰায় হিন্দু মানুহেই তেতিয়া এই মাংস শৰীৰৰ কাৰণে গৰম বুলি অথবা নিষিদ্ধ খাদ্য বুলি গ্ৰহণ নকৰিছিল।

মোক ঘৰত মাতিছিল অজস্ৰ নামেৰে। মামণি, মণি, মাধন, মাকণ,— কত যে নাম! বাহিৰৰ প্ৰচলিত নাম নিৰ্মলপ্ৰভা থৈছিল । উতাৰ অন্তৰংগ বন্ধু ভৰধৰ ঠাকুৰ মামাই। আচলতে তেখেতে হেনো নিৰ্মলা নাম দিছিল। সেই সময়ত হেনো এই নামটো আধুনিক নাম ৰূপে প্ৰচলিত হৈছিল। দেউতাই আৰু অৰ্থপূৰ্ণ কৰিবৰ কাৰণে হেনো অলপ সলাই কৰিলে নিৰ্মলপ্ৰভা— 'স্বৰ্গীয় জ্যোতি'ৰ অৰ্থত। ভৰধৰ ঠাকুৰৰ ঘৰ আমাৰ ঘৰৰ কাষতেই— ঢাপে-ঢাপে লগা ঘৰ। তেখেত আছিল হাইস্কুলৰ শিক্ষক আৰু স্কাউটৰ মাষ্টৰ। আমি তেখেতক সেয়েহে কাউট মামা (স্কাউট মামা) বুলি মাতিছিলো। মোক তেখেতে 'নিম(অ)' বা 'নিমা' বুলি মতা মাতটো কাণত আজিও বাজি থাকে। তেখেতে আৰু ওচৰ-চুবুৰীয়া সকলোৱে মোক বৰ আতোলতোল কৰিছিল। আটায়ে দিনঁৰ দিনটো কোঁচত লৈ ফুৰোঁতে মায়ে হেনো গাখীৰ দিবলৈকো মোক কোলাত ল'বলৈ নাপাইছিল। গাঁওখনৰ মানুহবোৰে নিজৰ ঘৰৰ মুখৰ (কলহৰ) দৈকণ, সৰখিনি, মালভোগ কলকেইটা মোলৈ আনিছিল। কাৰোবাৰ ঘৰত আকৌ মুড়ি, পিঠা ভাজিলে, লাড়ু কৰিলে প্ৰথম ভাগ মোলৈ থৈছিল। ইমানেই আন্তৰিক মৰম আছিল মানুহবোৰৰ।

প্ৰাণ প্ৰাচুৰ্যেৰে, সুস্থ জীৱনবোধেৰে, মৰম-চেনেহেৰে ভৰপূৰ এখন গাঁও। তাৰ মাজতে আতোলতোলকৈ ডাঙৰ হৈছিলো মই।

গোসাঁই ঘৰত চন্দন পিহা বৰমাৰ বুকুত সদায় চন্দনৰ সুবাস। সেই বৰমাৰ সুবাসতে মোৰ উশাহ-নিশাহ। গধূলি বিছনাত শুৱাই-শুৱাই আঙুলিৰে চুলিত হাত বুলাই বৰমাই অপূৰ্ব গোসাঁই নামবোৰ গায়।* মোৰ মন যেন নামৰ লগে-লগে গৈ যমুনাৰ বালিত উমলি ফুৰেগৈ। শিয়ালীৰ মূৰৰ মৰুৱা ফুলটোনো কেনেকুৱা চাবলৈও নিশ্চয় মন গৈছিল। দেউতাই কেতিয়াবা শুৱালে— শিয়াল-বান্দৰৰ সাধুটো বৰ ৰস লগাকৈ কৈছিল আৰু কৈছিল নানা তৰহৰ সাধু। দেউতা সঁচাকৈয়ে বৰ প্ৰাণৱন্ত পুৰুষ আছিল।

মায়ে ভাত খুৱাবলৈ টোপনিৰপৰা দাঙি নি মজিয়াৰ পীৰাত বহুৱাই সাধু কৈছিল,— তুলা-তেজা, তেজীমলা, কমলাকুঁৱৰী, ফুলকোঁৱৰ, মণিকোঁৱৰৰ সাধু কৈ থাকোঁতে সাধুৰ লগত থকা গীতবোৰ মায়ে বৰ শুৱলাকৈ অতি নিমজ কণ্ঠেৰে গাই গৈছিল। মই মাৰ চাদৰৰ আঁচলৰ আঁৰ লৈ ফেকুৰি-ফেকুৰি কান্দো। "আইক লৈ গ'ল শুকুলা

** যিবোৰ গীতৰ বহুতোখিনি 'স্তুতি' নাম দি কেছেটত বাণীবদ্ধ কৰিছোঁ।*

হাতীয়ে ক'ৰবাত পাতিলে ৰাণী"— এই শাৰীটো গালে শোকত মই থাকিব নোৱৰা হওঁ। মাকক হেৰুউৱা মাউৰা ল'ৰা বা ছোৱালী ময়ে যেন হৈ পৰোঁ। ভয় হয় শুকুলা হাতী আহি আমাৰ মাকো যেন ক'ৰবালৈ লৈ যাব। যিকোনো দুখৰ কথা শুনিলেই মাৰ আঁচলৰ আঁৰ লৈ নতুবা লেপৰ তলত সোমাই কেইবাদিনলৈ কান্দি থাকোঁ। এই সাধুকথাবোৰৰ কি যে মৰ্মস্পৰ্শী শক্তি! অতি আকৰ্ষণীয় কৰি সাধুকথা ক'ব জনাটোৱেই মূল কথা। সাধুটোৰ বৰ্ণনাই শুনোতাক অসীম কল্পনাও দিয়ে।

আগৰ দিনত মাহঁতৰ সাধুকথা সন্তানক শুনোৱাৰ হেঁপাহ আছিল। সাধুবোৰ বিশ্বাসেৰেও কৈছিল। আমি দুয়োজনীয়ে অৰ্থাৎ মই আৰু মোৰ ভনীজনীয়ে ৰ লাগি শুনো। মোৰ ভনীজনী মোতকৈ দুবছৰৰ সৰু। তাইৰ নাম লক্ষ্মী, লক্ষ্মীপ্ৰিয়া। ঘৰত মতা নাম অকণ, অকমাণি, অকণি। ডিব্ৰুগড়ৰ পোনা ককাইদেৱে আমাক মাক(অ), আৰু অক(অ) বুলি মাতিছিল। অকণি বৰ বগা আছিল কাৰণে মায়ে তাইৰ ঘৰত মতা নাম দিছিল 'বিবি'। চাহাবৰ বিবি অৰ্থাৎ মেম।

আমাৰ দুজনীৰ বৰ মিল। সদায় একেলগে খাওঁ, একেলগে শোওঁ। অনবৰত ডিঙিত ধৰাধৰি কৰি থকা দুজনী সখীহে যেনিবা। মোৰ দুখ তাইৰ দুখ, তাইৰ আনন্দ মোৰ আনন্দ। ইমান মিল অন্য বাই-ভনীৰ থাকেনে নাথাকে নাজানো।

আমি ভালকৈ খোজকাঢ়িব পৰা হোৱাৰেপৰা বৰমাই আবেলি হ'লে গাঁৱৰ (পুৰণা আমোলাপটিৰ) নামঘৰটোলৈ হাতত ধৰি-ধৰি লৈ যায়। ডাঙৰ পদুম পুখুৰী এটাৰ পাৰৰ সেই নামঘৰটো। ধূপ-ধূনাৰ গোন্ধেৰে, আবেলি হোৱা আয়তীসকলৰ নামেৰে গমগমাই থকা নামঘৰটো বৰ সজীৱ যেন লাগিছিল। নামতীসকলৰ নামৰ সেই আটাইবোৰ সুললিত সুৰ মনত থকা হ'লে! গণেশৰ নাম, শিৱৰ নাম, দেৱীৰ নাম, কৃষ্ণ গোসাঁইৰ নামবোৰ কি মৰ্মস্পৰ্শী! নামঘৰৰ গোপিনীসকলৰ কথা-বতৰাৰ ভংগী মোৰ আজিও মনত পৰে ঃ "ধৰাহে বৰ নামটো ধৰা।" "এহ কিনো ধৰিবা, মনত থাকিলেহে।" "মনত নাথাকিবলৈ তুমি জানো নাম ঘৰলৈ আহি থকা নাই?" "আহি থাকিলেনো কি হ'ব! নাতিয়ে-পুতিয়ে ঘৰ ধৰিব নালাগে জানো? বন্ধাই-বঢ়াই তৰ্ণিয়ে নাপাওঁ। ৰাতিপুৱাই সেই ক'লীয়া গোসাঁইক জগোৱাৰে* পৰা কতনা কাম!" "তুমিহে ঘৰ ধৰিছা, আৰু যেন কোনেও ধৰাই নাই?"

"দে অ' যামিনী, দবাটো কোবাই দে। আই-বাই আহক, ভালেখিনি বেলি গ'ল।" এই গোপিনীসকলৰ বেছিভাগেই আখৰ চিনি নাপাইছিল। মুখে-মুখেই শিকে নামবোৰ। তাৰে ভিতৰত তেতিয়া উমাকান্ত চাংকাকতি নাজিৰৰ তৃতীয়া পত্নী লোকেশ্বৰী দেৱী

** ক'লীয়া গোসাঁইক জগোৱা মানে তুঁহজুই ফুৱাই-ফুৱাই জুই ধৰি তাৰ ওপৰত জাঁতিডাল দি ক'লা লোহাৰ ডেগটোত পানী তপতোৱা। ক'লা লোহাৰ ডেগটোৱেই ক'লীয়া গোসাঁই।*

চাংকাকতি (চমুকৈ আমি সকলোৱে তেওঁক 'নাজিৰণী আই' বুলিছিলো) অতি প্ৰখৰ বুদ্ধিৰ আছিল। পঢ়িব নাজানিলেও কীৰ্ত্তন, দশম সলসলীয়াকৈ গাব পাৰে। নামঘোষাও কণ্ঠস্থ। বাকী গোসাঁই-গোসাঁনী নামবোৰৰতো কথাই নাই। তেখেতেই আছিল নামঘৰৰ গোপিনীনামৰ গুৰি ধৰোঁতা। আটাইৰে দুখ-বিপদৰ বন্ধু, বুদ্ধি-ভাৰসা দিওঁতা।

নাম-গুণ সামৰাৰ পাছত আটায়ে সেৱা লয়। নামৰ অপৰাধ ক্ষমা কৰিবৰ কাৰণে স্তুতি-প্ৰাৰ্থনা জনায়। গোপিনীসকলৰ প্ৰত্যেকেই তামোল-পাণ, মাননি দি যাৰ যি প্ৰাৰ্থনা থাকে 'ৰাধা-কৃষ্ণ'ক জনায়। নাজিৰণী আই বয়সস্থা কাৰণে তেখেতেই মন-প্ৰাণ ভৰি যোৱাকৈ আশীৰ্বাদ দিয়ে আৰু দবাত কোব মাৰে। তাৰ পাছত আৰম্ভ হয় প্ৰসাদ বিলোৱাৰ পৰ্ব। বুট-মগুৰ মাহ-প্ৰসাদৰ লগতে দিয়া কেঁচা মিঠৈ (কেঁচা পিঠাগুৰি, ঘিউ, চেনি, গাখীৰ, কৰ্পূৰ দি কৰা) খাবলৈ আমি বৰ ভাল পাইছিলো। কিন্তু প্ৰসাদনো কিমানকণ! কেঁচা কলপাতত পৰিষ্কাৰ জহা চাউল, মগু, বুট, নানান কল, কুঁহিয়াৰ, তিঁয়হ, নাৰিকল, বগৰীৰ দিনত বগৰী, সুমথিৰা, ৰবাব টেঙাৰ দিনত সুমথিৰা, ৰবাব টেঙা, নাচপতি, আপেল আদিৰে সজোৱা নৈবেদ্য। সেই প্ৰসাদৰ অপূৰ্ব পবিত্ৰ গোন্ধৰ লগত আন একোৰে তুলনা নহয়। খৰিকাজাঁই ফুলৰ গোন্ধ, যূতিজাঁই ফুলৰ গোন্ধ, ধূপ-ধূনাৰ সুবাস তাতে মিহলি হয়। মনটো অজান পুলকত ভৰি পৰে।

আমাৰ পুৰণা আমোলাপটিৰ নামঘৰত ভাদ মাহত শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী উৎসৱ বৰ ডাঙৰকৈ পতা হৈছিল। মাজুলীৰ গড়মূৰ সত্ৰৰপৰা অনা শ্ৰীশ্ৰীকৃষ্ণ জন্মাষ্টমীৰ পালা এখন প্ৰতিবছৰে তাত অভিনীত হৈছিল। সেই নাটকখনৰ গীতৰ সুৰবোৰ কি অপূৰ্ব! ভোলা বায়ন আৰু ... ৰাধা ককা, প্ৰেমধৰ ককা, চানা ককা, ককা যোগেন চাংকাকতি, আৰু বিশেষকৈ নাজিৰাৰ গোপাল বৰদলৈয়ে অতি সুমধুৰ কণ্ঠেৰে সেই সুৰবোৰ গোৱা মনত আছে। পাছলৈ অতুল মামা, গুণ মামা, দীন মামা, ডা. ভৱনাথ শৰ্মা মহা, ফণী মামা, গণেশ চাংকাকতি মামা, দেব চাংকাকতি দাদা, যতীন দাদা আদিয়ে আগভাগ লৈ অতি সুন্দৰ কণ্ঠেৰে এই নামৰ পৰম্পৰা ৰক্ষা কৰিছিল আৰু তেখেতসকলৰ পুত্ৰসকলে এতিয়াও এই পৰম্পৰা সজীৱ কৰি ৰাখিছে। আমি সৰু থাকোঁতে টংকেশ্বৰ ঠাকুৰ বৰদেউতা, মামা ভৱধৰ ঠাকুৰ, মামা মাধৱ ঠাকুৰ, মামা ৰুহিধৰ ঠাকুৰ আদিকো সমানে এই নামত ভাগ লোৱা দেখিছিলো। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই পুৰণা আমোলাপটিৰ এই নামঘৰৰ আপুৰুগীয়া ঐতিহ্যৰ কথা তেখেতৰ 'মোৰ জীৱন সোঁৱৰণ'ত এনেকৈ লিখিছিল ঃ

"... দেউতাই শিৱসাগৰলৈ আহিয়েই তেওঁৰ ঘৰৰ বাট-চৰাৰ ওচৰতে এডোখৰ মাটিত এটা ডাঙৰ ৰাজহুৱা নামঘৰ সজাই তাত ৰাজহুৱা সবাহ, পূজা ইত্যাদি কৰাবৰ দিহা কৰিছিল; কি অদম্য উৎসাহেৰে দেউতাই সেই ৰাজহুৱা কাৰ্যবোৰত যোগ দি সেইবোৰ সুসম্পন্ন কৰাইছিল, দেখি আচৰিত মানিবলগীয়া। বৃদ্ধ তেওঁৰ উৎসাহ আৰু

কাৰ্যকৰী শক্তিৰ 'জোৰৰ আগত ৰাতিৰ পোহৰ'ৰ দৰে হৈ পৰিছিল।..."

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই শিৱসাগৰৰ গণকপটিৰ কথা এনেদৰেও লিপিবদ্ধ কৰি গৈছে ঃ

"হৃদয়স্পৰ্শী সুললিত হীৰা নামৰ নিমিত্তে শিৱসাগৰৰ গণকপটি সুবিখ্যাত আছিল। শ্ৰীযুত হৰকান্ত নাজিৰ আৰু শ্ৰীযুত গোপীনাথ শৰ্মাৰ নেতৃত্বত গণকপটিৰ নাম-কীৰ্তনৰ দল আহি কোনো ৰাজহুৱা সবাহত যেতিয়া আমাৰ ৰাজহুৱা নামঘৰত হীৰা নাম গাবলৈ আৰম্ভ কৰে, তেওঁলোকৰ শৃংখলিত আৰু সুললিত হীৰা নাম-কীৰ্তনৰ ধ্বনিত সকলো বিমুগ্ধ হয়। তেওঁলোকৰ সৰহভাগেই আউনিআটি আৰু দক্ষিণপাটৰ শিষ্য, কিন্তু দুই মহাপুৰুষৰ কীৰ্ত্তনঘোষা আৰু নামঘোষাই তেওঁবিলাকৰ হৰি-কীৰ্তনৰ অক্ষয়ভাণ্ডাৰ। কীৰ্ত্তনঘোষাৰপৰা ঘোষা আৰু পদ দি ভক্তি গদগদ কণ্ঠেৰে সুমধুৰ নাম-কীৰ্তন লগাই দিওঁতা শ্ৰীযুত হৰকান্ত নাজিৰ আৰু গোপীনাথ শৰ্মাই গ্ৰন্থলেখকৰ অশেষ শ্ৰদ্ধা এনেকৈ আকৰ্ষণ কৰিছিল যে তাক পাহৰিব নোৱাৰে।" (মোৰ জীৱন সোঁৱৰণ— বেজবৰুৱা গ্ৰন্থাৱলী. পৃ. ৩৬)

আমি 'মাঘীস্নান' কৰিবলৈ ব্ৰহ্মপুৰাতেই দিখৌ নৈৰ মেটেকাঘাটলৈ বৰমা আৰু মাৰ লগত যোৱাৰ অতি আনন্দময় স্মৃতি আজিও সজীৱ হৈ আছে। আন্ধাৰ থাকোঁতেই শোৱাৰপৰা উঠি, ডাঠ কুঁৱলীৰ মাজে-মাজে, লগুৱা এটাই লগে-লগে নিয়া লেম্পৰ পোহৰত আমি বাটে-বাটে পুৰাৰ বৰগীত গাই-গাই গৈছিলো। দুই-এক বাটত লগ হয়। পানীত নামি স্নান কৰোঁতে পুবৰ আকাশত ধলফাট দিয়ে। মুকলি দিগন্তত কুঁৱলীৰ মাজেদি ৰঙা বেলিটো নৈৰ বুকুত উঠি অহাৰ যি সৌন্দৰ্য সেই সৌন্দৰ্য অবৰ্ণনীয়। উভতি আহোঁতে দোকমোকালি হয়। কুঁৱলীৰ মাজে-মাজে পুৱতি নিশাতে যোৱা, ব্ৰহ্মমুহূৰ্তত স্নান কৰা সময়খিনিৰ শিহৰণ আজিও মনত আছে। — তেতিয়াৰ সেই মধুৰ শিহৰণেই মনত ৰৈ গৈছিল আৰু পাছত গীত আকাৰে প্ৰকাশ পাইছিল বহুত বছৰৰ পাছত এনেকৈ ঃ

সাৰ পাম মই পুৱতি নিশাতে
নিয়ৰ যেতিয়া সৰে
বাটৰ শুকান ধূলিক সেমেকা
যিটো প্ৰহৰে কৰে
মই চাব খোজো হেঙুলী বেলিয়ে
আন্ধাৰ কেনেকৈ নাশে
ফুলাৰ মন্ত্ৰ কেনেকৈ সিঁচে
কুসুমৰ কাষে কাষে

উদং বতাহৰ বুকু কেনেকৈ
মিঠা সুবাসেৰে ভৰে...

বহুত-বহুত বছৰৰ পাছত লিখা মোৰ এই গীতটোৰ উৎস বা অজান প্ৰেৰণা হয়তো এই স্নানৰ সময়ৰে, কোনে জানে!

এই আচাৰ-বিধিবোৰ জীৱন আলোকিত কৰা আচাৰ-বিধিয়েই আছিল।

মনত পৰিলে এতিয়াও শিহৰণ জগায় অন্য এক স্মৃতিয়ে। সেয়া হৈছে অশোকাষ্টমীত ব্ৰহ্মপুত্ৰ নৈত স্নান কৰিবলৈ যোৱা কথাটো। সন্ধিয়াতে খাই-বৈ, পিকনিকৰ কাৰণে ৰন্ধাৰ সকলো যোগাৰ লগত লৈ, ডাঙৰ-ডাঙৰ বলদ গৰুৰ গাড়ীৰে আমি দিচাংমুখলৈ ৰাতিৰ ৰাতিটো যাওঁ। ছৈ দিয়া গৰুৰ গাড়ীৰ ভিতৰত হাৰমনিয়াম বজাই, খোল-তাল বজাই হৰি-কীৰ্তন কৰি, মানুহবোৰে শাৰী-শাৰী গৰুৰ গাড়ীৰে ৰাতিৰ ৰাতিটো গৈ-গৈ পুৱতি নিশা দিচাংমুখ পায়গৈ। মুকলি আকাশত অজস্ৰ তৰা জকমকাই থাকে। বিশাল দিগন্ত বিয়পা ব্ৰহ্মপুত্ৰৰ ৰূপোৱালী বালিত জ্বলি থাকে শ-শ শিবিৰৰ অসংখ্য বন্তিবোৰ। নাম-কীৰ্তনেৰে মুখৰিত হৈ থাকে স্নানাৰ্থীৰ কেম্পবোৰ। ৰাতিপুৱা বালিত দৌৰি-ঢাপৰি ফুৰোঁতেই স্নানৰ সময় হয়। বেলিৰ পিনে মু কৰি জলত নামি কৰা সূৰ্য প্ৰাৰ্থনা, অশোক ফুলৰ অৰ্ঘ্যদান কি অপৰূপ! ইয়াৰ পাছত ঘৰৰপৰা টেমা ভৰাই-ভৰাই নিয়া লাডু, পিঠা-পনাৰে, ইটো কেম্পে সিটো কেম্পক দিয়া সুমিষ্ট খাদ্যৰ চাহপৰ্ব শেষ হয়। তাৰ পাছত বতাহে কোবাই নিয়া জুইৰ লগত যুঁজি-যুঁজি আটাইবোৰ শিবিৰতে বালিভাত ৰন্ধা কাৰ্য। সোঁ-সোঁ কৰি বলা বতাহে বালি উৰুৱাই নি ভাততো পেলায়গৈ। হাঁহি-ধেমালিৰে, জুইৰ ধোঁৱাই উলিওৱা চকুৰ পানীৰে গোটেইবোৰ একাকাৰ হয়। খাই-বৈ গৰুৰ গাড়ীত উঠি ঘৰ পাওঁহি মানে সন্ধিয়া হয়গৈ। পাছলৈ আমি ঘৰৰ মটৰেৰে গৈ সাউৎকৰে স্নান কৰি ঘৰ পাইছিলোহি। পিছে মটৰেদি গ'লে সেই মাদকতা ক'ত! সপ্তমী নিশাৰ জোনৰ পোহৰ চাবলৈ আমি গৰুৰ গাড়ীৰপৰা মাজে-মাজে নামি খোজকাঢ়িও এছোৱা-দুছোৱা বাট গৈছিলো। গাড়ীত পাৰি দিয়া খেৰৰ শয্যাত শুবলৈও বেলেগ আনন্দ। গাড়ীখন নিজস্ব গতি এটাত দুলি-দুলি গৈ থাকে। শৰীৰ, মন, কল্পনা আটাইবোৰ যেন ছন্দময় হয়।

আমি সৰু থাকোঁতে শিৱসাগৰৰ আমাৰ পুৰণা আমোলাপটি অঞ্চলত বানপানী হোৱাও দেখিছিলো; এবাৰ নে দুবাৰ। যেতিয়াই আমাৰ ঘৰৰ সন্মুখৰ পকা পুলটোৰ তলৰ বৰ খালৰ পানী কলকলাই বয়, আমি উটুউৱা কচুপাতবোৰ, কাগজৰ নাওবোৰ একেবাৰে কোবত গৈ কোনোবাখন পায়গৈ, তেতিয়াই আক-তাক কোৱা শুনিছিলো— "পানী বাঢ়িছে, পানী বাঢ়িছে।" কোনোবাই কয়,— "পানী চাবলৈ যাওঁচোন ব'ল।" কোনোবাই লগে-লগে ভেকাহি মাৰি কয়— "নাপায় তেনেকৈ ক'ব, পানী চাওঁগৈ

বুলি। তেনেকৈ ক'লে ডিঙি ফুলা ৰোগ হয়।" সেইকাৰণে মানুহবোৰে হয় দৰিকাৰ ফালৰপৰা, নহয় দিখৌৰ ফালৰপৰা ফুৰি আহোঁগে বুলি কৈ পানী চাবলৈকে যায়। গধূলি গাঁওখনত কোৱা-কুই হয়,— "ভাত-পানী সোনকালে ৰান্ধহঁক। খাই-বৈ আঁটাব লাগে। কেতিয়া মথাউৰি ভাগে ঠিক নাই।" এনে কথাবোৰ চলি থাকোঁতেই ৰাতিপুৱা শুই উঠি দেখোঁ আমাৰ ঘৰত, অকল মামাৰ ঘৰৰ ননীহঁতকে ধৰি অজস্ৰ মানুহ পিয়াপি দি ফুৰিছে। আটাইৰে মুখ শুকান। বাহিৰলৈ ওলাই দেখোঁ বানপানীৰ অপূৰ্ব দৃশ্য। ট্ৰাংকৰ'ড বাগৰি পানী আমাৰ পিনে সোমোৱা নাই। আলিটোৰ সিপাৰে মানুহে ভুৰ চলাই ফুৰিছে। ননীহঁতৰ বোলে এই হেন ওখ পিৰালিও ডুবিল। কাৰোবাৰ বাৰীত একঁকাল্ পানী। আমাৰ ভয়-ভ্ৰান্তি লগা নাছিল। কোনো আতংকও নাই। কেৱল লাগিছিল স্ফূৰ্তি!

আমাৰ ঘৰত সেইদিনা অজস্ৰ মানুহে মজিয়াত বহি কলপাতত ভাত খাইছিল। ভুৰ লৈ-লৈ পানী কমিছেনে নাই ঘৰবোৰত চাবলৈ গৈছিল। সন্ধিয়ালৈ যেতিয়া পানী শুকাই আহিল ম্‌তামানুহ, ডাঙৰ ল'ৰাবোৰ ঘৰবোৰ চাফা কৰিবলৈ বুলি লেম, চাকি লৈ-লৈ গ'লগৈ। সৰু ল'ৰা-ছোৱালী, কেঁচুৱা, প্ৰসূতি, বুঢ়ীমানুহ, মাইকীমানুহবোৰ আমাৰ ঘৰত থাকিল। আমাৰ ঘৰৰ কোঠা ঊনৈছটা। আলহীৰ কাৰণে অৰ্থাৎ আলহী আহিলে শুবলৈ দিবলৈ বেলেগ বিছনা-পত্ৰৰ যোগাৰ আমাৰ ঘৰত থাকেই। তদুপৰি দেউতাই ডাঙৰ-ডাঙৰ ত্ৰিপাল পাৰি তাৰ ওপৰত খেৰ দি, বগা-বগা বিছনা চাদৰ দি-দি মানুহক শুবলৈ ঢলা বিছনা কৰি-কৰি দিয়া মনত আছে। গাৰু বা কিহেৰে কৰিছিল!

আমাৰ ঘৰত খৰি থোৱা আৰু খেৰ থোৱা ঘৰ-এটা বেলেগ। আমাৰ ঘৰত সেই সময়ত অন্য গৰুৰ লগতে নামজ্বলা কাজলী গাই এজনী আছিল। জাৰ্ছি গাই। তাই দুইবেলা কেইবাসেৰো গাখীৰ দিছিল। তাইক খুৱাবলৈ ঘৰৰে খেৰ মজুত থাকিছিল। কাজলী গৰুৰ গাখীৰ ডাঙৰ বানবাটিত এবাটিকৈ তপতাই আমাৰ পুৰোহিত বিষ্ণুদেউক সদায় খাবলৈ দিয়া কথাটো মনত পৰে। কাজলী গৰুৰ গাখীৰেৰে ঘৰতে দৈ, মিঠাই বহুত কৰা হৈছিল।

বানপানী শুকালত মানুহবোৰ যেতিয়া ভাগে-ভাগে গ'লগৈ, আমাৰ দুয়োজনীৰ বৰ দুখ লাগিছিল আৰু আকৌ অহাবাৰ বানপানী হ'বলৈ গোসাঁইঘৰত আঁঠুকাঢ়ি কাকুতি কৰিছিলো।

ওচৰ-চুবুৰীয়াৰ ইঘৰ-সিঘৰলৈও বৰমাই আমাক হাতত ধৰি ফুৰাবলৈ লৈ যায়। ওচৰ-চুবুৰীয়া বুলিলে মনত পৰে আলিটোৰ (ট্ৰাংক ৰ'ড) মূৰলৈ থকা ডা. জগন্নাথ ককাৰ ঘৰখন। জগন্নাথ ককাৰ ঘৰৰ সিপাৰলৈ বাপজান মামা, সৰ্বা ককা, শশী ককাৰ ঘৰ। ডা. জগন্নাথ ককা দেখাত বৰ শুৱনি, হৃষ্টপুষ্ট, ওখ, বগা এজন সভা শুৱনি পুৰুষ।

তেখেতৰ দেউতাক আছিল গৌৰী ককা। গৌৰী ককাৰ বহুত ছোৱালী আছিল যদিও ল'ৰা নাছিল। সেয়ে এটি পুত্ৰ সন্তান হোৱাৰ কামনাৰে তেখেতে হেনো নিজৰ ঘৰৰপৰা বৰপুখুৰী পাৰৰ শিৱমন্দিৰলৈকে মাটিত দীঘল দি পৰি সাষ্টাংগে প্ৰণাম কৰি-কৰি শিৱক প্ৰাৰ্থনা জনাইছিল। জগন্নাথ ককাই দ্বিতীয় মহাযুদ্ধত মণিপুৰত চাকৰি কৰি থাকোঁতে যুদ্ধক্ষেত্ৰত এখন ভৰি হেৰুৱাইছিল। জগন্নাথ ককা যুদ্ধক্ষেত্ৰত আহত হোৱাৰ সময়ত তেখেতৰ বায়েক শ্ৰীদুৰ্গা আইতাই আমাৰ পুৰণা আমোলাপটিৰ নামঘৰত কেনেকৈ দীঘল দি পৰি-পৰি কান্দি নামঘৰৰ ৰাধা-কৃষ্ণক ককাৰ জীৱন ৰক্ষাৰ কাৰণে প্ৰাৰ্থনা কৰিছিল সেই কথা ৰিণিকি-ৰিণিকিকৈ মোৰ আজিও মনত পৰে। জগন্নাথ ককাই কটা ভৰিখনত কাঠৰ ভৰি লগাই লৈছিল আৰু কেতিয়াবা কাচিৎ কাঠৰ ভৰিখন খুলি আমাক দেখুৱাইছিল। তেনেকৈয়ে তেখেতে এজন সু-চিকিৎসক আৰু আগশাৰীৰ সমাজকৰ্মী হিচপে জীৱন নিৰ্বাহ কৰিলে। তেখেতৰ এনে ব্যক্তিত্ব আছিল যে তেখেতৰ প্ৰত্যয় ভৰা এষাৰ মাততে ৰুগ্নজনো সুস্থ হৈ উঠে। বিহু-সংক্ৰান্তিত তেখেতে ৰিক্সাখনত উঠি ইমূৰৰপৰা সিমূৰলৈ গাঁওখনত ঘূৰি-ঘূৰি আটাইৰে কুশল-মংগলৰ বতৰা লয়। গাঁৱৰ মানুহৰপৰা চিকিৎসাৰ ফিঁজো কেতিয়াও নলয়। গৌৰী ককাৰ লগত আকৌ মোৰ সম্বন্ধটো আছিল বেলেগ। তেখেতে আৱাহন, জয়ন্তী আদি আলোচনী গোটাই আনি মোক সেই সৰুৰেপৰাই পঢ়িবলৈ দিছিল। জগন্নাথ ককাৰ এগৰাকী বায়েক আছিল; বাল-বিধৱা, ভবানী আইতা। তেখেতে আমাৰ ঘৰৰ সন্মুখৰ স্কুলখনত কাম কৰিছিল আৰু মোক পঢ়ুৱাইছিলো।

জগন্নাথ ককাৰ ঘৰৰ ওচৰতে নামজ্বলা হেডমাষ্টাৰ ৰত্ন ককাৰ ঘৰ। তেখেতে বেজবৰুৱা হাইস্কুলৰ দায়িত্ব সুখ্যাতিৰে বহন কৰিছিল। ডাঙৰ-ডাঙৰ উজ্জ্বল চকুৰে শকত আৱত গম্ভীৰ ব্যক্তিত্বৰ মানুহ আছিল এই ককা। তেখেতৰ প'ৰ্টিকৰ কাষত এটা পুৰণি শিলৰ মূৰ্তি আছিল। সেই মূৰ্তিটোৱে ঘৰখনৰ গাম্ভীৰ্য আৰু বঢ়াইছিল। তেখেতসকলৰ ঘৰৰ ওচৰত আৰু আমাৰ ঘৰৰ ঢাপৰ সিপাৰে আছিল আগতে উল্লেখ কৰা ভৱধৰ ঠাকুৰৰ ঘৰ। দেউতাৰ লগত এই মামাজনৰ বন্ধুত্ব থকা কাৰণে তেখেতসকলৰ বাৰীখন দেউতাই তেনেই কম দামতে তেখেতক বোলে দি দিছিল। তেখেত নিৰ্জু অথচ সুদক্ষ শিক্ষক আছিল। তেখেতৰ কন্যা সন্তান আছিল দহগৰাকী। তাৰে এগৰাকীৰ নাম আছিল ভবানী ঠাকুৰ। এই ভবানী বাইদেউক আমাৰ দেউতাই তুলি লোৱাৰ নিচিনাকৈ লৈছিল। আমাৰ ঘৰখনৰ লগত সেই ঘৰখনৰ ইমান মিল আছিল যে অহা-যোৱা কৰিবৰ কাৰণে বাৰীৰ চুকেৰেও বাট আছিল। আমাৰ ঘৰৰ সোঁহাতে আছিল এখন গায়ন গাঁও। গায়ন গোৱা অব্ৰাহ্মণ এই লোকসকলক আহোম ৰজাৰ দিনতে ধৰ্মীয় তিথি-পৰ্ব্বত গায়ন গাবলৈ ভাৰ দিয়া হৈছিল। এওঁবিলাকে আমাৰ খেতিৰ

মাটিও আধি লৈছিল। পানীও আমাৰ ঘৰৰ ডাঙৰ পুখুৰীটোৰপৰাই খাইছিল। পানী নিবলৈ অহা তেওঁবিলাকৰ কাষত কলহ লোৱা জীয়াৰী-বোৱাৰীৰ শাৰীবোৰ যেন মোৰ চকুৰ আগতে এতিয়াও ভাহি আছে।

আমাৰ ঘৰৰ সন্মুখৰ পকা পুলটোৰে সোমাই যোৱা আলিটোৱেই আমাৰ গাঁওখনলৈ সোমাই যোৱা আলি। আমাৰ ঘৰৰ সন্মুখত আছিল মোৰ ডাঙৰ মাৰ ককায়েক লোকনাথ চাংকাকতিৰ ঘৰ। আমি তেখেতক অকল মামা (অকলশৰীয়া মামা) বুলি মাতিছিলো। অকল মামাৰ ঘৰৰ কাষতে পদূলিত কৃষ্ণচূড়াৰ ফুলেৰে বংশী ককা, বাচা ককা, খুদু ককা, পদো ককা আদিৰ ঘৰ। তাৰ সিফালে ৰঙা জবা ফুলৰ হেজ্জেৰে চাহান্চা দদাইটিৰ ঘৰ। তেখেতৰ পুত্ৰ নুৰুল ইছলাম ককাইটি পাছলৈ কটন কলেজৰ প্ৰিন্সিপাল হৈছিল। তেওঁলোকৰ ঘৰৰ সিফালে ঠাকুৰপটি। আমাৰ ঘৰৰ সন্মুখৰ সোঁফালে ২ নম্বৰ প্ৰাইমেৰি স্কুল। সেইখন মিনি বাইদেউৰ স্কুল বুলিও খ্যাত। স্কুলখন পাৰ হৈয়েই নিকুঞ্জ ভাগৱতী, ৰত্ন ভাগৱতী আৰু সুৰেণ ভাগৱতীৰ বাসস্থান। নিকুঞ্জ ভাগৱতী অৰ্থাৎ নিতাই মামাই কাচাৰীত কাম কৰিছিল। তেখেত ওখ-পাখ, নাক-মুখ জোঙা বৰ ধুনীয়া মানুহ আছিল। তেখেতে দীঘল বগা কামিজ, চিকচিকাই থকা পামচু জোতা বা ছেণ্ডেল পিন্ধিছিল। নিতাই মামাৰ ঘৰলৈ গ'লে আবেলি গাজ ওলোৱা মগু, বুট, খিচমিচ আৰু মাজে-মাজে আপেল খাবলৈ দিছিল। নিতাই মামাৰ ভায়েক ৰত্ন মামা (ফণী ভাগৱতী) থূলন্তৰ পুৰুষ আছিল। তেখেতসকলৰ ঘৰত বাৰ্ষিক কালীপূজা পাতিছিল আৰু ৰত্ন মামাই নিজেই ছাগলী বলি দিছিল। আমি কালীপূজালৈ কেতিয়াবা গ'লেও ভয়তে গোসাঁনী কেতিয়াও নাচাইছিলো। জা-জলপানৰ লগত দিয়া তিলৰ লাডু খাবলৈ ভাল পাইছিলো। তেখেতসকলৰ ঘৰত এটা ডাঙৰ দবা আছিল। গধূলি হ'লেই দবাত কোব মাৰে আৰু আমি তেতিয়াই লৰালৰিকৈ হাত-ভৰি ধুই গোসাঁইঘৰত সোমাই প্ৰাৰ্থনা কৰি ফলি-পুথি হাতত লওঁ। ভাগৱতী পৰিয়ালৰ তেতিয়াৰ দিনতে খৃষ্টানপটিত এটা ধানৰ মিল আছিল। তেখেতসকলৰ সৰু ভায়েক সোণটি মামাৰ (সুৰেণ ভাগৱতী) আছিল কেএৰাপটিত এখন কাপোৰৰ দোকান। ভাগৱতী পৰিয়াল আৰু ঠাকুৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ সৈতেই আমি সৰুকালি ধেমালি-ধুমুলা কৰিছিলো। গায়ন গাঁৱৰ ল'ৰা-ছোৱালীবিলাকৰ দুই-একে পাছলৈ আমাৰ লগত খেলিবলৈ আহিছিল। বিশেষকৈ কইনা-দৰাৰ বিয়া পতাৰ মৌ-মিঠা সোঁৱৰণি এতিয়াও মনত আছে। ভাগৱতী মামাহঁতৰ ঘৰৰ ওচৰতে আছিল কুল বৰুৱা মামাহঁতৰ ঘৰ। তেখেত কাচাৰীৰ নাজিৰ আছিল। গায়ন গাঁৱৰ মাজতে আছিল আন এজন সুখ্যাত শিক্ষক গোলাপ গোস্বামীৰ ঘৰ। গায়ন গাঁও পাৰ হৈ কিছু আগলৈ আছিল সুশীল মামা, অমূল্য মামাৰ ঘৰ। অমূল্য মামালৈ মই কিয় ইমান ভয় কৰিছিলো নাজানো। তেখেতে "মাকণি দৰব খালিনে" এইবুলি ডাঙৰকৈ

সুধিলেই ভয়ত মই ঠকঠককৈ কঁপিছিলো। আৰু যিমান তিতা দৰব হ'লেও খালো মামা খালো বুলি তৎক্ষণাৎ খাইছিলো।

সেই সময়ৰ আমাৰ সেই পুৰণা আমোলাপটি অঞ্চলটোৰ মানুহবোৰে কৰা চাকৰিবোৰ হ'ল বেছিভাগেই কেৰাণী। কোনোবাই কাচাৰীত নাজিৰ পেছকাৰ, কোনোবাই মিউনিছিপেলটিৰ কেৰাণী, টেক্স কালেক্টৰ, বেংকত, বাগানৰ স্কুলত কাম কৰিছিল। দুই-একৰ পাম আছিল অলপ দূৰৰ পালেঙি, বেতবাৰীৰ পিনে। বাকীসকল আছিল কৃষিজীৱী খেতিয়ক। দৈৱজ্ঞ ব্ৰাহ্মণ আৰু ব্ৰাহ্মণসকলে নিজে হাল নাবায়। মাটি আধি দিয়ে, নহয় ঘৰতে মানুহ ৰাখি খেতি কৰায়। দুই-চাৰিৰ ব্যৱসায়ো আছিল। কলিকতাত পাছ কৰি অহা বা ডিব্ৰুগড়ৰ বেৰি হোৱাইট স্কুলৰ ডাক্তৰসকলো কম চোকা নাছিল! মাটি নথকা চাকৰিজীৱীসকলৰ অৱস্থা আকালো নাই, ভঁৰালো নাই এনে ধৰণৰ আছিল। মাটি থকা আৰু চাকৰিও থকাসকলৰ অৱস্থা গপগপীয়া আছিল। ব্যৱসায় কৰিব জনাসকলৰ অৱস্থা বেচ ভাল আছিল। আনহাতে ব্যৱসায় কৰিবলৈ সৰ্বসাধাৰণৰ টকাও নাছিল, মনো নাছিল। দুই-এঘৰেহে 'ৰাইছমিল' আদি খুলি স্ব-সংস্থাপন কৰিছিল।

মাৰোৱাৰীসকলৰ ব্যৱসায় আছিল। খাদ্যবস্তু, কানি-কাপোৰ আদিৰ ব্যৱসায় কৰিবলৈ ভিতৰুৱা গাঁৱতো মাৰোৱাৰীসকল বহিছিলগৈ। হুণ্ডিৰ বিনিময়ত টকাও ধাৰে দিছিল। বিহাৰীসকলেও খোৱাবস্তুৰ দোকান দিছিল। কাবুলী তেতিয়া দেখা মনত নপৰে।

গাখীৰ, খৰি আদিৰ ব্যৱসায় অসমীয়া মানুহেই চলাইছিল। আমাৰ ঘৰত কুন্দা হিচাপে খৰি দেখিছিলো; সেইবোৰ হাজিৰা কৰা মানুহে কুঠাৰেৰে ফালি চলা-চলা কৰিছিল আৰু খৰি-ঘৰত থৈ দিছিল। আমাৰ ওচৰ-চুবুৰীয়া হিচাপে থকা আৰু আধি মাটি লৈ খেতি কৰা আমাৰ ঘৰুৱা কাম-কাজবোৰত সহায় কৰা মানুহ আছিল পুনাই কাই, কান্দুৰা কাই, গেনা কাই, অকণ কাই,— এইসকল লোক। দেউতাই প্ৰায়বিলাককে এটা-এটা উপনাম দি মাতিছিল। কান্দুৰাক মাতিছিল ঠিকাদাৰ বুলি, গাখীৰ দিয়া মানুহজনক মাতিছিল কেম্পবেল চাহাব বুলি আৰু জেওৰা দিয়া মানুহ ইন্দ্ৰেশ্বৰক মাতিছিল পাখিমেধি বুলি। সেইদৰে আৰু অজস্ৰ নাম। কেম্পবেল ককায়ে জোলা গাঁৱৰপৰা ডাঙৰ কঁৰীয়াত গাখীৰ লৈ-লৈ আহিছিল।

পুলৰ মাজেৰে গ'লে পোৱা যায় আমাৰ গাঁওখন। শিৱসাগৰৰ আমাৰ অঞ্চলটো বুজাবলৈ 'গাঁও' শব্দটো ব্যৱহাৰ কৰা হৈছে। আমাৰ অঞ্চলটো শিৱসাগৰ টাউনৰ মাজমজিয়াত। এই অঞ্চলত আমোলাসকল বাস কৰে কাৰণে নাম হ'ল পুৰণা আমোলাপটি। কোনোবাই-কোনোবাই গণকপটি বুলিও কয়। আমাৰ বৃহৎ অঞ্চলটোক (অসম ট্ৰাংক ৰ'ডৰ দুয়োকাষৰ) কিন্তু কোনোৱে 'চুবুৰি' বা 'পাৰা' নুবুলিছিল। তাৰ ঠাইত বুলিছিল গাঁও আৰু এতিয়াও ব্যৱহাৰ হয় গাঁও শব্দটোৱেই— যেনে "গাঁও ফুৰি

আহোঁগৈ” (চুবুৰীয়াৰ ঘৰত মাত লগাই আহোঁগৈ), “গাঁওখনৰ গোটেইখিনি মানুহকে নিমন্ত্ৰণ কৰিব লাগিব” (চুবুৰীটোৰ আটাইখিনি মানুহক...) ইত্যাদি-ইত্যাদি। এই ‘গাঁও’ শব্দটো চুবুৰিৰ অৰ্থত অৱশ্যেই মুখে-মুখে চলা শব্দ। আনহাতেদি, যিমানদূৰ মনত পৰে এইটোও সত্য যে শিৱসাগৰত ভাৰতে স্বাধীনতা পোৱাৰ পাছলৈকে ইলেকট্ৰিচিটিয়েই হোৱা নাছিল আৰু সমৃদ্ধিশালী গাঁও এখনৰহে প্ৰকৃত ৰূপ আছিল। তাৰ প্ৰথম ঘৰটোৱেই আমাৰ দীন মামাৰ ঘৰ। তেখেতৰ মামী ইমান সাদৰী আৰু প্ৰখৰ বুদ্ধিমতী আছিল যে কথাবোৰ যেন এতিয়াও কাণত বাজি থাকে। অতি নিৰ্জু দীন মামায়ো কাচাৰীত পেছকাৰ চাকৰি কৰিছিল। দীন মামাই বৰ সুন্দৰকৈ জন্মাষ্টমীৰ নাম লগাব পাৰিছিল। দীন মামাৰ ঘৰৰ পিছতেই ভৱ মামাৰ ঘৰ। তেখেতৰ ল'ৰা বৰ্তমানৰ গল্পলেখক মুকুট বৰদলৈ। তাৰ পাছত আগলৈ আমাৰ ঘৰখনৰ লগত অতি ঘনিষ্ঠ সম্পৰ্ক থকা গণেশ চাংকাকতি মামাৰ ঘৰ। তেখেতৰ কথা পাছলৈ বিভিন্ন সময়ত উল্লেখ কৰা হ'ব। তেখেতৰ ককায়েক ৰত্ন মামা আছিল টেক্স কালেক্টৰ। তেখেতসকলৰ সৈতে প্ৰায় লগালগিকৈ আছিল বাপুকণ মামা, কঁকৈ ককা, পূৰ্ণ ককা আৰু ধনধনহঁতৰ ঘৰ। পূৰ্ণ ককা আছিল অতি নিষ্ঠাবান, সুদক্ষ শিক্ষক। নাট্যমন্দিৰৰ সন্মুখৰ দুখীয়া (১ নম্বৰ টাউন প্ৰাইমেৰি) স্কুলটো তেখেতৰ হাততে জাকত জিলিকাকৈ গঢ় লৈছিল। তেওঁবিলাকৰ ঘৰৰ কাষতে আছিল বাঁওহাতে কঠালী মামাৰ (ৰুহিধৰ ঠাকুৰৰ ঘৰৰ ওচৰতে বৰ্তমান গণেশ গোহাঁইৰ ঘৰ) ঘৰ। তেওঁলোকৰ সেই অঞ্চলটোক ‘বকুলতলৰ বাৰী’ বুলি জনা গৈছিল। এই বকুলতলৰ প্ৰকাণ্ড মাটিখিনিয়েই আছিল প্ৰাচীন সম্ভ্ৰান্ত বংশৰ বিখ্যাত কৃষ্ণপ্ৰাণ চাংকাকতিৰ হাউলি। আমাৰ বৰমা সেই কৃষ্ণপ্ৰাণ চাংকাকতিৰে নাতিনী। এটা সময়ত সেই বকুলতলতে উকীল দোলেশ্বৰ চাংকাকতিৰ নিবাসো আছিল। তেখেতৰ ককায়েক উকীল জীৱেশ্বৰ চাংকাকতিয়েই কবি নলিনীবালা দেৱীক বিয়া কৰাইছিল। দোলেশ্বৰ চাংকাকতিৰ দুটি ল'ৰা আছিল পুলিন মামা আৰু ননি মামা। তেওঁলোক অতি সুকণ্ঠি আছিল আৰু এই গুণৰ বেছিভাগ দেউতাকৰপৰা লাভ কৰিছিল। দোলেশ্বৰ চাংকাকতিৰ বিয়া কবি নলিনীবালা দেৱীৰ ভনীয়েকৰ লগত হৈছিল। এখেতসকলৰ ঘৰৰ আগলৈ ভূধৰ ঠাকুৰৰ ঘৰ। তাৰ কাষতে আছিল মোৰ পৰম শ্ৰদ্ধেয় সৰুকালিৰ শিক্ষক গুণ মামাৰ ঘৰ। গুণ মামাই তেখেতসকলৰ ঘৰত ন-খোৱা পতাৰ দিনা মোক আৰু ভনীজনীক স্কুলৰপৰা বাহিৰে-বাহিৰে লৈ গৈছিল। বহুত মানুহৰ শাৰীত একেলগে বহুৱাই আমাক ভাত খুউৱা কথা এতিয়াও মনত পৰে। গুণ মামাৰ ঘৰৰ ওচৰতে বাপু মামা (অতুল শৰ্মা) আৰু সৰু-পোনাহঁতৰ ঘৰ। বাপু মামাৰ দেউতাক আছিল ৰাধা ককা, যিজনে অতি সুললিতকৈ বৰগীত গাব পাৰিছিল। বাপু মামা আছিল আধুনিক গান আৰু ৰাগপ্ৰধান গানৰ শিক্ষক। তেওঁলোকৰ ঘৰৰ ওচৰতে আছিল আমাৰ বিখ্যাত পুৰণা আমোলাপটিৰ নামঘৰটো।

নামঘৰৰ সিপাৰে যোগেন চাংকাকতি ককা, গিৰীণ চাংকাকতি ককাৰ হাউলি। গিৰীণ চাংকাকতি ককাও বৰ কৃতী শিক্ষক আছিল, যোগেন ককাৰ নাম আছিল অভিনয়ত। তাৰ পাছত আছিল ফণী শৰ্মা, হেম শৰ্মা, লক্ষ্মী শৰ্মা এইসকলৰ হাউলি। ইয়াৰ ভিতৰত ফণী মামাই লোকেল ব'ৰ্ডত আৰু হেম মামাই কাচাৰীত আৰু লক্ষ্মী মামাই বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰিছিল। এওঁবিলাকৰ ঘৰবোৰ যৌথ পৰিয়ালৰ ঘৰ আছিল আৰু স্বাভাৱিকতে ঘৰবিলাকত বহুত ল'ৰা-ছোৱালী আছিল। আমি অকলশৰীয়াকৈ থাকিব লাগে বাবে অৰ্থাৎ বহুত ল'ৰা-ছোৱালী একেলগে থাকিবলৈ নাপাওঁ বাবে মোৰ আৰু ভণ্টিৰ বৰ দুখ লাগিছিল। এতিয়া কিছু আঁতৰলৈ গ'লেও তেতিয়া ফণী মামাহঁতৰ মাটিতে আনজন অতি জনপ্ৰিয় ডাক্তৰ ভৰ মহাই ঘৰ লৈছিল। তেখেত মিলিটেৰি ডাক্তৰ আছিল। দ্বিতীয় মহাযুদ্ধৰ পাছত চাকৰি শেষ হোৱাত শিৱসাগৰলৈ আহি শিৱসাগৰতে থকাৰ সিদ্ধান্ত লৈছিল। তেখেত অৱশ্যে যোৰহাটৰ মানুহ আছিল। বিয়াহে কৰাইছিল শিৱসাগৰৰপৰা। এইখন ঘৰৰ লগতো আমাৰ সম্বন্ধ বৰ নিবিড় হৈছিল। শিৱসাগৰলৈ আহি ডাক্তৰ মহাই অন্য চাকৰি নকৰি প্ৰাইভেট প্ৰেকটিচ কৰিবলৈ লৈছিল। এখেত এজন অতি সফল চিকিৎসক আছিল। আৰু ৰাইজৰ অনুৰোধত চিকিৎসাৰ কাৰণে চাইকেল মাৰি একেলগে দিচাংমুখ, দিখৌমুখলৈকে গৈছিল। তাৰ সিপাৰে চানা ককাৰ (শশী ককা) ঘৰ। চানা ককাৰ ঘৰৰ ওচৰতে অধ্যাপকৰ ঘৰ আৰু সেইটো লাইনৰ প্ৰায় শেষত আছিল হেমন্ত বৰদলৈৰ ঘৰ। তাৰ ওচৰতে মইনা মামাৰ ঘৰ। মইনা মামাৰ মাক ভাকৰী আইতা নামে-গুণে সকলোতে আগভাগ লোৱা, বৰ সাদৰী আইতা আছিল। আলিটোৰ ইপাৰলৈ কশমইনা মামাৰ ঘৰ। সেইখিনিতে বোধহয় এগৰাকী আইতাৰ ঘৰ আছিল, যাৰ নাম আছিল সুমথিৰা। ফাগুন কি চ'ত মাহত উৰুঙা পছোৱা বলা এদিনা সুমথিৰা আইতাৰ একমাত্ৰ ল'ৰাটো চিৰদিনৰ কাৰণে দিখৌ নৈৰ পানীত পৰি হেৰাইছিল। আইতাৰ গগন ফলা আৰ্তনাদ পছোৱা বলিলেই মোৰ আজিও যেন কাণত পৰে। কণমইনা মামাই খোল বজাই নামঘৰত জন্মাষ্টমীৰ এমাহ আগৰপৰাই গোপবালকসকলৰ নাচৰ আখৰা কৰাইছিল। কণমইনা মামাৰ ঘৰ পাৰ হৈ আমাৰ ঘৰৰ ফালে উজাই আহিলে ইন্দু ফুকন দদাইদেউৰ ঘৰ। তেখেতে কাচাৰীত কাম কৰিছিল। সদায় বগা ধকধকীয়া হাত দীঘল কামিজ পিন্ধা ফুকন দদাইদেউ এতিয়াও যেন চকুৰ আগতে আছে। তেওঁৰ ঘৰ পাৰ হৈ ৰুদ্ৰ মামা, ফুকন মামাৰ ঘৰ। ৰুদ্ৰ মামাৰ মামী যামিনী বাইদেউ আছিল পাছলৈ ফুলেশ্বৰী স্কুলৰ শিক্ষয়িত্ৰী। মই ক্লাছ ফ'ৰ মানত পঢ়ি থাকোঁতে যামিনী বাইদেৱে মেট্ৰিক পাছ কৰি উঠি ফুলেশ্বৰী স্কুলত শিক্ষয়িত্ৰী হিচাপে সোমাইছিল। যামিনী বাইদেউ আছিল অমূল্য মামাৰ ভনীয়েক। তাৰ আগলৈ ভেদেং আইতা, নাজিৰণী আইতা আৰু কদ ককাৰ ঘৰ। কদ ককাই তীৰ্থ ভ্ৰমণ কৰি ফুৰিছিল।

তেখেতে বিভিন্ন তীৰ্থৰ বিচিত্ৰ কথাবোৰ আমাৰ ঘৰখনত এনে জীৱন্তভাৱে কৈছিল যে খোৱাবস্তুবোৰৰ বিৱৰণ দিওঁতে আমাৰো লোভ লাগি গৈছিল। কদ ককাই আৰু এটা কাম কৰিছিল। তেওঁ কৃষ্ণৰ দৰে নিজকে ভাবি লৈ গাঁওখনৰ গৰুবোৰ চৰাই-চৰাই ফুৰিছিল। দ্বিতীয়তে, নামঘৰত বিগলিত কণ্ঠেৰে কাকুতি ঘোষা গাইছিল (কিমতে ভকতি কৰিব তোমাত হৰিয়ে)। ককাৰ কণ্ঠস্বৰটো মোৰ এতিয়াও শুনা যেন লাগে আৰু আৱেগত এতিয়াও মোৰ চকুপানী ওলাই আহে। এইখিনিতে কানাই মামা, গোবিন্দ মামা, মনেশ্বৰ দাইটি, ৰিপু দাইটি আদিৰো থকা ঘৰ। ইয়াৰ ওচৰতে আৰু এঘৰ মানুহৰ ঘৰ আছিল। ঘৰখন হ'ল— ডিণ্ডিত গঁৱল থকা পখিলা বাইৰ ঘৰ। তেওঁৰ এষাৰ কথা আজিও মনত পৰি বুকুখন বিষাই উঠে। আনন্দয়ো যে মানুহৰ মনলৈ বিষাদ আনিব পাৰে তেওঁৰ কথা এষাৰৰপৰা ধৰিব পাৰি— "পৰীক্ষাৰ ৰিজাল্টৰ দিনা যেতিয়া মোৰ ল'ৰাকেইটাই হাঁহি-ফূৰ্তি কৰি ঘৰলৈ আহে তেতিয়া মোৰ মনে ধৰে ইহঁতে পৰীক্ষাত পাছ কৰিলে, লগে-লগে মোৰ বুকুখন চিৰিংকৈ উঠে। কাৰণ সিহঁতকতো এতিয়া ফলি-পুথি নতুনকৈ কিনি দিব লাগিব, টকা পাম ক'ত!"

আগলৈ আৰু অলপ ট্ৰাংক ৰ'ডলৈ উজাই আহিলে টংকেশ্বৰ ঠাকুৰ বৰদেউতাৰ ঘৰ পোৱা যায়। গহীন-গম্ভীৰ বৰদেউতাৰ ঘৰত বাৰ্ষিক ফাকুৱা পূজা হৈছিল। আনন্দত উত্ৰাৱল ফাকু খেলা ৰাইজক লগত লৈ বৰদেউতাই ৰাধা-কৃষ্ণৰ সৰু পিতলৰ মূৰ্তি শিৰত লৈ গোসাঁই ফুৰাইছিল। সেই ফাকুৱা উৎসৱত আমিও সৰুৰেপৰা জড়িত আছিলো। গোসাঁই ফুৰাওঁতে আমিও লগে-লগে ফুৰোঁ। তেতিয়া কেৱল শুদ্ধ ফাকুৰহে ব্যৱহাৰ আছিল। বৰদেউতাৰ ঘৰৰ পিছতে তেখেতৰ ভায়েক মাধৱ ঠাকুৰৰ ঘৰ। তেখেতক বুলিছিলো মাধৱ মামা। তেখেতে যে মোক কেনেকৈ মৰম কৰিছিল লিখি বুজাব নোৱাৰোঁ। ইটো থ'ব মোৰ মাজনীয়ে খাব, সিটো থ'ব মোৰ মাজনীয়ে খাব বুলি মোলৈ বস্তু পঠাইছিল। চিকাৰত যদি কপৌ এটা পায়, তাকো ঘৰত খাবলৈ নিদি মোলৈ পঠাব। পাছত মোৰ কৰ্মজীৱনত গুৱাহাটীৰ চানমাৰিৰ ঘৰত থাকোঁতে তেখেতক নিজ হাতেদি ৰান্ধি এসাঁজ ভাত খুৱাইছিলো, এগিলাচ গাখীৰ খুৱাইছিলো, সেই কথাটোকে তেখেতে মৃত্যুলৈকে দহৰ আগত বখানিলে। তাৰ পিছতে পৰে বাপদাইঁতৰ ঘৰ। বাপদাইঁতো শিৱদৌলৰে ঠাকুৰ। অৱশ্যে ঠাকুৰপটিত শিৱদৌল, দেৱীদৌল, বিষ্ণুদৌল আটাইকেইটাৰে পূজাৰী ঠাকুৰসকল আছিল। সেই ঠাকুৰপটিৰে সন্মুখত আছিল নামজ্বলা দুৰ্গাপ্ৰসাদ উকীল। তেওঁবিলাকৰ ঘৰত বাৰ্ষিক দুৰ্গাপূজাও হৈছিল। প্ৰখ্যাত নামজ্বলা আধুনিক নাট্যকাৰ হিমেন বৰঠাকুৰৰ (বৰ্তমান আমেৰিকা নিবাসী) পিতৃপুৰুষ কুমুদেশ্বৰ বৰঠাকুৰৰ জন্মস্থানো এই শিৱসাগৰৰ ঠাকুৰপটিয়েই। নাট্যশিল্পী ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰো ঘৰ এই ঠাকুৰপটিতেই। ঠাকুৰপটি পাৰ হৈহে ষ্টেশ্যন চাৰিআলি আৰু তাৰো আগলৈ

ৰে'ল ষ্টেশ্যনটো। এতিয়াৰ শিৱসাগৰ চহৰৰ ৰূপ একেবাৰে সলনি হ'ল। অ'. এন. জি. চি. অহাৰপৰা শিৱসাগৰত নতুনকৈ কিমান যে মানুহ বহিল! মই সৰুকালিতে দেখা ঠাইখনৰ ৰূপটোহে (যিটো ৰিণিকি-ৰিণিকি মনত আছে) লিখিবলৈ চেষ্টা কৰিছোঁ।

শিৱসাগৰৰ সম্ভ্ৰান্ত সকলো লোকৰ লগত আমাৰ ঘৰৰ সম্বন্ধ বৰ ভাল আছিল। চলিহা, দুৱৰা, ভৰালী পৰিয়াল, দৌল্লা পৰিয়াল, যিনচিন চাহাব আদিৰ লগত আমাৰ সম্বন্ধ ঘৰুৱা যেন আছিল।

আমাৰ অতি মৰমৰ ঠাইখনৰ শিৱসাগৰ নামটো শিৱসাগৰ পুখুৰী আৰু তাৰ দক্ষিণপাৰত থকা শিৱদৌলৰপৰাই হৈছিল। আহোম স্বৰ্গদেউ শিৱসিংহৰ (১৭৩৪) ৰাজত্বকালত বৰৰাণীয়ে এই পুখুৰী খন্দাইছিল। কোনো-কোনোৱে কৈছিল ৰজা শিৱসিংহৰ নামেৰে পুখুৰীৰ নাম শিৱসাগৰ পুখুৰী ৰখা হৈছিল। আন এটা মত অনুসৰি মন্দিৰটো ভগৱান শিৱৰ নামত উচৰ্গা কৰা কাৰণেহে শিৱসাগৰ নাম হ'ল। মন্দিৰৰ ভিতৰত কুণ্ড আৰু লিংগ দুয়োটা আছে।

শিৱদৌল সোণৰ বৃহৎ কলচীৰ সৈতে বৰ গাম্ভীৰ্যপূৰ্ণ মন্দিৰ। মন্দিৰটো কৰ্দৈসিৰীয়া, শিলেৰে সজা। মাটিমাহ, বৰা চাউল, হাঁহকণীৰ আঠাৰে এইবোৰ সজা হৈছিল। তেতিয়াৰ দিনত চিমেণ্ট নাছিল। শিৱদৌলত বছৰি অতি ধুমধামেৰে 'শিৱৰাত্ৰি' উৎসৱ পতা হয়। মন্দিৰটোৰ সোঁৱে বিষ্ণুদৌল, বাঁৱে দেৱীদৌল। আটাইকেউটা মন্দিৰতে সুন্দৰ ভাস্কৰ্য আছে। এই দৌলকেইটাৰ প্ৰাংগণত বছৰি মাঘীমেলা আৰু অখণ্ড নাম-কীৰ্তন হয়। তেনেকৈয়ে বিষ্ণুদৌলত হয় ঘাইকৈ ৰথযাত্ৰা উৎসৱ আৰু দেৱীদৌলত হয় দুৰ্গোৎসৱ। আহোম স্বৰ্গদেউসকলৰ দিনৰপৰা হাঁহ, ছাগলী, পাৰ আদিৰ বলি সপ্তমী, অষ্টমী, নৱমী তিথিৰ দিনা দুৰ্গা দেৱীৰ নামত আগবঢ়োৱা হৈছিল।

শিৱসাগৰৰ দক্ষিণ-পশ্চিমে আছে বৃহৎ জয়সাগৰ পুখুৰী আৰু দৌল। ইয়াত প্ৰতিবছৰে জয়মতী তিথি উৎসৱ পাতি সতী জয়মতীৰ আদৰ্শ স্মৰণ কৰা হয়। জয়দৌলৰ প্ৰাংগণত 'জয়মতী' নাটকৰ দৃশ্যও অভিনয় কৰি দেখুউৱা হয়। এই উৎসৱতো মানুহৰ অভূতপূৰ্ব সমাগম হয়। এই মন্দিৰ ৰুদ্ৰসিংহ স্বৰ্গদেৱে মাতৃ জয়মতীৰ নামত নিৰ্মাণ কৰাইছিল।

সৰুতে শিৱসাগৰ নাট্যমন্দিৰত থিয়েটাৰ চোৱা আৰু পুৰুষ মানুহে নাৰীৰ ভাও লৈ থিয়েটাৰ কৰা মনত পৰে। বিশেষকৈ সহজা ভৰালী দদাইদেউ, সুৰেণ ভাগৱতী মামাই অতি সুন্দৰকৈ কৰা মহিলাৰ ভাওবোৰ আজিও বৰ সজীৱ হৈ মনত আছে। সাধাৰণতে আমি সৰু থকা কালত পৌৰাণিক আৰু বুৰঞ্জীমূলক থিয়েটাৰেই বেছি আছিল। শ্ৰীকৃষ্ণ, নন্দদুলাল, নগা কোঁৱৰ, কাৰেঙৰ লিগিৰী, আনাৰকলি,— এইবোৰেই আছিল নাটক।

আমাৰ লগৰ অমিয়া বেজবৰুৱা (অনুপমা ভট্টাচাৰ্য বাইদেউৰ ভনীয়েক), পুতুল

বেথেল, গিৰিজা কলিতা, ৰেবেকা আচাও বাইদেউ প্ৰমুখ্যে এইসকলেই আছিল গান-নাচৰ দৃশ্যত ওলোৱা মহিলা। শ্ৰদ্ধেয় দদাইদেউ, গীতিকাৰ পাৰ্বতি প্ৰসাদ বৰুৱায়ো নাটকৰ মাজত ব'ৰাগী হৈ গীত গোৱা মনত পৰে। তেখেত বৰ ধুনীয়া আছিল। আমি মেট্ৰিক পাছ কৰা সময়মানৰপৰাহে শ্ৰদ্ধেয় সত্যপ্ৰসাদ বৰুৱাৰ নাটক 'চাকৈচকোৱা', পৰাগ চলিহা ছাৰৰ 'সোণ ৰূপ নেওচি' আদি মঞ্চস্থ হ'বলৈ ধৰে। সেই সৰুকালি ইটো দৃশ্যৰপৰা সিটো দৃশ্য ওলাবলৈ বহুত সময় লাগে। আমি নেপথ্যৰ বেহেলাৰ ৰেপণি আৰু ড্ৰপছিনৰ প্ৰাকৃতিক দৃশ্য চাই-চায়েই এঘুমটি-দুঘুমটি মাৰোঁ। দেউতাৰ লগত থিয়েটাৰ চাবলৈ যোৱাটো বৰ আনন্দৰ কথা আছিল। মা, বৰমাহঁতো মাজে-মাজে গৈছিল। শ্ৰদ্ধেয় মাধৱ ঠাকুৰ মামাই নগা কাপোৰ পিন্ধি হাতত যাঠি লৈ নগা চৰিত্ৰৰ ৰূপদান কৰা দৃশ্য এতিয়াও চকুৰ আগত আছে। মোৰ দেউতাও আছিল অত্যন্তনাট্যপ্ৰেমী। তেখেত নিজে যেনে ৰসাল মানুহ আছিল, অভিনয়ো তেনেকৈ কৰিছিল ৰসালকৈ। সৰুতে দেখিছিলো দেউতা ৰাজমন্ত্ৰী হোৱাৰ ভাও। গলগলীয়া মাতেৰে ষ্টেজ জিনি পেলাইছিল। সেই মন্ত্ৰীৰ লগত ৰজা হৈছিল মাধৱ ঠাকুৰ মামা। নাটকৰ নাম পিছে মনত নাই। দেউতাই যথেষ্ট নাটক পঢ়িছিল আৰু পাছলৈ মোকো কিনি-কিনি দিছিল। তাৰ উপৰিও গণেশ চাংকাকতি মামা আৰু যোগেন চাংকাকতি ককাই কৰা অভিনয়ো মনত ৰৈ গৈছে। সেইদৰে সভা শুৱনি পদ্মধৰ চলিহা ছাৰ, মহেন কটকী দদাইদেউ, গিৰিজা প্ৰসাদ বৰুৱা দদাইদেউ, মোক্ষদা বৰুৱা দদাইদেউ, উপেন কটকী দদাইদেউ, পুষ্পধৰ চলিহা দদাইদেউ, পৰাগ চলিহা ছাৰৰ অভিনয় বৰ মনোগ্ৰাহী আছিল।

এতিয়াৰ নাট্যমন্দিৰটো আমাৰ দিনত নাছিল। পূবা-পশ্চিমাকৈ থকা ঘৰ এটা আৰু মঞ্চহে আছিল। কিন্তু সিয়েই অতি সজীৱ আছিল— সকলোৰে প্ৰাণৰ গুঞ্জনেৰে। এতিয়া ঠায়ে ঠায়ে হলবোৰ হ'ল, কিন্তু আগৰ দৰে থিয়েটাৰ নাই। 'জ্যোতিসংঘ'ৰ যাদৱ ঠাকুৰ দাদা, বিভূতি চলিহা, হৰিণ (গণেশ) ভাগৱতী দাদা, চণ্ডী বৰুৱা আদিৰ যত্নত শিৱসাগৰৰ নাট্য পৰম্পৰা সজীৱ হৈ আছিল। এতিয়া উত্তৰ-পুৰুষসকলৰ হাতত কেনে ৰূপ লৈছে বিশেষ নাজানো।

সেইটো সময়ত আমাৰ দিনত বিহু, বিয়া, পূজা আদিৰ বাহিৰে আজিকালিৰ নিচিনাকৈ বাহিৰা উৎসৱৰ পয়োভৰ নাছিল। সৰুতে নামঘৰত সময়ে-সময়ে হোৱা 'পুতলা নাচ' চাবলৈ যোৱা মনত পৰে। সেইবিলাক নাচ ক'ৰপৰা আনিছিল, কোনে আনিছিল নাজানিছিলো। পুতলা নচুউৱা মানুহজনে বোধকৰোঁ নৰাৰ পেঁপা বজাই পুতলাবোৰৰ হৈ কথা কৈছিল। তাৰ পাছত আন এজনে ব্যাখ্যা কৰি দিছিল। ঘৰলৈ আহি মই আৰু ভণ্টিয়ে নৰাৰে পেঁপা বজাই কথা কোৱাটো বৰ চখ হৈ পৰিছিল। যিহকে দেখোঁ তাকে অনুকৰণ কৰোঁ। তেনেকৈয়ে ভাওনাৰ ভীম, বকাসুৰৰ বচন মাতিও গদা ঘূৰাইছিলো।

তেতিয়াৰ মানুহবোৰৰ ঘৰবোৰত ড্ৰয়িংৰুমো নাছিল, ছ'ফা-ছেট, চকী-বেঞ্চৰ ব্যৱহাৰো কম আছিল। খিৰিকীৰো বেছিভাগতে ৰড নাছিল, পৰ্দাতো নাছিলেই; বিছনাবোৰত বেডক'ভাৰৰো ব্যৱহাৰ নাছিল। আনহাতে সমাজখনত বৰ মিলাপ্ৰীতি আছিল। সকলোৱে সকলোকে মাতবোল কৰিছিল, আহ-যাহ কৰিছিল। মতা মানুহ গ'লে ঘৰত থকা দুই-চাৰিখন কাঠৰ চকীতে বহে যদিও মাইকীমানুহ গ'লে মাটিতে কঠ বা পাটী পাৰি বহিবলৈ দিয়া হয়। ঘৰৰ ভিতৰত বেছিভাগ মাইকীমানুহেই হয় ঘৰত বোৱা কপাহী মেখেলা-চাদৰ, নহয় ৰঙা বা সেউজীয়া পাৰিৰ কপাহী বগা শাৰী (মিলত বোৱা) পিন্ধিছিল। কিছুমানে মুগাৰ ৰিহা-মেখেলা শুদা গাতে পিন্ধি থাকিছিল। বেছিভাগেই দীঘল কপাহী ছেমিজৰ ওপৰতে মেখেলা-চাদৰ পিন্ধিছিল। মাইকীমানুহসকলে ওৰণি লোৱাটো নিয়ম আছিল। জাৰকালি ছেমিজৰ ওপৰত গৰম কাপোৰৰ ব্লাউজ বা উলৰ ব্লাউজ পিন্ধিছিল। ফুৰিবলৈ গ'লে পেটিকোট ব্যৱহাৰ কৰিছিল আৰু তাৰ ওপৰত মুগাৰ বা পাটৰ ৰিহা-মেখেলা আৰু আশীসূতাৰ চাদৰ বা পাটৰ চাদৰ লৈছিল। উচ্চবৰ্ণ হিন্দুৰ ঘৰৰ সধৱা মহিলাই কপাহী কাপোৰ সচৰাচৰ পিন্ধি বাহিৰত ফুৰিবলৈ নগৈছিল। সাজসজ্জা বৰ গাম্ভীৰ্যপূৰ্ণ আৰু মাৰ্জিত আছিল। প্ৰায়ে তেল দিয়া চুলিত সেঁওতা ফালি, সেঁওতাত সধৱাসকলে টিকটিকীয়া সেন্দূৰ লৈছিল। কপালতো সেন্দূৰৰ ফোট, কাণত কেৰু বা ফুল, ডিঙিত মণি, দুগদুগী অথবা চেইন, হাতত গোটা সোণৰ খাৰু পিন্ধা নিয়ম আছিল। নিম্ন বৰ্ণৰ মহিলাসকলে ঘৰত বুকুত মেঠনি বন্ধা মেখেলা আৰু গাত খনীয়া কাপোৰ বা ৰিহা লৈছিল।

উচ্চ বৰ্ণৰ মানুহৰ ঘৰত আবেলি ওচৰৰ মাইকীমানুহ ফুৰিবলৈ গ'লে ঢৰা, পীৰা, তামুলী পীৰা, কঠ বা পাটীত বহিবলৈ দি ঘৰৰ গৃহিণীগৰাকীয়ে সাউৎকৰে তামোলৰ বঁটাটো আনি তামোল কাটি থাকোঁতেই কুশল-মংগল বা-বাতৰি লৈ তামোল এখন প্ৰথমতে দিহে চাহপানী তপতাবলৈ যায়। তুঁহজুই ফুৱাই-ফুৱাই জুই ধৰি পানীৰ লোহাৰ ডেগটো (পাছলৈ এলুমিনিয়াম) তুলি দি পানী উতলিলে বাটি বা বানবাটিত চাহ বাকে। ক'ৰবাত কেতিয়াবা নাৰিকলৰ লাড়ু চাহৰ লগত ওলায়। বেছিভাগে শুদা চাহকে (বেনাৰসী চেনি বা গুৰৰ লগত) ভিতৰৰ মজিয়াত আথে-বেথে ঠাইকণ এহাতেৰে মচি বহি লৈ বাটিটো দিয়াৰ নিয়ম। আহিবৰ সময়ত চুণে-ধঁপাতে (থাকিলে অসমীয়া চুঙাৰ ধঁপাতেৰে) তামোল অতিথিক খুৱাই পঠোৱা হয়। চাহ খাই উঠি তামোল নোখোৱাকৈ আহিলে অতিথিৰ লগতে লক্ষ্মী ঘৰৰপৰা যায় বুলি বিশ্বাস কৰা হৈছিল। তামোল-ছালি নোখোৱা ঘৰখনক বান্ধকেৰেপৰ ঘৰ বুলি ইতিকিং কৰা হয়। ল'ৰা-ছোৱালীৰ হাতত ডাব নাৰিকল এটুকুৰা, মিচিৰি অকণমান, ঘৰৰ বাগুী, ছিঁৰাল, তিঁয়হ, বগৰী, ডালিম, কল আদি থাকিলে বা পোৱা পিঠা, পাতত দিয়া পিঠা, মুড়িৰ লাড়ু বা অইন পিঠা-পনা এটা থাকিলে দিয়া হয়।

সেই সময়ত সম্বন্ধবোৰ বৰ মিঠা, খাঁটি অসমীয়া সম্বন্ধ আছিল। এতিয়াৰ দৰে বাৰে ভঁজুৱা নাছিল। আংকল, আণ্টি,— এইবোৰতো নাছিলেই, খুৰাকক দাদা বুলি কোৱাৰো নিয়ম নাছিল। ককায়েকহে দাদা। দেউতাক-মাকক পিতা, আই, দেউতা, মা বুলিহে মাতিছিল। তাৰ পিছতে আহিল বাবা, মা। বাঙালী লোকসকলৰ আৰ্হিত এনে সম্বন্ধ ধৰি মাতিবলৈ মানুহে শিকিছিল। তাৰ পাছত আহিল পাপা, ডেডি, মামী। বহুতে বাপেক-মাকৰ কথা, পত্নীৰ কথাওঁতে ফাদাৰ, মাদাৰ, ৱাইফ, মিছেছ বুলি ক'বলৈ লৈছিল। তেতিয়া তেওঁলোকে বুজা নাছিল বিজতৰীয়া সম্বন্ধই নিজা সম্বন্ধ নথকাৰ কথাহে বুজায়। অথচ ইমানবোৰ সুন্দৰ সম্বোধন অসমীয়া ভাষাত আছে। আমাৰ বাই-ভনী, ককাই-ভাই, ডাঙৰ-সৰু ভগ্নী, ভ্ৰাতৃ বুজাবলৈ বেলেগ-বেলেগ সম্বোধন আছে, যিটো আনৰ নাই। বাঙালী 'বোন' শব্দই বাই-ভনী দুয়োটাকে বুজায়। আমাৰ হ'লে বাইদেউ আৰু ভনী দুটা বেলেগ-বেলেগ শব্দ আছে। তেতিয়াৰ দিনত লগুৱা-লিকচৌকো ককাই, বাই আদি সম্বোধন ধৰিহে মতা হৈছিল। কৃষি যুগত স্থায়ী মানৱীয় সম্বন্ধ গঢ়ি উঠে। জীৱন ধৰি এই সম্বন্ধবোৰ থাকি যায়।

একে ঠাইতে থিৰেৰে বহি নথকাটোৱেই হেনো মোৰ নিয়ম আছিল। ঘৰৰ ভিতৰত হ'লে কিতাপ-কাগজ, বেৰৰ ছবি চাই, বাহিৰত হ'লে বাৰীৰ ফুল, শাক-পাচলি চাই, বাৰীৰ পুখুৰীত চৰি থকা হাঁহ চাই, পাৰ, গৰু, ছাগলী পোৱালি খেদি ফুৰাটোৱেই মোৰ হেনো স্বভাৱ আছিল। সৰিয়হ ফুল বা লাই ফুল দেখিলে হেনো তধা লাগি চাইছিলো। বেঙুনীয়া টেঙেচী ফুল আৰু পখিলা বিচাৰি পিনপিনাই ফুৰিছিলো। একো নাভাঙো, একো নিছিঙো। সেই কাৰণে আটায়ে বৰ লক্ষী ছোৱালী বুলি মৰম কৰিছিল। আবেলি মা, বৰমাহঁতৰ লগত ফুৰিবলৈ গ'লে মতা মানুহবোৰক প্ৰায়ে শাকনিত কাম কৰা দেখিছিলো। কিছুমানে বনুৱা বা লগুৱা লগত লৈ চোতাল চিকুণাইছিল, জেওৰা দিছিল। দুই-একে খৰি ফালিছিল। মতা মানুহবোৰে ঘৰত চুৰিয়া পিন্ধি প্ৰায়ে শুদা গাৰেই কটাইছিল। বাহিৰলৈ ফুৰিবলৈ গ'লে, কামত গ'লে, স্কুল, অফিচ আদিলৈ গ'লে কামিজ বা পাঞ্জাবী শ্বাৰ্ট, তাৰ ওপৰত উণ বা উলৰ ছুৱেটাৰ, কেতিয়াবা তাৰ ওপৰতো উলৰ গৰম শ্বাল বা এৰী চাদৰ লৈছিল। দেউতাক সময়ে-সময়ে কোট, হাফপেণ্ট পিন্ধি মূৰত মুগাৰ পাগুৰি মৰাও দেখিছিলো। কেতিয়াবা কোট-হাফপেণ্ট আৰু হেট। পাছলৈ গৰম কাপোৰৰ পাঞ্জাবী শ্বাৰ্ট (সোণৰ বুতামেৰে), কেতিয়াবা দেশী দীঘল কোট পিন্ধা দেখিছিলো। পায়জামা, লুঙি আদি কেতিয়াও নিপিন্ধিছিল। ঘৰত গেঞ্জি বা কাপোৰেৰে চিলোৱা, গোল ডিঙিৰ 'ফতহ' পিন্ধিছিল। পাছলৈ জৱাহৰ কোটৰ (দীঘল) বৰ প্ৰচলন হৈছিল। কেতিয়াবা কোটৰ ওপৰতো চেলেং চাদৰ এখন (অকমানি গুণাৰ ফুল থকা) পেলাই লৈছিল। ভৰিত জোতা-মোজা, ঘৰত হ'লে কাঠৰ খৰম পিন্ধিছিল। মলা ধঁপাতৰ

মলমলীয়া গোন্ধ বিয়পাই গুৰগুৰী বা হোকা খোৱা নিয়মো পুৰুষসকলৰ আছিল। আমাৰ ঘৰত ৰূপৰ ধোঁৱাখোৱা এটা এতিয়াও আছে। ডাঙৰ গাৰুত আঁউজি দেউতাই গুৰুগুৰী খোৱা দৃশ্য যেন বৰ আৰামৰ,— এনেকুৱা লাগিছিল। পাছলৈ হোকা এৰি দেউতাই 'মিক্সাৰ' পকাই খোৱা দেখিছিলো।

দেউতাই সৰুতে মোৰ কাৰণে পেৰম্বুলেটৰ এখন কিনি দিছিল। লগৰ ল'ৰা-ছোৱালীবোৰে উঠিবলৈ চাৰি চকা লগোৱা কাঠৰ গাড়ী এখনো কৰাই দিছিল। এইবোৰতে আমি উঠো। ঘৰৰ লগুৱাবোৰে চলায়। ডাঙৰ আহল-বহল আগচোতাল, পিছচোতালতে বেছিভাগ ফুৰায়। বাটলৈ মাজে-সময়ে ওলালে লগুৱাবোৰে ঠেলি লৈ যায়।

মোৰ জন্মৰ আগৰেপৰা আমাৰ ঘৰত ভলুকা নামেৰে এজন ককাই আছিল। আমাৰ ঘৰত মাণিক, ক'লীয়া নামেৰে দুটা ল'ৰা বহুত বছৰ জুৰি আছিল। ভলুকা আমি ডাঙৰ হোৱালৈকে আছিল। তাৰ পাছত আধা বলিয়াৰ দৰে হৈ দিহিঙে-দিপাঙে ঘূৰি ফুৰা হ'ল আৰু তাৰ পাছত ক'ৰবাত হেৰাল।

তাহানিৰ দিনত মই দেখা লগুৱাবোৰে বাৰী-ঘৰ চাফা কৰা কাম, ফুলনি-শাকনিৰ কাম, গৰু আৰু গোহালিৰ কাম, খৰি ফলা, জেওৰা-জপনা, টাটী-চকোৱা দিয়া, মৰণা মৰা, পুখুৰীৰ পানী আনি বাথৰুমৰ চৌবাচ্চাত থোৱা,— এনেবোৰ কামহে কৰিছিল। পাকঘৰত কাম কৰা দূৰৰ কথা, পাকঘৰত সোমাবলৈকে দিয়া নাছিল। চিৰা ঢেঁকী দিবলৈ বা বহোৱা ধান শুকুৱাওঁতে লৰাই-চৰাই দিবলৈও দিয়া নহৈছিল। এইবোৰ আছিল ধুতি-নীতিৰ কথা। ঘৰৰ মানুহখিনিয়ে নিজে নিজৰ কাপোৰ ধুই লৈছিল, মায়ে আমাৰ সৰুকেইটাৰ কাপোৰ ধুই দিছিল। কোমল চাউল কৰিবৰ কাৰণে ঢাৰি পাৰি চোতালত ৰ'দত দিয়া সিজোৱা ধানখিনি মায়ে নিজে লৰাই-চৰাই শুকুউৱাৰ দৃশ্যটো মোৰ চকুৰ আগত এতিয়াও ভাহি থাকে। ইমান টান ৰ'দতনো মায়ে সেইবোৰ কাম কেনেকৈ কৰিছিল ভাবিলে আচৰিতো লাগে, দুখো লাগে। মায়ে কয়,— "আমিনো এয়া কি টান কামটো কৰিছোঁ। পথাৰত বোকাত লুতুৰি-পুতুৰি হৈ ৰ'দৰ তাপত ভূঁই ৰোৱা ৰোৱনীবোৰৰ কাম, ৰ'দত ডেই-পুৰি ধান দোৱা কাম কিমান টান!"

সঁচা কথা। তথাপি এনে লাগিছিল,— 'লোকৰ মানুহে কৰিব পাৰিব, আমাৰ মাৰহে চাগৈ বৰ কষ্ট হয়।' অনায়াস স্বচ্ছন্দতাৰে খৰিৰ জুইৰ চৌকাত মায়ে দুয়োবেলা ভাত ৰান্ধে, বৰমাৰ লগত লগ লাগি মুড়ি, আখৈ, চিৰাৰ জলপান কৰে, পিঠা-পনা, লাড়ু, মিঠৈ কৰে, অসংখ্য আলহী-অতিথিক খুৱায়, আখল সামৰে, ভাত খোৱা পীৰাবোৰ সদায় ঘঁহি-ঘঁহি ধোৱে, মজিয়া ৰঙামাটিৰে দুয়োবেলা মচে, খোৱা পানীখিনিও পুখুৰীৰপৰা নিজে আনি থয়। এইবোৰ নীতি-নিয়ম সেইসময়ৰ ঘৰবোৰত ৰক্ষা কৰা হৈছিল।

বিয়া-বাৰুত তেতিয়া ভাতৰ প্ৰচলনৰ কথা ভাবিবই নোৱাৰি। সমাজত ৰীতি-নীতি,

জাত-পাতৰ বাচ-বিচাৰ আছিল। একে পাগত আটাইৰে খোৱা নচলে। শৰণ-দীক্ষা লোৱা মানুহে টৌ-খুঁটি মাৰি ৰন্ধা-বঢ়া কৰিলে দুই-একে লগত খায়। নহ'লে একেখন মজিয়াতে কেইবাটাও টৌ-খুঁটি মৰা, চৰু জোৰা সৰুৰেপৰাই দেখিছিলো। মাহঁতে আলহীক বস্তু যতাই দি তত নাপায়। মায়ে সদায় এইবোৰ কৰি-কৰি বৰ দুখ পায় বুলি ভাবিছিলো আৰু ডাঙৰ হৈ আমি দুজনীয়ে এই কামবোৰত পৰাখিনি সহায় কৰিছিলো। মায়ে কিন্তু এদিনো কেতিয়াও একো কৰিবলৈ নকৈছিল। মই বি. এ. পাছ কৰাৰ পাছত মাক এদিন সুধিছিলো,— "মা তোমাৰ এই ঘৰুৱা কামবোৰ কৰি-কৰি আমনি নালাগেনে?" মায়ে একেষাৰেই কৈছিল,— "কিয় লাগিব? এইবোৰ কাম গৃহস্থী মানুহ এঘৰত থাকিবই। কৰিবই লাগিব।" অৰ্থাৎ মাহঁত আছিল পৰম্পৰাত বিশ্বাসী, পৰম্পৰাগতভাৱে শিক্ষা পোৱা মহিলা। মাৰ মাকেও তাকেই কৰিছিল, তেওঁৰো মাকেও তাকেই কৰিছিল। মা-হঁতৰ মনত দ্বন্দ্বৰ ঠাই নাছিল। চলি অহা নিয়মটোকে শিলৰ খুঁটি বুলি মানিছিল। বাহিৰৰ পৃথিৱীখন তেওঁলোকে চিনি নাপাইছিল। গৃহস্থী এখন আটোম-টোকাৰিকৈ, নিয়াৰিকৈ, সুন্দৰকৈ, সুচাৰুৰূপে ধানে-চাউলে, তাঁতে-সূতে, আলহী-অতিথি, পূজাই-সেৱাই চলাই নিয়াটোতহে গৃহিণীগৰাকীৰ কৃতিত্ব বুলি দৃঢ় বিশ্বাস কৰিছিল। তাৰ মাজতেই বুকুৰ গাখীৰ খুৱাই ল'ৰা-ছোৱালীও ভালকৈ গঢ় দিব লাগিছিল। ল'ৰা-ছোৱালী তোলাৰ কাৰণে কোনো আয়াও নাছিল। মাকবোৰেই, লগতে আইতাক আৰু যৌথ পৰিয়ালৰ মহিলাসকলেই মাতৃ, ধাত্ৰী সকলো আছিল। অকলশৰীয়া পৰিয়ালত মাকেই সকলো। আমাৰ মায়ে ভাগ্যে মোক তুলিবলৈ বৰমাক পাইছিল। সেই দিনত সন্তানৰ লগত বেছি সময় দিবলৈও মাকহঁতৰ সময় নাছিল। কেঁচুৱাৰ ভোক লাগিলে, কান্দিলে খুৱাই দি বিছনাত শুৱাই থয়। কেঁচুৱাই হয় শোৱে, নহয় খেলে। কোনোবাই সৰু বিছনা এখন পিৰালি বা চোতালতে কৰি, কোনোবাই কাপোৰৰ দোলনাত কেঁচুৱাক শুৱাই থয়। খোজকাঢ়িব পৰা হ'লে চোতালে-ঘৰে খোজকাঢ়ি খেলি ফুৰে। পৰিলেও কাণষাৰ নাই, থেন-থেনাই থাকিলেও চাবলৈ নাই। এইবোৰ আছিল সৰ্বসাধাৰণ নিয়ম।

অৱশ্যে বিশেষ পৰিস্থিতিত, বিশেষ ঘৰত নিয়মৰ ব্যতিক্ৰম হয়। মোক কোলাত লওঁতে-লওঁতে এনেকুৱা হৈছিলগৈ যে চাৰি বছৰলৈকে মই খোজকাঢ়িবই নাজানিছিলো বোলে। ৰাতিপুৱা দোকমোকালিতে বাহী চোতালত মায়ে মোক হাতত দুয়োফালে ধৰি-ধৰি খোজকঢ়াই 'লেৱা কাটি'* দিছিল। বহুত দিনলৈকে মোৰ মাতো ভালকৈ ফুটা

** লেৱা কটা : কাউৰী-কুকুৰাই নৌ মাতোঁতেই ব্ৰহ্মপুৱাতে খোজ নকঢ়া কেঁচুৱাটো এগৰাকীয়ে দুহাতেৰে ধৰি-ধৰি চোতালত খোজকঢ়াই অভ্যাস কৰাওঁতে মাজৰ দুভৰিৰ মাজেদি কাচি এখনেৰে মাটিত আঁকি যায়।*

নাছিল, তিনি বছৰমানলৈকে বোলে। সেইকাৰণে প্ৰচলিত বিশ্বাস অনুসৰি ছাগলীৰ জিভা খুৱালে হেনো মুখত কথা আখৈ ফুটাদি ফুটে। যি নহওক মাত ফুটাৰপৰা লাহে-লাহে বৰ কথকীও হ'লো আৰু ইমান খোজকঢ়া, দৌৰাত পাৰ্গত হ'লো যে দৌৰাৰ প্ৰতিযোগিতাত সদায় প্ৰথম হ'বলৈ ধৰিলো। লোকবিশ্বাসবোৰ যে বিশ্বাস কৰিবলৈও টান, অবিশ্বাস কৰিবলৈও টান। ইমানেই এইবোৰৰ মহিমা। লোকবিশ্বাস মানেই যে অন্ধবিশ্বাস এইটোও নহয়, বহুত বিশ্বাসৰ গভীৰত অভিজ্ঞতাই দিয়া শিক্ষাও আছে।

মাইঁত আছিল অতি কৰ্মনিপুণা। মাৰ মাক আইতা আছিল তাতোকৈ চৰা। আশী-বিৰাশী বছৰ বয়সলৈকে যুতিয়ে-যুতিয়ে কাপোৰেই বৈছিল। উলেৰে ছুৰেটাৰ, টুপী, মোজা আদিও আইতাৰ দৰেই ৰাতি শুবলৈ যোৱাৰ আগতেহে মায়ে কৰিছিল। শুইছিলেও তেনেই কম সময়, তিনি-চাৰি ঘণ্টামানহে। উঠিছিল ব্ৰহ্মপুৱাতেই। দিনত শোৱা বা আৰাম কৰাৰ প্ৰশ্নই নাছিল। বৰ গৰম পৰিলে জহকালিৰ দীঘল দিনত মাজৰ কোঠা এটাৰ মজিয়াত পৰিষ্কাৰ পাটী এখন পাৰি, হাতত তালপাতৰ বিচনী এখন লৈ বিচি-বিচি অলপ সময় কাতি হৈছিল। বাহী বিছনা দিনত চোৱাৰ নিয়ম নাই, বাহী বিছনাত দিনত শোৱা দূৰৰে কথা।

তেনেকৈয়ে ভাগৰো মাৰিছিল। তাৰ পাছত লৰালৰিকৈ গাটো ধুই মূৰ আঁচুৰি, চাফা কানি-কাপোৰ পিন্ধি গোসাঁইঘৰ সাৰি-মুচি, তামৰ বাচন-বৰ্তন (পূজাৰ সঁজুলিবোৰ) ধুই গোসাঁইঘৰৰ তামৰ লোটাত পানী আনি থৈ তাঁত মেলিছিলহি। উঘা লোৱা, চেৰেকীত সূতা লোৱা, মহুৰা পকোৱা আদি কামবোৰ প্ৰয়োজন হ'লে আগবেলাতে কৰি থৈছিল। পাছবেলা ঘৰলৈ আলহী-অতিথি ফুৰিবলৈ আহে। সেইকাৰণে তামোল কাটি, চিকুণাই, পাণো ধুই-পখালি কাটি থোৱাৰ নিয়ম। মুহুদিৰ কাৰণেও বঁটাত মুহুদি কাটি সজাই থোৱাৰ নিয়ম আছিল। ভাত খাই উঠিয়েই মুহুদি কৰিবলৈ ঘৰৰ গিৰিহঁতে পাব লাগিব। যেনেকৈ পাব লাগে মুখ ধুবলৈও ভাতৰ কাঁহীৰ একাষে পীৰাৰ কাষত লোটা, চৰিয়া, গামোচা। এইবিলাক ক্ষেত্ৰত জীয়াৰী-বোৱাৰীবিলাকৰ মাজত কোন কিমান পাকৈত হ'ব পাৰে তাৰ প্ৰতিযেগিতাহে যেন চলিছিল। কোনোবাই যদি কয় অমুকৰ ঘৰৰ বোৱাৰীজনী বৰ চোকা, তেতিয়াহ'লে ইঘৰৰ বোৱাৰীজনীয়ে তাতোকৈ চোকা হ'বলৈ মনে-মনে যেন প্ৰতিজ্ঞাহে কৰিছিল।

তাঁতে-সূতে ঘৰখন আলহী-অতিথি, পূজাই-সেৱাই চলাই নিয়াটোতহে গৃহিণীগৰাকীৰ কৃতিত্ব বুলি মাইঁতে দৃঢ়ভাবে বিশ্বাস কৰিছিল। ৰাতিও মাইঁতে মুকলিচাকি বা লেম্প জ্বলাই তাঁত একোহালি বৈহে শুবলৈ গৈছিল। ব্ৰহ্মপুৱাতে উঠি আগদিনা ৰাতি ধুই থোৱা কাঁহৰ কাঁহী-বাটি, চৰিয়া, কলহ, ঘটী, লোটা আকৌ এবাৰ চকচকীয়াকৈ ধুই, মাৰল ঘৰ ৰঙামাটিৰে মুচি গা-পা ধুই খোৱা পানীখিনি পুখুৰীৰপৰা আনি গোসাঁইঘৰত

সোমাই গোসাঁইঘৰ মুচি-কাচি, ফুলনিৰ ফুল তুলি আনি চন্দন পিহি, পূজাৰ পুষ্প পাত্ৰ, চন্দন পাত্ৰ, কোষা অৰ্ঘা ধুই-পখালি দেউতাৰ পূজাৰ কাৰণে থৈ বন্তি আৰু ধূপ-ধূনা জ্বলাই গোটেই ঘৰখন সুগন্ধিময় কৰিহে মা সদায় পাকঘৰত সোমাইছিল। এইবোৰ কাম বাহিৰা মানুহে নকৰে। পাকঘৰত সোমাই এতিয়াৰ দৰে ব্ৰেড টষ্ট কৰি চাহ দিয়াৰ নিয়ম তেতিয়া নাছিল। সদায় লুচি ভজাৰ নিয়মো তেতিয়া নাছিল। তেতিয়া চিৰা, আখৈ, মুড়ি, কোমল চাউল, ভজা-পিঠাগুৰি, গাখীৰ বা দৈৰে অথবা পাতত দিয়া পিঠা, পোৰা পিঠা, ঘিলা পিঠা, তিল পিঠা আদিহে ৰাতিপুৱাৰ জলপান আছিল। কাৰণ ৰাতিপুৱাই জলপানৰ খোলাখন পাতি জলপান কৰিবলৈ কাৰো সময় নাথাকে। গৃহিণীগৰাকীয়ে পথাৰৰ মানুহলৈ জলপান পঠাব লাগিব, তাঁত-সূতৰ কাৰণে সময় উলিয়াব লাগিব। কত যে কাম! পাকঘৰৰ গাতে লগা গুদামঘৰত টিন আৰু ডাঙৰ মাটি কলহবোৰত বিভিন্ন জলপান কৰি থাকে-থাকে সজাই থোৱা থাকে। আলহী এযোৰা আহিলেও তৎক্ষণাৎ জলপান দিব পাৰি। তেতিয়াৰ দিনত কে'ক, ব্ৰেড এইবোৰ ভিতৰত সুমুৱাবলৈ নিদিছিল। দেউতাই কিন্তু আমাক মুৰ্গী কণী খাবলৈ দিছিল আৰু গা ধুবলৈ যোৱাৰ আগতে শোৱাকোঠাত ষ্ট'ভত মায়ে সিজাই দিছিল। দেউতাই মণিপুৰী চিৰাও ঘৰলৈ আনিবলৈ দিছিল। দেউতা আৰু আমি সেই চিৰা প্ৰায়ে খাইছিলো। মা-বৰমাইহে কেতিয়াও নাখাইছিল। কাৰণ গৃহিণীসকলেই সকলো ধুতি-নীতি ৰক্ষা কৰিব লাগে।

খোৱা-বোৱা বাচন-বৰ্তনবোৰো আছিল মৰ্যাদাসম্পন্ন কাঁহৰ। এলুমিনিয়ামৰ থাল, চীনামাটিৰ থাল-বাচনবোৰক সমান মৰ্যাদা দিয়া নহৈছিল। সম্ভ্ৰান্ত মানুহৰ ঘৰৰ সাজ-বাচন সদায় কাঁহৰ আছিল। পূজা-পাৰ্বণ, উৎসৱ আদিত কলপাত, কলৰ দোনা, মলা, চৰু, মাটিৰ থাল আদিহে ব্যৱহাৰ হৈছিল। গছৰ শুকান পাতৰ থাল এতিয়াৰ দৰে ব্যৱহাৰ হোৱা কথা কোনেও ভাবিবই নোৱাৰিছিল। এইবোৰ হৈছে ক্ৰমান্বয়ে ভাটীৰপৰা অহা কালচাৰ।

অন্যসকলক ভাত-পানী বাঢ়ি দিওঁতে দেখিছিলো এজন মানুহক খাব পৰাতকৈ তিনিগুণমান ভাত বেছিকৈ বাঢ়ি দিয়া হয়। তেনেকৈ আঞ্জা-পাচলিও জোখাৰে দিয়াটো নিয়ম নহয়। বহুত ৰান্ধিলেও মুখেৰে ক'ব,— "তেনেই শুদা ভাত শুদাই-নিকাই এমুঠি খাওকহি বা খোৱাহি।" জোখাৰে খাই বাকীখিনি এৰিলে সদায় কয়— "ইছ ভাতৰ খোঁট এটাহে মাৰিলে, নুচুলেই"— এনেদৰে কোৱাটো সৌজন্যতাৰ হয়তো পৰিচায়ক। এবাৰ পিছে ওলোটা কথা এটাও শুনিছিলো— দেউতাক দুপৰীয়া ডিব্ৰুগড়ত এঘৰ সম্বন্ধীয় মানুহৰ ঘৰত ভাত খাবলৈ মাতিছিল। ৰাতিপুৱাই অন্য কামত ওলাই যোৱা দেউতাই দুপৰীয়া ভোকৰ ভাতমুঠি খাবলৈ নিমন্ত্ৰণক্ৰমে মানুহঘৰলৈ গৈছিল। ভাতৰ পাতত বহি দেউতাই দেখিলে— কাঁহীত তেনেই তিনিটামান ভাত। সেইদৰেই আঞ্জাও।

ওচৰতে ঘৰৰ বুঢ়ীগৰাকীয়ে বহি লৈ ক'লে,— "মোৰ সোণামুৱা ল'ৰাটোক কটাৰ পো-বেটীহঁতে নুখুৱাই-নুখুৱাই তেনেই আঁত শুকুৱালে। ক'ত খাব পাৰিব এইকেইটা ভাতকে। মই জানো নহয়।" দেউতাৰ হেনো খঙে মূৰৰ চুলি পাইছিলগৈ বুঢ়ীৰ কথা শুনি। দেখুৱাই দিবৰ মন গৈছিল হেনো আঁত শুকালনে নাই। পিছে মানুহঘৰ অপদস্থ হ'ব বুলি আশংকা কৰি তাকে মুখত লৈ উঠি আহিল।

দেউতাই আমাক সৰুতে বিস্কুটৰ টিন আৰু মাখনৰ টিন আনি দিছিল। আমি বিস্কুটতকৈও ধুনীয়া-ধুনীয়া টিনবোৰ বৰ ভাল পাইছিলো আৰু চকপেনছিল, ৰবৰ, কাঠপেনছিল টিনবোৰত ভৰাবলৈ তত নোহোৱা হৈছিল।

বৰমা আছিল অসুখীয়া মানুহ। মাইকীমানুহৰ বেমাৰে তেখেতৰ লগ নেৰিছিল। টান কাম একো কৰিব নোৱৰা বৰমাই বহি-বহি কৰিব পৰা কামবোৰ কৰিছিল। খুব চোকা ছুৰী-কটাৰী এখনেৰে অতি সুন্দৰকৈ মিহি-মিহি কৰি পাচলি কুটিছিল, পাচলি কুটাৰো আৰ্ট আছে। পাচলি ধুনীয়াকৈ কাটিলে খোৱাবস্তুৰ সোৱাদ বাঢ়ে। তেখেতে নানান ধৰণৰ খোৱাবস্তু তৈয়াৰ কৰিছিল (গজা, খজা, খুৰ্মা, জাপ নিমকি, গমৰ লাড়ু, অমিতাৰ লাড়ু, জাতিলাওৰ পায়স, গাজৰৰ হালোৱা, গকুল পিঠা আদি) আৰু আমাকো সৰুৰেপৰাই কৰিবলৈ শিকাইছিল। মণিৰে কৰা বিচনী, ঠেক ডিঙিৰ বটলত মণিৰ বল সুমুউৱা, কাপোৰ কাটি-কাটি সুন্দৰ লতা আৰু গছ তৈয়াৰ কৰা, চাৰিচুকীয়া কাঠৰ ফ্ৰেমত গজাল মৰাই লৈ তাত সূতাৰে কৰা খিৰিকী আৰু ড্ৰেছিং আইনাৰ পৰ্দা, তাঁতৰ পাটৰ কাপোৰত গুণাৰ ফুল বছা আদি চালে চকুৰোৱা বস্তু কৰিব জানিছিল। তেখেতৰ প্ৰতিটো কামেই আছিল বৰ মিহি, বৰ চিকুণ।

তেখেতৰ নামটোও আছিল সুন্দৰ— ৰেৱতী। ঘৰত মতা নাম আছিল 'আইদেউ'। তেখেত প্ৰখ্যাত আছিল 'আইদেউ বাইদেউ' নামেৰেই। তেখেতৰ পঢ়া-শুনা সেই তেতিয়াৰ দিনত আছিল প্ৰথম শ্ৰেণীলৈকেহে। অথচ সকলো কথাতে সমানে ভাগ ল'ব পৰা, দেউতাক সকলো বিপদ-আপদ-সমস্যাত বুদ্ধি-ভাৰসা তৎক্ষণাৎ দিব পৰা প্ৰখৰ বুদ্ধিৰ মন্ত্ৰীৰ দৰে আছিল। তেখেতে নিজহাতে বোৱা পাটৰ, গুণাৰ ফুল বছা চাদৰ এখন মোৰ হাতত এতিয়াও আছে। মই মাজে-মাজে বুকুত লৈ শুঙি চাওঁ— তেখেতৰ গাৰ সুবাস এতিয়াও, আজি প্ৰায় তিনি কুৰি বছৰে যেন তাত লাগি আছে— এনে লাগে।

শিক্ষা আৰম্ভ

মোৰ শিক্ষা আৰম্ভৰ কথা কোৱাৰ আগতে মোৰ পৰম পূজনীয় দেউতা ধৰ্মেশ্বৰ শৰ্মা বৰদলৈৰ সেই সময়ৰ শিক্ষাৰ বিষয়ে মই জনা সামান্য কথাকেইটা কৈ ল'বৰ মন গৈছে।

দেউতাৰ শিক্ষা আৰম্ভ হৈছিল বোকাখাতত। তুলাপাতৰ সলনি কলপাতত আখৰ লিখিছিল বাঁহৰ কলমেৰে। কিন্তু দেউতাৰ ছবছৰমান বয়স হওঁতে, ইতিমধ্যে ককাদেউতা কুশৰাম বৰদলৈৰ পৰলোকপ্ৰাপ্তি হোৱাৰ পাছত আইতা এদিন স্বপ্নাদিষ্ট হ'ল। আইতাক সপোনত আই ভগৱতীয়ে নিৰ্দেশ দিলে— "এই ভেটিত ল'ৰাটো নাৰাখিবি। তাক বুকুত বান্ধি তই উজাই যাগৈ।" আইতা বৰ দেৱীভক্ত আছিল। বহুতে তেখেতৰ গাতেই গোসাঁনী আছিল বুলিও কৈছিল। গোসাঁনীৰ নাম ইমান জানিছিল যে গোটেই ৰাতি গোসাঁনীৰ নামবোৰ গাওঁতে-গাওঁতে ৰাতি পুৱাই গৈছিল। গোসাঁনীৰ আদেশ পাই আইতাই শিৱসাগৰলৈকে উঠি অহাৰ সিদ্ধান্ত ল'লে। মাটি-বাৰী, গৰু-গাই, আ-অলংকাৰ সকলো বংশৰ মানুহক দি একেজনী জীয়েকক বিয়া দিয়া ঠাই শিৱসাগৰলৈ উঠি আহিল আৰু ট্ৰাংক ৰ'ডৰ কাষৰে মাটি অকণ প্ৰথমে লৈ তাতে ঘৰ এটা সজাই থিতাপি ল'লে। পাছত দেউতাই ওচৰৰে ছবিঘা মাটিৰ ডাঙৰ বাৰী এখন লৈ সুন্দৰ অসম আৰ্হিৰ বিৰাট ঘৰ-দুৱাৰ কৰিলে। এইবোৰ দেউতাৰ অকলশৰীয়া অধ্যৱসায়ৰ চিন।

দেউতা আৰু আইতা— দুটিয়েই প্ৰাণী। দেউতাই পঢ়াৰ লগতে সেই দুপতীয়াৰপৰাই প্ৰাইভেট টিউশ্যনকে আৰম্ভ কৰি নানান সৰু-সুৰা ব্যৱসায় চলাবলৈ ধৰিলে। অসমৰ মুখ্যমন্ত্ৰী পৰম শ্ৰদ্ধেয় বিমলা প্ৰসাদ চলিহাকো দেউতাই সৰুতে ঘৰত পঢ়ুৱাইছিল বোলে। দেউতাক দেখা পালেই বিমলা দদাইদেৱে ভৰি চুই সেৱা কৰি ভক্তি জনাইছিল।

দেউতাৰ দিনত স্কুলবোৰত চলিছিল বাংলা ভাষা। "পাখী সব কৰে ৰব ৰাতি পুহাইল, কাননে কুসুমকলি সকলি ফুটিল",— এইবোৰ আছিল পাঠ্যপুথিৰ পদ্য। দেউতাই ওৰে জীৱন ফুট দিয়া ৰ লিখি গ'ল। দেউতা বৰ চোকা আৰু বিদ্যোৎসাহী লোক আছিল যদিও কলেজ আদিৰ উচ্চশিক্ষাৰ কথা ঘৰুৱা সংগ্ৰামৰ কাৰণে চিন্তা কৰিবই নোৱাৰিলে। দেউতা যেনে ধুনীয়া, হাতৰ আখৰো বৰ চিকুণ আৰু ধুনীয়া আছিল। দেউতাই বাংলা পঢ়াৰ কাৰণেই চাগৈ আমাৰ ঘৰত ইমান বাংলা কিতাপ, বাংলা গান, বাংলা আলোচনী আৰু বাঙালী ধৰণৰ খোৱা-বোৱাৰ ৰুচি।

আমাৰ ঘৰখন মানে দেউতাৰ ফালটো 'দামোদৰীয়া পন্থ'ৰ আছিল। দামোদৰীয়া পন্থত বৈদিক পূজা-পাতলো মানি চলা হয় আৰু নৱবৈষ্ণৱ ধৰ্মৰ নাম-কীৰ্তনো চলে। পূজনীয়া মা মুক্তা বৰদলৈৰ ফালটো কিন্তু 'মহাপুৰুষীয়া'। দুৰ্গা গোসাঁনীৰ মূৰ্তি আদিও নাচায়। কিন্তু বিয়া-বাৰু দুয়োটা ভাগৰ মাজত চলে।

এইখিনিতে মাৰ ঘৰৰ পৰিচয়সূচক কিছু কথা কওঁ— মোৰ মাৰ মাক আইতাৰ নাম আছিল ঘনকান্তি দেৱী। কিন্তু আইতা ইমান বেছি মৰমিয়াল আছিল যে আইতা থকা ঠাই মেটেকাৰ (শিৱসাগৰৰ দিখৌ নৈৰ সিটো পাৰৰ) ওচৰ-চুবুৰীয়া সকলোৱে আইতাৰ নাম দিছিল 'সাদৰী আইতা'। মানুহৰ সুখে-দুখে, বিপদে-আপদে আইতা মৰমতে পমি গৈছিল আৰু পাৰ্যমানে খুৱাই-বুৱাই সহায় কৰিছিল। আইতা সকলোতে বৰ পাৰ্গত আছিল। অকালতে সুদক্ষ জ্যোতিষী নীলকান্ত শৰ্মা ককা স্বৰ্গী হোৱাত ডিব্ৰুগড়ৰ আলসুৱা জীয়াৰী হোৱা সত্বেও আইতাই চাৰিওটা সৰু-সৰু ল'ৰা-ছোৱালীৰ মাটিয়ে-বাৰীয়ে সকলো দায়িত্ব মূৰ পাতি লৈ জীৱন-সংগ্ৰাম কৰিব লগা হৈছিল। ককা থাকোঁতেই মাৰ বিয়া হৈ গৈছিল।

আইতাই ৰন্ধা কাম, কুৰুচাৰ কাম, উলৰ কাম, তাঁতৰ কাম কি সুন্দৰকৈ জানিছিল! আশী বছৰ বয়সলৈকে আইতাই তাঁত লগোৱা মই দেখিছিলো। বগলীৰ পাখি যেন বগা কাপোৰ পিন্ধি অতি চাফ-চিকুণ আইতাই টাকুৰিত সূতা কাটি খাদী আন্দোলন কৰাৰপৰা গাঁৱৰ জীয়াৰী-বোৱাৰীৰ মাজলৈ জাগৰণ অনা মহিলা সমিতিও কৰিছিল। মানুহৰ প্ৰতিতো অফুৰন্ত দয়া আছিলেই, ঘৰৰ ছাগলী, মেকুৰী, পোহনীয়া মাছলৈকে আইতাৰ কি আন্তৰিকতা! আটায়ে যেন আইতাৰ মাত বুজি পায়।

এবাৰ মেটেকাৰ ঘৰলৈ সৰুতে মাৰ লগত ফুৰিবলৈ যাওঁতে আইতাই কাষতে থকা মেকুৰীজনীক ক'লে,— "মাই আহিছে দেখা নাই? তোৰ পোৱালিকেইটা নেদেখুৱাৱহি কিয়?" কি আচৰিত কথা— মেকুৰীয়েও লগে-লগে সাউৎকৰে উঠি ভঁৰালৰ গাধৈৰপৰা ডিঙিত কামুৰি আনি-আনি মাক এটা-এটাকৈ পোৱালিকেইটা দেখুৱালেহি। আইতাই মেকুৰীকে গাখীৰৰ ৰখীয়া দি কৈ যায়— "নেখাবি দেই।" মেকুৰীয়েও একান্ত অনুগত হৈ একো মুখত নিদিয়ে। হাতত চাউল লৈ আইতাই পুখুৰীত থকা মাছক মাতে। আইতাৰ মাত শুনি লৰালৰিকৈ হাততে চাউল খুঁটিয়াবলৈ পানীযুঁৱলিলৈ সিহঁত আহে। আইতাই তেনেকৈ জাৰকালি অকমানি ছাগলী পোৱালিয়ে জাৰত দুখ পাব বুলি কাপোৰৰ জাপ দি নিজৰ বিছনাৰ ওচৰতে শুৱায়।

আইতাৰ লগত থাকি-থাকি ডাঙৰ মামা শ্ৰীদেবেন্দ্ৰ নাথ বৰদলৈও বৰ নম্ৰ, বৰ মৰমিয়াল হ'ল। তাঁতত ফুল বছাৰপৰা এমব্ৰইডাৰি কৰালৈকে জনা হ'ল। আইতাৰ দৰেই সকলোতে আগবঢ়া হৈ কৰ্মজীৱনতো সফল হ'ল। চাহ মজদুৰ সংঘ, আই. এন.

টি. ইউ. চি.ৰ তেওঁ নেতা। এইবোৰ সংগঠনৰ কামত তেওঁ ৰাছিয়ালৈও গৈছে।

মোৰ কেঁচুৱা কালতে ককা ঢুকুৱাত তেখেতক দেখা পোৱা নাছিলোঁ। এজন বিয়া হোৱা মানুহলৈ মাক বিয়া দিব খোজাত আইতাই বোলে দুৰ্ঘোৰ আপত্তি কৰিছিল। কিন্তু ককাই গণনা কৰি কৈছিল যে "মাৰ কেইবাটিও সন্তান হ'ব আৰু মাৰ অময়া সুখ হ'ব"— সেই সুখ আইতাইহে দেখিলে।

মোৰ মাহী দুজনী ঃ ৰুহি মাহীটি আৰু সৰলা মাহীটি। প্ৰথমগৰাকীৰ নাজিৰাত আৰু সৰুগৰাকীৰ বিয়া ছিপাঝাৰত হৈছিল। সৰু মামা মহেশ বৰদলৈ। তেৰোঁ চাহৰ লগতে জড়িত। মোৰ এইটোৱেই ভাল লাগে যে এটা উৎসাহ লৈ সংগ্ৰামেৰে নিজৰ ঘৰখন গঢ়াৰ লগতে দেশখনো আইতাইঁতে সাধ্যানুসাৰে গঢ়াৰ ভূমিকা লৈছিল। সকলোতে আশাবাদী মানসিকতাৰ বৰ প্ৰয়োজন।

মোৰ শিক্ষা আৰম্ভত হোম-যজ্ঞ-পূজা আদি কৰা হৈছিলনে কি একো নাজানো। মাহঁতেও একো কোৱা মনত নপৰে। হয়তো একো কৰাই নাছিল, হয়তো 'শৰাই' এখন দিছিল। কিন্তু একো উৎসৱ কৰা হোৱা নাছিল চাগৈ।

নিশ্চয় দেউতায়েই মোক প্ৰথম পাঠ পঢ়াইছিল। মোৰ অৱশ্যে মনত আছে পোনা ককাইদেউৰ কোঁচত উঠি কিতাপ পঢ়া আৰু হাৰমনিয়াম বজোৱা। পোনা ককাইদেৱে মোৰ নাম দিছিল সুললিতা; কণ্ঠ বৰ সুললিত আছিল বুলি। ক, খ পঢ়িবলৈ স্কুললৈ যোৱা নাছিলোঁ। একেবাৰে প্ৰথম শ্ৰেণীত নাম লগোৱা হৈছিল। তেতিয়াৰ দিনত আজিৰ দৰে ইংৰাজী নাৰ্ছাৰী স্কুলবোৰৰ নামেই নাছিল। অসমীয়া শিকোৱাৰ ফাঁকে-ফাঁকে ঘৰতে ইংৰাজীও শিকাইছিল। মনত পৰে মোৰ প্ৰথম শিক্ষয়িত্ৰী মাখন বাইদেউৰ কথাও। অৰ্থাৎ ঘনকান্তি ফুকননীৰ কথা। তেখেত শিৱসাগৰৰে। পাছলৈ গজেন ফুকন ডাঙৰীয়াৰ পত্নী, স্বাধীনতা সংগ্ৰামী মহিলা। মাখন বাইদেউৰ পাছত আহিল ঘৰুৱা শিক্ষক হৈ গুণ মামা। গুণ মামাৰ ঘৰ পুৰণা আমোলাপটিৰ নামঘৰৰ ওচৰত। গুণ মামা এনেকুৱা কাঢ়া শিক্ষক আছিল যে কিবা এটা ভুল কৰিলেই এনেকুৱাকৈ চিঞৰি, টেবুলত ঢকিয়াই তৰ্জন-গৰ্জন কৰি উঠিছিল যে আমাৰ অন্তৰ আত্মালৈকে ভয়ত থকথককৈ কঁপিছিল। আমি বাই-ভনী দুজনীয়ে অংকৰ বা বানানৰ সেই ভুল আৰু জীৱনত নকৰিছিলোঁ। গুণ মামাই আমাক পঢ়াত চোকা কৰিছিল। বুদ্ধিৰ অংকত মই বৰ পাৰ্গত হৈছিলোঁ আৰু অংকত সদায় এশৰ ভিতৰত এশ পাইছিলোঁ। মিনি বাইদেউৰ স্কুলখনৰ ডাঙৰ ঘৰটোৰ পকা বাৰাণ্ডাৰ কোনটো খুঁটাত ধৰি মই লগৰ ছোৱালীবোৰক ডাঙৰ-ডাঙৰকৈ নেওঁতা মতাইছিলোঁ আজিও কাণত বাজি থাকে— একৰ এক গ'ল থাকিল শূন্য, দুইৰ এক গ'ল থাকিল এক...। নেওতা ভালকৈ মনত থাকিলে অংক চকুৰ পচাৰতে কৰিব পাৰি। মৌখিকৰতো কথাই নাই। মৌখিক মোৰ কোনোদিন ভুল নহৈছিল। বৰ নেওতা, মাজু

নেওতা, সৰু নেওতা আৰু আৰ্যাবোৰ সম্পূৰ্ণ মুখস্থ আছিল।

আমাৰ স্কুলটো আছিল ঘৰৰ সন্মুখতে—২ নম্বৰ প্ৰাইমেৰি বালিকা বিদ্যালয়। মিনি এমঞ্জ বাইদেউ আমাৰ প্ৰধান শিক্ষয়িত্ৰী। তেখেতৰ ঘৰ খৃষ্টানপটিত। দ্বিতীয়গৰাকী বাইদেউ আছিল শ্ৰীমতী ভৱানী দেৱী। বাল বিধৱা। ডাক্তৰ জগন্নাথ বৰুৱাৰ বাইদেৱেক ভৱানী বাইদেউৰ লগতো মই স্কুললৈ যাওঁ, নহ'লে বা ঘৰৰ কোনোবা লগুৱাই পদূলিমুখৰ স্কুলখনতে থৈ আহেগৈ। দুপৰীয়া পানীখোৱা ছুটীৰ সময়ত দেউতা থাকিলে দেউতা যায় আৰু কোলাত তুলি লৈ আহেগৈ। মই সদায় স্কুলটোৰ ভিতৰতে পৰীক্ষাত প্ৰথম হওঁ কাৰণে স্কুলতো মোক আটায়ে বৰ আদৰ কৰিছিল। স্কুলখনত প্ৰথমবাৰৰ কাৰণে ময়ে হেনো অসমৰ ভিতৰত প্ৰথম হৈ প্ৰভিঞ্চিয়েল বৃত্তি পাইছিলো— মাহে সাত টকা।

মিনি বাইদেউ মাজে-মাজে পানীখোৱা ছুটীত আমাৰ ঘৰলৈ গৈছিল। আলমাৰিৰপৰা উলিয়াই ধুনীয়া ফুলবছা চীনা মাটিৰ কাপ-প্লেট এযোৰত মায়ে মিনি বাইদেউক চাহ দিছিল, আৰু ভৱানী বাইদেৱে পাকঘৰৰ পীৰাত বহি বাটিত চাহ খাইছিল। কাপ-প্লেটযোৰ লগুৱা মানুহে বাহিৰে-বাহিৰে ধুই আনিছিল আৰু মায়ে শোৱাকোঠাৰ আলমাৰিত ভৰাই থৈছিল। দুয়োগৰাকী বাইদেউক চাহৰ লগত বৰমায়ে বা মায়ে লাডু, পিঠা-পনা, মিঠাই আদিও দিছিল।

মিনি মাষ্টৰণী বাইদেৱে (যাক আমি 'ডাঙৰ বাইদেউ' বুলি মাতিছিলো) স্কুলখন অতি পৰিপাটিকৈ, চাফ-চিকুণকৈ ৰাখিছিল। তেখেত এগৰাকী ব্যক্তিত্বসম্পন্না, চোকা নজৰৰ মহিলা আছিল। স্কুলখনৰ ৰিজাল্ট হেনো সদায় ভাল আছিল। অৱশ্যে প্ৰভিঞ্চিয়েল বৃত্তি মোৰ দিনতে প্ৰথম পাইছিল কাৰণে আটাইৰে আনন্দৰ সীমা নোহোৱা হৈছিল। মোৰ মনত পৰে, মই এটা ছিল্কৰ সেউজীয়া, আঙুৰলতা আঁকা ফ্ৰক পিন্ধি বৃত্তি পৰীক্ষা দিবলৈ গৈছিলো।

আমি স্কুলত দ্বিতীয় মানৰপৰাই হেম চিলাই, কম্বল চিলাই, ক্ৰছ চিলাই আদি কৰিছিলো। চিলাই কৰাৰ আগতে জবা ফুলৰ পাতেৰে হাত ধুই লৈছিলো। নহ'লে বা চাবোনেৰে। নহ'লে আঙুলিত চিয়াহী লাগি থাকিছিল। এতিয়াৰ দৰে তেতিয়া বলপেন, পেন নাছিল, পাখিকলমেৰে প্ৰথমে, তাৰ পাছত নিব থকা কলম দোৱাতত চিয়াহী জুবুৰিয়াই আমি বহীত লিখিছিলো। মেপ আঁকিবলৈ কাঠপেনছিল, ৰবৰ ব্যৱহাৰ কৰিছিলো। এইখিনিতে এটা কথা মনত পৰে। মোৰ বন্ধু নিৰ্মালি ফুকনৰ এডাল সেউজীয়া ৰঙৰ কাঠপেনছিল আছিল। নিৰ্মালিয়ে সেইডালেৰে মেপত পানীৰ ৰং দিয়ে। বা গছৰ পাত আঁকে। মোৰ তেনে পেনচিল এডাল পাবৰ বৰ মন গৈছিল। ঘৰত দেউতাক ক'বলৈ দেউতা ব্যৱসায়ৰ কামত বাহিৰত আছিল। মোৰ কাঠপেনচিলডাল পাবৰ ইমান

মন গৈছিল যে স্কুলত এদিন তাইৰ টেমাৰপৰা মনে-মনে পেনচিলডাল চুৰ কৰি ঘৰলৈ লৈ আহিলো। ঘৰত আনি ক'ত থওঁ সেইটোৱেই ডাঙৰ সমস্যা হ'ল। কাৰণ মায়ে দেখিলেই চাগে সুধিব এইডাল ক'ত পালি? চুৰ কৰিলি? চুৰ কৰিলি! ছিঃ ছিঃ ছিঃ ছিঃ ইমান বেয়া কাম কৰিব পাৰিলি? মই ভয়ত জ্বৰে-ঘামে ঘামিবলৈ ধৰিলো। অ'ত-ত'ত লুকুৱাই থৈ ৰাতি হ'লত পেনচিলডাল গাৰুৰ তলত সুমুৱাই থ'লো। কিন্তু ভয়-উৎকণ্ঠাত ৰাতিৰ ৰাতিটো শুব নোৱাৰিলো। তাৰ পাছত কিয় জানো মনতে ভাবিলো, নিৰ্মালিয়ে পেনচিলডাল হেৰুৱাই বেজাৰতে চাগে খুব কান্দিছে। লগে-লগে মোৰো কান্দোন আৰম্ভ হ'ল। মোক দেখি মোৰ লগতে শোৱা মোৰ ভনী অকণিৰো কান্দোন আৰম্ভ হ'ল। তাই মোৰ ইমান নলে-গলে লগা বন্ধু, মই কান্দিলে তায়ো কান্দে। গোটেই ঘৰ দৌৰি আহিল— কি হ'ল ছোৱালী দুজনীৰ। আঁঠুৱা দাঙি, লেপ দাঙি যেই চালে মোৰ কান্দোন আৰু চৰিল। মই ফেকুৰি-ফেকুৰি ক'লো,— "এইডাল পেনচিল, এইডাল পেনচিল।" কথাৰ আঁতিগুৰি বুজিব নোৱাৰি বাৰে-বাৰে সুধিলত কথাৰ ওৰটো ওলাল। তেতিয়া বৰমাই ক'লে,— যি হ'ল হ'ল, কাইলৈ পেনচিলডাল নিৰ্মালিক ঘূৰাই দিলেই হ'ব আৰু এনে কাম কেতিয়াও নকৰোঁ বুলি ক'ব লাগিব।

পাছদিনা সকলোতকৈ আগতে গৈ মই জাৰত কঁপি-কঁপি স্কুলত বৈ আছিলোগৈ। নিৰ্মালি বহা ঠাইত পেনচিলডাল থৈ আহিছিলো। আকৌ কোনোবাই লৈ যায় বুলি ভয়। আকৌ হাতলৈ আনি নিৰ্মালি আহিলত স্কুলৰ পদূলিমুখতে গৈ নাকান্দিবি, এইডাল পেনচিল ল। মই আৰু এনে কাম কেতিয়াও নকৰোঁ বুলি দি দিছিলো। তাই ইমান আচৰিত ছোৱালী যে তাই একো ক'বই নোৱাৰে। পেনচিল যে এৰাতি তাইৰ টেমাটোত নাই তাইৰ খবৰেই নাই। কথাবোৰ মোক স্কুলত থ'বলৈ যোৱা ঘৰৰ কাম কৰা ল'ৰা মাণিকে চাই থাকি ঘৰত কৈছিলহি। এইবোৰ কথা কৈ মা, বৰমাহঁতে পাছত মোক লৈ ৰগৰ কৰিছিল।

আমি স্কুলত পঢ়োঁতে ইউনিফৰ্মো নাই, টিফিনো নাই। পানীখোৱা ছুটীত ছোৱালীবোৰে স্কুলৰ পানীকে আঁজলি পাতি-পাতি খায়। চকীদাৰণীয়ে হাতে-হাতে বাকি দিয়ে। ঘৰটো ওচৰত কাৰণে মোক ঘৰলৈকে লৈ অনা হৈছিল। তেতিয়া মোৰ লগত আমাৰ ঘৰত পানী খাবলৈ কিছুমান ছোৱালী আহিছিল। সিহঁতক আম, কল, আমলখি, কুঁহিয়াৰ, বগৰী, জলফাই,— এনেবোৰ বস্তু খাবলৈ দিয়া হৈছিল।

আমাৰ ঘৰত এজোপা বহঁত গছ আছিল। এটা বহঁতৰেই বহুত ছোৱালীয়ে কেইবাবাৰো ছিলট মচিব পাৰে। তেনেকৈ লাইশাকৰ ঠাৰিত থকা পানীৰেও আমি ছিলট মুচিছিলো। এতিয়া স্পঞ্জৰ দিনত এইবোৰ বুদ্ধিৰ প্ৰয়োজনেই নাই।

স্কুলত সৰস্বতী পূজা বৰ উলহ-মালহেৰে পতা হৈছিল। সৰস্বতী পূজাৰ দিনা কিতাপ

পঢ়িব নাপায় বোলে। আমি আগদিনাই ৰাতি পঢ়া কিতাপ-ফলি থোৱা মেজখন চাফ-চিকুণকৈ সজাইছিলো। তাত পাছদিনা গা-পা ধুই চাকি-বন্তি, ধূপ-ধুনা দি পঢ়া পাৰিবলৈ প্ৰাৰ্থনা জনাইছিলো। স্কুলৰ সৰস্বতী প্ৰতিমাৰ আগত নতুন দোৱাতত চিয়াহীৰ সলনি গাখীৰ ভৰাই তাতে পাখিকলম জুবুৰিয়াই দি সজাই দিয়া নিয়ম আছিল। আমি সকলোৱে "সৰস্বতী সৰস্বতী কণ্ঠে কলাপী, ভোগে বিলাপী, লোকে বোলে সৰস্বতী, আমি বোলো আই, যিখিনি পাহৰোঁ দিবা সোঁৱৰাই, খৰি খৰি খৰি বজ্ৰ খৰি, খৰিয়ে মেলিলে পাত, আই সৰস্বতী কণ্ঠত থাক।" এই প্ৰাৰ্থনা গাওঁতে কিতাপ-ফলি মূৰত লৈ গোৱা হয়। সৰস্বতী পূজাৰ দিনা স্কুলত আমাক পায়সৰ ভোগ খুৱাইছিল। তেনেকৈ নামঘৰতো সৰস্বতী প্ৰতিমা আনি হোম কৰি পূজা পতা হৈছিল। আমি প্ৰতি পূজাতে তালৈও পায়সৰ ভোগ খাবলৈ গৈছিলো।

সৰুকালিৰ খেল-ধেমালিৰ ভিতৰত হেতালি (ধুনীয়া সৰু-সৰু শিলগুটিৰে) খেল খেলা আৰু কইনা-দৰা বিয়া পতা খেললৈ মনত পৰে। আমি কইনা-দৰাৰ খেলো খুব খেলিছিলো। এঘৰত কইনা থাকে, এঘৰত দৰা থাকে। আমাৰ ঘৰৰ আইতা আৰু মাই সাজি দিয়াৰ নিচিনা ধুনীয়া কইনা-দৰা কাৰো ঘৰত নাছিল। ফটাকানিৰে কইনা-দৰা সাজি কইনাক আচল চুলি মূৰত লগাই দিছিল। কাণৰ ফুল, ডিঙিৰ মণি, হাতৰ বালা আদি দি ধুনীয়া ফুলবছা কাপোৰ পিন্ধাই দিছিল। দৰাৰ গাতো ধুনীয়া চোলা-চুৰিয়া, মূৰত আচল চুলি। মাৰ মাক আইতা এইবোৰত বৰ সুদক্ষা আছিল। ধানখেৰেৰে কি সুন্দৰ চালি ধৰা ময়ূৰ সাজি দিছিল। আইতাৰ গুণ আমি একো নাপালো। আমাৰ ঘৰত সদায় কইনা থাকে। ননী, মাইচানাহঁতৰ ঘৰত, কমলা, লখিমীহঁতৰ ঘৰত নহ'লে অমলা, গণেশ দাদাহঁতৰ ঘৰত দৰা থাকে। দেউতাই মোৰ পেৰম্বুলেটৰখনৰ লগতে চলাবলৈ কাঠৰ বাকছত চকা লগা গাড়ী কেইবাখনো কৰাই দিছিল। সেইবোৰ গাড়ীৰে জোৰণ দিবলৈ আবেলি দৰাঘৰৰ মানুহ আহে। হিজল গছৰ গুটি টিপা মাৰি কৰা কেৰু, সোণ পৰুৱাৰ ফোট, ৰাংপতাৰ মণি-খাৰু, আঙঠি কৰি জোৰণ দিবলৈ আনে। নতুন কাপোৰৰ কটা টুকুৰাবোৰ ঘৰত থাকেই। তাৰে মা, আইতা, বৰমাই জোৰণৰ মেখেলা, চাদৰ চিলাই দিয়ে। আমি 'হেজ্ঞ'ৰ পাত আৰু গুটিৰে তামোল-পাণ কৰি মানুহক দিওঁ। দেউতাই ভুজিয়া-বুন্দিয়া, খুৰ্মা, গমৰ লাড়ু আনি দিয়ে। এইবোৰ জলপান বিয়া খেলিবলৈ অহা সকলোৱে পৰম তৃপ্তিৰে খায়। আমি পানী তুলিবলৈ যাওঁ, কইনাক গা ধুৱাওঁ, গামোচাৰে ওৰণি লৈ দৰা আদৰোঁ। কোনোবা এটা ল'ৰাই বামুণ হৈ মন্ত্ৰ মাতি বিয়া দিয়ে। বিয়া ভগাৰ পাছত কইনা-দৰাক একেলগে বিস্কুটৰ টিনত ভৰাই গাড়ীত তুলি দৰাঘৰলৈ লৈ গ'লে আমি সঁচা-সঁচিকৈ কান্দো। দেউতাই ঘৰৰ গ্ৰামোফোনটোও বিয়াত বজাবলৈ দিছিল। বিয়াৰ পাছদিনাই আকৌ দৰা-কইনা

আহি আমাৰ খেলনাবোৰৰ লগত শাৰী পাতেহি।

মই সৰুতে ল'ৰাবোৰৰ লগত টেঙাৰ বল, মাৰ্বল আদিও খেলিছিলো। তেতিয়াৰ ল'ৰাবোৰৰ খেল-ধেমালিৰ ভিতৰত বৰশী বোৱা, টাংগুটি খেলা, মাৰ্বল খেলা, ফুটবল খেলা,— এইবোৰেই প্ৰধান আছিল। মই গছতো উঠিছিলো। আঠ বছৰমানৰপৰা সেইবোৰ বৰমাইঁতে বন্ধ কৰিলে। সৰুকালিৰ খেলৰ কথা ক'লেই আৰু এটা কথা মনলৈ আহে। সেইটো হৈছে চকুৱাত তুলি গণেশদা, যাদৱদা, গকুলদাইঁতে মোক চোঁচৰোৱা কথাটো। ডাঙৰ চোতাল গোটেইখনতে চকুৱাখন জোৰত টানি-টানি সিহঁতে মোক ফুৰায়। স্কিপিং কৰা, দৌৰা, লংজাম্প, হাইজাম্প মৰা, ভেকুলী জাঁপ মৰা, তিনিঠেঙীয়া দৌৰ, ৰুমাল দিয়া খেল,— এইবোৰো আছিল আমাৰ সেই সময়ৰ প্ৰিয় খেল। লাহে-লাহে হাইস্কুলত পঢ়া সময়ত মাদ্ৰাছা, সৰু গোলাচুৰ, কিটকিটি (হৈ-গুদু), বৰ গোলাচুৰ,— এইবোৰ বৰ জনপ্ৰিয় হৈছিল। অন্য খেলত কম-বেছি পৰিমাণে পাৰ্গত হ'লেও দৌৰত মই সদায় প্ৰথম আছিলো।

সৰুতে কি যে এটা মোৰ চখ আছিল— বাৰীখনৰ য'তেই অকমান ফাঁক এটা দেখোঁ ত'তেই সাঁকো এডাল পাৰি দিয়া বা দলং সাজি দিয়া কাম। বাঁহৰ শলি, জেং গোটাই মিহিকৈ দলং এখুদমান সাজি ফাঁকটোত দিয়াটো বৰ চখ। এই চখটো ক্লাছ ফ'ৰ, ফাইভমানলৈকে আছিল। তেনেই সৰুতে খেলাৰ লগৰীয়া আছিল ভঁৰালৰ কেউকাষে ডৰাডৰে ফুলি থকা টেঙেচী টেঙাৰ বেঙুনীয়া সৰু-সৰু মনোমোহা ফুলবোৰ আৰু পাৰ চৰাইবোৰ। এটা ছাগলী পোৱালিও আছিল। তাৰ নাম আছিল মোহন। তাক সদায় তিওৱা বুট যথেষ্ট পৰিমাণে অন্য বস্তুৰ লগতে খুউৱা হৈছিল। বুট খাই-খাই সি তেল পৰি পিছলা হৈছিল। গাৰ ৰং আছিল পহু বৰণৰ। সি মোৰ অতি মৰমৰ আছিল। মাঘ বিহুৰ সময়ত এদিন স্কুলৰপৰা আহি দেখিলো মোহন মোৰ ওচৰলৈ অহা নাই। মোহন ক'লৈ গ'ল? মোহন, মোহন, মোহন— সঁচাকৈয়ে মোহন নাই। মই বাউলী হ'লো। মা, বৰমাইঁতে ঢেঁকীশালত চিৰা খুন্দি আছিল। মোক কান্দি থকাৰপৰা লৈ গৈ ফুচুলাবলৈ ধুনীয়া পাটৰ সৰু শাৰী এখন পিন্ধাই দি আঁচলত সাতটা টকা বান্ধি দি "মোহনক কোনোবাই আহি কিনি নিলে" বুলি ক'বলৈ যেই পালে, টকা দলিয়াই শাৰী খুলি শুদা পেন্টটোৰে মাটিত একেবাৰে বাগৰি-বাগৰি ৰাউচি জুৰিলো— মোৰ মোহনক আনি দে, আনি দে, কোনে নিলে আনি দে, কান্দি-কান্দি হেনো ফিট হোৱাৰ উপক্ৰম হ'ল। তেতিয়া ডাঙৰ মায়ে কোঁচত তুলি লৈ ঠাণ্ডাপানীৰে মুখ-হাত ধুৱাই ক'লে যে ইয়াত থাকিলে মোহনক কোনোবাই মনে-মনে ধৰি নি মেজিৰ ভোজৰ কাৰণে কাটিবগৈ। সেই কাৰণে তাক লুকুৱাই দূৰলৈ পঠোৱা হ'ল। তাত সি ডাঙৰ হ'ব। পাছত আমাৰ ঘৰলৈ লৈ আনিব। মোহনক এতিয়া কোনেও কাটিব নোৱাৰে, এই কথা শুনিহে কান্দোন

মাৰ গ'ল। পাছত অন্য কথাৰ মাজত মোহনৰ কথা আৰু তল পৰিল। মোহন কিমান ডাঙৰ হৈ আমাৰ ঘৰলৈ উভতি আহিব তাকে বহুদিনলৈ স্বপ্ন দেখি থাকিলো।

সৰুকালতেই বক্তৃতা দিয়া মোৰ এটা চখ আছিল। সেই সময়ত জৱাহৰলাল নেহৰু এবাৰ অসমলৈ আহিছিল। কোনবা চন? মনত নাই। তেখেতক ওখ মঞ্চত উঠি ভাষণ দিয়া দেখিছিলো; ভাষণ অৱশ্যে একো বুজি পোৱা নাছিলো। কিন্তু ঘৰলৈ আহি নেহৰু হৈ, চোতালত মাছ মাৰিবলৈ ঘৰৰ লগুৱাই নিয়া পলটো আনি (কাৰণ সেইটো মূঢ়াতকৈ ওখ) তাৰ ওপৰত উঠি "ভাইও, বহিনও" কৰি কিবাকিবি খুব বক্তৃতা দিছিলো। গাত আছিল কেৱল জাঙিয়াটো। গৰমৰ দিন। গা গৰমত জুৰুলী-জুপুৰী হোৱা কাৰণে পাছত অকমানি ছেমিজটো গাৰপৰা খুলি থৈছিলো। চোতালত ৰ'দত বহি থকা শ্ৰোতা মোৰ ভনীজনীৰ বাহিৰে কোনো নাছিল। এতিয়া হাঁহিও উঠে, ভাবি ভালো লাগে। তেতিয়াই অভ্যাস কৰিছিলো কাৰণেই চাগে এতিয়া সহজতে শ্ৰোতাৰ আগত ভাষণ দিব পৰা হ'লো। তেতিয়া পূজাৰ সময়ত এতিয়াৰ কালীপ্ৰসাদ হলৰ ওচৰতে গোসাঁনী সাজিছিল। দুৰ্গাৰ প্ৰতিমা আমাৰ বাবে বৰ আকৰ্ষণীয় আছিল। জুমুঠি বন্ধাৰেপৰা আবেলি-আবেলি আমি গোসাঁনী সজা চাওঁগৈ। হলত পতা সেই দুৰ্গাপূজাভাগত বলি দিয়া নহৈছিল। শিৱসাগৰৰ কালীবাৰীত থকা ৰঙা কাপোৰ পিন্ধা এগৰাকী ওখ ভৈৰৱীকো সৰুকালিত দেখিছিলো। দুৰ্গা প্ৰতিমাৰ লগত থকা গণেশ মোৰ বাবে বৰ কৌতূহলৰ বস্তু আছিল।

জাৰকালি বৰদিনৰ সময় হ'লে দেউতাই ঘৰলৈ বহুত 'ড্ৰাই-ফ্ৰুটছ' আনিছিল,— কাজু, বাদাম (ডাঙৰ), পেস্তা, আখৰোট আদি। লগতে বহুতো সুমথিৰা। আমি ডাঙৰ বাইদেউৰ (মিনি বাইদেউ) খৃষ্টানপটিৰ ঘৰলৈ 'বৰদিনৰ ডালি' হিচাপে এনে ড্ৰাই ফ্ৰুটছ আৰু সুমথিৰা লৈ গৈছিলো। বাইদেউ, বাইদেউৰ জীয়েক ৰেজিনা বাইদেউ, পুতেক প্ৰিন্স দাদা আৰু ভিনদেউ থাকে ঘৰত। আমাক বৰ মৰমেৰে বন্ধুৱাই ঘৰত কৰা পেন কে'ক, পিঠা, লাড়ু আদিৰে গাখীৰ খাবলৈ দিয়ে। মোৰ আৰু ভনীজনীৰ বৰ ডাঙৰ সমস্যা হয়। খৃষ্টান মানুহৰ ঘৰত কৰা কে'ক কেনেকৈ খাম! আমাৰ ঘৰবোৰত সেই সময়ত এটা সঁচাই হওক মিছাই হওক বদ্ধমূল ধাৰণা আছিল যে— হিন্দু ভিন্ন খৃষ্টান আৰু মুছলমানসকলে ঘৰত আমাৰ নিষিদ্ধ গৰু মাংস, মুৰ্গী মাংস খায় আৰু একে কেৰাহী, একে ছছপেন, একে হেতাৰেই কে'ক আদিও কৰে। আমি সেই কাৰণে বাইদেউ ভিতৰলৈ যোৱাৰ ছেগ বুজি লৰালৰিকৈ কোটৰ জেপত আমাক খাবলৈ দিয়া কে'কৰ টুকুৰা দুয়োজনীয়ে সুমুৱাই থওঁ আৰু ঘূৰি আহোঁতে বাটত বৰ দুখেৰে পেলাই দিওঁ। বাকীবোৰ ফলমূল খালে একো নহয়। পিঠা-পনাবোৰ প্লেটতে থাকে। আমাৰ সেই সময়ৰ অন্ধতা, অজ্ঞতা স্বৰ্গীয়া বাইদেৱে যেন ক্ষমা কৰে। তেতিয়াৰ কি দিন! এতিয়াৰ কি দিন! এইবোৰ আমাৰ এল. পি. স্কুলত থকা দিনৰে কথা। ১৯৪০/৪১ চন মানৰ।

আমাৰ ঘৰৰ ওচৰতে, আমাৰ কম্পাউণ্ডতে দেউতাই আমাৰ সম্বন্ধীয়, বৰ মৰমৰ মামা এজনৰ কাৰণে দোকান ঘৰ এটা সজাই দিছিল। মামাজনৰ নাম আছিল গণেশ শৰ্মা চাংকাকতি। গণেশ মামা অতি ফুৰ্তিবাজ লোক আছিল। তেওঁৰ গুণ কিছুমান এনে আছিল যে সি আমাৰ কাৰণে বৰ বিস্ময়কৰ আছিল। হাতেৰে ভুকুৱাই নাৰিকল ভাঙে, এআধি ভীমকল একেবাৰতে খাই দিব পাৰে, তেনেকৈয়ে বিয়া-বাৰুত লুচি ৫০/৬০ খন খাব পাৰে। লগত তৰকাৰি, টক, মিঠাই থাকেই। সেই সময়ত মিঠাই বুলিলে লেখৰ মিঠাই আছিল ডাঙৰ-ডাঙৰ ৰসগোল্লা, লালমোহন। ইয়াৰ উপৰিও নিম্‌কি, ভুজিয়া, বুন্দিয়া, খুৰ্মা, গজা। গমৰ লাড়ু, জেলেপি,— এইবোৰো চলিছিল যদিও সন্মানিত মিঠাই ৰসগোল্লাহে। তেতিয়া শিৱদৌলৰ সন্মুখত কেইজনমান বিহাৰী মিঠাইৱালাহে আছিল। তেনে ৰসগোল্লাও গণেশ মামাই ইচ্ছা কৰিলে ৩০/৪০ টা একেলগে অনায়াসে খাই দিব পাৰে। আমি গণেশ মামাৰ ডাঙৰ পেটটো চুই-চুই চাইছিলো।

গণেশ মামা আমাৰ অতি প্ৰিয় হোৱাৰ গুৰি কথা আছিল তেওঁ ৰস লগাই-লগাই কোৱা সাধু কথাবোৰ। আমি টোপনিত লালকাল হৈ নপৰালৈকে মামাই সদায় সাধু কয়। আৰব্য উপন্যাসৰ সাধুৰপৰা বীৰবল, পঞ্চতন্ত্ৰ, হিতোপদেশৰ সকলো সাধুৰ লগতে ভূতৰ সাধুবোৰো। কি জীৱন্ত আছিল তেওঁৰ সাধু কোৱাৰ ধৰণ!

গণেশ মামাই বৰ সুন্দৰকৈ বাঁহী বজাবও পাৰিছিল। গণেশ মামাৰ দোকানত থকা এখন কেলেণ্ডাৰত এজনী বৰ ধুনীয়া ছোৱালীৰ ছবি আছিল। গণেশ মামাই সেইখন ছবি দেখুৱাই আমাক কৈছিল,— "তহঁতৰ মামীয়েৰ।" আমি বহুত দিনলৈকে সেইখন মামীৰ ছবি বুলিয়েই ভাবিছিলো। ডাঙৰ ফোটটোৰে নলিনী মামীও ওখ-পাখ, ধুনীয়াই আছিল। মামী হৈছে নাজিৰাৰ বিখ্যাত সংগীতজ্ঞ গোপাল বৰদলৈৰ কন্যা। গণেশ মামাৰ নটা ল'ৰা-ছোৱালী আমাৰ লগত একেঘৰৰ যেন হৈ আছিল আৰু তাৰ ভিতৰত পুতুমণি (ৰোহিণী) আৰু মুনু (ধৰণী)য়ে মোৰ বৰ লগ লৈছিল। মামা-মামী দুয়ো গোসাঁইৰ বিবিধ নাম, জন্মাষ্টমীৰ নামবোৰ কি সুন্দৰকৈ গাইছিল! মই যে বহুত সুৰ মামাৰপৰাই শুনি-শুনি শিকিছিলো।

গণেশ মামাৰ লগত আমাৰ ঘৰৰ শ্ৰদ্ধেয় পুৰোহিত জ্যেষ্ঠ ভ্ৰাতৃবৎ মুক্তি ককাইদেউৰ বৰ মিল আছিল। মেটেকাৰ মুক্তি ককাইদেউক মামাই 'ৰাম' বুলি আৰু মামাকো তেখেতে 'ৰাম' বুলি মাতিছিল। মুক্তি ককাইদেউক তেখেতৰ পিতৃ বিষ্ণুদেৱে আউনীআটি সত্ৰলৈ আগবঢ়াইহে পাইছিল আৰু সেইকাৰণে ডেকাকাললৈকে আউনীআটি সত্ৰলৈ 'গোবিন্দ'ৰ সেৱা কৰিবলৈ গৈছিল। মুক্তি ককাইদেউ কথাই-বাৰ্তাই কি মাৰ্জিত, কি জ্ঞানী-গুণী লোক আছিল! তেখেতৰ মন্ত্ৰৰ সুৰ, আশীৰ্বাদৰ ৰূপ বৰ সুন্দৰ আছিল। তেখেতৰ পিতৃ অসুস্থ হোৱাত তেখেতক ঘৰলৈ লৈ অনা হৈছিল আৰু সংসাৰ পাতি দিছিল।

গণেশ মামাৰ কথা কওঁতে গণেশ মামাৰ বন্ধু স্বৰ্গীয় যতীন বেজবৰুৱাৰ কথাও আহি পৰে। এখেত শিৱসাগৰৰ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিয়ালৰ নাতি আছিল। তেখেতৰ মাক-দেউতাক সৰুতে ঢুকুৱাৰ পাছত অৱস্থা বৰ বেয়া হৈ আহিছিল আৰু ব্যৱসায়ত হাত দিয়াৰ আগতে তেখেতে সমস্ত দিনটো গণেশ মামাৰ দোকানতে কটাইছিল। মাজে-মাজে গণেশ মামাৰ তবলাযোৰো বজাইছিল। পাছলৈ স্বনিয়োজনৰ ক্ষেত্ৰত যতীন বেজবৰুৱা এক মহান আদৰ্শ হৈ উঠিল। ব্যৱসায়ত হাত দি বেজবৰুৱাই নিষ্ঠা, একাগ্ৰতা আৰু অমায়িক ব্যৱহাৰৰ যোগেদি ইমান উন্নতি কৰিলে যে মৃত্যুকাললৈকে তেখেত অসমৰ বাইজৰ বৰ আদৰৰ লোক হৈ আছিল। তেখেতৰ যোৰহাট আৰু গুৱাহাটীত থকা 'পেৰেডাইজে' (চাহ-ভাতৰ হোটেল) অসমীয়া বৈশিষ্ট্যপূৰ্ণ আহাৰৰ যোগান ধৰে আৰু আজিও ধৰি আছে। বেজবৰুৱা পাছলৈ মোৰ মৰমৰ বান্ধৱী 'অণু'ৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। তেওঁবিলাকৰ সন্তান ৰুবুল, মৃদুল আৰু অনল অতি সফল ব্যৱসায়ী। দুজনী ছোৱালী অঞ্জনা, বন্দনা। একাদিক্ৰমে অঞ্জনাই তাঁতশিল্পৰ ব্যৱসায়ত আৰু বন্দনাই সংগীত শিল্পী হিচাপে সুনাম অৰ্জন কৰিছে। অঞ্জনাৰ বিবাহ হয় প্ৰখ্যাত ৰাজনৈতিক-নেতা হৰেশ্বৰ গোস্বামীৰ পুত্ৰ প্ৰশান্ত গোস্বামীৰ লগত আৰু বন্দনাৰ বিয়া হয় আই. পি. এছ. খগেন শৰ্মাৰ লগত। ৰুবুলৰ স্ত্ৰী ৰেখা, মৃদুলৰ পত্নী অদিতি, অনলৰ স্ত্ৰী পাশুও বৰ সাদৰী। গণেশ মামা আমাৰ দুখ, বেজাৰ, ঠেহ-পেঁচ সকলোৰে লগৰীয়া। সৰুতে কিবা কথাত লাগি ঠেহ কৰি পেঁচ পাতি মাটিত বহি থাকোঁ যদি, কান্দি-কাটি থাকোঁ যদি, ক'ৰবাৰপৰা গণেশ মামা সদায় ওলাবহি আৰু অ'ৰ-ত'ৰ ভাওনাৰ পদ মাতি ভেঙুচা-ভেঙুচি কৰি আৰু মুখেৰে বিভিন্ন অংগী-ভংগী কৰি আমাক জ্বলায়হি। আমি খঙতে গণেশ মামাক মৰিয়াওঁ, ঢকিয়াওঁ আৰু এখোপ চৰাকৈ কান্দো। তাৰ পাছত মামাই সাধু কৈ-কৈ বাদাম খুৱাই ফুচুলাবলৈ ধৰে। ৰাতি হ'লে দোকানৰ পেট্ৰমাক্স লাইটটোও আনি পৰিৱেশটো পোহৰ কৰি দিয়েহি।

পেট্ৰমাক্স লাইট জ্বলিলেই মনত পৰে দেউতাৰ মাক মোৰ আইতাৰ কথা।

দেউতাৰ মাক, আইতা কালিন্দ্ৰী দেৱী এশ বছৰ জীয়াই আছিল। এটা সময়ত তেওঁ চকুৰে নেদেখা হ'ল, কাণেৰেও নুশুনা হ'ল। দেউতাই ব্যৱসায়ৰ কামত প্ৰায়ে বাহিৰত থাকিব লাগে কাৰণে আইতা ঢুকাবৰ বছৰেকমানৰ আগৰপৰা আমাৰ সম্বন্ধীয় বৰদেউতা এজনক (পকা চাংকাকতি) আইতাৰ যত্ন ল'বলৈ আমাৰ ঘৰত ৰাখিছিল। শেষৰ চাৰি-ছমাহমানৰপৰা বৰদেউতাই সদায় আইতাৰ যোৱা-থোৱা অৱস্থা দেখে। পেট্ৰমাক্স জ্বলাই নাম-গুণ গাই ওৰে ৰাতি পৰ দিয়ে। মাহঁতে মকৰধ্বজকে ধৰি নানা কবিৰাজি ঔষধ খুৱায়। বেলেগ-বেলেগ মানুহেও আহি ৰাতি-ৰাতি পৰ দিছিল। ৰাতি আইতাক ভাত নিদিছিল। হয় চাগু, নহয় লুথুৰী, নহয় গাখীৰেৰে কৰা ৰুটী উতলা

গাখীৰতে তিয়াই কোমল কৰি, নতুবা চুজি বা আটাৰ মোহনভোগ খাবলৈ দিছিল। শেষ বয়সত আইতাই চকুৰেতো সম্পূৰ্ণ নেদেখিছিলেই, কাণেৰেও নুশুনিছিল। কিন্তু উমানতে সকলো ধৰিব পৰা প্ৰখৰ বুদ্ধি আছিল বোলে। বৰদেউতাই কলপাত কটাই আবেলিৰেপৰাই ভাত-পানী ৰন্ধাই "ভাত-পানী সোনকালে খাগৈ খাগৈ" কৰি তত নোহোৱা কৰে। কাৰণ বুঢ়ী মৰিলে খাব নোৱাৰিব। যিমানদূৰ মনত পৰে মই তেতিয়া দ্বিতীয় শ্ৰেণীত। সেই সময়ত কেনেবাকৈ (অসমীয়া নে বাংলা) আৰব্য উপন্যাস এখন মোৰ হাতত পৰিছিল। কিতাপখন গধুৰ কাৰণে দাঙিবই নোৱাৰিছিলো। সেই উদুলি-মুদুলি ঘৰতে ইজি চেয়াৰ এখনত, দিনত হ'লে লিচু গছৰ ছাঁত বহি, ৰাতি হ'লে আইতাক পোহৰ দিবলৈ অনা পেট্ৰমাক্সৰ পোহৰত বহি আৰব্য উপন্যাসখন কষ্ট কৰি হ'লেও পঢ়িছিলো আৰু সেইখন পঢ়ি থাকোঁতে একোৱে স্পৰ্শ নকৰা এখন বেলেগ জগতত প্ৰৱেশ কৰিছিলো।

আইতা বুঢ়া মানুহ, গ'লগৈ। মোৰ কিন্তু দেউতা-মাহঁতলৈ বৰ বেজাৰ লাগিছিল। দেউতাই য'ৰে-ত'ৰেপৰা আহি 'বৌ' বুলি মাতিবলৈ মাকজনী নোহোৱা হ'ল। আইতাই দেউতাক 'বোপাই' বুলি মাতিছিল। আইতাৰ মৃত্যুত পালন কৰিব লগা ব্ৰতৰ কাৰণে ভাদমহীয়া গৰমত ৰ'ব নোৱাৰিলে দেউতাই পুখুৰীৰ পানীৰ তলত বুৰ মাৰিহে পানী দুঢোক মাত্ৰ খাব পাৰিছিল। সমাজৰ নিয়ম তেতিয়া ইমানেই কটকটীয়া আছিল। বৰমা অসুখীয়া আছিল কাৰণে কিছুমান নিয়ম তেখেতৰ ক্ষেত্ৰত সামান্য ঢিলাই দিয়া হৈছিল।

মোৰ দেউতাৰ সখিয়েক তাৰৈলৈও ৰিণিকি-ৰিণিকি মনত পৰে। তেখেত এজন অতি সাত্ত্বিক লোক আছিল। চুলিৰ টিকনিত এপাহি খৰিকাজাঁই ফুল দেখা মোৰ মনত আছে। তেখেত মাজে-মাজে আমাৰ ঘৰলৈ বোকাখাতৰ কুৰুবাবাহী সত্ৰৰপৰা আহে। তেখেত সেই সত্ৰৰ বৰপূজাৰী আছিল। নাম আছিল পূৰ্ণকান্ত বৰপূজাৰী। আমালৈ তেখেতে প্ৰায়ে মিছিৰি লৈ আনিছিল। কেতিয়াবা আনিছিল বাদাম। তাৰৈ আহিলে আমি বৰ ভাল পাইছিলো। দেউতাই তেখেতক আপুনি আৰু তেখেতেও দেউতাক আপুনি বুলিছিল। দুয়ো সখি, নোওৱা-ধুউৱা সখি। অথচ দুয়ো দুয়োকো ইমান শ্ৰদ্ধা কৰিছিল; দেখি বৰ ভাল লাগিছিল। তাৰৈৰ জীৱনৰ শেষ সময়ত আমি বোকাখাতলৈ তেখেতক চাবলৈ গৈছিলো; দুয়ো সখিয়ে কান্দিছিল। আমিও আছিল ওখ-পাখ, ধুনীয়া, হৃষ্টপুষ্ট মানুহ। তেখেতসকলৰ ল'ৰা হিতেশ্বৰ বৰপূজাৰী ককাইদেউ আৰু তৰুণ বৰপূজাৰী কিছু বছৰ আমাৰ ঘৰত থাকি পঢ়িছিল। এতিয়া গোটেইবোৰৰ জয়জয়-ময়ময় অৱস্থা।

আমাৰ ঘৰত থকা ডাঙৰ শাকনিখনৰ কথা নক'লে সৰুকালটো আধৰুৱা হয়। ডাঙৰ শাক-পাচলিৰ বাৰীখনত লগুৱা-লিকচৌৰে সৈতে নিজেও লাগি কেৱল গোবৰৰ

সাৰ দি দেউতাই বিধে-বিধে শাক-পাচলি কৰে। খেতি নদন-বদন হয়। পোৱাল বেঙেনা, বৰ বেঙেনা, কবি, বিলাহী আদি ৰাতিপুৱা-আবেলি ঘৰত খাবলৈ নিজ হাতে মা-দেউতাইঁতে ছিঙোতে আমি ছাঁৰ দৰে লগে-লগে থাকোঁ। পালেং-ধনিয়া, লাই-লফা শাকবোৰৰ গোন্ধ মোৰ নাকত যেন এতিয়াও আহি লাগিছেহি। কি বিনন্দীয়া সেই দিনবোৰ! ভিতৰ-চোতালত মৰা ঘৰৰ মৰণাৰ মোখোৰা পিন্ধা গৰুবোৰৰ লগে লগে মৰণাৰ খেৰবোৰৰ ওপৰত আমিও ঘূৰোঁ। ধানৰ ধূলি লাগি পানী লাগে বুলি আমাক মৰণাৰ কাষলৈকে যাবলৈ নিদিয়ে। আমিনো ক'ত শুনো! ওখনিয়াই থকা ধানবোৰৰ পৰা কি যে ফুৰফুৰীয়া গোন্ধ এটা ওলায়!

আমাৰ ঘৰত ৰাতি নাথাকিলেও অনবৰত কাম কৰিবলৈ অহা আন কেইজনমান ওচৰৰ মানুহ আছিল কান্দুৰা, গেনা আৰু ইন্দ্ৰেশ্বৰ। কান্দুৰাৰ নাম ঠিকাদাৰ, গেনা চকীদাৰক ধা টিং টাং, ইন্দ্ৰেশ্বৰক পাখিমেধি বুলি দেউতাই মাতিছিল। গাখীৰ দিবলৈ অহাজনক মাতিছিল কেম্পবেল চাহাব বুলি। এইবিলাক মানুহে দেউতা আৰু ঘৰখনক প্ৰাণতকৈও ভাল পাইছিল। কান্দুৰা আৰু গেনা দুয়ো ৰাতিপুৱা পথাৰৰপৰা আহি আমাৰ ঘৰত চাহ-জলপান খায়। তেওঁলোক বহা নিৰ্দিষ্ট ঠাই আছিল। তাতে কলপটুৱাৰ দোণাত চাহ, পিঠাগুৰি, কৰাইগুৰি, কোমল চাউল, চিৰা, কঁঠাল, ভীমকল— এইবোৰ খাবলৈ দিছিল। মই আৰু ভণ্টিয়ে তেওঁলোকৰ খোৱাৰ গতটো চাই থাকোঁ আৰু আমাৰো তেনেকৈ খাবলৈ বৰ মন যায়। বিশেষকৈ চাহত পিঠাগুৰি আৰু গুৰ পেলাই এটা আঙুলিৰে লৰাই আঙুলিটোৰেই আনি-আনি খোৱা দৃশ্যটো বৰ যেন সোৱাদ, বৰ যেন তৃপ্তিদায়ক এনেকুৱা লাগিছিল। এদিন জিদ ধৰিলো— আমাৰ দুজনীকো ঠিক সেইদৰে সেই ঠাইত বহি দোণাত চাহপানী, পিঠাগুৰি, গুৰ দিব লাগিব। উপায় নাপাই মায়ে দোণা চিলোৱাই চাহপানী, ভজা পিঠাগুৰি আৰু গুৰ দিলে। খাই দেখোঁ একো বিশেষ সোৱাদ নাই। এতিয়া বুজিছোঁ ভোকহে আচল জুতি। আৰু এবাৰ তেনেকৈ ক'ৰবাৰ মাগনী বুঢ়ী এজনীয়ে লোকৰ ঘৰৰপৰা খুজি অনা ময়দাৰ বগা ধুনীয়া লুচি এখন আমাৰ ঘৰত চাহ খুজি লৈ, নিজৰ এলুমিনিয়ামৰ বাটি এটাত গৰম চাহত দি কোমল কৰি এনে তৃপ্তিৰে খালে যে তেনেকৈ দি নোখোৱালৈকে আমাৰ দুজনীৰ স্বস্তি নাছিল। ময়দাৰ লুচিও লাগিব, এলুমিনিয়ামৰ বাটিও লাগিব, চাহো লাগিব। উপায়ান্তৰ হৈ এলুমিনিয়ামৰ তেনে জোখৰ বাটি কিনি অনাব লগা হৈছিল। মাগনী বুঢ়ী বহা বাৰাণ্ডাৰ সেই ঠাইত ঠিক তেনেকৈ চাহত দি ময়দাৰ লুচিখন কোমল হৈ উঠাত খাইছিলো। আমাৰ যে কাণ্ডবোৰ আছিল! শিশু যে কিমান অনুকৰণপ্ৰিয় সেইবোৰেই তাৰ উদাহৰণ।

বিহু বুলিলেই গা ৰাইজাই কৰে। তাতে ল'ৰালিৰ বিহু। আপুৰুগীয়া সেই সোঁৱৰণি। ভাবিলে এনেকুৱা লাগে সেই দিনবোৰ যেন—

"দিকচৌ বনৰ পৰা
ফুৰফুৰ কৰে উৰি অহা
এজাক পখিলা
পাখিত যেন
কেতেকী ফুলৰ সুৰভি।"

ফাগুনৰপৰা বলা ৰিবৰিবীয়া বতাহে মন উৰুৱাই নিয়ে। চ'ত মাহ সোমোৱাৰেপৰা ৰাতি ঢোলৰ মাত। শিৱসাগৰৰ পুৰণা আমোলাপটিৰ ট্ৰাংক ৰ'ডৰ কাষতেই আমাৰ ঘৰ। আমাৰ সৰুকালিত নগৰখনেই গাঁও যেন আছিল। বিজুলী বাতিৰ পোহৰ নথকা ৰাতিবোৰ, গছৰ মাজেদি সৰকি পৰা জোনৰ পোহৰে মোহনীয়া কৰি থৈছিল। জোনাক ৰাতি দূৰৰপৰা ভাহি অহা ম'হৰ শিঙৰ পেঁপাৰ মাতে মনটো উগুল থুগুল কৰি তুলিছিল। কেনি যে যাম, কি যে কৰিম, কেনেকুৱা যে লাগে মনটো! আমাৰ ঘৰৰ আগতে আছিল এজোপা পলাশ। পলাশ-শিমলুৰ বিহুৰ বতৰত ফুলা ৰঙচুৱা ফুলেও মনটো উতলা কৰি তুলিছিল। পিছফালৰ আমগছত পৰি মাতি থকা কুলিৰ মাতে ব্যাকুল কৰিছিল। কুলিয়ে মাতে কুউ। ময়ো লগে-লগে কওঁ কুউ। কুলিয়ে আকৌ কয় কুউ, ময়ো ঘূৰাই তেনেকৈয়ে মাতোঁ কুউ— এনেকৈয়ে উত্তৰ দিয়া-দিয়ি হয়। শেষত গৈ কুলিও উতলা হয়, ময়ো হওঁ উতলা। নেদেখা সুৰে মোক যেন শুহি লৈ যায়। সেউজীয়া কুঁহিপাত মেলা গছ-গছনিবোৰ মোৰ ইমান আপোন যেন লাগে! মই মৰমতে গছবোৰ সাবটি ধৰোঁগৈ। আকাশে-বতাহে যি এক আচৰিত উন্মাদনা মই বিহুৰ বতৰত অনুভৱ কৰোঁ তাৰ শিহৰণ মই এতিয়াও অনুভৱ কৰোঁ মোৰ তেজত।

ফাগুন-চ'তৰেপৰাই মা-বৰমাই তাঁত লগায়— বিহুৰ গামোচা ফুল বাছি-বাছি সকলোকে দিবৰ কাৰণে। এইবোৰ নাজানিলে লোকে থুপৰী বুলিও ইঁহা নিয়ম সমাজত আছিল।

বিহুলৈ এসপ্তাহমান থকাৰে পৰা ঘৰে-ঘৰে চিৰা-সান্দহ খুন্দা, বিবিধ পিঠা ভজাৰ যেন প্ৰতিযোগিতাহে চলে। আমি সৰু থাকোঁতে আমাৰ ঘৰত ডাঙৰ ভঁৰাল (ধানৰ) তিনিটা আছিল। বিহুৰ কাৰণে চিৰা খুন্দিবলৈ মাইঁত ৰাতি তিনিমান বজাতে উঠে। গা-পা ধুই চিৰাৰ খোলা পাতে। আমিও লগতে উঠোঁ, উৎসাহৰ অন্ত নাই, পাৰোঁ-নোৱাৰোঁ খপজপাই ফুৰোঁ। তিলপিঠা ভাজোঁতে আমাক মানে মোক আৰু মোৰ ভণ্টিক (লক্ষ্মী) সৰু খোলা এখন পাতি দিবই লাগিব। তাতে মাইঁতৰ লগে লগে আমি পিঠা ভাজোঁ। প্ৰথমতে পিঠা ভাগিলে-ছিগিলেও পাছত গঢ় লৈ উঠে। নাৰিকলৰ লাডু, গমৰ লাডু তপতে-তপতে বান্ধোতে হাত জ্বলিব বুলি দেউতাই মৰমতে বান্ধিবলৈ নিদিয়ে। আমি লুকাই-লুকাই লাডু বান্ধো। বৰমা-মাৰ লগত ফেনীপিঠা, আলুপিঠাকে ধৰি বিবিধ পিঠা

আৰু মিঠাই কৰিবলৈ আমাৰ কিমান যে আগ্ৰহ! সকলোতকৈ বেছি তৰহৰ বস্তু আমাৰ ঘৰত হ'ব লাগিব— এইটোৱেই মনৰ ভাব। গৰুবিহুৰ আগদিনা হাতত জেতুকা বন্ধা নিয়ম। মায়ে জেতুকা আৰু ডালিমৰ পাত, পকা পাণ পটাত বটি আমাৰ দুয়োহাতত কলপাত দি তাৰ ওপৰত কাপোৰ দি বান্ধি দিয়ে। ৰাতি টোপনিত কেনেবাকৈ বান্ধ খুলি জেতুকা এৰাই পৰিলে আমাৰ কি কান্দোন! কিজানিবা হাতত ৰং নধৰেই! পুৱা শুই উঠিয়েই ইটোৱে সিটোৰ হাতবোৰ চাওঁ,— কাৰ হাতত ৰং কিমান তেজী হ'ল। আমাৰ ঘৰৰ কোনেও পানী নোখোৱা সৰু পুখুৰীটোৰ পাৰলৈ গৰুবোৰ নি লাও-বেঙেনাৰ চাক গালৈ দলিয়াই ধুউৱা দেখিছিলো। গৰুক মাহ-হালধিৰেও ধুৱাইছিলো। আমাৰ ডাঙৰ পুখুৰীটোৰ পানী ওচৰ-চুবুৰীয়াইয়ো খাইছিল কাৰণে সেই পুখুৰীৰ পাৰত গৰু নুধুৱাইছিল। পুখুৰীটোৰ পানী পৰিষ্কাৰ কৰি ৰাখিবৰ কাৰণে পানীত পটাছ, ফিটকিৰি, চূণ এইবোৰ দি থকা নিয়ম আছিল।

গৰুবিহুৰ দিনা, মানে সংক্ৰান্তিৰ দিনা দেউতাই গোসাঁই ঘৰত ভোৰতাল বজাই প্ৰসংগ কৰে, নাম গায়। শৰাই কেইখনিও মায়ে সজাই দিয়ে। কি সুন্দৰ সেই নামবোৰ! ধূপ-ধূনাঁৰ গোন্ধত, নামৰ সুৰত উৰুলীকৃত হৈ আমিও গৈ ওচৰতে ঢৰা পাৰি বহোঁ আৰু নাম গাওঁ। এজন-দুজনকৈ সম্বন্ধীয় মানুহ, মেটেকাত থকা মোৰ নিজৰ মামা শ্ৰীদেবেন্দ্ৰ নাথ বৰদলৈ, শ্ৰীমহেশ বৰদলৈও আহি গোট খায়। তাৰ পাছত বহুত মানুহৰ লগত ডাঙৰ মজিয়াখনত পীৰাত বহি আমি বিহু গাওঁ। মাজতে দেউতা বহে। চিৰা-সান্দহ, আখৈ, মুড়ি, দৈ, পৰমান্ন, বিবিধ পিঠা, লাড়ু, মিঠাই ভাগে ভাগে সজাই দিয়ে। লগতে নিমখীয়া আহাৰ হিচাপে লুচি, বুটৰ দাইল, তৰকাৰি আৰু টক। খোৱাৰ আগতে আমি দেউতা-মাক সেৱা কৰোঁ। মায়ে সেইদিনা সকলোকে থুৰিওৱা তামোল আৰু পাণ-মছলা দিয়ে, দেউতাক সেৱা কৰে। দেউতাই মাক বিহুত সদায় কেতেকী ফুল উপহাৰ দিয়াও দেখিছিলো।

আমৰ মল, নিমপাত, মচুৰ দাইল আৰু কিবাকিবি মিহলাই তৈয়াৰ কৰা সৰ্বৌষধি সংক্ৰান্তিৰ দিনা নাওৰাৰ তলত চাম্‌ৰ পীৰাত বহুৱাই মায়ে আমাক খুৱায়। কি ব্ৰহ্ম তিতা সেই ঔষধ! আবেলিতে ঘৰবোৰত মন্ত্ৰ লিখা নাহৰ পাত গোঁজাও হয়। বতাহ-বৰষুণত ভাগি নপৰা পকা ঘৰ যদিও নাহৰ পাত গোঁজা নিয়মটো আছিলেই। নাহৰ পাতত লিখা মন্ত্ৰটো হ'ল—

"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ
বাত বৃষ্টি হৰং দেৱ মহাদেৱ নমঃস্তুতে।।"

গধূলিৰ লগে-লগে গৰুৰ কাৰণে যাগ দিয়াও নিয়ম। গৰুক আমি পিঠাও খুৱাইছিলো। গৰু চাকৰ মাহ-হালধিৰে মানুহ বিহুৰ দিনা আমাৰ গা ধোৱা নিয়ম।

চুলিত দিয়া হৈছিল মাটিমাহ বটা আৰু ঔটেঙাৰ বীজ। ইয়াৰ পাছতে মায়ে নিজে বোৱা গামোচা শৰাইত দি দেউতাক সেৱা কৰা দেখিছিলো।

সংক্ৰান্তিৰ দিনা আবেলিৰপৰাই হুঁচৰি অহা দেখিছিলো। পাঁচ-ছয়োৰাকৈ প্ৰতি ৰাতি হুঁচৰি আহে। আবেলি আহে হাতত টকা বজাই সৰু-সৰু ল'ৰা-ছোৱালীবোৰ ওচৰৰ গাঁৱৰপৰা। ৰাতি আহে ডাঙৰ-ডাঙৰ হুঁচৰি দলবোৰ। আমি শোওঁগৈহে, আকৌ উঠিবৰে হয়। হুঁচৰি গোৱা মানুহ গ'লে বিছনাত পৰোঁগৈহে, আকৌ পদূলিত শুনোৰেই ঢোলৰ মাত— "কৃষ্ণাইৰ মূৰৰে বকুল ফুল এপাহি, নিয়ৰ পাই মুকলি হ'ল ঐ গোৱিন্দাই ৰাম।" হুঁচৰি গোৱা মানুহ আহিলে আমাক বিছনাত থাকিবলৈ দিয়া নহয়; হুঁচৰি চাবই লাগিব আৰু তামোল-পাণ, টকা দি সেৱা কৰি হুঁচৰি গোৱা ৰাইজৰ আশীৰ্বাদ ঘৰে-ঘৰোৱাহে ল'বই লাগিব। মই পাঁচ-ছবছৰীয়ামান থাকোঁতে এৰাতি যিহে হৈছিল! মোক পাকঘৰত পীৰাত বহুৱাই মায়ে ভাত খুৱাই আছিল। তেনেতে আহিল হুঁচৰি। মায়ে মোক ভাত খুৱাবলৈ এৰি হুঁচৰি আদৰিবলৈ আথে-বেথে ওলাই আহিল। কিছু সময়ৰ পাছত ঘূৰি আহি দেখে ছোৱালী পীৰাত নাই, ক'লৈ গ'ল, হুলস্থূল লাগিল। কেইবাটাও কোঠাৰে আমাৰ ঘৰখন বৰ প্ৰকাণ্ড আছিল। গোটেই ঘৰ বিচাৰি চলাথ কৰিও নাপাই ঘৰখন আতংকগ্ৰস্ত হ'ল। শেষত কোনোবাই মোক আৱিষ্কাৰ কৰিলেগৈ হুঁচৰিৰ দলৰ মাজত; ভাত খোৱা মুখেৰেই নাচনিৰ মাজত সোমাই নাচি থকা অৱস্থাত। তেতিয়া নাচনি সাজিছিল ল'ৰাইহে। হাতত থাল ঘূৰাই-ঘূৰাই, কঁকাল ভাঙি নচা কি সুন্দৰ নাচ সেইবোৰ! সেই মৌ-মিঠা দিনবোৰ যদি সদায় থাকিলহেঁতেন! কপৌ ফুলৰ অকণি-অকণি পাহিবোৰৰ দৰেই সেই অকণি কালৰ দিনবোৰৰ স্নিগ্ধ-সৌৰভ মনৰ মাজত আলফুলে সদায় আছে আৰু সদায় থাকিব।

সৰুকালি কিয়, আজিও যিটো উৎসৱৰ কথাই মনত মোৰ অপাৰ আনন্দ দিয়ে সেইটো হৈছে আমাৰ 'ন-খোৱা উৎসৱ'ৰ কথাটো। ন-খোৱা উৎসৱটো কৃষিজীৱী সমাজৰ এক মনোৰম, সুগন্ধি উৎসৱ। ন-খোৱা উৎসৱ বুলিলেই আমাৰ ঘৰৰ ৰঙা মাটিৰে মুচি থোৱা চিকুণ ভাতখোৱা মজিয়াত শাৰী-শাৰীকৈ ডাঙৰ পাচিবোৰ থোৱা হয়। তাত প্ৰায় ভৰ্তিকৈয়ে সুগন্ধি জহাচাউল দিয়া হয়। জহাচাউলৰ লগতে নিজা বাৰীৰ ফুলকবি, বন্ধাকবি, পোৱাল বেঙেনা, বৰ বেঙেনা, পালেং শাক, চুকা শাক, ধনিয়া শাক, বিলাহী, আলু আদি পাচিত সজোৱা হয়। লগতে দিয়া হয় বুটদাইলো। লগে লগে থোৱা হয় বটল ভৰা গৰু ঘিউ আৰু মিঠাতেল আৰু কাষে কাষে থোৱা হয় একো-একোটা ডাঙৰ শ'লমাছ বা অন্য ভাল মাছ। এই পাচিবোৰ নি লগুৱা-লিকচৌৱে মানুহৰ ঘৰে-ঘৰে ন-খোৱাৰ কাৰণে দিয়েগৈ। যিসকল মানুহে আমাৰ পাগত নাখায়, তেখেতসকলৰ কাৰণে এই ব্যৱস্থা। যিসকলে আমাৰ মাৰ হাতে খায়

তেওঁবিলাকক ৰাতিৰ ভোজলৈ নিমন্ত্ৰণ কৰি অহা হয়।

এই কথাটো উল্লেখ কৰি থোৱাটো ভাল হ'ব যে সেই সময়ত প্ৰতিঘৰ মানুহে নতুন শইচ শিৱসাগৰৰ দৌলত বা নামঘৰত লগাইহে মানুহে খোৱা নিয়ম আছিল। এইবোৰ বৰ সুন্দৰ নিয়ম। ন-খাবলৈ ইঘৰ-সিঘৰলৈ মাতিলে কি খাওঁ সেয়া ডাঙৰ কথা নহয়, কিন্তু উদুলি-মুদুলিটো বৰ ভাল লাগিছিল। তেনেকৈ ভাল লাগে গোপিনী সবাহো। ঘৰত আইসকল ওলালে আই মাননি স্বৰূপে গোপিনীসকলে আইনাম গায়। কি স্নিগ্ধ সুৰ! কি কাতৰ কাকুতি নামবোৰত!

মোৰ সাত বছৰমান বয়সত ঘৰত বৰসবাহ হৈছিল। মোৰ ডাঙৰ ভাইটো হ'বৰ কাৰণে মা-দেউতাই বৰসবাহ পাতিম বুলি আগ কৰিছিল। কি ডাঙৰকৈ পতা হৈছিল সেই বৰসবাহ! কিমান মাইকী মানুহ লাগি-ভাগি কোমল চাউল বহোৱা, শুকুউৱা, বনাৰ কাম কিমান দিনৰপৰা যে কৰিছিল! দৈ, নাৰিকলৰ লাড়ু, কল, কুঁহিয়াৰ আদিৰে চৌদিশ উপচি গৈছিল। গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, জাঁজী, মেটেকা, শিমলুগুৰি, চণ্টক, নাজিৰা, সোণাৰি, ভজোৰপৰা জাক-জাক আলহী আহি আমাৰ ঘৰৰ নতুনকৈ কৰি দিয়া ঢলা বিছনাবোৰত শুইছিল। থুকুবিল সত্ৰৰ ওজাপালি আহিছিল। গোসাঁইজনাই (ডিম্বেশ্বৰ মহন্ত) কি যে সুন্দৰ ওজা হৈ নাচিছিল! — বেলেগ ধৰণৰ ভাওনাৰ সাজপাৰ পিন্ধি মূৰত পাগুৰি মাৰি লৈছিল। ৰাতি পুৱাই গৈছিল নামে-কীৰ্তনেৰে। নিমন্ত্ৰিত মানুহেৰে লোকাৰণ্য হৈছিল। তাৰ পাছত 'অন্নদান পৰ্ব'। মানে ডাঙৰ ভোজ। পেট্ৰমাক্সৰ পোঁহৰেৰে আলোকিত সেই উৎসৱমুখৰ দিন-ৰাতিৰ কথা জীৱনত পাহৰিব নোৱাৰোঁ।

কেতিয়াবা চাইকেলৰ সন্মুখত গাৰু এটা বান্ধি, তাতে মোক তুলি দেউতাই আবেলি বা সন্ধিয়াৰ আগে আগে ফুৰাবলৈ নিছিল দৰিকা নৈৰ পিনে। গাড়ী-মটৰ নথকা আলিয়েদি যাওঁতে দূৰৰ দিগন্তত নীলা আকাশখন দেখা, শিমলু গছৰপৰা জাক-জাক বগলী উৰা মৰা দৃশ্য চকুৰ আগতে যেন আছে। দেউতাই সৰুতে মটৰ ধৰি আমাক ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ দেখুৱাবলৈ নিছিল আৰু ৰজা-ৰাণীৰ কথাবোৰ কৈছিল। বিস্ময়ত মই থৰ লাগিছিলো। অন্য সময়ত ভৰি-হাত ধুৱাই, জোতা-মোজা পিন্ধাই মাণিক আৰু ক'লীয়া নামৰ দুটা ল'ৰাই আমাক বৰপুখুৰী পাৰত ফুৰাবলৈ নিছিল। আমাৰ ঘৰত প্ৰতি বছৰে হোৱা লক্ষ্মীপূজাৰ দিনা ৰাতি পূজা, হোমৰ পাছত মানুহক খুউৱা-বুউৱা শেষ হ'লে আমি গোটেই ঘৰৰ মানুহখিনিয়ে পূৰ্ণিমাৰ জোনাক উপভোগ কৰিবৰ কাৰণে ৰাতি এক-দুই বজাত বৰপুখুৰী পাৰলৈ ফুৰিবলৈ গৈছিলো। সেই জীৱন্ত জীৱন কি মাদকতাপূৰ্ণ আছিল! দীপান্বিতাৰ ৰাতি কিন্তু আমি চাকি-বন্তি জ্বলাই, কড়ি আদি খেলি সদায় ঘৰতহে থকা নিয়ম আছিল। সেইদিনা লক্ষ্মীয়ে হেনো মানুহৰ

ঘৰত পদাৰ্পণ কৰে। অন্ধকাৰ দেখিলে আশীৰ্বাদ নিদিয়ে। বৰমাই এই সংক্ৰান্তত কোৱা কাহিনী এটা সদায় মনত থাকে।*

ফাকুৱা উৎসৱো এটা ডাঙৰ উৎসৱ আছিল। ককাদেউতাহঁতৰ দিনত বোকাখাতৰ আমাৰ পুৰণি ঘৰত হেনো ফাকুৱা পূজা পাতি ফাকুৱা উৎসৱ কৰা হৈছিল। শিৱসাগৰৰ ঘৰত সেই নিয়ম কৰা আৰু নহ'ল। লক্ষ্মীপূজাভাগেই যি পৰম্পৰাগত বৈদিক নিয়মৰ পূজা, যি আজিও আমাৰ ঘৰত পালন কৰা হৈ আহিছে। ককাৰ শ্ৰাদ্ধ কাতি মাহত লক্ষ্মীপূজাৰ পাছতে পৰিছিল।

সেই সৰুৰেপৰা দেখা সেই অনুপম লক্ষ্মীপূজা! স্নিগ্ধ শৰতকালৰ অপৰূপ সৌন্দৰ্য আৰু অপৰূপ সেই পূজা। সেউজীয়া দুবৰি বনত সৰি-সৰি পৰা নিয়ৰৰ শুকুলা টোপাল, আকাশত শুকুলা মেঘ, পাতল কুঁৱলী, শুক্লপক্ষৰ ৰূপোৱালী জোনাক, পৰ্টিকটোত উপচি ফুলা বগা গুৱামালী ফুল, চকুৰ আগতে ঘনে-ঘনে ৰূপ সলোৱা স্থলপদ্ম,— কি যে জোনাক-জোনাক শিহৰণ চৌদিশে!

বৰমা, মাহঁতে দুৰ্গাপূজাৰ কেইদিনৰপৰাই 'লক্ষ্মীপূজা'ৰ কাৰণে খদমদম লগায়। দেউতাই প্ৰতিমাৰ অৰ্ডাৰ দিয়ে, বাৰী-ঘৰ চিকুণাবলৈ মানুহ লগায়, বাৰীৰ বাঁহ কটাই জেওৰা দিয়ায় (কেঁচা বাঁহ কটাৰ, কেএৰাবন চিকুণোৱাৰ কি সেই ফুৰফুৰীয়া গোন্ধ!), পূজাৰ হোমৰ কাৰণে আমৰ ডালি কটায়, দিচাংমুখৰ পিনে দৈৰ কলহৰ অৰ্ডাৰ দিয়ে। মা-বৰমাহঁতে ৰাতিতে উঠি চিৰা ঢেঁকী দিয়ে, আখৈ ভাজে, ডলাই-ডলাই আখৈ বাছে, পঁচিছ-ত্ৰিছটা নাৰিকলৰ লাড়ু কৰে। তিলপিঠা ভাজে। এইবোৰ বস্তু ধুতিয়ে-ধুতিয়ে

---

* *এসময়ত এখন ৰাজ্যত ৰজা-ৰাণীৰ ডাঙৰ সোণৰ হাৰ এডাল হেৰাল। কাউৰী এজনীয়ে ক'ৰবাত পাই আনি দুখীয়া বুঢ়ী এজনীৰ ঘৰৰ চালত থ'লেহি— বুঢ়ীয়ে দেখা পাই ৰজাক গৈ ভেটিলত ৰজাই অতি আনন্দিত হৈ বুঢ়ীক কি লাগে সুধিলে। বুঢ়ীয়ে ক'লে যে মোক অন্য একো নালাগে, মাত্ৰ এটা কথা ৰজাই আদেশ দিব লাগে যে দীপান্বিতাৰ দিনা কেৱল বুঢ়ীৰ ঘৰৰ বাহিৰে আন কাৰো ঘৰত যেন চাকি-বন্তি জ্বলিব নোৱাৰে। ৰজাই সেয়ে হ'ব বুলি কথা দিলে আৰু ঢোল পিটি সেই কথা ৰাজ্যত জনাই দিলে। দীপান্বিতাৰ দিনা বুঢ়ীয়ে চোতাল-ঘৰ মুচি অমিতা ফালি, তাৰে চাকি কৰি পদূলিৰেপৰা নিজৰ শোৱাকোঠালৈকে এটা এটা কৰি জ্বলাই দিলে। শোৱাকোঠাত তামুলী পীৰা এখন পাৰি তাতে ঘট, আমপাত সেন্দুৰেৰে সজাই ফুল, ধূপ-ধুনা-চাকি দি থৈ বুঢ়ীয়ে লক্ষ্মীৰ স্তুতি কৰি থাকিল। মাজৰাতি এগৰাকী অপৰূপা নাৰী বুঢ়ীৰ ঘৰলৈ আহিল আৰু খাবলৈ বুলি পানী বিচাৰিলে। বুঢ়ীয়ে ঘৰত থকা মাটিৰ কলহত পানী থোৱা নাছিল। পানী বিচৰাত বুঢ়ীয়ে ক'লে— আপুনি খন্তেক বহক, মই পানী লৈ আহোঁ। মই উভতি নহালৈকে কেনিও নাযাব। নাৰীগৰাকীয়ে "ক'লৈকো নাযাওঁ" বুলি কথা দি তাতে বহাত বুঢ়ী নৈলৈ পানী আনিবলৈ গৈ আৰু ঘূৰি নাহিল। নৈতে জাঁপ দিলে। নাৰী ৰূপত অহা লক্ষ্মীও সেই ঘৰতে বন্দী হ'ল। কোটিপতিৰ ঘৰ হেনো এনেকৈয়ে আৰম্ভ হ'ল।*

গোসাঁইঘৰৰ খোলাত ভাজি গোসাঁইলৈ বেলেগে আঁতৰায়ো থয় গোসাঁইঘৰৰ ডাঙৰ মিটছেফটোত। পূজাৰ দিনা গোসাঁইৰ ঘৰৰ তামৰ পুষ্প পাত্ৰ, বানকাঁহী, শৰাই ধোৱাকে আদি কৰি তাম আৰু কাঁহৰ বাচন ধোৱা, দুৱাৰে-দুৱাৰে আমডালি আঁৰা, ৰাতিৰ কাৰণে এশ-ডেৰশ মাটিৰ চাকি শলিতাৰে সজোৱা কামবোৰ আমি কৰিছিলো। দেউতাই ঘৰে-ঘৰে গৈ মানুহ নিমন্ত্ৰণ কৰি আহিছিল। সন্ধিয়াতে পলাশ গছৰ ওপৰেদি ডাঙৰকৈ পূৰ্ণিমাৰ জোনটো ওলায়। পদুলিত কলপুলি, আমডালি, ঘৃত প্ৰদীপ, ধূপ-ধূনাৰ সুগন্ধ। পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণ, উৰুলীৰ জাউৰি, নাম-গুণ। নিমন্ত্ৰিত অতিথিও অগণন; লুচি-তৰকাৰি, দৈ, চিৰা, মিঠাই, পিঠা-পনা, লাডু-পৰমান্নৰে অতিথিসকলক আপ্যায়ন কৰা হয়। এই পূজাত আঢ়ৈশ-তিনিশমান মানুহ হয়। কি অপূৰ্ব এই নিশাটো!

আমি কিছু ডাঙৰ হোৱাৰপৰা আৰু ঘৰত তিনিটা ভাই—সোণ (নৱজ্যোতি বৰদলৈ), টুটু (ধ্ৰুৱজ্যোতি বৰদলৈ) আৰু মুনু (প্ৰদীপ বৰদলৈ) জন্ম হোৱাৰ পাছত দেউতাই আমাৰ হতুৱাই কাতি মাহত 'ভ্ৰাতৃ দ্বিতীয়া' উৎসৱ পালন কৰাইছিল। ৰাতিপুৱাই মন্ত্ৰ মাতি-মাতি, ভাইকেইটাক আৰৈ চাউল, দূৰ্বাৰে গা ধুৱাই কপালত চন্দনৰ ফোট দি, দূৰ্বা-চাউল দি যমৰ দুৱাৰত কণ্টক দিয়াৰ কথাবোৰ বৰ ভাল লাগিছিল। তাৰ পাছত নতুন নানা ধৰণৰ সুস্বাদু বস্তু সিহঁতক খাবলৈ দিছিলো। এইবোৰে জীৱনক মাধুৰ্য সঁচাকৈয়ে দিয়ে।

সৰুকালত এক বিশেষ স্মৃতিয়ে মোক এতিয়াও অতি আনন্দ দিয়ে। এনে অভিজ্ঞতা আনৰ হৈছেনে বাৰু!

মই নামঘৰৰ কথা কওঁতে কৈছোঁৱেই যে আমাৰ সম্বন্ধীয়া জেঠাই, বৰবৌ, আইতা আদিৰ দুই-এগৰাকীহে সাক্ষৰ আছিল, বাকী মহিলাসকলৰ বেছিভাগেই আছিল শিক্ষাৰ সুযোগ নোপোৱা নিৰক্ষৰ। আনহাতেদি ৰামায়ণ, মহাভাৰতত নো কি লিখা আছে সেই কথা জানিবলৈ তেওঁবিলাকৰ আগ্ৰহ আছিল অশেষ। বিশেষকৈ নাজিৰণী আই (লোকেশ্বৰী চাংকাকতি) কথা শিকাত বৰ আগ্ৰহী আছিল। মোৰ আঠ বছৰমান বয়সতে নাজিৰণী আয়ে মোক খাটনি ধৰিলে মহাভাৰতখন মাতি শুনাব লাগে। আটায়ে আলোচনা কৰি ঠিক কৰিলে এই মহাভাৰত মতা কামটো গধূলি সাত-আঠ বজামানৰপৰা আমাৰ ঘৰৰ বাৰাণ্ডাতে হ'ব। গণেশ মামাই পেট্ৰমাক্সটো দিব। মই, দেৱ দাদা আৰু শিৱই (ধনটিয়ে) পাল পাতি পাতি মহাভাৰত মাতিম। সেইমতেই এদিন উলহ-মালহেৰে মহাভাৰত পঢ়া কাম আৰম্ভ হ'ল। নাজিৰণী আই সন্ধিয়াতে খাই-বৈ আৰু কেইবাগৰাকী বয়সস্থ মহিলা লগত লৈ আমাৰ ঘৰলৈ আহে। তেখেতসকলেও খোৱা-বোৱা কাম শেষ কৰি আহে। ধনটি আৰু দেৱদাদা নাজিৰণী আইৰ ল'ৰা। তেওঁলোক দুজনে আমাৰ ঘৰতে আমাৰ লগতে ৰাতি ভাত খায় আৰু ৰাতি আমাৰ ঘৰৰ বিছনাতে শুই

থাকে। ৰাতি মহাভাৰত পঢ়াৰ শেষত লেম্প দেখুৱাই-দেখুৱাই আমাৰ ঘৰৰ কোনোবা লগুৱাই আইহঁতক ঘৰে ঘৰে থৈ আহেগৈ।

আমি কঠ বা পাটীতে বহি মহাভাৰত পঢ়োঁ। মাজে-মাজে আমাক ৰখাই আয়ে আৰু বৰমাই ব্যাখ্যা কৰি যায়। এনেকৈ ৰাতি বাৰমান বজালৈকে চলে। মায়ে ৰান্ধি-বাঢ়ি খুৱাই-ধুৱাই আইসকলক মাজে-মাজে লগ দিয়েহি। এনেকৈয়ে জহ যায়, জাৰ আহে, জাৰ যায়, জহ আহে। গণেশ মামায়ো মাজে-মাজে আহি সুৰ ধৰি গায়হি। আমি পুথি পঢ়া সুৰতে পঢ়িছিলো। সেই যে মহাভাৰত পঢ়িলো আজিলৈকে মনত ৰ'ল। এতিয়াহে কথাবোৰ পাহৰিবলৈ লৈছোঁ। আনহাতেদি ৰামায়ণ পঢ়িলে ঘৰখনত শোক হয় বুলি ভবা হৈছিল। কাৰণ 'জনক দুখুনী সীতা'। যি বিচ্ছেদ আৰু শোকেৰে ৰামায়ণৰ সূচনা হৈছিল, সেই বিষাদেৰেই ৰামায়ণৰ অন্ত পৰিছিল। আমাৰ সেই সময়ৰ ঘৰবোৰত কৃষ্ণৰ কাহিনী বেছি আপোন আছিল।

এনেকৈয়ে দিন বাগৰি গ'ল, বছৰ ঘূৰিল—মোৰো মিনি বাইদেউৰ স্কুলৰ শিক্ষা সমাপ্ত হ'ল। অতি মৰমৰ মোৰ সেই স্কুলখন এৰি কিছু দূৰৰ ফুলেশ্বৰী হাইস্কুলত পঢ়াৰ দিন আগবাঢ়ি আহিল।

ইতিমধ্যে মোক প্ৰথমবাৰৰ কাৰণে তাঁত এজুতি লগাই দিয়া হ'ল। তাঁত আছিল গামোচাৰ। মোৰ আকৰ্ষণ বাঢ়িবৰ কাৰণে মেজেণ্টা ৰঙৰ গামোচা ববলৈ দিয়া হৈছিল। অৰ্থাৎ দীঘ বগা, বাণি মেজেণ্টা ৰঙৰ সূতা। প্ৰথম দিনা লঘোণে-ভোকে থৈ গোসাঁইঘৰত আৰু তাঁতৰ ওচৰত ঠাই-ঠুই মুচি কলপাতেৰে ঢকা শৰাইত নৈবেদ্য দি ধূপ-ধূনা-বন্তি দি তাঁতৰ কামত চোকা কৰিবৰ কাৰণে বিহকৰমীক (বিশ্বকৰ্মা) প্ৰাৰ্থনা কৰিবলৈ বৰমাই শিকাইছিল।

সঁচাকৈয়ে বিহকৰমীয়ে (বিশ্বকৰ্মাই) মোক আশীৰ্বাদ মূৰত হাত থৈ নিশ্চয় দিছিল। মই অতি কম সময়তে, বৰ নিয়াৰিকৈ এই বিদ্যাত পাৰ্গত হৈছিলো। প্ৰথম তাঁতজুতিতে দুশ পঞ্চাছটা কাঠীৰ ফুল কেনা নলগাকৈ বাছিছিলো আৰু সেইখন গামোচা গোসাঁই থাপনাত গোসাঁইলৈ বুলি আগবঢ়াইছিলো। ক্লাছ ছিক্সত মই পাটৰ কাপোৰত ৰিহাৰ কেচ বাছিব পৰা হৈছিলো।

ক্লাছ থ্ৰিত নাম নলগাই ক্লাছ ফ'ৰত নাম লগোৱাৰ কাৰণ হ'ল ঘৰতে তৃতীয়মানত পঢ়ি থাকোঁতেই মোক ইংৰাজী শিকোৱা হৈছিল। এই ভাষাটো মই বৰ ভাল পাইছিলো আৰু সদায় ইংৰাজীত প্ৰথম হৈছিলো। অৱশ্যে স্কুলত কোনোদিন কোনো বিষয়তে মই ছেকেণ্ড হৈ পোৱা নাছিলো। অৰ্থাৎ সদায়ে সকলো বিষয়ত ফাৰ্ষ্ট হৈছিলো। আনকি স্কুলৰ দৌৰ প্ৰতিযোগিতাতো। মই খীণ আছিলো, হাত-ভৰিবোৰ দীঘল-দীঘল আছিল। খেলত অতি আগ্ৰহ আছিল। হাইস্কুললৈ গৈ হেতালি খেলিবলৈ শিকিলো।

হেতালি খেলোঁতে গোৱা আমাৰ এটা গীত আজিও মনত আছে। "ফুল ফুল ফুলটি, একটি লৱৰ দলটি, তেলটি ... পঞ্চে পাক্কা, ছয়ে ৰেখখা, সাতে সাতচল্লিচ্চা, আঠে পানীঘাটা, নএ নৱঘোঁৰা, দহে ফুলে জোৰা। এঘাৰই একটি, বাৰই জাপটি, তেলটি।।" কোনে যে লিখা, কি ভাষাৰ যে গীত এইবোৰ, তাকে গাই গাই আমি মছগুল হৈছিলো। কড়িও খেলিছিলো। কড়ি খেলত গীত নাই। গোলোকধাম বৰ আকৰ্ষণীয় আছিল। বৰ গোলাচুৰ, সৰু গোলাচুৰো ডেও দি দি দৌৰি-ঢাপৰি খেলিছিলো। কিটকিট যে ইমান প্ৰিয় আছিল বুজাব নোৱাৰোঁ। কিটকিট হৈ-গুদুৰে নামান্তৰ। ফুল লাগে নে পাত লাগে, আম লাগে নে জাম লাগে— চিন্তা নোহোৱা, ভাবনা নোহোৱা সৰুকালৰ সেই গীতিমুখৰ দিনবোৰ কি অনুপম আছিল!

সৰুকালি আমি গোৱা গীতবোৰৰ এশাৰী-দুশাৰী ৰিণিকি-ৰিণিকিকৈ মনত পৰে। তাৰ ভিতৰত পোনা ককাইদেৱে শিকোৱা আৰু গীতৰ লগে লগে আমি হালি-জালি নাচি-নাচি গোৱা গীতটো আছিল—

"হালিছে জালিছে ফুলে পৰ্বতীয়া
হালিছে জালিছে ফুল।"

আন এটা গীত আছিল—

"ৰাংঢালী পখিলি ফুল ৰেণু বিচাৰি
আহে কেনে ঠেও ধৰি ঐ।"

মা-বৰমাহঁতৰ মুখৰপৰা শিকিছিলো—

"বহাগী লুইতৰ ৰূপোৱালী পানী
বাই কি সোণৰ ভূৰ
জিলমিল পানীৰে আহিলা নামি
সপোন সখীটি মোৰ।"

আন এটা হ'ল—

"বিলত তিৰে-বিৰাই পদুমৰ পাহি ঐ
পাতত তিৰে-বিৰাই পানী।"

মাৰ মাক আইতাৰপৰা শিকিছিলো 'ওগো সুন্দৰ' আদি ৰবীন্দ্ৰ সংগীতৰ কেইশাৰীমান। অন্য বাঙালী গানৰ ভিতৰত এতিয়া কেবল মনত পৰিছে—

"আমি বন ফুল গো
ছন্দে ছন্দে দুলি আনন্দে
আমি বন ফুল গো।"

গণেশ মামায়ো বহুত গীত গাইছিল। মামাৰ মুখৰ গীত, ঘৰৰ গ্ৰাম'ফোনত বজোৱা

বিভিন্ন অসমীয়া ৰেকৰ্ডৰ গীত আৰু দেউতাৰ মুখৰ বহুতো বৰগীত তেতিয়া শিকিছিলো। 'শোণিতকুঁৱৰী' পালা শুনি-শুনি গোটেইখন পালা মুখস্থ আছিল। পৰম পূজনীয় মিত্ৰদেৱ মহন্তদেৱৰ—

"তাই মোৰ প্ৰিয়া পানেশই
যায় মোৰ মনে কেনেকৈ
কওঁতে কথা বুকুতে বেথা
লাগে কেনেকৈ"

— এই গীতটো সেই সময়ত আমিও গাই ফুৰিছিলো।

আৰু দুটামান গান গাই স্কুলৰ ষ্টেজত মই নাচিছিলো। গানকেইটা হ'ল—

(ক) "ধীৰে ধীৰে মধুৰ সুৰে
বৈ যা নদী ঐ
কোন বিদেশত আছে ৰৈ
তোৰ যে আপোন জন।"

(খ) "ৰৈ ৰৈ কেতেকী বিনাৱ
অমাতৰ মাত।"

(গ) "মাৰে মেঘৰে ছাটি..."

(ঘ) "গৰখীয়া হেৰ' গৰখীয়া,
কি সুৰ বজালি দুপৰীয়া।"

সৰুতে আমি গণেশ মামাৰ লগতেই ছাৰ্কাছ চাবলৈও গৈছিলো। তেতিয়া বছৰেকৰ মূৰত এবাৰমান একোখন ছাৰ্কাছ শিৱসাগৰলৈ আহিছিল। তাকো নিয়মিতভাৱে এবছৰৰ মূৰত নহয়। ছাৰ্কাছ আহিলে গোটেইখন তোলপাৰ লাগে। ছাৰ্কাছৰ 'শ্ব' নথকা সময়তো গাঁৱৰ মানুহে হিলদল ভাঙি গড়ালত থকা বাঘ, সিংহবোৰ চাবলৈ আহে।

ধাই আলিৰ পিনে দৰবাৰ ফিল্ডত অসম ছিলভাৰ ছাৰ্কাছ, গ্ৰেট অৰিয়েন্টেল ছাৰ্কাছ আৰু কমলা ছাৰ্কাছ আদি ছাৰ্কাছবোৰ হৈছিল। মই ছাৰ্কাছ বৰ ভাল পাইছিলো বুলি ক'ব নোৱাৰোঁ। ৰছীৰ ওপৰত চাইকেল চলোৱা, ওপৰত গৈ দুলি থকা, দুলি-দুলি ইডালৰপৰা সিডাললৈ জঁপিওৱা, ইটোৰ ওপৰত সিটো উঠা, বাকচৰ ভিতৰত ছোৱালী সুমুৱাই ছুৰী মৰা, জুইৰ মাজেদি যোৱা,— এনেবোৰ দুৰন্ত খেল দেখি আনন্দ পোৱাতকৈ বেছি ভয়হে খাইছিলো। ভয়াবহ খেল কিছুমানত মই চকু মুদি থাকোঁ। ক্লাউনটো দেখিয়েই চাগে যি অকণ ভাল পাইছিলো। মই বৰ ভাল পাইছিলো থিয়েটাৰহে। দেউতাই মোৰ মন বুজি মোক থিয়েটাৰলৈ লৈ গৈছিল। তথাপি ঘৰত যে ছাৰ্কাছৰ অনুকৰণ কৰা নাছিলো এনে নহয়। হাতৰ তলুৱাত লাঠী লৈ বেলেঞ্চ কৰাৰ খেলটো বৰ অনুকৰণ

কৰিছিলো। চাপৰতে ৰছী বান্ধি তাৰ ওপৰত খোজ কাঢ়িবলৈ গৈ ধপচ ধপচ আমি দুজনীয়ে (মই আৰু ভণ্টিয়ে) পৰিছিলো, আৰু পাৰেমানে কান্দিছিলো।

এতিয়া সেই ভয় ভাগিল। দেশ-বিদেশৰ চিনেমাত, এছিয়ান গেম্ছত, অলিম্পিক গেম্ছৰ অপূৰ্ব লীলাভংগীৰে দেখুউৱা জিমনাষ্টিক, এক্ৰেবেটিক্ছ খেলবোৰ চাই অভিভূত হওঁ। ৰাছিয়ান অপেৰাবোৰ কি মনোমোহা।

আমি প্ৰায়ে ফিল লগোৱা, লেছ লগোৱা ফ্ৰক পিন্ধিছিলো। এই ফ্ৰকবোৰ মায়েও চিলাই দিছিল আৰু কিছুমান দৰ্জীয়েও চিলাই দিছিল। আমি সৰুকালি সততে ব্যৱহাৰ কৰা চাবোন আছিল 'লাক্স'। মূৰত, মানে চুলিত ল'বলৈ দিয়া হৈছিল সুগন্ধি জবাকুসুম তেল। জবাকুসুম কেতিয়াবা নাথাকিলে লক্ষীবিলাস লৈছিলো। তেতিয়া চুলিত তেলে আঠা কৰে বুলি চিন্তা কৰা নাছিলো। চুলি ধুবলৈ সেই দিনত বজাৰৰ শ্বেম্পু নাছিল। মাটিমাহ, ঔ বীজেৰে অথবা মণিছালেৰে মূৰ ধুবলৈ দিয়া হৈছিল। চুলি কি কিচকিচীয়া, মিহি আছিল। মুখত সনা ক্ৰিম এবিধ আছিল। বোধকৰোঁ তাৰ নাম আছিল— 'মাৰ্কলাইজড ৱাক্স'। বৰ দামী ক্ৰিম। তদুপৰি হেজলিন স্নু', হিমানী স্নু' আৰু কিউটিকুৰা পাউডাৰ ঘঁহিছিলো। গাখীৰৰ সৰো ৰাতি বৰমাই মুখত সানি দিয়া মনত পৰে। গা ধোৱাৰ পাছত গাত সদায় টেলকম পাউডাৰ দিছিল। ফেচ পাউডাৰৰ ব্যৱহাৰ তেতিয়া হয়তো নাছিল বা আমি জনা নাছিলো।

ডাইনিং টেবুলত নহয়, চীনা মাটিৰ বাচনত নহয়, মাটিত পীৰা পাৰি বহি আমি অতি সুন্দৰ ফুলবছা কাঁহৰ কাঁহী-বাটিত বিধে-বিধে ৰন্ধা বৰ জুতি লগা আহাৰ প্ৰতিদিনে খাইছিলো। ভোগজহা বা বালাম চাউলৰ ভাত— ঘৰৰ ধানৰ। সুগন্ধই মলমলাই থাকে। তাতে ম'হৰ ঘিউ, গৰুৰ ঘিউ দি ৰন্ধা, মছলা-পিঁয়াজেৰে অলংকৃত থপথপীয়া বুট দাইল, ৰহৰ দাইল, নানাবিধ ভজা, তৰকাৰি, পোৰা, পাতত দিয়া, চৰচৰি, খাৰ, টেঙা আঞ্জা। পাৰ মাংস, কপৌ-হাইঠাৰ মাংস আৰু পাভ, চিতল মাছৰ ঘৰখনত বৰ আমদানি আছিল। তদুপৰি কলহে-কলহে ম'হৰ থমা দৈ। এই ভোগালী ঘৰখনৰ কথা মানুহৰ এতিয়াও মুখে-মুখে। ঘৰলৈ আলহী আহিলেই গোটেই ঘৰখনে দেৱতা দেখাদি দেখে। ঘৰত প্ৰস্তুত কৰা চিৰা, আখৈ, মুড়ি, সান্দহ, নানাবিধ পিঠা-পনা সদায় ভৰি থাকিছিল। ঘৰত ৰমকজমক হৈ সেই কাৰণেই চাগে সদায় আলহী থাকিছিল। দিয়া-থোৱাত কটকিনা হ'লেনো আলহী মানুহৰ ঘৰলৈ কিয় যাব।

১৯৪২ চনৰ কথা। তেতিয়া যুদ্ধৰ দিন আছিল। সত্যাগ্ৰহ আন্দোলনো দেশজুৰি হৈ আছিল। আমাৰ ঘৰৰ আগেদি যুদ্ধৰ কনভয় যোৱা দেখোঁ। আমি আঙুলিৰে V দেখুৱাওঁ। তেতিয়া সিহঁতে বিস্কুট, মাখনৰ টিন দলিয়াই দিয়ে। আমি পিছে একো লোৱা নাছিলো। এনেয়ে V for victory wish কৰিছিলো। যিহেতু সিহঁত আমাৰ মিত্ৰ

বাহিনী আছিল। সত্যাগ্ৰহীবোৰ ফুলৰ মালা পিন্ধি আমাৰ ঘৰৰ আগেদি কাচাৰীলৈ যায়। পিছে-পিছে শোভাযাত্ৰা কৰি মানুহবোৰ যায়। এওঁবিলাক গান্ধীৰ সেৱক দেশভক্ত। "বন্দে মাতৰম" ধ্বনি তেওঁলোকৰ মুখত। আমাৰ শৰীৰ-মন ৰোমাঞ্চিত হয়। ঘৰতো অনবৰত এইবোৰ কথাই শুনো। মই চোতালত মূঢ়াত উঠি বক্তৃতা দিওঁ আৰু পদ্য লিখোঁ। মোৰ প্ৰথম কবিতাটোৰ নামেই আছিল 'মন্দিৰ'। দেশ এক মন্দিৰ। বিদেশীয়ে আহি মন্দিৰৰ দেৱতাক লৈ গৈ মাটিত পেলাই দিছে। আমি বিদেশী খেদাই দেশ ৰাখিব লাগে। তেতিয়াৰ— এয়ে আছিল মনৰ ভাব।

সেই সময়ত মই আছিলো ক্লাছ ফ'ৰৰ ছাত্ৰী। প্ৰথম কবিতা লিখাৰ দিনটো আজিও সুন্দৰকৈ মোৰ মনত আছে। ৰ'দে-বৰষুণে জিলমিলকৈ থকা এটা আবেলি। পঢ়া কোঠাৰ কাষৰ হাচনাহানাজোপাৰ বগা ফুলবোৰৰ জকমকাই আছিল। মই খিৰিকীত উঠি খিৰিকীৰ ৰেলিং এডালত ধৰি দুলি আছিলো। দোলনিৰ লগে-লগে মোৰ মনলৈ ছন্দ আহিছিল। ছন্দই-ছন্দই কথাবোৰ মিলি-মিলি যায়— কি যে ভাল লগা এই আখৰ মিলোৱা কামটো! চাওঁতে-চাওঁতে এটা অৰ্থ থকা পদ্য মুখে-মুখে হ'ল। মই লৰালৰিকৈ নামি কাগজ এখনত লিখি পেলালো আৰু আনন্দৰ আতিশয্যত দেউতাৰ ওচৰ পালোগৈ। দেউতা দেখোন তেতিয়া কোঠাৰ মাজত থকা ডাঙৰ পালেং এখনত শুই আছে। মায়ে কাষতে বহি কঁকালত কিবা মালিচ কৰি আছে। দেউতাৰ অসুখ দেখি মোৰ শোকে খুন্দা মাৰি ধৰিলে যদিও হাতত কাগজখন দেখি দেউতাই কাষলৈ মতাত চুচুক-চামাককৈ কাগজখন দিলোগৈ। পঢ়ি চাই দেউতাই যেন তভক মাৰিলে। "মোৰ মাজনীয়ে লিখিছে নেকি এইটো কবিতা? কি সুন্দৰ হৈছে, শুনা শুনা।" দেউতাই বৰমা, মা দুয়োৰে আগত কবিতাটো ডাঙৰকৈ মাতি শুনালে আৰু আনন্দৰ আৱেগতে মৰম কৰি মূৰত হাত ফুৰাই আশীৰ্বাদ দিলে— "মোৰ মাজনী আগলৈ 'সৰোজিনী নাইডু' হ'ব।"

সেই যে কবিতাই লগ ল'লে আৰু এৰি নিদিলে— ৰাতিয়ে-দিনে ছন্দৰ খেলা, ৰাতিয়ে-দিনে কবিতা লেখাৰ আনন্দ। পঢ়াৰ সময়তো ৰাতিপুৱা-গধূলি লুকাই-লুকাই কবিতা লিখা চলিল। প্ৰকৃতিৰ যিকেনো সুন্দৰ বস্তুৰ প্ৰতি তীব্ৰ আকৰ্ষণ অনুভৱ কৰিছিলো তেতিয়া। অনুভৱ কৰিলো আকৰ্ষণ দেশৰ প্ৰতিও। মোৰ মানুহজনীৰ ভিতৰৰপৰা ময়েই চিনি নোপোৱা বেলেগ এজনী মানুহ যেন ওলাই অহিছিল।

ইজি চেয়াৰখনত বহি দেউতাই সময় পালেই খুব কিতাপ আৰু ইংৰাজী কাকত পঢ়িছিল। সেই ক্লাছ ফ'ৰতে দেউতাৰ লাইব্ৰেৰিৰ কিতাপৰ প্ৰতি আৰু দেউতাৰ হোমিঅ'পেথিক চিকিৎসাৰ (দেউতাই ওচৰ-চুবুৰীয়া মানুহখিনিৰ উপকাৰৰ কাৰণে বিনামূলীয়াকৈ চিকিৎসা কৰিছিল) প্ৰতিও মোৰ আকৰ্ষণ তীব্ৰ হৈছিল। চাৰি বছৰমান বয়সৰপৰা পোনা ককাইদেৱে গান শিকোৱাৰ দৰে সাত বছৰমান বয়সৰপৰা দেউতাই

কৰা হোমিঅ'পেথিক চিকিৎসাত মই অংশ লৈছিলো আৰু বৰ আগ্ৰহেৰে প্ৰতিটো কথা লক্ষ্য কৰিছিলো ঃ দেউতাই কেনেকৈ ৰোগীক তন্ন-তন্নকৈ কথাবোৰ সোধে, নিৰীক্ষণ কৰে, ঔষধ দিবৰ সময়ত যথেষ্ট চিন্তা কৰি মনোযোগেৰে ঔষধ দিয়ে, কেনেকৈ ৰোগীৰ লগত একাত্ম হৈ পৰে, ৰোগটো ভাল নকৰালৈকে ক্লান্ত নহয়— সেই কথাবোৰ। দেউতাৰ এক আলমাৰি হৈ থকা হোমিঅ'পেথিক চিকিৎসাৰ কিতাপবোৰৰ কি সোৱাদ পাইছিলো নাজানো, সৰুৰেপৰাই সেইবোৰ উধৰপৰা মূধলৈ পঢ়িবলৈ চেষ্টা কৰিছিলো। এবাৰ দেউতা নাথাকোঁতে ওচৰৰে বৰদেউতা টংকেশ্বৰ ঠাকুৰ বোৱাৰীয়েক অৰুণা নবৌৰ কঠিন ডিছেণ্ট্ৰি আৰম্ভ হোৱাত আতুৰ হৈ আমাৰ ঘৰলৈ আহিল। দেউতা নথকাত মোকেই দৰৱ দিবলৈ ক'লে। মোক বিশ্বাস কৰি মোৰপৰাই দৰৱ নি চাৰি পালি খুৱালতে নবৌৰ ডিছেণ্ট্ৰি ভাল হ'ল বুলি আবেলি আহি বৰদেউতাই কৈছিলহি আৰু মোক বৰকৈ প্ৰশংসা কৰিলে। মোক এইক্ষেত্ৰত ফ্লোৰেন্স নাইটিংগেলৰ জীৱনৰ আদৰ্শই বৰ প্ৰভাৱান্বিত কৰিছিল। মই এতিয়াও এইটো কথা অন্তৰৰপৰা উপলব্ধি কৰোঁ যে সৰু ল'ৰা-ছোৱালীক বৰ ভাল জীৱনী সৰুতেই পঢ়িবলৈ দিব লাগে। এখন কিতাপৰ নাম এই প্ৰসংগত মই উল্লেখ কৰিবই লাগিব। সেই কিতাপখন হৈছে— 'নাৰীৰত্ন' নামৰ কাশীনাথ বৰ্মনে লিখা এখন কিতাপ। দেউতাই এইখন কিতাপ মোক তৃতীয় মানত থাকোঁতেই দিছিল। মই শিৱসাগৰৰ ঘৰখনৰ কোনখিনিত কোনখন চকীত বহি এই কিতাপখন পানী পিয়াদি পিছিলো মোৰ এতিয়াও মনত আছে। সেই কিতাপৰ প্ৰতিগৰাকী মহীয়সী নাৰীৰ চৰিত্ৰই সেই বয়সতে মোৰ মনত গভীৰ সাঁচ বহুৱাইছিল। দয়া, ক্ষমা, ত্যাগৰ আদৰ্শ কেনে হ'ব পাৰে সেই কথা জানি মই আপ্লুত হৈছিলো। মই কিজানি তেনে নাৰী হ'বলৈ ভিতৰি-ভিতৰি সংকল্প লৈছিলো। কিতাপখনত থকা প্ৰতিভা দেৱীৰ শান্ত, ঈষৎ হাঁহিৰ ছবিখনে মোক বৰ আকৰ্ষিত কৰিছিল। মই লেখকজনক মোৰ অকুণ্ঠ শ্ৰদ্ধা এইখিনিতে জনাই গ'লো। স্বপ্ন, কল্পনা আৰু আদৰ্শ এনেবোৰ কাহিনী পঢ়া বা শুনাৰ মাজেদিয়ে অংকুৰিত হয়। মানুহে প্ৰশংসা কৰিলেও অসীম প্ৰেৰণা আহে। মোক আটায়ে শলাগোঁতে-শলাগোঁতে এনে হৈছিল যে এনে শলাগ মই জীৱনৰ প্ৰতিটো কামত পাবই লাগিব বুলি মোৰ মনক মই হয়তো নিজেই সাজু কৰিছিলো। মই ভালৰো ভাল হ'ম, এটা বিন্দু মোৰপৰা বেয়া হ'ব নোৱাৰে; এই সকলো ভাল আদৰ্শই মোৰ মাজত যেন ঠাই বিচাৰিছিল। তেতিয়া গানৰ কাৰণেও বহুত মেডেল, পুৰস্কাৰ আদি পাইছিলো। পোনা ককাইদেৱে চাৰি-পাঁচ বছৰতে, মাত্ৰ তিনিমাহমান মোক গান শিকাইছিল। প্ৰতিটো গান মই হাৰমনিয়ামৰ লগত নিজেই বজাব পাৰিছিলো আৰু সভা-সমিতিত গোৱাৰ উপৰিও প্ৰতিযোগিতাতো গাইছিলো। "ৰাম পৰম ধন চিন্তহু মন ভাই" নামৰ গৌৰী ৰাগৰ বৰগীতটো মানুহৰ বাৰম্বাৰ অনুৰোধত মইপ্ৰায়ে গাব লগা হৈছিল। লগতে 'শোণিতকুঁৱৰী'

পালাৰপৰা শিকা "মোৰে জীৱনৰে সখা কৃষ্ণ" গীতটো। ইয়াৰ বাহিৰেও থিয়েটাৰৰ মাজৰ গানবিলাকো শিকিছিলো। দেউতা-মাইতৰ লগত শিৱসাগৰ নাট্যমন্দিৰত হোৱা থিয়েটাৰ চাবলৈ গৈ শিকিছিলো। তাৰ মাজৰ "বনমালী গোপাল হেৰা নন্দ দুলাল" গানটো আজিও মনত আছে।

ক্লাছ ফ'ৰত পঢ়িবলৈ লওঁতেই অসমৰ ভিতৰত প্ৰথম হৈ মই বৃত্তি পোৱা খবৰটো আহিল। ফুলেশ্বৰী স্কুলৰ গোটেইবোৰ বাইদেউ আৰু ছাত্ৰক আমাৰ শিৱসাগৰৰ দ'লমুখৰ সকলোতকৈ ভাল হোটেলৰপৰা অনাই পৰঠা আৰু কণী-আলুৰ দম, মিঠাই স্কুলতেই এদিন আবেলি দেউতাই খুৱাইছিল। মোকো লগত নি বাইদেউসকলে খুউৱা মনত পৰে।

মই ক্লাছ ফ'ৰত নাম লগোৱাত ভণ্টিয়েও মোৰ লগতে হাইস্কুলত পঢ়িবলৈ ইচ্ছা কৰাত তাইকো ক্লাছ থ্রিত নাম লগাই দিয়া হৈছিল। বগাত ৰঙা ফুট-ফুট দিয়া মিহি খাদী কাপোৰৰ হাত-দীঘল ফ্ৰক পিন্ধি দুয়োজনীয়ে জাৰকালি স্কুললৈ যোৱা মনত পৰে। ফুলেশ্বৰী স্কুললৈ প্ৰথম গৈছিলো দীন মামাৰ ঘৰৰ ৰাণী বাইদেউৰ লগত।

মই ক্লাছ ফ'ৰত পঢ়োঁতে হৰেশ চন্দ্ৰ বৰদলৈ নামৰ দেউতাৰ সম্বন্ধীয়া নাতি এজন বোকাখাতৰপৰা আহি আমাৰ ঘৰত থাকি বেজবৰুৱা স্কুলৰ ক্লাছ ছেভেনত নাম লগাইছিল। আগফালৰ আলহী শোৱা ৰুমটোৱেই হৰেশৰ ৰুম হৈছিল। বিছনাৰ একাষত দেউতাই পঢ়িবলৈ টেবুল, চকী ধুনীয়াকৈ পাৰি দিছিল। হৰেশ পঢ়াত যেনেকৈ অতি চোকা আছিল কাম-কাজবোৰতো আগৰণুৱা আছিল। সৰুতেই হৰেশৰ মাক ঢুকাইছিল। বৰমাক 'বৰ আই' আৰু মাক 'সৰু আই' বুলি হৰেশে মাতিছিল। সকলোতকৈ আমোদজনক কথা যে ভণ্টি আৰু মোক হৰেশে পেহী বুলিছিল আৰু আমাৰ অকণ-অকণ ভাইকেইটাক দাইটি বুলিছিল। আমাৰ এই কথাটো বৰ আখজা লাগিছিল। কিন্তু হৰেশে নুশুনিছিল। যাৰ যি সম্বন্ধ সেইটো ধৰি মাতিবই।

হৰেশে সদায় চুৰিয়া-কামিজ পিন্ধি স্কুললৈ গৈছিল। আমি স্কুলৰপৰা আহি একেলগে বহি 'আবেলি ভাত' খাইছিলো। আবেলি ভাত খাওঁতে কোনে কিমান জলকীয়া খাব পাৰে তাৰ প্ৰতিযোগিতা হৈছিল। হৰেশে যদি পাঁচটা কণ জলকীয়া খায়, মই সেই এমুঠি ভাততে সাতটা কণ জলকীয়া খাইছিলোঁ। হৰেশ সকলো বিষয়তে বৰ চোকা আছিল। মোক সেই সৰুৰেপৰাই হৰেশে সংস্কৃতত কথা ক'বলৈ শিকাইছিল। হৰেশে মেট্ৰিকুলেশ্যনত কলিকতা বিশ্ববিদ্যালয়ত একাদশ নে তেনেকুৱাই অতি উচ্চ স্থান পাইছিল। ইমান চোকা ল'ৰাটো নিশ্চয় আই. এ. এছ. পৰ্যায়লৈ যাব লাগিছিল। কিন্তু তেওঁবিলাকৰ ঘৰুৱা বিপৰ্যয়ৰ কাৰণে বি. এ.-লৈকে পঢ়ি আৰু পঢ়ুৱাব নোৱাৰিলে। পাছত বি. টি. পঢ়িলে, ই. টি. পঢ়িলে আৰু হাইস্কুলৰ প্ৰধান শিক্ষক হ'ল। শিক্ষকতাৰ

পদৰপৰা অৱসৰ লোৱাৰ পাছত তেওঁ কোনোবা এখন কলেজৰ প্ৰিন্সিপালো হৈছিল। হৰেশৰ কথা মনলৈ আহিলেই ৰবি ঠাকুৰৰ গীতটোলৈ মনত পৰে— "যে নদী মৰু পথে হাৰালো ধাৰা।"

হৰেশৰ অতি মৰমৰ বন্ধু আছিল ডা. ভব মহাৰ ডাঙৰ পুত্ৰ চন্দ্ৰ শৰ্মা। হৰেশেই চন্দ্ৰ দাদাক অংকত চোকা কৰিছিল। এতিয়া চন্দ্ৰ দাদা ছাৰ্জন, F.R.C.S. (লণ্ডন)। তেওঁৰ খ্যাতি সকলোতে বিয়পি পৰা।

সেই সময়ত অৰ্থাৎ আমি ক্লাছ ফ'ৰত পঢ়ি থাকোঁতে কংগ্ৰেছী আন্দোলন চলি থকা কাৰণে ফুলেশ্বৰী স্কুলৰপৰাও মাজে-মাজে শোভাযাত্ৰা ওলাইছিল, মাখন বাইদেউ (ঘনকান্তি ফুকননী) আৰু সুহাসিনী ঘোষ বাইদেউ, তৰুণী বাইদেউ (তৰুণী দত্ত) আদিয়ে তেনে ধৰণৰ শোভাযাত্ৰাত আগভাগ লোৱা মনত পৰে।

দেববালা, অণু, নীলিমা, মীৰা, সুৱলা, বীনা, ৰঙিলী, নিৰ্মালি (ৰবা), চণ্ডেশ্বৰী, নীৰ বৰুৱা, শৰ্মিষ্ঠা (মণি), মৃণালিনী, আঞ্জুমান, আনোৱাৰা আছিল সেই সময়ৰ আমাৰ লগৰী। শ্ৰদ্ধেয়া মেডলীন বাইদেউ, সৰুমুলি বাইদেউ, কমলা বাইদেউ, হিৰণ্য বাইদেউ, সৰস্বতী বাইদেউ আদি আমাৰ বৰ প্ৰিয় বাইদেউ আছিল।

সেই সময়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল বৰ গাম্ভীৰ্যপূৰ্ণ আছিল। শিক্ষয়িত্ৰীসকলে পাটৰ বা মুগাৰ ৰিহা-মেখেলা আৰু মিহি কপাহী সূতাৰ সৰু ফুল বা শেল দিয়া চাদৰ পৰিধান কৰিছিল। বিবাহিতাসকলে মূৰত ওৰণি লৈছিল। তেখেতসকলে ঘৰৰপৰা খোজকাঢ়ি স্কুললৈ অহা-যোৱা কৰিছিল আৰু হাতত সদায় ক'লা ছাতি আছিল। দদাইদেউ গিৰীণ গগৈৰ পত্নী হিৰণ্য বাইদেৱে এটা ডাঙৰ ব্ৰুছ পিন চাদৰত মাৰিছিল আৰু পেচ্ কাটি মূৰ আঁচুৰিছিল। আমি তেখেসকলক বাটত দেখিলেই শ্ৰদ্ধাৰে বাট এৰি দিছিলো।

আমাৰ হেড মাষ্টৰণী বাইদেউ আছিল শ্ৰদ্ধেয়া লক্ষীপ্ৰিয়া চলিহা। চিৰকুমাৰী বাইদেৱে সদায় দীঘল হাতৰ বগা ব্লাউজ পৰিধান কৰিছিল। তেখেতসকলৰ শুৱনি সাজপাৰ আৰু ব্যক্তিত্বই আমাৰ মন মুহি থৈছিল।

দেখাত বৰ ধুনীয়া দেৱী (দেৱেশ্বৰী বৰুৱা) বাইদেউ আৰু সাহিত্য চৰ্চা কৰা ফুল (ফুলেশ্বৰী দত্ত) বাইদেউলৈও মনত পৰে। স্কুলখনত আৰু বহুতো বাইদেউ আৰু দুই-চাৰি ছাৰ আছিল যদিও আটায়ে আমাক পঢ়ুউৱা নাছিল। সৰোজ কাকতি বাইদেউ, কৰিমা বাইদেউ, বিজয়া বাইদেউ,— এইসকল বাইদেৱেও পঢ়াইছিল।

দিখৌ দলঙৰ কাষৰ সেই আমি পঢ়া ফুলেশ্বৰী গাৰ্লছ হাইস্কুলখন— তাৰ ঘৰবোৰ, ফিল্ডখন চকুৰ আগতে আছে। সেই সময়ত দিখৌ নৈয়েদি জাহাজ অহা-যোৱা কৰিছিল আৰু পানীখোৱা ছুটীৰ সময়ত জাহাজ অহা সময় হ'লে বহুত ছোৱালীয়ে দৌৰি গৈ দলঙৰপৰা জাহাজ চাইছিল। মোৰ এইবোৰত আগ্ৰহ নাছিল। পানীখোৱা ছুটীত পাৰোমানে

গোলাচুৰ, কিটকিট এইবোৰ খেলিছিলো। নতুবা ক্লাছৰুমতে বহি গান গাইছিলো বা লগৰ ছোৱালীৰপৰা গান শিকিছিলো। মই সৰুৰেপৰাই আছিলো বৰ চিৰিয়াছ, বৰ আদৰ্শবাদী। অন্য কিছুমান ছোৱালীৰ দৰে পানীখোৱা ছুটীত লগৰ ছোৱালীৰ ঘৰে-ঘৰে গৈ মধুৰিয়াম, জলফাই, বগৰী বিচাৰি ফুৰা বিধৰো নাছিলো। মাত্ৰ এদিন নে দুদিন স্কুলৰ সন্মুখৰ মোৰ বান্ধৱী দেববালা দত্তৰ (জয়কৃষ্ণ দত্ত দদাইদেউৰ ছোৱালী) ঘৰলৈ 'কৰজা' টেঙানো কি চাবলৈ গৈছিলো। তেওঁবিলাকৰ ঘৰত কৰজা এজোপা আছিল আৰু সৰু-সৰু টেঙা ফলবোৰ লাগিছিল। দেববালাৰ মাক খুৰীদেৱে বিবিধ আচাৰ ৰ'দত দিয়াৰ কথা মনত পৰে। তেতিয়াই বৰ ধুনীয়া ৰঙৰ 'মিৰিকা' টেঙা প্ৰথম দেখিছিলো।

মই ক্লাছ ফ'ৰত নাম লগোৱাৰ আগতেই তৃতীয় মানৰ পৰীক্ষা দি উঠি এখন ডাঙৰ মানুহ বহা কাৰ্পেট কৰিছিলো— এই কাৰ্পেটখন এতিয়াও সুন্দৰ হৈ আছে— অথচ বিয়াবোৰত কিমান দৰা-কইনা ইয়াত বহিল! এই কাৰ্পেটত চাৰিওপিনে ফুল আৰু মাজত চালি ধৰা ময়ূৰ। কাৰ্পেটখন ক্ৰছ চিলাই দি কৰা; শিকাইছিল নাজিৰণী আইৰ সৰু ছোৱালী আমাৰ মৰমৰ নুমলী বাইদেৱে। অন্য নহ'লেও এইবোৰে অত্যন্ত ধৈৰ্য শিকায়।

ক্লাছ ফ'ৰত ঘৰুৱা মাষ্টৰ আছিল বাপ মামা। ৰিপু চাংকাকতি। মামাই আমাক গ্ৰামাৰ পঢ়াই-পঢ়াই চকুৰে তধা-মধা দেখুৱাইছিল। ক'ৰবাত কিবা এটা ভুল হোৱা যেন হ'লেই গৰজনি মাৰিছিল। বাপ মামা আৰু দেউতাই আমাক গ্ৰামাৰত টনকিয়াল কৰিছিল। দেউতাই যে গৰম বন্ধৰ দুপৰীয়াবোৰত কেৱল অসমীয়াৰপৰা ইংৰাজীলৈ ট্ৰেন্‌ছ্‌লেশ্যন কৰিবলৈকে দিছিল। অসমৰ সুখ্যাত মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা দদাইদেউক সৰুতে দেউতাই ইংৰাজী শিকাইছিল বোলে। তেখেতে দেউতাক বৰ সন্মান কৰিছিল।

গৰম বন্ধ বুলিলেই বকুল ফুলৰ গোন্ধ ভৰা গৰম বন্ধ দিয়াৰ দিনটোলৈ মনত পৰে। সেইদিনা ৰাতিপুৱা স্কুল হয়। আমি শ্ৰেণীয়ে-শ্ৰেণীয়ে বেলেগে-বেলেগে পইচা তুলি চাহ-মিঠাই আনি শিক্ষক-শিক্ষয়িত্ৰীসকলক খুৱাওঁ, ফুলেৰে ক্লাছৰুম সজাওঁ, স্কুলত সমজুৱা ফাংশ্যন পাতি গান গাওঁ, নাচোঁ, নাটকৰ একোটা দৃশ্য কৰোঁ। কলাগুৰু বিষ্ণু ৰাভাৰ 'বিছুৱতী' পালাৰপৰা আমি ক্লাছ ফ'ৰত তেনে দৃশ্য কৰিছিলো। আন এবাৰ ব'ৰাগী হৈ তিৰবঁপে উঠা জ্বৰকো নেওচি বৰগীত গাইছিলো। সেই গৰমৰ বন্ধৰ সময়ত মানুহৰ ঘৰে-ঘৰে বৰ বেয়া ইনফ্লুৱেঞ্জা হয়। আমাৰ গোটেই ঘৰ ঢলিয়াই পৰিছিল। মা, বৰমা, আটায়েই তমোময় জ্বৰত বিছনাত। দেউতাই ৰাতি-ৰাতি মূৰত পানী ঢালিছিল, হোমিঅ'পেথিক দৰৱ খুৱাইছিল। ওচৰৰ মানুহবোৰে শুকান ৰুটী, মচুৰ দাইলৰ জোল, আখৈ, বাৰ্লি,— এইবোৰ আনি খুৱাইছিলহি। আমাৰ পাছদিনা গৰম বন্ধ দিব। কাহিলি-কাহিলি পোহৰ হওঁতেই মই আৰু ভণ্টি উঠি সেই ৰাতিপুৱাতেই গা ধুই তেতিয়াৰ খৰিৰ জুইত ভাত, দাইল, তৰকাৰি ৰান্ধি ঢাকি-ঢুকি থৈ স্কুল গৈ পাওঁতে পুৱা ছয় বাজিছেহে।

ইমানেই ৰক্ষা নাই আমাৰ যাবলৈ। ভণ্টিয়ে তাইঁতৰ ক্লাছৰ কিবা এখন নাটকৰ দৃশ্যত দুৱৰীৰ ভাও লৈছিল। তাইৰ স্কুললৈ গৈ ইমান জ্বৰ উঠিল যে জ্বৰত তাই অচেতন হ'ল আৰু ইমান আগ্ৰহৰ দুৱৰীৰ ভাওটো আৰু কৰা নহ'ল। দেউতাক খবৰ দিয়াত দেউতাই আহি তাইক স্কুলৰপৰা লৈ গ'লহি। মই জ্বৰৰ গাৰেই বৰগীত গালো আৰু তাৰ পাছতে তিৰকঁপে উঠা জ্বৰত অচেতন হ'লো। মোকো সেইদৰে ঘৰলৈ নিয়া হ'ল। সেইদিনা বৰগীত গাওঁতে ক'ৰবাত জ্বৰৰ কোবত পৰি যাম বুলি মেলিনা আচাও (অভিনেত্ৰী ইভা আচাওৰ বায়েক) বাইদেৱে মোৰ কাষতে বহি মোক ধৰি আছিল। আস কি যে আপুৰুগীয়া মৰম-চেনেহৰ সেই দিনবোৰ!

পূজনীয় ড° মহেশ্বৰ নেওগ ছাৰ আছিল আমাৰ শিক্ষকৰ ভিতৰত এজন। মোৰ হাতৰ সোণৰ বালা এপাত লৈ তেখেতে আৰ্কিমিডিছৰ সূত্ৰ বুজাইছিল কোনোবা এটা ক্লাছত। ছাৰে স্কুলত কিবা নাটক হ'লেই অভিনয় শিকোৱাৰ দায়িত্ব লৈছিল। ক্লাছ নাইনৰ ছোৱালীবোৰে 'কাৰেঙৰ লিগিৰী' কৰোঁতে ছাৰে ৰিহাৰ্ছেলত কেনেকৈ শিকাইছিল এতিয়াও মনত আছে। আমি ক্লাছ ফ'ৰত থাকোঁতে লক্ষহীৰা (ড° লক্ষহীৰা দাস) বাইদেৱে ছেভ্ৰেনত এডমিছন লৈছিল। তেখেতৰ বাইদেৱেক সাৱিত্ৰী বাইদেৱে (অভিনেত্ৰী কাশ্মীৰী শইকীয়াৰ মাক) সেই থিয়েটাৰত 'শেৱালি'ৰ অভিনয় বৰ সুন্দৰকৈ কৰিছিল। সাৱিত্ৰী বাইদেৱে গোৱা "সোণৰ পালেঙতে অ' মনে তৰা" গীতটোৰ সুৰ যেন এতিয়াও কাণত বাজি আছে। পূৰ্ণিমাৰ জোন যেন গোল মুখৰ নীতি বাইদেউ হৈছিল সুন্দৰ কোঁৱৰ। কি যে ধুনীয়া দেখাইছিল!

আগৰ দিনৰ ৰং-ধেমালিবোৰৰ ৰূপ বেলেগ আছিল। মানুহবোৰ আছিল ৰস-পম থকা, ৰসাল। যান্ত্ৰিকযুগৰ অনিশ্চয়তা, উদ্বিগ্নতা, সংশয়, মানসিক দ্বিধাদ্বন্দ্ব আজিকালিৰ দৰে নাছিল। তেওঁবিলাকে সবল আনন্দেৰে হাঁহিবও জানিছিল, হঁহুৱাবও জানিছিল। এনে ধৰণৰ নিৰ্দোষ আমোদ কেইটামানৰ কথা মনত পৰিছে। আমি স্কুলৰ দ্বিতীয়-তৃতীয় মান মানত পঢ়া দিনৰ কথা।

আমি চিনি পোৱা আইতা এগৰাকী এৰাতি ঢুকাল। ঢুকুৱাৰ পাছত শ্ৰাদ্ধও পাৰ হ'ল। তাৰ দুদিনমান পাছত ৰাতি এঘাৰ-বাৰমান বজাত পিছফালৰ বাঁহনিৰ জোপোহাৰ মাজৰপৰা খুন্দনাত তামোল খুন্দাৰ শব্দ শুনা গ'ল। ঘোপমৰা আন্ধাৰ ৰাতি। কোনে ৰাতিখন তামোল খুন্দিছে? ঘৰৰ আটায়ে কাণ উনালে। তেনেতে গেজেপনি মৰা বাঁহনিৰ মাজৰপৰা কঁপা-কঁপা বুঢ়ীৰ মাত শুনা গ'ল—

"অ' কণমইনা, মই জীয়াই থাকোঁতে ভাল দৈ অকণ নুখুৱালি। চুণে-চাধাই ভালকৈ তামোল এখনো খাবলৈ নাপালো। মই মৰিও স্বৰ্গলৈ যাব পৰা নাই। তহঁতে মোক এইবোৰ নুখুৱালে তহঁতক পুহকৰে লগ নেৰে। মই ইয়াতে আছোঁ।"

"হৰি, হৰি হেৰৌ শুনিছনে, এয়া দেখোন বৌটিৰ মাত।" "এয়া দেখোন বৰবৌৰ মাত। কি শুনিলো, হয়নে?" গোটেইঘৰ মানুহৰ হাত-ভৰি কঁপিবলৈ ধৰিলে। দুৰাদুৰা লাগিল আৰু ৰাতিয়েই পুৰোহিতৰ ঘৰলৈ গৈ, সবিশেষ বৰ্ণাই দিহা বিচাৰিলে। পুৰোহিতে বাঁহনিতে ঠাই-ঠুই মচি ধুপ-দীপেৰে বস্তুকেইপদ দিবলৈ ক'লে। পাছদিনাই লৰা-ঢপৰাকৈ ডাঙৰ দৈ একলহ আৰু তামোল-পাণৰ থোক এটা চাদা-চুণেৰে সৈতে আগলি কলপাতত সজাই সন্ধিয়াতে বাঁহনিত দায়-দোষ নধৰিবলৈ সেৱা-সৎকাৰ জনাই বস্তুকেইপদ থৈ আহিল। ৰাতি বাৰমান বজাত আকৌ কঁপা-কঁপা মাত আৰু খুন্দনাৰ শব্দ— "অ' কণমইনা, বৰ ভাল কাম কৰিলি। আশীৰ্বাদ দিছোঁ।"

"হ'ব বৌটি, হ'ব বৰবৌ হ'ব, দায়-দোষ নধৰিবা।" মানুহ ঘৰলৈ যেন জীৱ আহিল। বুঢ়ীৰ আত্মাই তেওঁ ল'লে।

বুঢ়ীৰ আত্মাই? ত'ত যে বাঘৰ আগতেল খোৱা দুটামানে বুঢ়ীৰ খুন্দনাটো মনে-মনে নি, বুঢ়ীৰ দৰে মাত উলিয়াই আঠা দৈৰ কলহ সৰকালে, তামোল-পাণেৰেও সেলেঙি বোৱালে।

কথাটো জনাবোৰে পাৰেমানে মুখত সোপা দি হাঁহিলে।

আমাৰ শিৱসাগৰৰ পুৰণা আমোলাপটিৰ বিখ্যাত নামঘৰত প্ৰতি জন্মাষ্টমীৰ দিনা অখণ্ড নামকীৰ্তন (পুৱা প্ৰভাত ফেৰীৰপৰা) হয় আৰু ৰাতিলৈ শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পালা এখন অভিনীত হয়। সেই তাহানিৰপৰা আজিলৈকে এই ট্ৰেডিশ্যন সগৌৰৱে চলি আছে। জন্মাষ্টমী নাটকৰ গীত আৰু সুৰবোৰৰ সৌন্দৰ্য অপূৰ্ব আৰু আপুৰুগীয়া। সকলোতকৈ ডাঙৰ কথা হৈছে এই উৎসৱৰ লগত, নাটকখনৰ লগত, নৃত্যৰ লগত, বিৰল হীৰানামৰ লগত মানুহবোৰৰ সামগ্ৰিক 'ইনভল্‌ভ্‌মেণ্ট'। জন্মাষ্টমীৰ পাছদিনা বৰ ৰং-ধেমালিৰে উদ্‌যাপিত হয় 'নন্দোৎসৱ'। পুৰণা আমোলাপটিৰে নামঘৰৰপৰা অলপ আগলৈ বিনন্দ মামা, বসন্ত মামাৰ পিতৃ, আমাৰ মৰমৰ প্ৰেমধৰ মজিন্দাৰ বৰুৱা ককাৰ ঘৰ। তেখেত আছিল আউনীআটি সত্ৰৰ ৰাজমেধি আৰু নামৰ বহুত সুৰ জনা মানুহ। তেখেত মানুহজন আছিল চুটি-চাপৰ। আমি ককাক পকাচুলিৰেই দেখিছিলো। তেখেতক লৈ নন্দোৎসৱৰ দিনা নামঘৰত তাহানিতে কি স্ফূৰ্তি! ককাক কেঁচুৱা কৃষ্ণ কৰি দুজনমানে কোলাত লয়, পথালি কোলাত দোলাই-দোলাই নচুৱায়। ককা ইমান ৰঙিয়াল যে শিশু কৃষ্ণৰ দৰে কান্দি দেখুৱায়। তেতিয়া নামঘৰত নন্দোৎসৱৰ দিনা 'বোকাখেলো' হৈছিল— ৰিণিকি-ৰিণিকি আমাৰ সৰুকালিৰ সমাজখনৰ সেই স্ফূৰ্তি-তামাচাবোৰলৈ মনত পৰে।

সৰুকালিতে আৰু এটা আমোদজনক ৰগৰ উঠা কথা শুনিছিলো। এজন বিপত্নীক বৃদ্ধ পুনৰ বিয়া কৰাবৰ কাৰণে বৰ ব্যগ্ৰ হৈছিল। তেওঁ যে ডেকা হৈ আছে এই কথাৰ প্ৰমাণ লৈছিল গাঁৱৰ মানুহবোৰে তেওঁক জঁপিয়াবলৈ দি, গোটা তামোল দাঁতেৰে ভাঙিবলৈ

দিছিল। তেওঁ সোলামুখেৰে গোটা চুপাৰি ভাঙিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। এদিন ল'ৰা এটাকে কইনা সজাই তেওঁৰ বিয়া পতা হ'ল। ৰাতি দৰাই কইনা লৈ ঘৰলৈ খোজকাঢ়ি অন্যান্য মানুহৰ লগত আহি থাকোঁতে হঠাতে কইনা হেৰাল। হুৱা-দুৱা লাগিল। নাই, কইনাক পোৱা নগ'ল। ত'ত যে কইনাই মহিলাৰ সাজ খুলি পুৰুষৰ লগত পুৰুষ হৈ গ'ল। এইবোৰ তেনেই নিৰ্দোষ হাঁহি-ধেমালিহে। ল'ৰা-বুঢ়া কোনেও কাকো বেয়া নাপায়।

"কিন্তু দিনগুলো মোৰ সোণাৰ খাচায় ৰইল না— সেই যে আমাৰ নানা ৰঙেৰ দিনগুলো।" সেই ক্লাছ ফ'ৰতে ভৰিত শিকলি হাতত শিকলি বান্ধিবলৈ সদৰ্পে আগবাঢ়ি আহিল সেইদিনৰ অন্ধসংস্কাৰ।

মই দৌৰা, খেলা, জঁপিওৱাৰ কাৰণেই চাগৈ লহপহকৈ বাঢ়ি আহিছিলো যদিও শকত নাছিলো। ব্ৰাহ্মণৰ ঘৰৰ ছোৱালী, পুষ্পিতা হোৱাৰ আগতেই বিয়া দিবই লাগে। নহ'লে পতিত হয় বুলি ধৰা হয়। আনহাতে ইঘৰ-সিঘৰকৈ কেইবাঘৰ মানুহে খুজিবলৈ আহিল। অৱশ্যে সেই দিনত ছোৱালী ঘৰৰ মানুহে গৈ দৰাঘৰত ধৰাৰহে নিয়ম আছিল। মই জনা হোৱাৰেপৰা ছোৱালীৰ বাপেক কন্যাদায়গ্ৰস্ত হৈ উপযুক্ত দৰা থকা ঘৰে-ঘৰে ছোৱালীজনী যাচি ফুৰাটো বৰ সন্মান হানিকৰ কথা যেন লাগিছিল। ছোৱালীৰ যেন কোনো মূল্যই নাই। বাৰীৰ ফলনে কি! পকাৰ লগে-লগে কোনোবাই নাখালে গেলি-পচি যাব? আনহাতে ছোৱালী এজনীৰ যে কিমান গুণ লাগে, কোনে কি গুণ বিচাৰে ক'ব নোৱাৰি। কাৰোবাক লাগে গাখীৰত সেন্দূৰ দিয়া ৰং, কাৰোবাক লাগে দীঘল, কঁকালৰ তললৈ পৰা চুলি, জোঙা নাক, ডাঙৰ চকু, তাঁতে-সূতে, ঘৰৰ কামে-কাজে চোকা, ঘৰ ধৰা ছোৱালী অথচ দকচি থাকিলেও মুখেৰে একো নামাতি ৰাতি নাই, দিন নাই গেবাৰি খাটিব পৰা বিধৰ। ছোৱালী হ'ল কাৰণেই নিজস্ব অস্তিত্ব যেন একো থাকিব নোৱাৰে। মাক-বাপেকৰ কেৱল যেন এক বোজা। তাৰ মূল কাৰণ নিশ্চয়কৈ আছিল মহিলাৰ পৰনিৰ্ভৰশীলতা। অক্ষম অৱস্থা। "... কবিতা, বনিতা, লতা আশ্ৰয়েন বিনা ন জীৱিতা।" পিতৃ বা ভাতৃ, স্বামী বা পুত্ৰই খুউৱা-পিন্ধোৱাৰ আশ্ৰয় ছোৱালীক দিব লাগিব। স্ত্ৰীশিক্ষা সংকুচিত আছিল কাৰণেই এই অৱস্থা সেই সময়ত চলিছিল। "যমে নিলেও নিয়া, জোঁৱায়ে নিলেও নিয়া" ধৰণৰ নিষ্ঠুৰ বাক্যও সেই সময়ত প্ৰচলিত আছিল। ঘৰৰ বোৱাৰীজনীক মানুহৰ মূল্য দিয়া নহৈছিল কাৰণেই ইচ্ছামতে পিতৃ-মাতৃৰ গৃহলৈ আহিবলৈও দিয়া নহৈছিল। শাহু-শহুৰ-স্বামীৰ কঠোৰ কৰ্তৃত্ব মানিব লগা হৈছিল। নাৰীৰ স্বাধীনতা ক'তো নাছিল। গিৰিয়েকবোৰ অলপ কোমল হ'লে সমাজখনে 'তিৰোতা-সেৰুৱা' বুলিও হাঁহিছিল। পুৰুষ-প্ৰধান সমাজৰ কঠোৰতা জিলিকাই ৰখাটোৱেই নিয়ম আছিল।

ক্লাছ ফ'ৰ মানৰপৰাই চাগৈ আমি খুব বিয়ানাম গাবলৈও শিকিছিলো। ওচৰ-চুবুৰীয়াৰ

ঘৰত বিয়া এখন হ'ব বুলি শুনাৰেপৰা মাইঁতে ঘৰত তাঁত-সূত বৈ কাম কৰি থাকোঁতে অথবা ৰান্ধনিশালত ৰান্ধি থাকোঁতে সুন্দৰ-সুন্দৰ দীঘলীয়া সুৰৰ বিয়ানামবোৰ আওৰাই থাকে। কাম কৰোঁতে কোনোবাই কিবা গাই-গাই কাম কৰিলে মোৰ বৰ ভাল লাগে। মা, বৰমাইঁতে গোৱা বিয়ানামবোৰ আমাৰ কাণত পৰি থাকে কাৰণে আমাৰো মনত হুবহু ৰৈ যায়।

বিয়াবোৰত তেতিয়া মৰলৰ সন্মুখত বহুউৱা দৰা বা কইনাৰ ওচৰতে মাইকী মানুহবোৰ পাটী, সতৰঞ্চি, বা তুলীত বহে আৰু জুম পাতি নাম গায়। তেল দিয়া, সেন্দূৰ দিয়া, দেউতাকৰ ঘৰৰ অলংকাৰ সোলকোৱা, দৰাৰ ঘৰৰ অলংকাৰ পিন্ধোৱা, কাপোৰ পিন্ধোৱা আদি প্ৰতিটো কাৰ্যৰ লগতে বেলেগ-বেলেগ সুৰৰ বেলেগ-বেলেগ বিয়ানাম। আনকি দৰাঘৰৰপৰা জোৰোণ লৈ অহা, কইনাঘৰৰ পদূলিমুখৰ কলতল পোৱাৰেপৰা, আদৰা-সাদৰা, থুৰিওৱা তামোলৰ শৰাই সলোৱা, সমাজলৈ আগুৱাই অহা, কইনাক ভিতৰৰপৰা উলিয়াই আনি, চাউল ছটিয়াই থোৱা নতুন পাটীত বহুউৱালৈকে জোৰোণ পিন্ধোৱাৰ আগৰ সময়খিনিৰো ভাগে-ভাগে বিয়ানাম। তেতিয়া আমাৰ উৎসাহ বেছি আছিল যোৰানাম গোৱাতহে। ডাঙৰ মহিলাসকলে দীঘলীয়া সুৰৰ বুকু চুই যোৱা কৰুণ নামবোৰ গায়। আমি ছোৱালীবোৰে জুম পাতি বেলেগ এঠাইত ৰভাৰ তলিতে বহি পাৰেমানে যোৰানাম গাওঁ। যোৰানাম মানে আক জোকোৱা, তাক জোকোৱা—

"অ মন সেন্দূৰ
দৰাৰে ভায়েকটো
গাঁতৰে এন্দুৰ।
বাৰীৰ পাছফালে অ ফটা ঢকুৱা
কজলা উৰহী অ ফটা ঢকুৱা
পাতে তিৰে বিৰে কৰে ফটা ঢকুৱা
দৰাঘৰৰ মানুহবোৰ কোমল চাউলৰ খঁকুৱা।।
আগফাল শুৱনি কাঞ্চনে কাচিলে
কাকিনী তামোলে কাঞ্চনে কাচিলে
পাছফাল শুৱনি পাণহে কাঞ্চনে কাচিলে
দৰাৰ মাকজনীয়ে হাত দাঙি নাচিলে।।"

এইবোৰেই সেই সময়ৰ যোৰানাম। যোৰানামবোৰৰো সময়ৰ লগে-লগে বিবৰ্তন ঘটি আহিছে। এতিয়াৰ যোৰানামত চিনেমাৰ 'হিৰ', হিৰ'ইনৰ নাম, বিজ্ঞানৰ বতৰাও সন্নিবিষ্ট হৈছে।

সেই সময়ত বিয়াঘৰত আমাৰ নিচিনা নামতীবোৰৰ কাষেদি কোনো পাৰ হ'বই

নোৱাৰে। দেখিলোহে, জোকালোৱেই। হোমৰ গুৰিত বহি নাম গাওঁতে দৰা, দৰা-ধৰা, বৰযাত্ৰীক জোকোৱাৰ উপৰিও পুৰোহিত বাপুকো শুদাই এৰা নাযায়। আইতাইঁতে শিকাই দিয়ে— "গা গা এইদৰে গা—

বাপুদেৱে বিধি পঢ়ে
মাজে-মাজে এৰে,
ঘৰত আছে খালৈ-পেটী
তাইলৈ মনত পৰে।
বৰালি মাছৰে তিনিটা টোঁটোলা
টেঙা দি খাবলৈ ভাল।
আমাৰে বাপুদেউৰ পেটটো গেৰেলা
জয়ঢোল বাবলৈ ভাল।।"

দৰাক জোকাবলৈ শিকায় এইবুলি—

"ৰঙা ধানৰ বগা চিৰা
সৰল কাঠৰ থোৰা,
আইদেউলৈ দৰা পালে
বাপেকতকৈ বুঢ়া।
বুঢ়া দৰা কোমল কইনা
কথাৰ নেপাওঁ আশ,
পকা দাড়িত লাগি আছে
এশ মিছামাছ।।"

আমি বৰ স্ফূৰ্তি পাওঁ এনেকৈ গাবলৈ। দুগুণ উৎসাহেৰে ডাঙৰ-ডাঙৰকৈ মাত উলিয়াই দৰাই হোমৰ গুৰিৰপৰা শুনাকৈ গাওঁ। দৰাই মুখত ৰুমাল লৈ মিচিক-মিচিক হাঁহিলে আৰু সমজুৱাই "এইকেইজনীৰ মুখ কম নহয় দেই" বুলি আমাক উদ্দেশ্য কৰি ক'লে নাম গোৱা সাৰ্থক হৈছে যেন লাগিছিল। এনেকৈ সমাজৰ মহিলাসকলৰ উদ্‌গনিতে ইমান সাজি-সাজি নাম গাব পৰা হ'লো যে পুৰণি আটাইবোৰ বিয়ানামৰ সুৰ কণ্ঠস্থ হ'ল আৰু সুন্দৰ-সুন্দৰ অৰ্থপূৰ্ণ যোৰানামো সাজি-সাজি তৎক্ষণাৎ গাব পৰা হোৱাই নহয়, নাম দি একোখন বিয়া অকলে শেষ কৰিব পৰাও হ'লো। এই প্ৰসংগত পাছৰ কালৰ দুখন বিশেষ বিয়ালৈ মনত পৰে— এখন হৈছে অৱসৰপ্ৰাপ্ত জিঅ'লজিৰ ডাইৰেক্টৰ উদ্ধৱকৃষ্ণ বৰদলৈ (পৱন মামা)ৰ বিয়া আৰু চিফ ইঞ্জিনীয়াৰ শ্ৰীসত্যেন ফুকন আৰু দীপিকা ফুকনৰ (বেজবৰুৱাৰ) বিয়া দুখনৰ কথা।

পানী তুলিবলৈ যাওঁতেও জাঁত-জাঁত নাম আৰু উৰুলীৰে আমি ৰজনজনাই গৈছিলো।

এতিয়া ছোৱালীবোৰৰ এইবোৰ উৎসাহ নাই।

নোৱাই তোলনি-বিয়াবোৰো নাম-গুণেৰে মুখৰ আছিল। এইবোৰ বিয়া এবেলাতে শেষ হয়। ইজনীয়ে সিজনীক পিঠাগুৰি সানি কৰা স্ফূৰ্তিও কম নাছিল।

আমাৰ সৰুকালিতে 'পুহন-বিয়া'ও দুই-চাৰিখন দেখিছিলো। বয়সীয়া, দৰা-কইনা। বেচ জমে। তাৰো নাম-গুণ বেলেগ।

কিন্তু ডাঙৰ হৈ অহাৰ লগে-লগে, ছিক্স মানত পঢ়ি থকাৰেপৰাই মই এই পাতল যোৰানামবোৰ গাবলৈ বেয়া পোৱা হ'লো। কোনোবাই গালে গাওঁক, মই নাগালেই হ'ল— এনেকৈ ভাবিছিলো আৰু অৰ্থময়, অনুপম সুৰৰ নামবোৰ ভাল পোৱা হৈ আহিছিলো—

"কপালতে জ্বলেমলে সেন্দূৰৰে ৰেঘা
বিজুলী চমকত আহি কৃষ্ণই দিছে দেখা
পাটীত বহি ৰুক্মিণীয়ে মনেমনে গুণে
দ্বাৰকাৰে কৃষ্ণ আহি কাণ পাতি শুনে।।"

মোৰ.খু-ব ভাল লগা এই নামকেইষাৰি দৰা অহাৰ লগে-লগে কইনাৰ মৰলৰ ওচৰত প্ৰায়ে গাইছিলো—

"প্ৰথম প্ৰহৰ ৰাত্ৰি ফুলি আছে চম্পা
উঠা ৰাধা গুণৱতী তুলি বান্ধা খোপা
দ্বিতীয় প্ৰহৰ ৰাত্ৰি ফুলি আছে লং
উঠা ৰাধা গুণৱতী নকৰিবা খং
তৃতীয় প্ৰহৰ ৰাত্ৰি ফুলি আছে তগৰ
উঠা ৰাধা গুণৱতী নধৰিবা জগৰ
চতুৰ্থ প্ৰহৰ ৰাত্ৰি ফুলি আছে জৱা
উঠা ৰাধা গুণৱতী স্বামীক কৰা সেৱা।।"

মৰলৰ ওচৰৰ পাটীতে টোপনি যোৱা কইনাক জগাবলৈ এইদৰে গোৱাৰ উপৰিও দৰা অহাৰ লগে-লগে শহুৰেককো উদ্দেশ্য কৰি গোৱা হয়—

"হাতী কৰে দলেদোপে ঘোঁৰাই মাৰে ছাটি
উঠা উঠা ভীষ্মক ৰজা জোঁৱাই আহে ৰাতি।"

হোমৰ গুৰিত প্ৰায়ে গাইছিলো টংকেশ্বৰ ঠাকুৰ বৰদেউতাৰ ডাঙৰ বোৱাৰীয়েক অৰুণা নবৌৱে শিকোৱা সেই গীতটো—

"মেনকাই বোলে প্ৰভু দুই চক্ষু খালা
বাটৰ ভিখাৰী শিৱক জোঁৱাই চিনি পালা

হেমৱন্তই বোলে ৰাণী জোঁৱাই বৰ ভাল
বাটৰ ভিখাৰী নহয় শিৱ সৰ্বকাল
মেনকাই বোলে প্ৰভু দুই চক্ষু খালা
শ্মশাননিবাসী শিৱক জোঁৱাই চিনি পালা।
শ্মশানবাসী নহয় জোঁৱাই বোলে হেমৱন্ত
শিৱ নামে মংগলময় অনাদি অনন্ত।”

নামৰ গুটিভঁৰাল অৰুণা নবৌৰ কণ্ঠওযে কি সুৰীয়া! তেখেতে সুগায়ক বীৰেন ফুকন দাদাৰ ভনীয়েক ৰূপে সংগীতজ্ঞ ঘৰৰ নাম ৰাখিছিল। অসমৰ বিয়ানামবোৰৰ সুৰৰ কি যে অমিয়া সেই কথা শুনোতাইহে বুজে। মোৰ বেজাৰ লাগে, এই অনুপম লোকসাহিত্য, লোকসংস্কৃতি লোপ পাই আহিছে। এইবোৰৰ আজিলৈকে যথাৰ্থ অৰ্থত সংগ্ৰহো নহ'ল, সুৰৰ গৱেষণাও নহ'ল। মই এই কেইবছৰমানৰপৰা সংগীত নাটক একাডেমিৰ লগত এই বিষয়ৰ গৱেষণাৰ কাৰণে ইমান লিখালিখি কৰিছোঁ, প্ৰজেক্ট দিছোঁ, সংগীত নাটক একাডেমিৰ সভাপতি ড° ভূপেন হাজৰিকা দাদাক লগ ধৰিও বহুতবাৰ কৈছোঁ, নাই সকলো অৰণ্যৰোদন। এই সুৰবোৰ সম্পূৰ্ণৰূপে হেৰাই যোৱাৰ পাছত ৰিছাৰ্চ সম্ভৱ হ'বনে? বেলি বুৰাৰ পাছততো আন্ধাৰ হ'বই। সেইকাৰণে বেলি লহিৱাতেই কামবোৰ কিয় কৰা নহয়? চিএৰি-বাখৰিও একো নহ'ল কাৰণে মই আজিকালি স্তব্ধ হওঁ, বিব্ৰত হওঁ আৰু অন্ধকাৰ নেদেখিবলৈ চকু মুদি দিওঁ।

আজিকালিৰ বিয়া আৰু সেই সময়ৰ, মানে আমাৰ সৰুকালিৰ বিয়াৰ যেন স্বৰ্গ-মৰ্ত্য পাৰ্থক্য। বিয়া মানেই যেন বলিশাল। তেতিয়া প্ৰায়ে ঘৰবোৰত কোৱা হৈছিল— যমে নিলেও নিয়া, জোঁৱায়ে নিলেও নিয়া।

এই কথাবিলাক ভালকৈ পাছতহে বুজিছোঁ। ক্লাছ ফ'ৰত থাকোঁতে মোৰ চৌপাশে দেখি-শুনি দৰাঘৰ মাত্ৰেই বৰ নিষ্ঠুৰ যেন অনুভৱ হৈছিল আৰু ছোৱালীয়ে বিয়া হ'লেই লোকৰ ঘৰলৈ গুচি যোৱা কথাটো অমানুষিক যেন লাগিছিল। ইমান মৰমৰ পিতৃ-মাতৃৰ ঘৰখন কেনেকৈ এৰি যায়! দৰাঘৰত কোন এনে আপোন আছে যে মৰম কৰিব! গধূলিতে শোওঁ বুলিলেও শুবলৈ নিদিব, ৰাতি দুপৰলৈকে গোটেই ঘৰৰ আলপৈচান ধৰিব লাগিব, ভোক লাগিলেও চাগৈ 'খা' বুলি কওঁতা নাই— হে ভগৱান। ভয়ত গা শিয়ৰি যায়। বিয়া এক নিষ্ঠুৰ বস্তু। —এয়ে আছিল মোৰ বিয়াৰ প্ৰতি থকা অস্পষ্ট অথচ সত্য ধাৰণা।

সেই কাৰণে বিয়াকেই মই নাৰী স্বাধীনতাৰ প্ৰধান অন্তৰায় বুলি ভাবিছিলোঁ। বিয়া বস্তুটোৰ প্ৰতি এটা তীব্ৰ বিতৃষ্ণাৰ ভাব জাগি উঠাৰ কাৰণ কিছুমান এতিয়াহে মই ফঁহিয়াই চাবলৈ শিকিছোঁ। আমাৰ মাজু মাহী ৰুহি মাহীটিৰ বিয়া আমি তেনেই সৰু থাকোঁতেই

হৈছিল। ইতিমধ্যে মাৰ দেউতাক আমাৰ নীলকান্ত শৰ্মা ককা ঢুকাইছিল। ককাৰ শেষ নিশ্বাস ঘৰৰ ভিতৰতে পৰিল কাৰণে এখন অন্ধ সমাজে কাঠৰ প্ৰকাণ্ড-প্ৰকাণ্ড খুঁটা আৰু খেৰৰ চালৰ আহল-বহল ঘৰটোও থাকিব নাপায় বুলি হেনো পুৰি পেলাইছিল। সৰু খেৰ-বাঁহৰ ঘৰত থাকিয়েই আইতাই পথাৰৰ মাটি 'আধি দি' নিজে চিলাই কৰি তাঁত-সূত বৈ ল'ৰা-ছোৱালীকেইটাক পোহপাল দিছিল। আইতা আছিল ডিব্ৰুগড়ৰ বিখ্যাত মহেন্দ্ৰ বৰদলৈ আৰু জগন্নাথ বৰদলৈৰ ভনীয়েক। আইতাই ৰবীন্দ্ৰ সংগীত গাইছিল আৰু চেতাৰো হেনো বজাইছিল। এইটো তেখেতে তেখেতসকলৰ ঘৰৰপৰাই পাইছিল। ৰবীন্দ্ৰ সংগীত গোৱা আৰু চেতাৰ বজোৱাটো তেতিয়াৰ দিনত বৰ বিৰল গুণ আছিল। ডিব্ৰুগড়ত চাহাবৰ বঙলাৰ দৰে চাংবঙলাত থকা, বোকা খচকি নোপোৱা আইতা ঘনকান্তি দেৱীয়ে বিয়াৰ পাছত মেটেকাৰ্লৈ আহি তেনেই কম বয়সৰেপৰাই মাটি-বোকাৰ লগতে জীৱন সংগ্ৰাম কৰিব লগা হৈছিল।

ৰুহি মাহীটিক বিয়া দিছিল নাজিৰালৈ। বিয়া-বাৰুত ৰাতি খপিলে ল'ৰা-ছোৱালীৰ অসুখ হ'ব বুলিয়েই দেউতাই মাক তিনি মাইল দূৰৰ মেটেকাৰ্লৈ দিনতীয়াকৈহে পঠাইছিল। দিনতীয়াকৈ যোৱাতকৈ বিয়ালৈকে নাযাওঁ,— এনে শোক আৰু অভিমান লৈ মায়ে নাযাওঁ-নথওঁ কৰিছিল। মা নগ'লে দেউতাই নপঠালে বুলিও আনহাতে মানুহে হাঁহিব। বিয়ালৈ যাবলৈ শিৱসাগৰত থকা একমাত্ৰ ফাটৌৰ টেক্সিখনো বিকল। উপায়ান্তৰ হৈ ছৈ দিয়া নতুন, ধুনীয়া গৰুগাড়ী এখনতে আগবেলা মা যাবলৈ ওলাল। শিৱসাগৰত ঘোঁৰাবাগী দুখনো পাছলৈ আছিল। মই বি. এ. পঢ়ালেকে তেনে ঘোঁৰাবাগীত উঠিছিলো। আমি সৰু থাকোঁতে চাগে নাছিল। আমি ল'ৰা-ছোৱালীকেইটা (তেতিয়া তিনিটা) লগে-লগে। ধানখেৰ পৰা গৰুৰ গাড়ীত বহিবলৈ বৰ আৰাম। দুলি-দুলি যায়। আঘোণ মহীয়া বতৰ বোধকৰোঁ। বৰ সুন্দৰ ৰ'দ আছিল। গৈ পায়েই অলপমান পৰ থাকোঁতেই আহিবৰে হ'ল দেখোন। মাই ভনীয়েকৰ ডিঙিত ধৰি বৰ কান্দিছিল, আইতাক সাবটিও বৰ কান্দিছিল। দেউতাৰ কাঢ়া হুকুম,— সন্ধিয়াতে ঘৰ পাবগৈ লাগিব। তেতিয়াহে দেউতা চাইকেলত বিয়া ঘৰলৈ সন্ধিয়া আহিব পাৰিব। ইমান আনন্দৰ মাজত মাৰ বেজাৰ দেখি মোৰো দুখ লাগিছিল— মাইকী মানুহবোৰ বৰ দুৰ্ভগীয়া। লোকৰ মতে চলিব লাগে। সিহঁতে কিয় বিয়া কৰায়? য'ত অকণো স্বাধীনতা নাথাকে। কান্দি-কান্দি মাকৰ ঘৰৰপৰা উভতি অহা মাক সাত-আঠ বছৰীয়া মই সুধিছিলো,— "কিয় বিয়া হৈছিলা মা?" মাই অবুজ ছোৱালীজনীৰ মুখলৈ চাই কৈছিল,— "নহ'লে কোনে খুৱাব?"

"তাৰ মানে?"

তাৰ মানে আৰু কি? মা মনে-মনে থাকি অণ্ডহী-বণ্ডহী, আত্মীয়-কুটুম্বক ছাঁয়াময়াকৈ লগ পাই এৰি অহা দুখত পুনৰ নিমগ্ন হ'ল। তিতা খোৱাৰ দৰে তিতা ধাৰণা এটা মোৰ

যেন জিভা পাৰ হৈ ডিঙিৰ গুৰিলৈকে শিপাই গ'ল।

মাইঁতৰ চাবলৈ গ'লে একো স্বাধীনতা নাছিল। আছিল সকলোৰে কাৰণে উচৰ্গিত এটি জীৱন। নিজাকৈ ওলাই-সোমাই ফুৰিব নোৱাৰে বাবে ক'লৈকো যাব নোৱাৰে, থাকিব নোৱাৰে। ঘৰত মাক-দেউতাকে ইটো খাবিনে, সিটো খাবিনে বুলি খুৱাই-ধুৱাই, আলাসত তোলা ছোৱালীজনীয়ে এখন সম্পূৰ্ণ ঘৰৰ কামৰ দায়িত্ব ল'বগে লাগে। টোপনি ধৰিলেও এঘুমটি "শুই ল" বুলি কওঁতা নাই। ৰাতিপুৱা ন-দহ বজাত সকলোকে দি থৈ কিবা এটা খালে কি নাখালে, আকৌ ৰন্ধা-বঢ়া খুউৱাত লাগি দিনৰ ডেৰ-দুই বজালৈকে ডা-ডাঙৰীয়া, গৃহস্থ, শাহু-শহুৰে নোখোৱা পৰ্যন্ত ভাত খোৱা কথা কল্পনাও কৰিব নোৱাৰে। এইবোৰ সন্মান প্ৰকাশক কথা বুলি ধৰা হৈছিল। তদুপৰি এটা অতি কুৎচিত নিয়মো সমাজত প্ৰচলিত আছিল। গিৰিয়েকে খাই এৰি যোৱা কাঁহীখনতহে ঘৈণীয়েকক ভাত বাঢ়ি দিয়া হৈছিল। গিৰিয়েকৰ এৰেহা কাঁহীত কিবা অকণ এৰি গ'লে প্ৰসাদ বুলি কোৱা হৈছিল। মাক মই দেউতাৰ কাঁহীত ভাত খোৱা দেখিছিলো। মই আগতেই কৈ দিছিলো— মোক কোনেও কেতিয়াও এনেকৈ ভাত খুৱাব নোৱাৰে। মোৰ ঘিণো আছিল বৰ বেছি। মোৰ ভণ্টিৰ দিনলৈকে কিন্তু এইবোৰ কথা সমাজত চলিয়েই আছিল।

আমাৰ সমাজৰ তেতিয়া পৰ্দা প্ৰথা বুলি ক'ব নোৱাৰিলেও যথেষ্ট আবুৰ আছিল। সন্মান প্ৰদৰ্শনৰ কাৰণে ওৰণি ব্যৱহাৰ হৈছিল। শহুৰেক, খুৰা শহুৰেক, বৰজনাকৰ আগত বোৱাৰীয়েকে মুখ দেখুৱাই কথা ক'ব নোৱাৰে। বেৰৰ আঁৰ লৈ বা ওৰণিৰ তলৰপৰাহে কথা কৈছিল। শাহুৱেক-শহুৰেকৰ বেছিভাগেই বোৱাৰীয়েকক আজিকালিৰ নিচিনাকৈ নিজৰ জীয়েকৰ দৰে ব্যৱহাৰ নকৰিছিল; সেইক্ষেত্ৰত শাসনহে কৰিছিল। বোৱাৰী শব্দটো সংস্কৃত ব্যৱহাৰিকা শব্দৰপৰা হৈছে হেনো। তাৰ অৰ্থ ব্যৱহাৰ কৰা। (ব্যৱহাৰিকা> ব্যৱহাৰিআ> বহাৰী> বোৱাৰী।) বোৱাৰী যেন সঁচাকৈয়ে ঘৰখনৰ ব্যৱহাৰৰ কাৰণেই জন্ম হৈছিল। নিজাকৈ একো জীৱন নাই। গোটেই জীৱন, গোটেই সময় শাহু-শহুৰ, গৃহস্থ, ল'ৰা-ছোৱালী, আলহী-অতিথি, দেওৰ-নদৰ কাৰণেই উচৰ্গা কৰিছিল।

আমাৰ ঘৰত আইনাৰ আলমাৰিত থোৱা বজাৰৰ খৰচৰ বাহিৰে আন সকলো ডাঙৰ খৰচ দেউতাই কৰে। অৱশ্যে তাৰপৰাই ঘৰলৈ পোহাৰীয়ে অনা পাটৰ মেখেলা, কেঁচ দিয়া ৰিহাও মাজে-মাজে লয়। দান-দক্ষিণাও দিয়ে। মাৰ বা বৰমাৰ হাতত যদিও আলমাৰি, লোহাৰ আলমাৰিৰ চাবি আছিল, প্ৰকৃততে দেউতাইহে সকলো খৰচ কৰে। তেতিয়া বেংকত টকা থোৱাটো নিয়ম হোৱা নাছিল। লোহাৰ বাকচত বা সোণ কিনি বা কেঞাৰ গোলাত হুণ্ডি বিনিময়ত টকা থোৱাৰ নিয়ম আছিল। বৰমাৰ শিক্ষা সেই সময়তে প্ৰথম মানলৈকে আছিল যদিও তেখেত অতি বুদ্ধি-বিবেচনা থকা মানুহ আছিল। মা আছিল আজলী। মায়ে তৃতীয় মানলৈকে স্কুলত পঢ়িছিল আৰু সদায় প্ৰথম আছিল।

দেউতা ইমান চোকা, ইমান ব্যক্তিত্বসম্পন্ন আছিল যে মায়ে দেউতাৰ আগত বিভিন্ন কথাত পেপুৱা লাগে। চাবিকোছাকে মায়ে যেতিয়া বাৰে-বাৰে হেৰুৱায়, দেউতাৰ তেতিয়া খং উঠে আৰু গৰজে।

দেখি-শুনি মোৰ কুমলীয়া জীৱ ওলাই যাওঁ-যাওঁ হয়। মই ডাঙৰ হৈ অহাৰ লগে-লগে বুজিলো, মাইঁতে শিক্ষা লৈ চাকৰি কৰা হ'লে লোকৰ কথা এনেকৈ শুনিব নালাগিলহেঁতেন। মায়ে চাগে দেউতাক শতকৰা আশীভাগ ভয়হে কৰিছিল।

আগৰ দিনত সন্তান জন্ম দিয়াৰ ক্ষেত্ৰতো গৃহিণীগৰাকীৰ ইচ্ছা-অনিচ্ছালৈ বোধকৰোঁ কৰ্ণপাত কৰা নহৈছিল। কিছু ডাঙৰ হৈ ওচৰ-চুবুৰীয়াৰ কিছুমানৰ ঘৰত দেখিছিলো কোনোবা গৃহিণীৰ বছৰে-বছৰে সন্তান হয়। ইটো ডাঙৰ কৰিবলৈ নাপাওঁতেই সিটো হয়। তেনেকৈয়ে বাৰ-চৈধ্যটা সন্তানৰ মাক হৈ দিনৰ দিনৰো গৃহস্থালীখনৰ লেদেনা উকটিব লাগে। ফলত মাতৃগৰাকীৰ স্বাস্থ্য খীণ, নিশকতীয়া, এনিমিক হয়। বেজবৰুৱাৰ দুই-চাৰি পালি ঔষধৰ বাহিৰে বেছিভাগৰ ক্ষেত্ৰতে ডাক্তৰী টনিকৰ ব্যৱহাৰ কমেই হৈছিল। মায়ে তেখেতৰ লগৰ এগৰাকী সগৰ্ভা বোৱাৰী গাঁও ফুৰিবলৈ আহোঁতে সোধা শুনিছিলো,— "আকৌ হ'ব পায় আৰম্ভ হ'ল। ইমান ঘন-ঘনকৈ?"

তেওঁ বিষাদ মনেৰে কৈছিল,— "কি কৰিবা। আমাৰ জানো মাত আছে?"

এখন সম্পূৰ্ণ পুৰুষ-প্ৰধান সমাজৰ যে এইবোৰ স্বাক্ষৰ এতিয়াহে সম্পূৰ্ণকৈ উপলব্ধি কৰিব পৰা হৈছোঁ। এইক্ষেত্ৰত যেতিয়াই মন যায় গিৰিহঁতৰ গুটি সিঁচিবৰ, তেতিয়াই গুটি সিঁচিব। তাত আনৰ মাত মতাৰ কি অধিকাৰ! চৰুক সুধিতো চাউল নবহায়,— এয়েই আছিল যেন মনোভাব।

মা, বৰমাইঁত সাক্ষৰ আছিল। কিন্তু স্কুলীয়া শিক্ষা তেনেই সামান্য আছিল। আমাৰ ঘৰত ধৰ্মীয় কিতাপৰ বাহিৰে অন্য অসমীয়া কিতাপ কম আছিল। বেছিভাগেই 'হোম লাইব্ৰেৰি ক্লাব'ৰ ইংৰাজী কিতাপ আৰু অজস্ৰ বাংলা কিতাপ। দেউতাই খুব কিতাপ পঢ়িছিল। বাতৰিকাগজো আছিল ইংৰাজী। মাইঁতেনো সময় পায় ক'ত? মহাত্মাৰ আন্দোলনৰ কথা, যুদ্ধৰ কথা ঘৰবোৰত আহি পুৰুষ মানুহবোৰে আলোচনা কৰে। তাৰে কাৰণেও ঘৰখনত বহি কথা শুনাৰ আজৰি মাইকী মানুহৰ নাথাকে।

মাইকী মানুহে অনবৰত কিহেৰে ভাত খালা, কি ৰান্ধিলা— এনেবোৰ কথা পাতে কাৰণে দেউতাৰ বৰ খং উঠে। দেউতাই কয়— অইন কথা আৰু নাই নেকিহে? লগ পালেই সেই সামান্য কথাবোৰ।

মাইঁতেনো কি অন্য কথা পাতিব! মাইঁতৰ জগত সেইখনেই। সেই 'ৰান্নাৰ পৰে খাওয়া, খাওয়াৰ পৰে ৰান্না।' মতা মানুহবিলাকৰ আলাপ-আলোচনাৰ টুকুৰা খবৰ যিকণ কাণত পৰে সেয়ে মাইঁতৰ বাহিৰৰ জগতখনৰ লগত সংযোগ।

(পাছলৈ মাইঁতে পঢ়া-শুনাৰ কথা অন্তৰেৰে উপলব্ধি কৰিছিল আৰু মোৰ প্ৰসংগত কৈছিল,— তাই বহুত পুণ্যৰ ফলত জন্ম হৈছে কাৰণেই তাই লোকৰ গেবাৰি খাটিব লগা নহ'ল। তাই মুকলিমূৰীয়া। কিমান ডাঙৰ কপাল তাইৰ!)

মাৰ মানসিক যন্ত্ৰণাও আছিল নিশ্চয় সতিনী থকাটোত। ডাঙৰ মাৰ যন্ত্ৰণা আছিল অপুত্ৰকা হোৱা। যেতিয়া ভনীজনীৰ পিছত এটা-এটাকৈ মোৰ তিনিটাকৈ ভাই উপজিল, ডাঙৰ মায়ে পাকঘৰৰ মজিয়াত বহি হেনো হুৰাওৰাৰে কান্দিছিল,— তিনিটাকৈ হাতীদাঁত হ'ল। মোৰ আৰু ঠাই ক'ত। কিন্তু বৰমাৰ এইবোৰ মনে সজা বা চলন্তি ধাৰণাহে আছিল। দেউতা বৰমাৰ প্ৰখৰতা আৰু সৌন্দৰ্যত বিমুগ্ধ আছিল। আনহাতে দেউতাই মাৰো মিহি মিঠা বৰণ, কলডিলীয়া মুখ, তিলফুল যেন নাকৰ সৌন্দৰ্যৰ প্ৰায়ে প্ৰশংসা কৰিছিল।

নাৰী মুক্তিৰ কথা মনলৈ আহোঁতে সদায়কালতে দেখা এটা অতি কৰুণ কাহিনীলৈ এনে প্ৰসংগত মনত পৰে। আমি এদিন জহকালি দুপৰীয়া ইকাণ-সিকাণকৈ ফুচফুচাই কোৱা শুনিছিলো যে অমুকৰ মাকক গুৱাহাটীৰ কোনোবা আশ্ৰমলৈ পঠাই দিয়া হ'ব। "কেলেই, কেলেই?" "কিবা এটা হৈছে। তেওঁ সদায় তাতেই থাকিবগৈ। ল'ৰা-ছোৱালী ইয়াতে এৰি থৈ যাব লাগিব।" মোৰ বুকু শোকত ভাগি-ছিগি গৈছিল। আয়ে দেহি মাকজনীক এৰি ল'ৰা-ছোৱালীকেইটা কেনেকৈ বাচি থাকিব! মাকজনী কেনেকৈ থাকিবগৈ! কেলেই পঠাই দিছে, কি দোষ কৰিলে তেওঁ? বেজাৰটোৱে বুকুত খামুচি ধৰি থাকিল। বহুকালৰ পাছত জানিছিলো তেখেত তিনিটা ল'ৰা-ছোৱালীৰ মাক, এগৰাকী বিধৱা ব্ৰাহ্মণী আছিল। কোনোবা পুৰুষৰ কুকীৰ্তিৰ তেখেত এদিন বলি হ'ব লগা হ'ল। তেখেত সন্তানসম্ভৱা হ'ল। গৰ্ভ লক্ষণ প্ৰকাশ পোৱাত দোষীক দণ্ড বিহিবলৈ বিচাৰি নাপাই অসহায় মহিলাগৰাকীকে নিৰ্মম নিৰ্যাতন দিলে। তেখেতক আমি এই জীৱদ্দশাত আৰু নেদেখিলো। যি গ'ল গ'লেই। কোনোবাই ক'ৰবাত বেচিলেই নে মৰিলেই? ল'ৰা-ছোৱালীকেইটা ডাঙৰ হ'ল। দদায়েকে সিহঁতৰ বিয়া-বাৰুও দিলে, কিন্তু জীয়েকৰ প্ৰাণত মাকক বিচৰাৰ আকুল গোপনতম আৰ্তনাদ চেপা খাই থাকি গ'ল। যথেষ্ট বয়সত, কেইবাটাও সন্তানৰ মাতৃ জীয়েক পাগলৰ দৰে ৰাতি-ৰাতি মাকক বিচাৰি প্ৰায়ে আলিবাটলৈ ওলাই যায়। শেষত গৈ এদিন ৰে'লৰ আগত পৰি আত্মঘাতিনী হ'ল।

এনেদৰে নিৰ্দয়তম ধুমুহা সৃষ্টি কৰা সেই সময়ৰ পুৰুষ প্ৰধান সমাজ। তেতিয়া বেছিভাগ ছোৱালীৰে পঢ়া-শুনা তেনেই সামান্য আছিল।

সেই সময়ত বিপদত পৰিলে চাওঁতা নহ'লে তাঁতখনহে সহায়ক আছিল। বিপদত পৰা মাকবোৰে কটনা কাটি কাপোৰ বৈ ল'ৰা-ছোৱালী ডাঙৰ কৰিব লগা হৈছিল। স্কুলত ছোৱালীয়ে পঢ়া-শুনা কৰা আৰম্ভ হৈছিল যদিও দুই-চাৰি শ্ৰেণী পঢ়াৰ পাছতে দৰা বিচাৰি বিয়া দিছিল। নিম্ন মধ্যবিত্ত ঘৰৰ ছোৱালীয়ে শাৰীৰিক পৰিশ্ৰম কৰি (মানুহৰ

ঘৰত কেঁচুৱা ৰখা ছোৱালী হৈ, ধান বানি, ধান ভৰিৰে মাৰি, ধান জাৰি, চালি, তাঁত বৈ, বাচন ধুই, পানী কঢ়িয়াই) নিজৰ আহাৰ যোগাৰ কৰিব বা ঘৰত সহায় কৰিব লগা হৈছিল।

পুৱে ধলফাট দিওঁতে-নিদিওঁতেই শুই উঠি ৰাতি দুপৰলৈকে বোৱাৰীয়ে খাটিব লাগে। তাৰে ইফাল-সিফাল হ'লে চৰ, গোৰ, কিল, ভুকু, বকনি-শপনি, সাতগোষ্ঠী উজাৰি গালি পৰা, ফলা খৰিৰে কোবোৱা আদি কিছুমান পাশবিক নির্যাতনো গিৰিয়েকে ঘৈণীয়েকৰ ওপৰত কৰিছিল। অর্থনৈতিক স্বাধীনতা নথকাৰ কাৰণেই নাৰীয়ে সকলোবোৰ নির্যাতন মূৰ তললৈ কৰি সহ্য কৰিব লগা হৈছিল।

এইখিনিতে হাঁহিম নে কান্দিম যেন লগা সত্য উদাহৰণ এটা মাত্র থোৱা হ'ল,— আমাৰে ওচৰৰ এজন মানুহে নিজ পত্নীক গালি নপৰাকৈ মাতিব নাজানিছিল। তেওঁৰ কথাই-কথাই গালি মুখত লাগিয়েই থাকে। ঘৈণীয়েকৰ ভাগৰ আঞ্জাখিনিও খোৱাৰ উদ্দেশ্যেৰে গিৰিয়েকে কয়— "বাপেৰৰ মূৰ ৰান্ধিছ এইবোৰ? এইবোৰ মাছৰ আঞ্জা হ'লনে কি?" বাপেকৰ মূৰ বুলি কোৱাৰ পাছত সেই আঞ্জা ঘৈণীয়েকে কোন সতে খায়! গোটেইসোপা আনি গিৰিয়েকৰ পাততে ঢালি দিয়ে আৰু গিৰিয়েকে পৰম তৃপ্তিৰে ভোজন কৰি উঠি আহে। ঘৈণীয়েকৰ লগত সদায় দন লাগে। চৰ, কিল, ভুকু দিম, ফলাখৰি পিঠিত ফালিম বুলি কোৱাৰ পাছত কয়,— "জোতাৰে কোবাম বাপেকে।" ঘৈণীয়েকে লাহেকৈ জবাব দিয়ে,— "জোতা জানো আছে?" মানুহজনে সদায় শুদা ভৰিৰে ফুৰিছিল। এই সকলোবোৰ ঘটিছিল অশিক্ষা, অর্ধশিক্ষাৰ কাৰণেই। মই এই কথাবোৰ দেখি-শুনি সহ্য কৰিব পৰা নাছিলো আৰু জীৱনৰ প্ৰতি এক বিষাদময় ভাব অহৰহ অন্তৰত হৈছিল। কি কৰিব লাগে তাকো নাজানিছিলো। এহাতে মোৰ প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা মন, আগৰণুৱা মন। মই সৌন্দর্য, পোহৰ, সংগীত ভালপোৱা মনৰ আছিলো; আনহাতে মনটো বৰ কৰুণ, বৰ অকলশৰীয়া এনেকুৱা আছিল। মোৰ চকুহাল হেনো দূৰ-সুদূৰত কিবা বিচাৰি ফুৰা ধৰণৰ আছিল। স্কুল, কলেজ, বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতেও এইবাৰ কথা বহুতে কৈছিল।

যি নহওক নাৰীও যে সমান অধিকাৰ থকা 'মানুহ' এইষাৰ কথা প্ৰতিষ্ঠা কৰিবলৈ বহুত বছৰ বাট চাব লগা হৈছিল। স্ত্ৰীশিক্ষা প্ৰচাৰৰ লগে-লগেহে ফুল কুমলীয়া ছোৱালী বিয়া নিদিয়া, ছোৱালীক স্কুলত পঢ়িবলৈ দিয়া (অন্ততঃ মেট্ৰিক পাছ কৰালৈকে) এইবোৰ কথা আৰম্ভ হৈছিল। আমাৰ সময়ৰপৰাই অৰ্থাৎ প্ৰায় পঞ্চাশ বছৰ আগৰপৰাহে এই সমাজৰ কিছু সলনি হৈছিল। সমাজ সলনিৰ গুৰিতেই আছিল সমগ্ৰ দেশ জুৰি চলা স্বাধীনতা আন্দোলন। এই আন্দোলনৰ ফলত ঘনাই-ঘনাই মিটিংবোৰ অনুষ্ঠিত হৈছিল, গাঁৱে-ভূঁয়ে সংগঠন গঠন আৰু নতুন শিক্ষাৰ প্ৰচাৰ চলিছিল। বন্ধ, অন্ধকাৰ, ঘোপ মাৰি

থকা ঘৰবোৰৰ দুৱাৰ-খিৰিকী যেন লাহে-লাহে মেল খাইছিল, তালৈ বতাহ আৰু পোহৰ সোমাই আহিছিল।

নিম্নবৰ্গৰ মানুহৰ মাজত বাল্যবিবাহৰ কঠোৰ নিয়ম নাছিল। বিধৱা-বিবাহ,— এই কথাটো তেতিয়া উচ্চবৰ্ণৰ মাজত প্ৰচলিততো নাছিলেই, শুনিলেই উচাপ খাই উঠাৰ দৰে উঠিছিল। প্ৰকৃতিৰ বুকুত বেছিকৈ লালিত-পালিত সাধাৰণ কৃষক শ্ৰেণীৰ মানুহবোৰৰ জীৱন বহুত মুক্ত আছিল। ইচ্ছামতে বিয়া কৰাব, পলাই যাব, গুচি আহিব পৰা, পুনৰ বিবাহপাশত আবদ্ধ হ'ব পৰা প্ৰথাবোৰো নিম্ন শ্ৰেণীৰ মাজত আছিল। আনহাতে হিন্দু উচ্চ শ্ৰেণীৰ মহিলাসকলৰ ওপৰতে যেন সমগ্ৰ হিন্দু ধৰ্মৰ সকলো নৈতিকতা ৰক্ষা কৰাৰ দায়িত্ব পৰিছিল। দৰা বুঢ়া হওক, থেৰা হওক, ফুলকুমলীয়াতে ছোৱালী বিয়া দিয়ে, লাগিলে দুদিনৰ পাছত মৰকেই। তেনে বয়সস্থ লোকে ৪/৫ জনীলৈকে ছোৱালী বিয়া কৰাব পাৰে। ঘৰবোৰত বেছিভাগে কমেও দুগৰাকীকৈ বিয়া কৰোৱা প্ৰথা আছিল। বিধৱা বামুণনীয়ে উকা কাপোৰসাজৰ বাহিৰে অন্য একো পিন্ধিব নোৱাৰে, অলংকাৰ পিন্ধিব নোৱাৰে, প্ৰসাধন ল'ব নোৱাৰে, সেন্দুৰ ল'ব নোৱাৰে। চুলিখিনিকো আনকি তীৰ্থত গৈ বিসৰ্জন দিবলৈ কোৱা হয়। তেওঁলোকে মাছ, মাংস, কণী খাব নোৱাৰে; ম'হৰ গাখীৰ, ম'হৰ দৈ, ম'হৰ গাখীৰৰ মাখন খাব নোৱাৰে। আনকি মচুৰ দাইল, নহৰু, পিঁয়াজো খাব নোৱাৰে। এইবিলাক কঠিন নিয়মৰদ্বাৰা এজনী জীয়া মানুহক তিল তিলকৈ মাৰি পেলোৱা হয়।

এই প্ৰসংগত মোৰ দুটা মনত শোক দিয়া কথা মনত পৰে। 'মা' বিধৱা হোৱাৰ পাছত এটা ৰাতি মায়ে খাবলৈ নিৰামিষ ভাতকেইটা বাঢ়ি লৈছে। মই ঘৰত থাকিলে মায়ে খাবৰ পৰত কাষত থাকোঁ আৰু ইটো খোৱা, সিটো খোৱা বুলি বস্তু আগবঢ়াই দিওঁ। মাজে-মাজে মায়ে ভালপোৱা বস্তু ৰান্ধিও খুৱাওঁ। সেই ৰাতি ভাত খাবলৈ বহি ভাতত হাত নিদি মা ঘপকৰে উঠিল আৰু ভাতত পানী ঢালি দিলে। মই অবাক হ'লো,— হ'ল কি হঠাতে? মা কি হ'ল, কি হ'ল বুলি মাৰ পিছে-পিছে গ'লো। মায়ে ক'লে,— "মই এতিয়া গা ধুম।" "গা ধুবা, এই ৰাতিখন? কিয়? কিহৰ কাৰণে?" মায়ে ক'লে,— "শুনা নাই ক'ৰবাত বাঁহী বজাইছে?" মই আচৰিত হৈ সুধিলো,— "তাতে কি হ'ল?" মায়ে ক'লে,— "বিধৱা মানুহে বাঁহীৰ মাত শুনিলে ভাত খাব নাপায়।" "কি? কোন শাস্ত্ৰ এইখন? তুমি এনেয়ে দুৰ্বল, তাতে ভাত নাখালে কেনেকৈ হ'ব?" মায়ে একো নকৈ গা ধুলেগৈ আৰু শুই থাকিলহি। মই জোৰকৈ গৰম গাখীৰ একাপ খুৱালো। খং আৰু দুখে মোৰ অন্তৰ খুন্দিয়াবলৈ ধৰিলে— বাঁহীৰ মাত শুনিলে ভাত খাব নাপায় বামুণৰ বিধৱাই। কিয়? মন চঞ্চল হয় বুলি? ব্ৰত কৰি সামান্য চঞ্চলতাৰো প্ৰায়শ্চিত্ত কৰিব লাগে? এয়েতো? ইমান কঠোৰ অনুশাসন! শিৱসাগৰৰ পিনে বাৰিষাদিনত বৰ

দীঘল বাৰিষা হয়। গৰুগাখীৰ পাবলৈ টান হৈ পৰে, যদিহে ঘৰত বা ওচৰ-চুবুৰীয়াৰ ঘৰত কিনিব পৰাকৈ গাখীৰ নাথাকে। মাৰ নিচিনা বিধৱাসকলৰ তেতিয়া অৱস্থা বৰ দুখ লগা হয়। বিধৱা বামুণ মানুহে ম'হৰ গাখীৰ খাব নোৱাৰে, নিষিদ্ধ। মাক বুজালেও নুবুজে— নিয়ম মানিবই। মই কি কৰিব পাৰোঁ, কেনেকৈ খুৱাব পাৰোঁ বুদ্ধি ভাবিবলৈ ধৰিলো। তেনেতে কেৱল গাইগৰুৰ ছবি থকা মাখনৰ টিনলৈ মনত পৰিল। মাক ক'লো,— "মা চোৱা এইটো গৰুৰ গাখীৰৰ মাখন। তুমি খাব পাৰিবা।"

মায়ে সুধিলে,— "হয় জানো?"

মই ক'লো,— "হয়। বাহিৰততো ম'হ নাই। তুমি বৃন্দাবন, মথুৰাত জানো ম'হ দেখিছিলা?"

মায়ে মনত পেলাই ক'লে, "নাই দেখা।"

"সেয়া মই কৈছোঁ নহয়, বাহিৰত ম'হ নয়েই। চব গৰু। সেইকাৰণেই এইখন ছবি। তুমি এয়া গৰুৰ গাখীৰৰপৰা কৰা মাখন, খোৱা।"

মায়ে ক'লে,— "ৰ'বি ৰ'বি, মাজুবৌকো (যাদৱ ঠাকুৰৰ মাক) কৈ আহোঁগৈ, তেখেতেও খাব পাৰিব।"

সেইমতেই গৈ মাজুবৌৱেকক ক'লৈগৈ। লগতে ক'লে,— "আমাৰ মাকণে গোটেইখন ঘূৰি ফুৰে নহয়, তাই চব দেখিছে। আমাৰ অসমৰ বাহিৰে ক'তো ম'হ নাই বুলি কৈছে, তাই মিছা কথা কেতিয়াও নকয়।" মই প্ৰমাদ গণিলো।

১৯৫৫ চনত সাৰদা আইন পাছ হ'ল যদিও সমাজ লগে-লগে সংশোধিত নহ'ল। বিধৱা মানুহৰ সপক্ষে আৰু আমাৰ হিন্দু প্ৰচলিত সংস্কাৰৰ বিৰুদ্ধে মই মানৱীয়তাৰ দৃষ্টিভংগীৰপৰা কেইবাটাও কঠোৰ প্ৰবন্ধ পাছত লিখিছিলো। মানুহৰ প্ৰতি মানুহৰ এনে নিৰ্মমতাত মই অতিষ্ঠ আৰু সম্পূৰ্ণ বিৰক্ত হৈছিলো। চকুৰ আগতে লোকনাথ মামাৰ ভনীয়েক অন্নবাই আৰু ভবানী বাইদেউক দেখিছিলো। ৭/৮ বছৰীয়া, শান্তি বিয়া নিদিয়া ভবানী বাইদেউৰ দৰাৰ টান অসুখ বুলি খবৰ অহাত গৰুগাড়ী এখনত তুলি দৰা ঘৰলৈ নিওঁতে বাটতেই শুনিলে যে দৰাৰ মৃত্যু হৈছে। গাড়ী পিতৃগৃহলৈ উভতি আহিল। ভবানী বাইদেৱে নাজানিলেই তেওঁৰ কি হেৰাল, কোন মৰিল, তাৰ বহুত দিনৰ পাছত হেনো ভবানী বাইদেউ পুষ্পিতা হৈছিল। ফুল কুমলীয়া অন্নবাইকো সাত-আঠ বছৰতে কোলাত তুলি গৌৰী দান কৰা হৈছিল। দৰাৰ মুখেই দেখা নাছিল। এদিন খবৰ আহিল বহুত দূৰত থকা দৰাৰ হেনো মৃত্যু হ'ল। লগে-লগে সকলো নিষ্ঠুৰতা তেওঁৰ ওপৰত বৰ্ষিত হ'ল। নিৰামিষ খোৱা, মাহে-মাহে ঋতুস্ৰাৱৰ তিনিদিন সিদ্ধান্ন খাব নোৱৰা, নিম্নস্তৰৰ কপাহী উকা সাজপাৰ পিন্ধা ইত্যাদি। ককায়েকৰ পৰিয়ালৰ লগতে চিৰদিন তেওঁলোকৰ সুখত সুখী, দুখত দুখী হৈ, পৰিয়ালটোৰ দুবেলা ভাত ৰান্ধি-ৰান্ধিয়েই অন্নবাই জীৱনটো

কটালে। সুখ-দুখ, কামনা-বাসনা পুৰি ছাই হৈ যোৱা শ্মশান এখনৰ দৰে কি সেই দাৰুণ ৰূপ! ৰং সম্পূৰ্ণ শেঁতা, শুকান-শুকান হাত-ভৰি, চকুত নিস্পৃহ, অটল কৰুণতা। এটা হাহাকাৰৰ যেন প্ৰতিমূৰ্তি। পৃথিৱীৰ যেন সকলোতকৈ এলাগী, সকলোতকৈ ডাঙৰ অপৰাধী তেনেই এক সংকুচিত জীৱন। তেওঁবিলাকৰ কাৰণে আকাশো নাছিল, মাটিও নাছিল, বতাহো নাছিল। আছিল মাথোঁ এক নিৰ্জীৱ জীৱন।

আমাৰ ঘৰৰ পিছফালৰ যে ডাঙৰ পুখুৰীটো, মোৰ চেতন-অবচেতনত এই পুখুৰীটোৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ। মোৰ ৰাশি কৰ্কট (কেঁকোৰা) কাৰণেই নেকি পানী ইমান ভাল পাওঁ! চকুৰ পানীৰ বাহিৰে সকলো পানী— জুৰি, নৈ, ঝৰ্ণা, লুইত, সাগৰ সকলোৰে পানী; আনকি বৰষুণৰ পানীও। পানী হয়তো ঠিক নহয়— বৰষুণৰ শব্দটোহে।

ঘোৰ অন্ধকাৰ
শিলা বৰষিলে
নুশুনি প্ৰজাৰে মাত।
পালি পহৰীয়া
সবে নিদ্ৰা গৈলে
উপজিলে জগন্নাথ।।
গোসাঁই উপজিলে
কলমৌৰ পাততে
পদ্মৰ পাতলৈ থ'লে।
কিনো নিদাৰুণ
বসুদেৱ দৈৱকী
গোসাঁইকে গকুলত থ'লে।।

এই যে কলমৌ পাত! আমাৰ ডাঙৰ পুখুৰীটোৰ পূবৰ পাৰটোৰ কাষত, বাঁহৰ দলংখনৰ য'ত আৰম্ভণি তাৰ ওচৰতে কলমৌ বহুত আছিল। পশ্চিম পাৰে আছিল গান্ধ বিৰিণা। সৰুৰেপৰা আইসকলৰ মুখত কলমৌ পাতত গোসাঁই ওপজা বুলি শুনি, সুবিধা পালেই পুখুৰীপাৰলৈ পাঁচ-ছবছৰীয়ামানৰপৰাই গৈ-গৈ কলমৌ পাত জুপি-জুপি চাওঁগৈ। ইমান অকমানি কলমৌ পাতখিলাত গোসাঁই কেনেকৈ শুইছিল! পদ্মৰ পাততো ডাঙৰেই— নামঘৰৰ পুখুৰীত দেখিয়ে আছিলো। এদিন আবেলি বাঁহৰ দলংখনত বহি তললৈ মূৰ কৰি কলমৌ পাত চাই থাকোঁতে হঠাতে হবলসকৰে পানীত লুটি খাই পৰিলো। ভাগ্যে মোক বিচাৰি মা সেইখিনিত উপস্থিত হৈছিলগৈ। মই পানীত পৰা দেখিয়েই মায়েও জাঁপ মাৰি দিলে। মায়ে সুন্দৰকৈ সাঁতুৰিব জানিছিল। দেউতাৰতো কথাই নাই।

মায়ে মোৰ চুলিখিনিতে ধৰি ওপৰলৈ কেঁকো-জেকোকৈ তুলি আনিলে। চলিত বিশ্বাসমতে দেউতাই পানীত নামি জাকৈ এখনেৰে আয়ুস তুলিলে।

পানীত পৰি জুৰুলী-জুপুৰী হ'লো, ভয়ো খালো, তথাপি কলমৌ পাতৰ বিস্ময়, খ্-দুৱনি আজিলৈকে নুগুচিল। এইটো অৰ্থ থকা নামনে? মানে কলমৌ পাতত ওপজা শাৰীটো? নে নিৰৰ্থক এটা শাৰী? কলমৌ পাতত উপজিবৰ হ'লে গোসাঁই চকুৰে নেদেখা এটোপ পানীহে হ'ব লাগিব। আকাশৰ নীলা প্ৰতিফলিত হোৱা পানী? বিশ্বৰূপৰ সূক্ষ্মতকৈও সূক্ষ্মতম অংশ? — এইবোৰ চিন্তা এতিয়াৰ। তেতিয়াৰ নহয়।

পুখুৰীৰ পানীখিনি আছিল মোৰ নিভৃত মনৰ নীলাভ সংগী। মোৰ আৱেগময় চকুপানীৰ গোপন দৰ্শক। কিবা দুখ, অভিমান, বা আৱেগেৰে যেতিয়াই বুকুখন ভৰি উঠা যেন লাগে মোৰ একান্ত সংগী পুখুৰীটোৰ পাৰত গৈ বহোঁ। পুৱাৰ নিয়ৰ, দুপৰীয়াৰ নিজান বতাহত চনচনাই সনসনাই উঠা বাঁহৰ পাত, গছৰ আঁৰৰ চৰাইৰ মাত, আবেলিৰ হালি পৰা বেলিৰ পুখুৰীৰ পানীত জিলিকা ৰহণ,— আটাইবোৰ যেন মোৰ সুখ-দুখৰ সংগী হয়। মই মন উজাৰি পুখুৰীপাৰত গান গাওঁ। পুখুৰীপাৰৰ তৰুৱা কদমজোপা হালধীয়া কোমল ফুলেৰে উপচি থাকে। তাৰে তলত সৰুতে বাঁহী এটা লৈ থিয় হৈ ত্ৰিভংগ ভংগীত কৃষ্ণ হওঁ, ভনীজনী হয় ৰাধা। দিঠকত মই সাঁতুৰিব নাজানো, সপোনত এই বয়সলৈকে সেই পুখুৰীৰ পানীত বিভিন্ন লীলাভংগীৰে মই সাঁতুৰি ফুৰোঁ। কি যে এক অদৃশ্য মায়া! পুখুৰীটো এতিয়া নাই। সেই কাৰণেই মই ঘৰলৈ যাব নোৱাৰোঁ। গ'লেও পিছফালে চাব নোৱাৰোঁ। পুখুৰী নথকা মাটিখিনি মই কেনেকৈ চাম! মোৰ অন্তৰে হাহাকাৰ কৰে।

ঘৰখনৰ চৌপাশে আছিল নানান সুগন্ধি গছ। আহিন মাহ আহিলেই আগফালৰ শেৱালিজোপা ফুলেৰে উপচি পৰে— সেউজীয়া ঘাঁহনিত বগা হৈ শেৱালি ফুলবোৰ সৰি থাকে। গোন্ধে আমোলমোলাই যায়। ড্ৰয়িংৰুমৰ মুখতে দেউতাই বিভিন্ন ৰঙৰ গোলাপৰ ডাল একেলগ কৰি ৰুইছিল। একেজোপা গোলাপতে ৰঙা, গুলপীয়া, বগা বিভিন্ন ৰঙৰ ডাঙৰ-ডাঙৰ গোলাপ ফুলে। আগফালেই বাওঁহাতে দুজোপা স্থলপদ্ম। ফুলবোৰৰ পুৱা শুভ্ৰ ৰং, দুপৰীয়া গুলপীয়া, আবেলিলৈ ৰঙচুৱা হৈ পৰা দেখিছিলো। মোৰ কাৰণে এইটো বিস্ময়কৰ আছিল। চ'ৰাঘৰৰ ৰেলিঙৰ ওপৰত ফুলিছিল বাট গুৱামালী লতা। লক্ষ্মীপূজাৰ সময়ত বগা জোনাকৰহে যেন মেলা বহে— ইমান ধুনীয়াকৈ ফুলে। এবাৰ লক্ষ্মীপূজাত কবি কেশৱ মহন্ত আৰু প্ৰয়াত মাখন দেৱান আমাৰ ঘৰলৈ গৈছিল। আকাশত জোনৰ পোহৰ, চোতালত বাট গুৱামালীৰ পোহৰ, গোসাঁইঘৰত বগা-বগা আখৈৰ পোহৰ— ৰূপালী পোহৰেৰে চকু ছাটমাৰি ধৰা বুলি কৈছিল তেওঁবিলাকে। ভিতৰ চোতালত গধূলি গোপালৰ জোপোহাবোৰ। গধূলি গোপাল

নামটোৱে মোক বৰ আকৰ্ষণ কৰিছিল। গোসাঁইৰ ৰং যদি নীলা, ফুলবোৰ কিয় হালধীয়া, বেঙুনীয়া? এই প্ৰশ্নটোৰ মই উত্তৰ পোৱা নাছিলো। পাছতহে ভাবি পালোঁগৈ গধূলি ফুলে কাৰণেই গধূলি গোপাল। সন্ধিয়া গৰু লৈ গোপাল ঘৰলৈ উভতি আহে কাৰণেই চাগৈ গোপাল বুলি কৈছে ফুলক। সুগন্ধৰ কাৰণেই শেৱালিৰ লগতে খৰিকাজাঁই ফুল বৰ আদৰৰ আছিল। তদুপৰি বাৰীখনত আছিল নাচপতি আৰু প্লাম ফুলৰ শোভা, বেলফুল, ৰবাব টেঙা ফুলৰ মৃদু গোন্ধ। পুখুৰীৰ পাৰে-পাৰে আছিল মণিৰাজ আৰু ভূমিচম্পা। দেউতাই বিভিন্ন চৰাইৰ মাত শুনিবলৈ শিকাইছিল। মায়ে শিকাইছিল 'কৃষ্ণ গোপাল' বুলি সুস্বৰিৰ দৰে মতা চৰাইটোৰ মাত। মই পুলকিত হৈছিলো আৰু গধূলি গোপাল আৰু কৃষ্ণ গোপালৰ মাতত অবুজ শিহৰণ জাগিছিল। জাগতিক আনুভূতিক এই সম্পৰ্কবোৰ বৰ সূক্ষ্ম। ঘৰৰ ডাঙৰ পুখুৰীটোৰ লগতো আছিল চাগৈ মোৰ এই আনুভূতিক সম্পৰ্কই। কিয় এনে সম্পৰ্ক হৈছিল? তৰুৱা কদমৰ কাৰণে? কলমৌ পাতৰ কাৰণে? সৰু ল'ৰা-ছোৱালীয়ে সৰুতে শুনা গীত, কবিতা, কাহিনীয়ে গোটেই জীৱন কেনেকৈ ক্ৰিয়া কৰি থাকে! চৌপাশৰ সুন্দৰ বস্তুবোৰৰ লগত সম্পৰ্ক এটা স্থাপন কৰাৰ শিক্ষা বিভিন্ন উৎসৱ আৰু পূজা-পাতলত আছিল। নামঘৰত তিথি-মহোৎসৱবোৰত পদূলিত কলপুলি পোতা হয়। বিয়া-বাৰুবোৰতো। দীপান্বিতাত শাৰী-শাৰী কলপুলি পুতি পোহৰৰ উৎসৱ কৰা হৈছিল। কলপুলিৰ লগত যেন এটা পবিত্ৰ সম্পৰ্ক আমাৰ। তেনেকৈ আমগছ, বেলগছ, তুলসী গছৰ লগতো। হিন্দু সংস্কৃতিৰ এইটোৱেই তাৎপৰ্যপূৰ্ণ কথা যে সকলোৱেই প্ৰাণময়— সকলোতে একোটা কাহিনী (Myth) জড়িত হৈ অৰ্থপূৰ্ণ কৰি ৰাখিছে।

আজিকালিৰ পাকঘৰবোৰৰ আগৰ সৌষ্ঠৱ নাই, চৌকাবোৰ নাই। তাৰ ঠাইত হ'ল ষ্টʼভ, লাহে-লাহে হ'ল গেছ। খোৱামজিয়া এখন বিচাৰি পাবলৈ আজিকালি টান। কাৰণ ডাইনিং টেবুলহে সেই ঠাইত সগৌৰৱে থিয় হ'ল। দেশ আগবঢ়াৰে এইবোৰ পৰিচায়ক— ই সঁচা কথা। কিন্তু অসমৰ নিজা বিশেষত্ব ইয়াত হেৰাল। চীনদেশৰ মিউজিয়ামত ৰান্ধনিশাল, ঢেঁকীঘৰ, মাৰলঘৰ, চ'ৰাঘৰৰ আৰ্হি দেখিছিলো। সেইবোৰ একেবাৰে আমাৰ প্ৰাচীন ঘৰবোৰৰ দৰে। আমাৰ ইয়াতো প্ৰদৰ্শনীত এতিয়া দেখুউৱা হয় আগৰ দিনৰ জীৱনযাপনৰ আৰ্হি, পাকঘৰ, চৌকাত থকা খৰিৰ জুই, পাভটি চাং। এইবোৰ এতিয়া আমাৰ ঘৰবোৰত নাই কাৰণে ৰান্ধনিশালখন সজীৱ যেন নালাগে। বম্বে, দিল্লীৰ এটা পাকঘৰ, আজিকালিৰ আমাৰ এটা পাকঘৰ একেই হ'ল— একে গেছ, একে কাপবʼৰ্ড, চীনামাটিৰ একে ডিছ, একে কাপ-প্লেট। বানকাঁহী, বানবাটিৰ এতিয়া ঠাই ক'ত? একে ধৰণৰ বাচনত খায়, একে শাৰী, একে নাইটি পিন্ধে, ডা-ডাঙৰীয়াৰ ঘৰৰ লগত সৰ্বসাধাৰণৰ ঘৰ কিছুমান কথাত এক হৈ পৰিল। এইবোৰে

কিছু বস্তুৰ বিলুপ্তি ঘটালে, কিন্তু তাৰদ্বাৰা সাম্যবাদ আহিছেনে?

মই ক্লাছ ফ'ৰ-ফাইভমানৰপৰাই মানুহৰ অৰ্থনৈতিক বৈষম্যৰ কথা অকণ-অকণকৈ জনা হৈ আহিছিলো। আমাৰ ঘৰলৈ দৰিদ্ৰ পৰিয়ালৰ সম্বন্ধীয় মানুহো থাকিবলৈ আহে। হয়তো বৰসবাহতে আহিল, লক্ষ্মীপূজাতে আহিল। সকাম হৈ যোৱাৰ পাছত তেওঁবিলাকে মুখেৰে আজি যাম, কালি যাম কৰি থাকিলেও আচলতে যাবৰ মন নকৰে। মায়ে মোক আনে নুশুনাকৈ কয়— "আয়ে, ঘৰত গৈ খাবই বা কি, কৰিবই বা কি! ইয়াতে থাকি দুদিনমান খাই-বৈ দেহাটো অলপ টনকিয়াল কৰক।" মই থৰ লাগোঁ আৰু চকুপানী সৰি পৰে। তেওঁবিলাক যাবৰ সময়ত মায়ে পাঁচ সেৰ, দহ সেৰ চাউলৰ টোপোলা কৰি বাকচত ভৰাই দি পঠায়। মায়ে নিজলৈ দুযোৰমান মাত্ৰ কাপোৰ ৰাখি সকলোবোৰ তেওঁবিলাকক দি দিয়ে। মই সৰুতেই ঘৰলৈ ফটা-ছিটা কাপোৰ পিন্ধা মগনীয়া আহিলে দেউতাৰ আলনাত থকা চুৰিয়া-কামিজ সোপাকে নি দি দিছিলো। মায়ে সেইদেখি মোৰ নাম দিছিল 'ভোলানাথ'— 'জগতক বৰ দি আপুনি নাঙঠ'। মানুহবোৰৰ দুখ দেখি মই ৰাতিও শুব নোৱাৰোঁ। লেপৰ তলত সোমাই কান্দি থাকোঁ। কিন্তু সেই দুখ নিগাজিকৈ কেনেকৈ দূৰ্ কৰিব পাৰি তাৰ উপায় নাজানিছিলো। কেৱল ভাবিছিলো ডাঙৰ হ'লে কিবা এটা কৰিম। কিন্তু কিয়েইবা কৰিব পাৰিলো! ক্লাছ ফাইভ-ছিক্সত এই কথাবোৰে মোক ভিতৰি-ভিতৰি খুলি-খুলি খাইছিল। কোনোবা এটা কবিতাত মানুহবোৰ লগ লাগি এই দুখবোৰ গুচোৱাৰ কাম কৰিব লাগে বুলিও লিখিছিলো। সেইবোৰ আছিল স্পৰ্শকাতৰ মনৰ নিতান্তই আবেগিক পদ্য। তেনেকুৱা ধৰণৰ অৰ্থনৈতিক সমস্যা আঁতৰাব পৰা কোনো কিতাপ মই পঢ়া নাছিলো, মানে পঢ়িবলৈ পোৱা নাছিলো। দেউতাক সোধা নাছিলো এই ভাবিয়েই যে দেউতায়ো চাগৈ নাজানে। দেউতাই যি জানে তাকে কৰিছে— মানুহক বিনা পইচাই দৰব দিছে, পুখুৰীৰ পানী দিছে।

দুখীয়াৰ অতিপাত দুখৰ কথা থকা এখন আগফাল-পিছফাল ফটা কিতাপ মই আমাৰ ঘৰত পাই পঢ়িছিলো। কিতাপখন আছিল বাংলা ভাষাৰ। কিতাপৰ নাম, লেখকৰ নাম একো মনত নাই। লেখকৰ নাম থকা কাগজখিলা নাছিলেই।

ঘৰৰ গিৰিহঁতজনে যজমানী কৰে। তেওঁ বহুত দিনৰ কাৰণে শিষ্যৰ ঘৰে-ঘৰে ফুৰিবলৈ ওলাই যায়। ঘৰখনে একেবাৰে লঘোণতে কাল কটায়। এদিন বুঢ়া মানুহজন ঘৰলৈ উভতি আহিছে। মোনাত চাউল আনিছে। গোটেই ঘৰ আনন্দত উত্ৰাৱল। ঘৈণীয়েকে বুঢ়া দেহাৰেই কঁপি-কঁপি চচপেনত ভাত বহাইছে, ভাততে আলু দিছে। উতলা ভাতৰ গোন্ধত এতিয়াই ভাত খাবলৈ পাব বুলি গোটেইঘৰ মতলীয়া হৈছে। কথাবোৰ এতিয়া ভালকৈ মনত নাই কিন্তু জীৱনত প্ৰথম এনে দুখৰ কাহিনী পঢ়িছিলো আৰু দুখৰ ছবিয়ে থৰ লগাইছিল যেন হাত-ভৰিহে কঁপিছিল। চিনেমা চাই শিকিবলৈও

আমাৰ দিনত এতিয়াৰ দৰে চিনেমা নাছিল। মেট্ৰিক দিয়ালৈকে মাত্ৰ দুখন ছবিহে চাইছিলো ঃ 'মুক্তি' আৰু 'গোপাল কৃষ্ণ'।

লাক-পাকুৰকুৰ পাৰ চৰাই, লাক-পাকুৰকুৰ মাত..... সেই যে বগা, পখৰা, ধোঁৱা বৰণীয়া পাৰ চৰাইৰ আমাৰ ভিতৰৰ চোতাল উপচি পৰা জাকটো— ৰূপ দি-দি থকা মাতবোৰ। মামাইঁতৰ ঘৰৰ পুখুৰীত তেনেকৈ হাঁহৰ জাক দেখিছিলো। আমাৰ ঘৰত হাঁহ নাছিল— আছিল ডাঙৰ পুখুৰীটোত বৌ, বাহু, চিতল, কান্ধুলি, এলেং, ভাঙোন, পুঠিমাছৰ অনন্য ভাণ্ডাৰ। মই পুখুৰীৰ জীয়া মাছ বৰশী বাই ধৰা দেখিলে বৰ দুখ পাওঁ। আনকি সজাত থকা মইনা, ভাটৌৰ দুখো সহ্য কৰিব নোৱাৰোঁ; সজা খুলি মেলি দিওঁগে।

দুখীয়াৰ দুখবোৰ কেনেকৈ গুচিব— এইষাৰ কথা সুধিবৰ মোৰ মন গৈছিল হেডমাষ্টৰ ককাক— আগতে উল্লেখ কৰা, আমাৰ ঘৰৰ ওচৰৰ ৰত্ন শৰ্মা ককাক। ককা বৰ গুৰুগম্ভীৰ মানুহ আছিল। তেখেতে যেন সকলো কথা জানে। আগফালৰ চ'ৰাঘৰৰ ইজিচেয়াৰ এখনত বহি চছমা পিন্ধি কাগজ পঢ়ি থাকে। এইখন ঘৰ মাৰ ফালৰপৰা দূৰ সম্বন্ধীয়া। ককা মাৰ সম্বন্ধীয় খুৰাক। ইফালে তেখেতৰ পত্নী প্ৰেমবালা দেৱী মাৰ সম্বন্ধীয় বাইদেৱেক। প্ৰেম বাইদেউৰ ঘৰলৈ, মায়ে যাবলৈ বৰ ভাল পায়। ডিব্ৰুগড়ৰ জীয়াৰী 'প্ৰেম বাইদেৱে' টপৰকৰে সৰু কেৰাহী এখনত ফুলা-ফুলা লুচি কৰি খুৱায়। মন যায় যদিও ককাক মোৰ মনৰ কথা ক'বলৈ বৰ ভয় লাগে। বগলীৰ পাখি যেন বগা-বগা কাপোৰ পিন্ধা মাৰ 'প্ৰেম বাইদেউ' আৰু তেখেতৰ ডাঙৰ জীয়াৰী 'বি' বাইদেউকে চাই গৰম লুচি খাই উভতি আহোঁ। মন গৈছিল সুধিবলৈ আমাৰ ঘৰৰ আগেদি অহা-যোৱা কৰা বেজবৰুৱা স্কুলৰ চোকা মাষ্টৰ, দেখাত ধুনীয়া লক্ষ্মী শৰ্মা মামাকো। পিছে মামাই হেনো অংকহে শিকায়। এইবোৰ কথা বা চিন্তা কৰে নে নকৰে? মনৰ দুখ মনতে লুকাই থাকে। এদিন মাকে সুধিলো,— "মা মানুহ কেলেই দুখীয়া হয়?" মাই ক'লে,— "যোৱা জন্মত পাপ কৰিলে। লক্ষ্মীবস্তু ধান-চাউল অনাদৰ কৰিলে।" বৰমাই ক'লে,— "মানুহ এলেহুৱা হ'লে।" কোনটো বা সঁচা?

এনে বুজা-নুবুজাৰ বয়সতে, তেনেই কুমলীয়া অৱস্থাতেই মোৰ বিয়াৰ খবৰবোৰ আহিবলৈ ধৰিলে। বৰমা, দেউতা, মা আটায়েই মোক পঢ়োৱাৰ পক্ষপাতী আছিল যদিও সমাজৰ নিয়মৰ প্ৰতি বৰমা, মাইঁতৰ ভয় আছিল। নিয়ম ভংগ কৰাৰ কথা তেওঁবিলাকে ভাবিব নোৱাৰিছিল। দেউতাৰ অৱস্থা যেন দুই নাৱত দুই ভৰিৰ দৰে হৈছিল। দেউতা প্ৰতিক্ষেত্ৰতে আছিল অকলশৰীয়া। এই কথাবোৰ স্পষ্টভাৱে ভাবিব পাৰিছোঁ এতিয়াহে।

যোৰহাটলৈ বিয়া এখন খাবলৈ সেই ন বছৰতে বাওঁতে এঘৰ মানুহৰ ঘৰলৈ আমি ফুৰিবলৈ গৈছিলো। তাৰে বাৰাণ্ডাৰ খুঁটা এটাত ধৰি মই আৰু ভণ্টিয়ে খেলি আছিলো।

মানুহঘৰে মোক দেখিয়েই কি কাৰণত জানো মনে-মনে সৰু পুতেকলৈ পছন্দ কৰিলে আৰু সেইমতে পাছত এদিন আমাৰ ঘৰলৈ ছোৱালী খুজিবলৈ আহিল আৰু ইমান নেৰা-নেপেৰাকৈ লাগিল যে আমাৰ ঘৰখন নিৰুপায় হ'ল। ছোৱালী পুষ্পিতা হোৱাৰ আগতে বিয়া দিবই লাগিব; ইফালে দৰাঘৰে চোৱা মতে যোৰাও ৰাজযোৰা হৈছে হেনো। ইও এটা চাবলৈ গ'লে অসন্মানজনক কথা বুলি এতিয়া ভাবিব পৰা হৈছোঁ— কেৱল দৰাঘৰেহে কিয় যোৰাটো চোৱায়? দৰাঘৰ, কইনাঘৰ দুয়োঘৰ মিলি নোচোৱায় কিয়? দৰাঘৰে যদি মিছাকৈও কয়, কইনাঘৰে নাজানে। তোমাৰ বা আপোনাৰ ছোৱালীজনীৰ কোষ্ঠীৰ নকল এটা পঠাবাচোন বা পঠাবচোন বুলি ক'লেই ছোৱালীঘৰে ধন্য হৈ নকল দি পঠায়। দৰাঘৰে নিজা জ্যোতিষীক দেখুৱাই বা নেদেখুৱাই যোৰা "আহিল" বা "নাহিল" বুলি কৈ দায়িত্ব পালন কৰে।

সেই সময়ত দুৰ্গাপূজা। সপ্তমী নে অষ্টমী। মই আৰু মোৰ ভণ্টিয়ে ধুনীয়া ফ্ৰক পিন্ধি, কলাফুললৈকে পৰা বগা মোজা আৰু জোতা পিন্ধি ব'ৰ্ডিং ফিল্ডৰ কাষেদি দুৰ্গাপূজা চাবলৈ লগৰ ছোৱালীৰ লগত আগবাঢ়ি গৈ থাকোঁতেই ঘৰৰ লগুৱা এজনে দৌৰি-দৌৰি গৈ আমাক ক'লেগৈ যে "ঘৰলৈ আলহী আহিছে আৰু তোমালোকক এতিয়াই মোৰ লগতে মাতিছে।" কথাটো শুনি পূজা চোৱাৰ আনন্দত বাধা পৰাত মনত দুখ পালো যদিও ঘৰৰপৰা মাতিছে বুলি কৈছে যেতিয়া আদেশ অমান্য কৰাৰ নিয়ম আমাৰ নাছিল। আমি বেজাৰ মনেৰে ঘৰলৈ উভতি গ'লো। গৈ পোৱাৰ লগে-লগে মায়ে পিছফালৰ বাটেদি ভিতৰলৈ নি শাৰী এখন মোক পিন্ধাই দিলে, জোতা-মোজা খুলি দিলে আৰু আগফালে বহি থকা আলহীক তামোলৰ বঁটা দিবলৈ পঠালে। কোন আলহী, কি কথা একো নাজানো। যেনে আজ্ঞা তেনে কাম। তামোলৰ বঁটাটো দিবলৈ যাওঁতেই টিকটিকীয়া ৰঙা ফোট লোৱা আলহী বুঢ়ী মানুহগৰাকীয়ে "চাওঁ আই এইফালে আহঁা" বুলি কাষলৈ মাতি হাতৰ আঙুলিত এটা আঙঠি পিন্ধাই দিলে। কথা পাতি থকা বৰমাই ক'লে,— "আইতাৰৰ ভৰি চুই সেৱা কৰা।" সেইমতে কৰিলো। কিয় মোক আঙঠিটো দিলে একো নুবুজিলো। বুঢ়া মানুহ হ'লেই সেৱা কৰিব লাগে বুলি কৈছে বুলি ভাবিলো। আঙঠিটো মোলৈ ঢিলা। মায়ে মানুহ যোৱাৰ পাছত সোলোকাই বৰমাৰ হাতত দিলে। তেওঁ আলমাৰিতে থৈ দিলে। মই শাৰী খুলি আকৌ ফ্ৰক পিন্ধি খেলিবলৈ দৌৰ মাৰিলো।

একোকেই নাজানো— অথচ জীৱনৰ এটা বিৰাট পৰ্ব এনেকৈয়ে আৰম্ভ হ'ল। ঘৰত চলা সেই সময়ৰ কথোপকথন মোৰ কাণত পৰিল।

দেউতা ঃ এনেকৈ নেৰানেপেৰাকৈনো মানুহে লাগিব লাগেনে? ছোৱালী লাগ বুলিলে লাগেই। আঙঠিকে পিন্ধাই দিলে সোধ-পোছ নোহোৱাকৈ। আঙঠিনো চাবা কি দু-অনাৰ পিতলুৱা সোণৰ আঙঠি।

বৰমা ঃ যাৰ কন্যা তাৰ বিবাহ।

মা ঃ দৰাঘৰে ছোৱালী লৈ বৰ আগ্ৰহ কৰিলে না বুলি ক'ব নাপায় হেনো।

দেউতা ঃ তাইৰ এতিয়া পঢ়াটো কি হ'ব!

বৰমা ঃ বিয়াহে হ'ব এতিয়া। ছোৱালীয়ে পঢ়ি থাকিব। শান্তি বিয়া নিদিলেতো উলিয়াই দিয়া নোবোলে।

মা ঃ দৰাঘৰ মান্তি হ'ব জানো?

দেউতা ঃ মান্তি কৰাবই লাগিব। মোৰ ছোৱালীয়ে মেট্ৰিক পাছ কৰিবই লাগিব। তাৰ পাছতহে ঘৰ পাতিব। নহ'লে বিয়াই নিদিওঁ।

সেইমতেই দেউতাই দৰাঘৰলৈ লিখিলে। তেওঁলোকে অন্তৰেৰে নহ'লেও মুখেৰে মান্তি হ'ল।

স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী, আজীৱন চিৰকুমাৰী শ্ৰদ্ধেয়া লক্ষীপ্ৰিয়া চলিহা বাইদেৱে মোৰ বিয়া পতা বুলি শুনি আচৰিত হৈ দেউতাক সোধোঁতে তাই পঢ়ি থাকিব বুলি কোৱাও মই শুনিছিলো।

এদিন ৰাতি বৰমাৰ বুকুত শুই থাকোঁতে বৰমাই ক'লে,— "অ মা, তোৰ বিয়া পাতিছোঁ নহয় আমি!" মই সাৰ পায়েই আছিলো। মইনো কি ক'ম! বিয়া পাতিছে পাতক। কইনা-দৰাৰ বিয়া খেলটো আমি খেলিয়েই থাকোঁ। মইতো এই ঘৰ এৰি যোৱাৰ কথাই নাই। মই মেট্ৰিক পাছ কৰিমেই— ফ'ৰ, ফাইভ, ছিক্স, ছেভেন, এইট, নাইন, টেন— বাঃ বহুত বছৰ আছে। পাছৰ কথা একো ভাবিবও নাজানো, ভাবিবৰ দৰকাৰো নাই।

ক্লাছ ফাইভলৈকে ফাৰ্ষ্ট হৈ সকলো বিষয়ত শতকৰা ৯৮ ভাগ নম্বৰ পাই মই পাছ কৰিলো। পাছ কৰাৰ পাছতেই দৰাঘৰে বিয়াৰ দিন ঠিক কৰিলে আৰু দেউতালৈ খবৰ পঠালে যে জোৰোণ আৰু বিয়াৰ খৰচৰ কাৰণে যিমান টকা লাগিব সেইখিনি কইনাঘৰে দিব লাগিব। টকাৰ সংখ্যাটো মই নাজানো। ল'ৰা বি. এ. পাছ। ডিগবৈত কিবা চাকৰি কৰে। বিয়াৰ দিন ঠিক হোৱাৰ পাছত আটায়ে জনাজনি হোৱাৰ পাছত এনে মানুহৰ লগত এনে সম্পৰ্ক কৰিবলৈ আমাৰ ঘৰখনৰ যেন তিতা লাগিল। দেউতা, বৰমাহঁত উভয় সংকটত পৰিল। তেতিয়া কিবা কাৰণত বিয়া ভাগিলে সদায় ছোৱালীজনীৰ গাতহে কিবা দোষ বুলি মানুহে উলিয়ায়। ল'ৰাৰ হাজাৰ দোষ থাকিলেও নোলায়।

দেউতাহঁতে কিমান টকা দিব লগা হ'ল আমি আজিও নাজানো। অসমীয়া সমাজত কইনাঘৰৰপৰা টকা বা সোণ লৈ বিয়া পতা নিয়ম নাই। যৌতুকো দেখাক দেখি আজিকালিহে আৰম্ভ হৈছে। আগৰ দিনত শক্তি চাই ভক্তি। যাৰ যেনে সামৰ্থ্য, তেনেকৈয়ে বস্তু দি বিয়া পাতে। কোনেও নাহাঁহে। কাৰণ সামগ্ৰীৰে বা টকাৰে মানুহে মানুহ তেতিয়া

নুজুখিছিল। মানুহৰ গুণেৰেহে মানুহ।

এই দৰাজনৰ বয়স মোৰ এঘাৰ বছৰ থাকোঁতে একত্ৰিছ হৈছিল। মোতকৈ বিছ বছৰৰ ডাঙৰ। প্ৰথমতে মাক-দেউতাকে বয়স বহুত কম বুলি কৈছিল।

সি যি কি নহওক, দেউতাই কন্যাদান কৰিব বুলি যেতিয়া ভাবিলে বিয়াৰ বৰ ডাঙৰকৈয়ে আয়োজন কৰিলে। পাঁচদিনীয়া বিয়া। নাজিৰা, চণ্টক, শিমলুগুৰি, সোণাৰি, ডিব্ৰুগড়, যোৰহাট, গোলাঘাট, বোকাখাত আদি সকলো ঠাইৰপৰা বিয়ালৈ আলহী আহিল। আমাৰ ঘৰত কোঠাৰ সংখ্যা উনৈছটা। সেই কোঠাবোৰত আলহীৰ কাৰণে বিশেষভাৱে আয়োজন কৰা হৈছিল। বেলেগ ৰভাৰে সজা ঘৰতো আলহীবোৰ থাকিবলৈ ল'লেহি। মাছে-মাংসই সদায় একোটা ভোজ হয়। সম্বন্ধীয় মাইকী মানুহবোৰে খুন্দা চিৰাৰে, দৈৰ কলহেৰে, কোমল চাউলেৰে, ঘৰতে মিঠাইৱালা বহি কৰা মিঠাইৰে ঘৰ আমোল-মোলাবলৈ ধৰিলে। বেণ্ডপাৰ্টি আহিল। মই বেণ্ডপাৰ্টিৰ লগ নেৰা হ'লো। ইটো বজোৱা, সিটো বজোৱাকৈ পিছে-পিছে ঘূৰিবলৈ ধৰিলো।

আমাৰ ঘৰত গ্ৰাম'ফোন এটা আছিল আৰু সেই সময়ৰ বহুত গানৰ ৰেকৰ্ডো আমাৰ ঘৰত আছিল। নতুন পৰ্দা আঁৰা ঘৰৰ মাজৰ কোঠা এটাত গ্ৰাম'ফোনটো মই খুব বজাইছিলো। ঘৰত এটা ইমান ডাঙৰ উৎসৱ হৈছে! মই তেনেকৈহে অংশগ্ৰহণ কৰিছিলো।

সময়মতে জোৰোণ হ'ল। এসোপামান মানুহ আহি মোক তেল, সেন্দূৰৰ ফোঁট দিলে, শিৰত সেন্দূৰ দিলে, নতুন কাপোৰ, আ-অলংকাৰ পিন্ধালে আৰু খাই-বৈ গ'লগৈ। মোৰ মনত একো প্ৰতিক্ৰিয়া নাছিল। একেবাৰে পুতলা বিয়াৰ নিচিনাকৈয়ে লৈছিলো। কেৱল কাপোৰৰ কইনাৰ ঠাইত লৰচৰ কৰিব পৰা কইনা। জোৰোণৰ মানুহ যোৱাৰ পাছতেই সকলো কানি-কাপোৰ, আ-অলংকাৰ সোলোকাই থৈ চেক-চেক দিয়া চোলা এটা পিন্ধি বেণ্ডপাৰ্টিৰ লগত বহি থাকিলোগৈ। গধূলি নোৱাবলৈ তাৰপৰাহে বিচাৰি-বিচাৰি আনিলেগৈ। "হেৰৌ নাপায় নহয় ৰিহা-মেখেলা খুলিব, কিয় খুলিলি?" "এনেকৈ বনবনাই নুফুৰিবি। বিয়াৰ কইনা কেনে গহীন-গম্ভীৰ হ'ব লাগে।" "আজিৰ বাদে কাইলৈ শহুৰী খাটিবলৈ লাগিব। কেঁচুৱা হৈ থাকিলে হ'বনে?"

মানুহবোৰৰ কথা মোৰ গাতে নালাগে। একাণত সোমাই সিখন কাণে ওলাই যায়। আঘোণমহীয়া জাৰত জোৰোণৰ পাছদিনা লগৰ লগৰীয়াৰ লগত ৰবাব টেঙা নিমখ-জলকীয়া সানি খোৱাতহে গুৰুত্ব দিছিলো।

"ছোৱালীজনী সদায় নোৱাব নালাগে। মূৰত পানী অকণ দি আমসাৰ, চাকিসাৰ দি থ'লেই হ'ব। মাহ-হালধিৰ গোন্ধ পালে পুষ্পিতা হোৱাৰ ভয়।" "এৰা, যিহে বাঢ়িছে, বিয়াৰ কেইদিন পাৰ হ'লেই হয়।" মাইকী মানুহবোৰে কোৱা-মেলা কৰিছিল।

বিয়াৰ আগদিনা অধিবাস আৰু গাঁঠিয়ণ। বৈদিক প্ৰথা এটাৰ লগত লৌকিক আচাৰ

গাঁঠিয়ণ খুন্দাও সন্মিলিত হৈ আহিছে। সাধাৰণ মানুহবোৰে হাঁহিবও জানে, হুঁহুৰাবও জানে, কান্দিবও জানে, কন্দুৱাবও জানে। সৰু, সাধাৰণ কথা এটাকে লৈ তেওঁবিলাকে হাঁহে আৰু মন মুকলি কৰে। সাতগৰাকী আয়তীয়ে এখন কাপোৰৰ তলত সোমাই এখন পটাত পটাগুটিটো সাতখন হাতৰ মুঠিৰে ধৰি গাঁঠিয়ণ খুন্দে আৰু গুণগুণকৈ সুমংগল কামনা কৰা গীত গায়। সেই গাঁঠিয়ণ খুন্দি থাকোঁতেই খুন্দা কেইগৰাকীৰ আঁচলত অন্য মানুহে মনে-মনে মূঢ়া, ঢৰা বান্ধি দি ফূৰ্তি কৰে। লাও-কোমোৰাও বান্ধে। গাঁঠিয়ণৰ ফোট পাছদিনা দৰা আদৰোঁতে পিন্ধায়। লগতে পাণেৰে দৈ মন্থন কৰি বিয়াৰ দিনা দোকমোকালিতে দৰা বা কইনাক সেই দৈৰে 'দৈয়ন' দিয়ে। এই বিশ্বাস-আচাৰবোৰে 'বিয়া এখন বৰ্ণাঢ্যও কৰে। ৰাতি অধিবাসৰ পূজা-সেৱা হোৱাৰ পাছত উপবাসে থকা পিতৃয়ে উপবাসে থকা কইনাক কোলাত তুলি আনি হবিষ্যান্ন নিজে খোৱাৰ আগতে তিনিবাৰ কইনাক খুৱাই দিব লাগে। মাৰ মাক আইতাই ক'লে,— "খোৱা মোৰ মাজনী, আজিয়েই দেউতাৰে খুউৱা শেষ ভাত। কাইলৈৰপৰা লোকৰ হ'বা।"

মোক ভাত খুৱাই দিওঁতে দেউতাৰ শোকে খুন্দা মাৰি ধৰিলে। দেউতাই কন্দা দেখি ময়ো কিবা এটা বুজি-নুবুজি কান্দিবলৈ ধৰিলো। মই ক'লৈ যামগৈ! দেউতাই নুখুৱালে কোনে মোক খুৱাব! সেইবোৰ নহ'ব, সেইবোৰ নহ'ব। মই কান্দি-কান্দি লালকাল হৈ শুই পৰিলো।

পাছদিনা দিনটো পিতৃ-মাতৃৰ লগতে কইনায়ো একো খাব নোৱাৰে। পিতৃয়ে কন্যাদান দিব, মাতৃয়ে পিতৃক অনুসৰণ কৰিব, কইনাই বিয়াৰ দৰে পবিত্ৰ যজ্ঞত বহিব। মোক আনকি বুঢ়া-বুঢ়ী মানুহবোৰে গাখীৰ এপিয়লা বা কমলা টেঙা এটাও খাবলৈ দিয়া নাছিল। জীৱনত কোনোদিন উপবাস কৰা নাই। বিয়াৰ দিনা মোৰ গা হালি-জালি পৰিবলৈ ধৰিলে। লুকুৱাই খুউৱাৰো নিয়ম নাছিল। ন-পুৰুষৰ শ্ৰাদ্ধৰ মাহ-প্ৰসাদহে নামমাত্ৰ মোক খাবলৈ দিয়া হৈছিল। নোৱাই-ধুৱাই, সজাই-পৰাই দিয়াৰ পাছত গধূলিৰেপৰাই ৰভাতলতে গাৰুত মূৰ দি, পাটীত গা দি শুই পৰিছিলো। দিনত স্কুলৰ লগৰ ছোৱালীবোৰ আহি লুচি, তৰকাৰি, মিঠাই, দৈ, ক্ৰিম খাই থাকোঁতে মোৰো সিহঁতৰ লগতে বহি খাবলৈ ইমান মন গৈছিল!

মোৰ বিয়াৰ দিনা নিৰ্মম সত্য এটা হঠাতে লক্ষ্য কৰিলো— যিটোৱে মোক অভাৱনীয় আঘাত দিলে। মোৰ বয়স আছিল তেতিয়া এঘাৰ বছৰ।

আমাৰ ঘৰৰ পিছফালে থকা ভাওৰ পুখুৰীটোৰ পাৰলৈ নি, আমাৰ চকুৰপৰা আঁতৰাই কেইবাজনো মানুহে ধৰি-মেলি ছাগলী কাটিছিল। আমি ঘৰত 'বন্ধা মাংস' খাওঁ যদিও এই মাংসনো কেনেকৈ পশু-পক্ষীৰ গাৰপৰা উলিয়ায় সেইবিষয়ে একো জ্ঞান নাছিল। সেইদিনা খোৱা মজিয়াৰ খিৰিকীয়েদি আচম্বিতে ছাগলী কটা দেখি মই নিথৰ হৈ

গ'লো। বেবাই থকা ছাগলীকেইটাৰ মাত মুহূৰ্ততে নাইকিয়া হ'ল। পুখুৰীৰ এইপাৰৰ আওহতীয়া ঠাইখনত তেজেই তেজ হ'ল। শোকে মোক খুন্দা মাৰি ধৰিলে। মজিয়াতে পৰি মই ৰাউচি জুৰি কান্দিবলৈ ধৰিলো। "ছাগলী কেলেই কাটিছে, কেলেই কাটিছে" বুলি মই চিঞৰিবলৈ ধৰিলো আৰু জীৱনত মাংস নাখাওঁ (যিটো মোৰ অতি প্ৰিয় আছিল) বুলি প্ৰতিজ্ঞা কৰিলো। এতিয়াও মই মাংস নাখাওঁ আৰু পশুহত্যাৰ নিৰৱ প্ৰতিবাদ কৰোঁ। বহুকালৰ পাছত বৰ টান অসুখ হওঁতে শৰীৰটোৱে প্ৰ'টিন পাবলৈ জোৰ কৰি মাংস খুৱাইছিল যদিও মোৰ অন্তৰাত্মা সেই ভোগৰপৰা বিৰত আছিল আৰু মই আকৌ মাংস এৰি দিছিলো। মায়ে কৈছিল,— "শাক-পাচলিতো জীৱ আছে, মাছতো আছে। সেইবোৰ খালেও দেখোন জীৱহত্যা হয়। একো নোখোৱাকৈ থাকিব পাৰি জানো?" এই প্ৰশ্নবোৰৰ সঠিক উত্তৰ মই আজিও পোৱা নাই।

ইমান ডাঙৰ বিয়া! তিনিমান বজাৰপৰা অপৰ্যাপ্ত হিলদল ভঙা মানুহৰ সোঁত ববলৈ ধৰিলে। মানুহ দেখি হেনো মাইঁতৰ মূৰ ঘূৰি-ঘূৰি যায়। সোধ-পোছ ঠিকে-ঠাকে হ'ব লাগিব। পাঁচ-ছঠাইত ভাগে-ভাগে মানুহক খুউৱা হৈছিল। গোসাঁই ঘৰত বুঢ়া মানুহ, বিধৱা বুঢ়ী, পাকঘৰৰ আখলত কিছু সধৱা বুঢ়ী মানুহ। মজিয়াত সধৱা আয়তীবোৰ, ৰভাতলত ডেকা-গাভৰু, ল'ৰা-ছোৱালী। বিশেষ কোঠাত দূৰৰপৰা অহা বিশেষ আলহী। কাম কৰা মানুহ, ঢুলীয়া, বেণ্ডপাৰ্টিৰ মানুহৰ কাৰণে বেলেগ-বেলেগ ৰভা। মই মৰলৰ কাষতে পাটীটোত বহি থাকোঁতেই কোনোবা এটা সময়ত গাৰুটোত মূৰ দি সমজুৱা মানুহবোৰৰ মাজতে টোপনি গৈছিলো। নতুন কোনোবাই মোক চাবলৈ আহিলে মোক আন কোনোবাই জগাই দিছিল, কোনোমতে উঠি সপোন নে দিঠকতে নমস্কাৰ দি আকৌ টোপনিত লালকাল দিছিলো। কেতিয়া দৰা আহিল, কেতিয়া হোমৰ গুৰিত বহিলো একো ক'ব নোৱাৰোঁ। দৰা দেখাও নাই, দৰাৰ লগত চিনাকিও নাই, কোনো আগ্ৰহো নাই, কোনো প্ৰতিক্ৰিয়াও নাই। যি কৰিবলৈ কৈছে মাত্ৰ তাকে কৰিহে গৈছোঁ। হোমৰ গুৰিলৈ কইনা নিবৰ হ'ল বুলি কোনোবাই ক'লেহি। ভিতৰলৈ নি মোৰ মুখত পঞ্চামৃত দি গোসাঁই সেৱা কৰাই, মোক কোনোবাই দাঙি নি হোমৰ গুৰিত বহুৱালেগৈ। মই আকৌ তাতে বোলে টোপনি গ'লো। দেউতাই কোলাত তুলি কেতিয়া গৌৰীদান কৰিলে তাকো নাজানো। এবাৰ মাজতে সাৰ পাই কেৱল গানৰ বৈঠকীৰ ভোলা ককাইদেউৰ কণ্ঠৰ ঠুমৰী নে ভজনহে কাণত পৰিছিল। অকমান ছুঁয়ামুয়াকৈ মনত পৰে যে হোমৰ কাষত কিবা শিলত নে পাণত খোজ কাঢ়িবলৈ দিছিল— আৰু একো মনত নাই। কেতিয়া বিয়া শেষ হ'ল, কেতিয়া মোক আহি কোনে ভিতৰৰ পালেঙত শুৱালে ক'ব নোৱাৰোঁ। এবাৰ দাঁতত চামুচ সুমুৱাই দিওঁতে মোৰ জ্ঞান আহিছিল। মূৰত কোনোবাই পানী দি আছে, আটায়ে বেঢ়ি আছে। "ছোৱালীৰ জ্ঞান আহিছে, জ্ঞান আহিছে, ঘৰ

গচকিবগৈ পাৰিব।” কোনোবা এগৰাকী নে দুগৰাকীয়ে ক'লে। বৰমাই আগবাঢ়ি আহি ডাঙৰ মাতেৰে ক'লে— “ঘৰ গচকিবলৈ নিনিলেও একো ক্ষতি নাই। এই অৱস্থাত ছোৱালী যাব নোৱাৰা। খোৱা-বোৱা নাই, ছোৱালীজনী লালকাল দিছে, ফিট হৈ গৈছে, তাতে কিহৰ এইবোৰ নিয়ম।” মানুহকেইগৰাকী মনে-মনে থাকিল। অবুজনৰ দৰে কথা কোৱা দৰাঘৰৰ মানুহকো বৰমাই ক'লে,— “দেখিছানে নাই, ছোৱালীজনী ফিট হোৱা? কানি-কাপোৰ, গহনা-গাঁঠৰি খুলি দি, শুশ্ৰূষা কৰি তাইক স্বাভাৱিক কৰিব নালাগেনে? ছোৱালীজনী মৰিবলৈ দিব নোৱাৰোঁ নহয়।” দেউতাই জনা নাছিল মোক যে এনেকৈ দিনটো একো খাবলৈ নিদিয়াকৈ ৰাখিছে।

দৰাঘৰৰ মানুহ চুপ হ'ল আৰু গ'লগৈ। মোৰ মুখত তপত গাখীৰ অকণ-অকণ দি লাহে-লাহে সুস্থ কৰা হ'ল। শিৰপতা, টেঁটুৱা গলপতা, গধুৰ বানা, দুগদুগী, নেকলেছ ডিঙিৰপৰা খুলি দি মোক বন্দিত্বৰপৰা যেন মুক্ত কৰি উশাহ ল'ব পৰা কৰি দিলে। তাতে দৰাঘৰৰ মানুহে ঘৰ গচকিবলৈ নিবলৈ জোৰ কৰা দেখি দেউতাৰ খং গৈ মূৰৰ চুলি পালেগৈ। এনেয়ে মোৰ অকমান অসুখ দেখিলেই দেউতা বৰ অস্থিৰ হয়। “মই মানুহক ছোৱালী নিদি কচাইক ছোৱালী দিলো। এইবোৰ মানুহ নহয়, কচাই।”

আকৌ প্ৰথম হৈ ক্লাছ ছিক্সলৈ মই প্ৰম'শ্যন পালো। ক্লাছ ছিক্সলৈ উঠাৰ পাছত এবাৰ শ্ৰদ্ধেয় তুলসী নাৰায়ণ শৰ্মা কিবা মিটিঙত স্কুললৈ আহিছিল। মই কিবা এটা বিষয়ত বক্তৃতা দিব লগা হৈছিল। তেখেতে শুনি ইমান ভাল পালে যে মোক 'বাল্যযোগ' নামৰ কিতাপ এখন উপহাৰ দিলে। 'বাল্যযোগ' কিতাপখন পঢ়ি মই বহুত কথা শিকিলো। ছাত্ৰ-ছাত্ৰীসকলে পালন কৰিব লগা অনেক কথা তাত আছিল। লগতে কোন তিথিত, কোন বাৰত কি খাব নালাগে সেইবোৰ কথাও আছিল। দেওবাৰে তিতা, আদা, মচুৰ দাইল খাব নাপায়,— এই কথাটো আজিও মনত আছে। কাৰণ তিতা খাবলৈ খুব বেয়া পাইছিলো আৰু দেওবাৰৰ দিনা তিতাফুলৰ খাৰ, বেতগাজ পোৰা, অথবা তিতাকেৰেলা ভজা মাইঁতে কাঁহীৰ দাঁতিত দি জোৰ কৰিছিল খাবলৈ। বাল্যযোগত লিখা এই কথা পাই মই যেন পৰিত্ৰাণ পাইছিলো। ৰাতি তিতা খোৱাই নহয়। দিনত হ'লে স্কুলৰ কাৰণে লৰালৰি। জোৰ কৰিবলৈ সময় ক'ত! পাছে গৰমৰ বন্ধকে আদি কৰি বন্ধবোৰ আছেই নহয়। যিমানে কাঁহীৰ তলত তিতা লুকুৱাওঁ মা-বৰমাইঁতৰ চকুত পৰিবই— তিতা খাবই লাগিব। নহ'লে ৰাতিপুৱা-ৰাতিপুৱাই চিৰতা পানী। উস কি ব্ৰহ্ম তিতা!

বাল্যযোগৰ পাছত হাতত পৰিল মহাত্মা গান্ধীয়ে নিজে লিখা কিতাপ 'মোৰ সত্য অন্বেষণৰ কাহিনী'। অনুবাদ অমিয় কুমাৰ দাসৰ। অন্য কিতাপতকৈ অলপ বহল আকাৰৰ, পেপাৰ বেক, এই কিতাপখন যেন মোৰ চকুৰ আগতে আছে। লেখাখিনি কি সৰল। কি অপূৰ্ব অনুবাদ! ইমান সুন্দৰ অনুবাদ আন কোনোবাই কৰিব পাৰিবনে!

মহাত্মা গান্ধীয়ে নিজৰ জীৱনীখনক জীৱনী বুলি কোৱা নাই। কৈছে সত্য অন্বেষণৰ অভিজ্ঞতা বুলি। সঁচাকৈয়ে জীৱনটোতো অভিজ্ঞতাৰেই সমষ্টি। 'সত্য' বিচাৰি ফুৰোঁতে তেওঁ কাক 'সত্য' বুলি অনুভৱ কৰিলে? দেউতাৰ লাইব্ৰেৰিৰ এই কিতাপখনৰ সাঁচ দকৈ মোৰ মনত বহিল। মই তেতিয়াও, বাইবেল পঢ়া নাছিলো। কিন্তু 'মোৰ সত্য অন্বেষণৰ কাহিনী'ৰ এই কথাখিনি কি যে মনোৰম, কি যে শান্তিদায়ক— "কোনোবাই তোমাক এচলু পানী দিলে, তুমি তেওঁক পেট ভৰাই খাবলৈ দিবা। কোনোবাই মৰমেৰে সৈতে সম্ভাষণ কৰিলে, তুমি মূৰ দোঁৱাই সম্ভাষণ জনাবা। কোনোবাই এটা পাই দি সহায় কৰিলে তেওঁক তুমি সোণৰ মোহৰ দি সহায় কৰিবা। তোমাৰ জীৱন ৰক্ষা কৰিলে তুমি তেওঁৰ বাবে নিজৰ জীৱন দিবলৈ পিছ নপৰিবা। জ্ঞানীলোকে কথা আৰু কামৰ সদায় মিল ৰাখে। সামান্য উপকাৰ কৰিলেও তেওঁক দহগুণে প্ৰত্যুপকাৰ কৰে। যি প্ৰকৃততে উচ্চ মনৰ মানুহ তেওঁ সকলোকে একে বুলি ভাবে আৰু উপকাৰ কৰি অপকাৰৰ প্ৰতিদান দিয়ে।"

এনেবোৰ নীতিকথাই মোৰ অন্তৰ আৰু পোহৰাই পেলালে। মহাত্মাই আমিষ ভোজন প্ৰত্যাহাৰ কৰা আৰু নিৰামিষ ভোজনক বিলাতত গৈ অতি কষ্টেৰে ৰক্ষা কৰা কথায়ো মাংস নোখোৱাৰ সিদ্ধান্ত লোৱাত মোক সহায় কৰিলে। তেনেই সৰুতে মাংস মোৰ অতি প্ৰিয় খাদ্য আছিল যদিও পশু-পক্ষীৰ প্ৰতি দয়াৰ গভীৰ অনুভৱে মোৰ নিজা ভালপোৱাক তুচ্ছ কৰি তুলিলে। গান্ধীজীৰ অবিচল মাতৃভক্তি আৰু সত্য স্বীকাৰৰ সাহসে মোকো তেনে হ'বলৈ আৰু উদগনি দিলে। মোৰ সকলো কৰ্মৰদ্বাৰা পিতৃ-মাতৃ আৰু সমাজৰ সকলোৰে সন্তোষ পাওক, মোৰদ্বাৰা লোকহিতকৰ কাৰ্য হওক,— এনে আদৰ্শই মোৰ বিবেকক উদ্বুদ্ধ কৰিলে।

গ্ৰন্থখনত গান্ধীজীয়ে আত্মনিৰ্ভৰশীল হ'বলৈ উপদেশ দিছে। শান্তি নিকেতনত নিজে থাকি তাৰ ছাত্ৰসকলক একে কামত লগাইছে। ময়ো ভাবিলো আমি আমাৰ প্ৰতিটো কাম নিজে নকৰোঁ কিয়? এনে এটা কথা থিৰাং কৰি মই আৰু মোৰ ভনীজনীয়ে এদিন বোকা এবাল্টি লৈ ঢেঁকীঘৰৰ মাটি এৰোৱা বেৰ লিপাত লাগিলো। দেউতা ঘৰত নাই। মা-বৰমাইঁতে দেখি বিচুৰ্তি খালে। "ইহঁতৰ হ'ল কি?" কোনোদিন এনে কাম নকৰা আমাৰ কুমলীয়া হাতত বাঁহৰ বেৰৰ আঁচোৰ লাগি যি দুৰ্দশা হ'ল সি অবৰ্ণনীয়। তথাপি হাৰ নামানি নিজৰ কাপোৰ নিজে ধোৱা, জোতা চাফা কৰা, ঘৰ সৰা ইত্যাদি কাম কৰাত লাগিলো।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰেপৰা ঘৰবোৰত কাম কৰা লগুৱা পাবলৈও টান হৈ পৰিল। মাণিক, ক'লীয়াৰ বাপেক মৰাৰ কাৰণে সিহঁতো গাঁৱলৈ গৈ খেতিত ধৰিবলগীয়া হ'ল। আমাৰ ঘৰলৈ ওচৰৰ বাগানীয়া মানুহ ঘৰুৱা কাম কৰিবলৈ আহে

যদিও কামবোৰ সন্তোষজনক নহয়। এইবোৰ কথাই আমাক তথাকথিত স্বাৱলম্বী হোৱাত কিছু সহায় কৰিলে। পঢ়া-শুনা কৰা, চিলাই কৰা, তাঁত বোৱা এইবোৰতো সময়ে-সময়ে আছিলেই। মুঠতে আমি একমুহূৰ্তও এনেয়ে বহি নাথাকোঁ। ক্লাছ ছিক্সত মোৰ কবিতা লিখাৰো ধুম উঠিল। পঢ়াৰ মেজত বহি দেশ উদ্ধাৰৰ অনৰ্গল কবিতা। প্ৰকৃতিক লৈও কিছুমান কবিতা সেই সময়ত লিখিছিলো। দীঘল বহী এখন ভৰি গৈছিল। ক'লৈ যে গ'ল সেই বহীখন!

মোৰো এইখিনি সময় অভিজ্ঞতা আৰু আত্মপৰীক্ষাৰে সময়। দেউতাই কথাবোৰ দূৰে-দূৰে লক্ষ্য কৰিলে আৰু মোৰ স্বাধীন মনক সম্মান জনাই একো হকা-বধা নকৰিলে।

আমাৰ ঘৰত ভূত-প্ৰেতৰ কথা তেনেকৈ চৰ্চা নহৈছিল। কাম কৰা মানুহবোৰে বাঁকে ধৰা, ভূতে ধৰা কথা কেতিয়াবা ক'লেহিও একাণে শুনি একাণে ওলাই গৈছিল। বিশ্বাস-অবিশ্বাস দুয়োটা সমানে আছিল। গান্ধীজীৰ এই গ্ৰন্থ পঢ়ি ময়ো ক'ৰবাত ভয় লাগিলে 'ৰাম, ৰাম' বুলি মনতে ক'বলৈ ধৰিলো। মনত ভয় আছে নে নাই চাবলৈ সন্ধিয়া ৭/৮ বজাত অন্ধকাৰত অকলে আমাৰ ডাঙৰ পুখুৰীটোৰ পাৰলৈ "ৰঘুপতি ৰাঘৱ" গাই-গাই লেম্প হাতত নোহোৱাকৈ যাব পৰা হ'লো। পিছফালৰ পুখুৰী। অলপ দূৰতে বাঁহৰ জোপাবোৰ। ভূত হয়তো তাতেই সোমাই থাকে— কোনে জানে। কিন্তু ৰাম নামে মোৰ অন্তৰ নিৰ্ভীক কৰি তুলিলে।

মোৰ লগৰ ছোৱালীবোৰে এনে গ্ৰন্থ পঢ়িছিলনে নাই আৰু এনেবোৰ পৰীক্ষা কৰিছিলনে নাই নাজানো। বোধকৰোঁ তেওঁবিলাকে তেতিয়া পঢ়া নাছিল। "ছোৱালী যেতিয়া উলিয়াই দিবই লাগিব", "লোকৰ ঘৰ ধৰিবগৈ লাগিব" এনেবোৰ কথাহে সেই সময়ৰ সেই ছোৱালীবোৰৰ মাকসকলে ঘৰত সততে কোৱা-মেলা কৰিছিল আৰু চিলাই কৰা, ঘৰৰ কাম কৰাতহে ছোৱালীবোৰক বেছিকৈ লগাইছিল। লক্ষ্য আছিল ভাল ঘৰৰ, উপাৰ্জনশীল ভাল এটা জোঁৱাই লাভ কৰা। স্ত্ৰীশিক্ষাৰ পৰিৱেশ তেনেই কম আছিল।

জাৰৰ দিন পাৰ হৈ যোৱাৰ পাছত স্কুলতে ক্লাছ ছিক্সত মই এদিন পুষ্পিতা হ'লো। মোৰ বয়স তেতিয়া বাৰ বছৰত সোমাইছিল। ক্লাছ ছিক্সৰ ছোৱালীবোৰে দেখি হুলস্থূল লগালে আৰু হেডমিষ্ট্ৰেছ লক্ষ্মীপ্ৰিয়া বাইদেউক ক'লৈগে। বাইদেৱে আমাৰ ক্লাছলৈ আহি মোৰ মূৰত ওৰণি দি বাইদেউৰ অফিচ ৰুমলৈ লৈ গ'ল। তালৈ আহিল হাতত হাজিৰা বহীখন লৈ নেওগ ছাৰ (মহেশ্বৰ নেওগ ছাৰ)। বাইদেৱে "মহেশ্বৰ যোৱা যোৱা, এইটো ৰুমলৈ নাহিবা" বুলি ছাৰক কোৱাত ছাৰে থতমত খোৱা দেখি ক'লে যে,— "ইয়াত এজনী কইনা আছে, মতা মানুহৰ মুখ এই কইনাই দেখিব নাপায়।" ছাৰ তেতিয়া ৰুমৰপৰা ওলাই গ'ল। মোৰ লাজত মৰি যাম যেন লাগিল। ঘৰলৈ খবৰ

পঠোৱা হ'ল। বৰমাই ফাচৌ নামৰ মানুহ এজনৰ টেক্সিখনত ওৰণি-বাৰণি দি মোক ঘৰলৈ লৈ গৈ উৰুলী-বাৰুলীৰে মাটিত খেৰৰ শয্যা পাৰি শুৱালে। ফলমূল, গাখীৰৰ বাহিৰে সেইদিনত অন্য একো খাবলৈ নিদিয়া নিয়ম আছিল। পাছে মই ভোকে-পিয়াহে আকৌ ফিট হওঁ বুলি গৰুঘিউত ভজা লুচি বা চাগু এবেলা খাবলৈ দিয়া কৰিলে। এইটো দেউতাৰে উপদেশ আছিল। মাইঁতে পাছে গোপনেহে খাবলৈ দিছিল। সামাজিকভাৱে চাৰিদিনীয়া স্নান, সাতদিনীয়া স্নান নিয়মানুসাৰে হ'ল। তেতিয়া শূদ্ৰ সমাজত এই বিয়া ধুমধামেৰে পতাৰ নিয়ম আছিল। সেই সমাজত পুষ্পিতা হোৱা কন্যাহে বিয়া দিছিল আৰু বিয়াৰ লগে-লগে দৰাৰ ঘৰলৈ কন্যা লৈ যোৱা নিয়ম আছিল। ব্ৰাহ্মণ সমাজত সৰুতে ছোৱালী বিয়া দিয়ে। পুষ্পিতা হোৱালৈকে ছোৱালী পিতৃগৃহত সাধাৰণতে থাকে, পুষ্পিতা হোৱাৰ পাছত দুয়োঘৰৰ সন্মতিক্ৰমে ভাল দিন-বাৰ চাই শান্তি বিয়া পাতি কন্যাক দৰাৰ ঘৰলৈ উলিয়াই দিয়া হয়। কন্যাকাল হোৱা বিয়াত ব্ৰাহ্মণ সমাজে বেছি ধুমধাম নকৰে। ওচৰ-চুবুৰীয়া দুই-চাৰি গোটায়েই নিয়ম কৰি থয়। মই 'সুভগা' যোগ পোৱা কাৰণে ব্ৰতৰ বিধান নাছিল। পঞ্জিকা চাই জ্যোতিষীয়ে (পুষ্পিতা হোৱাৰ ক্ষণ গণি) কোনে কি যোগ পাইছে ক'ব পাৰে আৰু সেইমতে ব্ৰত, দান আদিৰ বিধান দিয়ে।

মোৰ পুষ্পিতা হোৱাৰ খবৰ দৰাঘৰলৈ নিয়ম অনুসাৰে পঠাব লাগে কাৰণে পঠোৱা হ'ল। তেতিয়া দৰাৰ পিতৃয়ে লিখিলে যে— "শুনি সন্তোষ পালো। এতিয়া শান্তি বিয়াৰ ব্যৱস্থা কৰিব লাগে।" চিঠি পাই দেউতা আহত হ'ল, অন্তৰত অতি আঘাত পালে। এইবোৰ কি ধৰণৰ মানুহ! ছোৱালীজনী মেট্ৰিক পাছ কৰাৰ পাছতহে উলিয়াই দিয়াৰ কথা আছিল, তাৰ আগতে নহয়। তেওঁবিলাক তাত মান্তিও হৈছিল। তাই পঢ়িবই লাগিব। নহ'লে ছোৱালীজনীয়েও অন্তৰত বৰ আঘাত পাব। চিঠিৰে কথা কটাকটি আৰম্ভ হ'ল।

ইতিমধ্যে এই সময়ৰপৰাই দৰাজন আমাৰ ঘৰলৈ ঘনাই অহা-যোৱা কৰিবলৈ ধৰিলে। চাকৰিৰ স্থানলৈ যাওঁতে, চাকৰিৰ স্থানৰপৰা ঘৰলৈ আহোঁতে সোমাই যোৱাই নহয়, আমাৰ ঘৰত দুই-চাৰিদিন থাকিবলৈ ধৰিলে। সেই মানুহজন আহিছে বুলি শুনাৰ লগে-লগেই মোৰ হাত-ভৰি কঁপে, ওঁঠ নীলা হৈ যায় ভয়ত। ইমান ওখ-পাখ মজবুত মানুহ, দেখিলেই নিজকে বৰ অসহায় যেন লাগে। মানুহজনৰ মাতে-কথাই এটা কৰ্তৃত্বৰ ভাব। মায়ে চাহ বা তামোল দিবলৈ পঠালে দিয়েই মই পলাই আঁতৰ হ'ব খোজোঁ। মানুহজনে কোঠাৰ দুৱাৰ বন্ধ কৰিব খোজে। ভয়ত অত্ৰাহি হৈ মই মাৰ ভাত ৰন্ধা চৌকাৰ ওপৰত উঠৌগে। কেতিয়াবা মই মূৰে-গায়ে লেপ লৈ লুকাওঁ। কোনো কথাত কোমলতা নাই, মোৰ প্ৰতি স্নেহ নাই। ভয়ৰ বাহিৰে কোনো আকৰ্ষণ কেতিয়াও মোৰো নহ'ল।

সেই সময়ৰ এটা সৰু পটভূমিৰ কথা প্ৰসংগক্ৰমেই আহি পৰে। আমাৰ ঘৰৰ অতি বিশ্বাসী খেতিয়ক কান্দুৰা ককাইৰ (যাক আমি ঠিকাদাৰ বুলি মাতিছিলো) জীয়েক

লীলা বাইদেউৰ মই ক্লাছ ফ'ৰত থাকোঁতে মানে মোৰ ন/ দহ বছৰমান হওঁতে বিয়া হৈছিল। লীলা বাইদেউ মোতকৈ অন্ততঃ পাঁচ- ছবছৰমানৰ ডাঙৰ আছিল। শলগুৰিত থকা দৰাৰ ঘৰলৈ গৰুৰ গাড়ীৰে লীলা বাইদেউক লৈ যাবৰ দিনা ৰাতিয়েই দৰাই সহবাস কৰিছিল আৰু সৰ্ব প্ৰাধান্য খটুৱাই ক্লান্ত-দুৰ্বল লীলা বাইদেউক কেনে অত্যাচাৰ কৰিছিল লীলা বাইদেৱে আমাৰ দুজনীক আমাৰ ভঁৰালঘৰৰ পিছফালে থিয়ৈ-থিয়ৈ বেৰত আউজি কৈছিল। কওঁতে লীলা বাইদেউৰ মাত থোকাথুকি হৈছিল। কথাবোৰ শুনি মোৰ যে পেটতে হাত-ভৰি লুকাইছিল। জীৱনত কোনোদিনে নজনা-নুশুনা এখন বেলেগ জগতৰ কথা এইবোৰ। আমাৰ ঘৰত জেঠাই, পেহী, খুৰা-খুৰী, দাদা-নবৌ কোনো নাই । মা, বৰমাইঁতে আমাৰ আগত দেউতাৰ লগত কেনো অন্তৰংগ কথা পতা কেতিয়াও দেখা নাই। আমি 'ছেক্স' সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ আছিলো। আমাক আবুৰ শিকাইছিল, কিন্তু ছেক্স সম্পৰ্কীয় কোনো কথাই কোৱা নহৈছিল। আমি এইবোৰৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন এক আদৰ্শৰ জগতত বাস কৰিছিলো। লীলা বাইদেৱেহে আমাক সেইদিনা কৈছিল যে এনে অত্যাচাৰৰ ফলতে গৰ্ভত সন্তান হয়। গৰ্ভৰ সন্তানক দহ মাহ দহ দিন জুৰি পেটত লৈ ফুৰা কথা আৰু সন্তান জন্ম দিয়া সেই আচহুৱা, অবিশ্বাস্য যেন লগা কথাবোৰ থৰ লগা বিস্ময়েৰে আমি শুনিছিলো আৰু তেতিয়াৰেপৰা মোৰ মনত দৰাজাতীয় বস্তুটো অতি নিলাজ, আক্ৰমণকাৰী আৰু অত্যাচাৰী বেয়া বস্তু বুলি এটা দ ধাৰণা অন্তৰলৈ সোমাই গৈছিল।

সমাজখন যে কিমান অজ্ঞ, অন্ধ আৰু গোড়া আছিল তাৰ উদাহৰণ আমাৰ এগৰাকী বাইদেউৰ কৰুণ জীৱনেও দাঙি ধৰে। যোৰহাটৰ সেই বাইদেউগৰাকী আছিল আমাৰ সম্বন্ধীয় দদাইদেউ এজনৰ ডাঙৰ জীয়েক। তৃতীয়মানত পঢ়ি থাকোঁতেই বাল্যবিবাহৰ নিয়ম অনুসৰি তেখেতক সমাজৰ বলিশালত সুমুৱাই দিয়া হৈছিল। দৰা আছিল আণ্ডাৰ মেট্ৰিক। ক'ৰবাত চাকৰি কৰিছিল। দৰাজনৰ খুৱাৱকেই আছিল অভিভাৱক। খুৱাৱকজন আছিল সদাশয় ভদ্ৰলোক। দদাইদেৱে নিজ কন্যাক মেট্ৰিকলৈকে পঢ়াই শান্তি বিয়া দি উলিয়াই দিব বুলি হেপাহ কৰাত দৰাৰ খুৱাৱকে আনন্দেৰে সন্মতি দিছিল। বাইদেউ আছিল পঢ়া-শুনাত যথেষ্ট চোকা, এগৰাকী সুৰুচিসম্পন্না, ৰিজাৰ্ভড্ মহিলা। বাইদেৱে মেট্ৰিক পাছ কৰিলত শান্তি বিয়া পূৰ্বৰ কথামতে দিবলৈ দদাইদেউ প্ৰস্তুত হ'ল। শান্তি বিয়া হৈ গ'ল আৰু বাইদেউক দৰাৰ ঘৰলৈ লৈ যোৱা হ'ল। ইতিমধ্যে খুৱাৱকজন স্বৰ্গগামী হ'ল। খুৰী-শাহুৱেক আৰু দৰা,— দুয়োজন তেনেই কম শিক্ষাৰ আছিল আৰু উন্নত মনৰ নাছিল। দুয়ো মিলি বাইদেউৰ ওপৰত নিষ্ঠুৰতা চলায়। খবৰ-কাগজ, কিতাপ কিবা এখন হাতত ল'লেই নথৈ ককৰ্থনা কৰে, কথা শুনায়। গৃহিণী নহয় যেন তুচ্ছ দাসী এজনী। ঘৰৰপৰা অহা চিঠি-পত্ৰও লুকুৱাই থয়। বাইদেউক সেই চিঠি

পঢ়িবলৈ নিদিয়ে। আৰু অনেক অত্যাচাৰ। ঘৰৰ বাহিৰলৈও ওলাবলৈ নিদিয়ে। ইপিনে দেউতাকৰ মাক আইতাকৰ টান নৰিয়া হোৱাত আইতাকে মৰাৰ আগতে বাইদেউক চাব খুজিলে। দদাইদেউ দুদিনৰ কাৰণে জীয়েকক আনিবলৈ গ'ল। খুৰী-শাহুৱেকে বাইদেউক বাপেকৰ লগত ওলাবলৈ নিদিলে, আইতাকৰ অসুখো মিছা বুলি ক'লে। দদাইদেউৰ খং গৈ মূৰৰ চুলি পালেগৈ। জীয়েকক ভিতৰৰপৰা ওলাই আহিবলৈ হুকুম দিলে। জীয়েকে নামাতি-নুবুলি দমন সহ্য কৰোঁতে-কৰোঁতে চেহেৰা অস্থি-চৰ্মসাৰ হৈছিল। দদাইদেৱে দেখি বিচুৰ্তি খালে আৰু "এনে ঘৰত মোৰ ছোৱালী থাকিব নালাগে" বুলি সেই কাপোৰেৰেই বাইদেউক উলিয়াই লৈ আহিল। গিৰিয়েক ভিতৰৰপৰা বাহিৰ নোলাল। বাইদেউক আনি দদাইদেৱে আইতা ঢুকুৱাৰ পাছতে কলেজত নাম লগাই দিলে। তেখেতে সুন্দৰকৈ বি. এ. পাছ কৰি শিক্ষয়িত্ৰী আৰু পাছত প্ৰধান শিক্ষয়িত্ৰী হৈ জীৱন নিৰ্বাহ কৰিলে। গিৰিয়েকৰ ঘৰৰ মানুহে এদিনলৈও খবৰ নল'লে আৰু গিৰিয়েকে বাইদেউৰ বিনাঅনুমতিত দ্বিতীয় বিবাহ কৰালে।

কি নিৰ্বিকাৰ, নিষ্ঠুৰ সমাজ! নিৰপৰাধী ছোৱালী এজনী কেনেকৈ থাকিব, কাৰ আশ্ৰয়ত ৰ'ব সেইবোৰ খবৰ কৰা সমাজৰ যেন কৰ্তব্য, দায়িত্ব একো নহয়। অমানৱীয় কৰ্মৰ কাৰণে দৰাজনক এষাৰ তিৰস্কাৰ কৰিবলৈও সমাজৰ খবৰ নাই। বাইদেউ চোকা আৰু জ্ঞানী আছিল কাৰণে অত্যন্ত ধৈৰ্য ধৰি, শিক্ষাদানকে জীৱনৰ ব্ৰত কৰি লৈ জীৱন কটালে। যিবোৰ ছোৱালী পঢ়া-শুনাত পাৰ্গত নাছিল? তেওঁবিলাকেও এনে সমাজৰ বলি হৈ লোকৰ ঘৰে-ঘৰে কটনা কাটি জীৱন নিয়াইছিল। প্ৰতিভাময়ী শান্ত-ধীৰ বাইদেৱে নিমজ, সুন্দৰ ৰুচিৰ কবিতাও লিখিছিল। তেখেতৰ নাম আছিল প্ৰয়াত নিস্তাৰিণী দেৱী। অহৰহ অৱদমনৰ ফলস্বৰূপে বাইদেউৰ হাইপ্ৰেছাৰ নুগুচা হৈছিল। মানুহে মানুহক কি কৰিব নোৱাৰে! বাইদেউৰ সহানুভূতিতে এইবোৰ কথা মা-বৰমাইঁতে পাতি থকা মই প্ৰায়ে শুনিছিলো। "বাল্যবিবাহ অনুষ্ঠিত কৰা এনেকুৱা এখন গোড়া সমাজ ভাঙি দিবৰ আপোনাৰ পাছত মন যোৱা নাছিলনে? অৰ্থাৎ সংস্কাৰ কৰাৰ?"

"শিক্ষা ল'লো আৰু দেখুৱালো অকলেও থিয় হ'ব পাৰি। শিক্ষায়েই অন্ধ নিয়মবোৰ ভাঙিছে আৰু ভাঙিব।" মোক তেখেতে উত্তৰ দিছিল।

মোক বিয়া দিয়া দৰাজন সেই একে পৰ্যায়ৰে মানুহ হ'ব বুলি মোৰ মনত বদ্ধমূল ধাৰণা হৈছিল। আৰু এটা কথাই মোক বৰ বেজাৰ দিছিল। সেইটো হৈছে সেই মানুহজনে চল পালেই মোক 'ক'লী' বুলি মাতিছিল। মোক আটায়ে ইমান আদৰ কৰে, এই মানুহজনে মোক কিয় 'ক'লী' বুলি মাতে? আমিতো কাকো গাৰ ৰং চাই সম্বোধন নকৰোঁ। গাৰ ৰংতো মই নিজে কৰি লোৱা নাই, গুণবোৰ গুণ নহয়নে কি? মোৰ ভনীজনীৰ ৰং খুব বগা, তাইকতো বগী বুলি নামাতে। এনেবোৰ কথাই মানুহজনৰ প্ৰতি মোৰ তীব্ৰ বিকৰ্ষণ জন্মাইছিল।

মই বৰ স্পৰ্শকাতৰ আছিলো। মোৰ জীৱনত হঠাতে আহি পৰা এই কথাবোৰে, খণ্ডে-বেজাৰে মোক ভিতৰি-ভিতৰি বিদ্ৰোহী কৰি তুলিছিল। মতা মানুহবোৰ কিয় ইমান স্বাধীন? ছোৱালীয়ে কিয় ইমান দুঃসহ যন্ত্ৰণা ভুগিব লাগে? ছোৱালীয়ে লোকৰ ঘৰলৈ যাবগৈ লাগে, সন্তান জন্ম দিয়াৰ নিচিনা অকল্পনীয় যন্ত্ৰণা সহ্য কৰিব লাগে। অহা জন্মত কেতিয়াও ছোৱালী নহওঁ, নহওঁ, নহওঁ। এইবোৰ মই ক্লাছ ছিক্সত পঢ়া সময়ৰ কথা।

আগৰ ক্লাছ ছিক্সত পঢ়া ছোৱালী আৰু এতিয়া ক্লাছ ছিক্সত পঢ়া ছোৱালীৰ মানসতাৰ মাজত আকাশ-পাতাল প্ৰভেদ আছিল। টিভি, ছিৰিয়েল, চিনেমা, ক্ৰাইম ছবি চাই ডাঙৰ হোৱা ল'ৰা-ছোৱালীয়ে অথবা কাগজৰ চাঞ্চল্যকৰ বাতৰি পঢ়ি ডাঙৰ হোৱা ল'ৰা-ছোৱালীয়ে বহুত কথাই জানে। আমি সেইবোৰৰ তুলনাত একেবাৰে ভোদা আছিলো। শিক্ষাৰ এনেবোৰ মাধ্যম নাছিলেই, আনকি তেতিয়াৰ ঘৰবোৰো এইক্ষেত্ৰত বৰ সাৱধান আছিল। ডাঙৰে পতা কথা সৰু ল'ৰা-ছোৱালীক শুনিবলৈ দিয়া নহৈছিল। প্ৰত্যেক মানুহৰে ঘৰবোৰ আহল-বহল আৰু বহুকোঠাযুক্ত আছিল, এখন ডাঙৰ বাৰী আছিল, গছ-গছনি, চৰাই-চিৰিকটি, পোহনীয়া জন্তু আছিল। এইবোৰহে ল'ৰা-ছোৱালীৰ লগ আছিল। তদুপৰি আমাৰ ঘৰত অকলশৰীয়া দেউতাৰ বাহিৰে বৰদেউতা, খুৰা, জেঠাই, পেহী আদি কোনো নাছিল। আছিল হয়তো স্বচ্ছল অৱস্থাৰ ঘৰ বুলি এটা আভিজাত্যৰ ভাব। এই আভিজাত্যৰ বাবেই হয়তো আমাক খেলা-ধূলা কৰিবলৈ কাৰো ঘৰলৈকে নপঠাইছিল আৰু প্ৰয়োজনো নহৈছিল। কাৰণ আমি আনৰ ঘৰলৈ যোৱাতকৈ আমাৰ ঘৰলৈহে সকলোবোৰ ল'ৰা-ছোৱালী খেলিবলৈ আহিছিল। ইয়াৰ কাৰণ হ'ল সকলোধৰণৰ খেলাৰ সামগ্ৰী দেউতাই আমাক আনি দিছিল। আনহাতে খেলিবলৈ অহা ল'ৰা-ছোৱালীবোৰক আমাৰ ঘৰখনে খুৱাই-বুৱাই আনন্দ লাভ কৰিছিল। এইখিনিতে ক'ব পাৰি যে আমাৰ ঘৰতেই মাজে-মাজে 'ভাগুনা'ও হৈছিল—লুচি, ভাজি, টক, মিঠাই, পায়সৰ।

আমাৰ ঘৰত তেনেই আচহুৱা যেন লগা এই মানুহজনৰ কথা-কাণ্ডই সমগ্ৰ পুৰুষ জাতিটোৰে প্ৰতি মোৰ মনৰ মাজত ভয়, ঘৃণাৰ ভাবে যেন বাহ ল'বলৈ আৰম্ভ কৰিছিল মই আগতেই কৈ আহিছোঁ। পুৰুষৰ অত্যাচাৰী ৰূপৰ এখন ছবি মই মানুহজনক দেখিলেই দেখিবলৈ পোৱা হ'লো। পৰাপক্ষত মই সেই মানুহজনৰ কাষ চপা নাছিলো। এখন দুৱাৰেদি তেওঁ সোমালে আনখন দুৱাৰেদি মই ওলাই গৈছিলো। কোনোদিনেই মৰমৰ মাতেৰে মোক কাষলৈ মতা নাছিল মানুহজনে। মানুহজনৰ মনৰ মাজত অনবৰতে মোক দমন কৰাৰ ভাব এটা পুহি ৰখা যেন তেওঁক দেখিলেই মই অনুমান কৰিছিলো। অথচ সেইবোৰৰ প্ৰতিবাদ কৰিবলৈ তেতিয়া মই সাহ কৰিব পৰা নাছিলো।

ইমান ঘৃণা, বিদ্বেষ, ভয়, শংকা— ভাগ্যৰ কি প্ৰহসন! তাৰেই মাজত মই মাক হ'বলৈ আগবাঢ়িলো। সেয়া এক অন্য কাহিনী। চাবলৈ গ'লে জীৱন এক প্ৰহসনেই।

মোৰ ইচ্ছাৰ বিপৰীতে, মোৰ দুৰ্দান্ত আপত্তি সত্ত্বেও এই মানুহজনে মোক মাতৃ হ'বলৈ বাধ্য কৰিলে। বিবাহৰ সৌন্দৰ্যই আলফুলে পাহি মেলিবলৈ আলসুৱা সময় নাপালে। প্ৰেমবিহীন স্থূলতাই ইয়াৰ স্থান ল'লে। অসহায়তাৰ গ্লানিৰে মোৰ মন উপচি পৰিল— বিয়া মানেই জানো দুৰ্বলীৰ ওপৰত সবলীৰ অত্যাচাৰ? মানুহজনৰ প্ৰতি মোৰ বিদ্বেষ এশগুণ বৃদ্ধি পালে। মোৰ পঢ়া এৰুৱাবলৈকে যেন এইবোৰ জঘন্য ষড়যন্ত্ৰ।

অপূৰ্বই মই দুখত, ভয়ত, নিষ্ফল ক্ৰোধত শেঁতা পৰি বিবৰ্ণ হৈ আহিবলৈ ধৰিলো। আটায়ে ভাবিলে মোৰ 'জণ্ডিছ' হৈছে।

সময় আগবঢ়াৰ লগে-লগে মোৰ গাত মাতৃত্বৰ লক্ষণ পৰিস্ফুট হ'বলৈ ধৰিলে। মই প্ৰথমতে নিজেও কথাটো ধৰিব পৰা নাছিলো। মা, বৌটিয়ে* মোৰ গাত মাতৃত্বৰ লক্ষণ ফুটি উঠা দেখি প্ৰথমে বিস্ময়, তাৰ পাছত হতাশাত জ্বলি উঠিল। বৌটিয়ে সেই মানুহজনলৈ চিঠি লিখিলে খণ্ডত— "তুমি ছোৱালীক পঢ়ুৱাব খোজা কথাটোত সন্মত হৈছিলা, তাৰ পাছত এনেকুৱা নিষ্ঠুৰ কাৰ্যটো কিয় কৰিলা? কিয় মেট্ৰিকটো পাছ কৰিবলৈ বাট নাচালা?" সিপিনৰপৰা দাম্ভিক উত্তৰ আহিল— "মোৰ পত্নী, মোৰ কথা। মোৰ যি ইচ্ছা তাকেই কৰিম।"

"মোৰ যি ইচ্ছা তাকেই কৰিম? নিৰ্লজ্জ।" —দেউতা গৰজি উঠিল। "ঠিক আছে ময়ো চাই ল'ম, মোৰ ছোৱালীক কেনেকৈ যি ইচ্ছা তাকে কৰে। নৰাধম, কথা দি কথা ৰাখিব নাজানিলি।"

মানুহবোৰে খং আৰু অপমানত তৰ্জন-গৰ্জন কৰিলে।

এই কথাবোৰকে দুতলীয়া কিছুমানে মানুহঘৰত লগাই ক'লৈগে,— "ল'ৰা কেতিয়াও নপঠাবা। হাড় ভাঙি গুৰি কৰি দিব। ধৰ্মেশ্বৰ বৰদলৈ কি অহংকাৰী! টকাৰ অহংকাৰে মূৰত ধৰিছেগৈ। তোমালোকৰ নিচিনা সাধাৰণ মানুহৰ ঘৰলৈ হাড়শুদ্ধি কৰিবলৈ মাত্ৰ বিয়া দিলে। ছোৱালী পাম বুলি কেতিয়াও নাভাবিবা।"

এনেবোৰ কথাৰে শিৱসাগৰ-যোৰহাটৰ দুয়োখন ঘৰ তল-ওপৰ হৈ থাকোঁতেই আমাৰ গাঁৱৰ মৰমৰ ককা প্ৰেমধৰ ককাই (সত্ৰৰ ৰাজমেধি) মৰমেৰে মোক আহি কোৱা কথা এষাৰ মনত পৰি এতিয়া হাঁহি উঠে। ককাই কৈছিল,—

"অ' আই, তই তালৈ চিঠি এখন লিখচোন। মই শিকাই দিওঁ আহ। লিখ—

প্ৰাণনাথ, শতকোটি সেৱা ল'ব। আপুনি এবাৰ আহি যাওকচোন। মই বাটলৈ চাই আছোঁ। ইতি—

হতভাগিনী

অমুকী।"

** বৰমাক আমি 'বৌটি' বুলিছিলো*

কি ? প্ৰাণনাথ ? যাক মই চকুপাৰি দেখিব নোৱাৰোঁ। শতকোটি সেৱা ? মই কালৈও বাটলৈ চোৱা নাই। মই কিয় হতভাগিনী হ'ম ? এইবোৰ কি অদ্ভুত কথা ? ভিতৰি-ভিতৰি মই খণ্ডত জ্বলি থাকিলো যদিও চিঠিতো নিলিখিলোৱেই, ককাকো একো ক'ব নোৱাৰিলো।

দুয়োঘৰৰ মাজত গভীৰ মনোমালিন্যৰ এয়ে আছিল সূত্ৰপাত। লাহে-লাহে এই মনোমালিন্য বাঢ়ি আহিবলৈ ধৰিলে। যেতিয়া দেউতাহঁতে মানুহজনক মাতি পঠিয়ালে, কিবাকিবি অজুহাত দেখুৱাই আমাৰ ঘৰলৈ নহা হ'ল। এবাৰ ছোৱালী যোৰহাটলৈ পঠিয়াই দিয়ক বুলি কাৰোবাৰ আগত খবৰ পঠালে। ইতিমধ্যে সন্তানে গৰ্ভত থিত লোৱাৰেপৰা মোৰ গাত বিবিধ উপসৰ্গই দেখা দিলে। শৰীৰত তেজ নাই, এনিমিয়া; হাত-ভৰিবোৰ ফুলিবলৈ ধৰিলে। ডাক্তৰ মহাই (ডা ভৱনাথ শৰ্মাই) অপুৰঠ অৱস্থাতে গৰ্ভধাৰণ কৰাৰ বাবেই এনে হৈছে বুলি কৈ বৰ সযত্নে চিকিৎসা আৰম্ভ কৰিলে।

"এনে সময়ত এই অকমান ছোৱালীজনীয়ে এই অৱস্থাৰে যোৰহাটত গৈ কেনেকৈ শহুৰী খাটিবগৈ ? প্ৰসৱ হৈ যাওক, তাৰ পাছত পঠোৱাৰ কথা ভবা যাব।" দেউতা, বৌটি, মাৰ কথাত ওচৰ-চুবুৰীয়া আৰু সম্বন্ধীয় সকলো মানুহেই সমৰ্থন জনালে।

আমাৰ পৰম হিতাকাংক্ষী মহা ডা. ভৱনাথ শৰ্মা, লেডি ডাক্তৰণী গেডফো, দেউতাৰ হোমিঅ'পেথিক, মা, বৌটিৰ অক্লান্ত শুশ্ৰূষাত যেনিবা সুকলমে স্বাভাৱিকভাৱে যথাসময়ত ঘৰতে মোৰ প্ৰসৱ কাৰ্য সমাধা হ'ল। সেইদিনা সন্ধিয়া ঘৰৰ ভঁৰালত লখিমী সুমুৱাবলৈ যো-জা হোৱাৰ পৰতে আইজনীৰ (স্বপ্না) জন্ম হ'ল। ওচৰ-চুবুৰীয়া মানুহেৰে ঘৰ ভৰি আছিল। তাই বৰ সুন্দৰ ক্ষণত জন্মা বাবে তাইকে লক্ষ্মীস্বৰূপা বুলি আটায়ে গণ্য কৰিলে। মই সদায় গোসাঁইৰ আগত সেইসময়ত দুটা প্ৰাৰ্থনাই জনাইছিলো— এটা হৈছে ধুনীয়া চকুৰ ছোৱালী এজনী হওক, আনটো হৈছে মই যেন পুনৰ পঢ়িবলৈ পাওঁ। হে প্ৰভু, মোক পঢ়িবলৈ দিয়া, মোক পঢ়িবলৈ দিয়া, কেনেকৈ দিয়া নাজানো, মোৰ পঢ়াৰ বাসনাটো যেন পূৰ্ণ হয়।

ভগৱানে মোৰ প্ৰাৰ্থনা শুনিলে। ছোৱালীজনীৰ চকু দুটা ধুনীয়া হৈছে বুলি সকলোৱে ক'লে। তাইক বহুতে বহুত নাম দি মাতিছিল যদিও পাছলৈ সকলোৱে 'আইজনী' 'আইজনী' বুলি মৰমতে মাতোঁতে তাইৰ নাম আইজনীয়েই হৈ পৰিল। দেউতাই মাতিছিল মামণি বুলি। তাইৰ জন্মৰ সময়ত মই অচেতন হৈ আছিলো। ৰাতি ১২ বজাত বাটেদি গাই যোৱা অপূৰ্ব সুৰৰ বৰদিনৰ 'কেৰল' শুনি মাজৰাতিহে সাৰ পাইছিলো। সেইদিনা আছিল একত্ৰিছ ডিচেম্বৰ। দেখিছিলো,— মোৰ মা ছোৱালীজনীক (আইজনী) কাষতে লৈ শুই আছে। সেই মুহূৰ্তটো মোৰ সদায়ে মনত থাকিব। গাটো অসম্ভৱ পাতল-পাতল লাগিছিল। পেটটো চুই চাইছিলো— একেবাৰে আগৰ দৰে চেপেটা।

মই নামত মাক হ'লো যদিও মোৰ মায়েহে আইজনীক প্ৰকৃত অৰ্থত ডাঙৰ-দীঘল কৰিলে। দেউতাৰ সতৰ্কতা আৰু হেঁপাহ, বৰমা (বৌটি), মাৰ ভাষাৰ অতীত যত্ন আৰু শুশ্ৰূষাৰ ফলত আইজনীৰ স্বাস্থ্য আৰু সৌন্দৰ্য ক্ৰমাৎ জিলিকি আহিবলৈ ধৰিলে। মইহে এবছৰমানলৈ ৰাজহাড়ৰ বিষত কাতৰ হৈ থাকিব লগা হ'ল।

ছোৱালীজনী জন্ম হোৱাৰ আগতে গোড়া সমাজখনৰ বুঢ়া-মেথা দুই-চাৰিয়ে লগ লাগি আমাৰ ঘৰত মেল চপাইছিল আৰু দেউতাক প্ৰশ্ন কৰিছিল— কিয় শান্তি বিয়া উলংঘা কৰা হ'ল? দেউতাই নিৰ্ভীকভাৱে কৈছিল,— "যাক সুধিব লাগে তেওঁকেই সোধক, কিয় নীতি-নিয়ম মনা নহ'ল।" তেতিয়া চিঠি দি সেই ব্যক্তিজনক সোধা হ'ল। উত্তৰ আহিল— "শান্তি বিয়া-চিয়া আদি কোনো প্ৰচলিত নিয়ম মানিবলৈ মই বাধ্য নহওঁ।" চিঠি পঢ়ি আটায়ে জাণ্ডুৰ খাই উঠিল— ইমান অহংকাৰ! ইমান উদণ্ড! ইয়াক পিটি গুৰুলা-গুৰুল কৰিব লাগে...।

সন্তান জন্ম হোৱাৰ খবৰ পঠোৱা হ'ল। সিহঁতৰ ঘৰৰপৰা ছোৱালীজনী যথাসময়ত চাবলৈ কোনো নাহিল। সেই মানুহজনো নাহিল। মাত্ৰ তেওঁৰ দেউতাকেহে চিঠি এখন দিলে— 'ছোৱালীসহ মাকক পঠাই দিয়া।' এনে সময়তে আমাৰ ঘৰত শুনিবলৈ পালে যে আইজনীৰ জন্মৰ এমাহ নৌহওঁতেই সেই ব্যক্তিয়ে আন কোনোবা ছোৱালী এজনী আনি ঘৰ সুমুৱালেহি।

সিহঁতৰ কাণ্ড-কাৰখানা দেখি দেউতা খঙত টিঙিৰিতুলা হৈ পৰিল। দেউতাৰ আত্মসন্মানত বৰকৈ আঘাত লাগিল। দেউতাই লিখিলে— "কোনোবা মহাপাপৰ ফলত তোমালোকৰ ঘৰলৈ ছোৱালী বিয়া দিছিলো। মই ছোৱালী আৰু নপঠাওঁ। মোৰ ছোৱালীয়ে সতিনী খাটি ভাত খাবলৈ জনম ধৰা নাই।"

মা আছিল পৰম্পৰাগতভাৱে চলি অহা কথাকে সৰলভাৱে বিশ্বাস কৰা মানুহ। মায়ে কৈছিল,— "তাই বিবাহিতা যেতিয়া বিবাহ কৰোঁতাজনৰ লগত থকাই ভাল।"

দেউতাই মাৰ অবুজন কথা শুনি ধমক দি কৈছিল,— "কি সতিনী খাটি? তাই যদি মোৰ ছোৱালী হয়, জীৱনত সিহঁতৰ ঘৰত গৈ ভৰি নিদিয়েগৈ। তাই যদি ইচ্ছা কৰে মই তাইক আকৌ বিয়া দিম। সমাজলৈ আৰু মই ভয় নকৰোঁ।" বাল্যবিবাহ দি দেউতা ইতিমধ্যেই যথেষ্ট অনুতপ্ত হৈছিল।

তেনে সময়বোৰতে মই ছিক্সৰ এম. ই. পৰীক্ষা দি তাতো অসমৰ ভিতৰত প্ৰথম হোৱাৰ খবৰ আহিছিল। ফুলেশ্বৰী স্কুলৰ বাইদেউ লক্ষীপ্ৰিয়া চলিহা যেতিয়া এই খবৰ দিবলৈ আনন্দত আমাৰ ঘৰলৈ আহিছিল, বৌটিয়ে কৈছিল,— "তাইক মেট্ৰিকটো পাছ কৰিবলৈ আশীৰ্বাদ দিয়ক— তাইক মই কলিকতাৰ বেথুন কলেজত পঢ়ুৱাম আৰু এই মানুহঘৰে এনে কৰাৰ পোটক তুলিম।"

মোৰ বয়স তেতিয়া তেৰ বছৰ। কিবা সকামত ডিব্ৰুগড়লৈ যাওঁতে দেউতাই এটা প্ৰতিষ্ঠানৰপৰা গান্ধীভাষ্য গীতা এখন মোলৈ কিনি লৈ আনিছিল। দেউতাই সেইদিনাই গান্ধীভাষ্য গীতাখন আনি মোৰ হাতত দিলে আৰু ক'লে,— "জীৱন ক্ষণস্থায়ী, কীৰ্তি চিৰস্থায়ী। জীৱনৰ মাজতে মহাজীৱন বিচাৰি লোৱা। এতিয়া পঢ়া-শুনা কৰি নিজৰ জীৱন নিজেই গঢ়িব লাগিব। অযথা সময় নষ্ট কৰিব নালাগে।"

গীতাখন অক্ষুণ্ণ অৱস্থাত এতিয়াও মোৰ হাতত পৰম সম্পদৰূপে আছে। য'লৈকে-ত'লৈকে যাওঁতে বুকুত বান্ধি মই লৈও ফুৰাওঁ।

মই কৃতজ্ঞতাত গোসাঁইঘৰত উবুৰি খাই-খাই পৰিলো। "হে প্ৰভু, মোৰ প্ৰাৰ্থনা শুনিলা। মোক পঢ়িবলৈ দিছা। মই পোতাশালৰপৰা মুক্ত হৈছোঁ। জ্ঞানৰ অসীম সাগৰৰ পানী আঁজলি ভৰাই মই খাব পাৰিম এতিয়া"— এনে ভাবত মই হৈ পৰিছিলো আত্মহাৰা।

যেনে কথা তেনে কাম। ছোৱালীজনীৰপৰা আঁতৰি থাকিব নলগাৰ দিহা কৰি দেউতাই অলপো বিলম্ব নকৰাকৈ ঘৰতে মই প্ৰাইভেটকৈ পঢ়াৰ বন্দবস্ত কৰি দিলে। শিৱসাগৰ চৰকাৰী হাইস্কুলৰ শিক্ষক শ্ৰদ্ধেয় পূৰ্ণেশ্বৰ দিহিঙীয়া ছাৰক ঘৰুৱা শিক্ষকৰূপে নিযুক্ত কৰিলে। ছাৰ আছিল সংস্কৃতৰ অগাধ পণ্ডিত। তেনে এজন শিক্ষক পাই মই কৃতাৰ্থ হ'লো। ছাৰেও মোৰ সংস্কৃতত ৰাপ দেখি সংস্কৃতেই অধ্যয়ন কৰোৱাইছিল বেছিকৈ। পাঠ্যপুথিৰ উপৰিও সংস্কৃতৰ বিভিন্ন গ্ৰন্থ আনি দিছিল। কালিদাসৰ গ্ৰন্থ পঢ়িবলৈ দিছিল, সংস্কৃততে বক্তৃতা দিব পৰা কৰিছিল। ইংৰাজীকে ধৰি অন্য বিষয়বোৰ মোক ছাৰে তেনেকৈ পঢ়াব লগা নহৈছিলেই। মই এইট, নাইন, টেনৰ তিনি বছৰৰ পঢ়া দুবছৰতে সম্পূৰ্ণ কৰি লগৰ ল'ৰা-ছোৱালীৰ লগতে মেট্ৰিক দিব পাৰিলো।

দেউতাই মোক সেই ক্লাছ ছেভেনতে গীতাখন দিওঁতে কৈছিল— "কীৰ্তিৰ কাৰণে তুমি কৰ্ম কৰিব লাগিব। কৰ্ম কি, কৰ্ম যোগ বা কৰ্ম সাধনা কি সেই কথা তোমাক গীতায়ে শিকাব।"

মই দেউতাৰ বাণী শিৰ পাতি লৈছিলো। সংস্কৃত মোৰ অত্যন্ত প্ৰিয় বিষয় আছিল। গান্ধীভাষ্য গীতাখনত গীতাৰ মৰ্ম ব্যাখ্যা গান্ধীজীয়ে নিজে কৰিছিল। এতিয়া গীতাৰ বহুত Interpretation হৈছে। কিন্তু তেতিয়া? গান্ধীজীৰ ভাষ্যকে ভাবিছিলো নতুন চিন্তাৰ একমাত্ৰ ভাষ্য বুলি। গীতাৰ বিষয়ে তেনেকৈ নাজানিছিলোৱেই, মাত্ৰ শুনিছিলো গীতাৰ মাহাত্ম্যৰ কথা।

গীতা পঢ়িলে সংসাৰৰ প্ৰতি বৈৰাগ্য জন্মিব পাৰে— এনে এটা ভ্ৰান্ত ধাৰণা সেই সময়ত আমাৰ নিচিনা ঘৰবোৰত আছিল আৰু সৰু ল'ৰা-ছোৱালী বা মাইকী মানুহক 'গীতা' পঢ়িবলৈ মানা কৰিছিল। দেউতা আছিল প্ৰগতিশীল। মানুহৰ পৰম্পৰাৰূপে চলি অহা 'পায়', 'নাপায়'বোৰত তেখেতে মূল্য দিব সাধাৰণতে নুখুজিছিল। সকলো

কথা বিবেকৰ নিৰ্দেশমতে কৰিবলৈ মনে-প্ৰাণে ইচ্ছা কৰিছিল।

ছোৱালী-ছোৱালী ভাবটো মোৰো নাছিল। ল'ৰাও মানুহ, ছোৱালীও মানুহ। ল'ৰাই যিটো কাম পাৰে, ছোৱালীয়ে কিয় নোৱাৰিব? এইটো ভাবে মনত অনবৰত ক্ৰিয়া কৰিছিল। 'নাপায়' বুলি ক'লে মোৰ আৰু কৰিবৰ মন যায় আৰু 'নাপায়'টো কোন শাস্ত্ৰত লিখা আছে পঢ়ি চাবৰ মন যায়। সমাজখনৰ বেছিভাগ মানুহ তেতিয়া কম শিক্ষিত আছিল কাৰণে অন্ধবিশ্বাসবোৰ দলৈকে সোমাই আছিল। বহুত মানুহে ছোৱালীক "আঁঠুৰা তলৰ মহ", "যেনেকৈ লাও ডাঙৰ নহওক, তেও পাতৰ তল" বুলি কৈছিল। এই উক্তিবোৰ শুনিলে খণ্ডত সৰুৰেপৰাই মোৰ গা জ্বলি গৈছিল। কেনেকৈ ইয়াৰ উত্তৰ দিব লাগিছিল সৰুতে জনা নাছিলো। কিন্তু ডাঙৰ হৈ অহাৰ লগে-লগে অনুভৱ হ'ল 'কিবা এটা কৰি দেখুৱাব লাগিব'। কিন্তু কি কৰিম! তাকোতো নাজানো।

দেউতাই কৈছিল তোমাক পথৰ সন্ধান গীতায়ে দিব। মই গীতা দুয়োহাতে আঁকোৱালি ল'লো আৰু গান্ধীজীৰ দৃষ্টিৰে গীতা বুজিবলৈ যত্ন কৰিলো।

যিসকল মানুহে অন্তৰত শান্তি ভোগ কৰে আৰু সন্তুষ্ট হৈ থাকে তেওঁ একো কৰাৰ প্ৰয়োজন নাই— এনেকৈ অৱশ্যে ক'ব পাৰি। তেওঁবিলাকৰ কোনো কৰ্মত স্বাৰ্থ নাথাকিলেও যজ্ঞস্বৰূপ কৰ্ম ত্যাগ কৰিব নোৱাৰে। সেয়ে তুমি কৰ্তব্য কৰ্ম প্ৰতিদিনেই কৰিব লাগিব। অৱশ্যেই সেই কৰ্মত ৰাগ-দ্বেষ একো থাকিব নোৱাৰিব, আসক্তিও থাকিব নালাগিব। যি অনাসক্ত হৈ কৰ্ম কৰে তেওঁ ঈশ্বৰৰ সাক্ষাৎ লাভ কৰে। লক্ষ্য কৰা, জনকৰ দৰে ৰজাই কৰ্ম কৰি-কৰিয়েই সিদ্ধি লাভ কৰিলে। তেওঁ কেৱল লোকহিতৰ কাৰণেই কৰ্ম কৰিলে। তেনেহ'লে তুমিয়েই বা কিয় বিপৰীত ব্যৱহাৰ কৰিবা? নিয়ম এয়ে যে, ভাল আৰু ডাঙৰ মানুহসকলে যি আচৰণ কৰি থাকে সাধাৰণসকলে তাকেই অনুসৰণ কৰে। মোৰ পিনে চোৱা, মোৰ কাৰ্যত কিবা স্বাৰ্থ সিদ্ধিৰ কথা আছে নে কি? মই চৌবিছ ঘণ্টা অক্লান্তভাৱে কেৱল কাম কৰি গৈছোঁ লোকহিতকৰ কাৰণে। সেইকাৰণে লোকেও কম-বেছি পৰিমাণে তাকেই কৰিছে। যদি মই আলস্যত কাল কটাওঁ জগতৰ কি গতি হ'ব? চন্দ্ৰ, সূৰ্য, তৰা যদি স্থিৰ হৈ যায় জগতৰ নাশ নহ'বনে? এই সকলোৰে গতিদানকাৰী, নিয়ম ৰক্ষাকাৰী ময়েই নহয়নে? লোকৰ আৰু মোৰ মাজত পাৰ্থক্য নিশ্চয় আছে। এয়ে পাৰ্থক্য যে মোৰ আসক্তি নাই, লোকৰ আসক্তি আছে। তোমাৰ দৰে জ্ঞানী লোকে যদি কৰ্ম ত্যাগ কৰা, অন্য লোকেও তাকেই কৰিব আৰু বুদ্ধিভ্ৰষ্ট হ'ব। সেই হেতুকে লোকে যাতে ধৰ্মভ্ৰষ্ট নহয় সেইবাবে ধীৰে ধীৰে অনাসক্ত হৈ কৰ্ম কৰাৰ অভ্যাস কৰা। মানুহৰ ভিতৰত থকা বেয়া প্ৰবৃত্তিবোৰ বশ কৰি নিৰন্তৰ কৰ্ম কৰি যোৱা। মূৰ্খবোৰেই

কয় "মই কৰিছোঁ" বুলি। প্ৰকৃততে তেওঁ কৰেনে? তেওঁ নিমিত্তহে। কৰায় অদৃশ্য অন্য এজনাই। অহংকাৰ শূন্য কৰি সমস্ত কৰ্ম মোকেই অৰ্পণ কৰাটোৱেই উত্তম পথ। ইয়াকে কৰোঁতে-কৰোঁতে মানুহ অহংশূন্য, স্বাৰ্থশূন্য হৈ পৰে আৰু নিৰ্দোষ হয়। তেওঁ বহুত জঞ্জালৰপৰা মুক্তি পায়। ক্ৰমে কৰ্ম বন্ধনৰপৰাও মুক্তি পায়। য'ত কৰ্ম কৰাটোৱেই স্বভাৱসিদ্ধ কথা, তাত জোৰ কৰি কৰ্ম নকৰাটোও অহংকাৰ। ... হাতত থকা কাম ততালিকে কৰাকে স্বধৰ্ম কৰা বুলি কোৱা হয়। আজি ইটো, কালি সিটো কৰি স্বধৰ্ম ত্যাগ নকৰিবা।

যাৰ যি ক্ষেত্ৰ তেনেকৈয়ে কৰ্ম কৰা ... কৰ্ম চিনি পাবলৈ জ্ঞানৰো প্ৰয়োজন। ... ইন্দ্ৰিয়সমূহ বশলৈ আনা। তাৰদ্বাৰা মন জয় কৰা হ'ব। ইয়াৰ পাছত বুদ্ধি উদ্ভাসিত হ'ব। ইন্দ্ৰিয়তকৈ মন, মনতকৈ বুদ্ধি শ্ৰেষ্ঠ। কিন্তু সকলোতকৈ শ্ৰেষ্ঠ আত্মা। আত্মাৰ শক্তিত বিশ্বাস কৰা— সকলো সহজ হৈ পৰিব।

মহাত্মা গান্ধীয়ে কৈছে— এই কৰ্মযোগৰ কথাখিনিয়েই সমস্ত গীতা বুজাৰ চাবিকাঠী। জীৱন আনৰ সেৱাৰ কাৰণে, ভোগ কৰাৰ কাৰণে নহয়। কৰ্মই যজ্ঞ। কৰ্ম কৰিছা মানে তুমি অহৰহ লোকহিতৰ কাৰণে যজ্ঞ কৰিছা,— কি তাৎপৰ্যপূৰ্ণ এই মহৎ বাণীসমূহ! মানুহক সৎ কৰ্মলৈ ই উদ্বুদ্ধ কৰিছে, জীৱন আলোকিত কৰিছে। এনে উপলব্ধিয়ে জীৱনক সামান্যৰপৰা অসামান্য স্তৰলৈ গতি কৰায়।

গীতাৰ এই অমোঘ বাণী বৈ-বৈ মোৰ অন্তৰত বাজিবলৈ ধৰিলে। পোহৰৰ যাত্ৰা যেন মোৰ আৰম্ভ হ'ল।

... ঈশ্বৰেই সাধু পুৰুষৰ সহায়। ... মানুহ নিষ্কাম হৈ কাম কৰিলে মোক্ষ পায়। ... যিসকলে কামনা আৰু বাসনা ত্যাগ কৰি কৰ্তব্যকৰ্ম কৰি যায় তেওঁবিলাকে জ্ঞান ৰূপ অগ্নিত কৰ্মক ছাই কৰিছে বুলি ক'ব পৰা যায়। যিসকলে এনে কৰি থাকে তেওঁবিলাকৰ মন সদায় সন্তুষ্ট আৰু স্বাধীন। তেওঁবিলাকৰ মন নিজৰ স্থানত ঠিক থাকে। কোনো সংগ্ৰহ বা সঞ্চয়ৰ মাজত নপৰে। ... সফলতা-নিষ্ফলতাই তেওঁবিলাকক স্পৰ্শ নকৰে। তেওঁৰ অহংকাৰো নাই, ভয়ো নাই ... বাঃ কি সুন্দৰ! এই কথাবোৰ কিমান স্পষ্ট। কৰ্ম জ্ঞানপূৰ্বক হ'ব লাগে। জ্ঞান শ্ৰদ্ধাৰে আৰম্ভ হৈ অনুভৱত পৰিণত হয়। এনে জ্ঞান হ'লে লোকে সকলোকে নিজৰ মাজত দেখে আৰু নিজকে দেখে ঈশ্বৰৰ মাজত। সকলোতে যেন ঈশ্বৰময়— এনে অনুভৱ হৈ থাকে ... এনে জ্ঞানেই কৰ্মক বন্ধনৰপৰা মুক্ত কৰে।

... মোৰ সিৰা-উপসিৰাইদি যেন নতুন তেজ সঞ্চাৰিত হ'ল। মই ভাবিবলৈ ধৰিলো— দেউতাই যে অহৰহ হয় পঢ়া, নহয় বাৰীত খেতিৰ নানা কাম কৰি থাকে, কৰোঁৱাই থাকে এইবোৰ আসক্তি নে অনাসক্তি? এইবোৰ লোকহিতকৰ কৰ্মনে? মই নিজৰ মনতে উত্তৰ পালো এই যে দেউতাই পুখুৰী ডাঙৰকৈ খন্দাই, পৰিষ্কাৰ পানী ৰাখি

বহুজনক খাবলৈ দিছে এইটো কৰ্মযজ্ঞই। দেউতাই যে হোমিঅ'পেথিক চিকিৎসা বিনামূল্যে কৰি সকলোকে বিনামূলীয়া ঔষধ দি সকাহ দিয়ে, কিমানক কিমান দান দিয়ে, এয়াও পবিত্ৰকৰ্মই। দেউতাই যে কৈ থাকে 'কৰ্মই আনন্দ আৰু আনন্দই ভগৱান'। মায়ে যে আলহী-অতিথিক ইমান শুশ্ৰূষা কৰে, ৰাতি এক-দুই বজালৈকে দিনৰ দিনটো শিৱসাগৰত শিৱৰাত্ৰি চাবলৈ অহা মানুহবোৰক ৰান্ধি-বাঢ়ি খুৱাই অক্লান্তভাৱে সেৱা কৰে, সেয়েই নিশ্চয় যজ্ঞ। ... মই কি কৰিম? পঢ়ি-শুনি, নিজক থিয় কৰি নিশ্চয় লোকহিতকৰ অনেক কাম কৰিম। গীতাত কৈছে নহয় 'ঈশ্বৰেই সাধু পুৰুষৰ সহায়।' পুৰুষ শব্দটো দিছে যদিও এই শব্দই মানুহকহে বুজাইছে। গীতাৰ বাণীৰ লগত গান্ধীজীৰ জীৱন লীন গৈ আছে। সেই কাৰণেই তেওঁ মহাত্মা। জীৱনজুৰি সত্য অন্বেষণ কৰিলে। সৎ কৰ্মই 'সত্য' আৰু 'সত্য'ই পোহৰ। মোৰ বাট বিশাল পোহৰৰ। সংকুচিত জীৱনৰ নহয়, পৰাধীনতাৰ নহয়।

জীৱনৰ এক নতুন অধ্যায় আৰম্ভ

মোৰ যেন মহাজীৱনৰ যাত্ৰা আৰম্ভ হ'ল। কি অপূৰ্ব এই মুক্ত আকাশ! অদৃষ্টৰ কোন গতিয়ে নি মোক সঁজাত বন্দী কৰিছিলগৈ। মুক্তিৰ স্বাদ পাই মোৰ মন প্ৰাণ-আত্মাই যেন অমৃতৰ গান গাই উঠিল। কি আহিল, কেনি গ'ল, কিয় গ'ল— এই কথাবোৰে মোৰ মনত একো প্ৰতিক্ৰিয়াই যেন সৃষ্টি নকৰিলে। পুনৰ পঢ়িবলৈ পোৱাৰ কাৰণে ঈশ্বৰক মই পৰি-পৰি ধন্যবাদ জনালো।

মই ক্লাছ ফাইভ, ছিক্সমানত পঢ়ি থকাৰেপৰাই কিতাপ অধ্যয়নক মোৰ প্ৰাণতকৈও যেন ভাল পাইছিলো। ঘৰত থকা দেউতাৰ বৃহৎ লাইব্ৰেৰিটোৰ, বিশেষকৈ বাংলা ভাষাৰ কিতাপবোৰ বুজি-নুবুজি মই এফালৰপৰা পঢ়ি গৈছিলো। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ কিতাপ, শৰৎ চট্টোপাধ্যায়ৰ কিতাপ, 'বসুমতী', 'দেশ', পূজা সংখ্যাৰ 'আনন্দ বাজাৰ', 'যুগান্তৰ', শুকতাৰা' আদি কিতাপ-আলোচনীৰে লাইব্ৰেৰি ভৰি আছিল। কিতাপ পঢ়ি-পঢ়ি ক্ষণে-ক্ষণে অপূৰ্ব স্বাদ, অপূৰ্ব শিহৰণত মই চমকি উঠিছিলো, কান্দিছিলো, হাঁহিছিলো। কিতাপ মোৰ জীৱনৰ একমাত্ৰ বন্ধু, একমাত্ৰ সংগী,— এনে অনুভৱ তেতিয়াই গভীৰভাৱে হৈছিল। মোৰ ভনীজনী মোৰ ছাঁৰ দৰে হ'লেও তাইৰ আকৌ ৰন্ধা-বঢ়া, খেলা-ধূলাৰ তিহে বেছি আকৰ্ষণ হৈছিল।

দেউতাই কিতাপ পঢ়ি-পঢ়ি বৌটি (বৰমা), মাক নানান সুমিষ্ট খাদ্য প্ৰস্তুত কৰিবলৈ কাইছিল। সেইবোৰকে আকৌ বৌটিয়ে তেতিয়াই আমাক শিকাইছিল। ভাত-পানী ন্ধা-বঢ়া কৰা ক্লাছ ফ'ৰ-ফাইভমানৰপৰাই ভালকৈ পৰা হৈছিলো। কেৱল মই মাছ-ংস কুটা-বছা আৰু চাউল জাৰিব, চালিব নাজানিছিলো। এইকেইটা কাম কেতিয়াও কা নাই আৰু নাজানো। কাপোৰ ধোৱা, বাচন ধোৱা আদি কামো মা-দেউতাই সাধাৰণতে ৰিবলৈ দিয়া নাছিল। মোৰ মনত সৰুতে এনেকুৱা ভাব আছিল যেন এইবোৰ সাধাৰণ মত লিপ্ত থাকিলে পঢ়া-শুনাৰ ভাল কথাবোৰ পাহৰি যাম। কিন্তু পাকঘৰৰ মজিয়া, সাঁইঘৰৰ মজিয়া পানীৰে আৰু ৰঙামাটিৰে মসৃণ কৰি মুচি মই বৰ ভাল পাইছিলো। সাঁইঘৰৰ তামৰ, পিতলৰ কাঁহী-বাটি ধুই মই চিকচিকীয়া কৰিছিলো। মায়ে সদায় ছিল— "মাজনীয়ে কামবোৰ কৰিলে কামবোৰে হাঁহি থাকে।"

ক্লাছ ছেভেনত দেউতাই যেতিয়া গীতা হাতত তুলি দিলে, গীতাৰ গাম্ভীৰ্যপূৰ্ণ তথা বিহ বাণীয়ে মোৰ অন্তৰাত্মাৰ দুৱাৰ মুকলি কৰি দিলে। আত্মালৈ মোৰ সোমাই

আহিল কেৱল পোহৰ আৰু পোহৰ। শ্ৰীকৃষ্ণৰ বিশ্বৰূপৰ তাৎপৰ্য প্ৰকৃত অৰ্থত বুজি নাপালেও বিশ্ব ৰূপৰ একাদশ অধ্যায় পঢ়ি মই বিস্ময়-বিমুগ্ধ হৈছিলো। প্ৰাণে যেন কান্দি উঠিছিল— তুমি ক'ত আছা কৃষ্ণ, মোৰ মোহন কৃষ্ণ, তুমি মোক কেতিয়া দেখা দিবা?

কথাবোৰ কি ৰহস্যপূৰ্ণ! ক'ৰ প্ৰতিক্ৰিয়া ক'ত যে হয়! অন্তৰৰ প্ৰথম যৌৱনৰ চাগে উকমুকনি মনৰ অৱস্থা এনেকুৱা— "বুজো কি নুবুজো চিনাকি কুলিৰে মাত, মেলো কি নেমেলো আকাশে চুবলৈ হাত।" এদিন নিজম দুপৰীয়া হঠাতে এযোৰ নয়ন দৃষ্টিগোচৰ হ'ল। এইযোৰ চকু সাইলাখ যেন কৃষ্ণৰ! অতি মোহনীয়া সেই চকু! দুয়ো দুয়োৰে চকুৰ মাজেদি প্ৰথম দেখাতে অন্তস্থলীত গৈ যেন প্ৰৱেশ কৰিলো। এক মুহূৰ্ত সি যেন অনন্ত, চিৰন্তন।

"মই সুধিছিলো
মোৰ আকাশ কেনি
সমুখত তেওঁ তুলি ধৰিলেহি
নীলা নয়নৰ মণি
মই সুধিছিলো তোমাক নিচিনো
কোৱাচোন কোন তুমি
তেওঁ কৈছিল মোৰ নাম প্ৰেম
ময়েই পৰশমণি।"

বহুত বছৰৰ পাছত লিখা এই গান। গানৰ পটভূমি আছিল জীৱনৰ এক গভীৰতম সত্যৰ ব্যাকুল মুহূৰ্তৰ আৰম্ভণি।

গৰ্ভলৈ গৰ্বেৰে গ'ল বিদ্যুৎ— অৰ্থাৎ বিদ্যুৎময় প্ৰবাহত সৰ্বাংগ শিয়ৰি উঠিল। কিয়? আগতে এনে শিহৰণতো কেতিয়াও পোৱা নাই, "পোৱা নাই এনে শিহৰণ, পোৱা নাই।" ইয়াৰ নাম কি?

"জীৱনত আছে মধু শিহৰণ
তোমাক দেখিহে বুজিলো।"

মেট্ৰিকুলেশ্যন পৰীক্ষাৰ সময় আছিল তেতিয়া। মোৰ ১৫-১৬ বছৰ বয়স। মেট্ৰিকুলেশ্যন পৰীক্ষাৰ কাৰণে যিটো কোঠাত বহি মই সদায় প্ৰস্তুতি কৰিছিলো সেই কোঠাৰ খিৰিকীয়েদি এজোপা বৰ ডাঙৰ আঁহত গছ আৰু পলাশ গছ দেখা যায়। বসন্ত কালৰ সময়। আঁহত গছত সৰু-সৰু সেউজীয়া পাত, পলাশ গছত পলাশ বুলীয়া অজস্ৰ ফুল ফুলিছে। কুলি চৰায়ে অহৰহ চিঞৰি আছে কুলিৰ অমিয়া মাত মই যেন প্ৰথম এই বসন্তত বুজি পালো। আঁহতৰ জিৰ-জিৰ পাতৰ শব্দই যেন মোক অন্য এখন

জগতলৈ লাহে-লাহে লৈ গ'ল। মই মোৰ হাতলৈ চালো, ভৰিলৈ চালো। হাত-ভৰিবোৰ যেন নিমজ্জ হৈছে, লাবণ্য যেন বাগৰি গৈছে। কিতাপৰ মাজৰপৰা মনটো মাজে-মাজে উৰি গৈ কৃষ্ণৰ যেন বাঁহীৰ মাত শুনিব খোজে। ঘৰখনত থকা বিতোপন কৃষ্ণৰ বিভিন্ন ছবিৰ ওচৰত থিয় হওঁগৈ। আৱেগত মেৰ ধাৰাসাৰ চকুলো বাগৰি যায়। গান গাই-গাই যেন ব্যাকুল হৈ পৰোঁ।

মায়ে ৰাতি-ৰাতি ৰান্ধি-বাঢ়ি খুৱাই-বুৱাই আজৰি হৈ ভিতৰৰ পকা বাৰাণ্ডাৰ চকীত বহেহি আৰু ওচৰলৈ মাতি আনি মোক গান গাবলৈ কয়। তেতিয়া ঘৰত থকা গ্ৰাম'ফোনৰ ৰেকৰ্ডত থকা বাংলা গানবোৰেই বেছিকৈ গাইছিলো। সতীনাথ, জগন্ময় মিত্ৰ, কানন দেবী, শ্যামল মিত্ৰ, হেমন্ত মুখাৰ্জী, সন্ধ্যা মুখাৰ্জী— এওঁলোকৰ গানেই সেই সময়ত আমাৰ প্ৰাণৰ তৃষ্ণা পূৰাইছিল। দেউতাই কিন্তু গানত ইমান ৰাগি লগা পচন্দ কৰা নাছিল। দেউতাই হয়তো ভাবিছিল গানত এনেকৈ লাগি থাকিলে মোৰ পঢ়া-শুনা একো নহ'বগৈ। এনেকৈ দিন গৈ থাকোঁতে মোৰ মেট্ৰিক পৰীক্ষাৰ প্ৰায় ছমাহমানৰ আগতে মোৰ ঘৰুৱা শিক্ষক শ্ৰদ্ধেয় দিহিঙীয়া ছাৰ এন. চি. চি. প্ৰশিক্ষণৰ বাবে শ্বিলঙলৈ যাব লগা হ'ল। মোৰ পৰীক্ষাৰ আগে-আগে ছাৰ যাবগৈ লগা হোৱাৰ কাৰণে তেখেতে মনত দুখ পাইছিল যদিও ভয় কৰা নাছিল। তেখেতৰ মোৰ ওপৰত অগাধ আস্থা আছিল। ইতিমধ্যে বৌটিৰো (বৰমা) বৰ টান অসুখ আৰম্ভ হ'ল। তেখেত এনেয়েও বৰ অসুখীয়া আছিল। এইবাৰ তেখেতৰ ডবল নিউম'নিয়া আৰম্ভ হ'ল। তেতিয়া নিউম'নিয়াৰ ঔষধ তেনেকৈ ওলোৱাই নাছিল। যোৰহাটৰপৰা পেনিচিলিন ইনজেকশ্যন আনি তেতিয়াৰ দিনত ফ্ৰিজ নথকাৰ বাবে বেজি আৰু দৰবখিনি কলগছৰ মাজত সুমুৱাই থোৱা হৈছিল। ইমান ডাঙৰ-ডাঙৰ ডাক্তৰ লগোৱা হৈছিল যদিও কোনো ডাক্তৰে বৌটিক বচাব নোৱাৰিলে। মাঘ মাহৰ পূৰ্ণিমা ৰাতি তেখেতে ইহলীলা সম্বৰণ কৰিলে। একো খাব-বব নোৱাৰা বৌটিয়ে মৃত্যুৰ দুদিনৰ আগতে মোৰ হাতেৰে কিবা এটা খাওঁ বুলি কোৱাত মই ময়দাৰ লুচি আৰু ওলকবিৰ তৰকাৰি কৰি দিছিলো। অকমান মুখত দিলে যদিও বাকীখিনি খাব নোৱাৰিলে। মই এতিয়া কিমান কি বস্তু ৰান্ধিব জনা হ'লো, কিন্তু খুৱাবলৈতো আৰু বৌটি নাই। বিষাদত অন্তৰখন তিতি যায়।

গীতাৰ 'কৰ্মই ধৰ্ম'— এই কথাষাৰ মোৰ সাৰোগত হ'ল। মোৰ কাৰণে সকলো নহয়, সকলোৰে বাবে মই। মই জীয়াই থাকিম এটা সুদৃঢ় আৰু বলিষ্ঠ মনেৰে আৰু সকলো ভাল কাম ময়েই কৰি যাম। এই আদৰ্শই মোৰ জীৱন অধিকাৰ কৰিলে। নহ'লে 'নাৰীৰত্ন' পঢ়াৰ সাৰ্থকতা ক'ত? মোৰ কোনোবা জন্মৰ পাপৰ বাবে হয়তো এই জন্মত দেউতা-মাৰ মনত কষ্ট দিবলৈকে মই উপজিছিলো। কোনো বেয়া কাম তিলমানো

মোৰদ্বাৰা হোৱা নাছিল আৰু কেতিয়াও নহয়। কেৱল ভাল কাম কৰাৰহে হেঁপাহ আছিল মোৰ।

মোৰ বিয়াৰ ভোজৰ কাৰণে পুখুৰীৰ পাৰত ছাগলী কটা জীৱনত প্ৰথমবাৰৰ কাৰণে দেখি মই মাটিত বাগৰি-বাগৰি কান্দিছিলো। লগতে সত্য অন্বেষণৰ কাহিনী পঢ়ি জীৱনলৈ মাছ, মাংস, কণী খোৱা সম্পূৰ্ণ বাদ দিছিলো। মানুহ ইমান নিষ্ঠুৰ হ'ব নাপায়। এই আমিষ আহাৰ তেতিয়াৰপৰা মই এম. এ. পাছ কৰাৰ কেইবাবছৰৰ পাছলৈকে খোৱা নাছিলো। মই ভাইহঁতক ৰান্ধি-বাঢ়ি দিওঁ, আলহী-অতিথিকো দোপিয়াঁজী, কোৰ্মা, পোলাও আদি ৰান্ধি দিওঁ, নিজে কিন্তু একেবাৰে নিৰামিষ। এবাৰ বৰ টান অসুখ হোৱাত মোক ছাত্ৰীবাৰী মিছন হস্পিটেলত ভৰ্তি কৰিব লগা হৈছিল। তেতিয়া ডা. মুন্দহেংকে (জাৰ্মান ডাক্তৰ) গাত একেবাৰে প্ৰ'টিন নাই বুলি জোৰ কৰি মুৰ্গীৰ ছুপ খুৱাই মোৰ আহাৰৰ ব্ৰত ভাঙিলে। মানুহ পৰিস্থিতিৰ দাস।— এই কথা মানিব লগাত পৰিলো।

আমাৰ ঘৰত দুৰ্গাপূজাৰ নৱমীৰ দিনা নৈবেদ্য আৰু বগা হাঁহ এযোৰ উচৰ্গা কৰি দিয়া পৰম্পৰাগত নিয়ম চলি আছিল। হাঁহযোৰ কিন্তু বলি দিয়া নহৈছিল। মই বেয়া পাওঁ কাৰণে দেউতাই মোক সেই সন্মতেই সন্মান কৰি হাঁহ উচৰ্গাৰ নিয়ম উঠাই দিলে। মোৰ বাবেই খাবৰ বাবে ছাগলী ঘৰতে কটা নিয়মো বন্ধ হ'ল। ঘৰত খাবলৈ হ'লে ক'ৰবাৰপৰা এভাগ মাংস কিনি আনে।

বিচিত্ৰ এই মানুহবোৰৰ মন। দেউতা-বৌটিয়ে মোক বুকুৰপৰা লোকৰ ঘৰলৈ পঠিওৱাৰ কথা কল্পনা কৰিবই নোৱাৰিছিল আৰু এইবোৰ আচম্বিতে হোৱা ঘটনাই গোৰ মাৰি গংগাত পেলোৱা বুলি ভাবিছিল। ময়ো প্ৰাণতকৈও অধিক ঘৰখন এৰাৰ কথা ভাবিব নোৱাৰিছিলো। তদুপৰি স্থূলতা প্ৰেম নহয়। কেৱল সত্যৰ খাতিৰতে মই ক'ব লগা হৈছে যে মোৰ অনাসক্তি বা অনুৰাগবিহীনতা মানুহজনে ভালকৈ ধৰিব পাৰিছিল আৰু সেইকাৰণেই প্ৰতিশোধ লোৱাৰ মনোভাব (হয়তো অৱচেতনত) আছিল আৰু তাৰে ফলস্বৰূপে মোক মানসিক আৰু শাৰীৰিক আঘাত (torture) দিছিল। কথাবোৰ লিখোতে মোৰ এয়া চকুপানী দুধাৰে বাগৰি আহিছে। শব্দেৰে এইবোৰ কেতিয়াও প্ৰকাশ কৰিব নোৱাৰি। আমাৰ বয়সৰ পাৰ্থক্য আছিল বিছ বছৰৰ। মই এঘাৰ-বাৰ বছৰীয়া, মানুহজন আছিল একত্ৰিছ বছৰীয়া। মানুহৰ মন বোলা অস্তিত্ব এটাও আছে। সামাজিক বাধ্যবাধকতা আৰু স্বতঃস্ফূৰ্ততা একে বস্তুনে? মাত্ৰ শিৰৰ সেন্দূৰৰ শিকলিয়ে বন্ধন আনেনে? যিকোনো স্থূলতা মই এনেয়েও সহ্য কৰিব নোৱাৰোঁ।

ছোৱালী পঢ়াব খোজা কাৰণেই পঢ়াত বাধা দিয়াৰ চূড়ান্ত উপায় হিচাপে এই ষড়যন্ত্ৰটো সম্পূৰ্ণ কৰা হ'ল বুলি আটায়ে বুজি পালে। দ্বিতীয়তে আৰু এটা কথা তেওঁবিলাকে হয়তো ভাবিছিল যে যদি দৰাপক্ষই কঠিন হৈ দিয়ে কন্যাপক্ষ গৈ কান্দি-কাটি ধনে-

বিতে দি ভৰিত পৰিবগৈ। এনে ষড়যন্ত্ৰয়ো দেউতাৰ নোম এডালো লৰাব নোৱাৰিলে। দেউতা দৃঢ়প্ৰতিজ্ঞ হ'ল— "তাই যদি মোৰ ছোৱালী হয়, তাই দেখুৱাই দিব জীৱন কাক কয়। 'বিষয়ক সুখ শূকৰী কহো পাই, হৰিপদ সেৱা মানৱী বিনে নাই।' তাই লোকৰ নাখায়, লোকক খুৱাব।" উমা ককাৰ মোক লৈ কৰা ভৱিষ্যৎবাণী দেউতাৰ মনত পৰিল।

বৰমইনা মামা অৰ্থাৎ কটন কলেজৰ দৰ্শন বিভাগৰ তীক্ষ্ণধী প্ৰফেছৰ প্ৰফুল্লপ্ৰাণ চাংকাকতিয়ে আমাৰ ঘৰৰ কাহিনীবোৰ পলমকৈ গম পাইছিল। তেখেতে লোকৰ মুখে কথাবোৰ শুনিয়েই আমাৰ শিৱসাগৰৰ ঘৰলৈ আহি বেজাৰতে দেউতাক কঠিনকৈ ক'লে,— "ভিনিহি, এই মানুহবোৰে মেল পাতিব বুলি ক'লতে আপুনি মেল পাতিবলৈ কিয় দিলে? কি এনে দোষণীয় কথা হ'ল শাস্তিবিয়া নিদিয়াটো? মানুহে কুসংস্কাৰবোৰ এৰিবৰ হ'ল।"

দেউতাই আক্ষেপেৰে কৈছিল,— "বৰমইনা, তোমাৰ জগতখন বেলেগ, এই মানুহবোৰৰ জগতখনো বেলেগ। মই এই সমাজৰে এজন। সমাজৰ শৃংখলাৰ (ডিচিপ্লিন) কাৰণে যদি মেল পাতিব লাগে বুলি ভাবিছে পাতক— এই বুলিহে ক'লো। মোৰনো তাত ভয় কৰিবলগীয়াই বা কি, আপত্তি কৰিবলগীয়াই বা কি।"

"কিন্তু মানুহবিলাকে আপোনাক কিয় এঘৰীয়া কৰিব? কিহৰ দোষত? আপুনিতো একো কৰা নাই।"

দেউতাই হা-হাকৈ হাঁহিলে,— "আমাৰ গাঁৱত কিমান ক্ষুদ্ৰ একো-একো কথাতে বাদ দিয়া-দিয়ি হয়! তুমি দূৰত থকা কাৰণে নাজানাই। মই ছোৱালীজনী উলিয়াই নিদি পঢ়াব খুজিছিলো,— সেইটোৱেই মোৰ দোষ।"

"আচল দোষীয়েতো একো শাস্তি নাপালে। এই অকমানি ছোৱালীজনী, —তাইহে কুসংস্কাৰৰ বলি হ'ল। ফিৰিঙতিৰপৰা খাণ্ডৱ দাহ হ'ল। এফোটমান ছোৱালীজনীক বিয়া দিবলৈনো পাইছিল কিহে? তাই বিয়া মানে বুজেই বা কি! আপোনাৰ, মোৰ দিনত বাল্যবিবাহ চলিছিল বুলিয়েই এই কুৰি শতিকাতো চলাই থাকিব লাগেনে?"

"শিক্ষাইহে পোহৰ আনিব বৰমইনা। মানুহবোৰে নিজেই নাজানে কোনটো উচিত, কোনটো অনুচিত।"

"কিন্তু আপোনাৰ নিচিনা মানুহ ইয়াৰ বলি হ'ব নালাগিছিল। চাই থাকিব ভিনিহি, এই অন্ধবিশ্বাস, এই অৰ্থহীন গোড়ামিবোৰ আঁতৰিবলৈ বৰ বেছি দিন আৰু নাই। কি দিন আহি আছে চাই থাকক। আপুনি একোলৈকে ভয় নকৰিব। তাইক গোৰ মাৰি গংগাতহে পেলোৱা হ'ল। তাই বহুত ওপৰলৈ উঠিব, চাই থাকক।" পঢ়া-শুনাত মই ভাল আছিলো কাৰণে বৰমইনা মামা আৰু সৰুমইনা (চিফ ইঞ্জিনীয়াৰ বিষ্ণুপ্ৰাণ

চাংকাকতি) মামা দুয়োজনে মোক বৰ ভাল পাইছিল।

দেউতা ইতিমধ্যেই দৃঢ়প্ৰতিজ্ঞ হৈছিল। এটা বৰ ডাঙৰ উপলব্ধি চকুৰ পানীৰে দাম দি কিনিলে। দেউতাই বুজিলে— জীয়াই থকাৰ নামেই জীৱন নহয়। লগতে আৰু বুজিছিল নিয়মবোৰ জীৱনৰ কাৰণেহে, জীৱনবোৰ নিয়মৰ কাৰণে নহয়।

মই কেৱল বিবুদ্ধিত পৰিছিলো। এইবোৰ কি কথা? দেউতাক কিয় দণ্ড দিছে? পঞ্চাছ টকা তামোল-পাণৰ শৰাইত দি ৰাইজক নামঘৰত সেৱা কৰিলেহে দেউতাক আকৌ নামঘৰলৈ বা সমাজৰ বিয়া-বাৰুলৈ মাতিব। নহ'লে অকলে থাকিব লাগিব।

মই কথাবোৰ ভালকৈ বুজি পোৱা নাছিলো। দোষী কোন— দণ্ড দিছে কাক! সমাজৰনো এইবোৰ কি বিচাৰ! ছোৱালীক পঢ়াব খোজাটো বেয়া কথা নে কি?

দেউতাক কিয় দুখ দিছে, কিয় দুখ দিছে— বেজাৰত অকলে-অকলে মই ফেকুৰি-ফেকুৰি কান্দিছিলো। নামঘৰত সেই সময়ত কিবা এটা তিথি হৈছিল। দেউতা নামঘৰলৈ যোৱা নাই, অন্য মানুহবোৰ সকলো গৈছে দেউতাই ঘৰৰ গোসাঁইঘৰতে চাকি-বন্তি, ধূপ-ধূনা, শৰাই আগত লৈ থাপনাৰ সন্মুখত বহি ভোৰতাল বজাই তিথি উপলক্ষ্যে অকলে-অকলে নাম গাইছিল। অকলশৰে বহি নাম লৈ থকা দেউতাৰ চাদৰ মেৰিওৱা পিঠিখন চাই, ধুমুহাই খুন্দা দেউতাৰ বুকুখন উপলব্ধি কৰি অসীম যন্ত্ৰণাত অকলে-অকলে ছটফট কৰিছিলো। মই কি কৰিম? মই কি কৰিব পাৰোঁ? মোৰ অন্তৰ দুখে শালি পেলাইছিল।

দেউতা আছিল অলৰ-অচৰ। "বিনা দোষত মই কিয় দণ্ড ভৰিবলৈ যাম। মোক কাৰো লগ নালাগে। মই অকলেই থাকিম।"

চাৰি-পাঁচমাহমানৰ পাছত মোৰ ছোৱালীজনীৰ জন্মৰ সময়ত, গাঁৱৰ আটাইবোৰ মানুহ উবুৰি খাই পৰিলহি। মানুহবোৰৰ অন্তৰৰ টান ইমানেই।

প্ৰসংগক্ৰমেই সেই সময়ৰ আন কিছুমান সামাজিক ব্যৱস্থাৰ কথা মনত পৰিছে। এইবোৰো একো-একোটা নিৰুপায় অৱস্থাই।

সাধাৰণতে অসমৰ নিচিনা জলবায়ুত সাধাৰণভাৱে স্বাস্থ্যৱতী ছোৱালী এজনী বাৰ-তেৰ বছৰমান বয়সতে পুষ্পিতা হয়। ক'ৰবাত কেনেবাকৈ দুই-চাৰিহে দহ- এঘাৰ বছৰতে ডাঙৰ হয়। দেৰিকৈ পুষ্পিতা হোৱা কথাটো কিছু বিৰল।

ব্ৰাহ্মণৰ ঘৰৰ ছোৱালী। বিয়া দিবলৈও দৰা পোৱা নাই, ইপিনে স্বাভাৱিক বয়সতে পুষ্পিতাও হ'ল। উপায়বিহীন পিতৃ-মাতৃয়ে তেতিয়া কথাটো গোপনেই ৰাখিবলগীয়া হয়। ওচৰ-চুবুৰীয়া বা দূৰ সম্বন্ধীয়া-অসম্বন্ধীয়া আই-বায়ে যদি মাকক কাণে-কণে ফুচফুচাই সোধে,— "ছোৱালীজনীৰ চেহেৰাটো চিকুণ হৈ পৰিছে, কিবা হ'ল নে কি আকৌ?" মাকে তেতিয়া দৃঢ়ভাৱে মূৰ জোকাৰি অস্বীকাৰ কৰি উত্তৰ দিয়ে,— "আপুনি

কি যে কয়! মায়ণ্ডৰ বেজৰ হতুৱাই গা বন্ধাই থৈছোঁ নহয়। বান্ধ খুলি দিলেহে ডাঙৰ হ'ব।" দোল-ফহতি বিশ্বাস কৰা আই-বাইসকল বিশ্বাস-অবিশ্বাসৰ দোমোজাত নিমাত হয়। লুকুৱাই ৰখা মূল কথা হ'ল সমাজৰ প্ৰচলিত নিয়মলৈ কৰা ভয়। কিজানিবা 'এঘৰীয়া' কৰা হয়। ছোৱালীজনীয়েও প্ৰতি পদে-পদে কথা লুকুৱাই, মিছা কথা কৈ কম অসুবিধাত চলিব লগা হয়নে। প্ৰতিমাহতে তিনিদিনকৈ ছোৱালীজনী স্কুললৈ নোযোৱা দেখিলেও ওচৰ-চুবুৰীয়াই কি হ'ল বুলি সোধে। তেতিয়াও ক'ব লগা হয় মিছা কথাকে— "তাইৰ জ্বৰ হৈছে", "তাইৰ ডিছেণ্ট্ৰি হৈছে" এনেকৈ।

ছোৱালীজনী ডাঙৰ হ'লে ছোৱালীজনীৰ হাতে ভাত নোখোৱা নিয়ম এটাও চলি আছিল বা হয়তো এতিয়াও আছে। দেউতাই এই কথাটোৰ বৰ প্ৰতিবাদ কৰিছিল। "ডাঙৰ হ'লেই নিজৰ মাক-বাপেকক ভাত ৰান্ধি দিব নোৱৰা এইটো কি নিয়ম? মই এইবোৰ নামানো।" দেউতাই সঁচাকৈয়ে নামানিছিলেও।

আজিকালিৰ দৰে আগৰ দিনত মাহেকীয়া ঋতুস্ৰাৱৰ দিনকেইটাত তেনেকৈ ওলাই-সোমাই ফুৰিবলৈ দিয়া নহৈছিল। এই দিনকেইটাত ভূত-প্ৰেত কাষ চাপে বুলিও গণ্য কৰিছিল। খাৰ বা চাবোনেৰে তিনিদিনীয়া গা-মূৰ ধোৱাৰ পাছতহে এগৰাকী নাৰীক আনৰ বিছনা-পাতি, ঘৰৰ পৰ্দা আদি চুবলৈ দিয়া হয়। পাঁচদিনলৈ পাকঘৰত নোসোমায়। গোসাঁইঘৰত সোমায় সাদিনতহে। তিনিদিনৰ দিনা মূৰ ধোৱা যেনেকৈ কৰিবই লাগিব, হাত-ভৰিৰ নখ কটা কামো কৰিবই লাগিব। এইবোৰ অৱশ্যেই পৰিচ্ছন্নতাৰহে কথা।

'চুৱা-চুৱা', 'অশুচি-অশুচি' ভাবটোৰ কাৰণেই সেইসময়ৰ অজ্ঞ সমাজখনে নোৱৰা হ'লেই ছোৱালী-বোৱাৰী বা গৃহিণীক মাটিত ধানখেৰ পাৰিহে শুবলৈ দিছিল। তিনিদিনৰ দিনা গা-মূৰ ধোৱাৰ আগতে সেই ধানখেৰ পুৰি পেলাব লাগে। ভিতৰুৱা কিছুমান গাঁৱত ছোৱালী বা বোৱাৰীজনীয়ে ঠটামাটিতে সামান্য চাদৰ এখন পাৰি হাতখনতে মূৰটো থৈ শোৱে।

এতিয়া মানুহে স্বাস্থ্যবিধিৰ বিষয়ে বহুত কথা জানে। দৈনন্দিন জীৱনত পৰিচ্ছন্নতা মানুহে বহুত শিকিছে। কেনেকৈ চলিব লাগে তাকো জানিছে। শিক্ষাই মানুহৰ মন কিছুদূৰলৈ মুকলি কৰিছে। কিন্তু আওহতীয়া, ভিতৰুৱা ঠাই কিছুমানত যে গোড়ামি নাই এই কথা ক'ব নোৱাৰি। ঠেটুৰৈ ধৰা ঠাণ্ডাৰ দিন, তাতে বৰষুণ, এনেকুৱা অৱস্থাতো ঘৰৰ গৃহিণী বা বোৱাৰীক ঘৰত ৰবৰৰ হাৱাই ছেণ্ডেল এযোৰো পিন্ধিবলৈ দিয়া নহয়। জাৰতে চোতালে-ঘৰে, বাটে-পথে ওলাই-সোমাই শুদাভৰিৰে খোজকাঢ়ে। অথচ গিৰিহঁতজনে ছেণ্ডেল পিন্ধিয়েই থাকে। এইবোৰো পুৰুষশাসিত সমাজৰ দমন। মই এইবোৰ নিজ চকুৰেই দেখা কথা।

বাহুত, ডিঙিত, কঁকালত বহুতে তাবিজ, মাদলী বা কবচ আদি আঁৰি লোৱাও

সৰুৰেপৰাই সমাজত দেখিছোঁ। এইবোৰৰ বিষয়ে গভীৰ অধ্যয়ন মই কৰা নাই। মোৰ গাত তাবিজ আদি কিয় নাথাকে এইটোও নাজানো। ৰোগ আৰোগ্যৰ কিবা তাবিজ আদি কেতিয়াবা আঁৰি দিলেও মোৰ গাত কেতিয়াও নৰয়। হেৰাই যায় বা সৰি পৰে। মই ভাবোঁ শক্তি মন্ত্ৰ, গায়ত্ৰী মন্ত্ৰ মাতিব জনাজনৰ কাৰণে, 'ৰাম' নাম, 'হৰি' নাম অন্তৰত ল'ব জনাজনৰ কাৰণে এইবোৰৰ চাগে আৱশ্যক নাই। মন্ত্ৰটোৱেই বা নামটোৱেই 'কৱচ'— ইয়েই বিপদ-বাৰণ কৰি ৰাখে। যি মন্ত্ৰ শুদ্ধকৈ উচ্চাৰণ কৰিব নাজানে তেওঁক নিশ্চয় বিপদ-বাৰণ কৰোঁতাজনৰ নাম লিখি তাবিজৰ ভিতৰত দি ধাৰণ কৰিবলৈ দিয়াৰ প্ৰয়োজন থাকে। কুদৃষ্টি, কুমন্ত্ৰৰ অদৃশ্য প্ৰভাৱৰ কথা উলাই কৰিবও আনহাতে নোৱাৰি। সেইদৰে গ্ৰহৰ আৰু ইষ্টদেৱতাৰ সুদৃষ্টি তথা সুপ্ৰভাৱৰ কথা নাই বুলি, মিছা বুলিও কেতিয়াও ক'ব নোৱাৰি। অংকশাস্ত্ৰৰ ওপৰত সম্পূৰ্ণ ভিত্তি কৰি 'গণনা' (calculation) কৰা জ্যোতিষশাস্ত্ৰ এক বিজ্ঞানহে। অংক শুদ্ধকৈ কৰিব আটায়ে নাজানে। জন্মলগ্ন (সময়) সম্পূৰ্ণ শুদ্ধ নহ'লে জন্ম-পত্ৰিকাখনেই ভুল হয়।

বিভিন্ন সভা-সমিতিৰ কাৰণে দিল্লী, হৰিদ্বাৰ, মাদ্ৰাজ, কলকাতা, উৰিষ্যাৰ অতি মূধাফটা বহুতো পণ্ডিত, সাহিত্যিকৰ লগত কথা প্ৰসংগত এনেবোৰ বিষয় লৈ আলোচনা কৰিছোঁ। তেওঁবিলাকৰ জীৱনৰ আশ্চৰ্যজনক বহুত ঘটনাৰ কথা কৈ জ্যোতিষবিদ্যাৰ প্ৰশংসাত পঞ্চমুখ হৈছে। তাৰ কাৰণে অৱশ্যেই লাগিব অংকশাস্ত্ৰ বিশাৰদ, অধ্যৱসায়ী, গভীৰ পাণ্ডিত্য।

সোণ যেনেকৈ সত্য, পিতলো তেনেকৈ সত্য। কষটি শিলত সোণ ঘঁহাই চাই সত্যাসত্য নিৰূপণ কৰিব লাগে। যুক্তিতৰ্ক (লজিক) নজনা ভোদা, অঁকৰা মানুহে যেয়ে যিহকে কয় তাকে শুনি গৈ থাকে। আচল পণ্ডিতে কোৱা কথাবোৰৰ অৰ্থ বহু তৰপত থাকে। নিজৰ বুদ্ধি আৰু ইচ্ছাশক্তিও তীব্ৰ শক্তিশালী হ'ব লাগে। জীৱন মানেই প্ৰত্যাহ্বান। নিজাকৈ থকা শক্তিৰ লগতে আৰু মহাশক্তি লাভ কৰিবলৈ একান্ত প্ৰাৰ্থনা আৰু একান্ত নিষ্ঠাৰে কৰা কৰ্ম লাগে। সেয়েই সাধনা।

কথাবোৰ এতিয়া মনত পৰিলে বেজাৰো লাগে, হাঁহিও উঠে। শিক্ষাৰ অকণ-অকণ পোহৰ পৰা আৰু বাকী অংশ আন্ধাৰতে থকা কাৰণে সমাজৰ এক শ্ৰেণীৰ মানুহৰ মন যথেষ্ট সংকুচিত আছিল। ভাল, কিন্তু নতুন কিবা এটা হ'লেই তেওঁবিলাক উচাপ খাই উঠিছিল আৰু অযথা চিঞৰ-বাখৰ কৰিছিল।

মোৰ তেতিয়া পাঁচ বছৰ বয়স হেনো হোৱাই নাই। অ, আ, ক, খ শিকাৰো আগতেই। দেউতাই কলিকতাৰপৰা বৰ সুন্দৰ হাৰমনিয়াম এটা মোলৈ অনালে। এইটো বৰমাৰে পৰামৰ্শ আছিল— ল'ৰা-ছোৱালীক সৰুৰেপৰাই সংগীতৰ শিক্ষা দিব লাগে। এতিয়া শিকাব কোনে? শিৱসাগৰত তেনে ঘৰুৱা শিক্ষক বিৰল আছিল। এতিয়াৰ শিৱসাগৰৰ

'সেউজীয়া সমাজ সংগীত বিদ্যালয়'ৰ প্ৰধান শিক্ষক সদ্যপ্ৰয়াত অতুল শৰ্মা মামাই নিজৰ একান্ত অনুৰাগত তেতিয়া মণিপুৰলৈ গৈ সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল। অতুল মামা শ্ৰদ্ধেয় ৰাধা ককাৰ দ্বিতীয় পুত্ৰ। অতুল মামাৰে বাইদেৱেকৰ ল'ৰা পোনা ককাইদেৱে তেতিয়া ডিব্ৰুগড়ৰপৰা কিবা কাৰণত আহি শিৱসাগৰৰ বেজবৰুৱা স্কুলৰ ক্লাছ ছেভেনত নাম লগাইছিল। ৰাধা ককাৰ ঘৰখন সংগীত ভাল পোৱা ঘৰ। বৰগীত আৰু জন্মাষ্টমীৰ নাম ৰাধা ককাই বৰ ভালকৈ গাইছিল। পোনা ককাইদেউ আৰু তেখেতৰ ভায়েক ভোলা ককাইদেৱে জন্মসূত্ৰেই তেনে বিদ্যা কিছু আয়ত্ত কৰিছিল। ভোলা ককাইদেৱে ভজন, ঠুমৰী আদি সুন্দৰকৈ গাইছিল। পাছে তেখেত ডিব্ৰুগড়তহে আছিল। শিৱসাগৰত আছিল ক্লাছ ছেভেনত পঢ়া পোনা ককাইদেউহে । তেখেতকে মোক হাৰমনিয়ামটো বজাবলৈ শিকাবলৈ ক'লে, লগত দুই-এটা গানো। পোনা ককাইদেৱে ধুতি আৰু বগা কামিজ পিন্ধিছিল। মই ইমান অকমান আছিলো যে পোনা ককাইদেৱে মোক কোলাত লৈ, ভয়তে ওলোৱা চকুপানী ৰুমালেৰে মচি দি হাৰমনিয়ামত সা ৰে গা মা বজাবলৈ শিকাইছিল। পোনা ককাইদেউৰ আঙুলিবোৰ বৰ ধুনীয়া জোঙা-জোঙা আছিল। তেখেতে হাৰমনিয়াম বজালেই মই টোপনি যাওঁ। বৰমাই আহি তপত গাখীৰ এপিয়লা খুৱাই বা লজেন্স এটা দি টোপনি ভাঙে আৰু নিজৰ কোঁচত লৈ মই যাতে টোপনি নাযাওঁ তাৰ কাৰণে চকু দি থাকে। দুমাহ কি তিনি মাত্ৰ পোনা ককাইদেৱে কেইটামান গান শিকালে। তাৰ পাছত পোনা ককাইদেউ আকৌ ডিব্ৰুগড়ত পঢ়িবলৈ গ'লগৈ। সংগীতৰ ফৰ্মেল শিক্ষা মোৰ তাতে শেষ হ'ল। কিন্তু মই সকলো গান নিজে-নিজে হাৰমনিয়ামত ক্ৰমান্বয়ে তুলিব পৰা হ'লো। কিন্তু সেইকণেই যে দোষ! ছোৱালীয়ে কিয় গান শিকিব? যাত্ৰাপাৰ্টিৰ মাইকী মানুহেহে হাৰমনিয়াম বজাই গান গায় (সেই সময়ত দুই-এখন মণিপুৰী যাত্ৰাপাৰ্টি শিৱসাগৰলৈ পূজাৰ সময়ত আহিছিল)। "হেৰা, শুনিছানে, পুলৰগুৰি (পুলটোৰ ওচৰত আমাৰ ঘৰ) গৰম। হাৰমনিয়ামৰ কি আৱাজ শুনিবা। ছোৱালী যাত্ৰাপাৰ্টিত নামিব।" ঠাট্টা, ইতিকিং মাইঁতে কিমান যে নুশুনিলে! দেউতা, বৰমা সেইবোৰলৈ পৰোৱাই কৰা মানুহ নহয়। আনহাতেদি শংকৰদেৱৰ তিথি আদিত হাৰমনিয়াম বজাই বৰগীত গাই মই মেডেল আদিও দ্বিতীয়-তৃতীয় মানত পঢ়াৰপৰাই পাবলৈ ধৰিলো। সেই ঠাট্টা কৰা মানুহবোৰৰ মুখৰ মাত হৰিল।

যেতিয়া এল. পি. বৃত্তি অসমৰ ভিতৰত প্ৰথম হৈ পালো, তেতিয়া এদল মানুহ ডি. আই.ৰ ওচৰলৈ গ'ল আৰু ক'লৈগে,— "ধৰ্মেশ্বৰ বৰদলৈ বৰ চহকী মানুহ, তেওঁৰ ছোৱালীয়ে মাহে সাত টকাকৈ বৃত্তি পাব নালাগে, দুখীয়া ছোৱালীক দিয়ক।"

ডি. আই. বিচুৰ্ত্তি হ'ল। তেওঁ খঙেৰে কৈছিল,— "মই বৃত্তি নিদিওঁ। আৰু এইটো Poor Scholarshipও নহয়, প্ৰতিভা বৃত্তিহে।"

মানুহৰ তেতিয়াৰ অজ্ঞতাবোৰৰ কথা ভাবিলে দুখেই লাগে। বস্তুত মানুহৰ দেউতাৰ প্রতিষ্ঠাৰ প্রতিহে বৰ ঈর্ষা আছিল। আৰু সেই ঈর্ষাৰ হোৰ মোৰ ওপৰত তুলিব খুজিছিল।

*   *   *

কথাবোৰ লিখিবলৈ লৈ কোনটো আগতে লিখোঁ, কোনটো পাছত লিখোঁ এনেকুৱা লাগিছে, কাৰণ কৈশোৰৰ বিভিন্ন স্মৃতিয়ে যেন উথপথপ লগাইছে। দ্বিতীয় বিশ্ব মহাযুদ্ধ আৰু স্বাধীনতা সংগ্রামৰ বিপ্লৱমুখৰ দিনবোৰৰ কথা, মহিলা সমিতিৰ নাৰী জাগৰণৰ প্রচেষ্টা, জয়মতী উৎসৱৰ স্মৃতি যেনেকৈ উজ্জ্বল হৈ আছে, তেনেকৈয়ে তাৰ লগে-লগে ব্যক্তিগত আৰু পৰিয়ালৰ আনন্দ-বিষাদৰ ঘটনাবোৰো ওপৰা-উপৰিকৈ জড়িত হৈ আছে।

১৯৪৮ চনত মই লগৰ লগৰীবোৰৰ সৈতে একেলগেই অৱশ্যে প্রাইভেটকৈ মেট্রিক পৰীক্ষা দি সুখ্যাতিৰেই উত্তীর্ণ হ'লো। কিন্তু মেট্রিকুলেশ্যন পৰীক্ষাৰ আগৰ কিমানবোৰ কথা আছে! একান্ত ব্যক্তিগত হৈও সামাজিক ৰক্ষণশীলতাৰ সেই কথাবোৰ?

ক্লাছ ফ'ৰপৰা ক্লাছ ছিক্সলৈকে এই তিনিটা বছৰৰ প্রতিটো গৰম বন্ধৰ দিনতে ঘৰতে তক্তাপোছেৰে মঞ্চ সাজি আমি বিচিত্রানুষ্ঠান আৰু থিয়েটাৰ পাতিছিলো। দেউতাই মঞ্চ সজোৱাই দি পেট্রমাক্স জ্বলাই মঞ্চত আঁৰি দি আমাক উৎসাহ জগাইছিল। মাইঁতে মুখ আৰু গাত ৰং-চং ঘঁহি দিছিল। ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালী জাকে-জাকে আহি আমাৰ লগ লাগিছিলহি। আমি গান গাইছিলো, খুহতীয়া দৃশ্য কৰিছিলো, নাচিছিলো। ফাইভত পঢ়োঁতে 'ভক্ত প্রহ্লাদ' নামৰ নাটকখন কৰিছিলো। দেউতাই কীর্তনৰপৰা সৰু-সৰু দৃশ্য ৰচনা কৰি দিছিল। ছিক্সত কৰিছিলো 'ধ্রুব'। এইখন নাটক ডিব্রুগড়ত থকা মাৰ মোমায়েক জগন্নাথ বৰদলৈয়ে লিখিছিল। তেতিয়া ময়েই নাটক পৰিচালনা কৰিছিলো। এতিয়াও মনত আছে— ইন্দু (উমেশ শর্মা, ইঞ্জিনীয়াৰ, এতিয়া অৱসৰপ্রাপ্ত কমিছনাৰ) হৈছিল ৰজা উত্তানপাদ, পুতুল (অমল শর্মা, অৱসৰপ্রাপ্ত অধ্যক্ষ, অসম ইঞ্জিনীয়াৰিং কলেজ) হৈছিল ইন্দ্ৰ, ধ্রুৱ হৈছিল ধ্রুৱজ্যোতি বৰদলৈ (মোৰ ভাই টুটু)। সোণ (নৱজ্যোতি বৰদলৈ), মাখন (উমেশ ঠাকুৰ, জাজী কলেজৰ অৱসৰপ্রাপ্ত অধ্যক্ষ), তিতি (সুৰেশ ঠাকুৰ) আদিয়ে বিভিন্ন ভাও লৈছিল। মোৰ ভণ্টী লক্ষ্মীপ্রিয়া (অকণি) হৈছিল ধ্রুৱৰ মাক ৰাণী সুনীতি। ওচৰ-চুবুৰীয়া আই-বাইৰে দর্শকৰ গেলেৰি (!) ভৰি পৰিছিল। এইবোৰ বৰ সুন্দৰ আনন্দ আছিল।

আমাৰ ঘৰখনত সকলোৰে মংগলৰ কাৰণে বছৰেকত এবাৰ শ্রীশ্রীদুর্গাসহস্ৰ

নাম পাঠ কৰোৱা হৈছিল আৰু দুৰ্গাপূজাত নৈবেদ্য দি পূজা দিয়া হৈছিল। আনহাতেদি ঘৰত বৰসবাহ, সত্যনাৰায়ণ পূজা, নাম গোওৱা ইত্যাদি অনুষ্ঠিত কৰা হৈছিল। বৈষ্ণৱ-শাক্ত দুয়োটা ধাৰাৰ এক সুন্দৰ সমন্বয় এইবোৰদ্বাৰাই পৰিস্ফুট হৈছিল। মাহঁতৰ ঘৰখন আছিল সম্পূৰ্ণ একশৰণীয়া বৈষ্ণৱৰ ঘৰ। দেউতাৰ ঘৰখন আছিল শাক্তৰ ঘৰ। মোৰ অন্তৰত তেতিয়া কৃষ্ণৰ সহস্ৰ নামে কলি পেলাইছিল। সেই ক্লাছ ছিক্সতে অন্তৰত প্ৰথম গান মুকুলিত হৈছিল— “ক’ গৰখীয়া, গকুলৰ কলীয়া মুৰলীৰে নে হৃপেৰে।” কৃষ্ণৰ ছবিখনৰ কাষত থিয় হৈ সেৱা কৰি থাকোঁতে গানৰ এই কলিটো সুৰত ওলাই আহিছিল। গানটো ৰচি থাকোঁতে মোৰ দুয়ো গালে আৱেগত চকুপানী বৈ আহিছিল। কৃষ্ণক ইমান ভাল লাগে যে সেই আৱেগেই চাগে চকুপানী হৈ বৈ আহিছিল।

দ্বিতীয় মহাযুদ্ধ আৰু স্বাধীনতা সংগ্ৰামৰ লগত

সেই সময়ৰ কেইবছৰমানৰ আগৰপৰাই চলি থকা স্বাধীনতা সংগ্ৰামত দেউতাই পোনপটীয়াকৈ লগা নাছিল যদিও কংগ্ৰেছী অনুষ্ঠানলৈ অন্তৰ উজাৰি দান-বৰঙণি আগবঢ়াইছিল আৰু আন্দোলনলৈ নৈতিক সমৰ্থন দিছিল। মা-বৌটিহঁতে বিদেশী কাপোৰ বৰ্জন কৰি পাট-মুগা আৰু খাদী কাপোৰহে পিন্ধিছিল। মেল-মিটিঙলৈ গ'লে মুগাৰ ৰিহা-মেখেলা, মুগাৰ চাদৰ আৰু মুগাৰ ব্লাউজহে পিন্ধিছিল। লাহ-বিলাহ মানুহবিলাকে সম্পূৰ্ণভাৱে বৰ্জন কৰিছিল। মোৰ মাৰ মাক আইতাই (ঘনকান্তি বৰদলৈ, মেটেকো বনগাঁৱৰ) আৰু মামাহঁতে, বিশেষকৈ দেবেন মামাই (দেবেন্দ্ৰ নাথ বৰদলৈ) বৰ সুন্দৰকৈ যঁতৰত সূতা কাটি ঘৰৰ শালত বৈ তৈয়াৰ কৰা খাদী কাপোৰহে পিন্ধিছিল। মহাত্মাই গোটেই জাতিটোকে এক বেলেগ সঞ্জীৱনী মন্ত্ৰেৰে যেন সঞ্জীৱিত কৰিছিল।

এহাতে দ্বিতীয় মহাযুদ্ধ আৰু আনহাতে স্বাধীনতাৰ আন্দোলনত সাধাৰণ মানুহবোৰ ভয়তে পেপুৱা লাগিছিল। এনে সংকটৰ সময়ত দুটা বস্তু দেখাৰ অভিজ্ঞতা হৈছিল— এটা হৈছে ব্লেক আউট। যুঁজাৰু বিমানে বোমা পেলাব পাৰে বুলি ভয় কৰি সময়ে-সময়ে নিছিদ্ৰ ব্লেক আউট পালন কৰা হৈছিল। গধূলিতে ৰান্ধি-বাঢ়ি খাই টিপ চাকি এটাও নজ্বলোৱাকৈ ঘৰৰ ভিতৰত দুৱাৰ-খিৰিকী মাৰি সোমাই থাকি মানুহে অন্ধকাৰ সময়বোৰ পাৰ কৰিছিল। এই ব্লেক আউটৰ সময়ছোৱাতে মোৰ সৰু ভাই মুনুৰ (প্ৰদীপ বৰদলৈ) জন্ম হৈছিল। সেইদিনা ৰাতি ৯-৩০ বজাত মুনুৰ জন্ম হৈছিল। বাচিয়া নামৰ ধাইজনীক মাতি আনিবৰ বাবে সেই ৰাতি দেউতাই লেমৰ চিমনিৰ দুয়োফালে ডাঠ কাগজ লগাই নামমাত্ৰ পোহৰতে ঘৰৰ পিছফালৰ পুখুৰীৰ পাৰৰ ৰাস্তাৰে গৈ এখন ডাঙৰ পথাৰ পাৰ হৈ গৈ দ'লমুখ চাৰিআলিলৈ গৈছিল। পুনৰ সেইবাটেৰে ধাইক লগত লৈ আহি প্ৰসৱকাৰ্য সম্পন্ন কৰাইছিল। দেউতা ওলাই যাওঁতে ক'ৰবাত কিবা ঘটে বুলি আমাৰ সকলোৰে মুখত পানী নোহোৱা হৈছিল। বাচিয়া ধাই সেইৰাতি আমাৰ ঘৰতে থাকিল। তেতিয়াৰ দিনত প্ৰসূতিক অতি কঠিন সংকট অৱস্থা নহ'লে প্ৰসৱৰ কাৰণে হস্পিটেললৈ নিয়াৰ নিয়ম নাছিল। সুদক্ষা বিহাৰী, বাঙালী বা অসমীয়া ধাই ঘৰলৈ মাতি আনি প্ৰসৱকাৰ্য সম্পন্ন কৰোৱা হৈছিল। এঘাৰ দিন বা এমাহলৈ সেই ধায়ে টকাৰ বিনিময়ত প্ৰসূতিৰ পৰিচৰ্যা কৰিছিল। প্ৰসূতিক দিয়া দৰৱ-জাতিৰ ভিতৰত ঘাইকৈ বনৰীয়া শাকৰ আঞ্জা আৰু সেক-পোটকেই প্ৰধান আছিল। প্ৰসূতিক পাতত দিয়া

জালুক খুউৱাটো এৰাব নোৱৰা কথা আছিল। প্ৰসৱৰ তিনি দিনৰ দিনা জালুকীয়া কচুশাক, জালুক, মাছ ওচৰ-চুবুৰীয়াৰ ঘৰত বিলোৱা পৰম্পৰাগত নিয়ম আছিল।

দ্বিতীয় অভিজ্ঞতাটো হ'ল— নিমখৰ নাটনি। নিমখ অকণ নহ'লে যে ভাতমুঠি খাব নোৱাৰি, নিমখ যে আমাৰ দৈনন্দিন এক এৰাব নোৱৰা বস্তু তেতিয়াহে গম পালো। আচলতে নিমখ নোহোৱাৰ কথাটো ভাবিবই নোৱাৰি। বৃটিছ চৰকাৰে নিমখৰ ওপৰত কৰ লগাই আইন প্ৰণয়ন কৰিছিল কাৰণে হঠাতে নিমখৰ নাটনি হৈছিল। এই নাটনিৰপৰা হাত সাৰিবলৈ মানুহে পাওঁতেই নিমখৰ বস্তা কিনি-কিনি ঘৰৰ চাঙৰ ওপৰত তুলি থৈছিল। আমাৰ ঘৰতো এনেকুৱাকৈ কেইবাবস্তাও নিমখ আনি ওপৰৰ চাঙত তুলি থোৱা দেখা মনত পৰে। এইবোৰ কথা স্পষ্ট-অস্পষ্টকৈ মনত আছে।

মেট্ৰিকৰ পঢ়া পঢ়ি থকা সময়খিনিত মহিলা সমিতিবোৰৰ অভ্যুত্থান দেখা মনত পৰে।

দূৰদৃষ্টিসম্পন্না, তেজোদীপ্তা, বিপ্লৱী, মহীয়সী মহিলা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নেতৃত্বত 'সদৌ অসম প্ৰাদেশিক মহিলা সমিতি' স্বাধীনতা আন্দোলনৰ সময়তে ১৯২৬ চনত ধুবুৰীত প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ সূত্ৰপাত চমকপ্ৰদভাৱে ১৯২৫ চনতে নগাঁৱত হৈছিল। এই প্ৰাদেশিক মহিলা সমিতিখন সুচাৰুৰূপে পৰিচালনা কৰিবৰ কাৰণে সদৌ অসমতে ইয়াৰ লাহে-লাহে শাখা গঢ় লৈ উঠিছিল। এই মহিলা সমিতিৰ প্ৰধান লক্ষ্য আছিল নাৰীসকলক জাগ্ৰত কৰা। তেওঁবিলাকে নিজৰ মানৱীয় স্থিতি চিনি পাওক, নিজক দুৰ্বল বুলি নাভাবি তেওঁবিলাকৰ মানৱীয় প্ৰাপ্য লাভ কৰক। এই আন্দোলনত চন্দ্ৰপ্ৰভাৰ সহকৰ্মী আছিল ধৰ্মেশ্বৰী দেৱী, স্বৰ্ণলতা শইকীয়া।

শিৱসাগৰৰ বৰেণ্য দেশনেতা গংগাগোবিন্দ ফুকনদেৱৰ কন্যা যোগমায়া দেৱীয়ে শিৱসাগৰত আগভাগ লোৱা এই মহিলা সমিতিখনত সক্ৰিয় অংশ লোৱা মহিলাসকলৰ কথা স্পষ্ট-অস্পষ্টকৈ মনত পৰে। খোপাত সদায় এপাহ ফুল গুঁজি লোৱা জীউতৰা ভৰালী খুৰীদেউ (নাট্যশিল্পী সহজানন্দ ভৰালীদেৱৰ পৰিবাৰ), ক্ষীৰদা কুমাৰী বৰুৱা খুৰীদেউ (চলচ্চিত্ৰশিল্পী ফণু বৰুৱাদেৱৰ পৰিবাৰ), সুপ্ৰভা চলিহা জেঠাইদেউ (অধ্যক্ষ পদ্মধৰ চলিহাদেৱৰ পৰিবাৰ), মাজুখুৰী (নাট্যশিল্পী পুষ্পধৰ চলিহাদেৱৰ পৰিবাৰ), ডাঙৰ মামী (দীননাথ শৰ্মা বৰদলৈদেৱৰ পত্নী) আদি সদ্যসচেতনা মহিলাসকলে মিটিং আদি পাতিবলৈ ওলাই অহা দেখিছিলো। লগত হয়তো আৰু বহুতো আছিল। নাম পাহৰাৰ কাৰণে উল্লেখ কৰিব পৰা নগ'ল। জীউতৰা ভৰালী খুৰীদেৱে শিৱসাগৰ টাউন আৰু জিলা পৰ্যায়ৰ সম্পাদিকা, সভানেত্ৰী হৈ কাম চলোৱাও মনত পৰে। নিৰক্ষৰ বা অৰ্ধশিক্ষিত সমাজখনক নিৰৰ্থক কটকটীয়া ৰক্ষণশীল বান্ধোনৰপৰা মুক্ত কৰিবলৈ, পোহৰলৈ আনিবলৈ কৰা এনে প্ৰচেষ্টা ঐতিহাসিক প্ৰচেষ্টা আছিল। পাছলৈ শ্ৰদ্ধেয়া জেঠাইদেউ ইন্দুপ্ৰভা বৰুৱা (লোকবন্ধু

ডা. ভুবনেশ্বৰ বৰুৱাৰ পৰিবাৰ) প্ৰমুখ্যে অগ্ৰণী মহিলাসকলে এই প্ৰাদেশিক মহিলা সমিতিখনক পূৰ্ণাংগ গঢ় দিছিল।

এবাৰ শিৱসাগৰৰ শিৱদৌল প্ৰাংগণত চন্দ্ৰপ্ৰভা শইকীয়ানী জেঠাইদেউৰ তীক্ষ্ণ ভাষণ শুনা মোৰ মনত পৰে। কথাৰোৰ কি আছিল এতিয়া মনত নপৰে। থিয় হোৱাৰ ভংগী, কথা কোৱাৰ ভংগী কিন্তু চকুৰ আগতে আছে।

স্বাধীনতা সংগ্ৰামে, এনে নাৰী মুক্তিৰ আন্দোলনে ঘোপমৰা অন্ধকাৰত বুৰ গৈ থকা সমাজখনলৈ লাহে-লাহে অকণ-অকণকৈ পোহৰ আনিলে। মহিলাসকলে অহৰহ তললৈ মূ কৰি, এহাতমান ওৰণি লৈ ঘৰৰ লেকাত লগা কামবোৰ দাসীৰ দৰে কৰি থকাৰপৰা মাজতে অকণ বৈ মূৰ তুলি এবাৰ চৌকাষে চাবলৈ শিকিলে, শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা ভাবিলে, প্ৰাত্যহিক তুচ্ছতাটোৱেই যে জীৱন নহয় সেই বিষয়ে অকণ-অকণ সচেতন হ'ল। অৰ্থাৎ জাগৰণৰ এটা উকমুকনি অ'ত-ত'ত পৰিলক্ষিত হ'ল। এনে নাৰী জাগৰণৰ আন্দোলনক আগুৱাই নিবৰ কাৰণেই গোটেই অসমতে, বিশেষকৈ শিৱসাগৰৰ জয়দৌল প্ৰাংগণত 'জয়মতী উৎসৱ' প্ৰতি বছৰেই অতি আন্তৰিকতাৰে অনুষ্ঠিত হ'বলৈ আৰম্ভ কৰিলে। মহীয়সী নাৰীসকলে দেশৰ কাৰণে কৰা আত্মত্যাগৰ মৰ্মস্পৰ্শী নিদৰ্শন সতী জয়মতীৰ ত্যাগক নাট্যৰূপ দি দেখুউৱাও আৰম্ভ হ'ল। এইবিলাক কথাই আলোড়নৰ সৃষ্টি কৰিলে। অৱদমিত নাৰীসকলে মূৰ তুলি চাবলৈ যেন এখন আকাশ দেখিলে। গাঁৱে-ভূঁয়ে এই জাগৰণ চেলেকা-চুবুৰীয়া হ'লেও,—নগৰৰ মধ্যবিত্ত সমাজৰ মহিলাসকলে যেন পুৰুষৰ দমন কাক কয়, লাহে-লাহে বুজি আহিবলৈ চেষ্টা কৰিলে। অস্পৃশ্যতা তথা জাতিভেদ দূৰীকৰণৰ কাৰণে মহাত্মা গান্ধীয়ে যি ব্ৰত লৈছিল, সেই পবিত্ৰ লক্ষ্যৰ কথা অসম প্ৰাদেশিক মহিলা সমিতিয়েও শিৰত তুলি লৈছিল।

সেই সৰুৰেপৰাই মোৰ প্ৰিয়তম সংগী আছিল কিতাপ। চাৰ্লছ ডিকেন্সৰ ডেভিড কপাৰফিল্ডখন আছিল সেই সময়ত ক্লাছ নাইন-টেনৰ ৰেপিড ৰিডাৰ। ডেভিডৰ জীৱন সংগ্ৰামৰ মৰ্মস্পৰ্শী কাহিনী ইয়াত বৰ্ণিত হৈছে। ডেভিডৰ মাক ক্লাৰাই দ্বিতীয় বিবাহ কৰালে এজন বৰ দাম্ভিক, কঠোৰ চৰিত্ৰৰ লোকক। ক্লাৰাৰ একমাত্ৰ পুত্ৰ ডেভিডক এই ষ্টেপ ফাদাৰজনে অকণো দেখিব নোৱাৰে। মাকে পুতেকক এষাৰ কথা ক'বলৈ ওচৰলৈ মাতিলেও তেওঁ খঙত অগ্নিশৰ্মা হয়। সুবিধা পালেই ডেভিডক খুব মাৰ-ধৰ কৰি শাৰীৰিক, মানসিক অপৰিসীম কষ্ট দিয়ে। অসহায় কুমলীয়া ল'ৰাটোৱে পৃথিৱীৰ এই ভয়াৱহ ৰূপ দেখি অতি নিঠৰুৱা, অকলশৰীয়া বুলি নিজকে উপলব্ধি কৰে। ষ্টেপ ফাদাৰৰ নিষ্ঠুৰতা আৰু মাকৰ অসহায় নিৰৱতাৰ মাজত সৰু ল'ৰা ডেভিডৰ যি কৰুণতম অৱস্থা হৈছিল সেই কথাই মোৰ অন্তৰত বৰ গভীৰকৈ ক্ৰিয়া

কৰিছিল। পাছত ডেভিডে নৰকসদৃশ গুদামত থাকি অতি যন্ত্ৰণাদায়ক কাম কৰি-কৰি ক্লান্ত হৈ এদিন বেটছি নামৰ আইতাকৰ ওচৰলৈ পলাই গ'ল আৰু চেনেহী বুঢ়ীমাকৰ তত্ত্বাৱধানত জীৱনৰ বাকী অধ্যায়বোৰ আৰম্ভ কৰিলে। মানুহে মানুহৰ প্ৰতি কৰা দুৰ্ব্যৱহাৰ, ধূৰ্ত কেৰাণীৰ চতুৰালি, এগ্ৰেছ নামৰ বান্ধৱীৰ সহানুভূতি, ডোৰাৰ মৃত্যু আদিয়ে সেই সময়ত মোৰ অন্তৰ শোকাৰ্ত কৰি থৈছিল। ষ্টেপ ফাদাৰ, ষ্টেপ মাদাৰ বুলিলেই ভয়ত মই শিয়ৰি উঠিছিলো। এই কিতাপখনে আমি নজনা অথচ এই জগততে থকা চৰিত্ৰ কিছুমানৰ বিষয়ে জ্ঞান দিছিল। জীৱন সংগ্ৰামৰ আন্ধাৰ দিশটো প্ৰথমবাৰলৈ দেখুৱাই অন্তৰ বিহ্বল কৰিছিল।

ক্লাছ টেনমানতে কিজানি পঢ়িছিলো মেক্সিম গৰ্কীৰ সেই বিশ্ব আলোড়নকাৰী বিখ্যাত কিতাপ 'মাদাৰ'খন। ধনী সমাজৰ নিষ্পেষণ, শ্ৰমিকৰ হাড়-ভঙা পৰিশ্ৰম, মাতলামি আৰু অশ্লীল কথা-বতৰাৰে ভৰা শ্ৰমিকবোৰৰ হতাশাগ্ৰস্ত অন্ধকাৰ জীৱন, পৰিত্ৰাণৰ উপায় নথকা যন্ত্ৰদানৱৰদ্বাৰা তিলতিলকৈ গ্ৰাসিত হোৱা ক্লেদাক্ত পৰিৱেশত পাভেল নামৰ ডেকা শ্ৰমিক এজনৰ অধ্যয়নপুষ্ট মন আৰু চেতনাৰ জাগৃতি, সংগঠন, সংগঠনৰ গতি-প্ৰকৃতি, মালিকশ্ৰেণীয়ে সৃষ্টি কৰা আতংক, অত্যাচাৰ, গ্ৰেপ্তাৰ, কাৰাবৰণ, সংগ্ৰামৰ উত্থান-পতন, নিজৰ ভিতৰতে হোৱা দ্বন্দ্ব আৰু সমগ্ৰ উপন্যাসখনত চিত্ৰিত পাভেলৰ বৃদ্ধা মাতৃৰ মহত্ত্বপূৰ্ণ ভূমিকা।

এই উপন্যাসখনে মোৰ চেতনালৈও জাগৰণ আনিছিল, মোৰ শিৰত উষ্ণ ৰক্ত প্ৰবাহিত কৰিছিল। মই ভাবিছিলো কেতিয়াবা ক'ৰবাত এনে দুখ উদ্ধাৰৰ অৰ্থে আন্দোলন হ'লে 'মাদাৰ'ৰ ভূমিকা ময়ো ল'ম। মই পঢ়ামেজৰ ওচৰত বহি এনেদৰে বহুতো দিবা-স্বপ্নত বিভোৰ হৈছিলো। সেইবোৰ আছিল মাথোঁ কল্পনা— পঢ়া-শুনা এৰি এনে ধৰণৰ বিপ্লৱ কৰিবলৈ ওলাই যাবলৈ মোৰ কোনো উপায় নাছিল। প্ৰথমে মই নিজকে গঢ়ি ল'বই লাগিব।

সেই সময়ত মই অতি ভাল পোৱা আনখন গ্ৰন্থ আছিল পাৰ্ল বাকৰ 'গুড আৰ্থ'। চীনদেশৰ মানুহৰ, তেওঁবিলাকৰ জীৱন-যাত্ৰাৰ, মাটিৰ প্ৰতি থকা কৃষকৰ তীব্ৰ মমতা পাৰ্ল বাকে অতি সুন্দৰকৈ এই গ্ৰন্থত বৰ্ণনা কৰিছে। ৱাংলুং আৰু পত্নী ওলেনৰ অপৰিসীম পৰিশ্ৰমে ক'লা মাটি শস্যেৰে কেনেকৈ সোণবৰণীয়া কৰিছিল তাৰ অপূৰ্ব বৰ্ণনা পঢ়ি মই অতিশয় মুগ্ধ হৈছিলো। পাছত আকাল, বানপানীয়ে সৃষ্টি কৰা দুৰ্যোগ, ৱাংলুঙে গাঁও ত্যাগ কৰি চহৰত জীৱিকা বিচাৰি ফুৰা কৰুণ ছবি, পৰিস্থিতিয়ে লুণ্ঠন কৰিবলৈ শিকোৱা, পুনৰ গাঁৱলৈ ঘূৰি যোৱা, শস্য উৎপাদনত মন ঢালি দিয়া, পত্নীৰ মৃত্যু, ইত্যাদি-ইত্যাদি বৰ্ণনাই মনত গভীৰ সাঁচ বহুৱাইছিল। সকলোতকৈ শোক লাগিছিল সেই কথাত— যেতিয়া পুতেককেইটাৰ খেতিৰ প্ৰতি মনোযোগিতা কমি গ'ল, সিহঁতে

মাটিৰপৰা যেতিয়া মুখ ঘূৰালে, বৃদ্ধ ৱাংলুঙৰ কথাত বিদ্ৰূপ আৰু ইতিকিং কৰি হাঁহি, বুঢ়া মৰাৰ পাছত এই সোণগজা মাটি বিক্ৰি কৰি টকা সমানে ভাগ কৰি ল'ব বুলি ভাবিলে। মাটিৰ প্ৰতি অনীহাৰ কি কৰুণতম দৃশ্য! মূল্যবোধৰ কি সলনি! আৰু তাৰ কি প্ৰচণ্ড আঘাত!

মোৰ লগৰ ছোৱালীৰ লগত এনে কিতাপৰ কথা পাতিবলৈ তেওঁলোকে একো পঢ়া নাছিল। ঘৰলৈ অনা গোলাই ছিৰিজৰ নিচিনা ডিটেকটিভ কিতাপহে দুই-একে পঢ়িছিল। মই আনহাতে ডিটেকটিভ কিতাপ পঢ়িবলৈ একেবাৰে ভাল নাপাইছিলো। সাহিত্যৰ শুদ্ধ ৰস থকা (pure literature) কিতাপহে আছিল মোৰ অতি প্ৰিয়।

সেই সময়ছোৱাত হোম লাইব্ৰেৰি ক্লাবৰ বহুত ডাঙৰ-ডাঙৰ কিতাপ দেউতাই কলিকতাৰপৰা মগাই অনাইছিল। এহাতে কালিদাস ৰচনাৱলী আৰু আনহাতে শ্যেক্সপিয়েৰকে আদি কৰি আৰ্ভিং ষ্ট'ন, ছমাৰছেট মম, টলষ্টয়লৈকে এই লেখকবোৰৰ কিতাপত মই ডুবি আছিলো। নিজৰ পঢ়া নপঢ়ি ৰাতি দুই-তিনি বজালৈকে এই কিতাপবোৰতে মই তন্ময় আছিলো। কিতাপৰ এক আপুৰুগীয়া জগতত মনে-প্ৰাণে ৰাতিয়ে-দিনে বিচৰণ কৰিছিলো।

আমাৰ দিনত আমি ক্লাছ ফাইভ-ছিক্সত পঢ়া কবিতাবোৰো আছিল বহুত উচ্চস্তৰৰ। কবি আনন্দ চন্দ্ৰ আগৰৱালাই অনুবাদ কৰা 'জীৱন সংগীত'ৰ প্ৰতিটো শাৰী আছিল অতি অৰ্থপূৰ্ণ, তাৎপৰ্যপূৰ্ণ। ভাষা আছিল অতি শুৱলা— মনত আজিলৈকে বৈ যোৱা। কিমান দাৰ্শনিক অথচ 'পজিটিভ' কবিতা সেইবোৰ। মই আৰু মোৰ ভনীজনীয়ে এতিয়াও সেইবোৰ সলসলীয়াকৈ গাই দিব পাৰোঁ—

শোকৰ কবিতা ৰচি দুধাৰি চকুলো মচি
নকৰা জীৱন মিছা নিশাৰ সপোন
অসাৰ সংসাৰ ভাই ইয়াত সকাম নাই
মোহময় মায়াময় সকলো মাথোন।
পুত্ৰ-কন্যা পৰিবাৰ কোন তযু তুমি কাৰ
বুলি হেৰা অবাবত নকৰা বেজাৰ
কলাঘুমটীয়া হে আত্মা যে আছে বৈ
জানিবা মৰণ নাই এই আত্মাৰ।
অস্থায়ী মানৱ দেহা দুদিন কৰিম বেহা
ফুৰিম দুদিন মাথো সংসাৰ হাটত
দুদিনৰ অন্ত হ'লে আয়ুস বেলি মাৰ গ'লে
সুন্দৰ দেহাৰ ঠাই হ'ব শ্মশানত।

চকু-কাণ-নাক যাব হাড়-ছাল নাশ পাব
মাটিৰ মানুহ তুমি মাটিত মিলিবা
অবিনাশী নিত্য ধন অমৰণ অভগন
অনন্ত উন্নতিশীল আত্মা জানিবা।
সদায় চকুলো টোকা দুখত মগন থকা
ভোগ, সুখ জীৱনৰ উদ্দেশ্য নহয়
এনেভাৱে কাম কৰা দিনে যেন আগবাঢ়া
প্ৰতিদিন খোজ যেন আগলৈহে যায়।
পল পল দণ্ড কৰি সময় গৈছে উৰি
পাখী লগা কাঁড়ৰ নিচিনা অবিৰাম
বহুদূৰ আছে গতি সময় তাকৰ অতি
কৰিবলগীয়া আমি আছে বহু কাম।
দিন যায় আহে ৰাতি সময় গৈছে টুটি
লাহে লাহে চমু চাপি আহিছে মৰণ
সংসাৰ যুঁজৰ ঠাই শুবৰ সময় নাই
সাজি পাৰি যুঁজা সৰে কৰি প্ৰাণপণ।
এলাহ নিহালি থোৱা বীৰ বেশ গাত লোৱা
নহ'বা মৰাৰ দৰে বীৰৰ সন্তান
নহ'বা গৰুৰ দৰে খুঁচিলেহে খোজ ধৰে
ৰণত বীৰেন্দ্ৰ বুলি হোৱা খ্যাতিমান..."

... আৰু যে কিমান আছে, কিমান সুন্দৰ এই কবিতাটো। এনেবোৰ পাঠ সৰুকালিতে পঢ়াই আমাক মানসিক উচ্চতা প্ৰদান কৰিছিল। তাৰ তুলনাত এতিয়াৰ পাঠ্যপুথিৰ পাঠ ইমান সহজ আৰু ঠায়ে-ঠায়ে তৰাং যে তুলনা কৰিলে মূৰে-কপালে হাত দিব লাগে।

'মোৰ সত্য অন্বেষণৰ কাহিনী' যেতিয়া উৰাই-ঘূৰাই বাৰে-বাৰে পঢ়িছিলো, তেতিয়া তাত গান্ধীজীৰ ধৰ্মৰ বিষয়ে নিজৰ অভিজ্ঞতা কওঁতে মই নিজেও ভাবিছিলো ধৰ্মনো কাক কয়? পুৱা-গধূলি গা-পা ধুই যে গোসাঁইঘৰত সেৱা কৰিবলৈ দিয়া হয়, কিতাপ মূৰত লৈ যে 'সৰস্বতী, সৰস্বতী' গাওঁ, মন্দিৰ-নামঘৰলৈ যে সময়ে-সময়ে বিশেষ তিথিবোৰত যাওঁ, স্তোত্ৰ গাওঁ, নাম গাওঁ, সেয়েই ধৰ্ম। জন্মাষ্টমী, ৰাস, পূৰ্ণিমা, ফল্গু উৎসৱৰ ৰাতি ঘৰৰ গোসাঁইঘৰত বৰ সুন্দৰ সুৰত দেউতাই কীৰ্তন পঢ়ে, ডাওৰ তাল বজাই প্ৰসংগ কৰে। লগত ওচৰ-চুবুৰীয়াও থাকে। 'ৰাসৰ কাহিনীত কৃষ্ণক পাবলৈ গোপীৰ আকুলতাই হৈছে ভক্তি' বুলি দেউতাই কাষৰ নামলোৱা লোকসকলক বুজোৱা

মই শুনিছিলো। মই লগতে ভাবিছিলো বৰমা আৰু মায়ে যেতিয়া সুললিতকৈ "তুলসী, তুলসী অ আই তুলসী, তুমি গোবিন্দৰে প্ৰিয়া, গোসাঁই কোনফালে গ'লে আই তুলসী ওলাই সমিধান দিয়া" বুলি কৰুণ কণ্ঠেৰে গায়, তেতিয়া অন্তৰখন ইচাট-বিচাট লাগে, শোক উথলি উঠে, চকু চলচলীয়া হয়; তাকেই চাগৈ 'ভক্তি' বোলে। দেউতাই ব্ৰহ্মপুৰাতে গোৱা "পাৱে পৰি হৰি কৰোহো কাতৰি" বৰগীতত তেনে আকুলতা ফুটি উঠে। "এ নাথ তাৰিয়ো তাৰিয়ো যদুমণি... এ ভৱ সাগৰ মাজে পৰি হামু ভাসি ...", — এই বৰগীত যেতিয়া বৰমাই আমাক ডাঙৰলৈকে বুকুত লৈ শুৱাওঁতে গায়, তেতিয়া কিমান যে কাতৰতা ফুটি উঠে! এয়াই কিজানি ভক্তি। বাইবেল ক্লাছৰ দৰে আমাক পোনপটীয়া ধৰ্মশিক্ষা দিয়া নহৈছিল যদিও পৰোক্ষ শিক্ষাবোৰেৰে ঘৰ উপচি আছিল। দেউতাই মানুহক দুখত সান্ত্বনা দিওঁতে প্ৰায়ে কৈছিল,— "এজনেই পৰম দেৱতা। যি ৰূপতে ভাবা তাতে পাবা। ব্ৰহ্মা ৰূপেৰে তেওঁ স্ৰজিছে, বিষ্ণু ৰূপ লৈ পালিছে, ৰুদ্ৰ ৰূপ লৈ তেৱেঁই বিনাশ কৰিছে। গীতাত অৰ্জুনক তেওঁ কি ৰূপ দেখুৱাইছিল জানানে? বিশ্বৰূপ। তাতেই সমস্ত বিশ্বৰ স্ৰজন, ধ্বংস ঘটি আছে। তেৱেঁই সকলো। তেওঁতে একান্ত শৰণ লোৱা।"

দেউতাই দেৱীওতো মানে। আমাৰ ঘৰত প্ৰতিবছৰে শ্ৰীশ্ৰীদুৰ্গাসহস্ৰ নাম পাঠ হয়। শ্ৰীশ্ৰীলক্ষ্মী পূজাও ষোড়শোপচাৰেৰে আড়ম্বৰেৰে পতা হয়। দেউতাক এদিন সুধিছিলো,— "দেউতা, দুৰ্গা কোন?" দেউতাই উত্তৰ দিছিল— "দুৰ্গাই দুৰ্গতি নাশ কৰে, তেওঁ সংকটৰ দেৱী আৰু লক্ষ্মী হৈছে সৌভাগ্যৰ দেৱী। ভগৱানৰ প্ৰতিটো গুণেই একো-একোটা ৰূপ।"

তেতিয়া এনে টান কথাবোৰ স্পষ্টকৈ বুজাৰ বয়স মোৰ হোৱা নাছিল। এইটো অন্ততঃ বুজিছিলো যে এজনেই ভগৱান। সেই ভগৱানৰ ৰূপ মোৰ কাৰণে মোহন মুৰুলীধাৰী, ডিঙিত বনমালা, শিৰত ময়ূৰপাখিৰে অনিন্দ্যসুন্দৰ কৃষ্ণ। তত্ত্ব বিচাৰৰ হেঁপাহ পাছলৈহে হ'লগৈ।

চাওঁতে-চাওঁতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা কাষ চাপি আহিল। স্বাধীনতা আন্দোলনৰ সময়খিনিত আমি সৰু আছিলো কাৰণে স্বাধীনতাৰ তাৎপৰ্য প্ৰকৃত অৰ্থত সম্পূৰ্ণকৈ বুজা নাছিলো। সাধাৰণভাৱে বুজিছিলো যে ই অতি পৱিত্ৰ আৰু পৰম আকাংক্ষিত বস্তু। স্বাধীনতা আহিলেই একো দুখ নাথাকিব, ধনী-দুখীয়া সকলো সমান হ'ব, দেশখন বহুত ওপৰলৈ উঠিব। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ 'শ্যাম বৰণীয়া অসম আই ধুনীয়া ভাৰতৰ নুমলী জী', ৰাধানাথ ফুকনৰ 'কিয়নো পাহৰা অসমীয়া হেৰা চিৰকাল তুমি আছিলা স্বাধীন', প্ৰসন্নধৰ চলিহাৰ 'সৌ যে উৰিছে স্বৰাজৰ নিচান' আদি গীতবোৰে আমাৰ প্ৰাণত নতুন উদ্দীপনা জগাইছিল।

অ, সেইদিনটোৰ কথা— ১৯৪৭ চনৰ ১৪ আগষ্ট। ৰাতি বাৰ বাজি এক মিনিটত ভাৰত স্বাধীন হ'ব (কাৰণ ইংৰাজীমতে ৰাতি বাৰ বজাৰ পাছতেই পোন্ধৰ আগষ্ট সোমাব)। কি যে উত্তেজনা, কি যে উন্মাদনা। আনন্দত ফাটি যাওঁ, ফুটি যাওঁ অৱস্থা। ভাৰতৰ কোটি-কোটি মানুহে সেই ৰাতি বাৰ বাজি এক মিনিট হোৱাৰ লগে-লগে একেলগে মংগলধ্বনি, হৰ্ষধ্বনি কৰিব।

আমাৰ শিৱসাগৰৰ প্ৰতিঘৰ মানুহে ভাৰতৰ কোটি-কোটি জনতাৰ দৰেই নিজ-নিজ ঘৰৰ প্ৰাংগণত আনন্দধ্বনি কৰিবলৈ গোট খাইছিল। মনত পৰে, আমাৰ ঘৰৰ চোতালত আমি ঘৰে-ঘৰোৱাহে ৰাতি কিজানি এঘাৰমান বজাৰপৰাই উথপথপ-উলহমালহকৈ গোট খাইছিলো। দেউতাৰ হাতত আছিল ভোৰতাল, আমাৰ কাৰোবাৰ হাতত শংখ, কাৰোবাৰ হাতত ঘণ্টা, মা-বৌটিহঁতৰ উৰুলী হ'ব লগতে। নগৰখনৰ মূলকেন্দ্ৰত ক'ৰবাত কোনোবাই সংকেত দিছিল নে কি! ঘড়ীত ঠিক ১২ বাজি ১ মিনিট হৈছেহে, ভোৰতাল, শংখ, দবা, ঘণ্টা, উৰুলীৰ নিনাদত আকাশ মুখৰিত হ'ল। দিল্লীত বৃটিছ ফ্লেগ খহি পৰিল। উৰিল ভাৰতৰ আত্মাস্বৰূপ ত্ৰিৰংগ পতাকা। বন্দে মাতৰম, জয়হিন্দ ধ্বনিৰে আকাশ-পাতাল ছানি গ'ল। পাছদিনা মূৰত বগা টুপী (গান্ধী কেপ) পিন্ধি দবাপিটা বৰষুণত তিতি-তিতি আমাৰ কি উত্তাল শোভাযাত্ৰা, স্বাধীনতাক এনেকৈয়ে আমি আমাৰ সমগ্ৰ সত্তা উচৰ্গি আদৰিছিলো।— শত সহস্ৰ শ্বহীদৰ আত্মত্যাগে ৰচনা কৰা বিশ্ববাসীক চমৎকৃত কৰা এই স্বাধীনতাৰ, মহাত্মাৰ স্বপ্নৰ স্বাধীন ভাৰতৰ আজি কি দশা! চূড়ান্ত অধঃপতন আৰু স্বেচ্ছাচাৰিতাত ভাৰতৰ গৌৰৱমণ্ডিত ঐতিহ্যৰ আকাশচুম্বী পতাকা আজি শতচ্ছিন্ন।

মোৰ মেট্ৰিক পৰীক্ষাৰ আগে-আগে মোৰ প্ৰাণতকৈয়ো অধিক বৌটিৰ অপ্ৰত্যাশিত বিয়োগ হোৱাত দেউতা, মা থকা সত্ত্বেও মই বৰ নিৰাশ্ৰয়া অনুভৱ কৰিলো। বৌটি ঢুকাবৰ দিনা ৰাতি মৃত্যুৰ আগমুহূৰ্তত বৌটিক 'নাৰায়ণ' 'নাৰায়ণ' নাম অতি ধৈৰ্যৰে ময়েই স্মৰণ কৰোৱাইছিলো। কোন সময়ত কি নাম স্মৰণ কৰিব লাগে এই বিষয়ে যিটো শ্লোক আছে, সেইটো মোৰ মনত আছিল— নাৰায়ণং তনুত্যাগে, শ্ৰীধৰংপ্ৰিয়সংগমে... ইত্যাদি। বৌটিয়ে অতি কষ্টেৰে সেহাই-সেহাই সেই নাম উচ্চাৰণ কৰিছিল। তাৰ পাছতে তেখেতক চোতালৰ তুলসী তললৈ লৈ গৈছিল। মই শেষ মুহূৰ্তত মকৰধ্বজ আৰু গাখীৰ খুৱাইছিলো। মোক মৰম কৰাৰ দৰে মোৰ মাজু ভাই টুটুকো বৌটিয়ে বৰ মৰম কৰিছিল। তাৰ তেতিয়া পাঁচ বছৰমান বয়স হৈছিল। সি বৌটিক সাবটি ধৰি আছিল। তাক বৌটিৰ কাষৰপৰা এৰুৱাই আনি মোৰ বুকুত সাবটি লৈছিলো। সি কান্দি-কান্দি সুধিছিল,— "বৌটি ক'লৈ গ'ল?" মই আকাশলৈ আঙুলিয়াই দি কৈছিলো,— "আকাশৰ তৰা হ'বলৈ গ'ল।"

অতি ধুমধামেৰে বৌটিৰ শ্ৰাদ্ধ হৈ গ'ল। শ্ৰাদ্ধৰ পিণ্ড আদি ৰন্ধা-বঢ়াৰ কাম আটাইবোৰ ময়েই কৰিছিলো। শ্ৰাদ্ধৰ অন্তত মৃদং বজাই গোৱা নাম-কীৰ্তনত মই হিয়া উজাৰি কান্দিছিলো। কি যে সেই পৰিৱেশ! দেউতাই বৰ ধৈৰ্যৰে শেষকৃত্যবোৰ সম্পন্ন কৰিছিল।

এই সময়ছোৱাতেই জাতিৰ জনক মহাত্মা গান্ধীৰ দেহান্তৰৰ বাতৰিয়ে আমাৰ অন্তৰ থকাসৰকা কৰিছিল।

"দিল্লী নগৰী তেজেৰে ৰাঙলী
শোকে হিয়া ফাটি যায়।
জাতিৰ জনক মহাভাৰতৰ
জগতত আৰু নাই।"

অকল দিল্লী নগৰীয়েই নহয়, নাথুৰামৰ গুলীত চিৰাচিৰ হোৱা বাপুজীৰ যেন বুকুৰ তেজেৰে গোটেই ভাৰত ৰক্তাক্ত হ'ল। চাৰিওপিনে যেন তেজ, আকাশে-বতাহে যেন তেজ! — মোৰ তেনেকুৱা লাগিছিল। ১৯৪৮ চনটো মোৰ বাবে যেন বৰ নিষ্ঠুৰতম,— মোৰ এনে ভাব হৈছিল। ইয়াৰ পাছতে আহিল মোৰ পৰীক্ষা। মেট্ৰিক পৰীক্ষা। পৰীক্ষা দিবলৈ মোক সজাই-পৰাই আনবাৰৰ দৰে উলিয়াই দিবলৈ বৌটি নাই। দিহা দিবলৈ মোৰ শিক্ষক দিহিঙীয়া ছাৰ নাই (তেখেত তেতিয়া শ্বিলঙত)। কেৱল শ্ৰীকৃষ্ণৰ ছবিখনলৈকে চায়েই দেউতা-মাক সেৱা কৰি মই পৰীক্ষা দিবলৈ ওলাই গ'লো। হাতত ছাতি এটা লৈ পদূলিলৈ ওলাই গৈয়েই সেই মোহনীয় অৰ্থপূৰ্ণ চকুযোৰ জীৱনত দ্বিতীয়বাৰৰ কাৰণে দৰ্শন হ'ল। মোক শুভেচ্ছা জনাবলৈ পথৰ কাষত তেওঁ অপেক্ষা কৰি ৰৈ আছিল। তেতিয়া এপ্ৰিল মাহ। দূৰ আকাশত কুলি চৰাই এটাই মাতিছিল— 'কুউউ'।

তেতিয়া পৰীক্ষা হৈছিল শিৱসাগৰ গৱৰ্ণমেণ্ট হাইস্কুলত। লক্ষ্মী টকিজৰ কাষত থকা স্কুলঘৰত। পৰীক্ষাৰ গাৰ্ড হিচাপে নগৰৰ কেইগৰাকীমান বিশিষ্ট মহিলাই ডিউটি দিছিল। পৰীক্ষা দিবলৈ খোজকাঢ়ি যোৱা আৰু খোজকাঢ়ি উভতি অহা কথাবোৰ এতিয়াও মনত আছে। যথাসময়ত মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলাল। মই বহুত নম্বৰ পাই, ষ্টাৰ আৰু লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'লো। খবৰ ওলাবৰ দিনা ওচৰ-চুবুৰীয়াৰ উপৰিও নগৰখনৰ সম্ভ্ৰান্ত মানুহসকল আহি মোক অভিনন্দন জনাই বহুত আশীৰ্বাদ দিছিল। মই লুকাই-লুকাই কেৱল বৌটিৰ ফটোখনৰ ওচৰত কান্দিছিলো। এই আনন্দৰ ভাগ ল'বলৈ বৌটি তেতিয়া কাষত নাছিল।

কলেজৰ শিক্ষা

কলেজ বুলিলেই এক ৰোমাণ্টিক শিহৰণ মনলৈ আহে। মই কেতিয়াও ভবা নাছিলো, মই যে শিৱসাগৰৰ কলেজত পঢ়িম। মই ভাবিছিলো মই যেতিয়া ভালকৈ মেট্ৰিক পাছ কৰিছোঁ, গুৱাহাটীলৈকে পঢ়িবলৈ যাম। কিন্তু মোৰ মেট্ৰিক পৰীক্ষাৰ আগে-আগে বৌটি ঢুকুৱাৰ কাৰণে ঘৰখন ইমান উকঙা-নিজান হৈ পৰিল যে সেই উকঙা ঘৰত মা-দেউতাক অকলে এৰি থৈ যাবলৈ মন নগ'ল। ইতিমধ্যে মোৰ ভণ্টি লক্ষ্মীপ্ৰিয়াৰো ডিব্ৰুগড়লৈ বিয়া হৈ গ'ল। ঘৰত সৰু-সৰু ভাই তিনিটা আৰু মোৰ ছোৱালীজনীৰ দায়িত্ব মা-দেউতাৰ হাতত এৰি আহিবলৈ সত নগ'ল।

মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ওলায় মানে এবেলা টাইপ আৰু এবেলা বেহেলা শিকাৰ ঠিক কৰি লৈছিলো। আমাৰ ঘৰৰ ওচৰৰে খেৰীঘৰ এটাত থকা ভগৱান দত্তৰ টাইপ-ৰাইটিং স্কুলখনতে মই টাইপ কৰিবলৈ শিকিছিলো। ক'তো কাম কৰিম বুলি নহয়, নিজৰ কাৰণে শিকিব লাগে বুলি ভাবিয়েই টাইপ শিকিছিলো। টাইপ স্কুল বুলিলেই মনত পৰে ৰাধা বাইদেউলৈ। ঘামি-জামি ৰঙাপৰা মুখখনেৰে সদায় ফুকন নগৰৰ পিনৰপৰা স্কুললৈ আহে। বগা, ধুনীয়া কলডিলৰ গঢ়ৰ মুখ। আচলতে ৰাধা বাইদেউহঁত দিখৌ নৈৰ সিপাৰৰ কমাৰফদীয়া গাঁৱৰ। টাইপ স্কুলৰ মালিক সুদৰ্শন চেহেৰাৰ ভগৱান দত্তই থিয়েটাৰ-ভাওনাত শ্ৰীকৃষ্ণৰ ভাও লৈছিল। তেখেতে নিজৰ অধ্যৱসায়ৰ গুণত টাইপ স্কুলখনৰ উন্নতি কৰি এখন ভাল টেকনিকেল স্কুললৈ ৰূপান্তৰিত কৰিছিল। পাছলৈ ষ্টেশ্যন চাৰিআলিৰ ওচৰত মাটি-বাৰী লৈ উন্নত শিক্ষালয়খন প্ৰতিষ্ঠা কৰি শিৱসাগৰৰ এটা ডাঙৰ অভাৱ পূৰাইছিল।

মই বেহেলা শিকিছিলো শ্ৰদ্ধেয় অৱনী বৰুৱা ছাৰৰ ওচৰত। পাছলৈ ষ্টেজত জয়ন্ত বৰুৱাৰ (চিৰণ দাদা) লগত বজাইছিলোও। বেহেলা আৰু বাঁহীৰ মাতত মই পমি যাওঁ যেন হৈছিলো। এতিয়া তেনে অনুভূতি কেতিয়াবাহে হয়।

মই শিৱসাগৰ কলেজতে পঢ়িম বুলি মন ঠিক কৰাৰ আৰু কাৰণ হ'ল শ্ৰদ্ধেয় শিক্ষাগুৰু পদ্মধৰ চলিহাৰ দেউতাৰ ওচৰত একান্ত অনুৰোধ। তেখেতে দেউতাক বাৰে-বাৰে আহি কৈছিলহি— "আপোনাৰ ছোৱালীজনীক আমাৰ কলেজত পঢ়িবলৈ দিবই লাগিব। ভাল ল'ৰা-ছোৱালীয়ে নাম লগালেহে কলেজখনৰ নাম হ'ব, উন্নতি হ'ব। মুখেৰে লেকচাৰ দিলে, কলেজৰ ফাণ্ডলৈ টকা দিলেই কি লাভ হ'ব? প্ৰথম বেচ্চৰ (batch)

ছাত্ৰ-ছাত্ৰীসকল দ্বিতীয় বাৰ্ষিকত পঢ়ি আছে। দ্বিতীয় বেচ্চৰ নামভৰ্তি চলি আছে। আপোনাৰ ছোৱালীজনীকো নাম লগাই দিয়ক।" দেউতাই কলেজখন স্থাপনৰ বাবে দেহে-কেহে লাগিছিল। সেয়েহে দেউতাই কথাত বান্ধ খালে আৰু তাতে পঢ়িব বুলি ক'লে। শিৱসাগৰ কলেজত পঢ়িবলৈ মোৰ মনত কোনো দ্বিধা নাছিল, মাত্ৰ মনে-মনে দুখ লাগিছিল এটা কাৰণতেই যে এই নতুন কলেজখনত সংস্কৃত বিষয়টো নাই। বিষয়টো মই বৰ ভাল পাইছিলো। এই বিষয়ত মোৰ একাগ্ৰতা থকাৰ বাবেই মই ক্লাছ ছেভেনত পঢ়ি থাকোঁতেই সংস্কৃতত কথা ক'ব পৰা, বক্তৃতা দিব পৰা হৈছিলো। মেট্ৰিকত মই সংস্কৃত ভাষাৰ প্ৰশ্নৰ উত্তৰ দেৱনাগৰী আখৰত লিখি লেটাৰৰ ওপৰ নম্বৰ পাইছিলো। মোৰ চিৰনমস্য ঘৰুৱা শিক্ষক পূৰ্ণেশ্বৰ দিহিঙীয়া ছাৰে এইট, নাইন, টেন,— এই তিনি বছৰৰ পাঠ্যক্ৰম দুবছৰতে পঢ়ুৱাই আন বান্ধৱীসকলৰ সৈতে একে সময়তেই মেট্ৰিক পৰীক্ষা দিয়াইছিল। ছাৰে কেৱল মোক অংক আৰু সংস্কৃত পঢ়াইছিল। ইংৰাজী বিষয়টো কেতিয়াবাহে চাইছিল। এইটোৱেই মোৰ আনন্দ যে ছাৰৰ মই বৰ প্ৰিয় ছাত্ৰী হৈছিলো। ছাৰ আছিল সংস্কৃতৰ পণ্ডিত মানুহ। ছাৰে 'মেঘদূত'খন বৰ সুন্দৰকৈ অনুবাদ কৰিবলৈ লৈ মোকো সেই কামৰ অংশীদাৰ কৰিছিল। মই অতি ধন্য হৈছিলো। মৃত্যুৰ সময়লৈকে ছাৰে মোৰ মূৰত ধৰি আশীৰ্বাদ দিছিল। ছাৰৰ গোটেই ঘৰখনেই আমাৰ বৰ আপোন হৈ পৰিছিল। ছাৰ আছিল সৰ্বগুণী লোক। নিজহাতে তেখেতৰ থকা ঘৰ সাজিছিল। শিক্ষাৰ সকলো বিষয়তে সমানে পাৰদৰ্শী আছিল।

আমাৰ সা-সম্বন্ধীয়, ওচৰ-চুবুৰীয়াসকলে মোৰ ভৱিষ্যৎ কি হ'ব এই ভাবি বৰ চিন্তিত হৈছিল। মোৰ দৰে বিবাহ-বিচ্ছেদৰ ঘটনা বিভিন্ন কাৰণত অ'ত-ত'ত ঘটি থাকিলেও সেইবোৰ প্ৰায়ে সাধাৰণভাৱে পঢ়া-শুনা কৰা ঘৰৰ ছোৱালী আছিল। তেনে ছোৱালীবোৰৰ জীৱন মাক-দেউতাক, ককায়েক-ভায়েকহঁতৰ জীৱনৰ লগতে লীন গৈছিল। এল. পি., এম. ই. দুয়োবাৰতে অসমৰ ভিতৰত প্ৰথম হোৱা আৰু মেট্ৰিকত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ কাৰণেই যেন মোক লৈ সমস্যা! কোনোবাই ক'লে নাৰ্ছিং পঢ়াবলৈ, কোনোবাই ক'লে ৱাৰ্ধাৰ গান্ধী আশ্ৰমত থাকি সমাজ কল্যাণমূলক শিক্ষা ল'বলৈ, কোনোবাই ক'লে ডাক্তৰী পঢ়াবলৈ, কোনোবাই ক'লে বি. এ. পাছ কৰাই স্কুল পৰিদৰ্শিকা কৰিবলৈ, কোনোবাই ক'লে ওকালতি পঢ়াবলৈ। দৃঢ় মতৰ দেউতাই মাথোন ক'লে,— "সকলো তাইৰ ইচ্ছামতে হ'ব। তাইৰ এটা স্বাধীন মন আছে।"

দেউতাৰ এনে কথাবোৰে মোক শিহৰিত কৰিছিল, পুলকিত কৰিছিল ঃ "তাই এজনী মুক্ত মানুহ, পৃথিৱীখন তাইৰ বাবে পৰি আছে।" দেউতাই হয়তো মোক শুনাই মোৰ ভিতৰৰ মানুহজনী জগাই তুলিবলৈ কথাবোৰ কৈছিল। গাঁৱৰ মানুহবোৰেও তেওঁলোকৰ মানসিক দৌৰ যিমান, সেই হিচাপেই কথাবোৰ চিন্তা কৰিছিল— হয়তো

দেউতাক ভালৰি লগাবলৈকে। সকলো মানুহ একে নাছিল।

দেউতাই সঁচাকৈয়ে মোক স্বাধীনতা দিছিল। মোৰ প্ৰতিটো কথাকে বৰ সন্মান কৰিছিল, মই যাতে মনত কোনো কথাতে আঘাত নাপাওঁ তাৰ কাৰণে বৰ সন্ত্ৰস্ত আছিল।

শিৱসাগৰ কলেজত মই নাম লগালো। কলেজখন তেতিয়া আমাৰ ঘৰৰ ওচৰৰ কালীপ্ৰসাদ মেমৰিয়েল হলতে বহিছিল। নিজা ঘৰ হোৱা নাছিল। কেৱল আই. এ. শ্ৰেণীটোহে খুলিছিল। মই কলেজখনৰ আৰম্ভণিৰ দ্বিতীয় বেচ্চৰ আছিলো। প্ৰিন্সিপাল আছিল শ্ৰদ্ধেয় পদ্মধৰ চলিহা। ভাইচ প্ৰিন্সিপাল আছিল তেখেতৰে সুপুত্ৰ শ্ৰদ্ধেয় পৰাগধৰ চলিহা।

শিৱসাগৰৰ সকলো ৰাইজে এইখন নিজৰ কলেজ বুলি অনুভৱ কৰাৰ কাৰণে ১৯৪৮ চনত কলেজ-সপ্তাহ পাতি বাটে-ঘাটে পুঁজি সংগ্ৰহ এনেকুৱাকৈ কৰা হৈছিল যে বাটৰ কাষৰ মগনীয়াজনে দুঅনা পইচা দিলেও তাকো আনন্দেৰে গ্ৰহণ কৰা হৈছিল। “পোহৰ বিচাৰি যোৱা এইখন মোৰ কলেজ”— এনে অনুভৱ, এনে মৰম সঁচাকৈয়ে সকলোৰে হৈছিল। এবাৰ আমাৰ কলেজত কলেজ-পষেক পাতিবলৈ স্থিৰ কৰা হ'ল। পুঁজি সংগ্ৰহৰ উপৰিও আমি গাঁৱে-ভুঁয়ে ঘূৰি কলেজৰ প্ৰস্তাৱিত মিউজিয়ামৰ বাবে পুৰণি সাঁচিপতীয়া পুথি, পুৰণি মুদ্ৰা, আপুৰুগীয়া সাজপাৰ সংগ্ৰহ কৰা কামত ব্ৰতী হৈছিলো। সেই গঠনমূলক কামৰ দিনবোৰৰ কথাই আমাক ওৰে জীৱন প্ৰেৰণা যোগাইছিল। সেয়েহে পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপিকা হৈ চৈধ্যটামান ডাঙৰ আলমাৰিৰ কাৰণে পুথি সংগ্ৰহ কৰিছিলো। আপুৰুগীয়া সাঁচিপতীয়া পুথি অ'ৰ-ত'ৰপৰা সংগ্ৰহ কৰি সংৰক্ষণ কৰিছিলো। ছাত্ৰ-ছাত্ৰীবোৰকো এনে কামত উদ্বুদ্ধ কৰিছিলো। অধ্যক্ষ পদ্মধৰ চলিহাদেৱ, পৰাগধৰ চলিহাদেৱৰ এই গঠনমূলক, আদৰ্শমূলক শিক্ষা সদায় স্মৰণীয়। এইবোৰেই 'টিমৱৰ্ক'।

আদৰ্শপ্ৰাণ, প্ৰাণচঞ্চল পুৰুষ পদ্মধৰ চলিহাদেৱে মাজে-মাজে আমাৰ ইংৰাজীৰ ক্লাছ লৈছিল। আচলতে আমাৰ ইংৰাজী অধ্যাপক আছিল শ্ৰীযুত অমল ৰয় নামৰ এজন কৃতী শিক্ষক। তেখেতে ছুটী ল'লে অধ্যক্ষ পদ্মধৰ চলিহাদেৱে আমাক পঢ়াইছিল। কৰ্মতকৈ তেখেতৰ নিজা অভিজ্ঞতাৰ কথা, আদৰ্শৰ কথা কৈ ক্লাছটো সৰস কৰি তোলে। মই সদায় ক্লাছত শিক্ষকৰ মুখামুখিকৈ বহোঁ আৰু চকুৰ পচাৰ নেপেলোৱাকৈ, এটা কথাও বাদ যাবলৈ নিদিয়াকৈ তন্ময় হৈ সকলো লেকচাৰ শুনো। চকুলৈ চাই থাকিয়েই প্ৰয়োজনীয় কথাবোৰ নোটবুকত লিখি যাওঁ। অন্য মিটিংবোৰৰ বক্তৃতাও তেনেকৈয়ে শুনো। ঘৰত আহি পঢ়াৰ মোৰ নিয়ম নাই। কেৱল বাহিৰা কিতাপ পঢ়োঁ, লিখোঁ, গান শুনো, গান গাওঁ, তাঁত বওঁ, খোৱাবস্তু তৈয়াৰ কৰোঁ, ভায়লিন বজাওঁ।

ক্লাছত মোৰ তন্ময়তা দেখি চলিহাদেৱে বৰ ভাল পায়। চকীখন মোৰ পিনে ঘূৰাই

লেকচাৰ দিয়ে। তেখেতে অকল মোকেই যেন পঢ়াইছে,— এনেকুৱা লাগে। তেখেতে হাঁহিলে ময়ো হাঁহোঁ, তেখেতৰ খং উঠিলে মোৰ মুখতো হয়তো ক্ৰোধৰ চিন ফুটি উঠে। তেখেতে প্ৰায়ে কৈছিল,— “পৃথিৱীখন সুন্দৰ কৰাৰ কাম আমাৰ সকলোৰে ওপৰত। আজি আমি পোৱা পৃথিৱীখন কাইলৈ আৰু অলপ সুন্দৰ কৰি লোৱাটোৱেই আমাৰ কৰ্তব্য। তাৰ কাৰণে কাম কৰা সকলো ক্ষেত্ৰতে। নাচে-গানে-সাহিত্যই-কবিতাই সকলো ক্ষেত্ৰতে আগুৱাই যোৱা ক্লান্তিবিহীনভাৱে।” কথাখিনি মোৰ কিমান যে ভাল লাগিছিল! উপদেশতকৈ আৰ্হি ভাল বুলি কোৱা হয়। এই দুজনা গুৰুৱে আদৰ্শ এটাক প্ৰতিষ্ঠা কৰিবলৈ অহৰ্নিশে, যথাসাধ্য কাম কৰিছে। পৃথিৱীখন ভাল কৰিবলৈ কিমান যে কাম কৰিব লগা আছে। মোৰ দুপতীয়াৰেপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ কৰ্মৱো মোক বহুমুখিতাৰে কাম কৰিবলৈ আদৰ্শগত প্ৰেৰণা যোগাইছিল। দেউতাৰ লাইব্ৰেৰিৰ কিতাপবোৰো মোৰ আত্মাৰ লগৰী আছিল। ধৰ্মগ্ৰন্থৰ, ইতিহাসৰ, সাহিত্যৰ সকলো ভাল মানুহৰ আদৰ্শবোৰ যেন মোৰ মাজত থূপ খাওক, মোৰ গোটেই জীৱন যেন আনৰ মংগলৰ কাৰণে কাম কৰিব পৰা জীৱন হওক,— এয়ে মোৰ একমাত্ৰ আন্তৰিক কামনা আছিল।

অধ্যক্ষ চলিহাদেৱৰ কথাবোৰে মোৰ জীৱনৰ শলিতাত যেন জুই সিঁচি গৈছিল। মই গান গোৱাৰ উপৰিও গান লিখিবলৈ ল'লো, ইংৰাজীৰ ৰসোত্তীৰ্ণ বিভিন্ন গল্প অনুবাদ কৰিবলৈ ল'লো আৰু অধ্যক্ষ ছাৰক দেখুৱাবলৈ ল'লো। টেবুল টেনিছ, বেডমিণ্টন, কেৰম আদি খেলত যোগ দিবলৈ ল'লো। সদৌ অসম ভিত্তিত পতা বিভিন্ন প্ৰতিযোগিতা, কলেজৰ আকস্মিক বক্তৃতা প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতাবোৰত এজন বিচাৰক হিচাপে পিতা (পদ্মধৰ চলিহা) বা পুত্ৰ (পৰাগধৰ চলিহা) থাকিবই। ইউ. এন. অ'ৰ (UNO) বিষয়ে হোৱা সদৌ অসম আকস্মিক বক্তৃতা প্ৰতিযোগিতা এখনত মই প্ৰথম স্থান অধিকাৰ কৰাত অধ্যক্ষ চলিহাদেৱে মোক মুকলিকৈ ইমান প্ৰশংসা কৰিলে যে আত্মবিশ্বাস আৰু সাহস মোৰ লগৰী হৈ উঠিল। আশ্চৰ্যভাৱে উৎসাহ দিব পৰা আছিল সেইজন মানুহ।

তেখেতে স্বপ্ন দেখিছিল পৃথিৱীখন সুন্দৰ হৈ উঠাৰ। তেখেতে জগাই তুলিব খুজিছিল সুপ্ত প্ৰাণবোৰ। ৰোমাণ্টিক আদৰ্শই তেখেতক কবি, গীতিকাৰ, নাট্যকাৰ, অভিনেতা, বক্তা, সমাজসেৱী, সংগঠক, মুক্তি সংগ্ৰামী আদি বিভিন্ন ভূমিকাত অৱতীৰ্ণ কৰোৱাইছিল। ১৯১৫ চনৰপৰা তেখেতে আন্তৰিকতাৰে কণ্ঠেৰে গালে, লিখিলে ‘ফুলনি’, ‘পুষ্পাঞ্জলি’, ‘গীতি লহৰী'ৰ স্বৰাজ সংগীতৰ গীত, কবিতাবোৰ। দেশপ্ৰেম প্ৰগাঢ়ভাৱে অন্তৰত নাথাকিলে এনেধৰণৰ কালজয়ী গীত-কবিতা সৃষ্টি হ'ব নোৱাৰে। কিতাপকেইখন পাবলৈ নাই, কিন্তু কিছুমান শাৰী এতিয়াও মোৰ মনত আছে।

"জনমভূমি, জনমভূমি
সৰগতো অধিক তুমি
জন্মে-জন্মে যুগে-যুগে
থাকোঁ যেন চৰণ চুমি।"

ক্ষুদ্ৰ স্বাৰ্থ দলিয়াই, শিৰে-শিৰে তপত তেজত সোঁত বোৱাই সোণৰ হিন্দুস্থান ত্ৰিছ কোটি সন্তানে ৰাখিব লাগিব। বিষাদগ্ৰস্তা ভাৰত মাতৃৰ মুক্ত কেশ বান্ধিব লাগিব— এয়ে আছিল ৰোমাণ্টিক পদ্মধৰ চলিহাদেৱৰ বুকুৰ সুৰ। জাতীয় পতাকাখনক তেখেতে ভাৰতৰ আত্মা বুলি জ্ঞান কৰিছিল। অফুৰন্ত, অক্লান্ত কৰ্মশক্তিৰ অধিকাৰী এই নেতাগৰাকীক অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিবেশনৰ সভাপতিৰূপে অসমৰ ৰাইজে যথাৰ্থভাৱেই বৰণ কৰি উচিত সন্মান প্ৰদান কৰিলে।

শিৱসাগৰ কলেজত পঢ়ি থাকোঁতে মই আন এখন নতুন জগতৰ মাজত যেন সোমাই পৰিছিলো। 'ছাত্ৰ কংগ্ৰেছ' নামে এটা অতি সক্ৰিয় ছাত্ৰ সংগঠন স্বাধীনতাৰ আগে-পাছে অসমত গঢ় লৈ উঠিছিল। ছাত্ৰ কংগ্ৰেছৰ আদৰ্শ কিন্তু ৰাজনৈতিক নহয়। ই সম্পূৰ্ণৰূপে অৰাজনৈতিক সাংগঠনিক শিক্ষাত ব্ৰতী জনকল্যাণমূলক ছাত্ৰসকলৰ সংগঠনহে। ছাত্ৰ কংগ্ৰেছৰ বিষয়ে চমুকৈ এনেকৈ ক'লে ভাল হ'ব যে ১৯৪২ চনত মহাত্মা গান্ধীৰ আহ্বানত যি অসহযোগ আন্দোলন গঢ় লৈ উঠিছিল, সেই অসহযোগ আন্দোলনত কিছুমান সংগঠনে যোগ নিদিয়াত এচাম ছাত্ৰ-ছাত্ৰী এই আন্দোলন সমৰ্থন কৰি ভাৰতৰ স্বাধীনতা লাভৰ কাৰণে জঁপিয়াই পৰিছিল। এইচাম ছাত্ৰ-ছাত্ৰীৰদ্বাৰাই পাছলৈ ছাত্ৰ কংগ্ৰেছৰ উদ্ভৱ আৰু বিকাশ হৈছিল। পাছত ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অভাৱ-অভিযোগ পূৰণৰ কাৰণে সংগ্ৰাম কৰা, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত সহায় কৰা, দৈহিক-মানসিক উৎকৰ্ষ সাধনত সহায়-সহযোগ কৰা আদিবোৰেই ছাত্ৰ কংগ্ৰেছৰ কৰণীয় কাম আছিল। লগতে সামাজিক, ৰাজহুৱা কামবোৰৰ স্বাৰ্থ অৰাজনৈতিকভাৱে ৰক্ষা কৰা বিভিন্ন সামাজিক কাম আৰু সমস্যাৰ প্ৰতি মনোযোগ দিয়া আদি কামো কৰিছিল।

এই সংগঠনটো সেই সময়ত ঘনাই আলোচনাচক্ৰ পতা, শিক্ষা-সংস্কৃতিৰ গঠনমূলক কাম কৰা আদিত ব্যস্ত আছিল। অসম ছাত্ৰ কংগ্ৰেছৰ শাখাৰূপে থকা শিৱসাগৰ জিলা ছাত্ৰ কংগ্ৰেছৰ হৈ কাম কৰিবলৈ বন্ধুবৰ হেমন্ত চাংকাকতিয়ে মোক প্ৰথম হাতত ধৰি যেন ঘৰৰপৰা উলিয়াই নিছিল। হেমন্ত চাংকাকতি আমাৰে এজন দূৰ সম্পৰ্কীয় ভাতৃস্থানীয় লোক আছিল। বৰ্তমান তেখেত শিক্ষক যদিও জীৱনৰ আগবয়সত তেখেত অন্তৰ ঢালি দেশসেৱাৰ কামত ব্ৰতী হৈছিল। তেখেতে প্ৰথমে 'জ্ঞানোদ্দীপিকা সভা' নামেৰে এটা সংগঠনৰ সম্পাদক, তাৰপাছত ক্ৰমে নগৰ ছাত্ৰ কংগ্ৰেছৰ সম্পাদক, জিলা ছাত্ৰ কংগ্ৰেছৰ সম্পাদক, জিলা ছাত্ৰ কংগ্ৰেছৰ সহকাৰী সম্পাদক, নগাঁও

অধিবেশনত অসম ছাত্ৰ কংগ্ৰেছৰ সাংগঠনিক সম্পাদক আছিল। তেখেতেই এইবোৰ কামৰ একো আওভাও নোপোৱা মোক কামৰ যথেষ্ট দায়িত্ব দি সকলো কামতে পটু কৰি তুলিছিল। মই নগৰ ছাত্ৰ কংগ্ৰেছৰ সম্পাদিকাৰপৰা জিলা ছাত্ৰ কংগ্ৰেছৰ সম্পাদিকাৰ দায়িত্ব ল'ব লগাত পৰিছিলো। ছাত্ৰ কংগ্ৰেছৰ বিভিন্ন সময়ত বিভিন্ন ঠাইত পতা আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, কবিতা প্ৰতিযোগিতা আদিত মই সক্ৰিয় অংশগ্ৰহণ কৰি সৰ্কলোবোৰতে সদায় প্ৰথম হৈছিলো। এই কথাবোৰে মোক আচৰিত ধৰণে প্ৰেৰণা যোগাইছিল। নিজৰ ওপৰত অগাধ বিশ্বাস হৈছিল আৰু ক্ৰমান্বয়ে সদৌ অসম ভিত্তিত হোৱা প্ৰতিযোগিতাবোৰলৈও নিজকে সাজু কৰিছিলো। এইদৰেই সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান আদিলৈ মোৰ ধাউতি জন্মিছিল আৰু বিভিন্ন বিষয়ৰ সম্যক জ্ঞান হৈছিল। এখন তুলনামূলকভাৱে বহল পৃথিৱীৰ যেন নাগৰিক হৈ পৰিছিলো,— এনে অনুভৱ হৈছিল। ৰাজনৈতিক নেতাবোৰকো বহুত ওচৰৰপৰা দেখা পোৱাৰ আৰু সান্নিধ্য লাভ কৰাৰ সুযোগ পাইছিলো। এইসকলৰ ভিতৰত বিমলাপ্ৰসাদ চলিহা, প্ৰফুল্ল বৰুৱা (এম. পি.), বিষ্ণুপ্ৰসাদ চলিহা, অধ্যাপক অজিত কুমাৰ শৰ্মা, হেম বৰুৱা, সৰ্বেশ্বৰ বৰদলৈ, দলবীৰ সিং লোহাৰ, চন্দ্ৰপ্ৰভা শইকীয়ানী, গোপীনাথ বৰদলৈ, ৰবীন কাকতি আদি স্বনামধন্য নেতা-নেত্ৰীসকলক লগ পোৱাৰ কথা মনত পৰে।

আমি কৰা ছাত্ৰ কংগ্ৰেছৰ কামবোৰৰ ভিতৰত গাঁৱে-গাঁৱে, চুবুৰিয়ে-চুবুৰিয়ে ঘূৰি মাদকদ্ৰব্য বৰ্জন কৰিবলৈ কৰা অনুৰোধ প্ৰধান কাম আছিল। দ্বিতীয়তে শিক্ষা বিস্তাৰৰ কামৰ কাৰণে হেমন্ত চাংকাকতি, জোনালী চলিহা আৰু মই লগ লাগি হৰিজনসকলক আবেলি সময়ত দিনে এঘণ্টাকৈ পঢ়োৱাৰ দায়িত্ব লৈছিলো। তৃতীয়তে ১৯৪৮/৪৯ চনত শিৱসাগৰত ক'লা বজাৰৰ সংখ্যা বৃদ্ধি পোৱাত অত্যাৱশ্যকীয় বস্তু অত্যধিক দামত ক'লা বজাৰত বিক্ৰি হোৱাত সেইবোৰ নিৰ্মূল কৰিবলৈ আমি অত্যধিক পৰিশ্ৰম কৰিছিলো। ইয়াৰ উপৰিও সেই চনতেই শিৱসাগৰ টাউনৰ উন্নয়নকল্পে তেতিয়াৰ মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধি ডাঙৰীয়াক ২ নম্বৰ মিউনিচিপেল প্ৰাইমেৰি স্কুলত বহা সভা এখনত স্মাৰক-পত্ৰ প্ৰদান কৰিছিলো। তদুপৰি মাহেকত এবাৰ হ'লেও অধ্যয়নচক্ৰ এখন পাতিছিলো আৰু সেই অধ্যয়নচক্ৰলৈ জনাবুজা লোকক মাতি আনি বক্তৃতা দিয়াইছিলো। আমাৰ ছাত্ৰ কংগ্ৰেছৰদ্বাৰা হিন্দী স্কুল এখন প্ৰতিষ্ঠা কৰা হৈছিল। ছাত্ৰ কংগ্ৰেছৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ কাৰণে 'সেউজীয়া' নাম দি এখন আলোচনী প্ৰকাশ কৰা হৈছিল। শিৱসাগৰৰ টাউন হাইস্কুল প্ৰতিষ্ঠাৰ কাৰণে আৰু স্কুলবোৰৰ মাচুল বৃদ্ধি ৰোধ কৰাৰ কাৰণে ছাত্ৰ কংগ্ৰেছৰদ্বাৰা আন্দোলন কৰা হৈছিল। ইয়াৰ পাছত শিৱসাগৰৰ বিশিষ্ট নাগৰিক শ্ৰদ্ধেয় ঠানুৰাম গগৈয়ে টাউন হাইস্কুলখন প্ৰতিষ্ঠা কৰিছিল আৰু চৰকাৰে মাচুল বৃদ্ধিৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছিল।

সেই সময়ৰ আৰু এটা বিশেষ কথা চিৰদিনলৈ মনত জিলিকি থাকিব। ছাত্ৰ কংগ্ৰেছৰ তৰফৰপৰা আমি প্ৰতি শুকুৰবাৰে-শুকুৰবাৰে আবেলি ব'ৰ্ডিং ৰ'ডৰ কাষৰ জিলা কংগ্ৰেছ অফিচৰ প্ৰাংগণত থকা ছহিদ স্মৃতি স্তম্ভটোৰ কাষত সৰ্বধৰ্ম প্ৰাৰ্থনা কৰিছিলো। এই সৰ্বধৰ্ম প্ৰাৰ্থনা মোৰদ্বাৰা নিয়মিতভাৱে পৰিচালিত হৈছিল আৰু সেই প্ৰাৰ্থনা সভাত মই বৰগীত, ভজন আদিও গাইছিলো। সেইকাৰণে সেই সময়ৰ প্ৰাৰ্থনাত অংশ লোৱা বিজু, ৰাজুহঁতে (শিল্পী বিজয়লক্ষ্মী বৰুৱা, নৃত্যপটীয়সী শুভলক্ষ্মী বৰুৱা) মোক 'প্ৰাৰ্থনা বাইদেউ' নাম দিছিল। আজিও তেওঁলোকে মোক প্ৰাৰ্থনা বাইদেউ বুলিয়েই মাতে। প্ৰাৰ্থনা সভাত নিয়মিত অংশগ্ৰহণকাৰীসকলৰ ভিতৰত আছিল— আমাৰ অতি মৰমৰ খুৰীদেউ শ্ৰীযুতা ক্ষীৰদা বৰুৱা (শিল্পী শ্ৰদ্ধেয় ফুনু বৰুৱাদেৱৰ পত্নী), ক্ষীৰ বাইদেউ, আইজনী (সোণালী চলিহা) বাইদেউ, দুলু (জোনালী চলিহা) বাইদেউ, অকণি (সেউতী চলিহা), মীৰা বাইদেউ (চলিহা), লিলি বাইদেউ (বৰা), দেববালা দত্ত, নিৰ্মলা কাকতি, নিৰলা কাকতি, নীৰু বৰুৱা, কমলা ঠাকুৰ আদি। আমাৰ সেই প্ৰাৰ্থনা শুনিবলৈ শ-শ লোক ব'ৰ্ডিং ফিল্ডত গোট খাইছিল।

মোৰ জীৱনলৈ এক নতুন গতি আনি দিয়া শিৱসাগৰ ছাত্ৰ কংগ্ৰেছৰ উপদেষ্টাসকলৰ ভিতৰত মোৰ মনত পৰা কেইজনমান হ'ল— উকীল বৈদ্য বৰপূজাৰী, তিলেশ্বৰ বৰদলৈ, সৰ্বেশ্বৰ বৰদলৈ, চন্দ্ৰপ্ৰসাদ শইকীয়া, অৰুণ ভট্টাচাৰ্য, পৰাগধৰ চলিহা, যতীন শইকীয়া, কানাইলাল চাহু আৰু দেবেন বড়া। ইয়াৰ উপৰিও শ্ৰদ্ধেয়সকল— প্ৰফুল্ল বৰুৱা, বিমলা প্ৰসাদ চলিহা, বিষ্ণুপ্ৰসাদ চলিহা, পদ্মধৰ চলিহা, ক্ষীৰদা কুমাৰী বৰুৱা আদি স্বনামধন্য লোকসকলে আমাক সময়ে-সময়ে বিভিন্ন উপদেশ দি উৎসাহিত কৰিছিল।

ছাত্ৰ কংগ্ৰেছৰ বহুতো সদস্যৰ ভিতৰত সদ্যহতে মনত পৰা লগৰীয়াসকল আছিল— হেমন্ত চাংকাকতি, যদু দত্ত, অনংগ নাৰায়ণ দুৱৰা, কোমেশ্বৰ বৰঠাকুৰ, জিতেন দুৱৰা, যাদৱ দত্ত, ভৰত বৰুৱা, সুৰেন্দ্ৰ নাথ গোস্বামী, নাৰায়ণ বৰুৱা, সত্যভূষণ বৰুৱা, সদা শইকীয়া, দুলাল দত্ত আৰু মহিলাৰ ভিতৰত দেববালা দত্ত, নিৰলা কাকতি, সোণালী চলিহা, লিলি দত্ত, নীৰু বৰুৱাৰ নাম উল্লেখযোগ্য।

সেই সময়ছোৱাত মোক শুভ আদৰ্শবোৰে মতলীয়া কৰি থৈছিল। ঠায়ে-ঠায়ে লাইব্ৰেৰি পতা, গানৰ স্কুল পতা, হিন্দী স্কুল পতা, আলোচনাচক্ৰৰ কেন্দ্ৰ পতা, আলিবাট মেৰামতিৰ কাৰণে মানুহক উদ্‌গনি দিয়া, জনস্বাস্থ্যৰ কাৰণে মানুহক সচেতন কৰা, নিঃসহায় অনাথ মহিলাৰ কাৰণে তাঁতৰ শালৰ কেন্দ্ৰ পতা আদি কামবোৰ অতি গভীৰ নিষ্ঠাৰে দিন-ৰাতি নোহোৱাকৈ কৰিছিলো। কিতাপ পঢ়ি এখন বেলেগ ৰাজ্যত বুৰ গৈ থকাতকৈ এইবোৰ কাম কৰাহে যেন উচিত, জীৱনৰ প্ৰকৃত আনন্দ যেন এইবোৰতহে আছে,— তেতিয়া এনে ভাব হৈছিল।

আৰু এটা কথাত মই নিজে-নিজে খুব আনন্দ লভিছিলো। সেইটো হৈছে মোৰ মনৰ মাজত সৃষ্টিৰ শক্তিয়ে বিকাশ লাভ কৰা কথাটোত। অৰ্থাৎ স্বতঃস্ফূৰ্তভাৱে মোৰ মনৰ মাজত বিভিন্ন ধৰণৰ গীতে প্ৰাণ পাই উঠিছিল। সুৰত গাই-গাই মই বহুত গীত তেতিয়াই ৰচনা কৰিছিলো। তেতিয়াই মই ৰচি, সুৰ দি, নিজে গাই, প্ৰায় সকলো প্ৰতিযোগিতাতে প্ৰথম হৈছিলো। এটা বৰ আমোদজনক কথা হৈছিল যে মোৰ সুৰ আৰু ৰচনাৰ এটা বিশেষ গান যিসকলে যি প্ৰতিযোগিতাতে গায়, সেইসকল সদায়েই প্ৰথম হয়। সেই গানটো হৈছে— 'দূৰলৈ নাযাবি নাৱৰীয়া'। গানটোৰ কপি এটা কৰি থ'বলৈ নহ'ল। যেতিয়া কোনোবাই এই গীতটো গাই প্ৰথম পুৰস্কাৰ পালো বুলি কয়হি, তেতিয়াহে ভাবোঁ গানটোৰ কপি এটা কৰি থ'ব লাগিছিল। পুৰস্কাৰ পোৱাসকলক গানটোৰ কপি এটা কৰি পঠাই দিবলৈ ক'লে তেওঁলোকেও পাহৰে। সেই সময়ত মোৰ গান শুনি শ্ৰদ্ধেয় প্ৰফুল্ল বৰুৱা এম. পি. দদাইদেৱে মোৰ নাম থৈছিল 'বাঁহী'। এই নামটো মোৰ বৰ মৰমৰ।

এই সময়খিনিৰ মোৰ এগৰাকী বিশেষ বান্ধৱীৰ কথা উল্লেখ কৰিবই লাগিব— তেওঁ হৈছে চাৰিঙৰ শ্ৰীমতী নিৰ্মলা কাকতি (দুৱৰা)। তেওঁ শিৱসাগৰ কলেজলৈ আহি আমাৰ লগত নাম লগাইছিল আৰু হাতে-কাণে একো নিপিন্ধা নিৰাভৰণ নিৰ্মলাৰ ব্যক্তিত্বই আমাক প্ৰথম দৃষ্টিতেই আকৰ্ষণ কৰিছিল। তেওঁ তেওঁলোকৰ সম্বন্ধীয় মানুহ মেলাচকৰৰ স্বৰ্গীয় লোকনাথ কাকতিৰ ঘৰত থাকি পঢ়িছিল। প্ৰতিটো কথা বিশেষভাৱে নিজাকৈ চাব পৰা শক্তি নিৰ্মলাৰ আছিল। নিৰ্মলা মোৰ অন্তৰৰ বন্ধু হৈ পৰিছিল। দেশ গঢ়াৰ স্বপ্ন নিৰ্মলাৰ অন্তৰতো বাৰুকৈয়ে জাগিছিল। তেওঁৰ পিতৃ আছিল এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী। দেশৰ সেৱাতে তেখেতে জীৱন উচৰ্গা কৰিছিল। নিৰ্মলা আমাৰ ঘৰলৈ প্ৰায়ে আহিছিল। আমি দুয়োজনীয়ে পিছফালৰ পুখুৰীপাৰলৈ গৈ কদম গছৰ ছাঁত বহি স্বাধীন ভাৰত গঢ়াৰ কাৰণে বহুতো কথাৰ আঁচনি কৰিছিলো। নিৰ্মলা ছাত্ৰ কংগ্ৰেছৰো সক্ৰিয় কৰ্মী আছিল। বিবাহৰ পাছত স্বামী-স্ত্ৰী দুয়োজনে শিক্ষকতাত আত্মনিয়োগ কৰিলে। এবাৰ চাৰিঙত হোৱা ছাত্ৰ কংগ্ৰেছৰ সভা এখনলৈ যাওঁতে নিৰ্মলাহঁতৰ ঘৰলৈ নিয়ৰ গচকি-গচকি যোৱা কথা বৰ সুন্দৰকৈ মনত আছে।

মুগ্ধ দৃষ্টি, মোৰ ওচৰত বহি কথা পতাৰ ইচ্ছা, বহুতৰে মাজত মই শিৱসাগৰ কলেজত পঢ়া দিনত লক্ষ্য কৰিছিলো। কিন্তু সমাজখন যথেষ্ট সংযত আছিল। জ্যেষ্ঠজনৰ প্ৰতি, সমাজৰ প্ৰতি সকলোৰে সমীহ আছিল। মনৰ ভাব পোনপটীয়াকৈ প্ৰকাশ কৰাৰ সাহসেই নাছিল। সমাজৰ কটকটীয়া অলিখিত বন্ধন ভংগ কৰিব উৎসাহী দুই-একেহে হয়তো ক'ৰবাত পাৰিছিল। আমি কলেজলৈ অহা-যোৱা কৰোঁতে ছাতি এটা লৈ অকলশৰেহে অহা-যোৱা কৰোঁ। এতিয়াৰ দৰে চিনাকি-অচিনাকিজনৰ লগত বাটত মুক্তভাৱে হাঁহি-

মাতি অহা-যোৱা কৰাটো কল্পনাৰো অতীত আছিল। আমি প্ৰতিক্ষেত্ৰতে আছিলো ৰিজাৰ্ভড। কলেজৰ প্ৰতিযোগিতাবোৰত ছোৱালীৰ লগতহে খেলিছিলো। পিতৃ জয়কৃষ্ণ দত্তৰ দৰে আমাৰ লগৰ দেববালা দত্ত আছিল কেৰম খেলাত খুব পাকৈত। মই আকৌ টেবুল টেনিছ, বেডমিণ্টনৰ দৰে দৌৰা-ঢপৰা থকা খেলহে বেছি পাৰিছিলো। মই পাছে তৰ্কসভা, আকস্মিক বক্তৃতা, সাহিত্য প্ৰতিযেগিতাতহে যোগ দি বেছি ভাল পাইছিলো।

ইয়াৰ মাজতেই কলিকতাৰপৰা অহা লজিকৰ প্ৰফেছাৰ এজন অজান অনুৰাগত এদিন আমাৰ ঘৰৰ ড্ৰয়িংৰুমলৈকে আহি মোক থিয়ৈ-থিয়ৈ কৈছিল,— “আমি কাজ ৰিজাইন কৰে চলে যাওয়াই ঠিক কৰলাম। তুমি আমাকে গ্ৰাহ্যই কৰনা। কি আশ্চৰ্য আমি কি কৰি বলত?”

মই মন কৰিছিলো লজিকৰ ক্লাছত তেওঁ মোৰ প্ৰতি অনাহক আগ্ৰহ দেখুৱাব খোজে। সেইবুলি একেজাঁপে আহি ঘৰ পাবহি— ইমান স্পৰ্দ্ধা! পাগল নে কি।

মই যথেষ্ট দাম্ভিকভাৱে ক'লো— “You need not resign. I will rather give up Logic.”

সঁচাকৈয়ে খঙতে মই লজিক বিষয়টো এৰিয়ে দিলো। লজিক আছিল মোৰ ফৰ্থ ছাবজেক্ট। একপক্ষীয় অনুৰাগত হয়তো দিশহাৰা হৈয়েই আৱেগসৰ্বস্ব লজিকৰ প্ৰফেছাৰে কাম এৰি থৈ গ'লগৈ। হাঁহিয়েই উঠে কিছুমানৰ কাণ্ড-কাৰখানাত! যত চব পাগলামি!

এইখিনি সময় যেন আমাক জুইশালত গঢ়াৰ সময়হে আছিল। এই সময়খিনিৰ আদৰ্শ আৰু কামেই পৰৱৰ্তী জীৱনত যেন পত্ৰপুষ্প হৈ বিকশিত হৈছিল। কম বয়সতে যিটো মন গঢ় লয়, সিয়ে ভৱিষ্যতলৈকে থাকি যায়।

মোৰ সদায় ৰাতি এডোখৰলৈ বাহিৰা কিতাপ পঢ়া অভ্যাস আছিল। সেই সময়ৰ কিতাপবোৰৰ ভিতৰত ৰবীন্দ্ৰনাথ ঠাকুৰ, ছমাৰছেট মম, মেক্সিম গৰ্কী, আৰ্ভিং ষ্ট'ন, শ্যেক্সপিয়েৰ, শ্যেলি, ৱৰ্ডছৱৰ্থৰ কিতাপেই বেছি আছিল। ইয়াৰ ফাঁকে-ফাঁকে যথেষ্ট অসমীয়া সাহিত্যও পঢ়িছিলো। তাৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা আৰু যতীন্দ্ৰ নাথ দুৱৰাই সেই সময়ত মোক বৰকৈ আকৃষ্ট কৰিছিল।

ইতিমধ্যে মোৰ আই. এ. পৰীক্ষা পালেহি। সেই সময়ত শিৱসাগৰত ইউনিভাৰ্ছিটিৰ পৰীক্ষা কেন্দ্ৰ নথকাত শিৱসাগৰ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে ডিব্ৰুগড়ত গৈ পৰীক্ষা দিব লাগিছিল। মই ডিব্ৰুগড়ত বিয়া দিয়া ভনীজনীৰ ঘৰতে থাকি পৰীক্ষা দিবলৈ ওলালো। মোৰ লগৰ আন ছাত্ৰ-ছাত্ৰীবোৰেও নিজা-নিজা আত্মীয়-স্বজনৰ ঘৰত থাকি পৰীক্ষা দিবলৈ ঠিক কৰিছিল। মোৰ ভনী অকণিৰ (লক্ষ্মীপ্ৰিয়া) বিয়া ১৯৪৭ চনত বৰমা জীয়াই থাকোঁতেই পতা হৈছিল। তাইৰ দৰাঘৰ ডিব্ৰুগড়ত। তাইকো মোৰ দৰেই পুষ্পিতা হোৱাৰ আগতেই বিয়া দিয়া হৈছিল খৰখেদাকৈ। ছিক্সলৈকেহে তাই পঢ়িবলৈ পালে।

শৈক্ষিক, অৰ্থনৈতিকভাৱে স্বাৱলম্বী নকৰি ছোৱালীক পৰমুখাপেক্ষী কৰি বিয়া দিয়া কি যে এক নিৰ্মম নিয়ম আছিল! তাই ইমান সৰু আছিল যে তাই স্বামীৰ ঘৰত গৈ চোতালত আঁক পাৰি দাৰিয়া খেলাতহে মগ্ন আছিল। স্বামীৰ ঘৰতেই তাই পুষ্পিতা হৈছিল।

পুৰুষ-প্ৰধান সমাজত পুৰুষে সৃষ্টি কৰা বিধি-বিধানবোৰেই প্ৰচলিত আছিল। নিয়মবোৰলৈ মন কৰিলে দেখা যাব যে পুৰুষৰ প্ৰতি এই নিয়মবোৰত যথেষ্ট পক্ষপাতিত্ব আছিল। নাৰীক মানুহৰ মূল্যকে দিয়া নহৈছিল।

সৰুকালিতেই সমাজখনৰ বিভিন্নজনৰ জীৱনলৈ লক্ষ্য কৰি দেখিছিলো স্বামীৰ মৃত্যু হ'লেই পত্নীয়ে বিধৱাৰ বেশ ল'ব লাগে। আনহাতে পত্নীৰ মৃত্যু হ'লেও এজন পুৰুষৰ ক্ষেত্ৰত অবাধ স্বাধীনতা। পত্নীৰ মৃতদেহ চোতালত উলিয়াই থৈয়ে তেওঁ সম্পূৰ্ণ আহাৰ গ্ৰহণ কৰিব পাৰে, কোনো বাধা নাই। বৃটিছ আহি আইন কৰি বন্ধ নকৰালৈকে নৃশংসতম নিয়ম 'সতীদাহ' প্ৰথা চলি আছিল। টানি-আঁজুৰি পত্নীক নি মৃতস্বামীৰ লগত চিতাত তুলি দিয়েগৈ। এই প্ৰসংগত বিখ্যাত ভাৰতীয় লেখিকা মহাশ্বেতা দেৱীয়ে লিখা 'গংগা থেকে সাগৰ' কিতাপখনলৈ মনত পৰিছে। এই কিতাপখনত 'সতীদাহ'ৰ দৃশ্য এটা এনেকুৱাকৈ বৰ্ণোৱা হৈছে যে যেতিয়াই পঢ়োঁ তেতিয়াই বুকু ভাঙি কান্দোন আহে।

প্ৰাতঃস্মৰণীয় সমাজ সংস্কাৰক, যুগে-যুগে নমস্য ব্যক্তি ৰাজা ৰামমোহন ৰায়ৰ এটি সৰুকালিৰ মৰ্মস্পৰ্শী অভিজ্ঞতা গল্পৰ দৰে 'গংগা থেকে সাগৰ'ৰ প্ৰবন্ধ এটাত বৰ্ণোৱা হৈছে। অকমানি ছোৱালী লক্ষী ৰাজা ৰামমোহন ৰায়ৰ খেলাৰ লগৰীয়া। ৰামমোহন চাৰি-পাঁচ বছৰৰ ডাঙৰ, লক্ষী সৰু। একে পাৰাতেই থাকে, একেলগে ধেমালি-ধুমুলা কৰে। এদিন শুনা গ'ল লক্ষীৰ বিয়া। ব্ৰাহ্মণৰ ঘৰৰ ছোৱালী, আঠ বছৰতে 'গৌৰীদান' কৰিব। গৌৰীদান কৰিব পৰাটো তেতিয়া বৰ পুণ্যৰ কথা বুলি বিবেচিত হৈছিল। দৰা পঞ্চাছ, ষাঠি বছৰ বয়সীয়া, চাৰিজনী ইতিমধ্যে বিয়া কৰোৱা এক বুঢ়া ব্ৰাহ্মণ। তেওঁ কন্যা গ্ৰহণ কৰিলে আৰু ডাঙৰ হ'বলৈ পিতৃগৃহত থৈ গ'ল। এইটো সচৰাচৰ ঘটি থকা কথা। এদিন খবৰ আহিল তেওঁৰ মৃত্যু হ'ল। এতিয়া লক্ষীয়ে স্বামীৰ লগত চিতাত উঠি অগ্নিবৰণ কৰি সহমৰণ ল'ব লাগে।

গোটেই ঘৰ লোকে লোকাৰণ্য। আলিয়ে-পদূলিয়ে জাকে-জাকে মানুহ; —লক্ষীক ধৰি-বান্ধি চিতাত তুলিবলৈ নিয়া দৃশ্য উপভোগ কৰিবলৈ আহিছে। অসহায় আঠ বছৰীয়া লক্ষী দুৱাৰচুকে-তুকে পলাই ফুৰিছে। ৰাজা ৰামমোহনো কি হৈছে চাবলৈ আহিল। লক্ষীয়ে ফেকুৰি-ফেকুৰি তেওঁৰ মুখলৈ চালে— ৰামমোহনৰ অন্তৰাত্মা শিয়ৰি উঠিল মানুহে মানুহক কৰা এই ভাষাতীত নিষ্ঠুৰতম কাৰ্যত। মানুহে লক্ষীক বিচাৰি পাই টানি আনি ভৰিত আলতা পিন্ধাইছে, ৰঙা শাৰী পিন্ধাইছে, চুলি বান্ধিছে, অলংকাৰ পিন্ধাইছে,—

লক্ষ্মী স্বামীৰ লগত সহমৃতা হ'ব। এয়া জানো কম ভাগ্য!— মানুহবোৰে কোৱা-মেলা কৰিলে। কিশোৰ ৰামমোহনৰ আত্মাই আৰ্তনাদ কৰি উঠিল— লক্ষ্মী মই যদি কিবা কৰিব পাৰিলোহেঁতেন! তই যদি মোক সাপৰ মূৰৰ মণি এটাও আনি দিবলৈ ক'লিহেঁতেন, মই সাপৰ মুখত পৰি হ'লেও মণি আনি দিলোহেঁতেন। এই কুসংস্কাৰাচ্ছন্ন শ-শ মানুহৰ পাশৱিক বলক মোৰ এই সৰু হাতখনেৰে কেনেকৈ ঠেলিব পাৰোঁ? লক্ষ্মী মই কি কৰোঁ? লক্ষ্মীক এতিয়া টানি লৈ যাব। ৰামমোহনৰ কুমলীয়া জীৱই কেনেকৈ চাই থাকে! ৰামমোহনৰ উশাহ ল'ব নোৱৰা যেন লাগিল। তেওঁ সহস্ৰ মানুহৰ ভিৰ ঠেলি মুকলি পথাৰ এখনত গৈ আকুল হৈ ঊৰ্দ্ধশ্বাসে দৌৰিবলৈ ধৰিলে।

নৃশংসতম এই অন্ধসংস্কাৰবোৰৰ ওৰ পেলাবলৈ ৰামমোহন ৰায় দৃঢ়-প্ৰতিজ্ঞ হ'ল। সমাজৰ কুসংস্কাৰবোৰ গুৰি কৰিবলৈ তেওঁ যি-যি বিস্ময়কৰ কাম কৰিলে, তাৰ ভিতৰত বাল্যবিবাহ বন্ধ, স্ত্ৰী শিক্ষাৰ প্ৰচলন আৰু বিধৱা বিবাহৰ প্ৰচলন মুখ্য আছিল।

স্বামী মৰিলে পত্নীৰ ওপৰত অন্য অত্যাচাৰ উচ্চ বৰ্ণৰ মাজত আজিও কম-বেছি পৰিমাণে চলি আছে। আমাৰ সৰুকালিত এইবোৰ নিয়ম বৰ কটকটীয়া আছিল। ব্ৰাহ্মণৰ মহিলা বিধৱা হোৱাৰ লগে-লগে বগা সাধাৰণ সাজপাৰ কৰিব লাগে। প্ৰসাধন কৰিব নোৱাৰে। চুলিখিনিও কোনোবা তীৰ্থত গৈ কাটি থৈ আহিবগৈ লাগে। প্ৰ'টিন থকা খাদ্য মাংস, মাছ, কণী একো খাব নোৱাৰে— আনকি মচুৰ দাইল, নহৰু, পিঁয়াজো। ম'হৰ গাখীৰ, ম'হৰ ঘিউ, ম'হৰ মাখন সকলো নিষিদ্ধ।

গিৰিয়েক মৰিলে ঘৈণীয়েকজনীয়েই যেন দায়ী,— এনে ধৰণেৰে অগিয়ানসকলে বিধৱাগৰাকীকে দোষে। কথাই প্ৰতি গালি-শপনি পৰা হয়— গজমূৰী, শাঁখিনী, কুলক্ষণী, পৈয়েকৰ মূৰ খাঁতী বুলি। ভাল বস্তুৰপৰা বঞ্চিত কৰি খাবলৈ নিদি তিলতিলকৈ শাৰীৰিকভাৱে দুৰ্বল কৰে আৰু লগতে কৰে মানসিকভাৱেও অকথনীয় অত্যাচাৰ। নাৰীৰ ওপৰত এনে নিৰ্যাতন কৰিবলৈ কোন শাস্ত্ৰত লিখা আছে? চৌপাশৰ কথা-কাণ্ডবোৰ দেখি-শুনি মোৰ খঙে মূৰৰ চুলিৰ আগ পায়গৈ। আৰু যে কত কুসংস্কাৰেৰে ভৰা আছিল সেই সময়বোৰ! জাৰত কঁপি-কঁপি হ'লেও এশবাৰ অনাহকতে মূৰ তিয়াই-তিয়াই মহিলাই গা ধোৱা, তিতা তিয়নিৰে কিছুমান কাম কৰা, পুহমহীয়া ঠেঁটুৰৈ ধৰা জাৰতো শুদা ভৰিৰে থকা, অনবৰত এহতীয়া ওৰণি লৈ থাকিব লগা, জোঁৱায়েকৰ মুখ চাব নাপায় বুলি থকা কথা,— এনেকৈ অজস্ৰ 'নাপায়' শব্দই বজ্ৰবাণীৰ দৰে মহিলাক চৌদিশে নিৰন্ধ্ৰ একোটা সঁজা সাজি দিছিল। এই 'নাপায়'বোৰ চলি আহিছিল মুখে-মুখে পৰম্পৰাগতভাৱে। শাহুআয়ে কয়,— "এইটো কৰিব নাপায়।" শাহুআয়ে কয়,— "সেইটো নকৰিবি, নাপায়।" — এয়েই শাস্ত্ৰ। অজ্ঞ, অন্ধ বোৱাৰীবোৰৰ জীৱন কোনো প্ৰতিবাদ নোহোৱাকৈ সেই-সেই গোড়া, যুক্তিহীন নিয়মবোৰেই পৰিচালিত কৰে।

গোটা বেতেৰে পিঠিত কোবালে যেনেকৈ বহুদিনলৈ গোটা হৈ সেৰা পাতি থাকে, বিষাই থাকে, তেনেকৈ তপত লোহাৰে পিঠিত দিয়া ৰঙা দাগৰ দৰে কিছুমান কথাই মোৰো পিঠি ভকভকাই যোৱাকৈ পুৰিছিল। বিয়া এখন ইমান সাংঘাতিক বস্তুনে য'ত ছোৱালীৰ নিজস্বতা নিশ্চিহ্ন হৈ যায়, কপাল পুৰি যায়? এইক্ষেত্ৰত পুৰুষৰ কপাল নোপোৰে কিয়? নাৰীক দিয়াৰ দৰে গালি পুৰুষৰ বেলিকা কিয় নাই?

বিপত্নীক পুৰুষক 'তিৰোতাৰ মূৰ খালি' বুলি কোনেও গালি নিদিয়ে। পুৰুষে দহ ঠাইত অবৈধ অভিসাৰ চলালেও কোৱা হয়— "মাৰ্জাৰ গমনে শুদ্ধি" (মেকুৰীৰ গমনেই শুদ্ধি— মেকুৰীয়ে চুৱা চৰু চুই অথবা চুৱা পাতনি ফেনেকি আহিলেও খোজ দিয়াৰ লগে-লগেই শুদ্ধ হয়)। পুৰষৰ কি সাংঘাতিক স্বৈৰাচাৰী প্ৰথা!

অঁ, মোৰ অভিজ্ঞতাটো কওঁ— তপত লোহাই পোৰা অভিজ্ঞতা। এদিন সোমবাৰে পুৱা শিৱদ'লৰপৰা মাৰ লগত ঘৰলৈ উভতিছিলো। অলপ পৰৰ পাছতে গণেশ মামা আহি ওলালহি। মামাই গহীনভাৱে মোক সুধিলে,— "তই ৰাতিপুৱা ক'ৰবালৈ গৈছিলি নে কি?"

"অঁ, দ'লসেৱা কৰিবলৈ গৈছিলো।"

"বাটত অমুকক আৰু তাৰ মাকক পাইছিলি হ'ব পায়?"

"অঁ পাইছিলো। তেওঁবিলাকে কোবাকুবিকৈ বাছ ধৰিবলৈ গৈছিল।"

"বাছ ধৰিবগৈ নোৱাৰিলে। মাকে কৈছে,— সেই জীয়া বাঁৰীজনীক দেখিলো কাৰণেই বাছ নাপালো।"

"জীয়া বাঁৰী? কোন জীয়া বাঁৰী?"

"তই। তোক কৈছে।"

মই বোবা হৈ গ'লো। এনেকুৱা শব্দ মই আগতে কেতিয়াও শুনা নাই। গিৰিয়েকৰ লগত 'ছেপাৰেশ্যন' হ'লে 'জীয়া বাঁৰী' হয়। কি কঠিন ইতিকিং! মোৰো যে এনেকুৱা এটা নাম হ'ব পাৰে কল্পনাৰো অতীত আছিল।

"এই ধুটীজনীৰ মুখখন একঘোচা মাৰি ভাঙি দিবৰ মন গৈছিল। উত্তৰপাৰৰ মানুহবোৰ এনেকুৱাই নে কি! পুতেক নতুনকৈ বদলি হৈ আহিছে ইয়ালৈ।" — মামাই খঙে-বেজাৰে ক'লে।

"মই বুঢ়ীক এশিকনি দিয়াৰ আগতেই নিজৰ পুতেকেই এথেকেচা দিলে,— লেহেম-লেহেমকৈ ওলাবি, পেৰেকা-পেৰেক খোজ দি আহিবি, বাছ পাবিহিনে? মই আগতেই কৈছোঁ বাছ নাপাবগৈ আজি। লোকৰ ওপৰত দোষ দি কি কথা ক'বলৈ আহ? তইঁতৰ এই এলাহ্নকলীয়া, ফেকুন্দা কথাবোৰ নুগুচিল আৰু।"

মই গহীন হৈ পৰা দেখি মামাৰো নিশ্চয় শোক লাগিল। সাউৎকৰে পাকঘৰৰ পিনে

উঠি গ'ল। তেতিয়া মোৰ শিৱসাগৰত আই. এ. পৰীক্ষা দিয়াৰ সময়, ১৯৫০ চন।

মাত্র এযাৰ কথা। সেয়ে যেন মোক ভস্ম কৰি পেলালে। মই সংকুচিত হৈ গ'লো। মই অমংগলীয়া নে কি? কিয় হ'ম অমংগলীয়া? মোৰ জীৱনৰ লগত পুতলা বিয়া এখনৰ সম্পর্ক কি? মই ময়েই। তথাপি, তথাপি... কিজানিবা কিবা ক'লা ছাঁ মোৰ মুখত পৰিছেই, যিটোৱে যাত্রা নাস্তি কৰে। কোনোবা ক'ৰবালৈ যাবলৈ ওলালে মই আগৰপৰা আঁতৰি ফুৰা হ'লো। যাত্রাত যদি কিবা অনিষ্ট ঘটে মোৰ কাৰণেই হ'ল বুলি যদি ভাবে, এই বুলিয়েই— সমাজত মোৰ অজানিতে যিহেতু এনে লোকাচাৰ আছে। মোৰ অন্তৰত তীব্র দ্বন্দ্ব হৈ থাকিল। কুসংস্কাৰ নামানিবলৈ মোৰ মনে চিৰদিন বিদ্রোহ কৰি আহিছে। নাৰীয়ে নাৰীক কিয় মর্যাদা দিব নাজানে?

এই দ্বন্দ্বটোৰ ইতি হ'ল গুৱাহাটীৰ ছাত্রীবাৰীৰ হোষ্টেলত মই এম. এ. পঢ়ি থাকোঁতে। আমি সেই হোষ্টেলটোত থকাৰ সময়তে উত্তৰ লখিমপুৰৰ বাইদেউ নীহাৰ বৰুৱা (পাছলৈ স্কুল পৰিদর্শিকা) বি. টি. পঢ়িবৰ কাৰণে আহি আমাৰ এই হোষ্টেলটোতে আছিল। ব্ৰহ্মপুৱাতে বাইদেৱে নিজৰ ৰুমৰপৰা শুই উঠি আমাৰ ৰুমলৈ আহি প্ৰথম কাম কৰে মোৰ আঁঠুৱা দাঙি মোক চোৱা কামটো। মোৰ ৰুমমেট স্বৰ্ণ খুব পুৱাতেই উঠে কাৰণে আমাৰ ৰুমৰ দুৱাৰ খোলা হৈ থকাই পায়। এদিন স্বৰ্ণই (গগৈ) সুধিলে,— "বাইদেউ আপুনি সদায় আঁঠুৱা দাঙি কি চায়?"

নীহাৰ বাইদেৱে ক'লে,— "নির্মলৰ মুখখন শুই উঠিয়েই দেখিলে মোৰ দিনটো বৰ ভালেৰে যায়। এইকেইদিন পৰীক্ষা চলি আছে। সেইকাৰণে আঁঠুৱা দাঙি হ'লেও নির্মলৰ শুই থকা মুখখনকে চাই যাওঁহি।"

মই শুই উঠিলত মোৰ সখী স্বৰ্ণই হাঁহি-হাঁহি এই কথা মোক ক'লে। কথাটো শুনি মোৰ যেন গা-মন পাতল লাগি গ'ল। দুই-তিনি বছৰৰ মূৰত মই যেন আশ্বস্ত হ'লো। মনক মাজে-মাজে ডাৱৰীয়া কৰা মোৰ যিকণ ইনফিৰিয়ৰিটি কমপ্লেক্স হৈছিল সেয়া যেন আঁতৰি গ'ল নিমিষতেই।

বহুত বছৰৰ পাছত আৰু এবাৰ তেনেকৈ সম্বন্ধীয়া মানুহ এঘৰৰ বিয়াত দৰাক নোৱাই উঠাৰ পাছত মূৰত চাউল দিয়াৰ সময় হ'ল। তাৰ কাৰণে পাঁচগৰাকী-সাতগৰাকী নহ'লে তিনিগৰাকী আয়তীৰ প্ৰয়োজন। মই ক'লো,— "আমি পাঁচজনী আছোঁৱেই দেখোন। নামটো ময়ে লগাই দিম, নামটো মই পূৰাকৈ জানো।" দৰাৰ বায়েকে হঁটা মাতেৰে ক'লে,— "তুমি কেনেকৈ পাৰিবা? তুমি নালাগে। আমি তিনিজনীয়েই দিম মূৰত চাউল।" মই থতমত খাই ৰৈ গ'লো, আহত হ'লো, চকুপানী ওলাব খুজিলে। মোৰ জ্ঞান-বুদ্ধিয়ে যেন মোক ক'লে,— 'পুতৌ কৰা, ইহঁতৰ অজ্ঞতাক।' মই পুতৌ কৰিব পৰা সঁচাকৈয়ে হৈ উঠিছিলো সিমানদিনে। তেতিয়া মই এম. এ. পাছ কৰি কাগজত

কামত সোমাইছিলো। বি. এ.ত মোৰ এনথ্ৰ'পজিও এটা বিষয় আছিল। ছচিয়েল, কালচাৰেল এনথ্ৰ'পলজি পঢ়ি লোকবিশ্বাস, অন্ধবিশ্বাস কাক কয় ভালকৈ জনা হৈ উঠিছিলো। আৰু এনেবোৰ মিছা লোকাচাৰে মোক স্পৰ্শ নকৰা হৈ আহিছিল। ভিতৰৰ পোহৰে মোক পোহৰাবলৈ আৰম্ভ কৰিছিল।

আটাইকেইটা ল'ৰা-ছোৱালী একেলগে ফূৰ্তিৰে থাওক বুলিয়েই যিকোনো বন্ধ হ'লেই দেউতাই ভণ্টিক ডিব্ৰুগড়ৰপৰা লৈ আহি আমাৰ ঘৰত ৰাখিছিলহি। তাইৰ আটাইকেইটা ল'ৰা-ছোৱালী হওঁতেও জন্ম হোৱাৰ চাৰি-পাঁচমাহমান আগৰেপৰা আৰু জন্ম হোৱাৰ পাছত আৰু চাৰি-পাঁচমাহমান দেউতাই আমাৰ ঘৰতে ৰাখিছিল। তায়ো তেতিয়া বৰ আনন্দেৰে আমাৰ লগত হাঁহি-ফূৰ্তি কৰি কটাইছিল। তাই বৰ বুদ্ধিমতী ছোৱালী। কম দিনৰ ভিতৰতে গৃহস্থালীৰ সকলো কাম শিকি লোৱাৰ উপৰিও তাঁত-সূত বোৱা, উল গুঁঠা আদিতো পাকৈত হৈ উঠিছিল। এতিয়া তাই পুত্ৰ-বোৱাৰী নাতিসহ গুৱাহাটীৰ বাসিন্দা। ইতিমধ্যে তাই কেইবাখনো কিতাপো লিখিছে।

ডিব্ৰুগড়ত প্ৰায় ১৫ দিনমান থাকি পৰীক্ষা দি আহি শিৱসাগৰত পুনৰ সমাজ সংগঠনৰ কামত ব্যস্ত হৈ পৰিলোহি। এনেতে আই. এ. পৰীক্ষাৰ ৰিজাল্ট ওলাল। পৰীক্ষাত মই আগৰ পৰীক্ষাৰ ৰিজাল্টবোৰৰ দৰে অতি সুখ্যাতি লাভ কৰিব নোৱাৰিলো যদিও কলেজৰ সকলোবোৰ পৰীক্ষাত মই প্ৰথম হৈয়েই আছিলো। আচলতে সমাজ সংগঠনৰ কামত লাগি থাকোঁতে পঢ়াত মই বিশেষ মন দিয়া নাছিলো। আনহাতে শিৱসাগৰত মোৰ সমাজসেৱাৰ প্ৰকোপ দেখি দেউতা-মাইঁতে পেটে-পেটে অলপ ভয়েই খাইছিল। হয়তো ভাবিছিল ছোৱালীজনীৰ নিচা সমাজসেৱাৰ প্ৰতিহে তীব্ৰ হ'ল। কিতাপ পঢ়াৰপৰা মনটো আঁতৰিল। সেয়েহে হয়তো দেউতাই ভাবিলে পঢ়াত নাম কৰিবলৈ হ'লে তাইক এইবোৰৰপৰা এৰুৱাই বাহিৰলৈ পঠাবই লাগিব। সেইকাৰণে সেই সময়ৰ বিখ্যাত শিক্ষা-প্ৰতিষ্ঠান গুৱাহাটীৰ সন্দিকৈ কলেজলৈকে পঠোৱাৰ বন্দবস্ত কৰিলে। কটন কলেজতো পঢ়াৰ কথা ওলাইছিল যদিও সন্দিকৈ কলেজৰ ছোৱালী হোষ্টেলটো ৰাজবালা দাস বাইদেউৰ নিচিনা এগৰাকী স্ত্ৰী শিক্ষাৰ অগ্ৰণী মহিলাৰ নিজা তদাৰকত থাকে বুলি শুনি বাইদেউৰ কলেজখনলৈকে বুলি মোক পঠাবলৈ দেউতাই মন কৰিলে। ইতিমধ্যে শিৱসাগৰৰ মেলাচকৰৰ প্ৰয়াত সোমেশ্বৰ চেতিয়া দদাইদেউৰ কন্যা স্বৰ্ণ চেতিয়াই (ডিগবৈৰ এ. অ'. চি. হস্পিটেলৰ ছাৰ্জন ডা. মহেন্দ্ৰ গগৈৰ পত্নী আৰু ডিগবৈ কলেজৰ প্ৰাক্তন অধ্যক্ষা) শিৱসাগৰ কলেজত দ্বিতীয় বাৰ্ষিকত আমাৰ লগত নাম লগাইছিল। তেওঁ আমাতকৈ এবছৰ ছিনিয়ৰ আছিল যদিও টাইফইড হোৱাত পৰীক্ষা দিব নোৱাৰি সন্দিকৈ কলেজৰপৰা গুচি আহিছিল। স্বৰ্ণই আমাৰ বছৰত পৰীক্ষা দি আই. এ. পাছ কৰিছিল। স্বৰ্ণই আগতে পঢ়ি যোৱা সন্দিকৈ কলেজতে বি. এ. পঢ়িম বুলি ঠিক কৰাত

মায়ে তেওঁৰ লগতে মোক একেলগে থকাটো বাঞ্ছা কৰিলে। হোষ্টেলত কেতিয়াও নথকা মোৰ কাৰণে হোষ্টেলৰ পূৰ্বৰ অভিজ্ঞতা থকা ছোৱালী এজনী মোৰ লগত থাকিলে ভাল হ'ব বুলি মা-দেউতাইঁতে ভাবিলে।

যাত্ৰাৰ পূৰ্ণপ্ৰস্তুতি আৰম্ভ হ'ল। বহুত দিনৰ বাবে বহুত দূৰলৈ যামগৈ কাৰণে ইঘৰ-সিঘৰকৈ কেইবাঘৰতো ভাত খাবলৈ মাতিলে। এইখিনিতে মোৰ সম্বন্ধীয়া আইতা এগৰাকীৰ কথালৈ মনত পৰিছে। দেখাক দেখি তেখেতেও আবেলি মোক চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। তেখেত ঘৰত অকলে থাকে। ভণ্টিও মোৰ লগতে গৈছিল নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ। গৈ দেখোঁ মজিয়াত পীৰা পাৰি দি আগত থকা কাঁহীত সজাই দিছে পুৰাকলৰ দুটা-দুটা বড় ভজা আৰু এবাটি-এবাটি চাহ। এইখিনি কৰোঁতে তেখেতৰ দিনটো ভাতেই খোৱা নহ'ল, মানে ভাত ৰন্ধাই নহ'ল। আইতা কামত বৰ ওদা আছিল। তেখেতৰ কথাবোৰ ভাবি হাঁহি-হাঁহি মৰিব লাগে। কেইদিনমান চুবুৰিত ভাত খোৱা পৰ্ব চলি থাকিল।

আমাৰ লগত একেলগে গুৱাহাটীত পঢ়িবলৈ শিৱসাগৰ কলেজৰপৰা পাছ কৰা কেইবাজনো ছাত্ৰও ওলাল। ইয়াৰ ভিতৰত বিভূতিপ্ৰসাদ চলিহা আৰু মহেন্দ্ৰ নাৰায়ণ শৰ্মাৰ নাম মনত আছে। শিৱসাগৰৰপৰা গুৱাহাটীলৈ ৰে'লেৰে অহা-যোৱা কৰোঁতে মহেন দাদা (মহেন্দ্ৰ নাৰায়ণ) আমাৰ লিডাৰ আছিল।

আমি গুৱাহাটীলৈ অহাৰ আগতে গড়মূৰীয়া সত্ৰৰ ডেকা অধিকাৰ গোসাঁই (শ্ৰীশ্ৰীকৃষ্ণ গোস্বামী) শিৱসাগৰৰ পুৰণা আমোলাপটিৰ নামঘৰত বাহৰ পাতি আছিলহি। তেখেতক দৰ্শন কৰিবলৈ আমাৰ ঘৰৰ গোটেইবোৰ গৈছিল আৰু তেখেতৰ ভোজনৰ কাৰণে আমাৰ ঘৰৰপৰা ডাঙৰ সিধা দিছিল। তেখেতে মোক মতাই নি মোৰ বৰগীত শুনাৰ উপৰিও সাহিত্য, সমাজ, সংস্কৃতিৰ বহুতো গুৰুত্বপূৰ্ণ কথা পাতিছিল। সেই সময়ত মই তেখেতক সামাজিক বেয়া নিয়মবোৰ গুচাবৰ কাৰণে অনুৰোধ জনাইছিলো। মায়ে সেই সময়তে মোক তেখেতৰ ওচৰত শৰণ দিয়াব খুজিছিল। মই কোনো বন্ধন ভাল নাপাওঁ বাবে শৰণত বিশ্বাস থাকিলেও নিজে শৰণ নল'লো। দেউতাই অৱশ্যে মোৰ মতক শ্ৰদ্ধা কৰিছিল। সত্ৰৰ বুঢ়া অধিকাৰ আছিল শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী। এইজনা অধিকাৰে সত্ৰৰ বহুতো গোড়া নিয়মৰ পৰিৱৰ্তন আনিছিল। তেখেত এজন প্ৰখ্যাত কংগ্ৰেছ নেতাও আছিল। পাছত এবাৰ শিৱসাগৰলৈ আহোঁতে তেখেতক দৰ্শন কৰি সেৱা জনাইছিলো। তেখেতেও মোক আশীৰ্বাদ দিছিল।

গুৱাহাটীলৈ যাত্ৰাৰ প্ৰস্তুতিকালত মোৰ মনৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া হৈছিল। মোৰ বয়সতকৈ মই ডাঙৰ কথাবোৰত মূৰ ঘমাইছিলো। সমাজত চলি থকা অন্ধবিশ্বাস, কুসংস্কাৰবোৰৰ কথা অনবৰতে ভাবিছিলো আৰু সেইবোৰৰ শোধন কেনেকৈ কৰিব

পাৰ্নি তাৰ চিন্তা কৰিছিলো। সমাজসেৱাত উচৰ্গিতসকলৰ জীৱন আৰু কামে মোক বৰ আকৰ্ষণ কৰিছিল। এহাতে ছোৱালীজনীক ঘৰত এৰি আহিব লাগিব, আনহাতে উচ্চশিক্ষাও ল'বই লাগিব। এনেবোৰ কথাই মোক পীড়িত কৰিছিল। অৱশ্যে আইজনীক প্ৰকৃত অৰ্থত ডাঙৰ কৰিছিল মোৰ মা-দেউতাইহে। তাই মোক ভাল পাইছিল যদিও এৰিব নোৱৰা নাছিল। তাই মাকহে কোনোপধ্যে এৰি নিদিছিল। মাক তাই 'মা' বুলি, দেউতাক 'দেউতা' বুলি আৰু ভাইকেইটাই মোক মতাৰ দৰে 'বা' বুলি মোক মাতিছিল। ৰাতি শোওঁতেও তাই মাৰ বুকুতে শুইছিল আৰু মায়ে অনবৰতে তাইৰ পিনে মুখ কৰি শুব লগাত পৰিছিল। তাইতকৈ তিনি বছৰে ডাঙৰ মোৰ সৰু ভাই মুনুৱে মাৰ ইকাষে শুই মাক তাৰ পিনে অহৰহ টানে আৰু তাই টানে তাইৰ ফালে। মাজত শোৱা মাৰ অৱস্থা কাহিল হয়।

মই গুৱাহাটীলৈ আহিবলৈ ওলোৱাত বৰ ব্যথিত হৈছিল মই আগতে উল্লেখ কৰি অহা আমাৰ বৰ মৰমৰ গণেশ মামা। গণেশ মামাই ভাবিছিল,— এই আজলী ছোৱালীজনী গুৱাহাটীলৈ গৈ অকলে-অকলে কেনেকৈ থাকিবগৈ? তাই ভোকতে মৰি গ'লেও কাকো এটা বস্তুও খুজি নাখায়। ঘৰত ইটো খা, সিটো খা কৰিও খুৱাবলৈ কিমান কষ্ট কৰিব লগা হয়। খোৱাৰ প্ৰতিও ৰাপ নাই, কেৱল ভাতৰ পাতত বহি খোঁট এটাহে মাৰে। টকা-পইচা, আ-অলংকাৰ তাই চম্ভালি থ'ব পাৰিব জানো? কোনোবাই ক'ৰবাত চাগৈ টকা-পইচা, সোণৰ অলংকাৰ চুৰ কৰি নিব। মোৰ মনত আছে, মোৰ যাত্ৰাৰ আগদিনা ৰাতি শুবৰ সময়ত গণেশ মামাই নিজে শোৱাৰপৰা উঠি ঘৰৰপৰা আহি মোক জগাই দৰকাৰী উপদেশ কেইটামান দি গৈছিলহি। তেওঁলৈ মনত পৰিলে মনটো ফেকুৰি উঠে। আৰুনো কোন জনমত তেওঁক লগ পাম!

গণেশ মামা প্ৰথমবাৰ গুৱাহাটীলৈ আহিছিল মই এম. এ. পঢ়ি থাকোঁতে। ট্ৰেইনেৰে আহি গুৱাহাটী পায়েই পোনছাটেই ছাত্ৰীবাৰীত মই থকা হোষ্টেললৈ গৈছিল,— "মই গুৱাহাটী চাবলৈ আহিছোঁ। দুদিন থাকিম। তই মোক যিমান পাৰ গুৱাহাটী ফুৰা।" মই ক্লাছ খতি কৰি ৰাতিপুৱাৰপৰা সন্ধ্যালৈকে দুয়োদিনে উমানন্দ, বশিষ্ঠ, নৱগ্ৰহ, অশ্বক্লান্ত আদি গুৱাহাটীৰ চাবলগীয়া ঠাইবোৰ দেখুৱাইছিলো। ৰিক্সা, চিটিবাছ আদিৰ উপৰিও খোজকাঢ়ি-কাঢ়ি ফুৰাওঁতে মোৰ দুয়োখন ভৰি ফুলি উঠিছিল। ঠাইবোৰ দেখি মামাৰ যে কি আনন্দ। তেতিয়াৰ দিনত কামাখ্যা মন্দিৰলৈ মটৰেৰে যোৱা ৰাস্তা নাছিল। কামাখ্যা বা নৱগ্ৰহ মন্দিৰলৈ খোজকাঢ়িয়েই যাব লাগে। মোৰহে ভৰি ফুলিছিল, মামাৰতো একো কেঁতকুতেই হোৱা নাছিল।

এবাৰ মই উজানবজাৰৰ ভাৰাঘৰত থাকোঁতে গণেশ মামা মামীকো লগত লৈ গুৱাহাটীলৈ আহিছিল। মামাই আমাৰ ঘৰত সেইদিনা দুয়ো ভাত খাব বুলি ক'লে।

হঠাতে মামাই এইদৰে কোৱাত মই অলপ অসুবিধাতে পৰিলো। কাৰণ মামা-মামী শৰণ-ভজন লোৱা মানুহ। আমাৰ প্ৰবাসী পাকঘৰত আমি ৰন্ধা ভাত কেতিয়াও নাখায়। মই লৰালৰিকৈ উজানবজাৰৰ দোকানৰপৰা নতুন ষ্টʼভ, কেৰাহী, ছুহ্‌পেন কিনি আনি মাছৰপৰা পাচলিলৈকে যোগাৰ কৰি দিছিলো। মামীয়ে ৰান্ধিছিল। মামাই আমাৰ গুৱাহাটীৰ ঘৰত ভাত খাব,— এইটো মোৰ কাৰণে আনন্দৰ কথা আছিল। তেওঁলোকে দলিচাৰ আসনত বহি ভাত খাওঁতে মই ওচৰত থিয় হৈ আপোনমনে, বৰ তৃপ্তিৰে চাই আছিলো। একোটা মুহূৰ্ত কিমান যে আনন্দময়! তেনেকৈয়ে মনত পৰে কলাগুৰু বিষ্ণুৰাভা দদাইদেৱে মোক 'উৰ্বশী' বুলি মাতি নিজেই এদিন ভাত এসাঁজ খাব বুলি আমাৰ ঘৰলৈ অহাৰ কথা। সেইদিনা তেখেতৰ লগতে দুপৰীয়াৰ সাঁজ আব্দুল মালিক ককাইটিয়েও খাইছিল। মই মুৰ্গী মাংসৰ 'দোপিয়াঁজী' আৰু ৰৌমাছৰ কালিয়াৰে ভাত ৰান্ধি দিছিলো। বিষ্ণুৰাভা দদাইদেৱে কৈছিল,— "বৰ তৃপ্তিৰে ভাতসাঁজ খালো দেই।" কথাটো মনত পৰিলে শোকে খুন্দা মাৰি ধৰে। কʼৰবাত কিবা এসাঁজ খাবলৈ পোৱাটো কিমান সৌভাগ্য, খুৱাবলৈ পোৱাটো তাতোতকৈ বেছি সৌভাগ্য। চাবলৈ গʼলে কোনে কাক খুৱায়!

দেউতাই মোৰ নিজৰ মামা দেবেন্দ্ৰ নাথ বৰদলৈক আমাৰ গাৰ্জেনৰূপে গৈ গুৱাহাটীৰ সন্দিকৈ কলেজত বি. এ. ক্লাছত নাম লগাই থৈ আহিবলৈ দায়িত্ব দিলে। সেই সময়ত, সঁচা-মিছা নাজানো, এটা কথা বৰকৈ ওলাইছিল যে মই বি. এ. পঢ়িবলৈ অহাটো যোৰহাটৰ মানুহঘৰে ভাল পোৱা নাই। সেইবাবে মোৰ এই যাত্ৰাত বিভিন্ন ধৰণে তেওঁলোকে বাধা দিব পাৰে। দেউতা বৰ সাৱধানী মানুহ আছিল। ট্ৰেইনৰ ৰিজাৰ্ভ টিকেট কৰোৱাই সুৰক্ষাৰে আমাক পঠোৱাৰ ব্যৱস্থা কৰিছিল। ৰিজাৰ্ভ কেবিনত মই, স্বৰ্ণ, দেবেন মামা, বিভূতি চলিহা আৰু মহেনদা (মহেন্দ্ৰ শৰ্মা) গুৱাহাটীলৈ আহিছিলো। যাত্ৰা সুমংগল কৰিবলৈ মায়ে এফালে চাউল আৰু পানীৰ দুটা পূৰ্ণ কলহ মই ওলাই অহা বাটটোতে থৈছিল। ৰাতিপুৱা মই 'উষা যাত্ৰা' কৰিছিলো। অৰ্থাৎ পুহৰি-পুহৰি হওঁতেই, কাউৰী-কুকুৰা নৌ উঠোতেই শয্যা এৰি সুগন্ধি ফুল এপাহ হাতত লৈ যি বাটেৰে যাত্ৰা কৰিম, সেই বাটেদি অলপ দূৰ আগুৱাই যাব লাগে। ঘৰলৈ ঘূৰি আহি পুনৰ শয্যাত শুব নালাগে। ৰাতিপুৱাই এই যাত্ৰা কৰি থʼলে যাত্ৰাৰ দোষে নাপায় বুলি কয়। দেউতা থকালৈকে এই নিয়মটো পালন কৰিবলৈ দিছিল। বিশ্বাস কৰোঁ বা নকৰোঁ, মা-দেউতাৰ মনত আনন্দ দিবলৈকে বহুত কথাই আনন্দেৰে মানি লৈছিলো। এইবোৰ পালন কৰিলে একো ক্ষতি নহয়, বৰঞ্চ কিছু কথাত লাভহে হয়।

সেইদৰে দেউতাই দিয়া বিধানমতেই প্ৰতি বৃহস্পতিবাৰে (ফʼৰ-ফাইভমানত পঢ়াৰপৰাই) সন্ধিয়া শ্ৰীশ্ৰীলক্ষ্মীৰ আৱাহন কৰিছিলো। আৱাহন কৰিবলৈ গোসাঁইঘৰত

লক্ষ্মী থাপনা এখন পাতিব লাগে। এখন পীৰাত নতুন গামোচা এখন পাৰি দি এটা তামৰ কলহ বা ঘটীত পানী ভৰাই তাৰ মুখত আমপাত দি কলহ বা ঘটীটোত সেন্দূৰেৰে স্বস্তিকা আঁকি আৰু এফালে ৰেঘা দি পাৰিলে লক্ষ্মীৰ ছবি এখনো সন্মুখত থ'ব লাগে। এই পূর্ণকুম্ভৰ সন্মুখত বিবিধ চন্দন সনা ফুল থোৱা নিয়ম। লগতে ধূপ-ধূনা আৰু বন্তি প্রজ্বলন কৰিব লাগে। লক্ষ্মীৰ এই থাপনাৰ কাষতে বহি কায়মনোবাক্যে শুদ্ধচিত্তে লক্ষ্মীৰ স্তুতি গাই উঠি লক্ষ্মীৰ পাঁচালি পঢ়িব লাগে। লক্ষ্মীৰ পাঁচালিত কি-কি লক্ষণেৰে লক্ষ্মীযুক্তা হয় সেই কথাবোৰ আছে। নাৰীয়ে উচ্চ স্বৰে নহয়, মৃদুভাৱেহে হাঁহিব লাগে। দপদপাই নহয়, ধীৰ গতিৰেহে যাব লাগে ইত্যাদি মধুৰ লক্ষণৰ অতি সুন্দৰ বর্ণনা এই পাঁচালিত পোৱা যায়। এই পাঁচালি পঢ়িবলৈ কোৱাৰদ্বাৰা আমাক যেন দেউতাই পৰোক্ষ শিক্ষাই দিছিল। এঘৰত লক্ষ্মী পাঁচালি পঢ়া হ'লে আমি আকৌ সিঘৰত ছোৱালীহঁতৰ লগ লাগি পাঁচালি পঢ়িছিলোগৈ। এনেকৈয়ে এটা সন্ধিয়াত তিনি-চাৰি ঘৰত পঢ়া হয়। এইদৰে সামূহিক জীৱনযাপন কৰা শিক্ষা একোটাও হৈছিল। সকলোতকৈ ডাঙৰ কথা এটা আছিল যে লক্ষ্মী স্তুতি কৰাৰ আগতে দেউতাই আমাক 'বৰগীত' আৰু 'নামঘোষা' গাবলৈ দিছিল। দেউতাৰপৰা শিকি-শিকিয়েই আমি নামঘোষাৰ অন্তৰ বিগলিত সুৰবোৰ, বৰগীত আৰু কীর্তনৰ সুৰবোৰ বেচ নিয়াৰিকৈ গাব পৰা হৈছিলো।

আমি গুৱাহাটীলৈ আহিবৰ দিনা আনন্দতে হওক বা বিষাদতেই হওক, বা মনৰ উগুল-থুগুল অৱস্থাতে হওক, ৰাতি ঘৰৰ কোনেও টোপনি যাব পৰা নাছিল বোলে। আনহাতে মই আকাশত জোনটো দেখা হোৱাৰেপৰা জোনটোলৈকে চাই-চাই ট্রেইনত গোটেই বাটটো গান গাই-গাই আহিছিলো। পুৱতি নিশালৈ মাত ভাগি যোৱাৰ উপক্রম হৈছিল।

পাছদিনা পুৱা আমি ঠিক সময়তে আহি গুৱাহাটীত নামিলোহি। ৰাতি চাৰিমান বজাতে মুখ-হাত ধুই মূৰ আঁচুৰি আমি ভাল কাপোৰ-কানি পিন্ধি লৈছিলো। ষ্টেশ্যনৰপৰা ৰিক্সাৰে পাণবজাৰৰ মাজেদি গৈ অধ্যক্ষা ৰাজবালা বাইদেউৰ ঘৰৰ সন্মুখত থকা আছাম টাইপৰ সন্দিকৈ কলেজ হোষ্টেলটো দেখি আনন্দত শিহৰিত হৈছিলো। হোষ্টেলটোত সোমাই আমাৰ বস্তু-বাহানিবোৰ থানথিত লগাই, গা-পা ধুই, ভালকৈ পিন্ধি-উৰি ৰাজবালা বাইদেউৰ ঘৰলৈ তেখেতক দেখা কৰিবলৈ গৈছিলো। ইতিমধ্যে মামাও ফাঁচিবজাৰৰ কামাখ্যা হোটেলত উঠি তাতে গা-পা ধুই আহি আমাৰ লগতে বাইদেউক লগ ধৰিলেহি। মামাই শ্রদ্ধেয়া বাইদেউক মোৰ বিষয়ে সবিশেষ জনাই বাইদেউকে মোৰ লোকেল গার্জেন পাতিলে। যোৰহাটৰ যিকোনো মানুহে মোক লগ পাবলৈ বিচাৰিলে তেনে মানুহক মোক লগ পাবলৈ যাতে অনুমতি দিয়া নহয় সেই কথাও মামাই বাইদেউক ক'লে। বাইদেৱে ইংগিততে সকলো বুজিলে আৰু মোৰ দায়িত্ব ল'লে। মামাৰ দায়িত্ব

মামাই পালন কৰি আটাইবোৰ ছোৱালীৰে 'মামা' হৈ তেওঁ পুনৰ ঘৰলৈ ঘূৰি গ'ল।

আমি তেতিয়া সেই সন্দিকৈ হোষ্টেলৰপৰা দীঘলীপুখুৰীৰ পাৰত থকা কলেজখনলৈ খোজকাঢ়ি অহা-যোৱা কৰিছিলো। এইখিনি সময়ৰ মোৰ পৰম বান্ধৱী ডিব্ৰুগড়ৰ শ্ৰীমতী মহামায়া বৰুৱাৰ (প্ৰাক্তন শিক্ষয়িত্ৰী) নাম একান্ত উল্লেখযোগ্য। মহামায়া বৰ চাফ-চিকুণ, সুন্দৰ ৰঙৰ, ভাল স্বাস্থ্যৰ ছোৱালী আছিল। বি. এ.ত অসমীয়াত অনাৰ্ছ মই নিজে লৈছিলো আৰু তাৰ লগতে এনথ্ৰ'পলজি বিষয়টো ল'বলৈ মহামায়াই ঠিক কৰি দিছিল। এই বিষয় দুটা কিন্তু সন্দিকৈ কলেজত নাছিল।

সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত আণ্ডাৰ গ্ৰেজুৱেট ডিপাৰ্টমেণ্ট আছিল। সেই ডিপাৰ্টমেণ্টত এনথ্ৰ'পলজি, অসমীয়া অনাৰ্ছ, জিঅ'লজি, এডুকেশ্যন ইত্যাদি বিষয়বোৰ আছিল। মই সন্দিকৈ কলেজত ইংৰাজী আৰু অল্টাৰনেটিভ বাংলাহে পঢ়িছিলো। অসমীয়া অনাৰ্ছ আৰু এনথ্ৰ'পলজি দুয়োটা বিষয়ৰে ক্লাছবোৰ বিশ্ববিদ্যালয়ৰ নিজৰ-নিজৰ ঘৰত বহিছিল। অসমীয়া অনাৰ্ছৰ ক্লাছ হৈছিল বৰ্তমান কটন কলেজৰ ইউনিয়ন হলৰ ঠাইত। তাত তেতিয়া খেৰৰ ঘৰ কিছুমান আছিল। তাতে অসমীয়া অনাৰ্ছ, অসমীয়া স্নাতকোত্তৰ মহলা, মেথমেটিকছ, ষ্টেটিষ্টিকছৰ ক্লাছবোৰ বহিছিল। পথালিকৈ অৰ্থাৎ উত্তৰা-দক্ষিণাকৈ থকা সেই দীঘল খেৰৰ ঘৰটো, সেই সময়ৰ বিভিন্ন ক্লাছৰ ছাত্ৰ-ছাত্ৰীসকল, ইজি চেয়াৰত বহি থকা পৰম শ্ৰদ্ধেয় বাণীকান্ত কাকতি ছাৰ, হাতত ৰেজিষ্টাৰ বহী লৈ ইফাল-সিফাল কৰি থকা শ্ৰদ্ধেয় বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰ, লাজকুৰীয়া শ্ৰদ্ধেয় ড° সত্যেন্দ্ৰ শৰ্মা ছাৰ, দীঘল খাদী পাঞ্জাবী পিন্ধা শ্ৰদ্ধেয় ডং মহেশ্বৰ নেওগ ছাৰ, সুদৰ্শন পুৰুষ শ্ৰদ্ধেয় ড° থাৱানী ছাৰ আদিৰ মুখবোৰ যেন চকুৰ আগত জিলিকি আছে।

দীঘলীপুখুৰীৰ সিটো পাৰে বৰুৱা এজেন্সিৰ সন্মুখত থকা এটা সৰু, দীঘলীয়া পকাঘৰত আমি এনথ্ৰ'পলজিৰ ক্লাছ কৰিবলৈ গৈছিলো। জিঅ'লজি, জিঅ'গ্ৰাফিৰ ক্লাছবোৰ সেই ঘৰটোতে বহিছিল। তাতে প্ৰেকটিকেলৰ ক্লাছবোৰো হৈছিল। এটা ইংৰাজী পিৰিয়ড যদি দীঘলীপুখুৰীৰ এটা পাৰে থাকে, পিছৰ অসমীয়া অনাৰ্ছৰ পিৰিয়ডৰ ক্লাছ হয় আনটো পাৰে থকা সেই বিখ্যাত কটন কলেজৰ কাষত থকা খেৰীঘৰত। তাৰ পাছত এনথ্ৰ'পলজিৰ পিৰিয়ড থাকিব দীঘলীপুখুৰীৰ ইটো পাৰৰ বৰুৱা এজেন্সিৰ ওচৰৰ সেই পকা ঘৰটোত। দীঘলীপখুৰীৰ ইটো পাৰৰপৰা সিটো পাৰলৈ, আকৌ সিটো পাৰৰপৰা খেৰীঘৰলৈ দৌৰোঁতে-দৌৰোঁতে মুখৰ মাত হেৰাই যোৱাৰ অৱস্থা হয়। গৰম দিনত খৰকৈ খোজকাঢ়োঁতে মেখেলা-চাদৰৰ জোঁট-পোট লাগি কি যে অৱস্থা হয়! আমাৰ লগৰ যিবোৰে এডুকেশ্যন লৈছিল, তেওঁলোক ডনবস্কো স্কুলৰ পিনে থকা ঘৰ এটাত ক্লাছ কৰিবলৈ যাব লগা হৈছিল।

গুৱাহাটীলৈ আহি এনেকৈ ইঠাইৰপৰা সিঠাইলৈ দৌৰি-দৌৰি অহা-যোৱা কৰি

ক্লাছ কৰি ফুৰোঁতে মেখেলা-চাদৰৰ জোঁট-পোট খোৱা অৱস্থা হয় কাৰণে মাজে-মাজে আমাৰ লগৰ বিমলা মহন্ত চেলোৱাৰ-কামিজ পিন্ধি লৰা-ঢপৰাকৈ খোজকাঢ়িব পৰা দেখি মোৰ লগৰ নয়ন, দীপিকাহঁতে আমিও এনে ড্ৰেছ কৰিলে কেনে হয় বুলি ধেমালিতে কৈ হাঁহিৰ ৰগৰ তুলিছিল। মই পাছে এনে কথা ধেমালিতো ভাবিব পৰা নাছিলো। ৰাজবালা বাইদেউৰ কলেজৰ আমি ছাত্ৰী। ৰাজবালা বাইদেউ কিমান ৰক্ষণশীল! সদায় পাটৰ ৰিহা-মেখেলা, ওৰণি লোৱা আশীসূতাৰ চাদৰ পিন্ধা সেইগৰাকী অধ্যক্ষা দেখিলেই সম্ভ্ৰান্ত ঘৰৰ, মাৰ্জিত ৰুচিৰ পৰিচয় পাওঁ। বাইদেউৰ আচল ঘৰ ডিব্ৰুগড়ত। আই. এ. পৰীক্ষা দিবলৈ যাওঁতে দেখিছিলো ডিব্ৰুগড়ৰ ভাল ঘৰৰ মহিলাসকলৰ শুৱনি, লাৱণ্যময়ী ৰূপ। ডিব্ৰুগড়ত এহাতে চাহবাগিচাৰ ধনী লোকৰ বাস, আনহাতে ৰে'লৱে বা চাহবাগিচাত থকা সৰু চাকৰিয়ালসকলৰ জীৱন। দুই ধৰণৰ মানুহ দুফালে দৃষ্টিগোচৰ হৈছিল— গুৱাহাটীত এনে পাৰ্থক্য সতকাই তেতিয়া চকুত নপৰিছিল। ডিব্ৰুগড়ৰ কথাবোৰে অহৰহ মনক দোলা দি আছিল।

ডিব্ৰুগড়ৰ ভনীজনীৰ ঘৰত থাকি আই. এ. পৰীক্ষা দিছিলোঁগৈ। ১৯৫০ চন তেতিয়া। সেইসময়তে তাৰে মানুহ এঘৰলৈ ফুৰিবলৈ যাওঁতে দেখিলো ঘৰৰ গিৰিহঁতজনে বজাৰৰপৰা কিনি মোনাত ভৰাই অনা এসেৰ কি দুসেৰ চাউল ডলা এখনত আনি (ভিতৰৰ বাৰাণ্ডাত) ঢালি দিছে। হে ভগৱান! মানুহে এনেকৈয়ে চাউল কিনি খায়! ঘৰখনত ইমান জাক মানুহ, এইকেইটা চাউল! তাৰে হেনো দুসাঁজ যাব। সৰু চাকৰিৰ মানুহ, তেনেকৈয়ে বজাৰ কৰে। খোৱা-বোৱাত একেবাৰে আলি-বলি নাই। আমাৰ ঘৰত পাকঘৰৰ গাতে লাগি থকা গুদামটোত কত ধৰণৰ চাউল ডাঙৰ-ডাঙৰ মাটিৰ কলহত আৰু বিবিধ টিনত কেনেকৈ নদন-বদন হৈ থাকে! মানুহঘৰৰ অৱস্থা বুজি মোৰ যেন শোকে খুন্দা মাৰি ধৰিলে। মোৰ ভণ্টিৰ শাহুৱেক আইতাক সুধিলো,— "আইতা, এইকেইটা চাউলেৰে অত মানুহক কেনেকৈ জোৰাব?" আইতাই ক'লে— "দুখীয়া মানুহবোৰ এনেকৈয়ে চলে। কি কৰিব! ল'ৰা-ছোৱালীবোৰে সেইকাৰণে ভাত লাগিলেও নোখোজে। মাকে যি বাঢ়ি দিয়ে পাতত, তাকে খাই উঠি যায়। সেইকেইটা চাউলৰো আকৌ খুদ কাঢ়িবহে। খুদবোৰ গোটাই গোটাই থৈ তাৰে পিঠাগুৰি খুন্দি পানীপিঠা ভাজি আবেলি ল'ৰা-ছোৱালীৰ হাতত দিয়ে।" আয়ৈ দেহি, গুৰৰ পিঠাও নাই, পানী পিঠা! মোৰ যে ক'ত মৰিম, ক'ত জীম যেন লাগিল। মই ডাঙৰ হৈ এই মানুহবোৰৰ দুখ গুচাব পাৰিমনে? মহাত্মাই কি কৈ থৈ গৈছে? চৰখাত সূতা কাটিলেই দেশৰ অৰ্থনৈতিক স্বাধীনতা আহিবনে? বৰ লেহেমীয়া গতি নহ'বনে? নেহেৰুজীৰে দেখোন সংশয়। দেশলৈ সাম্যবাদ কেনেকৈ আনিব পাৰি। বামপন্থী চিন্তাবোৰৰ মূল দৰ্শন মোৰ তেতিয়া অস্পষ্ট। আমাৰ ঘৰত তেনে চিন্তাৰ কোনো কিতাপ নাছিল। ভাল

কিতাপ কেইখনমান সেই সময়ত মোৰ হাতত পৰা হ'লে! জীৱনটোৱেই চাগে গতি সলালেহেঁতেন। জীৱনৰ নদীখনৰ একূল ভাঙি একূল গঢ়াই নিয়ম।

মই হয়তো ক'বলৈ বিচাৰিছোঁ সমাজতান্ত্রিক বাস্তৱবাদ গঢ়িব পৰা কিতাপৰ কথা। সাহিত্যৰ মহৎ কিতাপবোৰ কিছু পৰিমাণে ঘৰৰ লাইব্ৰেৰীতে পাইছিলো, কিছুমান আনো কলেজ লাইব্ৰেৰিৰপৰা (যিটো তেনেই দুপতীয়া আছিল), কিছু আনো টাউন লাইব্ৰেৰিৰপৰা অথবা ফুৰিব-চাকিবলৈ যাওঁতে ডাঙৰ মানুহ কাৰোবাৰ ঘৰত দেখিলে। মোৰ অসীম তৃষ্ণা যেন একোৱেই পূৰাব নোৱাৰে। মোৰ অনুসন্ধান হয়তো মোৰ ওচৰতো স্পষ্ট নাছিল। মানুহৰ দৰিদ্ৰতা কেনেকৈ মোচন হ'ব?

আবেলি বেলি যেতিয়া লহিয়ায় মই প্ৰায়ে ঘৰৰ পুখুৰীটোৰ পাৰলৈ গৈ ডাঙৰ আহল-বহল বাঁহৰ দলংখনত বহোঁগৈ, পানীবোৰ হেঙুলীয়া হৈ-হৈ লাহে-লাহে আন্ধাৰমুৱা হৈ আহে। সন্ধিয়া হ'লেই মোৰ মন বিষণ্ণতাৰে ভৰি পৰে। কিয়বা, নাজানো। সন্ধিয়াটো যেন নিৰন্ন, বস্ত্ৰহীন মানুহবোৰৰহে আন্ধাৰ-মুন্ধাৰ মুখ! এই মানুহবোৰৰ কাৰণে মই কি কৰিব পাৰোঁ? আমাৰ ঘৰলৈ অহা অৱস্থাহীন আলহীক এমাহ-পোন্ধৰ দিন খুৱাই-বুৱাই যাবৰ সময়ত কাপোৰ দুসাজমান দি, টকাকেইটা লগত দি পঠালেই (মা-দেউতাহঁতে যিটো কৰে) দৰিদ্ৰতা দূৰ হ'বনে, তেওঁবিলাকৰ সমস্যা সমাধান হ'বনে? আমাৰ ঘৰৰ কাষতে থকা গায়েন গাঁওখনৰ মানুহবোৰৰ অৱস্থাও দুখলগা— লোকৰ আধিমাটিত হাল বাই খেতি কৰি জীৱন নিয়ায়। থকা ঘৰ কেঁচা, পৰিধানো সামান্য, শিক্ষা নহ'লে ল'ৰা-ছোৱালীবোৰে ক'ত চাকৰি পাব? কেতিয়াবা কোনোবাই কয় নমাটি ভাঙিবলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰলৈ যাম। শুনি শিহৰণ জাগে। এই দুখীয়া মানুহবোৰ তেতিয়া চাগে দুখীয়া হৈ নাথাকিব, বহুত মাটিত পাম কৰিব, অৱস্থা উন্নত হ'ব।

আমাৰ ঘৰৰ আগেদি সদায় স্কুললৈ যোৱা অতি চিকুণ, পৰিপাটি, ধীৰ, স্থিৰ, সুদৰ্শন পুৰুষ— ৰবীন বৰুৱা ছাৰক এইবোৰ কথা সুধিব পাৰি নে কি ভাবিছিলো। তেখেত হেনো বৰ চোকা শিক্ষক। নহ'লেবা অংকত বৰ চোকা জোনেশ্বৰ গগৈ ছাৰক। মোৰ সহপাঠী বেদৱতীৰ তেখেত পিতৃ। পাছলৈ পণ্ডিতপ্ৰৱৰ, উপাচাৰ্য কৃষ্ণকান্ত সন্দিকৈদেৱৰ বিয়েয়েক। সোধা কিন্তু নহ'ল। কিন্তু কিয় তেখেত দুজনৰ কথা ভাবিছিলো নাজানো। হয়তো অংকত চোকা কাৰণে দেশৰ দৰিদ্ৰ লোকৰ পৰিসংখ্যা নিৰ্ণয় কৰি বিজ্ঞান শাস্ত্ৰৰ মাধ্যমেৰে কিবা ক'ব পাৰিব নে কি বুলিয়েই হয়তো।

গান্ধীবাদী পথ মামাহঁতে অনুসৰণ কৰিছিল। আইতা আৰু দেবেনমামাই যঁতৰত সূতা কাটি খদ্দৰৰ সাজ নিজে তৈয়াৰ কৰি পিন্ধিছিল। আইতা আছিল অত্যন্ত কাজী। দেউতাই ফেশ্বনত খদ্দৰৰ কুৰ্তা কেতিয়াবা পিন্ধিলেও সদায় খদ্দৰ পৰিধানকাৰী নাছিল। মামাই শ্ৰমিক নেতাসকলৰ লগত লগ লাগি চাহবাগিচাৰ শ্ৰমিকসকলৰ সৰ্বতোপ্ৰকাৰ

উন্নতিৰ কাৰণে দেহে-কেহে কাম কৰিছিল। মামা নিজেও আছিল লক্ষী মানুহ। দোকমোকালিতে উঠি শাকনিত কোৰ মাৰি শাক-পাচলি, সৰিয়হৰ খেতি কৰাৰেপৰা একমুহূৰ্ত এনেয়ে বহি নাথাকে। জীৱনটোক যদি এডৰা মাটি বুলি ধৰা হয় তাক কৰ্মেৰে নচহালে শস্যৰ ফুল-ফল কেনেকৈ বিকশিত হ'ব! আইতা-মামাহঁত 'আলস্য ত্যাগ'ৰ মন্ত্ৰেৰে যেন উদ্বুদ্ধ হৈছিল।

মামাৰ লগতো মই দুখীয়াৰ দুখৰ অন্ত কেনেকৈ হ'ব সেই বিষয়ে প্ৰায়ে আলোচনা কৰিছিলো। মামাই বক্তৃতাৰ সুৰত কৈছিল,— "লাঞ্ছিত, বঞ্চিতৰ ওপৰত ধনীৰ শোষণ শেষ হ'ব লাগিব। দেশলৈ সাম্যবাদ তেতিয়াহে আহিব... ।" মোৰ মনত প্ৰায়ে প্ৰতিধ্বনিত হৈছিল ৰবি ঠাকুৰৰ কবিতাৰ সেই বিখ্যাত শাৰীটো— "... যাহাৰে কৰিছ অপমান, অপমান হতে হবে তাহাদেৰ সবাৰে সমাজ।" আদৰ্শ হিচাপে কথাবোৰ বুজিছিলো, কিন্তু প্ৰেক্টিকেলি কি কৰিব লাগিব তাৰ ঠিক পথৰ সন্ধান পোৱা নাছিলো, হয়তো বিচাৰিবও জনা নাছিলো। কলেজত সাহিত্য-সংস্কৃতি বিষয়ৰে বেছিভাগ বক্তৃতা হয়। আলোচনাচক্ৰবোৰৰ বিষয়ো সাহিত্য-সংস্কৃতিয়েই। শংকৰদেৱৰ তিথিত ধৰ্মৰ বিষয়েহে আলোচনা হয়। ছাত্ৰ কংগ্ৰেছেও আলোচনাচক্ৰ ঘনাই পাতে— কিন্তু তাতো সাম্যবাদৰ বিষয়ে কোনো আলোচনা হোৱা মনত নপৰে। তেতিয়া এনেকৈও ভাবিছিলো— শিক্ষা বিস্তাৰ হ'লেই মানুহবোৰে কানি, ভাং এৰিব, মানুহবোৰ জ্ঞানী হ'ব, দেশৰ ডাঙৰ-ডাঙৰ সমস্যাবোৰ দূৰ কৰিব। দেশৰ প্ৰকৃত অৰ্থৰ মুক্তি শিক্ষাৰ জৰিয়তেহে হ'ব।

আমি ছাত্ৰ কংগ্ৰেছৰ ফালৰপৰা সংগঠনৰ কামতেই সেয়েহে আত্মনিয়োগ কৰিছিলো। গান্ধীজীৰ দৰ্শন প্ৰকৃত অৰ্থত বুজাৰ শক্তি তেতিয়া আমাৰ হোৱা নাছিল। কিন্তু কিবা এটাৰ অন্বেষণত মনে যেন কান্দি আছিল। তেতিয়া বয়স আছিল মোৰ মাত্ৰ সোতৰ বছৰ। সেই বয়সত আৱেগহে আছিল চালিকা শক্তি।

ডিব্ৰুগড়ত আই. এ. পৰীক্ষা দিবলৈ গৈ ভণ্টিৰ ঘৰত থাকোঁতে ককা জগন্নাথ বৰদলৈক (মোৰ মাক আইতাৰ নিজৰ ককায়েক) বৰ ওচৰৰপৰা পালো। তেখেতসকলৰ ঘৰ আছিল জ্ঞানদায়িনী মন্দিৰৰ কাষতে। জ্ঞানদায়িনী মন্দিৰটো পূৰ্ণানন্দ ৰ'ডত। ডিব্ৰুগড়ৰ প্ৰখ্যাত, সম্ভ্ৰান্ত ব্যক্তি, উদ্যোগপতি নন্দেশ্বৰ চক্ৰৱৰ্তী ডাঙৰীয়াই পৰম যত্নেৰে এই মন্দিৰটো আগভাগ লৈ সজাইছিল। ধৰ্মীয় তিথি-উৎসৱ ইয়াত পালন কৰাৰ উপৰিও ই এটা সাংস্কৃতিক কেন্দ্ৰও। মোৰ ভনীজনীৰ ঘৰ আছিল পূৰ্ণানন্দ ৰ'ডৰ কাষতে, জ্ঞানদায়িনী মন্দিৰৰ বিপৰীতে। ককাই লিখা 'ধ্ৰুৱ' নাটকখন সৰুতেই আমি কৰিছিলো, সেই কাৰণে নাটক লিখা মানুহজনক সোঁশৰীৰে কাষত পাই পুলক অনুভৱ কৰিছিলো। ককাই গান লিখিছিল, সুৰো দিছিল আৰু নাটক আদি মঞ্চস্থ কৰাইছিল। তেখেতৰ সুযোগ্যা পত্নী যোগদা বৰদলৈৰ সুকণ্ঠৰ কথা ৰসৰাজ বেজবৰুৱায়ো এঠাইত লিখি গৈছে। উদ্ধৱকৃষ্ণ

(পৱন) মামাই এবাৰ কৈছিল যে সন্ধিয়া-সন্ধিয়া ঘৰত নিতৌ নৃত্য-গীতৰ চৰ্চা হোৱাটো ধৰা-বন্ধা নিয়ম আছিল। সেই সময়ৰ গীতৰ কথা আৰু সুৰবোৰ সংগ্ৰহ হ'লে, কি-কি নাট ডিব্ৰুগড়ত হৈছিল সেই কথাবোৰ লিপিবদ্ধ হ'লে অসমৰ সাংস্কৃতিক জগতৰ এক ডাঙৰ অধ্যায় সামৰা হ'ব।

মোৰ ভনীজনীৰ দেওৰ গগন চাংকাকতিৰপৰা 'টাইমছ অব্ আছাম'ৰ সবিশেষ আৰু ডিব্ৰুগড় 'ডি. এ. পি.'ৰ (ডিব্ৰুগড় আৰ্টছ্ প্লেয়াৰছ) বিষয়ে বহুত কথা জানিছিলো। টাইমছ অব্ আছাম আছিল আমাৰ ভণ্টিক বিয়া দিয়া ঘৰখনৰ ওচৰ সম্বন্ধীয়া ৰাধানাথ চাংকাকতিৰ কাগজ। ককা ৰাধানাথ চাংকাকতি এক ঐতিহাসিক নাম। অসমৰপৰা ওলোৱা প্ৰথম এই ইংৰাজী কাকতখন ককাৰ পাছত তেখেতৰ সুযোগ্যা কন্যা লাৱণ্য চাংকাকতিয়ে চলাইছিল। তেখেত সংগীতৰো বৰ অনুৰাগী আছিল। তেখেতক কেইবাবাৰো মই তেখেতৰ ঘৰত লগ পাইছিলো। সুন্দৰ চাংবঙলা এটাত আভিজাত্যৰ আদব-কায়দাৰে তেখেতে বাস কৰিছিল। আমাৰ ঘৰলৈও তেখেত আহিছিল।

সেই সময়ত ডিব্ৰুগড়ৰ আমোলাপটিত থকা থিয়েটাৰ হল আৰু নাট্যগোষ্ঠী ডি. এ. পি.ৰ কথা গগন চাংকাকতিৰ মুখত শুনিছিলো। ডিব্ৰু নৈৰপৰাই ডিব্ৰুগড় নামটো হৈছিল বুলিও কৈছিল। পৰ্বতৰ আবৰসকলৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ প্ৰকাণ্ড গড় এটা নৈৰ পাৰত সাজিছিল কাৰণেই হেনো ডিব্ৰুগড় নামটো হৈছিল।

ডিব্ৰুগড় নাট্যসমাজখন গঢ়াত আগভাগ লোৱা স্বনামধন্য ব্যক্তিসকল আছিল হেনো প্ৰসন্ন বৰুৱা (চাহ উদ্যোগপতি), নৱ বৰুৱা, ৰজনীকান্ত বৰদলৈ (উপন্যাস সম্ৰাট), ৰোহিণী বৰুৱা ('মনোমতী' চলচ্চিত্ৰৰ নিৰ্মাতা), সদানন্দ দুৱৰা আদি লোকসকল। দুৰ্গাপূজাত ৰাতি পুৱাই যোৱাকৈ দীঘলীয়া পাঁচ অংক, সাত অংকৰ নাটকৰ অভিনয় পতা হৈছিল। তেতিয়া ডিব্ৰুগড়ত হেনো চাৰিখন নে পাঁচখন দুৰ্গাপূজাহে আছিল। দুৰ্গাপূজাত তেতিয়া দহ-বাৰগৰাকীমানহে শাৰী পিন্ধা ভদ্ৰমহিলা দেখা গৈছিল। বাকীসকল ৰিহা-মেখেলা-চাদৰ পিন্ধা মহিলা। তেওঁবিলাকৰো বেছিভাগেই আভিজাত্য বজাই ৰাখিবলৈ ঘোঁৰাবাগীত ফুৰে। ১৯৩৩ চনত ডিব্ৰুগড়লৈ বোলে ইলেকট্ৰিচিটি আহে, তাকো ডি. চি. কাৰেণ্ট। ইয়াৰ আগতে পতা থিয়েটাৰবোৰত কাৰ্বন লেম্প আৰু পেট্ৰমাক্স লাইটৰহে পোহৰ।

ডি. এ. পি.ৰ তথা ডিব্ৰুগড় নাট্যগোষ্ঠীৰ দ্বিতীয় তৰংগত আছিল ৰাধাগোবিন্দ বৰুৱা, প্ৰভাত দাস, কনক দাস, মুক্তা বৰদলৈ, ৰোহিণী বৰুৱা, ডা. বত্ৰিশ গগৈ, শাৰংগ ৰাজখোৱা, অৱনী ৰাজখোৱা, অনংগ ৰাজখোৱা, দেৱাংগ ৰাজখোৱা আদি নাট্যানুৰাগী, উৎসাহী ব্যক্তিসকল। ইয়াৰ ভিতৰত মুক্তা বৰদলৈৰ নাম চিত্ৰশিল্পী হিচাপে বৈ বৈ যোৱা। ৰাজখোৱা পৰিয়ালৰ লোককেইজন প্ৰখ্যাত সাহিত্যিক বেণুধৰ ৰাজখোৱাদেৱৰ

পুত্ৰ। ১৯৩৮ চনৰপৰা ১৯৪৬ চনলৈকে ডিব্ৰুগড়ৰপৰা ওলোৱা প্ৰখ্যাত ইংৰাজী দৈনিক— আছাম ট্ৰিবিউনৰ প্ৰতিষ্ঠাপক, সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই হেনো সদায়েই হিৰ'ৰ পাৰ্ট কৰিছিল। তেখেতৰ লগত ৰত্না বৰুৱা হেনো (লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বিতীয়া কন্যা আৰু মনোমতী ছবিৰ নিৰ্মাতা উদ্যোগপতি ৰোহিণী বৰুৱাৰ পত্নী) প্ৰথম নাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। নগেন পালোৱান নামৰ এজন লোকৰ পত্নী গুণদাই থিয়েটাৰত প্ৰায়ে গীত গাইছিল। (নেপথ্যৰপৰা?) নবীন বৰদলৈ আৰু তেখেতৰ পিতৃয়েও বলিষ্ঠ অভিনয় কৰিছিল।

বাঙালী নাট্য সমাজ এখনো ডিব্ৰুগড়ত আছিল। সেই সমাজত ফণী ঘোষ আটাইৰে নমস্য আছিল। বাঙালী নাট্যসমাজে অসমীয়া নাট্যসমাজৰ লগত মিলাপ্ৰীতিৰে সৌহাৰ্দপূৰ্ণভাৱে কাম কৰিছিল।

ডি. এ. পি.ৰ তৃতীয় তৰংগত আছিল আছাম ট্ৰিবিউনৰ আমাৰ টুলুদা (তুলসী গোবিন্দ বৰুৱা), অভয় দুৱৰা, নিমাই বৰুৱা, ভৰত বৰপূজাৰী, নিৰ্মল চক্ৰৱৰ্তী, সদানন্দ দুৱৰা, নগেন চাংকাকতি আদি। কথাবোৰ যিহেতু মই বহু বছৰ আগেয়ে শুনা, সবিশেষ ভালকৈ নজনাৰ কাৰণে হয়তো বহুতো শিল্পীৰ নাম মোৰ অজানিতে বৈ যাবও পাৰে, আগ-পিছ হ'ব পাৰে, তাৰ কাৰণে পঢ়ুৱৈসকলৰ ওচৰত, ডিব্ৰুগড়ীয়া ৰাইজৰ ওচৰত আগতীয়া ক্ষমা বিচাৰি থৈছোঁ।

দাদা তুলসী গোবিন্দ বৰুৱাৰ লগতো কেতিয়াবা এইবোৰ কথা পাতিছিলো। তেখেত নিজেও এজন ভাল অভিনেতা আছিল। 'আনাৰকলি' থিয়েটাৰত ৰাধাগোবিন্দ বৰুৱা, তুলসী গোবিন্দ বৰুৱা পিতা-পুত্ৰ হৈছিল। বেছিভাগ অভিনেতাই সেই সময়ত মহিলাৰ ভূমিকাও ল'ব লগা হৈছিল— নাৰী অভিনেত্ৰী নোলোৱাৰ কাৰণে। মহিলা দৰ্শকৰ কাৰণে তেতিয়া হেনো আছুতীয়া চাং আছিল আৰু তাত বহিহে থিয়েটাৰ চাইছিল। সেই সময়ত লক্ষ্যধৰ চৌধুৰীৰ নাটক 'ৰক্ষকুমাৰ', সত্যপ্ৰসাদ বৰুৱাৰ নাটক 'শিখা', কুমুদেশ্বৰ বৰঠাকুৰৰ 'গুড নাইট ছাৰ' জনপ্ৰিয় হৈছিল।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' নাটকো প্ৰথম ডিব্ৰুগড়তেই হৈছিল হ'ব পায়। ৰূপকোঁৱৰ তেতিয়া তামোলবাৰী বাগিচাত আছিল। তেখেতে জ্ঞানদায়িনী মন্দিৰলৈ আহি তাৰ ক্লাবতো বহি ল'ৰা-ছোৱালীবোৰক আখৰা শিকাইছিল। তাতে গানো ৰচিছিল, সুৰো দিছিল বোলে। ক্ষীণকায় মানুহজনে খুব চিগাৰেট খাইছিল বোলে।

তেওঁ হেনো প্ৰায়ে গুণগুণাইছিল—

"বাইৰে কোথায়
খোঁজৰে কোথায়
অন্তৰে তাৰে ডাক—"

আৰু হেনো গান্ধীজীৰ এই বীজমন্ত্ৰটো মাতি ডেকা ল'ৰাসকলক কৈছিল— "ডেকা ল'ৰা 'সত্য শক্তি হ্যায়', অন্য একো নালাগে। সত্যবান হোৱা। সত্যৰ জয় অনিবাৰ্য। নজৰুলেও শ্যামা সংগীত লিখিছিল, মনত ৰাখিবা— সাহ লাগে, শক্তি লাগে। কেতিয়াও পিঠি নেদেখুৱাবা।" এই কথাবোৰ টুলুদাই কৈছিল।

টুলুদাই আৰু কৈছিল— লক্ষ্মীনাথ বেজবৰুৱা ব্ৰাহ্ম হোৱা কাৰণে তেখেতৰ মৃত্যুত (ডিব্ৰুগড়ত মহাপ্ৰয়াণ হৈছিল আৰু লুইতৰ চাপৰিত চিতা দিয়া হৈছিল) মুখাগ্নি কৰিবলৈ সম্বন্ধীয়া লোক ওলাই নাহিছিল। শেষত পুষ্প ফুকন নামৰ এগৰাকী মহানুভৱ ব্যক্তিয়ে মুখাগ্নি কৰিছিল।

ডিব্ৰুগড়ত সেই আই. এ. দিবলৈ যোৱাবাৰেই বনফুলৰ কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱক দেখাও মনত পৰে। কলিকতাৰপৰা আহি তেখেত তেতিয়া ডিব্ৰুগড়ত থাকিবলৈ লৈছিল। তেখেতক লগ পাবলৈ কলেজৰ ওচৰত থকা ঘৰ এটালৈ সম্বন্ধীয়া দাদা দেৱপ্ৰসাদ চাংকাকতিৰ লগত গৈছিলো। কথা সুধিলে তেখেত লাজত মৰহি গৈছিল। কথা অৱশ্যে কিছু অসংলগ্ন হৈছিল।

সেইবাৰেই কবি শৈলধৰ ৰাজখোৱাদেৱকো ঘৰলৈ গৈ লগ পাইছিলো। তেখেতৰ "উঠাহে ফুলৰা, উঠাহে চতলা, উঠা দেববালা স্বৰূপ ধৰি..." কবিতাটো মই বৰ ভাল পাইছিলো। তেখেতৰ সুযোগ্যা কন্যা বনমালা ৰাজখোৱা মোৰ সমবয়সীয়া আছিল। একেলগে ডিব্ৰুগড়ত আই. এ. পৰীক্ষা দিছিলো। তেওঁ উত্তৰ লিখোঁতে বৰ ডাঙৰ-ডাঙৰ আখৰেৰে লিখিছিল। এখন বহীত চাগৈ পাঁচলাইনমানকৈহে লিখিছিল, সেইকাৰণে পাত বাৰে-বাৰে খুজিব লগা হৈছিল। তেওঁ ৰিজাল্ট বৰ ভাল কৰিছিল। তেওঁবিলাক আগতে শিৱসাগৰত আমাৰ ঘৰৰ প্ৰায় ওচৰতেই ভাৰাঘৰত থকা কাৰণে সৰুৰেপৰাই জানিছিলো। পাছত বন আৰু যূতি বাইদেউক বি. এ. পঢ়ি থাকোঁতেও লগ পালো।

সেই সময়ত ডিব্ৰুগড়ত বেচ ঘোঁৰাবাগী চলিছিল। সম্ভ্ৰান্ত ঘৰৰ মানুহে ঘোঁৰাবাগীত উঠিহে অ'লৈ-ত'লৈ যায়। মাৰ ডাঙৰ মোমায়েক মহেন্দ্ৰ বৰদলৈ আৰু চাহবাগিচাৰ মালিক মাৰ সম্বন্ধীয় প্ৰসন্ন বৰুৱাৰ ঘৰলৈও ঘোঁৰাবাগীতহে গৈছিলো।

আকৌ মোৰ গুৱাহাটীত পঢ়িবলৈ অহা দিনৰ কথালৈ আহোঁ। সেই সময়ত এনথ্ৰ'পলজিৰ হেড আছিল শ্ৰদ্ধেয় মাধৱ গোস্বামী ছাৰ। তেখেতে মোক বৰ মৰম কৰিছিল। ধেমালি কৰি তেখেতে মোৰ লগৰ বন্ধু পাৰুলক 'নিৰ্মল' বুলি আৰু মোক 'পাৰুল' বুলি মাতিছিল। মোৰ এনথ্ৰ'পলজিৰ বন্ধুসকলৰ ভিতৰত পাৰুল দত্ত, সনক ফুকন, থানেশ্বৰ দেৱ গোস্বামী, হৰি প্ৰসাদ মিশ্ৰ, মহামায়া বৰুৱা, বিমলা মহন্ত, দীপিকা তামুলী, নয়ন দেৱী, নৰেন বৰা আৰু উদ্ধৱকৃষ্ণ বৰদলৈ, মি. চহৰীয়া আদিৰ কথা এতিয়াও মোৰ মনৰ মাজত সজীৱ হৈ আছে। এনথ্ৰ'পলজি ডিপাৰ্টমেণ্টৰ বৰ আকৰ্ষণীয়

ছাৰ আছিল দুৰ্ৰা ছাৰ। তেখেতৰ নাম শ্ৰদ্ধানন্দ দুৰ্ৰা আছিল যদিও তেখেতক আটায়ে তেখেতৰ ঘৰত মতা নাম 'লৰ্ড' বুলিহে মাতিছিল। লৰ্ড যিশুৰেই। একেবাৰে গাখীৰত সেন্দুৰ মিহলোৱা গাৰ ৰং। ঘৰ ডিব্ৰুগড়ত। পাছ কৰি আহিয়েই কামত সোমাইছে মাত্ৰ। মুহূৰ্তে-মুহূৰ্তে কেতিয়াবা লাজত, কেতিয়াবা খঙত গোটেই মানুহজন ৰঙা পৰি উঠে। আমি ছাৰৰ এনে দৃশ্যবোৰ বৰ উপভোগ কৰোঁ। আৰু এজন ছাৰ আছিল— পাকড়াশী ছাৰ। পাকড়াশী ছাৰে আমাক Physical Anthropology পঢ়াইছিল। ছাৰৰ গলগলীয়া মাত মোৰ কাণত যেন এতিয়াও বাজি আছে। মাধৱ গোস্বামী ছাৰে পঢ়াইছিল Cultural Anthropology। এই বিষয়টো মোৰ গোটেই জীৱন জুৰি বৈ গ'ল। মানুহক জনাৰ বাসনা এনথ্ৰ'পলজিয়ে আৰু তীব্ৰ কৰি তুলিলে। মই আনকি বি. এ. পাছ কৰাৰ পাছত কালচাৰেল এনথ্ৰ'পলজিতে এম. এ. পঢ়িম বুলি ভাবিছিলো আৰু তাৰ কাৰণে কলিকতাত গৈ পঢ়িম বুলি ঠিক কৰিছিলো। কিন্তু ভাগ্যৰ চকাৰ গতি অন্যফালে ঘূৰিল।

গান গোৱাৰ বাবেই হোষ্টেলত মই বৰ পপুলাৰ হৈ পৰিলো। মোৰ কণ্ঠ তেতিয়া বৰ কোমল আছিল। অসমীয়া গান বৰ বেছি নথকাৰ বাবে বাংলা গানেই বেছিভাগ গাইছিলো। ইয়াৰ ভিতৰত "পৃথিৱী আমাৰে চায়, ৰেখনা বেধে আমায়, ছেৰেদাও প্ৰিয়া, ছেৰেদাও বাহুডোৰ" আৰু "ওৰে অ' বিজন ৰাতেৰ পাখি, তৰু শাখে বসি এমন কৰিয়া কেঁদেছ কাহাৰে ডাকি।" এই গান দুটা গাই-গাই মই বৰ সমাদৰ পাইছিলো। নিজৰ গানবোৰ কেতিয়াবা কাচিৎহে গাইছিলো। গুৱাহাটীৰ দৰে এখন ঠাইৰ সুধী সমাজত নিজৰ নগণ্য সৃষ্টি জাহিৰ কৰিবলৈ বৰ লাজ পাইছিলো। অসমীয়া গান গাব লগা হ'লে জ্যোতিপ্ৰসাদৰ 'মোৰে জীৱনৰে সখা কৃষ্ণ'কে আদি কৰি 'শোণিতকুঁৱৰী' পালাৰ গীতবোৰ গাইছিলো। আমি জুন মাহতে ঘৰৰপৰা আহিছিলো গুৱাহাটীত বি. এ. পঢ়িবলৈ। চাওঁতে-চাওঁতে আগষ্ট মাহ পালেহি।

সেই আগষ্ট মাহৰ ১৫ তাৰিখে গধূলিয়েই আৰম্ভ হ'ল সেই প্ৰলয়ংকৰী ভূমিকম্প। সন্ধ্যা লাগি ভাগিছিলহে— হঠাতে গুৰগুৰকৈ শব্দ হৈ গোটেইখন কঁপিবলৈ ধৰিলে। পাছলৈ এই শব্দ আৰু কঁপনি ইমান বেছি হ'লগৈ যে কোনো থিয় হৈ থাকিব নোৱৰা হ'লগৈ। চাৰিওপিনে কেৱল মানুহৰ আৰ্তনাদ, পশু-পক্ষীৰ চিঞৰ-বাখৰত আকাশ-বতাহ কঁপি উঠিল। আমি ৰাজআলিলৈ ওলাই আহি অন্ধকাৰ দুৰ্যোগৰ ৰাতি মাটিত বুকু দি পৰি আকুল হৈ ভগৱানৰ নাম লৈছিলো। ভুঁইকঁপত ডাঙৰ-ডাঙৰ গছবোৰ উঘালি পৰিছিল, মাটিলৈ দোঁ খাই-খাই গছবোৰ হালি পৰিছিল। ব্ৰহ্মপুত্ৰৰ পানী ওপৰলৈ উঠি আহি উজানবজাৰ, ফাঁচিবজাৰত ছিটিকি পৰিছিল। উস্ সেই সময়ৰ কথা মনত পৰিলে এতিয়াও হাড-ভৰিত কঁপনি উঠে। এঘণ্টামান জোকাৰি-জোকাৰি সেই

ভূমিকম্প মাৰ যোৱাৰ পাছতো বহুত দিনলৈ সৰু-সুৰা জোকাৰণি আহিয়েই আছিল। আমি শুবলৈ, গা ধুবলৈ যাবলৈ, ভাত খাবলৈ ভয়ত অত্ৰাহি হৈছিলো। ভাত-পানী খাবলৈ প্ৰায় এৰি দিয়াৰ নিচিনাই হৈছিলগৈ। পাছত বাতৰিকাকত যোগে লখিমপুৰ, শদিয়াৰ পিনে ভুঁইকঁপে দুফাল কৰা মাটিত মানুহ থিয়ৈ-থিয়ৈ সোমাই গৈ মৃত্যুৰ মুখত পৰিছিল বুলি জানিব পাৰিছিলো। নৈ-বিল শুকাই গৈছিল। আনহাতে ৰাস্তাৰ ওপৰত বানপানী হৈছিল। ভূমিকম্পত অসংখ্য মাছ-কাছৰ মৃত্যু হৈছিল আৰু নৈ-বিলত উটি আহিছিল। সেইবোৰ মাছ-কাছ মানুহে খাবও নোৱাৰিছিল। মৰা মাছবোৰ, বানত উটি অহা অন্য মৰা জীৱ-জন্তুৰপৰা অদ্ভুত ধৰণৰ গোন্ধ এটা ওলাইছিল। ব্ৰহ্মপুত্ৰত গৰাখহনীয়া আৰম্ভ হৈছিল। আৰু ডিব্ৰুগড় নগৰৰ এক অংশ উটুৱাই নিছিল। মানুহ, পশু সকলো গৃহহাৰা হৈছিল। যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। ঘৰত আমাৰ কথা চিন্তা কৰি মা-দেউতাহঁতে বিনিদ্ৰ ৰজনী কটাইছিল আৰু হোষ্টেলত আমিবোৰে ঘৰৰ লগত সম্পৰ্ক স্থাপন কৰিব নোৱাৰি পেপুৱা লাগিছিলো। হোষ্টেলবোৰত কান্দোনৰ ৰোল উঠিছিল। কি ভয়ংকৰ দিন আছিল সেইবোৰ!

অসম মাতৃৰ সঁচাকৈয়ে দুৰ্দিন আহিছিল সেই বছৰটোত। এহাতে কালগ্ৰাসী ভূমিকম্পত সকলো থানবান হৈছিল, আনহাতে অসমৰ সুযোগ্য সন্তান, অসমৰ ধৰণীস্বৰূপ মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যুৱে অসমবাসীৰ মনলৈ বিষাদৰ ক'লা ডাৱৰ নমাই আনিছিল।

চাওঁতে-চাওঁতে পূজাৰ বন্ধ পাইছিলহি। আমি পূজাৰ বন্ধত ঘৰলৈ যাবলৈ উত্ৰাৱল হৈ পৰিছিলো। মই গুৱাহাটীলৈ আহিবৰ সময়ত বৰ খীণ আছিলো যদিও ইয়াৰ হাৱা-পানীয়ে মোৰ স্বাস্থ্য যথেষ্ট উন্নত কৰি তুলিছিল। মাত্ৰ তিনিমাহৰ আগতে ঘৰৰপৰা আহোঁতে চিলাই অনা এটাও ব্লাউজ গাত নোসোমোৱা হৈছিল। অথচ হোষ্টেলৰ খোৱাবোৰ ঘৰৰ তুলনাত কিমান বেলেগ আছিল। ঘৰত সদায় নিজা ভঁৰালৰ নিজা খেতিৰ মাণিকীমধুৰি জহা চাউলৰ ভাত খাইছিলো, আঙুলিৰ আগত উঠি অহা ৰহৰ দাইল, বুটৰ দাইলৰ আঞ্জা, ঘৰৰ বাৰীত হোৱা সজীৱ শাক-পাচলি আৰু শিৱসাগৰৰ দৰিকাৰ পাভকে ধৰি উভৈনদী মাছ খাইছিলো। হোষ্টেলতনো সেইবোৰ ক'ত পাম? মিহি জহা চাউলৰ তুলনাত ডাঙৰ-ডাঙৰ চাউলৰ ভাত, পনীয়া আঞ্জা, জুতিহীন, কাচিৎ দিয়া মাছ-মাংসৰ তৰকাৰীৰ বাহিৰে হোষ্টেলতনো কি ভাল খোৱা পাম! হোষ্টেলত ভাত খাবলৈ লৈ মোৰ সদায় চকুপানী ওলাইছিল। তথাপি গুৱাহাটীৰ হাৱা-পানী আৰু হোষ্টেলৰ স্ফূৰ্তিয়ে মোৰ স্বাস্থ্য সলনি কৰি পেলাইছিল। হোষ্টেলৰ খাদ্যৰ কথা জানিয়েই নিজাকৈ কিবাকিবি কিনি খাবৰ কাৰণে দেউতাই মোলৈ যথেষ্ট টকা পঠাইছিল। কিন্তু আজিকালিৰ হোষ্টেলত থকা ছোৱালীৰ দৰে নিজাকৈ খোৱাৰ ব্যৱস্থা কৰাৰ

কথা তেতিয়া আমি ভবাই নাছিলো। মেট্ৰন মাহীদেউৰ কেণ্টিনতে পোৱা কেক, নানখাতা বা বিস্কুট কিনি চাহ একোকাপৰ সৈতে খাইছিলো।

এবাৰ যিহে হৈছিল! হোষ্টেলত ৰাতি ভাত প্ৰায়ে ৯ বজাত দিয়ে। ভোকত আমাৰ পেট তেতিয়ালৈ কলমলায়গৈ। এদিন তেনেকৈ ভোকত ৰ'ব নোৱাৰি মনে-মনে গৈ ৰান্ধনিক খুজি বাটি এটাতে ভাত আৰু দাইল অলপ ৰুমলৈ লৈ আহিলো। তাকে দেখি অন্য চাৰিজনীমানৰো খাবৰ মন গ'ল। সিহঁতো মোৰ ৰুমলৈ সোমাই আহিল। সিহঁতে হাতে-হাতে একোখন বগা কাগজ লৈ মোৰ বাটিটোৰপৰা ভাত বিচাৰিলে। মই চামুচেৰে ভাত সানি সিহঁতে লোৱা কাগজত দিব খুজিছোঁহে— এনেতে ৰুমলৈ সোমাই আহিল ছুপাৰ। "তোমালোকে ষ্টাডি আৱাৰত কিহৰ গণ্ডগোল কৰি আছা? পঢ়া নাই কিয়?" ছুপাৰ লোকপ্ৰভা বৰুৱাক আমাৰ আগত সোঁশৰীৰে দেখি আটাইৰে ভয়ত জীৱ উৰিল। কোনোবা এজনী ছুপাৰৰ গাৰ কাষেদিয়েই সিটো ৰুমলৈ পলাল, কোনোবা এজনী গৈ বাথৰুমত সোমাল। মই বেঙা হাঁহি এটা মাৰি ভাতৰ বাটি থকা হাতখন খিৰিকীৰে বাহিৰত থ'লো। "নাই বাইদেউ, একো হোৱা নাই, কিবা এটা কথাহে আলোচনা কৰিছিলো" বুলি কৈ ভিতৰে-ভিতৰে কঁপি থাকিলো। ছুপাৰে পঢ়িবলৈ মনত পেলাই দি ৰুমৰ বাহিৰ ওলোৱাতহে যেনিবা সম্বিৎ ঘূৰি আহিল আৰু তেতিয়াহে খিৰিকীৰ বাহিৰত থকা হাতখন ভিতৰলৈ আনি ভাতকেইটা খাব পাৰিলো।

আমাৰ হোষ্টেলৰ মেট্ৰন মাহীদেউ আছিল বৰ ধুনীয়া এগৰাকী মহিলা। তেখেত বৰ ওখ নাছিল আৰু কাণখন অলপ গধুৰ আছিল। তেখেতে সদায় হাতেবোৱা কপাহী মেখেলা-চাদৰ পিন্ধিছিল। হোষ্টেলৰ ছোৱালীবোৰক অ'লৈ-ত'লৈ লৈ যোৱা, খোৱা-বোৱাৰ তদাৰক কৰা, বেমাৰ-আজাৰ হ'লে তালাপি কৰা আদিয়েই মাহীদেউৰ প্ৰধান কাম আছিল। আজৰি সময়ত তেখেতে হোষ্টেলৰ কাপোৰ মেলা ঠাইৰ ওচৰতে এখন বাঙালী শাল পাতি বৰ ধুনীয়াকৈ কাপোৰ বৈছিল। তেখেতে তাঁত বোৱা দৃশ্যটো আমাৰ বৰ ভাল লাগিছিল। ছোৱালীবোৰৰ চাহ খাবৰ মন গ'লে তেখেতৰ নিজা ষ্ট'ভতে চাহ কৰি বজাৰৰপৰা আনি থোৱা কেক-বিস্কুটৰ সৈতে খাবলৈ দিছিল। ইয়াৰ বাবে মাহীদেউক মাহৰ মূৰত ছোৱালীবিলাকে হিচাপ কৰি পইচা দিছিল। মই অৱশ্যে তেখেতক লগে লগেই পইচা দি দিছিলো। মাহীদেৱে এখন সৰু নোটবুকত চাহ ধাৰে খোৱা ছোৱালীবোৰৰ নাম আৰু পইচাৰ হিচাপ লিখি থৈছিল।

মাহীদেউৰ নাম আছিল উমাকান্তি সিংহ। ঘৰ আছিল উজনিৰ বৰপথাৰৰ পিনে। তেখেতৰ স্বামী অকালতে ঢুকাল আৰু ল'ৰা-ছোৱালীহালৰো সৰুতেই মৃত্যু হৈছিল। তেখেতৰ ল'ৰাটোৰ নাম আছিল নিৰ্মল আৰু ছোৱালীজনীৰ নাম আছিল উৰ্মিলা। সেইকাৰণে তেখেতে মোক আনে মতাৰ দৰে নিৰ্মল বা নিৰ্মলা বুলি নামাতি মাইকণ

বুলিহে মাতিছিল। মাহীদেউৰ অসুখ-বিসুখ হ'লে মই তেখেতৰ বৰ যত্ন লৈছিলো। এবাৰ তেখেতৰ অসহ্য দাঁতৰ বিষত মই ওৰে ৰাতি তেখেতৰ কাষত বহি গৰম কাপোৰ এখন হাৰিকেন লেম্পত গৰম কৰি তেখেতৰ দুয়োখন গালতে সেক দি আছিলো। এইবোৰ কাম কৰিবলৈ মোক কোনেও কোৱা নাছিল। অন্তৰৰ আবেগিক তাড়নাইহে মোক এইবোৰ কাম কৰিবলৈ শিকাইছিল। মাহীদেৱে মোক ইমান ভাল পাইছিল যে নিজৰ ছোৱালীৰ ঘৰলৈ যোৱাৰ দৰে এবাৰ গৰম বন্ধত তেখেত মোৰ লগতে আমাৰ শিৱসাগৰৰ ঘৰলৈ আহি গোটেই বন্ধটো কটাইছিল। তেখেতে আমাৰ ঘৰত মায়ে লগোৱা অসমীয়া শালৰ তাঁতো বৈছিল। খৰিৰ জুইতে ধুনীয়া কে'কো কৰিছিল। তেতিয়া অ'ভেনবোৰ ওলোৱাই নাছিল।

আমাৰ পৰম শ্ৰদ্ধেয়া ৰাজবালা দাস সেই সময়ত আমাৰ কাৰণে আদৰ্শ মহিলা আছিল। ৰাজবালা বাইদেৱে বহু প্ৰতিবন্ধকতা নেওচি অসমৰ বাহিৰত অৰ্থাৎ কলিকতালৈ গৈ অসমীয়াত এম. এ. পাছ কৰি আহি কেইগৰাকীমান মুষ্টিমেয় শুভাকাংক্ষীৰ সমৰ্থন আৰু সহযোগিতাত গুৱাহাটীৰ মাজমজিয়াত ১৯৩৯ চনত স্ত্ৰীৰ উচ্চ শিক্ষাৰ ভেটি স্থাপন কৰিলে। কেৱল দুগৰাকী ছাত্ৰীৰে পাণবজাৰ ছোৱালী হাইস্কুলত অসমৰ দ্বিতীয়খন ছোৱালী কলেজ আৰম্ভ কৰিছিল।

শ্ৰদ্ধেয়া ৰাজবালা দাস বাইদেৱে যি সময়ত কলিকতাত গৈ উচ্চ শিক্ষা লৈ আহি গুৱাহাটীত ছোৱালী কলেজ আৰম্ভ কৰিছিল, সেই সময়ত অসমত স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তা কোনেও অনুভৱ কৰা নাছিল। আচল অৰ্থত স্ত্ৰী শিক্ষা নিষিদ্ধ আছিল। পঢ়া-শুনা কৰিলে ছোৱালীয়ে ঘৰুৱা কাম-বনবোৰৰ প্ৰতি অৱহেলা কৰিব আৰু স্বভাৱ-চৰিত্ৰও নষ্ট হ'ব বুলি বহুতেই ধাৰণা কৰিছিল। ছোৱালীতকৈ ল'ৰাৰ পুথিগত শিক্ষাৰ প্ৰতি অভিভাৱকসকলে বেছি আগ্ৰহ দেখুৱাইছিল। প্ৰগতিশীল দুই-এজন অভিভাৱকে স্ত্ৰী শিক্ষাৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল যদিও এইক্ষেত্ৰত আগভাগ ল'বলৈ অজ্ঞাত কাৰণত কুণ্ঠাবোধ কৰিছিল। স্কুলৰ মুখ নেদেখা সৰহভাগ ছোৱালীয়েই স্কুলীয়া শিক্ষা সম্পৰ্কত একেবাৰে অজ্ঞ আছিল। আনহাতে প্ৰাথমিক শিক্ষাৰ স্কুলো নগণ্য আছিল। অ'ত-ত'ত দুই-এখন স্কুল থাকিলেও খুব কম সংখ্যক ছোৱালীহে অভিভাৱক সকলে পঢ়িবলৈ পঠাইছিল।

পঢ়া-শুনা কৰা, খেল-ধেমালি কৰা বা নিজ ইচ্ছামতে ছোৱালী ওলাই-সোমাই ফুৰাৰ স্বাধীনতা একেবাৰে নাছিল। অভিভাৱকসকলে ভাবিছিল ঃ যিহেতু ছোৱালীক সোনকালে বিয়া দি এঘৰলৈ উলিয়াই দিব লাগিব, সেয়েহে তাই ঘৰুৱা কাম-কাজ, ল'ৰা-ছোৱালী জন্ম দি লালন-পালন কৰা আদি কামহে শিকা উচিত। ছোৱালী জন্ম হোৱাৰ কিছু বছৰৰ পাছতে পৰ্দাৰ তলত এক অনিশ্চিত ভৱিষ্যতৰ দিন গণি সময়

অতিবাহিত কৰিব লাগিছিল। বাল্যবিবাহ প্ৰথাও প্ৰচলিত আছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ গুৰি ধৰিছিল মহাত্মা গান্ধীয়ে। তেখেতে সমগ্ৰ ভাৰত ভ্ৰমণ কৰোঁতে মেলে-মিটিঙে স্ত্ৰী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাষণ দিছিল। তেখেতে দেশৰপৰা নিৰক্ষৰতা দূৰ কৰিবলৈ যত্ন কৰিছিল। সেই সময়ত অসমৰ তিৰোতাসকলেও মহাত্মা গান্ধীৰ কথা উপলব্ধি কৰিছিল আৰু দুই-একে অনুপ্ৰাণিত হৈ নিজৰ-নিজৰ ছোৱালীক স্কুললৈ পঠাইছিল। আঢ্যৱন্ত অভিভাৱকসকলৰ কিছুমানে নিজৰ ল'ৰা-ছোৱালীক কলিকতা আদি ঠাইত পঢ়িবলৈ পঠাইছিল। কাৰণ অসমত তেতিয়া প্ৰাথমিক স্কুল থাকিলেও হাইস্কুল ছোৱালীৰ কাৰণে খোলা হোৱা নাছিল। ডিব্ৰুগড়ত ছোৱালী হাইস্কুল এখন ১৯১৬ চনত স্থাপন হৈছিল। তাৰপাছতে ১৯২৬ চনত গুৱাহাটীৰ পাণবজাৰ ছোৱালী স্কুল স্থাপন কৰা হয়। ৰাইজৰ সমূহীয়া প্ৰচেষ্টাত স্ত্ৰী শিক্ষা বৃদ্ধিৰ বাবে ১৯৩০ চনমানত ধুবুৰী আৰু একেবাৰে শেষত যোৰহাট ছোৱালী স্কুল খোলা হয়। ছোৱালীৰ উপস্থিতি আৰু অভিভাৱকসকলৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ পাছত ছোৱালী হাইস্কুলৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰে।

হাইস্কুল শেষ কৰাৰ পাছত ছোৱালী পঢ়িবলৈ কলেজ লগা হ'ল। কলেজৰ অভাৱত বহুতে কলিকতাত গৈ পঢ়া-শুনা কৰিছিল। অৱশ্যে এনে ছোৱালীৰ সংখ্যা হাতৰ আঙুলিত লেখিব পাৰি। গুৱাহাটীত কটন কলেজ স্থাপন হৈছিল যদিও ছোৱালীবোৰে ইয়াত শিক্ষা লাভ কৰিবলৈ সুযোগ পোৱা নাছিল।

সেই সময়ত অবিভক্ত অসমৰ শ্বিলঙত লেডি কিন কলেজখন ছোৱালীৰ বাবে প্ৰথম স্থাপন হৈছিল। অসমৰ দ্বিতীয়খন ছোৱালীৰ কলেজ হৈছে গুৱাহাটীৰ সন্দিকৈ কলেজ। এই কলেজখনকে শ্ৰদ্ধেয়া ৰাজবালা দাস বাইদেৱে প্ৰতিষ্ঠা কৰিছিল আৰু ইয়াৰ প্ৰতিষ্ঠাপিকা অধ্যক্ষা আছিল।

১৯৩৯ চনৰ ১৬ জুলাইত আৰম্ভ হোৱা এই কলেজখনৰ জয়যাত্ৰা অবিৰতভাৱে চলি থাকিল। বাইদেউৰ খোজ-কাটল, পিন্ধন-উৰণ, চিন্তা-ভাবনা, মাত-কথা ইমান মাৰ্জিত আৰু সুৰুচিপূৰ্ণ আছিল যে তেখেতক দেখিলেই ভক্তি উপজিছিল। দিনটোত এবাৰ নহয় এবাৰ তেখেতৰ ঘৰৰ সন্মুখতে থকা আমাৰ সেই সৰু হোষ্টেলখনলৈ আহিছিল আৰু বাৰাণ্ডাতে বা চোতালতে থিয় হৈ এহাতে ওৰণিখন টানি-টানি ছোৱালীবোৰক সম্বোধন কৰি কৈছিল,— "ছোৱালী বস্তুটো সদায় মানুহে ৰাস্তাত দেখাটো বেয়া। তোমালোকে বেছিকৈ ওলাই-সোমাই নুফুৰিবা। কিবাকিবি কিনিব লাগিলে সপ্তাহত এদিনহে যাবা।" ছোৱালীবোৰে তেখেতৰ প্ৰতিটো কথাই নতশিৰে মানি চলিছিল।

বাইদেউ বৰ আত্মসন্মানী আছিল। পাটৰ ৰিহা-মেখেলা, তাৰ ওপৰত গুণাৰ কাম

কৰা আশীসূতাৰ চেলেং, কিলাকুটিলৈকে পৰা দীঘল হাতৰ ব্লাউজ, অনবৰত সদায় মূৰত ওৰণি, উচ্চ শিক্ষা পোৱা মহিলা বুলি ক'তো অহংকাৰ বা উচ্চাভিলাষিতা নাছিল। সম্ভ্ৰান্ত ঘৰৰ সন্মান সদায় ৰক্ষা কৰিছিল। বাইদেউ যে বৰ ঈশ্বৰ বিশ্বাসী আছিল সেই কথা আমাৰ লগৰ ছোৱালীবোৰে বাইদেৱে লোৱা অসমীয়া ক্লাছত গম পাইছিল হেনো।

এবাৰ মনত পৰে চতুৰ্থ বাৰ্ষিকত থাকোঁতে (দীঘলীপুখুৰীপাৰৰ হোষ্টেল) এটা ষ্ট্ৰাইক কৰিব লগা হৈছিল। হোষ্টেলৰ কিছুমান সা-সুবিধা, যেনে— হোষ্টেলত ভাত ঢাকি ৰখা বাচন, বাথৰুমৰ বাল্টি-মগ ইত্যাদি-ইত্যাদিৰ অভাৱ পূৰণ কৰিবৰ কাৰণে হোষ্টেলৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ষ্ট্ৰাইক কৰি আমি হোষ্টেলৰ ছোৱালীবোৰে অনশন কৰিছিলো। বাইদেৱে ষ্ট্ৰাইক কৰা শুনি লগে-লগে মটৰেৰে আহি আমাৰ অভিযোগ তৎক্ষণাৎ পূৰণ কৰিছিল আৰু লঘোণে থাকিবলৈ নিদি দুপৰীয়া আমাক ভাত খুৱাইছিল। অনশনত গুৰি ধৰোঁতা আছিলো ময়েই।

কলেজৰ অধ্যক্ষা হিচাপে ৰাজবালা দাস বাইদেউৰ দৃঢ়তাৰ কেতিয়াও হেৰফেৰ হোৱা নাছিল। সেইবুলি প্ৰশাসকস্বৰূপে কঠোৰতা অৱলম্বন কৰাও তেখেতৰ স্বভাৱ নাছিল আৰু কথাই-কথাই নিয়ম-শৃংখলাৰ দোহাই দিয়াৰো পক্ষপাতী নাছিল। ছপা কৰা 'ৰুল্‌ছ'তকৈ আন্তৰিক বিশ্বাস আৰু সহৃদয়তাৰেহে তেখেতে শাসন কৰিবলৈ চাইছিল। তেখেতৰ ব্যক্তিত্বত মাতৃ হৃদয়ৰ শক্তি অধিক প্ৰকাশ পাইছিল। এই ব্যক্তিত্বৰ প্ৰভাৱতেই সকলো কাম-কাজ সুচাৰুৰূপে চলিছিল।

অধ্যক্ষা ৰাজবালা দাস বাইদেউৰ পৰিচয় একমাত্ৰ এগৰাকী অধ্যক্ষাৰেই নহয়। এই পৰিচয়ত আছে এগৰাকী নাৰীৰ আদৰ্শ, সৎসাহস, দৃঢ়তা, দক্ষতা আৰু নেতৃত্বৰ পৰিচয়। তাৰ ভিতৰতে আছে এগৰাকী মাতৃ, এগৰাকী পত্নী, এগৰাকী গৃহকৰ্মী আৰু এগৰাকী পৰিচালিকা। ১৯২১ চনৰ স্বাধীনতা আন্দোলনৰ সময়ত গাঁৱলীয়া তিৰোতাৰ মাজত গান্ধীজীৰ অহিংস নীতি বাইদেৱে প্ৰচাৰ কৰি ফুৰিছিল। বিবাহিত জীৱনত পত্নী আৰু মাতৃৰ উভয় সংকটৰ কৰ্তব্য সাহসেৰে পালন কৰিছিল। সকলো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হৈয়ো তেখেতে সন্দিকৈ ছোৱালী কলেজ প্ৰতিষ্ঠা কৰি অসমৰ শিক্ষাক্ষেত্ৰত স্থায়ী কৃতিত্ব ৰাখি যাব পাৰিছিল।

সেই সময়ত কে'ক-বিস্কুট আদিৰ প্ৰখ্যাত (আজিও প্ৰখ্যাত) দোকান শেখ-ব্ৰাদাৰ্ছলৈ কে'ক, পেন কে'ক, ক্ৰিম ৰ'ল, লেমন বিস্কুট আদি কিনিবলৈ মাহীদেউৰ লগত গৈছিলো। দোকানত বহি থকা বৃদ্ধকেইজনে (দোকানৰ মালিক) মোক ওচৰলৈ মাতি নানান কথা সুধিছিল। ময়ো একো নাভাবি শল্‌শলীয়াকৈ উত্তৰ দিছিলো। তেওঁলোকে মোৰ কথাবোৰ ৰ লাগি শুনিছিল। পাছতহে গম পালো উজনি অসমৰ শুৱলা মাত-কথাবোৰ শুনি-শুনি তেখেতসকলে ইমান ভাল পাইছিল যে বাৰে-বাৰে

মাত-কথাবোৰ শুনি থাকিবলৈকে মোক হেনো এইদৰে প্ৰশ্ন সুধি থাকিছিল। তেখেতসকল নিশ্চয় এতিয়া স্বৰ্গী হ'ল।

পূজাৰ বন্ধত ঘৰলৈ যাওঁতে আমাৰ চুবুৰিটোত এখন মইনামেল গঠন কৰিম বুলি ভাবি গৈছিলো। এই মইনামেলৰ ঘাই কেন্দ্ৰ যোৰহাটত আছিল আৰু ইয়াৰ পৰিচালক হেমন্ত বৰদলৈকে আদি কৰি কেইজনমান ব্যক্তি আছিল। প্ৰধান পৃষ্ঠপোষক আছিল যোৰহাটৰপৰা প্ৰকাশিত সাপ্তাহিক 'জনমভূমি' কাকতৰ সম্পাদক ত্ৰৈলোক্যনাথ শৰ্মা। মহাদেৱ শৰ্মা আছিল সভাপতি। একে সময়তে শ্ৰদ্ধেয়া আইতা নলিনীবালা দেৱীৰ সভানেত্ৰীত্বত গুৱাহাটীত পাৰিজাত কানন নামেৰে এটি অনুষ্ঠান স্থাপিত হৈ প্ৰসাৰ লভিছিল। শিৱসাগৰত মই আমাৰ ঘৰৰ ওচৰৰ কেইটামান দায়িত্বশীল ল'ৰা গোটাই লৈ শিৱসাগৰ ২ নম্বৰ টাউন বালিকা প্ৰাইমেৰি স্কুলখনৰ প্ৰাংগণতে প্ৰথমখন মইনামেল স্থাপন কৰিলো। মইনামেলখনৰ নাম দিয়া হ'ল— নৱদীপ মইনামেল। সেই দায়িত্বশীল আৰু অত্যুৎসাহী ল'ৰাকেইটা হ'ল সুৰেশ (তিতি) ঠাকুৰ, দয়াল দত্ত, পুতুল ফুকন, উমেশ ঠাকুৰ (মাখন) আদি। সপ্তাহৰ প্ৰতিটো দেওবাৰে আবেলি অনুষ্ঠিত হোৱা মইনামেলখনত মইনাৰে ভৰি পৰিল। মইনামেলত বিভিন্ন কাৰ্যসূচীৰ মাজেৰে মইনাহঁতৰ মাজত থকা প্ৰতিভা পোহৰলৈ আনিবলৈ প্ৰয়াস চলাইছিলো। এনেবোৰ কাৰ্যসূচীৰ ভিতৰত আছিল শৃংখলাবোধ শিকোৱা, বাতৰিকাকত পঢ়া, গীত-নৃত্য আদি শিকি পৰিবেশন কৰা, খেলা-ধূলা শিকা, ছবি অঁকা, হাতৰ কাম কৰা আদিৰ উপৰিও স্বাস্থ্য সম্পৰ্কীয় জ্ঞান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা কৰিবলৈ শিকোৱা আদি। কণ-কণ মইনাবোৰে তেওঁলোকৰ মেললৈ আহিবলৈ পাই বৰ স্ফূৰ্তি পাবলৈ ধৰিলে। কেতিয়াকৈ দেওবাৰ আহে, কেতিয়াকৈ দেওবাৰ আহে তাকে ভাবি থাকে। স্কুলীয়া কঠোৰ নীতিৰ মাজেৰে শিক্ষা আহৰণ কৰি অনবৰতে ভয় আৰু সন্ত্ৰস্ত হৈ থকা শিশুবিলাকে মইনামেলত যেনিবা মুকলিকৈ উশাহ ল'বলৈ সুবিধা পালে। মইনামেলৰ কামবোৰ সুচাৰুৰূপে চলাই নিবৰ বাবে মইনাহঁতৰ মাজৰপৰাই মন্ত্ৰী পৰিষদ গঠন কৰা হয়। এনেবোৰ মন্ত্ৰী হৈছে স্বাস্থ্যমন্ত্ৰী, শিল্পমন্ত্ৰী, খেলমন্ত্ৰী, সংগীতমন্ত্ৰী আদি। এওঁলোকৰ এজন সভাপতি থাকে যদিও প্ৰতি সপ্তাহৰ অনুষ্ঠানত মইনাহঁতৰ মাজৰপৰা এজন নিৰ্বাচিত সভাপতিয়েহে সেইখন সভাৰ কাম চলাই নিয়ে। অনুষ্ঠানৰ আৰম্ভণিতে এটা ভক্তিমূলক গীত গাই জাতীয় সংগীত 'অ মোৰ আপোনাৰ দেশ'ৰে সমাপ্ত কৰা হয়। মেলত স্বাস্থ্যমন্ত্ৰীয়ে চকু, নাক, কাণ, দাঁত আৰু হাত-ভৰিৰ নখ চাব। সেয়েহে সকলো মইনাই সেইবোৰ সেইদিনা পৰাপক্ষত চাফা কৰি আনে। শিল্পমন্ত্ৰীয়ে আগৰবাৰৰ মেলত অঁকা ছবি বা হাতৰ কামৰ নমুনা পৰিদৰ্শন কৰে আৰু সংগ্ৰহ কৰে। মেলৰ সময়তে আকৌ বেলেগ বিষয়ৰ ছবি বা হাতৰ কাম কৰিবলৈ দিয়ে। খেলমন্ত্ৰীয়ে খেল

আৰু সংগীতমন্ত্ৰীয়ে সংগীত পৰিচালনা কৰি মইনাহঁতক নতুন গান, নতুন খেল শিকায়। শিক্ষামন্ত্ৰীয়ে তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা পৰিচালনা কৰাৰ লগতে গল্প, কবিতা, সাধু, কৌতুক আদি শিকায়। মুঠতে মইনাবিলাকৰ হাঁহি, স্ফূৰ্তি, আগ্ৰহ-উদ্দীপনা দেখি মইনামেল পতাৰ সাৰ্থকতা অনুভৱ কৰিছিলো। মইনাবিলাকৰ 'নৱদীপ' নামৰ এখন হাতেলিখা আলোচনী আছিল। ইয়াত মইনাবোৰে ধুনীয়া-ধুনীয়া পদ্য, সৰু-সৰু গল্প, কৌতুক, ছবি আদি আঁকি সেইবোৰক স্থান দিছিল। এইখন মইনামেল জন্ম হোৱাৰ কিছুদিনৰ ভিতৰতে শিৱসাগৰত আৰু কেইবাখনো মইনামেল গঠন হৈছিল যদিও আমাৰ পুৰণা আমোলাপটিৰ 'নৱদীপ মইনামেল'খনেই জাকতজিলিকা হৈ উঠিছিল। প্ৰথমতে স্কুলঘৰৰ ভিতৰত মেলখন অনুষ্ঠিত হৈছিল। পাছত মই স্কুলৰ মুকলি ফিল্ডলৈ মইনামেলখন আনিলো। দেওবাৰে পাছবেলা এনে হৈছিলগৈ যে আমাৰ মইনামেলখন চাবলৈ ৰাস্তাত মানুহে ভিৰ কৰিছিল। সেই সময়ত মোৰ মনত পৰা মইনা কেইটামানৰ নাম হ'ল— ভৱেশ ঠাকুৰ (মুন), ৰাণী ঠাকুৰ, অৰুণ (ভাই) ঠাকুৰ, অঞ্জলি, আৰতি, কুটকুটি ঠাকুৰ, জুৰিমলা, বুলু, ইলু, অনিল, নৱ, ধ্ৰুৱ, প্ৰদীপ, স্বপ্না, ৰুণুমী (আধানি), কাৰ্তিক, মুক্তি, পাৰুল, উষাৰাণী, ৰেণু, কৃপাল, দয়াল, মৃণাল, তুলসী, ধৰণী, ৰজনী, ৰাণু, কাৰ্তিক, মাখন, সুবস্তি, অৱন্তি, দেৱী, অতুল, প্ৰফুল্ল, অৰুণা ইত্যাদি। গোটেইবোৰকে আমাৰ ঘৰৰ ডাঙৰ চোতালত মই বিহুনাচ, বড়ো নৃত্য, বৰগীত, আধুনিক গান আদি শিকাইছিলো। কলেজৰ পূজা বন্ধ খোলাৰ লগে-লগে মই গুৱাহাটীলৈ আহিব লগা হ'ল। মই যে ল'ৰা-ছোৱালীবোৰক মৰমৰ এনাজৰী ছিঙি এৰি আহিব লগা হ'ল,— এই কথাটোত ল'ৰা-ছোৱালীবোৰৰ শোকত পাৰ ভাগি গ'ল। মোৰ নিজৰ অৱস্থা কেনেকুৱা হৈছিল অবৰ্ণনীয়। প্ৰতিটো বন্ধত সিহঁতক আহি লগ পোৱাৰ নিশ্চিত প্ৰতিশ্ৰুতি দিছিলো। কি আচৰিত আকৰ্ষণত আমি বান্ধ খাইছিলো সেই অভিজ্ঞতা নিজৰ নহ'লে আনক বুজাব নোৱাৰি।

মোৰ লগত সেই সময়ত বিশেষকৈ মইনামেলৰ যোগেদি বৰকৈ ঘনিষ্ঠ হৈ পৰিছিল মোতকৈ প্ৰায় দুই-তিনি বছৰৰ সৰু ওচৰ-চুবুৰীয়া দুজন ভাই। বৰ দুখৰ কথা যে সেই দুজনৰ এতিয়া এজনো জীৱিত নাই। এই ভাই দুজনৰ এজন আছিল সুৰেশ (তিতি) ঠাকুৰ আৰু আনজন আছিল দয়াল দত্ত। সিহঁত দুয়োটাৰে নিজৰ বায়েক নাই। সেইকাৰণে ময়ে সিহঁতৰ বায়েকৰ অভাৱ পূৰাইছিলো। সিহঁত ইমান বেছি ঘনিষ্ঠ হৈছিল যে ঘৰলৈ খাবলৈ-শুবলৈ যাবলৈও টান পাইছিল। অনবৰতে মোৰ পিছে-পিছে ছাঁৰ দৰে ফুৰিছিল। মেছিনত বহি মই কাপোৰ চিলালেও সিহঁত দুয়োটাই দুফালে বহি থাকে। পুখুৰীলৈ কিবা কামত গ'লেও ছাঁৰ দৰে পিছে-পিছে যায়। মন্দিৰলৈ (দ'ল) বা বজাৰলৈ গ'লেতো কথাই নাই। মই গুৱাহাটীলৈ আহিবৰ সময়ত সিহঁত দুটাই কান্দি-কান্দি চকু ৰঙা

কৰিলে। মোক ৰে'ল ষ্টেশ্যনত আগবঢ়াই দিবলৈ দুয়োটা শিমলুগুৰিলৈকে গৈছিল। মাঘ বিহুত গুৱাহাটীৰপৰা ঘৰলৈ গ'লে পুহমহীয়া জাৰত কঁপি-কঁপি ৰাতি দুপৰত মোক ঘৰলৈ আগবঢ়াই নিবলৈ ৰে'ল ষ্টেশ্যনত ৰৈ আছিল। সিহঁত দুয়োটাৰ ঘৰ আমাৰ ঘৰৰ ওচৰতে আছিল। মৃত্যুৰ দিনলৈকে দুয়োটাৰে মোৰ প্ৰতি এনে আকৰ্ষণ আছিল। দুয়োটাৰে সুকুমাৰ কলাৰ প্ৰতি বৰ আগ্ৰহ আছিল। অতি দুৰ্ভাগ্যক্ৰমে দয়াল দত্তই দুৰ্ঘটনাত মৃত্যু বৰণ কৰে আৰু সুৰেশ ঠাকুৰ প্ৰবল এজমাজনিত অসুখত অকালতে স্ত্ৰী-পুত্ৰ-কন্যা এৰি মৃত্যুৰ মুখত পৰে। দুটোপাল চকুপানীৰ বাহিৰে সিহঁত দুটাৰ স্মৃতিত মই কি দিব পাৰোঁ!

এনে সময়তে মোৰ ক্ৰমান্বয়ে হৈ অহা কিছুমান উপলব্ধি স্পষ্ট হ'ল,— মই এজনী মুক্ত নাৰী। য'ত প্ৰেম নাই তাত বন্ধনৰ কি অৰ্থ থাকিব পাৰে? মই কোনো অন্তঃসাৰশূন্য বন্ধনৰ দাসী নহওঁ। মোৰ কোনো সংস্কাৰ নাই। মই ওৰণি পেলাই দিছোঁ। সেন্দূৰৰ দীঘল ৰেখা শিৰৰপৰা মচি পেলাইছোঁ। মায়ে আচৰিত হৈ কৈছিল,—"এইটো কিয় কৰিছ?" মই কৈছিলো,— "মোৰ বিবেকে এইটো কৰিবলৈকে কৈছে।" মায়ে কৈছিল,— "সমাজে হাঁহিব।" মই কৈছিলো,— "কোনখন সমাজ? মোৰ সমাজ পোহৰৰহে, আন্ধাৰৰ নহয়।"

মায়ে কি বুজিলে নাজানিলো। মোৰ টান উত্তৰ শুনি, মোৰ মনত দুখ দিয়া বুলি ভাবি মা মনে-মনে ৰ'ল।

দেউতাই মাত্ৰ দূৰে-দূৰে নিৰীক্ষণ কৰে। কেতিয়াও একো নকয়। কিন্তু মই সাধাৰণ সাজপাৰ কৰা দেখিলে দেউতাই বৰ বেজাৰ পায়। মাক সোধে,— "তাইৰ ফুলবছা মেখেলা-চাদৰ নাই নে কি?" আমি যে গান্ধীজীৰ আদৰ্শতে সাধাৰণ কাপোৰ পিন্ধি ভাল পোৱা হৈছিলো আৰু তেনেকৈয়ে সাধাৰণ মানুহৰ লগত মিলি থকাৰ প্ৰয়াস কৰিছিলো কথাটো দেউতাক বুজাই ক'ব পৰা নাছিলো। বেচেৰা দেউতাই মোৰ কাৰণে মাজে-মাজে প্ৰসাধনৰ বস্তু আৰু দামী-দামী ফুল থকা পাটৰ সাজ কিনি-কিনি আনি দিছিলহি। মই সদায় সেই পাটৰ মেখেলা, গুণাৰ সৰু পাৰিৰ চাদৰেই ভাল পাইছিলো। সাজপাৰবোৰ মাৰ্জিত, গাৰ ৰঙৰ লগত মিলা কোমল ৰঙৰ হ'লে ভাল লাগে। বহুতেই কোন-কোন সময়ত, কি-কি ৰং পিন্ধিব লাগে নাজানে। চাপৰ মানুহে ভমকাভমক ফুলৰ, দীঘল মানুহে দীঘলীয়া আঁচ টনা ডিজাইনৰ কাপোৰ বা চাপৰ মানুহে গিলিপ মৰা অলংকাৰ পিন্ধিলে বৰ বেয়া দেখি। মোৰ উচ্চতা অৱশ্যেই মজলীয়া— পাঁচ ফুট পাঁচ ইঞ্চি। মই এনেয়েও বৰ মিহি অলংকাৰ পিন্ধিছিলো। বন্ধাই থোৱা 'প্ৰীতি উপহাৰ'খনো মই বেৰৰপৰা নমাই পেলালো। 'দেশ' নামৰ আলোচনীৰে পঢ়াৰুমৰ আলমাৰিৰ তলখাপ ভৰি আছিল। সেই

আলোচনীৰ দ'মটোৰ তলত 'প্ৰীতি উপহাৰ' সমাধিস্থ হ'ল।

আমাৰ সেই দিনবোৰত বিয়া হ'লেই কোনোবা আত্মীয় বা বন্ধুৱে কবিতাৰে প্ৰীতি আৰু শুভ-ইচ্ছাৰ সংবাদ জনোৱা নিয়ম এটা দেখা গৈছিল। এই 'প্ৰীতি উপহাৰ'ৰ কাগজখন সোণালী আখৰেৰে ছপাই দৰা বা কইনাক উপহাৰ দিছিল আৰু তাৰ ছপা কপি ৰাইজৰ মাজত বিয়াৰ দিনা বিলাই দিয়া হৈছিল। প্ৰীতি উপহাৰখনৰ ওপৰত দুখন হাতৰ 'হেণ্ডশ্বেক', অথবা পৰীয়ে মালা দুডাল লৈ দুফালৰপৰা উৰি অহা ছবি নাইবা হৰ-পাৰ্বতী বা ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি আদিৰ ছবি ব্লক কৰি ছপাই দিয়াৰ নিয়ম আছিল। মোৰ বিয়াত মোৰ মামা আৰু মোৰ ভতিজা হৰেশে বেলেগে-বেলেগে 'প্ৰীতি উপহাৰ' লিখি ছপাই বিলাইছিল আৰু আইনা লগাই ফ্ৰেমত বন্ধাই এখন-এখন মোক দিছিল। বহুত বছৰৰ পাছত দেবেন মামাৰ বিয়াত ময়ো 'প্ৰীতি উপহাৰ' লিখি ছপাই বিলাইছিলো।

গোটেই অসমৰ এনে 'প্ৰীতি উপহাৰ'বোৰ গোটাই যোৱা হ'লে সাহিত্যৰ বিশেষ ধাৰাৰ এটা আপুৰুগীয়া সম্পদেই ৰ'লহেঁতেন বুলি এতিয়া ভাবোঁ। সেইটো কাম বোধকৰোঁ কোনেও কৰা নাই।

আমাৰ দিনত বিয়াত ফটো তোলাৰ তেনে সুচল ব্যৱস্থা নাছিল। সেইকাৰণে বিয়াৰ একো ফটোও আমাৰ ঘৰবোৰত নাথাকিছিল। থকা হ'লে সেই ফটোখনো নমাই পেলালোহেঁতেন।

পূজাৰ বন্ধৰ পাছত ঘূৰি আহি আমি কলেজৰ ফাংশ্যনবোৰত যোগ দিছিলো। কলেজৰ ষ্টুডেণ্টছ ইউনিয়নৰ নিৰ্বাচনত মই কলেজৰ মেগাজিন এডিটৰৰ বাবে থিয় দিছিলো। ছাত্ৰীবিলাকে মোকেই এডিটৰ হিচাপে নিৰ্বাচিত কৰিলে। মোৰ আগৰ বাৰ্ষিকৰ ছাত্ৰী শ্ৰীযুতা প্ৰীতি বৰুৱাই তেখেতৰ দিনত কলেজ আলোচনী উলিয়াবলৈ অশেষ চেষ্টা কৰিছিল যদিও বিভিন্ন কাৰণত উলিয়াবলৈ সমৰ্থ নহ'ল। আলোচনীখনৰ তত্বাৱধানত থকা অধ্যাপক হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যদেৱৰ সহযোগত মোৰ দিনত বৰ সুন্দৰকৈ আলোচনীখন ওলাল। ইয়াৰ বেটুপাতখন আঁকি দিছিল সুদক্ষ শিল্পী প্ৰয়াত শশৰায় বৰুৱাই। তেৱেঁই কলেজৰ প্ৰতীকটো (এমব্লেম) আঁকি দিছিল। মই আলোচনীৰ সম্পাদিকা হোৱাৰ বাৰত মোৰ সখী স্বৰ্ণ চেতিয়া (গগৈ) আছিল ইউনিয়ন ছেক্ৰেটেৰি আৰু এছিছটেণ্ট ছেক্ৰেটেৰি আছিল মোৰ আনগৰাকী বন্ধু মণিকা বৰুৱা। দুখৰ কথা যে দুয়োগৰাকী এতিয়া ইহ সংসাৰত নাই।

মই আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাত আগভাগ লৈছিলো আৰু এইবোৰত যোগ দি প্ৰতিবাৰেই বঁটা পাইছিলো। সদৌ অসম সাহিত্য প্ৰতিযোগিতা, আন্তঃকলেজ সাহিত্য প্ৰতিযোগিতা আদিৰ বিভিন্ন বিভাগত যোগ দি সদায়ে প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। সদৌ অসম কবিতা প্ৰতিযোগিতাত এবাৰ মই জৰ্জ বাৰ্নাৰ্ড শ্বৰ বিষয়ে এটা কবিতা

লিখি প্ৰথম পুৰস্কাৰ পাওঁতে মোক ড° বাণীকান্ত কাকতি ছাৰ আৰু কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই মাতি নি মূৰত হাত ফুৰাই আশীৰ্বাদ দিছিল।

আমি চতুৰ্থ বাৰ্ষিকলৈ উঠাৰ পাছত আমাৰ হোষ্টেল দীঘলীপুখুৰীপাৰৰ কলেজ কম্পাউণ্ডৰ ভিতৰলৈ লৈ গ'ল। এই হোষ্টেলটো নবীন বৰদলৈ হলৰ একেবাৰে কাষতে। সেইকাৰণে তাত ডাঙৰ-ডাঙৰ নেতাসকলে দিয়া বক্তৃতা শুনিবলৈ যোৱা হ'লো। নবীন বৰদলৈ হলৰ লগতে এটা পুথিভঁৰাল থকা কাৰণে ওচৰতে গৈ পঢ়িবলৈও সুবিধা ওলাল। সেইখিনি সময়তে নকৈ প্ৰতিষ্ঠা হোৱা গুৱাহাটী আকাশবাণী কেন্দ্ৰত কলেজৰ সাহিত্য চ'ৰাৰপৰা আমাক প্ৰগ্ৰেম কৰিবলৈও মাতিলে। প্ৰথম প্ৰগ্ৰেমত মোৰ কবিতা পঢ়াৰ কথা মনত পৰে। শ্ৰীযুত মৃগেন ৰায় চৌধুৰী ডাঙৰীয়া (পাছলৈ আকাশবাণীৰ উৰ্দ্ধতম বিষয়া) আৰু নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱা ডাঙৰীয়াক লগ পোৱাৰ কথা মনত পৰে। ক্ৰমান্বয়ে আকাশবাণী গুৱাহাটীৰ বিভিন্ন বিভাগত মোৰ লেখাবোৰ ব্ৰডকাষ্ট হ'বলৈ ধৰিলে আৰু মই আকাশবাণীৰ লগত দিনকদিনে ঘনিষ্ঠ হৈ পৰিবলৈ ধৰিলো।

চতুৰ্থ বাৰ্ষিকত থাকোঁতে সৰস্বতী পূজাৰ লগত সম্বন্ধ ৰাখি মই, স্বৰ্ণ, মণিকা আৰু বহুতো বন্ধু লগ লাগি এখন আটকধুনীয়া কলেজ প্ৰদৰ্শনী পাতিছিলো। তাৰপাছতে হোৱা 'কলেজ সপ্তাহ'ৰ সংগীত প্ৰতিযোগিতাৰ সকলো বিভাগতে যোগ দি মই বহুতো পুৰস্কাৰ পাইছিলো আৰু নাট্যকাৰ সাৰদা বৰদলৈৰ 'সেইবাটেদি' নাটকখনৰ অংশবিশেষ মঞ্চত অভিনয় কৰি মই বিশেষ বঁটা লাভ কৰিছিলো। আৰু এটা উল্লেখযোগ্য ঘটনা হৈছিল, 'ছদ্মবেশ' প্ৰতিযোগিতাত মই হঠাতে যোগ দি প্ৰথম পুৰস্কাৰ লাভ কৰা ঘটনাটো। এই বিষয়টোত যোগ দিয়াৰ কথা মই সেই মুহূৰ্তলৈকে ভবাই নাছিলো। হঠাতে কিনো মন গ'ল— কমলৈ সোমাই গৈ সাইলাখ বুঢ়ীৰ দৰে সাজপাৰ কৰি মূৰত ওৰণি আৰু হাতত লাখুটি লৈ কুঁজি-মুজি কমৰপৰা ওলাই আহি বিচাৰক ছাৰ-বাইদেউসকলৰ আগত ঘূৰি ফুৰিছিলো। বজাৰ কৰিবলৈ আহি বুঢ়াটো হেৰাল বুলি কৈছিলো। অ'ত-ত'ত মাটিত বহি হাঁচতি খুলি তামোল খাইছিলো। সাইলাখ গাঁৱৰ বুঢ়ীৰ দৰে কথা কৈছিলো। দৰ্শকৰ আটায়ে ইমান স্ফূৰ্তি পাইছিল যে মোৰ নাম তৎক্ষণাৎ আটাইৰে মাজত ৰজনজনাই গৈছিল।

বি. এ. পঢ়াৰ কথা ওলালেই বি. এ.ত লোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া অনাৰ্ছৰ কথাই প্ৰথমে আহি পৰে। অনাৰ্ছৰ ক্লাছবোৰ ড° বাণীকান্ত কাকতি ছাৰে লোৱা নাছিল, লৈছিল ড° মহেশ্বৰ নেওগ ছাৰ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা ছাৰ আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰে। এই তিনিওজন অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা পুৰুষ। ড° নেওগ ছাৰৰ শিক্ষকতা স্কুলৰ দিনৰেপৰা পাইছিলো। মোৰ পৰম পূজনীয় গুৰু (এখেতৰ তলতে মই পাছত Ph. D. কৰিছিলো)। ড° সত্যেন্দ্ৰনাথ শৰ্মা বৰ লাজকুৰীয়া আছিল,

প্ৰথমে তেখেতে ছাত্ৰ-ছাত্ৰীৰ মুখলৈ চাই পঢ়াবই নোৱাৰিছিল। তললৈ মুখ কৰি প্ৰায়বোৰ কথাতে সংস্কৃত শ্লোক বা ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাৰ উদ্ধৃতি দি উদাহৰণ দিছিল। এদিন বাৰিষা বতৰত ক্লাছ নোহোৱা পিৰিয়ডত মই বাৰাণ্ডাত থিয় হৈ মেঘালী বতৰটোৰ পিনে চাই কালিদাসৰ 'মেঘদূত'ৰ শ্লোক এটা গাই থাকোঁতে ছাৰেও মোৰ পিছফালে থিয় হৈ শ্লোকৰ বাকী অংশ মোৰ মুখৰপৰা কাঢ়ি নি গাইছিল। সেই মুহূৰ্তটো মোৰ বৰ আপুৰুগীয়া যেন লাগিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা আছিল বৰ ৰসাল। ছাৰে আমাক পালি-প্ৰাকৃত পঢ়াইছিল। ছাৰৰ হাতত মই শতকৰা ৯৮লৈকে নম্বৰ পাইছিলো। বীণা বৰুৱা নামেৰে গল্প-উপন্যাস লিখা ছাৰে আমাৰ পিন্ধা-উৰা, মূৰত ক্লিপ মৰালৈকে নিৰীক্ষণ কৰিছিল। ঋতু পৰিবৰ্তনৰ লগে লগে অসমৰ প্ৰাকৃতিক সৌন্দৰ্যই ৰূপ সলায়। সেই সৌন্দৰ্য বৰ্ণনা কৰি দুটা শাৰীৰ কবিতা লিখি তেখেতক একোখন কাৰ্ড দিছিলো। আনে নভবা বা নকৰা এই কথাটোৰ কাৰণে ছাৰে সকলোৰে আগত মোক মুকলিকৈয়ে বৰ প্ৰশংসা কৰিছিল।

থাৰ্ড ইয়েৰত পঢ়ি থাকোঁতে এদিন ইজি চেয়াৰত বহি থকা পৰম শ্ৰদ্ধেয় ড° বাণীকান্ত কাকতি ছাৰে মোক ওচৰলৈ মাতি সন্মুখতে থকা চকী এখনত বহিবলৈ ক'লে। ময়ো ছাৰৰ কথামতে চকীখনত বহিলো। ছাৰে মোৰ পঢ়া-শুনাৰ নানা কথা সুধিলে। মই বৰ সমীহ আৰু ভক্তিৰে ছাৰৰ প্ৰশ্নৰ উত্তৰ দি গ'লো। এইবোৰ সুধি থকাৰ মাজতে হঠাতে ছাৰে মোৰ বিয়া সম্পৰ্কে সুধিলে। মই তেতিয়াও শিৰত সেন্দুৰ লৈ আছিলো। ছাৰে হয়তো মোৰ শিৰৰ সেন্দুৰ দেখিয়েই মোৰ বিয়াৰ কথা উলিয়াইছিল। মই ছাৰক মোৰ বিয়াৰ সকলো কথা নিজৰ পিতৃৰ আগত কোৱাৰ দৰে ক'লো। মোৰ যে এজনী ছোৱালী আছে, তাইক যে মা-দেউতাৰ ওচৰত থৈ মই পঢ়িবলৈ আহিছোঁ ইত্যাদি সকলো কথা নিঃসংকোচে ক'লো। মোৰ প্ৰতি গভীৰ সহানুভূতিত তেখেত যেন পমি গ'ল আৰু সেইদিনাই যেন ভৱিষ্যদ্বাণী উচ্চাৰণ কৰিলে, "তুমি অসমীয়াত পাছ কৰি আমাৰ বিৰিঞ্চি, মহেশ্বৰ, সত্যেনৰ লগতে বিশ্ববিদ্যালয়ত কাম কৰিবা।" মই তেখেতৰ ভৰি চুই প্ৰণাম কৰিলো।

বাংলা ভাষা মোৰ বিকল্প বিষয় আছিল। দেউতাৰ লগত বাংলা কিতাপ ঘৰতে পঢ়োঁতে-পঢ়োঁতে এই ভাষা মই অনায়াসে শিকি পেলাইছিলো। ইমান ভালকৈ যে বাংলা লিখিব পৰা হৈছিলো সেই কথা কলেজত বাংলা পঢ়িবলৈ লৈহে গম পাইছিলো। সন্দিকৈ কলেজত বাংলা পঢ়াইছিল শ্ৰদ্ধেয় দেৱী বাবুৱে। তেখেতে ক্লাছ ৰুমলৈ আহি মোক কৈছিল,— "তোমাকে কি শেখাব। তুমিতো সব জানয়।" উল্লেখযোগ্য যে বিকল্প বাংলা ভাষাৰ ছাত্ৰী কেৱল ময়েই আছিলো। পৰীক্ষাত বাংলাত মই শতকৰা ৮০ পাইছিলো।

ইংৰাজীৰ প্ৰফেছৰ আছিল শ্ৰদ্ধেয়া সুনীতি সেন বাইদেউৰ উপৰিও পৰম শ্ৰদ্ধেয় সত্যকিংকৰ সেন ডাঙৰীয়া। এইজনা অধ্যাপকো কম প্ৰাণৱন্ত নাছিল। ছাৰৰ কথাবোৰ আছিল wit & humour মিহলি। এইজন ছাৰৰো মই বৰ প্ৰিয় ছাত্ৰী আছিলো আৰু ইংৰাজীত সদায় ভাল নম্বৰ পাইছিলো।

এটা কথা ভাবিলে আচৰিত লাগে যে— মই সদায় লগৰ বন্ধু-বান্ধৱতকৈ বেছিকৈ কথা পাতিছিলো কলেজৰ ছাৰ-বাইদেউসকলৰ লগত। কিয় এই কথাটো আছিল আজিও নাজানো। ছাৰ-বাইদেউসকলহে যেন মোৰ বেছি লগৰীয়া, মনত এনে এটা ভাব। এইটোও সঁচা যে মই কোনো ছোৱালীসুলভ গোপন কথা পাতি ভাল নাপাইছিলো। মোৰ তেনে কোনো লগো নাছিল। হোষ্টেলৰ ছোৱালীবিলাকে গ্ৰুপ পাতি মনে-মনে কিবা কথা পাতি থাকিলেও মোক দেখিলে নিৰ্মল আহিছে, নিৰ্মল আহিছে বুলি কৈ কথাবোৰ বন্ধ কৰিছিল। তেওঁবিলাকে কোনোবা পাণ দোকানৰ বুঢ়া, বাটেদি যোৱা ডেকা, হোষ্টেলৰ চকীদাৰ ইত্যাদিক লৈ ৰগৰ কৰিছিল। সেই ৰগৰবোৰে মোক একো স্পৰ্শ কৰিব পৰা নাছিল। কলেজৰ আন শিক্ষক-শিক্ষয়িত্ৰীৰ ভিতৰৰ সুউজ্জ্বল মুখেৰে ফিলছফিৰ নীলিমা দত্ত বাইদেউ, ব'টানিৰ সমীৰণ দাস বাইদেউ, ড° হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য ছাৰ, পলিটিকেল ছায়েন্সৰ অজিত শৰ্মা ছাৰ আদিও যেন মোৰ ঘনিষ্ঠ বন্ধুহে আছিল।

হোষ্টেলীয়া জীৱন আৰম্ভ হৈছিল থাৰ্ড ইয়েৰতে। সেই ৰাজবালা বাইদেউৰ ঘৰৰ মুখৰ 'আছাম টাইপ' ঘৰটো। প্ৰাণেৰে সজীৱ হৈ থকা ঘৰ। তাতে প্ৰথম মূৰৰ ৰুমটোতে মই, লক্ষ্মী বাইদেউ আৰু স্বৰ্ণ আছিলো। সিফালে আছিল প্ৰীতি বাইদেউ (প্ৰীতি বৰুৱা), মিতালী নামৰ ডিগবৈৰ এগৰাকী ছোৱালী। মহামায়া (বৰুৱা), অমিয়ামাধুৰী (চান), মালী (অৰুণা খাউন্দ), মণি, প্ৰতিভা (বৰুৱা), সৰোজ (গগৈ)। ইটো কটেজত মনু বাইদেউ, মঞ্জু বাইদেউ (নিয়োগী), যোগমায়া (বৰুৱা) বাইদেউ এইসকল। মনু বাইদেউ, মঞ্জু বাইদেউৰ বাংলা গান আৰু প্ৰীতি বাইদেউৰ সুন্দৰ-সুন্দৰ তীক্ষ্ণ টিপ্পনী শুনি মুগ্ধ হৈছিলো। গোলাঘাটৰ মণিকাৰ (বৰুৱা) কথাবোৰো বেচ ৰসাল আছিল। প্ৰীতি বাইদেৱে বিভিন্ন সাহিত্য, বিশেষকৈ বাংলা সাহিত্য পঢ়িছিল। অসমীয়াত অনাৰ্ছ লৈছিল আৰু সৰল পিন্ধন-উৰণেৰে ব্যক্তিত্বসম্পন্না আছিল। বাকীসকলৰো সাজপাৰ বৰ মাৰ্জিত আছিল। তেতিয়াৰ লক্ষ্য আছিল জ্ঞান আহৰণহে। জাৰকালি গাত এখন ৰেপাৰ আৰু ভৰিত এজোৰ ছেণ্ডেলেৰেই চলি গৈছিল। সকলোৰে পিন্ধনত সাধাৰণ মেখেলা-চাদৰহে।

লগৰীয়া ছোৱালীৰ বহুতৰে নাম মনলৈ আহিছে যদিও মই ৰাণুৰ কথাই প্ৰথমে কৈ ল'ব লাগিব। চতুৰ্থ বাৰ্ষিকত থাকোঁতে দীঘলীপুখুৰীপাৰৰ হোষ্টেলৰ মোৰ ৰুমমেট কেইজনী আছিল ৰাণু ৰয় (মঙলদৈ), পূৰবী বৰকাকতি (তেজপুৰ) আৰু ভাৰতী দাস

(লিলি, মণ্ডলদৈ)। চতুৰ্থ বাৰ্ষিকত থাকোঁতে মোৰ এটা বৰ সাংঘাতিক অসুখ হৈছিল। অসুখটোৰ নাম আছিল 'ৰিনাল্ড কলিক পেইন'। পায়খানা-পেচাব বন্ধ হৈ গৈছিল। পেটৰ বিষ আৰু বমি। বমি কৰি কৰি মই অবশ হৈ গৈছিলো। কেইবাদিনো ধৰি এই অসহ্য যন্ত্ৰণা ভোগাৰ পাছত মোক ছাত্ৰীবাৰী হোষ্টেলত ভৰ্তি কৰোৱা হৈছিল আৰু শিৱসাগৰৰ দেউতালৈ টেলিগ্ৰাম যোগে খবৰ পঠোৱা হৈছিল। অসুখ হোৱাৰেপৰা ভাল হোৱালৈকে ৰাণুৱে মোৰ যিমান পৰিচৰ্যা কৰিলে সেই ঋণ জীৱনত মই কেতিয়াও শুজিব নোৱাৰোঁ।

টেলিগ্ৰামযোগে খবৰ পাই দেউতা শিৱসাগৰৰপৰা ট্ৰেইনযোগে গুৱাহাটীলৈ আহি বাহিৰে-বাহিৰে হস্পিটেললৈ গৈ মোক সেই অৱস্থাত দেখি বৰ দুখ পালে আৰু লগে-লগে চিকিৎসাৰ সুব্যৱস্থা কৰি দিলে। মোৰ অসুখ বৰ বেছি ছিৰিয়াছ ধৰণৰ হোৱা কাৰণে সকলোৱে পৰীক্ষা ড্ৰপ দিবলৈ কৈছিল। কেৱল ছাত্ৰীবাৰী হস্পিটেলত থকা ডাক্তৰ মুন্দহেংকেহে পৰীক্ষা দিব পাৰিব বুলি ভাৰসা দিছিল। যদিও মই দুমাহমান একো পঢ়া-শুনা কৰিব পৰা নাছিলো, মনোবল কিন্তু অটুট ৰাখিছিলো। পৰীক্ষা নিদিয়াকৈ নাথাকোঁ বুলি মনতে স্থিৰ কৰিছিলো। হোষ্টেললৈ আহি কেৱল বাৰ্লি, চাগু, নেমুটেঙাৰ চৰ্বত আৰু চুৰ্প খাই দিন কটাব লগাত পৰিছিলো। আৰু তেনেকৈয়ে বি. এ. ফাইনেল পৰীক্ষা দিছিলো (অৱশ্যে ছিক বেডত নহয়)। ভগৱানৰ আশীৰ্বাদত মোৰ সেই অসুখীয়া গাৰে পৰীক্ষা দি অনাৰ্ছৰ প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ আৰু বিশ্ববিদ্যালয়ৰ সকলো পৰীক্ষাৰ্থীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ পাই শীৰ্ষস্থান অধিকাৰ কৰিছিলো। এই দিনটোৰ স্মৃতি কেইবাধৰণেৰে মোৰ মনৰ পটত উজ্বলি আছে।

বি. এ. পৰীক্ষা দি উঠি মই শিৱসাগৰৰ ঘৰত আছিলোগৈ। ঘৰত যুটীয়ে-যুটীয়ে তাঁত লগাই গুণাৰ পাৰি বৈছিলো। আঠবাটি ব তুলি স্কাৰ্ফ বৈছিলো। এনেতে বি. এ. পৰীক্ষাৰ ৰিজাল্ট ওলাল। ভাল ৰিজাল্ট হোৱাৰ বাবে গোটেইখন তোলপাৰ লাগিল। চাৰিওফালৰপৰা চিঠি, টেলিগ্ৰাম আহিবলৈ ধৰিলে। প্ৰথম টেলিগ্ৰামখন পাইছিলো মোৰ শ্ৰদ্ধেয় মামা বিষ্ণুপ্ৰাণ চাংকাকতিৰপৰা। তেখেত সেই সময়ত ফ্লাড কণ্ট্ৰ'ল বিভাগৰ অতিৰিক্ত মুখ্য ইঞ্জিনীয়াৰ আছিল। তেখেত নিজেও অতিকৈ চোকা মানুহ আছিল। বেনাৰসৰপৰা ইঞ্জিনীয়াৰিং পৰীক্ষাত গ'ল্ড মেডেল পাইছিল। আৰু এক বিশেষ অভিনন্দন আহিছিল বিশেষজনৰপৰা। মোক অভিনন্দন জনাবৰ বাবেই তেওঁ নিজৰ কৰ্তব্য কাম এৰি আমাৰ ঘৰলৈ আহিছিল। মোক তেওঁ আন্তৰিক অভিনন্দন জনায়েই নিজ কৰ্তব্যলৈ উভতি গৈছিল। তেওঁৰ এনে অভাৱনীয় আগমন দেখি মোৰ অন্তৰ-আত্মা ৰোমাঞ্চত শিহৰি উঠিছিল। তেওঁ যোৱাৰ পাছত মোৰ ভনীজনীক আবেগেৰে সাবটি ধৰি সুধিছিলো,— "ইয়াৰে নাম প্ৰেম নে কি?"

পৰম পূজনীয় ড° বাণীকান্ত কাকতি ছাৰৰপৰা মোৰ ৰিজাল্টৰ বাবে অকুণ্ঠ অভিনন্দন জনাই দিয়া চিঠিখন পাই মই আনন্দত বিহ্বল হৈ পৰিছিলো। ছাৰে চিঠিত লিখিছিল,— "তোমাৰ ইমান ভাল ৰিজাল্টৰ পাছত তুমি এতিয়া গুৱাহাটীলৈ উভতি আহিবও পাৰা। তুমি সোনকালে গুৱাহাটীলৈ আহা আৰু এম. এ.ত নাম লগোৱাহি।" এই চিঠিখন মই জীৱনৰ শ্ৰেষ্ঠ সম্পদ হিচাপে বিবেচনা কৰোঁ। তেখেতৰ উপদেশমতে কলিকতাত এন্থ্ৰ'পলজিত এম. এ. পঢ়িবলৈ যোৱা বাদ দি মই গুৱাহাটীলৈ আহি অসমীয়াত এম. এ. পঢ়াৰ সিদ্ধান্ত ল'লো। এন্থ্ৰ'পলজিত পঢ়িবলৈ নোপোৱাৰ বাবে মোৰ এতিয়া কোনো খেদ নাই।

খুব সম্ভৱ, ১৯৫২ চনৰ নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহত (১ বা ২ তাৰিখে) এম. এ. পঢ়িবলৈ গুৱাহাটীলৈ আহিলো। ড° বাণীকান্ত কাকতিৰ নিচিনা মনীষীৰ তলত পঢ়িবলৈ পোৱাৰ নিচিনা সৌভাগ্যৰ কথা ভাবি-ভাবি মই ভিতৰি-ভিতৰি অতিশয় পুলকিত হৈ আছিলো। সেই ঘৰত ধোৱা চুৰিয়াখন আৰু বগা হাফ শ্বাৰ্টেৰে (হাফ শ্বাৰ্টত কেতিয়াবা বুতাম নথকাৰ বাবে শ্বাৰ্টটোত পথালিকৈ ছেফটি পিন মৰা) কেনভাছ শু পিন্ধা নাতিদীৰ্ঘ মানুহজন, সেই পৰিহাসপূৰ্ণ কথা আৰু খলখল হাঁহি। বাহিৰৰ আভৰণ কি সামান্য আনহাতে কি অসাধাৰণ মনীষা। কলিকতা বিশ্ববিদ্যালয়ত তেখেতে দুটা বিষয়ত দুবাৰকৈ সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছিল। "Assamese, Its Formation and Development",— এই কঠিন বিষয়টো সম্পৰ্কে দহ বছৰ জোৰা গৱেষণাৰ অন্তত উলিওৱা তেখেতৰ অমূল্য ভাষাবিজ্ঞানৰ গৱেষণা গ্ৰন্থ, 'সাহিত্য আৰু প্ৰেম'ৰ নিচিনা অনুপম কথাসাহিত্য ড° কাকতিৰ অতুলনীয় নিজস্ব গদ্যভংগীৰ স্বাক্ষৰ। সাহিত্য আৰু প্ৰেম নামৰ এই গ্ৰন্থ বাৰে বাৰে পঢ়ি থাকিলেও হেঁপাহ নপলায়। কিন্তু নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! জীৱনত কাকতি ছাৰৰ ক্লাছ এদিনলৈও কৰিবলৈ নাপালো। 'মেছিভ হাৰ্ট এটেক' হৈ কাকতি ছাৰে ১৫ নৱেম্বৰৰ দিনা পুৱা ইহ সংসাৰৰপৰা বিদায় ল'লে। কাকতি ছাৰৰ তলত পঢ়িবলৈ পোৱাৰ মোৰ সকলো স্বপ্ন মুহূৰ্ততে ধূলিসাৎ হৈ গ'ল। কিছুদিনৰ আগতে তেখেতৰ পত্নী বিয়োগ হওঁতে তেখেতৰ ৰিহাবাৰীৰ ঘৰলৈ গৈ দেখিছিলো যে ছাৰ স্থিতপ্ৰজ্ঞৰ দৰে অচল-অটল হৈ আছে আৰু অনেক মানুহ কান্দি-কাটি অথিৰ-অবিৰ হৈছে। কিন্তু ছাৰৰ চকুত এটোপালো পানী নাই। ছাৰৰ এই স্থিতপ্ৰজ্ঞ অবিচলিত ৰূপ দেখি মই অতিশয় আচৰিত হৈছিলো। কিন্তু ভিতৰি-ভিতৰি শোকত যে মানুহজনৰ অন্তৰ ভাগি চুৰমাৰ হৈ গৈছে সেইকথা অনুমান কৰিবৰো কোনো উপায় নাছিল। পোন্ধৰ নৱেম্বৰৰ দিনা প্ৰাতঃভ্ৰমণ কৰি আহিয়েই এই মনীষীজনা নিজৰ ঘৰতে ঢলি পৰিছিল।

সেইদিনা বিয়লি নবীন বৰদলৈ হলত হোৱা শোকসভাত মই উপস্থিত আছিলো

আৰু মোৰ বক্তৃতা অন্তৰ-আত্মাৰ ৰক্তেৰে ৰক্তাক্ত হৈ পৰিছিল। সেইবোৰ করুণতম স্মৃতি মনলৈ আহিলে মনৰপৰা আঁতৰাই থওঁ।

এইবাৰ গুৱাহাটীলৈ এম. এ. পঢ়িবলৈ আহি ছাত্ৰীবাৰীৰ হোৱাইট মে'মৰিয়েল গাৰ্লছ হোষ্টেলৰ বাসিন্দা হ'লোহি। এই মিছন হোষ্টেলটোৰ সেই সময়ৰ ছুপাৰিনটেণ্ডেণ্ট আছিল এগৰাকী আমেৰিকান ভদ্ৰমহিলা; নাম আছিল মিছ বাৰ্নহাম। ওখ-পাখ, দেখাত ধুনীয়া, বয়সীয়া এই মহিলাগৰাকী বৰ তীক্ষ্ণ আৰু কৰ্মনিপুণা আছিল। তেখেতে সেউজীয়া ৰঙৰ ফিয়েট গাড়ীখন নিজে চলাই মিছনেৰি কাম-কাজবোৰ কৰি ফুৰিছিল। তেখেতৰ তত্ত্বাৱধানতে আমাৰ হোৱাইট মে'মৰিয়েল হোষ্টেলখন অতি সুসজ্জিত আৰু ফুলে-জালিয়ে চালে চকুৰোৱা আছিল। এই হোষ্টেলখনত খৃষ্টান, হিন্দু, মুছলমান, জাতি-জনজাতি, পাহাৰ-ভৈয়ামৰ বহুতো ছোৱালী বৰ মিলাপ্ৰীতিৰে আছিল। মুকলি, ডাঙৰ কম্পাউণ্ডটোত বিভিন্ন খেলা-ধূলাৰ ঠাই আছিল। হোষ্টেলৰ ডাঙৰ বাৰাণ্ডাখনত এখন ডাঙৰ টেবুল টেনিছৰ ব'ৰ্ড আছিল। মই ইয়াতহে টেবুল টেনিছৰ ব'ৰ্ড প্ৰথম চুই পালো আৰু খেলিবলৈ শিকিলো। হোষ্টেলৰ কম্পাউণ্ডৰ এমূৰলৈ ছাত্ৰীবাৰী হস্পিটেলখন আছিল। এতিয়া হস্পিটেলৰ গাতে লগাই এটা সৰু গীৰ্জাও কৰা হৈছে। কম্পাউণ্ডটোৰ আন এটা মূৰে আছিল আমেৰিকান নাৰ্ছবিলাক থকাৰ বাবে এটা চাং বঙলা। তাতে পিয়ানো এটাও আছিল। মাজে-মাজে মই গৈ সেই পিয়ানো বজাইছিলো। তাৰ ওচৰত আছিল ছাৰ্জন আৰু ডাক্তৰৰ বঙলা। সিফালে এটা মূৰত আছিল এখন ছোৱালী স্কুল আৰু স্কুল হোষ্টেল। আমাৰ হোষ্টেলৰ ডাঙৰ উৎসৱ হৈছে খৃষ্টমাছ। আমাৰ নেৰানেপেৰা অনুৰোধত হোষ্টেলত শংকৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি আৰু ফাকুৱা উৎসৱো পালন কৰিবলৈ দিছিল। শংকৰদেৱৰ তিথি আৰু মাধৱদেৱৰ তিথিত ড° মহেশ্বৰ নেওগ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদিক নিমন্ত্ৰণ কৰি আনিছিলো। তেখেতসকলে বক্তৃতা দিছিল। ইয়াৰ লগতে অসমীয়া সংস্কৃতিৰ মৌমেল পাতিছিলো। হেম শইকীয়া বাইদেউ আৰু মই এইবোৰত আগভাগ লৈছিলো। আমাৰ হোষ্টেলৰ ছুপাৰিনটেণ্ডেণ্ট মিছ বাৰ্নহাম বৰ কৰ্তব্যপৰায়ণা মহিলা আছিল। সময় অনুযায়ী সকলো কাম নিয়াৰিকৈ কৰাটো তেখেতে পছন্দ কৰিছিল। ফলত নিয়মানুবৰ্তিতাৰ প্ৰতি আমাৰ মনবোৰো সজাগ হৈ পৰিছিল আৰু অভ্যাসত পৰিণত হৈছিল।

মিছ বাৰ্নহামে ৰাতিপুৱা দোকমোকালি হওঁতেই-নহওঁতেই তলৰ মহলাত থকা বিৰাট ষ্টাডি হলটোত বে'ল বজোৱাৰ লগে লগে আমি মুখ-হাত ধুই মূৰ আচুৰি ভাল কাপোৰ পিন্ধি ফিটফাট হৈ ওপৰমহলাৰপৰা তললৈ নামি আহি ৰাতিপুৱাৰ প্ৰাৰ্থনাত যোগ দিওঁহি। সেই প্ৰাৰ্থনাত কীৰ্তন, নামঘোষা আৰু বৰগীত গাই উঠি সেইবোৰৰ মূল কথাখিনি মই ইংৰাজীত কৈ-কৈ দিওঁ। প্ৰাৰ্থনাত অৰ্গেন বজোৱাটো মোৰ যেন

ধৰা-বন্ধা কামেই হৈ পৰিছিল। স্বৰলিপিৰ চাৰ্ট নোলোৱাকৈয়ে মই ইংৰাজী প্ৰাৰ্থনা গীতৰ সুৰবোৰ অৰ্গেনত বজোৱা দেখি ছাত্ৰীবাৰী কেম্পাছৰ ডাক্তৰৰ কোৱাৰ্টাৰ, নাৰ্ছৰ কোৱাৰ্টাৰৰ চাহাব-মেমসকল বৰ আচৰিত হৈছিল। প্ৰাৰ্থনাত যোগ দিবলৈ তেওঁলোকো মাজে-মাজে আহিছিল। তেওঁলোকৰ অনুৰোধক্ৰমে তেওঁলোকে গোৱা ইংৰাজী (বাইবেলৰ) প্ৰাৰ্থনাগীত কেইবাটাৰো সুৰ মই অৰ্গেনত বজোৱাত তেওঁলোক বৰ মুগ্ধ হৈছিল। পাছলৈ সকলো গীততে অৰ্গেন বজাব লগা হোৱাৰ উপৰিও মাজে-মাজে পাণবজাৰৰ চাৰ্চতো মিছ বাৰ্নহামৰ সৈতে গৈ মই অৰ্গেন বজাইছিলো।

ধুনীয়া চাং বঙলা এটাত মেমবোৰৰ, নাৰ্ছবিলাকৰ কোৱাৰ্টাৰ আছিল। তাৰ কাষতে আছিল এজোপা গুলঞ্চ ফুলৰ গছ। ফুল ফুলকেই বা নুফুলক, গুলঞ্চগছৰ ডালবোৰ বৰ ধুনীয়া। সেই কোৱাৰ্টাৰটোত এটা সুন্দৰ পিয়ানোও আছিল। মই সেইফালে কেতিয়াবা এনেয়ে গ'লে মিছ টাউচেণ্ড নামৰ নাৰ্ছগৰাকী আৰু তেওঁৰ লগৰীয়াসকলে মোক মাতি নি পিয়ানো বজাবলৈ দিছিল। পিয়ানোত মই জন্মগত প্ৰবৃত্তিৰেই যিকোনো গান বজাব পাৰিছিলো। এই কথাটোত মই নিজেও আচৰিত হৈছিলো। কাৰণ মই অৰ্গেন বা পিয়ানো বজোৱাৰ শিক্ষা ক'তো লোৱা নাছিলো। হয়তো পূৰ্বজন্মত অৰ্গেন আদি বাদ্য বজোৱাৰ অভ্যাস আছিল! এইবোৰ বৰ সুন্দৰ স্মৃতি।

ফিফ্থ ইয়েৰত থাকোঁতে খৃষ্টমাছৰ সময়ত ৰেণু মমিন বাইদেউহঁতে মোক ধুনীয়াকৈ সজাই-পৰাই 'খৃষ্টমাছ ফাদাৰ' কৰিছিল। পকা, দীঘল দাড়ি-চুলি লগাই দীঘল ৰঙাকোট পিন্ধাই এজন ৰঙা-বগা তুল-তুলীয়া বুঢ়া কৰি মোক সজাইছিল। অতি উলহ-মালহেৰে পতা বৰদিন উৎসৱত 'খৃষ্টমাছ ট্ৰি'ৰ তলত থিয় হৈ মই আটাইকে উপহাৰ দিছিলো। এই উপহাৰবোৰ ৰাতি-ৰাতি ছুপাৰ মিছ বাৰ্নহাম, ৰেণু বাইদেউ, মায়া বাইদেউ, গীতি আদি বান্ধৱীসকলে ৰঙীন কাগজ আৰু ৰেচমী ফিটাৰে অতি সুন্দৰকৈ বান্ধিছিল। জকমকীয়া সেই উৎসৱৰ ৰং যেন মোৰ গাত এতিয়াও লাগি আছে। এছ. ই. হোৱাইট মে'মৰিয়েল হোষ্টেলৰ প্ৰশস্ত বাৰাণ্ডাত থকা টেবুল টেনিছ ব'ৰ্ডখনত আমি আজৰি পালেই পিং পং (টেবুল টেনিছ) খেলিছিলো। টেবুল টেনিছ ঘাইকৈ খেলিছিল মোৰ পাঞ্জাবী বান্ধৱী বিমলা মহন্ত, তেওঁৰ ভনীয়েক উৰ্মিলা মহন্ত, মীৰা কানুগা, অমলা বেজবৰুৱা আৰু দীপিকা বেজবৰুৱা আদিয়ে। ৰানাৰ্ছ আপ পোৱাৰ যোগ্যতা হ'লেও মই টেবুল টেনিছত সিমান পাৰদৰ্শী নাছিলো। আনহাতে কিন্তু বেডমিণ্টনৰ বৰ উৎসাহী খেলুৱৈ আছিলো। খেলৰ কথা লিখি থাকোঁতে মোৰ বিভিন্ন বান্ধৱীবোৰৰ কথা মনলৈ আহিছে। অথচ নামবোৰ পাহৰণিৰ গৰ্ভত লীন গৈছে।

ছাত্ৰীবাৰী হোষ্টেলখন সকলো দিশৰপৰাই বৰ উজ্জ্বল হোষ্টেল আছিল। হোষ্টেল, হস্পিটেল, স্কুল আদি মিলি হোষ্টেলৰ বিশাল প্ৰাংগণত মাজে-মাজে একোখন fete

হৈছিল। কি সুন্দৰ সুখৰ পৰিৱেশ আছিল সেইবোৰ!

ফিফ্‌থ ইয়েৰ নে ছিক্স ইয়েৰত আমি কেইজনীমান ছোৱালী মিলি এখন ইংৰাজী নাটক কৰিছিলো। নাটকখনৰ নাম আছিল "Crocodiles Tear"। আমি আটাইবিলাকে মিলি নাটকখন লিখিছিলো আৰু মই ছুট-টাই-হেট পিন্ধা এজন পুৰুষৰ অভিনয় কৰিছিলো। ইয়াৰ স্বাক্ষৰ হিচাপে তেতিয়াই তোলা ফটো এখন এতিয়াও মোৰ হাতত আছে। ফটোখনত মোৰ বাহিৰেও শ্ৰীমতী অহল্যা গগৈ (সন্দিকৈ) আৰু ৰাহিদা বেগম আছিল। হোষ্টেলৰ সেই বিনন্দীয়া দিনবোৰ আৰু ক'ত ঘূৰাই পাম! হোষ্টেলত থাকোঁতে গান গোৱা মুহূৰ্তবোৰৰ কথা মনত পৰিলে মনলৈ আহে অতি দৰদী কণ্ঠৰ অধিকাৰী উত্তৰ লক্ষীমপুৰৰ উৰ্মিলা বৰুৱালৈ। তেওঁৰ বায়েক বিমলা আৰু ভনীয়েক বন্তিও বৰ সুন্দৰ গায়িকা আছিল। সন্ধিয়া হোৱাৰ আগে-আগে ষ্টাডি হলৰ অৰ্গেনত মই বহোঁ আৰু উৰ্মিলাই প্ৰাণ ঢালি গান গায়। কেতিয়াবা আমি দুয়ো একেলগে ডুৱেট গাওঁ। বন্তি, বিমলাহঁতে আহি যোগ দিলে সমবেত আধুনিক গীত হয়। তেনেকৈয়ে ৰাতি আহাৰ খায়েই 'ষ্টাডি আৱাৰ' নোহোৱা পৰ্যন্ত আমি গান গাইছিলো। আমাৰ লগত অন্য বান্ধৱীসকলো আহি যোগ দিয়ে। কোনোবাই ঝুমুৰ, কোনোবাই গোৱালপৰীয়া নৃত্য আৰু কোনোবাই বিহু নাচে। আমাতকৈ জুনিয়ৰ বেলি স্মিথৰ (দাস) নৃত্য এতিয়াও চকুৰ আগত ভাহি আছে। ডিঙিত ডাঙৰ কাঠৰ মালা পিন্ধা আৰু ডুৰি দিয়া হালধীয়া শাৰীৰে বেলি যে কিমান প্ৰাণচঞ্চলা আছিল!

ছাত্ৰীবাৰীৰ হোষ্টেলত থকা সময়ত, জোনাক-জোনাক লগা দিনবোৰত কাৰোবাৰ জীৱনলৈ আহিছিল শেৱালি ফুলৰ সুবাস, কাৰোবাৰ জীৱনলৈ খৰিকাজাঁইৰ আমোলমোল গোন্ধ, চম্পা ফুলৰ মতলীয়া সুগন্ধ।

মোৰ মৰমৰ ভনী বেলি স্মিথে সেই সময়তে লগ পাইছিল দীৰ্ঘদেহী সুগায়ক শ্ৰীনৰেন দাসক। অকণমানি জ্যোৎস্নাই লগ পাইছিল কবি সুশীল শৰ্মাক। ৰেণু মমিন বাইদেউ আৱেগ উতলা হৈ আছিল ড° উপেন বৰদলৈৰ সান্নিধ্যত। এইবোৰ জাত-পাততকৈ ওপৰত ধৰ্মৰ প্ৰাচীৰ ভাঙি বোৱা প্ৰেমৰ নিদৰ্শন। এইবোৰ যাত্ৰাই দুৰ্বাৰ শক্তি লাভ কৰিছিল আৰু সফলো হৈছিল বিবাহৰ পৰিসমাপ্তিৰে।

"তোমাৰ মোৰ
হ'ল পৰিচয় বিজন বনত
গানে গানে... "

এই গীতটো ১৯৫০ চনমানত বৰ চলিছিল। গানটো বা কাৰ আছিল! কেতিয়াবা কিছুমান কথা মনত এনেকুৱাকৈ লাগি ধৰে যে মনৰপৰা গুচাবই নোৱাৰি। পিন লাগি ধৰা ৰেকৰ্ডৰ দৰে বাজিয়েই থাকে, বাজিয়েই থাকে। এই গানটোও তেনে এটা গান

আছিল। মই আই. এ. পৰীক্ষা দিওঁতে, বিশেষকৈ কমাৰ্চিয়েল জিঅ'গ্ৰাফিৰ পৰীক্ষাৰ দিনা এনেকুৱাকৈ এই গানটো স্থান, কাল, পাত্ৰ পাহৰি মোৰ কাণত বাজি আছিল যে মই তাৰপৰা পৰিত্ৰাণ পোৱা নাছিলো। ক'ত কমাৰ্চিয়েল জিঅ'গ্ৰাফিৰ পৰীক্ষা, ক'ত এই গান! কি আচৰিত এই কথাবোৰ!

এই গানটোলৈ এই প্ৰসংগত এই কাৰণেই মনত পৰিল যে আমাৰ ছাত্ৰীবাৰীতো গানে-গানে পৰিচয় হ'ল দুজনৰ। ছাত্ৰীবাৰীত ফ্ৰেছাৰছ ছচিয়েল নে তেনে ধৰণৰ সংগীতমুখৰ এটা পৰিৱেশত আমাতকৈ ছিনিয়ৰ, সকলো কামতে আগভাগ লোৱা, জিলিকি থকা মুখৰ হেম বাইদেৱে (হেমপ্ৰভা শইকীয়া, ব'টানি বিভাগত এম. এ.ত নাম লগোৱা) হোষ্টেলৰ ছোৱালীবোৰক কোৰাছ এটা শিকাই দিবলৈ ব'টানিৰ ছাত্ৰ সুগায়ক এজনক মাতি আনিছিল। গীতৰ যাদু প্ৰথম দিনাই আৰম্ভ হ'ল। চিনাকি হ'ল চকুৰ লগত চকুৰ, কণ্ঠৰ লগত কণ্ঠৰ— যেন এক অমৃতময় লগ্ন। প্ৰেমৰ জোনাকী যাত্ৰা আৰম্ভ হ'ল আৰু ব্ৰাহ্মণ কন্যা আৰু অব্ৰাহ্মণ বৰৰ এই শুভবিবাহো সম্পন্ন কৰালে দুৰ্জয় প্ৰেমৰ শক্তিয়েই। সুন্দৰভাৱে যুগ্মজীৱন সমাপ্ত কৰা এই দুগৰাকী ব্যক্তিৰ নাম নিশ্চয় উল্লেখ কৰিব পাৰি— লায়লা-মজনুৰ দৰে তেওঁলোক দুজন হ'ল— ড° অমিয় মোহন দাস আৰু প্ৰয়াত উৰ্মিলা বৰুৱা।

আৰু যে কত কিমান ইতিহাস! মগ্ন লগ্নত আঙঠি দি পাছত আঙঠি ওভতাই দিয়াৰ কৰুণ কাহিনীৰেও অশ্ৰুসিক্ত হৈছিল ছাত্ৰীবাৰীৰ নিবিড় প্ৰকোষ্ঠ।

কেনেকৈ আৰম্ভ হৈছিল জনাৰ উপায় নাছিল— কিন্তু শৰতৰ স্নিগ্ধ সৌন্দৰ্যৰে উপচি আছিল মোৰ মৰমৰ বন্ধু নিৰু বৰুৱাৰ সেই দিনবোৰ। তেওঁ ফিলছফিত এম. এ. পঢ়িছিল আৰু কথা-বতৰা বৰ ঘৰুৱা, বৰ আপোন আছিল। তেওঁৰ মনৰ মানুহজন আছিল সৰ্বভাৰতীয় সেৱাৰ সুদক্ষ বিষয়া আই. পি. এছ. মিহিৰ বৰুৱা। তেওঁলোকে কোনো বাধানিষেধৰ কাঁইটত আঁচোৰ খাব লগা নহৈছিল। সুন্দৰ সুখী যুগ্মজীৱন তেওঁলোকে এতিয়াও উপভোগ কৰি আছে।

সেই সময়ৰ এই আন্তৰিক সম্বন্ধবোৰ উচ্ছৃংখল, উদণ্ড নাছিল। ইয়াৰ ৰূপ আছিল অবিকৃত, শান্ত, সংযমী।

তেনেকৈয়ে ছাত্ৰীবাৰী হোষ্টেলত কোনোঘৰে সদলবলে গৈ আনুষ্ঠানিকভাৱে আঙঠি পিন্ধোৱা কামো সম্পন্ন কৰিছিল। মিছ বাৰ্নহামে ফ্ৰক পিন্ধিয়েই ছোৱালীৰ মাক হৈ ৰুমৰপৰা কইনাক ধৰি-ধৰি সমাজলৈ (মানে ষ্টাডি হললৈ) উলিয়াই আনিছিল আৰু আমি জাঁত-জাঁত বিয়া নাম গাই ছাত্ৰীবাৰী উৎসৱমুখৰ কৰি তুলিছিলো।

মনত পৰে, ফৰিংফুটা জোনাক নিশা মিছ বাৰ্নহামে ইচ্ছুক ছোৱালীবোৰ লগত লৈ নদীৰ পাৰত জোনাক চাবলৈ নিয়াৰ কথা। কলকলাই-খলখলাই নদীৰ সৰু ঢৌবোৰৰ

দৰে আমি তেওঁৰ লগত জোনাকত খোজ কাঢ়িছিলো এক মাদকতাৰে।

ছাত্ৰীবাৰীত আমাৰ কত যে কিমান এক্সপেৰিমেণ্ট! আমাৰ হোষ্টেলৰ কেইজনীমান ছোৱালীৰ স্পিৰিট কল কৰাত পাৰদৰ্শিতা আছিল। তেওঁলোকে কেইবাবাৰো হাতে-হাতে প্ৰমাণ পাইছে। এই কথাটোত মোৰ সমূলি বিশ্বাস নাছিল। মোৰ নিচিনা এজনী অবিশ্বাসী পাই পাৰদৰ্শীকেইগৰাকী মোক বিশ্বাস কৰাবলৈ উঠি-পৰি লাগিল।

অমাৱস্যাৰ এৰাতি তেওঁলোকে উপবাসে থাকি ওপৰৰ ৰুম এটা মুচি-কাচি মেজৰ ওপৰত ধূপ-চাকি জ্বলাই 'প্লেনছেট' (planchette) এখন কৰি মোক টানি-আঁজুৰি ৰুমটোলৈ লৈ গ'ল। ৰাতি তেতিয়া এঘাৰ, চাৰে এঘাৰমান বাজিছিল। হোষ্টেলৰ আটায়ে টোপনিত। পগুছ পাইডাৰৰ সাঁফৰ এটা প্লেনছেটৰ ওপৰত থৈ তাতে সোঁহাতৰ এটা আঙুলি দি স্পিৰিটক ধ্যান কৰি মাতিব লাগে। মোৰো তৰ্জনী আঙুলিটো তেওঁলোকৰ সৈতে একেলগে একেটা সাঁফৰৰ ওপৰত থোৱাইছিল। দহ মিনিটমান যোৱাৰ পাছত কি আচৰিত সাঁফৰটো জোৰেৰে লৰচৰ কৰিবলৈ ধৰিলে। লগে-লগে তেওঁলোকে বৰ সন্ত্ৰস্তভাৱে স্পিৰিটৰ নাম সুধিলে আৰু কাগজত লিখি দিবলৈ ক'লে। লগে-লগে প্লেনছেটখনত লিখি থোৱা ইংৰাজী বৰ্ণমালাৰ আখৰবোৰলৈ সাঁফৰটো চলি গ'ল— প্ৰথমে 'এল', তাৰ পাছত 'এ', এনেকৈ গৈ-গৈ যি নাম দেখুৱালে সেই নাম হ'ল 'ললিতা'। মই থৰ লাগিলো। মোৰ আঙুলিটো এৰুৱাই আনিব নোৱাৰি, অদৃশ্য শক্তি এটাই যেন ধৰি আছে। তেওঁলোকে বিভিন্ন প্ৰশ্ন কৰিলে, পৰীক্ষাত পাছ কৰা-নকৰাৰ, বিয়া-বাৰু হোৱা-নোহোৱাৰ ইত্যাদি। মই একো প্ৰশ্ন কৰা নাছিলো। তীক্ষ্ণভাৱে মই কেৱল নিৰীক্ষণ কৰিছিলো। কিমান সময় এনেকৈ গ'ল, ধূপ জ্বলি-জ্বলি শেষ হ'ল, চাকিৰ তেল কমি আহিল, ললিতা নাযায়হে নাযায়। ইংৰাজী, অসমীয়া, হিন্দী সকলো ভাষাতে তেওঁক অনুৰোধ কৰা হ'ল যাবলৈ, নাই তেওঁ নাযায়; কি কৰা যায়! ইপিনে কাঠৰ ফ্লৰত খটপ-খটপকৈ ভৰিৰ খোজ শুনা গ'ল। মিছ বাৰ্নহাম, হোষ্টেলৰ ছুপাৰ ওপৰলৈ উঠি আহিছে। কোনোবাই নিশ্চয় আমাৰ এইবোৰ কথা ছুপাৰক লগালেগৈ। এইবোৰ নিষিদ্ধ কাম হোষ্টেলত কৰাৰ প্ৰতিফল ছুপাৰে বঢ়িয়াকৈ দিব— পলা, পলা, পলা! ইপিনে ললিতাই আঙুলি এৰি নিদিয়ে। প্লেনছেটসহ ধূপ-চাকি সোপাকে বাওঁহাতেৰে আমি সামৰি বেলকনিত সেইবোৰ পেলাবলৈ মাৰিলো লৰ— উশাহ-নিশাহ নোলোৱাকৈ জোৰেৰে দলিয়াই পেলাই আমি নিঃশব্দে আহি একেটা ৰুমতে দুৱাৰ মাৰি সোমাই কঁপিবলৈ ধৰিলো— ছুপাৰৰ আতংকত, ললিতাৰ আতংকত। পাছত শুনিবলৈ পালো ললিতা হেনো এটা বেয়া স্পিৰিট। ছাত্ৰীবাৰীৰ ওচৰে-পাঁজৰে থকা ক'ৰবাৰ ছোৱালী। আত্মহত্যা কৰা স্পিৰিট বোলে। মিছ বাৰ্নহামে ছোৱালীৰ লগত ছোৱালী শুবলৈ নিদিয়ে। তেওঁ ওপৰত টহল দিলে যদিও কোন ৰুমত কি

হৈছিল বন্ধ দুৱাৰৰ বাবে একো তত ধৰিব নোৱাৰিলে। পাছদিনা হাউচ মিটিঙত আন্দাজতে কেৱল চোকা ৱাৰ্নিং দিলে।

এই যে ভূতৰ শক্তি! বিশ্বাস কৰিম নে নকৰিম? আমি বি. এ., এম. এ. পঢ়ি থকাৰ সময়তে হ'ব পায় শিৱসাগৰৰ আমাৰ ঘৰৰ ওচৰতে ভাৰাঘৰ লৈ থকা বিহাৰী ৰঘু বুলি এটা বনুৱা মানুহ আছিল। সেই ৰঘুৰে ঘৈণীয়েক ৰঘুৱনীক বোলে এৰাবাৰীত খৰি লুৰিবলৈ যাওঁতে সন্ধিয়া পৰত বাঁকে ধৰি হাবিত লুকুৱাই থৈছিল। ওচৰৰে বিল এখনত কেঁচা মাছ খাই থকা বাঁকে তাইক ধৰিলে আৰু বাকৰ ঘৰলৈ লৈ গ'ল। ৰঘুৱনী ক'লা-মলা, তেনেই চুটি-চাপৰ মানুহ আছিল। বাঁকৰ হেনো ঘৈণীয়েকো আছিল। এমা-ডিমা কেইবাটাও ঘুটমুটীয়া ল'ৰা-ছোৱালীও আছিল। বাঁকে ধৰি অনা কেঁচা মাছেই সিহঁতৰ খাদ্য। ৰঘুৱনীকো কেঁচা মাছেই খুৱালে বোলে। বাঁকৰ ঘৈণীয়েকেহে বোলে বাঁক নথকা সময়ত বুদ্ধি কৰি তাইক বাঁকৰ হাতৰপৰা সৰুৱাই ঘৰলৈ পঠাই দিলে। অঁকৰা, বোবা হৈ তাই ঘৰ পালেহি। কেইবাদিনো ধৰি বেজে জৰা-ফুকা কৰাতহে ৰঘুৱনীৰ মাত ওলাল। তায়েই পাছত বাঁকে ধৰাৰ কথা আদ্যোপান্ত বিবৰি মানুহৰ আগত কৈছিল।

আমি সৰু থাকোঁতে মায়ে কোৱা শুনিছিলো আমাৰ ওচৰৰ গায়নগাঁৱৰ লখাই ককাইৰ সৰু ভায়েকটোক হেনো বাঁকে ধৰি আমাৰ ঘৰৰ সন্মুখৰ ট্ৰাংক ৰ'ডৰ দাঁতিত থকা পুলৰ তলত মূৰটো মাটিত সুমুৱাই ওলোটাকৈ পুতি থৈছিল। সন্ধিয়া সময়ত ঘৰৰ পৰা নোহোৱা মানুহটোক পাছদিনা পুৱাহে মানুহে তেনে অৱস্থাত উদ্ধাৰ কৰিলে।

তেনেকুৱাবোৰ দিনতে আকাশবাণীৰ ৰেডিঅ' প্ৰগ্ৰেম কৰিবলৈ স্বৰ্ণ চেতিয়াকে (গগৈ) আদি কৰি কেইগৰাকীমান বান্ধৱীক আইনামৰ বিভিন্ন সুৰবিলাক শিকাইছিলো। তেনে এটা আইনামৰ প্ৰথম শাৰী আছিল— 'মূৰত ফুলৰ চৰু লৈ ভৱানীক আদৰোঁগৈ, আহিছে ভৱানী জগত জননী প্ৰাণীক দয়া কৰিবলৈ।" জোনাক নিশা হোষ্টেলৰ প্ৰাংগণৰ ঘাঁহত বহি নতুবা জাৰকালি ঘূৰণীয়াকৈ বহি মই মোৰ লগৰীয়া বা জুনিয়ৰবোৰক ইংৰাজী আৰু অসমীয়া 'লেছন' প্ৰায়ে বুজাই দিব লগা হৈছিল। এইক্ষেত্ৰত ভানু পদ্মপতিৰ মুখখন ফটফটীয়াকৈ মনত পৰিছে। মই বুজালেনো সিহঁতে কি পায় নাজানো— আটাইবোৰে নিৰ্মল বাইদেউ, নিৰ্মল বাইদেউকৈ বলিয়া।

সেইদৰে সকলোৰে চকুৰ পানীবোৰ মচি দিওঁতাও ময়েই। প্ৰত্যেকৰে মনৰ গোপন দুখৰ কথা মোকেই কয়, মই অতি সমব্যথাৰে শুনো আৰু কাৰো অন্যায় নোহোৱা পৰামৰ্শ দিওঁ। সিহঁতৰ হেনো মোক কথা ক'লে মন্দিৰত কোৱা যেন লাগে। কিমানৰ যে কিমান দুখ! কাৰোবাৰ মাতৃ বিয়োগৰ দুখ, কাৰোবাৰ দেউতাকে পুনৰায় বিয়া কৰোৱাৰ দুখ, কাৰোবাৰ বিদেশলৈ ককায়েক গৈ ঘূৰি নহাৰ দুখ, কাৰোবাৰ কোনোবাই

কথা দি প্ৰবঞ্চনা কৰাৰ দুখ, কাৰোবাৰ মনৰ মতন লগৰীয়া বিচাৰি নোপোৱাৰ দুখ, কাৰোবাৰ প্ৰতিপক্ষৰপৰা সঁহাৰি নোপোৱাৰ দুখ,— কত যে কি! কোনোবাই প্ৰেমিকলৈ চিঠি লিখিব নাজানে, মই লিখি দিব লাগে, কোনোবাই হাউছ মিটিঙত ইংৰাজীত কথা ক'ব নাজানে, মই শিকাই দিব লাগে, কোনোবাই মেট্‌চ্‌ কৰি কি পিন্ধিব লাগে মই দেখুৱাই দিব লাগে, কোনোবাই ব্লাউজ চিলাব নাজানে মই হোষ্টেলৰ তলৰ মহলাত থকা মেছিনত গৈ চিলাই দিব লাগে। এনেবোৰত মোৰ অকৃপণ সাহচৰ্য আটায়ে পাইছিল।

এইবোৰৰ ফাঁকে-ফাঁকে মই সেই সময়ত 'নতুন অসমীয়া'ৰ দেওবৰীয়া চ'ৰালৈ আৰু অন্যান্য আলোচনীলৈ নিয়মিতভাৱে কবিতা-প্ৰবন্ধ আদি লিখি পঠাইছিলো আৰু সেইবোৰ সুন্দৰভাৱে প্ৰকাশ পাইছিল। মই 'চিল চিল চিলা, বাগি চিল মিলা' নামৰ শিশু উপন্যাসখন লিখিবলৈ আৰম্ভ কৰিছিলো সেই সময়তে।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰি থ'লে ভাল হ'ব। মোৰ লগৰ বা জুনিয়ৰ কাৰোবাৰ অসুখ হ'লে ৰাতিক দিন কৰি মই পৰিচৰ্যা কৰিছিলো। তেওঁৰ কাষত বহি ক্লাছৰ কিতাপ পঢ়ি শুনাইছিলো। মোৰ এনেকুৱা এটা মনৰ ভাব আছিল যে "আয়ে দেহি! ঘৰৰপৰা ইমান দূৰত আছেহি, মাক-দেউতাকতো কাষত নাই, কোনে চাব।" সমবেদনাত মোৰ অন্তৰ সদায় তিতি থাকে। ফ্লোৰেন্স নাইটিংগেলৰ সেই একে আদৰ্শই মোক হয়তো পৰিচালিত কৰিছিল।

মোৰ নিজৰো এটা ক্ৰনিক অসুখ আছিল। সেইটো হৈছে মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত হোৱা অতিশয় পেটৰ বিষ আৰু অত্যন্ত বেছি ৰক্তস্ৰাৱ। যেতিয়াৰপৰাই ডাঙৰ হ'লো, তেতিয়াৰপৰা এই অসুখ। কিমান যে অশোকাৰিষ্টকে আদি কৰি হোমিঅ'পেথিক, আয়ুৰ্বেদিক ঔষধ খালো, নাই একোতে নিৰাময় নহয়। প্ৰতিটো ফাইনেল পৰীক্ষাৰ সময়ত ভয়ত অন্তৰ কঁপি থাকে। এনেকুৱা সময়ত পৰীক্ষা পৰিলে মোৰ কি গতি হ'ব? বি. এ. পৰীক্ষাৰ এনথ্ৰ'পলজি প্ৰেক্টিকেলৰ সময়ত মোৰ এই অৱস্থা। কি যন্ত্ৰণাৰে যে পৰীক্ষা দিছিলো! এইবোৰ দেখি-শুনি মায়ে মোক ডিব্ৰুগড় মেডিকেল কলেজত এবাৰ দেখুৱাই আহিবলৈ জোৰকৈ ধৰিলে। মাৰ কথামতেই ফিফ্‌থ ইয়েৰৰ পঢ়া শেষ কৰি গৰম বন্ধত মই ডিব্ৰুগড়লৈ গৈ ভনীজনীৰ ঘৰত থাকি গাইন'কল'জিৰ প্ৰফেছাৰ ডা. কৃষ্ণণক দেখুৱালো। তেখেতে 'D & C' অপাৰেশ্যন কৰিব লাগিব বুলি ক'লে। সেই মতে মেডিকেল কলেজতে মোক অপাৰেশ্যন কৰোৱা হ'ল। জেনেৰেল এনাছ্‌থেছিয়া দি অপাৰেশ্যন কৰোঁতে আন্ধাৰৰপৰা আন্ধাৰলৈ ক্ৰমে সোমাই যোৱা আৰু চেতনা হেৰুউৱা অৱস্থাটোৰ কথা মই 'ক'লাজামুৰ লগ্ন' বুলি অন্য অৰ্থত লিখা কবিতা এটাৰ প্ৰথম কেইশাৰীমানত আছে। এনেকুৱা এনাছ্‌থেছিয়াত

মৃত্যুৰ অভিজ্ঞতায়েই যেন হয়। হস্পিটেলত মই কেইবাদিনো থাকিব লগা হৈছিল। সেই সময়তে কেইবাগৰাকীও নাৰ্চ মোৰ ঘনিষ্ঠ বন্ধু হৈ পৰিছিল আৰু তেওঁলোকৰ জীৱনৰ গোপন তথ্য, ইতিহাসৰ কথা কৈছিল। মোৰ হস্পিটেলৰ দিনকেইটাত অপূৰ্ব সুন্দৰ ৰঙা গোলাপৰ উপহাৰ বিশেষজনৰপৰাও আহিছিল। হস্পিটেলত থাকোঁতে দিয়া ফুলৰ উপহাৰ চাগে সৰ্বোৎকৃষ্ট উপহাৰ। ৰং আৰু সুৰভিয়ে মনক আপ্লুত কৰে আৰু বেলেগ স্তৰৰ আনন্দ দিয়ে। এই আনন্দ জীৱনত প্ৰথমবাৰৰ কাৰণে অনুভৱ কৰিলো। ফুলে সোঁৱৰাই দিছিল মৰণৰ ইপাৰে থকা জীৱনৰ কথা, জীৱনৰ ৰং আৰু সুৰভিৰ কথা। ই কিমান যে অৰ্থব্যঞ্জক!

সেই সময়ছোৱাত মই যেন জীৱন-মহাজীৱনৰ টনা-আঁজোৰাৰ মাজতহে পৰিছিলো। জীৱন বৰ অনুপম। কিন্তু মহাজীৱন তাৰ বিপৰীতে হ'লেও ই মহত্তৰ। মোৰ পাৰ্থিৱ অস্তিত্বই ৰঙে-ৰূপে, আনন্দ-বাসনাই ভৰা পৃথিৱীখনৰ সৌন্দৰ্য আঙুৰ ৰসৰ দৰে যেন টোপটোপকৈ আস্বাদন কৰিব খুজিছিল। কিন্তু অপাৰ্থিৱ সত্তাই কিজানি বিচাৰিছিল অপাৰ্থিৱ আনন্দৰ সন্ধান। মনৰ মাজত কি তীব্ৰ এই দ্বন্দ্ব! মুহূৰ্তে-মুহূৰ্তে যেন উঠা-নমা। এনে দ্বন্দ্বৰ মাজতে অন্তৰাত্মাই যেন কৈ উঠিছিল— "ভালকৈ চোৱাচোন আৰু হৃদয়ত কাণ পাতি শুনাচোন— এয়া দেখোন মোৰেই ৰূপ, এই সুৰবোৰ দেখোন মোৰেই বাঁহীৰ সুৰ।" মই যেন চঁক খাই উঠিছিলো। "আমি কাণ পেতে ৰয়"— ৰবীন্দ্ৰ সংগীতটোলৈ বাৰে-বাৰে মনত পৰিছিল। মনত পৰিছিল টলষ্টয়ৰ সাধুকথালৈ। য'তে প্ৰেম, ত'তে ভগৱান। মই অহৰহ বিচাৰি ফুৰা মোহন কৃষ্ণৰ মুৰুলীধ্বনি শুনিছোঁ নে কি? সদায়েতো কীৰ্তনত গাইছিলো—

"মোহন দেহু দৰিশন
গোপিনী প্ৰাণ
পেখহো তযু চৰণ ..."

যদি তেওঁ এনেকৈয়ে আহিছে মই সঁহাৰি দিম নে নিদিম— এই চিন্তা কৰোঁতে-কৰোঁতে ভিতৰি-ভিতৰি মই অবশ হৈ পৰিছিলো, সামাজিক বন্ধনৰ কাঁইটে মোক যেন থকাসৰকা কৰিছিল। I fall upon the throngs of life, I bleed. বৈ যাব খুজিও বৈ যাব নোৱাৰোঁ। এক যেন তীব্ৰতাৰে বৈ যাব খোজা স্ৰোতস্বিনীক পৰ্বত প্ৰমাণ বাধাই ৰুদ্ধ কৰা অৱস্থাহে।

গৰম বন্ধটো শিৱসাগৰত মা-দেউতা, মোৰ ছোৱালীজনী, ভাইকেইটা আৰু আত্মীয়-স্বজনৰ লগত কটাই ষষ্ঠ বাৰ্ষিকত পঢ়িবলৈ বুলি আকৌ গুৱাহাটীলৈ আহিলো। আকৌ সেই অনিন্দ্যসুন্দৰ ছাত্ৰীবাৰীৰ হোষ্টেল। ফাগুনৰ আশীৰ্বাদ এইবাৰ যেন মুক্তাৰ দৰে

গুটি-গুটি আখৰ হৈ উৰি আহি মোৰ পঢ়া মেজ ওপচাই পেলালে। ইমান জোনাকেৰে ওপচা এখন নীলা আকাশ মই ক'ত লুকুৱাম! আকাশক এখন চিঠিৰ দৰে ভাঁজ কৰি গাৰুৰ তলত লুকুৱাই থ'বতো নোৱাৰি। মোৰ পৰম বন্ধু, ৰুমমেট স্বৰ্ণই মোক জীৱনৰ আশ্বাস দিলে। মই আশ্বস্ত হ'লো।

দিন বাগৰিল। এম. এ. পৰীক্ষালৈ সাজু হৈছোঁ, এনেতে মোৰ দেউতাৰ বৰ টান অসুখ বুলি খবৰ আহিল। তেতিয়াৰ দিনত প্ৰিভিয়াছ ফাইনেল বুলি কথা নাছিল। দুয়ো বছৰৰ আঠখন পেপাৰৰ পৰীক্ষা একেলগে দিয়াৰ নিয়ম আছিল। তাকো মাজত এদিনো বন্ধ নথকাকৈ। কেৱল এইথ পেপাৰখনৰ আগত দেওবাৰটো পৰে কাৰণে এদিন গেপ পাওঁ। পৰীক্ষা দি উঠি মোক ঘৰলৈ নিবলৈ আহি ৰৈ থকা বৰঠাকুৰ দাইটিৰ লগত লৰালৰিকৈ ঘৰলৈ গ'লোগৈ। দেউতাৰ অপাৰেশ্যন কৰিব লগা অসুখ হোৱাত দেউতা সম্পূৰ্ণ শয্যাশায়ী আছিল। দেউতাৰ অসুখৰ আগে-আগে এদিন হেনো সন্ধিয়া আমাৰ ঘৰত ফেঁচা সোমাই দেউতাৰ পালেঙৰ ওপৰৰ খুঁটি এটাতে অলপ সময় বহি আছিল। তাৰ পাছতে ঘৰৰ সকলোৱে চিঞৰ-বাখৰ কৰি খেদি পঠোৱাত বাহিৰলৈ ওলাই গৈছিল্। ঘৰত ফেঁচা সোমালে অমংগল হয় বুলি জ্যোতিষী পণ্ডিতসকলে কোৱাত মাকে আদি কৰি পৰিয়ালৰ মানুহবোৰ বৰ ভীতিগ্ৰস্ত হৈ পৰিছিল। তেওঁলোকৰ দিহামতেই গ্ৰহ পূজা, হোম আদি বহুতো মাংগলিক কাৰ্য কৰা হৈছিল। কিন্তু ভাগ্যলিপি কোনে খণ্ডাব পাৰে! এই ঘটনাৰ কিছুদিনৰ পাছতে দেউতাৰ অসুখ আৰম্ভ হোৱাত অমংগলৰ ধাৰণাটো পৰিয়ালৰ মানুহৰ মাজত তীব্ৰ হৈ উঠিছিল।

দেউতাৰ অসুখটো আছিল প্ৰষ্টেট গ্লেণ্ড এনলাৰ্জমেণ্ট। এই অসুখটোৰ বাবে দেউতাৰ প্ৰায়ে প্ৰস্ৰাৱ বন্ধ হৈ গৈ যমৰ যাতনা ভোগাইছিল। বয়স হোৱাৰ কাৰণে দেউতাক ডাক্তৰসকলে পৰাপক্ষত অপাৰেশ্যন কৰাব খোজা নাছিল। আজিকালি এইটো অসুখৰ অপাৰেশ্যন কৰা কোনো কথাৰ কথাই নহয়। কিন্তু তেতিয়া আছিল ১৯৫৫ চন।

মই মাত্ৰ পৰীক্ষা দিছোঁহে, ক'তো একো সংস্থান হোৱা নাই। ভাইকেইটাও স্কুলত পঢ়া, সৰু হৈ আছে। দেউতা শয্যাগত। দেউতাৰ অবিহনে পৰিয়ালটোৰ দায়িত্ব কোনে ল'ব? মোৰ ছোৱালী আইজনী তেতিয়া এল. পি. স্কুলত। শয্যাগত দেউতাৰ মুখলৈ চাবলৈ মই সাহস গোটাব পৰা নাছিলো বেজাৰত।

দশ মহাবিদ্যাই যেন প্ৰকৃতিৰ দহোটা ৰূপ, জীৱনৰ ভয়, শংকা, আতংকৰ, আনন্দৰ, মৰণৰ সকলো ৰূপ মোৰ চাৰিওদিশে প্ৰকট কৰিছিল। কেনি লৰি কোনফালে পলাম। তেতিয়া একমাত্ৰ কৰ্তব্য আছিল সমুখ সংগ্ৰামত অৱতীৰ্ণ হোৱাৰ। মই ভিতৰি ভয় খালেও ঘৰত আটাইকে ময়ে অভয় দিব লাগিব। কাৰণ ময়েই ঘৰৰ আটাইতকৈ

ডাঙৰ। ডাক্তৰ আদিৰ লগত পৰামৰ্শ কৰি দেউতাক শিৱসাগৰতে ডাক্তৰৰ চিকিৎসাধীন কৰি থৈ মই গুৱাহাটীলৈ উভতি আহিলো। এম. এ.ৰ লগতে মই 'Law'-ত এডমিছন লৈছিলো। ৰাতিপুৱা-ৰাতিপুৱা ক্লাছ হৈছিল। Law সম্পূৰ্ণ কৰিম বুলি ছাত্ৰীবাৰী হোষ্টেলত কিছুদিন থকাৰ পাছতে Law-ৰ Preliminary পৰীক্ষা দিবলৈ ওলাওঁতে দেউতাৰ খুব বেছি গা অসুখ বুলি খবৰ পাই য'ৰে পৰীক্ষা ত'তে এৰি মই ততাতৈয়াকৈ ঘৰ পালোগৈ আৰু দেউতাক ডিব্ৰুগড়ৰ মেডিকেল কলেজলৈ লৈ গ'লো। কেইবাজনো ডাক্তৰৰ লগত পৰামৰ্শ কৰি দেউতাক এক্সৰে কৰোৱা হ'ল। এক্সৰেত প্ৰষ্টেট গ্লেণ্ড ডাঙৰ হোৱাৰ বাবেই বাৰে-বাৰে এনে ধৰণৰ অসুখ হৈ আছে বুলি ডাক্তৰে ক'লে। সেইবাৰলৈ ডাক্তৰে ঔষধ আদি দি দেউতাক ঘৰলৈ পঠাই দিলে যদিও পাছৰবাৰ এনে হ'লে অপাৰেশ্যন কৰাৰ বাহিৰে অন্য উপায় নাথাকিব বুলি ক'লে। দেউতাৰ বয়সো হৈ আহিছিল। বেছি বয়সত তেতিয়া অপাৰেশ্যন কৰিবলৈ সকলোৱে ভয় কৰিছিল। দেউতা কিছু সুস্থ হোৱাত শিৱসাগৰৰ ঘৰত থৈ মই পুনৰ গুৱাহাটীলৈ উভতিলো।

সেইখিনি সময়তে মোক শিৱসাগৰৰ ফুলেশ্বৰী হাইস্কুলত শিক্ষকতা আৰু শিৱসাগৰ ছোৱালী কলেজৰ প্ৰিন্সিপাল হ'বলৈ মাতিছিল। পাছে শিৱসাগৰত আবদ্ধ হৈ থকাতকৈ গুৱাহাটীৰ নিচিনা ঠাইত থাকিলেহে মোৰ বিকাশ হ'ব বুলি দেউতাৰ দৃঢ় প্ৰত্যয় আছিল। দেউতাই কৈছিল,— তাই ইয়াত থাকিলে অমুকৰ জীয়েক বুলিহে পৰিচিত হ'ব। তাইৰ নিজৰ পৰিচয় নিজৰ ঠাইত কেতিয়াও নহ'ব। তাই নিজৰ নামেৰে উজ্বলি উঠাটোহে মই বিচাৰোঁ। শাৰীৰিকভাৱে ইমান অসুস্থতা আৰু মানসিকভাৱে ইমান নিঃসংগ হৈয়ো দেউতাই মোক গুৱাহাটীলৈ পঠাইছিল, যদিও মই ঘৰত থাকিলেহে দেউতাই অত্যন্ত সাহস পায় বুলি মই জানিছিলো।

সেই সময়ত আচৰিত সাহসৰ পৰিচয় দিছিল আমাৰ মায়ে। দেউতাৰ ৰোগশয্যাৰ কাষত এখন প্ৰকাণ্ড টেবুল বিভিন্ন ঔষধেৰে পৰিপূৰ্ণ হৈ থাকিছিল। দিনটোত কিজানি বাৰ-চৈধ্যটামান বেলেগ-বেলেগ দৰব দেউতাক বিভিন্ন সময়ত দিব লাগিছিল। তাৰ উপৰিও দেউতাৰ বিভিন্ন পৰিচৰ্যাও মায়ে কৰিব লাগিছিল। মায়ে যে কেতিয়াও একো ভুল নকৰাকৈ ৰোগশয্যাত পৰি থকা দেউতাক ইংৰাজী আখৰৰ এই দৰববোৰ কেনেকৈ দিছিল ভাবিলে আচৰিত লাগে। দুই-তিনিটা ভঁৰালেৰে এখন সম্পূৰ্ণ গৃহস্থী সকলোপিনে চলোৱা, ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, ঘৰৰ সমস্ত ৰন্ধা-বঢ়া, ৰোগীক শুশ্ৰূষা কৰা.— এই সকলোবোৰ মায়ে অকলে চলাইছিল। অবিকৃত, সুস্থ জীৱনবোধে তেওঁবিলাকক কেৱল ত্যাগৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰিছিল। মোৰ ভনীজনীৰ ল'ৰা-ছোৱালী ৰুমী আৰু ৰাজক সিহঁতৰ আঢ়ৈ বছৰৰপৰাই মায়ে আনি লগত ৰাখি শিৱসাগৰৰ স্কুলত নাম লিখাই দিছিল। ৰুমীয়ে শিৱসাগৰত মণ্টেশ্বৰি স্কুলৰ ক্লাছ ৱানৰপৰা শিৱসাগৰ ছোৱালী

কলেজত প্ৰি ইউনিভাৰ্ছিটিলৈকে পঢ়ি পাছ কৰি ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কলেজৰপৰা বি. এ. পাছ কৰিলে। ৰাজেও এল. পি. স্কুল শিৱসাগৰতে পাছ কৰি ডিব্ৰুগড়ৰ জৰ্জ স্কুলত নাম লিখিলেগৈ। ঘৰখনত সেই সময়ত স্কুলত পঢ়ি থকা মোৰ ভাই তিনিটা, মোৰ ছোৱালী আইজনী আৰু ভণ্টিৰ ল'ৰা-ছোৱালী ৰাজ-ৰুমীকে ধৰি মুঠ ছটা ল'ৰা-ছোৱালীৰ জঞ্জাল মায়ে মাৰিব লগা হৈছিল। সিহঁতৰ আল ধৰিবলৈ কোনো আয়া নাছিল। আলহী-অতিথিৰে ভৰা ঘৰ। তদুপৰি ঘৰখনত বাৰ মাহত তেৰটা পূজা-সেৱা লাগি আছেই।

দেউতা ইমান তীক্ষ্ণবুদ্ধিসম্পন্ন আৰু খামিডাঠ ব্যক্তিত্বপূৰ্ণ স্বাৱলম্বী মানুহ আছিল যে অসুস্থতাৰ বাবে বিছনাত অসহায়ৰ দৰে থকাটো দেউতাই সহজে মানি ল'ব পৰা নাছিল। দেউতাই ঘৰখনৰ উপাৰ্জনৰ বাবে একো কাম-কাজ কৰিব নোৱৰা হোৱাত বৰ অসহায় অনুভৱ কৰিছিল। ব্যৱসায় কৰি স্বচ্ছলভাৱে চলিছিল যদিও বহুতো দান-দক্ষিণা আদি কৰাৰ ফলত সঞ্চয় একো কৰিব পৰা নাছিল। সঞ্চয়ৰ ভিতৰত কিছু মাটি কিনিছিল আৰু থকা ঘৰটো বৰ আহল-বহলকৈ পকাকৈ সজাইছিল। দেউতাই দুখীয়া ল'ৰা বহুতক পঢ়াইছিল। দেউতাৰ অসুখৰ কাৰণে বাৰে-বাৰে মই শিৱসাগৰ-গুৱাহাটী কৰি থাকিব লগা হৈছিল। গুৱাহাটীৰ ঘৰখনৰ সকলো দায়িত্ব ময়েই ল'ব লগা হৈছিল। তাৰ ওপৰতে পৰিছিল শিৱসাগৰৰ ঘৰৰ গুৰু দায়িত্ব।

ইতিমধ্যে এম. এ. পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল। মই সুখ্যাতিৰে পাছ কৰি চাকৰিৰ সন্ধানত লাগিলো। কাৰণ চাকৰি এটা মোৰ কাৰণে সেই সময়ত বৰ প্ৰয়োজন হৈ পৰিছিল। দেউতাই মই ডাক্তৰী পঢ়াটো প্ৰথমে ইচ্ছা কৰিছিল। বিষয়টো তেতিয়া বৰ অবজেকটিভ যেন লাগিছিল। সেইকাৰণে সেই বিষয়টোৰ প্ৰতি মোৰ আকৰ্ষণ নহ'ল। তাৰ পাছত দেউতাই ইচ্ছা কৰিছিল মই যাতে সৰ্বভাৰতীয় সেৱাত (IAS) নামো। সেই সময়তে গুৱাহাটীত ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰ, ড° নেওগ ছাৰ আদিৰ তত্ত্বাৱধানত IAS-অৰ ট্ৰেইনিং চেণ্টাৰ এটাও খুলিছিল। ফ্ৰান্সৰ এজন অধ্যাপকো আহিছিল। Law পঢ়ি থকা সময়তে মই কেইমাহমান তাত ক্লাছো কৰিছিলো কেৱল দেউতাক ভাল লগাবলৈকে। মই বুজিছিলো এডমিনিষ্ট্ৰেটিভ ছাৰ্ভিচেও মোক আকৰ্ষণ নকৰে। সিদ্ধান্তবোৰ মোৰ ভুল হোৱা নাছিল। মই সেই ক্লাছ কৰা বাদ দি দিল্লীত হোৱা এটা ইণ্টাৰভিউ দিবলৈ গ'লোগৈ। এই ইণ্টাৰভিউ দিবলৈ মোক লগত লৈ গৈছিল মোৰ পৰম শ্ৰদ্ধেয় দাদা, সুসাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যোগেশ দাস দেৱে। তেওঁ আছিল আমাৰ নিজৰ তেজৰ দাদাৰ দৰে। আমাৰ ঘৰখনৰ লগত তেওঁৰ যেন আপোন সম্বন্ধ আছিল। সেই ইণ্টাৰভিউটোত পাছ কৰিলে মই বিদেশলৈ যাবলৈ স্কলাৰশ্বিপ পাম। তাত ভাষা শিক্ষাৰ অধ্যয়ন হ'ব, ডক্টৰেট (Ph.D.) হ'ব

আৰু ক'ৰবাত চাকৰিও হৈ যাব পাৰে। দিল্লীত মোৰ ইণ্টাৰভিউটো বেচ ভাল হ'ল আৰু মই যে চল্লিছজন প্ৰাৰ্থীৰ ভিতৰত নিৰ্বাচিত হৈছোঁ এই কথা ভিতৰুৱাকৈ গম পালো। দিল্লীলৈ মই এইবাৰেই প্ৰথম যোৱা। তাত গৈ আকাশবাণীৰ প্ৰয়াত পদ্ম বৰাৰ ঘৰত আছিলোঁগৈ। তাৰপৰাই ইণ্টাৰভিউ দি মই আগ্ৰা আৰু মথুৰা-বৃন্দাবনলৈ গৈছিলো। সেই স্মৃতিবোৰ এতিয়াও অম্লান হৈ আছে। দিল্লীৰপৰা ঘূৰি আহিয়েই ছাত্ৰীবাৰী হোষ্টেললৈ যাওঁতে দেখিলো দেউতা পুনৰ অসুস্থ হৈ পৰা খবৰেৰে মাৰ চিঠি। শোকত মোৰ হিয়া ভাগি গ'ল। দেউতাক এইটো অৱস্থাত এৰি অসহায় মাৰ কাষত ভাইকেইটা আৰু ছোৱালীজনী থৈ মই কোন সতেৰে বিদেশলৈ যাবলৈ ওলাইছোঁ! মই স্বাৰ্থপৰ হৈছোঁ নে কি? মই পাছদিনাই Ministry of Education-লৈ এখন চিঠিযোগে লিখিলো যে দেউতাৰ ছিৰিয়াছ অসুখৰ বাবে মই তিনি বছৰৰ কাৰণে ঘৰৰপৰা আঁতৰি থাকিব নোৱাৰিম। সেয়েহে মোক যেন নিৰ্বাচন কৰা নহয়। পাছত ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰে এই কথা শুনি মোক খুব খং কৰিছিল। ছাৰে কৈছিল,— "সুযোগ সদায় আহিবনে?" মই ভাবিছিলো— নাহিলেও উপায় নাই। মই মোৰ কৰ্তব্যৰ প্ৰতি উচৰ্গিত (dedicated)। তাৰ পাছত পুনাৰ Linguistic Summer School হোৱাৰ খবৰ বিশ্ববিদ্যালয়লৈ আহিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰে মোক তিনি মাহৰ বাবে সেই Summer School-লৈ পঠালে। গুৱাহাটীৰপৰা কলিকতালৈ প্লেনেৰে গৈ হাওৰাৰপৰা ট্ৰেইনত বম্বেলৈ গৈছিলো আৰু তাৰপৰা ইলেক্‌ট্ৰিক ট্ৰেইনেৰে পুনা অভিমুখে ৰাওনা হৈছিলো। Summer School হোৱা ঠাই য়াৰবেদা পুনাৰপৰা তিনি মাইল দূৰ। টাংগাৰে মই য়াৰবেদালৈ গৈছিলো। তাতে বিখ্যাত ডেক্কান কলেজত Summer School হৈছিল। ডেক্কান কলেজত হোষ্টেলতে মোক থাকিবলৈ দিছিল। সেই ছামাৰ স্কুলতে কেইবাগৰাকী বিশ্বৰ প্ৰখ্যাত ভাষাবিজ্ঞানী লগ পাইছিলো। ড° সুনীতি কুমাৰ চেটাৰ্জী, ড° সুকুমাৰ সেনে সেই কলেজৰ প্ৰশিক্ষণৰ ভিজিটিং প্ৰফেছাৰ হিচাপে যোগ দিছিল আৰু মই প্ৰথমবাৰৰ বাবে তেখেতসকলক লগ পাইছিলো। ড° সুকুমাৰ সেন সপৰিয়ালে গৈছিল। তেখেতৰ পৰিবাৰক মই 'মা' বুলি মাতিছিলো আৰু তেখেতে মোক নিজ কন্যাৰ দৰে মৰম কৰিছিল। তেখেতৰ জীয়াৰী ড° সুনন্দা সেন আৰু পুত্ৰ বৰ্তমান কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সুভদ্ৰ সেন মোৰ নিতান্ত আপোন হৈ পৰিছিল। ভাষাবিজ্ঞানী ড° সুকুমাৰ সেন আৰু ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে মোৰ খবৰ অনবৰতে লৈ আছিল। এই সময়খিনিত পুনা আৰু বম্বেৰ প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ মাজে-মাজে গৈছিলো। তিনি মাহৰ মূৰত বিভিন্ন ছেমিনাৰ আৰু সংগীত সন্ধিয়া আদিত যোগ দি পৰীক্ষাত প্লাছ ৱান পাই চাৰ্টিফিকেট লৈ গুৱাহাটীলৈ উভতি আহিছিলো। এই ডেক্কান কলেজতে তেতিয়া ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ড° গোলোক চন্দ্ৰ গোস্বামী, ড° উপেন্দ্ৰ

নাথ গোস্বামী আদিক লগ পাইছিলো। তেখেতসকলো ভাষাবিজ্ঞানৰ প্ৰশিক্ষণ ল'বলৈ তালৈ গৈছিল।

পুনাৰপৰা ঘূৰি অহাৰ পাছত ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰে মোক ভাষা সম্পৰ্কতে ডক্টৰেট কৰিবলৈ নিৰ্দেশ দিলে আৰু তাৰ বাবে খাছী ভাষাটোৱেই মোৰ কাৰণে ভাল হ'ব বুলি তেখেতে ক'লে। ময়ো তেখেতৰ পৰামৰ্শক্ৰমে খাছী ভাষাৰ বিষয়ে গৱেষণা কৰিবলৈ প্ৰস্তুত হ'লো। খাছী ভাষা জনা ইণ্টাৰপ্ৰেটাৰ এজনো যোগাৰ হ'ল। ব্ৰহ্মপুত্ৰৰ পাৰৰ লুইছ মে'মৰিয়েল হোষ্টেলত থাকি হেমলেট বাৰে নামৰ এজন খাছী ছাত্ৰই এম. এ. পঢ়ি আছিল। তেওঁকেই ইণ্টাৰপ্ৰেটাৰ কৰিলো। সপ্তাহত দুদিনমানকৈ ছাত্ৰীবাৰী হোষ্টেললৈ আহিবলৈ অনুৰোধ কৰিলো। কিছুদিন এই কামত মনোনিবেশ কৰাত কিছু কাম আগবাঢ়িল যদিও মই সম্পূৰ্ণকৈ এই কামত মন বহুৱাব পৰা নাছিলো। মই লাহে লাহে বুজি উঠিলো যে ভাষাবিজ্ঞান মই মনে বিচৰা বিষয় নহয়। কাৰণ এনেধৰণৰ ভাষাৰ ব্যাকৰণ সম্বন্ধীয় কথাবোৰে মোক আকৃষ্ট নকৰা যেন অনুভৱ কৰিছিলো। মই যদিও Language Group-তে এম. এ. পাছ কৰিছিলো, কিন্তু মোৰ একান্ত আগ্ৰহ আছিল সাহিত্যৰ A Group-টোলৈহে। মই সদায় তুলনামূলকভাৱে সাহিত্যৰ কাকতকেইখনতহে বেছি নম্বৰ পাইছিলো। সেয়েহে গৱেষণাৰ কামো এৰা-ধৰা হ'ল। বিভিন্ন দিশৰপৰা সেই সময়ত মোৰ মনত যেন এটা ধুমুহাহে চলিছিল। মাটিত ভৰি দি মাটি কি বস্তু তাক মই প্ৰথম যেন চিনি পাইছিলো। মাটি যিমান কোমল সিমান কঠিনো। সোঁতৰ মাজত তেনেই অকলশৰীয়া টুলুঙা নাওখন ধুমুহাত উটি-ভাহি নোযোৱাকৈ কেনেকৈ যে চলাই নিব পাৰিলো ভাবিলে এতিয়া অবাক হওঁ। হয়তো জীৱনৰ বিচিত্ৰ দিশক ভাল পোৱা গভীৰ প্ৰাণশক্তিটোৱেই ইয়াৰ চালক আছিল। বিভিন্ন আদৰ্শ, অধ্যয়ন, দায়িত্ববোধ,— এইবিলাকেই চাগৈ আছিল অদৃশ্য পৰিচালক। সমাজখন তেতিয়াও আছিল অন্ধ কুসংস্কাৰেৰে পৰিপূৰ্ণ। ছোৱালীয়ে সেই সময়ত পঢ়া-শুনা কৰি বৰ বেছি প্ৰতিষ্ঠিত হোৱাও নাছিল। ছোৱালী স্কুলবোৰ সেই সময়ত প্ৰতিষ্ঠা হৈছিল, স্কুলত শিক্ষয়িত্ৰীৰূপে কিছুসংখ্যক গৃহিণীয়ে কামো কৰিছিল আৰু অবিবাহিতা বা ঘৰ এৰি অহা দুই-চাৰিগৰাকী মহিলাও আছিল। তেওঁবিলাকে নিজৰ-নিজৰ ঘৰত থাকি অথবা ছোৱালী হোষ্টেলৰ ছুপাৰ হৈ কুসংস্কাৰৰপৰা আত্মৰক্ষা কৰিছিল।

মই কাৰোবাৰ ঘৰত থাকি চাকৰি কৰাৰ কথা কল্পনা কৰিবতো নোৱাৰোঁৱেই, দেউতা-মাইতেও নোৱাৰে। আমাৰ তেনে কোনো সম্বন্ধীয়া বাইদেউ, নবৌ, খুৰী, পেহী নাছিল যে যি মোৰ লগত আহি থাকিব। মই সংকটৰ সন্মুখীন হৈছিলো যদিও ভগৱানৰ ওপৰত আৰু নিজৰ ওপৰত থকা বিশ্বাসে মোৰ খোপনি দৃঢ় কৰি ৰাখিছিল। পৰিস্থিতি আৰু মনৰ মাজত যুজোঁতে-যুজোঁতে মোৰ স্নায়ু ৰোগে দেখা দিলে।

দেউতাৰ অসুখৰ কাৰণে বাৰে-বাৰে মই শিৱসাগৰ-গুৱাহাটী কৰি থাকিব লগা হৈছিল। ইতিমধ্যে মই Law পঢ়াটো বাদ দিয়াৰ কথা ভাবিলো। এনেয়েও এইটো মোৰ আগ্ৰহৰ বস্তু নাছিল। মোক সাহিত্যইহে বৰকৈ টানিছিল। দেউতাই ইচ্ছা কৰাৰ কাৰণেহে মই Law পঢ়িবলৈ লৈছিলো। দেউতাই ভাবিছিল মোৰ অকলশৰীয়া জীৱনত Law বিষয়টো জানি থ'লে বৰ সহায়ক হ'ব। কিন্তু Law-ৰ বিভিন্ন Section-বোৰ মুখস্থ ৰাখিবলৈ মই বৰ বেয়া পাওঁ। আনহাতে Law পঢ়া বাদ দিলে মোৰ হোষ্টেলৰ Seat-টোও এৰিব লাগিব। ছাত্ৰীবাৰীৰ হোষ্টেলখন কেৱল ষ্টুডেণ্টৰ বাবেহে।

অৱশেষত Law পঢ়াটো বাদ দিয়াৰ সিদ্ধান্তই ল'লো। অৱশ্যে ফাইনেল ইয়েৰলৈকে পঢ়িলো। গতিকে হোষ্টেল এৰি গুৱাহাটীৰ ক'ৰবাত ঘৰভাৰা কৰি থকাৰ কথা আহি পৰিল। এই বিষয়ত মোৰ পূৰ্বৰ কোনো অভিজ্ঞতা নাই। অকলশৰে ঘৰভাৰা কৰি থকাটো এলাপেচা কথা নহয়। ৱৰ্কিং ওমেন হোষ্টেল তেতিয়া তেনেকৈ নাছিল। শয্যাগত দেউতাক বা মোৰ আজলী মাক মোৰ সমস্যাবোৰৰ বিষয়ে জনাই মানসিক যন্ত্ৰণা দিয়া নাছিলো। ভাবিছিলো সকলো কামৰ দায়িত্ব নিজে ল'ব লাগিব। সেইখিনি সময়তে ছাত্ৰীবাৰী হোষ্টেলত আহি কেইদিনমান 'গেষ্ট' হৈ থকা মোৰ বন্ধু সৰোজ দত্তক লগ পালো। সৰোজ ডিব্ৰুগড়ৰ। ফিজিক্‌ছত কলিকতা বিশ্ববিদ্যালয়ৰপৰা M. Sc. পাছ কৰি কটন কলেজত লেকচাৰাৰ হিচাপে সোমাইছে। তেওঁৰো থকাৰ সমস্যা হৈছে বুলি জনালে। মোৰ একেই সমস্যা। গতিকে সৰোজেই ক'লে যে ক'ৰবাত ঘৰ এটা বিচাৰি একেলগে আমি থকাৰ কথা। সৰোজেই চানমাৰিৰ ৰে'লৱে' লাইনৰ সিপাৰে থকা প্ৰিয়লতা কাকতি বাইদেউৰ পাৰ্ট ঘৰ এটা বিচাৰি উলিয়ালে। পেয়িং গেষ্ট হিচাপে বাইদেউৰ লগতে খোৱা-বোৱা হ'ব। বাইদেউৰ লগত তেতিয়া বাইদেউৰ সম্বন্ধীয়া ভায়েক গোবিন্দ কাকতি আছিল। এতিয়া তেখেত দুয়োজন ইহ সংসাৰত নাই। সৰোজৰ লগত মই তিনি-চাৰিমাহমান একেলগে আছিলো। কিছুমান কথাত সৰোজ মোৰ বিপৰীত আছিল। সৰোজ ৰন্ধা-বঢ়া কৰা, ঘৰ চাফ-চিকুণকৈ ৰখা এইবোৰৰ প্ৰতি একেবাৰে উদাসীন আছিল। আনহাতে পঢ়া-শুনাত বৰ চোকা আছিল। সেই সময়ত সৰোজৰ বিয়াও হোৱা নাছিল। এই সময়খিনিত মাজে-মাজে আমি দুজনীয়ে ব্ৰহ্মপুত্ৰৰ পাৰত, বিশেষকৈ উজানবজাৰৰ পকীঘাটত অথবা ওপৰৰ সাতপুখুৰীপাৰত নৈলৈ চাই-চাই অজস্ৰ কথা পাতিছিলো। ৰাতিও প্ৰিয়লতা বাইদেউৰ ঘৰৰ জোনাকত বহি মই প্ৰায়ে গান গাইছিলো আৰু গোবিন্দ মামা, বাইদেউ আৰু সৰোজ এই গানৰ বৰ মুগ্ধ শ্ৰোতা আছিল।

এনে সময়বোৰতেই মোৰ মানসিক দ্বন্দ্বও চূড়ান্ত পৰ্যায়লৈ গৈছিল। এহাতে সৌভাগ্যৰ আকাশ চিৰদিনৰ কাৰণে ভৰপূৰ জোনাকেৰে মোৰ জীৱনলৈ নামি আহিব

খুজিছিল আৰু মই প্ৰাণ-পণে সেই সৌভাগ্যৰ আকাশ দূৰলৈ ঠেলিছিলো। বন্দী গুহাৰ মাজত মই অকলে কোনেও নজনাকৈ ছটফটাই আছিলো। কিহৰ কাৰণে ইমান যন্ত্ৰণা হৈছিল এই প্ৰশ্ন যদি মই নিজকে কৰোঁ, এতিয়া স্পষ্টকৈ বুজি পাওঁ যে মোৰ দায়িত্ববোধে মোক ব্যক্তিগত সুখৰ প্ৰতি ভয় জন্মাইছিল। কোনোবাই যদি কয়,— এয়া সংস্কাৰ আছিল, সেই কথা মই নামানো। কাৰণ সামাজিক অন্ধ বিচাৰৰ প্ৰতি মোৰ কোনো আনুগত্য নাছিল। মোৰ ছোৱালীজনীৰ প্ৰতি থকা অশেষ দায়িত্ব, মোৰ সৰু-সৰু ভাইকেইটাক ডাঙৰ কৰি নিজৰ ভৰিৰ ওপৰত থিয় কৰোৱাৰ দায়িত্ব মোৰ ওপৰতে অৰ্পিত বুলি মই সজ্ঞানে ভাবিছিলো আৰু প্ৰতিটো মুহূৰ্ততে তাৰ কাৰণে সচেতন আছিলো। প্ৰেম এক অনিৰ্বচনীয় শক্তি। ই ইহজীৱন, পৰজীৱন সকলো আলোকিত কৰে। মোৰ মন এই ভাবে চিৰদিন আচ্ছন্ন কৰি আহিছে। প্ৰেমৰ পাৰ্থিৱপ্ৰাপ্তি মোৰ মনে বিচৰা নাছিল আৰু কোনোদিনে নিবিচাৰে। অপাৰ্থিৱ উপলব্ধিয়েই মোৰ আত্মাৰ পোহৰ, সৰ্বকালৰ শান্তি।

মানৱীয় প্ৰেমৰো যে মহত্ত্ব আছে এই কথাবোৰ মই সৰোজক বুজাইছিলো। বশিষ্ঠৰ সন্ধ্যা-ললিতা-কান্তাৰ শিলকেইটাৰ ওপৰত বহি মোৰ জীৱনৰ চোওঁ-নোচোওঁ মায়াময় অভিজ্ঞতাৰ কথা কৈছিলো। ৰবি ঠাকুৰৰ 'শেষেৰ কবিতা' আমি দুয়োজনীয়ে আবৃত্তি কৰিছিলো। সেই মুহূৰ্তবোৰলৈ মনত পৰিছে।

ছাত্ৰীবাৰীৰ শেষৰ সময়ছোৱাৰপৰাই মই আকাশবাণী ৰেডিঅ'ৰ 'অকণিৰ মেল', 'মহিলাৰ চ'ৰা' আৰু ন খুৰী হৈ 'গাঁৱলীয়া ৰাইজৰ মেল' চলোৱাৰ দায়িত্বৰ উপৰিও 'নতুন অসমীয়া' কাকতৰ দেওবৰীয়া আলোচনী চলোৱা আৰু অকণিমেলৰ মৌকুঁৱৰী হোৱাৰ দায়িত্বও পালন কৰিছিলো। মৌকুঁৱৰী হৈ মৌগুটিৰ কাৰণে লিখা চিঠিবোৰে সেই সময়ত আলোড়নৰ সৃষ্টি কৰিছিল। লগতে 'ৰামধেনু' আলোচনীখনৰ সম্পাদনাতো তেতিয়া সহায় কৰিছিলো। 'ৰামধেনু'ৰ তেতিয়া সম্পাদক আছিল বীৰেন দা (ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য)। 'নতুন অসমীয়া' বাতৰিকাকত আৰু 'ৰামধেনু' আলোচনীত মোৰ কবিতা-গল্প আদি যথেষ্ট প্ৰকাশ পাইছিল।

সেই সময়ৰ নতুন অসমীয়াৰ সম্পাদক শ্ৰদ্ধেয় কীৰ্তিনাথ হাজৰিকাদেৱ মোৰ লেখাৰ বৰ ৰসগ্ৰাহী পাঠক আছিল। তেখেতৰপৰা মই অশেষ প্ৰেৰণা লাভ কৰিছিলো। আনজন প্ৰেৰণা যোগোৱা আৰু মই লিখা ভাষাৰ পৰি-পৰি প্ৰশংসা কৰা ব্যক্তি আছিল পৰম শ্ৰদ্ধেয় বুৰঞ্জীবিদ, সাহিত্যিক বেণুধৰ শৰ্মা ডাঙৰীয়া।

সৰোজ ছুপাৰ হৈ কটন কলেজৰ গাৰ্লছ হোষ্টেললৈ যাব লগা হোৱাত ময়ো নিজাকৈ ভাৰাঘৰ বিচাৰিব লগা হ'ল। উজানবজাৰৰ ভুবন ব'ডত এটা পাৰ্ট ঘৰ মাহে ৬০ টকাত অৱশেষত বন্দবস্ত কৰা হ'ল। ঘৰটো আছিল অসমীয়া ছবিৰ অভিনেতা, সংগীতশিল্পী

বিজয়শংকৰ দাসৰ মাকৰ মাক স্বৰ্গীয়া আইতাৰ ঘৰ। মোৰ লগত থাকিবলৈ শিৱসাগৰৰপৰা মোৰ ডাঙৰ ভাই সোণক (নৱজ্যোতি বৰদলৈ) পঠিয়াবলৈ দেউতাই সিদ্ধান্ত ল'লে। সোণ তেতিয়া মেট্ৰিক পৰীক্ষা দিবলগা ল'ৰা। সোণ অহাৰ পাছত তাক কামৰূপ একাডেমি স্কুলত নাম লগাই দিলো। এজন ঘৰুৱা শিক্ষককো নিযুক্তি দিয়া হ'ল।

উজানবজাৰৰ সেই ঘৰখন অতি শীঘ্ৰেই আমাৰ এখন আপোন ঘৰৰ দৰে হৈ পৰিল। ঘৰৰ মালিক আইতা, বাইদেউ, মামী আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী আইমণি (সুৰূপা), বুলবুল (সুলেখা), পুতুল (তুলিকা), বাপধন (ত্ৰিদিব)ৰ মাৰ্জিত আৰু মৰমিয়াল আচাৰ-ব্যৱহাৰে আমাক তেওঁলোকৰ আপোনজন কৰি তুলিছিল। পোৱালি বাইদেউ আৰু আইজনী মামীৰ মৰম মই কেতিয়াও পাহৰিব নোৱাৰোঁ। তেতিয়া শ্বিলঙত থকা শ্ৰীযুত নলিনী দাসৰ পত্নী শ্ৰীযুতা বাবী জেঠাইদেউ (শিল্পী বিজয়শংকৰৰ মাতৃ) আমাৰ নিজৰ জেঠাইদেউৰ নিচিনাই হ'ল। এই সম্ভ্ৰান্ত মানুহ কেইঘৰে স্নেহেৰে যেন নিজৰ আপোনজনৰ নিচিনাকৈ চিৰজীৱন মোক বন্দী কৰি ৰাখিলে। এনে ভাল মানুহৰ ঘৰ লগ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথাই আছিল। আইতাৰ তিনিওজন পুত্ৰ শ্ৰীপ্ৰবোধ দাস, শ্ৰীসুবোধ দাস আৰু শ্ৰীপ্ৰমোদ দাস আমাৰ মামা হৈ পৰিল। তেওঁবিলাকৰ পৰিয়ালৰো আপোন হ'লো। সুখে-দুখে তেখেতসকলে মোক অনবৰতে আবৰি ৰাখিছিল। জেঠাইদেউহঁতৰ আতিথ্য লৈয়েই মই শ্বিলঙৰ দেবকুমাৰ হলত পতা এক ধৰ্মীয় অনুষ্ঠানত বক্তৃতা দি বৰ সমাদৰ পাইছিলো।

উজানবজাৰৰ ভাৰাঘৰত অলপদিন কটোৱাৰ পাছতে স্থানীয় বি. বৰুৱা কলেজত লেকচাৰাৰৰ কাম ওলাল। মোৰ অগ্ৰজস্বৰূপ ড. প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য দেৱ সেই সময়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল। তেখেতে এদিন লতাশিলৰ চাৰিআলিৰ ওচৰত লগ পাই মোক ক'লে,— "আইদেউ, কলেজত কাম ওলাইছে, কৰিবানে? মন কৰা যদি দৰখাস্ত এখন দিবা।" মই যিদিনা দৰখাস্ত দিবলৈ গ'লো, সেইদিনা দৰখাস্ত লোৱাৰ শেষ তাৰিখ আছিল। মই দৰখাস্তখন খিৰিকীৰে কেৰেণীৰ হাতত দি থৈ গুচি আহিলো। চাকৰিটোৰ কাৰণে বহুতে দৰখাস্ত দিছিল যদিও মোৰখনেই বোলে নিৰ্বাচিত হ'ল আৰু সেইমতে ৰাতিৰ কলেজত যোগ দিবলৈ আহ্বান আহিল। মই নিৰ্ধাৰিত সময়মতেই কলেজত যোগদান কৰিলো। শিক্ষকতাৰ সেয়ে শুভ আৰম্ভণি।

ৰাতিৰ কলেজত কাম কৰিছোঁ আৰু বয়সীয়া ল'ৰাবোৰো পঢ়ুৱাইছোঁ। এগৰাকী মহিলাৰদ্বাৰা এনেবোৰ কাৰ্য হোৱা সৰ্বসাধাৰণৰ কাৰণে সেই সময়ত বিস্ময়ৰ কথা আছিল। মইনো কেনেকৈ ক্লাছ লওঁ তাকে চাবলৈ কামৰূপ একাডেমিৰ সন্মুখত ৰাস্তাৰ ওপৰত ৰাতি মানুহৰ জুম বান্ধিছিল। কলেজখনৰ তেতিয়াৰ প্ৰিন্সিপাল প্ৰখ্যাত

ৰাজনীতিবিদ, কবি, এম. পি, শ্ৰদ্ধেয় হেম বৰুৱা ছাৰ আৰু কলেজখনৰ অফিচৰ দায়িত্বত থকা অতি সৰবৰহী ব্যক্তি প্ৰয়াত ৰাজ্যমল ডেকাই ৰাস্তাৰ মানুহে কেনেকৈ জুম বান্ধি-বান্ধি মই পঢ়ুউৱা চাই থাকে সেই কথাবোৰ কৈছিল। ৰাতি উজানবজাৰৰ ঘৰলৈ মইনো কাৰ লগত ঘূৰি যাওঁ সেইবোৰ কথাও মানুহে লক্ষ্য নকৰাকৈ নাথাকিছিল। ক্লাছৰ শেষত মই সদায় অকলে ঘৰলৈ খোজকাঢ়ি গৈছিলো। ৰাতি একেবাৰে শেষৰ পিৰিয়ডলৈকে অৰ্থাৎ ৯-১৫ বজালৈকে মোৰ ক্লাছ আছিল। যাবলৈ ৰিক্সা নাপাম বুলি অজুহাত দেখুৱাই মই কেতিয়াও ৰুটিন সলাই লোৱা নাছিলো। কাৰণ মই জানিছিলো যে মালিগাঁৱৰ, জালুকবাৰীৰপৰা অহা দূৰ-দূৰণিৰ ছাত্ৰসকলো শেষৰ পিৰিয়ড হ'লেও মোৰ ক্লাছটো কৰিবলৈ আগ্ৰহেৰে বাট চাই থাকে। মই বুজালে হেনো এবছৰেও নুবুজা কথাটো এঘণ্টাতে বুজি পায়। মোৰ অন্য ক'ৰবাত চাকৰিলৈ যোৱাৰ কথা ওলালে ল'ৰাবোৰে সমস্বৰে কৈছিল,— "আপুনি আমাক এৰি যাবলৈ হ'লে আমি আপোনাৰ যোৱাৰ বাটত বুকু দি পৰি দিম।" তেতিয়াতো মোৰ চকুপানী ওলাইছিলেই এতিয়াও কথাখিনি লিখোঁতে মোৰ চকুৰ পানী ধাৰাসাৰে বুকু ভাওঁ ওলাই আহিছে। কলেজলৈ আহোঁতে বৰষুণত অকমান তিতা যেন দেখিলেই লৰি গৈ ল'ৰাবোৰে ছাতি ধৰিবগৈ, কেনিবা যাবলৈ হ'লে ৰিক্সা মাতি আনি তুলি দিব, নতুবা ছাতি ধৰি ঘৰত থৈ আহিবগৈ। মই প্ৰতিটো ক্লাছৰে ল'ৰাবোৰৰ ইমান মৰমৰ হৈছিলো যে নিজৰ তেজ-মঙহৰ সম্বন্ধও চাগৈ ইমান মৰমৰ নহয়। মই এদিন কলেজলৈ আহিব নোৱাৰিলেই ল'ৰাবোৰ ঘৰ ওলাবহি— আমাৰ বাইদেউৰ কি হ'ল? কিয় অহা নাই। সেই ল'ৰাবোৰ গৈ এতিয়া কিমান ডাঙৰ মানুহ হ'ল, বিষয়া হ'ল, নাম থকা কলেজৰ প্ৰিন্সিপাল হ'ল। অথচ এতিয়াও গুৱাহাটীৰ ৰাজপথত মোক দেখিলে এওঁলোকে ভৰি চুই প্ৰণাম কৰে। আনন্দ-বিষাদৰ থৌকিবাথৌত চকুলো বাগৰি যায়।

বি. বৰুৱা কলেজৰ উপাধ্যক্ষ আছিল এগৰাকী প্ৰখ্যাত ব্যক্তি শ্ৰদ্ধেয় সুৰেন্দ্ৰ নাথ দাস। সাহিত্যৰ অনুবাদ কাৰ্যত তেখেত সিদ্ধহস্ত আছিল। অনুবাদ সাহিত্যৰ বাবে তেখেতে ছোভিয়েট বঁটা লাভ কৰিছিল আৰু ছোভিয়েট দেশ ভ্ৰমণৰ সুযোগো পাইছিল। সেই সময়ৰ বি. বৰুৱা কলেজৰ অধ্যক্ষ হেম বৰুৱা ছাৰ সম্বন্ধত মোৰ মামা হয় যদিও মই তেখেতক 'ছাৰ' বুলিয়েই মাতিছিলো। তেখেত ইমান আকৰ্ষণীয় ব্যক্তি আছিল যে তেখেতে য'লৈকে যায়, তাতে মানুহে তেখেতৰ কথা শুনিবৰ বাবে জুম বান্ধে। তেখেতৰ ইংৰাজী বা অসমীয়া বক্তৃতা বৰ উচ্চ পৰ্যায়ৰ আৰু সাৱলীল আছিল। তেখেতে কবিতাও বৰ ভাল পাইছিল। তেখেতৰ অফিচ ৰুমটোৰপৰা কমনৰুমত বহি থকা মোক তেখেতে 'নিৰ্মল' বুলি চিঞৰি মাতিলে ভয়ত মোৰ বুকু কঁপে। কাৰণ কোনটোবা কবিতা এতিয়া আবৃত্তি কৰিবলৈ কয়। ভয়ে-ভয়ে তেখেতৰ ওচৰলৈ যাওঁ

আৰু কিয় মাতিছিল বুলি সোধাৰ লগে-লগেই জীবনানন্দ দাস, নহয় বিষ্ণু দে, নহয় শক্তি চট্টোপাধ্যায় নতুবা ডম মৰিছৰ কবিতা (Illustrated Weekly-ত প্ৰকাশ পোৱা) আবৃত্তি কৰি শুনাবলৈ কয়। কেতিয়াবা অন্য ব্যক্তিৰ (কবিৰ) কবিতাও মাতিবলৈ দিয়ে। জীবনানন্দ দাসৰ বহুত কবিতায়েই মোৰ মুখস্থ আছিল। তাৰ ভিতৰত 'হায়চিল' নামৰ কবিতাটো ছাৰৰ বৰ প্ৰিয় আছিল। কলেজ ছুটীৰ পাছত কেতিয়াবা ছাৰে তেখেতৰ গুণমুগ্ধ শিষ্যসকলৰ সৈতে মোক উজানবজাৰৰ ভাৰাঘৰত আগবঢ়াই থ'বলৈ যাওঁতেও বাটে-বাটে মই জীবনানন্দ বা ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতা আবৃত্তি কৰি যাব লগা হৈছিল। ছাৰে কবিতা মাতিবলৈ বাৰে-বাৰে দিয়াৰ ফলত কবিতা মই বেছিকৈ মুখস্থ কৰিব লগা হৈছিল আৰু কবিতা মোৰ প্ৰাণৰ বস্তু হৈ পৰিছিল। পাছলৈ এনেকুৱা হ'ল, ছাৰৰ কবিতাৰ মই প্ৰথম পাঠিকা হৈ পৰিলো আৰু ছাৰে মোক তেখেতৰ কবিতাবোৰ "আৰু ভাল কৰি দিবলৈ" মোক কোৱা হ'ল। ছাৰৰ কবিতাবোৰ দেখিলে এতিয়া কোনটো মোৰ শাৰী, কোনখিনিত মই কাটিছিলো মই ক'ব পাৰোঁ। ছাৰেই পোন প্ৰথম কবিতাৰ এখন সৰ্বভাৰতীয় ইংৰাজী সংকলনত মোৰ কবিতা অন্তৰ্ভুক্ত কৰিছিল। তেতিয়া সম্ভৱ ১৯৫৮ কি '৫৯ চন। ছাৰৰ সান্নিধ্যই, তেখেতে কোৱা দেশ-বিদেশৰ কথাই আমাৰ সকলোকে তন্ময় কৰি থৈছিল। ছাৰে মনে-মনে মোৰ ক্লাছ থকা ৰুমত গৈ মোৰ বক্তৃতাও শুনিছিল আৰু প্ৰশংসাও কৰিছিল। হেম বৰুৱা ছাৰৰে হওক বা সুৰেন্দ্ৰ মোহন দাস ছাৰৰে হওক আৰু ইফালে যোগেশ (দাস) দাদাৰে হওক, হাতত সদায় এখন ইংৰাজী বাহিৰা কিতাপ থাকিছিল। বি. বৰুৱা কলেজৰ এনে পৰিৱেশে, অধ্যাপকসকলৰ মাজত হোৱা কথোপকথনবোৰে মোক বৰ উৎসাহিত কৰিছিল আৰু ৰাতি প্ৰায় দুই বজালৈকে বাহিৰা কিতাপ পঢ়াৰ মোৰ আগৰ অভ্যাস পুনৰ সঞ্জীৱিত কৰি তুলিছিল। মই বি. বৰুৱা কলেজত কামত সোমোৱাৰ বাবে নিজকে বৰ সৌভাগ্যৱতী বুলি ভাবিছিলো। জীৱনত সংযোগ ঘটা কথাটো বৰ ডাঙৰ কথা। এনে সাহিত্যিক সংযোগনো কেইজনৰ ভাগ্যত ঘটে! তাতে প্ৰমোদ ভট্টাচাৰ্য দাদা আছিল মেধাৱী, বিভিন্ন দিশত অতি উৎসাহী আৰু সাংগঠনিক মনোবৃত্তিৰ লোক। তেওঁ বৰ কথকী আৰু আটাইকে আপোন কৰিব পৰা বিধৰ। অধ্যাপক ড° বীৰেন্দ্ৰনাথ দত্তৰ সৈতে মই একেদিনাই কলেজৰ কামত সোমাইছিলো। দত্ত বৰ 'উইটি' আৰু ৰসাল লোক। বুৰঞ্জীৰ অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ শৰ্মা, অৰ্থনীতিৰ অধ্যাপক শ্ৰীপৰমেশ্বৰ শৰ্মা, ফিলছফিৰ শ্ৰীহৰেন ডেকা,— এই সকলো আছিল একোজন বিচক্ষণ ব্যক্তি। অধ্যাপক শ্ৰীনিৰজ বৰুৱা, শ্ৰীহৰেন দাস, শ্ৰীশ্যামভদ্ৰ মেধি,— এই সকলো প্ৰগাঢ় বুদ্ধিসম্পন্ন লোক। কিছুদিনৰ বাবে অধ্যাপনাত যোগ দিছিল যদিও পাছলৈ ভাৰতীয় প্ৰশাসন সেৱা বিভাগলৈ এওঁলোক গ'লগৈ।

উজানবজাৰত ঘৰ ভাৰা কৰি সোণ আৰু টুটুৰ লগত মই থাকোঁতেই অমলা বেজবৰুৱা, ধীৰেন বেজবৰুৱা (ভাইটি) আৰু দীপিকা বেজবৰুৱাক (ভণ্টি) লগত লৈ মাতৃ কমলা বেজবৰুৱা মাহীদেউইঁতো উজানবজাৰৰ উগ্ৰতাৰা মন্দিৰৰ ওচৰৰ ভাৰাঘৰ এটাত আছিল। অমলা আৰু ভণ্টিৰ লগত মোৰ ছাত্ৰীবাৰীত থকাৰেপৰা গাঢ় বন্ধুত্ব আছিল। অমলা আৰু ভণ্টি টেবুল টেনিছ খেলাত বৰ পাৰদৰ্শী আছিল। সৰুৰেপৰা মাদ্ৰাজত থাকি খুৰাকৰ লগত অমলাইঁত ডাঙৰ-দীঘল হোৱা কাৰণে তেওঁবিলাক অন্য ছোৱালীতকৈ সেই সময়ত বহুত স্মাৰ্ট আৰু সুন্দৰকৈ ইংৰাজী ক'ব পৰা ছোৱালী আছিল। মেথমেটিক্‌ছত বৰ চোকা অমলাক মই অমলি বুলি মাতিছিলো। তেওঁ অৱশ্যে মোতকৈ অলপ ছিনিয়ৰ আছিল, পৰীক্ষা এবাৰ ড্ৰপ কৰাত মোৰ লগৰ হ'ল। উজানবজাৰত তেওঁবিলাক থকাৰ সময়ত ভাইটিয়ে বেনাৰচত এম. এ. (ইংৰাজীত) পঢ়ি আছিল আৰু সেই সময়ছোৱাতে চিনাকি হৈছিল বেনাৰচতে পঢ়ি থকা কল্পনাৰ লগত। কল্পনাক সৰুতেই বিয়া দিয়া হৈছিল আৰু বৰ সৰুতেই তেওঁৰ স্বামীৰ বিয়োগ হৈছিল। কল্পনাৰ শিক্ষাবিদ পিতৃয়ে তেওঁক শিক্ষা অৰ্জনৰ কাৰণে উৎসাহ দিছিল আৰু কল্পনা উচ্চ শিক্ষাৰ কাৰণে বেনাৰচত পঢ়িবলৈ গৈছিল। বেনাৰচতে ভাইটিয়ে কল্পনাৰ সৌন্দৰ্য আৰু সংগীত প্ৰতিভাত মুগ্ধ হৈ তেওঁক আত্মাৰ সংগীৰূপে পাণিগ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল। বিধৱা বিবাহ কথাটোৱেই তেতিয়া চঁক খাই উঠা কথা। সৰুতেই বিধৱা হোৱা মাতৃয়ে একেটা ল'ৰাই বিধৱা বিবাহৰ দৰে সাংঘাতিক কাম এটা কৰিবলৈ ওলোৱাৰ দৃঢ়তা দেখি ভয় খাইছিল— কিজানিবা ল'ৰাটোৰ অনিষ্ট হয়, প্ৰচলিত বিশ্বাসমতে আয়ুক্ষয় হয়! সম্বন্ধীয়া মানুহবোৰো দোমোজাত পৰিছিল সন্মতি জনোৱাৰ কথা লৈ। কিন্তু ধীৰেন (ভাইটি)ৰ সিদ্ধান্ত আছিল অত্যন্ত সাহসী তথা প্ৰশংসনীয়। সেই সময়তে'ৰামধেনু' আলোচনীখনত গাঁৱৰ বিধৱাৰ বিনা দোষত মূৰত পৰা সামাজিক অবিচাৰ, অন্ধবিশ্বাস, অভিশাপ আৰু যন্ত্ৰণাৰ কথাৰে এটা দীঘল কবিতা লিখিছিলো। কবিতাটোৰ নাম আছিল 'চিঠি'। এই কবিতাটোত বিধৱাৰ প্ৰতি মানৱীয় সহানুভূতি মৰ্মস্পৰ্শী হৈ উঠিছিল। অদৃষ্টৰ অভিশাপে শিলামূৰ্তি কৰি পেলোৱা বিধৱাও যে মানুহ এই কথা তাত ব্যক্ত হৈছিল।

যি নহওক ভাইটিৰ এই মানৱীয় তথা সাহসী পদক্ষেপক মই অকুণ্ঠভাৱে অভিনন্দন জনাইছিলো আৰু বিয়াখন পতাত সক্ৰিয় অংশগ্ৰহণ কৰিছিলো। মোৰ অশেষ আনন্দ যে তেওঁবিলাকৰ মিলনে অতি কৃতী সন্তানৰ জন্ম দিলে যাক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। গায়ত্ৰী, মৈত্ৰেয়ী (বুলবুলি, তুলতুলি) দুয়োগৰাকী তেওঁবিলাকৰ জীয়াৰী অতি উচ্চ শিক্ষাৰে জ্বলমল কৰি আছে। ভাইটি আৰু কল্পনায়ো নিজ-নিজ ক্ষেত্ৰত প্ৰশংসনীয় অৰিহণা আগবঢ়াই আছে। অন্ধবিশ্বাসৰ যে মূল্য নাই তেওঁবিলাকৰ সুখী দাম্পত্য

জীৱনে প্ৰমাণ কৰিছে। এইখিনিতে মোৰ মনত পৰিছে শিৱসাগৰৰ শ্ৰীঅভয়া বৰুৱাই (গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেৱাত আছিল) প্ৰায় একে সময়তে বিবাহ কৰাইছিল (১৯৫৭-৫৮ মানত নে কি) গুৱাহাটীৰ উজানবজাৰৰ বাল্য বিধৱা— অথচ সুন্দৰী যুৱতী ভুবনেশ্বৰীক। তেওঁবিলাকৰ সাহসী পদক্ষেপক মই শুভকামনা জনাইছিলো; তেওঁবিলাক এতিয়াও সন্তানসহ অতি সুখী দম্পতী। মানৱীয় কৰ্মৰ এইবোৰ জ্বলন্ত উদাহৰণ। লগতে উদাহৰণ সমাজৰ ধ্যান-ধাৰণাৰ পৰিবৰ্তনৰো। ভণ্টি (দীপিকা) আছিল পঢ়াত চোকা হোৱাৰ উপৰিও বৰ ধুনীয়া, চিলাইত পাৰদৰ্শী আৰু ৰুচিসম্পন্না। অতি গুণী। ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ চিফ ইঞ্জিনীয়াৰ আৰু নিপ্‌কোৰ চেয়াৰমেন অমায়িক শ্ৰীসত্যেন ফুকনৰ (বাপাই) লগত হোৱা তেওঁৰ বিয়াত ওৰে ৰাতি বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ পৰিবাৰ মাহীদেউৰ লগত বহি বিয়ানাম গোৱা আজিও মোৰ মনত আছে। যোৰানামো বহুত গাইছিলো।

অমলা, দীপিকাহঁতৰ কথা ওলালে প্ৰেমৰ কথাও মনত পৰে। প্ৰেম বালা বৰুৱা আছিল ডিব্ৰুগড়ৰ জীয়াৰী। ড° যোগীৰাজ বসুৰ এসময়ৰ প্ৰিয় ছাত্ৰী। প্ৰেমক লগ পাইছিলো প্ৰথম ছাত্ৰীবাৰীতে। প্ৰেমৰ ককাইদেউ আমাৰ আটাইৰে 'ককাইদেউ'। তেখেতে প্ৰেমলৈ অনা বিভিন্ন ফল-মূলৰ ভাগ আমিও পাওঁ। এম. এ.ত প্ৰেম আৰু মোৰ বিষয় আছিল 'অসমীয়া'। প্ৰেম আছিল বৰ নিৰ্জু, শান্ত আৰু চাফ-চিকুণ, পৰিপাটী। ডিব্ৰুগড়ৰ প্ৰেমৰ ঘৰলৈও মই গৈছিলো, প্ৰেমো আহি শিৱসাগৰৰ আমাৰ ঘৰত আছিল। প্ৰেমৰ পাছলৈ নগাঁৱৰ পুৰণিগুদামৰ (?) পিনে বিয়া হ'ল আৰু কৃতী শিক্ষয়িত্ৰী আৰু গৌৰৱান্বিত মাতৃৰূপে জীৱন নিৰ্বাহ কৰিলে। প্ৰেমৰপৰা মই কিন্তু আৰু আশা কৰিছিলো। তেনেকৈয়ে আশা কৰিছিলো মোৰ সম্বন্ধীয়া ভনী শ্ৰীমতী বীণা দেৱীৰ (বৰ্তমান বৰদলৈ, যোৰহাটৰ অধিবক্তা শ্ৰীযাদৱ বৰদলৈৰ পত্নী) পৰা। শিৱসাগৰৰ বেজবৰুৱা স্কুলৰ হেডমাষ্টৰ, ককা ৰত্ন শৰ্মাৰ সৰু জীয়াৰী বীণা অতি মেধাৱী ছাত্ৰী আছিল। লিচপিচকৈ ধুনীয়া বীণাৰ চেহেৰাটো মোৰ মনত জিলিকি আছে। বীণাও আছিল ছাত্ৰীবাৰীত আন এগৰাকী মেধাৱী ছাত্ৰী নীলিমা বৰুৱাৰ ৰুমমেট হৈ। নীলিমাও আছিল শিৱসাগৰৰ মৌজাদাৰ স্বৰ্গীয় সুশীল বৰুৱা দদাইদেউৰ ছোৱালী। নীলিমাৰ শিৱসাগৰ গাৰ্লছ কলেজৰ উপাধ্যক্ষাৰূপে চাকৰিত থাকোঁতেই অকাল বিয়োগ ঘটিল। বীণা শ্ৰীমণিকুন্তলৰ দৰে শীৰ্ষস্থান লাভ কৰি অহা পুত্ৰৰ গৌৰৱান্বিত মাতৃ হৈ থাকিল। অন্য সাধনাৰপৰা বিৰত থাকিল।

'সাধনা' শব্দটো লিখাৰ লগে লগে মনত পৰিল সাধনা শব্দ থকা অন্য এটা বাক্যলৈ। গুৱাহাটীলৈ পঢ়িবলৈ আহি কবি ৰঘুনাথ চৌধাৰী ডাঙৰীয়াৰ উজানবজাৰৰ বাসগৃহলৈ গৈছিলো— পৰিচয় হ'বলৈ। স্কুলত থাকোঁতে 'বহাগীৰ বিয়া' কবিতাটো পঢ়ি আপ্লুত

হৈ আছিলো। আৰু যে সেই 'নিচিনো তোমাক ক'ত আছা প্ৰভু' কবিতাটো? 'নালাগে তোমাৰ প্ৰভু ঐশ্বৰ্যবিভূতি' নামৰ কবিতাটোও ব্যতিক্ৰমী কবিতা আছিল। তেখেতৰ ঘৰলৈ গৈ চিনাকি হওঁতেও বসন্ত কালেই আছিল। গুৱাহাটীত পলাশ-মদাৰৰ ৰঙীন সমাৰোহ তেতিয়া। বিহগী কবিয়ে মই কবিতা লিখোঁ বুলি জানিয়েই প্ৰথমে সুধিছিল— "তুমি কিহৰ সাধনা কৰি আছা? কবিতাৰনে? মোৰ কবিতা কোনটো ভাল পোৱা?" অকমানি, শাৰীৰিকভাৱে অক্ষম, মানুহজনৰ মুখলৈ চাই মই কবিতাৰ শাৰীবোৰেই দেখিছিলো। চৰাইৰ কথা তেখেতে ইমান কেনেকৈ জানে? পাছলৈ বুজিলো তেখেতক বিহগী কবি বুলিলে সৰু কৰাহে হয়। ৱৰ্ডছৱৰ্থৰ দৰেই তেখেত 'প্ৰকৃতিৰ কবি'।

স্বদেশপ্ৰেমৰ বলিষ্ঠ কবিতা লিখি মোৰ শৰীৰত, আত্মা আৰু মনত তপ্ত ৰক্ত প্ৰবাহিত কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীদেৱৰ ঘৰলৈও গৈছিলো শ্ৰদ্ধা জনাবলৈ। তেখেতো সেই সৰুফুটীয়া মানুহ, কিন্তু কি প্ৰচণ্ড শক্তি। কি তেজী শব্দ— 'মই বিপ্লৱী মই তাণ্ডৱী' কবিতা আবৃত্তি কৰি মই বহুতবাৰ প্ৰথম হৈছোঁ।

হেম বৰুৱা ছাৰ আৰু যোগেশ দাদাৰপৰা আহৰণ কৰিছিলো এটা বৰ ডাঙৰ গুণ। সেইটো হৈছে অনবৰতে হাতত এখন বিখ্যাত কিতাপ ৰখাটো। বিভিন্ন কামৰ ফাঁকে-ফাঁকে তেখেতসকলে এনে কিতাপ অধ্যয়ন কৰিছিল আৰু তেনেকৈয়ে বিশ্বৰ সাহিত্যজগতখনৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰিছিল। মানুহে জীৱনত সেই প্ৰতিদিনৰ চৌবিছ ঘণ্টা সময়েই পায়, কিন্তু সেই সময় অতি পৰিকল্পিতভাৱে ব্যয় কৰিব লাগে। মানুহে জীয়াই থাকিবলৈকে খোৱা-বোৱা কৰে, খাবৰ কাৰণে জীয়াই নাথাকে। মহাত্মা গান্ধীৰ জীৱনীতো পাইছিলো তেওঁ মাত্ৰ তিনিঘণ্টা সময়হে শুইছিল। আমাৰ দিনত অন্ততঃ মোৰ কাৰণে জৱাহৰলাল নেহৰুৰ 'ডায়েনেমিক' শক্তিও বৰ প্ৰেৰণাদায়ক আছিল। সাধাৰণ জীৱনকে এই মহানুভৱ লোকসকলে অসাধাৰণভাৱে গঢ় দিছিল। উঠি অহা ল'ৰা-ছোৱালীবোৰক মহান ব্যক্তিৰ জীৱনী সেয়েহে পঢ়িবলৈ একান্তভাৱে দিব লাগে। তেহে জীৱনৰ দিক দৰ্শন হয়।

হেম বৰুৱা ছাৰৰ বাগ্মিতাও মোৰ বাবে বৰ আকৰ্ষণৰ বস্তু আছিল। মানুহৰ অন্তৰ স্পৰ্শ কৰিবৰ কাৰণে তেখেতে একোটা কথা কি কৌশলেৰে ওপৰলৈ লৈ গৈ থাকে সেই কথাটো মই সদায় লক্ষ্য কৰিছিলো। অনুসন্ধান আৰু নিৰীক্ষণ,— এই দুটা সঁচাকৈয়ে বৰ ডাঙৰ বস্তু।

সঁচা কথা ক'বলৈ গ'লে এই কলেজখনে ভৱিষ্যতৰ কাৰণে মোক বিভিন্ন ক্ষেত্ৰত গঢ় দিলে। ৰাতিপুৱা-গধূলি দুবেলা ক্লাছ কৰিও মই বিভিন্ন কাম কৰিবলৈ সময় পোৱা হ'লো। দেওবাৰ বা অন্য বন্ধ দিনবোৰত এদিনো এনেয়ে থাকিবলৈ নোপোৱা হ'লো। স্থানীয় বা দূৰৈৰ অনুষ্ঠানবোৰে মোক বক্তৃতা দিবলৈ মতা হ'ল। বিভিন্ন আলোচনী

আৰু কাগজে-পত্ৰই মোৰ লেখা লাগিবই বুলি নেৰানেপেৰাকৈ লাগি বিভিন্ন বিষয়ত লিখিবলৈ মোক বাধ্য কৰোৱা হ'ল। তেওঁলোকৰ মৰমে আৰু আশীৰ্বাদে মোৰ শূন্য পাত্ৰ ভৰাবলৈ ধৰিলে। এইখিনিতে 'তৰুণ লেখক সংঘ' বোলা গুৱাহাটীৰ উজানবজাৰৰ সংঘ এটাৰ নাম মই নিশ্চয় উল্লেখ কৰিব লাগিব। তেওঁলোকে প্ৰায় প্ৰতিমাহে আলোচনা-চক্ৰ পাতিছিল আৰু তালৈ মোক বক্তৃতা দিবলৈ মাতি নিছিল। বিভিন্ন কাৰণত কুমাৰ ভাস্কৰ নাট্য মন্দিৰ, গুৱাহাটী আলোচনা-চক্ৰ, কলেজৰ বিভিন্ন অনুষ্ঠান আদিত মই অবিচ্ছিন্নভাৱে জড়িত আছিলো। শ্ৰীশ্ৰীশংকৰদেৱৰ তিথি, শ্ৰীশ্ৰীমাধৱদেৱৰ তিথি, ৰবীন্দ্ৰ-নজৰুল জয়ন্তী, জ্যোতিপ্ৰসাদৰ তিথি, বিষ্ণু ৰাভাৰ তিথি, তৰ্ক প্ৰতিযোগিতা, সাহিত্য প্ৰতিযোগিতা একোৱেই বাদ নাযায়। কলেজৰ মিউজিকেল ফাংশ্যনবোৰত অকল উপদেষ্টা কিয়, অতি সক্ৰিয়ভাৱে হাতে-কামেও মই পৰিচালনা কৰিছিলো। কলেজৰ অধ্যাপকসকলে কৰা বহুতো নাটকৰ ময়ে পৰিচালিকা আছিলো। কলেজত আমি মুঠতে অতি সুন্দৰ বুজাবুজিৰে এটা টিমৰ দৰে কামবোৰ কৰিছিলো। দৰমহালৈ ভ্ৰূক্ষেপ নাছিল। কলেজৰ দৰমহাৰে নোজোৰে কাৰণে ৰেডিঅ'ৰ বিভিন্ন প্ৰগ্ৰেম কৰিছিলো। অকণিৰ মেল, মহিলাৰ মেল এইবোৰ নিয়মিতভাৱে চলাইছিলো।

বি. বৰুৱা কলেজৰ পিকনিকতে প্ৰথম মানসলৈ গৈছিলো। মানসৰ সৌন্দৰ্যত অভিভূত হৈছিলো। তেনেকৈ উকিয়াম, চানডুবি ইত্যাদি ঠাইৰ অজস্ৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে। প্ৰতিটো পিকনিকৰ স্মৃতিৰে কবিতাও লিখিছিলো।

কলেজৰ নৈশ ক্লাছত ছাত্ৰসকলক পঢ়াওঁতে মোৰ একো অসুবিধা হোৱা নাছিল। মোক ছাত্ৰ-ছাত্ৰীসকলে অতিকৈ সন্মান কৰিছিল। অসমীয়া বিষয়টোৱেই ল'ৰা-ছোৱালীবিলাকৰ মাজত প্ৰিয় হৈ পৰিছিল। তেওঁবিলাকৰ বহুতেই কবিতা লিখিবলৈও আৰম্ভ কৰিছিল। তেওঁলোকৰ ভিতৰত আধুনিক কবি তৰুণ বৰুৱাৰ কবিতা বেচ ভাল হৈছিল। সতীশ দাসে (স্বৰ্গীয়) তেনেকৈয়ে বৰ সুন্দৰ নাটক লিখিছিল। ছাত্ৰ দিলীপ শৰ্মা, ধ্ৰুবজেন দাস, শিশিৰ গগৈ, অমূল্য ফুকন, লুটফুৰ ৰহমান,— এওঁলোকে অভিনয়ৰ ক্ষেত্ৰত বৰ নাম কৰিছিল।

ইমানবোৰ ভাল কথাৰ মাজতো এটা ভিন্ন সুৰ এজন ছাত্ৰৰ ক্ষেত্ৰত বাজিছিল। ছাত্ৰজনৰ নাম মোৰ এতিয়া একেবাৰে মনত নাই। তেওঁ বৰ গহীন আৰু ভাবুক প্ৰকৃতিৰ আছিল আৰু মনে-মনে মোৰ প্ৰেমত পৰিছিল। এদিন কলেজৰ ফ্ৰেছাৰ্ছ ছ'ছিয়েলৰ দৰে উৎসৱ এটাত সেই ছাত্ৰজনে বৰ দামী গুণাৰ মিনাকৰা পাটৰ ব্লাউজৰ কাপোৰ এটা আৰু চিঠি এখন সুন্দৰকৈ পেকেট কৰি আনি মোলৈ আগবঢ়াই দি আঁতৰি গৈছিল। মই পেকেটটো খুলি চাই হতভম্ব হৈছিলো। ভিতৰি-ভিতৰি খঙত আৰু দুখত মই কঁপিছিলো। "মোৰ প্ৰতি এজন ছাত্ৰৰ মনোভাব এনে কিয় হ'ল? মই মোৰ ইমেজ

ৰক্ষা কৰিব পৰা নাই নে কি?" — এয়ে আছিল মোৰ মনৰ বেদনা। মই ছাত্ৰজনক মতাই আনিলো আৰু একাষৰীয়াকৈ মাতি নি তেওঁৰ উপহাৰটো ওভতাই দি মোক এনে চকুৰে নাচাবলৈ অনুৰোধ কৰিলো। ছাত্ৰজনে ভয়তে নে আৱেগতে থক-থককৈ কঁপিছিল আৰু কান্দিছিল। মই তেওঁক গালি পৰা নাছিলো। কাৰণ জানো যে 'Life is like that.'। ছাত্ৰজনে উপহাৰটো ওভতাই নল'লে। ক্ষমা খুজিলে আৰু এই দৃষ্টিৰে 'কোনোদিন আৰু নাচাওঁ' বুলি শপত খালে। তাৰ পাছত ল'ৰাজনক নেদেখা হ'লো। কোন ঠাইৰ আছিল, কি কৰিছিল, ক'ত আছিল একোৱেই আৰু জ্ঞাত নহ'ল। উপহাৰটো মই অন্য কাৰোবাক দি দিলো। হিউমেন ৰিলেশ্যনবোৰ বৰ ৰহস্যপূৰ্ণ।

সেই সময়ৰ কিছুমান কথা মনত পৰিলে মোৰ আজিও হাঁহি উঠি যায়। আটায়ে মোক কৈছিল মই হেনো প্ৰাণ প্ৰাচুৰ্যৰে ভৰা। মই আহিলেই কমনৰুম বা ক্লাছৰুমৰ ৰূপেই সলনি হৈ যায় হেনো। সেই সময়ত মোৰ জানো কি হৈছিল— "কবিতা-কবিতা" খেলা মোৰ এটা অভ্যাসত পৰিণত হৈছিল। যাকে-তাকে মই মোৰ কবিতাৰে বা অইনৰ কবিতাৰে উদ্ধৃতি দি কথা কওঁ আৰু সেইজনেও কবিতাৰ উদ্ধৃতি দিলে ভাল পাওঁ, নোৱাৰিলেও নাই। আমাৰ কলিগ (সহকৰ্মী) আছিল এজন ইংৰাজী প্ৰফেছৰ এছ. দাসগুপ্ত। তেখেতে ভঙা-ভঙা অসমীয়া কয় আৰু এনেয়ে বৰ কম কথা কয়। একেবাৰে নিৰস ব্যক্তি যেন লাগে। এদিন জানো কি হ'ল তেখেত কমনৰুমলৈ সোমাই আহোঁতেই ক'লো,— অতপৰে আহিলা লাহৰী তোমালৈকে আছোঁ বাট চাই অথনিৰে পৰা (কবি দেৱকান্ত বৰুৱা)। দাসগুপ্ত বয়সত আমাতকৈ যথেষ্ট ডাঙৰ। তেখেতে 'কি বলছেন, কি বলছেন' বুলি সুধিলে। মই তেতিয়া অন্যৰ লগত কিবা কথাত মচগুল। তেখেতে কবিতাটোৰ অৰ্থ ওচৰতে থকা আন কাৰোবাৰপৰা বুজি ল'লে। দুই-তিনিটামান পিৰিয়ডৰ পাছত তেখেতেতো অকমানি কাগজ এটুকুৰাত দুষ্মন্তই শকুন্তলাক কোৱা কালিদাসৰ শ্লোক এটা মোৰ হাতত দিলেহি। মইতো হতবাক। মই কবিতাৰ শাৰীটো এনেয়েহে গাইছিলো, মোক কিয় তেখেতে এই শ্লোকটো দিলে। ভাবি-চিন্তি বহুতপৰ থাকোঁতে হঠাৎ চাঁত কৰে মনত পৰিল,— অথনি কবিতাৰ শাৰীটো মাতোঁতে মই তেখেতৰ মুখলৈ চাই মাতিছিলো। তাতে তেখেত অভিভূত হ'ল। এনেকুৱা যে কত কথা ঘটিছিল! এবাৰ মোৰ নিজৰ কবিতাৰ শাৰী এটাৰ উদ্ধৃতি দি এজনক ক'লো,— "তোমাৰ চকু দুটা কি সুন্দৰ, কুন্দত কটা এক ভাস্কৰ্য।" কথাষাৰ ক'লো আৰু তাতেই এৰিলো। কিন্তু ইফালে যে কি বিগলিত অৱস্থা হ'ল! প্ৰবাহিত নৈয়ে মোক উটুৱাই নিবই খুজিছিল। কথমপিহে নিজক ৰক্ষা কৰিব পাৰিলো। এইবোৰ খেলা হেম বৰুৱা ছাৰ, নেওগ ছাৰৰ লগত খেলিবলৈ ভাল। কবিতাৰে কথা ক'লে তেখেতসকলেও কবিতাৰেই উত্তৰ দিয়ে। তাৰ কাৰণে অৱশ্যে মনত কবিতা থাকিব লাগিব। জীৱনৰ

মাধুৰী কত ধৰণে যে বিচাৰি ল'ব লগা হয়! নদীত নামি স্নান কৰিব নোৱাৰিলেও নদীৰ কুলু কুলু ধ্বনি শুনিবলৈ কি সুন্দৰ! জীৱনৰ সৌন্দৰ্য এইবোৰতে থাকে। এইবোৰ জীৱনৰ পৰম অভিজ্ঞতা। আৰু এটা কথা এইখিনিতে কৈ থওঁ ঃ

এৰা, সেই অধ্যায়টো; কি জানো হৈছিল বি. এ., এম. এ. পঢ়া সেই সময়টোত। এতিয়াও সেই ৰহস্যৰ ব্যাখ্যা নাপাওঁ। বাৰুকৈয়ে বাঢ়িছিল সেই শক্তি। ৰাতি প্ৰায়েই সপোন দেখোঁ; তাৰ ভিতৰত কিছুমান আগতীয়া বাৰ্তাবাহী। সেই সপোন হুবহু ফলিয়ায়— হয় তিনি দিন, সাত দিন, পোন্ধৰ দিন, এমাহ, ডেৰ মাহৰ মূৰত। তাৰ কেইটামান নিদৰ্শন এনেকুৱা ঃ

এবাৰ আমাৰ ঘৰৰ পৰীক্ষাৰ্থী এজনে মেট্ৰিক পৰীক্ষাৰ অংকৰ পেপাৰত নাৰ্ভাছ হৈ কিছু প্ৰশ্ন নিলিখাকৈ আহিল আৰু ৰিজাল্ট ওলাবৰ দিনা গম পালে তেওঁ সেই পৰীক্ষাত সোতৰ নম্বৰহে পাইছে। মই ঘটনাটো ৰিজাল্টৰ তিনি দিনৰ আগতে সপোনত দেখিলো,— তেওঁ অংকত সোতৰ নম্বৰ পাইছে।

এবাৰ দেখিলো সপোনত দেউতাৰ সোঁভৰিৰ আঙুলিটো বিষত তত নোহোৱা অৱস্থা হৈছে; ফুলি উঠিছে। সাত দিনৰ পাছত ঘৰৰপৰা অহা চিঠি এখন পালো— দেউতাৰ সোঁভৰিৰ বুঢ়া আঙুলিৰ অসহ্য বিষ আৰু ফুলি যোৱা খবৰ।

এবাৰ সপোনত দেখিলো,— ফাঁচিবজাৰৰ 'বিজুলী' চিনেমা ঘৰত আমি কেইজনীমান হোষ্টেলৰ ছোৱালী মেটিনি চাবলৈ গৈছোঁ। চিনেমা হলৰ দুৱাৰমুখতে এখন বগা গাড়ীৰপৰা এজন দঢ়ীয়া অচিনাকি বুঢ়া মানুহ নামি আমাক কিবা-কিবি সুধিছে। সপোনটো দেখিলো আৰু পাহৰি গ'লো। কিছুদিনৰ পাছত ভাল কিবা ছবি এখন আহিলত আমি কেইজনীমানে সেই 'বিজুলী'তে ছবি চাবলৈ গৈছিলো। কি আচৰিত! বগা গাড়ী এখনৰপৰা দঢ়ীয়া অচিনাকি ভদ্ৰলোক এজন নামি আহি আমাক কিবা সুধিছেহি— সপোনটোলৈ চাঁত কৰে মনত পৰিল আৰু ভয়ত মই মোৰ বন্ধু এজনীৰ হাতত টানকৈ মুঠি মাৰি ধৰিলো। ভয়টো আছিল সপোনৰ কথা হুবহু মিলি যোৱাৰ কাৰণে।

আৰু এবাৰ বন্ধত ঘৰলৈ যাওঁতে এটা পিকনিকৰ সপোন দেখিছিলো আৰু লাহে লাহে সপোনৰ স্মৃতি মচ খাই গ'ল। গুৱাহাটীত বি. এ. পঢ়োঁতে মোৰ এনথ্ৰ'পলজি আছিল। এবাৰ দিনতীয়া এ'ক্সকাৰছন এটাৰ কাৰণে আমাক সোণাপুৰৰ পিনে লৈ যোৱা হৈছিল। আমাৰ শ্ৰদ্ধেয় লৰ্ড ছাৰো (শ্ৰদ্ধানন্দ দুৱৰা) আমাৰ লগত গৈছিল আৰু গৈছিল আমাৰ পূজনীয় অন্যজন ছাৰ মাধৱ গোস্বামীদেৱ। তেখেত হেড আছিল। আমি দিনটোৰ কাম শেষ কৰি আবেলি বেলি ঘুৰ যোৱাৰ আগতে নৈ এখনৰ পাৰত ভৰি ওলমাই বহিছিলো। অলপ দূৰতে সৰিয়হ ফুলৰ সোণ বৰণীয়া হৈ থকা পথাৰখন আছিল। মোৰ কাষতে এফালে বহিছিল মোৰ মৰমৰ বন্ধু স্ফূৰ্তিবাজ প্ৰয়াত সনক

ফুকন, আনহাতে বহিছিল আনজন বৰ উদাৰ হৃদয়ৰ বন্ধু হৰি প্ৰসাদ মিশ্ৰ (তেখেত কটন কলেজৰ এনথ্ৰ'পলজিৰ হেড হৈ অৱসৰ লোৱা কেইবছৰমান হৈছে)। কাষত থিয় হৈ আছিল লৰ্ড ছাৰ আৰু পৱন মামা (উদ্ধৱ বৰদলৈ)। মই সেই সময়ত খুব গান গাইছিলো। মোক গান গাবলৈ আটায়ে অনুৰোধ কৰিছিল। মই গান এটা গাবলৈ লৈ হঠাৎ উচাপ খাই উঠিছিলো— আৰে, আৰে, এই ঠাইলৈতো মই আহিছিলো, একেদৰে একে ঠাইতে বহি গান গাইছিলো, সন্মুখত সৰিয়হ ফুল— হুবহু একে ঘটনা ঘটিছিল! কেতিয়া? কেতিয়া? মইতো এই ঠাইলৈ কেতিয়াও অহা নাই আগতে। গুৱাহাটীলৈ বি. এ. পঢ়িবলৈ এই আহোঁতেহে প্ৰথম আহিলো। তেন্তে কেতিয়া আহিছিলো? ভাবোঁতে-ভাবোঁতে সপোনটোলৈ মনত পৰি গ'ল। ঠিকেইতো, ঠিকেইতো, নদীৰ পিনে ভৰি ওলমাই নদীৰ পাৰত আমি একেলগে এনেকৈয়ে বহিছিলো, এনেকৈয়ে বহিছিলো! কি আচৰিত! কি আচৰিত!

লাহে-লাহে যি সপোন ফলিয়ায় তেনে সপোন দেখাৰ সংখ্যা বাঢ়ি গ'ল। হুবহু মিলে। পাছলৈ এনেকুৱা হ'ল— আজি আবেলি ক'ৰ চিঠি আহিব, চিঠিত কি খবৰ আহিব তাকোঁ মই পুৱাই কৈ দিব পৰা হ'লো। সেইবোৰো মিলিবলৈ ধৰিলে। মোৰ বৰ ভয় লাগিল! কি হৈছে এইবোৰ? এনেকৈ হ'লে দেখোন সৰ্বনাশ হ'ব! কি সপোন বা আৰু দেখোঁ! কি কথা বা মুখেৰে ওলায়! মোৰ লগৰ ছোৱালীবোৰে ক'লে.— "তুমি ছাইক্‌লজিৰ কৰ ছাৰৰ ওচৰলৈ যোৱা। কোৱাগৈ কথাবোৰ।" মোৰ এগৰাকী মৰমৰ বন্ধু 'মালী' (মালীৰ ভাল নাম পাহৰিলো, তেওঁৰ ভনীয়েকৰ নাম আছিল মণি। ডিব্ৰুগড়ৰ ছোৱালী আছিল তেওঁবিলাক। মালী বৰ ধুনীয়া আছিল।) আৰু পূৰবীয়ে (পূৰবী বৰকাকতি তেজপুৰৰ, দেখিবলৈ বৰ ধুনীয়া আছিল) মোক কৰ ছাৰৰ ওচৰলৈ যাবলৈ দঢ়াই-দঢ়াই ক'লে।

মই সন্দিকৈ কলেজৰ ফিল'ছফিৰ অধ্যাপক শ্ৰদ্ধেয় কৰ ছাৰক এদিন সুধিলোগৈ। ওচৰতে শ্ৰদ্ধেয় শৰৎ গোস্বামী ছাৰো আছিল। তেখেতো ফিল'ছফিৰ অধ্যাপক। পাছলৈ প্ৰিন্সিপাল হৈ অৱসৰ লৈছিল। তেখেতসকলে শুনি ক'লে— "এইটো 'প্ৰিমনিশ্যন'। যি ঘটনা ঘটিব তাৰ আগতীয়া পোহৰ তোমাৰ মনৰ ওপৰত পৰে। এইটো সৰ্বসাধাৰণ মানুহৰ নহয়। তোমাৰ 'থাৰ্ড আই' মানে intuition বৰ strong। তুমি এইটো কালচাৰ কৰা— তুমি ভৱিষ্যবক্তা হ'ব পাৰিবা, পূৰ্বজন্মৰ কথাও মনত পৰিব যদি এইটোত concentrate কৰা।"

মোৰ পেটে-পেটে ভীষণ ভয় লাগিল। হে হৰি! এইবোৰ কি হ'বলৈ ওলাইছে। লগৰ বহুত ছোৱালীয়ে বহুত ভয় খুৱালে। এইবোৰ বাঢ়ি গ'লে মই সন্ন্যাসিনী হৈ যাব লাগিব— ঘৰৰ দায়িত্ব যে মোৰেই ওপৰত! দেউতা বুঢ়া হৈ আছিছে, তাতে অসুখীয়া।

নাই, নাই এইবোৰৰপৰা নিজক মুক্ত কৰিব লাগিব। মই কলেজত নাটক কৰা, আবৃত্তি কৰা, গান গোৱাত বেছি মন দিবলৈ ধৰিলো।

এতিয়া ভাবিছোঁ মই কিমান ভুল কাম কৰিলো; শক্তিটোৰ কালচাৰ কৰিব লাগিছিল। এই শক্তি (power) কমিলেও নাইকিয়া হ'ল বুলি ক'ব নোৱাৰোঁ। Intitutive power নাথাকিলে গান, কবিতাও ঠিক অৰ্থত সৃষ্টি নহয়।

ইতিমধ্যে মোৰ মাজু ভাই টুটু (ধ্ৰুৱজ্যোতি) শিৱসাগৰত মেট্ৰিক পৰীক্ষা দি উঠি গুৱাহাটীলৈ আহি মোৰ লগতে থাকিলহি। এতিয়া আমি গুৱাহাটীত তিনিটা হ'লো। উজানবজাৰৰ সেই ভাৰাঘৰৰপৰাই ভাই দুটাৰ পঢ়া-শুনা, মোৰ বিভিন্ন কাম-কাজ চলি থাকিল।

নীলা আকাশলৈ চাই থাকোঁতে কেতিয়ানো কাল ধুমুহা আহি আকাশ অন্ধকাৰ কৰেহি ক'ব নোৱাৰি। দেউতা ইতিমধ্যে বেছি ৰোগাক্ৰান্ত হৈ পৰিল। অপাৰেশ্যন নকৰিলে এই ৰোগ (এনলাৰ্জ প্ৰষ্টেট গ্লেণ্ড) আৰোগ্য নহয় বুলি ডাক্তৰসকলে ক'লে। ঘৰত তেতিয়া মানুহ বুলিবলৈ মোৰ সৰু ভাই মুনু আৰু মোৰ ছোৱালী আইজনী। মুনুৱে ক্লাছ নাইনত আৰু আইজনীয়ে ছেভেনত পঢ়ে। সিহঁত দুটাইনো দেউতাৰ বেমাৰ কি চম্ভালিব পাৰিব। মা আৰু সিহঁতৰ ভৰসাতে দেউতাক এৰি আহোঁ যদিও মোৰ সদায়েই সেই একেটাই চিন্তা,— দেউতা বা কেনে আছে? এতিয়া অপাৰেশ্যনৰ কথা ওলোৱাত ঘৰখনৰ ডাঙৰ যেতিয়া ময়েই অপাৰেশ্যনৰ দায়িত্ব ল'ব লাগিব। মোৰ নিজৰো তেতিয়া নাৰ্ভৰ প্ৰব্লেম হৈ আছিল। ডাক্তৰসকলে এই অসুখটোক Vasomotary disturbance বুলি কৈছিল। এই সময়খিনিত মোৰ সম্পূৰ্ণৰূপে টোপনি নহা বেমাৰ হৈছিল। বহুদিন ধৰি টোপনি অহা দৰব খাইছিলো যদিও টোপনি অহা নাছিল। প্ৰায় তিনি বছৰমান মই এই অসুখত বাৰুকৈয়ে ভুগিছিলো। দিনৰ দিনটো টোপনি-টোপনি ভাব হৈ থাকে যদিও ৰাতি টোপনি নাহে। এইটো আছিল ১৯৫৯/৬০ চনৰ কথা।

সেই সময়তে মোৰ সৰু ভাই মুনু (প্ৰদীপ) মেট্ৰিক পাছ কৰি কটন কলেজত নাম লগাই আমাৰ লগতে গুৱাহাটীৰ বাসিন্দা হ'লহি। আটাইকেইটা ল'ৰা-ছোৱালী একেলগে থাকি পঢ়া-শুনা কৰক বুলিয়েই ইয়াৰ দুবছৰৰ পাছত মোৰ ছোৱালী আইজনীকো মেট্ৰিক পাছ কৰাৰ পাছত কটন কলেজত পঢ়িবলৈ গুৱাহাটীলৈ দেউতাই পঠাই দিলে। ইতিমধ্যে আমি উজানবজাৰৰ আইতাৰ ভাৰাঘৰ এৰি চানমাৰিত আমাৰ প্ৰেছটোৰ লগতে সজা সৰু ধুনীয়া আছাম টাইপৰ ঘৰটোত থাকিবলৈ লৈছিলো। গুৱাহাটীত আমাৰ ঘৰখন গমগমীয়া হৈ পৰিল আৰু শিৱসাগৰৰ ঘৰখন তেনেই উদং হৈ গ'ল। চাৰি বছৰ বয়সৰপৰা শিৱসাগৰত মাৰ লগত থকা ভণ্টিৰ ছোৱালী ৰুমীও ডিব্ৰুগড়লৈ মাকৰ অসুখৰ বাবে যাব লগা হ'ল। সেয়েহে মায়ে ঘৰখন ভৰি থাকিবলৈ আৰু লগ

হ'বলৈ দেবেন মামাৰ (দেবেন্দ্ৰ নাথ বৰদলৈ) ল'ৰা যাদু (পৰশমণি) আৰু ছোৱালী মালাক সিহঁতৰ স্কুলৰ দিনকেইটা আমাৰ ঘৰতে থাকিবলৈ মাতি আনিছিল। সেই অকলশৰীয়া দিনবোৰত যাদু, মালায়েই মা-দেউতাৰ লগ হৈছিল।

ইতিমধ্যে মোৰ নাৰ্ভৰ অসুখটো দিনে-দিনে বাঢ়ি আহিছিল। লাহে-লাহে মানুহৰ ভিৰত মই থাকিব নোৱৰা হ'লো। মানুহৰ ভিৰ দেখিলেই মোৰ গাটো কিবাকিবা লাগি আহে। ক্লাছ কৰাতো বিঘিনি মিলিল। ৰ'ল কল কৰিবলৈ বহী মেলিলেই মোৰ মূৰটো আচন্দ্ৰাই কৰি আহে। লাহে লাহে মই ৰ'ল কল কৰিবলৈকে বাদ দিলো। কিতাপ মেলি পঢ়াব নোৱৰা হ'লো। আখৰবোৰৰ যেন বৰ ভিৰ (বহুত আখৰ থকা বাবে)। কিতাপ নেমেলাকৈ মই পঢ়াই যাব পাৰোঁ, কিতাপ মেলিলেই বিপদ। ঘৰত দেউতাৰ সেই অৱস্থা। কোনোৱে কাকো আমি সহায় কৰিব নোৱৰা হ'লো। এই অসুখটো কিয় হৈছিল মই বুজি পোৱা নাছিলো। আইজনী গুৱাহাটীলৈ অহাৰ পাছত মই গাৰুৰ তলত থৈ দিয়া বহুতো sleeping tablet দেখি তাই বৰ ভয় খাইছিল আৰু কেতিয়াবা যদি জীৱনৰ প্ৰতি বিৰক্ত হৈ খাই দিওঁ, তাৰ ভয়ত তাই ৰাতি মোৰ লগত শোৱা আৰম্ভ কৰিছিল। তাইক সাবটি ধৰি শুই থকাৰপৰা মোৰ অসুখৰ কিছু উপশম হ'ল। কিন্তু চাপৰিলেও মেঘ নেৰায়। এনে পৰিস্থিতি হ'লগৈ যে অপাৰেশ্যন অবিহনে দেউতাৰ গত্যন্তৰ নাই। মোৰ অসুখলৈ পিঠি দি মই শিৱসাগৰলৈ গ'লো আৰু বিভিন্ন ডাক্তৰৰ লগত পৰামৰ্শ কৰি আৰু ডিব্ৰুগড়ৰপৰা মেডিচিনৰ প্ৰখ্যাত ডাক্তৰ মথুৰানাথ ভট্টাচাৰ্যকো আনি ঘৰত দেখুৱালত তেখেতেও ডিব্ৰুগড়লৈ নিবলৈ ক'লে। মই কলেজৰপৰা ছুটী লৈ মোৰ দায়িত্ব কান্ধ পাতি ল'লো। সেইখিনি সময়তে গোটেই ভাৰতবৰ্ষ কঁপাই চীনা যুদ্ধৰ আৰম্ভণি হ'ল। যুদ্ধৰ দিনৰ কি এটা ভয়ানক অৱস্থা। ক্ৰমান্বয়ে মোৰো আৰু নাৰ্ভে নসহা হ'ল। তথাপি মৰোঁ-জীওঁ-সোঁ-আধিকৈ দেউতাক ডিব্ৰুগড়লৈ গাড়ীৰে লৈ গ'লো আৰু ডিব্ৰুগড়ত মোৰ ভণ্টিৰ ঘৰত মই থাকি দেউতাক হস্পিটেললৈ লৈ গ'লো আৰু অপাৰেশ্যনৰ বাবে ভৰ্তি কৰালো। অপাৰেশ্যন কৰাৰ দায়িত্ব ল'লে ডা. মামুদ আলি চৌধুৰীয়ে। অপাৰেশ্যনত ৭৫ বছৰীয়া দেউতাৰ প্ৰচুৰ ৰক্তক্ষয় হ'ল। অপাৰেশ্যন থিয়েটাৰতে দেউতাৰ ষ্ট্ৰ'ক হৈ 'ক'মা' (coma) আৰম্ভ হ'ল। এই 'ক'মা' তিনিদিন জুৰি চলি থাকিল। এই সাংঘাতিক বিপদৰ কালছোৱাত অন্য ডাক্তৰসকলৰ লগতে তেজপুৰৰ ডা. আনন্দ শৰ্মাই কিমান সহায় কৰিলে তাৰ লেখ দিব নোৱাৰোঁ। সুসাহিত্যিক দণ্ডিনাথ কলিতাৰ পুত্ৰ ডা. বিশ্ব কলিতাই দেউতাক দিবলৈ ৰক্তদান কৰিছিল। দেউতাৰ ৰক্তৰ গ্ৰুপ সহজে আনৰ লগত নিমিলাত ডা. বিশ্ব কলিতাই এই সংকটত আমাক ত্ৰাণ কৰিছিল, যাৰ ঋণ আমি কেতিয়াও শুজিব নোৱাৰোঁ। ভগৱানে তেখেতসকলৰ মংগল কৰক, এয়ে প্ৰাৰ্থনা।

এই ধুমুহা দেউতাৰ বাৰ্ধক্য ব্যাধি জৰ্জৰিত দেহেও সহ্য কৰিব নোৱাৰিলে। তেখেতৰ শৰীৰৰ সোঁফালটো পেৰালাইছিছত আক্ৰান্ত হ'ল আৰু এনেকৈ তেখেতে ন বছৰ কাল শয্যাশায়ী হৈ কটাবলগীয়া হ'ল। এই কথাবোৰ লিখোঁতে মোৰ বুকু ফাটি গৈছে। দেউতা বৰ প্ৰাণ প্ৰাচুৰ্যৰে ভৰা মানুহ আছিল। তেখেত অত্যন্ত ৰসালো আছিল। দৈনন্দিন জীৱনৰ অতি সৰু কথাবোৰতো তেখেতে ৰসৰ সৃষ্টি কৰিব পাৰিছিল। এইখিনিতে তেনেকুৱা ৰসাল কথা এটা মনত পৰিছে। আমাৰ ঘৰৰপৰা অলপ দূৰত থকা বৰবৌ এগৰাকী প্ৰায়ে দুপৰীয়া আমাৰ ঘৰলৈ আহে। তেখেতক দেখিলেই দেউতাই দেহবিচাৰৰ গীত এটাৰ প্ৰথম শাৰী এটা গাই শুনাইছিল— "দেহাৰ ভাৰসা নাইহে, সুন্দৰ শৰীৰ দেহা কোন দিনা যায় ৰে।" বৰবৌৰ টিকচি বিকচি খং উঠে,— "যোৱাহে বোপাটি, কিনো কথাবোৰ কৈ থাকা, অইন কথা কোৱা।" দেউতাই এনেকৈ ৰগৰ কৰাৰ কাৰণ হ'ল বৰবৌগৰাকীৰ মৰিবলৈ অত্যন্ত ভয় আৰু শৰীলটো বেয়া-বেয়া বুলি অনবৰতে নেথাই-ফোঁপাই থাকে। আমাৰ ঘৰলৈ আহে দেউতাৰপৰা ভাল চাই দুপালিমান হোমিঅ'পেথিক দৰব খুজিবলৈ। পাছতহে এদিন বুজিলো বেমাৰৰ গুৰিকথা ক'ত! বেমাৰ হৈছে মলা-ধঁপাত হুপিবলৈ নোপোৱাটো। তেখেতক ঘৰত কোনেও মলা-ধঁপাত বা চিলিম আনি নিদিয়ে। সেইকাৰণে আমাৰ ঘৰলৈ আহে দেউতাৰ গুৰগুৰীটোৰ মুখৰ চিলিমটো লৈ তাতে মলা-ধঁপাত গুঁজি মাৰপৰা জুইৰ অঙঠা ভৰাই লৈ পাকঘৰৰ কাষৰ গুদামৰ দুৱাৰচুকত পীৰা এখনত বহি লৈ চিলিম টানিবলৈ। মাক মাত লগোৱাৰ চলেৰে তেখেত লাহে লাহে পাকঘৰলৈ যোৱাটো নিয়ম। সেইটো চলতে যে বেমাৰৰ আচল ঔষধপালি খোৱা হয় আমি নাজানিছিলো; আনকি দেউতায়ো। পাছতহে পম পালো মুখৰ মলমলীয়া গোন্ধত। 'হাঁহ চোৰৰ মূৰত পাখি, কঁঠাল চোৰৰ আঠাই সাক্ষী।' তথাপি দেউতাই তেখেতৰ 'ছিক্ৰেট'টোক সন্মান কৰি নজনাৰ ভাও জুৰি সদায়েই সেই দেহবিচাৰৰ গীতৰ শাৰীটো গাই তেখেতৰ খং তোলে আৰু জেনেৰেল টনিকৰ কাম কৰা হোমিঅ'পেথিক দৰব দুপালিমান বটল এটাত ভৰাই ভাবে-ভক্তিৰে আমাক দিবলৈ দিয়ে। মাইকী মানুহে চিলিম হোপা কথাটো প্ৰথমতে আখজা লাগিছিল, আচৰিতো হৈছিলো। পাছলৈ বনুৱা তিৰোতাবোৰে বিড়ি হোপা, বিলাত-আমেৰিকাৰ মহিলাসকলেও চুৰট টনা দেখিলো। সকলো একেই। দেউতাৰ দৰে ৰসাল মানুহ আজিৰ যুগত বিৰল।

দেউতাই ভাবিছিল অপাৰেশ্যন কৰি তেখেত সম্পূৰ্ণ সুস্থ হৈ পৰিব। আকৌ আগৰ দৰে নিজকে সকলো কামতে নিয়োগ কৰিব পাৰিব। কিন্তু নহ'ল। পেৰালাইছিছৰ ফলত সেই আশা একেবাৰে চুৰমাৰ হৈ যোৱাত তেখেতে মানসিকভাৱে বৰ আঘাত পালে আৰু মনটো অস্থিৰ, অসহিষ্ণু হৈ পৰিল। তেখেতক শিৱসাগৰলৈ আনি ঘৰত

খোৱাৰ বাহিৰে অন্য একো উপায় নাছিল। কাৰণ পেৰালাইছিছৰ চিকিৎসা সকলোতে একে। কোনো ডাঙৰ মানুহ নথকা ঘৰখনত পথাৰে-সমাৰে, ধানে-চাউলে, ঘৰে-বাৰীয়ে এনেকুৱা অবশ এজন মানুহেৰে মাক মূৰৰ ওপৰত পৰ্বতপ্ৰমাণ বোজা দি মই প্ৰায় তিনিমাহৰ মূৰত গুৱাহাটীলৈ উভতি আহিলো। দেউতাৰ লগত ৰাতি-দিন হস্পিটেলত থাকোঁতে থাকোঁতে, দেউতাক শুশ্ৰূষা কৰোঁতে-কৰোঁতে, আবেলি হুইলচেয়াৰত বহুৱাই ৱাৰ্ডে-ৱাৰ্ডে আৰু হস্পিটেলত ফুৰাওঁতে-ফুৰাওঁতে এনেকৈ সময় গৈছিল যে মই নিজৰ কথা একেবাৰে পাহৰি গৈছিলো। তথাপি মাৰ কথা মতে মই ডা. মথুৰা ভট্টাচাৰ্যক দেখুউৱাত তেখেতে মোক কাৰোবাৰ লগত ভাল বন্ধুত্ব পাতিবলৈ আৰু খেলাধূলা কৰিবলৈ উপদেশ দিলে। অহৰহ 'ছাপ্ৰেছন'ৰ (supression) কাৰণেই আৰু এইটো এটা প্ৰকৃতিবিৰোধী কাৰ্য হোৱাৰ কাৰণে মোৰ হেনো এই অসুখবোৰৰ (টোপনি নহা, হাত-ভৰি চেঁচা হোৱা, বুকু ধৰফৰ কৰা, মূৰটো ফাটি যাওঁ-ফাটি যাওঁ হোৱা ইত্যাদি) উদ্ভৱ হৈছিল। তেখেতে কৈছিল— You must fall in love with somebody, Suppresion is the killer.

জীৱনটো কি এক প্ৰহসন। পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গ'লেও ক'তো এটোপা পানী খোৱাৰ মানসতা মোৰ নাই। যিটো জীৱনজোৰা সত্য, সেই সত্যৰ বহিঃপ্ৰকাশৰ বাট মইতো নিজেই বিসৰ্জন দিলো। বৰ নিষ্ঠুৰভাৱেই সেই বিশেষজনৰ সকলো আগ্ৰহত মইতো চেঁচাপানী ঢালি দিছোঁ। দ্বন্দ্ব আৰু সংঘাতে মোক খুলি-খুলি খাইছিল আৰু মোক জুৰুলা কৰিছিল। এই চৰম বিপৰ্যয়ৰ বাতৰি কাকো জানিবলৈ নিদি অন্ততঃ হাঁহিমুখে থাকি, এক সাংঘাতিক অভিনয় কৰি জীৱন কটাবলৈ মই সাজু হৈছিলো। কিন্তু সত্যই পাতালী-গংগাৰ ৰূপ লৈছিল। তেওঁ য'তেই থাকক তেওঁৰ উদ্দেশ্যেই মোৰ হৃদয় সম্পূৰ্ণ নিবেদিত হৈছিল। মোৰ প্ৰতিটো মুহূৰ্ত তেওঁৰেই। মোৰ জীৱনৰ শুকান ডালত তেওঁ ফুল হৈ ফুলিব খুজিছিল, মই নিদিলো। জোনাক হৈ গোটেই আকাশখন মোলৈ নমাই আনিব খুজিছিল, মই নিদিলো। নদীৰ প্লাবনেৰে মোৰ জীৱন মৰুভূমি সিক্ত কৰিব খুজিছিল, মই নিদিলো। তেওঁৰ পিতৃ-মাতৃয়ে অসামাজিক কামৰদ্বাৰা কষ্ট পোৱাটো মই নিবিচাৰিলো। কিন্তু কি সামাজিক, কি অসামাজিক, আজিতো ইয়াৰ অৰ্থ একো নেদেখোঁ। হয়তো ভয় আছিল তেওঁৰ জীৱনত মই সৌভাগ্য নহ'বও পাৰোঁ বুলি। মোৰ দায়িত্বও পৰ্বতআকাৰ হৈ আছিল। যদিও তেওঁ কৈছিল,— "এই দায়িত্ব পালন কৰিবৰ বাবে তোমাৰ দুখন হাতৰ লগত আৰু যদি দুখন হাতৰ সহায় দিওঁ তেতিয়াতো চাৰিখন হাত হ'ব।" তেওঁ মোক সামাজিকভাৱে শিৰত সেন্দুৰ পিন্ধাই গোটেই জীৱনৰ লগৰী হ'ব খুজিছিল। মই তেওঁৰ মহানুভৱতাত আজিও মূৰ দোঁৱাওঁ। মোৰ অৱচেতনতো হয়তো আশংকা আছিল। ইংৰাজী, বাংলা কিছুমান উপন্যাসৰ

চৰিত্ৰ মোৰ মনৰ গহনত আছিল। তাৰ ভিতৰত 'ডেভিড কপাৰফিল্ড' আৰু 'সুৰহাৰা বাঁশী' (লেখকৰ নাম পাহৰিলো) নামৰ উপন্যাস দুখনে মোৰ মনত দকৈ সাঁচ বহুৱাইছিল। সমাজখনো আছিল অত্যন্ত অসহানুভূতিশীল আৰু অন্ধ। সেই অন্ধ সমাজ নাৰীৰ প্ৰতি ভীষণ খড়গহস্ত। বিধৱা বা বিবাহ বিফল হোৱা নাৰীৰ কাৰণে সেই সমাজত আনন্দৰ কোনো সুৰুঙা নাই। শাপভ্ৰষ্টা অহল্যা পাষাণ হৈ যোৱাৰ দৰে তেওঁবিলাকো অদৃষ্টৰ পৰিহাসৰ দ্বাৰা পাষাণ হৈ যাব লাগিব। ভালকৈ পিন্ধিলে-উৰিলে মুখৰ আগত ক'ব নোৱাৰিলেও পিঠিৰ আঁৰত উপলুঙা-ইতিকিং কৰে। খোৱা-বোৱা ক্ষেত্ৰতো বামুণৰ বিধৱাসকলৰ প্ৰতি কেনে নিষ্ঠুৰ নিয়ম সি অবৰ্ণনীয়। কোনো ভাল বস্তু খাব নোৱাৰে। পিঁয়াজ, নহৰু, মচুৰ দাইল, মাছ, মাংস, কণী, ম'হৰ গাখীৰৰ দৈ, ক্ৰিম, মাখন ইত্যাদি খাব নোৱাৰে। অম্বুবাচীৰ চাৰিদিন কোনো সিদ্ধ বস্তু খাব নোৱাৰে। প্ৰসাধন কৰিব নোৱাৰে, আ-অলংকাৰ পিন্ধিব নোৱাৰে। নিজ ইচ্ছাৰ সম্পূৰ্ণ বিৰোধী হ'লেও বলপূৰ্বকভাৱে সমাজৰ নিয়ম মানি চলিবলৈ সমাজেই বাধ্য কৰিছিল। কোনো পুৰুষৰ লগতে হাঁহি-মাতি কোনো কথাতেই যোগ দিব নোৱাৰিছিল। ব্ৰাহ্মণৰ ঘৰত বিধৱা বিবাহৰ কথা বা বিবাহ বিচ্ছেদ হোৱা নাৰীয়ে পুনৰ বিবাহ হোৱাৰ আনকি সপোনো দেখিব নোৱাৰে। দেখাতো পাপ। তেওঁৰ আৱেগ-অনুভূতি-জীৱন পাষাণগ্ৰস্ত হৈ থাকিব লাগিব। কোনো মানৱীয় অনুকম্পা সেই সমাজ ব্যৱস্থাত নাছিল। যি নদী মৰুৰ পথত হেৰাই যাব খোজে, তেওঁবিলাকৰ প্ৰতিও সমাজৰ কোনো দায়বদ্ধতা নাই। সমাজৰ ঊৰ্ধ্বলৈ গৈ মই পাৰ্থিৱ আনন্দৰ সাগৰত জঁপিয়াই পৰিব পাৰিলোহেঁতেন। কিন্তু তাৰ বাবেও মই অকলশৰীয়া নহয়। মই মাতৃ। 'মাতৃ',— এই শব্দৰ এক পবিত্ৰ অস্তিত্ব আছে। সন্তানৰ মংগলৰ কাৰণে মাতৃয়ে নিজক সদায় ত্যাগ কৰে। নিজৰ জীৱন অকাতৰে আগবঢ়াই দিয়ে। এনে আদৰ্শ মোৰ ৰক্তত চিৰদিন প্ৰবাহিত।

বি. বৰুৱা কলেজত থাকোঁতে নামনি অসমৰ বিভিন্ন গাঁৱে-ভূঁয়ে গৈ মিটিং কৰা মোৰ সুযোগ ঘটিছিল। তেতিয়া মাহেকত গড়ে কিজানি পাঁচিছখনমানকৈ মিটিং কৰিছিলো। এইবোৰে মোক ব্যক্তিগত সুখ-দুখৰ পৰা ক্ৰমে আঁতৰাই নিছিল আৰু মহাজীৱন দেখা পোৱাৰ সৌভাগ্য দিছিল। মই কোনো ৰাজনৈতিক উদ্দেশ্য লৈ কোনোদিন মিটিং কৰিবলৈ যোৱা নাছিলো। মই গৈছিলো গাঁৱৰ মানুহবোৰে নজনা, চিন্তা নকৰা কথা দুআষাৰ তেওঁবিলাকক কৈ তেওঁবিলাকৰ মানসিক বা বৌদ্ধিক উন্নতি সাধন কৰিবলৈ। মই গৈছিলো হয়তো মোৰ মনক মুক্তি দিবলৈ। মানুহৰ অকৃত্ৰিম চেনেহ, অকৃত্ৰিম প্ৰশংসা আজলি পাতি ল'বলৈ। এই মিটিংবোৰ অৰ্গেনাইজ কৰিছিল মোৰ ছাত্ৰসকলে অথবা মোৰ বক্তৃতা শুনিবলৈ হেঁপাহ কৰা ৰাইজে। এনেবোৰ মিটিং বিশেষকৈ ছাত্ৰ সন্মিলন, সাহিত্য সন্মিলন, শংকৰদেৱ, মাধৱদেৱৰ তিথি, জ্যোতিপ্ৰসাদৰ

তিথি, বিহু, বিভিন্ন সাহিত্য-সংস্কৃতিৰ আলোচনা চক্ৰ ইত্যাদি আছিল। মিটিংবোৰত মই কি কথা কওঁ মই নিজেও নাজানো। প্ৰতিখন মিটিঙৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি কেইটামান কথা প্ৰথমে জুকিয়াই লওঁ যদিও কওঁতেহে কথাবোৰ ওলাই গৈ থাকে। মই ভাবোঁ এই সকলোবোৰ ভগৱতী সৰস্বতীৰ আশীৰ্বাদ।

সাতাৱন নে আঠাৱন চনত মই এবাৰ গহিয়াৰ এখন মিটিঙলৈ গৈছিলো। প্ৰখ্যাত সংস্কৃত পণ্ডিত পুৰুষোত্তম ভট্টাচাৰ্যৰ নেতৃত্বত বৰ উলহমালহেৰে তিনি দিনীয়াকৈ মিটিংখন পাতিছিল। মিটিঙৰ শেষত তিনি দিনৰ মূৰত যিদিনা আমি গুৱাহাটীলৈ প্ৰত্যাবৰ্তন কৰিছিলো সেইদিনা গোটেই গাঁৱৰ শ শ মানুহে আগবঢ়াই দিবলৈ আহি ডাঙৰ গছ এজোপাৰ তলত বিদায়ৰ বেদনাত কেনেকৈ বুকু চপৰিয়াই কান্দিছিল সেই কথা মনত পৰিলে আজিও আবেগত হাত-ভৰি কঁপি উঠে। কিয়েইবা কথা কৈছিলো যি শুনি মানুহবিলাকে, এই গাঁৱৰ অজলা মানুহবিলাক ইমান আকুল হৈছিল। এনে আকুল ভালপোৱাৰ বিনিময়ত মই কি দিম, মোৰ কি আছে। মানুহৰ মৰমে দিব পৰা অভাৱনীয় শক্তিৰ কথা মই সেইদিনা মৰ্মে-মৰ্মে উপলব্ধি কৰিছিলো।

গহিয়াত্তু পণ্ডিত পুৰুষোত্তম ভট্টাচাৰ্যৰ নেতৃত্বত অনুষ্ঠিত সেই মিটিংখনৰে অগাপিছাকৈ হোৱা আন এখন মিটিঙৰ কথাও মই পাহৰিব নোৱাৰোঁ। তেতিয়া আঠাৱন চন। মই উজান বজাৰৰ ভাৰা ঘৰত। মোৰ ভাই সোণ মোৰ লগত আছিল। দেউতাও শিৱসাগৰৰপৰা কেইদিনমানৰ কাৰণে আহি আমাৰ লগতে আছিলহি। এনে সময়তে তেজপুৰৰপৰা এখন টেলিগ্ৰাম আহিল। শ্ৰীশ্ৰীশংকৰদেৱৰ জন্ম জয়ন্তীলৈ মই সভানেত্ৰী হৈ যাব লাগে। টেলিগ্ৰামখন কৰিছিল কমলা আগৰৱালাই। উদ্যোক্তা আছিল শ্ৰদ্ধেয় দণ্ডিনাথ কলিতাদেৱৰ পুত্ৰ বিবুধ কলিতা। কমলাপ্ৰসাদ আগৰৱালা আছিল তেজপুৰৰ নেতৃস্থানীয় লোক। মই তেখেতসকলৰ নিমন্ত্ৰণক্ৰমে তেজপুৰৰ চেণ্ট্ৰেল নামঘৰত হোৱা সেই সভালৈ গৈছিলো। দণ্ডিনাথ কলিতাদেৱৰ বাসভৱনতে মোক ৰখা হৈছিল। সেই ঘৰখনৰ গাম্ভীৰ্য আৰু আদৰ-আপ্যায়নৰ কথা মই জীৱনত পাহৰিব নোৱাৰোঁ। তেখেতসকলৰ গোটেইখিনি ল'ৰা-ছোৱালী, নাতি-পুতি খন্তেকতে মোৰ আপোন হৈ পৰিল। তেখেতসকলৰ ঘৰৰপৰা চেণ্ট্ৰেল নামঘৰলৈ মোক সেই বয়সতে গায়ন-বায়নেৰে আদৰি নি কলপুলি পোতা নামঘৰ পোৱাইছিলগৈ। তাত অতি সুন্দৰ অনুষ্ঠান হৈছিল আৰু লগতে মোক ইমান শ্ৰদ্ধা জনোৱা হৈছিল যে মই সেই সন্মানৰ ভাৰ সহিব নোৱাৰি তাৰে এগৰাকী বাইদেউক কাণে-কাণে কৈছিলো,— "মোক অকণমান সময়ৰ বাবে উলিয়াই নি পদুম পুখুৰীৰ পিনে লৈ যাওকচোন, মৰমে মোক উশাহ নোপোৱা কৰিছে।" কোন শক্তিয়ে যে মোক একেবাৰে জনপ্ৰিয়তাৰ তুংগত থিয় কৰাইছিল মই নাজানো। কোন শক্তিয়ে যে কথা কোৱাইছিল তাকো নাজানো। সেইবাবে

তেজপুৰৰ শ্ৰদ্ধেয় শিল্পপ্ৰাণ ব্যক্তি ললিত চৌধুৰীৰ ঘৰলৈ মোক দুপৰীয়াৰ আহাৰৰ কাৰণে মাতিছিল আৰু ৰৌমাছৰ মূৰিঘণ্টৰে কৰা অতি সুস্বাদু পোলাওৰে ভাত খুউৱাৰ কথা মোৰ স্পষ্টকৈ মনত আছে।

পাছত তেজপুৰলৈ বিভিন্ন আমন্ত্ৰণক্ৰমে মই বহুবাৰ গৈছিলো, গৈ আছোঁ আৰু হয়তো ভৱিষ্যতলৈও যাম। বহুতবাৰ গৈ মই কলিতাদেৱৰ সেই আপোন যেন লগা ঘৰখনত আছিলোগৈ। ভাগিনী লতাৰ মাক পুণ্য বাইদেউ, ৰাজ, মইনু, মাধুৰী প্ৰমুখ্যে কল্পনা, সত্যৰঞ্জন (ভাইটি) একেবাৰে নিজৰ ঘৰৰ ল'ৰা-ছোৱালী যেন হৈ পৰিল।

এনেকৈয়ে মোক কিবা মিটিঙৰ বায়ুৱে পাইছিল। নামনি অসমৰ গোটেই কেইখন জিলা, গোৱালপাৰা, ধুবুৰী পৰ্যন্ত বিহু, কলেজৰ ফ্ৰেছাৰ্ছ ছ'ছিয়েল, তৰ্ক প্ৰতিযোগিতা, সাহিত্যৰ আলোচনা-চক্ৰ ইত্যাদিৰ শেষ নাছিল। বহুত বছৰ এনেকৈয়ে পাৰ হৈ গৈছিল। ল'ৰাবোৰৰ (ছাত্ৰ) হেঁপাহ আৰু ৰাইজৰ আগ্ৰহেই আছিল মোৰ মিটিং কৰাৰ প্ৰেৰণা। মোৰ একো ক্ষতি হোৱা নাছিল। মটৰত লৈ যায় মটৰত থয়হি। কেতিয়াবা-কেতিয়াবা কোনোৱে বাৰীৰ শাক-পাচলি, ফল-মূল আদিও গাড়ীত দি পঠিয়ায়। বক্তৃতাৰ বিভিন্ন বিষয়বোৰ চৰ্চা কৰোঁতে-কৰোঁতে মোৰ জ্ঞানৰ পৰিসীমাও বাঢ়িছিল। এবাৰ ভোলানাথ বৰুৱা কলেজৰে প্ৰবক্তা, মোৰ অগ্ৰজস্বৰূপ শ্ৰীযুত প্ৰসন্ন শৰ্মাই কৈছিল,— "বৰদলৈ, আপুনি যে ইমান মিটিঙত ঘূৰি ফুৰে আপোনাৰ কিবা ৰাজনৈতিক উদ্দেশ্য আছে নে কি? আপুনি এম. পি., এম. এল. এ. হ'ব খোজে নে কি?" মই উচাপ খাই উঠি ক'লো,— "ক'তা মইতো কেতিয়াও একো ভবা নাই!" "তেনেহ'লে আপুনি এইবোৰত ইমান সময় খৰচ কৰে কিয়? তাতকৈ দেখোন কিতাপ লিখাই ভাল। নতুবা ৰিছাৰ্চ নকৰে কিয়?"

তেখেতৰ কথা মোৰ অন্তৰত বিজুলীৰ দৰে খেলি গ'ল। মই ভাবিলো, ঠিকেইতো। তেখেতৰ কথাটো গুৰুত্বসহকাৰে ল'লো আৰু দুবছৰৰ আগতে সাময়িকভাৱে বন্ধ কৰি থোৱা গৱেষণাৰ কথাটো পুনৰ আৰম্ভ কৰিবৰ বাবে চিন্তা কৰিলো যদিও একো সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলো। এম. এ.ত মোৰ বিশেষ বিষয় 'ভাষা গ্ৰুপ' আছিল বাবেই মই খাছী ভাষাত গৱেষণা কৰিম বুলি এইক্ষেত্ৰত কিছুদূৰ আগবাঢ়িছিলো। মোৰ কিন্তু কাম কৰিবৰ মন গৈছিল 'সাহিত্য গ্ৰুপ'তহে। সাহিত্য যে মোৰ প্ৰাণৰ বস্তু এনে যেন লাগিছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰৰ উপদেশ মতে আৰু তেখেতে বাছি দিয়া বিষয়টো মই এৰোঁ বুলিলেও তেখেতে এৰিবলৈ দিবনে? খাছী ভাষাৰ গৱেষণা ক্ষেত্ৰভিত্তিক। শ্বিলং, চেৰাপুঞ্জীলৈ গৈ-গৈ তাত থাকি বিভিন্ন মানুহ লগ ধৰি ভাষা-গৱেষণাৰ দৰে কঠিন কাম এটা কৰিবলৈ মোৰ তেতিয়া অপৰ্যাপ্ত সময়ো নাছিল, মানসতাও নাছিল। সেই সময়ৰ ঘৰুৱা বিপৰ্যয়বিলাকে মোৰ মনৰ শান্তি নোহোৱা কৰিছিল। আনহাতে মোৰ গৱেষণাৰ ইনফৰমেট, খাছী ছাত্ৰ হেমলেট বাৰ গুৱাহাটীত

তেওঁৰ পঢ়া-শুনা শেষ কৰি চাকৰিৰ কাৰণে অন্য ঠাইলৈ গুচি গৈছিল। এইবোৰ কাৰণত গৱেষণাক লৈ মই এক অতি দোধোৰ-মোধোৰ অৱস্থাত পৰিছিলো। সাময়িকভাৱে সেই সময়ত গৱেষণাৰ কাম স্থগিত ৰাখিলেও গৱেষণা যে মই কৰিমেই সেই কথাটোত মই অলৰ-অচৰ আছিলো।

ভোলা বৰুৱা কলেজতে লগ পোৱা, আমাৰ সতীৰ্থ যদিও আমাতকৈ ছিনিয়ৰ সেই 'শিপ্ৰাদি' (শিপ্ৰা বেনাৰ্জী)। এক অসামান্য ব্যক্তিত্বৰ এগৰাকী মহিলা। কামাখ্যাৰো ওপৰৰ ভুৱনেশ্বৰী মন্দিৰৰ কাষৰ এটা পুৰণি, কোনোবা জমিদাৰে সজা পৰিত্যক্ত ঘৰত তেখেত অকলে থাকিছিল আৰু আমাক বিস্ময়াভিভূত কৰি মৰ্নিং ক্লাছলৈ জাৰকালি সেই ভুৱনেশ্বৰীৰপৰা আহিছিল। ইংৰাজীৰ অধ্যাপিকা শিপ্ৰাদিয়ে এখন অষ্টিন (পুৰণি মডেলৰ) গাড়ীও গুৱাহাটীত কিনি লৈছিল আৰু নিজে চলাই ফুৰিছিল। দেখাত বেচ ধুনীয়া, সুমাৰ্জিতভাৱে সাজপাৰ কৰা শিপ্ৰাদিৰ প্ৰতি আটাইৰে বৰ কৌতূহল আছিল। এইগৰাকী মহিলা কোন ঠাইৰ, কিয় অকলে থাকে, কিয় বিয়া নকৰালে, তেখেত তান্ত্ৰিক নে কি, কামাখ্যাত থাকি তন্ত্ৰ-মন্ত্ৰ শিকিছে নে কি,— এনে এশ এবুৰি প্ৰশ্ন ইজন-সিজনক সোধে। তেখেতে লৈ ফুৰা কাপোৰৰ বেগটোৰ ভিতৰত পিষ্টল এটাও নিশ্চয় লৈ ফুৰায়,— এনে ধাৰণাও বহুতৰ আছিল। এইগৰাকী সুন্দৰী নাৰীক কেন্দ্ৰ কৰি ৰহস্যৰ মায়াজাল যেন গুঁঠিছিল কিছুমান কৌতূহলীয়ে।

শিপ্ৰাদিয়ে বৰ সুন্দৰ সৰোদ বজায়। আকাশবাণীতো, টিভিতো। তেখেতে সংগীতৰ এই শিক্ষা সৰোদ বাদ্যৰ কিংবদন্তিস্বৰূপ বিশ্ববিখ্যাত শিল্পী আলি আকবৰ খাঁ চাহাবৰপৰা লৈছিল। শিপ্ৰাদিৰ আচল ঘৰ আছিল ডেৰাডুনত। দেউতাক আছিল কলেজৰ প্ৰিন্সিপাল। কিয় ক'ব নোৱাৰোঁ, শিপ্ৰাদিয়ে মোক বৰ ভাল পাইছিল আৰু আপোনভগ্নীৰ দৰে মৰম কৰিছিল। তেখেত নিজা মাতৃৰ লগত আমাৰ শিৱসাগৰৰ ঘৰলৈও গৈ তাত খোৱা-লোৱা কৰি আমাৰ পৰিয়ালৰ লগত ভাল পৰিচয় হৈছিল। সেইখিনি সময় আছিল ১৯৬২-৬৩ চন। শিৱসাগৰত থাকোঁতেই কোনোবা দুৰ্বৃত্তই তেখেতৰ ভুৱনেশ্বৰীৰ ঘৰটোত জুই লগাই দি তেখেতৰ বহুত ক্ষতি কৰিছিল। পুলিচত চাকৰি কৰা কবি নিত্যা দত্তই আহি মোক কলেজতে খবৰ দিছিল। কলেজত শিক্ষকতাৰ দৰে সৎ পথেৰে জীৱিকা নিৰ্বাহ কৰা এগৰাকী ভদ্ৰমহিলাক এনে মানসিক যন্ত্ৰণা দিয়া শুনি মই বৰ ব্যথিত হৈছিলো আৰু তেখেতক খবৰ দি মই মতাই আনিছিলো।

শিপ্ৰাদি স্থিতপ্ৰজ্ঞা নাৰী। জীৱনৰ সকলো প্ৰত্যাহ্বানৰ কাৰণে যেন সাজু। তেখেতে সেই ঘৰটোত 'জলসা' আদিও পাতিছিল, শ্ৰদ্ধেয় বীৰেন ফুকন দাদা, কেশৱ চাংকাকতি আদি সংগীতৰ লোকো তালৈ গৈছিল। মই এদিনো যাব পৰা নাছিলো। পাছত শিপ্ৰাদি যেতিয়া চেনিকুঠিৰ ভাৰাঘৰত আছিল আৰু তালৈ আলি আকবৰ খাঁৰ দৰে গুণীজন

আহিছিল, সেই ৰাতিহে মই 'জলসা'লৈ গৈছিলো। ফাগুনৰ পূৰ্ণিমাৰ ৰাতি। ৰাতি এক-ডেৰমান বাজিছিল। আলি আকবৰ খাঁ চাহাবে 'সৰোদ'ত মিশ্ৰিত ৰাগ 'চন্দ্ৰমল্লিকা' বজাইছিল। মই শুনি-শুনি ইমান তন্ময় আৰু অভিভূত হৈছিলো যে মোৰ সমগ্ৰ সত্তা যেন চন্দ্ৰকিৰণত বিলীন হৈছিল। সেই নিশাৰ সাংগীতিক শিহৰণ মই জীৱনত কোনোদিন পাহৰিব নোৱাৰিম। তাৰ পাছত শিপ্ৰাদিয়ে বশিষ্ঠত ঘৰ লওঁতেও গৈছিলো। এটা ৰহস্যময় কবিতাৰ দৰে এই দিদিয়ে মোক সদায় লগ লৈছিল— "চল না এক নিৰুদ্দেশ যাত্ৰা কৰি।" কুম্ভমেলা আদিত ঘূৰি ফুৰা চিৰকুমাৰী শিপ্ৰাদিৰ ভ্ৰমণত অত্যন্ত চখ আৰু চখ একো নিয়ম নমনাত। নিৰুদ্দেশ যাত্ৰাৰ কাৰণে মোৰো মন গৈছিল, কিন্তু উপায় নাছিল দায়িত্বৰ কাৰণেই।

ভোলা বৰুৱা কলেজৰ ইংৰাজী বিভাগত থকা দাশগুপ্ত, সুৰেন্দ্ৰ মোহন চৌধুৰীৰ তীক্ষ্ণ চকু, ভৱানী গোস্বামীৰ শান্ত শ্ৰী, দৰ্শন বিভাগৰ ঘনকান্ত চেতিয়া ফুকনৰ ৰসাল খুহুটীয়া কথা, হৰেন ডেকাৰ ছিৰিয়াছনেছ, বুৰঞ্জীৰ অহিদ চাহাবৰ নিৰ্জু প্ৰকৃতি, তাৰক শৰ্মা, অতুল শৰ্মাৰ বুদ্ধিদীপ্ত ভংগী, দিলীপ চৌধুৰীৰ সৰলতা, কিৰণ শৰ্মাৰ সাংগঠনিক দক্ষতা, ভৱগিৰী ৰায়চৌধুৰীৰ চিৰ ব্যস্ততা, ৰুগ্ন তৰুণ ভৰালীৰ অসহায়তা, বিশ্বেশ্বৰ হাজৰিকাৰ ভাষাতত্ত্বৰ প্ৰতি গভীৰ অনুৰাগ প্ৰায়ে মনত পৰে। দাদা দুলাল বৰঠাকুৰৰ মাঠি-মুঠি কোৱা কথা, দাদা পৰমেশ্বৰ শৰ্মাৰ প্ৰতিটো বিষয়ৰে প্ৰতি থকা আগ্ৰহ বৰ সজীৱ। অতিমাত্ৰাই দায়িত্ববোধসম্পন্ন প্ৰসন্ন শৰ্মাৰ চিকাৰৰ কাহিনী বন্ধু বীৰেন দত্তই বৰ ৰস লগাকৈ কয়।

অল্পভাষী যোগেশ দাস দাদাই শান্ত হাঁহি আৰু দুই-চাৰি আষাৰ ধেমালিৰেই কমনৰুম মুখৰ কৰে। অচ্যুত কুমাৰ ঠাকুৰীয়া, থানেশ্বৰ বড়ো (পাছলৈ মন্ত্ৰী), বিষ্ণু ভৌমিক, মহেশ কলিতা, গণিত বিভাগৰ গোস্বামী, সুনীল পৱন বৰুৱা (ধ্বনি কবি বিনন্দ বৰুৱাৰ পুত্ৰ), সুবোধ শৰ্মা,— এইসকলক ধৰি আমি এখন ঘৰৰ দৰে আছিলো। অফিচৰ অতি সদাশয় ৰাজ্যমল ডেকা বাবু যেন কলেজখনৰ প্ৰাণহে। অফিচৰে নবীন পাটোৱাৰী আছিল অতি সৰবৰহী। চকীদাৰ ঈশ্বৰী, অৰ্জুনো কিমান যে আপোন! প্ৰসাদৰ কলেজখনৰ প্ৰতি নিষ্ঠা স্মৰণীয়। শিক্ষক বহুতৰে নাম মনত পৰা নাই।

কলেজত ছায়েন্স খোলাৰপৰা শিক্ষক-শিক্ষয়িত্ৰী নিজ-নিজ বিভাগৰ চেম্বাৰত বহা হ'ল। সেই লিলি, লিলি বৰদলৈ (গোপীনাথ বৰদলৈৰ কন্যা। পাছলৈ মজিন্দাৰ বৰুৱা) কিমান যে জাকত-জিলিকা, আগৰণুৱা আছিল। ৰেখা (বৰ্তমান অধ্যক্ষা), লতিকা, তৃপ্তি, বন্তি, যশোদা, মাধৱী, প্ৰবীণা, ৰবীন, আশ্ৰফ উন্না,— সকলো আমি শান্তি, আনন্দত বান্ধ খাই আছিলো। পাছলৈ আৰু বহুত জুনিয়ৰ আহিল। ছাত্ৰ-ছাত্ৰীবোৰো আছিল বৰ আপোন। আমি প্ৰতি বছৰে পিকনিক পাতিছিলো। সংগীতানুষ্ঠান হৈছিল

উচ্চ মানৰ। ৰমেন বৰুৱা, দীপালী বৰঠাকুৰ, গুণদা কৌৰ, দিলীপ চৌধুৰী, পুলক বেনাৰ্জী, অমূল্য ফুকন, লুটফুৰ ৰহমান, শশীপ্ৰভা দাস, অমূল্য কাকতি প্ৰমুখ্যে মূৰ জিলিকা ছাত্ৰ-ছাত্ৰীসকল আছিল ভোলা বৰুৱাৰে। অসমৰ ভিতৰতে সকলো দিশতে ভোলা বৰুৱা কলেজ উচ্চ স্তৰৰ কলেজ বুলি পৰিগণিত হৈছিল।

স্মৃতিবোৰ যেনিবা ডালিমৰ গুটিহে। পকা ডালিম এটা ফালি দিলে পকা, পূৰঠ গুটিবোৰ ছিটিকি পৰাৰ দৰে স্মৃতিবোৰো ছিটিকি অ'ত-ত'ত পৰেগৈ। ডালিমৰ গুটিবোৰ ৰঙচুৱা বাখৰৰ দৰে লাগে। স্মৃতিবোৰো জলমল বাখৰৰ দৰেই। ই ৰেহা লগাই একাদিক্ৰমে নাহে। বিভিন্ন প্ৰসংগত, বিভিন্ন আনুষংগিকতাত মনত পৰে। মনত পৰে দীপ্তি, দীপালীলৈ। সেই যে হাঁহি-উজ্জ্বল মুখেৰে মিঠা বৰণীয়া বাই-ভনী দুজনী কালাপাহাৰৰ এটি সম্ভ্ৰান্ত, কালচাৰ্ড পৰিয়ালৰ জীয়াৰী, বাংলাভাষী ছোৱালী, বৰ সুশীলা, বৰ মাৰ্জিত, বৰ সুৰুচিপূৰ্ণ। দীপ্তি-দীপালীয়ে সেই বি. এ. পঢ়ি থাকোঁতেই সাহিত্য চৰ্চা কৰিছিল, শুকতৰাকে আদি কৰি বহুত বাংলা আলোচনী আৰু কিতাপ পঢ়িছিল। পঢ়া-শুনাতো আছিল অতি অধ্যৱসায়ী। দীপ্তিয়ে নিজ হাতে কাপোৰেৰে এটা বৰ ধুনীয়া ফাইল কৰি তেতিয়াই মোক উপহাৰ দিছিল। তেওঁবিলাকৰ লগত মই বাংলা কথা পাতিছিলো— তেতিয়া কথা পাতোঁতে মোৰ কথিত বাংলাৰ লগত সাধু বাংলা মিহলি হৈছিল। সিহঁত দুজনীয়ে মোক পাৰেমানে জোকাইছিল। মই অপদস্থ হ'লেও বাংলা ক'বলৈ এৰা নাছিলো। পাছলৈ সেই ত্ৰুটিবোৰ নোহোৱা হ'ল আৰু বাংলা ভাষাতে কলিকতাৰ গোল পাৰ্কৰ নিচিনা ঠাইত ইণ্টাৰনেশ্যনেল চেণ্টাৰত, ড° সুনীতি কুমাৰ চেটাৰ্জী, ড° সুকুমাৰ সেনৰ নিচিনা বিশ্ববিখ্যাত ভাষাবিদৰ আগত বক্তৃতা দিব পৰা হ'লো আৰু অশেষ প্ৰশংসাও লাভ কৰিলো। দীপ্তিয়ে বহুত কিবাকিবি লিখি আছে বুলি শুনি আছোঁ। দীপালীয়ে? মই জানো, তেওঁবিলাক সংস্কৃত মনৰ অধিকাৰী, তেওঁবিলাকে চৰ্চা তথা সাধনা কেতিয়াও এৰি নিদিয়ে।

মোৰ চকুৰ আগত ভাহি উঠিছে ৰেখাৰ ছবি। ৰেখাৰ নাম বিনীতা আছিল নে কি? হয়, বিনীতা চক্ৰৱৰ্তী। মঙলদৈৰ ছোৱালী। এম. এ. পঢ়োঁতে ছাত্ৰীবাৰীত লগ পালো। ৰেখা জুনিয়ৰ। কথা-বতৰাৰে ইমান যে আপোন কৰি ল'লে।

সেই সময়ত হোষ্টেলত প্ৰতি সপ্তাহৰ শুকুৰবাৰে সন্ধিয়া হাউছ মিটিঙত সপ্তাহটোৰ Political, Economical, Regional News কোৱাৰ পাল পৰে দুজনী-দুজনী নিৰ্দিষ্ট ছোৱালীৰ গাত। সকলোৰে আগত— ছুপাৰ মিছ বাৰ্নহামৰ আগত। News ক'বলৈ ৰেখাৰ পাল পৰিলে ৰেখাই বৰ টান পায়। ৰেখাই ভাল পায় কবিতা। বিশেষকৈ বাংলা কবিতা। ৰবীন্দ্ৰনাথ ঠাকুৰৰ আৰু জীৱনানন্দ দাসৰ দুই-চাৰিটা কবিতা ৰেখাৰ বৰ সুন্দৰকৈ মনত আছিল। ইংৰাজীত বাতৰি ক'বলৈ টান পোৱা সেই ৰেখা এতিয়া

গুৱাহাটীৰ এডভোকেট। মেথ্ছুৰ অহল্যা (পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱৰ কন্যা) এতিয়া সাহিত্যিক আৰু পুষ্পসজ্জা পাৰদৰ্শী জ্ঞানসাধিকা মহিলা। অহল্যাৰে ৰুমমেট আছিল ৰেণু মমিন বাইদেউ আৰু অনিলা বৰুৱা। অনিলা বৰুৱা এতিয়া ইঞ্জিনীয়াৰ চৌধুৰীৰ সুপত্নীয়েই নহয়, 'মৈত্ৰী সংঘ'ৰো সুদক্ষা পৰিচালিকা। অহল্যা, অনিলা দুয়ো সামাজিক কামত আগৰণুৱা। অনিলা বোলোঁতে মোৰ আন এগৰাকী অনিলা নবৌলৈও মনত পৰে। অনিলা নবৌৰ (তিনিচুকীয়াৰ) বিয়া হৈছিল মোৰ সম্বন্ধীয়া ককাইদেউ ভেটেৰিনেৰিৰ ডিন (বৰ্তমান অৱসাৰপ্ৰাপ্ত) প্ৰসন্ন শৰ্মাৰ লগত। বৰ ধুনীয়া মুখৰ লাহী অনিলা নবৌৰ বিয়া নৌহওঁতেই সন্দিকৈ হোষ্টেলত সজাই-পৰাই 'কইনা' কৰি ফটো তুলিছিলো। কত কিমান যে চখ আছিল আমাৰ! সেই বগৰী গছজোপাৰ তলত (সন্দিকৈ হোষ্টেলৰ) অনিলা নবৌ 'কইনা' হৈ থিয়দি প'জ দিছিল, যিজোপা গছৰ বগৰী খাবৰ মন গ'লে হোষ্টেলৰ ছোৱালীবোৰে ওচৰতে থকা কটন কলেজৰ কস্মপলিটান হোষ্টেলৰ ল'ৰাই শুনাকৈ চিঞৰি কৈছিল— "ঐ ৰূপালী, বগৰী খাবৰ মন যোৱা নাইনে?" কোনোবা ৰূপালীয়ে হয়তো ক'ব,— "সঁচাকৈয়ে পাই বৰ খাবৰ মন গৈছে।" কস্মপলিটানৰ ল'ৰাই ভনীয়েকহঁতৰ ইচ্ছা যোৱা শুনি ৱালৰ সিপাৰে থকা বগৰী গছ জোকাৰি দিয়ে। আমাৰ হোষ্টেলৰ পিনে থকা ডালৰ লমালমে লাগি থকা বগৰী টুপ-টাপকৈ সৰে। এই স্নেহৰ সম্বন্ধত এবাৰ যিহে ঘটিল। সন্দিকৈ হোষ্টেলৰ পশ্চিমফালে থকা ৱালখনৰ সিপাৰেই কস্মপলিটান হোষ্টেলটো। এদিনাখন তাত থকা বাসিন্দা কোনোবাই দীঘল বাঁহৰ আগত ঝাৰু লগাই বাৰাণ্ডাৰ মকৰাজাল সাৰিছিল। আমাৰ এইপাৰৰ ছোৱালী হোষ্টেলৰ কোনোবাই ভাবিলে ছোৱালীবোৰকহে ঝাৰু দেখুৱাইছে। ই অপমানজনক কথা আমিও শুদাই নেৰোঁ—এই মনোভাবেৰে দুজনীমান ছোৱালীয়ে হাঁকুটিত জোতা ওলমাই এইপাৰৰপৰা দেখুৱালে। লাগিল অহংকাৰত ল'ৰাবোৰৰ। অঁ সিহঁতে আমাক জোতা দেখুৱায়? ইমান সাহ! কোৱা যাওক ছুপাৰক। যেই ছুপাৰক লগালে ল'ৰা হোষ্টেলৰ ছুপাৰে সন্দিকৈ হোষ্টেলৰ ছুপাৰক পিয়ন বুকত চিঠি দি কঠিনভাৱে জনালে— যদি ক্ষমা খোজা নহয়, কথা বেয়া হ'ব। সন্দিকৈ হোষ্টেলৰ ছুপাৰিনটেনডেণ্ট লোকপ্ৰভা দুৱৰা বাইদেৱে কোনে জোতা দেখুৱাইছিল, কিয় দেখুৱাইছিল সুধি আটাইকে ধমকেৰে জৰ্জৰিত কৰিলে। ল'ৰাবোৰে আৰু বগৰী জোকাৰি নিদিয়া হ'ল। ল'ৰাবোৰৰ উদ্ভণ্ডালি, অন্য দুষ্টালি কিন্তু আমাৰ দিনত তেনে একো নাছিল। সমীহ, ভদ্ৰতা এইবোৰ কথা সমাজত বিৰাজ কৰিছিল। আমাৰ সময়ত কোনোবা খঙাল ছোৱালীক জোকাবলৈ মন গ'লে "মা কালী অমুক" বুলি ৰাজপথতহে লিখি থৈছিল। প্ৰেমত পৰিলেও আৰ-তাৰ হতুৱাইহে গোপনে কোৱাইছিল। বেপৰোৱা হোৱাৰ যুগ পাছলৈহে লাহে-লাহে আহিল।

জুনিয়ৰ নীলিময়হঁত অৱশ্যেই আছিল ব্যতিক্ৰম। দেউতাককে আনকি ৰাস্তাৰপৰা ৰাতি চিএৰি নীলিময়ে জোকাইছিল। কিমান যে প্ৰাণপ্ৰাচুৰ্য আছিল তীক্ষ্ণধী নীলিময়ৰ। কবিতা বুজি পোৱা, কবিতা ভাল পোৱা ৰসিক নীলিময় চৌধুৰীয়ে শেষৰ পিনে সুন্দৰ কবিতাও ৰচিছিল। বৰ অকালতে গ'ল এইহেন ল'ৰাটো।

এম. এ. পাছ্ কৰাৰ পাছত মই উজানবজাৰৰ ভাৰাঘৰত থাকিবলৈ লোৱাৰপৰাই 'নতুন অসমীয়া' নামৰ দৈনিক বাতৰিকাকতখনৰ সহকাৰী সম্পাদিকা হৈ কেইবছৰমান কাম কৰিছিলো। কাকতখনৰ কাৰ্যালয় চেনিকুঠিত আছিল। কাকতখনৰ সম্পাদক আছিল শ্ৰদ্ধেয় হৰেন্দ্ৰ নাথ বৰুৱা আৰু তাৰ পাছত কীৰ্তিনাথ হাজৰিকাদেৱ। সহকাৰী সম্পাদক আছিল কথাশিল্পী যোগেশ দাস, তিলক হাজৰিকা, যাদৱ ভূএঞা আৰু নীৰেন ভূএঞা। পাছলৈ এসময়ৰ আছাম ট্ৰিবিউনৰ সম্পাদক ৰবীন বৰুৱা, ভ্ৰাতৃ নীৰেন বৰুৱাও আমাৰ সহযোগী হৈছিল। এইসকল লোকৰ সংগত কাম শিকিবলৈ পাই মই বৰ আনন্দিত হৈছিলো। সেই সময়তে শ্ৰীযাদৱ ভূএঞাই (তেখেতক মই মামা বুলি মাতিছিলো) মোৰ বাতৰিকাকতখনৰ প্ৰতি আগ্ৰহ দেখি 'নিজেই কিয় প্ৰেছ এটা নোখোলা' বুলি প্ৰথম মোৰ মনত এটা নতুন ভাবৰ সঞ্চাৰ কৰিছিল।

১৯৫৭ চন মানৰ কথা এটালৈ উভতি গৈছোঁ। দেউতাৰ অপাৰেশ্যন তেতিয়া হোৱা নাছিল।

ইতিমধ্যে বয়স হোৱাৰ বাবে দেউতাই আগৰ কাৰবাৰবোৰ এৰি একেঠাইতে বহি থাকি কিবা এটা কৰিবৰ বাৰণে চিন্তা কৰি আছিল। দেউতাৰ এই মনৰ ভাবটো শ্ৰীযাদৱ ভূএঞাই জানিছিল। ময়ো ভাবি আছিলো দেউতাৰ বাবে কি ব্যৱসায় উপযুক্ত হ'ব। এনে সময়তে প্ৰেছ খোলাৰ কথা ওলোৱাত কথাটোৱে মোৰ মনৰ মাজত ভালকৈয়ে খোপনি পুতিলে। এনেয়েও ই এটা মৰ্যাদাসম্পন্ন কাৰবাৰ। প্ৰেছ এটা খুলিলে লিখা-পঢ়া জনা ভাল মানুহৰ লগতো সংগ হয়। যাদৱ মামাই দিয়া উপদেশটোৰ কথা মই দেউতাক ক'লোগৈ আৰু বুঢ়া বয়সত দেউতাই প্ৰেছত বহি কাম চাব পাৰিব বুলি ভাবিলো। ঘৰখনৰ কাৰণেও, সৰু ভাইকেইটাৰ কাৰণেও অৰ্থসংস্থান লাগে। দেউতাই কথাটো বিবেচনা কৰি ভাল যেনেই পালে। মোক গুৱাহাটীত প্ৰেছৰ মেছিন কিবা পায় নে কি খবৰ কৰিবলৈ ক'লে। সেই সময়তে ফাঁচিবজাৰত থকা জয়ন্তী আৰ্ট প্ৰেছটো বেচিব বুলি শুনিলো। সোধপোছ কৰি জানিব পাৰিলো যে প্ৰেছটো চেনিকুঠিত থকা চাহ উদ্যোগী কেশৱ বৰুৱাৰ। সেই প্ৰেছটোৰপৰা 'জয়ন্তী' নামৰ এখন আলোচনী প্ৰকাশ পাইছিল। আলোচনীখনে সেই সময়ত অসমীয়া সাহিত্যৰ আলোচনীৰূপে খ্যাতি আৰ্জিছিল যদিও কিবা কাৰণত প্ৰকাশ বন্ধ হৈছিল। আনহাতে প্ৰেছটোৱে লোকচান

ভৰি থকাত মালিকে বন্ধ কৰি থৈছিল। যাদৱ মামাক লগত লৈ গৈ প্ৰেছটো চালোগৈ। যথেষ্ট ডাঙৰ প্ৰেছ। ছপা কৰা মেছিন চাৰিটা। তাৰে এটা ডাঙৰ (৩২ পৃষ্ঠা ছপা কৰিব পৰা) জাৰ্মান মেছিনৰ নাম আছিল 'প্লেনেটা'। শুনিবলৈ পোৱা মতে সেই সময়ত গোটেই অসমতে তেনেকুৱা মেছিন এইটোৱেই আছিল। বাকী তিনিটা ডাঙৰ ছাইজৰ ট্ৰেডল মেছিন ইংলেণ্ডত তৈয়াৰী। কাটিং মেছিন, পাৰফৰেটিং মেছিনৰ লগতে টাইপ (আখৰ) আদিও প্ৰচুৰ আছিল। আখৰৰ প্ৰায় তিনিশখন কেছ আছিল। প্ৰেছটো চলাবলৈ নিজাকৈ জেনেৰেটৰ ব্যৱহাৰ কৰিছিল। প্ৰুফ তোলা মেছিনটো ইমান ডাঙৰ আছিল যে ছপা মেছিন নোলোৱাৰ সময়ত তাতে হেনো এখন-এখনকৈ কাগজ ছপা কৰিছিল।

আমি সৰ্বমুঠ পঁচিছ হাজাৰ টকাত প্ৰেছটো কিনাৰ ঠিক কৰিলো। ইতিমধ্যে দেউতাই চানমাৰিত কিনা মাটিতে প্ৰেছটো বহুউৱাৰ কাৰণে ডাঙৰ ঘৰ সাজিবলৈ আৰম্ভ কৰিলে। ময়ে উজানবজাৰৰপৰা আহি চানমাৰিত প্ৰেছৰ ঘৰ সজাৰ কাম তদাৰক কৰিছিলো। দেউতা মাজে-মাজে শিৱসাগৰৰপৰা আহে আৰু সকলো কাম-কাজৰ দিহা-পৰামৰ্শ দি গুচি যায়। এই কামত মোৰ সম্পৰ্কীয় মামা চিফ ইঞ্জিনীয়াৰ বিষ্ণুপ্ৰাণ চাংকাকতিদেৱে কিছু সহায় কৰি দিছিল। জীৱনত প্ৰথম ঘৰ সজা কামৰ অভিজ্ঞতা তেনেকৈয়ে আৰম্ভ হৈছিল। ঘৰটো হোৱাৰ পাছত প্ৰেছটো বহুউৱা হ'ল। প্ৰেছৰ কাম-কাজ চাবলৈ কলিকতাৰ এজন বাঙালী প্ৰিণ্টাৰ লোৱা হ'ল আৰু বাকী টেকনিকেল কামৰ কাৰণে অসমীয়া, বাঙালী, নেপালী মানুহ ৰখা হ'ল। আৰম্ভণিতে ১৫ জনমান মানুহ লৈ ইষ্টাৰ্ণ প্ৰিণ্টাৰ্ছ নাম দি প্ৰেছৰ ব্যৱসায়ত নামি পৰিলো। কামো দুই-এটাকৈ আহিবলৈ ধৰিলে যদিও এই প্ৰেছটো চলাই থাকিবলৈ, মানুহবোৰৰ দা-দৰমহা দিবলৈ যিমান কাম অহাৰ প্ৰয়োজন সিমান কাম নহাত বিভিন্ন ঠাইত মই কাম বিচাৰি ফুৰিব লগা হৈছিল। প্ৰেছৰপৰা ওলোৱা কাকত, আলোচনীত কাম কৰাও বেলেগ কথা আৰু নিজাকৈ প্ৰেছ এটা চলোৱাও সম্পূৰ্ণ বেলেগ কথা। প্ৰেছৰ মেনেজাৰৰ আসনত বহি বহুতো তিক্ত অভিজ্ঞতা হ'ল। প্ৰেছত কাম কৰি থকা সকলোৰে নানান ষড়যন্ত্ৰ। প্ৰেছ ডুবিলে যে নিজেও ডুবিব এই কথা নাভাবে। কামত নানা ফাকি, দৰকাৰৰ সময়ত খতি আদিৰ উপৰিও প্ৰেছৰ টাইপ, লিড, ৰোল আদি চল পালেই চুৰ কৰি নিয়া দুজনমানৰ অভ্যাসত পৰিণত হৈছিল। প্ৰেছৰ ভিতৰৰ মানুহৰ সহযোগত বাহিৰা মানুহেও আহি বহুত বস্তু বাৰে-বাৰে চুৰ কৰিছিল। পাছলৈ এনেকুৱা অৱস্থা হৈছিল যে পুলিচক কেছ দিয়াৰ বাহিৰে গত্যন্তৰ নাছিল। কিমান যে পুলিচৰ কুকুৰ আনি চোৰ বিচৰা কাম নকৰিছিলো। সেই সময়ত মোৰ ব্যস্ততাৰ সীমা নাছিল। ৰাতিপুৱা কলেজ কৰোঁ, কলেজৰপৰা বাহিৰে-বাহিৰে নতুন অসমীয়া আৰু ৰামধেনুত কাম কৰোঁ (Part time) আৰু উজানবজাৰৰ ঘৰলৈ গৈ ৰান্ধি-বাঢ়ি খোৱা আৰু খুউৱা কাম। মোৰ লগত তেতিয়া ডাঙৰ ভাই সোণ

থাকে। সেই সময়ত সি মেট্রিক পৰীক্ষাৰ কাৰণে সাজু হৈছিল। গধূলি কলেজলৈ যোৱাৰ আগতে দুঘণ্টামানৰ বাবে আহি প্ৰেছটোত বহোঁহি। কেতিয়াবা সময় সলনি কৰিও লৈছিলো। অৰ্থাৎ কলেজৰপৰা পুৱা ন বজা বা চাৰে ন বজাত চানমাৰিৰ প্ৰেছ পাইছিলোহি আৰু আবেলি চেনিকুঠিৰ নতুন অসমীয়ালৈ মোৰ কামখিনি কৰিবলৈ গৈছিলো। এনেকৈয়ে দুবছৰমান প্ৰেছ চলোৱাৰ পাছত বৰ অসুবিধা যেন দেখি দেউতাই লৰালৰিকৈ চানমাৰিৰ প্ৰেছৰ সন্মুখতে থকা মাটিখিনিত আছাম টাইপৰ ঘৰ এটা সাজিবলৈ ক'লে। আকৌ সেই চিমেণ্ট-বালি, ইটা-শিল-টিনপাত, কাঠমিস্ত্ৰি, ৰাজমিস্ত্ৰি। এদিন ফাঁচি বজাৰলৈ গৈ টিনপাত কিনি ঠেলাগাড়ীত চানমাৰিলৈ পঠাই দি মই চিটিবাছত আহি দেখোঁহি যে টিনপাতৰ গাড়ীৰ খবৰেই নাই আৰু নাই যি নায়েই। কিমান যে বিলাই-বিপত্তি! পাছত জানিবা বিচাৰি-বিচাৰি ৰিহাবাৰীৰ জংগলৰ মাজত টিনপাতখিনি পোৱা গ'ল। শেষত ঘৰটো হ'লগৈ আৰু তালৈ ১৯৫৯ চনৰ শেষৰ পিনে আহিলো। নিজৰ প্ৰেছতে মনপুতি লাগিবৰ কাৰণে 'নতুন অসমীয়া'ৰ কামটো এৰি দিলো। কলেজলৈ দুবেলা যাওঁ, নিজৰ প্ৰেছ চাওঁ, ৰন্ধা-বঢ়া ইত্যাদি চম্ভালো। সেই কেইবছৰত কিমান যে কিমান ঠাইৰ আলহী আমাৰ ঘৰত! গুৱাহাটী চাবলৈ অহা, ৰোগীৰ চিকিৎসাৰ বাবে অহা, কলেজবোৰত ছিট বিচাৰি অহা অভিভাৱক আৰু সন্তান, 'তীৰ্থ দৰ্শনৰ কাৰণে অহা' ইত্যাদি-ইত্যাদি কিমান যে মানুহ আমাৰ ঘৰত থাকেহি। ৰন্ধা-বঢ়াত হ'লে কোনেও কুটা এগছো সহায় নকৰে। তেওঁবিলাকক মই ডাক্তৰৰ ওচৰলৈও বাৰে-বাৰে নিব লাগে, কামাখ্যাও দেখুৱাব লাগে, পৰিচৰ্যাও কৰিব লাগে— একদম ঘড়ীৰ কাঁটাৰ দৰে ঘূৰোঁ।

প্ৰেছ চলাবলৈ লৈ বহুত নতুন অভিজ্ঞতা হ'ল। কিমানে যে কাম কৰাই লৈ পইচা নিদিয়ে, কিমানে যে কামৰ অৰ্ডাৰ দি আধাতে এৰে, কিমানে যে ছপাৰ সামান্য খুঁত উলিয়াই পইচা কমাবলৈ বিচাৰে। মানুহৰ মাজত লুকাই থকা বিভিন্ন স্বভাৱবোৰ যেন মোৰ আগত আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। প্ৰেছটো ইমান ডাঙৰ যে ইয়াক চলাই ৰাখিবৰ কাৰণে বহুত ছপাৰ কাম লগা হ'ল। কাম বিচাৰি-বিচাৰি মই চিটিবাছ, ৰিক্সাৰে গৈ মালিগাঁৱৰ ৰে'লৱে'ৰ অফিচ পাওঁগৈ। অন্য অফিচবোৰলৈ যাওঁ। এল. আই. চি., ৰিফাইনেৰিলৈও কামৰ বাবে যাওঁ। সেইখিনি সময় মোৰ অতি দুখৰ সময় আছিল। সেই সময়তে দেউতাও বিভিন্ন অসুখত বাৰে-বাৰে শয্যাশায়ী হৈ পৰিছিল। শিৱসাগৰৰ ঘৰ আৰু গুৱাহাটীৰ ঘৰ এই দুয়োখন ঘৰ নিয়াৰিকৈ চলাই নিয়া, ভাইকেইটা আৰু মোৰ ছোৱালীজনীৰ ভৱিষ্যৎ চিন্তা কৰা, তাৰ মাজতে সাহিত্য সৃষ্টিৰ যোগেদি মোৰ নিজৰ ভৱিষ্যৎ গঢ়া ইত্যাদি কামত মই দিশহাৰা হৈ পৰিছিলো। শিৱসাগৰৰ পুৰণি ঘৰখনৰ সন্মান ৰাখি চলিবলৈ যথেষ্ট টকাৰ প্ৰয়োজন। দেউতাৰ সঞ্চিত টকা নাছিল। গুৱাহাটীৰ ঘৰৰো খৰচ বহুত। তীব্ৰ অৰ্থ সংকটৰ সন্মুখীন হ'লো। কাক টকা খুজিম?

কলেজৰ দৰমহা তেতিয়া তেনেই সামান্য। আত্মসন্মানবোধে কাৰো ওচৰত হাত পাতিবলৈ শিকোৱা নাই। দেউতা-মাক একো জনাব নোৱাৰোঁ। অসহায় তেওঁবিলাকে বৰ দুখ পাব। অথচ দেউতাৰ দৰব কিনিবলৈকে কিমান টকা লাগে! একমাত্র উপায় আছিল ব্যয় সংকোচন। এটা টকা বচাবলৈ তেতিয়া বি. বৰুৱা কলেজলৈ দুয়োবেলা খোজকাঢ়ি যাওঁ। ৰিক্সাত তেতিয়া আঠ অনাহে লাগিছিল। সকলোবোৰ পৰীক্ষাতে গাৰ্ড দিবলৈ যাওঁ। এবেলাত চাৰি টকাকৈ দিয়ে। নিজে ৰন্ধা-বঢ়া কৰোঁ। ব্যয় সংকোচনৰ কাৰণেই। এই সঁচা কথাবোৰ লিখিবলৈ মই অকণো লাজ কৰা নাই। কাৰণ দৰিদ্ৰতাৰ কত ৰূপ মই গাঁৱে-ভূঁয়ে দেখিছোঁ। তাতকৈ আমাৰ অৱস্থা বহুত ভাল; চাকৰি এটা আছে, ব্যৱসায়ো এটা আছে। উত্থান-পতনতো মানুহৰ থাকিবই। মোৰ আগতেও একো বিলাসিতা নাছিল, এতিয়া আৰু মিতব্যয়ী হ'বলৈ শিকিলো। বাহিৰৰ মানুহে বাহিৰৰপৰা আমাক বহুত ধনী বুলিয়েই ভাবি থাকিছিল। সেই ধাৰণাটোৰ আনহাতেদি বৰ প্ৰয়োজন আছিল— নহ'লে দুৰৱস্থাৰ সুযোগ লোৱা মানুহৰ অভাৱ নহ'লহেঁতেন। মই উৰাই-ঘূৰাই ৰেডিঅ' প্ৰগ্ৰেম কৰিবলৈ লৈছিলো টকাৰ কাৰণেই। বাহিৰৰ কাগজৰ কাৰণে ইংৰাজী প্ৰবন্ধ লিখিবলৈ ল'লো। তেতিয়া অষ্ট্ৰেলিয়া আদিৰ আলোচনীতো সংস্কৃতি বিষয়ক মোৰ প্ৰবন্ধ ওলাইছিল আৰু কিছু ডলাৰৰ চেকো আহিছিল। কিমাননো পাইছিলো এতিয়া পাহৰিলো।

সকলো ধুমুহা অকলে বুকু পাতি ল'বলৈ, আত্মমৰ্যাদাৰে থিয় হ'বলৈ মই ক'ৰপৰা শক্তি পাইছিলো কেৱল নেদেখাজনে জানে। মাৰ দৰে মোৰ অসীম ধৈৰ্য যে আছিল এইটো কিন্তু ঠিক। মোৰ ভাইকেইটাৰ অকৃপণ সহযোগো মোৰ শক্তি আছিল। মই সদায় ভাবিছিলো ৰামচন্দ্ৰ ৰজাৰ ল'ৰা হৈয়োতো চৈধ্য বছৰ বনবাসত কটাইছিল! পঞ্চপাণ্ডৱেওতো এনে দুৰ্ভোগ ভুগিছিল! উত্থান-পতন অনিবাৰ্য। সাহসেৰে প্ৰত্যাহ্বান জনোৱাটোৱেই আচল কথা। ইমানবোৰ চিন্তা, ইমানবোৰ কাম। এইখিনি সময়তে মোক সহায় কৰাৰ মুখা পিন্ধি অহা কেইবাজনো ভদ্ৰলোকক লগ পাইছিলো। এইটো কথা অতি সঁচা যে মাইকী মানুহৰ অতি তীক্ষ্ণ ষষ্ঠ ইন্দ্ৰিয়ৰ শক্তি (intuition) থাকে। এই শক্তিটো মোৰ কিজানি বৰ প্ৰখৰ। এই শক্তিটোৱে আৰু আত্মসন্মানবোধে মোক আচৰিতভাৱে সহায় কৰিছিল। মই যথাযোগ্যভাৱে সকলোকে ভাল ব্যৱহাৰ কৰিছিলো। কিন্তু কোনেও এষাৰ শিথিল কথা কোৱাও মই সহ্য কৰিব নোৱাৰিছিলো। মোৰ পৰ্বতপ্ৰমাণ দায়িত্বৰ বিষয়ে মই সদায় সজাগ আছিলো। মাইকী মানুহ বুলি বহুতে টুকৰিয়াই চাবও খোজে, সুযোগ ল'বলৈও বিচাৰে।

এদিন সন্ধিয়া মই প্ৰেছত বহি থাকোঁতে এজন সুন্দৰ, সুশ্ৰী, চুৰিয়া পিন্ধা অসমীয়া

ভদ্ৰলোক ওলালহি। তেখেতক নমস্কাৰ জনাই মই বহিবলৈ দিলো। তেখেতে প্ৰাথমিক কথা-বতৰা পতাৰ পাছত ক'লে— "তোমালোকে কিনি লোৱা প্ৰেছটোৰ মালিক ময়েই আছিলো। তোমালোকে যিহেতু মোৰপৰা প্ৰেছটো কিনিছা, প্ৰেছটোৰ 'লায়েবিলিটিজ'বোৰো তোমালোকে ল'ব লাগিব। প্ৰেছটোৰ আগৰ 'লায়েবিলিটিজ' কিছুমানৰ কাৰণে মোৰ ওচৰলৈ মানুহ গৈ থাকে, মই সেই মানুহবোৰ তোমাৰ ওচৰলৈ পঠাই দিম। তুমি যি কৰা কৰিবা।" মোৰ খঙে মূৰৰ চুলি আগ পালেগৈ। মই প্ৰেছ কিনিছিলো সঁচা, কিন্তু লায়েবিলিটিজ কিনা নাছিলো। প্ৰেছ কিনাৰ দলিল মোৰ হাতত আছে, তাত পেপাৰ ৰেট, স্কেলডাললৈকে কিনাৰ হিচাপ আছে, কিন্তু কোনো 'লায়েবিলিটিজ'ৰ উল্লেখ নাই। তেখেতে লাঠীডাল মাটিত থুকুৰিয়াই-থুকুৰিয়াই গাৰ জোৰেৰে বাৰে-বাৰে ক'লে যে লায়েবিলিটিজবোৰ তুমি ল'বই লাগিব। মই থিয় হৈ হাতযোৰ কৰি ক'লো যে আপুনি এতিয়া সসন্মানে যাওকগৈ আৰু মোৰ ওপৰত কে'ছ কৰকগৈ। আপুনি লগোৱা ধাৰবোৰ কোনোপধ্যে মোৰ গালৈ আপুনি ঠেলিব নোৱাৰে। মই বৰ কঠিনকৈ কথাখিনি ক'ব লগা হ'ল। মানুহজন পৰাজিত সৈন্যৰ দৰে মোৰ দৃষ্টিৰপৰা আঁতৰ হ'ল। কোনো কে'ছ তেখেতে কৰিবলৈ সাহ নকৰিলে। আচলতে তেখেতে প্ৰেছ চলাওঁতে লগোৱা ধাৰ আৰু জেওঁবোৰ মোৰ মূৰৰ ওপৰত জাপি দিব পাৰে নে কি তাৰহে সুযোগ ল'বলৈ আহিছিল। মানুহ নীতিত থাকিলে একোৱে ভয় খুৱাব নোৱাৰে। শিৰ সদায় উচ্চ হৈ থাকে। শিৰ উচ্চ কৰি ৰাখিবলৈ শক্তি দিয়ে একমাত্ৰ সততাইহে (honesty)। এই ঘটনাটোৱে মোৰ আত্মপ্ৰত্যয় দৃঢ় কৰিলে। আনে মোক যি ভাবক-নাভাবক মই ভগৱানৰ ওচৰত সত্য আৰু সেইটোৱেই মোৰ ডাঙৰ সাহস।

মই যিহেতু অকলশৰে ভাইকেইটা আৰু ছোৱালীজনীসহ বাস কৰিছিলো, ঘৰত ডাঙৰ অভিভাৱক নাছিল, সেইকাৰণে ওচৰ-চুবুৰীয়া বা অলপ দূৰৰ মানুহবোৰে মোৰ ওপৰত চকু ৰাখিছিল আৰু তেওঁলোকৰ বৰ কৌতূহল আছিল। মই ক'লৈ যাওঁ, কি কৰোঁ, ৰাতি কলেজৰপৰা কাৰ লগত আহোঁ এই কথাবোৰত তীক্ষ্ণ দৃষ্টি দি আছিল আৰু কেতিয়াবা-কেতিয়াবা ৰহণ সানিও আক-তাক কৈছিল। কোনোবাই-কোনোবাই আকৌ আহি সেইবোৰ কথাকে মোৰ আগত কয়হি। মই কেতিয়াও ভয়ো নাখাওঁ, মনোবলো নেহেৰুৱাওঁ। এক দৃঢ় আত্মবিশ্বাসে মোক সদায় সৎ পথৰ নিৰ্দেশ দিছিল, মোক অভয় দিছিল। সততা আৰু আত্মবিশ্বাস স্বৰ্গীয় শক্তিৰ দৰে। এই গুণকেইটা প্ৰতিজন ল'ৰা বা ছোৱালীয়ে আয়ত্ত কৰিব লাগে।

এইখিনিতে মোৰ জীৱনৰ আন এটা ঘটনা মনত পৰিছে। মোৰ নিজৰ ওপৰতে অসীম আস্থা আছিল কাৰণে মই ভাবিছিলো মোক কোনেও বেয়া চকুৰে চাব নোৱাৰে।

কল্পনাজগতখনতকৈ দিঠকৰ জগতখন যে কিমান নিষ্ঠুৰ এই কথা মাটিত ভৰি দি লাহে-লাহে বুজিব পৰা হ'লো। সেই সময়ত কটন কলেজত অসমীয়া বিভাগত লেকচাৰাৰ পদ এটা ক্রিয়েট কৰিবৰ কাৰণে শিক্ষামন্ত্রীক ক'বলৈ শ্বিলঙলৈ যাব লগা হৈছিল। শ্বিলঙৰ লাচুমিয়াত মামা বিষ্ণুপ্ৰাণ চাংকাকতি সপৰিবাৰে থাকে কাৰণে মোৰ থকাৰ একো অসুবিধা নাই। মই শ্বিলঙলৈ গ'লে মামাৰ ছোৱালী বেবী, ৰুবী, দেৱী, ছবি আৰু ভণ্টি আনন্দত আত্মহাৰা হয়। সেই সময়ত লিলি (ককা গোপীনাথ বৰদলৈৰ সৰু ছোৱালী) মামাইঁতৰ ঘৰতে থাকি পাইন মাউণ্ট স্কুলত পঢ়িছিল। মামা লিলিৰ ডাঙৰ ভিনিহিয়েক। মই বি. এ. পঢ়ি থাকোঁতে বন্ধ হ'লেই মামাই নিজৰ গাড়ীৰে শ্বিলঙলৈ প্রায়ে লৈ গৈছিল। মামাইঁতৰ ঘৰখনৰ সেই অকৃত্রিম মৰম মই ক'ত পাহৰিম! এতিয়া মামাৰ ছোৱালীকেইজনী আৰু ল'ৰা পণ্টু, ভাইটিৰ বৰ ডাঙৰ-ডাঙৰ পৰিচয় হ'ল। বেবী ইঞ্জিনীয়াৰৰ পত্নী আৰু তিনিটা অতি প্রতিভাশালী ল'ৰা-ছোৱালীৰ মাক। ৰুবী নিজেও আৰ্মিৰ ডাক্তৰ আৰু তেওঁৰ স্বামীও আৰ্মিৰ ডাক্তৰ। দুয়ো বৰ্তমান কৰ্নেলৰ ৰেংকত চাকৰি কৰি আছে। দেৱী এম. এ., এল. এল. বি. হাকিম আৰু তেওঁৰ স্বামীও আছিল হাকিম। ছবি শ্বিলঙৰ ছেন্ট এডমান্স কলেজৰ জুৱলজিৰ প্ৰফেছাৰ আৰু স্বামীও ফিজিক্‌ছৰ প্ৰফেছাৰ। ভণ্টি ইঞ্জিনীয়াৰিং পাছ কৰি নিপক'ৰ ইঞ্জিনীয়াৰ আৰু তেওঁৰ স্বামীও ইঞ্জিনীয়াৰ। পণ্টু (প্ৰশান্তপ্ৰাণ চাংকাকতি) বন বিভাগৰ উচ্চপদস্থ বিষয়া আৰু ভাইটি (প্ৰদীপ্তপ্ৰাণ চাংকাকতি) বান নিয়ন্ত্ৰণ বিভাগৰ ইঞ্জিনীয়াৰ। আমাৰ অতি দুৰ্ভাগ্য যে লিলিৰ (অধ্যাপিকা ড° লিলি মজিন্দাৰ বৰুৱা) নিচিনা প্ৰাণময়ী এজনী ছোৱালীয়ে হাৰ্টৰ অসুখত অকালতে ইহলীলা সম্বৰণ কৰিব লগা হ'ল। শ্বিলঙৰ সেই বিনন্দীয়া দিনবোৰ কি যে আনন্দৰ আছিল!

শ্বিলং পায়েই মামাইঁতৰ ঘৰত বেগটো থৈ মুখ-হাত ধুই চাহ-জলপান খাই তেতিয়াৰ শিক্ষা বিভাগৰ উপমন্ত্রী পূৰ্ণানন্দ চেতিয়াক লগ কৰিবলৈ ছেক্ৰেটেৰিয়েটলৈ গ'লো। পূৰ্ণানন্দ চেতিয়া শিৱসাগৰৰ মানুহ। তেখেতৰ ব্যক্তিগত সচিবে মন্ত্ৰীক পাছবেলাহে লগ পাব পাৰিম বুলি কোৱাত মই মামাইঁতৰ ঘৰলৈকে বুলি কৰিডৰেদি বাহিৰলৈ ওলাই আহিছিলো। এনেতে 'মাকণ' বুলি মতা কণ্ঠস্বৰ এটা হঠাতে কাণত পৰিল। মই পাছলৈ উভতি চালো। দেখিলো এজন সুদৰ্শন পুৰুষ। বয়স চল্লিছ বছৰৰ ওচৰা-উচৰি। তেখেতে নিজৰ নামেৰে পৰিচয় দিলে। নামটো শুনি তেখেত এজন চিত্ৰশিল্পী বুলি গম পালো। মোৰ মুখত তেতিয়াও অচিনাকি ভাব লাগি থকা দেখি তেখেতে অতি সহজভাৱে ক'লে— 'তুমি মোক চিনি পোৱা নাই? কি আচৰিত! তোমালোকৰ ঘৰলৈ মই গৈছোঁ নহয়। তোমাৰ দেউতা অৰ্থাৎ খুৰাদেউক ইমান ভালকৈ জানো— তুমিহে মোক পাহৰিলা।" মই মনতে ভাবিলো— ইমাননো পৰিচিতনে? মই তেতিয়াহ'লে

কিয় মনত পেলাব পৰা নাই? নিজৰে বৰ লাজ লাগিল। মই সহজ হৈ মুখলৈ চালো। তেখেতে লগে লগে ক'লে,— "কেনি আহিছিলা মাকণ! কি কাম আছে মোক কোৱা। মই সহায় কৰি দিম।" মোৰ নিজা কামত কাৰো সহায় লোৱাৰ কথা ভাবিবই পৰা নাছিলো। সেয়েহে মই ক'লো,— "নালাগে-নালাগে মই নিজেই পাৰিম।" তেখেতে ক'লে,— "তেন্তে এতিয়া কেনি যাবলৈ ওলাইছা?" মই মামাৰ ঘৰলৈ যোৱাৰ কথা কোৱাত তেখেতে বৰ উৎসাহেৰে ক'লে,— "অ' তেখেতৰ ঘৰলৈ? ব'লা, ব'লা, মোৰ গাড়ীৰে তেখেতৰ ঘৰত নমাই দিম।" এই বুলি কৈয়ে আগবাঢ়ি আহি গাড়ীৰ দুৱাৰ খুলি দিলে আৰু আগৰ ছিটতে বহিবলৈ দিলে। মই তেখেতক ঘৰুৱা মানুহ বুলি ভাবি একো নাভাবি গাড়ীত উঠি মামাৰ ঘৰৰ পিনে আগবাঢ়িলো। তেখেতে মামাৰ ঘৰৰ পদূলিত মোক নমাই দিলে আৰু ঘূৰি যাওঁতেও মোক গাড়ীৰে লৈ যাম বুলি ক'লে। কাৰণ তেখেতৰো হেনো ছেক্ৰেটেৰিয়েটত কাম আছে। ছেক্ৰেটেৰিয়েট লাচুমিয়াৰপৰা বেছি দূৰ নহয়। মই "নালাগে, খোজকাঢ়িয়েই যাব পাৰিম" বুলি ক'লো। তেখেতে ক'লে— "নাই, নালাগে, মই যেতিয়া আহিমেই ময়ে লগতে লৈ যাব পাৰিম তোমাক।" ঘৰত মামা নাছিল আৰু মামীও কিবা অসুখত বিছনাত পৰি আছিল। ছোৱালীকেইজনী স্কুললৈ গৈছিল। মই ৰান্ধনিক কৈ দুপৰীয়াৰ আহাৰ খাই থাকোঁতেই গাড়ীৰ হৰ্ণ বজা শুনিলো। মই ভাবিছিলো মিনিষ্টাৰক লগ পাই সেইদিনাই আবেলি তিনি বজাৰ বাছত গুৱাহাটীলৈ উভতি যামগৈ। লৰালৰিকৈ ছেক্ৰেটেৰিয়েটৰ কামটো শেষ কৰোঁ বুলি পদূলিত ৰৈ থকা তেখেতৰ গাড়ীতে একো নাভাবি উঠিলোহি। মানুহজনে মই গাড়ীত উঠাৰ পাছত মোলৈ ৰঙা গোলাপৰ তোড়া এটা আগবঢ়াই দিলে। মই তেখেতৰ বাগিচাৰ ফুল নে কি বুলি সুধিলো। তেখেতে ক'লে,— "এয়া তোমাৰ কাৰণে বিশেষ উপহাৰ।" মই মনতে ভাবিলো,— মোৰ কাৰণে ৰঙা গোলাপ কিয়? ৰঙা গোলাপ বিশেষজনৰ কাৰণেহে। মই লাহেকৈ ষ্টিয়েৰিঙৰ কাষতে ফুলখিনি হাতৰপৰা থৈ দিলো। এনেতে মই লক্ষ্য কৰিলো গাড়ীখন দেখোন ছেক্ৰেটেৰিয়েটৰ বিপৰীত দিশেহে গতি কৰিছে। মই চিঞৰি উঠিলো,— "ছেক্ৰেটেৰিয়েটৰ ৰাস্তা সৌটোহে, আপুনি দেখোন অন্যপিনেহে গাড়ী ঘূৰাইছে!" তেওঁ ক'লে,— "পাণ এখন খাবলৈহে এইফালে আহিছোঁ। তুমিও মিঠাপাণ এখন খাবা।" তেওঁৰ কথা শুনি মোৰ খং উঠি গ'ল। "আপুনি পাণ খাওক, মই নাখাওঁ। মোৰ কামটো শেষ কৰি মই উলটি যাব লাগে। গাড়ী ঘূৰাওক।" কঠিন মাতেৰে কোৱা কথাকেইটা শুনি তেওঁ নিশ্চয় বুজিছিল, মোৰ খং উঠিছে। তেওঁ লাহেকৈ ক'লে,— "কিহৰনো ইমান লৰালৰি? ঘৰতনো তোমাৰ কোন আছে? আজি ৰাতিটো শ্বিলঙতে থাকি যোৱানা। কিমান সুন্দৰ এই শ্বিলং!" মই ক'লো,— "চাওক, শ্বিলং মই বহুতবাৰ দেখিছোঁ। শ্বিলং চোৱাৰ কোনো

হাবিলাষ মোৰ নাই।" তেওঁ চাগৈ আছিল পাকৈত খেলুৱৈ। তেওঁ লৰালৰিকৈ কথাৰ সুৰ সলাই ক'লে,— "ইমান ধুনীয়া ছোৱালীজনীৰ মুখত ইমান টান কথা শোভা পায়নে? তোমাৰ বিষয়ে কিমান খা-খবৰ লৈ থাকোঁ তুমিতো নাজানা। তোমাৰ লেখা কাগজত কিমান পঢ়োঁ তুমিতো নাজানা। তুমি নাজানা মাকণ মই কিমান অসুখী। আজি ৰাতিটো থাকা, মোৰ দুখৰ কাহিনী তোমাক শুনাম।" এই কথাবোৰ কৈ থাকোঁতে ফুলস্পিডত তেওঁ গাড়ী চলাই গৈছিল মই চিনি নোপোৱা কোনোবা নিৰ্জন পথেদি। মোৰ অন্তৰ ভয়ত শিয়ৰি উঠিল। এই মানুহজনে মোক ক'লৈ লৈ গৈছে? ফুল স্পিডত থকা গাড়ীৰপৰা জাঁপ মৰাটোও অসম্ভৱ কথা। আনহাতেদি গাড়ীৰপৰা কিবাপ্ৰকাৰে নামিব পাৰিলেও মই উভতি যাবলৈ বাট চিনি নাপাম। এতিয়া মই কি কৰিম? ৰুদ্ৰমূৰ্তি ধৰি মানুহটোক মাৰিম নে চিঞৰিম? চিঞৰিলে জানো নিৰ্জন পথত কোনোবাই শুনিব? গাড়ী যে আগলৈ গৈ আছে। মোৰ কি দশা হ'ল আজি! কেলেই আনৰ গাড়ীত উঠিছিলো? মানুহটোৱে মোৰ সৰ্বনাশ কৰিবলৈ মতলব কৰিছে। মোক ছেক্ৰেটেৰিয়েটলৈ নিব বুলি ক'ৰ ওলোটা বাটেদি আনি কোনখিনি পোৱালেহি। মই ভিতৰি ভিতৰি থকথককৈ কঁপিবলৈ ধৰিলো আৰু ভগৱানৰ নাম বাৰে-বাৰে স্মৰণ কৰিলো। শ্বিলঙৰ এই অপৰূপ আবেলিটো মোৰ কাৰণে যেন এক অন্ধকাৰ গুহা হৈ পৰিল। মোৰ কি হ'ব এতিয়া, কি হ'ব? কোনো বান্ধ নামানি মোৰ চকুপানী ধাৰাসাৰে বাগৰি আহিল। মানুহটোৱে বাঁওহাতেৰে ষ্টিয়েৰিং ধৰি সোঁহাতেৰে মোৰ চকুপানী তেওঁৰ ৰুমালেৰে মচি দিব খুজিলে। ক'ৰবাতনো লোকৰ ৰুমাল ব্যৱহাৰ কৰিব পাৰিনে? মই জোকাৰ মাৰি তেওঁৰ হাতখন এৰুৱাই দিলো। তেওঁ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি বাৰে-বাৰে ৰাতিটো শ্বিলঙত থাকি যাবলৈ অনুৰোধ কৰিলে। ইতিমধ্যে এখন খাছিয়া হোটেলৰ সমুখত গাড়ী ৰখাই তেওঁ মোক একাপ চাহ খোৱাৰ প্ৰস্তাৱ দিলে। মই ভাবিলো গাড়ীৰপৰা চাহ খোৱাৰ অজুহাতত নামি অহা ভাল হ'ব। কোনোবা চিনাকি মানুহ পাই যাব পাৰোঁ। নতুবা পলোৱাৰ সুৰুঙাও পাব পাৰোঁ। নাই, মোক ভয়ানক চিন্তাৰ অগনিত পেলাই দি ভগৱান যেন ক'ৰবাত লুকাই আছে। চাহৰ টেবুলত বহি চাঁতকৰে মোৰ মগজুত বুদ্ধি এটা খেলালে। মই ভাবিলো মই যেতিয়া সম্পূৰ্ণ অসহায়, মই কৌশলেৰে ৰণ জিকিব লাগিব। বুদ্ধিৰ্ বলতকৈ হেনো মানুহৰ ডাঙৰ বল নাই। তেখেতে চাহৰ লগতে সুৰাৰ গিলাচো হাতত লৈছিল আৰু মোলৈও এপেগ আগবঢ়াই দিছিল। মই মিচিকিয়া হাঁহি এটা মাৰি ক'লো,— "এয়া খোৱা ৰাতিলৈ থাকক। এতিয়া অফিচলৈহে সোনকালে যাব লাগে। নহ'লে মিনিষ্টাৰ ক'ৰবালৈ যাবগৈ।" ৰাতি শ্বিলঙত থকাটো মোৰদ্বাৰা হ'ব বুলি আশ্বস্ত হৈ তেওঁ ক'লে,— "তেনেহ'লে চাহকে খোৱা লৰালৰিকৈ। এতিয়া আঢ়ৈ বাজিবৰ হ'ল। তোমাৰ এই কামটো আগতে শেষ কৰি

লোৱাহে ভাল হ'ব।" এইবুলি তেখেত গাড়ীত বহিলহি। মই সন্তর্পণে আহি গাড়ীত বহি খুব জোৰত ছেক্রেটেৰিয়েটৰ অভিমুখে গাড়ী চলাবলৈ ক'লো। বাটত তেখেতে সুৰাসক্ত, ৰসসিক্ত হৈ মোৰ প্রশংসা কৰি বহুতো আজে-বাজে কথা কৈছিল। মই কেৱল নিৰৱে অপেক্ষা কৰিছিলো ছেক্রেটেৰিয়েটৰ পদূলিত গাড়ীৰপৰা নমা মুহূর্তটোলৈ। ইতিমধ্যে ভালে-ভালে আহি ছেক্রেটেৰিয়েটৰ সন্মুখ পাইছিলোহি। তেওঁ গাড়ীখন ৰখালে আৰু ক'লে,— "তুমি মিনিষ্টাৰক লগ পাই আহা, মই ইয়াতে তোমালৈ অপেক্ষা কৰিম।" মই একেজাঁপে গাড়ীৰপৰা নামি গাড়ীৰ দুৱাৰ নৌ জপাওঁতেই ৰুদ্ৰমূর্তি ধৰি এনেকুৱা তীব্রভাষাত গালি দিলো যে মানুহটো থতমত খাই উঠিল আৰু নিজৰ কৃতকর্মৰ বাবে লজ্জিত হৈ মোক মাফ কৰা, মাফ কৰা বুলি কৈ গাড়ী চলাই উধাও হ'ল। মোৰ মূৰ ঘূৰি গৈছিল। কি ভয়ংকৰ লালসাৰ এইবোৰ কেনে মূর্তি! পাছত জানিছিলো যে এই মানুহজন কেতিয়াও কোনোদিন আমাৰ ঘৰলৈ যোৱা নাছিল। ছেক্রেটেৰিয়েটত গৈ মন্ত্রীক লগ ধৰি কথাটো কৈ মামাহঁতৰ ঘৰলৈ লৰা-ঢপৰাকৈ গৈ মোৰ কানি-কাপোৰৰ বেগটো লৈ মামীক মাত লগাই মই বাছষ্টেণ্ড পালোহি। গাড়ী আহিবলৈ তেতিয়াও বহুত সময় বাকী আছিল। সকলোৰে অলক্ষিতে চকী এখনত বহি বাছষ্টেণ্ডটোত মই চকুপানী টুকি আছিলো আৰু ঈশ্বৰৰ শলাগ লৈছিলো। বাছত উঠি গুৱাহাটীলৈ আহি থাকোঁতে সন্ধিয়া হৈছিল আৰু উজানবজাৰৰ ঘৰ আহি পাওঁতে ৰাতি চাৰে সাত-আঠমান বাজিছিল।

লালসাময় পৃথিৱীখনৰ ক্লেদাক্ত ৰূপ দেখি সেইদিনা মই বৰ বিচলিত হৈছিলো আৰু ভৱিষ্যতৰ কথা ভাবি শিয়ৰি উঠিছিলো। জীৱনৰ এই দুর্গম বাট মই অকলশৰে কেনেকৈ যাম? গোটেই আন্ধাৰ বাটটো উচুপি আহি থাকোঁতে মোৰ আৰু এটা অভিজ্ঞতা হ'ল। মোৰ কাষৰ ছিটটোত বহি অহা মানুহজন টোপনিৰ ভাও জুৰি মোৰ গাত বাৰে-বাৰে ঢলি পৰিছিল আৰু শৰীৰৰ বিভিন্ন ঠাইত চিকুটি দিছিল। মনৰ আৰু দেহৰ এই অপৰিসীম যন্ত্রণাৰ মাজত ৰৈ মই যে কেনেকৈ চিঞৰি-চিঞৰি কন্দা নাছিলো ভাবিলে এতিয়া আচৰিত লাগে। এই মানুহবোৰে চিকুটি মোক টুকৰিয়াই চায় নে এনে সামান্য স্পর্শৰদ্বাৰা আত্মতৃপ্তি লাভ কৰে? কিহৰ তাড়নাত মানুহবোৰে এইদৰে আচৰণ কৰে? তেওঁলোকৰ জানো আত্মসন্মান নাই? পুৰুষ জাতিটোৰ প্রতি মোৰ বিতৃষ্ণা এইবোৰে বৃদ্ধি কৰিছিল। স্থূলতা বোলা বস্তুটো মই একেবাৰে দেখিব নোৱাৰোঁ। স্থূলতাৰ তুলনাত সূক্ষ্ম বস্তুবোৰ কি সুন্দৰ! প্রেমৰ যি আলসুৱা অভিজ্ঞতা হৈছিল তাৰতো সামান্যতমো নগ্নৰূপ নাই। ডাণ্টে-বিয়েট্রিছৰ 'ডিভাইন কমেডি'ওতো নৰ-নাৰীৰে প্রেম। পাছত বুজিলো এই কিতাপখনৰ অপৰিসীম প্রভাৱ মোৰ জীৱনত পৰিছিল।

*   *   *

বৰ কেঁকো-জেকোকৈ প্ৰেছটো চলাই নিলো। সেই সময়ত 'ত্ৰিধাৰা' নামেৰে এখন পষেকীয়া বাতৰিকাকত, 'নাম নাই' নামৰ এখন মাহেকীয়া আলোচনী, ৰিফাইনেৰি, লাইফ ইঞ্চিঅ'ৰেন্সৰ কাম, ৰে'লৱে'ৰ কাম আদি চলি আছিল যদিও পৰ্যাপ্ত পৰিমাণে কামত লগাব পৰাকৈ মূলধন (Working Capital) নথকাত বিভিন্ন কামবোৰ চলাই নিবলৈ অসুবিধা হৈছিল। চৰকাৰী অফিচৰ কাম কৰিলে বিলবোৰ পাওঁতে বহুত দেৰি হয়, মানুহৰ কাম কৰিলে ঠিক সময়ত পইচা নিদিয়ে, ইত্যাদি কাৰণত প্ৰেছটো চলাই নিয়া বৰ কঠিন হৈ পৰিছিল। এনেকুৱা সংকটৰ সময়ত মোক প্ৰায়েই সহায় কৰিছিল আমাৰ অগ্ৰজস্বৰূপ প্ৰয়াত গোপাল গোস্বামী দাদা আৰু মোৰ ভাতৃপ্ৰতীম হাকিম শ্ৰীঅৰুণ চাংকাকতিয়ে।

মাজে-মাজে প্ৰেছটো বেচি দিয়াৰ কথাও ভাবিছিলো। কিন্তু দেউতাই অন্তৰত আঘাত পাব বুলি ভাবি তেনে কামৰপৰা বিৰত থাকিলো। ইতিমধ্যে দেউতাৰ 'প্ৰষ্টেট গ্লেণ্ড'ৰ অপাৰেশ্যন ডিব্ৰুগড়ৰ মেডিকেল কলেজত হৈছিল। অপাৰেশ্যনতে stroke হোৱাত দেউতাৰ বাওঁফালটো পেৰালাইছিছত আক্ৰান্ত হোৱাৰ বাবে মোৰ গুৱাহাটীলৈ অহাটো বহুদিনৰ কাৰণে বন্ধ হৈছিল। প্ৰেছত কাম কৰা কলিকতাৰ বাঙালী প্ৰিণ্টাৰজনে গ্ৰাহকক কেঁচা ৰচিদ দি-দি মনে-মনে টকা ল'বলৈ আৰম্ভ কৰিছিল। আনহাতে প্ৰেছটোত সঘনে চুৰ হ'বলৈও ধৰাত পুলিচে কুকুৰ লগায়ো চোৰ বিচাৰি উলিয়াব নোৱাৰিছিল। প্ৰেছ চলাওঁতে থকা এনে অসংখ্য সুৰুঙাবোৰ মই জনা নাছিলো। অৱচেতন মনত মই চাগৈ বৰ অসহায় হৈ পৰিছিলো। কিমান দিশত আৰু যুঁজিম! মনত অহৰহ চিন্তা, উৎকণ্ঠা হৈছিল আৰু কেনিও মুক্তিৰ বাট বিচাৰি পোৱা নাছিলো। ৰাতি কলেজত ক্লাছ লৈ থাকোঁতেও আনকি মোৰ এনেকুৱা ভাব হৈছিল যে এইমাত্ৰ ফোনত যেন খবৰ আহিব প্ৰেছটো জুই লাগি পুৰি শেষ হৈ গ'ল, এইমাত্ৰ যেন খবৰ আহিব দেউতাৰ কিবা এটা হ'ল। এইমাত্ৰ যেন কোনোবাই আহি ক'বহি প্ৰেছৰ এমপ্লয়িবোৰে বহুত কিবাকিবি বিচাৰি ষ্ট্ৰাইক আৰম্ভ কৰিছে। সেই সময়ৰ অগাপিছাকৈ মোৰ মাজু ভাই টুটু (ধ্ৰুৱজ্যোতি) আৰু সৰু ভাই মুনু (প্ৰদীপ) গুৱাহাটীলৈ আহি মোৰ লগত থাকি কলেজত পঢ়িছিল। ডাঙৰ ভাই সোণ আগৰপৰা আছিলেই। সিহঁত তিনিওটাক সৎ আদৰ্শেৰে গঢ়া, ঘৰত পূজা-পাতল আদি পতা আৰু শিৱসাগৰৰপৰা অহা বিভিন্ন অতিথিক ৰান্ধি-বাঢ়ি খুউৱাৰ উপৰিও দুয়োখন ঘৰ চলাবৰ বাবে অৰ্থ উপাৰ্জনৰ দায়িত্বও বহন কৰিব লগা হৈছিল। তেতিয়া এনেকুৱা হৈছিল একো-একোটা বছৰ এটা কবিতা নিলিখাকৈও পাৰ হৈ গৈছিল। কোনোটো বছৰত হয়তো লিখিছিলো এটা বা দুটা। লিখিবলৈ সময় নোপোৱাৰ দুখেও মোক খুলি-খুলি খাইছিল। বিভিন্নজনৰ হেঁচাৰ কোবত অৱশ্যে এনে পৰিস্থিতিৰ মাজতো মই অজস্ৰ গীত লিখিব লগা হৈছিল। মনৰ শান্তি বা

মনৰ আশ্ৰয় য'ত আছিল তেওঁকতো মই কেতিয়াবাই সেই ১৯৫৫/৫৬ চনতে ঘৰৰ দায়বদ্ধতাৰ গুৰুভাৰ গ্ৰহণ কৰি বিদায় দিছিলো। চাবলৈ গ'লে বিদায় কথাটোৰ অৰ্থ নাই। কিয় বিদায় দিলো বুলি অনুশোচনাৰেও স্মৃতিকে জীয়াই ৰখা হয়। অৱচেতন মনটোত মানুহৰ আকাংক্ষা-অনুভূতি জীয়াই থাকে। চেতন মনত আমি হয়তো ইয়াক স্বীকাৰ নকৰিব পাৰোঁ। চেতন-অৱচেতনৰ অহৰহ দ্বন্দ্ব বৰ ভয়ংকৰ কথা। যি সত্য তাক জুইৰেও পুৰিব নোৱাৰি, অস্ত্ৰেৰেও কাটিব নোৱাৰি। সি মৃত্যুঞ্জয়। সত্যৰ পতাকা ইমান বিশুদ্ধ যে কোনো কলুষতায়ো ইয়াক স্পৰ্শ কৰিব নোৱাৰে। ই ৰাতিৰ আকাশত জিলিকি থকা ধ্ৰুৱতৰাৰ দৰে।

প্ৰেছটো চলাবৰ কাৰণে ক'ত টকা পাওঁ এই চিন্তাই মোৰ নিদ্ৰা হৰণ কৰিছিল। কোনোবা মানুহৰ ওচৰত টকা বিচাৰি অন্ততঃ মাইকী মানুহ এজনী যাবলৈ বৰ টান। কাৰণ টকা দিয়া মানুহজনৰ হাতৰ মুঠিলৈ অহা হ'ব। দেউতাক জনাব নোৱাৰি, মাক জনাব নোৱাৰি, ভাইকেইটা সৰু-সৰু। বেংকৰ ঋণ বিচাৰি কেইবাটাও বেংকত ঘূৰিলো। কিন্তু ফল একো নধৰিল। এবাৰ বিশেষ কাম এটাত শ্বিলঙলৈ যাওঁতে তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা দদাইদেৱকো প্ৰেছটো চলোৱাৰ বাবে working capital হিচাপে চৰকাৰে কিবা ঋণ দিব পাৰে নে কি সুধিছিলো। তেখেত আমাৰ শিৱসাগৰৰে মানুহ আৰু আমাৰ ঘৰখনৰ লগত বিশেষ পৰিচয় থকাৰ বাবে কোনো সংকোচ নকৰাকৈ প্ৰেছৰ সম্পৰ্কৰ সকলো কথা খোলাকৈয়ে পাতিছিলো। তেখেতে বৰ মনোযোগেৰে কথাখিনি শুনি লগে লগে এপেক্স বেংকৰ তেতিয়াৰ মেনেজিং ডাইৰেক্টৰ মাণিক ফুকনলৈ টেলিফোন কৰি আমাৰ প্ৰেছটোক কিবা ঋণ যোগাৰ কৰি দিবলৈ ক'লে। মেনেজিং ডাইৰেক্টৰেও কথাটো বিবেচনা কৰাৰ আশা দি আমাক পাছত জনাব বুলি ক'লে। মুখ্যমন্ত্ৰীৰ ঘৰৰ বিশেষ আতিথ্যৰে আপ্যায়িত হোৱাৰ পাছত মই গুৱাহাটীলৈ ঘূৰি আহিলো। কিছুদিনৰ পাছত এপেক্স বেংকৰ মেনেজিং ডাইৰেক্টৰৰপৰা ঋণ সংক্ৰান্তত চিঠি এখন পালো। তাত লিখা আছিল যে যিহেতু আমাৰ প্ৰেছটো সমবায়ভিত্তিত খোলা হোৱা নাই, আমি ঋণ পাব নোৱাৰোঁ। দৰিদ্ৰ লংকালৈ যায়, সাগৰো শুকায়, মাণিকো লুকায়।

সেই সময়ৰ কিছু বছৰৰ আগতে মণ্ডলদৈৰ ছিপাঝাৰলৈ বিয়া দিয়া মোৰ সৰু মাহীগৰাকী বিধৱা হৈছিল। পাঁচটা সৰু-সৰু ল'ৰা-ছোৱালীৰে তেওঁৰ সংসাৰখন চাওঁতা কোনো নাছিল। মহাই লৈ থোৱা অজস্ৰ সম্পত্তি চলাই খাবলৈও বহুত সমস্যা হৈছিল। ল'ৰা ডাঙৰ হ'লে মাটি-বাৰীবোৰ মোকলাব বুলি ভাবি মাহীটিয়ে চলিবৰ কাৰণে খেতিমাটিবোৰ বন্ধকত দিছিল। মাহীটিৰ দুৰ্গতি দেখি কাপোৰ-কানি, দৰৱ-জাতি, টকা-পইচাৰে ল'ৰা ডাঙৰ হোৱালৈকে মই যিমান পাৰোঁ সহায় কৰিছিলো। মেট্ৰিক পাছ

কৰাৰ পাছতে ল'ৰা দুটাৰ চৰকাৰী চাকৰি দুটাও যোগাৰ কৰি দিছিলো। মই অন্তঃকৰণেৰে বিশ্বাস কৰিছিলো এইবোৰেই মানৱ ধৰ্ম। দুমুঠি আহাৰৰ ঠাইত এমুঠি খাই যদি আনমুঠি অন্য এজন ভোকাতুৰক বিলাব পাৰি, সেইটোনো কম মানৱীয় কথানে? মই তেনেদৰেই কম উপাৰ্জনৰ মোৰ সম্বন্ধীয়া মানুহলৈ সহায়ৰ হাত দীৰ্ঘদিনীয়াকৈ আগবঢ়োৱাৰ উপৰিও তেওঁলোকৰ ল'ৰা-ছোৱালীকো লগত আনি ৰাখিছিলো। ভাবিছিলো সিহঁতেই ডাঙৰ হৈ সিহঁতৰ ঘৰৰ দুখ মোচন কৰিব পাৰিব। সেই উদ্দেশ্যেৰেই মোৰ মাজু মাহীগৰাকীৰো দুটা ল'ৰা-ছোৱালীক (তৰুণ আৰু তৰু) মোৰ লগত আনি বহুত বছৰ ৰাখিছিলো আৰু কিবাকিবি সংস্থান কৰি দিছিলো।

মানুহৰ দুখ গুচোৱা কথাটো মুখৰ কথা নহয়। শুকান বালি তিওৱা বৰ টান। ধনী আত্মীয় বহুত থাকিলেও বেছিভাগেই প্ৰকৃত অৰ্থত সহায় নকৰে। হয় মুখেৰে উপদেশ দিব খোজে, নহয় গা এৰা দিয়ে। এই বুভুক্ষু লোকসকলৰ কাৰণে মোৰ প্ৰাণে হাহাকাৰ কৰে। দেশখনৰপৰা দুখীয়া মানুহৰ দুখবোৰ আঁতৰাই পেলোৱাৰ কৌশল মই তেনেকৈ একো নাজানিছিলো। মাৰ্ক্সবাদীসকলে অৰ্থনৈতিক সমতাৰ বাবে আংশিকভাৱে হ'লেও যুঁজিছিল। মই সকলো এৰি তেনে ৰাজনীতিত যোগ দিব পাৰিলোহেঁতেন। পাছে ধান পকে মানে টুনীৰ মৰণ। মিশ্ৰ অৰ্থনীতিৰ ভাৰতলৈ সমতা আহে মানে মোৰ আত্মীয়সকলৰ হাড়ত বন গজিবগৈ। মানুহ হৈ মই কেনেকৈ চাই থাকিম? মোৰ এতিয়া ভাবিলে হাঁহি উঠে যে মোক খোজকাঢ়ি অহা-যোৱা কৰা দেখি বহুত মানুহে হাঁহি-ঠাট্টাৰ চলতে কৈছিল,— "বাইদেউ ইমান টকা কালৈ সাঁচিছে, আপুনি নিশ্চয় বৰ কৃপণ দেই।" কথাষাৰ শুনি মই কেৱল মিচিকিয়াই হাঁহিছিলো। তেওঁলোকেতো নাজানে মই কাৰ কাৰণে, কিহৰ কাৰণে ইমান কষ্ট কৰোঁ। মোৰ দায়িত্ব বহুত। এই দায়িত্ববোৰ পালন কৰি মই এক পাৰমাৰ্থিক আনন্দও পাইছিলো। সঁচাকৈ ত্যাগত যিমান আনন্দ, ভোগত সিমান আনন্দ নাই। ভগৱানে যেন আটাইৰে দুখ মোচন কৰিবলৈ মোকেই নিৰ্বাচন কৰিছে,— এনে অনুভৱ হৈছিল। দিয়া-থোৱাত এই যে ইমান হাতবলী আছিলো, ইয়াৰ মূলতে চাগৈ আছিল মোৰ মাৰ বিস্ময়কৰ চৰিত্ৰ। পিন্ধিবলৈ মাত্ৰ এসাজ কাপোৰ থকালৈকে মায়ে বাকচৰ সকলো কাপোৰ যিয়ে খোজে তাকে দি দিয়ে। মই প্ৰতিবাৰে ঘৰলৈগৈ দেখোঁ মাৰ কাপোৰৰ ট্ৰাংক উদং। সুধিলে কয়,— "নহয় অ' অমুক আহি ওলালহি, তাইৰ হেনো পিন্ধিবলৈকে কাপোৰ নাই, তমুক আহি ওলালহি, গাত ল'বলৈ চাদৰ নাই। মইনো ক'ত কিমান ফুৰিবলৈ যাওঁ? সেইকাৰণে মোৰ কাপোৰসাজ বা চাদৰখনকে দি দিলো। গৰম কাপোৰনো মোক দুখন-তিনিখন কেলেই? অমুকৰ মাকে জাৰতে কঁপি আছে, সেইকাৰণে দি দিলো অ'।" মায়ে কাৰোবাক সহায় কৰি অতি আন্তৰিক তৃপ্তি পাইছিল। মাৰ সেই স্বভাৱটো চাগৈ মোৰ গালৈ

আহিল। এইবোৰ আনন্দই অপাৰ্থিৱ আনন্দ নহয়নো কি? নিজৰ সুখ আৰু ভোগলৈ মায়ে চাব নাজানিছিল। সকলোৰে মৰমত পমি যাব পাৰিছিল। এনেবোৰ চৰিত্ৰ আজিকালি বৰ বিৰল।

এই সময়ছোৱাত মোৰ মানসিক চাপ ভয়ংকৰ হৈ পৰিছিল। ইকূলো এৰিব নোৱৰা, সিকূলো এৰিব নোৱৰা অৱস্থা। এনে সংকটতে অলপমতীয়া, দূৰদৰ্শিতা নোহোৱা ছোৱালীবোৰে চাগে বেয়া পথ ল'বলৈ বাধ্য হয়। সিহঁতে হয়তো সাময়িক সংকটৰপৰা উদ্ধাৰ হোৱাৰ কথাই ভাবে। নৈতিকতা ৰক্ষা কৰিবলৈ শাৰীৰিক-মানসিক বহুতো নিশ্চিন্ততাৰো প্ৰয়োজন থাকে। এইখিনি সময়ৰপৰায়েই মই চাগে অদৃষ্টবাদীও হৈ পৰিছিলো। দেউতা যিহেতু অদৃষ্টবাদী নাছিল, কেৱল কৰ্মই চিনি পাইছিল, সেইকাৰণে আমাৰ ঘৰত অদৃষ্ট বিশ্বাস কৰিবলৈ সুৰুঙা নাছিল। বৰসবাহ, সত্যনাৰায়ণ পূজা, লক্ষ্মীপূজা এইবোৰ হয়, কিন্তু গ্ৰহ আদিৰ কাৰণে একো কৰা মনত নপৰে। শ্ৰীশ্ৰীনৱগ্ৰহধামৰ প্ৰখ্যাত জ্যোতিষী স্বৰ্গীয় প্ৰিয়নাথ শৰ্মা দলৈক মোৰ সম্বন্ধীয় মামা বিষ্ণুপ্ৰাণ চাংকাকতিৰ ঘৰত লগ পাইছিলো। তেখেতে লাহে লাহে মোৰ মনত বোধকৰোঁ গ্ৰহ সম্বন্ধে বিশ্বাস জন্মাইছিল। গোপীনাথ বৰদলৈ ককা আৰু নলিনীবালা দেৱী আইতাৰ এই দুয়োখন ঘৰতে দেখিছিলো শুভ গ্ৰহ-অশুভ গ্ৰহৰ আলোচনা, কোষ্ঠী পৰীক্ষা, গ্ৰহ শান্তি আদি। আন এজন বিখ্যাত জ্যোতিষী পণ্ডিত শ্ৰীগৌৰীশংকৰ উপাধ্যায়, নেপালী পণ্ডিত নামে গুৱাহাটীৰ শিলপুখুৰী অঞ্চলত বৰ জনাজাত হৈছিল। মোৰ বান্ধৱী অণুহঁতে তেখেতৰ ভৱিষ্যৎবাণী তথা দিহা-পৰামৰ্শ বৰ বিশ্বাসেৰে মানি চলিছিল আৰু আমাৰ সৈতে চিনাকি কৰি দিছিল। তেওঁ মোক 'বহিনজী' বুলি মাতিছিল আৰু এতিয়াও মাতে। তেখেতে জ্যোতিষ শাস্ত্ৰ নেপালতে অধ্যয়ন কৰিছিল যদিও কৰ্মক্ষেত্ৰ গুৱাহাটীকে বাছি লৈ ইয়াতে ৰৈ গৈছিল। তেওঁ এদিন সন্ধিয়া আমাৰ ঘৰলৈ আহি সকলোৰে কোষ্ঠী চালে। মই যে প্ৰেছটো মাজে মাজে বেচাৰ চিন্তা কৰিছিলো এই কথা তেখেতে ধৰিব পাৰিলে। তেখেতে ক'লে যে আপুনি প্ৰেছ বেচাৰ কথা কেতিয়াও চিন্তা নকৰিব। বেয়া সময়খিনি পাৰ হ'লই প্ৰেছৰ উন্নতি হ'ব আৰু আপোনালোকৰ কোনোবা এজনৰ উপাৰ্জনৰ পথো হ'ব। তেখেতৰ কথাত মই বহুত মনোবল পালো। তেখেতৰ চোৱা-চিতা আৰু সিদ্ধান্তবোৰ ইমান সঠিক আছিল যে ভাবিলে আচৰিত হোৱা যায়। তেখেতে তেতিয়াই আৰু কৈছিল,— "আপুনি এনেকুৱা এখন কিতাপ লিখিব যাৰ কাৰণে আপোনাৰ নাম অমৰ হৈ থাকিব।" 'অমৰ' শব্দটো বৰ ডাঙৰ শব্দ। 'দেৱী' কিতাপখন লিখাৰ পাছত মোৰ প্ৰচুৰ নাম হৈছিল আৰু এই কিতাপ লিখাৰ বাবে 'অসম সংস্কৃত সমাজে' (নলবাৰী) মোক যেতিয়া সৰস্বতী সন্মানেৰে

বিভূষিতা কৰিলে মই ভাবিছিলো গৌৰীশংকৰ উপাধ্যায়ে কোৱা এইখনেই নে কি সেই কিতাপ?

মোৰ ডাঙৰ ভাই সোণেও মেট্রিক পাছ কৰি কলেজত পঢ়াৰ সময়ত প্ৰেছৰ কামত হাত উজান দিছিল। কিছুমান বেয়া মানুহ প্ৰেছৰপৰা আঁতৰাই পেলাইছিলো। প্ৰতিটো কথা আমি অভিজ্ঞতাৰেহে শিকিছিলো আৰু ঠেকা খাই-খাই আমাৰ জ্ঞান হৈছিল।

১৯৫০ চনত মই যেতিয়া শিৱসাগৰৰপৰা আহি গুৱাহাটীৰ সন্দিকৈ কলেজত বি. এ. পঢ়িছিলো সেই সময়ৰ গুৱাহাটীৰ বিষয়ে অলপ ক'ব খুজিছোঁ। সেই সময়ত গুৱাহাটীৰ পৰিসৰ আজিৰ দৰে বিশাল নাছিল। গুৱাহাটী বুলিলে দীঘে-দীঘে শিলপুখুৰীৰপৰা ভৰলুমুখলৈকে আৰু পথালিয়ে ব্ৰহ্মপুত্ৰৰপৰা গুৱাহাটী-শ্বিলং পথলৈকেহে বুজিছিলো। সেই সময়ত গুৱাহাটীৰ অহা-যোৱা কৰা বাট-পথবোৰ বৰ ঠেক আছিল। মানুহৰ ঘন বসতি অঞ্চলবোৰ আছিল উলুবাৰী, ৰিহাবাৰী, পাণবজাৰ, ফাঁচিবজাৰ, উজানবজাৰ আৰু শিলপুখুৰী। পশ্চিমে ভৰলুমুখলৈকে মানুহৰ আবাসগৃহ ঘন আছিল যদিও শান্তিপুৰ-মালিগাঁৱৰ ফালে সেৰেঙা আছিল। উজানবজাৰখন সেই সময়ত সম্ভ্ৰান্ত লোকৰ বসতি অঞ্চল বুলি গণ্য কৰা হৈছিল। ইয়াতেই বিহগী কবি ৰঘুনাথ চৌধুৰী, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা, মীন ব্যৱসায়ী, শিল্পী ক্ষীৰদাকান্ত বিষয়া, অসমীয়া ছবি নিৰ্মাতা ব্ৰজেন বৰুৱা, নিপ বৰুৱা, প্ৰখ্যাত চিকিৎসক ডা. নলিনী শৰ্মা, ডা. মাধৱ দাস, চাহবাগানৰ প্ৰখ্যাত মালিক মাণিক চন্দ্ৰ চৌধুৰী, পৰিচালক-অভিনেতা সৰ্বেশ্বৰ চক্ৰৱৰ্তী, সত্যপ্ৰসাদ বৰুৱা, তিলক দাস, ৰেডক্ৰছ হস্পিটেলৰ প্ৰতিষ্ঠাপক ডা. পোৱাল দুৱৰা আদি শিক্ষিত তথা সম্ভ্ৰান্ত, সংস্কৃতিবান লোক বাস কৰিছিল। এই উজান বজাৰতে অৱস্থিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ অৱদান সংস্কৃতি জগতখনলৈ কম নাছিল। সেই সময়ত আকাশবাণী গুৱাহাটীৰ কেন্দ্ৰটোও উজান বজাৰতে আছিল। উজানবজাৰৰ লতাশিল খেলপথাৰখনত বিভিন্ন খেলাধূলাৰ উপৰিও বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰাৰ থল আছিল। উজানবজাৰৰ কাষেদি সুদৃশ্য ব্ৰহ্মপুত্ৰ নৈখন বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ পাৰত থকা পথটোত পুৱা-গধূলি ল'ৰাৰপৰা বুঢ়ালৈকে অনেক লোকে প্ৰাতঃ আৰু সান্ধ্যভ্ৰমণ কৰে। মংগলচণ্ডী মন্দিৰৰ ফালে উজান বজাৰৰ জাহাজঘাটটো আছিল। তাতে বহুত জাহাজ মাল-বস্তু উঠোৱা-নমোৱাৰ বাবে বৈ থকা দেখিছিলো। জাহাজৰ দীঘলীয়াকৈ উকি মৰা ভোঁ-ভোঁ শব্দই উজানবজাৰ ৰজনজনাই আছিল। এই জাহাজঘাটলৈকে গুৱাহাটী ৰে'লষ্টেশ্যনৰপৰা উজান বজাৰৰ মাজেদি এটা ৰে'লপথ আছিল। ষ্টিম ইঞ্জিনেৰে চলোৱা এই ৰে'লখন উজান বজাৰৰ মাজেদি অহা-যোৱা কৰাৰ সময়ত বাৰেবাৰীত লোহাৰ শিকলিৰে ৰাস্তা বন্ধ কৰি

যানবাহনবোৰ ৰখাই দিছিল। তদনুৰূপ ব্যৱস্থা তাৰিণী চৰণ চৌধুৰী স্কুলৰ ওচৰতো কৰা হৈছিল। উজানবজাৰৰপৰা জাহাজঘাটটো উঠি যোৱাৰ পাছত সৌ সিদিনালৈকে অব্যৱহৃত হৈ থকা ৰে'ল লাইন উঠাই পেলোৱা হ'ল।

সেই সময়ত গুৱাহাটীত চিটিবাছৰ প্ৰচলন আছিল যদিও সংখ্যাত তাকৰ আছিল। মানুহে প্ৰায়ে খোজকাঢ়ি বা ৰিক্সাত উঠি অহা-যোৱা কৰিছিল। কাৰণ যিকেইখন চিটিবাছ আছিল সেইকেইখন মাত্ৰ এটা পথেৰে চলাচল কৰিছিল। সেইটো হৈছে শিলপুখুৰীৰপৰা উজানবজাৰ হৈ পাণবজাৰ, ফাঁচিবজাৰ আৰু মাছখোৱাৰ মাজেদি গৈ পাণ্ডুঘাটলৈ যোৱাৰ পথ। ভৰলুমুখ আৰু মালিগাঁৱৰ মাজতে থকা কামাখ্যা মন্দিৰলৈ যাবলৈ হ'লে কামাখ্যা পাহাৰৰ নামনিতে চিটিবাছৰপৰা নামি শিলৰ খটখটি-চিৰিয়েদি মন্দিৰলৈ যাব লাগে। খটখটি বগাই ওপৰলৈ উঠোঁতে কষ্ট হৈছিল যদিও মন্দিৰ দৰ্শনৰ বাসনাই সেই কষ্ট তল পেলাই এক অনাবিল আনন্দহে দিছিল। শিৱসাগৰ-যোৰহাটৰপৰা অহা আপোন-পৰ কিমান মানুহক যে এই ৰাস্তাৰে বগাই কামাখ্যা মন্দিৰ দৰ্শন কৰোৱালো তাৰ লেখ নাই। এতিয়া কামাখ্যালৈ যাব পৰা পকা ৰাস্তা হ'ল। চিটিবাছো চলে। আগৰ সেই শিলৰ খটখটিৰ ৰাস্তাটোও আছে। ১৯৬২ চনৰ আগভাগতে বোধহয় কামাখ্যালৈ মটৰৰ ৰাস্তা হ'ল। ইয়াৰ কেইবছৰমানৰ আগতে মালিগাঁৱত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সদৰ কাৰ্যালয় স্থাপন হোৱাত মালিগাঁৱৰ গুৰুত্ব বাঢ়িল। এই কাৰ্যালয়লৈ বিভিন্ন কামত অহা-যোৱা কৰিবৰ বাবে মানুহে চিটিবাছেই ব্যৱহাৰ কৰিছিল। ৰে'লৰ সদৰ কাৰ্যালয় মালিগাঁৱলৈ অহাৰ পাছত মালিগাঁৱত এখন সৰু-সুৰা নগৰেই স্থাপন হ'ল। এই নগৰতেই স্থাপন হ'ল ৰে'লৰ বিভিন্ন কৰ্মচাৰীৰ কোৱাৰ্টাৰ আৰু হস্পিটেল আদি। সেই অনুপাতে দোকান-পোহাৰো বহুত বহিল।

১৯৫৭ চনৰ শেহৰ ফালে জালুকবাৰীত জাতীয় কংগ্ৰেছৰ অধিবেশন ইউ. এন. ঢেবৰৰ সভাপতিত্বত অনুষ্ঠিত হৈ যোৱাৰ সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিজা ভৱন নিৰ্মাণৰ কাম আৰম্ভ হয়। আগতে কটন কলেজতে বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহ বহিছিল। কাৰ্যালয়ো তাতেই আছিল। বিশ্ববিদ্যালয়ৰ বিষয়া, কৰ্মচাৰীসকলৰ কোৱাৰ্টাৰবোৰ চানমাৰিত আছিল। সেয়েহে চানমাৰিৰ সেই অঞ্চলক এতিয়াও অ'ল্ড ইউনিভাৰ্ছিটি কলনি বুলি কোৱা হয়।

১৯৫৭ চনত যেতিয়া চানমাৰিত মাটি কিনিলো, তেতিয়া আমি মানে মই আৰু মোৰ ডাঙৰ ভাই সোণ উজানবজাৰত ভাৰাঘৰত আছিলো। আমি উজানবজাৰৰপৰা চানমাৰিত ঘৰ সজা কাম চাবলৈ আহিলে চিটিবাছেৰে শিলপুখুৰীলৈকে আহি চানমাৰিলৈ খোজকাঢ়ি আহোঁ। চানমাৰিলৈ সেই সময়ত ৰিক্সাৰ আহ-যাহ খুব কম আছিল। এই দুৰ্গম অঞ্চল চানমাৰিত আমি মাটি কিনাৰো কেইবছৰমান আগতেই দূৰদৃষ্টিসম্পন্ন

সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰপৰা আহি কেইবাবিঘাও মাটি কিনি ট্ৰিবিউন প্ৰেছটো স্থাপন কৰি দৈনিক ইংৰাজী বাতৰিকাকত 'আছাম ট্ৰিবিউন' আৰু পাছত সৰ্বাধিক প্ৰচাৰিত সাপ্তাহিক কাকত 'অসমবাণী' উলিয়াইছিল। 'অসমবাণী' ল'ৰা-বুঢ়া, ছোৱালী-বোৱাৰীৰ মাজত অতি জনপ্ৰিয় হৈ উঠিছিল। কাকতখনত নিয়মিতৰূপে প্ৰকাশ পোৱা 'কথা-সাগৰ ভলভলীয়া' শিতানটো পঢ়ি সকলোৱে বৰ আমোদ পাইছিল। ১৯৫৯ চনমানতে বোধহয় আকাশবাণী গুৱাহাটী কেন্দ্ৰটো উজানবজাৰৰপৰা চানমাৰিৰ সুদৃশ্য নতুন ভৱনটোলৈ স্থানান্তৰ কৰা হয়। আকাশবাণীৰ চৌহদটো চালে চকুৰোৱা আছিল। দীঘল ৰাস্তাটোৰে সৰু টিলা এটাৰ ওপৰত নিৰ্মাণ কৰা আকাশবাণী ভৱনটো চাবলৈ দূৰ-দূৰণিৰপৰা বহুতো মানুহ আহিছিল। আকাশবাণী কেন্দ্ৰটো চানমাৰিলৈ অহাৰ পাছত আৰু চানমাৰিত ইঞ্জিনীয়াৰিং ইনষ্টিটিউট স্থাপন হোৱাৰ পাছত গুৱাহাটীখন চানমাৰিলৈকে সম্প্ৰসাৰণ হ'ল। চিটিবাছো চানমাৰিলৈকে অহা হ'ল। ১৯৬০ চনমানৰ শেষৰ ফালে বামুণীমৈদামত অসম চৰকাৰৰ উদ্যোগপামখন (Industrial estate) স্থাপন হোৱাৰ পাছৰপৰা গুৱাহাটীৰ পৰিসৰ আৰু অলপ বাঢ়িল। চিটিবাছ এইবাৰ বামুণীমৈদামলৈকে আগুৱাই গ'ল। মানুহৰ সংখ্যাও আগতকৈ বাঢ়িল। গধূলি হ'লেই নিমাওমাও লগা চানমাৰিখনত কিছু দোকান-পোহাৰ হ'ল, মানুহ বাঢ়িল। পুলিচ থানা এখনো বহিল। ইতিমধ্যে নুনমাটিত তেল শোধানাগাৰৰ নিৰ্মাণকাৰ্য দ্ৰুতগতিৰে চলিবলৈ ধৰাত নুনমাটিলৈকে মানুহৰ অহা-যোৱা চলিছিল যদিও সেই অঞ্চলত মানুহৰ বসতি প্ৰায় নাছিল বুলিয়েই ক'ব পাৰি। কেৱল নেপালী মানুহৰ গাখীৰৰ খুঁটিহে অ'ত-ত'ত দেখা গৈছিল। সেই গাখীৰৰ খুঁটিবোৰৰপৰাই গাখীৰ আনিবলৈ সদায় ৰাতিপুৱা পুহৰি-পুহৰি হওঁতেই জাক-জাক নেপালী গাখীৰৱালাই নেপালীতে গান গাই-গাই চাইকেল চলাই যোৱা আমি চানমাৰিত থাকোঁতে বিছনাৰপৰাই শুনিবলৈ পাওঁ। গানৰ লগে লগে গাখীৰৰ জগৰ ঘটং-ঘটং শব্দই কিবা যেন এক মাদকতাৰ সৃষ্টি কৰে। শোধনাগাৰটো অসমত স্থাপন কৰিবলৈ অসমবাসীয়ে আন্দোলন কৰিব লগা হৈছিল। তৈলক্ষেত্ৰ নামে জনাজাত উজনি অসমত তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত তেল আৰু প্ৰাকৃতিক গেছ আয়োগে বিভিন্ন স্থানত ড্ৰিলিং কৰি খাৰুবা তেল উদঘাটন কৰিছিল। অসমৰ তেল অসমত শোধন নকৰি বিহাৰ, বংগদেশত শোধনাগাৰ পাতি শোধন কৰিবলৈ নিয়াৰ কেন্দ্ৰীয় চৰকাৰৰ চক্ৰান্ত সদৰি হৈ পৰাত অসমৰ ৰাইজে আন্দোলন কৰিলে। দিল্লীৰ সংসদত তেতিয়াৰ অসমৰ সাংসদ হেম বৰুৱাই অসমৰ দাবীক ন্যায্য দাবী বুলি প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আগত প্ৰতিপন্ন কৰাত কেন্দ্ৰীয় চৰকাৰে অসমত এটা শোধনাগাৰ স্থাপন কৰিবলৈ সন্মত হ'ল। কিন্তু বিহাৰত তেল নাপালেও বাৰাউনীত এটা ডাঙৰ শোধনাগাৰ স্থাপন কৰিলে। কম শোধন ক্ষমতা থকা এটা

পুতলা শোধনাগাৰতে অসম সন্তুষ্ট থাকিব লগা হ'ল। শোধনাগাৰ নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰাৰেপৰা চিটিবাছ নুনমাটিলৈকে চলা হ'ল। বাট-পথবোৰত ডাঙৰ-ডাঙৰ দহ চকাৰ ট্ৰাক, ক্ৰেনবোৰ সঘনে দেখিবলৈ পোৱা গ'ল। শোধনাগাৰ নিৰ্মাণৰ সময়ত বহুতো ডাঙৰ-ডাঙৰ বিদেশী কোম্পানিয়ে গুৱাহাটীত কেম্প পাতি তেওঁলোকৰ কাম-কাজ চলাইছিল। এনে এটা বিদেশী কোম্পানিত কাম কৰা ছুইজাৰলেণ্ডৰ চাহাবৰ পৰিয়াল এটা আমাৰ চানমাৰিৰ ঘৰৰ দাঁতিতে প্ৰয়াত ভবেন চৌধুৰীৰ ভাৰাঘৰত প্ৰায় দুবছৰমান আছিল। তেওঁলোকৰ লগত আমাৰ বিশেষ ঘনিষ্ঠতা হৈছিল। তেওঁলোকৰ ছবছৰীয়া আৰু চাৰিবছৰীয়া পুত্ৰ বেনছন আৰু কিটু প্ৰায়ে আমাৰ ঘৰতে থাকিছিল। এই বিদেশী পৰিয়ালটোৱে যিকোনো কথাতে আমালৈ সহায়ৰ হাত আগবঢ়োৱাৰ ক্ষেত্ৰত পিছপৰি থকা নাছিল। শোধনাগাৰ নিৰ্মাণৰ সময়তে বাহিৰৰপৰা অহা নানা মানুহেৰে গুৱাহাটী ভৰি পৰিছিল। কোনোবাই হোটেলত, কোনোবাই কাৰোবাৰ ভাৰাঘৰত, কোনোবাই পেয়িং গেষ্ট হৈ নিজৰ-নিজৰ কৰ্তব্য কৰিছিল। স্থানীয় বহুতো মানুহো শোধনাগাৰৰ নিৰ্মাণকাৰ্যৰ বিভিন্ন কামত মকৰল হৈছিল।

১৯৫৮ চনমানতে বোধহয় গুৱাহাটীৰ পূবফালে অৱস্থিত জাপৰিগোগত অসমৰ একমাত্ৰ চিৰিয়াখানাখন স্থাপন কৰা হৈছিল। চিৰিয়াখানালৈ মানুহৰ যথেষ্ট সমাগম হৈছিল। সেই সময়ত চিৰিয়াখানাৰ পৰিসৰ বৰ্তমানৰ দৰে ডাঙৰ নাছিল। চিৰিয়াখানালৈ যাবলৈ হ'লে চানমাৰিত চিটিবাছৰপৰা নামি খোজকাঢ়ি যাব লাগে। তেতিয়াৰ জু ৰ'ড, বৰ্তমানৰ আৰ. জি. বৰুৱা ৰ'ডটো অত্যন্ত বেয়া কেঁচা পথ আছিল। পথটোৰ দুয়োকাষে বিস্তৃত ধাননি পথাৰে প্ৰাকৃতিক সৌন্দৰ্য বৰ্ধন কৰিছিল। গুৱাহাটী চিৰিয়াখানাৰ আৰ্হি ভাৰতৰ আন আন চিৰিয়াখানাৰ ভিতৰতে বিৰল। চিৰিয়াখানাখনৰ প্ৰাকৃতিক সৌন্দৰ্যৰ উপৰিও পশু-পক্ষীৰ মুকলি বিচৰণ আন আন চিৰিয়াখানাত দেখিবলৈ পোৱা নাযায়। চিৰিয়াখানাৰপৰা অলপ আগলৈ গণেশগুৰি চাৰিআলি। ইয়াৰ পূবফালে খানাপাৰা, য'ত এতিয়া পশু চিকিৎসা মহাবিদ্যালয় আৰু অসম কৃষি বিশ্ববিদ্যালয়খন আছে। ১৯৬০ চনৰ আগলৈকে পশু চিকিৎসা মহাবিদ্যালয়খন চেনিকুঠিৰ পশু চিকিৎসালয়-খনতে আছিল। খানাপাৰাৰপৰা উলুবাৰীলৈকে জনবসতি খুব পাতল আছিল। ৰাস্তাৰ কাষত ফ্ল'ৰ মিলকেইটাৰ বাহিৰে ডাঙৰ ঘৰ নাছিলেই। উলুবাৰীত চৰকাৰী বাছ ছাৰ্ভিচ, অসমৰ (এতিয়াৰ অসম ৰাজ্যিক পৰিবহন নিগম) আস্থানটো আছিল। আমি শিৱসাগৰৰপৰা আহিলে তাতেই গাড়ীৰপৰা নামিব লাগে। আগতে শিৱসাগৰৰপৰা গুৱাহাটীলৈ পোনপটীয়া বাছ নাছিল। গুৱাহাটীলৈ আহিবলৈ হ'লে আগদিনাই যোৰহাটত আহি থাকিব লাগে। যোৰহাটৰপৰা পুৱা ৭ বজাত গুৱাহাটীলৈ বাছ আছিল। সেয়েহে ডিব্ৰুগড়, শিৱসাগৰৰ মানুহে বাছতকৈ ট্ৰেইন যাত্ৰাক বেছি প্ৰাধান্য দিছিল। মযো ১৯৫৮

চনমানলৈকে ট্ৰেইনতে গুৱাহাটীলৈ অহা-যোৱা কৰিছিলো। ইয়াৰ পাছত অৱশ্যে গুৱাহাটীৰপৰা ডিব্ৰুগড়লৈকে বাছ চলা হ'ল।

গুৱাহাটীৰ অন্যতম আকৰ্ষণ কেন্দ্ৰ আছিল ব্ৰহ্মপুত্ৰ নদীৰ পাৰ আৰু দীঘলীপুখুৰী। ব্ৰহ্মপুত্ৰ নদীৰ পাৰ এতিয়াৰ দৰে লেতেৰা নাছিল। বিশাল ব্ৰহ্মপুত্ৰৰ পশ্চিম আকাশত হেঙুলীয়া বেলি মাৰ যোৱা দৃশ্য অতি সুন্দৰ আৰু অতি বিৰল। কাচাৰীঘাটৰপৰা উমানন্দলৈ যাবলৈ তেতিয়া টুলুঙা নাওহে পোৱা গৈছিল। আমি হোষ্টেলৰ ছোৱালীবোৰ শিৱৰাত্ৰি বা অন্য সময়ত উমানন্দলৈ গ'লে বৰ ভয়ে-ভয়ে নাৱত উঠি গৈছিলো। উমানন্দত খুব হলৌ বান্দৰ দেখিবলৈ পোৱা গৈছিল। কামাখ্যাৰ কাছপুখুৰীৰ কাছৰ দৰেই উমানন্দৰ বান্দৰো তীৰ্থযাত্ৰীৰ বাবে আকৰ্ষণৰ বস্তু আছিল। দীঘলীপুখুৰীৰ পাৰত ৰাজ্যিক পুথিভঁৰাল, ৰবীন্দ্ৰ ভৱন, ৰাজ্যিক সংগ্ৰহালয় তেতিয়া হোৱাই নাছিল। থিয়েটাৰ, বিচিত্ৰানুষ্ঠান, আলোচনাচক্ৰ আদি উজানবজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰ আৰু কটন কলেজৰ চুডমাৰ্ছন হলত হৈছিল। কুমাৰ ভাস্কৰ নাট্য মন্দিৰটো আছিল গুৱাহাটীৰ কলা-সংস্কৃতিৰ এটা অবিচ্ছেদ্য অংগ। লক্ষ্যধৰ চৌধুৰী, সত্যপ্ৰসাদ বৰুৱা, জীৱেশ্বৰ চক্ৰৱৰ্তী, ক্ষীৰদাকান্ত বিষয়া, নিৰদা ভুঞা, ব্ৰজেন বৰুৱা আদি বৰেণ্য শিল্পীসকল এই কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰে সৃষ্টি। ইয়াতেই আছিল অসমৰ প্ৰথমখন সংগীত মহাবিদ্যালয়, সুন্দৰ বৰদলৈৰ গুৱাহাটী সংগীত মহাবিদ্যালয়। গুৱাহাটীত সেই সময়ত বুৰঞ্জীমূলক নাটক আৰু জলসাৰ খুব চৰ্চা আছিল। গুৱাহাটীৰ ঠায়ে-ঠায়ে, যেনে— ৰিহাবাৰী, পাণবজাৰ, ফাঁচিবজাৰ আদিত বাংলা যাত্ৰাপাৰ্টিৰ নাটক আদি অনুষ্ঠিত কৰাৰ কথা শুনিছিলো যদিও চাবলৈ সুযোগ পোৱা নাছিলো। পাণবজাৰৰ আৰ্য নাট্য মন্দিৰতো বুৰঞ্জীমূলক আৰু সামাজিক নাটক মঞ্চস্থ কৰা হৈছিল। গুৱাহাটীত ৰাজ্যিক পুথিভঁৰালৰ প্ৰেক্ষাগৃহ আৰু ৰবীন্দ্ৰ ভৱন, দীঘলীপুখুৰীৰ পাৰত স্থাপন হোৱাৰ আগৰ কথা এইবোৰ। ৰাজ্যিক পুথিভঁৰালৰ প্ৰেক্ষাগৃহ আৰু ৰবীন্দ্ৰ জয়ন্তীত ৰবীন্দ্ৰ ভৱন নিৰ্মাণ কৰাৰ পাছত গুৱাহাটীত যেন কলা-সংস্কৃতিয়ে প্ৰাণ পাই উঠিল। পুথিভঁৰাল বা ৰবীন্দ্ৰ ভৱনত সেই সময়ত প্ৰায়ে কিবা নহয় কিবা এটা সাংস্কৃতিক অনুষ্ঠান হৈ থাকে। কলিকতাৰ শম্ভু মিত্ৰ, তৃপ্তি মিত্ৰৰ দলে পুথিভঁৰাল প্ৰেক্ষাগৃহত পুতলা ঘৰ, পগলা ঘোঁৰা আদি জনপ্ৰিয় নাটসমূহ মঞ্চস্থ কৰিছিল। গুৱাহাটীৰ নিউ আৰ্টছ প্লেয়াৰ্ছ, মধুচয়নিকা, আই. পি. টি. এ. আদি অপেছাদাৰী সংঘ, ক্লাবে সঘনাই নাটক, সাংস্কৃতিক সন্ধিয়া আদি অনুষ্ঠিত কৰি জনসাধাৰণৰ মাজত কলা-সংস্কৃতিৰ এটা জাগৰণ আনিবলৈ সক্ষম হৈছিল। এই জাগৰণটোক প্ৰাণ দি সজীৱ কৰি ৰখাত গুৱাহাটী আকাশবাণীৰ বৰঙণি কোনোগুণেই কম নহয়। নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰী আদিৰ সৃষ্টিত আকাশবাণীৰ অৱদান কোনেও নুই কৰিব নোৱাৰে।

সেই সময়ত গুৱাহাটীত মোক এটা কথাই বৰ আকৃষ্ট কৰিছিল। সেয়া হৈছে সৰস্বতী পূজা। সূক্ষ্ম কলা প্ৰদৰ্শনীৰ কি অপূৰ্ব প্ৰতিযোগিতা। কটন কলেজৰ প্ৰায় আটাইবোৰ হোষ্টেলতে সৰস্বতী পূজা অনুষ্ঠিত কৰিছিল। প্ৰতিমা, মণ্ডপ আৰু গে'ট প্ৰতিটো হোষ্টেলে সূক্ষ্ম কাৰুকলাৰে ইমান সুন্দৰকৈ সজাইছিল, তাকে চাবলৈ মানুহে সন্ধিয়াৰপৰা ৰাতি দহ বজালৈকে ভিৰ কৰিছিল। তাৰ লগে লগে গুৱাহাটীৰ বিভিন্ন ক্লাব, সংঘ, সংগঠনবোৰেও বিভিন্ন স্থানত আটকধুনীয়াকৈ সৰস্বতী পূজা পাতিছিল। ইখনতকৈ সিখন চৰা। কেউফালে কলাৰ প্ৰতিযোগিতা। ছাত্ৰ-ছাত্ৰীৰ মনৰ উৎকৰ্ষ সাধন কৰা এই কলা প্ৰতিযোগিতাবোৰ আজিকালি কিয় কমি গ'ল ক'ব নোৱাৰোঁ।

১৯৫২ চনত স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱাৰ উদ্যোগত উজানবজাৰৰ লতাশিল খেলপথাৰত প্ৰথম গুৱাহাটী বিহু সন্মিলন অনুষ্ঠিত হয়। গুৱাহাটীত তেতিয়া সেই এখনেই বিহু সন্মিলনী আছিল। তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা বিহু সন্মিলনত হুঁচৰি, বিহু নৃত্যৰ লগতে অনুষ্ঠিত কৰা বিচিত্ৰানুষ্ঠান চাবলৈ মানুহৰ অভূতপূৰ্ব সমাগম হৈছিল। মঞ্চলৈ বিহু তেতিয়াই আহিল। ১৯৬২ চনত গুৱাহাটী বিহু সন্মিলনৰ আৰ্হিতে পূব গুৱাহাটী বিহু সন্মিলন গঠন হয় আৰু বিহুৰ চাৰিওদিনে বিভিন্ন লোকনৃত্য, লোকগীত, হুঁচৰি, বিহুনাচ আদি প্ৰদৰ্শন কৰা হয়। সেইবাৰ সাংস্কৃতিক সম্পাদক মই আৰু প্ৰয়াত মুকুল বৰুৱা আছিলো। অসমৰ থলুৱা লোকশিল্পীসকলৰ উপৰিও ভাৰতৰ আন-আন ঠাইৰপৰাও বিভিন্ন সাংস্কৃতিক দলসমূহ নিমন্ত্ৰণ কৰি আনি লোকনৃত্য প্ৰদৰ্শন কৰোৱাইছিলো। এই বিহু সন্মিলনতে 'গগনা' নামৰ বিহু উপলক্ষ্যে উলিওৱা স্মৃতিগ্ৰন্থখন ময়ে সম্পাদনা কৰিছিলো। পাছলৈ কেইবাবছৰো ধৰি 'গগনা' সম্পাদনা কৰিছিলো।

১৯৫৮ চনত প্ৰথমবাৰ গুৱাহাটীত সদৌ অসম সংগীত সন্মিলন অতি সমাৰোহেৰে অনুষ্ঠিত হোৱাটো এটা অতি উল্লেখযোগ্য কথা হৈছিল। তেনে সন্মিলন দেখিবলৈ, আচল অৰ্থত শুনিবলৈ পাই জীৱন ধন্য হোৱা যেন লাগিছিল। পণ্ডিত পটবৰ্ধনৰ দৰে মহান ব্যক্তিৰ কণ্ঠৰ খেয়াল শুনিবলৈ পাই আনন্দত অভিভূত হৈছিলো। এই পটবৰ্ধনেই আছিল সদৌ অসম সংগীত সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি। কিংবদন্তিস্বৰূপ এই ব্যক্তিজনাক শাস্ত্ৰীয় সংগীতৰ গুণমুগ্ধ ডা. তাৰিণীমোহন বৰুৱাই বাৰানসীত প্ৰথম লগ পাওঁতে অসমত শাস্ত্ৰীয় সংগীতৰ প্ৰচাৰ, প্ৰসাৰ আৰু অনুশীলন হওক বুলিয়েই সংগীত সন্মিলনৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠান এটা অনুষ্ঠিত কৰিবলৈ উপদেশ দিলে। সেই উদ্দেশ্যে অসমত অসমৰ সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱা ডাঙৰীয়াক ৱৰ্কিং প্ৰেছিডেণ্ট, ডা. তাৰিণীমোহন বৰুৱাক ছেক্ৰেটেৰিৰূপে লৈ শাস্ত্ৰীয় সংগীত অনুৰাগীসকলৰ এখনি শক্তিশালী কমিটি গঠন হ'ল। ডা. তাৰিণীমোহন বৰুৱা পেছাত চিকিৎসক আছিল যদিও তেখেতৰ শাস্ত্ৰীয় সংগীতৰ প্ৰতি বিশেষ অনুৰাগ আছিল।

শাস্ত্ৰীয় কণ্ঠসংগীতৰ গায়কৰ লগত তেখেতে তবলা সংগত কৰিছিল।

সদৌ অসম সংগীত সন্মিলন গঠন হোৱা বছৰতেই জজ খেলপথাৰত বিৰাট আয়োজনেৰে অভূতপূৰ্ব শাস্ত্ৰীয় সংগীতৰ পৰিৱেশ সৃষ্টি হ'ল। শেষ ৰাতিলৈকে সেই সন্মিলন উপভোগ কৰাৰ কি মাদকতা! শেষ ৰাতি যুগলবন্দী হয়, ছানাইবাদন হয়, চকুত টোপনিৰ আমেজ, মনত আমেজ স্বৰ্গীয় সংগীতৰ। শেষ ৰাতিৰ ঠাণ্ডা আঁতৰাবলৈ আমি শ্ৰোতাবোৰে লগত কম্বল লৈ গৈছিলো। শেষলৈকে পুহৰি-পুহৰি হোৱালৈকে মগুপ মানুহেৰে প্ৰতিদিনেই ঠাহ খাই আছিল। স্বনামধন্য শাস্ত্ৰীয় সংগীতৰ গায়িকা পাৰবীন চুলতানা তেতিয়া তেনেই সৰু আছিল। নগাঁৱৰপৰা দেউতাকৰ লগত আহি সংগীত প্ৰতিযোগিতাত ভাগ লৈ প্ৰথম হৈছিল। ভীমসেন যোশী, পটবৰ্ধনৰ কণ্ঠৰ অমিয়া সেই ঝৰ্ণা বাগৰি যোৱাৰ ঝংকাৰ জীৱনত ক'ত পাহৰিম। শান্তা প্ৰসাদৰ তবলাত কি উত্তাল ছন্দধ্বনি! দময়ন্তী যোশী, বিৰজু মহাৰাজ, আলি আকবৰ খাঁ, আল্লাৰেখা, বিলায়ৎ খাঁ আদি শাস্ত্ৰীয় নৃত্য-গীত-বাদ্যৰ শিৰোমণিসকলে অংশগ্ৰহণ কৰা আৰু অসম শাস্ত্ৰীয় সংগীতৰ গুণমুগ্ধ শ্ৰোতা-দৰ্শকৰ অতি আদৰৰ সদৌ অসম সংগীত সন্মিলনীখন নোহোৱা হৈ যোৱা কথাটো বৰ বেদনাদায়ক।

মই গুৱাহাটীলৈ অহাৰ দিনৰেপৰা বৰদলৈ ট্ৰফি ফুটবল খেলৰ কথা বৰকৈ শুনিছিলো। অসমৰ প্ৰথম মুখ্যমন্ত্ৰী প্ৰয়াত গোপীনাথ বৰদলৈৰ স্মৃতিত অনুষ্ঠিত হৈ অহা এই ফুটবল খেলখন ভাৰতৰ ভিতৰতে অন্যতম আছিল। জজ খেলপথাৰত বৰদলৈ ট্ৰফি আৰম্ভ হোৱাৰ লগে লগে ফুটবলপ্ৰেমী দৰ্শকৰ আনন্দত হিয়া নধৰা হয়। এতিয়াৰ ক্ৰিকেট খেলৰ নিচিনাকৈ তেতিয়া ফুটবল খেলৰ কথাইহে মানুহৰ মাজত আগভাগ পাইছিল। বৰদলৈ ট্ৰফিৰ ফাইনেল খেলৰ দিনা নগাঁও, শ্বিলং, যোৰহাট, ডিব্ৰুগড় আদিৰপৰা মানুহ খেল চাবলৈ আহিছিল। ভাৰতৰ বিভিন্ন প্ৰদেশৰ নামজ্বলা ফুটবল দলবোৰে বৰদলৈ ট্ৰফিত ফুটবল খেলিছিল। ক'লাবজাৰত টিকেট বিক্ৰি হোৱাৰ কথাও শুনিছিলো। তেতিয়া ছোৱালীয়ে ভিৰৰ মাজত গৈ খেল চোৱাটো বিপজ্জনক আছিল কাৰণেই আমি খেলপথাৰত খেল চাবলৈ যোৱা নাছিলো। নতুন অসমীয়া কাকতৰ খেলৰ সাংবাদিক মুৰুলী চৌধুৰীয়ে কাকতত দিয়া বিৱৰণী পঢ়িয়েই আমি ক্ষান্ত থাকিছিলো। এতিয়া শুনিছোঁ বৰদলৈ ট্ৰফিৰ ফুটবল খেল চাবলৈ দৰ্শকৰ অভাৱ। বাহিৰা দলবোৰো নহা হ'ল। এই অৱক্ষয় কিয়? ১৯৬২ চনত নেহৰু ষ্টেডিয়ামটো সম্পূৰ্ণ হৈ উঠাৰ পাছত বৰদলৈ ট্ৰফি ফুটবল খেল তাতেই হৈছিল। ভোলানাথ বৰুৱা কলেজৰ ওচৰতে ষ্টেডিয়ামটো হোৱা কাৰণে কলেজলৈ খেলৰ বতৰত যাওঁতে দৰ্শকৰ ভিৰ ফালি যাব লগা হৈছিল। নেহৰু ষ্টেডিয়ামটো অগ্ৰণীপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ তত্ত্বাৱধানতে নিৰ্মাণ কৰা হৈছিল। তেখেতে বহুত কষ্ট কৰি ষ্টেডিয়ামটো নিৰ্মাণৰ

কাৰণে টকা গোটোৱা কথাটো সেই সময়ত সকলোৰে মুখে-মুখে আছিল। ষ্টেডিয়ামটো সম্পূৰ্ণ হৈ উঠোঁতে প্ৰায় পাঁচ বছৰ সময় লাগিছিল। দাৰা সিং, কিংকঙক আনি কেইবাবাৰো মল্লযুদ্ধ পাতি টকা সংগ্ৰহ কৰিছিল। সেই সময়ত সকলো কথা-কামতে ৰাধাগোবিন্দ বৰুৱাদেৱ নহ'লে নহৈছিল। সেইকাৰণে তেখেতক 'মডাৰ্ণ গুৱাহাটীৰ আৰ্কিটেক্ট' বুলি কোৱা হৈছিল।

১৯৬২ চনৰ শেষ ভাগত মোৰ ভণ্টি লক্ষ্মীপ্ৰিয়াৰ তিনি নম্বৰ ল'ৰা মৰমৰ ছয়বছৰ বয়সতে ডিব্ৰুগড় মেডিকেল কলেজ হস্পিটেলত অকাল বিয়োগ হৈছিল। তাৰ মৃত্যুৰ পাছৰ বছৰৰপৰা গুৱাহাটীৰ বালভৱনত 'মৰম সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা' অনুষ্ঠিত কৰিছিলো। বালভৱনৰ অধ্যক্ষ কন্দৰ্প শৰ্মাদেৱে এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰোঁতে কৰা সহায়ৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। থলতে আঁকা চিত্ৰাংকন প্ৰতিযোগিতাখনত ডেৰশমান কণ-কণ মইনাই ভাগ লৈছিল। চিত্ৰাংকন প্ৰতিযোগিতাখনত যশস্বী চিত্ৰশিল্পী ত্ৰৈলোক্য দত্তই বিচাৰকৰ কাৰ্য সম্পাদন কৰিছিল। প্ৰতিযোগিতাখন তিনি বছৰমান মই নিজে চলোৱাৰ পাছত ইয়াৰ সম্পূৰ্ণ দায়িত্ব বালভৱনক দি দিছিলোঁ। বালভৱনে কেইবছৰমান প্ৰতিযোগিতাখন চলাই আছিল যদিও পাছত কোনো অজ্ঞাত কাৰণত বন্ধ হৈ গ'ল। এই প্ৰতিযোগিতাখন চলোৱাৰ এবছৰমান আগতে কেন্দ্ৰীয় চৰকাৰৰ অধীনত এই বালভৱন প্ৰতিষ্ঠা হৈছিল।

ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন দলং দি উত্তৰ আৰু দক্ষিণ পাৰক সংযোগ কৰি মানুহৰ যাতায়াত সুচল কৰিবলৈ অসমৰ ৰাইজে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আহিছিল। ১৯৬২ চনত চীন ভাৰত আক্ৰমণৰ পাছতহে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং সজাৰ প্ৰয়োজনীয়তা কেন্দ্ৰীয় চৰকাৰে উপলব্ধি কৰিলে। আমিনগাঁৱত দলংখন স্থাপন কৰিবৰ কাৰণে স্থান নিৰ্বাচন কৰিলে। দলং হোৱাৰ আগতে পাণ্ডুঘাট আৰু আমিনগাঁৱৰ মাজত ফেৰি চলাচল কৰিছিল। অসমৰ বাহিৰলৈ ট্ৰেইন-বাছেৰে যাব লগা হ'লে পাণ্ডুলৈকে গৈ ফেৰিৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ সিফালে আমিনগাঁৱত ৰৈ থকা ট্ৰেইন বা বাছত উঠিব লাগিছিল। মঙলদৈ বা তেজপুৰলৈ যাবলৈ হ'লে ফাঁচিবজাৰ বা কাচাৰীৰ জাহাজঘাটত থকা ফেৰিৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ গুৱাহাটীলৈ গৈ তাত থকা চৰকাৰী বাছ ছাৰ্ভিচৰ আস্থানত টিকেট কাটি বাছেৰে যাব লাগে। তেজপুৰ-লক্ষীমপুৰলৈ তেতিয়া ৰে'লসেৱা নাছিল। আমিনগাঁৱত দলং সাজি থাকোঁতে কেইবাবাৰো চাবলৈ যোৱা মনত পৰে। ব্ৰহ্মপুত্ৰ দলঙক লৈ প্ৰয়াত শিল্পী ৰুদ্ৰ বৰুৱাই লিখা আৰু সুৰ দিয়া এটা গান বৰ জনপ্ৰিয় হৈছিল। গানটো আছিল— 'লুইতত আশাৰে চাকিটি জ্বলে' সঁচাকৈয়ে লুইতত আশাৰ চাকিটি জ্বলিল। দুখলপীয়া সুন্দৰ শৰাইঘাট দলং হ'ল। যাতায়াতৰ আহুকাল গুচিল। মানুহে ব্ৰহ্মপুত্ৰৰ

ওপৰেদি ৰে'ল-বাছ নসলোৱাকৈ একেবাৰে যাব পৰা হ'ল।

১৯৬২ চনৰ নৱেম্বৰ মাহত চীনা যুদ্ধ লাগিল। সকলো পিনে এক ত্ৰাসৰ অৱস্থা। কিছুদিনৰ আগৰপৰা ভাৰত আৰু চীন সীমান্তত গুলীয়াগুলী হোৱাৰ কথা শুনি আছিলো যদিও সিমান গুৰুত্ব দিয়া নাছিলো। কিন্তু যেতিয়া ১৯ নৱেম্বৰত 'ব'মডিলা' ভাৰতীয় সৈন্যৰপৰা কোনো প্ৰত্যাহ্বান নোপোৱাকৈ চীনা সৈন্যৰ হাতত পৰিল, তেতিয়াহে বিপদৰ গুৰুত্ব বুজি শিয়ৰি উঠিলো। চীনা সৈন্যই নিৰ্বিবাদে আহি অসমখন গ্ৰাস কৰিলে আমাৰ কি দশা হ'ব? প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱেনো কি পঞ্চশীল চুক্তি কৰি হিন্দী-চীনি ভাই-ভাই বুলি মেলে-মিটিঙে গাই ফুৰিছিল? ভাৰতীয় সেনা ইমান দুৰ্বল হ'লনে যে চীনা সৈন্যক অকণো প্ৰতিৰোধ জনাব নোৱাৰিলে।

১৯৫৪ চনতে 'পঞ্চশীল' চুক্তি চীন আৰু ভাৰতৰ মাজত স্বাক্ষৰিত হৈছিল যদিও কোনো-কোনো অঞ্চলত সীমা লৈ দুয়োখন দেশৰ মাজত মতানৈক্য চলি আছিল। এই মতানৈক্যৰ ফলস্বৰূপে ১৯৫৯ চনৰপৰাই নেফা, উত্তৰ প্ৰদেশ আৰু হিমাচল প্ৰদেশৰ সীমান্তত চীনা সৈন্যৰ প্ৰৱেশ ঘটিছিল। ১৯ নৱেম্বৰত ব'মডিলা দখল কৰাৰ পাছত ২০ নৱেম্বৰত নেফাৰ কামেং জিলা চীনা সৈন্যই দখল কৰিলে। কামেং জিলাখন তেজপুৰ চহৰৰপৰা মাত্ৰ ৫০ মাইল নিলগত। চীনা সৈন্যই হো-হোকৈ কামেং জিলাত সোমোৱাৰ বাতৰি পোৱাৰ লগে লগে কেউপিনে হুৱাদুৱা লাগি পৰিল। সকলোৱে ভাবিলে পাছদিনাই হয়তো তেজপুৰ চীনা সৈন্যৰে ভৰি পৰিব। সেই সময়ত তেজপুৰত আৰক্ষী অধীক্ষক হৈ মোৰ সম্পৰ্কীয় ভাতৃ নিশিনাথ চাংকাকতিয়ে (IPS) কাৰ্যনিৰ্বাহ কৰি আছিল। যুদ্ধৰ এই ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈ তেজপুৰত আইন-শৃংখলা বজাই ৰাখি সকলোলৈকে সহায়ৰ হাত আগবঢ়াই তেওঁ অসীম সাহসিকতাৰ পৰিচয় দিছিল। কামেং জিলা চীনা সৈন্যৰ হাতত পৰাৰ দিনা যেতিয়া ভাৰতীয় সৈন্য পিছ হুঁহকি আহিছিল ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে সেইদিনা ৰাতি ৰেডিঅ'যোগে অসমবাসীলৈ এইবুলি বিদায়ৰ বাণী দিছিল,— My heart goes out to the people of Assam. জৱাহৰলাল নেহৰুৰ এই বাণী শুনি তেজপুৰৰ লগতে সমগ্ৰ অসমবাসীয়ে নিৰাপত্তাহীনতা অনুভৱ কৰি অসহায় হৈ দিহিঙে-দিপাঙে পলাবলৈ ধৰিলে। তেজপুৰত অসম চৰকাৰৰ কৰ্মচাৰীক তিনি মাহৰ দৰমহা দি তেজপুৰ এৰিবলৈ নিৰ্দেশ দিলে। ষ্টেট বেংকে লাখ-লাখ টকাৰ বাণ্ডোল জ্বলাই দিয়াৰ লগতে পদুম পুখুৰীত টকাৰ মুদ্ৰাবোৰ পেলাই দিলে। কেউপিনে কেৱল অত্ৰাহি ভয়ত আৰু প্ৰাণৰ শংকাত চিঞৰ-বাখৰ, কান্দোন-কাটোন। প্ৰশাসনে তেজপুৰ জে'লৰ কয়দীবোৰ আৰু পগলা ফাটেকৰ মানুহবোৰ মুকলি কৰি দিলে। পেট্ৰল পাম্পবোৰ জ্বলাই দিবলৈ নিৰ্দেশ দিলে। গুৱাহাটী বা নগাঁৱলৈ

আহিবলৈ হাজাৰে-হাজাৰে মানুহ ঘৰ-বাৰী, সা-সম্পত্তি তাতে এৰি যাতায়াতৰ ব্যৱস্থা কৰি দিবৰ বাবে থানাত ভিৰ কৰিলেহি। নিজৰ জীৱনলৈ শংকা নকৰি শেষজন মানুহলৈকে তেজপুৰৰপৰা পঠোৱাৰ দায়িত্ব লৈছিল মোৰ মৰমৰ ভাই নিশিনাথ চাংকাকতিয়েই (তেওঁ এতিয়া ডি. জি. পি. হৈ অৱসৰপ্ৰাপ্ত)।

আনহাতে গুৱাহাটীতো হুৱাদুৱা লাগি পৰিছিল। তেতিয়া ব্ৰহ্মপুত্ৰৰ শৰাইঘাট দলংখন হোৱা নাছিল। বহুত মানুহ পাণ্ডুঘাটেৰে ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ গুৱাহাটী পাইছিলহি। গুৱাহাটীত এইসকল আশ্ৰয় বিচাৰি অহা প্ৰাৰ্থীক ভোলা বৰুৱা কলেজৰ আশ্ৰয় শিবিৰ, কটন কলেজিয়েট স্কুলৰ আশ্ৰয় শিবিৰ আৰু ভৰলুমুখৰ সোণাৰাম হাইস্কুলত পতা আশ্ৰয় শিবিৰত ভৰ্তি কৰোৱা হৈছিল। আমি সেই সময়ত এই আশ্ৰয় প্ৰাৰ্থীসকলক ৰে'লষ্টেশ্যন বা বাছষ্টেশ্যনৰপৰা গাড়ীৰে আনি আশ্ৰয় শিবিৰত থকাৰ ব্যৱস্থা কৰি দিছিলো। ভূটানৰপৰাও ভূটীয়া মানুহে আশ্ৰয় বিচাৰি গুৱাহাটী পাইছিলহি। ২১ নৱেম্বৰৰ দিনা চীনা সৈন্যই নিচৰ্ত যুদ্ধবিৰতি ঘোষণা কৰাৰ পাছতহে সকলোৰে মুখলৈ পানী আহিল।

* * *

"সংগ্ৰামতে যদি শেষ হয়
জীৱন মানেনো কি?"

— এনেকুৱা ধৰণৰ হতাশাই যে মন বিষাদগ্ৰস্ত কৰি তোলা নাছিল এনে নহয়। ক্লান্তিতকৈও বেজাৰ লাগিছিল বেছি। দীঘল মৰুভূমি ইখনৰ পিছত সিখন যেন পাৰ হৈছিলো বুকুৰে বগুৱা বাই। কাঁইটীয়া বনৰ আচম্বিতে খোঁচ খাই-খাই দেহ-মন ৰক্তাক্ত হৈছিল—

ৰ'দে পোৰা এই
মৰুত নাই
এধানি ছাঁ
গছ-বন জ্বলি
ছাই হ'ল নাই
এধানি ছাঁ।
জুইৰ সিপাৰে
ৰচা এই পথ
পুৰিছে পাও

বাটৰ দিশা
ধুঁৱলী কুঁৱলী
কেনিনো যাওঁ
চকুৰ পানীৰে
মনৰ অগনি
নুমায় জানো
কাহানিবা?

জনৈক মুধাফুটা সাহিত্যিকৰ কথা। তেতিয়া মই চানমাৰিৰ ঘৰত। কম্পাউণ্ডটোত তেতিয়া এখন গে'টো নাছিল। খোলা পদূলি। আইনাৰ দুৱাৰ ঘৰটোত। পৰ্দাৰে অৱশ্যেই আবৰা। ৰাতি কোনো দুৰ্বৃত্তই আহি সেই দুৱাৰ খুন্দিওৱা কেতিয়াও নাছিল। দুৱাৰ বাৰে-বাৰে খুন্দিয়াইছিল দিনতে সেই বোহেমিয়ান সাহিত্যিকে। চিঠি লিখিছিল মোলৈ ইংৰাজীত— "Let us jump in the sea of joy." তোমাৰ Sea of joy খন মোৰ sea of joy নহয়। মই মোৰ ড্ৰয়িং ৰুমত বহি পাতল ইংগিত দিয়াজনক খং কৰিছিলোঁ। আৰু এক ইঞ্চি বেছিকৈ কোৱা হ'লেই তেওঁক চৰ দিবই পাৰিলোহেঁতেন। তেওঁ মোৰ লৌহ ভংগী দেখি ভাবুকি দি ক'লে,— "মোক ৰিফিউজ কৰিবলৈ ইমান স্পৰ্ধানে? You See, what I can do. I will blackmail you in my paper. Don't forget I have a paper in my hand."

"So what? Go and do whatever you like. I care little."

ক্ষুব্ধ সেই সাহিত্যিক-সাংবাদিকে মোলৈ কটমট কৰে চাই ওলাই গৈছিল। তাৰ পাছত গোকাট মিছা কথাৰে কোন কাগজত কেনেকৈ মোক অপদস্থ কৰাৰ অশেষ চেষ্টা কৰিছিল সেই কথাবোৰ মনত পৰিলে মোৰ নিজলৈকে পুতৌ হয়,— আহা। বেচেৰী— জীৱনত কত সংঘাতেই যে সহিব লগা হৈছে!

আজলী হৰিণীৰ দৰে ব্যাধৰ মৰণ ফান্দত কতবাৰ যে পৰিছোঁ। কিমান নিষ্ঠুৰ, জঘন্য ষড়যন্ত্ৰ মানুহৰ। মোক অযথা ডিঙিত ৰেপি-ৰেপি অত্যাচাৰ কৰে। কোনো অসততাৰ লগত মই হাত নিমিলাওঁ— সেয়ে জানো দোষ? কত যে কথা, কত যে কথা! মোৰ শাৰীৰিক শক্তিৰে নহয়, আচৰিত নৈতিক শক্তিয়ে মোক দুৰ্গা গোসাঁনীৰ দৰে সিংহবাহনা কৰি ৰাখে, এনে অসুৰবোৰতকৈ মোক নিজকে বহুত ওপৰত বুলি মোৰ মুহূৰ্ততে উপলব্ধি হয় আৰু শব্দৰ ত্ৰিশূল মাৰি সিহঁতক ৰক্তাক্ত কৰোঁ। নিজা ঘৰৰ বহা ৰুমত চাহৰ পিয়লা সমুখত দি কৌশলেৰে দুৱাৰ মাৰি বাঘৰ দৰে জঁপিয়াই পৰিব খোজাজনক বুকুত গুৰিয়াই আতংকত দুৱাৰৰ ছিটকিনি খুলি ৰাজপথত আহি প্ৰকৃতিস্থ হোৱা অভিজ্ঞতাও মোৰ আছে। সেইজন আছিল মুধাফুটা বয়সস্থ লোক—

মোৰ এজন শিক্ষাগুৰু। পাছত মিটিং আদিত মোৰ চকুলৈকে চাবৰ তেখেতৰ সাহস হোৱা নাছিল।

হৰিণাৰ মাংসই বৈৰী। পুৰুষসকলৰ শতকৰা পঞ্চাছ ভাগেই বৰ দুৰ্বল। সমাজত প্ৰিভিলাইজড ক্লাছ হোৱা কাৰণে, নাৰীৰ মাতৃত্বৰ দৰে কোনো দায়িত্ব পুৰুষে বহন কৰিব নালাগে কাৰণে, লালসাৰ কোনো দাগ শৰীৰত নাথাকে কাৰণে তেওঁবিলাকে অকণমান সুৰুঙা পালেই মাতাল ঘোঁৰা হ'ব খোজে, সকলো শিক্ষা-দীক্ষা, সন্মানিত স্থিতি আৰু লজ্জাৰ মূৰ খাই নিজৰ স্বৰূপ নগ্ন কৰি দেখুৱাব খোজে। কি ঘৃণনীয়, কি পংকিল স্তৰ!

এইবোৰ কথা কিয় লিখিছা বুলি কোনোবাই মোক প্ৰশ্ন কৰিব পাৰে। কিন্তু হে সহৃদয় পাঠক, মই ঠিক মোৰ কাহিনী বুলি এইবোৰ লিখা নাই! মই মোকেই মুখৰ আগত 'অবজেক্ট' ৰূপে ৰাখি, এখন সমাজৰ জীয়া প্ৰতিনিধি বুলি চিহ্নিত কৰিছোঁ। এজনী অকলশৰীয়া মহিলাই এই সমাজত আত্মসন্মানেৰে জীয়াই থাকিবলৈ কি ভয়ংকৰ সংগ্ৰাম কৰি মানসিক ভাৰসাম্য, মানসিক সুস্থতা ৰক্ষা কৰিব লগা হয়, তাৰ প্ৰতিচ্ছবিহে ইংগিতেৰে দি গৈছোঁ। প্ৰতিমুহূৰ্তে যুঁজিব লগা হোৱাৰ বিপৰীতে প্ৰচণ্ড সোঁতত মই হেৰাই যোৱা হ'লে সমাজৰ একো ক্ষতি নহয় বা ক্ষতি নহ'লহেঁতেন, কিন্তু ক্ষতি হ'লহেঁতেন মোৰ ভাই-ভনীকেইটাৰ, মোৰ অকলশৰীয়া ছোৱালীজনীৰ।

"কান্দে অ'
কান্দে হৰিণা পহু
ব্যাধৰ ফান্দে পৰি
কান্দে হৰিণা পহু
উদ্ধাৰা, উদ্ধাৰা হৰি হৰি হৰি এ।।"

ক্ষুৰধাৰ তীক্ষ্ণ ছুৰীৰ দৰে থকা আত্মসন্মানবোধেৰে নিজক নিজে ৰক্ষা নকৰিলে কোনো ছোৱালী, কোনো নাৰী এই সমাজত নিৰাপদ নহয়। ঈশ্বৰৰ প্ৰতি বিশ্বাসো লাগে অগাধ; মোক এই দুটা বস্তুৱেই চিৰদিন ৰক্ষা কৰি আহিছে।

এইটোও সত্য যে পৃথিৱীত বহুত ভাল মানুহো আছে। পৰস্পৰৰ প্ৰতি থকা শুভ-ইচ্ছা, প্ৰীতি-স্নেহ, বন্ধুত্ব, বাৎসল্য এই সৰগীয় গুণবোৰো পৃথিৱীত এতিয়াও সুন্দৰ ৰূপত আছে। আনহাতে ভোগৰ স্পৃহাই, স্বাৰ্থপৰতাই, দিশাবিহীন পাশ্চাত্য ধৰণ-কৰণে, ফ্লাৰ্টজাতীয় কথাবোৰে চিৰসুন্দৰ মূল্যবোধবোৰো ধূলিসাৎ কৰি আনিছে।

কিমান কিহেৰে যে ঘৰখন সজাব নুখুজিছিলো! ঘৰখন নে জীৱনটো? একেই কথা! বিবিধ ফুলৰ ৰঙেৰে, কোমল সজীৱ লতাৰে, অৰ্থপূৰ্ণ বিবিধ ছবিৰে, সুৰৰ সুষমাৰে, বিধে-বিধে প্ৰস্তুত কৰা সুমিষ্ট আহাৰেৰে, ভাই-ভনী-ভতিজা-ভাগিন, বন্ধু-বান্ধৱ-

শুভাকাংক্ষীৰ মাজত মমতাময় মধুৰ আলাপেৰে। প্ৰত্যেকৰপৰা প্ৰত্যেকলৈময়ে যেন এখন সাঁকো। আটাইৰে বেলেগ-বেলেগ দুখত ভগা বুকু ময়েই জোৰা লগাবলৈ আপ্ৰাণ চেষ্টা কৰোঁ। নোহোৱাবোৰক হোৱা কৰাৰ, থকাবোৰক আৰু ওপৰলৈ নিয়াইতো মোৰ কাম। কাৰোবাক যদি সহায় কৰিবই নোৱাৰিলো মোৰ জীৱনৰনো অৰ্থ কি!

সন্ধিয়া হ'লেই মোৰ মন বিষণ্ণতাৰে ভৰি পৰে।

"কাজল নদীৰ জলে
ভৰা ডেউৰ ছলছলে
প্ৰদীপ ভাসাও কৰে স্মৰিয়া
সোণাৰ বৰণী মেয়ে
বল কাৰ পথ চেয়ে আঁখি দুটি উঠে জলে ভৰিয়া?"

আমাৰ শিৱসাগৰৰ ঘৰৰ ডাঙৰ পুখুৰীটোত 'মহালয়া'ৰ দিনা আমিও মাটিচাকিৰ বন্তি উটুৱাই দিছিলো। কাৰ কাৰণে? নজনা নিচিনা অপৰিচিত আত্মাবোৰৰ কাৰণে— তেওঁবিলাকে মুক্তি পাবৰ কাৰণেই, এগছি মাটিচাকিৰ পোহৰত তেওঁলোকৰ যাত্ৰা পথ উজ্বলি উঠিবৰ কাৰণেই।

কাজল সনা সন্ধিয়া, মাৰ শ্যামল, মমতাময়ী মুখ মোৰ চকুৰ আগত ভাহি উঠে। অজান বেথাত মোৰ বুকু গধুৰ হৈ পৰে। কৰুণ কোন স্মৃতিয়ে মোৰ চকু চলচল কৰি কান্দে? সন্ধিয়া লগাৰ পৰত মা সদায় পুখুৰীলৈ গৈছিল; পিতলৰ খৰাহিত চাউল লৈ যায়— তাতে ধোৱে আৰু পুখুৰীৰ মাছবোৰে খাবলৈ চাউল ছটিয়াই দি আহে। এই যে মমতা, গোহালিৰ গৰুবোৰক মূৰত হাত ফুৰাই-ফুৰাই মৰম কৰাৰ এই দৃশ্য জানো সন্ধ্যাৰ লগত নিবিড়তাৰে জড়িত? মোৰ মাৰ এই শ্যামল, মমতাময়ী কান্তিয়েই জানো মোৰ এই গীতটোৰ মূল কথা নহয়?

সউ কাজল কাজল মেঘ
যি জুৰিত দাপোণ চায়
যেন সজল সজল দুটি নয়ন
মৰম ওপচাই
সেয়ে আমাৰ আই আমাৰ
শ্যাম বৰণী আই—

গুৱাহাটীলৈ অহাৰ পাছত মোৰ কলেজীয়া দিনবোৰত লকেল গাৰ্জেন হৈ থকা দুটা পৰিয়ালৰ কথা মই সদায় কৃতজ্ঞতাৰে স্মৰণ কৰোঁ। উজানবজাৰৰ বৈকুণ্ঠ বৰদলৈৰ পৰিয়ালৰ প্ৰয়াত কমল বৰদলৈ আৰু শ্ৰীযুত বীৰেন বৰদলৈ (ফুনু ককাইদেউ) হৈ পৰিছিল সহোদৰ ভাতৃৰ নিচিনা। তেখেতসকলৰ মাহীমাক প্ৰয়াত মাহীদেৱে মই যেন

পৰা বহুত দূৰৈত আছোঁহি বুলি মৰমতে পমি গৈছিল আৰু প্ৰতি দেওবাৰেই মোক বিবিধ ব্যঞ্জন ৰান্ধি খুৱাইছিল। ফুনু ককাইদেৱে দেওবাৰে-দেওবাৰে হোষ্টেলৰপৰা লৈ আহিছিলগৈ ঘৰলৈ। ফুনু ককাইদেউৰ ভনীয়েক ভুলু আৰু ভণ্টি আছিল তেতিয়া যথেষ্ট সৰু। সিহঁতৰ মৰমৰ উত্তাপ এতিয়াও যেন মোৰ বুকুত লাগি আছে। ফুনু ককাইদেৱে বৰ বঙলা উপন্যাস পঢ়িছিল। ঘৰখনলৈ গ'লেই কিতাপবোৰ দেখিছিলো আৰু দেখিছিলো ঘৰখনৰ পৰিচ্ছন্নতা। মোৰ সকলো ভাল ৰিজাল্টতে তেওঁবিলাক বৰ উৎফুল্ল হৈছিল। প্ৰয়াত মাইকণ বাইদেউ আৰু তেখেতৰ দুজনী ছোৱালী (বিয়া-বাৰু হৈ এতিয়া চাকৰিত) আৰু প্ৰয়াত ভিনদেউ,— এইসকলেও মোক অতি আপোন কৰি লৈছিল।

লকেল গাৰ্জেন, ভেটেৰিনেৰিৰ ডিন ডা. প্ৰসন্ন কুমাৰ শৰ্মা আৰু অনিলা নবৌৰ নাম ইতিমধ্যে কেইবাবাৰো বিভিন্ন প্ৰসংগত উল্লেখ কৰিছোঁ। তেওঁবিলাকৰ ল'ৰা দুটা— ৰুণু, চুনু আৰু ছোৱালী ৰূপা আমাৰ কোলাত উঠিয়েই ডাঙৰ হৈছে। ৰুণু (নৱজ্যোতি শৰ্মা) ইলেকট্ৰিকেল ইঞ্জিনীয়াৰ। তেওঁৰ ছোৱালী নাটাশাও বৰ সুন্দৰ চিত্ৰশিল্পী। অকমানি ছোৱালীজনী— পঢ়াতো বৰ আগবঢ়া। ককাইদেউ-নবৌহঁতে গুৱাহাটীৰ আচহুৱা দিনবোৰত মোক বৰ আৱৰি-সাৱৰি আছিল।

একে সময়তে মনত পৰিছে সেই মিনু আইতালৈ— মৃণালিনী দেৱীলৈ। সুদক্ষা আইতাৰ মহাপ্ৰয়াণ হ'ল, বৈ গ'ল তেখেতে নিৰ্মাণ কৰোৱা লক্ষ্মীনাৰায়ণ মন্দিৰ (চেনিকুঠিৰ)।

আমাৰ ঘৰখনৰ সুস্থতা ৰক্ষা কৰাত সকলো বিপদত দুয়োখন হাতেৰেই নহয়, সমগ্ৰ সত্তা আগবঢ়াই সহায় কৰাত যিজন মহান আদৰ্শপ্ৰাণ ব্যক্তিয়ে চিৰদিন সহায় কৰিলে, সেইজন আছিল নিজ সহোদৰস্বৰূপ ডা. নলিনী কুমাৰ শৰ্মা। মই সন্দিকৈ কলেজৰ হোষ্টেলত থাকি বি. এ. পঢ়ি থাকোঁতেই তেখেতৰ লগত পৰিচয় কৰাই দিছিল মোৰ মামা বিষ্ণুপ্ৰাণ চাংকাকতিয়ে। সেই সময়ত মোৰ ৰেনাল কলিক পেইন হৈ বৰ টান হৈছিল। তাৰ পাছত ১৯৬৪ চন মানত গলব্লাড়াৰ ষ্টোনৰ বিষ হৈ মোৰ মৃতপ্ৰায় অৱস্থা হৈছিল। ৰাতি তিনি বজাত চানমাৰিৰপৰা এম্বুলেঞ্চত গুৱাহাটী মেডিকেল কলেজলৈ লৈ গৈছিল। চিএৰত গছৰ পাত সৰকাইছিলো। সেই সময়ত পাণবজাৰৰপৰা নতুন বিল্ডিঙলৈ মেডিকেল কলেজ, হস্পিটেল স্থানান্তৰ কৰাৰ কাম চলি আছিল। সেই মহাসংকটৰ সময়ত মোৰ সম্বন্ধীয় ভনী তাৰিণী দেৱীৰ (এতিয়া ডা. ৰমণী বৰুৱাৰ পৰিবাৰ) অসম্ভৱ পৰিচৰ্যা, মোৰ ভাইকেইটাৰ অক্লান্ত পৰিশ্ৰম আৰু সবাৰে ওপৰত দাদা ডা. নলিনী শৰ্মাৰ চিকিৎসা আৰু সিদ্ধান্ত ফাইনেল কথা আছিল। তেখেত বিচক্ষণ আৰু অতি জনপ্ৰিয় চিকিৎসক হৈছিল তেখেতৰ গাত থকা বিৰল প্ৰজ্ঞাৰদ্বাৰা।

এইটো অতি সত্য কথা যে চিকিৎসা বিজ্ঞানী হ'বলৈও মানুহক 'প্ৰজ্ঞা'ৰ (intuition) প্ৰয়োজন। তেতিয়াহে 'ডায়গনছিছ' শুদ্ধ হয়। দাদা ডা. নলিনী শৰ্মাৰ ডায়গনছিছ বিভিন্ন ক্ষেত্ৰত আছিল বিস্ময়কৰভাৱে শুদ্ধ। কোনো বাহ্যিক আড়ম্বৰ নাই, 'এয়াৰ' নাই ধুতি পিন্ধি খোজকাঢ়ি ফুৰা এজন সুদক্ষ চিকিৎসক। তেখেতক দেখিলে মই চীনদেশত দেখা বেয়াৰ ফুটেড ডাক্তৰবোৰৰ কথা মনত পৰে। তেওঁবিলাকৰ দৰেই নলিনী দাদাও উচৰ্গিত প্ৰাণৰ ব্যক্তি। মানুহ হিচাপে তেখেত অতি মৰমিয়াল হোৱাৰ উপৰিও কথা-বতৰাতো বৰ ৰসাল। তেখেতৰ সুযোগ্য পৰিবাৰ ৰমা বাইদেৱো সমাজৰ হিতৰ অৰ্থে সেৱা আগবঢ়োৱা মহিলা। দাদাৰ জীৱন আৰু কৰ্মক লৈ এখন ভাল ফিল্মেই হ'ব পাৰে। দাদা যে কিমান অভিজ্ঞতাৰে ঐশ্বৰ্যশালী! তেখেতৰ কথা ঘণ্টাৰ পাছত ঘণ্টা শুনি থাকিলেও হেঁপাহ নপলায়। মোৰ ছোৱালী স্বপ্নাৰ এবাৰ সাংঘাতিক গাইনিৰ প্ৰব্লেম হৈছিল। তাইৰ ছেপটিক ফিভাৰ হৈ টেম্পেৰেচাৰ ১০৪-১০৫ ডিগ্ৰীলৈকে হৈ আছিল। গাইনিৰ ডাক্তৰে টাইফয়ড বুলি ভুল চিকিৎসা কৰিছিল আৰু তাই মৃত্যুৰ দুৱাৰডলি পাইছিলগৈ। ডা. নলিনী দাদা গাইনিৰ ডাক্তৰ নহয়। কিন্তু তেখেতৰ ইনটিউশ্যনে কৈছিল এয়া টাইফয়ড নহয়— গোটেই ৰাতি, ভ্ৰম বকি থকা স্বপ্নাৰ মূৰৰ শিতানত বহি থাকি তেখেতে এই হাই ফিভাৰ গুচাবলৈ চোকা ইনজেকশ্যন দিলে আৰু সেই চিকিৎসাতে তাই আৰোগ্য হ'ল। এবাৰ মোৰ নাতি জোন তেনেই সৰু হৈ থাকোঁতে স্পেছিয়েলিষ্টে ক'লে তাৰ ডিপথেৰিয়া হৈছে আৰু তাক Isolation Ward লৈ নিব লাগে। ভয়ত আমাৰ চুলিৰ আগে জীৱ গ'ল। ডা. নলিনী দাদাক দেখুৱালত তেখেতে চেলেঞ্জ দি ক'লে,— 'ডিপ্‌থৰিয়া হ'বই নোৱাৰে। আৰু এই মাৰাত্মক ইনজেকশ্যনো দিব নালাগে।" ডিপথেৰিয়াৰ ইনজেকশ্যন দিয়াৰ আগতে নোসোধা হ'লে আমাৰ কি যে হ'লহেঁতেন! ধন-দৌলতেৰে নহয়, মানুহ জীয়াই থাকে মহত্বেৰেহে। দাদাৰ ঋণ কোনো জন্মতে পৰিশোধ কৰিব নোৱাৰোঁ।

গুৱাহাটীৰ সাংগীতিক পৰিৱেশ বুলিলে কিজানি সেই সময়ত, মানে ১৯৫৩ চনত আৰম্ভ হোৱা 'ইণ্টাৰ কলেজ মিউজিক ছচিয়েল'ৰ কথা মনত পৰে। স্বৰ্গীয় নিত্যা ভূঞা এই অনুষ্ঠানৰ প্ৰথম উদ্যোক্তা আছিল। সেই ইণ্টাৰ কলেজ মিউজিক কনফাৰেন্স বৰ সমাৰোহেৰে কটন কলেজৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ পুৰণা চৌহদত ৰভা দি অনুষ্ঠিত কৰা হৈছিল। সেই সন্মিলনতে প্ৰথমবাৰৰ কাৰণে গ্ৰীন ব্লেজাৰ পিন্ধা বিজয় শংকৰ দাসক তেওঁৰ বেহেলাখনৰে দেখা পাইছিলো। কি অপূৰ্ব হাত আছিল অকুৰ! প্ৰয়াত নৃত্যশিল্পী দিলীপৰ নৃত্যদক্ষতা এই সমাৰোহতে দেখিছিলো। এই অতি প্ৰতিভাবান ল'ৰাজনৰ বৰ অকালতে আকস্মিক বিয়োগ হ'ল। অকুও (বিজয় শংকৰ) সেই অকালতেই এই পৃথিৱীৰপৰা আঁতৰি গ'ল। এইবোৰ বৰ বেদনাদায়ক।

সদৌ অসম সংগীত সন্মিলনৰ সমসাময়িক সময়তে গণনাট্য সংঘৰো অসম অধিবেশন বৰ সমাৰোহেৰে সম্পন্ন হৈছিল। সেই অধিবেশনতে সংগীত-নাটক বঁটা বিজয়ী দিলীপ শৰ্মাদেৱে গোৱা 'প্ৰতিধ্বনি শুনো' গীতটি, ভূপেনদাৰ 'দোলা হে দোলা' আৰু প্ৰিয়ম বৌৰ (প্ৰিয়ম হাজৰিকাৰ) 'সাগৰ সংগমত কতনা সাঁতুৰিলো' এই গীতৰ লগত কৰা নৃত্য দেখি ভাল লাগিছিল। শ্ৰদ্ধেয় হেমাংগ বিশ্বাস দাদাৰ নেতৃত্ব এইখিনিতে স্মৰণ কৰোঁ।

আধুনিক অসম গঢ়োঁতা পৰম শ্ৰদ্ধেয়, দূৰদৃষ্টিসম্পন্ন ৰাধাগোবিন্দ বৰুৱাৰ নেতৃত্বত গুৱাহাটীত ১৯৫২ চনৰপৰাই বিহুতলী পাতি উজানবজাৰতে প্ৰথমে ৰাজহুৱা বিহু পতা হৈছিল আৰু ই এটা ডাঙৰ উৎসৱত পৰিণত হৈছিল। ১৯৬২ চনৰপৰা চানমাৰি অঞ্চলত উদ্যোগী আৰু পৰম উৎসাহী অভয় ডেকাক সম্পাদকৰূপে লৈ আমি মহাসমাৰোহেৰে বিহু পতা আৰম্ভ কৰিছিলো স্বৰ্গগত সৰ্বানন্দ বৰা (ইঞ্জিনীয়াৰ),দেবেন কোঁৱৰ (ইঞ্জিনীয়াৰ), ফণী শৰ্মা, ৰুদ্ৰ বৰুৱা, মুকুল বৰুৱা, হেমেন হাজৰিকা, জগত বৰুৱা— এইসকলে কৰা আপ্ৰাণ চেষ্টাৰ কথা মনলৈ আহিছে।

আমি চানমাৰিতেই প্ৰথম 'মুকলি বিহু'ৰ আৰম্ভণি কৰিছিলো। বিহু পতাকা উত্তোলন কৰি, 'শ্ৰীময়ী অসমী' (শ্ৰদ্ধেয় পুৰুষোত্তম দাস ৰচিত আৰু সুৰাৰোপিত) গোৱাৰ পাছতেই কেইবাটাও ঢোলে-দগৰে-পেঁপাই-বাঁহীয়ে ৰজনজনাই উঠিব আৰু উপস্থিত সকলো ৰাইজে গাই-মেলি নাচি, এনেয়ে হ'লেও একোপাক দি, মনৰ জড়তা দূৰ কৰি নতুন বছৰ আনন্দেৰে আদৰিব। লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱা আৰু মই এইক্ষেত্ৰত সদায় আগভাগ লৈছিলো। আমি গাইছিলো,— পতাকা উত্তোলক যিজনাই নাথাকক তেখেতকে ধৰি ৰাধাগোবিন্দ বৰুৱা, বেণুধৰ শৰ্মা, অতুল চন্দ্ৰ হাজৰিকা প্ৰমুখ্যে বয়োজ্যেষ্ঠ-সন্মানিত সকলোকে এপাক নাচিবলৈ দিয়াইছিলো। বিহু আদৰিছিলো কপৌফুল, কেতেকীফুল, নাহৰফুল, তগৰফুল, জেতুকাৰে। বৰকাঁহীত চিৰা-পিঠা-লাড়ু, পায়স আগবঢ়াইছিলো। বজাৰৰ কে'ক, ৰসগোল্লা, বিস্কুটেৰে নহয়। আমাক সদৌ অসমৰ ৰাইজে বৰকৈ শলাগিছিল। তেতিয়াৰেপৰা এই মুকলি বিহু চানমাৰিৰ বিহুতলীত প্ৰতি বছৰে উদ্‌যাপিত হৈ আহিছে। দাদা ৰুদ্ৰ বৰুৱা এজন নিভাঁজ অসমীয়া ষ্টাইলত গাব পৰা কণ্ঠশিল্পীয়েই নাছিল, আছিল তেখেতৰ অসমীয়া সংস্কৃতি দেহে-কেহে আগবঢ়াই নিব খোজা এটা বলিষ্ঠ মন। তেখেতে অসমীয়া সংস্কৃতিৰ তথা নাট-গীত-ভাওনাৰ মূল Spiritটো, মূল বৈশিষ্ট্যখিনি যথাৰ্থ ৰূপত জানিছিল। তেখেতৰ দৰে অসমীয়া 'ঢেক' থকা দৰদী কণ্ঠ সঁচাকৈয়ে বিৰল। পূৰ্ব ভাৰত সাংস্কৃতিক সন্মিলনকে আদি কৰি বহুতো সংস্কৃতি জাতীয় ছেমিনাৰলৈ যাওঁতে উৰিষ্যা, কলিকতা, দিল্লীত মই তেখেতৰ লগত ভাব বিনিময়ৰ সুযোগ পাইছিলো, অসমীয়া সংস্কৃতিৰ

উন্নতিৰ হকে আমি একেলগে বহুত কল্পনাও কৰিছিলো।

বিষ্ণু ৰাভাদেৱৰ লিখা আৰু প্ৰযোজনা কৰা গ্ৰামʼফোন ৰেকৰ্ডৰ পালা এখনৰপৰা শুনি ('ৰংদৈ বাই' নামৰ) ক্লাছ ফʼৰত থাকোঁতে স্কুলতেই প্ৰথম মঞ্চ অভিনয় কৰি বাঃ-বাঃ পাইছিলো। তাৰ পাছত নাটক কৰাৰ আৰু সুযোগ কত মিলিল। নিজৰ জীৱনটোৱেই অবিশ্বাস্য যেন লগা নাটক হৈ গʼল। প্ৰাইভেটকৈ সময় এবছৰো খৰচ নোহোৱাকৈ মেট্ৰিক পাছ কৰি শিৱসাগৰ কলেজত আই. এ. পঢ়াৰ সময়ত বেলেগ নাটক কৰাৰ অৱকাশ নাছিল। জীৱন নাটকৰে বিভিন্ন ভূমিকাত অৱতীৰ্ণ হৈছিলো। বি. এ. পঢ়োঁতে পুনৰ সন্দিকৈ কলেজৰ 'কলেজ উইকʼত ছদ্মবেশত 'বুঢ়ী' হৈ প্ৰথম প্ৰাইজ পোৱাৰ উপৰিও নাট্যকাৰ সাৰদা বৰদলৈৰ নাটক এখন কৰি তাতো প্ৰথম হʼলো। এম. এ. পঢ়ি থাকোঁতে ছাত্ৰীবাৰী মিছন হোষ্টেলত 'ক্ৰকʼডাইলছ টিয়েৰছ' নামৰ ইংৰাজী নাটক এখন লিখিছিলো আৰু তাৰে ছুট-পেণ্ট-টাই পিন্ধা পুৰুষ ভূমিকাত পাৰ্ট কৰি কিমান যে প্ৰশংসা পালো। এম. এ. পাছ কৰি ৰেডিঅʼ ষ্টেশ্যনত বিবিধ প্ৰগ্ৰেম কৰি থাকোঁতে নেশ্যনেল প্ৰগ্ৰেমতো আনকি নাটক কৰিবলৈ টমি দা (সত্যপ্ৰসাদ বৰুৱা) আদিয়ে মোক আগবঢ়াই দিলে। মাতটো মিহি কাৰণে ৰোমাণ্টিক পাৰ্ট কৰিবলৈও বহুত অনুৰোধ কৰিছিল। মই লাজতেই আগ নাবাঢ়িলো। পূজনীয় লক্ষ্যধৰ চৌধুৰী দাদাই মৃত্যুৰ দুমাহমানৰ আগলৈকে কৈছিল,— "তোমাৰ লগত মঞ্চত অভিনয় কৰাৰ বৰ চখ থাকি গʼল।" ৰেডিঅʼত তেখেতৰ লগত, নাট্যকাৰ অৰুণ শৰ্মা আদিৰ লগতো ভাল-ভাল প্ৰগ্ৰেম কৰাৰ কথা মনত পৰে। অভিনয় প্ৰতিভা বৰ ভাল বুলিয়েই আটায়ে কৈছিল যদিও অভিনয়ত মোৰ নিচা বহা নাছিল মোৰ অন্য অজস্ৰ কামৰ কাৰণেই। ৰিহাৰ্ছেললৈ যাবলৈ মোৰ সময় নাছিল।

তেনেকৈয়ে গানৰ প্ৰেকটিছৰ কাৰণে, ভায়ʼলিনৰ প্ৰেকটিছৰ কাৰণেও মোৰ মুঠেই সময় নাছিল। স্কুল কলেজত গান গাই, বৰগীত গাই সদায় প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। শিৱসাগৰ কলেজততো নিজে লিখা, নিজে সুৰ দিয়া গানবোৰ নিজেও গাইছিলো, আনেও গাইছিল। এই গান শুনিয়েই, এম. পি. প্ৰফুল্ল বৰুৱা দদাইদেৱে মোক 'বাঁহী' নাম দিছিল। কিন্তু সেই বাঁহীৰ সুৰ কৰ্কশ বাস্তৱতাত আলৈ-আথানি হৈ হেৰাই গʼল। ৰাতিয়ে-দিনে কেৱল কাম, কাম আৰু কাম কৰি মই যন্ত্ৰৰ দৰে জীয়াই আছিলো। গানৰ দৰে আলসুৱা উপলব্ধি একোটা মূৰ্ত কৰি তুলিবলৈ তাতেই সমগ্ৰ সত্তা নিহিত হʼব লাগে। কণ্ঠৰ সাধনা কৰিবলৈ নিজস্ব কিছুমান মুহূৰ্ত লাগে। তাৰ কাৰণে, মোৰ নিজৰ কাৰণে সময় কʼত আছিল। মৰুপথত নদী হেৰোৱাৰ দৰে মোৰ প্ৰাণৰ নদীয়ে পাতালী গংগাৰ ৰূপ লৈছিল— ওপৰত আছিল ধূ-ধূ তপ্ত বালিৰ হাহাকাৰ।

আনৰ কাৰণে মই যে সেই সময়ত গান শিকা নাছিলো সেয়াও নহয়। শিকা আৰু

গোৱা অৱশ্যেই দুটা বেলেগ কথা। সংগীতজ্ঞ প্ৰভাত শৰ্মাৰ নেৰানেপেৰা অনুৰোধত বৰগীত গাবলৈ পুনৰ আৰম্ভ কৰিছিলো নাতি জন্ম হোৱাৰ পাছতহে। মাক সুধিছিলো,— "মা, মইনো এতিয়া বৰগীত গামনে?" মায়ে কৈছিল,— "তোমাৰ বৰগীত গোৱাৰ সময় আহিছেহে।" কথাটো আছিল অৰ্থপূৰ্ণ। মাৰ কথাক সন্মান জনাই মই আকৌ গুৱাহাটীৰ বিভিন্ন ঠাইত, কলিকতা, লক্ষ্ণৌ, উৰিষ্যা, দিল্লী আনকি জাৰ্মেনিতো বৰগীত গালোঁগৈ। মায়ে মোৰ বৰগীত প্ৰাণেৰে ভাল পাইছিল। এতিয়া জোনক (নাতিক) যেতিয়া বৰগীত শিকাওঁ, মায়ে মোক কোৱা কথাটো কাণত বাজি থাকে। মাৰ স্মৃতিতে ৰংপুৰৰ ৰংঘৰৰ বাকৰিত সাতভনীৰ উৎসৱৰ লাখ-লাখ মানুহৰ আগতো বৰপেটাৰ সংগত কৰা দলৰ লগত, প্ৰয়াত নৰেন দাসৰ সহযোগত মই বৰগীত গাই ভূয়সী প্ৰশংসা পাইছিলো। বৰগীত গাওঁতে ভক্তিৰসৰ পৰিৱেশ সৃষ্টি কৰিব পৰাটোৱেই মূল কথা। অন্তৰত ভক্তি থাকিলে কথা কওঁতেও প্ৰমাণ নাপায় জানো?

সকলোৱে ৰেডিঅ'ত বৰগীতৰ অডিশ্যন দিবলৈ ইমান ক'লে, আনকি প্ৰভাত শৰ্মায়ো কিমান কাকুতি কৰিলে; নাই, তালৈওযে সময় নহ'ল! এতিয়া গোসাঁইৰ আগতে যি গাওঁ।

চানমাৰিত প্ৰেছ বহুউৱা মাটিখিনি দেউতাই মোৰ কাৰণে ১৯৫৭ চনতে কিনিছিল। এদিন ৰাতি শিৱসাগৰৰ ঘৰত দেউতাই মোক কৈছিল,— "অ' মা, তোৰ কাৰণে চানমাৰিত কিনা মাটিটুকুৰাতে এটা ঘৰ সাজি দিম। ভাৰাঘৰ এৰি তাতে নিগাজিকৈ থাকিব পাৰিবি।" দেউতাই কথাষাৰ ক'বলৈহে পালে, মই হুৰাও-ৰাৱে কান্দিবলৈ ধৰিলো। বিছনাৰপৰাই কান্দি-কান্দি ক'লো,— "মইনো এই ঘৰ এৰি ক'লৈ যাম? মোৰ দেখোন এইখনেই ঘৰ।" দেউতাই ক'লে,— "মই থাকোঁতেই সকলো ঠিক কৰি নগ'লে পাছত কোনে ঠিক কৰি দিব? তয়ে ঘৰখনত ডাঙৰ ল'ৰাৰ দৰে। তয়ে ভায়েৰ-ভনীয়েৰহঁতক চলাব লাগিব। মোৰনো আৰু কেইদিন আছে?" কথাষাৰত মোৰ বুকু ফাটি গ'ল। আজিকালি দেখিছোঁ ল'ৰা-ছোৱালীয়ে মাক-বাপেকৰ মৃত্যুৰ কথা অনায়াসে পাতিব পাৰে। বুঢ়া মানুহ ৭০-৭৫ বছৰতকৈ বেছিদিন জীয়াই থকাটো উচিত নহয় বুলি আৰ-তাৰ আগত মন্তব্য কৰে। মই (আমি) কিন্তু ইমান বেছি আৱেগিক আছিলো যে মা-দেউতা যে এদিন নাথাকিব, এই কথা সপোনতো ভাবিব নোৱাৰিছিলো। মনলৈ ভাবটো আহিলেও লৰালৰিকৈ ভাবটো আঁতৰাই থওঁ। ভাবটো আহিলে শোকত যেন ক'ব নোৱৰা হওঁ।

এম. এ. পাছ কৰাৰ পাছত মই দেউতাৰ মন বুজিয়েই গুৱাহাটীত থকাকে ঠিক কৰিছিলো। ইতিমধ্যে গুৱাহাটীত মোৰ লিখা-পঢ়াৰ যোগেদি কিছু নামো হৈছিল। মই জানিছিলো গুৱাহাটীত থাকিলে মোৰ যি বিকাশ হ'ব শিৱসাগৰত গৈ সোমাই পৰিলে

সেই বিকাশ নহ'ব। সৰু-সৰু ঠাইবোৰত কিছুমান সৰু-সৰু সমস্যাও থাকে। বহু সময়ত আলহী-অতিথিক সোধ-পোছ কৰি থাকোঁতে বা ঘৰুৱা কাম-কাজবোৰত লাগি থাকোঁতে সময় আৰু মন দুয়োটা পাৰ হৈ যায়। নতুন কাম কৰাৰ উৎসাহ, কিবা লিখা-মেলা কৰাৰ উৎসাহ নোহোৱা হৈ যায়। এটা সাঁচত চলা জীৱনেই যেন চলি থাকে। এইবোৰৰ প্ৰয়োজন থাকে ঠিকেই, কিন্তু ইয়ে জীৱনলৈ সম্পূৰ্ণতা নানে। মই এম. এ. পাছ কৰাৰ পাছতে শিৱসাগৰ কলেজ আৰু তাৰপাছতে ফুলেশ্বৰী হাইস্কুলৰ ওচৰতে নতুনকৈ প্ৰতিষ্ঠাপিত গাৰ্লছ কলেজৰপৰাও কাম কৰিবলৈ অনুৰোধ আহিছিল। কিন্তু দেউতাই কৈছিল,— "তাই শিৱসাগৰত কাম কৰাতকৈ বাহিৰত কাম কৰাহে বেছি মংগলজনক হ'ব। কাৰণ বাহিৰত তাই এখন বহল ক্ষেত্ৰ পাব। ইয়াত কাম কৰিলে তাইক আটায়ে মোৰ ছোৱালী বুলিহে চিনি পাব, কিন্তু বাহিৰত কাম কৰিলে তাই পৰিচিত হ'ব নিজৰ নামেৰে।" দেউতাই এই কথাবোৰ আনৰ আগত কয় যদিও মই শুনাকৈ কয়। "জীৱননো কি? ক্ষণস্থায়ী, কীৰ্তিহে চিৰস্থায়ী। মানুহে জীৱনৰ মাজত মহাজীৱন বাছি ল'ব জানিব লাগিব।" দেউতাৰ মনৰ ভাব মই তীক্ষ্নভাৱে বুজোঁ।

গুৱাহাটীলৈ অহাৰ পাছত ইয়াত ইমান সুন্দৰ-সুন্দৰ গায়ক, সুৰকাৰ দেখি গান লিখা মোৰ ভিতৰৰ মানুহজনী লুকাই পৰিব খুজিছিল। ঠিক এনে সময়তে 'বদন বৰফুকন' ছবিখনৰ বাবে পৰম শ্ৰদ্ধেয় লক্ষ্যধৰ চৌধুৰী দাদা আৰু হেম বৰুৱা ছাৰৰ অনুৰোধত মই ছবিখনৰ Theme Songটো লিখিব লগা হ'ল—

"কালৰ বুকুত হেৰাল যদি
জীৱনৰে চাকি।
নাকান্দিবি আই অ' তই
চকুৰ পানী মচি।।"

এই ছবিখনৰ সংগীত পৰিচালক আছিল শ্ৰদ্ধেয় কমল নাৰায়ণ চৌধুৰী দেৱ। গানটো অতি জনপ্ৰিয় হৈছিল আৰু এই গানটোৰ কথা মৃত্যুৰ আগলৈকে লক্ষ্যধৰ চৌধুৰীদেৱে মোক কৈ থাকিছিল। তাৰ পাছত বৰেণ্য সুৰশিল্পী ব্ৰজেন বৰুৱাদেৱ আমাৰ ঘৰলৈ এদিন আহিল আৰু 'ড° বেজবৰুৱা' ছবিখনৰ বাবে কেইবাটাও গান মোক সুৰৰ ওপৰত লিখি দিবলৈ অনুৰোধ কৰিলে। ইয়াৰ আগলৈকে সুৰৰ ওপৰত গান লিখাৰ আৰ্টটো মই নাজানিছিলো। মই ক্লাছ ছিক্সৰপৰাই গান গাই-গাই মানে সুৰে-কথাই একেলগ কৰি গীতৰ সৃষ্টি কৰিছিলো যদিও এইক্ষেত্ৰত মোৰ ফৰ্মেল শিক্ষা একো নাছিল। দাদা ব্ৰজেন বৰুৱাৰ নেৰানেপেৰা অনুৰোধ— মই গান লিখিবই লাগিব। তেখেতে সুৰবোৰ মুখেৰে গাই গৈছিল (সেই সময়ত মোৰ হাৰমনিয়ামটো শিৱসাগৰৰপৰা অনা হোৱা নাছিল।) আৰু মই সেই সুৰৰ ছন্দ আৰু তালৰ লগত

মিলাই লগে-লগে কেইবাটাও গান লিখি দিছিলো। তাৰে অতি জনপ্ৰিয় গানটো হ'ল— 'কি নাম দি মাতিম, মাতিম তোমাক'। গানটোৰ জনপ্ৰিয়তাই মোক বুৰাই পেলালে। সকলো শিল্পীয়েই গান বিচাৰি মোৰ ওচৰলৈ অহা হ'ল। ১৯৬০ চনত অসমীয়া ছবিৰ বাবে গান লিখিবলৈ লোৱাৰেপৰা ৰেডিঅ'ৰ বাবে শ্ৰদ্ধেয় দাদা পুৰুষোত্তম দাসে গান লিখি দিবলৈ অনুৰোধ জনালে। তেখেতে ক'লে,— "চিনেমাৰ কাৰণে গান লিখি দিয়া, আমাক কিয় নিদিয়া ?" ৰেডিঅ'ত দিব লাগিলে একে লগে পঁচিছটামান গান লিখি দিব লাগিব। এটা গান লিখা, দুটা গান লিখা বেলেগ কথা। পঁচিছটাকৈ নতুন গান মই কেনেকৈ লিখিম ? ভয়তে মই একেবাৰে কোঁচমোচ খালো। তেখেতৰ আৰু শ্ৰদ্ধেয় বীৰেন ফুকন দাদাৰ অনুৰোধ একেবাৰে নেৰানেপেৰা হ'ল। শেষলৈ এনেকুৱা হ'লগৈ যে পুৰুষোত্তম দাদাক চিটিবাছৰ পিছফিনে দেখিলে মই আগফালে সাউৎকৈ নামি যাওঁ আৰু আগফালে দেখিলে মই পিছফিনে বাছৰপৰা নামি পৰোঁ। বীৰেন ফুকন দাদাক গাড়ী চলাই অহা দেখিলে মই নেদেখা ভাও জুৰি কোনোবা এটা গলিত সাউৎকৈ সোমাই দিওঁ। কিন্তু এনেকৈ আৰু কিমানদিন চলিব ! তেখেতসকলেও মোৰ লুকাভাকু বুজি পোৱা হ'ল। ফলস্বৰূপে মাঘৰ 'ভোগালী বিহু'ৰ সংগীতালেখ্য লিখি দিবৰ বাবে মোলৈ contract পঠাই দিলে। আলেখ্যখনত সুৰ দিব শ্ৰদ্ধেয় দাদা মুকুল বৰুৱাই। তেখেত আহি আমাৰ ঘৰ ওলালহি আৰু আলেখ্যখনৰ বাবে অন্ততঃ পাঁচটা গীত লাগিব বুলি ক'লে। মই নোৱাৰোঁ-নোৱাৰোঁ বুলি কোৱাতো তেখেতসকলে এৰি নিদিলে। বাধ্য হৈ পাঁচটা গানেৰে আলেখ্যখন লিখি দিলো। মুকুল ককাইদেৱে আগতে কোৱা মতে আলেখ্যখনৰ পাঁচটা গীতত অসমৰ থলুৱা সুৰ অতি সুন্দৰকৈ দিলে। বীৰেন ফুকন দাদা, শিল্পী বীৰেন দত্ত, ৰুদ্ৰ বৰুৱা, দীপালী বৰঠাকুৰ প্ৰমুখ্যে শিল্পীসকলে অতি সুন্দৰলৈ সেই গীতবোৰত কণ্ঠদান কৰিলে। আলেখ্যখন ইমান জনপ্ৰিয় হ'ল যে ৰেডিঅ' চেণ্টাৰলৈ অসংখ্য প্ৰশংসাৰ চিঠি আহিবলৈ ধৰিলে। ইয়াৰ ফলস্বৰূপে তিনি মাহৰ মূৰতে বাজিব পৰাকৈ বহাগ বিহুৰ আলেখ্য লিখাৰ কাৰণে মোলৈ কনট্ৰেক্ট আহিল। এইবাৰো মই পাঁচোটা গানেৰে আলেখ্যখন লিখিলো। এইবাৰো সুৰ দিলে মুকুল ককাইদেৱে। বীৰেন ফুকন, বীৰেন দত্ত, ৰুদ্ৰ বৰুৱা, দীপালী বৰঠাকুৰ আদি বচা-বচা শিল্পীসকলে এইবাৰো আলেখ্যখন পৰিবেশন কৰিলে। এইবাৰো আলেখ্যখনে প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হ'ল। দাদা পুৰুষোত্তম দাসে মোক ৰেডিঅ'লৈ মাতি নি ক'লে,— "ভোগালীৰ পাঁচোটা, ৰঙালীৰ পাঁচোটা— এই দহটা গান হ'ল, এতিয়া মোক বাকী পোন্ধৰটা লিখি দিয়া।" মই উপায়ান্তৰ হৈ বাকী পোন্ধৰটা গান ভয়ে-ভয়ে লিখি দিলো। এইদৰে পঁচিছটা গান লিখি দিয়াৰ পাছত মোক আকাশবাণীৰ গীতকাৰৰূপে স্বীকৃতি দিলে।

আকাশবাণীত স্বীকৃত মোৰ প্ৰথম গানটোত সুৰ দিছিল পুৰুষোত্তম দাদাই আৰু গাইছিল তেতিয়াৰ নামী শিল্পী নগাঁৱৰ প্ৰণতি শইকীয়াই। গানটো আছিল—

"কাজল মেঘৰ সজল চকুৰ
গভীৰ নীলিম ছাঁই
শুকান ধৰাৰ বুকুত ফুলালে
আশাৰ খৰিকাজাঁই।"

এই সময়ৰে আন এটা গীত আজিও অমৰ হৈ আছে—

"সীমাৰ সিপাৰে তৃপ্তি আমাৰ
মাজত তৃষাৰে নৈ
সাগৰ তীৰত পৰি ৰ'লো আমি
শামুকৰ খোলা হৈ।"

গানটোৰ সুৰ যশস্বী সুৰকাৰ মুকুল বৰুৱাৰ আৰু কণ্ঠদান কৰিছিল অমৰ শিল্পী ভূপেন হাজৰিকাই। এই গানটোৰ জনপ্ৰিয়তা ভাষাৰে বৰ্ণাব নোৱাৰি। মুকুল বৰুৱাৰ সুৰ আৰু ভূপেন হাজৰিকাৰ কণ্ঠৰ আৱেশে গীতৰ গভীৰতাক প্ৰাণময় কৰি তুলিলে। এই গীতটোৱে মোৰ খ্যাতি বহুত ওপৰলৈ নিলে। ঠিক এনে সময়তে মোৰ আৰু এটা গীতৰ জনপ্ৰিয়তায়ো শীৰ্ষস্থান পাইছিল। গীতটো হৈছে—

"আগলি বতাহে কঁপালে কলৰে পাত
মন উৰণীয়া হেৰালে বাটৰে আঁত।।"

এই গানটো জয়ন্ত হাজৰিকাই সুৰ দি নিজে গাইছিল। গানটোৰ ৰচনাৰ পটভূমি বৰ আকৰ্ষণীয়। উজানবজাৰৰ আমি থকা ভাৰাঘৰৰ মালিক প্ৰবোধ দাস, সুবোধ দাস আৰু প্ৰমোদ দাস মামাহঁতৰ ঘৰত এখন বিয়া হৈছিল। বিয়াৰ খোৱাখুৱী উৎসৱৰ দিনা এটা সৰু মজলিচ হৈছিল। তাতে কবি হীৰেন ভট্টাচাৰ্য আৰু জয়ন্ত হাজৰিকাও উপস্থিত আছিল। হীৰুৱে মানে হীৰেন ভট্টাচাৰ্যই তিনি মিনিটত গান লিখাৰ খেল এটাৰ কথা উলিয়ালে। মোক ক'লে—Start. মই কাগজ ক'ত পাওঁ এতিয়া! লৰালৰিকৈ হীৰুৱে চিগাৰেটৰ পেকেট এটা ফালি বুকুফাল উলিয়াই দিলে। মইনো এতিয়া কি লিখোঁ। খিৰিকীৰে বাহিৰলৈ চাই দেখিলো আন্ধাৰত কলপাত এখিলা লৰি আছে। ৰাণাই (জয়ন্ত হাজৰিকাই) গানটোত সুৰ দিব আৰু নিজেই গাব বুলি খেলৰ আৰম্ভণিতে ঠিক হৈছিল। তেওঁ সেই সময়ত যৌৱনৰ দুৱাৰডলিত। ৰাণাৰ মনৰ মানসতাৰ লগত মিলাকৈ মোৰ মনলৈ তৎক্ষণাৎ কেইটামান শাৰী আহিল—

আগলি বতাহে কঁপালে কলৰে পাত,
মন উৰণীয়া হেৰালে বাটৰে আঁত।

বুজোঁ কি নুবুজোঁ চিনাকি কুলিৰে মাত
মেলো কি নেমেলো আকাশে চুবলৈ হাত
হেৰালে বাটৰে আঁত।
এটি মাথোঁ ফুল মনৰে ডালতে কঁপে
এটি মাথোঁ পখী এই উৰে উৰে
কিনো ফুল সিটি
কিনো পখী সিটি
জিৰাব কিহৰে ছাঁত
হেৰালে বাটৰে আঁত।

তিনি মিনিটত গানটো সম্পূৰ্ণ হ'ল। জয়ন্তই লগে-লগে গানটোত সুৰ দিলে। পাছত অৱশ্যে সুৰটোত হাত ফুৰোৱা হ'ল। গানটোৰ কথাত হাত ফুৰাবৰ আৱশ্যক নহ'ল। এই গানটো ৰাণাই কলিকতাত গৈ H.M.V.ত ৰেকৰ্ড কৰিলেগৈ। গানটো ৰেকৰ্ডত বজাৰত ওলোৱাৰ পাছত ইমান জনপ্ৰিয়তা বাঢ়িল যে ই হেনো গানৰ বিক্ৰিৰ সকলো অভিলেখ ভংগ কৰিলে। জয়ন্তৰ শতকৰা ৯৫ ভাগ গীতেই মই লিখিছোঁ। প্ৰতিটো গীতৰ নেপথ্যত কিমান যে কথা!

আকাশবাণী গুৱাহাটীৰ লগত মোৰ পোন প্ৰথম সম্পৰ্ক কেনেকৈ ঘটিছিল সেই কথাটোও আকাশবাণীৰ কথা ক'বলৈ গ'লেই মনত পৰে।

লগ্ন নাহিলে ভাল সংযোগ নঘটে। এই কথাটো মই সম্পূৰ্ণ বিশ্বাস কৰোঁ। বি. এ. যাতে ভালকৈ পঢ়িব পাৰোঁ সেইকাৰণে মা-দেউতাই মোক গুৱাহাটীলৈ পঠাইছিল। নহ'লে শিৱসাগৰত আই. এ. পঢ়া সময়ত ৰাজহুৱা, সামাজিক, সাংস্কৃতিক কামত চৌবিছ ঘণ্টাই ব্যস্ত হৈছিলো আৰু পঢ়া মেজত বহাৰ কথা পাহৰিছিলো। ৰাতিহে শুবৰ পৰত মেলি লৈছিলো ইংৰাজী সাহিত্যৰ ছিলেবাছত নলগা কিতাপ। ৰাতি দুইমান বজালৈকে পঢ়াৰ নিয়ম আছিল। দেউতা সিটো ৰুমত সাৰ পাই উঠা যেন গম পালেই লাইট নুমুৱাই দিছিলো। ইমান ৰাতিলৈকে উজাগৰে থাকি পাঠ্যপুথি পঢ়িলেও দেউতাই বেয়া পাব। আনহাতেদি মোৰ তেনেই পুৱাতে উঠা নিয়ম। মই সদায় ভাবোঁ মহাত্মা গান্ধীৰ যদি তিনি ঘণ্টা টোপনিয়েই যথেষ্ট হয় আমাৰনো নহ'ব কিয়? তেৰোঁ মানুহ, আমিও মানুহ। স্বদেশী আন্দোলনৰ সময়ছোৱাত যথেষ্ট সৰু আছিলো যদিও আন্দোলনৰ বতাহে আৰু স্বাধীনতা পাই উঠাৰ পাছত ভাৰত গঢ়াৰ আদৰ্শৰ বতাহে বাৰুকৈয়ে কোবাইছিল। গঠনমূলক কামৰ যোগেদি (যেনে— লাইব্ৰেৰি পতা, স্কুল পতা, হিন্দী স্কুল পতা, গানৰ স্কুল পতা, আলোচনা-চক্ৰ পতা, তৰ্কপ্ৰতিযোগিতা পতা, নাটক শিকোৱা, আবৃত্তি শিকোৱা,

সেইবোৰৰ কাৰণে গান, কবিতা, নাটক লিখা ইত্যাদি) নতুন ভাৰতবৰ্ষ গঢ়াৰ সপোন দেখিছিলো। মই তেতিয়াই বুজিছিলো কঠিন পৰিশ্ৰমৰ বাহিৰে বিকল্প নাই। জাপানী কবিতা এটাত পঢ়িছিলো— "সৰু তৰা এটাৰ পিঠিত বিশাল আকাশখন"— মই ভাবিছিলো আমাৰ সৰু তৰাবোৰেই দায়িত্বৰ বিশাল আকাশখন কঢ়িয়াই নিব লাগিব। গীতাৰ বাণী, মহাত্মা গান্ধীৰ বাণী, চৰ্দাৰ পেটেল, জৱাহৰলাল নেহৰুৰ বাণী, বিবেকানন্দৰ বাণীয়ে সততে আমাক উদ্দীপিত কৰিছিল কিজানি। Service to humanity is the service to God,— কি যে অপূৰ্ব এইষাৰ বাণী! মই যেন এই বাণী পালন কৰিবলৈকে জীয়াই থাকিম— এনে ভাব হৈছিল। সময়খিনি জাতিষ্কাৰ কৰি তুলিব খুজিছিলো। ভাবিছিলো ভৱিষ্যতৰ বৃক্ষৰোপণ এনেকৈয়ে হ'ব, মানে প্ৰতিটো পুলিয়েই 'মহীৰূহ' হ'ব। বাংলা ভাষাত কোৱাৰ দৰে ক'ব পাৰি— "আদৰ্শ আমাকে পেয়ে বসেছিল।"

গুৱাহাটীলৈ আহি হোষ্টেলৰ নীতি-নিয়মবোৰত বন্দী হ'লো। কিতাপ পঢ়াৰ নিচাই আকৌ মোক পালে। সেইখিনি সময়তে সদৌ অসম সাহিত্য প্ৰতিযোগিতাবোৰত প্ৰথম পুৰস্কৃত হিচাপে মোৰ নাম বাতৰিকাকতত প্ৰায়ে ওলাইছিল। সন্দিকৈ কলেজৰ পোন প্ৰথম কলেজ মেগাজিনৰ 'এডিটৰ'ৰূপে মই নিৰ্বাচিত হ'লো। এইবোৰতে আকাশবাণী গুৱাহাটীৰ চকু পৰিল।

গুৱাহাটী আকাশবাণীৰ talk section-অৰ প্ৰগ্ৰেম একজিকিউটিভ আছিল শ্ৰদ্ধেয় শ্ৰীযুত মৃগেন ৰায়চৌধুৰী ডাঙৰীয়া। লিটাৰেৰি প্ৰগ্ৰেমবোৰ তেখেতৰ অধীনত। শ্ৰীযুত ৰায়চৌধুৰী দেৱেই প্ৰথম মোক আকাশবাণীৰ আলোচনী অনুষ্ঠানত স্বলিখিত কবিতাৰে অংশগ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনালে। লগ্ন হ'লেহে সংযোগ ঘটে কথাষাৰ সেই কাৰণেই কৈছিলো। আকাশবাণীলৈ মোক হাতত ধৰি আগুৱাই নিয়াৰ ক্ষেত্ৰত বৰ্তমান দিল্লী নিবাসী মৃগেন ৰায়চৌধুৰীদেৱক মই সদায়েই স্মৰণ কৰিম। সেই অংশগ্ৰহণত মই লিখা দীঘল কবিতাটোৰ নাম আছিল 'আমাৰ পৃথিৱী'। সেই সময়ত ৰেণু দেৱীও (বৰ্তমান ড° ৰেণু দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মুৰব্বী অধ্যাপিকা হৈ অৱসৰগ্ৰহণ) আছিল মোৰ সহযাত্ৰী। প্ৰগ্ৰেমটো হেনো বৰ ভাল হৈছিল। তেতিয়াৰেপৰাই আকাশবাণীৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ মোৰ ওপৰত দৃষ্টি পৰিল। অকণিৰ মেল, মহিলা চ'ৰা, গাঁৱলীয়া ৰাইজৰ প্ৰগ্ৰেম, talk section-অৰপৰা প্ৰগ্ৰেম আহিবলৈ ধৰিলে। ইতিমধ্যে মই প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ বি. এ. পাছ কৰাৰ লগতে সমগ্ৰ বিশ্ববিদ্যালয়তে 'হায়েষ্ট এগ্ৰিগেট' পোৱাত কথাই বেলেগ হৈ পৰিল। আকাশবাণীৰ কেইবাটাও শাখাই মোক পৰিচালিকাৰ কেজুৱেল দায়িত্ব দিলে। তেতিয়া আকাশবাণীৰ ঘৰ আছিল উজানবজাৰৰ এতিয়াৰ গণেশ মন্দিৰৰ পিছফালে ব্ৰহ্মপুত্ৰৰ পাৰত থকা ধুনীয়া খেৰী বঙলা এটাত।

সেই সময়ত আকাশবাণীৰ বিভিন্ন দায়িত্বত থকা পৰিচালকসকল আছিল নাট্যকাৰ সত্যপ্ৰসাদ বৰুৱা, ফণী তালুকদাৰ, নাৰায়ণ বেজবৰুৱা, শাস্ত্ৰীয় সঙ্গীতজ্ঞ বীৰেন্দ্ৰ নাথ ফুকন, পুৰুষোত্তম দাস, মুকুল বৰুৱা, জে. ডি. বাভেজা, নীৰা ডোগ্ৰা, ৰৌশনাৰা খাটুন, অৰুণ শৰ্মা, সুৱৰ্ণ কোঁৱৰ, নিৰ্মল দত্ত, দুৰ্গেশ্বৰ বৰঠাকুৰ, মহেন্দ্ৰ বৰঠাকুৰ, কেশৱ চাংকাকতি, হেমেন হাজৰিকা, দেবেন শৰ্মা, জিতেন দেৱ। নিলু চক্ৰৱৰ্তী আদিক পাছত লগ পাইছিলো। প্ৰত্যেকজনেই আছিল বিচক্ষণ ব্যক্তি।

সেই সময়তে 'টমিদা'ই (সত্যপ্ৰসাদ বৰুৱা) কোৱা এষাৰ কথা মোৰ গোটেই জীৱনৰ কাৰণে 'গাইড লাইন' হ'ল। সৰুৰেপৰা মোৰ বৰ খৰকৈ কথা কোৱা অভ্যাস আছিল। এই অভ্যাসটো যে বেয়া এই কথা ঘৰে-বাহিৰে মোক কোনেও কোৱা নাছিল।

সেইদিনা আছিল 'শিৱৰাত্ৰি'। দুপৰীয়া ডেৰ বজাৰপৰা 'আইদেউৰ বুলনি' পৰিচালনা কৰিব লাগিব মই। সেইদিনা ৰাতিপুৱা ছাত্ৰীবাৰী মিছন হোষ্টেলৰপৰা লগত এগৰাকী বান্ধৱী লৈ টুলুঙা নাও এখনত মই উমানন্দলৈ বুলি গৈছিলো। ভাবি গৈছিলো উমানন্দত শিৱৰাত্ৰিৰ সেৱা-প্ৰাৰ্থনা শেষ কৰি দুপৰীয়া উলটি আহি আকাশবাণীৰ প্ৰগ্ৰেমটো বাহিৰে বাহিৰে কৰি হোষ্টেললৈ যামগৈ। ফাগুন মাহৰ বতাহ সেইদিনা অলপ-অলপ আছিল যদিও দুপৰীয়া সেই বতাহ পছোৱা হ'ল। পছোৱা হ'লেও তাৰ মাজতে উভতি আহি সময়মতে আকাশবাণী পাবহিয়ে লাগিব। আটায়ে মানা কৰা সত্ত্বেও প্ৰগ্ৰেমৰ দায়িত্ব থকা কাৰণেই টুলুঙা নাৱতে আকৌ উঠি গুৱাহাটীলৈ বুলি আহিলো। নদীৰ মাজতে মাজপানীত কি অৱস্থা আমাৰ! পছোৱাৰ কোবত নাও লুটি খাই যাওঁ-যাওঁ। আটায়ে চিএঞৰি-চিএঞৰি ভগৱানৰ নাম ল'বলৈ ধৰিলে,— "ৰক্ষা কৰা, ৰক্ষা কৰা।" এজন বয়সীয়া পাকৈত গুৰিয়ালে নাও চলাইছিল কাৰণেই নাও লুটি নোখোৱাকৈ আহি উজানবজাৰৰ পকী ঘাটত চাপিলহি। এটা সাংঘাতিক অভিজ্ঞতা হ'ল। মাত্ৰ পাঁচ মিনিট সময় থাকোঁতে দৌৰি-ঢাপৰি ৰেডিঅ' ষ্টেশ্যন পালোগৈ। সেই সময়ত মহিলা প্ৰগ্ৰেমৰ তত্ত্বাৱধানত থকা টমিদাই অস্থিৰভাৱে টহল দি বাটলৈ চাই আছিল, মহিলা মেল চলাব লাগে, মানুহজনী আহি পোৱা নাই কিয়? চিৰিৰ কাষতে ৰৈ থকা টমিদাই মোক টানি নি ষ্টুডিঅ'ত সুমুৱাই দি ক'লে— "নৰ্মেল হোৱা। লাহে লাহে কথা ক'বা। তুমি এনেয়েও বৰ খৰকৈ কথা কোৱা। কিছুমান শব্দ যেন গিলিহে যোৱা। কথা লাহে লাহে এটা এটাকৈ ক'ব লাগে, প্ৰতিটো শব্দ স্পষ্ট শুনাকৈ। আজি যি দুঃসাহসিক কাম কৰিলা ভৱিষ্যতে তেনে আৰু নকৰিবা। নাও ডুবা হ'লে কি হ'লহেঁতেন?" তেতিয়াৰেপৰা কথা কোৱা অভ্যাসৰ প্ৰতি বৰ সচেতন হ'লো; টমিদাৰ কথাষাৰ সদায় মনত থাকে। এতিয়াও খৰেই হয়, কিন্তু আগতকৈ বহুত কম।

আকাশবাণীয়ে মোৰ মাজত থকা, মই নজনা সম্ভাৱনাবোৰ উলিয়াই মোৰ আত্মবিশ্বাস

দৃঢ় কৰিলে— ভাৰতৰ বিভিন্ন ষ্টেশ্যনৰপৰা মোৰ ইংৰাজী talk, আলেখ্য, কবিতা প্ৰচাৰ হৈ থকা হ'ল।

মই উজানবজাৰৰ ভাৰাঘৰৰপৰা চানমাৰিৰ নিজৰ ঘৰলৈ অহাৰ পাছত চানমাৰিৰ ঘৰলৈ অজস্ৰ শিল্পীৰ সমাগম হ'বলৈ ধৰিলে। ইতিমধ্যে শিৱসাগৰৰ দীপালী বৰঠাকুৰ সুগায়িকাৰূপে খ্যাত হৈ আহিছিল। দীপালী বৰঠাকুৰ— এটা নাম, এটা সুন্দৰ কণ্ঠ। দীপালীৰ কণ্ঠস্বৰ মানুহে জানে, আদৰ কৰে, কিন্তু নেপথ্যৰ কথাবোৰ? এইবিলাকো মানুহে জনাৰ দৰকাৰ। এইবিলাক জানিলেহে এগৰাকী ব্যক্তিক জনাটো সম্পূৰ্ণ হয়।

১৯৫৭-৫৮ চনৰপৰা ১৯৬৭-৬৮ চনলৈকে—এই সময়খিনিয়েই দীপালীৰ গানৰ সময়। ১৯৬৮ চনৰপৰা তেওঁৰ কণ্ঠ অসুস্থ হৈ পৰিল। বহুত নামী-দামী চিকিৎসকৰদ্বাৰা চিকিৎসাও কৰালে, বিদেশলৈও গ'ল, কিন্তু দীপালীৰ সেই সুৰীয়া কণ্ঠ ঘূৰি নাহিল। সেই সুৰীয়া কণ্ঠৰ মাজেৰে প্ৰাণ পাই উঠা সুন্দৰ গানখিনি বৈ গ'ল দীপালীক অমৰ কৰি ৰাখিবলৈ।

শিৱসাগৰৰ ম'হখুটিত জন্মগ্ৰহণ কৰা দীপালীৰ স্কুলীয়া দিনৰপৰাই আৰম্ভ হৈছিল সংগীতৰ জীৱন। শিৱসাগৰৰ অ'ৰ-ত'ৰ মঞ্চত আত্মপ্ৰকাশ কৰা দীপালীক গুৱাহাটী আকাশবাণীৰ তেতিয়াৰ কেন্দ্ৰ সঞ্চালক মি. নাটেশৰ থলুৱা শিল্পীৰ সন্ধান কৰোঁতে চকুত পৰিছিল আৰু 'অডিশ্যন' নিদিয়াকৈয়ে অনাতাঁৰ শিল্পী হোৱাৰ সুযোগ দিছিল।

ইতিমধ্যে মোৰ ভোগালী আৰু ৰঙালী নামৰ আলেখ্য দুখনত দীপালীয়ে তেওঁৰ নিজস্ব কণ্ঠ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিছিল। তাৰ ফলত দীপালীৰ কণ্ঠৰ লগত মোৰ ওচৰৰপৰা পৰিচয় হ'ল। এই দুখন আলেখ্য প্ৰচাৰ হোৱাৰ প্ৰায় এবছৰমানৰ পাছত মোৰ ৰেডিঅ'যোগে প্ৰচাৰিত আৰু মুকুল বৰুৱাৰ সুৰাৰোপিত আন এখন আলেখ্য 'বেউলা'তো দীপালীয়ে অতি সুন্দৰকৈ আটাইকেইটা গীত গালে। 'বেউলা'ৰ সেই 'গুঞ্জৰি সাগৰৰ মাজে ভ্ৰমি আছোঁ মই, কত দূৰ আৰু কত দূৰ, ক'ত আছে সেই দেৱপুৰী' শীৰ্ষক দীপালীয়ে অন্তৰ ঢালি গোৱা গীতটো আজিও কাণত বাজি আছে।

ইয়াৰ পাছত দীপালী আমাৰ চানমাৰিৰ সেই সৰু ঘৰটোলৈ ৰেডিঅ'ৰ বাবে, মঞ্চৰ বাবে, গ্ৰাম'ফোন ৰেকৰ্ড কৰিবৰ বাবে গান বিচাৰি প্ৰায়ে অহা হ'ল। কেতিয়াবা লগত আহে দীপালীৰ সৰু ককায়েক সুৰকাৰ ভবেন বৰঠাকুৰ, কেতিয়াবা সুৰকাৰ জিতেন দেৱ, কেতিয়াবা সুৰকাৰ মুকুল বৰুৱা, সুৰকাৰ হেমেন হাজৰিকা, সুৰকাৰ দেবেন শৰ্মা, সুৰকাৰ ৰুদ্ৰ বৰুৱা ইত্যাদি-ইত্যাদি।

আমাৰ সেই চানমাৰিৰ ঘৰতেই দীপালীৰ কণ্ঠত ভবেন বৰঠাকুৰৰ সুৰত অভাৱনীয়ভাৱে জনপ্ৰিয়তা অৰ্জন কৰা মই লিখা সেই গীতটোৰ সৃষ্টিৰ কেইটামান

মুহূৰ্তৰ কথা স্মৰণ কৰিছোঁ; — তেতিয়া কিজানি আছিল জহৰ দিন। মই নিশাৰ বাবে আবেলিতে ৰাঙ্কি-বাঢ়ি আঁটাই গা-পা ধুই ইভিনিং ক্লাছবোৰৰ কাৰণে বি. বৰুৱা কলেজলৈ যাবলৈ সাজু হ'ব খুজিছোঁ। গৰম দিন। দিনটোত তিনিবাৰ গা নুধুলে থাকিব নোৱাৰি। বাথৰুমত সোমাবলৈ লৈছোঁহে, এনেতে ওলালহি দীপালী আৰু ককায়েক ভবেন বৰঠাকুৰ। ভবেনে এটা সুৰ কৰি লৈ আহিছে। সুৰৰ ওপৰত এই এতিয়াই কথা লিখি দিব লাগে। পাছদিনা পুৱাতেই গ্ৰাম'ফোন ৰেকৰ্ড কৰিবলৈ কলিকতালৈ যাবগৈ, সময় বৰ কম।

ইতিমধ্যে জয়ন্ত হাজৰিকাই গোৱা মোৰ 'আগলি বতাহে কঁপালে কলৰে পাত' গীতটো ছুপাৰহিট হৈছিল। ডঃ ভূপেন হাজৰিকাই গোৱা 'সীমাৰ সিপাৰে তৃপ্তি আমাৰ', 'মই এই মাটিৰে ল'ৰা', 'ধুমুহাত মই থৈ যাওঁ মোৰ গতি' আদি গীতবোৰ ছুপাৰহিট হোৱাত গীতিকাৰৰূপে মোৰ আসন ক্ৰমাৎ ওপৰলৈ উঠিছিল। দীপালী আগতেও আমাৰ চানমাৰিৰ ঘৰলৈ আহে। ৰেডিঅ'ৰ সুৰৰ শৰাইত গীত গায়, জেনেৰেল প্ৰগ্ৰেম কৰে। তেতিয়া দীপালীয়ে শ্ৰদ্ধেয় পুৰুষোত্তম দাস দাদা, শ্ৰদ্ধেয় শিল্পী ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, লক্ষহীৰা দাস বাইদেউ আদিৰ গীতহে গাইছিল। মই লিখা গীত গোৱা আৰম্ভ হোৱাই নাছিল। এইবাৰ হঠাতে ভবেনে গানৰ বাবে অনুৰোধ লৈ আহিল। আহিলো আহিল এটা সংকট ক্ষণত। তেওঁলোকৰো সময় নাই, মোৰো সময় নাই। মই ক্লাছ কৰি কলেজৰপৰা ঘূৰি আহোঁতে দহমান বাজিবগৈ। তেতিয়াৰ দিনত ক্লাছ কৰিবলৈ নোযোৱাটো বৰ ডাঙৰ কথা আছিল। তেনেহ'লে এতিয়া কি কৰা যায়!

আমি একে ঠাইৰে অৰ্থাৎ শিৱসাগৰৰ মানুহ। দীপালীৰ কণ্ঠৰ প্ৰতিভাৰ বিষয়ে মই মোৰ ৰেডিঅ' সংগীতালেখ্য কেইখনতে অৱগত হৈছিলো। দীপালী সাজসজ্জাত তেনেই সাধাৰণ এজনী 'আনগ্লেমাৰাছ' ছোৱালী। কিন্তু জন্মগত প্ৰতিভাৰে সুউচ্চ কণ্ঠৰ অধিকাৰী। কৃত্ৰিমতা, সংকোচন কণ্ঠত নাই। কণ্ঠত আছে লোকজীৱনৰ সৰলতা আৰু মাধুৰ্য— উজনি অসমৰ Typical traditional সুৰৰ বাবে এইটো বৰ প্ৰয়োজনীয়।

মই তেওঁলোকক বিমুখ কৰিবলৈ বেয়া পালো। মই ক'লো— মই এতিয়া গা ধুই কলেজলৈ ওলাব লাগে। তোমালোকে এটা কাম কৰা— মোৰ হাৰমনিয়ামটো আনি ড্ৰেছিং টেবুলখনতে তুলি লৈ তাতে সুৰটো বজাই থাকা। মই গাও ধুম আৰু কথাও দি থাকিম। ড্ৰেছিংৰুম আৰু বাথৰুমৰ মাজত এখন বেৰৰহে ব্যৱধান। ছিলিঙৰ ওচৰত বেৰখন খোলা। গতিকে হাৰমনিয়ামৰ সুৰ শুনা বা মোৰ কথা শুনাত কোনো অসুবিধা নহয়। ভবেনে বজাই থকা হাৰমনিয়ামৰ সুৰত মই বাথৰুমৰপৰাই গীতৰ কথাবোৰ দি থাকিলো বৰ খৰখৰকৈ। মোৰ গা ধোৱাও শেষ হ'ল, গানটোও সম্পূৰ্ণ হ'ল। বাথৰুমৰপৰা

ওলাই আহি দীপালীৰ কণ্ঠত গানটো শুনিলো। সুৰৰ লগত কথা হুবহু মিলি গৈছে। ক'তো এটা শব্দও সলাবৰ প্ৰয়োজন নহ'ল। দীপালীৰ কণ্ঠত গানটো অপৰূপ হৈ উঠিল। মই আনন্দমনে কলেজলৈ গ'লোগৈ আৰু ভবেন-দীপালীও ৰাতিটোৰ বাবে মামাকৰ ঘৰলৈ গ'লগৈ। পাছদিনা পুৱাই তেওঁলোক কলিকতালৈ গ'ল আৰু তাতেই সেই গীতটোৰ গ্ৰাম'ফোন ৰেকৰ্ডিং হ'ল। আজিও অসাধাৰণ জনপ্ৰিয়তা লাভ কৰা এই গীতটো হ'ল—

"সোণৰ খাৰু নেলাগে মোক
বিয়াৰ বাবে আই,
চেনেহজৰী তই দিয়া মোক
হাততে শুৱায়।
ডিঙিৰ মণি নেলাগে মোক
সাতসৰীও যে
আই অ' তোৰ ছবিটি বুকুতে থ'ম
নাপাওঁ লাজে।
পাটৰে সাজে মোক
নেলাগে নানিবি
নানিবি শপতে কাণৰে কেৰু
শুচিতা যি সাজে
পিন্ধালি সৰুতে
সেয়ে বিয়াতে শুৱাব বাৰু।।
আজি মই ওলালো
অ' জোনে জোনালী
নতুনে ঘৰলৈ
অ' জোনে জোনালী
সেন্দূৰৰে বন্তি জ্বালি সেৱাতে যাম মিলি,
সেৱাতে যাম মিলি, সোণৰ খাৰু... ...।

দীপালীয়ে এই গানটো কলিকতাৰ এইচ. এম. ভি.ত ৰেকৰ্ডিং কৰি বজাৰত উলিয়াই দিয়াৰ পাছত অগণন শ্ৰোতাৰ মাজত ইমান আদৰণীয় হ'ল যে আজিলৈকে সেই আদৰ কমা নাই। এই গানটোত মই সূক্ষ্মভাৱে এটা massage দিছিলো। আ-অলংকাৰ, কাপোৰ-কানিয়েই বিয়া নহয়। বিয়াত মনৰ শুচিতা, সততা, নিজক উচৰ্গা কৰা মানসিকতাবহে প্ৰয়োজন। দ্বিতীয়তে ছোৱালীৰ কণ্ঠত ছোৱালীৰ মানসিকতাৰ লগত

মিল থকা গীতহে ফুটি উঠিব লাগে। ল'ৰাৰ মনৰ লগত খাপ খোৱা গীত ল'ৰাই, ছোৱালীৰ মনৰ লগত খাপ খোৱা গীত ছোৱালীয়ে গাব লাগে। এই কথাটোকে আমাৰ আধুনিক গীতত সেই সময়লৈকে হোৱা নাছিল। যিকোনো গীতকে ল'ৰা বা ছোৱালীয়ে গাইছিল। উদাহৰণস্বৰূপে 'চেনাই মই যাওঁ দেই' গীতটো। এইটো ল'ৰাই গোৱা গীতহে, ছোৱালীয়ে নহয়। পাছলৈ মোৰ প্ৰতিটো গীততে একোটা massage দিবলৈ সূক্ষ্মভাৱে চেষ্টা কৰিছিলো আৰু কৰিও আহিছোঁ।

'সোণৰ খাৰু নেলাগে...' গীতটোত মই বিবাহোপযুক্তা ছোৱালীৰ মনৰ কথা লিখিছিলো যদিও তাত এটা গভীৰ 'মেছেজ' দিছিলো। এগৰাকী সৎ আদৰ্শৰ ছোৱালীয়ে যেন বিয়াৰ প্ৰকৃত তাৎপৰ্য বুজিব পাৰিছে, শৰীৰ সজ্জাৰ কাৰণে অনা দামী-দামী অলংকাৰৰ, সাজসজ্জাৰ অসাৰ্থকতা বুজিছে, ছোৱালী একোজনীৰ বিয়াত পিতৃ-মাতৃৰ কিমান অৰ্থ ক্ষয় হয় সেয়া বুজিছে। নিজকে এটা পৰিয়ালৰ সেৱাত স্নেহ-বন্ধনেৰে উৎসৰ্গা কৰিবলৈহে যে বিবাহৰ যাত্ৰা আৰম্ভ হয় এই উচ্চ ভাবনাৰ কথাৰে নাৰীয়ে যেন নিজৰ মহত্ত্বৰ কথা প্ৰকাশ কৰিছে। আধুনিক গীতৰ কথা পোনপটীয়া অথচ অৰ্থবহ হ'ব লাগে। গীতে কাঁড়ৰ দৰে অন্তৰ স্পৰ্শ কৰিব লাগে।

এই গীতটোৰ সুন্দৰ পৰিবেশনৰ পাছত দীপালীৰ কণ্ঠৰ মৰ্যাদা সংগীত জগতখনত বহুত ওপৰলৈ উঠিল। ইয়াৰ পাছত দীপালীয়ে মোৰ যিমানখিনি গীত গাইছে আটাইবোৰেই প্ৰভূত জনপ্ৰিয়তা লাভ কৰিছে। আনহাতে ভবেন বৰঠাকুৰ আৰু মোৰ এটা যুটি হ'ল। ভবেনে সুৰ কৰি আনে, মই তাৰ ভিত্তিত গীত লিখোঁ। দীপালীৰ কণ্ঠত প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰা মোৰ গীতসমূহৰ কেইটামান হ'ল— 'কোন সেই ৰূপৱতী যায়', 'সোণোৱালী বুটা বছা অসমীয়া পাট', 'অ মোৰে লাজ লাগে', 'জোনবাই এ বেজী এটি দে', 'সোণটিৰ শুৱনী লাৱনী মুখখনি' ইত্যাদি-ইত্যাদি। বহুতো গান দীপালীৰ কণ্ঠৰ বাবেই ৰচনা কৰি গ'লো। পাছলৈ দীপালীয়ে কেৱল মোৰ গানহে গোৱা হ'ল। ৰেডিঅ', মঞ্চ, গ্ৰাম'ফোন ৰেকৰ্ডৰ বাবে হেঁপাহেৰে লিখা গীতবোৰে দীপালীৰ কণ্ঠত প্ৰাণ পাই উঠিল। সুৰ আৰু গীতৰ, গীতৰ আৰু কণ্ঠৰ যেন এটা বেলেগ অধ্যায়েই আৰম্ভ হ'ল।

আকৌ এবাৰ খুব কম সময়ৰ ভিতৰতে খৰ-ধৰকৈ অতি সুন্দৰ গান এটা সৃষ্টি কৰাৰ কথা মনলৈ আহিছে। সেইবাৰো কলিকতাত পূজাৰ বাবে গান ৰেকৰ্ড কৰিবলৈ দীপালী আৰু ভবেন যাব। তেওঁলোক দুয়ো মোৰ ওচৰলৈ আহি ক'লেহি যে কলিকতাৰ এইচ. এম. ভি.য়ে ৰেকৰ্ডিঙৰ বাবে কনট্ৰেক্ট পঠাইছে পূজাৰ বাবে গান লাগে। সেয়েহে ভবেনে পূজাৰ বতৰৰ বাবে ভাবি-গুণি ঝুমুৰ গীতৰ সুৰৰ আমেজ থকা সুৰ এটা কৰি লৈয়ে আহিছে। মই এতিয়া গানটো লিখি দিব লাগে। সেই চানমাৰিৰ ঘৰত, সেই এটা

আবেলি। দীপালীক মাজতে লৈ মই আৰু ভবেন দুফালে বহিলো। ভবেনৰ হাতত হাৰমনিয়াম, মোৰ হাতত নোট বুক আৰু পে'ন। মাদলৰ সুৰে চাহ বাগিচালৈকে মনত পেলায়। খুব কম সময়ৰ ভিতৰতে গানটো হৈ গ'ল। কলিকতাত দীপালীয়ে পূজাৰ আগে আগে ৰেকৰ্ড কৰি আহিল। গানটো আছিল—

"আহিলে পূজাৰে বেলা,
মিনি তই কৰিছ কি
সাজি-কাচি মেলালৈ ওলা।"

গানটোৱে সেই সময়ত বৰ জনপ্ৰিয়তা লাভ কৰিছিল।

আন এদিনৰ কথা। আমাৰ চানমাৰি ঘৰতে দুপৰীয়া ভাতৰ টেবুলত কথা প্ৰসংগত দীপালীয়ে ক'লে যে আৰু কেইদিনমানৰ পাছতে দীপালীৰ ডাঙৰ ককায়েক ভূপেন বৰঠাকুৰৰ ল'ৰা মণ্টুৰ জন্মদিন পৰিছে। মই জন্ম দিনৰ উৎসৱলৈ যাব লাগে। তাক কি উপহাৰ দিলে ভাল হ'ব বাৰু? মই তৎমুহূৰ্ততে ভাবিলো,— মইনো কি উপহাৰ দিম! গান এটাকে উপহাৰ হিচাপে দিলে কেনে হয়। গান এটা লিখি পেলালো সেইদিনাই। এইটো পাছে সুৰৰ ওপৰত লিখা গান নহয়। পাছত ভবেনে কথাৰ ওপৰতহে সুৰ দিছিল। গীতটো ইমান মিঠা আৰু মন পৰশা হৈছিল যে ই সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। গানটো আছিল—

"জোনবাই এ
বেজী এটি দে
সোণে মোৰ গায় নে নেগায়।
ধুনীয়া ঘোঁৰাতে
পৰীৰে দেশলৈ
সোণে মোৰ যায় নে নেযায়।
আনিছোঁ তোমালৈ
চোলাটি ফুলামকৈ
পিন্ধাহি সোণটো আহা
কাজলৰে ফোট
দিওঁ কপালতে
এতিয়া এতিয়া হাঁহা
লুকাভাকু খেল
খেলিমে এতিয়া
সোণে মোক পায় নে নেপায়

পৰীৰে দেশখন
কিনো বিতোপন
ডাবৰৰ আঁৰতে জিকে মিকে কৰে
সোণৰ পালেঙতে
শোৱে ৰাজকন্যা
পদুম ফুলি-ফুলি ৰয়
কুঁৱৰীৰে খোজতে
সেই ৰাজকুঁৱৰীক
আনিবলৈ
সোণে মোৰ যায় নে নেযায়।"

কথাৰ ওপৰত ভবেনে সুৰ দিয়া আৰু দীপালীৰ কণ্ঠত অতি জনপ্ৰিয় হৈ উঠা আন এটা গীত হ'ল—

"আগলি কলাপাত
লৰে কি চৰে
বাঁও এই চকুটো মোৰ
ঘনে ঘনে লৰে
দূৰণিত থকা মোৰ
বুকুৰে চেনাই সোণ
ছেগ চাই এবাৰ যেন
ঘৰলৈ আহে।

কাউৰী যা
তই উৰি উৰি যা
চোতালত দিলো চাউল
এভাগি খা

উগুলে থুগুলে
বুজাওঁ কিনো দৰে
কেনেকৈ তোমালৈ মনতে পৰে।

তাঁতত ফুল বাছিছোঁ
লাগিছে কেণা
ঘৰৰ বনে-বাৰীত

নুগুছে জেঙা
কেউকাষে দেখোঁ
এখনি মুখকে
মনকে আমনি কৰে বাৰে বাৰে।"

পাঠকসকলে বা এই গীতবোৰৰ শ্ৰোতাসকলে অলপ মন কৰিলেই বুজিব পাৰিব যে দীপালী বৰঠাকুৰ নামৰ সুকণ্ঠী ছোৱালীজনীৰ হতুৱাই নাৰীমনৰ বিভিন্ন বয়সৰ বিভিন্ন অনুভূতিৰ কথা প্ৰকাশ কৰা হৈছিল আৰু তেনেকৈয়ে নাৰীৰ বিভিন্ন বয়সৰ বিভিন্ন অনুভূতিৰ ধাৰা এটা অসমীয়া আধুনিক গীতৰ ইতিহাসত সৃষ্টি কৰা হৈছিল। ঠিক এনে ধৰণৰে আন এটা ছোৱালীৰ মনৰ গীত হ'ল—

"আই মই শুনিছোঁ
আঘোণতে বোলে
পাতিছ তই মোৰ বিয়া
শুনি মোৰ চকুলো
সৰিছে দুধাৰি
বেজাৰত ভাগিছে হিয়া..."

এই গীতটো লিখাৰ নেপথ্যৰ কথাবোৰ বৰ ভালকৈয়ে মনত আছে। মোৰ ছোৱালীজনীৰ বিয়া ঠিক হৈছে। এদিন ৰাতি আইজনীৰ (মোৰ ছোৱালীজনী) পিনে পিঠি দি বিছনাত শুই আছোঁ। তায়ো পিঠি দি শুইছে। বিয়া সমাগত— মাক-জীয়েকৰ মন ভাৰাক্ৰান্ত। ছোৱালীবোৰে কইনা হোৱাৰ আগতে কেনেকৈ ভাবে? এইদৰেনে? মনলৈ গীতটোৰ কথাবোৰ অহাৰ লগে-লগে মোৰ সৰু ভাই মুনুক কথাবোৰ টুকি থ'বলৈ ক'লো। সিয়ো লগে-লগে টেবুলত থকা কাগজ-কলমেৰে গীতটো লগে-লগে লিখি পেলালে। তেতিয়া ৰাতি বাৰ বাজি গৈছিল। গানটো এনেকৈয়ে হ'ল। প্ৰাণস্পৰ্শী অসমীয়া ঠাঁচৰ সুৰ দিলে প্ৰখ্যাত শিল্পী ৰুদ্ৰ বৰুৱাই, প্ৰাণ ঢালি ৰেডিঅ'ত গালে দীপালীয়ে।

দীপালীৰ এটা ডাঙৰ গুণ আছিল যে শিকোৱাৰ লগে লগেই সুৰটো হুবহু ধৰি ৰাখিব পাৰে। এবাৰৰ কথা এটা মনত পৰিলে এতিয়াও হাঁহি উঠে। 'কোন সেই ৰূপৱতী যায়' গানটোত ভবেনে সুৰ দিছে। দীপালী ওচৰত নাথাকিলে ভবেনে সুৰটো সোনকালেই পাহৰি যায়। দীপালী ইফালে ইলিচ মাছ ভজাত ব্যস্ত। আলহীও আছিল নে কি? ভবেনে সুৰ পাহৰিছে, দীপালীক মাতি আছে, দীপালী মাছত লাগি আছে। ভবেনে ইটো সুৰৰপৰা সিটো সুৰলৈ যাব পৰা নাই। একেটা সুৰকে গাই আছে। কথাটো ধৰিব পাৰি কোঠাটোত থকা সকলোৰে হাঁহি উঠিল। অৱশেষত জানিবা মাছৰ কেৰাহী

জুইৰপৰা নমাই দীপালীয়ে সুৰটো ধৰি ৰাখিলে।

আৰু সেই তেজীমলা নামৰ গীতটো—

"হাতো নেমেলিবি ফুলো নিছিঙিবি
কৰে নাৱৰীয়া তই
পাট কাপোৰৰ লগতে
মাহী আয়ে খুন্দিলে
তেজীমলাহে মই ...।"

মুকুল ককাইদেৱে সদায় ধূপ এডাল জ্বলাই হাৰমনিয়ামটো সোঁহাতেৰে চুই মূৰত লগাই প্ৰণাম কৰে। তাৰ পাছত এক মিনিটমান ধ্যান কৰি সুৰত বহে। আমাৰ চানমাৰিৰ ঘৰটো চাবলৈ গ'লে ঐতিহাসিক ঘৰেই— শিল্পজগতৰ কিমানবোৰ ইতিহাস সেই ঘৰটোত। ট্ৰেডিশ্যনেল সুৰৰ যেন ভঁৰালহে আছিল মুকুল ককাইদেউ। ঐশ্বৰ্যময় সেই সুৰবোৰৰপৰা ইটোৰ লগত সিটো বঢ়িয়াকৈ ব্লেণ্ড কৰি মুকুল ককাইদেৱে অভিনৱ সুৰবোৰ দিছিল। 'তেজিমলা' গানটোৰ সুৰ মুকুল ককাইদেৱে দি আছে, একেবাৰে শেষৰ দুশাৰীত লাগিল লেঠা। সুৰটো নোলায়হে নোলায়। গানটো সুৰ দি থাকোঁতে ভবেন-দীপালীও আছিল। শেষৰ দুশাৰীৰ সুৰ দিওঁতে জানিবা ভবেনে সহায় কৰি দিলে। দীপালীয়ে গানটো সুন্দৰকৈ তুলিলে। এটা সৰ্বাংগসুন্দৰ অতি জনপ্ৰিয় গীত আছিল সেইটো। গীতটো আকাশবাণীত এতিয়া আছেনে নাই নাজানো। যদি মোচা গৈছে সেইটো বৰ দুৰ্ভাগ্যৰ বিষয় হ'ব।

ভাষা আন্দোলনৰ সময়ত অসম সাহিত্য সভাৰ নলবাৰী অধিবেশনৰ সাংস্কৃতিক সন্ধিয়াত গাবলৈ এটা বিশেষ গান ৰচিছিলো—

"ৰাইজ মোৰ ঐ
কথা দে
শুৰি বঠা ধৰি দে..."

গীতটো সম্পূৰ্ণকৈ মনত নাই, হাততো নাই। সুৰ দিছিল দৰদী শিল্পী দেবেন শৰ্মাই। গাইছিল উদাত্ত কণ্ঠেৰে দীপালীয়ে। প্ৰথম তানটো কাণত এতিয়াও বাজি আছে।

মোৰ গীতবিলাকত সুৰেৰে প্ৰাণ দিয়াৰ ক্ষেত্ৰত মই অতি কৃতজ্ঞতাৰে নাম ল'ব লাগিব শ্ৰদ্ধেয় মুকুল বৰুৱা, ড° ভূপেন হাজৰিকা, জিতেন দেব, পুৰুষোত্তম দাস, বীৰেন ফুকন, কমল নাৰায়ণ চৌধুৰী, শ্যামল মিত্ৰ, মান্না দে, বীৰেন দত্ত, জয়ন্ত হাজৰিকা, হেমেন হাজৰিকা, জিতু-তপন, হেমন্ত গোস্বামী, ভবেন বৰঠাকুৰ, দেবেন শৰ্মা, দিলীপ চৌধুৰী, জে পি দাস, কুল বৰুৱা, ভূপেন কামান, অতুল মেধি, প্ৰভাত শৰ্মা, হীৰেন

গোহাঁই, চাৰু গোহাঁই, দিলীপ শৰ্মা, ঋতুপৰ্ণ শৰ্মা, ৰমেন চৌধুৰী, অনুপম চৌধুৰী, অতুল শৰ্মা, পুলক বেনাৰ্জী, সুবীৰ দাস, জ্যোতিষ ভট্টাচাৰ্য, ৰমেন বৰুৱা, জগদীশ বৰুৱা, গুণদা দাস, খগেন মহন্ত, অৱনী পাঠক, বিপুল বৰুৱা আদি শিল্পীসকলৰ। ইয়াৰ উপৰিও জনপ্ৰিয়তা লভিবলৈ সক্ষম হোৱা মোৰ গীতসমূহৰ অসম তথা অসমৰ বাহিৰৰ বহুতো শিল্পীৰ নাম এইখিনিতে শ্ৰদ্ধাৰে ল'ব লাগিব। অসমৰ বাহিৰৰ শিল্পীসকল হ'ল উষা মংগেশকাৰ, শ্যামল মিত্ৰ, মান্না দে, হৈমন্তী শুক্লা, আৰতি মুখাৰ্জী, ইলা বোস, চনু নিগম, উদিত নাৰায়ণ আদি। অসমৰ শিল্পীসকল হ'ল— বীৰেন ফুকন, দেবেন শৰ্মা, ভূপেন হাজৰিকা, বীৰেন দত্ত, ৰুদ্ৰ বৰুৱা, জয়ন্ত হাজৰিকা, দিলীপ চৌধুৰী, খগেন মহন্ত, অৰ্চনা মহন্ত, দীপালী বৰঠাকুৰ, দিলীপ শৰ্মা, সুদক্ষিণা শৰ্মা, ঋতুপৰ্ণ শৰ্মা, সমৰ হাজৰিকা, চাৰু গোহাঁই, শান্তা উজীৰ, মনজ্যোৎস্না মহন্ত, দেৱযানী দাস, জে পি দাস, মনীষা হাজৰিকা, ডলী ঘোষ, সান্ত্বনা বৰুৱা, জ্যোতিষ ভট্টাচাৰ্য, ৰিদীপ দত্ত, পুলক বেনাৰ্জী, তুলিকা সেনাপতি, পাৰবিন চুলতানা, নীলিমা খাটুন, মৃদুলা দাস, মিহিৰ বৰদলৈ, বিপুল বৰুৱা, অসীম হাজৰিকা, তৰুণ দাস, হেমেন দাস, উপাসনা বৰঠাকুৰ, মন্দিৰা লাহিড়ী, জুবিন গাৰ্গ, বন্দনা শৰ্মা, কুল বৰুৱা, অতুল মেধি, সুৰ্য দাস, মধুস্মিতা ভট্টাচাৰ্য, ভবেশ ঠাকুৰ, ৰুণুমী ঠাকুৰ, নমিতা ভট্টাচাৰ্য, হাছিনা বেগম, পাহাৰী দাস, অণিমা চৌধুৰী, মীনাক্ষি দেৱী আদি শিল্পীসকল। বহুত সুকণ্ঠী গায়ক-গায়িকাৰ নাম মই পাহৰিও গৈছোঁ। মোৰ গান অতি সুন্দৰকৈ গোৱা বিলাতত থকা ডা. কুমুদ শৰ্মাৰ (বাপন) নাম আনন্দেৰে স্মৰণ কৰিছোঁ।

গীতৰ প্ৰাণ সুৰেই দিয়ে। এইখিনিতে আৰু দুটামান গীতৰ নেপথ্যৰ কথা ক'বলৈ মন গৈছে। চানমাৰিৰ ঘৰত এদিন সন্ধিয়া শ্ৰদ্ধেয় জিতেনদা (দেব) ওলালহি, ৰেডিঅ'ৰ সুৰৰ শৰাইৰ কাৰণে গীত এটা লাগে। গাব মীনাক্ষি দেৱীয়ে। মোৰ লাইব্ৰেৰি ৰুমটোতে পাটী এখন পাৰি জিতেনদা আৰু মই বহিলো। মই গীতটো লিখাৰ আগমুহূৰ্তত ভাবিলো সন্ধিয়া যেনেকৈ মোৰ বৰকৈ ঘৰলৈ মনত পৰে সকলো বোৱাৰীৰে কিজানি তেনেকৈয়ে ঘৰলৈ মনত পৰে। মীনাক্ষিও এজনী বোৱাৰী, তেওঁৰ মনৰ কথা গীতটোত ফুটি উঠিলেহে গতিটো ভালকৈ গাব পাৰিব। সেইকাৰণে জিতেনদাক পৰম্পৰাগত গীতৰ সুৰ এটা গাই শুনালো—

জোনৰে আগৰে একেটি তৰা
আয়ে বিয়া দিলে গাঁঠীয়া দৰা।

সুৰটো শুনি জিতেনদাই বৰ ভাল পালে। অসমীয়া এই লোকগীতটোৰ সুৰৰ লগত মিলাকৈ মোক গান এটা লিখিবলৈ ক'লে। তেতিয়াই 'সন্ধিয়াৰ আকাশত বগলী উৰে'ৰ সৃষ্টি। এই গীতটোৰ সুৰৰ আংশিক যোগান মই ধৰিলো। সুৰটোত বড়ো লোকগীতৰ

কিছু প্ৰভাৱ আছে। এই গীতটো প্ৰথমে মীনাক্ষি দেৱী আৰু পাছত তুলিকা সেনাপতিৰ কণ্ঠত ইমান মৰ্ম্মস্পৰ্শী হৈ উঠিল যে মই কলেজলৈ যাওঁতে মোক বাটত আগচি তাৰিণী চৌধুৰী স্কুলৰ কেইবাগৰাকী শিক্ষয়িত্ৰীয়ে ক'লে,— "তুমি এনেকৈ গান লিখি আমাক কিয় কন্দুউৱা? গানটো শুনিলে য'ৰে বস্তু ত'তে এৰি এতিয়াও আইৰ ঘৰলৈ গুচি যাবৰ মন যায়।" গানটোৰ কথাখিনি এনেকুৱা—

সন্ধিয়াৰ আকাশত বগলী উৰে,
আইৰে ঘৰলৈ মনতে পৰে।
বাঁহৰে আগতে ৰ'দালি দোলে
কত কি কথা মোৰ মনতে খেলে
ইমান যে দূৰণিত চকুলো মোৰ সৰে
আইৰে ঘৰলৈ মনতে পৰে।
আইৰে মাততে চেনেহৰ ঢৌ,
দেউতাৰ মাততে বৰষে মৌ,
ঘৰৰ পদূলিয়ে ৰিঙিয়াই মাতে
উৰি যেন জিৰামগৈ তাৰে ছাঁতে
ইমান যে দূৰণিত চকুলো মোৰ সৰে
আইৰে ঘৰলৈ মনতে পৰে।

চকুলো দেখিলেও শাহুৱে বকে
ইমান মৰমতো কিয় তাই কান্দে,
সোণৰে সজাতো চৰায়ে বিনায়,
মুকলি আকাশে মনকে কঁপায়
ইমান যে দূৰণিত চকুলো মোৰ সৰে,
আইৰে ঘৰলৈ মনতে পৰে।

এই গীতটোৱে অকল মহিলাকে নহয়, পুৰুষকো বৰ গভীৰভাৱে স্পৰ্শ কৰিছিল। এদিনাখন আমাৰ ঘৰৰ আগত এখন প্লাইমাউথ গাড়ী ৰ'লহি। ড্ৰাইভাৰটোৱে গাড়ীৰপৰা নামি আহি মোক ক'লেহি যে— "গাড়ীত বহি থকা দেউতাই আপোনাক লগ পাব খুজিছে।" মই কোনেবা মাতিছে বুলি উধাতু খাই গাড়ীৰ ওচৰ পালোহি। দেখিলো গাড়ীৰ পিছৰ ছিটত বহি আছে স্বনামধন্য পূজনীয় ৰাধাগোবিন্দ বৰুৱাদেৱ। তেখেতক মই সম্ভ্ৰমেৰে ঘৰলৈ আহি বহিবলৈ ক'লো। "মই এতিয়া নবহোঁ, মই কেৱল ক্‌থা এটা তোমাক ক'বলৈহে গাড়ীখন ৰখালো।" এইবুলি কৈ তেখেতে পুনৰ ক'লে— "সন্ধিয়াৰ

আকাশত" গানটো তুমি কেনেকৈ লিখিলা? গানটো ৰেডিঅ'ত শুনিলেই চকুপানী মোৰ জৰজৰকৈ সৰে।" তেনেকৈয়ে বুৰঞ্জীবিদ, সাহিত্যিক বেণুধৰ শৰ্মা দদাইদেৱে এদিন তেখেতৰ ঘৰলৈ মাতি নি মোক ক'লে,— "এই গানটো (সন্ধিয়াৰ আকাশত) কিয় লিখিলা? গানটো শুনিলেই মই কান্দো।" গানটোৰ এই অভাৱনীয় জনপ্ৰিয়তাৰ বাবে প্ৰশংসা কেৱল মোৰে প্ৰাপ্য নহয়। মোহনীয় সুৰৰ সুৰকাৰ জিতেন দেব আৰু শিল্পী মীনাক্ষি দেৱী আৰু তুলিকা (দাস) সেনাপতি প্ৰশংসাৰ সমানে অংশীদাৰ। কথা, সুৰ আৰু কণ্ঠ তিনিওটা একাত্ম হ'লেহে এটা গীতে প্ৰাণ পাই উঠে। ইয়াৰ কাৰণে লাগে তিনিওৰে মাজত একান্ত বুজাবুজি। এনেকৈয়ে প্ৰতিটো গানৰ নেপথ্যত এনে কিছুমান সুমধুৰ কথা আছে ভাবিলে আজিও আনন্দ পাওঁ।

এবাৰ হ'ল কি চানমাৰিৰ ঘৰত আছোঁ, ৰাতি আমাৰ ঘৰলৈ বিলাতৰ আলহী আহিব ৰাতিৰ আহাৰ খোৱাকৈ। ঘৰত কাম কৰা ল'ৰা নাই। দুদিন নে তিনিদিনৰ আগতে বাৰাণ্ডাত থকা মুখধোৱা বেছিনটো ৰাতি চোৰে চুৰ কৰি নিলে। আলহী আহিলে এতিয়া খাই উঠি ক'ত মুখ ধুব? সেয়েহে লৰালৰিকৈ মিস্ত্ৰি মাতি, নতুন বেছিন এটা কিনি আনি লগাবলৈ দিছোঁ। মিস্ত্ৰিৰ হাতুৰীৰ খটং-খটং শব্দ। মই আলহী অহাৰ আগতে ঘৰখন সাৰি-পুছি চাফা কৰিছোঁ। মোৰ হাতত ঝাৰু। আইজনীয়ে ভিতৰত পাকঘৰত ৰন্ধা-বঢ়া কৰিছে। গৰমৰ দিন। ৰাতিপুৱা মই কিছু ৰান্ধি ফ্ৰিজত ভৰাই ইউনিভাৰ্ছিটিলৈ ক্লাছ ল'বলৈ গৈছিলো। আইজনীয়ে অফিচৰপৰা আহি বাকীখিনি ৰান্ধিছে। ইপিনে টেপত পানী অহা নাই। মুনু আৰু মাখনে খাদী ব'ৰ্ডৰপৰা পানী আনিবলৈ মানুহ এটা বিচাৰি ফুৰিছে। আলহী অহাৰ আগতে ৰান্ধি-বাঢ়ি আজৰি হৈ গা ধুই আঁটাব লাগিব। আলহী আহিব সন্ধিয়া আঠমান বজাত। কেনেকুৱা এক সংকটৰ সময়। মই আগফালৰ ড্ৰয়িংৰুম ঝাৰু দি থাকোঁতে অসমৰ এজন আগশাৰীৰ শিল্পী, মোৰ এসময়ৰ মৰমৰ ছাত্ৰ শ্ৰীদিলীপ চৌধুৰী (তেজপুৰৰ) সোমাই আহিল। "বাইদেউ, বাইদেউ মোক গান এটা লাগে। মই সুৰ এটা লৈ আহিছোঁ।" সোমাই আহি ঝাৰুহস্তে মোক দেখি আচৰিত হৈ ক'লে— "বাইদেউ এইবোৰ কি কৰিছে? এতিয়া হাতখন ধুই আহক আৰু হাৰমনিয়ামটো উলিয়াই দিয়ক।" মই তাক সেই মুহূৰ্তৰ সংকটৰ সবিশেষ ক'লো। নাই, দিলীপ নাছোড়বান্দা। সি ক'লে, "নাই পাঁচ মিনিটহে লাগিব। মই সুৰটো শুনাওঁ আৰু লগে লগে গানটো হৈ যাব। কাইলৈ ৰেডিঅ'ত দহ বজাত ৰেকৰ্ডিং আছে।" দিলীপ বৰ স্পৰ্শকাতৰ। অলপতে অভিমান হয়, চকু চলচলীয়া হয় আৰু ঠেহ লাগে। মই ঝাৰুটো আঁতৰাই থৈ হাতখন ধুই হাৰমনিয়ামটো উলিয়াই আনি তেওঁক দিলোহি। সুৰটো তেওঁ মোক শুনালে আৰু আচৰিত ধৰণে লগে লগেই গানটো ৰচনা কৰা হৈ গ'ল— নতুন বেছিন লগোৱা হাতুৰী-বটালিৰ খটং-খটং শব্দৰ মাজতে। গানটো

আছিল— "শ্যাম শ্যাম বুলি ৰাধা মিলন আতুৰ।"

আৰু এদিন তেনেকৈ গৰমকালি ৰাতি প্ৰায় দহমান বজাত চানমাৰিৰ ঘৰৰ মোৰ মাজৰ ৰুমতে পাটী এখন পাৰি তাতে মোৰ ৱাড্ৰ'বটোৰ গোটেইবোৰ কাপোৰ উলিয়াইছিলো। কাৰণ তাত পইতাচোৰা সোমাইছিল। আটাইকেইটা খাপৰ কাপোৰবোৰ উলিয়াই লৈ মাজতে বহি কাপোৰবোৰ জাৰি-জোকাৰি জাপিছিলো। এনেতে যোৰহাটৰ আমাৰ সম্বন্ধীয়া ল'ৰা জগদীশ বৰুৱা ওলালহি। তেওঁ এজন ভাল সুৰকাৰ। ইতিমধ্যে মোৰ বহুতো গানৰ সুৰ কৰিছে। তেওঁ এটা সুৰ লৈ আহিছে, মই এটা গান লিখি দিব লাগে সেই মুহূৰ্ততে। মোৰ কোনো কথাই নামানে। উপায় নাপাই কাপোৰৰ দ'মৰ মাজতে হাৰমনিয়াম লৈ বহিলো। তেওঁৰ সুৰৰ ওপৰত গানটো লিখিবলৈ ধৰিলো। গানটো তেনেকৈ নিমিষতে লিখা হ'ল। "যদি তুমি নদী হোৱা, আহা বৈ কাষলৈ।" বৰ দৰদী গান। গাইছে মনীষা হাজৰিকাই।

গানৰ কথা লিখি থাকোঁতে মোক যেন আটাইবোৰ গানে জুমুৰি দি ধৰিছেহি। প্ৰতিটো গীতৰে নিজস্ব ইতিহাস আছে আৰু স্মৰণীয় মুহূৰ্ত আছে। মুকুল (বৰুৱা) ককাইদেঁউৰ লগত প্ৰতিটো গীতেই একেলগে বহি লিখা। "মোক এটি সুৰ কৰি তোলা"— এই গীতটোলৈ মনত পৰিছে। বৰ্ষামুখৰ আবেলি এটাত মুকুল ককাইদেউ আহি মিহিৰ বৰদলৈৰ সুৰৰ শৰাইৰ কাৰণে গীত এটা বিচাৰিছিল। মুকুল ককাইদেৱে সদায় ধূপ এডাল জ্বলাই লয় আৰু হাৰমনিয়ামটো নিজেই উলিয়াই লৈ বিছনাত বহে। সেইদিনাও তেনেকৈ চানমাৰিৰ ঘৰৰ মাজৰ ৰুমতে মুকুল ককাইদেউৰ লগত একেলগে বহিছিলো। মই এশাৰী-এশাৰীকৈ কথা কৈ গৈছিলো আৰু তেখেতে এশাৰী-এশাৰীৰ ওপৰত সুৰ দি গৈছিল। তেখেতে এই গীতটোত পাশ্চাত্য সুৰো ব্লেণ্ড কৰিছিল। গীতটোৰ কথা, সুৰ আৰু কণ্ঠ ইমান একাত্ম হ'ল যে গীতটোৱে আটাইৰে অন্তৰ দকৈ স্পৰ্শ কৰিলে। ভূপেন দাই গোৱা মোৰ 'সীমাৰ সিপাৰে তৃপ্তি আমাৰ' গানটোতো মুকুল ককাইদেৱে সুৰ দিছিল। এবাৰ এটা অনন্য অভিজ্ঞতাও হৈছিল। জয়ন্ত মানে ৰাণাই ঘৰতে সুৰ এটা কৰি আনি মোক চানমাৰিৰ ঘৰত শুনাবলৈ দিনটোত কেইবাবাৰো আহিল। কিন্তু এবাৰো মোক লগ নাপালে। গধূলিও তিনিবাৰমান আহিল। প্ৰতিবাৰে দেখিলে ড্ৰয়িংৰুমত মোক লগ পাবলৈ অহা অজস্ৰ মানুহ। ৰাণাৰ লগত দোষ্ট হবিবুৰ ৰহমানো আছিল। যেতিয়া মানুহ গ'ল, তেতিয়া ৰাতি প্ৰায় দহমান বাজিছিল। সুৰুঙা পাই ৰাণাই সুৰটো শুনাব খোজাত মোৰ বৰ ভাগৰ লাগিছে বুলি ক'লো। তেওঁ অকমান শুনক বুলি থিয়ৈ-থিয়ৈ ড্ৰয়িংৰুমৰ ছোফাৰ হেণ্ডেলতে হাৰমনিয়ামটো থৈ সুৰটো শুনালে। পাছদিনা ৰাতিপুৱাই গানটো তেওঁক লাগিব। সুৰটো এবাৰ মাত্ৰ শুনাই তেওঁ গ'লগৈ আৰু ময়ো লগে লগে সুৰটো একেবাৰে পাহৰি গ'লো। ৰাতি শুবৰ সময়ত

মনত পেলাইছিলো, মনত নপৰিল। পাছদিনা ৰাতিপুৱা চাৰিমান বজাতে মই সাৰ পালো আৰু অনুভৱ কৰিলো সুৰ এটা যেন মোৰ কাণৰ কাষত গুণ-গুণাই আছেহি। মোৰ এনেকুৱা লাগিল এইটো যোৱাৰাতিৰ ৰাণাৰ সুৰটোৱেই নে কি? মই সদায় ৰাতিপুৱা ৰেডিঅ' ষ্টেশ্যনৰ পিনে ঘাঁহনিত খোজকাঢ়িবলৈ গৈছিলো। সুৰটোও মোৰ লগে লগে গ'ল। মই সেই সুৰটোৰ ওপৰতে বাটে বাটে গানটো ৰচনা কৰি গ'লো। উভতি আহি ঘৰত গানটো লিখি পেলালো। আৰু ৰাণাও আহি ওলালহি। তেওঁ হাৰমনিয়াম লৈ সুৰত মিলাই চালে আৰু এটাও শব্দ ইফাল-সিফাল কৰিব নলগাকৈ ছন্দ, তাল, মান সকলো ঠিক আছে বুলি ক'লে। গানটো বাটতে হ'ল। গানটো হ'ল—

সাৰ পাম মই পুৱতি নিশাতে
নিয়ৰ যেতিয়া সৰে।
বাটৰ শুকান ধূলিক সেমেকা যিটো প্ৰহৰে কৰে
আই মোক জগাবি আই মোক জগাবি।।
মই চাব খোজোঁ হেঙুলি বেলিয়ে
এন্ধাৰ কেনেকৈ নাশে,
ফুলাৰ মন্ত্ৰ কেনেকৈ সিঁচে
কুসুমৰ কাষে-কাষে
উদং বতাহৰ বুকু কেনেকৈ মিঠা সুবাসেৰে ভৰে
আই মোক জগাবি আই মোক জগাবি।।
জানিব খুজিছোঁ গোপন মন্ত্ৰ
সৃষ্টিত থকা আই
জানিব খুজিছোঁ কি গীত গালে
শূন্য আঁতৰি যায়
মোৰো পণ আছে ফুলি উঠিবৰ
সূৰ্যমুখীৰ দৰে।।
সাৰ পাম মই... ...

এনেকুৱা আৰু বহুত অভিজ্ঞতা আছে। মহান সুৰকাৰ ভূপেনদাই অৱশ্যে সুৰৰ ওপৰত কথা নিদিয়ে। সৌ কাজল-কাজন মেঘ, ধুমুহাত মই থৈ যাওঁ মোৰ গতি, মই এই মাটিৰে ল'ৰা ইত্যাদি-ইত্যাদি মোৰ গানবোৰত তেখেতে কথাৰ ওপৰতে সুৰ দিছে। এনেদৰে অজস্ৰ চিনেমাৰ গান লিখা কাহিনীবোৰো মনলৈ আহিছে। বিখ্যাত সুৰকাৰ জিতু-তপন, বিখ্যাত বাঁহীবাদক প্ৰভাত শৰ্মা আদিয়ে সুৰৰ ওপৰত ইমান খৰকৈ কথা দিব পৰা দেখি সদায় তবধ মানে। সুৰটো শুনোৱা শেষেই নহয় গানটো হৈয়ে যায়।

এইবোৰ প্ৰকৃততে পৰিৱেশ সৃষ্টি আৰু সংযোগৰ কথাহে। বঙলা, উৰিয়াকে ধৰি অসমীয়া চিনেমা, ভ্ৰাম্যমান থিয়েটাৰ, টিভি ছিৰিয়েল ইত্যাদিৰ কাৰণে অজস্ৰ গীত লিখিলো, থিম ছং লিখিলো। কিন্তু 'বনৰীয়া ফুল'ৰ সুৰৰ দৰে আমেজ আজিলৈকে ক'তো পোৱা নাই। 'বনৰীয়া ফুল'ৰ সুৰ সৃষ্টিৰ সময়ত ৰাণাৰ লগত অকু, মানে বিজয় শংকৰ দাস আৰু দক্ষ পৰিচালক অতুল বৰদলৈ লগে লগে আছিল। 'শ্ৰীমতী মহিমাময়ী' ছবিখনৰ সুৰকাৰ কুল-অতুলৰ সুৰত পুলক বেনাৰ্জীয়ে গোৱা 'জীৱনে বিচাৰে কি' এই গীতটো আজিও মোৰ বৰ প্ৰিয়।

গান লিখোঁতে কেতিয়াবা হাঁহি উঠা দুৰ্যোগ কিছুমানো ঘটে। এবাৰ তেনেকৈ ঘটা দুৰ্যোগ এটাৰ কথা লিখি থ'লে বেয়া নহ'ব। তেতিয়াও গৰম দিন। আগষ্ট মাহৰ প্ৰখৰ গৰম। সেই সময়তে পাণবজাৰত 'His Master's Voice' ৰেকৰ্ডিং কম্পেনিয়ে গান ৰেকৰ্ডিঙৰ কেম্প কৰিছিল। কলিকতালৈ গৈ বহুত খৰচ কৰি ৰেকৰ্ডিং কৰাতকৈ গুৱাহাটীতে ৰেকৰ্ডিং কৰিলে শিল্পীসকলৰ বহুত সুবিধা হ'ব বুলি ৰেকৰ্ডিং কম্পেনিটোৱে ভাবিছিল। এই সুবিধা পাই বহুতো আৰ্টিষ্ট ৰেকৰ্ডিং কৰিবলৈ সাজু হ'ল আৰু গান লাগে লাগে বুলি মোক গোটেইবোৰে ধৰাত মোৰ অৱস্থা চাবলগীয়া হৈছিল। এদিনাখন আগবেলাতে জয়ন্ত হাজৰিকা (ৰাণা) আৰু নীলিমা খাটুন আহিল। সিহঁতক এটা ডুৱেট লাগে। তাকো সুৰৰ ওপৰত। সেইদিনাই ইজন-সিজনকৈ আমাৰ ঘৰত গোট খোৱা শিল্পী বহুত হ'ল। বেছিভাগেই শ্বিলঙৰপৰা আহিছিল আৰু ততাতৈয়াকৈ মোৰ গান বিচাৰিছিল। সেইদিনাও মোৰ ঘৰত কাম কৰা ল'ৰা নাছিল। ইপিনে আৰ্টিষ্টবোৰক চাহ-জলপান দিবও লাগে, ভাত ৰান্ধিবও লাগে আৰু একে সময়তে গান লিখিবও লাগে। অদৃষ্টৰ এনেকুৱা পৰিহাস যে আৰ্টিষ্টবোৰে হেনো আমাৰ ঘৰতে ভাত খাব। অৰ্থাৎ ভাত খাবলৈ অন্য ঠাইলৈ যাবলৈ সিহঁতৰ সময় নাই। মই সেই দিনটোত এবাৰ-এবাৰকৈ ছবাৰ ভাত ৰান্ধিব লগা হৈছিল। তথাপি সন্ধিয়ালৈকে মোলৈ ভাতে নুজুৰিল। ৰাণা আৰু নীলিমা খাটুনে হাৰমনিয়াম লৈ সুৰ এশাৰী শুনাই, মই সেই সুৰৰ শাৰীটো মনত লৈ পাকঘৰলৈ যাওঁ। পাকঘৰত গৈ দাইল ফোৰণ মাৰোঁতে কথা compose কৰোঁ। চাহৰ পিয়লা হাতত লৈ ওলাই আহি কথাখিনি সিহঁতক কওঁহি। সুৰত বহুৱাই চাই দেখে সেইখিনি হৈছে, আকৌ পাছৰ শাৰীৰ সুৰ শুনায়। মই হয়তো আলুৰ দম কৰিবলৈ পাকঘৰ সোমাওঁ। আলুখিনি গৰম পানীত সিজিবলৈ দি মই সিহঁতক কথাখিনি লগে লগে compose কৰি দিওঁহি। এইদৰে ভাত ৰন্ধাও হয় আৰু একো-একোটা গানো সম্পূৰ্ণ হয়। 'মোৰে দুচকুলে চোৱা ঘনে-ঘনে' আৰু 'মোৰ মন চাতকৰ কণ্ঠই'— এই গান দুটা সেইদিনাৰ স্মৰণীয় গীত আছিল। ইপিনে গৰম আনপিনে খৰি জুই আৰু ষ্টʼভৰ ৰন্ধা, (তেতিয়া গেছ ওলোৱা নাছিল) তৃতীয়তে ৰন্ধা-বঢ়াত কোনো সহায়

কৰিবলৈ নথকা, আনপিনে গান দুটা হৈছিল ভীষণ প্ৰেমৰ আৰু অনুৰ্বৰ নিথৰ যুগটোক ৰূপায়িত কৰাৰ কথা। তলত গান দুয়োটাই সম্পূৰ্ণকৈ লিখিলো—

ছোৱালী : মোৰে দুচকুলে চোৱা ঘনে-ঘনে
পাইছা জানো মোৰ মন।
ল'ৰা : তোমাৰে লিহিৰী মনৰে বাতৰি
উমানতে পালো গম।
ছোৱালী : কি যাদু কৰিলা মোকে মনে মনে
বন জুই জ্বলালা গাত।
ল'ৰা : ফাগুনৰ বতৰে বন জুই জ্বলালে
দোষ নাই মোৰে অ' গাত।
ছোৱালী : সঁচাই ভাল পোৱাতো মোক
ল'ৰা : সন্দেহৰ থল ক'তে
ছোৱালী : মুখৰ কথাত সঁজাতে নাই
ল'ৰা : প্ৰতিশ্ৰুতি দুচকুতে
ল'ৰা : অচিনকৈ পানীতে পানচৈ উটালা
এতিয়া কঁপিছে মন
ছোৱালী : তোমাক জানো জীৱনত পাম
ল'ৰা : সন্দেহৰ থল ক'তে
ছোৱালী : ময়ো নদী কৰিছোঁ পণ
ল'ৰা : স্বাগতম জীৱনলৈ।।

....

আনটো গান হ'ল—

"মোৰ মন চাতকৰ কণ্ঠই
বৃষ্টি বিচাৰি বিচাৰি যায়
ৰ'দে পোৰা এই মৰুতে
দৃষ্টিত এধানি বৃষ্টি নাই"— গিটাৰত এই সুৰটো কৰা হৈছিল আৰু সুৰৰ ওপৰতে মই গানটো লিখিছিলো।

আৰু এটা গানৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। তেতিয়া মই ভোলা বৰুৱা কলেজত কাম কৰিছিলো। ইভিনিং ক্লাছ কৰিবলৈ মই চানমাৰিৰপৰা কলেজলৈ ওলাই গৈছিলো। ঠিক গুৱাহাটী ক্লাবৰ ওচৰতে পুলক বেনাৰ্জীক মই দেখা পালো। তেওঁ লৰালৰিকৈ আমাৰ ঘৰলৈকে আহিছিল। পাছদিনা ৰেডিঅ'ত প্ৰ'গ্ৰেম আছে।

সুৰৰ ওপৰত গান এটা লাগে। মই ভাবিলো এতিয়া ঘৰলৈ উভতি যাব নোৱাৰি যেতিয়া বাটে-বাটে তেওঁ মোক সুৰটো শুনাই যাওক। মই ৰিক্সাৰপৰা নামি পুলকৰ লগত খোজকাঢ়িবলৈ ধৰিলো। পুলকে সুৰটো বাটে-বাটে তেনেই সৰুকৈ গুণ-গুণকৈ শুনাই গ'ল। মই কথা দি যাবলৈ ধৰিলো। কলেজ পালোগৈ গীতটোও সম্পূৰ্ণ হ'ল। গানটো আছিল— "মই জানো তুমি ৰাতিৰ জোনাক।" পুলকৰ ঘৰটো ভোলা বৰুৱা কলেজৰ সন্মুখতে। পুলকে সুৰ আৰু কথা মিলাই চাবলৈ লৰালৰিকৈ ঘৰলৈ গ'ল। আৰু মিলাই চাই লৈ কলেজৰ কমন ৰুমত আহি ক'লেহি যে সুৰৰ লগত একদম ঠিক হৈছে। কথাবোৰ ভাবিলে মনটো বৰ ভাল লাগে।

কলিকতাত তেনেকৈ মি. জানাৰ লগত উৰিয়া চিনেমা 'নাবিক'ৰ কাৰণে গান লিখিছিলো। প্ৰখ্যাত শিল্পী শ্যামল মিত্ৰৰ সুৰত বঙলা চিনেমাৰ (নাম ঠিক হোৱা নাছিল) কাৰণে গান লিখিছিলো। সেইবোৰ দিন আৰু ক'ত ঘূৰি আহিব!

এতিয়াও গান লিখোঁ। মৰাৰ দিনলৈকে হয়তো লিখিও যাম। কিন্তু প্ৰকৃত সংযোগবোৰ সদায় ঠিকে-ঠিকে নঘটে। ভূপেনদাই 'কাজল কাজল মেঘ'— মোৰ এই গানটোত সুৰ দিয়া দিনটোলৈ মনত পৰিছে। সেইদিনা দুপৰীয়া ভূপেনদাই আমাৰ ঘৰত ভাত খাব বুলি ক'লে। তেখেতৰ প্ৰিয় ব্যঞ্জন অসমীয়া ৰন্ধা খাব। মই পাৰ মাংস, কলডিল আৰু মাগুৰ মাছত পালেং শাক, ধনিয়া দি দুপৰীয়া ৰান্ধি-বাঢ়ি খুৱালো। লগতে ঔটেঙা মাটিদাইলো। তেখেত আবেলি তিনিমান বজাত মোক লগত লৈ ৰেডিঅ' ষ্টেশ্যনলৈ যাবলৈ ওলাল। তাতে অৰ্গেনত বহি-বহি গানটোত সুৰ দিব। তেখেতৰ চকুৰ আগত মোক বহুৱালে। গানটোত সুৰ দি থাকোঁতে তেখেতে মোৰ চকুলৈ চাই থাকে। অকণো লৰ-চৰ কৰিব নোৱাৰি। গানটোৰ সুৰ ভাল হৈছে নে নাই মোৰ চকুতে তেখেতে প্ৰমাণ পায়। ভাল লগাটো যদি মোৰ চকুত ফুটি নুঠে তেনেহ'লে সুৰটো সলাই পেলাব। মই আগতেও এই কথাৰ প্ৰমাণ পাইছোঁ। আমাৰ ঘৰত আহি গান শুনালেও চকুত চকু দি থাকিব লাগিব, অকমান ইফাল-সিফাল কৰিলেই মই আনমনা হৈছোঁ বুলি অভিমান কৰে। সেইদিনা তেনেকৈ ৰেডিঅ' ষ্টেশ্যনৰ অৰ্গেনত তেখেতে বৰ তন্ময়তাৰে 'কাজল কাজল মেঘ' গানটোত সুৰ দিলে। গানৰ সুৰত মই অভিভূত হ'লো। পাছদিনা তেখেতে গানটো ৰেকৰ্ডিং কৰিব। ভূপেনদাৰ থ্ৰ'য়িং (throwing) বৰ অপূৰ্ব। সউ বুলি ক'লে সউ যেনে লাগি যায়। সেইদিনা সন্ধিয়া আমাৰ চানমাৰিৰ ঘৰলৈ আমি দুয়ো খোজকাঢ়ি আহিছিলো। বাটত আহোঁতে ক'লে, "জাৰকালিৰ গধূলি। জ্বালমুড়ি বেচ জমিব। মোক খুৱাবা দেই এতিয়া।" মই ঠিক আছে বুলি কৈ ঘৰলৈ আহি জ্বালমুড়ি যোগাৰ কৰি দিওঁতে ঘৰৰ ড্ৰাইভাৰে ক'ৰবাৰপৰা এটা বৰ ডাঙৰ ইলিচ মাছ আনি উলিয়ালেহি। ঠিক সেইখিনি সময়তে মোৰ সখী স্বৰ্ণ গগৈ আৰু তেওঁৰ

স্বামী ড. মহেন্দ্ৰ গগৈ আৰু তেওঁৰ ল'ৰা ডিগবৈৰপৰা আমাৰ ঘৰলৈ আহিছিল। শিৱসাগৰত সোমাই আহোঁতে মোৰ মায়ে এবটল পকা খৰিচাও দি পঠাইছিল। পকা খৰিচা আৰু ইলিচ মাছ দেখি ভূপেনদা সৰু ল'ৰাৰ দৰে আনন্দত উত্ৰাৱল হ'ল। তেওঁ চিঞৰি ক'লে,— "মই ভাত খাম দেই পকা খৰিচা, ইলিচ মাছেৰে।" ভাত খায় তেনেই অকমান, কিন্তু জুতি-বুধিবোৰ বৰ প্ৰিয়। মই সেইদিনা সখীসহ চাৰিওকে বগা সৰিয়হ দিয়া ইলিচ মাছৰ চৰচৰি আৰু পকা খৰিচা দিয়া ইলিচ মাছৰ বিশেষ আঞ্জাৰে ৰাতি ভাত খুৱালো। আৰু ভূপেনদাক হাঁহি-হাঁহি ক'লো,— "বুৰে পতি শেলুক আৰু নহ'ব দেই। মই কাইলৈ ৰান্ধি-বাঢ়ি থাকিব নোৱাৰোঁ। কাইলৈ আপোনাৰ গানৰ ৰেকৰ্ডিং শুনিবলৈ ৰেডিঅ'লৈ মৱো যাম।" ভূপেনদাই তৎক্ষণাৎ ক'লে,— "তেতিয়া হ'লে যাওঁতে সোমাই খাই যাম। পোৰা বৰ বেঙেনাৰ পিটিকা হ'লেই হ'ব।"

এনেকুৱা সঁচা কাহিনী স্মৃতিৰ পটত বহুতো ভাহি উঠিছে। এবাৰ হ'ল কি— মাঘ বিহুৰ সময়, ঘৰৰ কাম কৰা ল'ৰাটো উৰুকাৰ দিনা পুৱাতে ঘৰলৈ বুলি গ'ল। তেতিয়া ৬৪/৬৫ চনমান হ'ব। মই দুপৰীয়া তিলৰ লাডু, তিল পিঠা কৰিবলৈ আৰম্ভ কৰিছোঁ। কে'ক আৰু গমৰ লাডু কৰিবলৈও বস্তু যতনাই থৈছোঁ। এনেতে দিনৰ দুইমান বজাত ভূপেনদাৰ আবিৰ্ভাৱ। তিল-গুৰ লাগি থকা হাত দুখন পিছলৈ দি মই দেখা দিলোহি। তেখেতে সুধিলে— "বিহু পাতিছা নে কি?" মই হয় বুলি কোৱাত তেখেতে টপৰাই ক'লে, "ঠিক আছে। ৰাতিলৈ আমি কেইজনমানে তোমাৰ ঘৰত ভাত খামহি।" মই ঠিক আছে বুলি ক'লো যদিও অন্তৰে-অন্তৰে প্ৰমাদ গণিলো কাৰণ উৰুকাৰ বজাৰ। মাছ-মাংস কি বা পাওঁ। তাতে কাম কৰা ল'ৰাটোও ঘৰত নাই। মুনু, মোৰ সৰু ভাইটোৱেহে বজাৰ কৰিব লাগিব। মোৰ ভনী অকণিৰ 'মৰম' নামৰ সৰু ল'ৰাটো কিছুদিনৰ আগেয়ে ঢুকুৱাত তাইৰ শোক পাতলাবৰ কাৰণে তাইৰ আন ল'ৰা-ছোৱালীকেইটাৰে সৈতে আমাৰ ঘৰতে ৰাখিছোঁহি। তাই শোকত জৰাজীৰ্ণ হৈ বিছনাত পৰি থাকে। শোকে তাইৰ নাৰ্ভবোৰো তেনেই দুৰ্বল কৰি পেলালে। তাইৰ মনত অকণমান আনন্দ হওক বুলিয়েই মানুহ-দুনুহৰ সমাগম হোৱাটো বিচাৰিছিলো।

সৰু ভাই মুনুক মাতি বজাৰৰ কথা ক'লো। সি বজাৰ কৰি মাছ-মাংস আনি দিয়াৰ লগতে ডাঙৰ কুন্দা খৰিৰে চোতালত দপদপীয়াকৈ জুই ধৰাবো যোগাৰ কৰিলে। মোৰ ছোৱালীজনী তেতিয়া শিৱসাগৰত। মই অকলে-অকলে গোটেইবোৰ ৰন্ধা-বঢ়া কৰিলো। ইলিচ মাছৰ ভাপত দিয়াও কৰিলো। পকা বিলাহী দি ৰৌ মাছৰ টেঙা আঞ্জাও ৰান্ধিলো। এনেকৈ দহ-বাৰখন ৰন্ধা হ'ল। কলপাতত খাব বুলি প্ৰেছৰ মানুহ এটাৰ হতুৱাই কলপাতো কটাই-ধোৱাই থ'লো। আৰু আমাৰ মাজৰ ৰুমতে ভোজৰ দৰে খোৱাৰ ব্যৱস্থা কৰিলো। গধূলি নমান বজাত ৰাণা আৰু অমৰদা ওলালহি। আলহীয়ে

জুই ফুৰাই থাকোঁতে-থাকোঁতে ৰাতি এঘাৰ বজালৈকে ভূপেনদাৰ দেখা-দেখি নাই। আটায়ে ভূপেনদালৈ বৈ আছে। কোনোৱে খোৱা নাই। ৰাতি এঘাৰ বাজি যোৱাত ভূপেনদা সদলবলে আহি ওলালহি। তেতিয়া ভাত খাবলৈ যো-জা কৰাত এতিয়াই ভাত নাখাওঁ, এতিয়া গানহে গাম বুলি কোৱাৰ লগে-লগে আটাইৰে পেটৰ ভোক ক'ৰবালৈ গ'ল। মাজৰ ৰুমৰে বিছনা এখনত বহি ভূপেনদাই এটা-এটাকৈ তেত্ৰিছটা গান গালে। জীৱনৰ সেই ৰাতিটো মোৰ কাৰণে সকলোতকৈ স্মৰণীয় ৰাতি। মই ভূপেনদাৰ চকুলৈ চাই তন্ময়তাৰে সন্মুখত বহি আছিলো। মাজৰ ৰুমৰ লাইট নুমুৱাই নীলা লাইট জ্বলাই দিয়া হৈছিল। এক যেন আৱেগ মধুৰ পৰিৱেশ সৃষ্টি হৈছিল। ৰাতি দুই বজাতহে আটায়ে ভাতৰ কথা উলিয়ালে। দুই-চাৰি আলহীকো সেইদিনা ভাত খাবলৈ মাতিছিলো। ৰাতি দুই বজাত পাকঘৰলৈ গৈহে মূৰে-কপালে হাত দিলো। ৰন্ধা বস্তু আটাইবোৰ গোট মাৰি আছে। ষ্ট'ভ জ্বলাই, খৰিৰ চৌকা জ্বলাই সেইবোৰ এটা-এটাকৈ গৰম কৰি আনি কলপাতৰ ওপৰত এটা-এটাকৈ বিলালোহি। উৰুকাৰ ৰাইজ পৰম তৃপ্ত হ'ল। মোৰ ভনীজনীৰো মনটো গানে কিছু সলনি কৰিলে। আৰু তায়ো খাবলৈ উঠি বহিল।

আটায়ে দিহা-দিহি ঘৰলৈ গ'ল। আমিও দুই-তিনি ঘণ্টা শুলো। পাছদিনা ৰাতিপুৱাৰ পৰ্বত-প্ৰমাণ বাচন-বৰ্তন পৰিষ্কাৰ কৰাৰ কথাও লিখি থাকোঁতে মনত পৰিছে।

এনেকৈয়ে জয়ন্ত হাজৰিকাৰ লগতো গান লিখা সময়ৰ অজস্ৰ কথা আছে। একেবাৰে শেষৰ (অৰ্থাৎ জয়ন্তৰ মৃত্যুৰ আগৰ) কিছুমান কথা কোনোদিনে পাহৰিব নোৱাৰিম। জয়ন্ত বৰ স্পৰ্শকাতৰ ল'ৰা আছিল। তেওঁক মই প্ৰথম লগ পাইছিলো ছাত্ৰীবাৰী হোষ্টেলত এম. এ. পঢ়ি থাকোঁতে। তেতিয়া চাগে তেওঁ ক্লাছ ছেভেন-এইটৰ ছাত্ৰ। আমি ডাঙৰকৈ হোষ্টেলত শংকৰদেৱৰ তিথি পাতিছিলো আৰু তাত গান গাবলৈ কুইনক (সুদক্ষিণা শৰ্মা) মাতিছিলো। কুইনৰ লগতে তেওঁৰ ভায়েক ৰাণাও হোষ্টেললৈ আহিছিল আৰু আমাক বৰ ধুনীয়াকৈ মাউথ অৰ্গেন বজাই শুনাইছিল। মই তেতিয়াই বুজিছিলো এই ল'ৰাটোৰ গাত বহুতো প্ৰতিভা আছে। পাছত তেওঁক উজানবজাৰৰ মোৰ ভাৰাঘৰত মই নাটকীয়ভাৱে লগ পাই কেনেকৈ নাটকীয়ভাৱে 'আগলি বতাহে কঁপালে কলৰে পাত' গানটো লিখা হৈছিল সেই কথা আগতে উল্লেখ কৰিছোঁ।

ৰাণাৰ অকাল মৃত্যুৰ দুই-তিনি বছৰমান আগৰপৰা তেওঁৰ অৰ্থ সংকট হৈছিল। ইতিমধ্যে তেওঁ কেইবাখনো চিনেমাৰ সংগীত পৰিচালকো হৈছিল আৰু তেওঁৰ কাৰণে মই নিয়মিতভাৱে গীত লিখিছিলো। অৰ্থ সংকটত পৰি তেওঁ মোক কৈছিল,—"বাইদেউ আমাৰতো এক তাৰিখ নাই যে দৰমহা পাম। সেইকাৰণে মই ভাবিছোঁ মই

Street Singer হ'ম। ল'ৰাটোক সকাহ দিবলৈ মই লগে-লগে কৈছিলো, মই তোমাক নিশ্চয় গান লিখি দিম। তেনে সময়তে ৰাণাই এদিন আহি ক'লেহি,— "আপুনি মোৰ লগত গোৱালপাৰালৈ যাব লাগে। গোৱালপাৰাত এটা নতুন দলে লখিমী থিয়েটাৰ বুলি নাট্য দল এটা আৰম্ভ কৰিছে আৰু মোক তাৰে মিউজিক ডিৰেক্টৰ পাতিছে। আপুনি মোৰ লগত এতিয়া গোৱালপাৰালৈ যাব লাগে আৰু তাতে নাটককেইখনৰ আখৰা চাই-চাই ছিকুৱেঞ্চ বুজি গান লিখি দিব লাগে। মই নিজে আছোঁ যেতিয়া দলটোৱে আপোনাকো পেমেণ্ট ঠিকে-ঠিকে কৰিব।" চিনেমা বা থিয়েটাৰ পাৰ্টিবোৰে সাধাৰণতে কাম হৈ যোৱাৰ পাছত ঠিকমতে মিউজিক ডিৰেক্টৰ বা গীতিকাৰ বা নাট লেখকসকলক প্ৰাপ্য মাননি নিদিয়ে। অৱশ্যে দুই-এক ব্যতিক্ৰম নোহোৱাও নহয়। ৰাণাৰ আন্তৰিক অনুৰোধ পেলাব নোৱাৰি তেওঁৰ আৰ্থিক সহায় হওক বুলিয়েই মই গোৱালপাৰালৈ যাম বুলি কথা দিলো। তেনেকৈয়ে উদ্যোক্তাসকলৰ লগত মটৰেৰে আমি এদিন গোৱালপাৰালৈ গ'লো। গোৱালপাৰা ছাৰ্কিট হাউছত মোক ৰখাৰ দিহা হ'ল। ৰাণা থাকিব মুকলিমূৰীয়াকৈ কেম্পত আৰ্টিষ্টসকলৰ লগত। ৰাতিপুৱা সাতমান বজাত গাড়ীৰে মোক কেম্পলৈ লৈ যাব আৰু তাতে নাটকৰ আখৰাবোৰ চাই ছিকুৱেঞ্চ বুজি লৈ গান লিখি ৰাণাক দিব লাগিব। সন্ধিয়া আঠমান বজাত খোৱাৰ আগতে মোক পুনৰ ছাৰ্কিট হাউছত থৈ যাবহি। এনেকৈয়ে গোৱালপাৰাত থাকিলো তিনিদিন। সেই তিনিদিনতে সোতৰটা গান লিখা হ'ল। কিছুমান লিখা হ'ল সুৰৰ ওপৰত, কিছুমান গান হ'ল কথাৰ ওপৰত সুৰ দি। কোনোবাটো গীতত ছেমি ক্লাছিকেল সুৰ দিবলৈ কৈ সুৰটো গুণ-গুণকৈ গাই দি, কোনোটো গীতত ট্ৰেডিশ্যনেল সুৰ দিবলৈ দি সেইমতে সুৰটো ৰাণাক শিকাই মই বহুতো সহায় কৰিছিলো। লখিমী থিয়েটাৰে বিখ্যাত ঔপন্যাসিক শৰৎ চন্দ্ৰ চেটাৰ্জীৰ 'দেবদাস' উপন্যাসখনৰো নাটকীয় ৰূপ অসমীয়া ভাষাত দি নাট কৰিবলৈ লৈছিল। 'দেবদাস'ৰ ইতিমধ্যে বাংলা আৰু হিন্দী চিনেমাও হৈছিল। বাংলা চিনেমাখনত গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা আৰু হিন্দী ছবিখনত দিলীপ কুমাৰে নাম ভূমিকাত অভিনয় কৰিছিল। দুয়োজনে অসামান্য অভিনয় কৰি দৰ্শকৰ মনত সাঁচ বহুৱাইছিল। দুয়োখন চিনেমাই মই চাইছিলো। সৰুতেই এই দেৱদাস উপন্যাসখন যিমানবাৰ পঢ়িছোঁ সিমানবাৰ কান্দিছোঁ। উপন্যাসখনৰ আবেদন বৰ গভীৰ আৰু মৰ্মস্পৰ্শী। গোৱালপাৰাতে 'দেৱদাস' থিয়েটাৰখনৰো কেইবাটাও গান লিখা হ'ল। ৰোগাক্ৰান্ত হৈ মৃত্যুৰ আগে-আগে দেৱদাস গৰুৰ গাড়ীত উঠি গৈ থাকোঁতে যিটো গান নেপথ্যত দিয়া হ'ল সেই গীতটোৰ কথা কেইশাৰীমান হ'ল—

দূৰ আৰু কত দূৰ
ক'ত আছে প্ৰিয়াৰ পদূলি...

কেৱল শেষৰ গানটো, (যেতিয়া পাৰুৱে তেওঁৰ পদূলিত পাছদিনা পৰি থকা এজন মানুহৰ মৃতদেহৰ সন্ধান পালে আৰু সেই মৃতদেহ তেওঁৰ প্ৰেমিক দেৱদাসৰ বুলি গম পালে তেতিয়া পাৰু শোকত উন্মাদ হ'ল) বুকু ভঙা কান্দোনৰ গীতটো গোৱালপাৰাত লিখিবলৈ বাকী থাকিল। এই গানটো গুৱাহাটীত লিখিম বুলি ঠিক কৰি আমি গুৱাহাটীলৈ ঘূৰি আহিলো। ৰাণা বিশেষ কামত কলিকতালৈ যাব লগা হোৱাত এই গানটো লৰা-লৰিকৈ শেষ কৰিবলৈ বুলি এদিন সন্ধিয়া আমাৰ ঘৰলৈ আহিল। ছেপ্টেম্বৰ মাহ। বৰ গৰম। সেয়েহে মই গানটো পাছত লিখিম বুলি কৈছিলো। পাছে ৰাণাৰ নেৰানেপেৰা অনুৰোধত লিখিবলৈ ল'লো। ড্ৰয়িংৰুমতে কাৰ্পেটৰ ওপৰত পাটী এখন পাৰি হাৰমনিয়ামটো লৈ ৰাণা বহিল। সুৰে-কথাই একেলগে চলিল। মই লিখিলো—

আকাশ আজি মোৰ নাই নাই
বতাহ আজি মোৰ নাই নাই
নদী মৰু হৈ কিয় যায়
কি অভিশাপত হায়
নিষ্ঠুৰ দেৱতাৰ বিচাৰ নাই বিচাৰ নাই।

দুটা অন্তৰাতে গানটো সমাপ্ত হ'ল। ৰাণাই ক'লে,— "ইমান সুন্দৰ হৈছে গানটো, মই এইটো ষ্টেজত গাম।" মই ক'লো,— "ইমান দুখৰ গান তুমি গাব নোৱাৰা। ডেকা ল'ৰাৰ মুখত শক্তিশালী গানহে শুৱায়। তোমাক 'ব'ল্ড' গান লিখি দিবলৈ মই আছোঁ নহয়।" গানটো সামৰি সেই যে সন্ধিয়া ৰাণা গ'ল যি গ'লেই। কলিকতাত তেওঁৰ অকাল মৃত্যু ঘটিল। এতিয়া মিঠুৱে (ৰাণাৰ পত্নী মনীষা) কপালত বগা ফোট এটা লৈ ষ্টেজত যেতিয়া এই গানটো গায় মোৰ চকুপানী জৰজৰকৈ সৰে। এই কথাবোৰ মনত পৰিলে বুকুখন শেলে বিন্ধাদি বিন্ধে। লখিমী থিয়েটাৰ বোধহয় এতিয়া নোহোৱা হ'ল। কিন্তু গান আটাইকেইটাই বৰ জনপ্ৰিয় হৈ ৰৈ গ'ল। তাৰ ভিতৰত 'আকাশী গংগা ওখ আকাশ, মাটিৰ গংগা বুকুৰ' আৰু 'ভয় নাই, ভয় নাই', এই গান দুটা বৰ জনপ্ৰিয়। তিনিদিনত সোতৰটা গান লিখিছিলো। একোদিন পাঁচটাতকৈও বেছি গান লিখিছিলো। গান লিখিবলৈ যে পৰিৱেশ লাগে এইটো একেবাৰে সত্য কথা। ৰাণা আৰু মোৰ নতুন গীত ৰচনা কৰাৰ বহুতো পৰিকল্পনা আছিল। ৰাণা আন সুৰকাৰৰ তুলনাত সম্পূৰ্ণ বেলেগ। বৰ মেল'ডিয়াছ সুৰ সৃষ্টি কৰে। কিন্তু সুৰে কি বিচাৰে মোক ক'ব নাজানে। সুৰটো শুনি মইহে সদায় কৈছিলো কোনটো সুৰত কি কথা লাগিব। তাৰ প্ৰথম উদাহৰণ হ'ল 'বৰষা ঋতু' গানটো। সুৰটোত যেনেকৈ কঠিন আৰু কোমলৰ সমাবেশ হৈছে, কথাবোৰো তেনেকৈ সুৰটোৰ লগত মিলাকৈ কঠিন আৰু কোমল কৰিছিলো। তেনেকৈয়ে মোৰ নাম অনিৰুদ্ধ, জীৱনৰ লগন কৰা অনুপম, এইটো প্ৰহৰ শূন্য প্ৰহৰ,

জীৱন নামৰ ময়ূৰে যদি, ছায়াঘন ৰূপালী জোনাক, নিবিড় বনে মাতিছে যা, ইত্যাদি-ইত্যাদি গানৰ সুৰবোৰ শুনি কি ধৰণৰ কথা হ'লে ভাল হ'ব মুহূৰ্ততে মই নিজে ঠিক কৰিছিলো আৰু ৰাণাক বুজাই দিছিলো। তেওঁৰ মোৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা আছিল আৰু মই কোৱা কথা অতি শ্ৰদ্ধাৰে মানি লৈছিল।

কিছুমান গীতৰ কথাই মনত জুমুৰি দি ধৰিছেহি— কিমান যে মোহনীয় সেই স্মৃতিবোৰ!

ধুমুহাত মই থৈ যাওঁ
মোৰ গতি।
এই পৃথিৱীৰ ধূলি উৰুৱাওঁ
বৰ বৰ গছ উভালি পেলাওঁ
সৃষ্টিৰ ন সঁহাৰি বিলাওঁ
পুৰণিক দিওঁ যতি
ধুমুহাত ...।।
মোৰ দুৰন্ত বিশাল প্ৰেমে
অনন্ত আকাশ চুমে
যেন হাজাৰ শ্ৰাৱণে
প্ৰাণলে প্লাৱন আনে
এই জোৱাৰত সৰু-বৰ আদি
যাওক উটি-ভাহি
মই দুৰ্বাৰ বেগে
যাওঁ আগবাঢ়ি
সীমাৰ পৰিধি ভাঙি
মই মৃত্যু নকৰোঁ ভয়
পাছলে নেচাওঁ মই
নতুন দিনৰ সৃষ্টি বিচাৰি
কৰোঁ নৱ প্ৰস্তুতি
ধুমুহাত মই থৈ যাওঁ
মোৰ গতি...

এই বলিষ্ঠ গীতটো লিখিছিলো মই 'বৰ্ষাৰ ঋতু ভাল পাওঁ মই' গীতটো লিখাৰ একে সময়তে। তেতিয়া ধুমুহাৰ বতৰেই আছিল। কিন্তু বাৰিষাৰ ধুমুহাক উপলক্ষ্য কৰি লিখা গীত এইটো নহয়। সামাজিক সমতা দুৰ্নিবাৰভাৱে কামনা কৰিছিল মনে।

'মই এই মাটিৰে ল'ৰা' আৰু 'ধুমুহাত মই'— এই গীত দুটা ৰাণাই লৈ গৈছিল। কৈছিল বৰপেটা ছাৰ্কিট হাউছতে ৰাতিটো থাকিব যেতিয়া তাতে সুৰ দিব। এটাত সুৰ দিব ভূপেনদাই, এটাত দিব ৰাণাই। দুয়োটা গীত গালে ভূপেনদাই বৰ উদাত্ত কণ্ঠেৰে। ৰাণাৰ সুৰত ভূপেনদাই হাত ফুৰাইছিল নে কি? নে গাওঁতেই সুৰটো সলনি হৈছিল, নে ভূপেনদাই নিজেই সুৰটো দিছিল? কথাবোৰ ক'বলৈ ৰাণা আৰু নাই। ভূপেনদা আছে। এই কথাটো মোৰ সোধাও হোৱা নাই। কিন্তু সুৰটো শুনিলে ভূপেনদাৰ সুৰ যেনেই লাগে। ভূপেনদাৰ মনত আছেনে বাৰু?

আৰু এটা মোৰ গীতৰ সুৰ ভূপেনদাৰ সুৰৰ আৰ্হিৰ। পাছে নহয়। সেইটো মুকুল ককাইদেউৰে। গীতটো হ'ল,—

মোৰ মন যায়
বুদ্ধিজীৱীৰ মিছা
ভেমৰ ভুৱা সাজ
খুলি পেলোৱাৰ...

ভূপেনদাৰ কণ্ঠত অপূৰ্ব হৈ উঠা মোৰ আৰু দুটা গীতৰ কথা ভাবিলেই ভাল লাগে। এটা হ'ল,— 'মই এই মাটিৰে ল'ৰা' গীতটো; আনটো হ'ল,—

মই বিচাৰিছোঁ হাজাৰ চকুত
দীপ্ত সূৰ্য শিখা
এই ভয়াৱহ যুগসন্ধিৰ
নাশিবলে বিভীষিকা।।

তেখেতৰ উপস্থাপন কৌশলেৰে গীত দুটা বৰ জীৱন্ত হৈ উঠিছে। প্ৰখ্যাত সুৰশিল্পী হেমেন হাজৰিকা দাদা পুতুলৰ (তুলিকা সেনাপতি) কাৰণে চানমাৰিৰ ঘৰলৈ গান এটা বিচাৰি আহিল। ৰেডিঅ'ৰ বিশেষ প্ৰ'গ্ৰেমৰ কাৰণে। ইতিমধ্যে মুকুল ককাইদেউৰ সুৰত 'অ ফুল, অ ফুল', গীতটো গাই পুতুল বৰ জনপ্ৰিয় হৈছিল। পুতুলৰ মাতটো বৰ মিহি— তেনেই কুমলীয়া কণ্ঠ— সৰু ছোৱালীৰ মাতৰ দৰে। 'অ ফুল অ ফুল'টোও সৰু ল'ৰা-ছোৱালীৰে গীত,—

অ ফুল অ ফুল
নুফুল কিয়?
বগলী এ সবাহলে
নগলি কিয়?

অ মা মা মা
গছবোৰে বাৰু
দিন ৰাতি ধৰি
কিয় হৈ থাকে থিয়
নবহে নোশোৱে
একোকে নকৰে কথাকো নেপাতে কিয় ?
ফুলবোৰে খালি
মূৰ দুপিয়ায়
ঠেহ যে লাগিছে ঠিক বুজা যায়
সিহঁতৰ মাকেনো
ঠেহ নেভাঙেহি কিয়
নবহে-নোশোৱে
একোকে নকৰে কথাকো নেপাতে কিয় ?
পেহী ঔ পেহা
আমলখি কেঁহা
টেকেলীপেটা গোৱিন্দাই
জাল বাওঁগে আহাঁ
আহাঁ আহাঁ আহাঁ
বননিতে বহা
খেলো আমি আহাঁ
কি ?
অলং দলং কৰিছে
ৰজা ৰাণী আহিছে
কপৌ কু কু
কপৌ কু কু...
অ ফুল অ ফুল...।।

সৰু ল'ৰা-ছোৱালী তথা শিশুমনৰ কৌতূহল আৰু অসংলগ্নতাৰ কথা গীতটোত দিয়া কাৰণে, সুৰ বৰ খাপখোৱা হোৱা কাৰণে আৰু গোৱাটোও বৰ সুৱদি হোৱা কাৰণে গীতটো ইমান জনপ্ৰিয় হ'ল যে ক'বলৈ বাকী নাই। শিশুৰ মন বুজি, শিশু মনৰ লগত খাপখোৱা গীত বৰ বেছি আমাৰ নাই। সেয়েহে ডাঙৰ মানুহৰ মনৰ কথা থকা গীত শিশুৱে গাব লগা হয়। এবাৰ এখন মিটিঙত ক্লাছ ফ'ৰৰ ল'ৰা এটাই বিষ্ণু ৰাভাদেৱৰ

'পৰ জনমৰ শুভ লগনত যদিহে এবাৰ হয় দেখা, পূৰাবানে প্ৰিয়ে ..... এই প্ৰেমৰ গীত গোৱা দেখি মোৰ বৰ দুখ লাগিছিল। আয়ে দেহি, সিহঁতে গাব পৰা গীত নাই, কৰিব কি! শিশুসকলে গাব পৰাকৈ মই সেয়েহে কিছুমান গীত লিখিবলৈ আৰম্ভ কৰিছিলো। 'অ ফুল, অ ফুল'টো কোকিলকণ্ঠী ক্লাছিকেল গীতৰ গায়িকা পাৰবীন চুলতানাই বাণীবদ্ধ কৰি অভূতপূৰ্ব সঁহাৰি পাইছিল।

অঁ ক'বলৈ গৈছিলো হেমেনদাৰ কথাহে। তেখেতে গীত বিচৰাত আৰু সেই সময়ত চ'ত মাহ থকাত মই এই গীতটো লিখি দিলো—

চ'তৰে চাপৰিত
বিহুৰে সুহুৰি ৰাঁই জাঁই কৰিলে মনে
নৈৰে যুঁৱলিত
ৰ'দ গা ধুলেহি
কজলা শেলুৰৈ বনে।।
বৰঘৰৰ মূধতে
কপউৰে কুৰুলি
সাইলাখ মদনৰ মাত
থেকেচি ভাঙি যাওঁ
যঁতৰ ঐ চেৰেকী
বন জুই জ্বলিছে গাত
... ইত্যাদি-ইত্যাদি।

এজনী গাভৰু ছোৱালীৰ মনৰ কথা। পুতুল তেতিয়া সঁচাকৈয়ে গাভৰু ছোৱালী।

শিল্পীগৰাকী যি বয়সৰ, সেই বয়সৰ গান লিখি দিলে, তেওঁৰ পঢ়া-শুনা চাই সেই স্তৰৰ ভাষা প্ৰয়োগ কৰিলে শিল্পীগৰাকীয়ে গাওঁতে একাত্ম হয়। শিল্পীজনে কি গাইছে এইটো উপলব্ধি কৰি গালেহে সৌন্দৰ্য ফুটি উঠে। চ'তৰে চাপৰিৰ সুৰ আছিল বনগীতধৰ্মী; কি যে সুৰীয়া, কি যে ধুনীয়া!

অতি জনপ্ৰিয়, অতি উচ্চস্তৰৰ শিল্পী খগেন মহন্তৰ পৰিবাৰ সুকণ্ঠী গায়িকা অৰ্চনা তেতিয়া মহন্ত হোৱা নাছিল। অৰ্চনা ফ্ৰক পিন্ধি জিতেনদাৰ লগত মোৰ চানমাৰিৰ ঘৰলৈ আহিছিল। সেই দিনটো বৰ সুন্দৰকৈ মোৰ মনত আছে। কমনীয় মুখৰ ছোৱালীজনীৰ কণ্ঠত শাস্ত্ৰীয় সংগীতৰ কাজ দেখি মই মুগ্ধ হৈছিলো। তেওঁ ৰেডিঅ'ত প্ৰথমবাৰৰ কাৰণে গান এটা বৰকৈ বিচৰাত তেওঁক লৈয়ে মই সেই গানটো লিখিছিলো—

সুৰৰ আকাশত
হ'লো মে মই দিশাহাৰা
... ...
বৈ যাব খোজা
মই যে এধানি নদী
ফুলিব যে খোজা
মই যে এধানি কলি...

গানটোৰ কথাবোৰ পাহৰিছোঁ যদিও এইটো মনত আছে যে অৰ্চনাৰ কুমলীয়া মনৰ তথা শিল্পীৰ বাসনা থকা প্ৰতিগৰাকী কিশোৰীৰে মনৰ কথা গীতটোত ফুটাই তুলিব খোজা হৈছিল। গানটো অৱশ্যেই জিতেনদাৰ সুৰৰ ওপৰত লিখা হৈছিল।

খগেনে গোৱা 'পীৰিতি, পীৰিতি'ৰ জনপ্ৰিয়তাও কি কম! পাহাৰ-ভৈয়ামৰ সম্প্ৰীতি সেই গীতটোত সচেতনভাৱে দিছিলো। খগেনে সুৰ দিয়া কিন্তু মোৰ প্ৰথম গীতটো মোৰ বৰ প্ৰিয়—

মোৰ মন যায় ৰিক্ত মৰুৰ বুক
সিক্ত বৰ্ষা হৈ শ্যামল কৰাৰ
মোৰ মন যায় এজাক বতাহ হৈ
দেশৰ সীমাবোৰ মচি পেলোৱাৰ।
মোৰ মন যায় দুকাষৰ দুখনি
গাঁৱৰ মাজেদি বোৱঁতী নৈত
দলং গঢ়াৰ
আৰু দুডালি মূৰৰ চুলি
চেনেহ জৰীৰে বান্ধি
এডালি কৰাৰ।
মোৰ মন যায়
পথাৰ ভৰি থকা
সৰু-সৰু আলি চূৰ্ণ কৰাৰ
আৰু ৰিক্ত হৃদয়বোৰৰ
সকলো দৈন্য মই পূৰ্ণ কৰাৰ।।

এখন ঘৰ, এখন পথাৰ — তাত কোনো সীমাৰ ভেদাভেদ, বিভেদ নাই— কিমান যে সুন্দৰ হ'লহেঁতেন এই পৃথিৱীখন!

পজিটিভ স্বপ্ন, পজিটিভ চিন্তা, পজিটিভ কল্পনা থাকিলেহে জীৱনলৈ আশা আছে,

হতাশা আঁতৰি যায়। সুন্দৰ চিন্তা কিছুমানেই ব্যক্তিগত জীৱন, সামাজিক জীৱন সুন্দৰ কৰে—

অলপ হাঁহি, অলপ অশ্রু
অলপ নুবুজা ডাৱৰ
এয়ে পৃথিৱীৰ সেউজী দূবৰি
যাউতিযুগীয়া সাঁথৰ।।
এই মাটিতেই ৰচিম স্বৰ্গ
অশ্রু দুহাতে মচি
মাটিৰ মটীয়া ৰহণ গুচাম
প্ৰাণৰ পাপৰি সিঁচি
সাহসৰ সেতু বান্ধিম থাকিলে
ভয়-বেদনাৰ সাগৰ
জীয়াই থকাত আছে শিহৰণ
মৃত্যু মানেই শেষ
পুনৰ জনম আছে বা নাই
নাজানো সিখন দেশ
মাথোঁ পণ আছে ৰক্তবীজৰ
সংঘাতে নানে ভাগৰ।।

'ৰক্তবীজ' এনে এক শক্তি— এটোপা ৰক্ত মাটিত পৰিলেই পুনৰায় সেই ৰক্তৰপৰাই অমোঘ এক শক্তি উৎপন্ন হয়।

ওপৰৰ গীতটোত জয়ন্তই সুৰ দিছিল— এক বলিষ্ঠ সুৰ। প্ৰতিটো গীততে একোটা 'মেছেজ' থকাটো মই নিজে বাঞ্ছা কৰোঁ। যিজনে গাব তেওঁতো উদ্দীপিত হ'বই, শ্ৰোতাসকলো উদ্দীপিত হ'ব লাগিব। সমাজ সলনি কৰাত সাহিত্যৰ প্ৰভাৱ তাতেই। এইবোৰ কাৰণেই দৰদী শিল্পী ড° বীৰেন্দ্ৰ নাথ দত্তৰ সুৰ আৰু কণ্ঠত প্ৰাণ পাই উঠা সেই গীতটো লিখিছিলো,—

সীতা বনবাস কিমান চাবানো
লংকা কাণ্ডই বঢ়িয়া হ'ব
ভাওনাৰ বাবে নাট কিয় লাগে
মনৰ কথাৰেই বচন হ'ব।
ৰামৰ বাবে মুকুট বিচাৰি
নেলাগে নেলাগে দূৰলৈ যাব

ঘৰে-ঘৰে আছে অশ্ৰুৰ মণি
শিৰত পিন্ধিলে কিৰীটি হ'ব
শান্তি সীতাক হৰিছে ৰাৱণে
ৰাৱণ বধৰহে ভাওনা হ'ব।।
ৰিক্ত তিক্ত ভগ্ন হৃদয়ে
গঢ়িছে অস্ত্ৰ নিয়াৰিকৈ
হাজাৰ জনৰ কামনাই আজি
দিছে ফুল সিঁচি নেদেখাকৈ
কঁকালত সাহসৰ টঙালি লৈ
মাথোন সেনানী সাজিলে হ'ব.....

এইটো এটা ৰূপক গীতহে। গীতটোত ওলাই থকা অৰ্থৰ ভিতৰ তৰপত আৰু এটা ব্যঞ্জনা আছে। বুজাই নিশ্চয় বুজিব যে নামঘৰ এটাত 'সীতা বনবাস' ভাওনা এখন পতাৰ কথাই কোৱা হোৱা নাই।

তেনেকৈয়ে 'মোৰ নাম অনিৰুদ্ধ' গীতটোতো দ্বাপৰ যুগৰ অনিৰুদ্ধৰ কথাকে কোৱা হোৱা নাই।

মোৰ নাম অনিৰুদ্ধ
এক অপৰূপ সৌন্দৰ্য স্বপ্নই
মোক কৰি থৈছে মুগ্ধ।
এক ৰমণীয় উষাৰ পোহৰে
উন্মনা মোক কৰে
সীমাৰ পৰিধি সমাজৰ বিধি
ভাঙি-ছিঙি গতি লৰে—
দুৰ্গম এক পথ পৰিক্ৰমি
আনিম ৰশ্মি দীপ্ত।।
প্ৰতি জনতাৰ প্ৰাণৰো প্ৰাণত
ময়েই লুকাই আছোঁ।
সময় চিত্ৰলেখাই মাতিলে
অৰূপ সাজেৰে সাজোঁ
মোৰ দুৰ্বাৰ গতিক কোনোৱে
কৰিব নোৱাৰে ৰুদ্ধ
সেয়ে মই অনিৰুদ্ধ।

জ্যোতিপ্ৰকাশ দাস (জেপি) এজন তীক্ষ্ণ বুদ্ধিৰ সুৰকাৰ। তেওঁ মোৰ বহুতো গীতৰ অনন্য সুৰ প্ৰদান কৰিছে। 'মোৰ গাঁৱৰ নাম সোণবৰণী', 'নদীৰ নাম যে লাহী' (কুল বৰুৱাৰ কণ্ঠত পৰিবেশিত), 'মোৰ মিনতি তৰা হয় যদি' (জয়ন্ত হাজৰিকাৰ কণ্ঠত), 'আজি পলাশ ডালত বৈ' (দেৱযানী দাসৰ কণ্ঠত), 'দুখে যেতিয়া দুয়োটি চকুত টলমল মোৰ কৰে' (হীৰা দাসৰ কণ্ঠত) অতি মৰ্মস্পৰ্শী।

'শ্ৰীমতী মহিমাময়ী' ছবিখনৰ আটাইকেইটা গীত মই লিখিছোঁ। সংগীত পৰিচালনাত আছিল কুল বৰুৱা আৰু অতুল মেধি। কুল-অতুলে সুৰ দিয়া এই ছবিখনৰ এটা গীত ভূপেন হাজৰিকায়ো গাইছে। পুলক বেনাৰ্জীয়ে গোৱা এই ছবিৰে গীত—

জীৱনে বিচাৰে কি
দুচকুত থকা নীল গভীৰতা
হৃদয়ত থকা গভীৰ মমতা
তাকেই বিচাৰে কি— বৰ মৰ্মস্পৰ্শী হৈছিল। এইখন ছবিৰে ডলী ঘোষে গোৱা 'নীলা আকাশৰ ৰূপোৱালী পৰী, জিএৱাৰে দুখনি পাখি' অসম্ভৱ জনপ্ৰিয় হৈছিল। সেইদৰে ডিব্ৰুগড়ৰ সান্ত্বনা বৰুৱা! কি অপূৰ্ব কণ্ঠ সান্ত্বনাৰ! সুৰকাৰ, গীতিকাৰ হেমন্ত গোস্বামীৰ সুৰত দৰদী, বাঁহীৰ দৰে মিহি কণ্ঠৰ সান্ত্বনাই যেতিয়া গান গায়, এক বেলেগ পৰিৱেশ যেন সৃষ্টি হয়। সান্ত্বনাই মোৰো বহুত গীত প্ৰাণ দি গাইছে। তাৰ ভিতৰত 'হে অনুপম, হে প্ৰিয়তম' (বৰ্ষা ঋতুক লৈ লিখা) এই গীতটো কি যে মাদকতাপূৰ্ণ!

সান্ত্বনাৰ প্ৰতিভা বহুতো শিল্পীতকৈ বহুতো ওপৰত আছিল। ভবেন বৰঠাকুৰৰ সহায় দীপালীয়ে অহৰহ পোৱাৰ দৰে সান্ত্বনায়ো যদি পালেহেঁতেন! অতি প্ৰতিভাশালী শিল্পী সংগীতা বৰঠাকুৰে এতিয়া খুৰাৱক ভবেন বৰঠাকুৰৰ সুৰৰ সাহায্য সস্নেহে লাভ কৰিছে।

সুৰৰ ওপৰত গান লিখাৰ কৌশলৰ কথা লিখিবলৈ মোক ভালপোৱা অজস্ৰজনৰ অনুৰোধ। এইবোৰ কথা ঠিক লিখি বুজোৱা কথা নহয়। তথাপি সামান্য আভাস দিবলৈ চেষ্টা কৰিছোঁ।

প্ৰথম কথা কাণখন বৰ শ্বাৰ্প হ'ব লাগে। সুৰটোৰ ভিতৰলৈ সোমাই যাব জানিব লাগে। সুৰৰ ভাষাৰেই সুৰটোৱে কিবা কয়। তুমি তাকে কথালৈ ৰূপান্তৰিত কৰিব লাগে। কিন্তু কথা বহুউৱাটোও ধেমালি কথা নহয়। সুৰ এটাত ছন্দ, তাল, লয় থাকে। চিনেমা হ'লে তাৰ ছিকুৱেঞ্চ থাকে, প্ৰহৰ থাকে। চৰিত্ৰটোৰ মুখত ছফিষ্টিকেটড কথা শুৱাব নে নাই মানে ৰজিতা খাবনে নাই সেই কথাত অত্যন্ত সচেতন হ'ব লাগিব। গাঁৱৰ নপঢ়া-নুশুনা মানুহৰ মুখত ৰোমাণ্টিক সাহিত্যৰ ভাষা দিব নোৱাৰি। তেনেকৈ চৰিত্ৰটোৱে কিমানলৈকে পঢ়া-শুনা কৰিছে, মানসিক ষ্টেণ্ডাৰ্ড কেনে সেই কথাও

জানিব লাগিব। শব্দ প্ৰয়োগ যথাৰ্থ হ'ব লাগিব। এইবোৰ হ'ল প্ৰাথমিক কথা।

যদি সুৰটো বিহুসুৰীয়া, তেন্তে তৎক্ষণাৎ মনলৈ সেই পৰিৱেশ আনি ল'ব লাগিব। ভৰ বাৰিষাতো বা ঠেঁটুৱৈ ধৰা জাৰতো বিহুৰ কথা লিখিবলগীয়া হয়। তেতিয়া পৰিৱেশটো মনেৰেই কল্পনা কৰি ল'ব লাগিব। যদি ছিকুৰেঞ্চুটো ৰাতিৰ হয় তেতিয়া হ'লে ৰাতিৰ পৰিৱেশৰ (প্ৰয়োজন সাপেক্ষে) কল্পনা কৰিব লাগিব।

এতিয়া কথা আহিল তাল তথা ছন্দৰ। কি তাল, কি ছন্দৰ সুৰ এইটো? দাদৰা, খেমটা, কাহাৰবা, ৰূপক আদি তালৰ উপৰিও বহুতো মিশ্ৰ তাল থাকে। কাণ আৰু মন সুতীক্ষ্ণ হ'লেহে সুৰৰ ভাষা বুজা যায়। ভাৰতীয় শাস্ত্ৰীয় সংগীত, পাশ্চাত্য শাস্ত্ৰীয় সংগীত অথবা পৃথিৱীৰ বিভিন্ন দেশৰ লোকগীতৰ আধাৰ কৰি সুৰবোৰৰ সৃষ্টি কৰা হয়। তাৰ মাজতে শত সহস্ৰ ৰূপান্তৰ ঘটোৱা হয়, ব্লেণ্ড কৰা হয়। অৱশ্যেই সুৰকাৰৰ ক্ষমতা অনুসাৰে।

আজিকালি এটা অস্থায়ী আৰু দুটা অন্তৰাৰেই আধুনিক গীত এটাৰ অৱয়ব হয়। সঞ্চাৰী প্ৰায় নোহোৱাই হৈছে।

আধুনিক গীত চাবলৈ গ'লে অভিনয়প্ৰধানেই। মুখ বা মোখ্ৰা সদায় Catchy হ'ব লাগে। তৎক্ষণাৎ শ্ৰোতাক আকৰ্ষণ কৰিব পৰা বিধৰ। তাতেই গীতিকাৰৰ প্ৰথম সাৰ্থকতা।

এতিয়া কথা বহুউৱা কথাটোলৈ আহিছোঁ। এটা শাৰীত জানিবা আঠটা আখৰ লাগে। এই আঠটা আখৰৰ ৰূপ কেনেকুৱা হ'ব? একে সাতেও আঠ হয়, ছয়ে দুয়েও আঠ হয়, পাঁচে তিনিয়েও আঠ হয়, চাৰিয়ে চাৰিয়েও আঠ হয়, সাতে একেও আঠ হয়। এতিয়া সুৰটোৱে কোনটো বিচাৰিছে? সেইকথা কাণখনে ক'ব, তালটোৱে ক'ব। এতিয়া এটা উদাহৰণ দিওঁ,— এই যে ডা. বেজবৰুৱা ছবিৰ—

'কি নাম দি মাতিম?

মাতিম তোমাক' গীতটো। মনত আছে নহয়? এই যে প্ৰথমতে 'কি' বুলি দিলো তাৰ ঠাইত যদি 'কিনো' দিওঁ, তাল কটা যাব। 'তোমাক' তিনিটা আখৰৰ। এই তিনিটা আখৰেই লাগিব। চুলিডালো বঢ়াব নোৱাৰি, চুলিডালো কমাব নোৱাৰি। 'আ' যদি সুৰে বিচাৰে— 'আ'ই লাগিব, তাৰ ঠাইত 'ই' হ'ব নোৱাৰে। কিন্‌কিন্ বৰষুণৰ ঠাইত ধাৰাসাৰ বৰষুণ হ'ব নোৱাৰে। সুৰটোত কিন্‌কিন্‌হে খাপ খাব। গানটোত মেজাজ, থ্ৰয়িং এইবোৰ কথাও থাকে। থ্ৰয়িঙৰ সুবিধাও গীতিকাৰেই দিব লাগিব।

গীত লিখা, কবিতা লিখা একে কথা নহয়। গীতকাৰজন নিজে গান জনা শিল্পী হ'লে বহুত কথাত সুচল হয়। এই কথাটোকে এখুদ ককাইদেৱে (নৱকান্ত বৰুৱাই) কৈছিল,— "নীলা, তই সুৰত গীত লিখাত ওস্তাদ হ'লি। মই কিন্তু নোৱাৰিলো। মই

গান গোৱা মানুহ যে নহয় সেইকাৰণেই।”

গীতবোৰৰ নেপথ্যৰ কত যে কথা! লিখি গৈ থাকিলে অন্ত নাই— যেন মহাভাৰত এখনেই হ'বগৈ। ডেৰ হাজাৰতকৈ বেছি গীত। কিমান কথাই যে মনলৈ আহিছে। পাছে থাওক আৰু ইমানতে। অন্য কথাবোৰ লিখিবলৈ আছেই নহয়!

চাবলৈ গ'লে সৃষ্টিধৰ্মী সাহিত্যত, উদাহৰণস্বৰূপে গীত আৰু কবিতাৰ কথাই কৈছোঁ, নিজৰ চেতন-অৱচেতন, মগ্নচেতনৰ তৰপবোৰেই জলছবিৰ দৰে উঠি আহে। দেখিলে, শুনিলে, পালে যিবোৰ অভিজ্ঞতা হয় আৰু সেই অভিজ্ঞতাই যি উপলব্ধি দিয়ে সেয়েহে জীৱন, সেয়েহে সাহিত্য। জীয়াই থকাৰ নামেইতো জীৱন নহয়— যদিহে উপলব্ধি নাথাকে! জীয়াই থকাৰ আনন্দ উপলব্ধিতহে। মানুহ আহাৰেৰে জীয়াই নাথাকে, কাপোৰেৰে জীয়াই নাথাকে, প্ৰাচুৰ্যৰেও জীয়াই নাথাকে— যদিহে নাথাকে উপলব্ধি। সামাজিক বৈষম্য, মানুহে মানুহক কৰা উৎপীড়ন, নিষ্ঠুৰতা দেখি, অদৃষ্টৰ পৰিহাস দেখি, যদি নাকান্দিলো, আৰ্ত মানৱাত্মাৰ হাহাকাৰেই যদি শুনিবলৈ নিশিকিলো, মোৰ অন্তৰ যদি শোকত তিতি নাথাকিল, মোৰ কিবা উপলব্ধি হ'লনে? মই কেউকাষৰ সকলো তৰপৰ দুখত কান্দিব পাৰিব লাগিব, সহস্ৰজনৰ আনন্দত অন্তৰ উজাৰি হাঁহিব পাৰিব লাগিব, মোৰ দেহটো সত্য নহয়। আত্মা আৰু মনটোহে সত্য। মোৰ আত্মাৰ সামান্য পোহৰ যদি অনন্ত পোহৰৰ প্ৰতি উদ্বাউল হৈছে, মোৰ মন যদি মানৱাত্মাৰ মুক্তিৰ (বিবিধ যন্ত্ৰণাৰপৰা) কাৰণে উধাও হৈছে তাতেই মোৰ জীৱনৰ সাৰ্থকতা। মোৰ একোটা গীতৰ কলিয়ে যদি উচ্চস্তৰৰ অকণ পোহৰৰ বতৰা দিব পাৰে মাদকতাময় অকণ সুবাস বিলাব পাৰে, সামান্যৰ মাজতে থকা অসামান্যক চিনাব পাৰে, প্ৰকৃতিৰ মাজত থকা ৰহস্য আৰু ঐশ্বৰ্যৰ বাতৰি দিব পাৰে জীয়াই থকাটোকে ধন্য নকৰিবনে? আমি যেতিয়া জীয়াই থাকিবই লাগিব আহা, অৰ্থপূৰ্ণভাৱে, সমূহৰ সুখ-দুখ নিজৰ বুকুলৈ আনি জীয়াই থাকোঁ।

এই যে গানবোৰত মই 'মই' বুলি লিখোঁ সেয়া জানো কেৱল ব্যক্তিগত মই? মানুহে কিয় নুবুজে যে সাহিত্যিকে সমষ্টিৰ কথাহে কয়, ব্যক্তিবিশেষৰ কথা নকয়। সাহিত্যিকজনে যুগ মানসতাৰহে প্ৰতিনিধিত্ব কৰে। যেনে—

(ক) মই এই মাতিৰে ল'ৰা
হৈছিলো অঘৰী, মাটিৰ মোহ এৰি
দিছিলো ভাওনাৰ চং
আই মই কৰিছোঁ পণ...

(খ) মই যে এজনী নতুন বোৱাৰী
এয়া অচিনাকি ঘৰ

খহি-খহি পৰে মূৰৰ ওৰণি
নতুন আমনি বৰ...

(গ) মোৰ নাম অনিৰুদ্ধ
এক নতুন সৌন্দৰ্য স্বপ্নই
মোক কৰি থৈছে মুগ্ধ

(ঘ) মই বিচাৰিছোঁ হাজাৰ চকুত
দীপ্ত সূৰ্য শিখা
এই ভয়াবহ যুগসন্ধিৰ
নাশিবলে বিভীষিকা

(ঙ) ৰ'দে পোৰা এই মৰুত নাই
এধানি ছাঁ
গছ-বন জ্বলি ছাই হ'ল নাই
এধানি ছাঁ

(এই মৰুভূমি শোকদগ্ধ কাৰো ব্যক্তিগত মৰুভূমি নহয়— এই মৰুভূমি মূল্যবোধ পুৰি ভস্ম হৈ যোৱা, দুষ্কৃতিয়ে তপ্ত কৰা মৰুভূসদৃশ যুগটোৰ প্ৰতীকহে।)

একোজন কবিয়ে সকলোৰে মনৰ কথা 'মই' 'মোৰ' বুলিয়েই কয়। তৰপে-তৰপে থকা ব্যঞ্জনা ধৰিব নোৱাৰিলে গীত বা কবিতাৰ সৌন্দৰ্য আৰু অৰ্থ বুজিব নোৱাৰি। গীত একোটা কালজয়ী এনেয়ে নহয়।

'সোণৰ খাৰু নেলাগে মোক বিয়াৰ বাবে আই' গীতটোত মই এজনী ছোৱালীৰ মনৰ কথাই কৈছোঁনে? গহনা আৰু দামী কাপোৰকে বিয়াৰ মূল কথা, মূল সম্পদ বুলি ভবা প্ৰতিজনী ছোৱালীয়ে ভাবিব পাৰিব লাগিব এইবোৰৰ তুচ্ছ প্ৰয়োজনীয়তা। নতুন ঘৰ এখনক চেনেহৰ জৰীৰে বান্ধিব পৰা মন এটা, আনৰ সেৱাত উচৰ্গিব পৰা সংকল্প এটাহে বিয়াৰ দিনাৰ আচল সাজ। পিতৃ-মাতৃয়ে সোণৰ গহনাৰে ছোৱালীজনী নসজাই, হীৰা-মুকুতাৰ দৰে বাখৰ পতোৱা শুভ-চেতনাৰেহে ছোৱালীজনীৰ মূল্য বঢ়াব লাগে। মাতৃৰ সৎ আদৰ্শৰ ছবিখনেই ছোৱালীজনীৰ সাতসৰী হৈ জিলিকি থাকিব। সততা, শুচিতা, পবিত্ৰতাইহে বিয়াৰ কইনাৰ আচল সাজ। এনেকৈয়ে হিন্দু বিয়া একোখনৰ উদ্দেশ্যপূৰ্ণ, মহত্ত্বপূৰ্ণ ৰূপটো মই তুলি ধৰিছিলো। গানটো যিজনী ছোৱালীয়েই গাব সেইজনী ছোৱালীৰে মনৰ কথা হৈ পৰিব। এনেকৈয়ে সমাজ একোখন উচ্চ আদৰ্শমুখী হ'ব— এইবোৰেই অন্তৰালৰ কথা।

১৯৬১ চনত দেউতাৰ প্ৰষ্টেট গ্লেণ্ড এনলাৰ্জমেণ্ট অপাৰেশ্যন ডিব্ৰুগড়ৰ অসম

মেডিকেল কলেজত কৰাৰ পাছৰেপৰা পেৰালাইছিছ হোৱাৰ বাবে খেতিবাতি, ঘৰ চম্ভালিবৰ বাবে শিৱসাগৰৰ ঘৰত এটা ল'ৰাৰ নিতান্ত প্ৰয়োজন হোৱাত ডাঙৰ ভাই সোণক শিৱসাগৰলৈ পঠাব লগা হ'ল। অৱশ্যে সেই সময়ত সি গুৱাহাটী বিশ্ববিদ্যালয়ত বি. কম.ৰ শ্ৰেণীবোৰ উঠাই দিয়াৰ বাবে বি. কম. পঢ়িবলৈ ডিব্ৰুগড়ৰ কানৈ কলেজলৈ যাব লগা হৈছিল। সেয়েহে সি ১৯৬২ চনত ডিব্ৰুগড়লৈ পঢ়িবলৈ গ'ল যদিও শিৱসাগৰলৈ প্ৰায়ে আহি ঘৰৰ দায়িত্ব চম্ভালিছিল। এইবাৰ প্ৰেছটো চলাবলৈ সৰু ভাই মুনুৱে দায়িত্ব ল'লে। ময়ো দুবেলা কলেজ কৰাৰ মাজতে প্ৰেছটোও চোৱা-মেলা কৰোঁ। অভাৱ-অনাটনৰ মাজেৰেই কোনোমতে প্ৰেছটো চলাই নিব লগা হ'ল। মূলধনৰ অভাৱৰ কাৰণে মাজে-মাজে প্ৰেছটো বিক্ৰি কৰি দিয়াৰ কথা মনলৈ আহিলেও বিছনাত পৰি থকা অসহায় দেউতাৰ কথা ভাবি সেই চিন্তা মনৰপৰা আঁতৰাই থওঁ। প্ৰেছৰ আৰ্থিক অৱস্থাৰ কথা দেউতাই মনত দুখ পাব বুলিয়েই দেউতাক জনোৱা নাছিলো।

১৯৬৫ চনত মুনুৱে বি. এ. পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিক আইনত নাম লগালে। মোৰ ছোৱালী স্বপ্নাই কটন ছাত্ৰীনিবাসত থাকি কটন কলেজত বি. এছ. চি. পঢ়ি আছে। প্ৰেছটো তেতিয়া আৰ্থিকভাৱে অতি দুৰ্দশাগ্ৰস্ত হ'লেও, প্ৰেছটোকে কেন্দ্ৰ কৰি সেই সময়ত এক সাংস্কৃতিক পৰিৱেশ আমাৰ ঘৰত গঢ় লৈ উঠিছিল। নাটকৰ অনুবাদ, খুহুটীয়া ৰচনা আদি লিখি অসমৰ সাহিত্য জগতত জনপ্ৰিয়তা অৰ্জন কৰা বৰ্তমানৰ চিত্ৰ সাংবাদিক পবিত্ৰ ডেকাই ১৯৬৪ চনমানত 'নক্সা' নামেৰে এখন আলোচনী আমাৰ প্ৰেছৰপৰা উলিয়াইছিল। ডা. দীননাথ শৰ্মাৰ সম্পাদিত 'আৱাহন' আলোচনীখনো ১৯৬২ চনৰপৰা আমাৰ প্ৰেছতে ছপাইছিল। উচ্চ মানসম্পন্ন এই আলোচনী দুখনৰ কামত বহুতো খ্যাত-অখ্যাত সাহিত্যিক, লেখক প্ৰেছলৈ আহিছিল। এইসকলৰ মাজত প্ৰেছৰ অফিচ ক্ৰমতে নানাধৰণৰ সাহিত্য চৰ্চাও হৈছিল। হৰেন ৰাজখোৱা নামৰ টীয়কৰ ল'ৰা এজন মুনুৰ কলেজৰ সহপাঠী আছিল। কোনো কামতে পিছ নপৰা এই ল'ৰাজনে গুৱাহাটীতে উজনি অসমৰ ডেকা-গাভৰু গোটাই এটা বিহুৰ দল গঠন কৰি প্ৰেছ ছুটীৰ পাছত ৰাতি-ৰাতি বিহুৰ সময়ত প্ৰায়ে আখৰা কৰিছিল। দলটোৰ আখৰা, সাজ-পোছাক ময়ে চাই-চিতি দিব লাগিছিল। বিভিন্ন ঠাইত বিহুৰ হুঁচৰি প্ৰদৰ্শন কৰি দলটোৱে বেচ নাম অৰ্জন কৰিছিল। তেওঁৰ দলটোত জয়া শইকীয়া, দিলীপ গগৈ, খগেন বৰা, সোণেশ্বৰ চুতীয়া আদি কেইবাজনো বিহু নাচ আৰু গীতত পাৰদৰ্শিতা থকা ল'ৰা-ছোৱালী আছিল। বিহু শেষ হোৱাৰ পাছত সকলোৱে মিলিজুলি আমাৰ ঘৰতে ভোজ-ভাতো খাইছিল।

১৯৬৮ চনত গুৱাহাটীত প্ৰথম সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ এটা প্ৰশিক্ষণ আৰু গৱেষণাৰ অনুষ্ঠান সঙ্গীত সত্ৰ ড° মহেশ্বৰ নেওগৰ সভাপতিত্বত আমি প্ৰতিষ্ঠা কৰিলো।

সংগীত সত্ৰৰ কাৰ্যনিৰ্বাহক সমিতিত মোৰ বাহিৰেও ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, যোগেশ দাস, নৰেন শৰ্মা, অতুল বৰুৱা, ড° বীৰেন্দ্ৰনাথ দত্ত, ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, কেশৱ চাংকাকতি, ৰসেশ্বৰ শইকীয়া, চাৰু মহন্ত আদি ভালেকেইজন সংস্কৃতিবান লোক আছিল। শনিবাৰ আৰু দেওবাৰে চানমাৰি কলনিত অৱস্থিত অসম একাডেমি ফৰ কালচাৰেল ৰিলেশ্যনছৰ ভৱনত সংগীত সত্ৰৰ প্ৰশিক্ষণৰ শ্ৰেণীসমূহ চলাই থকা হৈছিল। মাজুলীৰ কমলাবাৰীৰ সত্ৰৰ সত্ৰীয়া নৃত্যৰ বৰবায়ন ৰসেশ্বৰ শইকীয়াই আৰম্ভণিতে অনুষ্ঠানত ভৰ্তি হোৱা কেইটামান ল'ৰা-ছোৱালীক সত্ৰীয়া নৃত্যৰ শিক্ষা দিছিল। ৰসেশ্বৰ শইকীয়া আহিছিল তেতিয়া গুৱাহাটীত নতুনকৈ স্থাপন কৰা 'ছংছ এণ্ড ড্ৰামা'ৰ নৃত্য শিল্পীৰ বাবে ইণ্টাৰভিউ দিবলৈ। কিবা কাৰণত ইণ্টাৰভিউ দিয়া নহ'ল। আমিও ইতিমধ্যে গুৱাহাটীত সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ এটা প্ৰশিক্ষণৰ অনুষ্ঠান খোলাৰ কথা ভাবিয়েই আছিলো। অনুষ্ঠানটোও হওক আৰু ৰসেশ্বৰ শইকীয়াৰ গুৱাহাটীত এটা কৰ্মসংস্থানো হওক বুলি আটায়ে ভাবি এখন সভা আহ্বান কৰি ড° নেওগক সভাপতি পাতি, এখন কাৰ্যকৰী সমিতি গঠন কৰি অনুষ্ঠানটো স্থাপন কৰা হ'ল। যোগেশ দাসে অনুষ্ঠানটোৰ নাম ৰাখিলে সংগীত সত্ৰ। আৰম্ভণিতে অনুষ্ঠানটোত শিকাৰু ল'ৰা-ছোৱালী কম হোৱাৰ বাবে মাচুলৰ বাবদ উঠা টকাৰে ৰসেশ্বৰ শইকীয়াৰ চলিবলৈ অসুবিধা হ'ল। মই সদায়ে তেখেতক চাহ-জলপান আৰু ভাত-পানী খুউৱাৰ উপৰিও মাজে-মাজে হাতখৰচৰ বাবে টকা দিছিলো। মোৰ ছোৱালী স্বপ্নাক (তেতিয়া তাই বি. এছ. চি. পঢ়ি আছিল) সত্ৰীয়া নৃত্য শিকাবলৈ তেখেতক মাহেকীয়া বন্দবস্তিত নিয়োগ কৰিছিলো যাতে মানুহজনৰ গুৱাহাটীত চলি থাকিবলৈ অসুবিধা নহয়। লগতে আমাৰ সংগীত সত্ৰৰ দহজন কাৰ্যনিৰ্বাহক সদস্যই প্ৰতিমাহে গাইপতি দহ টকাকৈ দি মুঠ এশ টকা কৰি তেখেতক গাঁৱৰ ঘৰলৈ পঠাবলৈ দিছিলো। এইখিনি টকা যথেষ্ট নহয় কাৰণে, লগতে সত্ৰীয়া নৃত্যৰ প্ৰচাৰৰ কাৰণেও গুৱাহাটীৰ ৰিফাইনেৰি, জালুকবাৰী, শান্তিপুৰ, দিছপুৰ আদি বিভিন্ন স্থানত সঙ্গীত সত্ৰৰ শাখা স্থাপন কৰি, নাচ আৰু বৰগীতৰ স্কুলো পাতিছিলো। ইয়াৰদ্বাৰা সত্ৰীয়া নাচ শিকিব খোজা ল'ৰা-ছোৱালী আৰু তেওঁবিলাকৰ অভিভাৱক উপকৃত হৈছিল। পাছলৈ গৈ মঙলদৈতো সত্ৰীয়া নাচ-গীতৰ স্কুল স্থাপন কৰি সংগীত সত্ৰৰ প্ৰসাৰ ঘটাইছিলো। এই স্কুলবোৰত সত্ৰীয়া গীত-নৃত্য শিকিবলৈও ল'ৰা-ছোৱালী যথেষ্ট হৈছিল। মণিপুৰী, কথক, ভাৰত নাট্যমৰ ঠাই লৈছিল ক্ৰমান্বয়ে সত্ৰীয়া নৃত্য-গীতে। সংগীত সত্ৰৰ ছেক্ৰেটেৰি মুনুৰ অশেষ পৰিশ্ৰমত সংগীত সত্ৰৰ অধীনত গোটেই অসমত সত্ৰীয়া নৃত্য-গীতৰ স্কুলবোৰৰ (সংগীত সত্ৰৰদ্বাৰা affiliated) বাৰ্ষিক পৰীক্ষাবোৰ গাম্ভীৰ্য আৰু মৰ্যাদাৰে সম্পন্ন হৈছিল। অনুষ্ঠানটো ভাগি নাযাবৰ বাবে আমি যিমান পাৰোঁ চেষ্টা কৰিছিলো। মোৰ

ভাই টুটু আৰু মুনুৱেও সংগীত সত্ৰৰ সকলো কামতে সহায়ৰ হাত আগবঢ়াইছিল।

এইদৰে চাৰি বছৰমান যোৱাৰ পাছত মুনুক (প্ৰদীপ বৰদলৈ) ১৯৭৩ চনমানত আমি আটায়ে অতি জোৰ কৰি ধৰি সংগীত সত্ৰৰ সাধাৰণ সম্পাদক পাতিলো। সি সাধাৰণ সম্পাদক হোৱাৰ পাছতে ঠিক কৰা হ'ল যে সংগীত সত্ৰই ৰবীন্দ্ৰ ভৱনত এখন ভাওনা কৰিব। আমি সকলো উৎফুল্ল হৈ পৰিলো। শ্ৰীমন্ত শংকৰদেৱৰ অংকীয়া নাট পাৰিজাত হৰণ ভাওনাখনকে নিৰ্বাচন কৰা হ'ল। আমি ঠিক কৰিছিলো যে চহৰত যেতিয়া ভাওনাখন কৰা হ'ব, দৰ্শক আৰু সময়লৈ মন দিব লাগিব। সেয়েহে গাঁৱত ওৰে ৰাতি ভাওনা কৰাৰ দৰে নকৰি বাজনাবোৰ চুটি কৰি আৰু সংলাপৰ সম্পাদনা কৰি মঞ্চত উপস্থাপন কৰিব লাগিব। সাজ-পোছাকতো সত্ৰীয়া পৰম্পৰা ভংগ নকৰি বৰ্তমানৰ পৰিস্থিতি আৰু পৰিৱেশৰ লগত খাপ খোৱাকৈ সামান্য অদল-বদল কৰি ব্যৱহাৰ কৰিব লাগিব। নিজৰাপাৰ এল. পি. স্কুলত ৰসেশ্বৰ শইকীয়াৰ পৰিচালনাত আৰু ৰুদ্ৰ বৰুৱাৰ সংগীত পৰিচালনাত আখৰা আৰম্ভ হ'ল। নেওগ ছাৰ আৰু মই আখৰা আৰম্ভ হোৱাৰপৰা শেষলৈকে সংলাপ, ভাও, বাজনা, সাজ-পোছাক আদিত চকু দিছিলো। তাতোকৈও আমোদজনক কথা হৈছিল, ভাওনাখনৰ বাবে টিকেট বিক্ৰি কৰাৰ। উৎসাহত যেয়ে যেনেকৈ পাৰে টিকেট বিক্ৰি কৰিছিল। মই, নেওগ ছাৰ আৰু দুজনীমান ছোৱালী লৈ চৰকাৰী অফিচবোৰত টিকেট বিক্ৰি কৰিছিলোগৈ। সাধাৰণ সম্পাদক হৈ মুনুৱেও বৰ পৰিশ্ৰম কৰিছিল। আখৰালৈ গাড়ীৰে ভাৱৰীয়া, গায়ক-গায়িকা, বাদক আদিক তেওঁলোকৰ ঘৰৰপৰা অনা, আখৰা ভগাৰ পাছত ৰাতি বাৰ-এক বজাত ভাগে-ভাগে থ'বলৈ যোৱা, চাহ-মিঠাই খুউৱা আদি কামত ব্যস্ত হৈ আছিল। আখৰাৰ খৰচৰ কথা কোনেও ভবা নাছিল। যি যেনেকৈ পাৰে খৰচ কৰিছিল। কেৱল কিবা এটা ভাল কাম কৰিবলৈ যোৱাৰ আনন্দ আৰু উৎসাহ।

যথাসময়ত ভাওনা অনুষ্ঠিত হ'ল। ৰবীন্দ্ৰ ভৱনত মানুহ ঠাহ খাই পৰিল। ৰবীন্দ্ৰ ভৱনত বোধহয় এইখনেই সত্ৰৰ মানুহে নকৰা সীমিত সময়ৰ ভাওনা আছিল। প্ৰৱেশদ্বাৰত আছিল যোগেশ দাস, কেশৱ চাংকাকতি, নবীন বৰা, চাৰু বৰদলৈ আদি। প্ৰবেশদ্বাৰত টিকেট বিচাৰি এইসকলে হাত মেলোঁতে বহুতেই আচৰিত হৈছিল। ভাওনাখন চাই সকলোৱে 'সংগীত সত্ৰ'ৰ প্ৰশংসা কৰিছিল। বিশেষকৈ ৰুদ্ৰ বৰুৱাৰ সুৰীয়া কণ্ঠৰ গীতে সকলোৰে মন মুহিছিল। বাতৰিকাকতবোৰেও ভাওনাখনৰ উচ্চ প্ৰশংসা কৰাৰ লগতে সংগীত সত্ৰই সত্ৰীয়া সংস্কৃতি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাৰ বাবে শলাগ লৈছিল। সংগীত সত্ৰৰদ্বাৰা অনুষ্ঠিত এই ভাওনাখনৰ কথা বাতৰিকাকতত প্ৰকাশ পোৱাৰ লগে-লগে চাৰিওপিনৰপৰা অভিনন্দনৰ চিঠি-পত্ৰ আহিবলৈ ধৰিলে। শিৱসাগৰৰ পথ পৰিবহন কৰ্মচাৰী সংস্থাৰ অধিবেশনত উক্ত ভাওনাখন প্ৰদৰ্শন কৰাৰ

অনুৰোধ লৈ কেইজনমান মানুহৰ লগত শিৱসাগৰৰ উমেশ ঠাকুৰ (মাখন) আহি আমাৰ ঘৰ ওলালহি। তেতিয়া সংগীত সত্ৰৰ সকলো কাম আমাৰ ঘৰৰপৰাই চলিছিল। ৰসেশ্বৰ শইকীয়া অনবৰতে প্ৰেছতে বহি থাকিছিল। মই মাখনক মুনুৰ লগত আলোচনা কৰিবলৈ ক'লো। কাৰণ ভাওনা এখন শিৱসাগৰত গৈ প্ৰদৰ্শন কৰিবলৈ হ'লে বহুতো টকা-পইচাৰ প্ৰয়োজন হ'ব। শিল্পীসকলক অনা-নিয়া কৰা বাছভাৰা, ড্ৰেছ-মেকআপৰ ভাৰা, আখৰা চলোৱাৰ খৰচ, নাট মেলা ইত্যাদিত বহুতো খৰচ। মাখনে মুনুৰ লগত আলোচনা কৰি চাৰিহাজাৰ টকাত শিৱসাগৰত নাট প্ৰদৰ্শন কৰাৰ বাবে বন্দবস্ত কৰিলে।

শিৱসাগৰত আমি 'পাৰিজাত হৰণ' ভাওনাখনকে অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত ল'লো। সেইমতে ভাল দিন এটাত নাট মেলি অসম একাডেমি ফৰ কালচাৰেল ৰিলেশ্যনছৰ চানমাৰিৰ ভৱনতে আখৰা আৰম্ভ কৰিলো। আগৰবাৰ ৰবীন্দ্ৰ ভৱনত কৰোঁতে 'পাৰিজাত হৰণ' ভাওনাখনকে কৰা হৈছিল। ভাৱৰীয়াও প্ৰায় একেখিনিয়েই আছিল। সেয়েহে নিতৌ সন্ধিয়া দুঘণ্টামানকৈ দহদিনমানহে আখৰা হ'ল। সকলোখিনি ভাৱৰীয়া, শিল্পী একেলগে কোনোদিনেই গোট নাখায়। যিকেইজন আহে তেওঁলোকক লৈয়ে আখৰা চলাব লগাত পৰে। শেষৰ দুদিনমানতহে আটাইখিনি ভাৱৰীয়া গোট খাইছিল। ভাওনাখন নিখুঁত হ'বৰ কাৰণে খুব চেষ্টা কৰিছিলো। কাৰণ উজনি অসম ভাওনাৰেই ঠাই। তাত যদি কোনো কথাত অশুদ্ধ হয় বা খুঁত থাকি যায় তেতিয়া বৰ লাজৰ কথা হ'ব।

যথাসময়ত আমি ভাওনাৰ দলটোৰে সৈতে চৰকাৰী পৰিবহন নিগমৰ বাছ এখন ভাৰাত লৈ শিৱসাগৰ অভিমুখে যাত্ৰা কৰিলো। ভাৱৰীয়া, কণ্ঠশিল্পী, বাদ্যযন্ত্ৰী আদিকে লৈ মুঠ ৩০ জন যাত্ৰী হ'ল। সেইদিনা আবেলি প্ৰায় পাঁচ বজাত শিৱসাগৰ পালোগৈ। মই, মুনু, আইজনী আমাৰ ঘৰত নামিলো। বাকীবোৰ শিল্পীক ব'ৰ্ডিং ফিল্ডৰ ওচৰৰ 'কাফে পিক'লো' নামৰ হোটেলখনত অধিবেশনৰ বিষয়ববীয়াসকলে থকাৰ ব্যৱস্থা কৰি দিলে। কেইজনমান দ'লমুখৰ পেৰেডাইজ হোটেলতো থাকিল।

সেইখিনি সময়তে তিতাবৰত অসম সাহিত্য সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল। সাহিত্য সভাৰ সাংস্কৃতিক সন্ধিয়াত শাৰদী শইকীয়া আৰু ৰসেশ্বৰ শইকীয়াৰ প্ৰ'গ্ৰেম থকাত তেওঁলোক আমাৰ আগতেই তিতাবৰলৈ গৈছিল। সংগীত সত্ৰৰ খোলকেইটাও লৈ গৈছিল। ভাওনা প্ৰদৰ্শন কৰাৰ দিনা পুৱা বাছত তিতাবৰৰপৰা আহি ৰসেশ্বৰ শইকীয়াই ক'লেহি যে খোলকেইটাৰ ঘুণ এৰাল, এইকেইটা খোল লৈ ৰাতিকৈ কেনেকৈ ভাওনা হ'ব? আমাৰ মুখৰ মাত হেৰাল। আমাৰ লগত অহা হৰেন ৰাজখোৱাই জানিবা সেইদিনাই আবেলিৰ ভিতৰত টীয়কৰপৰা দুটা খোল ভাৰালৈ আনি দিয়াৰ ভাৰ গাত ল'লে। মুনুৱে লগে-লগে টেক্সিৰ ভাৰা দি হৰেনক টীয়কলৈ পঠাই দিলে। দুপৰীয়া

দুইমান বজাত লক্ষীমপুৰৰ হৰিচৰণ শইকীয়া বায়ন আহি ওলালহি। তেৱেঁই হ'ব নাটৰ সূত্ৰধাৰ। টেক্সিযোগে শাৰদী শইকীয়াও তিতাবৰৰপৰা পালেহি। তেওঁ ভাওনাৰ আগতে সত্ৰীয়া চালিনৃত্য প্ৰদৰ্শন কৰিব।

ভাওনা ৰাতি সাত বজাৰপৰা হোৱাৰ কথা। কিন্তু আবেলি পাঁচ বজাৰপৰাই ব'ৰ্ডিং ফিল্ডত মানুহ ঠাহ খাই পৰিল। সকলোৰে মুখত একেই কথা— শিৱসাগৰৰ কেউফালে থকা সত্ৰ, নামঘৰ আদিৰপৰা ভাওনা নামাতি সুদূৰ গুৱাহাটীৰপৰা ভাওনা এখন অনাৰ নিশ্চয় কিবা অৰ্থ আছে। নিশ্চয় ইয়াৰ ভাওনাৰ লগত কিবা পাৰ্থক্য আছে। ভাওনাৰ শিল্পীসকলৰ ড্ৰেছ-মেকআপ কৰিবৰ কাৰণে নাট্যমন্দিৰটোতে ব্যৱস্থা কৰি দিছিল। মই মুনুৰে সৈতে ঘৰৰপৰা তিনিমান বজাতে নাট্যমন্দিৰলৈ ওলাই আহিলো। নাট্য মন্দিৰৰ দুৱাৰমুখতে ড° মহেশ্বৰ নেওগ ছাৰক দেখি অৱাক হ'লো। ছাৰক ক'লো যে ভাওনাৰ আগতে সংগীত সত্ৰক শিৱসাগৰৰ ৰাইজৰ ফালৰপৰা সম্বৰ্ধনা জনাব। আপুনি সংগীত সত্ৰৰ সভাপতি যেতিয়া সম্বৰ্ধনা সভাত উপস্থিত থাকি সংগীত সত্ৰৰ বিষয়ে দুআষাৰ ক'ব। ছাৰে ক'লে,— "তুমি সংগীত সত্ৰক ইয়ালৈ লৈ আহিছা, তুমিয়েই সংগীত সত্ৰৰ বিষয়ে সকলোখিনি ক'বা। মই বাৰু সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকিম।" এইদৰে কৈ ছাৰো নাট্য মন্দিৰৰ ভিতৰলৈ মোৰ লগতে সোমাই আহিল ড্ৰেছ-মেক-আপ চাবলৈ।

সন্ধিয়া ছয় বজাৰপৰা সাংস্কৃতিক সন্ধিয়া আৰম্ভ হ'ল। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিলে তেতিয়াৰ শিৱসাগৰ কলেজৰ অধ্যক্ষ পৰাগধৰ চলিহা ছাৰে। সম্বৰ্ধনা অনুষ্ঠানত অধিবেশনৰ কৰ্মকৰ্তাসকলৰ উপৰিও শিৱসাগৰৰ কেইবাটাও সাংস্কৃতিক সংস্থা-সংগঠনে ভাগে-ভাগে সংগীত সত্ৰক ফুলাম গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জনালে। সংগীত সত্ৰৰ হৈ নেওগ ছাৰ, মই, মুনু আৰু ৰসেশ্বৰ শইকীয়াই সম্বৰ্ধনা গ্ৰহণ কৰিলো। সম্বৰ্ধনাৰ উত্তৰত মই উপস্থিত দৰ্শকৰ আগত সংগীত সত্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে কৈ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ কালজয়ী সৃষ্টি অংকীয়া নাট আৰু সত্ৰীয়া নৃত্যৰ বিষয়ে এটা চমু আলোচনা দাঙি ধৰিলো। মহাপুৰুষ দুজনাৰ আপুৰুগীয়া অৱদান সত্ৰীয়া নৃত্য, গীত আৰু ভাওনা প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে বিজ্ঞানসন্মত প্ৰণালীবদ্ধ শিক্ষাদানত সংগীত সত্ৰ ব্ৰতী হোৱাৰ কথাও ক'লো। সম্বৰ্ধনা অনুষ্ঠানটোৰ পাছত সত্ৰীয়া চালিনৃত্য এটিৰে শাৰদীয়ে সংগীত সত্ৰৰ সেইদিনাৰ অনুষ্ঠান আৰম্ভ কৰিলে। নৃত্যৰ পাছত অন্ধকাৰ মঞ্চত বন্তিৰ আৰিয়া ধৰি দহযোৰমান গায়ন-বায়ন মঞ্চলৈ সোমাই আহিল। তেওঁলোকৰ খোল-তালৰ শব্দৰে ব'ৰ্ডিং ফিল্ডখন ৰজনজনাই গ'ল। ইয়াৰ পাছত হৰিচৰণ শইকীয়াৰ সূত্ৰধাৰী নাচেৰে ভাওনাৰ পাতনি মেলিলে। ভাওনাত ইন্দ্ৰ আৰু শচী হৈছিল ঘনকান্ত বড়া বায়ন আৰু কমলা গোস্বামী, কৃষ্ণ আৰু

সত্যভামা হৈছিল জীৱনজিৎ দত্ত আৰু দীপালী দাস। নাৰদৰ ভাও লৈছিল ভাস্কৰ শিল্পী পদুম গোহাঁয়ে। আন-আন ভাওত আছিল ক্ষীৰোদ মহন্ত, হৰেন ৰাজখোৱা, যোগেন বায়ন, লীনা পাটোৱাৰী আদি শিল্পীসকল। সকলোৰে অভিনয় বৰ উচ্চ মানৰ হৈছিল। ভাওনাখন পৰিচালনা কৰিছিল ৰসেশ্বৰ শইকীয়াই, সংগীত পৰিচালনা কৰিছিল প্ৰভাত শৰ্মাই। গীত আৰু খোলৰ বাজনা সুন্দৰ হৈছিল। প্ৰায় দুঘণ্টামানৰ ভিতৰতে শেষ কৰা 'পাৰিজাত হৰণ' ভাওনাখন চাই শিৱসাগৰীয়া ৰাইজে শলাগ আৰু অভিনন্দনেৰে আমাক বুৰাই পেলালে।

আমি ইয়াৰ পাছত সংগীত সত্ৰৰ ফালৰপৰা 'ৰামবিজয়' আৰু 'ৰুক্মিণীহৰণ' ভাওনা গুৱাহাটী আৰু গুৱাহাটীৰ বাহিৰৰ বহুতো ঠাইত পাতিও অশেষ প্ৰশংসা পাইছিলো। আমাৰ উদ্দেশ্য আছিল এই মহান পৰম্পৰাৰ প্ৰচাৰ আৰু সংৰক্ষণ।

বাদ্যবিশাৰদ কেশৱ চাংকাকতি, কথক নৃত্যবিদ চাৰু বৰদলৈ, নৃত্যশিল্পী নবীন বৰা আদি সংগীতজ্ঞসকল প্ৰেছৰ অফিচ ৰুমত, কেতিয়াবা আমাৰ ঘৰৰ ড্ৰয়িং ৰুমত বহি নৃত্য-গীতৰ বিষয়ে প্ৰায়ে চৰ্চা কৰিছিল। ১৯৭৪ চনত দিল্লীৰ সংগীত নাটক একাডেমিৰ ফেল'শ্বিপ লৈ নগাঁৱৰ শ্ৰাৱণী সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ ওজা গিৰিকান্ত মহন্ত আহিছিল সংগীত সত্ৰত সত্ৰীয়া সংস্কৃতিৰ গৱেষণামূলক কাম-কাজত সহায় কৰিবলৈ। সংগীত নাটক একাডেমিয়ে তেখেতৰ কৰ্মস্থলী সংগীত সত্ৰতে নিৰ্দিষ্ট কৰি দিছিল। ড. নেওগ ছাৰৰ নিৰ্দেশত কেশৱ চাংকাকতিয়ে তেখেতৰপৰা খোলৰ বাজনা শুনি সেইবোৰৰ নটেশ্যন লিপিবদ্ধ কৰিছিল। পাছত সেই বাজনাবোৰ সম্পাদনা কৰি 'সত্ৰীয়া নৃত্য আৰু সত্ৰীয়া নৃত্যৰ তাল' (মধ্য অসম) নামেৰে ড. নেওগ ছাৰৰ সম্পাদনাত প্ৰস্তুত হৈছিল। গিৰিকান্ত মহন্তদেৱ সেই সময়ত প্ৰায়ে আমাৰ ঘৰলৈ আহিছিল। মই তেখেতক প্ৰায়ে বৰগীত গাবলৈ অনুৰোধ কৰিছিলো আৰু কেইবাটাও বৰগীত শিকিছিলো। তেখেতেও বহুতো বৰগীত গাই শুনাইছিল। তেখেতৰ মুখৰ বাজনা লিপিবদ্ধ কৰা সেই কিতাপখনৰ বাবে ড° নেওগ ছাৰ, মই, মুনু আৰু গিৰিকান্ত মহন্তদেৱ হাটবৰ নামঘৰলৈ নৃত্য আৰু ভাওনাৰ সাজ-পোছাক, মুখা আৰু বিবিধ সামগ্ৰীৰ ফটো তুলিবলৈ কেমেৰামেন এজন লগত লৈ গৈছিলো। আবেলি সময়ত হাটবৰ নামঘৰতে এখন সভা পাতি আমাক সম্বৰ্ধনা জনাইছিল। ফটো তুলিবৰ বাবে ভাওনা আৰু নৃত্যৰ সাজ-পোছাক পৰিধান কৰা সত্ৰীয়া শিল্পীসকলৰ খণ্ড-খণ্ড প্ৰদৰ্শন পাহৰিব নোৱৰা। স্মৃতিৰ মণিকোঠাত সেইবোৰ এতিয়াও সঞ্চিত হৈ আছে।

গিৰিকান্ত মহন্ত, ৰসেশ্বৰ শইকীয়াৰ সত্ৰীয়া নৃত্য-গীত, কেশৱ চাংকাকতি আৰু চাৰু বৰদলৈৰ শাস্ত্ৰীয় নৃত্য, বাজনা আৰু জয়ন্ত হাজৰিকা, মুকুল বৰুৱা, জিতেন দেৱ প্ৰমুখ্যে অজস্ৰ শিল্পীৰ আধুনিক গীতৰ চৰ্চাই আমাৰ ঘৰখন এক অপূৰ্ব সংস্কৃতিৰ

কেন্দ্ৰস্বৰূপ কৰি তুলিছিল। ১৯৭৪ চনতেই সত্ৰীয়া নৃত্য-গীত-বাদ্যক অসমৰ ভিতৰতে সৰ্বপ্ৰথম প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত প্ৰশিক্ষণৰ এখন পাঁচ বছৰীয়া পাঠ্যক্ৰম ড° নেওগ ছাৰৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা হয়। এই পাঠ্যক্ৰমৰ আৰম্ভণি আমাৰ ড্ৰয়িং ৰুমতেই। সংগীত সত্ৰৰ বাবে মাটি আৰু আৰ্থিক সাহায্য বিচাৰি নেওগ ছাৰ, যোগেশ দাস, বীৰেন্দ্ৰ নাথ দত্ত, মই, মুনু আৰু ৰসেশ্বৰ শইকীয়াই কেইবাজনো মন্ত্ৰীক লগ ধৰিছিলো। তেতিয়াৰ মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীকো চাৰ্কিট হাউছত লগ ধৰিছিলো। সকলোৱে মুখৰ আগত সহায়ৰ আশ্বাস দিলেও কাৰ্যতঃ একো কৰা নাছিল।

১৯৬৮ চনত ভাষা আন্দোলনে চূড়ান্ত ৰূপ লৈছিল। ইয়াৰ আগতে ১৯৬০ চনত হোৱা ভাষা আন্দোলনত সূৰ্য বৰা, কটনৰ ফুলকুমলীয়া ছাত্ৰ ৰঞ্জিত বৰপুজাৰী আদি ছহিদ হৈছিল। চৰকাৰে সেনা-আৰক্ষী লগাই আন্দোলনটো তেতিয়া দমাই থ'লে, একো সুসমাধান কৰিব নোৱাৰিলে। তাৰে প্ৰতিফলন আঠ বছৰৰ মূৰত আকৌ হ'ল। সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰম্ভ হোৱা এই আন্দোলনটোৱে ১৯৬৮ চনৰ ২৬ জানুৱাৰীৰ দিনা ভয়ানক ৰূপ ধাৰণ কৰিলে। পাণবজাৰ, ফাঁচিবজাৰ, মাছখোৱাত অসমীয়া ভাষাত ছাইনব'ৰ্ড লিখা লৈ ভীষণ সংঘাত আৰম্ভ হ'ল। জাকে-জাকে ল'ৰা দোকানবোৰত সোমাই বস্তু-বাহানি লণ্ড-ভণ্ড কৰি ভাঙি-ছিঙি এক সন্ত্ৰাসৰ সৃষ্টি কৰিলে। এই খবৰ বনজুইৰ দৰে বিয়পি যোৱাত গোটেই গুৱাহাটীবাসী আতংকিত হৈ পৰিল। ইংৰাজীতে লিখা আমাৰ প্ৰেছৰ ছাইনব'ৰ্ড আৰু গাড়ীৰ নাম্বাৰ প্লেট লগে-লগে খুলি পেলোৱা হ'ল। আমাৰ ঘৰৰ দুয়োফালে অনা-অসমীয়া লোকৰ বাসভৱনৰপৰা মটৰগাড়ীবোৰ উলিয়াই আনি ৰাস্তাৰ মাজত জুই লগাই দিয়া মই নিজে প্ৰত্যক্ষ কৰিছিলো। দুপৰীয়াৰ ফালে অৱস্থা বেয়াৰ ফালে যোৱাৰ বাবে সকলো দোকান-পোহাৰ বন্ধ হৈ গ'ল। ইউনিভাৰ্ছিটিৰ হোষ্টেলত থকা মুনুৰ লগত একেলগে পঢ়া তিনিটামান ল'ৰা-ছোৱালী আমাৰ লগত একেলগে ২৬ জানুৱাৰীৰ ফাংশ্যন চাবলৈ আমাৰ ঘৰলৈ বুলি আহিছিল যদিও হঠাতে হুলস্থূল লগাত সিহঁত আহি মাছখোৱা বাছষ্টেণ্ডত আবদ্ধ হৈ পৰিল। চিটিবাছবোৰ বন্ধ হৈ যোৱাত সিহঁত আমাৰ ঘৰ আহি ওলাব নোৱাৰি মাছখোৱাৰপৰা ফোন কৰি কন্দা-কটা লগালে। মাছখোৱাত সেই সময়ত চাৰিওপিনে জুই আৰু আৰ্তনাদ। ফোনতে সিহঁতক পৰিস্থিতি শান্ত নোহোৱা মানে মাছখোৱা বাছষ্টেণ্ডতে ৰৈ থাকিবলৈ কোৱাৰ বাহিৰে আন উপায় নাছিল। দুষ্কৃতিকাৰীবোৰৰ তাণ্ডৱলীলা চলি থকাৰ মাজতে যেতিয়া চৰকাৰে সান্ধ্য আইন ঘোষণা কৰাৰ কথা মাইকযোগে ঘোষণা কৰিলে, তেতিয়াহে সকলোৱে স্বস্তিৰ নিশ্বাস পেলালে। সান্ধ্য আইন ঘোষণা কৰাৰ পাছতে ৰাস্তাত সেনাৰ ফ্লেগমাৰ্চ চলিল। ঠায়ে-ঠায়ে সেনাই দল বান্ধি পহৰা দিলে। তাৰে দুটা সেনা আমাৰ ঘৰৰ বাৰাণ্ডালৈ আহি 'দিদি কুচ খানেকো মিলেগা' বুলি সুধিলেহি।

সিহঁতে হেনো ২৬ জানুৱাৰীৰ বাবে কেম্পত বৰাখানা খাবলৈ ৰৈ থাকোঁতেই হুকুম আহিল— যেনে আছে তেনেই তৎক্ষণাৎ গুৱাহাটীৰ পথত পহৰা দিবলৈ যাব লাগে। বৰাখানা তাতে এৰি সিহঁত গুচি আহিব লগা হ'ল। সিহঁতলৈ বেয়া লাগি লগে-লগে ৰুটী-ভাজি তৈয়াৰ কৰি দিলো। সিহঁতে পৰম তৃপ্তিৰে খাই আমাৰ পদূলিমুখতে ৰৈ গোটেই ৰাতি পহৰা দিলে। সেনাকেইটা আগফালে গে'টৰ ওচৰত থকাত আমাৰ ভয় বহুখিনি কমিল। দুপৰীয়া এক নে দুইমান বজাত সেনাৰ পহৰাৰ তদাৰক কৰা কেপ্টেইন শৰ্মা নামৰ এজন সেনাৰ অফিচাৰক মাছখোৱাত আবদ্ধ হৈ থকা ল'ৰা-ছোৱালীকেইটাৰ কথা কোৱাত তেওঁ সিহঁতক আমাৰ ঘৰলৈ লৈ অহাৰ দায়িত্ব ল'লে। এঘণ্টামানৰ পাছত তেওঁ মাছখোৱা বাছষ্টেণ্ডত ভোকে-পিয়াহে জৰ্জৰিত হৈ পৰা তেজপুৰৰ দীপালী দত্ত হাজৰিকা, বংকিম শৰ্মা, ৰাতুল শৰ্মা আৰু শিৱসাগৰৰ আশাৰাণী কাকতিক লৈ আমাৰ ঘৰ পালেহি। আমাৰ ঘৰ পাইহে সিহঁতৰ মুখলৈ পানী আহিল। সিহঁতক খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিলো। কাৰফিউ তিনিদিন চলিছিল। হঠাতে কাৰফিউ হোৱাত বজাৰ-সমাৰ বন্ধ হৈ যোৱাত আমাৰ যিহে দশা হ'ল! ঘৰত চাউল-পাত, শাক-পাচলি একো নাইকিয়া হ'ল। ঘৰত ইফালে চাৰিটা আলহী। মোৰ এতিয়াও মনত আছে,— বাৰীৰ পিছফালে গৈ আমাৰ ঘৰৰ কাষতে থকা ভবেন চৌধুৰী ডাঙৰীয়াক আমাৰ দুৰৱস্থাৰ কথা কোৱাত তেখেতে নিজৰ বাৰীৰপৰা বন্ধাকবি, ফুলকবি, পালেং শাক, বেঙেনা আদি বহুতো পাচলি দি পঠালে। চাউল, আলু, তেল নাৰেংগীৰ মিলিটেৰি কেম্পৰপৰা অনাই দিলে দুপৰীয়া ৰুটী খোৱা মিলিটেৰি চিপাহী দুটাই সিহঁতৰ কেপ্টেইন শৰ্মাক কৈ। দুপৰীয়া ৰুটী দুখনহে খুৱাইছিলো, তাতেই সিহঁত আমাৰ প্ৰতি কৃতজ্ঞ হৈ পৰিল। দীপালী আশাৰাণী বৰ প্ৰাণচঞ্চলা, তজবজীয়া ছোৱালী আছিল। সিহঁতে সেইকেইদিন গান গাই, নানা ধৰণৰ কথা-বতৰাৰে, হাঁহি-ধেমালিৰে ঘৰখন আনন্দমুখৰ কৰি তুলিছিল। এতিয়া সিহঁত দুয়োজনী নাই, অকাল মৃত্যুৱে দুয়োজনীকে অকালতে হৰি নিলে। সকলো ক্ষেত্ৰতে আগবঢ়া এনেকুৱা ছোৱালী আজিকালি কমেইহে চকুত পৰে।

ডাঙৰ ভাই সোণে ডিব্ৰুগড়ত বি. কম.ৰ পাছতে জালাননগৰ টি ইষ্টেটত এছিষ্টেণ্ট মেনেজাৰৰ কাম পাই তাত যোগ দিছিল। দেউতাই তাৰ বিয়া চাবলৈ বৰ হেঁপাহ কৰিছিল। সেয়েহে উত্তৰ গুৱাহাটীৰ কবিৰাজ প্ৰয়াত ব্ৰজনাথ শৰ্মাৰ কন্যা শ্ৰীমতী সৰোজৰ লগত সোণৰ বিয়াৰ বন্দবস্ত হ'ল আৰু ১৯৭০ চনৰ ফাগুন মাহত দেউতাৰ কাৰণেই সোণৰ বিয়া শিৱসাগৰৰপৰা পতা হ'ল। বিয়া দূৰণিবটীয়া হোৱা কাৰণে দেবেন মামাক যোৰহাটৰপৰা প্লেনেৰে পঠিয়াই গুৱাহাটীৰ আয়তীসকলৰ সৈতে লগ লগাই জোৰোণ দিয়াইছিলো। কইনাঘৰে অৱশ্যে গুৱাহাটীৰ জালুকবাৰীৰ ডাঙৰ ককায়েকৰ ঘৰৰপৰা বিয়া পাতিছিল। দেউতাই সোণৰ বিয়াখন চাবলৈ পাই বৰ আনন্দ পাইছিল।

সোণৰ বিয়াৰ এবছৰৰ পাছতে মোৰ ছোৱালী আইজনীৰ (স্বপ্না) বিয়া পতাৰ কথাও দেউতাই ক'লে। তাইৰ কাৰণেও বহুত দৰা ওলাইছিল। বিশেষকৈ বিষ্ণুপ্ৰাণ চাংকাকতি মামা, মুকুল ককাইদেউ আৰু বন্ধুবৰ তবলা শিল্পী কেশৱ চাংকাকতিয়ে তেওঁলোকৰ সম্বন্ধৰ ভাল ল'ৰাৰ কাৰণে আইজনীক বৰকৈ খুজিছিল। আন এজন বন্ধু বুদ্ধি শৰ্মা ডাঙৰীয়াই আমেৰিকাত থকা তেখেতৰ ভায়েক নিউক্লিয়াৰ কেমিষ্ট্ৰিৰ প্ৰফেছাৰ অতুল শৰ্মাৰ কাৰণে আইজনীক বিয়া কৰোৱাৰ প্ৰস্তাৱ বৰ আগ্ৰহেৰে দিছিল। আৰু কেইবাজনো উচ্চপদস্থ ব্যক্তিৰ কাৰণে আইজনীক বিচাৰিছিল। মই তাইক এম. এছ. চি. পাছ কৰিলেহে বিয়া দিম বুলি ভাবিছিলো। কাৰণ বি. এছ. চি.ত তাই ডিছটিংশ্যনসহ বৰ ভাল নম্বৰ পাই 'নেশ্যনেল স্কলাৰশ্বিপ' পাইছিল। ছোৱালীয়ে নিজৰ ভৱিষ্যতৰ বাবে বিদ্যা-বুদ্ধি অৰ্জন কৰিবও লাগে, নিজৰ ভৰিত নিজে থিয় হ'বও লাগে। তেতিয়া আত্মসন্মানবোধ বাঢ়ে। অনবৰত লোকৰ মুখাপেক্ষী হৈ থকাতকৈ নিজেও ঘৰখনক আৰ্থিকভাৱে সহায় কৰিব পাৰিলে আত্মসন্তুষ্টি হয়। নিজৰ সন্তানকো চোৱা-চিতা কৰিবলৈ মাকৰ শিক্ষা লাগে। অৰ্দ্ধআকাশস্বৰূপ নাৰী অশিক্ষিত হৈ থাকিলে সমাজখন শিক্ষিত হ'ব কেনেকৈ? আইজনীৰ বিয়াৰ ক্ষেত্ৰত সিদ্ধান্ত ল'বলৈ দেউতা আৰু মাকে ভাৰ দিছিলো। কাৰণ পিতৃৰূপে দেউতাইহে তাইক তুলিছিল। কিন্তু ভাগ্যৰ কি পৰিহাস, তাইৰ বিয়াও যোৰহাটৰ ল'ৰাৰ লগতহে ঠিক হ'ল। বৰ্তমানৰ জোঁৱাই শ্ৰীব্ৰজেন ভট্টাচাৰ্য চাকৰিৰ সংক্ৰান্তত শিৱসাগৰত থকাত আৰু আমাৰ ভাৰাঘৰতে থকা খুৰাৱকৰ (অধ্যাপক জীৱন ভট্টাচাৰ্য) ওচৰলৈ অহা-যোৱা কৰোঁতে মায়ে দেখিছিল। পাছত খুৰাৱকৰ লগত আমাৰ ঘৰলৈ আহি মাইঁতৰ লগত কথা-বতৰা পাতোঁতে ব্ৰজেনৰ শান্ত আচাৰ-ব্যৱহাৰত মা মুগ্ধ হ'ল। ইপিনে ব্ৰজেনেও আইজনীৰ বাবে তেওঁৰ বন্ধু শ্ৰীবিদ্যা শৰ্মাৰ হতুৱাই প্ৰস্তাৱ দিয়ালে। তেওঁৰ দেউতাক ডা. নগেন ভট্টাচাৰ্যক তেখেতৰ পুত্ৰৰ প্ৰস্তাৱৰ কথা জনোৱাত তেখেতেও সন্মতি জনালে। আইজনীৰ বিয়া ১৯৭১ চনৰ ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে বৰ আড়ম্বৰেৰে শিৱসাগৰত অনুষ্ঠিত হ'ল। তাইৰ পিতৃ বংশৰ মানুহ আহি ন-পুৰুষৰ শ্ৰাদ্ধ কৰিলেহি। তেওঁলোক নিজেই আহিছিল। মই বিষ্ণুপূজা আৰু ন-পুৰুষৰ কাৰণে নটা ভোজনি উচৰ্গা কৰিয়েই নিয়মটো কৰি থ'ব খুজিছিলো। তাইৰ পিতৃলৈ চিঠি দিবলৈ কেইবাজনেও মোক কোৱা সত্ত্বেও মই চিঠি দিয়া নাছিলো। যাৰ লগত কোনো সম্পৰ্কই নাই, যি ছোৱালী তুলি-তালি ডাঙৰ-দীঘল কৰা নাই, সেই মানুহৰদ্বাৰা বিয়া দিওৱাৰ কি প্ৰয়োজন? ইমান বছৰে কোনোদিনে সেই মানুহজনৰ লগত মোৰ দেখা-সাক্ষাৎতো নাছিলেই, মোৰ মানসিক কোনো সম্পৰ্কও নাছিল। মোৰ কোনো ভণ্ডামি নাছিল। মই বাহিৰে-ভিতৰে সদায় একে হৈ থাকিবলৈ বিচাৰোঁ। সেই অৰ্থে মই বি. এ. পঢ়ি থকাৰপৰাই শিৰত সেন্দূৰ লোৱা কামটোও বাদ

দিছিলো। শিৰৰ সেন্দুৰ কি অৰ্থত ল'ম? মোৰ এনে কাৰ্যত মায়ে অলপ বেয়া পাইছিল। যুক্তিবাদী দেউতাই কৈছিল,— "তাইৰ সকলো কথায়েই ঠিক। তাত আমি হকা-বধা কৰা উচিত নহয়।" শিৰত সেন্দুৰ নোলোৱাৰ আৰু এটা কাৰণ আছিল। যিকোনো মানুহে মোৰ শিৰত সেন্দুৰ দেখি বিবাহিত বুলি জানি গিৰিহঁত ক'ত থাকে, কি কৰে আদি প্ৰশ্ন কৰি ব্যতিব্যস্ত কৰি তুলিছিল। সঁচা কথা ক'বলৈ গ'লে গিৰিহঁত-তিৰিহঁত আদি শব্দবোৰ মই সৰুৰেপৰাই বেয়া পাইছিলো। মই কাৰো দাসী নহওঁ যে মোৰ কোনোবা গিৰিহঁত থাকিব। মই ময়েই— এক স্বাধীন সত্তা। দেউতাই মোৰ ব্যক্তিত্বক সঁচাকৈয়ে বৰ সন্মান কৰিছিল আৰু মোৰ স্বাধীনচিতীয়া মনক অনুপ্ৰাণিত কৰিছিল। বিবাহ বন্ধনটো প্ৰেমৰ বন্ধনহে হ'ব লাগে। কোনোবাই জোৰ-জবৰদস্তিৰে বিয়া এখন পাতি দিলে সেই বিয়া আচল অৰ্থত বিয়া নহয়। অথচ শিৰৰ সেন্দুৰ মাত্ৰেই সুখী কৰিব পাৰে বুলি লোকসমাজে বিশ্বাস কৰে। অকলশৰে গোটেই জীৱন কটাবলৈও মোৰ ভয় নাছিল। মোৰ লগত আছে মোৰ শিক্ষা, মোৰ যুক্তি, মোৰ বিচাৰ আৰু মোৰ সততা। প্ৰেমত যদি শাৰীৰিক সম্বন্ধ নাথাকে সেই প্ৰেম অতি পবিত্ৰ। তাতেই বা ইতস্ততঃ কৰিবলৈ কি আছে? প্ৰেম যে এক মহান শক্তি, এক পৰম পোহৰ। প্ৰেমৰ এনে উপলব্ধি কেইজনৰ হয়?

আইজনীৰ বিয়াখন দেউতাক দেখুৱাব পৰাত দেউতাই বৰ আনন্দ পালে। তাইৰ বিয়াৰ সাদিনৰ পাছতে মোৰ ডাঙৰ ভাগিনী শ্ৰীমতী দীপৰ বিয়াও শিৱসাগৰতে পতা হ'ল। তাইৰ দৰা হ'ল ডি. আই. জি. গোলাপ বৰদলৈ ডাঙৰীয়াৰ দ্বিতীয় পুত্ৰ ডা. গোপাল বৰদলৈ। এই তিনিওখন বিয়াৰ কাপোৰ মই গুৱাহাটীতে অৰ্ডাৰ দি শালত বোৱাইছিলো। সকলো গহনা-গাঁঠৰি গুৱাহাটীতে কৰাইছিলো। সেন্দুৰ পুৰিয়াৰপৰা পাটীখনলৈকে সকলো বস্তু মই নিজে কিনি বিয়া পাতিছিলো।

দেউতাৰ শাৰীৰিক অৱস্থা বিয়া দুখনৰ আগতেও বৰ বেয়া আছিল। বিয়া যে পাতিব পাৰিম তাৰ কোনো ভাৰসা নাছিল। ডাক্তৰেও কোনো নিশ্চয়তা দিব পৰা নাছিল। ইপিনে চিঠি ছপাব লাগে, মানুহ নিমন্ত্ৰণ কৰিব লাগে, ৰভা-পৰলা দি বিয়াৰ কাৰণে সকলো প্ৰস্তুত কৰিব লাগে, লগে-লগে দৰাঘৰেও সাজু হ'ব লাগে। যদি কিবা অঘটন ঘটে, তেনেহ'লে কি দশা হ'ব! মোৰ অন্তৰ আত্মাই ক'লে— "মহাভয়ত মহাকালীকে স্মৰণ কৰা। কাৰণ মহাকালী মহাকালৰে প্ৰতীক। কাল মানে সময়।" দেউতা বিছনাৰপৰা একেবাৰে উঠিব নোৱৰা হোৱাত মই এদিন পুৱা গা-পা ধুই গোসাঁইঘৰত সোমাই তামোল-পাণ আৰু টকা এটা দি আকুলভাৱে ভগৱতীৰ পূজা কৰিবলৈ বুলি মানস কৰিলো আৰু এই সংকটৰপৰা ত্ৰাণৰ কাৰণে ভগৱতীৰ চৰণত

কাতৰ প্ৰাৰ্থনা জনালো। অতি আচৰিত কথা, সেইদিনা আবেলিৰপৰা দেউতাৰ গা ক্ৰমাৎ ভালৰ পিনে আহিল। পাছদিনা ৰাতিপুৱা বাৰাণ্ডাত আহি বহিব পৰা হ'ল। আৰু তাতোকৈ আচৰিত কথা হ'ল, দেউতাই মোক মাতি আনি সুধিলে,— "মাজনীৰ বিয়াৰ দিন ঠিক কৰিলিনে?" মোৰ পাৰ ভাঙি চকুলো নামিল। দেউতাৰ ইজি চেয়াৰখনৰ পিছফালে থিয় হৈ মই মনে-মনে কান্দিবলৈ ধৰিলো। দেউতাক এতিয়া কেনেকৈ কওঁ যে আপোনাৰ অসুখৰ কাৰণেই বিয়াৰ দিন ঠিক কৰিব পৰা নাই! ঠিক সেই সময়তে জানিবা গণেশ মামা আহি উপস্থিত হ'ল। দেউতাই গণেশ মামাক ক'লে— "চাওঁ, গণেশ, পঞ্জিকাখন আন। ফাগুন মাহতে দিন এটা চাব লাগে আৰু দৰাঘৰকো জনাব লাগে। দৰাঘৰে ইতিমধ্যে দিন বিচাৰি হাইৰাণ কৰিছিল। সেইমতে ২০ ফেব্ৰুৱাৰী,৩ ফাগুনৰ দিনটো দেউতাই ঠিক কৰিলে। দৰাঘৰকো তাৰিখটো জনোৱা হ'ল। দিন ঠিক হ'ল, পাছে দেউতাৰ বা গাটো কেনে থাকে, এই ভয়ত মই চিন্তা কৰি থকা দেখি গণেশ মামাই ক'লে,— "দাইটিয়ে যেতিয়া নিজেই দিন ঠিক কৰিছে, এই তাৰিখতে বিয়া সুকলমে হ'ব চাবি।" ভগৱতীৰ কি অপাৰ মহিমা, দেউতা টকটকীয়া হৈ আহিল আৰু নিজেই বিয়াৰ কাৰণে ইটো যোগাৰ কৰ, সিটো যোগাৰ কৰ বুলি দিহা দিবলৈ ধৰিলে। আইজনীৰ বিয়াৰ সমস্ত খৰচ দেউতায়েই বহন কৰিলে। মই বিয়াৰ বাবে প্ৰভিডেণ্ট ফাণ্ডৰ টকা উলিয়াব খোজোঁতে দেউতাই ক'লে,— "তই যদি কিবা দিব খুজিছ উপহাৰ এটাকে দে।" সেই কথাটোকে ভাল হ'ব বুলি ভাবি মই এতিয়াৰ এই গীতানগৰৰ মাটিখিনি তাইৰ নামত কিনি দিলো। বৰ দূৰদৰ্শী কাম হ'ল। তাই আৰু ব্ৰজেন দুয়ো লগলাগি এই ঘৰটো বিয়াৰ পাছত সজালে।

১৯৭০-৭১ চনৰ শিৱসাগৰৰ বিয়া, ঘৰৰ বাৰীখনত ইমুৰ-সিমুৰ জুৰি টিনপাতৰ ৰভা দিয়া হ'ল। তেতিয়া চামিয়ানা তৰি বিয়াৰ ৰভা দিয়াৰ ব্যৱস্থা নাছিল। বিয়া এখন বুলিলে সকলোৱে আনন্দেৰে সহায় কৰে। গাঁওখনৰ প্ৰতিঘৰ মানুহৰ ঘৰলৈকে গৈ নিমন্ত্ৰণ কৰি আটাইৰে সহায়ৰ ওপৰত ভাৰসা কৰা হৈছিল। বিয়াৰ এমাহমানৰ আগৰেপৰা কোনোবাই আহি কিবা খুন্দি দিছিল, কোনোবাই আকৌ পিঠা-লাডু আদি তৈয়াৰ কৰি দিছিল। এইবোৰ বিয়াৰ খবৰ কৰিবলৈ অহা মানুহ, ৰভা-পৰলা দিয়া মানুহ, বজাৰ-সমাৰ কৰা মানুহ আদিক চাহৰ লগত খাবলৈ দিবলৈ প্ৰয়োজন হয়। দৰাঘৰ হ'লে জোৰোণৰ কানি-কাপোৰ, আ-অলংকাৰ চোৱা, ছোৱালীঘৰ হ'লে ছোৱালীৰ আ-অলংকাৰ, কানি-কাপোৰ, দৰাৰ বৰণ, ছোৱালীৰ লগত দিয়া কাঁহী-বাটি, বাকচ-আলনা, চকী-মেজ আদি চোৱা গাঁৱৰ তিৰোতা মানুহবিলাক ইজাকৰ পিছত সিজাককৈ বিয়াৰ দহ-পোন্ধৰ দিন আগৰপৰা বিয়াঘৰলৈ যায়। কাৰণ কৃষিজীৱী সমাজৰ মানুহে এখন ঘৰৰ ছোৱালী বা ল'ৰাটো কেৱল এখন ঘৰৰ বুলি নাভাবে, গোটেই সমাজখনৰে

বুলি ধৰি লয়। কোনে কেনেদৰে সহায় কৰিব পাৰিব সেইবোৰ কথাৰো তেতিয়াই আলচ হয়। কোনোবাই বাৰীৰ তামোল এথোকা, কোনোবাই বাৰীৰ পাণ, কোনোবাই বাৰীৰ নাৰিকল, কোনোবাই কোমল চাউল, কোনোবাই গুৰ আদি দি বিয়াখনত সহায় কৰিবলৈ গাত লয়। বিয়াখনত হাতে-কামে আটায়ে নালাগিলে বিয়া পতা সম্ভৱ নহয়। মানুহৰ আৰ্থিক অৱস্থা এতিয়াৰ দৰে তেতিয়া সবল নাছিল। এতিয়া টকা দিলেই জলপান বিলোৱা মানুহো পোৱা যায়। ৰন্ধা মানুহৰতো কথাই নাই। তেতিয়াৰ দিনত নিজৰ ঠাইৰে ভাল ৰান্ধনিক ভাৰসা কৰিব লগা হয়। তাৰ বিনিময়ত অৱশ্যে মাননি, সিধা আদি আগবঢ়োৱা হয়। বেই সজা, মৰল সজা, গে'ট সজা,— এইবিলাকৰ কাৰণে গাঁৱৰ ডেকাল'ৰা-বিলাকৰ ওপৰতে ভাৰসা।

আইজনীৰ বিয়া তিনিদিনীয়াকৈ হৈছিল। বিয়াৰ সকলো খোৱাৰ বস্তু প্ৰস্তুত কৰিবৰ কাৰণে আৰু দৰাঘৰীয়াৰ ভাতৰ ভোজৰ কাৰণে আমাৰ পৰম বান্ধৱ স্বৰ্গীয় যতীন বেজবৰুৱাই (পেৰাডাইজ হোটেলৰ মালিক) সকলো দায়িত্ব লৈছিল। তেখেতৰ পৰিবাৰ শ্ৰীমতী অণু মোৰ বাল্যকালৰেপৰা পৰম বান্ধৱী। যতীন বেজবৰুৱা মানুহজন ইমান বেছি সহৃদয়, ইমান বেছি মানৱ দৰদী আছিল যে তেখেতৰ গুণৰ কথা কৈ অন্ত কৰিব নোৱাৰি। তেখেতক লগ পোৱা মানুহে, তেখেতক জনা মানুহে তেখেতক কেতিয়াও পাহৰিব নোৱাৰে। তেখেতৰ অসাধাৰণ অধ্যৱসায়ৰ কাৰণে তেখেতৰ ল'ৰা-ছোৱালী, নাতি-পুতিৰ এতিয়া জয়জয়-ময়ময় অৱস্থা। নিজেও জীৱিত কালতে আত্মনিৰ্ভৰ-শীলতাৰ উৎকৃষ্ট উদাহৰণ দেখুৱাই বহুত উচ্চ স্তৰ লাভ কৰিলে।

আইজনীৰ বিয়াত অণু আৰু স্বৰ্গীয় যতীন বেজবৰুৱাই যিখিনি সহায় কৰিলে মই কোনোদিনেই সেই ঋণ শুজিব নোৱাৰোঁ।

শিৱসাগৰ নগৰৰ সকলো শ্ৰেণীৰ (জাতি-বৰ্ণ নিৰ্বিশেষে) মানুহকে নিমন্ত্ৰণ কৰাৰ উপৰিও ডিগবৈ, তিনিচুকীয়া, ডিব্ৰুগড়, সোণাৰি, নাজিৰা, চণ্টক, শিমলুগুৰি, জাঁজী, যোৰহাট, গোলাঘাট, নগাঁও, গুৱাহাটী, শ্বিলং, বোকাখাত আদি ঠাইৰ সম্বন্ধীয় আৰু পৰিচিত লোকসকলক সাদৰ নিমন্ত্ৰণ কৰা হৈছিল। সকলো লোক যথাসময়ত আহি উবুৰি খাই পৰিছিল আৰু বিয়াখন ইমান সুন্দৰকৈ, চিজিলকৈ পতা কাৰণে আটায়ে প্ৰশংসা কৰিছিল। ৰাতিপুৱা বিয়া ভগালৈকে মানুহ হেন্দোলদোপ হৈ আছিল। গাঁৱৰ বয়সীয়া আৰু জীয়াৰী-বোৱাৰীসকলে জোৰোণৰপৰা বিয়া ভগালৈকে জাঁত-জাঁত বিয়ানাম গাইছিল। আইজনীক সজোৱাও হৈছিল বৰ অপূৰ্বকৈ। গুৱাহাটীৰ চেনিকুঠিৰ শিল্পী বিজয় শংকৰ দাসৰ মাক শ্ৰীযুতা বাবী জেঠাইদেৱে আইজনীক বিয়াত পিন্ধাবলৈ অতি সুন্দৰ সোণৰ গামখাৰু দিছিল। আন এজন পৰম বন্ধু পজিৰুদ্দিন আহমেদ চাহাবৰ পৰিবাৰে (ড° আফতাবউদ্দিন আহমেদৰ মাক) কাণৰ, ডিঙিৰ, শিৰৰ, কপালৰ, আঙুলিৰ,

হাতৰ আপুৰুগীয়া সোণৰ অলংকাৰেৰে আইজনীক কইনা সজাইছিল। লগতে আমাৰ ঘৰৰ পুৰণি গহনা আৰু জোৰোণৰ অলংকাৰো আছিল। এই মানুহবোৰৰ আইজনীৰ প্ৰতি কিমান মৰম ইয়াতে প্ৰমাণ ওলাইছিল। বিয়াত দেৰগাঁৱৰ পুলিচ ট্ৰেইনিং চেণ্টাৰৰ বেণ্ডপাৰ্টি আহিছিল তেতিয়াৰ ট্ৰেইনিং চেণ্টাৰৰ অধ্যক্ষ ভাতৃপ্ৰতিম নিশিনাথ চাংকাকতিৰ নিৰ্দেশত। বেণ্ডৰ উপৰিও ছেহনাই ৰেকৰ্ডো বাজিছিল। আইজনীক সম্প্ৰদান দিছিল মোৰ মামা শ্ৰীদেবেন্দ্ৰ নাথ বৰদলৈয়ে। দেউতাৰ ইমান আনন্দ হৈছিল যে হোম চাবৰ কাৰণে দেউতা উদগ্ৰীৱ হৈছিল। দেউতাক ভিতৰৰ বাৰাণ্ডাৰপৰা তিনিটা ল'ৰাই প্ৰায় দাঙি অনাৰ দৰে আনি হোমৰ একেবাৰে কাষত ছ'ফা এখনত বহুৱাই দিছিল। সম্প্ৰদান কৰোঁতে দেউতায়ো আনন্দতে নিজৰ হাতখন সম্প্ৰদানত দি দিছিল। কইনা নোওৱা-ধুউৱা, দৈয়ন দিয়া, দৰা আদৰা, দুৱাৰ ধৰি দিয়া আদি কামবোৰ মই মাক কৰিবলৈ দিছিলো। কাৰণ মই নামত মাক যদিও তাইক ডাঙৰ-দীঘল কৰা আচল মাক মাহে আছিল।

শিৱসাগৰৰ আমাৰ পুৰণা আমোলাপটি, নতুন আমোলাপটি আৰু ঠাকুৰপটিৰ ৰাইজ বিয়া একেবাৰে শেষ হোৱালৈকে আছিল আৰু সকলো ক্ষেত্ৰতে তেওঁলোকে অশেষ সহায় কৰিছিল। একেবাৰে বয়সীয়া আৰু মানী মানুহক গোসাঁইঘৰত দৈ, ক্ৰিম, কোমল চাউল, নাৰিকলৰ লাড়ু, ৰসগোল্লা আদিৰে নলিনী মামীয়ে জলপান খুৱাইছিল। ডিব্ৰুগড়ৰ চাৰু নবৌ, মা, ৰূপহী মামী, ভাইবোৱাৰী সৰোজে পাকঘৰৰ ডাঙৰ মজিয়াত শৰণ লোৱা শাহু-বোৱাৰীসকলক ভিতৰত কৰা লুচি-তৰকাৰী, দৈ, ক্ৰিম, মিঠাই (ইচ্ছা কৰা মতে কোমল চাউল অথবা চিৰা) খুৱাইছিল। ৰাজহুৱাকৈ খুৱাবৰ কাৰণে লুচি-দাইল, তৰকাৰী, তক, বেঙেনাভাজি আদি দহবিধ বস্তু বন্ধুবৰ যতীন বেজবৰুৱাৰ নিৰ্দেশত কাৰিকৰে কৰিছিল। মিঠাই আদিও দুদিনমানৰ আগৰপৰা ঘৰতে মিঠাইৱালা ৰাখি কৰা হৈছিল। বাহিৰৰ ৰভাৰ তিনি ঠাইত আহল-বহলকৈ ডাঙৰ মানুহ আৰু ল'ৰা-ছোৱালীক খুউৱা হৈছিল। মুছলমান মানুহসকলেও বাহিৰৰ ৰভাত হিন্দু মানুহৰ লগত একেলগে খাইছিল। হিন্দু-মুছলমানৰ সামাজিক সম্পৰ্ক উজনি অসমত বৰ মধুৰ। আটায়ে আটাইকে একোটা সম্বন্ধ ধৰি মাতে। দাইটি-দদাইদেউ, ককাইটি-ককাইদেউ, বাইটি-বাইদেউ, মামা-মোমাইটি, নবৌ আদি সম্বন্ধৰে সৰুৱে ডাঙৰক সম্বন্ধ ধৰে। ৰাজনীতিয়েহে আজিকালি মানুহক বৰ সংকীৰ্ণ কৰিলে। আজিকালি মানুহে মানুহক মানৱীয় দৃষ্টিৰে চাব নজনা হ'ল। অসমীয়া বিয়াত যৌতুক প্ৰথা নাই। যাৰ যি শক্তি সেইমতে ছোৱালীৰ লগত দিয়ে। তাৰ কাৰণে কোনো জোৰ-জবৰদস্তি নাথাকে। এতিয়া অন্য ৰাজ্যৰ এই বেয়া পৰম্পৰাটো আহি অসমত সোমাইছেহি। যৌতুকৰ কাৰণে বোৱাৰী অত্যাচাৰৰ নৃশংস কাহিনী কাকতে-পত্ৰে

সদায় ওলাই থাকিবলৈ লৈছে। ধনী মানুহসকলৰ ভিতৰতে জোৰোণত কিমান সাজ-কাপোৰ, কিমান ছেট গহনা দিব পাৰিছে সেয়া লৈও গোপন প্ৰতিযোগিতা চলিবলৈ লৈছে। কোনোবা-কোনোবাই আজিকালি ছোৱালীৰ যৌতুকত ফ্ৰিজ, ৰঙীন টিভি, গাড়ী, ফ্লেট ইত্যাদি দিয়াৰ কথা শুনা যায়। কাৰোবাৰ দিবৰ মন গ'লে বা শক্তি থাকিলে বিয়াৰ কেইবাবছৰৰ পাছত বা নাতি-নাতীয়েকহঁতৰ নামত উপহাৰস্বৰূপে দিব পাৰে। আনহাতে বিয়াৰ সময়তে এনেবোৰ বস্তু ছোৱালীজনীৰ লগত দিলে মাক-বাপেকৰ মৰ্যাদা বাঢ়ে সঁচা, কিন্তু সামাজিক বৈষম্য অশেষ বৃদ্ধি পায়। দিব নোৱৰাসকলে হীনমন্যতাত ভোগে। ই এটা ডাঙৰ সামাজিক অন্যায়। এই সামাজিক অন্যায়ৰ বিৰুদ্ধে আটায়ে সজাগ হ'ব লাগে আৰু বলিষ্ঠ কণ্ঠেৰে ইয়াৰ বিৰোধিতা কৰিব লাগে। মোৰ কাৰণে এটা ডাঙৰ বিস্ময় যে যৌতুক প্ৰথা ভীষণভাৱে চলা পঞ্জাব, বিহাৰ, উত্তৰ প্ৰদেশ, বংগদেশ, উৰিষ্যা আদিত যৌতুক প্ৰথাৰ বিৰুদ্ধে ছোৱালীবোৰে কিয় বিদ্ৰোহ নকৰে। আজিকালি আইন মতে ল'ৰা-ছোৱালীয়ে সমান-সমান পৈতৃক সম্পত্তি পাবৰ অধিকাৰ আছে। যৌতুক আৰু পৈতৃক সম্পত্তিৰ মাজত পাৰ্থক্য আছে। যৌতুকৰ কোনো সীমা নাই, পৈতৃক সম্পত্তি আনহাতে পিতৃৰ স্ব-উপাৰ্জিত সম্পত্তিখিনিহে। যি পিতৃ বহুতো সম্পত্তিৰ অধিকাৰী হয়, তেওঁ ল'ৰা আৰু ছোৱালীৰ মাজত সমানে ভাগ কৰি দিব পাৰে। কিন্তু যাৰ সম্পত্তি নাই তেওঁ দিব ক'ৰপৰা? কিন্তু দৰাঘৰে তেনে পিতৃৰ জীয়াৰীকো যৌতুক দাবী কৰি হাইৰাণ কৰে। দিব নোৱৰাজনৰ জীয়াৰীক জুই লগাই অথবা পানীত পেলাই হত্যা কৰে। কিমান দুখ লগা কথা। বহুত পিতৃয়ে আকৌ ছোৱালীৰ অজ্ঞতাৰ সুযোগ লৈ আইন-কানুন নেওচা দি কেৱল ল'ৰাৰ মাজতেই মনে-মনে সম্পত্তি ভাগ কৰি দিয়া শুনা যায়। আমাৰ ৰাজ্যৰ বাহিৰে আন ৰাজ্যবোৰত দেখিছোঁ কন্যাদায়গ্ৰস্ত পিতৃ-মাতৃয়ে যৌতুকৰ বাবে ছোৱালীৰ জন্মৰ পাছৰেপৰা অৰ্থ সংগ্ৰহৰ বাবে নানা ব্যৱস্থা হাতত ল'ব লগা হয়। তেওঁলোকে যিকোনো প্ৰকাৰে প্ৰতিমাহে টকা সাঁচিবলৈ আপ্ৰাণ চেষ্টা কৰে। তাৰ কাৰণে নিজৰ পিন্ধা-উৰা, খোৱা-বোৱা বা ঘৰখনৰ অন্য খৰচ একেবাৰে সংকুচিত কৰে। আনকি হাৱাই ছেণ্ডেলৰ এপাটৰ ফিটা ছিগিলে নতুন এযোৰ ল'বলৈ আগ নাবাঢ়ে। এযোৰৰ এপাট, আন এযোৰৰ এপাট পিন্ধিয়েই দিন কটায়। উৰিষ্যাত এজন অধ্যাপকে এনেকৈয়ে পাদুকা পিন্ধা নিজ চকুৰে দেখিছিলো। তাৰ কাৰণ সোধাত তেওঁ কৈছিল যে তেওঁৰ বিয়া দিব লগা দুজনী ছোৱালী আছে, সিহঁতৰ বিয়াত বহুত টকাৰ যৌতুক দিব লাগিব আৰু সেইকাৰণে অযথা খৰচ কৰিব নোৱাৰে। মোৰ বুকু ফাটি হুমুনিয়াহ ওলাইছিল। ছোৱালীবোৰৰনো ইমান নিজা মূল্য নাইনে যে মূল্য দি সিহঁতক মূল্যবান কৰা হয়। ছোৱালীয়ে লগত নিয়া শিক্ষা-দীক্ষাবোৰৰ তাৰমানে একো মূল্য নাই। এই পণপ্ৰথা ছোৱালীবিলাকৰ

কাৰণে অত্যন্ত লজ্জাকৰ আৰু অমৰ্যাদাসূচক। এইবোৰ কাৰণতে পঞ্জাব, ৰাজস্থান আদি ঠাইত ছোৱালী জন্ম হ'লেই মাৰি পেলাইছিল। আজিকালি ছোৱালীভ্ৰূণ হত্যা কৰাৰ কথাও শুনা যায়। এনে অমানৱীয় নিয়ম মানুহৰেই সৃষ্টি।

বিয়াৰ পাছত আইজনী শহুৰৰ ঘৰলৈ গৈছিল যদিও তাই পি. এইচ. ডি.ৰ কাৰণে ৰিছাৰ্চ কৰিব লগা হোৱাত কিছুদিনৰ পাছত গুৱাহাটীলৈ ঘূৰি আহিব লগা হ'ল। ৰিছাৰ্চৰ কাৰণে তাই UGC Fellowship পাইছিল। তাই Geology বিষয়ৰ উত্তৰ-পূব ভাৰতৰ প্ৰথম মহিলা ডক্টৰেট।

আইজনী আৰু দীপৰ বিয়া দুখন হেঁপাহ পলুৱাই চোৱাৰ পাছৰেপৰা দেউতাৰ স্বাস্থ্যৰ পুনৰ অৱনতি ঘটিবলৈ ধৰিলে। বিয়াৰ তিনিমাহৰ পাছতে ১৯৭১ চনৰ মে' মাহত দেউতা স্বৰ্গগামী হ'ল। গুৱাহাটীত থকা কাৰণে আমি দেউতাক শেষ সময়ত দেখা নাপালো। খবৰ পাই ঘৰৰ গাড়ীৰে যেতিয়া আইজনী, মই, মুনু গুৱাহাটীৰপৰা গৈ শিৱসাগৰ ৰাতি ১০ মান বজাত পাওঁগৈ, তেতিয়া গাঁৱৰ ৰাইজে অন্ত্যেষ্টিক্ৰিয়াৰ কাৰণে আমালৈ বাট চাই ৰৈ থকা দেখিছিলোঁগৈ। আমাৰ শোকৰ পাৰ ভাগি গৈছিল। উপস্থিত সকলো মানুহে আমাক সান্ত্বনা দিছিল। সোণ, টুটু, মুনুৱে ধুতি-চাদৰ পিন্ধি শ্মশানলৈ বুলি দেউতাৰ শৱদেহ কান্ধত তুলি খোল-তাল বজাই জোঁৰ লৈ ঘৰৰপৰা ওলাই যোৱা দৃশ্যটো মই এই জনমত কেতিয়াও পাহৰিব নোৱাৰোঁ। দেউতা গ'ল, এটা যেন যুগ অন্তৰ্হিত হ'ল। মই কেউকাষে শূন্য দেখিলো। মাৰ শূন্য কপাললৈ চাই মোৰ চেতনাশূন্য অৱস্থা হ'ল।

আমাৰ শিৱসাগৰৰ ধানৰ পথাৰৰ মাটিবোৰ দেউতা থাকোঁতেই ১৯৬১ চনত অ'. এন. জি. চি.ৰ টাউনশ্বিপ আৰু চেণ্ট্ৰেল ৱৰ্কশ্বপ সাজিবৰ বাবে অধিগ্ৰহণ কৰিছিল। অধিগ্ৰহণৰ বাবদ তেনেই সামান্য টকা দিয়াত আমি on protest টকা লৈছিলো। বহুত বছৰৰ পাছত আৰু অলপ দিলে যদিও যিমান দাম পাব লাগিছিল সিমান দাম একেবাৰে নাপালো। আমাৰ তিনিটা ধানৰ ভঁৰালৰ ঠাইত দুটা ভঁৰাল আৰু তাৰ পাছত অ'. এন. জি. চি.য়ে মাটি অধিগ্ৰহণ কৰাৰ পাছত এটা ভঁৰালহে আছিলগৈ। আধিয়াৰে ধান নিদিয়া হোৱাত এতিয়া এটাও ভঁৰাল নাইকিয়া হ'ল।

কৃষি যুগৰ সকলোখিনি সৌষ্ঠৱ-সৌন্দৰ্য তথা সংস্কৃতি মই প্ৰাণে-প্ৰাণে অনুভৱ কৰিছিলো। মই গুৱাহাটীত থাকোঁ যদিও শিৱসাগৰৰ ঘৰখনত ভঁৰাল তথা ধান নোহোৱা কথাটো মোৰ কাৰণে অতি বেদনাদায়ক। চাওঁতে-চাওঁতে এখন ধনে-ধানে পৰিপূৰ্ণ কৃষিযুগীয় সমাজৰ ঘৰ যন্ত্ৰযুগৰ ঘৰলৈ পৰিৱৰ্তিত হ'ল। কৃষিযুগৰ আশ্বাস, অন্তৰৰ উম বাচি থাকিল কেৱল ডাঙৰ ভাই আৰু ভাই-বোৱাৰীৰ আচাৰ-ব্যৱহাৰত আৰু ঘৰৰ বাৰ্ষিক লক্ষ্মীপূজা ভাগত। মানুহৰ চিন্তা-ভাবনা, মৰম-চেনেহ সকলো নিয়ন্ত্ৰণ

কৰে পটভূমি তথা সমাজখনে।

ইতিমধ্যে মই উজানবজাৰৰ ভাৰাঘৰত থকা কালতে মোৰ শিশু গ্ৰন্থ 'চিলচিল চিলা বাগী চিল মিলা' নামৰ প্ৰথম গ্ৰন্থখনে ৰাষ্ট্ৰপতিৰ সৰ্বভাৰতীয় প্ৰথম পুৰস্কাৰ লাভ কৰি মোক গোটেই অসমত বেচ প্ৰখ্যাত কৰি তুলিছিল। সেই শিশু গ্ৰন্থখন মই উপন্যাসৰ ৰূপত লিখিছিলো আৰু অসমৰ শিশুৰ খেল-ধেমালিবোৰৰ এটা ৰেকৰ্ড ৰাখিছিলো। এই উপন্যাসখন প্ৰথমে 'নতুন অসমীয়া' কাকতত খণ্ড-খণ্ডকৈ প্ৰকাশ হৈছিল। 'নতুন অসমীয়া'ৰ সম্পাদক কীৰ্তিনাথ হাজৰিকাদেৱে খণ্ড-খণ্ডকৈ ওলাই থাকোঁতে মোক বৰ প্ৰশংসা কৰিছিল। এই সদাশয় লোকজনৰ অনুপ্ৰেৰণা মোৰ চিৰদিন মনত থাকিব। ইয়াৰ পাছৰ কিতাপ হ'ল মোৰ কবিতা সংকলন 'বন ফৰিঙৰ ৰং'। সেই সময়ত মই কিছু 'ছেটোয়াৰিকেল' কবিতাও লিখিছিলো। 'বন ফৰিঙৰ ৰঙ'ত তাৰ কিছুমান সন্নিৱিষ্টও হৈছে। আনহাতে সন্নিৱিষ্ট হৈছে পুৰণি বিষয়বস্তুক লৈ নতুন দৃষ্টিভংগীৰে লিখা কবিতা। যেনে— সীতা, গান্ধাৰী, দ্ৰৌপদী। দ্ৰৌপদী কবিতাটোৱে সেই সময়ৰ বিদ্বৎ সমাজত যথেষ্ট আলোড়ন তুলিছিল। সেই কবিতাটোত এটা সাংঘাতিক শাৰী আছিল "হাঁহি উঠে, আৱৰণৰ আঁৰত আমি সকলো উলংগ"। সেই সময়ত শ্ৰদ্ধেয় কবি নৱকান্ত বৰুৱাই 'ধৃতৰাষ্ট্ৰ' নামৰ কবিতাটো লিখিছিল। সম্ভৱতঃ সেই কবিতাটোৱেই আছিল মোৰ দ্ৰৌপদী, সীতা, গান্ধাৰী কবিতা লিখাৰ প্ৰেৰণা। 'বন ফৰিঙৰ বং' কিতাপখন ছপা হৈছিল আমাৰ প্ৰেছ, ইষ্টাৰ্ণ প্ৰিণ্টাৰ্চতে। কিতাপখনৰ ওপৰত ঢেঁকীয়া পাতৰ এক চিত্ৰ আছিল। জীবনানন্দ দাসৰ 'শ্ৰেষ্ঠ কবিতা' নামৰ কিতাপখনতো এনে ঢেঁকীয়া পাতৰ ছবি আছিল। এনেবোৰ সময়তে কবি জীবনানন্দকো মোৰ প্ৰিয় কবি যেন লাগিছিল। ৰবি ঠাকুৰৰ কবিতাৰ স্বাদ অৱশ্যেই বহুত বেলেগ। মোৰ মন-প্ৰাণ সেই ক্লাছ ছিক্সৰেপৰা ৰবীন্দ্ৰনাথে জুৰি থাকে। তাৰ মাজত জীবনানন্দই মোক গভীৰত স্পৰ্শ কৰিলে কেনেকৈ? কি পালো মই জীবনানন্দত? জীবনানন্দ দাসৰ 'শ্ৰেষ্ঠ কবিতা' গ্ৰন্থখন মই বুকুত বান্ধি লৈ ফুৰাওঁ। কিতাপখনৰ বেটুপাতত থকা সেউজীয়া ঢেঁকীয়া পাতটোতে মই যেন অৰণ্যৰ সৌন্দৰ্য, অৰণ্যৰ ঘ্ৰাণ পাইছিলো।

জীবনানন্দৰ কবিতা হাতত লৈ মনত ভাব হৈছিল জীবনানন্দ কোন ধাৰাৰ কবি? তেওঁ ৰোমাণ্টিক নে আধুনিক? নে তেওঁ যুগসন্ধিৰ কবি? তেওঁৰ প্ৰসিদ্ধি ইমান ব্যাপক কিয়? জীবনানন্দৰ কবিতাত এনে কি মননশীল চেতনা আছে যাৰদ্বাৰা কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যিক পৰিৱেশৰপৰা মুক্ত হৈ আহিব পাৰিলে?

ভাৰতীয় সংস্কৃতিৰ প্ৰচুৰ আশাবাদ জীৱন্ত আছিল ক্লাছিকেল সাহিত্যসমূহত। বিশ্বকবিৰ কবিতাতো আছিল উজ্জ্বল ইতিবাচক ধাৰা। এই অন্ধকাৰ ৰহস্যময়তাৰ সিপাৰে এক আদিত্যবৰ্ণৰ প্ৰাণপুৰুষ বিদ্যমান। ৰহস্যৰ পৰ্দা এখন-এখনকৈ আঁতৰাব

পাৰিলেই সেই পৰমজ্যোতিৰ দৰ্শন নিশ্চয় পোৱা যাব। কৰ্মবন্ধন শেষ কৰিব পাৰিলে জীৱন তথা আত্মা পৰমাত্মাৰ লগত যুক্ত হৈ যায়।

কৃষিজীৱী সমাজৰ দৃঢ় বিশ্বাস আছিল বিশ্বৰ সকলো নীতি নিয়ন্ত্ৰণকৰ্তা এক সৰ্বব্যাপী শক্তিত। ঈশ্বৰৰ অসীম শক্তিত অটল বিশ্বাস, মানুহৰ পাৰস্পৰিক প্ৰেমত গভীৰ আস্থা, মানুহৰ শুভ চেতনাৰ ওপৰত একান্ত ভাৰসা, হৃদয়ৰ আনন্দবোধৰ ওপৰত শেষ আশ্ৰয় কৃষিজীৱী যুগৰ উল্লেখনীয় কথা।

আনহাতে ক্লান্তিবোধ, নৈৰাশ্য আৰু বিষাদচেতনা লৈ দেখা দিলেহি জীৱনানন্দই। জীৱনৰ এই গোমা দিশবোৰো অতিশয় সত্য। আধুনিকতাই জীৱনৰ সকলো সত্যকে প্ৰত্যক্ষ কৰে। কেৱল পোহৰেইতো জীৱনত সত্য নহয়! দিনৰ পোহৰ যেনেকৈ সত্য, ৰাতিৰ আন্ধাৰো তেনেকৈয়ে সত্য। অন্ধকাৰক পোহৰাব পৰাটোতেই আমাৰ সাৰ্থকতা। অৱশ্যেই এইটো বেলেগ প্ৰসংগ।

জীবনানন্দৰ বিষাদচেতনা যুগৰ তিক্ত অভিজ্ঞতাৰ ফচল। যান্ত্ৰিক যুগ আৰম্ভ হোৱাৰ লগে-লগে কৃষিযুগৰ আস্থা আৰু বিশ্বাসৰ শ্যামলিমা ক্ৰমান্বয়ে অন্তৰ্হিত হৈ আহিবলৈ ধৰিলে। পাৰস্পৰিক বিশ্বাসৰ শিপাগজা সমাজখন ভাগি আহিল। তাৰ ঠাই ল'লে সন্দেহ, সংশয়, অবিশ্বাস, দ্বন্দ্বই। মূল্যবোধৰ সলনি হ'ল। শান্তি যেন অদৃশ্য হ'ল। যুগৰ কুশ্ৰী যেন দৃষ্টিগোচৰ হৈ আহিল। আমি আটায়ে যেন ক্ৰমাৎ নিৰুদ্দেশ হৈ পৰিলো।

ৰূপ সৰি পৰা দেহৰ প্ৰতিফলন আইনাত চাবলৈ আমি ভয় কৰোঁ, কিন্তু সেয়াওতো সত্য। ব্যৰ্থতা অথবা মনৰ অসুখ সুন্দৰ আৱৰণেৰে কিমানদিন লুকুৱাই ৰখা যায়।

সমাজলৈ যেন ধূসৰ যুগ আহিল। সকলো অস্পষ্ট। পুৰণি সৌন্দৰ্য, চিৰন্তন সত্য অস্পষ্ট হৈ পৰিল। বৰ্তমানতো অস্পষ্টই, ভৱিষ্যৎ তাতোকৈ ম্লান, ধূসৰ, অন্ধকাৰ। এনে অৱস্থাত মানসিক ক্লান্তিবোধ সাহিত্যত প্ৰতিফলিত হোৱা নিতান্তই স্বাভাৱিক। যুগৰ বিষাদ-চেতনা জীবনানন্দৰ কবিতাত মূৰ্ত হৈ উঠা দেখি অন্তৰ চমকি গ'ল ঃ

হায় চিল, সোণালি ডানাৰ চিল,
এই ভিজে মেঘেৰ দুপুৰে
তুমি আৰ কেঁদোনাকো উড়ে উড়ে ধানসিড়ি নদীটিৰ পাশে!
তোমাৰ কান্নাৰ সুৰ বেতেৰ ফলেৰ মতো তাৰ ম্লান চোখ মনে আসে!
পৃথিবীৰ ৰাঙা ৰাজকন্যাদেৰ মতো সে যে চলে গেছে ৰূপ নিয়ে দূৰে;
আবাৰ তাহাৰে কেন ডেকে আন? কে হায় হৃদয় খুড়ে
বেদনা জাগাতে ভালোবাসে!

'সে যে চলে গেছে'— কোন 'সে'? কোন তেওঁ? তেওঁ শান্তি, 'পাছৰ্নিফাইড'

শান্তি। কৃষিযুগৰ আস্থা, বিশ্বাস, নির্ভৰতা ভৰা শান্তি।

এই কবিতাটো এই কাৰণেই মৰ্মস্পৰ্শী যে এক নিঃকিন উদাসীনতা, বুকুভগা ৰিক্ততা তথা বেদনাৰ সুৰ ৰৈ-ৰৈ যেন বিনাই-বিনাই উঠিছে। নিথৰ বেদনাত চকুপানী যেন টপটপকৈ সৰিছে।

মানসিক সম্পদৰ সমস্ত যেন ক'ৰবাত হেৰাল। অপৰিসীম শূন্যতাবোধত হাহাকাৰ কৰি থকা কবিক ক্ৰমান্বয়ে এক বিশেষ চেতনাবোধেও যেন জৰ্জৰিত কৰিছে—

স্বপ্ন নয়—শান্তি নয়—ভালোবাসা নয়,
হৃদয়েৰ মাঝে এক বোধ জন্ম লয়!
আমি তাৰে পাৰিনা এড়াতে,

কবিৰ সচেতনতাই প্ৰত্যক্ষ কৰিলে যুগৰ মূল্যবোধৰ অৱক্ষয়, বিশ্বজোৰা ৰাজনৈতিক, অৰ্থনৈতিক অনিশ্চয়তা, আতংকৰ লগতে যুগৰ বন্ধ্যা ৰূপ। কবিয়ে তথা মানুহে এতিয়া ক'ত আশ্ৰয় ল'ব? ৰোমাণ্টিক কবিৰ দৰে শাশ্বত প্ৰেমৰ আদৰ্শত? নাই, কবিৰ তাতো বিশ্বাস নাই। কাৰণ দেহেই অস্থায়ী নহয়, মনৰ ক্ৰিয়াবোৰো অস্থায়ী।

(১) দেহ ঝৰে, ঝৰে যায় মন তাৰ আগে!
এই বৰ্তমান, তাৰ দুপায়েৰ দাগে
মুছে যায় পৃথিৱীৰ পৰ
একদিন হয়েছে যা— তাৰ ৰেখা, ধূলাৰ অক্ষৰে

(২) একদিন, একৰাত
কৰেছি প্ৰেমেৰ সাথে খেলা
একৰাত, একদিন
কৰেছি মৃত্যুৰে অবহেলা
একদিন একৰাত
তাৰপৰ প্ৰেম গেছে চলে—

বৰ্তমান মানুহৰ আত্মিক শূন্যতাত (যিটোক Spiritual Barrenness বুলি ক'ব পাৰি), যান্ত্ৰিকতাত শ্বাসৰুদ্ধ হৈ বিশ্বাসৰ ধ্ৰুৱতৰা বিচাৰি নাপাই চেতন-অৱচেতন, অন্তৰ্জগত-বহিৰ্জগতৰ মাজৰ সকলো সীমা ভাঙি দি তেওঁ 'ছাৰিয়েলিজম'ত আশ্ৰয় ল'লে। এই ছুপাৰ-ৰিয়েলিটিৰে চমৎকাৰ উদাহৰণ এইজনা কবিৰ কবিতাত যেন উদ্ভাসি উঠিল।

জগতখন কেৱল বৰ্তমান যুগৰ মূল্যবোধতেই সীমাবদ্ধ নহয়। তাৰ মাজত আছে সমগ্ৰ বিশ্ব, সমগ্ৰ যুগ-যুগান্তৰৰ কৃষ্টি, আছে আৱিষ্কৃত-নাৱিষ্কৃত সভ্যতা— গ্ৰীচ, বেবিলনৰ নিনেভা, মিছৰ, বিদিশা-উজ্জয়িনীৰ সংস্কৃতি। সেয়েহে কবিয়ে প্ৰাণদায়িনী

উৎসৰ সন্ধানত যাত্ৰা কৰিলে, সন্ধান কৰিবৰ কাৰণে বিভিন্ন ঐতিহ্যৰ মাজত— পেগানৰ গ্ৰীচ, কনফুছিয়াছৰ চীন, ভাৰতবৰ্ষত—

হাজাৰ বছৰ ধৰে আমি পথ হাঁটিতেছি পৃথিবীৰ পথে,
সিংহল সমূদ্ৰ থেকে নিশীথেৰ অন্ধকাৰে মালয় নগৰে
অনেক ঘুৰেছি আমি;
বিম্বিসাৰ অশোকেৰ ধূসৰ জগতে
সেখানে ছিলাম আমি; আৰো দূৰ অন্ধকাৰে বিদৰ্ভ নগৰে;
আমি ক্লান্ত প্ৰাণ এক, চাৰিদিকে জীবনেৰ সমুদ্ৰ সফেন,
আমাৰে দুদণ্ড শান্তি দিয়েছিল
নাটোৰেৰ বনলতা সেন।

চুল তাৰ কবেকাৰ অন্ধকাৰ বিদিশাৰ নিশা,
মুখ তাৰ শ্ৰাবস্তীৰ কাৰুকাৰ্য
অতি দূৰ সমুদ্ৰেৰ পৰ
হাল ভেঙে যে নাবিক হাৰায়েছে দিশা
সবুজ ঘাসেৰ দেশ যখন সে চোখে দেখে
দাৰুচিনি-দ্বীপেৰ ভিতৰ,
তেমনি দেখেছি তাৰে অন্ধকাৰে,
বলেছে সে,
'এতদিন কোথায় ছিলেন'?
পাখিৰ নীড়েৰ মতো চোখ তুলে
নাটোৰেৰ বনলতা সেন।

কি ৰহস্যৰ ছঁয়ামযা এই বনলতাত। কোন এই বনলতা? কবিৰ সকলো সন্ধানৰ উত্তৰ হৈ যি দেখা দিলে? পাৰ্থিৱ-অপাৰ্থিৱ, সীমা-সীমাৰ বাহিৰ, বুজি পোৱা-নোপোৱাৰ মাজৰ নিশ্ছিদ্ৰ যেন শান্তি। কি অপৰূপ, কি আশ্চৰ্যভাৱে আকৰ্ষণীয় এই কবিতা!

এই ষাঠিৰ দশকটোত বহুতো কবিতা লিখিছিলো যদিও প্ৰকাশ কৰিছিলো সেই এখনেই কিতাপ। ঘৰুৱা সমস্যাৰ বিভিন্ন ধুমুহাত মই ক্ষত-বিক্ষত হৈ পৰিছিলো। সত্তৰ দশকৰ আৰম্ভণিৰপৰা আন্ধাৰ কিছু যেন পাতলিল। যেন অৰুণোদয় হ'ল। মই ইয়াৰ মাজতেই (দুয়োবেলা কলেজত কাম কৰাৰ মাজতে) ডাঙৰ ভাই আৰু ছোৱালীৰ বিয়া পতাৰ মাজতে, উনসত্তৰ চনৰ শেষৰ ফালে আৰম্ভ কৰা মোৰ Ph. D. ৰিছাৰ্চৰ থেছিছ— 'দা ট্ৰিটমেণ্ট অব্ নেচাৰ ইন আছামিজ পয়েট্ৰি'ৰ কাম শেষ কৰিছিলো

আৰু Ph. D. পৰীক্ষাৰ কাৰণে দাখিল কৰিছিলো। দুবছৰৰ ভিতৰত থেছিছৰ কাম শেষ কৰিমেই বুলি মই দৃঢ়প্ৰতিজ্ঞ আছিলো। কিতাপ পঢ়িবৰ কাৰণে মই কলিকতাৰ নেশ্যনেল লাইব্ৰেৰিলৈ গৈছিলো আৰু কলিকতাত গৈ যথেষ্ট দিন আছিলোগৈও। দেউতাই মই ডক্টৰেটটো পোৱা দেখি যাওক,— এইটো মই অন্তৰেৰে আশা কৰিছিলো। কিন্তু আমাৰ বিশ্ববিদ্যালয়ত ডক্টৰেটৰ ৰিজাল্ট ওলাবলৈ বহুত সময় লাগে। দেউতাই মোৰ ৰিজাল্ট শুনি যাবলৈ নাপালে। সাহিত্যত ডক্টৰেট পোৱা অসমৰ প্ৰথম মহিলা হোৱাৰ সৌভাগ্য মোৰ হৈছিল। আমাৰ দিনত থেছিছ এতিয়াৰ দৰে অসমীয়াত নহয় ইংৰাজীতহে লিখিব লাগিছিল। মোৰ পৰম শ্ৰদ্ধেয় গুৰু ড° সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে ৰোমাণ্টিক কবিতাৰ যুগটো শেষ কৰিয়েই থেছিছ সামৰিবলৈ কৈছিল। মই কিন্তু আধুনিক যুগৰো সেই সময়লৈকে গোটেইখিনি সামৰিলো।

ৰিছাৰ্চৰ বিষয় বাছিবৰ সময়ত পূজনীয় গুৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে মোক তিনিটা বিভিন্ন বিষয় দিছিল— (১) অসমীয়া সাহিত্যত হাস্যৰস, (২) অসমীয়া ব্যংগ সাহিত্য, (৩) অসমীয়া কবিতাত প্ৰকৃতি। সেই সময়তে আনজন প্ৰসিদ্ধ পণ্ডিত প্ৰফুল্ল দত্ত গোস্বামী ছাৰেও মোক তেখেতৰ অধীনত গৱেষণা কৰিবলৈ বৰকৈ মাতিছিল। তেখেতে মোৰদ্বাৰা 'উজনি অসমৰ বিহু',— এই বিষয়টোৰ গৱেষণা কৰাব খুজিছিল। তেখেতৰ ডিপাৰ্টমেণ্ট আছিল ফক্‌ল'ৰ। মোৰ মনে ইচ্ছা কৰিছিল সাহিত্যৰ বিষয় লৈ গৱেষণা কৰিবলৈহে। মই কি কৰিম কি নকৰিম ভাবি স্থিৰ কৰিব পৰা নাছিলো। সপোনতে মই যেন কিবা ইংগিত এটা পাম এনেকুৱা লাগিছিল।

সঁচাকৈয়ে ৰাতিলৈ সপোন দেখিলো। ইমান অপূৰ্ব সুন্দৰ অৰণ্য এখনৰ মাজেদি মই গৈছোঁ যে বৰ্ণাবলৈ ভাষা নাই। আকাশত দুফালে দুটা পূৰ্ণচন্দ্ৰ। মায়াময় জোনাক। বাটৰ দুয়োকাষে অপূৰ্ব সুন্দৰ ফলবোৰ। সপোনতে মোৰ সৰগ নে মৰত এনেকুৱা লাগিছিল। জান, জুৰি, ঝৰ্ণা আটাইবোৰ আছিল সপোনটোত। তেনেকৈয়ে ৰাতি পুৱাল। সপোনটোৰ কথা ভাবিলেই মনলৈ মাদকতা আহে। মোৰ মনে ধৰিলে প্ৰকৃতিয়েই মোৰ বিষয়। হাস্যও নহয়, ব্যংগও নহয়। মই পাছদিনা ছাৰক মোৰ সিদ্ধান্তৰ কথা কোৱাত ছাৰে সন্তোষ পালে আৰু আৰম্ভ কৰিবলৈ ক'লে। এই বিষয়টোৰ গৱেষণাত লাগি মই ক্ষণে-ক্ষণে পুলকিত হৈছিলো। পাছতহে গম পালো, 'ট্ৰিটমেণ্ট অব্ নেচাৰ' বিষয়ৰ কোনো গৱেষণা সৰ্বভাৰততে সেই সময়লৈকে হোৱা নাছিল।

মোৰ এজন পৰীক্ষক আছিল আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত ড° ভি. কে. গোকক। এখেত পাছত সাহিত্য একাডেমিৰ প্ৰেছিডেণ্টো হৈছিল। তেখেত মোৰ viva ল'বলৈ মহীশূৰ বিশ্ববিদ্যালয়ৰপৰা আহিছিল। তেখেত তেতিয়া সেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য

আছিল। তেখেত viva লৈ ইমান সন্তুষ্ট হ'ল যে তেখেতে তেখেতক ওলটাই প্ৰশ্ন কৰিবলৈ মোক ক'লে। কি আচৰিত কথা যে মাত্ৰ কেইদিনমানৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লাইব্ৰেৰিৰ ইংৰাজী বিভাগত কিতাপ চাই থাকোঁতে প্ৰফেছাৰ ভি. কে. গোককৰ এখন ইংৰাজী কবিতাৰ কিতাপ দেখি থিয়ৈ-থিয়ৈ ৰেকৰ ওচৰতে মই কিতাপখন পঢ়ি পেলাইছিলো। কিতাপখন symbolic আছিল। মহাকাল আৰু পাৰ্বতীক টাইম আৰু স্পেচৰ (space) প্ৰতীক কৰি কিতাপখন লিখা হৈছিল। মই তেখেতক বহুত প্ৰশ্ন কৰিছিলো, কিন্তু কি-কি কৰিছিলো আজি আৰু মনত নাই। তেখেত অতিশয় তৃপ্ত হৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকে ধৰি সকলোকে মোৰ কথা কৈ ফুৰিছিল। তেখেতে কৈছিল— তেখেতেও হেনো মোৰ দৰে ৰিছাৰ্চ স্কলাৰ আগতে পোৱা নাছিল। তেখেতক পুনৰ লগ পাইছিলো ১৯৮৩ চনত মই সাহিত্য একাডেমি পুৰস্কাৰ পাওঁতে, তেখেতে যেতিয়া পুৰস্কাৰ দিছিল, তেখেত তেতিয়া যথেষ্ট বুঢ়া হৈছিল। তেখেতে মোক আন্তৰিকভাৱে অভিনন্দন জনাইছিল। প্ৰথমে বাৰ্ধক্যৰ কাৰণে তেখেতে মোক চিনিবই পৰা নাছিল। পাছত চিনি পাই আনন্দিত হ'ল।

এইখিনিতে বিশ্বাস কৰিবলৈ মন নগ'লেও অতি সঁচা অভিজ্ঞতা এটা লিপিবদ্ধ কৰি থ'ব খুজিলো ঃ

মোৰ Ph. D. থেছিছখন বিশ্ববিদ্যালয়ত জমা দিয়াৰ আগদিনা ৰাতিৰ কথা। তেতিয়া আমি চানমাৰিৰ ঘৰত। থেছিছৰ চাৰিটা কপি কৰি অনা হৈছিল। সাতশ-সাতশ পৃষ্ঠাৰ একো-একোখন ডাঙৰ গ্ৰন্থ। মাজৰ ৰুমৰ টেবুলতে চাৰিওটা কপি ইখনৰ ওপৰত সিখনকৈ থৈ দিয়া হৈছিল। ৰাতি আমি খাই-বৈ শোৱাৰ পাছত একমান বজাত ঘটংকৈ মাজৰ ৰুমৰ দুৱাৰ খোলাৰ শব্দ হ'ল। মাজৰ ৰুমত কোনো শোৱা নাছিল। কাষৰ এটা ৰুমত মই আৰু আইজনী, আন এটা ৰুমত মুনু আৰু মাহীৰ ল'ৰা টুলুমইনা শুইছিল। ধামকৈ দুৱাৰ খোলা সিহঁতেও শুনিছিল। পাম্পশু পিন্ধা কোনোবা এজন যেন ভিতৰলৈ সোমাই আহিছিল আৰু টেবুলৰ ওপৰত থোৱা থেছিছকেইখনৰ পাত লুটিয়াই-লুটিয়াই যেন চাইছিল। এইবোৰৰ স্পষ্ট শব্দ আমি আটায়ে শুনিছিলো। কোন আহিছেনো চাবলৈ যেতিয়া আমি উঠি লাইট জ্বলালো, তেতিয়া দেখিলো দুৱাৰ বন্ধ, ভিতৰত কোনো নাই। কিবা ভ্ৰমহে হ'ল বুলি ভাবি, আমি যেতিয়া লাইট অফ কৰি নিজৰ ৰুমত শুলেহি, আকৌ তেতিয়া একে শব্দৰ পুনৰাবৃত্তি। আকৌ লাইট জ্বলালো, আকৌ শুলোহি, আকৌ সেই বাৰাণ্ডাইদি জোতা পিন্ধি অহা ভৰিৰ শব্দ। দুৱাৰ খোলাৰ শব্দ, কিতাপকেইখন মেলি-মেলি চোৱাৰ শব্দ আৰু কিতাপকেইখন জপাই টেবুলত থুকুৰিয়াই-থুকুৰিয়াই থোৱাৰ শব্দ। ধপধপকৈ ইটো কপিৰ ওপৰত সিটো কপি থোৱাৰ শব্দ। আমি আকৌ গোটেইবোৰ উঠিলো। ভয়ে-ভয়ে লাইট জ্বলালো, আৰু চালো। নাই কোনোৱেইতো নাই! আমি বৰ

ভয় খালো। গোটেইৰাতি ঘৰৰ আটাইবোৰ লাইট জ্বলাই চকু মেলি বিছনাত পৰি থাকিলো, ৰাতি পুৱাবালৈকে। দেউতাৰ আত্মাই আহিছিল নে কি থেছিছখন চাবলৈ? দেউতায়ো পাম্পশু পিন্ধিছিল। ৰহস্যময় এই কথাবোৰৰ উত্তৰ কোনে দিব?

মই থেছিছ কৰিবলৈ আৰম্ভ কৰিছিলো প্ৰথমে খাছি ভাষাৰ বিষয়েহে। কাৰণ মোৰ এম. এ. বি. (B) গ্ৰুপতহে আছিল। এম. এ. পাছ কৰি উঠি মই পুনাৰ য়াৰোবেদা ডেক্কান কলেজত Linguistic Training-অৰ তিনিমহীয়া পাঠ্যক্ৰম এটা কৰিছিলো। তাৰ পাছত মই ৰিছাৰ্চ গাইড লৈছিলো ড° বিৰিঞ্চি কুমাৰ বৰুৱা ছাৰক। তেখেতে মোক এই খাছি ভাষাৰ ৰিছাৰ্চ কৰিবলৈ দিছিল। কিন্তু ফিল্ড ৱৰ্ক কৰিবলৈ যোৱাটো মোৰ কাৰণে সম্ভৱ নহ'ব বুলি জানি মই অলপ দিন কাম কৰিয়েই এৰি দিছিলো। বিভিন্ন কাৰণত সাহিত্য বিভাগটোৰ গ্ৰুপটোতে কাম কৰা উচিত বুলি ভাবি আৰু পূজনীয় ড° সত্যেন্দ্ৰনাথ শৰ্মা ছাৰেও আৰু ড° নেওগ ছাৰেও একে কথাকে বাৰে-বাৰে কোৱাত মোৰ মন মুকলি হ'ল আৰু ড° শৰ্মা ছাৰৰ তত্ত্বাৱধানত কৰাটো স্থিৰ হ'ল। ডক্টৰেট কৰাৰ পাছতে ড° ভি. কে. গোককে থেছিছখন তৎকালেই ছপা কৰিবলৈ দিয়াৰ কথা কৈছিল আৰু কেইবাজনো প্ৰকাশককো কৈ দিছিল। কিন্তু সেই সময়ত মই নিজে ভাবিছিলো যে থেছিছখন অলপ সৰু কৰিব পাৰিলে ভাল হ'ব। সময় পালে সৰু কৰিম আৰু তেতিয়া ছপা কৰিবলৈ দিম। প্ৰকাশককেইজনে মোলৈ চিঠি লিখি-লিখি ভাগৰিলে। পাছলৈ মই চিঠিৰ উত্তৰো নিদিয়া হ'লো। কাৰণ মই থেছিছখন সৰু কৰিবলৈ সময় পোৱা নাই। আৰু তেনেকৈ আজিলৈকে থাকিল। কি যে মূৰ্খালিবোৰ কৰিছিলো তেনেকৈ ভাবি! থেছিছখন সৰু কৰাৰে বা দৰকাৰ কি? ১৯৭২ চনত মই ডক্টৰেট পালো। তেতিয়াই ছপা কৰা হ'লে এতিয়ালৈকে মোৰ থেছিছখনৰ কেইবাটাও সংস্কৰণ ওলালহেঁতেন। এইটো কৰ, সেইটো কৰ বুলি কওঁতাও কোনো নাই। নিজেই ভাবিলেই ভবা, নিজেই কৰিলেই কৰা! আৰু মই যে কিমান বিক্ষিপ্ত।

মই ডক্টৰেট পোৱাৰ পাছতে মাক তীৰ্থ দৰ্শন কৰিবলৈ নিব লগা হ'ল। অসমীয়া সমাজত পুৰীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰাটো বৰ ডাঙৰ সৌভাগ্য বুলি ধৰা হয়। মাৰো মন আছিল যেনে-তেনে এবাৰ পুৰীলৈ যোৱা, জগন্নাথক দৰ্শন কৰা আৰু কাশীৰ বিশ্বনাথক দৰ্শন কৰা। মাক বাহিৰলৈ ফুৰাবলৈ নিবলৈ হ'লে লগত এটা ল'ৰা লাগিব। মাৰ লগত যাবলৈ মাৰ বিয়নীয়েক (আমাৰ সোণৰ শাহুৱেক), উত্তৰ গুৱাহাটীৰ কালিন্দী আইতাও ওলাল। দুগৰাকী নৈষ্ঠিক বৃদ্ধাক লৈ অকলে যাব নোৱাৰি। কাৰোবাৰ অসুখ-বিসুখ হ'লে লগত ল'ৰা এটা নিনিলে বিপদ হ'ব। কাক লগত নিওঁ? তিনিওটা ভাইটি নিজৰ-নিজৰ কামত ব্যস্ত। মই আমাৰ গণেশ মামাৰ ল'ৰা পুতুমণিক ক'লো। সি বৰ আপোন ভাব কৰে। সি মোৰ মাজু ভাইৰ লগৰ। সি O.N.G.C.ত কাম কৰে। তাক

লগ দিবলৈকে মোৰ সৰু ভাইৰ লগৰ আৰু এজন ল'ৰাক লগ ল'লো। তেওঁৰ নাম হৰেন ৰাজখোৱা। টীয়কত ঘৰ। গুৱাহাটীতে কাম কৰে। কেবিন এটা ৰিজাৰ্ভ কৰিলো। এটা ডাঙৰ ট্ৰাংকত পলিথিনৰ পেকেটত ভৰাই ধুই দিলেই কোমল হোৱা চাউল, ঘৰৰ গাখীৰেৰে কৰা লাড়ু আদি বিভিন্ন বস্তু, পাপৰ, গাখীৰেৰে মৰা আটাৰ ৰুটী, তামোল-পাণ, দৰব-জাতি, জহা চাউল, মগু দাইলৰ পেকেট, হৰলিক্স, ষ্টভ, কেট্‌লি, কেৰাহী, ছছ্‌পেন (ডাঙৰ, সৰু কেইবাটাও) ষ্টেইনলেছ ষ্টিলৰ বাচন, কটাৰী ইত্যাদি যত যিমান বস্তু লাগে সকলো ভৰাই লৈ মা, আইতা, পুতুমণি, হৰেন ৰাজখোৱাক লৈ মই তীৰ্থ দৰ্শন কৰাবলৈ ওলালো।

মাহঁত তীৰ্থলৈ যাব বুলি শুনি চিনাকি আই-বাই সকলোৱে আহি মা, আইতাহঁতক শুভেচ্ছা জনালেহি। আমি লক্ষ্ণৌ হৈ দিল্লীলৈ যাত্ৰা কৰিছিলো। বাটত যাওঁতে মাহঁতক ষ্ট'ভত চাহ কৰি খুৱাই গৈছিলো। লক্ষ্ণৌত নামি এঘৰ মাৰোৱাৰী মানুহৰ ধোৱা-মচা ৰুম দুটা আমাক জীৱেশ্বৰ গোস্বামীয়ে (গোপাল দাই) ঠিক কৰি দিছিল। মই গা ধুই ষ্ট'ভ জ্বলাই মাহঁতক ৰান্ধি-বাঢ়ি খুৱালো। মাহঁতৰ নিচিনা অজলা মানুহবোৰক ফুৰাবলৈ নিলে কি-যে আনন্দ লাগে! সেয়া হৈছে দেখুউৱাৰ আনন্দ, বুজোৱাৰ আনন্দ। সকলো বস্তু কৌতূহলেৰে চায়। আবেলি টাংগাত তুলি লক্ষ্ণৌৰ মূল ঠাইবোৰ দেখুৱালো। সন্ধিয়া জাতিলাও আৰু বিলাহীৰ বজাৰ কৰি মা, আইতা, হৰেন, পুতুমণিহঁতক টেঙা আঞ্জাৰেও ভাত খুৱালো। ৰাতি ট্ৰেইন আছিল দিল্লীলৈ। আমি বয়-বস্তু সামৰি-সুতৰি লৈ আকৌ ষ্টেশ্যনলৈ ওলালো। এইবাৰ গৈ নামিলোগৈ দিল্লীত। দিল্লীত সাংসদ হৈ থকা বিশ্বনাৰায়ণ শাস্ত্ৰী ডাঙৰীয়াৰ পৰিবাৰ মীৰা মোৰ বাল্যবন্ধু। অৱশ্যে মীৰা তেতিয়া তাত নাছিল। আমি গৈ ছাউথ এভিনিউৰ শাস্ত্ৰী দাদাৰ ফ্লেটত নামিলো। মাহঁতে যেন ঘৰ এখনহে পালে। তাতে কেইবাদিনো থাকি দিল্লীৰ গোটেইখন মাহঁতক দেখুৱাই এদিন মথুৰা আৰু বৃন্দাবন দেখুৱাবলৈ নিলো। মথুৰা-বৃন্ধাবন পাই মা আৰু আইতা কিমান যে পুলকিত হৈছিল। তেতিয়া বৃন্দাবনৰ ব্ৰহ্মকুণ্ডত শ্ৰদ্ধেয় উপেন লেখাৰু ছাৰৰ পৰিবাৰসহ পৰিয়াল আছিল। শিল্পী বিজয় শংকৰ দাসৰ মাতৃ শ্ৰীযুতা জেঠাইদেৱো সেই সময়ত বৃন্দাবনতে আছিল আৰু আমাৰ সহযাত্ৰী হৈছিল। আমি তাতে থাকি পাছদিনা ব্ৰহ্মপুৱাতে উঠি কেলি কদম্বৰ তলত যমুনাত স্নান কৰি খোজকাঢ়ি তীৰ্থবোৰ দৰ্শন কৰিবলৈ ধৰিলো। লগত লেখাৰু ছাৰৰ খুৰীদেৱো আছিল। মথুৰা, বৃন্দাবন দৰ্শন কৰিবলৈ পাই মা আৰু আইতাৰ আনন্দৰ সীমা নাছিল। দুয়ো বিয়নীয়ে বৃন্দাবনৰ মাজে-মাজে ঘূৰি ফুৰোঁতে বান্দৰে তেওঁবিলাকৰ হাতৰপৰা থপিয়াই কিবা-কিবি খোৱাবস্তু লৈ গৈছিল।

বৃন্দাবন, মথুৰা দেখুৱাই আনি মা আৰু আইতাক কাশীৰ বিশ্বনাথ মন্দিৰ দৰ্শন

কৰাবলৈ নিলো। কাশীৰ গংগাৰ দশাশ্বমেধত মাইঁতে স্নান কৰিলে আৰু পৰিদৰ্শন কৰিলে। কাশীৰ বিশ্বনাথ মন্দিৰ দৰ্শন কৰি আমি আটায়ে অভিভূত হ'লো। বিশ্বনাথ মন্দিৰৰ ওচৰৰ দোকানৰপৰা মায়ে মাৰ্বলৰ শিৱমূৰ্তি এটাও কিনি আনিলে। পাছত ঘৰলৈ আহি সেইজনা শিৱক গোসাঁইঘৰত বেলেগ এখন থাপনা পাতি প্ৰতিষ্ঠা কৰি মায়ে নিত্য পূজা কৰিছিল। এনেয়ে আমাৰ গোসাঁইঘৰত কাশীৰপৰাই আগতে অনা ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিহে থাপনাত আছিল আৰু এতিয়াও আছে। এই খণ্ড ফুৰা-চকাৰ পাছত মাইঁতক প্ৰয়াগ তীৰ্থ দেখুৱাবলৈ আনিলো। এলাহাবাদ ষ্টেশ্যনত নামি আমি ৰিক্সাৰে গংগা-যমুনাৰ সংগমস্থান পালোগৈ। প্ৰয়াগত স্নান কৰি উঠি মাইঁতে নদীৰ পাৰতে পিকনিকৰ দৰে চাহ-তাহ খাব বুলি চাহৰ সৰঞ্জাম থাল-বাটি, নানান খোৱাবস্তু আদি লৈ আমি প্ৰয়াগলৈ বুলি ডাঙৰ নাৱত উঠিছিলো। সেই নাৱতে প্ৰয়াগত স্নান কৰাবলৈ আৰু দেউতাৰ অস্থি লগোৱা, তৰ্পণ কৰা আদিত সহায় কৰিবলৈ প্ৰয়াগৰে পাণ্ডা দুজনমানো উঠিছিল। নাৱত উঠাৰ আগতে নাৱৰ ভাৰা ঠিক কৰি লোৱা হৈছিল যদিও নাওখন পানীলৈ যিমানে আগুৱাই গ'ল, পাণ্ডাসকলৰ ভাৰাৰ নিৰিখো ক্ৰমান্বয়ে বেছি হ'বলৈ ধৰিলে। তেওঁবিলাকে যে কিমান কাজিয়া কৰিব জানে তেতিয়াহে গম পালো। আমাৰ কোনো যুক্তি তেওঁবিলাকে নামানে। সন্মুখৰ ফালে আমাৰ ঘাই পুৰোহিতে তৰ্ক কৰি-কৰি আমাক ব্যস্ত কৰি ৰাখিলে। নাৱৰ পিছপিনে বহা কেইজনমানে আমাৰ অজ্ঞাতে আমাৰ চাহৰ আটাইবোৰ সৰঞ্জাম চুৰ কৰিলে। পুৰোহিতকেইজনে আমাক অতি অভদ্ৰ ভাষাত গালি পৰা কাৰণে তেওঁবিলাকৰদ্বাৰা কোনো পূজা নকৰাওঁ বুলি ঠিক কৰি মই ক'লো যে আমি নিজে-নিজেই অস্থি লগাম আৰু তৰ্পণ কৰিম। তোমালোকৰ কোনো আৱশ্যক নাই। এইবুলি কৈ প্ৰয়াগৰ সংগমস্থলত স্নান কৰি মই দেউতাৰ অস্থি লগালো, আইতাই ককাৰ অস্থি লগালে। আমি কেৱল নাৱৰ ভাৰা দি ঘূৰি আহি পাৰত নামিলোহি। তেতিয়াহে গম পালো যে আমাৰ বস্তুবোৰ পুৰোহিতৰ অনুচৰকেইটাই চুৰ কৰিলে। আমাক একো জ্ঞান নথকা ক'ৰবাৰ হাবি-জংগলৰ মানুহৰ দৰে জ্ঞান কৰি, প্ৰয়াগৰ পুৰোহিতে কেৱল টকাৰ কাৰণে ইমান বেয়া ব্যৱহাৰ কৰা সেইসকল লোকক ব্ৰাহ্মণ বা জ্ঞানী লোক বুলি ক'বলৈ মই নাৰাজ। জ্ঞানী মানুহৰ ব্যৱহাৰ যুক্তিসংগত হ'ব লাগে। সংস্কৃত মন্ত্ৰ উচ্চাৰণ নকৰি নিজৰ অন্তৰেৰে ক'লেও ভগৱান সন্তুষ্ট হয়। এই ঘটনাৰ পাছত মই প্ৰয়াগৰ ঠগবাজ লোকৰ হাতত নপৰিবলৈ বহুতকে সকীয়াই দিছোঁ। দুটা পইচাৰ কাৰণে ঠগবাজি কৰি অকথ্য ভাষাৰে গালি পাৰি মানুহে কোনো দিন মানুহৰ ওপৰত অকাৰণ প্ৰভুত্ব চলাব নোৱাৰে। অস্থি ৰক্ষাও চাবলৈ গ'লে স্মৃতি ৰক্ষাহে। প্ৰকৃততেতো দেহা মৃত্যুৰ দিনাই পঞ্চভূতত বিলীন হৈ যায়। বিভিন্ন বিশ্বাসৰপৰা আহৰিত এইবোৰ একো-একোটা প্ৰচলিত নিয়মহে।

উভতি আহোঁতে আমি কলিকতাত সোমাই আহিছিলো। কলিকতাত থকা দক্ষিণেশ্বৰ, কালিঘাট প্ৰমুখ্যে তীৰ্থস্থানবোৰ মাহঁতক দেখুৱালো।

কলিকতাৰপৰা ৰাতিৰ ট্ৰেইনত আমি জগন্নাথলৈ গৈছিলো। পুৰীৰ সমুদ্ৰতীৰত অৱস্থিত ভাৰত সেৱা আশ্ৰমৰ বৰ সুন্দৰ কোঠালি এটাত আমি আছিলো। তাত নিজে ৰন্ধা-বঢ়া কৰিব লগা হোৱা নাছিল। আশ্ৰমৰ সুন্দৰ নিৰামিষ আহাৰকে আমাক দুয়োবেলা দিছিল। পুৰীৰ সমুদ্ৰ তীৰৰ বিভিন্ন সময়ৰ সৌন্দৰ্য মাহঁতে উপভোগ কৰিছিল। জগন্নাথ মন্দিৰতো হেঁপাহ পলুৱাই দুয়োটি বেলা আৰতি চাইছিল আৰু ভজন শুনিছিল। মাহঁতে আটাইতকৈ ভাল পাইছিল পুৰীৰ সমুদ্ৰস্নান। দুজনী সৰু ছোৱালীৰ দৰে মা আৰু আইতাই সমুদ্ৰ তীৰৰ বালিত লৰি-ঢাপৰি ফুৰিছিল। মা আৰু আইতাৰ আনন্দ চাই মই বিভোৰ হৈছিলো। আইতাই গেৰুৱা মাটি আৰু তুলসী মালা কিনিছিল আৰু নিজে সেইবোৰ ব্যৱহাৰো কৰিছিল। মায়ে বগা চন্দনৰ ফোট এটা সৰুকৈ কপালত লৈছিল যদিও ডিঙিত তুলসীৰ মালা, ৰুদ্ৰাক্ষৰ মালা আদি পিন্ধিবলৈ ময়ে দিয়া নাছিলো। মাৰ ডিঙিত এডাল সৰু সোণৰ চেইন আছিল। সেইডাল খুলি অইন কিবা ডিঙিত পিন্ধিলে মাক ভাঁল নালাগিব বুলি ভাবিছিলো।

দ্বিতীয়বাৰ মাক তীৰ্থ ভ্ৰমণ কৰিবলৈ নিছিলো ১৯৭২-৭৩ চনত— ডাঙৰ ভাই সোণ, ভাই-বোৱাৰী সৰোজ আৰু মোৰ ভনীজনীৰ লগত। এইবাৰ মাহঁতক হৰিদ্বাৰ, ঋষিকেশৰ পিনে নিলো। মথুৰা, বৃন্দাবন আদিলৈকো আৰু এপাক গ'লো। তীৰ্থত ভগৱান থাকেনে? — সেইটো কোৱা টান। কিন্তু সুন্দৰ-সুন্দৰ ঠাইত, সমুদ্ৰ তীৰত, নদীৰ পাৰত, পাহাৰৰ চূড়াত অৱস্থিত মন-প্ৰাণ হৰা দৃশ্যবোৰ দেখিলে যি অপাৰ্থিৱ আনন্দ হৃদয়ত অনুভূত হয় আৰু সেই আনন্দই যে ভগৱান সেই কথা নিশ্চিতভাৱে ক'ব পাৰি। মায়ে যে শিৱসাগৰৰ শিৱৰাত্ৰিত গোটেই দিনৰ দিনটো ৰাতি এক-দুই বজালৈকে আলহী-অতিথিসকলক ভাত-চাহেৰে আপ্যায়ন কৰে, সেয়াও মাৰ কাৰণে অপৰিসীম আনন্দৰ কথা। সেই আনন্দৰ মাজতে মায়ে চাগে ভগৱানক লাভ কৰিছিল। তীৰ্থ বুলিলেই ৰবীন্দ্ৰনাথ ঠাকুৰৰ দুশাৰী কবিতালৈ মনত পৰে—

“পথেৰ প্ৰান্তে আমাৰ তীৰ্থ নয়
পথেৰ দুধাৰে আছে মোৰ দেবালয়।”

ঠিকেইতো। পথৰ দুয়োকাষেইতো নৰনাৰায়ণ।

তৃতীয়বাৰ আমি সদলবলে যেতিয়া পুৰী আৰু দাক্ষিণাত্য ভ্ৰমণ কৰিবলৈ গৈছিলো, তেতিয়া মাকো লগত লৈ যাব খুজিছিলো। এইবাৰ মই মোৰ ছোৱালী স্বপ্না, জোঁৱাই মাখন (ব্ৰজেন), নাতি দুটা জিকি, মিকি আৰু ভাগিন ৰূপমক লৈ বহুতো ঠাই ফুৰাৰ মানসেৰে বাহিৰলৈ গৈছিলো। মাৰ মাক আইতাৰ গাটো অলপ বেয়া থকাৰ কাৰণে

কিবা অঘটন ঘটে বুলি ভয় কৰি মালৈ কিনা টিকেটটো মা নোযোৱাত ঘূৰাই দিছিলো। মাক লগত নিবলৈ নাপাই মোৰ বৰ দুখ লাগিছিল। মই সেই যাত্ৰাত ব'ম্বে, বাংগালোৰ, মহীশূৰ, মাদ্ৰাজ আদিত প্ৰেছ মিটিং পাতি অসম আন্দোলনৰ তাৎপৰ্য বুজায়ো ফুৰিছিলো। তেতিয়া ১৯৮০ চন আছিল। ইতিমধ্যেই অসম আন্দোলন আৰম্ভ হৈছিল। দাক্ষিণাত্য, পুৰী আদি ঘূৰি আহি কলিকতাৰ অসম ভৱনত কেইদিনমানৰ কাৰণে আছিলোহি। কলিকতালৈ গৈ পোৱাৰ দিনা ৰাতি দুই নে তিনিমান বজাত মই এটা আচৰিত সপোন দেখিলো— মায়ে অতি উজ্জ্বল বগা কাপোৰ পিন্ধি, পোহৰ এটা যেন হৈ মোৰ চকুৰ আগত দেখা দিলেহি আৰু ক'লে— "তই এতিয়াই ঘৰলৈ যা। ঘৰত মুনুৰ (মোৰ সৰু ভাই) বৰ অসুখ।" মই সপোনতে সুধিলো, কেলেই মুনুক ডা. নলিনী শৰ্মা দাদাই চোৱা নাই নে কি? মায়ে ক'লে,— "চাইছে, হ'লেও তই ঘৰলৈ অতি সোনকালে যা।" তাৰ পাছতে মা অন্তৰ্ধান হ'ল। মই খকমককৈ সাৰ পালো। এইটোনো কি সপোন দেখিলো! মোৰ মনটো যেন বিষাদেৰে তিতি গ'ল। মুনুৰ সঁচাকৈ অসুখ হৈছে নে কি? মই বৰ বিবুদ্ধিত পৰিলো। কাৰণ ৰিজাৰ্ভেশ্যন নোহোৱাকৈ কেনেকৈ যাম? ৰিজাৰ্ভেশ্যন কাইলৈকে পাম জানো? এইদৰে ভাবি-চিন্তি থাকোঁতেই ৰাতি পুৱাল। ৰাতিপুৱা সেইদিনা স্বপ্নাইঁতক কালিঘাটলৈ নিয়াৰ কথা আছিল। কিন্তু মোৰ মনটো ইমান ইচাটি-বিচাটি লাগি আছিল যে মই ক'লৈকো যাব নোৱাৰিলো। কেৱল আছাম হাউছৰ অফিচৰ মানুহ এজনক অনুৰোধ কৰিলো যাতে যেনে-তেনে আমাৰ ৰিজাৰ্ভেশ্যনকেইটা আনি দিয়ে। ৰাতিলৈ ট্ৰেইন। ৰিজাৰ্ভেশ্যন পাবলৈ যদি বাহিৰা টকা দিবলগীয়াও হয়, তেনেহ'লে টকা দিবলৈও মই তেওঁক কৈ পঠালো। নাযায়-নুপুৱায়কৈ যেন সময়খিনি অতিবাহিত হ'ল। মই পাৰ্ক ষ্ট্ৰিট আদিত ইহঁতক লৈ অনাই-বনাই ফুৰিলো যদিও মুখত একো এটাই নিদিলো। স্বপ্নাই ভাবিলে মোৰ জণ্ডিছে হয়তো আকৌ উকাইছে আৰু তাৰ কাৰণে পেটৰ বিষত মই একো নাই খোৱা। তাই ক'ৰবাৰপৰা দৈ অলপ যোগাৰ কৰি আনি দৈকণকে জোৰ কৰি খুৱালেহি। সন্ধিয়া সময়ত ৰিজাৰ্ভেশ্যন কৰিবলৈ যোৱা মানুহজনে খবৰ দিলেহি যে ফাৰ্ষ্ট ক্লাছৰ দুটা টিকেটৰহে ৰিজাৰ্ভেশ্যন পোৱা গ'ল। সেইদিনা আছাম হাউছত লাইট নাছিল। কাৰেণ্ট নোহোৱা কাৰণে লিফটো নাছিল। আমি ওপৰৰপৰা ছিৰিয়েদি হ'ল্ডলবোৰ বগৰাই দিছিলো। কথামপি টেক্সি এখনত উঠি হাওৰালৈ আহিলো যদিও গোটেই বাটটোত অকল্পনীয়ভাৱে ট্ৰেফিকৰ ভিৰ। ট্ৰাকত তুলি-তুলি সেইদিনা সন্ধিয়া কালীপূজাৰ পাছৰ কালী গোসাঁনীৰ প্ৰতিমাবোৰ ৰাস্তাত দবা-কাঁহ বজাই ফুৰাইছিল। কি যে এক হাহাকাৰৰ পৰিৱেশ! কোনোপধ্যেই হাওৰা ষ্টেশ্যন যেন নাপাওঁহে নাপাওঁ এনে লাগিছিল। সময় এইফালে দ্ৰুত গতিত আগবাঢ়ি আছে। হাওৰা ষ্টেশ্যন পাইছোঁগৈহে, ইফালে ট্ৰেইন

এৰিলেই। মাখনে লৰি গৈ ট্ৰেইনৰ চেইনত ধৰি ৰখালে। আৰু আমাক ফাৰ্ষ্ট ক্লাছত তুলি দিলে। মই অকমানকেইটাৰ সৈতে ৰিজাৰ্ভেশ্যনৰ ছিট দুটাতে বহি ল'লো, আইজনী মাখন-ৰূপমহঁত কৰিডৰতে কাৰোবাৰ বাকচৰ ওপৰত বহি গোটেই বাটছোৱা আহিল। খোৱা-বোৱা মই একো কৰিব পৰা নাছিলো। খোৱাবস্তুৰ কথা শুনিলেই মোৰ বমি-বমি ভাব হয়। পাছদিনা সন্ধিয়া আহি গুৱাহাটী পালোহি।

চানমাৰিৰ ঘৰলৈ আহি দুৱাৰ-ঘৰ বন্ধ দেখাত বুকু চিৰিং কৰি গ'ল। মই ভাবিলো মুনুক চাগৈ হস্পিটেললৈ নিলে। তেনেতে বাবুলি ককাইদেৱে দৌৰি-দৌৰি আহি জনালে যে মুনুৰ একো হোৱা নাই, মুনু শিৱসাগৰলৈ গৈছে। কাৰণ "আই আৰু নাই।" বাবুলি ককাইদেৱে আই বুলি কওঁতে মই ভাবিলো মাৰ মাক আইতাৰ কথা গৈছে। আইতা যথেষ্ট বুঢ়া হৈছে। আইতা ঢুকুৱাত বেজাৰ কৰিব লগা নাই। কিন্তু অলপ সময়ৰ পাছত মগজত খেলালে যে বাবুলি ককাইদেৱে মাকহে আই বুলি কয়। আইতাকতো আইতা বুলিয়েই মাতে। কথাটো মগজুত খেলোৱাৰ লগে-লগে মই চিঞৰ মাৰি পৰি গ'লো আৰু হেনো অজ্ঞান হৈ পৰিলো। দাঁতে-দাঁত লাগি ধৰাত আইজনীয়ে চামুচ আদি সুমুৱাই শুশ্ৰূষা কৰি মোৰ জ্ঞান ঘূৰাই আনিলে। আন্দোলনৰ কাৰণেই সেই সময়ত পেট্ৰল ক'তো পাবলৈ নোহোৱা হৈছিল। আমাৰ অগ্ৰজস্বৰূপ গোপাল দা (জীৱেশ্বৰ গোস্বামী) আৰু আনজন বন্ধু হিৰণ্য ভট্টাচাৰ্য (প্ৰাক্তন D.I.G.) দুয়োজনে অনেক কষ্টেৰে শিৱসাগৰলৈ যাবলৈ পেট্ৰল কিছু যোগাৰ কৰিব খুজিছিল যদিও পেট্ৰল পূৰা যোগাৰ নহ'ল। আমি ৰাজ্যিক পৰিবহন নিগমৰ বাছ এখনতহে ৰাতি-ৰাতি গৈ ঘৰ পালোগৈ মা ঢুকুৱাৰ পঞ্চম দিনাহে।

সপোনৰ আচৰিত প্ৰসংগৰ কথা ওলাওঁতে আৰু এটা কথা উল্লেখ কৰি থোৱা ভাল। মাৰ মৃত্যুৰ আগৰাতি মায়ে যি সপোন দেখিছিল সেই সপোনৰ কথা পাছদিনা ৰাতিপুৱা চাহ খাওঁতে বোৱাৰীয়েকৰ আগত হুবহু কৈছিল। ৰাতি হেনো সপোনত মায়ে দেখিছিল কেইবাবছৰো আগতে বিয়োগ হোৱা দেউতাই এখন ৰথ লৈ মাক হেনো নিবলৈ আহিছে। সেই ৰথখন হেনো পিছফালৰ নাৰিকল গছৰ তলত ৰৈ আছে। মাক দেউতা অহাৰ সংবাদ সপোনতে দিছে আমাৰ কুল পুৰোহিত মুক্তি ককাইদেৱে। মায়ে হেনো কৈছে,— মোৰ এতিয়াই সময় হোৱা নাই। বহুত কাম বাকী আছে। তেতিয়া হেনো মুক্তি ককাইদেৱে বগা ফুল এপাহ মাৰ হাতত দি কৈছিল,— "আপোনাক নিবলৈ যেতিয়া আহিল আপুনি ওলাব লাগিব।" ইয়াৰ পাছতে মা হেনো সাৰ পাই গৈছিল আৰু সপোনৰ তাৎপৰ্য উপলব্ধি কৰি মায়ে জ্বৰ ঘমাদি ঘামিছিল। পাছদিনা ৰাতিপুৱা উঠি শেৱালি ফুল বুটলি গোসাঁইঘৰৰ কাৰণে থৈ মায়ে গা ধুইছিল, গোসাঁইঘৰৰ কাম কৰিছিল আৰু গোসাঁইসেৱা, গুৰুসেৱা কৰি উঠি তামুলী পীৰাত বহি বোৱাৰীয়েকে

যতাই দিয়া চাহ-জলপান খাওঁতে সপোনৰ কথাবোৰ কৈছিল। তাৰ পাছত আলহীলৈ আৰু ঘৰখনলৈ বুলি ভাত ৰান্ধিব-বাঢ়িবলৈ পাকঘৰত সোমাওঁতে মায়ে অসুস্থ অনুভৱ কৰিলে আৰু ডাঙৰ ভাই সোণে লৰালৰিকৈ মটৰত তুলি নি শিৱসাগৰৰ হস্পিটেলৰ ডাক্তৰক দেখুৱালেগৈ। ডাক্তৰে কিবা-কিবি পৰীক্ষাৰ কাৰণে মাক সেইদিনা হস্পিটেলতে ৰাখিলে। আৰু কিবা এটা ছিদ্ৰ পাই পাছদিনা বৰবাৰীৰ অসম মেডিকেল কলেজলৈ যাব লাগিব বুলি ক'লে। সেইদিনা আবেলি নামঘৰৰ গোপিনীসকলৰ নিৰ্মালি লৈ মায়ে সন্ধিয়া আঠ বজাতে ইহলীলা সম্বৰণ কৰিলে। মাৰ সপোন আৰু মোৰ সপোন দুয়োটাই ব্যাখ্যাৰ উৰ্ধ্বৰ। মা যিদিনা সন্ধিয়া ঢুকাইছিল, সেইদিনাই ৰাতি মাৰ আত্মাই কলিকতাত মোক সপোন দেখুৱাইছিল। এই ৰহস্যময় জগতখনৰ সাঁথৰ কোনেও আজিলৈকে ভাঙিব পৰা নাই।

Ph. D. ডিগ্ৰী পোৱাৰ পাছৰেপৰা মাৰ পৰলোকপ্ৰাপ্তি হোৱা ১৯৮০ চনলৈকে এই সময়ছোৱাৰ ভিতৰতে আৰু এটা উল্লেখযোগ্য অধ্যায় মোৰ জীৱনৰ লগত সংযুক্ত হ'ল। ডক্টৰেট পোৱাৰ পাছৰেপৰা বিশ্ববিদ্যালয়ত যোগ দিব লাগে বুলি ইয়ে-সিয়ে মোক কৈ আছিল। মই ভাবিছিলো শিক্ষকতা শিক্ষকতাই। কলেজত পঢ়ুউৱা যি, বিশ্ববিদ্যালয়ত পঢ়োৱাও সেই একে। কলেজততো অনাৰ্ছৰ ক'ৰ্ছ পঢ়ায়েই আছোঁ। অৱশ্যে এটা কথা থাকে যে বিশ্ববিদ্যালয়ৰ পৰিৱেশ বৃহত্তৰ। আণ্ডাৰ গ্ৰেজুৱেট পঢ়োৱা আৰু মাষ্টাৰ ডিগ্ৰী ল'বৰ কাৰণে পঢ়োৱা নিশ্চয় একেটা কথা নহয়। এটা বিষয়ত মাষ্টাৰ হ'বলৈ হ'লে সেই বিষয়টোৰ আদ্যোপান্ত সকলো কথা নিয়াৰিকৈ জানিব লাগিব আৰু ছাত্ৰক জনাব লাগিব। তাৰ কাৰণে প্ৰচুৰ অধ্যয়ন লাগিব। অধ্যয়নৰ কাৰণে বিশ্ববিদ্যালয়ত ডাঙৰ গ্ৰন্থাগাৰ আছে। মই জীৱনৰ আটাইতকৈ মহৎ কাৰ্য বুলি ভাবোঁ গ্ৰন্থ অধ্যয়ন কৰাটো। ইয়াৰ সমান আনন্দও নাই, ইয়াৰ সমান শান্তিও নাই। মোক খাবলৈ-ববলৈ নিদি কেইখনমান সুন্দৰ গ্ৰন্থ দিলেই হৈ যাব যেন লাগে। আনহাতে কলেজখন এৰি অন্য ক'ৰবাত কাম কৰাৰ কথাটো মই ভাবিব পৰা নাছিলো। ৰাতি কলেজত কাম কৰি সামান্যতম দৰমহা পাইছিলো যদিও মনৰ আনন্দতে কাম কৰিছিলো। ভোলানাথ বৰুৱা কলেজৰ আটাইখিনি সতীৰ্থ আদৰ্শবাদী আৰু একেখন ঘৰৰ দৰে আছিল। আমি যেন একে ঘৰৰে ককাই-ভাই, বাই-ভনী। কোনো বেয়া চিন্তা, বেয়া আলাপ-আলোচনা আমাৰ শিক্ষকসকলৰ মাজত কেতিয়াও নহৈছিল। কাৰো একো ব্যৱসায়িক চিন্তাও নাছিল। আমি কমন ৰুমত সদ্যপ্ৰকাশিত বিশ্বসাহিত্যৰ আলোচনা প্ৰায়ে কৰিছিলো। কলেজখনত শংকৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি, ফাতেহা দোহাজ দহম, সৰস্বতী পূজা আদি পতা হৈছিল। ফ্ৰেছাৰ্ছ ছচিয়েল, পাৰ্টিং ছচিয়েল, কলেজ সপ্তাহ এইবোৰতো আছিলেই। ইয়াৰ উপৰিও কোনোবা অৰাজনৈতিক ভাৰতীয় নেতা

আহিলে, কোনো ভাৰতীয় লেখক বা লেখিকা আহিলে তেখেতসকলক মাতি তেখেতসকলৰ বক্তৃতা শুনা হৈছিল আৰু সেই-সেই ব্যক্তিক সম্বৰ্ধনা জনোৱা হৈছিল। উদাহৰণস্বৰূপে বংগদেশৰ প্ৰখ্যাত লেখিকা মৈত্ৰেয়ী দেৱী, কস্তুৰবা আশ্ৰমৰ নিৰ্মলা দেশপাণ্ডে আদিৰ নাম মনলৈ আহিছে। সকলোৰেপৰা ভাল কথা শিকি লৈ আৰু তাকে শিকাবলৈ জীৱনটো যেন এক মিছন। পঞ্চাছ, ষাঠি, সত্তৰৰ দশক এইকেইটাত আমি ভাৰত গঢ়াৰ স্বপ্নত সঁচাকৈয়ে তন্ময় আছিলো।

এই বছৰবোৰত মই ৰবি ঠাকুৰৰ গীত আৰু কবিতাবোৰৰ মাজত যেন বুৰ গৈ আছিলো। ৰবীন্দ্ৰ জয়ন্তী সমগ্ৰ দেশজুৰি মহাপয়োভৰেৰে উদ্‌যাপিত হোৱাৰ সময়ত ৰবি ঠাকুৰৰ গীত আৰু কবিতা বহুতখিনি অনুবাদ কৰিছিলো। আকাশবাণীৰপৰা কিছু গীত অনুবাদ কৰিবলৈ অনুৰোধো আহিছিল। 'ফুলৰে এই মেলাতে' নামৰ গীতৰ সংকলনখনত এনে গীত বহুতখিনি সংকলিত হৈছে। গীতৰ বহুতো অনুবাদ ছপা নোহোৱাকৈও আছে।

'শিশু ভোলানাথ'ৰ কবিতাবোৰে মোক যে কি গভীৰভাৱে আকৰ্ষণ কৰিছিল! শিশুমনৰ অপূৰ্ব প্ৰতিফলন সেই কবিতাবোৰত দেখিছিলো।

মই কলেজ, বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়খিনিত বিশ্বসাহিত্য যিমান পাৰি সিমান পঢ়িবলৈ চেষ্টা কৰিছিলো। দেউতাৰ 'হ'ম লাইব্ৰেৰি ক্লাব'ৰ কিতাপ, কলেজ লাইব্ৰেৰি, ইংৰাজী আলোচনী আৰু ইলাষ্ট্ৰেটেড উইকলিত অহা বিশেষ প্ৰবন্ধবোৰ পৰাপক্ষত বাদ দিয়া নাছিলো। কবিতাৰ আধুনিক তৰংগবোৰৰ লগতো যিমান পাৰোঁ পৰিচিত হৈছিলো।

ইংৰাজী কাব্যৰীতিৰ উদ্ভাৱক বুলি প্ৰসিদ্ধি থকা এজ্‌ৰা পাউণ্ডৰ নামেই মনলৈ প্ৰথমে আহিছে। কনফুছেছৰ সমাজৰ আৰ্হিত আদৰ্শ সমাজ প্ৰতিষ্ঠাৰ বাবে তেওঁ উদ্যোগী আছিল। তেওঁ আছিল নব্য মানৱতাবাদী আৰু ব্যক্তি স্বাধীনতাৰ পক্ষপাতী।

তেওঁ অভিনৱ ফৰ্ম আৰু সৃষ্টিশীল পৰীক্ষাই আমাক কবিতা লিখিবলৈ প্ৰেৰণা যোগাইছিল। টি. এছ. ইলিয়ট, ৰবাৰ্ট ফ্ৰষ্ট, জেমছ জাছ, ডি. এইচ. লৰেন্স প্ৰমুখ্যে আধুনিক প্ৰতিভাশালী সাহিত্যিকৰো মূল প্ৰেৰণা আছিল পাউণ্ড। পাউণ্ডৰ সাহিত্য ঐতিহ্যবাহী, মধ্যযুগীয় ইউৰোপীয় ৰোমাণ্টিক সাহিত্যৰ ঐতিহ্য। দ্বিতীয়টো হ'ল ১৮৪০ ৰপৰা ১৯১৭লৈকে বিস্তৃত ইংৰাজী সাহিত্যৰ ঐতিহ্য। এতিয়া বয়স হোৱা কাৰণে বহুত কথা অস্পষ্ট হৈও পৰিছে। 'ইন এ ষ্টেশ্যন অব্ দা মেট্ৰো' নামৰ পাউণ্ডৰ ইমেজিষ্ট কবিতাই আমাক চমক দিছিল। মোৰ যিমানদূৰ মনত পৰে কবিগুৰু ৰবি ঠাকুৰকো আমেৰিকাৰ বুদ্ধিজীৱী, কাব্যপ্ৰেমীসকলৰ লগত পাউণ্ডেই পৰিচয় কৰাইছিল।

ইংৰাজী কাব্যৰ ৰোমাণ্টিকতা আদৰ্শবাদ আৰু নৈতিকতাৰ লগত আধুনিক বাস্তৱতাৰ এক অভিনৱ সংযোজন তথা মিশ্ৰণ পাউণ্ডে কৰি নতুন এক তৰংগৰ সৃষ্টি কৰিছিল।

পাউণ্ডৰ 'দা কেণ্টোছ' মহাকাব্য তেওঁৰ জীৱনৰ সৌন্দৰ্যচেতনা আৰু কাব্যিক দৰ্শনৰ পূৰ্ণতাৰ যেন প্ৰতীক। যিমানদূৰ মনত পৰে ডাণ্টেৰ ডিভাইন কমেডিৰ গঠন ৰীতি অনুকৰণ কৰিছিল। মানুহৰ মনত অধিবিদ্যা আৰু অধ্যাত্মচেতনাৰ প্ৰভাৱ কেনেকুৱা সেইকথাও এই মহাকাব্যত 'পেৰেডাইজ' বা 'স্বৰ্গ' অধ্যায়ত বৰ্ণিত হৈছে।

কবি মালাৰ্মে কৈছিল,— ব্যাকৰণসন্মত অৰ্থতকৈ শব্দ একোটাৰ সাংগীতিক অৰ্থ বেছি তাৎপৰ্যপূৰ্ণ। গীতিধৰ্মী আৰু ব্যঞ্জনাময় ৰীতিতহে আত্মাৰ গভীৰতা মূৰ্ত হৈ উঠে বুলি তেওঁ ভাবিছিল।

টি. এছ. ইলিয়ট মোৰ আন এজন অতি প্ৰিয় কবি। তেওঁৰ সামগ্ৰিক দৰ্শনে মোক স্পৰ্শ কৰিছিল। তেওঁ আছিল ট্ৰেডিশ্যনত বিশ্বাসী। ট্ৰেডিশ্যনৰ মিশ্ৰণ কৰি তেওঁৰ উপলব্ধি হৈছিল বিশেষ স্তৰৰ। খণ্ডিত ধাৰণাত নহয়, তেওঁ বিশ্বাস কৰিছিল Unified sensibility ওপৰত। প্ৰাচ্যৰ দৰ্শনে তেওঁক সত্যৰ সন্ধান দিছিল। ডাইলান থমাছ আৰু ৰিক্ষেৰ কবিতাও বহুত অধ্যয়ন কৰিছিলো।

আকৌ ৰবি ঠাকুৰৰ কথালৈ আহিছোঁ। সচাঁকৈয়ে ক'বলৈ গ'লে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ সামগ্ৰিক প্ৰতিভা অত্যন্ত বিস্ময়কৰ। তেওঁৰ তুলনা মহাকবি গ্যেটেৰ লগত হয়তো হ'ব পাৰে। সৃষ্টিধৰ্মী সাহিত্যৰ অন্য অংগৰ কথা একাষৰীয়াকৈ থৈ কেৱল তেওঁৰ গীত আৰু কবিতাৰ বিষয়েই যদি আলোচনা কৰা হয় তেওঁৰ ৰাশি-ৰাশি গীত আৰু কবিতাৰ উৎস, বৈচিত্ৰ্য, সৌন্দৰ্য আৰু গভীৰতা আশ্চৰ্যজনক। তেওঁৰ সৃষ্টিৰ বিষয়বস্তু অতি বিস্তৃত, মনোভংগী বিচিত্ৰ আৰু বিভিন্ন শিল্পৰীতিৰ পৰীক্ষা অতিশয় চমকপ্ৰদ। ক'ৰবাত যদি এডাল সামান্য ৰেখাও অমনোযোগীভাৱে তেওঁ ভাষাৰে আঁকিছে, সেয়াও হৈ উঠিছে অপূৰ্ব শিল্পকৰ্ম।

বাংলা সাহিত্যৰ ইতিহাসত ৰবীন্দ্ৰনাথ ঠাকুৰৰ গীত আৰু কবিতাই যুগান্তৰৰ সৃষ্টি কৰিলে। ঐতিহাসিক আৰু ৰূপানুবৰ্তিক কবিতাৰ এটা ধাৰা গাথা কবিতাত প্ৰচলিত হৈ আহিছে— য'ৰপৰা ভাৰতচন্দ্ৰৰপৰা নবীনচন্দ্ৰ প্ৰভৃতিৰ ৰচনাত দীৰ্ঘ কাব্য ৰচনাৰ প্ৰয়াস লক্ষ্য কৰা গৈছে। এই সময়তে ইউৰোপীয় সাহিত্য, বিশেষকৈ ইংৰাজী সাহিত্যৰ সংস্পৰ্শলৈ আহি এক ধৰণৰ কবিতা বিশিষ্ট হৈ উঠিল। ইংৰাজী 'লিৰিক' নামে পৰিচিত এই কবিতাই আখ্যা পালে গীতি-কবিতা। গীতি-কবিতা হৈছে কবিৰ মন্ময় সৃষ্টি— য'ত কবিৰ নিজস্ব অনুভূতি, ভাৱনা-বেদনা একপ্ৰকাৰ সুৰীয়া ছন্দত প্ৰকাশিত হৈ আনৰ অন্তৰতো সেই অনুভূতি, সেই ভাবনা-বেদনাৰ সঞ্চাৰ কৰে। লিৰিক কবিতা পাৰ্থিৱ তথা ব্যক্তিনিষ্ঠ ভাবব্যঞ্জনাৰে অভিষিক্ত। কবিৰ ব্যক্তিমনৰ নিজস্ব আৱেগৰ প্ৰকাশ ক্লাছিকেল কবিতাসমূহত আছিল অনুপস্থিত। সেয়েহে লিৰিক বা গীতি-কবিতা উনৈছ শতিকাৰ সাহিত্য জগতত ব্যক্তিগত অনুভূতিৰ সূক্ষ্ম ব্যঞ্জনাৰ প্ৰকাশ হৈ এক

অভিনৱ সাহিত্য সম্পদৰূপে উদ্ভাসিত হ'ল।

গীতি-কবিতা আৰু গীত। গীতি-কবিতাৰ অবয়ৱ কিছু দীৰ্ঘ হ'লেও গীতৰ অবয়ৱ সদায় সীমাবদ্ধ। গীত মূলতে কবিতা যদিও গীত সম্পূৰ্ণ হয় সুৰেৰেহে। সেয়েহে গীতত সুৰলৈ আসন এৰিবই লাগিব। গীতৰ শব্দচয়ন সুৰৰ অনুকূল নহ'লে গীত ৰচনা সাৰ্থক নহয়। গীতি-কবিতাতো আনহাতে সংগীতৰ গুঞ্জন থাকিলেহে গীতি-কবিতা আখ্যা পায়। ৰবীন্দ্ৰনাথে নিজেও কৈছে,— "গীতি-কবিতাৰ মাজত আন্তৰিকতাপূৰ্ণ অনুভূতি, অবয়ৱৰ স্বল্পতা, সংগীত মাধুৰ্য আৰু গীতি-স্বাচ্ছন্দ্য,— এইকেইটা বস্তু প্ৰত্যাশা কৰোঁ।" সংযত, সংহত ৰচনাৰ মাজতেই ৰবীন্দ্ৰনাথ ঠাকুৰৰ দৰে অতি সুদক্ষজনে বিৰাটৰ আভাস আনিব পাৰে তথা ৰচনাৰ ব্যঞ্জনাই অনুভূতিৰ গভীৰ স্তৰত প্ৰৱেশ কৰি মনক আলোড়িত কৰিব পাৰে।

গীত ৰচনাৰ ক্ষেত্ৰত কথা আৰু সুৰক ৰবীন্দ্ৰনাথে সমান প্ৰাধান্য দিয়াৰ কথা তেওঁৰ নিজৰ উক্তিয়েই প্ৰমাণ কৰে— "মোৰ গীতৰ কবিতাবোৰত বাক্যৰ আসুৰিকতাক মই প্ৰশ্ৰয় দিয়া নাই অৰ্থাৎ এনেবোৰ ভাব, এনেবোৰ কথা মই ব্যৱহাৰ কৰোঁ যিবোৰে সুৰৰ লগত সমানভাৱে আসন ভাগ কৰি বহিবৰ কাৰণে প্ৰতীক্ষা কৰে।" — কথা আৰু সুৰৰ সমন্বয়ে গীতক এনে এক সুষমা প্ৰদান কৰে যে ইয়াৰ আবেদন প্ৰকাশৰ অতীত হৈ পৰে, কেৱল হৃদয়ত অনুভূত হয় এক পৰমানন্দ ৰস।

ৰবীন্দ্ৰ সংগীতৰ গঠনশৈলীলৈ লক্ষ্য কৰিলে দেখা যায় ইও অত্যন্ত বৈশিষ্ট্যপূৰ্ণ। ধ্ৰুপদাংগ গানৰ চাৰিটা ভাগ অস্থায়ী, অন্তৰা, সঞ্চাৰী আৰু আভোগৰ ঐতিহ্য ৰবীন্দ্ৰনাথে পূৰ্ণভাৱে গ্ৰহণ কৰিছিল যদিও তাতেই সঞ্চাৰী সৃষ্টিৰ বৈচিত্ৰ্যৰে তেওঁৰ গীতক এক অভিনৱত্ব প্ৰদান কৰিছিল। সঞ্চাৰী সৃষ্টিৰ বৈশিষ্ট্যৰেই গীতৰ গতিক ৰবীন্দ্ৰনাথে স্তৰান্তৰলৈ নি ব্যাপ্তি দিছিল। অৱশ্যে সঞ্চাৰী প্ৰয়োগ নকৰা গীতো তেওঁৰ নথকা নহয়।

ৰবীন্দ্ৰ সংগীতৰ সুৰৰ প্ৰতি যদি লক্ষ্য কৰোঁ, দেখা যায় যে ভাৰতীয় মাৰ্গীয় সংগীতৰ লগত ভাৰতীয় লোকসুৰ, বিশেষকৈ বাউল গীতৰ সুৰে কবিক মুগ্ধ কৰিছিল আৰু তাৰ প্ৰভাৱ তেওঁৰ গীতত স্বভাৱতেই পৰিছিল।

ৰবীন্দ্ৰ সংগীতৰ বিষয়ে চিন্তা কৰিলেই এনে ভাব মনলৈ আহে যে সাহিত্য বা সংগীত সম্বন্ধে কোনো মনীষীৰ চিন্তাধাৰা গঢ় লয় সমগ্ৰ দেশৰ ঐতিহ্যক গভীৰভাৱে অবলম্বন কৰি। নিজস্ব চিন্তাধাৰাই স্বকীয় ৰূপ লৈ সৃজন কৰ্মত বিকশি উঠে। এই স্বকীয়তা স্ব মহিমাৰে ভাস্বৰ আৰু তাৰ মূল্যও অসামান্য।

যোৱা এশ বছৰৰ ভিতৰত বাংলাৰ সংগীত-সংস্কৃতিৰ ইতিহাসত ৰবীন্দ্ৰনাথৰ গান এক বিস্ময়কৰ সংযোজন। বাণী আৰু সুৰৰ মিলনৰ পথত ৰবীন্দ্ৰ সংগীতে বহুতো নতুন-নতুন পথৰ সন্ধান দিছে। গভীৰতা আৰু বিশালতাৰ ফালৰপৰা চালেও ৰবীন্দ্ৰ

সংগীত ৰবীন্দ্ৰনাথৰ সমগ্ৰ কৰ্মকৃতিৰপৰা কোনো গুণে কম নহয়। ৰবীন্দ্ৰনাথৰ গীত কেৱল সংগীতগুণী বা সংগীতজ্ঞৰ সুৰ বিস্তাৰ নহয়। তাৰ লগত যুক্ত হৈ আছে কবি, সাহিত্যিক, দাৰ্শনিকৰ মননসমৃদ্ধ, সুদূৰপ্ৰসাৰী চিন্তাধাৰাৰ বিশিষ্ট ছাপ! সাহিত্যৰস, সংগীতৰস এই দুয়োটাৰে অৱদানত এই ৰবীন্দ্ৰসংগীত অতুলনীয়।

* * *

ইতিমধ্যে ১৯৭৪ চনত মোৰ মাজু ভাই টুটুৰ (ধ্ৰুৱ) শুভবিবাহ সম্পন্ন হৈছিল মৰাণৰ প্ৰয়াত অমৃত শৰ্মাৰ দ্বিতীয় জীয়াৰী শ্ৰীমতী ডুলুৰ লগত। টুটুৱে গুৱাহাটীৰ আকাশবাণীৰ কাৰণেই নিৰ্বাচিত হৈ কামত যোগ দিছিল যদিও ডিব্ৰুগড় আকাশবাণীয়ে বিচৰাত তালৈ যাব লগা হ'ল। সি বৰ সুন্দৰ গান গাব পাৰিছিল আৰু কলেজত বেষ্ট ছিংগাৰৰ পুৰস্কাৰ পাইছিল। সি এনেয়েও বৰ ৰসাল, 'উইটি' কথা ক'ব পৰা ল'ৰা। তাৰ ছোৱালীজনী 'প্ৰাৰ্থনা' আৰু ল'ৰা 'গীতে'ও গীত গাব পাৰে আৰু পঢ়াতো বৰ চোকা। ডাঙৰ ভাই সোণৰ ল'ৰা পিকুৱে (নিবিড়) আকৌ তবলাহে বজায়। অংকুৰ (আবীৰ) আকৌ ৰাপ কেমিষ্ট্ৰিতহে।

সৰু ভাই মুনু (প্ৰদীপৰো) বিয়া পাতি দিলো ১৯৭৭ চনত। যোৰহাট তৰাজানৰ শ্ৰীযুত নিৰ্মল শৰ্মাৰ একমাত্ৰ কন্যা শ্ৰীমতী অৰ্পণাৰ লগত। অৰ্পণাৰ কন্যা সুদৰ্শনাই বৰ সুখ্যাতিৰে এম. এ. পাছ কৰিছে। ল'ৰাটোৰ নাম সন্দীপন, কমাৰ্চ পঢ়ি আছে। নিবিড়, প্ৰাৰ্থনা, সুদৰ্শনা তিনিওটাই মোৰ লেখা কপি কৰি দিয়াত বহুত সহায় কৰে। জিকি আৰু মিকিৰ সহায় যে অহৰহ। এই যমজ নাতি দুটাই মোক সহায় কৰিছিল মানসিক অফুৰন্ত আনন্দ দি। সিহঁতৰ প্ৰতিদিনৰ কথাবোৰ আনতকৈ ইমান বেলেগ আৰু আচৰিত ধৰণে আকৰ্ষণীয় আছিল যে মই অবাক হৈ হৈ যাওঁ। সিহঁতৰ সকলো কথাকে মই 'ডায়েৰি' (যিটো নিজৰ জীৱনত কৰা নহ'ল) কৰিছিলো। অকণ-অকণ শিশুৱে কেনে বয়সত কি কথা কল্পনা কৰিব পাৰে সেইবোৰ কথা তেনে 'ডায়েৰি' কৰিলে বুজিব পৰা যায়। আমি শিশুৰ কথাবোৰ নিৰৰ্থক বুলি সাধাৰণতেই উলাই কৰোঁ। কিন্তু সেইটো ভুল কথা। সিহঁতে ফুটাই, ৰেহা লগাই ক'বহে নাজানে।

দুটা যঁজা নাতি তোলাও মুখৰ কথা নহয়! একেলগে কান্দে, একেলগে খুৱাব লাগে, প্ৰায়ে একে সময়তে অসুখ হয়। আমি সিহঁতৰ প্ৰতিটো কাম নিজে কৰি অসীম আনন্দ পাইছিলো। ধুউৱাত, শুউৱাত, খুউৱাত, সকলোতে অবৰ্ণনীয় আনন্দ। এই আনন্দ লোকক পাবলৈ দিব নোৱাৰি। অথচ মই আৰু স্বপ্না দুয়োজনীয়ে কাম কৰোঁ। মই কলেজলৈ দুবেলা যাওঁ— তাই যায় অফিচলৈ। এনেকুৱাকৈ সময় মিলাই লৈছিলো যে ইজনী সোমালে সিজনী ওলাওঁ। মোৰ যে একোতেই আমনি নালাগে। ৰন্ধা-বঢ়া, চিলাই কৰা, তাঁত বোৱা, কেঁচুৱা তোলা চব ভাল পাওঁ। সামান্য 'হেল্পিং হেণ্ড' থাকিলেও

যি, নাথাকিলেও সি। চব দেখোন নিজেই চাব লাগে।

জিকি-মিকিয়ে মাত আধাফুটা হওঁতেই এদিন অবাক কৰিলে। মই ঘৰত কাৰোবাক ক'লো,— "বৰষুণ আহিব।" সিহঁতৰ এটাই ক'লে ডিম ডিম বৰখুন। ইটোৱে ক'লে জিম জিম বলখুন আইব। অ' আমি যে গাওঁ 'ৰিম জিম বৰষুণ আহিছিল' তাকে কৈছে।

এদিনাখন আমাৰ ঘৰলৈ ইউনিভাৰ্ছিটিৰ ছোৱালী দুজনীমান আহিল। সিহঁত দুটাই ওচৰ চাপি গৈ সিহঁতে পিন্ধা ফুলাম শাৰীখন দেখুৱাই ক'লে— "পুল পুলিবৰ বতল আহিল।" ছোৱালীজনীয়ে একো বুজি নাপাই মোক সুধিলে,— "বাইদেউ, ইহঁতে কি কৈছে?" মই কথাটো শুনি হাঁহি ক'লো,—"ফুল ফুলিবৰ বতৰ আহিল বুলি কৈছে শাৰীত ফুল দেখি।" মোৰ লগতে সিহঁতো অবাক হ'ল।

সিহঁত অকণ-অকণকৈ ডাঙৰ হৈছিল। দিনৌ এনে ধৰণৰ অজস্ৰ কথা কয়। এদিন আবেলি ব্ৰহ্মপুত্ৰৰ পাৰলৈ ফুৰাবলৈ নিলো। নৈখন দেখিয়েই মিকিয়ে চিঞৰি উঠিল— "ইমান প্পানী কোনে পেলালে?" জিকিয়ে টপৰাই ক'লে— "মিনু মুচি নেহি।" ত'ত যে মিনু গাড়ীত নায়েই। মিনু হৈছে ঘৰৰ কাম কৰা ছোৱালী এজনীৰ নাম।

এদিন আমাৰ চানমাৰিৰ ঘৰলৈ ডিব্ৰুগড়ৰ দৰদী গায়ক প্ৰয়াত জ্যোতিষ ভট্টাচাৰ্যৰ মাক মাহীদেউ আহিল। তেখেত দেখাত ৰঙা-বগা, বৰ ধুনীয়া আছিল। কপালত ডাঙৰকৈ সেন্দূৰৰ ফোট এটা লয়। তেখেত অহা দেখি ড্ৰয়িংৰুমতে মই আথে-বেথে বহিবলৈ দি বঁটাটো আগত থ'লো আৰু চাহ তপতাবলৈ গ'লো। জিকি-মিকি দুয়োটাই বুঢ়ীগৰাকীৰ দুফালে বহি ল'লে, তেখেতে নাম সুধিলে। এটাই ক'লে জিকি, এটাই ক'লে মিকি। তেনেতে হাতত চাহৰ বানবাটি আৰু মিঠাই লৈ মই ওলাই অহা দেখি মোক সুধিলে,— "ইহঁতকনো কিয় ইংৰাজী নাম দুটা দিলা, হয়নে?"

মই তেখেতক ক'লো যে এই দুটা ইংৰাজী নাম নহয়। তেনেই ঘৰুৱা জিকমিকাই থকা নাম। যঁজা কাৰণে দুটা নাম মিলি এটা নাম হৈছে। জিকি আৰু মিকি— জিকিমিকি। ইহঁত দুটাই ঘৰখনেই জিকমিকাই ৰাখিছে। মাহীদেৱে শুনি বৰ ভাল পালে, ক'লে— "অ' এইটোহে কথা নে কি?"

মই তেখেতক সুধিলো,— "আপুনি আহি ক'ত আছেহি? তেখেতে ক'লে, "লুজেনৰ ঘৰত।" তেখেতৰ ল'ৰা এজনৰ নাম লুজেন। কথাষাৰ ক'বলৈহে পালে ইহঁত দুটাই দুয়োফালৰপৰা বুঢ়ীগৰাকীৰ সেন্দূৰীয়া মুখখন নিজৰ ফালে টানি-টানি সুধিলে,— "কেলেই লুজেনৰ ঘৰত আছা? কেলেই কেডবেৰিৰ ঘৰত নাথাকা? কেডবেৰি ভাল।" তেখেতে একো বুজিব পৰা নাই। মই বুজাই দিলো যে সিহঁতে লুজেনক খোৱা লুজেন বুলি ভাবিছে। আৰু কেডবেৰি ভাল পায় কাৰণে কিয় কেডবেৰিৰ ঘৰত থকা নাই সুধিছে। তেখেতে

কথাটো বুজি পাই ঢেকঢেকাই হাঁহিলে আৰু সিহঁতক পাৰেমানে চুমা খালে।

আৰু এদিন বৰ মজাৰ কথা এটা হ'ল— মই জিকিক মানে জোনক (সপ্তৰ্ষি) পথালি কোলাত লৈ বহি বিচনীৰে বিচি-বিচি নাম গাই শুৱাই আছিলো। মিকি আগতে শুলে। জিকিৰ টোপনি বৰ কম। মই গাইছিলো—

অ হৰি এ জয় জগন্নাথ
দিয়া দেখা কৰোঁ সেৱা
দোঁৱাই আছোঁ মাথ হে
জয় জগন্নাথ।।

জিকিৰ টোপনি ধৰিব ক'ত! লাহেকৈ মাত লগালে— "অহিদ গোৱা, অহিদ গোৱা।" মই বিচুৰ্তি খালো। কি অহিদ গোৱা! অহিদ দেখোন আমাৰ চিটিবাছৰ ড্ৰাইভাৰটোৰহে নাম। চিটিবাছৰ কণ্ডাক্টৰটোৰ নাম জগন্নাথ। অ এতিয়াহে আচল কথাটো ওলাল। হয়তো। অকল জগন্নাথৰ নাম গাই থাকিলে কেনেকৈ হ'ব। অহিদৰ নাম লৈও নাম গাব লাগিব— তেহে হ'ব! গোটেই ঘৰতে হাঁহিৰ ৰোল উঠিল। জগন্নাথ যে গোসাঁইৰ নাম এই অকমানিটোৱে কেনেকৈ জানিব!

শৰাইত নৈবেদ্য সজাই গোসাঁইঘৰত গোসাঁইলৈ আগবঢ়োৱা হয়। শৰাইৰ নৈবেদ্য একেদৰেই থাকে। তাকে দেখিলে সিহঁত দুটাৰ খং উঠে। ভাবে, গোসাঁয়ে দুষ্টামি কৰি খোৱা নাই। লৰি গৈ মোক মাতি আনেগৈ আৰু কয়— "গোসাঁইক খং, গোসাঁইক খং।" কিয় নোখোৱা বুলি গোসাঁইক খং কৰিব লাগে।

জিকি-মিকি দুবছৰমান বয়সীয়া হৈ থাকোঁতে ৰে'লগাড়ী দেখিলে বৰ ভয় কৰে। বিশেষকৈ জিকিয়ে কান্দি-কান্দি ভয়তে থৰ লাগে। সেইকাৰণে ভয়টো ভাঙিবলৈ মই পুৱাতে সদায় ফুৰাবলৈ নিওঁতে চানমাৰিৰ ঘৰৰ পিছফালেদি যোৱা ৰে'লগাড়ীখনে কেনেকৈ ঘৰ-ঘৰ শব্দ কৰি যায় তাকে দেখুৱাওঁ। ঘৰলৈ আহি জিকিয়ে দীঘল ৰে'লগাড়ী এখন সাজে। ফণি এখন মাটিতে দিয়ে, তাৰ ওপৰত পেঞ্চিল এডাল, মটৰ মাহৰ গুটি এটা, টফি এটা, গাখীৰ খোৱা বটলটো (দুধদানী), মুড়ি এটা, ভাত এটা দি দীঘল কৰে। দেখিলে হাঁহি মৰিব লাগে। তাকে দেখি মিকিয়ে "ভয়, ভয়" বুলি মাকক বা মোক সাবটি ধৰে।

এদিন আবেলি বৰ জোৰেৰে বৰষুণ আহিছিল। বাৰাণ্ডাতে বহি দুয়োটাকে মই আঁঠুৰ ওপৰত বহুৱাই গান এটা গাই আছিলো— "হো হো ধুমুহা আহিলেও, আকাশ ক'লা মেঘে ছানিলেও, ৰিমজিম বৰষুণ পৰিলেও তুমি যেন থাকা মোৰ কাষতে"— "তি তি তিতিব নহয়।" (জিকিৰ কথাবোৰ অলপ লাগি ধৰে) মই শুনি অবাক হ'লো, কি প্ৰখৰ কল্পনা! বৰষুণ আহিলেও তুমি মোৰ কাষত থাকিবা বুলি গানটোত কোৱা

হৈছে— ঠিকেইতো তিতিব। মই ভাবিলো কথাটো গীত ৰচোঁতাজনক কোৱা যাওক। গীতটো আছিল আমাৰ মৰমৰ ভূপেনদাৰ। তেখেত চানমাৰিৰ ওচৰৰ নিজৰাপাৰত থাকে। জিকি-মিকিক লগত লৈ মই ভূপেনদাৰ তালৈ গ'লো আৰু ক'লো,— "নাতিয়ে ককাকৰ গানত ভুল ধৰিছে, শুনক।" ভূপেনদা শুনি বিচূৰ্তি হ'ল— "মইতো এনেকৈ কেতিয়াও ভবাই নাই। আজিকালিৰ ল'ৰাৰ মগজেই বেলেগ।"

লিখোঁতে-লিখোঁতে কথাবোৰ ওলাই গৈ আছে। আমি শিশুৰ কথাবোৰত গুৰুত্ব সচৰাচৰ নিদিওঁ। সিহঁতে কিবা কৈ থাকিলেও সাধাৰণতে কাণষাৰ নকৰোঁ। কিন্তু সিহঁতৰ চকু, মন বৰ তীক্ষ্ণ। মই সিহঁতৰ গতি-বিধি প্ৰতিটো কথা উপভোগ কৰিছিলো।

আমাৰ গোসাঁইঘৰত গোসাঁইৰ কেইবাখনো ছবি আছে। তাৰে এখন ছবি শিৱৰ। এদিনাখন দুপৰীয়া চিলমিলকৈ টোপনি গৈছিল। টোপনিৰপৰা উঠি চাওঁ জিকি-মিকি কাষত নাই। দুয়োটা গৈ গোসাঁইঘৰত গুণগুণাই আছে। কি কৰিছে ইহঁতে? কাক কথা কৈছে? "তুমি কেলেই চকুটো মুদি থাকা? কেলেই ফিয়াজ (পিঁয়াজ) চুইছিলা?" অ' হৰি! ইহঁতে অথনিৰেপৰা শিৱকে প্ৰশ্ন কৰি আছে। শিৱৰ আধামুদা চকু নিশ্চয় পিঁয়াজ চোৱাৰ কাৰণেই। সিহঁতক আইমণিয়ে মৰমতে কোলাত তুলি ল'লে (মোক সিহঁতে সৰুৰেপৰাই আইমণি বুলি মাতে)।

সদায় ৰাতিপুৱা ফুৰিবলৈ যাবলৈ মই সিহঁতক জগাই দিওঁ। জিকি যদি আগতে উঠে কওঁ মিকিক জগাই দিয়া। মিকি যদি আগতে উঠে কওঁ— জিকিক জগাই দিয়া। এদিনাখন হ'ল কি— ফুৰি আহি সিহঁতৰ এটাই মোক ক'লেহি আহাচোন আহা, ইহঁতক জগাই দিয়া— এইবুলি মোক পাকঘৰলৈ লৈ গ'ল। 'গিলাচটো জগাই দিয়াচোন জগাই দিয়া'। শাৰী পাতি গিলাচবোৰ উবুৰি খাই আছে। তাৰে গিলাচ এটা ওপৰ মু কৰি মই সুধিলো "এনেকৈ?" ওঁ বুলি সিহঁতে মূৰ দুপিয়ালে। সিহঁতে ভাবিছিল গিলাচকেইটা শুইহে থাকে তেনেকৈ। সৰু সৰু মাইনাবোৰে সকলো বস্তুকে নিজৰ নিচিনা বুলিয়ে ভাবে। খেলিবলৈ দিয়া কাঠৰ ঘোঁৰাৰ দাঁত ব্ৰাশ্ব কৰে, ঘোঁৰাৰ গা ধুৱায়, ঘোঁৰাৰ দুয়োগালত পাউডাৰ সানি দিয়ে। কথাবোৰ দেখি অসীম আনন্দ পাওঁ। জিকি-মিকি সৰু থাকোঁতেই সিহঁতক দুৰ্গাপূজা দেখুৱাবলৈ আইমণিয়ে লৈ গ'ল। আটায়ে ক'লে গোসাঁনী ইমান ধুনীয়া হৈছে। মিকিয়ে ক'লে,— "ভুল হৈছে।" ভুল? কি ভুল বুলি আটায়ে উদগ্ৰীৱ হৈ মিকিক সুধিলে। মিকিয়ে গহীনকৈ ক'লে,— "অসুৰক খোঁচ মাৰিছে। তেজেই ওলোৱা নাই।" আমাৰ কাৰো চকুত পৰাই নাছিল।

জিকি-মিকি বহুত ডাঙৰলৈকে কেৱল গাখীৰ আৰু অৰেঞ্জ স্কোৱাচ, গ্লুক'জ পানী খায়েই থাকিল। দাঁতেৰে চোবোৱা বস্তু নাখায়। সিহঁতক খুৱাবলৈ ইমান যুঁজিব লাগে যে আমাৰ দুয়োজনীৰে বৰ ভাগৰ লাগেগৈ। এদিনাখন মই ক'লো,— "একোকে

নোখোৱা, মই দুৰ্গা গোসাঁনীক ফোন কৰি মাতি দিওঁ ৰ'বা। হাতত ত্ৰিশূল লৈ আহক।" জিকিয়ে সুধিলে— "কেনেকৈ আহিব?" মই ক'লো, "আমাৰ ঘৰৰ গাড়ী পঠাই দিওঁ, তাতে আহিব।" মিকিয়ে তৎক্ষণাৎ ক'লে— "কেনেকৈ সোমাব? গোসাঁনী ইমান ডাঙৰ, সোমাব নোৱাৰে গাড়ীত। নাহে।"

অকণ-অকণকৈ সিহঁত ডাঙৰ হৈ আঢ়ৈ বছৰ পালেহি। দুটা সাংঘাতিক তজবজীয়া ল'ৰা চম্ভালা অতি টান কাম। এদিনাখন চানমাৰিৰ ঘৰৰ ড্ৰয়িংৰুমত আলহীৰ লগত কথা পাতি থাকোঁতে দুয়োটা নাইকিয়া হ'ল। সাউৎকৰে গৈ দেখিলো মোৰ বেডৰুমৰ বিছনাখনতে দুয়োটাই কিবা লিৰিকি-বিদাৰি আছে। 'খেলি থাকক ইয়াতে' বুলি ভাবি পুনৰ আলহীৰ লগত ছিৰিয়াছ কিবা কথাত লাগিলোগৈ। আলহী গ'ল। বিছনাখন পাৰি সিহঁতক শুৱাওঁ বুলি চাই দেখোঁ বিছনাত দেখান বিছনাচাদৰখন নাই। কি হ'ল? কি হ'ল? ইফালে-সিফালে চাই দেখোঁ— একদম অকণি-অকণিকৈ কুটা কাপোৰ! কি কাণ্ড! বিছনাচাদৰখনত ফুটা এটা হৈছিল। তাতে জিকিয়ে আঙুলি সুমুৱালত চেৰচেৰকৈ অকমান্ ফাটিল। শব্দটো সি ইমান ভাল পালে যে চেৰেক-চেৰেক শব্দটো শুনিবৰ কাৰণেই গোটেই বিছনাচাদৰখন দুয়োটাই ফালি-চিৰি সৰু-সৰুকৈ কুটি পেলালে। মই সুধিলত দুয়োটাৰে খিলখিল হাঁহি, মোৰো হাঁহি উঠিল— ইহঁত কম বস্তু নহয়!

মই ভাবিলো ইহঁতক চম্ভালাৰ এটাই উপায়— ছবি আঁকিবলৈ বহী আৰু ৰঙা-নীলা পেঞ্চিল আনি দিলে দিনটো ৰঙেৰে আঁকবাঁক কৰি থাকিব। ভবামতেই কাম হ'ল আৰু দুটা এধান-এধান শিশুৱে ৰাতি নাই দিন নাই ছবি আঁকি অনাবিল আনন্দত আত্মহাৰা হ'ল। এদিন এখন ছবি আঁকিলে জিকিয়ে— ফুট, ফুট, ফুট, ফুট, ফুট— গোটেইখন কাগজত। মই সুধিলো "কি আঁকিছা?" উত্তৰ আহিল 'পচেচন' (প্ৰছেছন)। সিহঁতে প্ৰছেছনত হোৱা মানুহৰ মূৰবোৰ তেনেকৈয়ে দেখিছে। বাঃ-বাঃ-বাঃ! এদিনাখন জিকিয়ে আঁকিলে নীলা পানী তাতে ৰঙা-ৰঙা ফুট। মই সুধিলো কি আঁকিছা? "শিলপুখুৰী।" বাৰু শিলপুখুৰী, এই ৰঙা-ৰঙা ফুটকেইটা কিয়? "তাকো নাজানা। তাবাচোন (চাবাচোন)।" মই সঁচাকৈয়ে গৈ শিলপুখুৰীটো চালোগৈ। পুখুৰীটোৰ দক্ষিণপাৰে ৰঙা-ৰঙা ফুল ফুলি থকা কেণা ফুলৰ গছ। তাৰ প্ৰতিবিম্ববোৰ পানীত ৰঙা-ৰঙা হৈ দেখা গৈছে। হে হৰি! এই অকণ-অকণকেইটাৰ চকুৰপৰা একো সাৰি নাযায়।

মই ঘৰত অবাক হৈ বা খঙত 'হে হৰি' বুলিও ক'ব নোৱাৰোঁ। লগে-লগে গাব— "হৰি হেৰৰে বাপ পকিলো (পশিলো) কৰণ (শৰণ)।" মোক সিহঁতে বৰগীত গাই থকা শুনে। 'হে ৰাম' বুলি ক'লেই গাব "ৰাম গোসাঁই কৰোহো গোহাৰি"। মই সিহঁতক খং কৰিম ছাৰি হাঁহিহে উঠে।

এদিনাখন মই সিহঁতক ৰেডিঅ' ষ্টেশ্যনৰ পিনে ফুৰাবলৈ লৈ গ'লো। তেতিয়া মে'

মাহ আছিল। সেউজীয়া বনে-বনে পখিলাবোৰ উৰি ফুৰিছিল। তেনেই পাতল, সেউজীয়া ৰঙৰ পখিলাবোৰ উৰি ফুৰা জিকি-মিকিয়ে দেখিলে— ইয়াৰ আগেয়ে পখিলা দেখোঁতে সিহঁতে ফুটুকা-ফুটুকী পখিলা দেখিছিল। সেইদিনা সিহঁতে পখিলাৰ গাত ফুটফুট নেদেখি মোক সুধিলে— পখিলাৰ গাত কেলেই ফুটফুট নাই? মই ক'লো গোসাঁইৰ আঁকিবলৈ সময় নাই। মিকিয়ে তৎক্ষণাৎ ক'লে— "মিটিং আছে?" মিটিংবোৰৰ কাৰণেই বুঢ়ীমাকৰ সময় নাই দেখি গোসাঁইৰো নিশ্চয় মিটিং থাকে কাৰণেই সময় নাথাকে। বাঃ। আৰু এদিনৰ কথা। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত কালচাৰেল এফেয়াৰ্ছৰ ডাইৰেক্টৰ হৈ শ্ৰদ্ধেয় ৰুদ্ৰ বৰুৱা যেতিয়া আছিল, তেতিয়া পুতলা নাচৰ শ্ব' এটা হৈছিল। আমন্ত্ৰিত হৈ আমি ঘৰৰ আটায়ে নাচ চাবলৈ গৈছোঁ। একেবাৰে আগশাৰীত নি মোক বহুৱালত জিকি-মিকিও লগতে বহিল। ষ্টেজত পুতলাবোৰে নাচি থকা দেখি হঠাতে মিকিয়ে জিকিক ক'লে— ব'ল জোন, আমিও নাচোঁগৈ। এইবুলি দুয়োটা ষ্টেজলৈ উঠি গ'ল। সিহঁতে ভাবিছিল পুতলাবোৰো সিহঁতৰ দৰেই সৰু-সৰু ল'ৰা। মই তৰ্কিবই নোৱাৰিলো। তেতিয়াৰ ডাইৰেক্টৰ শিল্পী ৰুদ্ৰ বৰুৱাইহে পুতলাবোৰৰ মাজৰপৰা সিহঁতক ধৰি আনি বুঢ়ীমাৰ্কক গতাই দিলেহি। দৰ্শকবোৰেও বৰ আমোদ পাইছিল সিহঁতেও নাচিব বুলি। আচলতে নাচিবলৈকে দুয়োটা উঠি গৈছিল। পাছত যি কান্দোন। "আমাক নাচিবলৈ কিয় নিদিলা?"

মই সিহঁতক শিকাবলৈ এই সময়তে অসমীয়া অ আ ক খ আৰু ইংৰাজী এ. বি. চি. ডি.ৰ দুখন কিতাপ আনিলো। ইংৰাজী C আখৰটো দেখুৱাই সিহঁতে কয় "জোন জোন আকাশৰ জোন"। ইংৰাজী O আখৰটো শিকালেই জিকিয়ে চিঞৰি কয়— "নুচুবা নুচুবা, চকা, চকা টেপিব (চেপিব)।" অসমীয়া তালব্য 'শ'টো শিকালে কয়, নহয়, দুটা আঙুৰ। ইংৰাজী I আখৰটো দেখিলে কয় দলং, দলং। বুঢ়ীমাকৰ নাকটোও দলং বুলি কয়, চকুকেইটা হেনো পুখুৰী। সিহঁতৰ কল্পনাৰ প্ৰতাপত মই তত নাপাওঁ। পঢ়াম কি হাঁহি উঠি যায়। কিন্তু এটা সত্য উপলব্ধি কৰিছোঁ যে সুৰ কৰি গালে সিহঁতে তৎক্ষণাতে শিকে। সেইকাৰণে সিহঁতে ছন্দত গাব পৰাকৈ এখন নাৰ্ছৰি গীতৰ কিতাপকে মই লিখি পেলালো— নাম হ'ল 'অসমীয়া ওমলা গীত'।

আৰু এদিনৰ কথা। জাৰকালি কুঁৱলী পৰিছে। সিদিনা আটায়ে পিকনিকলৈ বুলি ওলালো। ওচৰতে চন্দ্ৰপুৰলৈ যাম। গাড়ীখনত মই, মুনু, আইজনী, অৰ্পণা আৰু জিকি-মিকি। সাতগাঁৱত গাড়ীখন ৰখাই মুনু কমলা কিনিবলৈ গ'ল। এপাচি ডাঙৰ সোণ বৰণীয়া কমলা। মিকিয়ে চিঞৰি উঠিল— "আইমণি, আইমণি কেবাটাও বেলি।" মই তত ধৰিব নোৱাৰি ক'তা, ক'তা, বুলি সোধাত ক'লে— সেইকেইটা তাতে আছে। কি আছে? "বেলি, বেলি ৰঙা বেলি।" ডাঠ কুঁৱলীৰ মাজত সোণ বৰণীয়া কমলাকেইটা

সিহঁতৰ বেলি যেন লাগিছিল।

এদিন হ'ল কি— শিৱসাগৰৰপৰা গুৱাহাটীলৈ আহোঁতে ঘৰৰ গাড়ী ৰখাই বাটতে মুৰ্গী দুটা ঘৰত খাবৰ কাৰণে কিনি লৈ অহা হৈছিল। মুৰ্গী দুটাৰ পাখিবোৰ ৰঙা-ক'লা বৰণৰ বৰ ধুনীয়া আছিল। জিকি-মিকিয়ে মুৰ্গী দুটালৈ প্ৰথমে বৰ ভয় কৰিলে। তাৰ পাছত গাড়ীৰ ভৰি থোৱা ঠাইতে মূৰ দি পৰি অহা মুৰ্গীকেইটা দেখি ভয় ভাগিল আৰু সিহঁতৰ পাখি চুয়ো চালে। গুৱাহাটী পাওঁতে ৰাতি সেই আলহীও লগত আছিল। লৰালৰিকৈ মুৰ্গীকেইটা ৰান্ধি দিওঁ বুলি কামকৰা ল'ৰাটোক মুৰ্গী দুটা ঘৰৰ পিছফালে নি মাৰিবলৈ আৰু পাখি গুচাবলৈ দিলো। ল'ৰাটো ইমান বুৰ্বক যে পাখি গুচোৱা, মৰা মুৰ্গী দুটা আনি যেনেকৈ থলেহি জিকি-মিকি উচাপ খাই চিঞৰি উঠিল— "ফ্ৰক কেলেই খুলি দিলা? পিন্ধাই দিয়া, পিন্ধাই দিয়া" বুলি ফেকুৰি-ফেকুৰি কান্দি-কান্দি লালকাল দিলে। আলহীক ৰান্ধি-বাঢ়ি দিলো যদিও ঘৰৰ কোনেও সেইদিনা দুখতে ভাত নাখালো। জিকি-মিকিয়েতো একোৱেই নাখালে।

জিকি-মিকি চাৰি বছৰীয়ামান হওঁতে ঘটা আৰু এদিনৰ কথা। পাতল বৰষুণ দিয়া দুপৰীয়া এটা মই চাপৰ মূঢ়া এটাত বহি ৰোকনীৰে নাৰিকল ৰুকি আছিলো। দুয়োটাই মোৰ পিঠিত উঠি দিগদাৰ দি আছিল। মই ক'লো— দিগদাৰ নকৰিবা। আমি বিয়ালৈ যাম। উৎপাত কৰিলে নিনিওঁ। জিকিয়ে তৎক্ষণাৎ সুধিলে— কোনৰ? (কাৰ)। মই ক'লো আলিমুন নিছা পিয়াৰৰ ছোৱালী জুৰিৰ বিয়া। আকৌ সুধিলে— কোনৰ লগত? মই ক'লো "সাগৰৰ লগত" (দৰাৰ নামটো পাহৰিলো কাৰণে এনেয়ে কৈছিলো)। মিকিয়ে লগে-লগে ক'লে— "কেনেকৈ হ'ব? জুৰি নদীকে হোৱা নাই।" কি আচৰিত! ইহঁতে দেখোন ইমান কথা জানে! বয়সতহে অকণি-অকণি।

মই ডায়েৰি কৰিছিলো বুলিহে ইহঁতৰ সৰুকালৰ কথাকেইটা শিশু সাহিত্যৰ উপাদান হ'ব পাৰে বুলি লিপিবদ্ধ কৰিছোঁ। শিশুৰ জগত কিমান যে বিচিত্ৰ!

সিহঁতে পেনচিলেৰে ছবি আঁকি-আঁকি গৈ ৱাটাৰ কালাৰেৰেও আঁকিব পৰা হ'লগৈ। মিকিয়ে এবাৰ সেই অকমান হৈ থাকোঁতেই ৰঙীন পেনচিলেৰে অঁকা ভাৰতৰ ত্ৰিৰংগ পতাকাখনত দেউতাকৰ মুখ-চকু আঁকি, মুখত চুৰট দি দিছিল। এনেধৰণৰ কত কিমান যে ছবি আছিল! এনে ছবিবোৰ চাই ইমান ডাঙৰ শিল্পী হেমন্ত মিশ্ৰ অতি অবাক হৈছিল আৰু বৰ প্ৰশংসা কৰিছিল। শিশুৱে অঁকা ৰিয়েলিষ্টিক এনে ছবিবোৰৰ এখনো যাতে নষ্ট নহয় সেই কথা মোক বাৰে বাৰে সকীয়াই দিছিল। সিহঁতৰ ইমান ছবি মইনো ক'ত থ'ম! চানমাৰিত ইফালে বাৰিষাৰ বানপানী সপ্তাহটোত দুই-তিনিবাৰ সোমাই থকা ঘৰত। মই সিহঁতৰ ছবিবোৰক কাগজ প্যাৰি-পাৰি ফাইলত ভৰাই শোৱা বিছনাৰ তুলীৰ তলত থৈছিলো— বানপানীয়ে নাপাবলৈ। কিন্তু কি হ'ব! অসম আন্দোলনৰ

কালছোৱাত জালুকবাৰীৰ প্ৰদৰ্শনীলৈ নি ছবিবোৰ ঘূৰাই নিদিলে। সিহঁতে সাত বছৰ বয়সতে (১৯৮০ চনত) এশ পঞ্চাছখন ছবি ৱাটাৰ কালাৰ, মমৰ ৰং আৰু পেনচিলেৰে আঁকি গুৱাহাটীৰ সাহিত্য সভাৰ লগত থকা আৰ্ট গেলেৰিত প্ৰদৰ্শন কৰিছিল। নাম দিছিলো 'জিকিমিকিৰ ছবিৰ মেলা'। প্ৰথমতে প্ৰদৰ্শনী আছিল দুদিনৰ। ছবি চোৱা মানুহৰ দলদোপ-হেন্দোলদোপ আৰু তেওঁবিলাকৰ অনুৰোধত আৰু কেইবাদিনলৈ ছবিৰ মেলাৰ দিন বঢ়াই দিয়া হ'ল। বাতৰিকাকতসমূহৰ মানুহ আহিও চিত্ৰবোৰ চাই বৰ উৎসাহজনকভাৱে প্ৰতিশ্ৰুতিসম্পন্ন এই ল'ৰা দুটাৰ কথা লিখিলে। ১৯৮২ চনমানত প্ৰথম সিহঁতে চিত্ৰশিক্ষাৰ কাৰণে সুষমা জৈন নামৰ শিল্পীগৰাকীৰ ওচৰলৈ গ'ল। সিহঁতে আঠ বছৰ বয়সত অঁকা ছবিৰ বিপুল সমাদৰ হ'ল। আমাৰ ঘৰত সিহঁতৰ সেই সময়ৰ ছবি দেখি সেই সময়ৰ টুৰিজিমৰ ডাইৰেক্টৰ (১৯৯০-৯১) প্ৰয়াত নীলিময় চৌধুৰীয়ে টুৰিজিম অফিচত থবলৈ পাঁচখন অইল পেইণ্টিঙৰ অৰ্ডাৰ সিহঁতক দিলে— খনে পাঁচ হাজাৰকৈ। এখুদ ককাইদেৱেও সিহঁতৰ ছবিৰ বৰ প্ৰশংসা কৰিছিল আৰু সদায় কৈছিল,— "মই ইহঁতৰ ছবি চুৰ কৰি নিম।"

জিকি-মিকিয়ে নীলিময়ৰ বাৰম্বাৰ অনুৰোধত অৰণ্য, ঝৰ্ণা, এলিফেণ্ট ছাফাৰি আদি তিনিখন ছবি ডাঙৰ কেনভাছত (২ মি. ×১ মি.) আঁকি দিলে। বাকী দুখন আঁকিবলৈ সময় নহ'ল। সিহঁতে সত্ৰীয়া নাচো বিৰিঞ্চি কুমাৰ বৰুৱা অডিটৰিয়াম, ৰবীন্দ্ৰ ভৱন, ডিষ্ট্ৰিক্ট লাইব্ৰেৰি আৰু কলিকতাত নাচিছিল। ক্লাছিকেল গীতো গাইছিল। বৰগীততো গায়েই। মই ভবিছিলো সিহঁতে এটা নিজা সংস্কৃতিৰ base পাওক। এই বুলিয়েই এই পৰ্ব সিহঁতৰ আৰম্ভ কৰিছিলো। পাছলৈ সিহঁত ইমান ওখ হ'ল যে বিশেষকৈ মিকিৰ নাচিবৰ কাৰণেই অসুবিধা হৈ পৰিল। সি বৰ ভাল গিটাৰ (স্পেনিছ, হাৱাইন দুয়োটাই) বজাবলৈ ল'লে। অতি প্ৰখ্যাত শিল্পী ৰাজেশ্বৰ বৰদলৈয়ে কৈছিল,— "ইয়াৰ হাতত যাদু আছে।"

মোৰ এইটোৱেই বেজাৰ লাগে যে ইমান গুণ থকা সত্ত্বেও অসমত তাৰেই জীয়াই থাকিব নোৱাৰি। সেইকাৰণে সিহঁতে পঢ়াতহে বেছি গুৰুত্ব দিব লগা হ'ল। মিকি হ'লগৈ মেকানিকেল ইঞ্জিনীয়াৰ। এতিয়া দিল্লীত। ৰিলায়েঞ্চত কাম কৰে। ইটো হ'ল বায়'টেক্‌ন'লজিৰ ছায়েণ্টিষ্ট। অকলশৰে পালে মোক কয়— "আইমণি, মই অকল মিউজিককে লৈ থাকিব পৰা হ'লে।" ক্ৰিকেট খেলিও সি অসম্ভৱ ভাল পায়। মই কওঁ, "এতিয়াও সময় আছে— এক ছেকেণ্ডো সময় নোপোৱা কম্পেনিৰ কাম এৰি দিয়া। টকা আৰু মানসিক শান্তি দুটা বেলেগ বস্তু। মানসিক শান্তিৰ কাৰণে প্ৰয়োজন হ'লে বহুত ত্যাগ কৰিব পাৰিব লাগে।" ছিম্পল লিভিঙেই মানুহৰ আটাইতকৈ ডাঙৰ কথা। হাই ষ্টেণ্ডাৰ্ডৰ লিভিং চাবলৈ গ'লে নিৰৰ্থক যদি সি প্ৰকৃত 'আনন্দ' দান কৰিব নোৱাৰে। যদি কোনোবাই বেংক বেলেঞ্চ চায়েই শান্তি পায় তেওঁবিলাকৰ কথা বেলেগ।

জিকিয়ে (জোনে) কম্পেনিৰ কাম নকৰে কাৰণে গান গাবলৈ সময় পায়। ৰেডিঅ’, ফাংশ্যনত আধুনিক বা বৰগীত গায়। ছবি কেতিয়াবাহে আঁকে। মিকিৰ যে ছবি অঁকাও গ’ল। মোৰ অন্তৰে হাহাকাৰ কৰি থাকে। প্ৰতিভাৰ অপচয় ক’তো মই সহ্য কৰিব নোৱাৰোঁ।

১৯৭৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত এটা লেকচাৰাৰৰ পদ ওলাল। নৱনিযুক্তজনে অসমৰ সাংস্কৃতিক ইতিহাস পঢ়াব লাগিব। ইতিমধ্যে ১৯৭২ চনত ‘অসমৰ লোকসংস্কৃতি’ নামৰ মোৰ কিতাপ এখন অসম প্ৰকাশন পৰিষদৰ সহযোগত প্ৰকাশ হৈছিল। সেই কিতাপখনে মোৰ বহুতো মূল্য বঢ়াইছিল। আটাইৰে উপদেশত, বিশেষকৈ মোৰ ছোৱালী স্বপ্নাই নেৰানেপেৰাকৈ লাগি থকাত, মই দিওঁ-নিদিওঁকৈ বিশ্ববিদ্যালয়ৰ এই নতুন চাকৰিটোৰ কাৰণে এখন দৰখাস্ত দিলো। যথাসময়ত ইণ্টাৰভিউলৈ নিমন্ত্ৰণ আহিল আৰু ইণ্টাৰভিউ ব’ৰ্ডৰ নজন ব্যক্তিৰ মাজত পৰম শ্ৰদ্ধেয় অধ্যক্ষ তীৰ্থনাথ শৰ্মা ডাঙৰীয়াকো দেখা পালো। সেই সময়ত উপাচাৰ্য আছিল শ্ৰদ্ধেয় হীতেন্দ্ৰকুমাৰ বৰুৱা। অসমীয়া বিভাগৰ মুৰববী আছিল শ্ৰদ্ধেয় ছাৰ ড° মহেশ্বৰ নেওগ। বহুত প্ৰাৰ্থী আছিল যদিও মোৰেই কেৰিয়াৰ আটাইতকৈ ভাল আৰু ইণ্টাৰভিউতো বোলে ময়ে ভাল কৰিলো। কামটো মোক যচা হ’ল। বিশ্ববিদ্যালয়ত যোগ দিম নে নিদিম তাকে লৈ মোৰ অশেষ দ্বিধা হ’ল। কলেজখন মোৰ এৰি যোৱাৰ কথা ভাবিলেই অন্তৰ ফাটি যায়। বহুত দিনলৈ মই কোনো সিদ্ধান্তত উপনীত হ’ব পৰা নাছিলো। শেষত স্বপ্নাই জোৰ কৰিলতহে মই সিদ্ধান্ত ল’বলৈ বাধ্য হ’লো। আৰু সেইমতে বিশ্ববিদ্যালয়ত যোগদান কৰিলোগৈ।

সাংস্কৃতিক ইতিহাস পঢ়োৱাৰ উপৰিও মোক আধুনিক কবিতা পঢ়াবলৈও ভাৰ দিয়া হ’ল। ফাইনেল ইয়েৰৰ ছাত্ৰক পঢ়াব লগা হ’ল। বিশেষকৈ সাহিত্যৰ ইতিহাস আৰু আধুনিক সাহিত্য। সাংস্কৃতিক ইতিহাস পঢ়াবলৈ লৈ মই প্ৰথমবাৰৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলক field work কৰাৰ কাৰণে অ’লৈ-ত’লৈ নিবলৈ ধৰিলো। গুৱাহাটীত অৱস্থিত ষ্টেট মিউজিয়ামলৈ আনিও তন্ন-তন্নকৈ তাৰ বস্তুবোৰ প্ৰতিবছৰে বুজাইছিলো। বি. এ. পাছ কৰা ল’ৰা-ছোৱালী যদিও বহুত ছাত্ৰ-ছাত্ৰীয়ে মিউজিয়ামকে দেখা নাছিল। মই ভাবিছিলো অসমত যদি টুৰিজিমৰ উন্নত অৱস্থা হয়, অসমৰ *বিভিন্ন পৰ্যটনলৈ* টুৰিষ্টক দেখুৱাবৰ কাৰণে ভাল যাতায়াতৰ ব্যৱস্থা হয়, তেতিয়া সাংস্কৃতিক ইতিহাস পঢ়া ল’ৰা-ছোৱালীবোৰে গাইডৰূপে ঠাইবোৰ সুন্দৰকৈ পৰ্যটকক দেখুৱাব পাৰিব। আৰু কলেজবোৰতো যদি সাংস্কৃতিক ইতিহাসৰ পাঠ পঢ়োৱা হয়, সেইসকল ছাত্ৰ-ছাত্ৰীকো জনা-বুজা এম. এ. শিক্ষকে ভালকৈ অৰ্থাৎ ফাঁক নথকাকৈ পঢ়ুৱাব পাৰিব। এনে উদ্দেশ্যেৰে মই বৰপেটা, মাজুলী, কোচবিহাৰ আদি ঠাইলৈ হয় নিজে গৈছিলো,

নতুবা বিভাগটোৰ মুৰব্বী হোৱাৰ পাছত অন্য শিক্ষকক দি পঠাইছিলো। সকলোতকৈ ডাঙৰ কথা হৈছে,— নিজৰ ঠাইখনৰ প্ৰতিটো বৈশিষ্ট্যপূৰ্ণ বস্তুৰ ইতিহাস আমি নিয়াৰিকৈ জানিবই লাগে। সাংস্কৃতিক ইতিহাস পঢ়া ল'ৰা-ছোৱালীবোৰক দেখিছিলো তেওঁবিলাকে নিজৰ ঠাইখন বেছিকৈ ভাল পাবলৈ শিকিছে। পাছলৈ আমাৰ উদ্যোগতে কলেজবিলাকতো সাংস্কৃতিক ইতিহাসৰ পাঠ্যক্ৰম ৰখা আৰম্ভ হ'ল। সত্ৰীয়া নৃত্যৰ বিষয়ে পঢ়াওঁতে বাস্তৱ কথাবোৰ বুজাবলৈ সত্ৰীয়া নৃত্যত পাৰ্গত লোকসকলক মাজে-মাজে ক্লাছ ৰুমলৈ নিমন্ত্ৰণ কৰি আনি প্ৰেকটিকেল বস্তুবোৰ দেখুৱাইছিলো। পুৰণি অসমৰ পুৰাতত্ত্বৰ বিষয়ে বিশেষ বক্তৃতা কেইটামান দিবলৈ ডা. প্ৰদীপ শৰ্মা, ড° নিশিপদ চৌধুৰী, ড° ৰবীন দেৱচৌধুৰী আদি ব্যক্তিসকলক আমন্ত্ৰণ কৰিছিলো। এনেবোৰ কাম কৰিলে ক্লাছবোৰৰ আকৰ্ষণ বাঢ়ে। উদ্যোগী ছাত্ৰ নেতা শ্ৰীপৰমানন্দ ৰাজবংশী আদিৰ উদ্যোগত উত্তৰ-পূৰ্বাঞ্চল সাংস্কৃতিক সমাৰোহ অসমীয়া বিভাগৰ উদ্যোগত কেইবাদিনীয়াকৈ পাতি সমগ্ৰ উত্তৰ-পূব সীমান্তৰ বিভিন্ন সংস্কৃতি আমাৰ ছাত্ৰ-ছাত্ৰীকে অকল নহয়, সমগ্ৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে দেখুউৱা হৈছিল। সেইদৰে দৰঙী কলা-কৃষ্টিৰ প্ৰদৰ্শন কৰা হৈছিল। এবাৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত ওজাপালিৰ অনুষ্ঠান বৰ সুন্দৰকৈ আমি দেখুৱাইছিলো।

বিশ্ববিদ্যালয়ৰ অৰ্থৰ অত্যন্ত অভাৱৰ কাৰণে অসমীয়া বিভাগটো মই মোৰ মনঃপূতকৈ গঢ় দিব নোৱাৰিলো। কেৱল চৈধ্যটা আলমাৰি কৰাই আনি বিভাগীয় লাইব্ৰেৰিটোহে পাতিব পাৰিলো। এহাতে টকা নাই, আনহাতে শিক্ষকসকল বহিবলৈকে ৰুম নাই। দিনে-দিনে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক বাঢ়ি যোৱা এই বিভাগটোৰ কাৰণে ছেমিনাৰ ৰুম, ক্লাছ ৰুম, প্ৰতিজন শিক্ষক বেলেগ-বেলেগকৈ বহা ৰুম, লাইব্ৰেৰি ৰুম, আদি বহুত ৰুমৰ প্ৰয়োজন। ৰুম থকা হ'লে, টকা থকা হ'লে এটা বিভাগীয় মিউজিয়াম মই খুলিলোহেঁতেন। গাঁৱে-ভূঁয়ে ঘূৰি আৰু ছাত্ৰসকলকো উৎসাহিত কৰি সাঁচিপতীয়া পুথি পঞ্চাছখনমান সংগ্ৰহ কৰিছিলো আৰু তাৰেই বিভাগীয় মিউজিয়াম এটাৰ পাতনি মেলিছিলো। হেঙুল হাইতাল খটোৱা গুৰু আসন এখন বৰপেটাৰপৰা কিনি আনি থৈছিলো। প্ৰাচীন চিত্ৰকলাৰ আৰ্হিৰ এখন চিত্ৰও শিল্পী এগৰাকীৰ হতুৱাই অঁকাই বিভাগটোত থৈছিলো।

কেইবাখনো উল্লেখযোগ্য ৰাষ্ট্ৰীয় ছেমিনাৰ মোৰ সময়খিনিত মই পাতিছিলো। তাৰ ভিতৰত 'এশ বছৰৰ অসমীয়া কবিতা' উল্লেখযোগ্য। তিনিদিনজোৰা এই ৰাষ্ট্ৰীয় ছেমিনাৰত বিশিষ্ট ব্যক্তিসকলে বৰ সুন্দৰ আলোচনা কৰিছিল আৰু কবিতা সম্পৰ্কীয় এখন প্ৰদৰ্শনীও বিভাগটোতে হৈছিল। বিখ্যাত-বিখ্যাত অসমীয়া কবিতাৰ পংক্তিবোৰ বিভিন্ন ৰঙেৰে, বিভিন্ন ডিজাইনৰ আখৰেৰে লিখি বেৰবোৰত আঁৰি দিয়া হৈছিল।

কিতাপ আৰু ছবিতো আছিলেই। এইবোৰ ছেমিনাৰ সৰ্বভাৰতীয় ছেমিনাৰ আছিল। ভাৰতৰ বিভিন্ন ঠাইৰ কবি, সাহিত্যিক আহিছিল।

দ্বিতীয়খন ছেমিনাৰ আছিল 'অসমীয়া ভাষা সংস্কৃতিত আৰ্য-ভিন্ন উপাদান'। এইখনো ৰাষ্ট্ৰীয় ছেমিনাৰ আছিল। ছেমিনাৰ দুখন অতি সাৰ্থক হৈছিল। দুয়োখন ছেমিনাৰত ফ'কলৰৰ অধ্যাপক শ্ৰীনবীন শৰ্মাৰ সহায় অপৰিহাৰ্য আছিল। এইক্ষেত্ৰত সংস্কৃত বিভাগৰ ড° অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়াৰ সহায় কোনোদিনে পাহৰিব নোৱাৰিম। বিভাগীয় অধ্যাপক ড° নগেন ঠাকুৰ এই ছেমিনাৰৰ স্মৃতিগ্ৰন্থৰ দায়িত্বত আছিল।

মই ১৯৮২ চনত ইণ্টাৰভিউ দি ৰিডাৰ হৈছিলো আৰু তাৰ পাছত প্ৰফেছাৰ হৈ ১৯৯০ চনত জৱাহৰলাল নেহৰু আসনৰ সন্মানিত অধ্যাপিকা পদ লাভ কৰিছিলো। একে সময়তে M.I.L. বিভাগৰ ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ কাৰণেও ইণ্টাৰভিউ দি বহুতো প্ৰতিযোগীৰ ভিতৰত মই শীৰ্ষস্থান লাভ কৰিছিলো। এইবোৰ পৰীক্ষা দিল্লী আৰু কলিকতা বিশ্ববিদ্যালয়ৰ expertসকলে লৈছিল। সেই সময়ৰ উপাচাৰ্য, শিক্ষাবিদ ড° দেৱপ্ৰসাদ বৰুৱাই মোক জৱাহৰলাল নেহৰু আসনতে থাকিবলৈ অনুৰোধ কৰাত মই ৰবীন্দ্ৰনাথ ঠাকুৰ আসনখন এৰি দিলো। ইয়াতে উল্লেখ কৰি থ'ব পাৰি যে জৱাহৰলাল নেহৰু আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, এই দুয়োখন আসনৰ কাৰণে expertসকলে মোকেই নিৰ্বাচন কৰিছিল।

মই বিশ্ববিদ্যালয়ত যোগ দিয়াৰ কেইবছৰমান পাছৰেপৰা অৰ্থাৎ ১৯৭৯ চনৰ শেষৰ ফালৰপৰা অসম আন্দোলন আৰম্ভ হ'ল। বিদেশী সমস্যাকে মূল সমস্যা কৰি লৈ এই আন্দোলন হৈছিল আৰু ছাত্ৰনেতাসকলে ইয়াৰ গুৰি ধৰিছিল। সেইকাৰণে এই আন্দোলনৰ পৰিচালনাৰ কেন্দ্ৰবিন্দু আছিল জালুকবাৰীৰ গুৱাহাটী বিশ্ববিদ্যালয়। ৰাজনীতিৰ লগত মোৰ একো সম্পৰ্ক নাই। কিন্তু মোৰ দেশখন মই মনে-প্ৰাণে ভাল পাওঁ। দেশখনৰ উন্নতিৰ কাৰণে যিকোনো কল্যাণময় কাম কৰিবলৈ মই চিৰদিন সাজু। তাত মোৰ নিজা স্বাৰ্থ একো নাই। বয়সস্থ লোকসকলে সকলো দিশৰ দুৰ্নীতি ৰোধ কৰিব নোৱৰা দেখি আমাৰ নিজৰ ল'ৰা-ছোৱালীৰ নিচিনা এই ছাত্ৰসকলে এনে ধৰণৰ দেশসেৱামূলক সচেতনতাৰে কাম কৰিবলৈ ওলোৱাত, দেশখনৰ দুৰ্নীতি দূৰ হ'ব বুলি ভাবি আশ্বস্ত হৈছিলো আৰু ল'ৰাহঁতক নৈতিক সমৰ্থন দিছিলো। সেইখিনি সময়তে প্ৰথমবাৰ মই আমেৰিকালৈ গৈছিলো এখন আন্তৰ্জাতিক সভাত যোগ দিয়াৰ নিমন্ত্ৰণ পাই। আমেৰিকাত বিভিন্ন প্ৰান্তৰত থকা অসমীয়া লোকসকলৰ বহুতে ছেমিনাৰৰ পাছত তেখেতসকলৰ ঘৰলৈ আদৰ-সাদৰকৈ মাতি নিছিল। প্ৰত্যেকে এই আন্দোলনটোৰ কথা বৰ আন্তৰিকতাৰে সুধিছিল। মই তেখেতসকলৰ আগত এই আন্দোলনটোৰ ব্যাখ্যা কৰোঁতে-কৰোঁতে নিজেই যেন ক্ৰমান্বয়ে গভীৰলৈ গৈ থাকিলো

আৰু আন্দোলনটোৰ লগত মানসিকভাৱে আৰু গভীৰভাৱে জড়িত হৈ পৰিলো। আমেৰিকাৰপৰা ঘূৰি আহি লণ্ডনত সোমাওঁতে তাতো অসমীয়া মানুহখিনিৰ আগত বিদেশী কোন এই কথাকে আৰম্ভ কৰি অসমৰ বিভিন্ন সমস্যাৰ বিষয়ে যি জানো তাকে ব্যাখ্যা কৰিছিলো। তেতিয়া ভাবিছিলো চাৰিওপিনৰপৰা গ্ৰাস কৰি অনা অশুভ শক্তিবোৰ অসমীয়া মানুহ জাগ্ৰত হ'লে আপোনা-আপুনি অৱদমিত হ'ব, সচেতন অসমীয়া মানুহৰ কৰ্মসংস্কৃতি বাঢ়িব। অসমীয়াসকলক জগাই তোলাই আমাৰ এতিয়া প্ৰথম কাম। 'অসমীয়ানো কোন',— সেই বিষয়েও চিন্তা কৰি ক'বলগীয়া হৈছিল— অসমক যি নিজৰ জন্মভূমি বুলি আৰু জন্মভূমিক যি স্বৰ্গাদপী গৰীয়সী বুলি ভাবে, অসমৰ দুখত যি কান্দে, সুখত যি হাঁহে, তেৱেঁই অসমীয়া। দিল্লী, কলকাতা হৈ আহোঁতে তাৰো প্ৰেছমেলত এই কথাবোৰ কৈছিলো আৰু স্বপ্ৰণোদিতভাৱেই যেন আন্দোলনৰ অংশীদাৰ হৈছিলো। অসমলৈ ঘূৰি আহি বিভিন্ন দিশত থকা আমাৰ কৰ্তব্যবোৰৰ কথা একে মনৰ মানুহৰ লগত আলোচনা কৰিছিলো। ১৯৭৯ চনৰ ১০ ডিচেম্বৰৰ দিনা খৰ্গেশ্বৰ তালুকদাৰৰ মৃত্যুক লৈ ৰাইজৰ মাজত তীব্ৰ উত্তেজনা হৈছিল। লাখ-লাখ মানুহ বাঁটলৈ ওলাই আহিছিল সেইদিনাই প্ৰথম শাৰীৰিকভাৱে আন্দোলনত যোগ দি জজ খেলপথাৰত হাজাৰ-হাজাৰ জনতাৰ আগত ভাষণ দি তেওঁবিলাকক শান্ত কৰিছিলো। লাহে-লাহে অৱৰোধ, অসহযোগ কাৰ্যসূচী বৃদ্ধি পাবলৈ ধৰিলে। বিদেশী কোন ইয়াকে লৈ ৰাইজৰ মাজত খেলি-মেলি হ'বলৈ ধৰিলে। অন্য প্ৰদেশৰ পৰা অহা ভাৰতীয় লোকক কোনো-কোনোৱে ভুলবশতঃ বিদেশী বুলি ভাবি নিৰ্যাতন কৰিবলৈ ধৰিলে। বিদেশী বহিষ্কাৰ আন্দোলনে বহুতো ঠাইত সাম্প্ৰদায়িক উগ্ৰৰূপো ধাৰণ কৰিলে। প্ৰায় প্ৰতিদিনেই গোট খোৱা জনসমুদ্ৰৰ আগত বিদেশী কোন, ভাৰতীয় কোন তাৰ শুদ্ধ সংজ্ঞা দিবলগীয়া হ'ল আৰু জনতাৰ উত্তেজনাই যাতে সাম্প্ৰদায়িক উত্তেজনালৈ বাগৰ সলাব নোৱাৰে তাৰ কাৰণে আমি আপ্ৰাণ চেষ্টা চলাবলৈ ধৰিলো। বাহিৰৰপৰা অহা সাংবাদিকসকলে ছাত্ৰনেতাসকলৰ উপৰিও আমাকো লগ ধৰি-ধৰি নানান প্ৰশ্ন কৰিবলৈ ধৰিলে। বৰ সাৱধানেৰে ক্ষুৰধাৰ এই সময়খিনি পাৰ হ'বলগীয়া হৈছিল। জিৰণিবিহীন, নিদ্ৰাবিহীন, অক্লান্ত এই সময়ছোৱাতে 'দেৱী'ৰ দৰে কঠিন গ্ৰন্থও মই লিখিবলৈ লৈছিলো। মোৰ সকলোতকৈ আপোনজন পূজনীয়া মায়ে ১৯৮০ চনতে ইহলীলা ত্যাগ কৰিছিল।

মাৰ মৃত্যুৰ সময়ত মোৰ কাষত থকা সৌভাগ্যতো হোৱাই নাছিল, মই অসমতে নাছিলো। বোম্বে, মাদ্ৰাজ, মহীশূৰ, উৰিষ্যা, কলকাতা আদি ঠাইৰ বিশিষ্ট লোকসকলক আৰু ডাঙৰ-ডাঙৰ কাকতৰ সম্পাদকসকলক লগ ধৰি অসম আন্দোলনৰ প্ৰকৃত স্বৰূপ বুজাই দিছিলো আৰু ভাৰতীয় মানুহে যাতে এই বিদেশী আঁতৰোৱা আন্দোলনক ভাৰতীয় খেদা আন্দোলন বুলি ভুল নকৰে সেই বিষয়ে সবিশেষ বুজাই কৈছিলো।

মহীশূৰৰ বৃন্দাবন গাৰ্ডেনতো মই থূপ খোৱা বিভিন্ন জনতাৰ আগত বক্তৃতা দিছিলো। সত্য কথা প্ৰচাৰ কৰাটো পবিত্ৰ দায়িত্ব বুলি স্বেচ্ছাই গ্ৰহণ কৰিছিলো। এই প্ৰচাৰবিলাকৰ ফল ভালেই হৈছিল। বিভিন্ন ঠাইৰ উৎসুক লোকসকলে এনেবোৰ প্ৰচাৰৰদ্বাৰা কথাবোৰ জানি অসমৰ আন্দোলনলৈ পূৰ্ণ নৈতিক সমৰ্থন আগবঢ়াইছিল। এই প্ৰচাৰকাৰ্যৰ কাৰণে কোনোৱে আমাক টকা দিয়া নাছিল। জনমভূমিখনৰ অস্তিত্ব ৰক্ষাৰ হকে বিনা দ্বিধাই আমি দেহে-কেহে কাম কৰিছিলো। মাজে-মাজে শুনিছিলো ব্লেকলিষ্টত আমাৰ নাম ওলাইছে। চৰকাৰে আন্দোলন নিষিদ্ধ কৰিব আৰু আমাক এৰেষ্ট কৰিব। মোৰ অৱশ্যে একোলৈকে ভয় নাছিল। আনকি সৎ উদ্দেশ্য এটাৰ কাৰণে মৰিবলৈও।

ৰাইজৰ অতিশয় প্ৰিয়ভাজন হৈ আন্দোলনৰ গঠনমূলক কামবোৰো কৰিব লগা হৈছিল। দেশপ্ৰেমমূলক গীত আৰু কবিতা পুথি 'সোণবৰণী আই' লিখি নিজৰ প্ৰেছত নিজৰ খৰচতে ছপা কৰি বাটে-বাটে বেছি যি ধন সংগ্ৰহ কৰিছিলো, সেই ধন প্ৰফুল্ল-ভৃগুৰ হাতত দিছিলো। বাহিৰৰ সাংবাদিকবিলাকে যাতে কোনো কাগজত বিভ্ৰান্তিমূলক কথা লিখিব নোৱাৰে, তাৰ কাৰণে বাহিৰৰ পৰা অহা সাংবাদিকসকলক বুজাই-বঢ়াই, লগে-লগে থাকি যি মানুহে উচিত কথা ক'ব পাৰে তেনে মানুহৰ ওচৰলৈহে নিছিলো। নিজৰ পুত্ৰসম ছাত্ৰনেতাসকলৰ ক'ৰবাত আলাই-আথানি হয় বুলি অসমৰ নাৰী সমাজে নিজৰ ঘৰ-দুৱাৰৰ কাম-কাজ এৰি পিকেটিং, অৱৰোধ কাৰ্যসূচীবোৰত অতি নিষ্ঠাৰে যোগ দিছিল আৰু হৰিকীৰ্তন কৰি আটাইৰে মনোবল অটুট ৰাখিছিল। ক্ৰমান্বয়ে আন্দোলনৰ তেজ বৃদ্ধি পাইছিল। সেইখিনি সময়তে দুলীয়াজান আৰু উত্তৰ কামৰূপত চৰকাৰ আৰু আন্দোলনকাৰীৰ মাজত নৃশংস সংঘৰ্ষ সংঘটিত হৈছিল। সেই সময়ত এটা কবিতা মই বিশেষভাৱে লিখিছিলো। সেই কবিতাটো হ'ল—

'মোৰ উক্তি'

আজি মোৰ ৰক্তত দুলীয়াজান
উত্তৰ কামৰূপ
মোৰ ৰক্তত তক বক বক
হাউলি, লক্ষীমপুৰ
মই বিচাৰিছোঁ হাজাৰ চকুত
দীপ্ত সূৰ্যশিখা
এই ভয়াৱহ যুগসন্ধিৰ
নাশিবলৈ বিভীষিকা

মাৰৈ পূজাৰ দেওধনী মই

খেৰাই পূজাৰ দেওধনী মই
বানৰ বুকুৰ পকনীয়া মই
মেলা চুলি মেলি, হাত মেলি মেলি
তেজ পি পি নাচোঁ
মূৰ খুন্দিয়াই; হিয়া ভুকুৱাই
অফলিয়াই, সফলিয়াই
ধুমুহাৰ দৰে কঁপোঁ।।

আজি ৰমৰম মনত জুই
আজি দপদপ দেহত জুই
ভমক ভমক চকুত জুই
শ্মশানৰ জুই জ্বলো
ভূত ভৱিষ্যৎ একাকাৰ কৰোঁ
জাতিৰ বিভেদ ছিৰাছিৰি কৰোঁ
দুষ্কৃতি গচকি খচকি
কালজিভা মেলি
সামৰোঁ চেলেকি

হুংকাৰ ধ্বনিৰে নিনাদি
উন্মাদ হৈ নাচোঁ

মই কামাখ্যা
মই সুৰক্ষা .
শুভ্ৰ উজ্জ্বল সময়ৰ বাবে
অদূৰৰ এক প্ৰতীক্ষা
ব্যাখ্যাৰ ঊৰ্দ্ধৰ ব্যাখ্যা
গতিহীনতাক গতি দিওঁ মই
থূপাওঁ সৰ্বশক্তি
দানৱক আজি সংহাৰ কৰি
লগাওঁ তাৰেই বস্তি
অসুৰৰ আজি
তেজ পি খাওঁ
চামুণ্ডা ৰূপেৰে

ভীৰুতাক খাওঁ
কেঁচাইখাঁতী
কেঁচাই চোবাওঁ
অৱসাদ, ভয়, ভ্ৰান্তি।
মই কালৰাত্ৰি
কাল ৰাতি হৈ নাচোঁ
আন্ধাৰ গচকি নাচোঁ
ক্ষুব্ধা, প্ৰচণ্ডা, বিভীষিকা হৈ নাচোঁ
ময়েই নিনাদ, ময়ে ক্ষুৰ দাঁত
বিষাদ ৰূপিণী অসহায়তাক নাশোঁ

মই অলংঘ্য বীৰ্যা
নিৰাকায়া, হ্ৰস্বকায়া
অসীম অনন্ত কায়া
নিত্যা, অবিদ্যা, বিদ্যা
ময়ে আদ্যা, অন্তা
ক্ষমাৰূপিণী
শান্তিৰূপিণী
ময়েই কৰুণা, শান্তা
দুঃসময় বিনাশৰ বাবে
ময়েই তীক্ষ্ণ দন্তা।।

মই কাল বিনাশী
তাণ্ডৱী
'মই কালবৈশাখী
ভৈৰৱী
জীৰ্ণ বিনাশী
সংস্কৃতি থাপি
মই আছোঁ
মই আছোঁ
অখণ্ডিতা
কামৰূপা হৈ

শুভ্ৰ এক
চেতনা হৈ
আছোঁ
মই আছোঁ
মই আছোঁ।

পশ্চিমবংগত সাংস্কৃতিক অনুষ্ঠানত কলকাতাত এই কবিতাটো আবৃত্তি কৰি মই আচৰিত প্ৰশংসা পাইছিলো। ডিফু সাহিত্য সভাৰ কবি সন্মিলনত, তাৰ পাছত বিহপুৰীয়া সাহিত্য সভাৰ কবি সন্মিলনত দৰ্শক-শ্ৰোতাৰ একান্ত অনুৰোধত এই কবিতাটো আবৃত্তি কৰি হাজাৰ-হাজাৰ মানুহৰ মই যি অভূতপূৰ্ব হাতচাপৰি পাইছিলো, সেই কথা এই জনমত পাহৰিব নোৱাৰিম। কবিতাটো আবৃত্তি কৰি থাকোঁতে মই নিজেই কবিতাটোৰ মাজলৈ সোমাই যাওঁ আৰু আচৰিত এক অভিভূত অৱস্থাত কবিতাটো মই আবৃত্তি কৰোঁ। আবৃত্তি কৰোঁতে এই তন্ময়তাই বোধকৰোঁ লাগে। গুৱাহাটীৰ বহুত ঠাইত আজিকালি কবিতা আবৃত্তি প্ৰতিযোগিতাত এই কবিতাটো প্ৰতিযোগিতাৰ বিষয়ৰূপে নিৰ্বাচিত হোৱা দেখিছোঁ। দেশপ্ৰেমমূলক কবিতাত যিহেতু দুষ্কৃতিবিনাশী সংস্কৃতি থাপিবৰ কথা আছে, সেয়েহে কবিতাটো সকলো কালৰে কবিতা হ'ব পাৰে।

ইয়াৰ পাছত বিভিন্ন দিশত আন্দোলন আগুৱাই থাকিল আৰু বিভিন্ন পৰ্যায়ৰ সংঘৰ্যও বাঢ়িবলৈ ধৰিলে। "তেজ দিম, তেল নিদিওঁ" এই কাৰ্যসূচীও ছাত্ৰ-নেতাসকলে আৰম্ভ কৰিলে। আকৌ অসমৰ পুৰুষ-নাৰীয়ে ৰাতিক দিন কৰি অহৰ্নিশে শোধনাগাৰ আদি তেলৰ কেন্দ্ৰবোৰত অৱৰোধ কাৰ্যসূচী আৰম্ভ কৰিলে।

এই সুদীৰ্ঘ আন্দোলনৰ বিস্তৃত কাৰ্যসূচীৰ বৰ্ণনা দিয়া মোৰ উদ্দেশ্যও নহয় আৰু মোৰ শক্তিও নাই। মই মাত্ৰ কিছু নিদৰ্শনহে দাঙি ধৰিছোঁ।

এদিন ব্ৰহ্মপুৱাতে গম পালো আমাৰ ছাত্ৰনেতাসকলক, বিশেষকৈ প্ৰফুল্ল আৰু ভৃগুক চৰকাৰে এৰেষ্ট কৰি জেললৈ পঠিয়াইছে আৰু লগে-লগে গুৱাহাটীত কাৰ্ফিউ দিয়া হৈছিল। মই লৰালৰিকৈ গা ধুই গোসাঁই সেৱা কৰি চুলিখিনি পোনাই লৈ বাটে-বাটে কাপোৰযোৰ পিন্ধি আহি ৰাস্তাত উঠিলো। উদ্দেশ্য এই কাৰ্ফিউ ভংগ কৰা। মই বাটলৈ ওলাই আহিলো আৰু ওচৰৰে দুই-চাৰিক ক'লো— এই কাৰ্ফিউ ভাঙিবই লাগিব। কথাষাৰ মই কোৱালৈকে যেন বহুতেই অপেক্ষা কৰি আছিল। ক'ৰপৰা কেনি মানুহ আহি মোৰ পিছে-পিছে সমদল আৰম্ভ কৰিলে মই নাজানো। সমদলৰ শীৰ্ষত মই। বিজুলীৰ দৰে এই বাতৰি চৌদিশে বিয়পি গ'ল। প্ৰথমে শ-শ, পাছত হাজাৰ-হাজাৰ, পাছত সমদলৰ জনতা লাখ-লাখলৈ ৰূপান্তৰিত হ'ল। যিয়ে শুনিলে সিয়ে

বাটলৈ ওলাই আহিল আৰু সমদলত যোগ দিলে।

সমদল গৈ বামুণীবৈদাম পাওঁতে চৰকাৰী পক্ষৰ উপায়ুক্ত, অতিৰিক্ত উপায়ুক্ত, পুলিচ আদিয়ে আমাৰ বাট ভেটি ধৰিলে। সমদলৰ আগত যোৱা মোক পুলিচে লাঠীৰে কোবাই বাটত বগৰাই দিলে। মই চেতনা হেৰুউৱা নাছিলো। উঠি লৈ জনতাৰ সাহ অটুট ৰাখিবলৈ মই চিএঞৰি-চিএঞৰি ক'লো— কোনোৱে সমদল এৰি নাযাব, কোনোৱে পৃষ্ঠভংগ নিদিব। আমি আকৌ কিছুদূৰ আগুৱাই গৈ পুনৰ অৱৰোধ দেখি ৰামধুন গাই-গাই বহি পৰিলো। সেই সময়ত উপায়ুক্ত আছিল শ্ৰীযুত কমলেশ্বৰ বৰা। মই তেখেতকো "আপুনিও জানো অসমীয়া নহয়" বুলি কৈ তেখেতক আমাৰ লগত যোগ দিবলৈ অনুৰোধ কৰিলো। এনেতে কন্দুৱা গেছ দিয়া হ'ল আৰু লাঠী চাৰ্জ পুনৰ আৰম্ভ হ'ল। মোক এইবাৰ লাঠীৰে কোবাই-কোবাই ৰাস্তাৰ এদাঁতিত পেলোৱা হ'ল। আন্দোলনৰ গাড়ীয়ে লৰা-ঢপৰাকৈ তুলি আনি first aid দিলে যদিও মোৰ প্ৰায় চেতনা নথকা অৱস্থা হোৱা কাৰণে লৰালৰিকৈ এম্বুলেঞ্চত তুলি পাণবজাৰত থকা গুৱাহাটী মেডিকেল কলেজলৈ নিবলৈ ওলাল। লগে-লগে সেই অনন্ত শোভাযাত্ৰাৰো দিশ সলনি হ'ল। আটায়ে হস্পিটেললৈ বুলি মোৰ পিছে-পিছে খোজ দিলে। হস্পিটেলত মোক ভৰ্তি কৰাৰ পাছত ৰাতি নাই, দিন নাই, তিনি দিনমানলৈ মোক চাবলৈ অহা মানুহৰ আশ্চৰ্য সোঁত ববলৈ ধৰিলে। ইপিনে মোক হস্পিটেলত ভৰ্তি কৰাৰ সময়তে গম পালো কাৰ্ফিউ উঠাই ল'লে। দুৰ্মদ জনতাৰ এই অতুলনীয় শক্তিৰ সেইদিনা পৰিচালিকা ময়ে হোৱা কাৰণে মোৰ নমস্য শিক্ষকসকলেও আনকি গৈ ৰাতি দুই বজাত মোৰ খবৰ লৈছিল। মোৰ অতি শ্ৰদ্ধেয়া চিৰবিপ্লৱী মানসিক দৃঢ় শক্তিসম্পন্না অমলপ্ৰভা দাস বাইদেৱেও কিউ কৰি-কৰি গৈ মোক হস্পিটেলত চাইছিল আৰু আশীৰ্বাদ কৰিছিল। জনতাৰ মোৰ প্ৰতি থকা অগাধ বিশ্বাসৰ মই কোনোদিনে সুযোগ লোৱা নাই। এই বিশ্বাসক মূলধন কৰি মন্ত্ৰিত্বৰ পদৰ কাৰণেও মই অভিলাষী নহয়। মোৰ দুৰ্বল দেহাৰে শীৰ্ণ হাতেৰে যিকণ পাৰোঁ মই তাকেহে কৰিছিলো। জন্মভূমিৰ প্ৰতি, মানৱতাৰ প্ৰতি, সকলো সৎ মানুহৰে কৰ্তব্য আছে। অন্যায়, ভণ্ডামি মই সহ্য কৰিব নোৱাৰোঁ।

আন্দোলনৰ সময়ত মোৰ কেইটামান গীত বৰ জনপ্ৰিয় হৈছিল 'আকৌ নতুন প্ৰভাত হ'ব' এই গীতটো মই ৰাণাৰ কাৰণে আন্দোলনৰ কেইবাবছৰ আগতেই লিখা গান। তেতিয়া মই চানমাৰিৰ ঘৰত। নিচুকনি গীতৰ এই সুৰটো ৰাণাক মই শুনাইছিলো আৰু আশাদীপ্ত এই গীতটোত এনে সুৰ দিবলৈ কৈছিলো—

আকৌ নতুন প্ৰভাত হ'ব
কালৰাত্ৰি এই নাথাকিব

নিউ নিউ কৰা
 ফেঁচাৰ চিঞৰ
 শিয়ালৰ ৰাও অন্ত হ'ব।।
আকৌ নতুন প্ৰভাত হ'ব
 অমানিশা এই আঁতৰিব
আন্ধাৰ ৰাতিৰ বিভীষিকাবোৰে
 সাহ জুই দেখি পলাই যাব
আকৌ নতুন প্ৰভাত হ'ব
 কালৰাত্ৰি এই নাথাকিব
অন্ধকাৰৰ ডাইনী ভূতৰ
 বক্ষ পোহৰে বিদাৰিব
আকৌ নতুন প্ৰভাত হ'ব
 দীপ্ত সূৰ্য জিলিকিব
তাৰ ৰশ্মিয়ে নিথৰ যুগক
 নতুন গতি আনি দিব।।

আনটো হৈছে নিজে সুৰ দি ভূপেনদাই গোৱা 'মই এই মাটিৰে ল'ৰা' গীতটো। প্ৰাক্তন এম. পি. পুষ্পলতা দাস বাইদেৱে এই গীতটোৰ ভূয়সী প্ৰশংসা কৰি সদায় কয় যে এনে গীতেহে নতুন প্ৰজন্মক মাটিমুখী, স্বাৱলম্বী কৰিব পাৰে। "মোৰে আই পথাৰত যদি আহি পৰে অচিনা বটা চৰাই, সাহেৰে দিমে হুৰাই, আই সাহেৰে দিমে হুৰাই, জোঁৰ পুৰি পুৰি পালেহি যে হাত ইবেলি কৰিছেঁ পণ" এই শাৰীটোৱে স্বাৱলম্বী হ'বলৈ সেই সময়ত আৱেগিক হৈ পৰা ল'ৰাহঁতক বৰ অনুপ্ৰাণিত কৰিছিল। তৃতীয়টো বৰ শক্তিশালী গীত—

"ধুমুহাত মই থৈ যাওঁ মোৰ গতি... ...
... ... মই মৃত্যু নকৰোঁ ভয়, পাছলৈ নেচাওঁ মই
নতুন দিনৰ সৃষ্টি বিচাৰি কৰোঁ নৱ প্ৰস্তুতি।"

ল'ৰাহঁতে নতুন দিনৰ সৃষ্টি কৰিবলৈকে বিচাৰিছিল। পাছে অভিজ্ঞতা নৌ হওঁতেই অশেষ ক্ষমতা হাতলৈ অহাত গোটেইখন ল'ৰাধেমালি হ'ল।

তাৰ পাছত আৰু বহুতো ইতিহাস। এই নতুন অভিজ্ঞতাবোৰে মোক কিছুমান নতুন উপলব্ধি দিলে। ১৯৮১ চনমানৰ ভিতৰত মই নতুন অজস্ৰ কবিতা লিখিলো। 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ মোৰ নতুন কবিতা সংকলনখনত এই কবিতাবোৰ থুপাই থোৱা হ'ল। উল্লেখযোগ্য যে কবিতাৰ এই সংকলনখনেই ১৯৮৩ চনত অতি সন্মানীয়

সৰ্বভাৰতীয় সাহিত্য একাডেমি বঁটা লাভ কৰিলে। ইতিমধ্যে মোৰ কেইবাখনো কবিতা সংকলন প্ৰকাশ পাইছিল। তাৰ ভিতৰত 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ' ইত্যাদিৰ নাম ল'ব পাৰি। 'দিনৰ পাছত দিন' নামৰ সংকলনখনেই অসম সাহিত্য সভাৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিছিল। 'দিনৰ পাছত দিন' নামৰ গ্ৰন্থখনৰ পাতনি লিখিছিল প্ৰথিতযশা সমালোচক শ্ৰীভবেন বৰুৱাই। মোৰ অন্তৰংগ সুৰ তেখেতে প্ৰকৃত অৰ্থতে বুজিব পাৰিছিল। ইয়াৰ পাছতো মোৰ কেইবাখনো কবিতা সংকলন ওলাইছে। তাৰ ভিতৰত— 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে', 'অমিতাভ শব্দ' ইত্যাদিৰ নাম ল'ব পাৰি। জীৱন আৰু জগতক লৈয়ে এইবিলাক কবিতা। পৰিদৃশ্যমান জগতৰ বাহিৰেও অন্তৰজগতৰ সূক্ষ্ম সুৰ ধৰিবলৈ মই বাৰে-বাৰে চেষ্টা কৰোঁ। সুৰ কিহেৰে ধৰি ৰাখিম; কোনো ভাষাই তাৰ কাৰণে পৰ্যাপ্ত নহয়। জীৱনটোওতো একান্ত অকলশৰীয়া নহয়। আগে-পিছে, সোঁৱে-বাঁৱে, কাষত-দূৰত কিমান যে যন্ত্ৰণা! কিমান যে বেদনা! পোৱাৰো বেদনা, হেৰুৱাৰো বেদনা। অথচ জীৱনতকৈ ডাঙৰ কবিতা আৰু কি আছে? জীৱন এক অনন্ত কবিতা— বুজাৰ-নুবুজাৰ, জোনাকৰ-ধুমুহাৰ, নোপোৱাৰ-পোৱাৰ, পাই হেৰুউৱাৰ, কোমলতাৰ, কঠিনতাৰ, পোহৰৰ, অন্ধকাৰৰ, নিসংগতাৰ, অসহায়তাৰ, সত্য উচ্চাৰণৰ, প্ৰতিজ্ঞাৰ, সৌন্দৰ্যৰ, স্বপ্নৰ, শোষণৰ, দগ্ধতাৰ, কাতৰতাৰ, আৰ্তনাদৰ, অশ্ৰুৰ, ...। 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ গ্ৰন্থখনত সুদীৰ্ঘদিনৰ ভাগছোৱাত আছে উপৰ্যুক্ত উপলব্ধিবোৰ আৰু ঋতুৰ নামৰ ভাগটোত আছিল প্ৰতিটো ঋতুৰ একোটা ইম্প্ৰেশ্যন।

এই কিতাপখন সাহিত্য একাডেমিয়ে বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ আঁচনি লৈছে। বাংলা 'সুদীৰ্ঘ দিন আৰু ঋতু' ১৯৯৩ চনত প্ৰকাশ হৈছে। পাঞ্জাবী, হিন্দী, উৰিয়া আদি ভাষাতো এই গ্ৰন্থৰ অনুবাদ সম্পূৰ্ণ হৈছে।

মোৰ বিভিন্ন কবিতা পুথিবোৰ নানান ভাষালৈও অনূদিত হৈছে। কোনে অনুবাদ কৰে নাজানো। আনকি কবিতাৰ কপি এটা আহিলেও কোন ভাষাৰ কিতাপ ধৰিব নোৱাৰি।

কিছুমান আশা জীৱনত কিমান যে আচম্বিতে পূৰণ হয়। মোৰ সম্বন্ধীয়া মামা, কবি হেম বৰুৱা (প্ৰাক্তন সাংসদ) যেতিয়া আমাৰ শিৱসাগৰৰ ঘৰত প্ৰায়ে থাকেহি মাকে প্ৰমুখ্য কৰি আমাৰ আগত তেখেতে নিজে ভ্ৰমণ কৰা দেশ-বিদেশৰ কাহিনী কয়। অপূৰ্ব তন্ময়তাৰে মই ৰ লাগি শুনো আৰু সেই দিনবোৰত প্ৰায়ে ভাবোঁ,— মই যদি কেনেবাকৈ বাহিৰলৈ যাব পাৰিলোহেঁতেন! ঠাই ভ্ৰমণ কৰি মই যে কিমান ভাল পাওঁ। এই ভ্ৰমণবোৰ চাগৈ কিমান ৰোমাঞ্চকৰ! কথাবোৰ ভাবোঁতে মোৰ তেতিয়া

হুমুনিয়াহ ওলাইছিল। মই ভাবিছিলো মোৰনো ক'ত যোৱা হ'ব। পঢ়িলো অসমীয়া বিষয়ত এম. এ.। অন্য এটা বিষয় হোৱা হ'লেও কথা নাছিল। অসমীয়াত এম. এ.লৈকে পঢ়া মানুহক কোনেনো বাহিৰলৈ নিমন্ত্ৰণ কৰিব? বাহিৰলৈ যাবলৈ হ'লে হয় ৰাজনীতিত যোগ দি মন্ত্ৰী বা এম. পি. হ'ব লাগিব নতুবা খুব ডাঙৰ বিজ্ঞানী হ'ব লাগিব। তেতিয়াহে চাগৈ ক'ৰবাত কিবা সুৰুঙা ওলাব পাৰে। বিদেশলৈ যোৱাৰ আগলৈকে মই এনেকৈয়ে ভাবি নিজৰ মনক সান্ত্বনা দিছিলো। ইমান কিতাপ পঢ়িছিলো যে দেশ-বিদেশৰ অট্টালিকা, সাগৰ, উদ্যান এইবোৰ যেন মোৰ কল্পনাতে মই দেখা পাইছিলো আৰু সেইবোৰ ঠাই চাবলৈ মোৰ আগ্ৰহৰ শেষ নাছিল। বাংলাদেশ চাবলৈ যাবলৈ এতিয়াও মোৰ বৰ মন। কাৰণ পূৰ্ববংগৰ লেখকে লিখা গল্প, উপন্যাস স্কুল-কলেজৰ দিনবোৰত ইমানেই পঢ়িছিলো যে পদ্মা নৈকে আদি কৰি বিভিন্ন নৈৰ কাষৰীয়া জনপদ, মধ্যবিত্ত মানুহৰ ঘৰবোৰ, ঘৰৰ ভিতৰবোৰ, তেওঁবিলাকে খোৱা আহাৰ পৰ্যন্ত মই যেন কল্পনাৰ দাপোণত দেখা পাইছিলো।

কিন্তু হঠাতে আহিল আচম্বিত প্ৰহৰ। মই ১৯৭৯ চনত আৰম্ভ হোৱা মোৰ বিদেশ ভ্ৰমণৰ কথাবোৰ থূলমূলকৈ ক'ব খুজিছোঁ। কিন্তু ইয়াৰ আগতে ১৯৭৮ চনৰ আন এখন আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰৰ কথা কৈ ল'ব লাগিব। উৰিষ্যাৰ কটকত বহা 'ইণ্টাৰনেশ্যনেল ছেমিনাৰ অন ফ'ক কালচাৰ'খনত অংশগ্ৰহণ কৰিবলৈ মোলৈ নিমন্ত্ৰণ আহিল। বহুত বিষয়ৰ মাজৰ এটা বিষয় আছিল 'ৰিলিজিয়াছ ফ'ক ডাঞ্চ'। মই এই বিষয়টোকে বাছি ল'লো আৰু অসমৰ ৰিলিজিয়াছ ফ'ক ডাঞ্চৰ বিষয়ে এখন ডাঙৰ পেপাৰ লিখিলো। তাত দেওধনী, দেৱদাসী, ওজাপালিৰপৰা আৰম্ভ কৰি সত্ৰীয়া নৃত্যসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰিছিলো। এই পেপাৰখন উদ্যোক্তাসকলে বিচৰা মতে পঠিয়াই দিছিলো। তেওঁবিলাকে পেপাৰখন ইমান ভাল পালে যে মোক নৃত্যৰ এই শাখাটোৰ সভাপতি বৰণেই কৰিলে।

মোৰ মনত পৰে এই ছেমিনাৰৰ কাৰণে উৰিষ্যালৈ বুলি ট্ৰেইনেৰে ওলাইছিলো আৰু যাত্ৰা কৰিছিলো বৃহস্পতিবাৰৰ দিনা সন্ধিয়া। সেইদিনা হেনো সংক্ৰান্তিও আছিল আৰু ৰিক্তা তিথিও আছিল। মোৰ ভণ্টিয়ে এনে এটা অমংগলীয়া দিনত কেতিয়াও যাত্ৰা কৰিব নালাগে বুলি মোক বাৰে-বাৰে বাধা দিছিল। মই সেই বাধা নামানি সন্ধিয়াৰ ট্ৰেইনত অকলে উৰিষ্যা অভিমুখে যাত্ৰা কৰিছিলো। অকলে বুলি ক'লে অৱশ্যে ভুল হ'ব। কাৰণ মোৰ লগত আছিল মোক সকলো সময়তে আবৰি থকা অভয়দাত্ৰী দেৱী ভগৱতী। তেওঁক স্মৰণ কৰিলেই মোৰ সকলো বিপদ অন্তৰ্হিত হয়। এই প্ৰমাণ মই বহুতবাৰ পাইছোঁ। হাওৰা হৈ গৈ উৰিষ্যাত নামিলোগৈ। উৰিষ্যাৰ কটকৰ ছাৰ্কিট হাউছত বাহিৰৰ কিছু লোকৰ কাৰণে থকা ঠাই ঠিক কৰা হৈছিল। মূল সভা হৈছিল

কটকৰ বাৰাবাটি ষ্টেডিয়ামত। তাৰ বিভিন্ন ঘৰবোৰত বিভিন্ন সভাবোৰ বহিছিল। অৱশ্যে মই সভাত উপস্থিত হোৱালৈকে নাজানিছিলো মোক নৃত্য শাখাৰ সভানেত্ৰী পতা হৈছে বুলি। সেই আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰখনত প্ৰকৃততে দেশ-বিদেশৰ অজস্ৰ মূধাফুটা পণ্ডিতে যোগদান কৰিছিল। বিভিন্ন আলোচনাৰ মান (standard) যথেষ্ট উচ্চ স্তৰৰ আছিল। মোক যিটো বিষয়ৰ আলোচনাৰ সভানেত্ৰী পাতিলে সেই বিষয়টোৱেই মোৰ প্ৰিয় বিষয় আছিল আৰু দিনজোৰা ছেমিনাৰখন মই অতি সফলভাৱেই পৰিচালনা কৰিব পাৰিলো।

সেই ছেমিনাৰতে যোগ দিবলৈ গৈছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু 'মাডাৰ গডেছ্'ৰ লেখক পণ্ডিত নৰেন্দ্ৰ নাথ ভট্টাচাৰ্য। তেখেতো সেই ছাৰ্কিট হাউছতে আছে বুলি জানি পাছদিনা ৰাতিপুৱা তেখেতৰ লগত চিনাকি হ'লো। তেখেতে মোৰ লগত অলপ সময় কথা পাতি শাক্ত তন্ত্ৰৰ বিষয়েই আৰু অলপ বিস্তৃত আলোচনা কৰিবলৈ ওচৰতে থকা মহানদীৰ পাৰত গৈ বহাৰ প্ৰস্তাৱ কৰিলে। তেখেতৰ ৰুমত আৰু দুজন অন্য বিষয়ৰ পণ্ডিত থকাত গভীৰ আলোচনাৰ কাৰণে অসুবিধা হৈছিল। আমি গৈ মহানদীৰ পাৰত বহিলো আৰু মই লিখিবলৈ লোৱা 'দেৱী' গ্ৰন্থৰ বিষয়ে কোৱাত সেই বিষয়ে তেখেতে অজস্ৰ প্ৰশ্ন কৰিলে। সঁচা কথা ক'বলৈ গ'লে এই 'দেৱী' গ্ৰন্থখন কামাখ্যাক কেন্দ্ৰ কৰি মই উপন্যাস ৰূপতহে প্ৰথমে লিখিব খুজিছিলো। এই পণ্ডিতগৰাকীয়ে তাকে শুনি মোক ক'লে,— 'উপন্যাস লেখাৰ কথা সদ্যহতে ছেৰে দাউ। তুমি অনেক জেনেছ। তুমি শক্তিতত্ত্ব নিয়ে একটা বই কৰ।" তেখেতৰ এই উৎসাহবাণী পাই মই পুলকিত হ'লো আৰু পৰম উৎসাহেৰে বৰ্তমানৰ 'দেৱী' গ্ৰন্থ প্ৰস্তুত কৰাত প্ৰবৃত্ত হ'লো। একো-একোজন মানুহ ঈশ্বৰপ্ৰেৰিত হৈয়েই আহে চাগৈ। শক্তিতত্ত্ব আৰু শাক্ততত্ত্ব জনা ইমান কঠিন যে তাত প্ৰৱেশ কৰিবলৈকে মোৰ সাহে নুকুলাইছিল। গুহ্য সাধনাৰ বস্তুবোৰ ইমান গোপনীয় যে সেইবোৰ জনা দীক্ষাবিহীন আমাৰ কাৰণে নিষিদ্ধ জগতৰ দৰে। যি নহওক ভগৱতীৰ পৰম কৰুণাতে আৰু জ্যেষ্ঠজনৰ আশীৰ্বাদত, অজস্ৰজনৰ সহযোগত এই যাত্ৰাৰ নাও ঘাটত লাগিল। কিতাপখন প্ৰস্তুত হোৱাৰ পাছত কলিকতাত এবাৰ ড° ভট্টাচাৰ্যক লগ পাই দেখুৱালো। তেখেতে অতিশয় আনন্দিত হৈ এসপ্তাহমানতে কিতাপখন পঢ়ি তেখেতৰ মূল্যবান ভূমিকা তাত সন্নিৱিষ্ট কৰিলে। এই কাৰণেই মই তেখেতৰ ওচৰত চিৰঋণী।

জীৱনত কিমান সময় আমি এনেয়ে কটাওঁ। কি কৰিব লাগে আমি তাকেই নাজানো। প্ৰকৃততে জীৱনটো কিছুমান মুহূৰ্ততহে জীয়াই থাকে। ভাল পথৰ নিৰ্দেশক পোৱাটো বৰ ডাঙৰ কথা। কটকৰ এই ছেমিনাৰতে আন এজন বিশিষ্ট বন্ধু মই লগ পাইছিলো। তেওঁ আছিল অষ্ট্ৰেলিয়াৰ নৃতত্ত্ববিদ। তেওঁ অষ্ট্ৰেলিয়াৰ নেশ্যনেল ইউনিভাৰ্ছিটিত বুৰঞ্জী

বিভাগৰ অধ্যাপক আছিল। বয়সত মোৰ ডাঙৰ ভাই সোণৰ সমান। অতি শান্ত, বিনয়ী আৰু সহায়ৰ হাত আগবঢ়াই থকা বিধৰ। তেওঁৰ পৰিবাৰো নৃতত্ত্বৰ ডক্টৰেট। তেওঁলোকৰ সন্তান ছোৱালী তিনিজনী। পাছত আৰু এজনীৰ জন্ম হৈছে। এই বন্ধুজনৰ ভাৰতীয় সংস্কৃতিৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা। সেই সময়ত তেওঁ অসমৰ 'থাই' মানুহখিনিৰ বিষয়ে field work কৰি-কৰি গৱেষণা কৰিবলৈ লৈছিল। তেওঁ আছিল ড° বি. জে. টেৰউইল। প্ৰকৃততে তেওঁ হলেণ্ডৰ মানুহ। অষ্ট্ৰেলিয়াত গৈ তেওঁৰ বিয়া হৈছিল আৰু তাৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। তেওঁৰ ছিৰিয়াছনেছ আৰু সততাই মোক মুগ্ধ কৰিছিল। জাৰকালিৰ এক উজ্জ্বল বতৰত আমি আটাইবোৰ একেলগে পুৰীৰ সমুদ্ৰ তীৰলৈ গৈছিলো আৰু জগন্নাথ মন্দিৰকে আদি কৰি তীৰ্থবোৰ ভ্ৰমণ কৰিছিলো। মই অৱশ্যে আগতেও কেইবাবাৰো পুৰীলৈ গৈছিলো আৰু জগন্নাথ মন্দিৰ দৰ্শন কৰিছিলো। আমি সেইবাৰ আচম্বিতে এটা আঘাতৰ সন্মুখীন হ'লো। প্ৰফেছাৰ বাঘ বুলি বোম্বেৰ এজন অধ্যাপক আৰু মই ড° টেৰউইলক লগত লৈ জগন্নাথ মন্দিৰ দৰ্শন কৰিবলৈ বুলি গৈছিলো। কিন্তু বাটতে পাণ্ডাই বাটভেটি ধৰিলে। চাহাব ভিতৰ সোমাব নোৱাৰে। কাৰণ তেওঁ খৃষ্টান। আমি ইমান বুজালো যে এইজন চাহাব বৌদ্ধধৰ্মী, নিৰামিষ আহাৰ খায়। কিন্তু কোনোমতে নুশুনিলে। লাজত মই আৰু বাঘ অধোবদন হ'লো। ড° টেৰউইলক ইমান উৎসাহেৰে লৈ গৈছিলো ভাৰতীয় সংস্কৃতিৰ সৌন্দৰ্য দেখুৱাবলৈ। কিন্তু সকলো বৃথা হ'ল। বন্ধুজনক মন্দিৰৰ ভিতৰলৈ যাবলৈ নিদিলে আমিও নাযাওঁ বুলি ঠিক কৰিলো আৰু ড° টেৰউইলৰ দুখ প্ৰফেছাৰ বাঘ আৰু মই ভগাই ল'লো! আমি লগে-লগেই কোনাৰ্কলৈ যোৱাৰ ঠিক কৰিলো। আৰু টেক্সি এখন লৈ কোনাৰ্কলৈ গ'লোগৈ। কোনাৰ্কৰ মন্দিৰত এতিয়া একো পূজা-সেৱা নহয়। সেই কাৰণে সেই মন্দিৰ তন্ন-তন্নকৈ দেখুউৱাত আমাৰ একো অসুবিধা নহ'ল। পাছদিনা আমি কেইবাজনো বিদেশী বন্ধু লৈ ভুবনেশ্বৰলৈ গ'লো আৰু যিমানখিনি পাৰোঁ ভাৰতীয় সংস্কৃতিৰ বিষয়ে ব্যাখ্যা কৰিলো।

উৰিষ্যাৰ এই অধিবেশনখনে মোৰ চকু বহুতো মুকলি কৰিলে। সৰু কথা একোটাৰ পম খেদি গৈ কিমান ডাঙৰ গৱেষণা কৰিব পাৰি এই অধিবেশনখনতহে মই বুজি পালো। সাদিনজোৰা এই অধিবেশনখনৰ প্ৰতিটো সন্ধিয়া উৰিষ্যাৰ বৰ্ণাঢ্য লোকসংস্কৃতি (নৃত্য, গীত) প্ৰদৰ্শন কৰা হৈছিল। মহানদীৰ পাৰত ডাঙৰ-ডাঙৰ আৰিয়া (মশাল) জ্বলাই প্ৰদৰ্শন কৰা হৈছিল অপূৰ্ব সুন্দৰ কংস বধ যাত্ৰা। এই যাত্ৰাত গোটেই গাঁওখনেই যেন মঞ্চ। মহানদীৰ এপাৰে দৰ্শকক বহিবলৈ দিয়া হৈছিল। ইটো পাৰে মঞ্চস্থ হৈছিল কংস বধ যাত্ৰাৰ বিভিন্ন দৃশ্য। মহানদীৰ পানীত তাৰ প্ৰতিবিম্ব পৰি এক অপূৰ্ব ইলিউছনৰ সৃষ্টি হৈছিল। যাত্ৰাত গোৱা গীতবোৰৰ সুৰ চকু মুদি শুনোতে এনেকুৱা লাগিছিল যেন

খগেন মহন্তৰ নিচিনা শিল্পীয়ে বৰগীত বা নাটৰ গীতহে গাইছে। উৰিষ্যা আৰু অসমৰ এই লোক অথচ শাস্ত্ৰীয় নৃত্য-গীতৰ বহুতখিনি সাদৃশ্য আছে। লোকগীত, নৃত্যবোৰ অৱশ্যে অতি বিচিত্ৰ। এইক্ষেত্ৰত উৰিষ্যা অত্যন্ত ঐশ্বৰ্যময়।

এইবোৰ চাই আহি মই বহুত দিনলৈকে আমাৰ ভাওনা এখন দীঘলীপুখুৰীৰ পাৰত কৰাৰ কথা কল্পনা কৰিছিলো। এপাৰে মানুহ বহিব, ইপাৰে মঞ্চস্থ হ'ব নাট। কিন্তু যাৰ হাতত ক্ষমতা নাই, টকা নাই, তেওঁনো কি কৰিব পাৰে? আজিকালি কাৰো কথা কোনেও নুশুনে।

সেই যাত্ৰাত মই উৰিষ্যাৰপৰা বাহিৰে-বাহিৰে কেৰালা ৰাজ্যৰ ত্ৰিবান্দ্ৰমলৈ যোৱাৰ কথা আছিল। উৰিষ্যাৰ বিশ্ববিদ্যালয়ৰ কেম্পাছ 'বাণী বিহাৰ'ত সেই সময়ত আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোলৰ অধ্যাপক ড° হৰেন শৰ্মা আৰু তেওঁৰ পত্নী মৰমী আছিল। তেওঁবিলাকৰ ঘৰত দুপৰীয়াৰ সাঁজ ড° টেৰউইল আৰু মই খাই জিৰণি লৈছিলো আৰু গধূলিলৈ ড° টেৰউইলে আমাৰপৰা বিদায় লৈছিল। পাছদিনা মৰমীহঁতৰ লগত আমি লিংগৰাজ আদি বিভিন্ন মন্দিৰৰ দৃশ্যাৱলী চাই লিংগৰাজ মন্দিৰৰ প্ৰাংগণতে পৰম তৃপ্তিৰে মন্দিৰৰ ভোগ খাইছিলো। সেই দিনবোৰৰ আনন্দময় উপলব্ধি এতিয়াও বৰ আনন্দেৰে স্মৰণ কৰোঁ। মৰমীহঁতৰ ঘৰৰপৰাই ৰাতি প্ৰায় ডেৰ বজাত ত্ৰিবান্দ্ৰম অভিমুখী ট্ৰেইনত উঠিছিলো। মোক সহায় কৰিছিল ড° হৰেন শৰ্মাৰ লগত গৱেষণাৰ কাম কৰা এজন গৱেষকে। দ্ৰুত গতিৰ মাজ ৰাতিৰ মেইল। কোনেও দুৱাৰ খুলি নিদিয়ে। ষ্টপেজ মাত্ৰ ছয় মিনিট। ট্ৰেইন চলোঁ-চলোঁ অৱস্থাত মই কোনোমতে জাঁপ মাৰি এটা কেবিনত উঠিলো যদিও মালবস্তু নৌতোলোঁতেই ট্ৰেইন এৰি দিলে। পাছত কি কষ্টেৰে সেই ল'ৰাজনে খিৰিকীৰে বস্তুকেইটা সুমুৱাই দিলে ভাবিলে আচৰিত হওঁ। তেতিয়াও সহায় কৰিলে ভগৱতীৰ অদৃশ্য শক্তিয়ে। সেই ল'ৰাজনৰ কথা মই কোনোদিন পাহৰিব নোৱাৰোঁ।

ত্ৰিবান্দ্ৰমলৈ গৈ বৰ আদৰ-সাদৰ পালো। ত্ৰিবান্দ্ৰমত টেগোৰ হলত এই অধিবেশনৰ আয়োজন হৈছিল। উদ্বোধন কৰিবলৈ যোৱাৰ কথা আছিল মোৰাৰজী দেশায়ে। তেখেতৰ প্লে'ন কিবা কাৰণত দেৰি হোৱা কাৰণে সময়মতে আহি নোপোৱাত সেই পুৱাৰ অধিবেশন উদ্বোধন কৰিবলৈ আচম্বিতে মোকেই দিয়া হ'ল। এই সন্মান লাভৰ কথা মোৰ কল্পনাৰো অতীত আছিল। উদ্বোধন হৈ সভাৰ আধামান যাওঁতে মোৰাৰজী দেশাই অহাৰ খবৰ পালো। তেওঁক আদৰিবলৈ আমাৰ ইয়াৰ দৰেই তাতো খোল-তাল বাজিছে। মোৰ এনে লাগিছিল যেন সেয়া অসমৰ গায়ন-বায়নৰহে শব্দ। মঞ্চত বহি থকাৰপৰাই দৌৰি ওলাই গৈ চাবৰ মন গৈছিল। সেয়া আছিল কেৰালাৰেই ছেমি-ক্লাছিকেল সংগীত। ইখন ৰাজ্যৰ লগত সিখন ৰাজ্যৰ কিছুমান সংগীতৰ ইমান মিল

দেখিলে, শুনিলে মন শিহৰিত হয়। এইবোৰৰ কমপেৰেটিভ ষ্টাডি কেতিয়া যে হ'ব? কেৰালাৰ এই সভাখন কেৰালা সাহিত্য একাডেমিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত আয়োজন কৰিছিল। মই পূৰ্বাঞ্চলৰ আধুনিক সাহিত্যৰ বিষয়ে বক্তৃতা দিছিলো। কিন্তু ওপৰঞ্চিভাৱে উদ্বোধকৰ সন্মানটোও পালো।

সভাৰ পাছদিনা আমাক ডিলাক্স টুৰিষ্ট বাছেৰে পিকনিকলৈ নিয়াৰ কথা। আঠ বজাত আটায়ে ৰেডি হ'ব লাগিব। সেইদিনা ৰাতিপুৱা চাৰিমান বজাতে উঠি বাথৰুমত গা ধুবলৈ সোমাওঁতে দূৰৰপৰা অতি সুন্দৰ প্ৰাৰ্থনাৰ সংগীত ভাহি অহা শুনিলো। এনেকুৱা লাগিল সেই সুৰটোৱে মোক যেন টানিছে, মোক যেন কাষলৈ মাতিছে। মই কিবা এটা অজান আকৰ্ষণত উথপথপকৈ সাজু হ'লো। আৰু পিকনিকৰ বাছ আহি পোৱাৰ আগতেই গীত ভাহি অহা সেই মন্দিৰ দৰ্শন কৰি অহাটো ঠিক কৰিলো। লগত যাবলৈ কোনো নাই। বাট চিনাই দিওঁতাও কোনো নাই। কিন্তু মই ইমানেই গান শুনি অভিভূত হৈছোঁ যে মই মন্দিৰটোলৈ নোযোৱাকৈ থাকিব নোৱাৰোঁ। মই ভাবিলো অকলে যাওঁ, নিশ্চয় ওচৰতে মন্দিৰ। ঘূৰি আহি ঠিক সময়তে পিকনিকৰ বাছ পামহি। হাতততোঁ ঘড়ী আছেই। গীতৰ সুৰে মোক আকুল কৰিলে, মই তন্ময় এক অৱস্থাত ওলাই যোৱাৰ দৰে মন্দিৰলৈ বুলি ওলাই গ'লো। এই যেন ওচৰতে আছে মন্দিৰটো। ক'তা মন্দিৰতো নাই। এই যেন সোঁহাতৰপৰা গীতটো ভাহি আহিছে। সোঁপিনে মই বাট বুলিছোঁ। ক'তা তাততো মন্দিৰ নাই। আৰু অলপ দূৰত যেন মন্দিৰটো মই পাবই লাগিব। লাহে-লাহে নগৈ মই দৌৰিবলৈ ধৰিলো। ক'ৰবাত খটখটিৰে নামি তললৈ গৈছোঁ। ক'ৰবাত যেন খটখটিৰে উঠি ওপৰলৈ গৈছোঁ। কোনটো বাটেদি মন্দিৰটোলৈ যাব লাগে তাকো নাজানো। মন্দিৰটো দেৱী মন্দিৰ নে বিষ্ণু মন্দিৰ তাকো নাজানো। বাটবোৰ অকোৱা-পকোৱা। কেতিয়াবা মুকলি পথাৰ পাইছোঁ। কেতিয়াবা পাইছোঁ শাৰী-শাৰী ঘৰ আৰু তাৰ মাজেদিয়েই বাট। মন্দিৰৰ সংগীত ভাহি আহিয়েই আছে। মই লৰি যাওঁতে-যাওঁতে মোৰ ভৰিৰ ছেণ্ডেল ছিগি গ'ল। ছেণ্ডেল ছিগিলে বুলিতো আৰু ৰৈ যাব নোৱাৰি। মই দৌৰি থাকিলো। ভাগ্য ভাল মোক কোনেও চিনি নাপায়। মই আকাৰে-ইংগিতে কাৰোবাক কিবা সুধিছোঁ যদিও মোৰ কথা হয়তো তেওঁলোকে বুজি পোৱা নাই। মোক আকাৰে-ইংগিতে কিবা বুজালেও মই বুজি পোৱা নাই। অৱশেষত গীতটো ওচৰতে শুনা যেন পালো আৰু সোঁহাতে ঘূৰিয়েই নিজান ঠাই এটুকুৰাত এটা সৰু মন্দিৰ দেখা পালো। তাৰপৰাই গীতৰ সুৰ ভাহি আহিছে। মন্দিৰৰ দুৱাৰমুখতে হাত-ভৰি ধোৱা পানী আৰু সুন্দৰকৈ সজাই থোৱা বিভিন্ন ধৰণৰ ফুল আৰু কলপাতত মিহিকৈ পিহি থোৱা চন্দন। ফুল-চন্দন লৈ বিগ্ৰহৰ কাষলৈ গ'লো। সেয়া বিষ্ণু মন্দিৰ। মন্দিৰত সেৱা কৰি মনটো বহুত শান্ত হ'ল। এই সৰু মন্দিৰটোৱে মোক ইমানকৈ

উদভ্ৰান্ত কৰিলে। বিগ্ৰহজনা বিষ্ণুৰ নহৈ কৃষ্ণৰহে হ'ব লাগিছিল। তেওঁৰ মুৰুলীৰ ধ্বনিত যেন মই আত্মহাৰা হ'লো। ঘড়ীলৈ চালো— আঠ বাজিবলৈ পাঁচ মিনিটহে আছে। আঠ বজাত পিকনিকৰ বাছ যোৱাৰ কথা। কিন্তু উভতি যাওঁ কেনেকৈ? কেনেবাকৈ আহি মন্দিৰ ওলালোহি। কিন্তু ওভতাৰ বাটটোতো চিনি নাপাওঁ। ভৰিত ইফালে ছেগুেলো নাই। কি কৰিম ভাবি-গুণি আহি থাকোঁতে দুজন কলেজীয়া ল'ৰা চাইকেলত আহি থকা দেখা পালো। তেওঁলোকক ইংৰাজীৰে সবিশেষ সোধাত তেওঁলোকে চাইকেলৰপৰা নামি মোক বাট দেখুৱাই লৈ গ'ল। বাটটো এইবাৰ বহুত চুটি যেন লাগিল। গৈ দেখিলো টেগোৰ হলৰ আগত বাছে মোৰ কাৰণে অপেক্ষা কৰি আছে। মই লৰালৰিকৈ থকা ঠাইলৈ গৈ কাপোৰ-কানি সলাই অন্য জোতা পিন্ধি বেগত দুই-এটা বস্তু ভৰাই লৈ বাছত উঠিলোহি। ভগৱানৰ সহায় নোহোৱা হ'লে মই কেতিয়াও বাছ নাপালোহেঁতেন। ঘূৰি অহা বাট বা উলিয়াবই পাৰিলোহেঁতেন নে নোৱাৰিলোহেঁতেন। এইবোৰ বৰ আচহুৱা অভিজ্ঞতা।

বহুতবাৰ দাক্ষিণাত্যলৈ গৈছিলো। কোনোবা এবাৰ মই অকলে কোনোবা মিটিঙলৈ গৈছিলো। কন্যাকুমাৰীলৈ যোৱাৰ বাটত সুচিন্দ্ৰম মন্দিৰ পৰে। দক্ষিণ ভাৰতীয় স্থাপত্য-ভাস্কৰ্যৰ ই এক অতুলনীয় নিদৰ্শন। সুচিন্দ্ৰম মন্দিৰ চাবলৈ সোমালো আৰু বিশাল মূল মন্দিৰটোৰ অলিন্দই-অলিন্দই ঘূৰি-ঘূৰি ওপৰলৈ উঠিলো। এনেকৈ ওপৰলৈ উঠি যাওঁতে খোলা খিৰিকী এখনৰ কাষৰ চুক এটাত অতি সুন্দৰ ধ্যানস্থ শিৱৰ মূৰ্তি দেখা পাই মই শিয়ৰি উঠিলো। শিৱজনাৰ শিৰত থকা অৰ্ধচন্দ্ৰ আচল অৰ্ধচন্দ্ৰই। অৰ্থাৎ পঞ্চমী বা ষষ্ঠীৰ আকাশৰ আচল কাঁচিজোনটোৱেই শিৱমূৰ্তিৰ কাঁচিজোন হৈ ইলিউছনৰ সৃষ্টি কৰিলে। মই স্তব্ধ হৈ গ'লো। সমগ্ৰ মন-আত্মা শিয়ৰি উঠিল। মই প্ৰাৰ্থনা কৰিলো; চকুৰ পানীৰে মোৰ গাল তিতি গ'ল। অভিভূত অৱস্থাত মই জীৱন্ত শিৱ যেন দৰ্শন কৰিলো। সেই মূৰ্তি দৰ্শন কৰাৰ পাছত মই ভাবিলো যে পাছৰবাৰ মই যেতিয়া দাক্ষিণাত্যলৈ আহিম এই অপৰূপ জীৱন্ত শিৱক মই ঘৰৰ মানুহখিনিক দৰ্শন কৰাম। পাছৰ এবাৰ তেনেকৈয়ে দাক্ষিণাত্য ভ্ৰমণলৈ আহোঁতে মই জী-জোঁৱাই, নাতি, ভাগিনহঁতক সুচিন্দ্ৰম মন্দিৰ দেখুৱাবলৈ লৈ গ'লো আৰু অতি আনন্দৰে এই শিৱজনা দেখুৱাবলৈ ওপৰলৈ লৈ গ'লো। কিন্তু ক'তা তাততো কোনো শিৱমূৰ্তি নাই। আচৰিত হৈ এজন-এজনকৈ সকলো পুৰোহিতকে প্ৰশ্ন কৰিলো। তেওঁলোকে মোক হতবাক কৰি উত্তৰ দিলে,— "ইয়াত কোনোদিন কেতিয়াও শিৱমূৰ্তি নাছিল।" তেন্তে মই কি দেখিছিলো? এই ৰহস্যৰ উত্তৰ মোক কোনোৱে দিব নোৱাৰে আৰু মই নিজেও বিচাৰি নাপাওঁ।

বোধহয় ১৯৭৮ চনৰপৰাই মোৰ ভ্ৰমণৰ যোগ বিশেষভাৱে পৰিছিল। দিল্লী,

কলিকতা, মাদ্রাজ, বোম্বে আদি ঠাইবোৰলৈ বিভিন্ন ভাৰতীয় সাহিত্য-সংস্কৃতিৰ সভালৈ মই নিমন্ত্রণ পাবলৈ ধৰিলো। অৱশ্যে ১৯৬৮ চনমানৰপৰাই মই সৰ্বভাৰতীয় সভাবোৰত বিশেষ স্থান পাই আহিছিলো। ১৯৭৮ চনমানৰপৰাই এইবোৰ বেছি হ'ল। ইতিমধ্যে ১৯৭১ চনত এবাৰ, ১৯৭৭ চনত এবাৰ,— এই দুবাৰ মই আকাশবাণীৰ যোগে সৰ্বভাৰতীয় কবি সন্মিলনত দিল্লীত সভানেত্রী হৈছিলো। ১৯৭৪ চনৰ মণিপুৰৰ ইম্ফলত 'ইষ্টাৰ্ণ জ'ন ৰাইটাৰ্ছ এছ'চিয়েশ্যন'ত মোৰ সভানেত্রী হোৱাৰ সৌভাগ্য হৈছিল।

জীৱনত কেতিয়াবা যে বিদেশ ভ্ৰমণ হ'ব এই কথা সপোনৰো অগোচৰ আছিল। সদায় মনতে ভাবিছিলো,— "অসমীয়াত এম. এ. পাছ কৰিলে বিদেশ যাত্ৰাৰ ক'ত সুযোগ থাকে!" তথাপি কেতিয়াবা কোনোবাই হাত চাওঁতে বা সোঁৱৰণী চাওঁতে যেতিয়া বিদেশ ভ্ৰমণ বহুবাৰ হ'ব বুলি কয়, মই তেতিয়া ভাবিছিলো,— হয়তো বাংলাদেশ, হয়তো নেপাল আদিলৈ হ'ব। এনেকৈয়ে দিন গৈছিল। এদিন হঠাতে উগ্ৰতাৰা মন্দিৰত এসময়ৰ শিক্ষামন্ত্রী পৰম শ্রদ্ধেয়া কমলকুমাৰী বাইদেউক লগ পালো। বাইদেউক বহুত দিনৰ মূৰত লগ পোৱা বুলি কওঁতে বাইদেৱে ক'লে— "নাছিলো, ছমাহ আমেৰিকাত আছিলো— ছোৱালীজনীৰ তাত।" বাইদেউৰ ভনীয়েক আদিও আমেৰিকাত থাকে। মই ক'লো,— বাইদেউ কি মজা আপোনাৰ! আমেৰিকাতো ঘৰ আছে, যাওঁ বুলিলেই যাব পাৰে। বাইদেৱে ক'লে,— "তুমিও যাব পাৰিবা, মন কৰিলেই হ'ল।" বাইদেউৰ শুভ ইচ্ছা শিৰ পাতি ল'লো। তাৰ অলপ দিন পাছত লগ পালো পৰম শ্রদ্ধেয়া প্রয়াত নীলিমা দত্ত বাইদেউক বিশ্ববিদ্যালয়ৰ আৰ্টছ বিল্ডিঙৰ কৰিডৰত। বাইদেৱো ফিলছফিৰ ছেমিনাৰ এখনত অংশ লৈ আমেৰিকাৰপৰা এই আহিছে। বাইদেউক মই শ্রদ্ধাৰে প্ৰশংসা কৰিলত বাইদেৱে মোক ক'লে,— "তুমিও এবাৰ পাৰিলে গৈ আহা নিৰ্মল।" মই ক'লো,— "আমেৰিকালৈ আৰু ক'ত যাব পাৰিম বাইদেউ?"

"পাৰিবা, পাৰিবা। মই আশীৰ্বাদ দিছোঁ। পাৰিবা।" আচৰিত কথা এই যে দুগৰাকী মহীয়সী, মাতৃস্বৰূপা নাৰীক লগ পাই আশীৰ্বাদ পোৱাৰ এসপ্তাহমান পাছতেই অৰ্থাৎ ১৯৭৯ চনত হঠাতে আমেৰিকাৰ ইণ্টাৰনেশ্যনেল বায়'গ্ৰাফিকেল চেণ্টাৰৰপৰা এখন আৰু অষ্ট্ৰেলিয়াৰ নেশ্যনেল ইউনিভাৰ্ছিটিৰপৰা এখন নিমন্ত্ৰণৰ চিঠি আচম্বিতে ওলালহি। প্ৰথমখন হ'ব আমেৰিকাৰ বষ্টন চহৰত, দ্বিতীয়খন হ'ব অষ্ট্ৰেলিয়াৰ ছিডনি নামে ঠাইত। দুয়োখনেই গৱেষণা-পত্ৰ বিচাৰিছে। চিঠি দুখন নীলিমা দত্ত বাইদেউ আৰু উপাচাৰ্য ড° যামিনীমোহন চৌধুৰী ছাৰক দেখুৱালো। দুয়োখনলৈ গৱেষণা-পত্ৰ পঠাব পাৰি যদিও দুয়োখন অনুষ্ঠিত হ'ব ১৯৭৯ চনৰ জুলাই মাহতেই। সেয়েহে যিকোনো এখন ঠাইহে মই নিৰ্বাচন কৰিব পাৰিম। মোৰ ঘৰতো আটায়ে আমেৰিকালৈ যোৱাটোকে বিচাৰিলে। কাৰণ আমেৰিকাৰ অ'ত-ত'ত অসমীয়া মানুহ আছে। অষ্ট্ৰেলিয়াৰ সেই

ঠাইত বিপদে-আপদে চাবলৈ প্ৰয়োজন হ'লে অসমীয়া মানুহ আছে বা নাই। মোৰ প্ৰথম বিদেশ যাত্ৰা হ'ব; — আও-ভাও একো নাপাওঁ। আমেৰিকাৰ লগত যোগাযোগ হ'ল। তেওঁলোকে সকলো আতিথ্য দিব; অহা-যোৱা খৰচ কিন্তু স্বদেশ বা স্বৰাজ্যই দিব লাগিব। সেইমতে অসম চৰকাৰক আবেদন জনালো। সেই সময়ত অসমৰ শিক্ষামন্ত্ৰী আছিল পূজনীয় লক্ষ্যধৰ চৌধুৰী দাদা। অসম সাহিত্য সভা ভৱনত বহা সভা এখনতে তেখেতক লগ পাই সকলো কথা ক'লো। তেখেতে অতি আন্তৰিকতাৰে ক'লে,— "তুমি যাবই লাগিব, কোনো চিন্তা নাই, মই আছোঁ নহয়।" তেখেতে আশীৰ্বাদ আৰু উৎসাহ দিলে। একোগৰাকী মানুহৰ উৎসাহে, আশীৰ্বাদে কিমান যে মানুহক শক্তি যোগাব পাৰে। অসম চৰকাৰে নিমন্ত্ৰণী চিঠিৰ গুৰুত্ব, মোৰ পেপাৰৰ ছিনপ্ছিছ (synopsis), eligibility সকলো তন্ন-তন্নকৈ চাই অহা-যোৱাৰ খৰচ মঞ্জুৰ কৰিলে।

মালিগাঁৱৰ শ্ৰীগুৰু প্ৰেছৰ মালিক শ্ৰীযুত মুনীন দত্তবৰুৱাৰ ভাতৃ শ্ৰীভবেন দত্তবৰুৱাও সেই সময়ত আমেৰিকাত থকা ভতিজাকৰ তালৈ যাবলৈ ওলোৱাত আমি আনন্দেৰে সহযাত্ৰী হ'লো।

মোৰ যাত্ৰাবোৰৰ সবিশেষ এই জীৱনীখনত লিখিলে ইয়াৰ অৱয়ব ইমান ডাঙৰ হ'ব যে ইয়াক কোনেও নছপাব। সেয়ে মাত্ৰ মূল কথাখিনিহে ইয়াত লিপিবদ্ধ কৰিম।

বিচিত্ৰ অভিজ্ঞতাৰ মাজেৰে গৈ মাছাচুছেটছৰ বষ্টন এয়াৰপ'ৰ্টত নামিলোগৈ। মই বাটত ভাবি গৈছিলো এয়াৰপ'ৰ্ট পাই তাৰপৰা টেক্সি এখন লৈ 'হায়াট ৰিজেঞ্চি' হোটেল ওলামগৈ। তাতে আমাৰ অধিবেশন হ'ব আৰু থকা ঠাইৰ যোগাৰো তাতে। কিন্তু ভবা মতে কাম নহ'ল।

মোৰ এইবাৰৰ আমেৰিকা ভ্ৰমণে মোক এজন অতি শুভাকাংক্ষী বন্ধু উপহাৰ দিলে। ইমান বুদ্ধিদীপ্ত, ৰসিক আৰু উদাৰ, অহৰহ সহায়ৰ হাত আগবঢ়াই থকা বন্ধু বৰ কমেইহে পোৱা যায়। মই তেখেতৰ নাম বহুত বছৰৰপৰা শুনি আছিলো যদিও লগ পোৱা নাছিলো। তেখেতেও মই লিখা কবিতা আৰু গীত পঢ়ি বা শুনি প্ৰশংসামুখৰ হৈ আছিল যদিও তেখেতে মোক লগ পোৱা নাছিল। মই আমেৰিকাৰ বষ্টনলৈ যাম বুলি জানি তেখেতৰ পৰিবাৰৰ বাইদেৱেক প্ৰয়াত ৰেণু বাইদেৱে মোৰ অজানিতেই এখন টেলিগ্ৰাম পঠাইছিল। সেই টেলিগ্ৰাম পাই তেখেত পৰিবাৰ জ্যোতিক লগত লৈ মোক আগবঢ়াই নিবলৈ বষ্টন এয়াৰপ'ৰ্টলৈ আহিছিল। আমি কোনোৱে কাকো চিনি নাপাওঁ। তেখেতে মোক চিনি পাইছিল পাটৰ মেখেলা-চাদৰ পিন্ধি যোৱা দেখি। বষ্টন এয়াৰপ'ৰ্টত চিনাকি হওঁতে তেখেতে মোৰ ছুটকেছ দাঙি নি নিজৰ গাড়ীত তুলিলেগৈ আৰু ক'লে যে দেশৰ মানুহ আহিছে। কেতিয়াও হোটেলত থাকিবলৈ নিদিয়ে। তেখেতৰ উদাৰ আতিথ্যত তথা আপোন ভাবত মই নিমিষতে ঘৰ এখন পোৱা যেন

পালো। তেখেতৰ নাম শ্ৰীহিমেন্দ্ৰ কুমাৰ বৰঠাকুৰ। পেছাত তেখেত এজন মেকানিকেল ইঞ্জিনীয়াৰ। তেখেত বহু বছৰ ধৰি আমেৰিকাত বাস কৰিছে। প্ৰকৃত অৰ্থত এজন অতি প্ৰতিভাশালী আধুনিক নাট্যকাৰ। তেখেতৰ নাটক 'বাঘ' আমি বিশ্ববিদ্যালয়ৰ এম. এ. ক্লাছত পঢ়াব লাগে। তেখেতে গাড়ী চলাই নিজৰ ঘৰলৈ লৈ গ'ল। যাওঁতে বাটতে ছুপাৰ মাৰ্কেটৰপৰা মাছ, শাক-পাচলি কিনি ল'লে। ভবেন দত্তবৰুৱাও সেইদিনা বৰঠাকুৰৰ ঘৰলৈকে আমন্ত্ৰিত হ'ল। তেওঁৰ ইতিমধ্যে এটা দুৰ্যোগ ঘটিল— বাটতে অসাৱধানতাবশতঃ তেওঁৰ গন্তব্যস্থানৰ টিকেটটো হেৰুৱালে। তেওঁৰ অসহায় অৱস্থা আঁতৰাবলৈ বৰঠাকুৰৰ কি প্ৰাণান্তকৰ চেষ্টা! হেৰোৱা বস্তুনো মানুহে ক'ত সহজে পায়। গোটেই ৰাতিটো ভবেনে শুবও নোৱাৰিলে। পাছদিনা বৰঠাকুৰৰ যত্নত তেওঁ ভতিজাকৰ ঠাইলৈ যাবলৈ সক্ষম হ'ল। বৰঠাকুৰৰ কন্যা মিতু অতি সুদৰ্শনা, ক্লাছ এইট/ নাইনমানত পঢ়া ছোৱালী। তেখেতৰ ল'ৰা বুবলাৰ (ষ্টিভ) তেতিয়া মাত্ৰ সাত বছৰ। সিহঁত দুটা নিমিষতে মোৰ আপোন হৈ পৰিল। জ্যোতি আৰু বৰঠাকুৰৰতো কথাই নাই। কত যে আদৰ-আপ্যায়ন। সেইকেইদিন ৰাতি আমি তিনিমান বজালৈকে কথা পাতিছিলো। সাহিত্য-সংস্কৃতিৰ কথা, দুইখন দেশৰ তুলনামূলক কথা, বৰঠাকুৰৰ জীৱন আদৰ্শৰ কথা, দেউতাক কুমুদেশ্বৰ বৰঠাকুৰৰ সাহিত্য সম্ভাৰৰ কথা (সৌভাগ্যক্ৰমে কুমুদেশ্বৰ বৰঠাকুৰ মোৰ দেউতাৰ বন্ধু আছিল), বৰঠাকুৰৰ সংগীতপ্ৰীতিৰ কথা,— কি যে আনন্দময় আছিল সেইকেইটা দিন! পাছদিনাখনৰপৰা প্ৰতি ৰাতিপুৱা গাড়ীৰে নি বৰঠাকুৰে মোক হায়াট ৰিজেঞ্চিত থৈ আহেগৈ আৰু আবেলি মিটিঙৰ পাছত আকৌ তেখেতৰ ঘৰলৈ লৈ আহে।

মাছাচুছেটছৰ হায়াট ৰিজেঞ্চি নামৰ স্কাইক্ৰেপাৰত বহা আন্তৰ্জাতিক এই ছেমিনাৰৰ প্ৰথম welcome addressঅৰ দিনা আগবেলা যেতিয়া আমি ৪০ জনমান বিভিন্ন দেশৰ প্ৰতিনিধি সমবেত হৈছিলো তাৰ প্ৰথম শাৰীতে মই বহিছিলো। প্ৰতিখন দেশৰে প্ৰতিজনক থিয় কৰাই আটাইৰে লগত আদৰণী ভাষণেৰে চিনাকি কৰি দিয়া হৈছিল। যেতিয়া Indiaৰ আখৰটোৰ পাল পৰিল, তেতিয়া India, India বুলি মঞ্চৰপৰা কেইবাবাৰো মতাৰ পাছতো মই থিয় নহ'লো, কাৰণ মই ভাবিছিলো Indiaৰ আৰু scholar গৈছে তেওঁবিলাক থিয় হ'ব। কিন্তু সেয়া আছিল মোৰ ভ্ৰান্তি। প্ৰকৃততে মোৰ বাহিৰে Indiaৰ অন্য কোনো তাত নাছিল। তেতিয়া Bardoloi Nirmalprabha বুলি মঞ্চৰপৰা ঘোষণা কৰিলে আৰু তেহে মই উঠি মঞ্চলৈ গ'লো। যেতিয়া Indiaৰ একমাত্ৰ প্ৰতিনিধি বুলি আদৰণি জনালে মই বৰ শিহৰিত হ'লো আৰু মুহূৰ্ততে মোৰ স্থিতিৰ বিষয়ে সজাগ হ'লো আৰু মই মোৰ পৰিচয় দিবলৈ ওলালো। মোৰ আগতে পৰিচিত হোৱা বিভিন্ন দেশৰ লোকসকলে কেৱল নিজৰ নামটো আৰু কোন ঠাইৰপৰা

আহিছে তাকেহে কৈছিল। মই ভাবিলো মইনো ভাৰতক highlight কৰি নকওঁ কিয়! সেয়ে মই উদাত্ত কণ্ঠেৰে নিজৰ নাম কৈ ক'লো— মই ভাৰতৰপৰা আহিছোঁ— ভাৰতীয় মানুহৰ সকলো আন্তৰিকতা তোমালোকৰ কাৰণে অন্তৰত লৈ আহিছোঁ যিখন 'যোগ'ৰ দেশ, মই সেই ভাৰতৰপৰা আহিছোঁ যিখন 'গীতা'ৰ দেশ, মই সেই ভাৰতৰপৰা আহিছোঁ, যিখন 'গান্ধীজী'ৰ দেশ, মই সেই ভাৰতৰপৰা আহিছোঁ, যিখন 'ৰবি শংকৰ'ৰ দেশ, চেতাৰৰ নিচিনা অপূৰ্ব বাদ্যযন্ত্ৰৰ দেশ (চেতাৰ আৰু যোগ শিক্ষাই আমেৰিকাত অতি জনপ্ৰিয়তা লাভ কৰিছে), মই সেই ভাৰতৰপৰা আহিছোঁ যিখন দেশত কৰ্মকে ধৰ্ম বুলি কোৱা হয়, যিখন দেশ বিশ্ববাসীক চমক খুৱাই অহিংস ৰণনীতিৰে বৃটিছ সিংহৰ অধিকাৰৰপৰা নিজকে মুক্ত কৰি স্বাধীন হ'ল। ইত্যাদি-ইত্যাদি। এইদৰে মোৰ পৰিচয় দিয়াত স্কলাৰসকল মন্ত্ৰমুগ্ধ হ'ল আৰু সকলোৱে উঠি জাউৰিয়ে-জাউৰিয়ে হাত চাপৰিৰে বুৰাই পেলালে আৰু সেই আৰম্ভণী সভাতে মোক তেওঁলোকে 'ডাৰ্লিং ইণ্ডিয়া' এই নামেৰে অভিহিত কৰিলে।

নভবা-নিচিন্তা এইহেন সন্মান পাই মোৰ চকুপানী ওলাল আৰু নেদেখাজনলৈ প্ৰণিপাত জনালো। আদৰণী অধিবেশনৰ পাছত পাছদিনাৰপৰা মূল বিষয়বোৰৰ ছেমিনাৰ হ'ব। ৰাতিলৈ কেইবাটাও হলত অনুষ্ঠিত হোৱা পপুলাৰ লেকচাৰ শিতানত এটা শিৰোনামা আছিল 'ৱ'মেন ইন দা চেঞ্জিং ৱৰ্ল্ড'। মই এই বিষয়টোৰে বক্তৃতা শুনো বুলি তলৰ মহলাৰ সুন্দৰ হল এটাত সোমালো। বক্তৃতা আৰম্ভ হৈছেই— মই পিছৰ পিনৰ চকী এখনতে বহিলো। বেচ উত্তেজনাপূৰ্ণ বক্তৃতা বিভিন্নজনে দিছে— এই যে আজিকালি ঘৰবোৰ ভাগি আহিছে, ল'ৰা-ছোৱালীবোৰ হিপ্পী হৈছে, ইয়াৰ বাবে দায়ী কোন? ঘৰবোৰ কেনেকৈ ৰক্ষা হ'ব? সন্তানবোৰৰ দায়িত্ব কোনে ল'ব? এই সমস্যাবোৰৰ সমাধানকল্পেই আটায়ে উত্তৰ আগবঢ়াইছে। কিন্তু শেষ উত্তৰ কোনেও বিচাৰি পোৱা নাই। কোনোবাই কৈছে ধৰ্মপিতৃবোৰে সন্তানৰ দায়িত্ব ল'ব, কোনোবাই কৈছে, নহয় উকীলেহে ল'ব, ইজনৰ উত্তৰ সিজনে কাটিছে— দেশ-বিদেশৰ স্কলাৰৰ চিন্তাৰ ইণ্টাৰএকশ্যন— বৰ উপভোগ্য।

ঘণ্টাৰ পাছত ঘণ্টা আগুৱাই গৈছে, কিন্তু সমাধান নাই। মই ভাবিলো,— মই এই মুহূৰ্ততে ভবাখিনিনো নকওঁ কিয়! মই থিয় হ'লো, লগে-লগে উজ্জ্বল হাত চাপৰি আৰম্ভ হ'ল,— "ডাৰ্লিং ইণ্ডিয়া, কাম ফৰৱাৰ্ড, কাম ফৰৱাৰ্ড"— মোক আটায়ে আগলৈ যাবলৈ স্বাগত জনালে। কোন সৰস্বতীয়ে মোৰ মুখত থিত দিছিল নাজানো, মই আৰম্ভ কৰিলো— তোমালোকৰ এই যি সমস্যা হৈছে এই সমস্যা আমাৰ ভাৰতত নাই, (যদিও ভাৰততো একে ঘৰ ভগা সমস্যা আৰম্ভ হৈছে, সেই কথা মই জানো যদিও ভাৰতৰ গৌৰৱ আৰু সন্মান ৰক্ষাৰ কাৰণে এই কথাটো নক'লো), কাৰণ ভাৰতৰ

পৰম্পৰা ইমান প্ৰাচীন আৰু গৌৰৱময় যে ক্ষয়িষ্ণু মনোবৃত্তিয়ে ভাৰতীয় মনবোৰ এতিয়াও বিকৃত কৰা নাই। তাত কৈছিলো কেৱল প্ৰেম বা অন্তৰৰ ঐশ্বৰ্যইহে বৰ্তমানৰ ক্ষয়িষ্ণু সমাজক ৰক্ষা কৰিব পাৰিব। ভাৰতীয় নাৰীৰ ঐতিহ্য মাতৃৰ ঐতিহ্য। মাতৃ, — এই শব্দটো কিমান অৰ্থময়। মই মাতৃ শব্দৰ অৰ্থ ব্যাখ্যা কৰিছিলো। ভাৰতত মাতৃ, মাতৃ পৃথিৱী আৰু মাতৃ গোসাঁনীক (Mother, Mother Earth আৰু Mother Goddess) সমমৰ্যাদাৰ বুলি ধৰা হয়। আমাৰ প্ৰাচ্য ধাৰণাত মাদাৰ, মাদাৰ আৰ্থ আৰু মাদাৰ গডেছ,— এই তিনিওটাৰে আদৰ্শাত্মক ব্যাখ্যা দাঙি ধৰিছিলো। ভাৰতীয় এতিহ্যৰ এই গভীৰ কথাবোৰ দেশ-বিদেশৰ বেছিভাগ মানুহে নাজানে। আমাৰ দেশত সন্তান জন্ম হ'লে সেই সন্তানক লগে-লগে ধৰিত্ৰীৰ বুকুত দি কোৱা হয়— "তোমাৰ বুকুত এয়া তোমাৰ সন্তান। তোমাৰ সন্তানক তুমি লালন-পালন কৰা।" যেতিয়া মৃত্যু হয় তেতিয়াও নি মাতৃ ধৰিত্ৰীৰ বুকুত প্ৰথমে থোৱা হয় আৰু প্ৰাৰ্থনা কৰা হয়— "হে মাতৃ তোমাৰ বুকুলৈ তোমাৰ সন্তান ঘূৰি আহিছে। এয়া সামৰি লোৱা। তেওঁৰ চকুৰ জ্যোতি সূৰ্য-চন্দ্ৰলৈ যাওক, দেহৰ পানী নৈবোৰলৈ যাওক, দেহৰ মাটি মাটিত বিলীন হওক। (মই এই কথাবোৰৰ শ্লোকো সংস্কৃতত মাতি দিছিলো)।

আমাৰ ভাৰতত এজনী ছোৱালী জন্মৰপৰাই মাতৃও। বিয়া হোৱাৰ আগলৈকে তেওঁৰ নিজস্ব সুকীয়া সত্তা থাকে যদিও বিয়াৰ দিনাৰপৰাই তেওঁ নিজকে উচৰ্গাৰ মন্ত্ৰ লয়। তেওঁ এখন নতুন ঘৰৰ কল্যাণ আৰু সুখ-সন্তোষৰ কাৰণেই নিজক উচৰ্গা কৰে। যেতিয়াৰেপৰা মাতৃ হয় সেইদিনাৰপৰা নিজস্ব অস্তিত্ব নিজৰ সুখৰ কথা পাহৰি সন্তানৰ কাৰণে সৰ্বসত্তা উচৰ্গা কৰে। সন্তানৰ অসুখ হ'লে নিজৰ জীৱন আগ কৰে, সন্তান ঘৰলৈ নহালৈকে নিজে আহাৰ গ্ৰহণ নকৰে। ৰাতি দুই-তিনি বজালৈকে টিপচাকি এটা জ্বলাই হ'লেও সন্তানৰ কাৰণে বাট চাই থাকে। এই যে আত্ম-উচৰ্গা, এই যে প্ৰেম, ইয়াতকৈ ডাঙৰ বন্ধন আৰু নাই। ই মাতৃক অপাৰ্থিৱ তৃপ্তি দিয়ে, সন্তানক দিয়ে ঘৰৰ প্ৰতি নিবিড় আকৰ্ষণ। ভাৰতীয় নাৰী চিৰ হাস্যময়ী। ত্যাগতেই তেওঁৰ অনাবিল আনন্দ। দেহৰ উৰ্দ্ধৰ ই এক অসামান্য কালচাৰ— তোমালোকৰ সকলো বিতৰ্কৰ উত্তৰত মই কওঁ একমাত্ৰ প্ৰেমেইহে ইয়াৰ উত্তৰ। ঘৰবোৰ, সন্তানবোৰ ৰক্ষা কৰিব কেৱল প্ৰেমেহে। মই কথাখিনি ইমান সলসলীয়াকৈ, ইমান দৃঢ়তাৰে কেনেকৈ ক'ব পাৰিলো সঁচাকৈয়ে নাজানো। কথাখিনি কওঁতে আটায়ে বিস্ময়াভিভূত হৈ অতি তন্ময়ভাৱে শুনিছিল। বক্তৃতা শেষ হোৱাৰ পাছত এজন বৃদ্ধ জাৰ্মান পণ্ডিত আগবাঢ়ি আহি মোক কোলাত লোৱাদি তুলি ধৰিছিল আৰু গালত চুমা খাইছিল আৰু বাকীবোৰ পণ্ডিতে কেনেকৈ বাৰে-বাৰে হাত চাপৰিৰে হৰ্ষধ্বনি কৰিছিল সেয়া মোৰ জীৱনত পাহৰিব নোৱৰা স্মৃতি। আটায়ে ক'লে,— এইটোৱেই একমাত্ৰ উত্তৰ। মোৰ কথাৰ মাজেৰে সমগ্ৰ ভাৰতৰ

ঐতিহ্যটোৱে যেন আকাশলংঘা সন্মান পালে। মোৰ কথাত আটায়ে যেন কঠিন সমস্যাৰ উত্তৰ বিচাৰি পালে। মই কৈছিলো প্ৰেম আৰু উচৰ্গাৰ কথা। তেওঁবিলাকে কৈছিল ভাগি যোৱা ঘৰবোৰ ৰক্ষা কৰিবলৈ উকীল আৰু ধৰ্মযাজকৰ কথা। সেই সময়ত মই 'দেৱী' লিখি থকা কাৰণে মোৰ মুখত বেদ-বেদান্তৰ শ্লোকবোৰ আছিল। মাতৃ পৃথিৱীৰ ধৈৰ্য, উচৰ্গা আৰু সহনশীলতাৰ কথা মই শ্লোক মাতি বুজাই দিছিলো।

পাছদিনাৰপৰা মূল অধিবেশন। মূল অধিবেশনৰ কেইদিনত মই তিনিটা বক্তৃতা দিছিলো। এটা আছিল,— ভাৰতীয় সংগীত পশ্চিমীয়া সংগীততকৈ বেলেগ কিয় আৰু ৰবীন্দ্ৰ সংগীতৰ বৈশিষ্ট্য। দ্বিতীয়টো,— ভাৰতীয় বৰ্তমান সাহিত্যৰ ধাৰা, তৃতীয়টো,— ভাৰতীয় বৌদ্ধধৰ্মীয় চিত্ৰকলা। এই বক্তৃতাকেইটা প্ৰস্তুত কৰি নিয়া হৈছিল। তাত সোঁৱে-বাঁৱে অনেক প্ৰশ্ন কৰে। অবজাৰ্ভ কৰিবলৈ অহা ইয়ং জেনেৰেশ্যন দুই-চাৰি ল'ৰাই আমি নভবা-নিচিন্তা প্ৰশ্ন কৰে। উদাহৰণস্বৰূপে— বুদ্ধদেৱে ৰাতি ঘৰৰপৰা ওলাই কিমানদূৰ গ'ল? (How far has Buddha gone in the midnight?) চাবলৈ গ'লে এই প্ৰশ্ন অবাস্তৱ।

যি কি নহওক, প্ৰথমবাৰৰ এই বিদেশ যাত্ৰা অতিশয় সফল হ'ল। মই অসমৰ মানুহ অ'ত-ত'ত যাক লগ পালো সকলোৱেই মোক মাতি নি প্ৰত্যেকৰ ঘৰতে ৰাখি আমেৰিকাৰ বিভিন্ন ঠাইবোৰ দেখুৱালে। জ্যোতি আৰু হিমেন বৰঠাকুৰে মোক বহুত ঠাই ফুৰালে। বহুত নতুন-নতুন বস্তু খুৱালে। আৰু সবাতোকৈ বেছিকৈ দিলে তেওঁবিলাকৰ হৃদয়ৰ স্নিগ্ধতা। মিটিঙৰ পাছত মই আমেৰিকাৰ বহুতো ঠাই ডিলাক্স বাছেৰে ভ্ৰমণ কৰিলো। নিউয়ৰ্ক, ৱাশ্বিংটন, নিউজাৰ্ছি, নায়েগ্ৰা, বষ্টন ইত্যাদি-ইত্যাদি। কিমান যে অসমীয়া মানুহ লগ পালো! কিমানৰ ঘৰত যে দুই-চাৰি ৰাতিকৈ থাকিলো; কিমানে যে কত ধৰণেৰে সহায় কৰিলে, কিমান যে অপেৰা, কিমান যে থিয়েটাৰ চালো, কিমান লাইব্ৰেৰিত গৈ বহিলোগৈ আৰু 'নোট' কৰিলো। আটলাণ্টিক সাগৰৰ কিমান যে ৰোমাঞ্চ!

নিউজাৰ্ছিত আছিলো অদিতিহঁতৰ ঘৰত। অদিতি তেজপুৰৰ ডা. কৰুণাময় দত্তৰ ছোৱালী। মই থাকোঁতে তাইৰ দ্বিতীয় ছোৱালীজনীৰ জন্ম হৈছিল। তাৰ হস্পিটেলবোৰ কিমান যে helpful দেখিয়ে তবধ মানিবলগীয়া। জীৱনযাত্ৰা সেই দেশত অতি নিমজ আৰু জঁট নলগা। আমাৰ ইয়াত প্ৰতিটো মুহূৰ্তই জঁট লগা। আমাৰ ইয়াত গেছ এটা পাবলৈ হ'লে দহ-বাৰ দিনো অপেক্ষা কৰিব লগা হয়। তাত ফোন কৰি দিলেই লগে-লগেই গেছ আহি ঘৰত দিয়েহি। তেনেকৈয়ে টকা ভঙাবলৈও ফোন কৰি দিলে টকা আহি ঘৰ পায়হি। বৰ সুচল। আমাৰ ইয়াতে খোজে-খোজে অবিশ্বাস, খোজে-খোজে আউল।

ৱাশ্বিংটনত গৈ আছিলোঁগৈ জীতেন বৰপূজাৰীৰ তাত। এওঁ ৱৰ্ল্ড বেংকৰ অতি ডাঙৰ বিষয়া। অতি মেধাৱী ছাত্ৰ কাৰণেই জীতেন বৰপূজাৰীক তেনেই ছাত্ৰ অৱস্থাৰপৰাই চিনি পাইছিলোঁ। তেওঁৰ দেউতাক যোৰহাটৰ ব্ৰজেন বৰপূজাৰী বৰ সদাশয় লোক আছিল আৰু তেখেত মোৰ ভাল বন্ধু আছিল। তেখেতেই এদিন জীতেনক আনি মোৰ চানমাৰিৰ ঘৰত চিনাকি কৰি দিছিল। জীতেন্দ্ৰ গোপাল বৰপূজাৰী সেইবাৰ মেট্ৰিকত প্ৰথম হৈছিল। তাৰ পাছৰপৰাই জীতেনৰ সদায়েই মুধচ ফুটা ৰিজাল্ট। সুদৰ্শন জীতেনৰ পৰিবাৰ অৰুণাকো চিনি পাইছিলোঁ শ্ৰদ্ধেয়া কমলকুমাৰী বাইদেউৰ জৰিয়তে। তেওঁবিলাকে মোক ৱাশ্বিংটন বৰ সুন্দৰকৈ দেখুৱালে আৰু তেওঁবিলাকৰ ঘৰত কেইবাদিনো ৰাখিলে।

নায়েগ্ৰা জলপ্ৰপাত চাবলৈ যোৱা বুলিলেই মই ৰুমাৰ (কাকতি) কথা পাহৰিব নোৱাৰোঁ। ৰুমা বৰ সাহসী আৰু আত্মসন্মানী ছোৱালী। ৰুমাৰ লগত অকমানি নাৱত উঠি নায়েগ্ৰা জলপ্ৰপাতৰ অপৰিসীম সৌন্দৰ্য উপভোগ কৰিছিলোঁ।

আমেৰিকা ভ্ৰমণত মই লগ পোৱা অতি সদাশয় লোকসকল, চেনেহী ঘৰবোৰ আৰু ঠাই দেখাৰ অসামান্য অভিজ্ঞতাৰ কথা মই ভ্ৰমণ কাহিনীবোৰত লিখিছোঁ। সেই গোটেইবোৰ পুনৰাবৃত্তি ইয়াত কৰিলে এখন মহাভাৰত হ'ব।

ইয়াৰ পাছৰ মোৰ ভ্ৰমণ হ'ল জাৰ্মেনিলৈ ১৯৮২ চনত। আন্তঃৰাষ্ট্ৰীয় থাই সন্মিলন সেইবাৰ জাৰ্মেনিৰ ছাৰব্ৰুকেনত হৈছিল। ছাৰব্ৰুকেন বিশ্ববিদ্যালয়েই আমাৰ থকা-খোৱাৰ কেন্দ্ৰ ঠাই আছিল। জাৰ্মানসকল কিমান যে ৰোমাণ্টিক। বৰ সুন্দৰকৈ অৰণ্যবোৰ সংৰক্ষণ কৰিব জানে। অৰণ্যৰ মাজে-মাজে, অৰণ্যৰ সৌন্দৰ্য চুলিডালো ধ্বংস নকৰাকৈ তেওঁবিলাকে অট্টালিকাবোৰ সাজে। ছাৰব্ৰুকেনৰ আশে-পাশে ক'ৰবাত অসমীয়া মানুহ আছিল যদিও কাকো লগ পোৱা নাছিলোঁ। কনফাৰেন্সতো নায়েই।

জাৰ্মেনিৰ এই কনফাৰেন্সৰ পাছতেই কেমব্ৰিজ বিশ্ববিদ্যালয়ৰদ্বাৰা আয়োজিত আন এখন আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰত মই যোগ দিবলৈ জাৰ্মেনিৰপৰা লণ্ডনলৈ আহিছিলোঁ। লণ্ডনত সুগায়ক কমল হাজৰিকা, ধীৰা হাজৰিকা আৰু ড° লীলা বৰা, মাতু বৰাৰ ঘৰত মই অশেষ আতিথ্য পাইছোঁ। এইসকলৰ ঋণো কোনো জনমত শুজিব নোৱাৰোঁ। কেৱল কমল হাজৰিকাক আহিবৰ সময়ত এটা গান লিখি দি আহিছিলোঁ— "আই অগনি নুমুৱা নাই।"

বিভিন্ন সময়ত আন্তৰ্জাতিক ছেমিনাৰবোৰৰ কাৰণে মই ইংলেণ্ডলৈ যাওঁতে প্ৰথমবাৰ বাৰ্মিংহাম, দ্বিতীয়বাৰ ছিহামত থকা আমাৰ অতি মৰমৰ ড° লিনু বৰকটকী আৰু মঞ্জুৰ ঘৰত নিজৰ ঘৰৰ দৰে থাকি যি আদৰ-আপ্যায়ন পাই আহিছোঁ, তাৰ ঋণ মই কেনেকৈ শুজিম? সেইদৰে শিৱসাগৰৰ ড° সোণ (জগদীশ খাটনিয়াৰ) আৰু জুলিৰ

ঘৰত থকা দিনকেইটাৰ কথা অতি মধুৰ স্মৃতি হৈ আছে। লিনু, মঞ্জু, জগদীশ আৰু জুলিয়ে মোক যে কিমান ঠাই নফুৰালে। সেইদৰে ড° কুমুদ শৰ্মা আৰু ড° ইন্দিৰা শৰ্মাৰ (জলি) ঘৰত কিমান আনন্দেৰে যে দিন কটাইছিলো। ড° বাপনে (কুমুদ) কি সুন্দৰকৈ যে গানবোৰ গাই শুনাইছিল। ভাৰতৰপৰা ইমান দূৰত ইমান বছৰ থাকিও তেওঁ সংগীতৰ চৰ্চা অব্যাহত ৰখাত মই বৰ সুখী হৈছিলো। মঞ্জু আৰু লিনুৱে মোক ছুইডেনত থকা ড° অনিল বৰঠাকুৰ আৰু লাহৰীৰ ছবি-ছবি যেন লগা লে'কৰ পাৰৰ ঘৰটোলৈ লৈ গৈছিল। তেওঁলোকৰ ঘৰত মই কেইবাবাৰো আছোঁগৈ। অতি আপোনভাব দেখুউৱা তেওঁলোকৰ মৰম-সাদৰ মই ক'ত পাহৰিম? ড° সমুদ্ৰ শৰ্মা আৰু অণিমাকে ধৰি অসমীয়া মানুহ কিমানৰ ঘৰত যে মোক আদৰ-অভ্যৰ্থনা কৰিছে, মই কৈ শেষ কৰিব নোৱাৰোঁ। আটাইলৈকে মোৰ অন্তৰৰ কৃতজ্ঞতা যাচিছোঁ।

আমেৰিকা, জাৰ্মেনি আৰু ইংলেণ্ড দেখাৰ পাছত ভাবিছিলো পশ্চিমৰ ডাঙৰ দেশ তিনিখন চোৱাৰ সৌভাগ্য হঠাতেই হ'ল। এতিয়া চীন-জাপানৰ দৰে প্ৰাচ্যৰ দেশ দুখন চাব পাৰিলেহে পৃথিৱী প্ৰকৃত অৰ্থত দেখা যেন লাগিব। মই ভাবিবই পৰা নাছিলো অন্তৰ্যামী ভগৱানে এনেকৈ মোৰ অন্তৰৰ কথা শুনিব। পাছৰ বছৰতে অৰ্থাৎ ১৯৮৩ চনতে জাপানলৈ যোৱাৰ নিমন্ত্ৰণ আহিল— মই বিস্ময়ত অভিভূত হ'লো। ভগৱান সঁচাকৈয়ে অন্তৰ্যামী। তেওঁ মোৰ সকলো মনোবাঞ্ছা পূৰাইছে। সেই সময়ত অসমত আন্দোলনৰ ভৰপক। প্ৰথমবাৰ অহা-যোৱাৰ খৰচ অসম চৰকাৰে দিলে। জাৰ্মেনি আৰু লণ্ডনলৈ দিলে ভাৰত চৰকাৰে। এইবাৰ এবছৰৰ পাছতে কোনে দিব! অসম চৰকাৰক খুজিবলৈও চৰকাৰৰ বিৰুদ্ধে আন্দোলনেই কৰিছোঁ। যাবলৈ ভাল নালাগিল। আমাৰ বিশ্ববিদ্যালয়ৰ ল'ৰাবোৰে ৰাইজৰপৰা টকা তুলি দিবলৈ ওলাল। মই দহো কুৰি শপত দি মানা কৰিলো। কাৰণ মই জানো যে ল'ৰাখিনিক মোৰ ব্যক্তিগত কামত খটুৱালে মই তাৰ ঋণ অন্য ধৰণে পৰিশোধ কৰিব লাগিব। মই আৰ-তাৰ ধাৰ লৈ অহা-যোৱা খৰচ যোগাৰ কৰিলো। কাৰণ মাজত দুবছৰ হৈ নগ'লে চৰকাৰে বিদেশ ভ্ৰমণৰ বাবে অহা-যোৱা খৰচ নিদিয়ে। জাপানৰ আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰলৈ কৰা নিমন্ত্ৰণী-পত্ৰ আৰু মই পঠোৱা গৱেষণা-পত্ৰ গাঁথি দি এখন আবেদন শিক্ষা বিভাগত এনেয়ে পেলাই থোৱা হ'ল। গৱেষণা-পত্ৰখন আছিল 'The literary tradition and its transformation in Indian situation'। এই গৱেষণা-পত্ৰই চৌষষ্ঠি হাজাৰ এনে পত্ৰৰ লগত প্ৰতিযোগিতা কৰিলে আৰু তেওঁবিলাকে গৱেষণা-পত্ৰৰ যোগ্যতাৰ ভিত্তিত মোক কবিতা শাখা এটাৰ সভানেত্ৰী নিৰ্বাচিত কৰিলে। আন্তৰ্জাতিক ছেমিনাৰ এখনত, বিশেষকৈ কবিতাৰ শাখাত সভাপতিত্ব কৰিবলৈ পোৱাটো কম সৌভাগ্যৰ কথা নহয়। অৱশ্যে সভাপতি নিৰ্বাচিত হোৱা কথাটো জাপানত অৰ্থাৎ টকিঅ'ত

গৈহে গম পালো। প্ৰথম অধিবেশনত মই মোৰ গৱেষণা-পত্ৰ পঢ়িলো। দ্বিতীয় অধিবেশনত মই সভানেত্ৰীৰ দায়িত্ব পালন কৰিলো। সভানেত্ৰীৰ ভাষণ আগদিনা ৰাতি বাৰ/ এক বজাত মই মোৰ অকলশৰীয়া ৰুমত লিখিছিলো। একো কিতাপ-পত্ৰ নাই, সকলো মনৰপৰাই লিখিব লগা হ'ল। একো-একোটা অগ্নিপৰীক্ষা এনেকৈয়ে হয়। ৰঙা চিয়াহীৰে লিখা সেই ভাষণ এতিয়াও মোৰ কোনোবা এটা দাৰাজত আছে। যি নহওক বাৰটা শাখাৰ বাৰজন সভাপতিক (মোকো ধৰি) জাপানৰ বিশেষ ঠাইবোৰ ফুৰোৱা হ'ল। জাপানৰ ভ্ৰমণ-কাহিনী মই বেলেগে লিখিছোঁ। জাপানক নিপ্পন বুলি কোৱা হয়। নিপ্পন মানে সূৰ্য উঠাৰ দেশ। সূৰ্য উঠাৰ দেশ যি সূৰ্য উঠাৰ দেশেই। বৰ্ণনাৰ অতীত তাৰ সামগ্ৰিক সৌন্দৰ্য। এই অধিবেশনতে মই প্ৰখ্যাত ইতিহাসবিদ ৰমিলা থাপ্পাৰকো লগ পাইছিলো। মানুহগৰাকীক বিষণ্ণ যেন লাগিছিল। আনগৰাকী বিদুষী নাৰী কপিলা বাৎসায়নো এইখন অধিবেশনলৈ গৈছিল।

জাপান ভ্ৰমণৰ বিষয়ে মোৰ 'চেৰীফুলৰ দেশ জাপান' নামৰ ভ্ৰমণ কাহিনীখনত সবিশেষ লিখা হৈছে।

জাপান ভ্ৰমণ কৰি আহোঁতে হংকঙত অনুষ্ঠিত হোৱা আন এখন আন্তৰ্জাতিক সন্মিলনত নিমন্ত্ৰণক্ৰমে সোমাই অহাৰ কথা আছিল। কিন্তু শান্তিনিকেতনত আন্তৰ্জাতিক ছেমিনাৰ এখন থকা কাৰণে তাত সোমাই অহাটো নহ'ল।

জাপানৰপৰা আহি বাহিৰে-বাহিৰে কলিকতাৰপৰা শান্তিনিকেতনলৈ গ'লো। তাত কপিলাদিক আকৌ লগ পালো। তেখেতে মোক য'তে দেখে ত'তেই মৰমেৰে সাবটি ধৰে। আনকি উৰাজাহাজৰ ভিতৰতো।

এই ১৯৮৩ চনটোৱেই মোলৈ সৌভাগ্য আনিছিল। এই বছৰৰে আগষ্ট মাহত অতি সন্মানিত, সৰ্বভাৰতীয় সাহিত্য একাডেমি বঁটা মোৰ ভাগ্যত কবিতাৰ সংকলন 'সুদীৰ্ঘ দিন আৰু ঋতু'ৰ কাৰণে মিলিল। এই সংকলনখনিৰ এশ চাৰিটা কবিতাৰ ভিতৰত মাত্ৰ এঘাৰটা কবিতাহে মোৰ আগৰ সংকলনকেইখনৰপৰা আনি সন্নিৱিষ্ট কৰা হৈছে। বাকী প্ৰায় আটাইখিনি কবিতা (কোনো সংকলনত নথকা) ১৯৮২ চনৰ বিভিন্ন সময়ত লিখা।

ঘৰখনত মানুহৰ প্ৰশংসা থ'বলৈ ঠাই নোহোৱা হ'ল। ঈশ্বৰৰ আশীৰ্বাদ মোৰ শিৰত বাৰিষাৰ সোণাৰু ফুলৰ দৰে যেন উপচি পৰিল। সৰ্বভাৰতীয় এই বিশেষ সন্মানে মোৰ আত্মপ্ৰত্যয় দৃঢ় কৰিলে।

আচলতে মই বিদেশ ভ্ৰমণৰ বাহুল্য বৰ্ণনাৰে এইখন ভ্ৰমণ কাহিনী কৰিব খোজা নাই। যিমান পাৰি চমুৱাই কৈ গৈছোঁ।

১৯৮৬ চনত আকৌ একে জুলাই মাহতে জাৰ্মেনিৰ হামবাৰ্গ বিশ্ববিদ্যালয় আৰু

লণ্ডন বিশ্ববিদ্যালয়ে আয়োজন কৰা দুখন আন্তৰ্জাতিক সন্মিলনৰ নিমন্ত্ৰণ আহিল। দুয়োখনেই গৱেষণা-পত্ৰ বিচাৰিছে। এটা বিষয়ৰ এখন গৱেষণা-পত্ৰ দিলেই হয় যদিও মই জাৰ্মেনিৰ ছেমিনাৰৰ কাৰণে তিনিখন গৱেষণা-পত্ৰৰ abstract পঠাই দিলো। এখন হ'ল Present Literary Scene of India আনখন হ'ল The Paintings of Religious manuscripts আৰু তৃতীয়খন হ'ল— The Traditional Medicine to Cure Jaundice। তৃতীয় গৱেষণা-পত্ৰখন মোৰ অভিজ্ঞতাৰপৰা লিখা। অভিজ্ঞতাৰ কথাখিনি কৈ ল'বই লাগিব। ডায়েবেটিছৰ কাৰণে মোৰ এবাৰ এবাৰকৈ ছবাৰ জণ্ডিছ হ'ল। ডায়েবেটিছ, তাতে জণ্ডিছ। খাবলৈ একোৱেই নাথাকে। ইটো মিঠা, সিটো মিঠা। মই একেবাৰে দুৰ্বল হৈ পৰিলো। জাপানলৈ যাওঁতেও ডাক্তৰে কোনোমতেই যাবলৈ নিদিছিল। আনকি গুৱাহাটীৰ বাহিৰ ওলাব নোৱাৰে বুলি কৈছিল। মনৰ আচৰিত শক্তিৰে এনেকুৱা সুযোগ এৰি নিদিওঁ বুলি দৃঢ় হৈছিলো। চকুত হালধীয়া ৰং লৈয়েই আৰু জাপানতো গৈ দৈ-ভাত খায়েই মই কটাইছিলো। মোক সদায় সাহ দিছিল নেপালী পণ্ডিত গৌৰীশংকৰ উপাধ্যায়ে। তেওঁ কৈছিল একো নহয় বহিনজী, আপুনি সুকলমে গৈ আহিব পাৰিব। আনজন সাহ দিয়া মানুহ আছিল ডাক্তৰ স্বৰ্গীয় অনিল ভট্টাচাৰ্য। তেখেত হোমিঅ'পেথিক ডাক্তৰ আছিল আৰু মোৰ বৰ শুভাকাংক্ষী আছিল। শিলপুখুৰীৰ ওচৰত থকা তেখেতৰ ফাৰ্মেছিলৈ মই প্ৰায়ে গৈছিলো। তেখেত আৰু পৰম শ্ৰদ্ধেয় দাদা ডাক্তৰ নলিনী শৰ্মাই সততে আমাক মানে আমাৰ ঘৰখনত সজ উপদেশ আৰু চিকিৎসাৰে ৰক্ষা কৰি আছিল। এই জণ্ডিছ মোৰ ইউটেৰাছ অপাৰেশ্যনৰ আগতে তেসত্তৰ চনমানত হওঁতে গলব্লাডাৰৰপৰা হৈছে বুলি কোৱাত শ্বিলঙৰপৰা অনা হোমিঅ'পেথিক দৰব খোৱাত গলব্লাডাৰৰ বিষ নোহোৱা হৈছিল। এই ঔষধ শ্বিলঙৰপৰা মোক অনাই দিছিল সম্বন্ধীয়া অতি দীপ্তিমন্ত ভাই শ্ৰীনিশিনাথ চাংকাকতিয়ে (আই. পি. এছ.)। তেওঁ এতিয়া শীৰ্ষস্থানীয় ডি. জি. পি. হৈ অৱসৰ গ্ৰহণ কৰিছে। পাছত মোৰ ইউটেৰাছত টিউমাৰ হোৱাত অপাৰেশ্যন কৰিব লগা হ'ল ১৯৭৪ চনত ডিব্ৰুগড় মেডিকেল কলেজত। আমাৰ ভাইবোৱাৰী সৰোজৰ সম্বন্ধীয় ককায়েক ডা. হৰেন শৰ্মা মোৰ দাদাৰ দৰেও, বন্ধুৰ দৰেও। তেতিয়া পেট সমানে দীঘে-দীঘে দুফাল কৰোঁতে গলব্লাডাৰো পৰীক্ষা কৰি চোৱা হৈছিল। পাছে শিল নাপালে। তেতিয়াই এপেনডিছাইটিছৰো অপাৰেশ্যন কৰি দিয়া হ'ল।

তাৰ পাছত এবাৰ-এবাৰকৈ কেইবাবাৰো যেতিয়া জণ্ডিছ হৈ মই জীৰ্ণ-শীৰ্ণ হ'বলৈ ধৰিলো, মোৰ ডাঙৰ ভাই সোণে মোক ঘৰলৈ মাতি পঠালে। সেই সময়ত শিৱসাগৰৰ ধাই-আলিৰ মুছলিম মানুহ এঘৰে জণ্ডিছৰ দৰব দি বহুতক আৰোগ্য কৰিছিল। সেই কাৰণে সোণে মোৰ কথা ভাবিলে আৰু মোক শিৱসাগৰলৈ মাতি পঠালে। মই ইমান

দুৰ্বল আছিলো যে ঘৰৰ এম্বেছেডৰ গাড়ীৰ পিছফালে শুৱাইহে মোক লৈ যাব লগা হৈছিল। মানুহঘৰ শিৱসাগৰৰ বাবুপটিৰ পুৰণি সম্ভ্ৰান্ত পৰিয়াল আছিল। মুছলিম পৰিয়াল। জামানৰ ঘৰ বুলি কয়। মানুহজন আছিল ইচমৎ জামান। তেওঁ মোক চালে আৰু দৰবৰ গছৰ গা-গছ ন টুকুৰা (এবেগেতমানকৈ) দিলে। ৰাতি তাৰে তিনি টুকুৰা থেতেলিয়াই পানীত তিয়াই থ'ব লাগে। পাছদিনা ৰাতিপুৱা আকৌ তাক খুন্দিলে যিখিনি ৰস ওলাব সেয়া আধাকাপমান হয়। তাৰ লগত একে বৰণীয়া গৰুৰ গাখীৰ (গাই-দামুৰিৰ একে ৰং হ'ব লাগে) কেঁচাকৈয়ে দি কাপটো পূৰাব লাগে আৰু সেইখিনি শুদাপেটতে খাব লাগে। এনেকৈ তিনিদিন তিনিকাপ খালেই জণ্ডিছ ভাল হ'ব বুলি ক'লে। মই তামোল-পাণ, গামোচা এখন আৰু মাননি টকা দহোটা দি প্ৰণাম কৰি দৰবখিনি ল'লো। সেইদিনা ৰাতি তিয়াই থৈ পাছদিনাৰপৰা তিনিদিন দৰব খোৱাত আশ্চৰ্যজনকভাৱে মোৰ হালধীয়া চকু পৰিষ্কাৰ হ'ল, প্ৰস্ৰাৱ বগা হ'ল আৰু ভোক অনুভৱ হ'ল। পেটৰ বিষো নাইকিয়া হ'ল। মই তেওঁবিলাকৰ প্ৰতি অতি কৃতজ্ঞ হ'লো।

তাৰ পাছত সেই ঔষধেৰে মই কেনেকৈ এগৰাকী মৃত্যুৰ দুৱাৰডলিত থকা ৰোগী আৰোগ্য কঁৰিলো সেই কথাও এই প্ৰসংগতে উল্লেখ কৰা ভাল হ'ব। মোৰ গা ভাল হোৱাৰ এবছৰমানৰ পাছত কিজানি কলিকতাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ছেমিনাৰ এখনত সভানেত্ৰীত্ব কৰিবলৈ গৈছিলো। আছিলো শ্যেক্সপীয়েৰ সৰণিৰ ভাৰতীয় ভাষা পৰিষদ ভৱনত। শেষৰ দিনা সন্ধিয়া কাম নথকাত ভাবিলো কলিকতাৰ 'মে' ফেয়াৰ ৰ'ড'ত থকা বিনোদিনীৰ (মিছেছ পি. চি. গোৰেংকা) তাত চেতাৰ শুনিবলৈ যাওঁ। তেওঁৰ চেতাৰৰ হাত সুন্দৰ। কিন্তু গৈ মই অতি বেদনাদায়ক দৃশ্য দেখিলো। দুৱাৰমুখৰ ভিতৰফালে কঠ এখনত কোনোবা শুই আছে। সন্ধিয়াৰ আন্ধাৰত মই ভালকৈ ধৰিব পৰা নাছিলো। মই মাতিলত সেহাই-সেহাই তেওঁ মোক বহিবলৈ ক'লে। কি আচৰিত এয়া বিনোদিনী! কি হৈছে তেওঁৰ? কিয় এনেকৈ জীৰ্ণ-শীৰ্ণ অৱস্থাত দেখিছোঁ? বিনোদিনীৰ মই কাষতে বহিলো। তেওঁ ক'লে,— জণ্ডিছ আৰোগ্য নোহোৱাত তেওঁ হস্পিটেলৰপৰা গুচি আহিছে। এতিয়া এটোপা পানী খালেও তেওঁৰ বমি হয়। তেওঁক দেখি আৰু কথাবোৰ শুনি অন্তৰত বৰ দুখ পালো আৰু তেওঁক সুধিলো যে অসমীয়া মই খোৱা বন-দৰবটো তেওঁ খাব নে কি? তেওঁ ক'লে যে তেওঁ বিহ খাবলৈও আনকি প্ৰস্তুত।

পাছদিনা মই গুৱাহাটীলৈ ফাৰ্ষ্ট ফ্লাইটতে আহিম। কোনোবা ল'ৰা এজনক গুৱাহাটীলৈ পঠাবলৈ কোৱাত মোৰ লগতে প্লেনত এজন ল'ৰা পঠাই দিলে। তেওঁক গুৱাহাটীৰপৰা ৰাতিৰ বাছত তুলি শিৱসাগৰলৈ সোণৰ ওচৰলৈ পঠালো। সোণে দৰব দিয়া মানুহঘৰলৈ ল'ৰাজনক লৈ গ'ল। মাননি আগবঢ়াই তেওঁবিলাকক বুজাই কোৱাত ল'ৰাজনৰ হাতত

তেওঁবিলাকে সাদিনৰ বাবে ঔষধি গছজোপাৰ গা-গছৰ কেইবাটাও টুকুৰা দৰব দি পঠালে। বিনোদিনী গোৱেংকালৈ মই দৰবটো কেনেকৈ খাব লাগে ইংৰাজীতে লিখি পঠালো। তেওঁ সেইমতে তিনিদিনমানতে ৰোগৰ উপশম পালে, ভোক লগা হ'ল, বমি ভাব নোহোৱা হ'ল। চকু, প্ৰস্ৰাৱ আদিও পৰিষ্কাৰ হ'ল। তেওঁ নিজে ভাল পাই বাকীখিনি দৰব হস্পিটেলৰ অন্য ৰোগীলৈ মনে-মনে পঠালে— তেওঁবিলাকো ভাল হওক বুলি।

এই যে এটা অবিস্মৰণীয় অভিজ্ঞতা হ'ল, আনে সহজে লৰাব নোৱৰা জণ্ডিছক যে এই ঔষধে ভাল কৰে সেই অভিজ্ঞতা মই অন্তৰেৰে উপলব্ধি কৰিলো যে এই ঔষধটোৰ ওপৰত জনা লোকৰ চকু পৰক আৰু ইয়াৰ বিষয়ে গৱেষণা কাৰ্য আৰম্ভ হওক। ইয়াৰপৰা এটা শেহতীয়া ঔষধ ওলাওক আৰু হাজাৰ-হাজাৰ মানুহ উপকৃত হওক। মই অসমৰ কেইবাজনো ডাক্তৰৰ ওচৰ চাপিলো, ওচৰ চাপিলো বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিদ্যাৰ অধ্যাপকৰ। প্ৰত্যেকেই কৌতূহলেৰে শুনে যদিও একো নকৰে দেখোন। মই ভাবিলো আন্তৰ্জাতিক আলোচনা-চক্ৰতে এই বিষয়ে ক'ব লাগিব।

সেইবাৰ হামবাৰ্গত বহা জাৰ্মেনিৰ আলোচনা-চক্ৰত বিভিন্ন বিষয়ৰ গৱেষণা-পত্ৰ বিচৰাৰ লগতে Traditional Medicine অৰ বিষয়েও গৱেষণা-পত্ৰ বিচাৰিছিল। মই Traditional Medicine of Assam to Cure Jaundice বুলি এখন গৱেষণা-পত্ৰ লিখিলো। ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰৰ পটভূমি আৰু গুৰুত্ব বৰ্ণনা কৰি এই ঔষধটোৰ বিষয়ে লিখিলো। ইতিমধ্যে ঔষধটোৰ গজজোপা যে 'যমলাখুটি', এই তথ্য মই সংগ্ৰহ কৰিছিলো। যোৰহাটৰ গৱেষণাগাৰত যমলাখুটিৰ গা-গছৰ (stem) গৱেষণা কৰায়ো আনিলো। যমলাখুটিৰ বৰ্ণনা, গছজোপাৰ ছবি, ফুল আৰু পাতৰ ৰঙীন ছবি কাগজআপত তোলালো।

মই সেইবাৰ তিনিখন গৱেষণা-পত্ৰ আগবঢ়াইছিলো। পাঠ কৰিলো। তাৰ ভিতৰত এইখন গৱেষণা-পত্ৰ শুনিবলৈ মানুহেৰে সভাগৃহ নধৰা হ'ল। কিমান যে zerox copy তেওঁবিলাকে মোৰ গৱেষণা-পত্ৰখনৰ কৰিব লগা হ'ল। তেওঁবিলাকে মোক সোধা প্ৰশ্নবোৰৰ ভিতৰত এটা ইন্টাৰেষ্টিং প্ৰশ্ন আছিল। দৰব দিওঁতা মানুহক মুছলিম বুলি যে ক'লা, বাংলাদেশৰপৰা যোৱা ৰিফিউজি মুছলিম নে কি? মই উত্তৰত কৈছিলো,— তেওঁবিলাক যুগ-যুগ ধৰি অসমত বসবাস কৰা থলুৱা অসমীয়া মুছলমান।

শ্ৰীমতী বিনোদিনী গোৱেংকাই গা ভাল পাই প্লেনেৰে উৰি গুৱাহাটী পাই বাহিৰে-বাহিৰে মোৰ তেতিয়াৰ ঘৰ চানমাৰিত সোমাই মোক সাবটি ধৰিলেহি আৰু কৃতজ্ঞতাত গদগদ কণ্ঠেৰে ক'লে যে মই সেইদিনা তেওঁৰ তালৈ নোযোৱা হ'লে তেওঁ কেতিয়াও নাবাচিলহেঁতেন। মই ক'লো যে— "ভগৱানক ধন্যবাদ জনোৱা। তোমাৰ তালৈ যাবলৈ তেওঁহে মোক সকীয়াই দিছিল।"

মোৰ এইখন গৱেষণা-পত্ৰ পাঠ কৰোঁতে সভানেত্ৰীত্ব কৰিছিল এগৰাকী অতি সুখ্যাত জাৰ্মান লেডি ডাক্তৰে। তেখেত Ph. Dও। গৱেষণা-পত্ৰখন পঢ়াৰ পাছত জাউৰিয়ে-জাউৰিয়ে প্ৰশংসা কৰি সেইদিনা ৰাতি তেওঁৰ ঘৰত মোক খাবলৈ মাতিলে। লগতে এজন চীনা স্কলাৰকো। তেওঁৰ স্বামী এজন নাম কৰা ব্যৱসায়ী। জাৰ্মেনিতে কেইবাখনো বিশাল-বিশাল হোটেল আছে। তেখেত অৱশ্যে চীনা মানুহ। সেইদিনা তেখেতে নিজে আমালৈ আহাৰ প্ৰস্তুত কৰিছিল— চাইনিজ নিৰামিষ আহাৰ। পাছদিনাও ৰাতিপুৱা চাহৰ লগত খাবলৈ বুলি জাৰ্মান মহিলা ৰুথে নিজা আপেল বাগানৰ আপেল পাৰি 'আপেল পাই' প্ৰস্তুত কৰি কেইবাটাও খাবলৈ বুলি দিছিল। মাতৃৰ ৰূপ সকলোতে একেই দেখি মোৰ চকুপানী ওলাইছিল।

সামৰণী উৎসৱৰ দিনা মোক 'সৰ্বশ্ৰেষ্ঠ স্কলাৰ' আখ্যা দি এটা সুদৃশ্য 'ৱাল ক্লক' উপহাৰ দিছিল। কাৰণ কেৱল ময়েই তিনিখন গৱেষণা-পত্ৰ দিছিলো আৰু প্ৰশ্নোত্তৰ বোলে বৰ মনোগ্ৰাহী হৈছিল। উল্লেখযোগ্য যে জাৰ্মেনিৰ সেই স্কলাৰখিনিয়ে জণ্ডিচ কেতিয়াও দেখা নাই, বেমাৰটোৰ নামহে শুনিছিল। দেখিবনো ক'ৰপৰা? এইবোৰ 'ৱাটাৰ বৰ্ণ ডিজিজ'। তেওঁবিলাকে মিনাৰেল ৱাটাৰ বা বিয়েৰৰ বাহিৰে অন্য পানী কেতিয়াও কোনোকালে মুখত নিদিয়ে। জাৰ্মান বিয়েৰ পৃথিৱী বিখ্যাত।

জাৰ্মেনিত বহুতো উৎসৱৰ লগতে ক্ৰিম দি ডাঙৰ-ডাঙৰ নুনি খোৱা উৎসৱ এটাও সেইবাৰ দেখিবলৈ পালো আৰু খোৱাৰ অভিজ্ঞতাও হ'ল।

এটা উৎসৱমুখৰ সন্ধিয়া জাৰ্মেনিত মই গান গাবও লগা হ'ল। মোৰ মনত 'সন্ধিয়াৰ আকাশত বগলী উৰে' গানটোৱেই আছিল আৰু গানটো গাই ইংৰাজীত বুজাই দিছিলো। আমাৰ ভাৰতীয় ছেণ্টিমেণ্ট যে তেওঁলোকৰ নাই এই কথা তেতিয়াহে উপলব্ধি হ'ল যেতিয়া এগৰাকীয়ে ক'লে— "কিয় মনত পেলাই দুখ কৰিব লাগে? মাকৰ ঘৰলৈ গুচি গ'লেই হয় দেখোন।" ঠিকেইতো। এনেকুৱা সৰু-সুৰা অজস্ৰ অভিজ্ঞতা আছে। আটাইবোৰ লিখা সম্ভৱেই নহয়।

জাৰ্মেনিৰ ফ্ৰেংকফৰ্টত আমাৰ অঞ্জন আছিল, মানে অঞ্জন বৰুৱা— হেম বৰুৱা এম. পি.ৰ ল'ৰা। তেওঁ ষ্টেট বেংকৰ বৰ ডাঙৰ অফিচাৰ। ৰূপালী, অঞ্জন আৰু তেওঁবিলাকৰ ছোৱালী দুজনী জোনালী আৰু সোণালীৰ লগত কটোৱা দিনকেইটা স্মৃতিৰ পটত উজ্জ্বল হৈ আছে। উজ্জ্বল হৈ আছে নিৰোদ বৰুৱাৰ ঘৰখন, পত্নী এলিজা আৰু ছোৱালী দুজনীৰ কথা। ছোৱালী দুজনীয়ে কি সুন্দৰ ছবি আঁকিছিল। নিৰোদ বৰুৱা নিজেও এজন ডাঙৰ আৰ্টিষ্ট। নিৰোদ বৰুৱাৰ লগত অসমৰ বিভিন্ন ইতিহাস আৰু অসম আন্দোলনৰ বিভিন্ন দিশৰ কথা পাতিছিলো। তেওঁ অসমলৈ অহাৰ ইচ্ছা বৰকৈ প্ৰকাশ কৰিছিল। মই সেই মৰ্মে পাছত মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ কাণ চোৱাইছিলো।

ক'তা একো নহ'ল দেখোন। বাহিৰত থকা, আহিবলৈ ইচ্ছা কৰা প্ৰতিভাবান লোকসকলক দেশলৈ ঘূৰাই আনিব পাৰিব লাগে— চৰকাৰৰ সেইটোও এটা ডাঙৰ কৰ্তব্য! অন্যদেশহে তেওঁবিলাকৰ প্ৰতিভাৰে সমৃদ্ধ হৈছে। অৱশ্যে এখনেই পৃথিৱী আৰু আমি আটায়ে এখন বিশ্বৰে মানুহ। তথাপি তাৰ মাজতে মোৰ দেশ, তেওঁৰ দেশ বুলি কথা এটা থাকে।

জাৰ্মেনিৰপৰা ইংলেণ্ডলৈ আহি অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আনখন সাহিত্য ছেমিনাৰত অংশগ্ৰহণ কৰি স্কটলেণ্ডৰ এডিনবৰা, গ্লাছগ' আৰু লিড বিশ্ববিদ্যালয় অঞ্চলত ভ্ৰমণ কৰিলো।

জাৰ্মেনিৰপৰা অহাৰ চাৰি বছৰৰ মূৰত চীনলৈ নিমন্ত্ৰণ আহিল। অৱশ্যে ইয়াৰ মাজত শান্তিনিকেতন, দিল্লী, মহীশূৰত অনুষ্ঠিত আন্তৰ্জাতিক সন্মিলনত অংশগ্ৰহণ কৰিছিলো। এই আটাইবোৰত হয় সাহিত্যৰ, নহয় সংস্কৃতিৰেই গৱেষণা-পত্ৰ পঢ়িছিলো।

চীন ভ্ৰমণৰ কথা ক'বলৈ যোৱাৰ আগেয়ে জাপান ভ্ৰমণৰ আৰু কিছু অভিজ্ঞতাৰ বিষয়ে ক'বলৈ মন গৈছে, বিশেষকৈ জাপানৰ কবিতাৰ বিষয়ে।

সাগৰৰ মাছ, শামুক আৰু অৰণ্যৰ ঘাঁহৰ বাহিৰে প্ৰাকৃতিক সম্পদ একো নথকা জাপান। তাতেই আগজাননী নিদিয়াকৈ অহা টাইফুনৰ প্ৰচণ্ড নিষ্ঠুৰতা, ভয়ংকৰ আগ্নেয়গিৰিৰ জ্বলন্ত বিস্ফোৰণ আৰু প্ৰতিদিনে প্ৰায় দুটাকৈ অহা ভূমিকম্প। এনে বিভীষিকাৰ মাজত থাকিও মানুহখিনিয়ে জীয়াই থকাৰ সাধনা কৰিব জানে, জীৱনৰ আৰ্ট জানে আৰু তেনেকৈয়ে আজি বিশ্বৰ শীৰ্ষস্থানত উপনীত হৈছে জাপান। মানুহখিনিৰ চাৰিত্ৰিক (জাতিগত) বৈশিষ্ট্য গঢ় দিছে এনে ভৌগোলিক বিচিত্ৰ পৰিৱেশেই।

কবিতাৰ দেশ জাপানলৈ আহিছোঁ মানুহক লগ পাবলৈ। মানুহৰ কাৰণে মানুহৰ সকলোতকৈ ডাঙৰ কৌতূহল। মানুহৰ মুখৰ অৰ্থময় একোটা শব্দই জীৱন চপচপীয়াকৈ পূৰ্ণ কৰিব পাৰে, তেওঁৰ এষাৰ কথাতে উদ্ভাসিত হ'ব পাৰে সহস্ৰ যুগৰ ইতিহাস।

কতদিনৰ এই স্বপ্ন! জাপানখন চাবলৈ পোৱা হ'লে? মোৰ স্বপ্ন অতি আচৰিতভাৱেই ফলিয়ালে— 'ইন্টাৰনেশ্যনেল কংগ্ৰেছ অব্ হিউমেন ছায়েন্স ইন এছিয়া এণ্ড আফ্ৰিকা'ৰ জাপানত বহা একত্ৰিংশত্তম অধিবেশনে ব্যক্তিগতভাৱে মোক নিমন্ত্ৰণ কৰিলে আৰু 'সাহিত্যৰ পৰম্পৰা আৰু ৰূপান্তৰ' এই শিতানত মোৰপৰা গৱেষণা-পত্ৰ বিচাৰিলে। বিশ্বৰ পাঁচপন্নখন ঠাইৰ পণ্ডিতে এই বিশ্বসন্মিলনত অনুৰোধক্ৰমে বিভিন্ন বিষয়ত গৱেষণা-পত্ৰ আগবঢ়াইছিল।

দক্ষিণ-পূব এছিয়া আৰু আফ্ৰিকাৰ সাহিত্য, দৰ্শন, ইতিহাস, অৰ্থনীতি, ৰাজনীতি, সমাজবিজ্ঞান, ধৰ্ম, ভাষাবিজ্ঞান, সংগীত, মঞ্চকলা ইত্যাদি উনৈছটা বিষয়ে লিখা তিনি হাজাৰ ছশ আঠষষ্ঠিখন গৱেষণা-পত্ৰ তেওঁবিলাকে পাইছিল। তাৰে সাতশখন গৱেষণা-

পত্ৰ গৃহীত হৈছিল আৰু তাৰ ভিতৰত সাদিনৰ আলোচনা-চক্ৰত প্ৰায় ষাঠিখন গৱেষণা-পত্ৰহে পাঠ কৰিবলৈ দিয়া হৈছিল। আন্তৰ্জাতিক বাছনি কমিটিৰ বাছনিত সৌভাগ্যক্ৰমে মোৰ গৱেষণা-পত্ৰখন উত্তীৰ্ণ হৈছিল আৰু তাৰ জোৰতে স্থানীয় আতিথ্য দি মোক অংশগ্ৰহণ কৰিবলৈ মতা হৈছিল। পাছত সাহিত্যৰ বিশেষ শাখাৰ সভানেত্ৰীত্ব কৰিবলৈ তাত মোক নিৰ্বাচন কৰা হৈছিল।

উৰাজাহাজতে চিনাকি হোৱা ৰাঁচী বিশ্ববিদ্যালয়ৰ মুখ্য অধ্যাপক ড° এছ. পাঠক, জাৰ্মেনিৰ হেইডেলবাৰ্গৰ মূলাৰ ষ্টেলৰেখট আৰু মই আমাক থোৱা 'গিঞ্জা কেপিটেল হোটেল'ৰপৰা একেলগে ওলাই গৈছিলো প্ৰথম দিনাৰ 'অভ্যৰ্থনা নিশা'লৈ। পৃথিৱীৰ সৰ্বোত্তম আৰু সৰ্বোচ্চ হোটেলবোৰৰ অন্যতম 'আকাছাকা প্ৰিন্স হোটেল'ত দেশ-বিদেশৰ ওঠৰশ পণ্ডিতৰ অভ্যৰ্থনাৰ ভোজ।

ভোজঘৰৰ বিশালতা আৰু কাৰুকাৰ্যও বৰ্ণনাতীত। চাৰিওফালে লাইফ ছাইজৰ আইনা— তাত প্ৰতিবিম্বিত হৈছে প্ৰশান্ত মহাসাগৰৰ দৰে মানুহৰ বৰ্ণোচ্ছল সমুদ্ৰ। সকলো ফলৰে ৰস, সকলো ধৰণৰ মদিৰা, সকলো ধৰণৰ পশ্চিমীয়া আৰ্হিৰ সুখাদ্যৰ লগতে পৰিবেশন কৰা হৈছিল জাপানী নিজা আহাৰো— কোনো-কোনো বিভিন্ন টেবুল কৰি অনন্যসুন্দৰ ষ্টাইলেৰে— ভাত, শাক-পাচলি, ৰূপালী-সোণালী মাছ। ৰূপৰ কাঁহী, ৰূপৰ চামুচৰ জিকমিকনি, পুষ্পসজ্জাৰ দৰে আইচক্ৰিম, পুডিঙৰ শোভা। সকলোতে কবিতা। কিন্তু কবি? জাপানৰ কবিক মই লগ পামনে?

নাই, কবিতা শুনাৰ তাত কোনো অৱকাশ নাই। সাদিন জুৰি বিশ্বৰ চিন্তাবিদসকলৰ কেৱল গহীন আলোচনা, কেৱল অনুসন্ধিৎসা, কেৱল বিতৰ্ক। একেবাৰে সুৰুঙা নথকা প্ৰ'গ্ৰেম— ছেকশ্যনেল মিটিং, ছেমিনাৰ, সংস্কৃতিৰ বিভিন্ন দিশৰ ছবি প্ৰদৰ্শন, সংগীতানুষ্ঠান। ৰাতিৰ টকিঅ'? গেইছা? এইবোৰৰ নাম কোনোবাই লৈছে; নাই, মই চাব খোজা নাই, মই কেৱল শুনিব খুজিছোঁ নুশুনা সেই কবিতা।

অৱশেষত সেই সন্ধিয়া। অধ্যাপক টি. নাৰাক মই-এই বাসনাৰ কথা কৈছিলো। তেওঁ টকিঅ' বিশ্ববিদ্যালয়ৰ ফৰেন ষ্টাডিজ বিভাগত কাম কৰে। কলিকতাত তেওঁ 'কম্পাৰেটিভ ফিল'লজি'ৰ উচ্চশিক্ষা ড° সুনীতি কুমাৰ চেটাৰ্জি আৰু ড° সুকুমাৰ সেনৰ ওচৰত লৈছিল। অতি মাৰ্জিত কথা-বতৰাৰ মানুহ। ভিতৰে-ভিতৰে ৰসিক। কৈছিল,— "কিছুদিন ইয়াত থাকা। আমাৰ বিশ্ববিদ্যালয়ত তোমাক লৈ এখন আলোচনা-চক্ৰ পাতিম। আটাইবোৰ বিখ্যাত কবিকে মাতিম।" তাৰ উপায় ক'ত। অধ্যাপক নাৰাই ৰহস্যময় হাঁহি মাৰি কৈছিল ঃ সৰু তৰা এটাই একোখন আকাশ পিঠিত কঢ়িয়াই লৈ ফুৰে,— এই কবিতাটো পঢ়িছা নহয়? তুমি-ময়েই সেই সৰু তৰা নহয় জানো?

ইংগিতটো মই বুজিছোঁ। মানুহৰ ভিৰৰ মাজতেই ধ্যানস্থ হ'ব পৰা জৈনধৰ্মী নাৰাই

তত্ত্বকথা কৈছে। সত্য, শুদ্ধ, পৰম দৃষ্টিৰ বীজ মানুহৰ অন্তৰতে অন্তর্নিহিত। ধ্যানী কবিয়ে তাক স্পর্শ কৰিব পাৰে, প্ৰকাশ কৰিব পাৰে। চাবলৈ গ'লে সংস্কৃতিসম্পন্ন জাপানৰ আটাইবোৰেই কবি।

"কাইলৈ ছুফিয়া বিশ্ববিদ্যালয়ত জাপানী আৰু চীনা কবিতাৰ বিষয়ে 'পেপাৰ' হ'বই নহয়, কবিক কবিতাতেই বিচাৰি পাবা।"

প্ৰথমতে অধ্যাপক ড° টয়ক য়ছিদাই কবি ইন অউই য়াচুছিৰ এই আধুনিক কবিতাটো পঢ়িলে। কবিতাটোৰ নাম 'এটা মাহ, এটা দিন'। দ্বিতীয়তে তেওঁ পঢ়িলে টানিকাৱা শুন্‌টাৰোৰ 'ছিউড' এনাটমিকেল ছেলফ পৰ্ট্ৰেইট নামৰ কবিতাটো ঃ কবিতাটোৰ মুকলি অনুবাদ এনে—

"মই কিছুমান ষ্ট্ৰবেৰি (নুনি) খালো। মোৰ জামু দাঁতটো সোণেৰে বন্ধোৱা। মই কুঁহিপাতবোৰ দেখিছোঁ কিন্তু গছৰ নাম নাজানো। মোৰ চকু দুয়োটাতে ক'লাৰেখা। মই প্লাইউডত গজাল কিছুমান মাৰিলো। মোৰ ওপৰৰ বাহুত বলিষ্ঠ মাংসপেশী। আধা জনা গানৰ কলি এটা ঘূৰাই-ঘূৰাই গাইছোঁ। মোৰ জিভাৰ তলত এটা টিপ। বাটেদি পাৰ হোৱা ছোৱালীজনীৰ গাৰ সুবাস নাকত লাগিছে। মোৰ গোপন অংগ... শব্দ লিখোঁতে বাৰে-বাৰে অভিধান চোৱা মোৰ অভ্যাস। ... মই এতিয়া আৱিষ্কাৰ কৰিছোঁ বন্ধুবোৰৰ দুৰ্ভাগ্য মই গোপনে উপভোগ কৰোঁ।"

মই স্তব্ধ হ'লো। আধুনিক জাপানী কবিতাৰ ৰূপ এনেকুৱা নে কি? তেওঁবিলাক কেতিয়াৰ কবি? প্ৰথমজনৰ জন্ম ১৯০৭, দ্বিতীয়জনৰ ১৯৩৩ চনত। এই আধুনিক কবিতা দুটাত ফুটি উঠা অস্বচ্ছ পথ, পথ হেৰুউৱা অস্থিৰতা, আধা পোত যোৱা নগৰীয়ে কি সূচায়? কেৱল স্থূল আত্মমগ্নতা ঐতিহ্যপূৰ্ণ জাপানী কবিতাৰ আত্মবিলুপ্তিৰ ভয়ংকৰ বিপৰীত ৰূপ নহয়নে? 'শৰতৰ বৰষুণ' নামেৰে আন এটা আধুনিক কবিতাৰ উদ্ধৃতি দি আধুনিক মনৰ ভয়াৱহ নিঃসংগতাৰ ৰূপ পণ্ডিতজনে দেখুৱালে আৰু জাপানী কবিতাৰ পৰম্পৰা আৰু তাৰ ৰূপান্তৰৰ যি কাৰণসমূহ দাঙি ধৰিলে তাৰ সাৰমৰ্ম এনে ঃ

জাপানী কবিতাৰ আধুনিকতাৰ ইতিহাস প্ৰকৃতপক্ষে অতীতৰ লগত এক ভাঙোনৰ ইতিহাস। একাদিক্ৰমে অহা নিজা পৰিৱেশৰ, নিজা পৰম্পৰাৰ ই পৰিণতি নহয়। অকলেই যোৱাৰ অংগীকাৰ লৈ আগবঢ়া জাপানী আধুনিক কবিতাৰ (১৯২০ চনমানৰপৰা আৰম্ভ) সংকল্প আছিল এনে— 'প্ৰতিজন নতুন কবিয়ে সম্পূৰ্ণৰূপে নতুন যাত্ৰা কৰিব লাগিব।' ১৯২৮-ৰপৰা ১৯৩১ চনলৈকে প্ৰকাশ হোৱা 'শ্বিটো শ্বিৰণ' নামৰ মাহেকীয়া আলোচনীখনে পশ্চিমৰ কাব্য পৰীক্ষা, কাব্য তৰংগৰ বতৰা জাপানলৈ কঢ়িয়াই অনাত আগভাগ লৈছিল। পশ্চিমৰ নতুন পৰীক্ষামূলক কবিতাৰ ভাঙনি কৰাত আৰু নতুন

কবিতা সম্পৰ্কে লিখাতেই গুৰুত্ব দিছিল। বেছিভাগ সমালোচকেই এই নতুন ধাৰা অগ্ৰাহ্য কৰিছিল, সন্দেহ প্ৰকাশ কৰিছিল; কিন্তু জাপানী নতুন কবিয়ে ইয়াকেই আধুনিকতম সৃষ্টিৰ কাম বুলি ধৰি গতি আগবঢ়াইছিল আৰু পশ্চিমীয়া, বিশেষকৈ ফৰাচী কবিতাক আৰ্হি কৰি লৈছিল।

তেওঁ জাপানী সাহিত্যিক যুগকেইটাৰ কথা থূলমূলকৈ কৈছিল ঃ জাপানী সাহিত্যৰ আৰম্ভণি যুগ পঞ্চম শতিকাৰপৰা অষ্টম শতিকালৈ বুলি ধৰিব পাৰি। এই সময়খিনিতে প্ৰচুৰভাৱে জাপানী ভাষাত লিখা আৰম্ভ হয়। ধৰ্মীয় আচাৰ-নীতি সম্পৰ্কীয় গীত, মন্ত্ৰ, কাহিনী গীত, বিবাহৰ গীত, প্ৰেমৰ গীতেই এই যুগৰ বৈশিষ্ট্য। দ্বিতীয় নাৰা যুগৰ সময় হ'ল সাতশ দহৰপৰা সাতশ চৌৰান্নবৈলৈ। নাৰাত ৰাজধানী থাকোঁতেই বিখ্যাত প্ৰাচীনতম 'ক্ৰনিকল' 'কোজিকি' লিখা হয়। মধ্য অষ্টম শতিকাত সকলোতকৈ প্ৰাচীন জাপানী কাব্য সংকলনৰ নাম হ'ল মানয়োচু (দশ সহস্ৰ পত্ৰ সংগ্ৰহ)। এই সংকলনৰ চাৰি হাজাৰ পাঁচশটা কবিতাৰ লেখকৰ সংখ্যা পাঁচশ ষাঠিজন। বলিষ্ঠ দীঘল কবিতা আৰু 'ইলিজি'ৰ বাবে এই কবিসকলৰ ভিতৰত ককিন মটনো হিটমাৰো উল্লেখযোগ্য।

সাতশ চৌৰান্নবৈৰপৰা এঘাৰশ ছয়াশীলৈকে হেইয়ান যুগ। এইসময়ৰ সাহিত্যৰাজি কিঅটক (সেইসময়ৰ ৰাজধানী) কেন্দ্ৰ কৰি সৃষ্টি হৈছিল। এই সময়ৰ উল্লেখযোগ্য সাহিত্যকৃতি হ'ল নাৰীয়ে লিখা উপন্যাসসমূহ। এইসময়ৰ পুৰুষসকলে লিখিছিল চীনা ভাষাতহে। 'ককিনচু' নামৰ কাব্যসংগ্ৰহ কৰিছিল কি ন চুৰায়কিয়ে। ইয়াৰ এহেজাৰ, এশ কবিতাৰ বেছিখিনিয়েই টংকা আৰু ইয়াৰে সাধাৰণ নাম 'ৱাকা'। প্ৰেম টংকা কবিতাৰ প্ৰধান সম্পদ। কৃষক, ভিক্ষু, পণ্ডিত, চিকিৎসক, ৰাজনীতিজ্ঞও জনপ্ৰিয় টংকাৰ কবি। টংকাৰ ফৰ্মত কঠিন শৃংখলা মানি চলা হৈছিল। ৫, ৭, ৫, ৭, ৭—এনে একত্ৰিছটা স্বৰেৰে টংকা গঠিত হৈছিল। বাৰ শতিকাৰ কবি চৈগ্যো আছিল ৰহস্যবাদী। কামাকুৰা (১১৮৬-১৩৩১) যুগৰ কাব্যসংগ্ৰহ শ্বিন ককিনচু সংকলন কৰে কবি ফুজিৱাৰা টেইকাই। এইসময়তে টংকা কবিতাসমূহলৈ ধৰ্মীয় ভাব আছিল। পাতলতা হ্ৰাস প্ৰালে। আৱেগক সংকুচিতভাৱে প্ৰকাশ কৰা 'যুগেন' কবিতা এইসময়ৰে। নেদেখা বস্তুৰ ৰহস্যময় উপলব্ধিৰে 'যুগেন' আছিল ৰসসিক্ত।

চৈধ্য শতিকাৰ নাম্বকুচ যুগত 'ৰেংগা' কবিতাৰ বিছটা সংগ্ৰহ প্ৰকাশ পালে। মুৰমাচি যুগ ষোল শতিকালৈকে বিস্তৃত। এই যুগত ব্যক্তিনিষ্ঠ বীৰত্বব্যঞ্জক গাথাত জোৰ দিয়া হৈছিল। 'নো' নাটক সৃষ্টিৰো সময় এয়ে। ইয়াৰ পাছত আৰম্ভ হ'ল 'টকুগাৱা' যুগ (১৬০৩-১৮৬৭)। এই যুগতেই টকিঅ'ক কেন্দ্ৰ কৰি সাহিত্যৰ গুৰুত্বপূৰ্ণ বিকাশ হ'ল। এইসময়তে মানুহৰ কৰ্তব্যত গুৰুত্ব দিয়া ছামুৰাই সাহিত্য, ব্যক্তিগত অনুভূতিত

গুৰুত্ব দিয়া মধ্যবিত্ত সাহিত্য আৰু লোকসাহিত্য পল্লৱিত হৈছিল। ৰেংগাৰ জনপ্ৰিয়তা কমি আহিছিল। অভিজাত কবিতাৰ শৃংখলা, ৰুচি, সংযম সৰল হাইকুত ক্ৰমান্বয়ে পৰিলক্ষিত হৈ আহিছিল।

১৮৬৪ৰপৰা ১৯২০ চনলৈকে মেইজি যুগ। প্ৰলেটেৰিয়ান শ্ৰেণীৰ বাঢ়ি অহা ক্ষমতাই এই যুগত পশ্চিমীয়া ভাবধাৰা বিভিন্ন সুঁতিৰে সমন্বয় কৰে। ১৯১০ চনমানৰপৰাই স্বাভাৱিকবাদৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া আৰম্ভ হয় জাপানত। ১৯২০ চনত টানেমাকো হিট নামৰ এখন আলোচনীয়ে কমিউনিজমৰ আদৰ্শ প্ৰবলভাৱে প্ৰচাৰ কৰে আৰু জাপানীভাব ছুচিয়েলিজমৰ প্ৰতি ঢাল খায়। প্ৰলেটেৰিয়ান লেখকৰ ভিতৰত ক্বায়চিটাকিজি (১৯০৩-৩৩) শ্ৰেষ্ঠ লেখক। তেওঁৰ 'কানি কোছেনে' জমিদাৰে সৃষ্টি কৰা সমস্যাৰ ওপৰত পোহৰ পেলায়।

দ্বিতীয় মহাযুদ্ধৰ পাছত টংকা কবিতাৰ ফৰ্মক প্ৰলেটেৰিয়ান লেখকসকলে নিয়ন্ত্ৰণ কৰিবলৈ ল'লে। মেইজি যুগৰেপৰা পশ্চিমৰ ছ্যৰিয়ালিষ্ট, ডাডাইষ্ট আন্দোলনেও প্ৰভাৱ পেলালে। টি. এছ্. এলিয়টৰো বিশ্বজোৰা প্ৰভাৱ জাপানী সাহিত্যত পৰিল— যেন সাহিত্যলৈ ৰেনেছাঁ আহিল।

পণ্ডিতজনে প্ৰসংগক্ৰমে প্ৰতিযুগৰ সাহিত্যিক ৰূপান্তৰৰ আঁৰৰ শিপালৈকে কঁপোৱা ধৰ্মীয় প্ৰভাৱ, ৰাজনৈতিক নিয়ন্ত্ৰণৰ কথা কৈছিল, চীনা আৰ্হি, জৈন বৌদ্ধ কনফুছিয়াছ আৰু টাও মতবাদৰ কথা কৈছিল আৰু কৈছিল প্ৰকৃতি আৰু পৰম্পৰাৰ প্ৰতি জাপানী কবিৰ থকা একান্ত অনুৰাগৰ কথা।

অধ্যাপক টয়ক য়ছিদাই কৈছিল ফেংলিউৰ প্ৰভাৱৰ কথাও। এই 'ফেংলিউ' শব্দটোৰ অৰ্থ 'বতাহ আৰু জুৰি' অৰ্থাৎ স্বাধীনতা আৰু সহজতা। ইয়াক ইংৰাজী ৰোমাণ্টিক শব্দবোৰৰ লগত তুলনা কৰিব পাৰি। ফেংলিয়ে দিছিল চীনা আৰু জাপানী কবিতাক সৌন্দৰ্যবোধৰ ধাৰণা (aesthetic concept)। টাও মতবাদৰ সংস্পৰ্শতে ফেংলিউৰ ধাৰণা প্ৰথম গঢ় লৈ উঠে। কনফুছিয়াছৰ মতবাদেৰে সাহিত্যত যি শৃংখলা গঢ় লৈ উঠিছিল তাক ভণ্ডামিৰ ৰূপ বুলি ধৰি লৈ কিছুমান কবিয়ে টাও মতবাদত আশ্ৰয় লৈ সৌন্দৰ্য আৰু সত্যৰ সন্ধানত মনক অহৰহ নিবিষ্ট কৰিছিল। সত্য আৰু সৌন্দৰ্য সন্ধানত ব্ৰতী মনৰ পৰিচায়ক এই কবিতাবোৰ আছিল অনিত্যতা আৰু স্থূলতাৰ বিৰুদ্ধে যেন প্ৰতিবাদ। ফেংলিউৰ ধাৰণা জাপানত আৰম্ভ কৰিছিল চীনা ছাত্ৰসকলে সপ্তম শতিকাত। জাপানীসকলে সত্যতকৈ বেছি গুৰুত্ব দিলে সৌন্দৰ্যত আৰু লাহে-লাহে ফেংলিউ হ'ল 'ইথেৰিয়েল ৰিফাইনমেণ্ট'ৰ এক ধাৰা।

জাপানত এনে পৰম্পৰা থকা সত্ত্বেও আধুনিক কবিতাত দেখা পোৱা বিপৰীত ৰূপান্তৰ সম্পৰ্কত অধ্যাপক য়ছিদাই কৈছিল ঃ

"জাপানৰ হাইকু কবিতাই যেনেকৈ পশ্চিমৰ চিত্ৰকল্পবাদী (ইমেজিষ্ট) আন্দোলনক প্ৰভাৱান্বিত কৰে তেনেকৈ জাপানৰ আধুনিক কবিতা পশ্চিমৰ প্ৰভাৱে অন্যহাতে গঢ় দিয়ে। ফৰাচী কবিতাই বডলেয়াৰৰ হাততে আন্তৰ্জাতিক কবিতাৰ গুণ লাভ কৰে আৰু তেতিয়াৰপৰাই পূবৰ দৃষ্টি পশ্চিমত পৰে আৰু লাহে-লাহে প্ৰাচীন পৰম্পৰাৰ ঠাইত আধুনিক কবিতাই মূৰ দাঙি উঠে।"

অধ্যাপক য়ছিদাই আৰম্ভণিতে পঢ়ি শুনোৱা কবিতাকেইটা আছিল 'কথাত কবিতা'ৰ (poem in prose) দৃষ্টান্ত। তেওঁৰ মতে জাপানত এনে কবিতাৰ ইতিহাস ফৰাচী দেশৰ কথাত কবিতাৰ ইতিহাসতকৈও প্ৰাচীন। চেই চোনাগন আৰু মাৎসু বাচোৱে প্ৰাচীন কালতে লিখা 'কথাত কবিতা' চিত্ৰল, বৰ্ণনাময় আৰু দাৰ্শনিকতত্ত্বৰ আভাস থকা 'ফু' (মুক্ত ছন্দ) নামৰ চীনা কবিতাৰ প্ৰভাৱত লিখিছিল। ফ্লবাৰ্ট বা জয়চিৰ 'কাব্যিক কথা'তকৈ (poetic prose) এইবোৰ আছিল বহুত বেলেগ।

আধুনিক এই 'কথাত কবিতা' চাবলৈ গ'লে প্ৰতিবাদেই। আন্তৰ্জাতিক তৰংগৰ নিঃসংগতাবোধ, নিৰাশা, পথ নোপোৱাৰ যন্ত্ৰণা, মানসিক জৰাজীৰ্ণতা তুলি ধৰাৰ এইবোৰ স্বাক্ষৰ। কোৱাতকৈ নোকোৱা, দেখাতকৈ নেদেখাৰ প্ৰতি থকা জাপানী পৰম্পৰাৰ অনুৰাগ এইবোৰ কবিতাই ভাঙি দিব খুজিছে। কবিতা আৰু কথাৰ মাজত পাৰ্থক্য ইয়াতেই যে কথাই পাত ভৰাই দিয়ে, কবিতাই ঠাই থয়। কবিতাই শূন্যতা ভৰাই থয় ইংগিতেৰে, নৈঃশব্দ্যৰে ভৰাই থয় কাণ। কবিতাই ছন্দৰ সংগীত আৰু সংগীতৰ ব্যঞ্জনা প্ৰতিষ্ঠা কৰে। আনহাতে কথাত থাকে আগবঢ়াৰ গতি। কবিতাত শব্দ নিৰ্বাচনো গুৰুত্বপূৰ্ণ। নিৰ্বাচিত শব্দই বিশেষ ইংগিতৰ ওজন বহন কৰিব লাগিব। ছন্দৰ সৌন্দৰ্য আৰু তৰপীয়া ব্যঞ্জনা কবিতাত ভাগি যোৱাৰ শংকা থাকে। কথাত সেই ভয় নাই।"

সন্ধিয়া উভতি আহোঁতে সন্ধিয়াৰ সৰু তৰালৈ চাই অধ্যাপক নাৰাক কৈছিলো,— "একেই খেলা যুগে-যুগে, দেশে-দেশে। ভঙা-গঢ়াই আধুনিকতা, শিথিলক নিটোল কৰি কবিতাক আধুনিক কৰিব খুজিছোঁ আমি। ইয়াত চলিছে নিটোলক শিথিল কৰাৰ পৰীক্ষা। মোৰ ভয় লাগিছে, তোমালোকৰ সৌন্দৰ্যৰ প্ৰতি সেই আপোন পাহৰা বিস্ময় বিমুগ্ধ দৃষ্টি, অভিনৱ, চমকপূৰ্ণ সেই প্ৰকাশ আধুনিক এই পৰীক্ষাত যদি উটি যায়? আন্ধাৰ সাগৰৰ শৰালিৰ মাত, বৰফত জিলিকা এটা জোনাক ৰাতি আৰু লতাৰ সূতত খোজ পেলাই লৰি থকা নিয়ৰৰ পাহাৰখন— আঃ কি চমৎকাৰ! নাৰা, সেইবোৰৰ যে তুলনা নাই। সেইবোৰ জানো উটি যাব?"

"উটি গ'লেও সেইবোৰ পানীত উটি যোৱা ফুল (শুভ্ৰ ৰাজহংস) হৈ থাকিব। ভয় নকৰিবা— জাপানৰ জাতীয় চৰিত্ৰৰ শিপা ইমান গভীৰত যে পৰম্পৰায়েই ভৰি থোৱা

মাটি হৈ থাকিব। মাটি এৰি থিয় হ'ব পাৰি জানো? পৰম্পৰা আৰু আধুনিকতাৰ সুস্থ সমন্বয়েই জাপান।" আশাবাদী নাৰাই আশ্বাস দিলে।

এইবাৰ চীনৰ কথালৈ আহোঁ। চীনদেশৰ দক্ষিণৰ ইউন্নান নামৰ প্ৰদেশত এইবাৰৰ ছেমিনাৰ। মই চীনৰ এক প্ৰাচীন ধৰ্ম 'তাও'ৰ লগত সামঞ্জস্য থকা অসমৰ বৌদ্ধতান্ত্ৰিক ধাৰা এটাৰ তুলনামূলক অধ্যয়ন কৰি দুয়োখন দেশৰ সাংস্কৃতিক সমন্বয়ৰ বিচাৰ কৰিছিলো। গৱেষণা-পত্ৰখনে অশেষ প্ৰশংসা লাভ কৰিছিল আৰু মই গৈ পোৱাৰ আগতে সেইখন চীনা ভাষালৈ অনুবাদ হৈ গৈছিল।

ইউন্নান প্ৰদেশৰ কুনমিনত হোৱা এই আন্তৰ্জাতিক আলোচনা-চক্ৰলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° যোগেন ফুকন প্ৰমুখ্যে অসমৰ কেইবাজনো অংশগ্ৰহণকাৰী গৈছিল। মই চীন-জাপানৰ ভ্ৰমণ কাহিনীত কথাবোৰ বহলকৈ লিপিবদ্ধ কৰিছোঁ।

ৰাতি-ৰাতি হোৱা সাংস্কৃতিক সন্মিলনত আমাৰ বিহু আৰু জেং বিহুৰ লগত হুবহু সাদৃশ্য থকা নৃত্য আৰু দেওধনী নৃত্য চাই বিস্ময়াভিভূত হ'লো।

তাৰ পাছত থাইলেণ্ড হৈ তাৰো অতি সুন্দৰ স্থাপত্য, ভাস্কৰ্য, কাঠৰ বিভিন্ন মূৰ্তি কটা ইণ্ডাষ্ট্ৰি, কটন ইণ্ডাষ্ট্ৰি আৰু অপূৰ্ব সাংস্কৃতিক সন্ধিয়া উপভোগ কৰিলো।

চীনদেশলৈ গৈছিলো ১৯৯০ চনত। এক মুহূৰ্তৰ কাৰণেও মোক লগ এৰি নিদিয়া মোৰ একান্ত সহচৰ ডায়েবেটিছৰ কাৰণে দিনে দুবাৰকৈ ইনছুলিন ল'ব লগা হয়। সেই অদৃশ্য আৰু ক্ষয়ংকৰ বেমাৰটোৰ সৈতে মই বিদেশৰ ইমান ঠাই ভ্ৰমণ কৰি ফুৰা দেখি ডাক্তৰসকলেও বিচুৰ্তি খায়। কাৰণ যিকোনো বস্তু খাব নোৱাৰোঁ, যেতিয়াই-তেতিয়াই ব্লাড ছুগাৰ ল' হোৱাৰ ভয়। প্লেনত টেক অফ কৰোঁতেও ল' ছুগাৰ হয়, কেতিয়াবা বজাৰৰ মাজত হয়, কেতিয়াবা আনকি মিটিং চলি থাকোঁতেও। মোৰ বেগত অনবৰত বিস্কুট, সৰু বটল এটাত এবটল চেনি আৰু টফি ৰাখিছিলো। ব্লাড ছুগাৰৰ উঠা-নমাটো আমাৰ তাহানিৰ অংকৰ সেই তেল সনা খুঁটাত ভেকুলী উঠা-নমা কৰাৰ দৰে।

চীনদেশ হাৰ্বেল মেডিচিনৰ কাৰণে বিখ্যাত। ইয়াত তেনে হস্পিটেলো ঠায়ে-ঠায়ে আছে। এনে হস্পিটেল এখনত গৈ মোৰ অসুখৰ বিষয়ে পৰামৰ্শ ল'বলৈ আমাৰ জোঁৱাই ব্ৰজেন (মাখন) আৰু ভাই প্ৰদীপে (মুনু) বাৰে-বাৰে কৈ পঠাইছিল। মই 'জু'ক (দোভাষী) কথাটো ক'লো। জু হৈছে ধুনীয়া, ভদ্ৰ চীনা ডেকা এজন। তেওঁ ফৰেন ষ্টাডিজ বিভাগত কাম কৰে। ভালকৈ ইংৰাজী জানে। তেওঁ মোক এদিন ৰাতিপুৱা হোটেলৰপৰা লৈ গ'ল। ট্ৰেডিশ্যনেল মেডিচিনৰ হস্পিটেলখনলৈ খোজকাঢ়ি যাব পৰা দূৰত্ব। আমি চাৰি মহলীয়া হস্পিটেলখন পালোগৈ। তাত বগা পায়জামা আৰু

গোল ডিঙিৰ ডাঙৰ পাঞ্জাবিৰ দৰে চোলা পিন্ধা শুদা ভৰিৰে থকা চীনা ডাক্তৰবোৰ নিঃশব্দে কৰ্তব্যৰত হৈ আছে। দেখিলে ডাঙৰ বুলি একেবাৰে ধৰিব নোৱাৰি। বাহিৰা গ্লেমাৰ নাৰাখে। তেনে এজন ডাক্তৰৰ কমত বহুৱাই মোক চাবলৈ দিলে। ডাক্তৰজনে মোৰ নাড়ী হাতেৰে টিপি-টিপি জুক চীনা ভাষাতে বহুত কথা সুধিলে। জুৱে মোক ইংৰাজীত কথাবোৰ ভাঙি-ভাঙি দিয়ে। মই ইংৰাজীত কওঁ, জুৱে পুনৰ ডাক্তৰক চীনা ভাষাত বুজাই দিয়ে। অতি আশ্চৰ্যৰ বিষয় এয়ে যে নাড়ী টিপিয়েই ডাক্তৰে মোৰ সমস্ত বেমাৰৰ কথা গম পালে। তেখেতে ডায়েবেটিছৰ কাৰণে ঔষধ দিম বুলি ক'লে আৰু মোক পাট-পলু আৰু বিফ খাবলৈ উপদেশ দিলে। এইবিলাকত বোলে বহুত বেছি প্ৰ'টিন থাকে। খোৱা দূৰৰ কথা, শুনিয়েই মোৰ ওকালি আহিল। তেখেতে চীনদেশত কিছুদিন থাকিলে বেমাৰটো আৰোগ্য কৰি দিব বুলি কৈছিল। থাকিবৰ উপায় নাই, যিকেইদিনৰ ভিছা আছে সেইকেইদিনহে থকা সম্ভৱপৰ। সদ্যহতে পাঁচশমান টকাৰ হাৰ্বেল্ মেডিচিনৰ পেকেট এটা দিলে, দৰবৰ আৰু দৰকাৰ হ'লে 'জু'লৈ লিখিলে যোগাৰ কৰি পঠাই দিব। মই জানো চীনৰ লগত যোগাযোগ ইমান সহজ নহয়। মোৰ গৱেষণা-পত্ৰখন ভাৰতৰপৰা চীনলৈ কোনোমতেই পঠাব নোৱাৰি। পত্ৰখন কম্পিউটাৰৰ ফ্লপি কৰাই অষ্ট্ৰেলিয়াৰ নেশ্যনেল ইউনিভাৰ্ছিটিৰ অধ্যাপক, মোৰ বন্ধু বি. জে. টেৰউইললৈ (বাছলৈ) পঠাইছিলো; অষ্ট্ৰেলিয়াৰপৰা চীনলৈ তেওঁ পঠাই দিছিল। এনেস্থলত দৰব অনাৰ ব্যৱস্থাও অতি জটিল হ'ব। যি নহওক সেই দৰবখিনিৰ মস্ত পেকেটটো বুকুত বান্ধি অসম ওলালোহি। মোৰ এই ৰোগ চাই-চিতি থকা ডাক্তৰ এজনক এই বিষয়ে ক'লত তেখেতে দৰবৰ লগত দিয়া লিটাৰেচাৰখিনি পঢ়ি চাব খুজিলে। পাছে কি হ'ব, চীনা ভাষাতহে লিখা, একো পঢ়িব পৰা নগ'ল। দৰবখিনিৰ পেকেট খুলি দেখিলো,— এসোপামান যেন বগা, ধুনীয়া পিংপং বল, অৰ্থাৎ পিল একোটা পিংপং বলৰ সমান। ভাঙি চোৱাত মলা ধঁপাতৰ নিচিনা গোন্ধ আহি নাকত লাগিলহি। ৰঙো একে। খাবলৈ ভয় লাগিল, কিবা প্ৰতিক্ৰিয়া হয়! ইয়াৰ ডাক্তৰেও ক'লে,— কিবা হ'লে একো সহায় কৰিব নোৱাৰিব।

মোৰ ছোৱালীজনী জিঅ'লজিষ্ট। তাইৰ লগত বহুতো দক্ষিণ ভাৰত, মধ্য ভাৰতৰ লোকে কাম কৰে। তাৰে এজনে কথাটো শুনি এটা বৰি নি খাই চালে; তেওঁৰ ডায়েবেটিছ আছিল। বৰিটোৰ কিমান বা খাইছিল। তেওঁৰ মূৰ ঘূৰাই গ'ল, চকুৱে ধোঁৱা-কোঁৱা দেখিলে। হয়তো নাৰ্ভাছ হ'ল। তেওঁ আৰু সাহ নকৰিলে। আজিও দৰবখিনি তেনেকৈয়ে পৰি আছে। চীনা ভাষা জনা মানুহ ইয়াত কোনোবা থকা হ'লে। এই অসুখটোৱে মোৰ সকলো শেষ কৰিলে। ছবাৰকৈ জণ্ডিছ হ'ল। স্পণ্ডেলাইটিছ হ'ল। এতিয়া গৈ থৈ ডায়েবেটিক ৰেটিনপেথি হ'ল। চকুৰ দৃষ্টি শতকৰা ৮০ ভাগেই গ'ল। এতিয়া লিখোঁতে

অতি কষ্টেৰে আন্দাজতহে লিখিছোঁ। চছমা লৈও, মেগ্নিফাইং গ্লাছ লৈও আখৰ দেখাত অসুবিধা হয়। গোটেইবোৰ ধোঁৱা-কোঁৱা, পোহৰ-পোহৰ দেখোঁ। জীয়াই থাকিও চকুৰে দেখিবলৈ কোনোপধ্যেই উপায় নোহোৱাটো কি সীমাহীন যন্ত্ৰণাৰ কথা। পৃথিৱীত শতকৰা তিনিজনৰহে এই ৰোগ হয়। এই ব্যাধিও কেনছাৰৰ দৰেই দুৰাৰোগ্য, প্ৰতিকাৰহীন। বাহিৰৰপৰা কোনেও এই বেমাৰ ধৰিব নোৱাৰে। মোৰ যে দৃষ্টিশক্তিৰ এই দুৰৱস্থা কোনেও গম নাপায়, আগৰ দৰেই লিখাৰ তাগিদা কৰে। মিটিঙলৈ যাবলৈ মাতে, যাব নোৱাৰোঁ বুলিলে বেয়া পায়। মোৰ শক্তিহীনতাৰ কথা কাক কেনেকৈ বুজাওঁ?

১৯৯২ চনৰ অক্টোবৰ মাহত মোৰ মামাৰ ল'ৰা যাদুমণিৰ বিয়াৰ কাৰণে শিৱসাগৰলৈ গৈছিলো। জোৰোণৰপৰা আহি ৰাতি ঘৰত এখন জৰুৰী চিঠি পালো। গুৱাহাটীৰপৰা আইজনীয়ে পঠাইছে— মোক দিল্লীলৈ মাতিছে, দিনটোত কেইবাবাৰকৈ ফোন আহিছে। বিদেশলৈ যাব লাগে বোলে। মোৰ খঙেই উঠিল। ইমান দিনৰ মূৰত ঘৰুৱা বিয়া এখনলৈ বুলি আহিলো। ৰাতি আকৌ ফোন আহিল। উপায়ান্তৰ হৈ বিয়া বাদ দি পাছদিনা পুৱা গুৱাহাটীমুখী বাছত উঠিলো। ৰাতি গুৱাহাটীৰ ঘৰ পাইহে গম পালো যে মালয়েছিয়াৰ 'কুৱালালামপুৰ'ত এখন বিশ্ব কবি সন্মিলন হ'ব। তালৈকে প্ৰতিখন দেশৰ এজনকৈ কবিয়ে নিমন্ত্ৰণ পাইছে। ভাৰতৰপৰা একমাত্ৰ প্ৰতিনিধি হিচাপে যাব লাগে মই। একমাত্ৰ প্ৰতিনিধি— বিশ্ব কবি সন্মিলনত! মই অতিশয় পুলকিত হ'লো। কিন্তু শৰীৰটো ইমান বেয়া যে যাবলৈ সাহ নহয়। ডাক্তৰক সোধা-পোছা কৰিলত তেখেতে অভয় দিয়াত আৰু সকলো য়া-যোগাৰৰ জঞ্জাল I.C.C.R.য়ে (Indian Council of Cultural Relations) ল'ব বুলি জানিলত বোজা পাতলিল। এতিয়া বাৰটা-পোন্ধৰটামান মোৰ নতুন কবিতাৰ ইংৰাজী অনুবাদ টাইপ কৰি দিল্লীলৈ যিমান পাৰি সোনকালে পঠাব লাগে। লগত পঠাব লাগে bio-data আৰু ভাল ফটোগ্ৰাফ। মোৰ নতুন কবিতাৰ ইংৰাজী অনুবাদ কৰিবলৈ জোন আৰু আইজনী বহিল। মাজত মাত্ৰ এদিন সময়। দিল্লী পাবগৈ লাগে। দিল্লীয়ে কবিতা, ফটো, বায়'ডাটা এইবোৰ মালয়েছিয়ালৈ পঠাব। মোৰ দিল্লীত গৈ থকা-মেলাৰ বন্দবস্তও 'ইণ্ডিয়ান কাউঞ্চিল ফৰ কালচাৰেল ৰিলেশ্যনে' কৰি দিলে। মোৰ এইবাৰৰ বিদেশ ভ্ৰমণ বৰ আৰামৰ হ'ব।

সেইমতে দিল্লী ১৪ তাৰিখে পাই সেইদিনাই পাছপৰ্ট I.C.C.R.-অত জমা দি 'ভিছা'ৰ কাৰণে পঠালো। বাকী ফৰ্মেলিটিবোৰো কৰিলো। যি বাকী ৰ'ল পাছদিনা পোন্ধৰ তাৰিখৰ দিনটোত হ'ব। যোল অক্টোবৰত মালয়েছিয়া অভিমুখে প্লেন উৰিব।

১৬ তাৰিখে দিল্লীৰপৰা বম্বে অভিমুখে উঠিলো। বম্বেৰপৰা সেইদিনাই মাদ্ৰাজ

আৰু মাদ্ৰাজৰপৰা উৰা মাৰিলো কুৱালালামপুৰলৈ। দিল্লী এয়াৰপ'ৰ্টতে শেষ ৰাতি মোৰ ছুটকেছটো বুক কৰি দিছিলো। ডাঙৰ জাৰ্মান ছুটকেছ, তাৰ ওপৰত ডাঙৰ লেবেল লগোৱা। কুৱালালামপুৰ যেতিয়া প্ৰায় ৰাতি বাৰমান বজাত পালোঁগৈ, ছুটকেছ বিচাৰি দেখোঁ ছুটকেছ পোৱাগৈ নাই। "So, It did not travel with you." "But why?" উত্তৰ কোনে দিয়ে? মোক স্বাগত কৰিবলৈ অহা ভাৰতীয় দূতাবাসৰ মানুহ, মিটিঙৰ সংগঠক, কেইবাজনো প্ৰকাশক বৰ বিমোৰত পৰা যেন হ'ল। ভাৰতলৈ ফোন কৰেহে কৰে, সঠিক খবৰ নাপায়। উপায় নাপাই এক বস্ত্ৰে গাড়ীত উঠিলো। হাতত কেৱল ইংৰাজী কবিতাখিনি আৰু দৰব, ইনছুলিন, মুৰত লোৱা ক্ৰিম। ৰাতি ফাইভষ্টাৰ হোটেল পালোঁগৈ, কাপোৰ সলাবলৈ হাতত একো কাপোৰ নাই। নিজকে বৰ লেতেৰা, বৰ অসহায় লাগিল। অপূৰ্ব সুসজ্জিত শয়নকক্ষত সোমাই, কাইলৈ কি পিন্ধি মিটিঙলৈ যাম বুলি ভাবি চিঞৰি-চিঞৰি কান্দিবৰ মন গ'ল। মালয়েছিয়ান ড্ৰেছ কোনোবাই ধাৰলৈ দিলেওতো পিন্ধিব নোৱাৰোঁ। মই বিছনাত পৰি আকাশ-পাতাল ভাবি থাকোঁতেই ৰাতি পুৱাল আৰু মোৰ ৰুমৰ ফোনটো বাজি উঠিল। ফোনত উদ্যোক্তাসকলৰ এজনে ক'লে,— কালি তোমাৰ ছুটকেছ আহি নোপোৱা বিপৰ্যয়ৰ কথা শুনিলো। তোমাৰ কাৰণে কিছু মালয়েছিয়ান ডলাৰ, নতুন টুথপেষ্ট, টুথব্ৰাছ, এইবোৰ পঠাই দিছোঁ, তোমাৰ দুৱাৰত এতিয়াই টোকৰ পৰিব— গ্ৰহণ কৰিবা। আঠমান বজাত এগৰাকী শিক্ষিতা মহিলা তোমাৰ ৰুমলৈ যাব, তেওঁক লৈ বজাৰলৈ গৈ প্ৰয়োজনীয় বস্তু কিনি ল'বা। কলিং বে'ল লগে-লগে বাজিল। মই দুৱাৰৰ হুক খুলি মানুহজনী লুকাই থাকি হাতখন আগবঢ়াই দিলো। মানুহজনী ওলাবলৈ গাত হাউছকোট আদি থাকিলেহে! শাৰীখনতো খুলি গা ধুই তাকেই পিন্ধিবলৈ বুজি ভাঁজ দি গাৰুৰ তলত থৈছোঁ। টকাৰ লেফাফা, টুথপেষ্ট, টুথব্ৰাছ লৈ দুৱাৰ মাৰি দি লৰালৰিকৈ বাথৰুমত সোমালো। অনিদ্ৰাত, ক্লান্তিত চকু-মুখ বহি গৈছে। গা ধুই বাহী অন্তৰ্বাসকে পিন্ধি (যিটো অতি বেয়া পাওঁ) তাৰ ওপৰত কোঁচমোচ শাৰীখন মেৰিয়াই মানুহগৰাকী অহালৈ বাট চালো। বেড টি নালাগে বুলিয়েই ক'লো। ব্ৰেকফাষ্ট মানুহগৰাকী আহিলে খাবলৈ একেলগে তললৈ যাম। তেওঁ ঠিক আঠ বজাৰ লগে-লগে আহিল। লুঙি আৰু জেকেট পিন্ধা মালয়েছিয়ান মহিলা; মূৰত দোপাট্টা এখন মেৰিয়াই লৈছে। তেওঁ মোক লৈ ব্ৰেকফাষ্ট কৰিলে আৰু ইণ্ডিয়ান মাৰ্কেটলৈ লৈ যাবলৈ গাড়ীত উঠালে। হওক তেও, ভাৰতীয় বজাৰ এখন আছে ইয়াত। পাছতহে জানিলো— মালয়েছিয়াত দক্ষিণ ভাৰতীয় মানুহ বহুত আছে। তেওঁবিলাকৰ বেপাৰ-বাণিজ্যও তাত যথেষ্ট আছে। তেওঁবিলাকৰে এই দোকান। ভাৰতীয় বজাৰখন দেখি প্ৰথম দোকানখনত ওলমাই

থোৱা প্ৰথম শাৰীখনকে মই কিনিলোঁ। হে ভগৱান সলাবলৈ এখন তেও বস্ত্ৰ হ'ল। ব্লাউজ? পেটিকোট? এইবোৰ পামনে? মানুহগৰাকীয়ে মোক কেইবাখনো দোকানলৈ লৈ-লৈ গ'ল। অইন দোকান দুখনৰপৰা আৰু দুখন শাৰী, পেটিকোট আৰু পেট ওলাই থকা চুটি ব্লাউজ কিনিলোঁ। ইয়াতকৈ ভাল ৰঙৰ আৰু পেট ঢাক খোৱা ভাল ব্লাউজ নাই, তাকে আপুতৰ পুতৰ দৰে ল'লোঁ আৰু হোটেললৈ উভতিলোঁ। নিৰ্দিষ্ট সময়ত ৰেলকাম পাবগৈ লাগিব।

নৱেম্বৰ মাহ আছিল যদিও তাত ৰ'দো, গৰমো। ডাৰ্ক বেঙুনীয়া ৰঙৰ শাৰীখন পিন্ধি ওলাব লগা হৈছে। ঘৰৰপৰা লৈ অহা ইমান ধুনীয়া-ধুনীয়া মেখেলা-চাদৰবোৰ থকা ছুটকেছটোলৈ মনত পৰি মনত বৰ বেজাৰ লাগিল। এইযোৰ অমুক তাৰিখে পিন্ধিবি, সেইযোৰ তমুক তাৰিখে পিন্ধিবি বুলি আইজনীয়ে ইস্ত্ৰি কৰি বাকছত ভৰাই দিছিল। সেই কাপোৰ কি আৰু এই কাপোৰ কি। নিজ ঠাইৰ এইহেন গাম্ভীৰ্যপূৰ্ণ গুণাৰ ফুলবছা কাপোৰসাজ লৈ অহা সত্ত্বেও পিন্ধিব লগা হৈছে কেটকেটীয়া ৰঙৰ শাৰী! ইয়াকে কয় কপাল।

ছয়-সাত ঠাইমানত আমাৰ কবিতা আবৃত্তি হৈছিল। কবিতাবোৰৰ ইংৰাজী অনুবাদ পঢ়াৰ আগতে নিজা-নিজা ভাষাত প্ৰথমে মাতি শুনাব লাগে। কবিতা পঢ়াৰ পাছত প্ৰশ্ন হয়। তাৰ উত্তৰ দিব লাগে লগে-লগে। ৰাতিপুৱা-ৰাতিপুৱা চাৰি ঘণ্টামান কবিতাৰ আধুনিক তৰংগৰ বিষয়ে তথা টেকনিক সম্বন্ধে ছিৰিয়াছ আলোচনা হয়। বস্তুটো যিমান টান হয়, সিমান মোৰ ভাল লাগে। এই 'ৱৰ্ল্ড' পয়েট্ৰিলৈ বাইছখন দেশৰ বাইছজন কবি গৈছিল— প্ৰতি দেশৰপৰা এজনকৈ।

মালয়েছিয়াৰ কুৱালালামপুৰৰ বিভিন্ন স্থানলৈ এই বিশ্ব কবি সন্মিলনখনিক আদৰণি জনাই নিমন্ত্ৰণ কৰিছিল আৰু আমাক উদ্যোক্তাসকলে ডিলাক্স বাছত সাগৰৰ তীৰকে প্ৰমুখ্য কৰি অপূৰ্ব সুন্দৰ স্থানবোৰলৈ লৈ গৈছিল। সেই-সেই ঠাইৰ উদ্যোক্তাসকলে নিজা-নিজা বৈশিষ্ট্যৰ আহাৰ পৰিবেশন কৰিছিল, সকলো ঠাইত বৰ সুন্দৰকৈ গেষ্ট হাউছবোৰত আমাক ৰাখিছিল। 'ৰাতিৰ মালয়েছিয়া' দেখুৱাইছিল। কিন্তু এই বিভিন্ন স্থানত কেৱল কবিতাই আছিল, অন্য গীত-নৃত্য আদি লগত পৰিবেশন কৰা নহৈছিল। কবিতা, কবিতা আৰু কবিতা। এনে পৰিৱেশ সৃষ্টি আগতে ক'তো কেতিয়াও পোৱা নাছিলোঁ।

কুৱালালামপুৰৰ ষ্টেডিয়ামত আবেলি আয়োজন কৰা কবি সন্মিলনখন অতিশয় উপভোগ্য হৈছিল। মই আগৰাতি মোৰ কবিতা 'মোৰ উক্তি'টো ইংৰাজীলৈ অনুবাদ কৰিছিলোঁ। কাৰণ লগত নিয়া ইংৰাজী অনুবাদৰ কবিতা পঢ়া প্ৰায় শেষ হৈছিল। পাছদিনা মোকে প্ৰথমে 'ষ্টেডিয়াম'ত কবিতা পাঠ কৰিবলৈ আহ্বান কৰিলে। মই অসমীয়া

আৰু ইংৰাজী দুয়োটা ভাষাতে কবিতা পাঠ কৰোঁতেও এক অনন্য পৰিৱেশৰ সৃষ্টি হৈছিল আৰু শ্ৰোতাসকলে অভিভূত হৈ বাৰে-বাৰে থিয় হৈ হাতচাপৰিৰে অভিনন্দন জনাইছিল।

ইণ্ডোনেছিয়াৰ বিখ্যাত কবিসকলে আৰু কুৱালালামপুৰৰ অতি যশস্বী কবিসকলেও মোক প্ৰশংসা কৰিছিল।

কুৱালালামপুৰৰ বিশাল বজাৰৰ মাজতো অস্থায়ীভাৱে সজ্জিত মঞ্চত কবি সন্মিলনৰ আয়োজন হৈছিল। বজাৰত কবি সন্মিলন, এইপ্ৰথমবাৰ দেখিলো। মানুহবোৰ ইমান আগ্ৰহী, ইমান মনোযোগী।

'ৰাতিৰ মালয়েছিয়া' দেখুৱাওঁতে মোক থাইলেণ্ডৰ ধুনীয়া বুঢ়ী এগৰাকীয়ে পাতত দিয়া বৰা চাউলৰ চেৱা-ভাত আৰু পোৰা মাংসৰ সোৱাদ ল'বলৈ দিছিল। বস্তুটো বৰ জুতিলগা। মাংসবিধ আছিল কিবা চৰাইৰ।

মালয়েছিয়াৰ বিখ্যাত ঐতিহাসিক স্থানবোৰো আমাক দেখুউৱা হৈছিল।

মই সেই দুখন শাৰীৰেই ঘূৰি ফুৰিছিলো। জাকতজিলিকা পাট, মুগাৰ মেখেলা-চাদৰ ভৰি থকা মোৰ ছুটকেছটো ভাৰতলৈ ঘূৰিবৰ দিনা এঘণ্টাৰ আগতেহে কুৱালালামপুৰ ওলালেগৈ। তেখেতক আকৌ সাদৰেৰে ওভতাই অনা হ'ল।

ভাৰতীয় দূতাবাসত মোক স্বাগত জনোৱা হৈছিল। তেতিয়া তাৰ ৰাষ্ট্ৰদূতজনে সবিনয়ে ক'লে,— "তোমাক সেইদিনা মোৰ পৰিবাৰৰপৰা শাৰী ধাৰলৈ নি পিন্ধিবলৈ দিব পাৰিলোহেঁতেন, কিন্তু কথাটো মগজত নেখেলালে।" চোৰ যোৱাৰ পাছত বুদ্ধি ওলালে কি লাভ!

চীনদেশৰপৰা ঘূৰি অহাৰ পাছত মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু আসনৰ আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আসনৰ পৰীক্ষা দি দুয়োটাৰে কাৰণে প্ৰথম নমিনেশ্যন পালো। তেতিয়াৰ উপাচাৰ্য ড° দেৱপ্ৰসাদ বৰুৱাই জৱাহৰলাল নেহৰু আসন ল'বলৈকে উপদেশ দিলে। এইবোৰৰ পৰীক্ষা ল'বলৈ দিল্লী আৰু কলিকতাৰ এক্সপাৰ্ট আহিছিল আৰু ইণ্টাৰভিউ ব'ৰ্ডতো শেষত মোক অশেষ প্ৰশংসা কৰিছিল।

১৯৮৭ চনত নলবাৰীত অনুষ্ঠিত এক বিশেষ সভাত সদৌ অসম সংস্কৃত সমাজে মানপত্ৰ দি মোক 'সৰস্বতী' উপাধি (মোৰ সমস্ত কৃতি, বিশেষকৈ প্ৰাচ্যতত্ত্বৰ অধ্যয়ন, দেৱী গ্ৰন্থত গৱেষণালব্ধ জ্ঞান প্ৰকাশৰ কাৰণে আৰু বাগ্মিতাৰ কাৰণে) প্ৰদান কৰিলে। এই উপাধি মোৰ শিৰৰ মুকুট হৈ পৰিল। তেখেতসকলৰ মহানুভৱতাত মই চিৰদিন নতশিৰ হৈ ৰ'লো।

এই দেৱী গ্ৰন্থখন লিখাৰ পৰিকল্পনা মোৰ আছিলনে? নাই, কেতিয়াও নাছিল। Saktism আৰু Trantricism-অৰ দৰে অত্যন্ত কঠিন বিষয় এটাত হাত দিয়াৰ

পাৰদৰ্শিতা মোৰ নাছিল। তথাপি কিয় মই লিখিবলৈ ল'লো? কিহে মোক প্ৰণোদিত কৰিলে?

একাদিক্ৰমে দেখি থকা সেই একেটা সপোনেই নহয়নে? কি আশ্চৰ্য! মানুহেনো হুবহু একেটা সপোনকে সদায় দেখি থাকেনে? মই দুপৰীয়াও আনকি চকু দুটা মুদিব নোৱাৰোঁ, একেটা সেই একেটা সপোনেই হাজিৰ হ'বহি।

সেই থিয় ওখ বাট, দীঘল বহুত দীঘল বাট! দুয়োকাষে ঘন, সেউজীয়া হাবি থকা অকোৰা-পকোৰা, ওপৰলৈ উঠি যোৱা থিয় বাট। সেই বাটটোত মই অকলে গৈ থাকোঁ, অকলে। গৈ-গৈ, গৈ-গৈ মই এখন সমভূমি পাওঁগৈ। পাওঁগৈ এটা দীঘলীয়া, পথালি হৈ থকা মন্দিৰ। এটা যেন চিনাকি মন্দিৰ। সপোনতে মই মন্দিৰটোৰ ভিতৰত ঘূৰি ফুৰোঁ আৰু ভিতৰৰ সুৰংগেৰে গৈ-গৈ মই পুৰীৰ জগন্নাথ ওলাওঁগৈ। জগন্নাথ মন্দিৰৰ তোৰণৰ ভাস্কৰ্যবোৰ মই দেখা পাওঁ, অতি সুন্দৰ-সুন্দৰ মূৰ্তিবোৰ দেখা পাওঁ, আটাইবোৰ যেন মোৰ চিনাকি।

এই একেটা সপোন, একেটা বাট, একেটা মন্দিৰ। সপোনটোৰ শেষত মই সদায় ৰাতিপুৱা ভাবোঁ,— মই কোনটো মন্দিৰৰ সপোন দেখিলো? সপোনটো দেখি থাকোঁতে মন্দিৰটো একেবাৰে চিনাকি যেন লাগে দেখোন। মই একেৰাহে এই সপোনটো পোন্ধৰ-বিছবাৰমান দেখি-দেখি মোৰ যেন এটা অব্‌ছেছন হ'ল। মই কোনটো মন্দিৰৰ সপোন দেখিছোঁ? ক'ত আছে এই মন্দিৰ? কিবা এটা ৰহস্য ইয়াত আছে। এই মন্দিৰ মই বিচাৰি উলিয়াবই লাগিব। মোৰ জিঅ'লজিষ্ট ছোৱালী স্বপ্নাৰ ফিল্ডৱৰ্কৰ লগে-লগে মই অসমৰ ইমূৰৰপৰা সিমূৰলৈ মন্দিৰবোৰ পৰিদৰ্শন কৰিবলৈ অৰ্থাৎ সপোনৰ মন্দিৰটো ক'ত পাওঁ বিচাৰিবলৈ ধৰিলো। পূবে মালিনীথানৰপৰা পশ্চিমে গাৰোপাহাৰলৈকে। কাৰ্বি আংলং, শ্বিলং, তেজপুৰ,— প্ৰায় সকলো ঠাইলৈ গ'লো। কিন্তু ক'ত সেই মন্দিৰ? এদিন নিজান দুপৰীয়া ফটকৰে মনত খেলালে,— কিয়? কামাখ্যাই দেখোন সেই মন্দিৰ। খোজকাঢ়ি ওপৰলৈ উঠি যোৱা বাট, দুকাষে সেউজীয়া অৰণ্য, একা-বেঁকা থিয় পাহাৰৰ ওপৰত মন্দিৰ! কামাখ্যাই, কামাখ্যাই। কামাখ্যাৰ ভিতৰৰ সকলোবোৰ মই দেখোন চিনি পাওঁ। মই শিয়ৰি উঠিলো। তুমি ইমান কাষত, অথচ চিনি পোৱা নাই। ইমানবোৰ স্থান, ইমান দেৱমন্দিৰ কিয় দৰ্শন কৰালা? তোমাক জানিবলৈ? তোমাক প্ৰকাশ আনৰ আগত কৰিবলৈ? একেটা শক্তিয়েই মোৰ আগত বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিলে। মই মহামায়াৰ ওচৰত হাতযোৰ কৰিলো। অন্তৰাত্মাই কৈ উঠিল,— "এনেবোৰ কাম অসমৰ সাংস্কৃতিক ইতিহাসৰ কাম। কোনেও কৰা নাই। কৰি যোৱা।" এইবোৰ জানো স্বৰ্গীয় নিৰ্দেশ নহয়। দেৱীৰ পাছত মোৰ শিৱ গ্ৰন্থও ওলাল। মোৰ সন্ধানৰ যাত্ৰা গৈ জগন্নাথত শেষ হৈছেগৈ। গভীৰ উপলব্ধিত মই উচুপি উঠিছোঁ।

মোৰ শেহতীয়া গ্ৰন্থ 'সূৰ্য'ত মোৰ গৱেষণাৰ নতুন পোহৰত মই কৈ উঠিছোঁ যে সূৰ্যই জগন্নাথ। এই উপলব্ধিৰ শিপাও বহুত গভীৰত। আৰু ই একান্তই মৌলিক।

১৯৮৮ চনত এক জানুৱাৰীৰ দিনা আচম্বিতে ৰাতিপুৱা এখন টেলিগ্ৰাম দিল্লীৰ কেন্দ্ৰীয় সাহিত্য একাডেমিৰপৰা আহিল,— "অভিনন্দন, তুমি সাহিত্য একাডেমিৰ জেনেৰেল বডিৰ মেম্বাৰ নিৰ্বাচিত হৈছা।" আৰে! ইমান ভাল খবৰ। কোনে পঠালে মোৰ নাম? এইবোৰ ভিতৰচ'ৰাৰ কথা একো নাজানিছিলো। কিন্তু বহুত বছৰৰ আগতেই মই ড° বিশ্বনাৰায়ণ শাস্ত্ৰী ডাঙৰীয়া আহ্বায়ক থাকোঁতেই মই পাঁচ বছৰৰ কাৰণে সাহিত্য একাডেমিৰ Advisory Board, Assam-অৰ এগৰাকী সদস্যা আছিলো। অনুবাদ আদি বহুত কাম মই তেতিয়াৰপৰাই কৰিছোঁ। প্ৰায় একে সময়তে নেশ্যনেল বুক ট্ৰাষ্টৰো মই Advisory Board-অৰ মেম্বাৰ আছিলো। এই দুয়োটা অনুষ্ঠানে ভাৰতৰ বিভিন্ন স্থানত হোৱা ছেমিনাৰ, ৱৰ্কশ্বপ আদিলৈ পঠাইছিল। ময়ো বৰ আস্থা আৰু নিষ্ঠাৰে তেওঁবিলাকৰ অনুৰোধক্ৰমে কৰ্তব্য সমাধা কৰিছিলো। কঠিন পৰিশ্ৰমৰ বিকল্প নাই,— এই কথা মই জানিছিলো।

সকলোঁ কথাতে মই বৰ serious আৰু sincere ... এই যে ইমান প্ৰথিতযশা সাহিত্যিকসকলৰ লগত মত বিনিময়ৰ সুবিধা পাইছোঁ, সৰ্বভাৰতীয় একোখন মঞ্চ পাইছোঁ এয়ানো কম কথানে? সৰ্বভাৰতীয় আলোচনা-চক্ৰবোৰৰ উদ্বোধক, সঞ্চালক, কবি সন্মিলনৰ সভানেত্ৰী, মুকলি অধিবেশনৰ সঘনাই সভাপতি হোৱাৰ আচৰিত সৌভাগ্য মোৰ মিলিল। মোৰ কোনো কথাতে ক'তো ফাকি নাথাকে। এইবোৰৰ ক্ৰমান্বয়ে দ্ৰুত উন্নতি হ'বলৈ ধৰিলে। ১৯৭২ চনৰপৰাই আজৰিৰ প্ৰতিকণ সময় মই ছিৰিয়াছ অধ্যয়নত কটাবলৈ ধৰিলো।

১৯৭২ চনতে মই পি. এইচ. ডি.ও ভগৱানৰ কৃপাত লাভ কৰিলো। ৰিছাৰ্চ কৰিলেহে ৰিছাৰ্চ মেথড শিকা যায়। এনে মেথড'লজিৰ প্ৰেকটিকেল ষ্টাডিয়ে যিকোনো এটা বিষয়ৰ গভীৰত সোমাবলৈ শিকায়। ই বৰ ডাঙৰ কথা। অধ্যয়ন তেতিয়া ছায়েণ্টিফিক হয়, যুক্তি স্পষ্ট হয়। একোটা বিষয়ৰ ওপৰত নতুন, মৌলিক পোহৰ পেলাব পাৰি।

সাহিত্য একাডেমিৰ জেনেৰেল বডিৰ মেম্বাৰৰপৰা দিল্লীত প্ৰতি ভাষাৰে এজন স্কলাৰ একজিকিউটিভলৈ নিৰ্বাচিত কৰোঁতে ১৯৮৮ চনৰপৰা পাঁচ বছৰৰ কাৰণে মোক একজিকিউটিভ মেম্বাৰ নিৰ্বাচন কৰিলে। প্ৰতি ভাষাৰে এজনকৈহে থাকে। যি কাৰ্যকৰী সমিতিৰ মেম্বাৰ হয় তেওঁ Advisory Boardখন গঠন কৰিবলৈ কনভেনৰ হ'ব লাগে আৰু তেওঁ ভাবি-চিন্তি উপদেষ্টা কমিটিখন গঠন কৰে। কাৰ্যকৰী সমিতিৰ মেম্বাৰ হ'লে দায়িত্ব অশেষ বাঢ়ে। বছৰত কেইবাবাৰো দিল্লীলৈ যাব লাগে, গোটেই ভাৰতত হোৱা ছেমিনাৰ, কবি সন্মিলনবোৰলৈ নিমন্ত্ৰণক্ৰমে যাব লাগে। ৰাষ্ট্ৰীয় সাহিত্যিকসকলৰ

লগত পৰিচয় হোৱাৰ, তেওঁবিলাকৰ সাহিত্য বা বক্তৃতা শুনাৰ, নিজৰ মনন-চিন্তন প্রতিষ্ঠা কৰাৰ, নিজৰ ভাবমূর্তি বিশিষ্ট এই সাহিত্যিকসকলৰ আগত প্রতিষ্ঠা কৰাৰ সুযোগ ঘটে। এই প্রথম পাঁচ বছৰ মই অসমৰ বিভিন্ন ঠাইত ছেমিনাৰ, কর্মশালা, কবি সম্মিলন ইত্যাদি-ইত্যাদি দেহেকেহে খাটি বৰ সফলতাৰে আন্তৰিকতাৰে কাম কৰাত পাছৰ পাঁচ বছৰৰ কাৰণেও অন্য প্রদেশৰ লোকৰদ্বাৰাই মোৰ নাম প্রস্তাৱ হ'ল আৰু সমর্থন হ'ল। মোৰ জনপ্রিয়তা দেখি মই নিজেও আচৰিত হ'লো।

মই মোৰ ৰাজ্যৰ সাহিত্যৰ উন্নতিৰ কাৰণেই নহয়, সকলো ৰাজ্যৰ সাহিত্যৰ পৰিৱেশ সৃষ্টি আৰু সামগ্রিক বিকাশৰ বাবে সদায় যুঁজিছিলো। মই এনেয়েও বৰ vocal, সেইকাৰণে একজিকিউটিভত মই আটাইৰেই বৰ চেনেহৰ। আনকি মোৰ নাম সেইবাৰ সাহিত্য একডেমিৰ ভাইচ প্রেছিডেণ্টৰ কাৰণেও প্রস্তাৱ কৰিব খুজিলে। ভাইচ প্রেছিডেণ্টে ভাৰতৰ বিভিন্ন ৰাজ্যলৈ গৈ থাকিবই লাগিব। ভ্রমণৰ অশেষ কাম। তদুপৰি অজস্র ছাব-কমিটিবোৰৰ সভাপতিত্ব কৰিব লাগিব। বাজেট আদি কঠিন কামবোৰ থাকেই। তদুপৰি ডায়েবেটিছৰ নিচিনা মাৰাত্মক বেমাৰ মোৰ লগত। খোৱা-বোৱাত যেনেকৈ অশেষ বাধা, tensionও তেনেকৈ অতিশয় বেয়া। পাঁচ বছৰ মই এনেকৈ কটাব কেতিয়াও নোৱাৰোঁ। ১৯৭৪ চনৰেপৰাই এই ক্ষয়ংকৰ অসুখে লগ লৈছিল। আজি প্রায় ত্রিছ বছৰ হ'বৰ হ'ল। চৈধ্য বছৰ বহুত পৰিমাণৰ ঔষধ খায়ো যোৱা পোন্ধৰ বছৰমানৰপৰা ইনছুলিন লৈও মোৰ অসুখ নকমে। ডায়েবেটিক ৰেটিনপেথিৰ নিচিনা কেতিয়াও ভাল নোহোৱা দুৰাৰোগ্য ৰোগ হৈ মোক যি বর্ণনাতীত ক্ষতি চিৰদিনলৈ কৰিলে মোক ভিতৰখন কেনেকৈ একেবাৰে নিস্তেজ, দুর্বল কৰি পেলালে সেইকথা আনেতো নাজানে! মই মনেৰেহে কামবোৰ বৰ কষ্টেৰে কৰি থাকোঁ। মোৰ নাম নিদিবলৈ কাকুতি-মিনতি কৰাত তেওঁবিলাক নিৰস্ত হ'ল আৰু মই পৰিত্রাণ পালো। পাছৰ পাঁচ বছৰত অৱশ্যেই মই মোৰ কর্তব্য বৰ নিষ্ঠাৰেই পালন কৰিলো। সেই সময়ছোৱাতে ইষ্টার্ণ জ'ন কালচাৰেল চেণ্টাৰ্ছ কলিকতাৰ মাণ্ডলিক কার্যালয়ৰো মোক একজিকিউটিভৰ সদস্যা নির্বাচন কৰিলে। তাৰ কেইবাটাও ছাব-কমিটিতো মোক ভৰালে। সেইকাৰণে দিল্লী, কলিকতা অহৰহ অহা-যোৱা কৰি থাকিব লগা হ'ল। ১৯৮৮ চনৰপৰা ১৯৯৮ চনলৈকে এই সুদীর্ঘ সময় মই ভাল পোৱা সাহিত্য-সংস্কৃতিৰ চিন্তাত সাহিত্য-সংস্কৃতিৰ কামত সজ্জনৰ সংগত কটাবলৈ পাই মই ধন্য হ'লো। উল্লেখযোগ্য যে অসম সাহিত্য সভাৰ সভাপতিৰ নিচিনা অতি গুৰুত্বপূর্ণ দায়িত্ব সেই সময়ছোৱাৰ ভিতৰতেই পালন কৰিব লগা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভাগীয় মুৰব্বীৰ দায়িত্ব, ৰাষ্ট্রীয় অধ্যাপিকাৰ দায়িত্বও এই একেখিনি সময়ৰে কথা। জৱাহৰলাল নেহৰু শীর্ষ আসনো সেই সময়ছোৱাতে

লাভ কৰিছিলো। ভগৱানৰ কৰুণাৰ শলাগ ল'বলৈ মোৰ ভাষা নাই।

ইষ্টাৰ্ণ জ'ন কালচাৰেল চেণ্টাৰৰ মিটিংবোৰলৈ গৈ-গৈ মোৰ কিছুমান নতুন অভিজ্ঞতা হৈছিল। ইয়াৰ ডাইৰেক্টৰ আছিল পি. কে. চেটাৰ্জী নামৰ এজন অতি সুদক্ষ আই. এ. এছ. বিষয়া। মোক এই অনুষ্ঠানৰো বিভিন্ন ছাব-কমিটিৰ (তিনিজনীয়া, পাঁচজনীয়া) সদস্যা কৰিছিল। অসমৰ সাংস্কৃতিক বিকাশৰ বাবে কি-কি কৰিব পাৰি তাৰ কাৰণে চিন্তা কৰি মই উজাগৰী ৰাতিও কটাইছিলো। কিন্তু অতি পৰিতাপৰ কথা যে আমাৰ চৰকাৰী বিষয়ববীয়াসকল বৰ নিৰ্লিপ্ত আছিল। পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ চৰকাৰী বিষয়া এখনো মিটিং খতি নকৰাকৈ গৈ উপস্থিত থাকে; নিজ-নিজ দাবী উত্থাপন কৰে, যুক্তিসহকাৰে দাবী সাব্যস্ত কৰি পৰ্যাপ্ত পৰিমাণৰ টকা সেই-সেই বাজেটৰ কাৰণে লৈ যায়। আমাৰ চব আসন শূন্য হৈ থাকে, কোনো বিষয়ববীয়া নাযায়। ডাইৰেক্টৰ প্ৰয়াত গিৰিজা দাস থকাৰেপৰা দেখিলো— ইজনৰ পাছত সিজনকৈ নতুন ডাইৰেক্টৰ হয়, কিন্তু এনেক্ষেত্ৰত মনোবৃত্তিৰ সলনি নহয়। অসমৰপৰা কোনো প্লেন দাখিল নকৰে, তলৰ কাৰোবাক দায়িত্ব দিও নপঠায়। কোনোবা গ'লেও মুখেৰে নমতাকৈ থাকে। আমাৰ কি কপাল! ত্ৰিপুৰা, উৰিষ্যা আৰু মণিপুৰে অতি মনোগ্ৰাহী প্লেন দিয়ে, দাবী সাব্যস্ত কৰে আৰু বুজন পৰিমাণৰ ধন আদায় কৰে। মই আমাৰ এই নিৰ্বিকাৰ, নিৰ্লিপ্ততাৰ বিষয়ে পাছত বৰ আক্ষেপেৰে মুখ্যমন্ত্ৰী আৰু কালচাৰেলৰ দায়িত্বত থকা হিতেশ্বৰ শইকীয়াদেৱক জনোৱাত তেখেতে বৰ বেজাৰেৰে কৈছিল— "ঠিক আছে কোনো বিষয়া নাযায়, মই নিজে যাম অহাবাৰলৈ। মোক আপুনি জনাব।" কিন্তু অতি দুখৰ কথা তেখেত যোৱাৰ আগতেই গুৰুতৰভাৱে অসুস্থ হৈ পৰিল আৰু মৃত্যুৱে কাষ চাপিল।

আমাৰ মানুহ নগৈয়ে, নকৰিয়েই ভেমপুৰীয়া হৈ থাকে। পোৱা টকাও উভতি যায় অথবা লোকে আনি দিয়া টকাও খাই পেলায়। দলাদলি আৰু নিম্নস্তৰৰ দুৰ্নীতিতহে আমাৰ মানুহ আগবঢ়া।

মই 'মুখা' ডকুমেণ্টেৰিখন কৰোঁতেও অতি শোক পাব লগা হ'ল। সময়তকৈ আগতে কাহিলিপাৰাৰ 'জ্যোতি চিত্ৰবন' ষ্টুডিঅ'ত ৰাশ্ব প্ৰিণ্ট জমা দিয়াৰ পাছতো, হাজাৰবাৰ আবেদন কৰি থকাৰ পাছতো, অতি বেআইনীভাৱে চাৰি লাখৰ বাকী দুই লাখ টকা মোকলাই নিদিলে। আগধনৰূপে দিয়া দুই লাখ টকাৰ হিচাপ তন্ন-তন্নকৈ পৰীক্ষা কৰি চাই চাৰ্টাড একাউণ্টেণ্টে, দায়িত্বত থকা এ. চি. এছ., আই. এ. এছ. বিষয়াই টকাখিনি মই পাব লাগে বুলি বাৰে-বাৰে কোৱাতো ডাইৰেক্টৰে টকা নিদিলে। টকা দিব ক'ৰপৰা! টকা যে উধাও! ইংৰাজীত কৰা এইছেন সৰ্বাংগসুন্দৰ ডকুমেণ্টেৰিখন কাহিলিপাৰা জ্যোতি চিত্ৰবনতে জহি-পমি পৰি থাকিল। জ্যোতিপ্ৰসাদৰ জন্ম

শতবাৰ্ষিকীত মই মুকলি প্ৰত্যাহ্বান জনাই এই দুৰ্নীতিৰ বিচাৰৰ বাবে মুখ্যমন্ত্ৰীৰ মুখৰ আগত সকলো সমজুৱাৰ আগত ৰবীন্দ্ৰ ভৱনত উদ্দাত্তকণ্ঠে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰোঁতে কৈছিলো। কিন্তু কিবা হ'লনে? এখন সাংস্কৃতিক বুৰঞ্জীৰ কাম অনতিপলমে আৰম্ভ কৰাৰ কথা কৈছিলো। কিন্তু কিবা হ'লনে? প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ দিনত বাৰম্বাৰ এই কথাবোৰ কৈছিলো। কিন্তু কোনোদিন তেওঁ ভ্ৰূক্ষেপ নকৰিলে। কথাবোৰ যেন মূৰৰ ওপৰেদি যায়,— এনেকুৱা লাগে। তোমালোকে তেনেহ'লে কিহৰ সংস্কৃতি-সংস্কৃতি কৈ থাকা? একেবোৰ কথাকে ঘঁহাই-পিহাই থাকিলেই জাতীয় সংস্কৃতি আগবাঢ়েনে? এটা জাতীয় আৰ্কাইভৰ কথা বাৰে-বাৰে চিঞৰিলো, আজিলৈকে নহ'ল।

জীৱনত কিমান মানুহ যে লগ পালো তাৰ ব্যাখ্যা দিয়া নাযায়। লেখ ল'বও নোৱাৰি। আকাশত যিমান তৰা আছে সিমান, গছত যিমান পাত আছে সিমান, হয়তো তাতেকৈও বেছি। প্ৰতিদিনে কিমান চিনাকি-অচিনাকিৰ ভিৰ হয় ঘৰত! গানৰ কাৰণে, কবিতাৰ কাৰণে, অন্য লেখাৰ কাৰণে, শুভেচ্ছাবাণীৰ কাৰণে, নিজৰ ল'ৰা-ছোৱালীক পৰিচয় কৰাবৰ কাৰণে, সামাজিক-সাংস্কৃতিক বিভিন্ন সভালৈ নিমন্ত্ৰণ কৰিবৰ কাৰণে, ছাত্ৰ-ছাত্ৰীসকলে কিবা বুজিবৰ কাৰণে, ঘৰুৱা দিহা-পোহা ল'বৰ কাৰণে, ইত্যাদি-ইত্যাদি। তাৰে মাজত নিজক হেৰুৱাওঁ বা নিজক নিজে বিচাৰি পাওঁ। অনুভৱ হয় ইমান মৰম মই ক'ত থওঁ!

আমেৰিকা প্ৰমুখ্যে বিভিন্ন দেশৰ বিভিন্ন ছেমিনাৰত বক্তৃতা দিয়াৰ উপৰিও মই মোৰ কবিতাও কবিতাৰ শাখাবোৰত পঢ়িব লগা হৈছিল। কেইবাটাও কবিতাৰ মাজৰ এটা কবিতা উনুকিয়াওঁ ঃ

> মই কাইলৈ মৰিম
> আজি বাচি থাকিবলৈ দিয়া
> হে মোৰ স্ৰোতস্বিনী দুখ
> মোৰ শীৰ্ণ শিৰৰ অৰণ্যেৰে
> প্ৰবাহিত হৈ থাকা
> মই ভাগৰা নাই।

কবিতাটোত এটা bold challenge আছে। পজিটিভনেছ আছে। কাইলৈ মৰিমৰ কাইলৈটো সদায় কাইলৈ। দেশ-বিদেশৰ সাহিত্যৰসিক পণ্ডিতসকলে ইংৰাজীত মতা এই কবিতাটোৰ বৰ প্ৰশংসা কৰিছিল। কোনোবা এখন দেশৰ এজনে প্ৰশ্ন কৰিছিল— এই দুখ কি দুখ?

মই কৈছিলো,— "আমাৰ ভাৰতবৰ্ষত বহুতৰপীয়া দুখ থাকে। মনে বিচাৰিলেই

আমাৰ দেশত হুৰমুৰকৈ কোনেও একো নকৰে। ভাৰতবৰ্ষ এতিয়া প্ৰগ্ৰেছিং, দিন সলনি হৈছে। আমাৰ দুখ পৰম্পৰা শেষ হোৱাৰ দুখ, মূল্যবোধ সলনি হোৱাৰ দুখ, অৰ্থনৈতিক সমতা আনিব নোৱৰাৰ দুখ, দৰিদ্ৰতাৰ দুখ, সংস্কাৰমুক্ত হ'ব নোৱৰাৰ দুখ, পথ চিনি নোপোৱাৰ দুখ। তদুপৰি আধ্যাত্মিক অজ্ঞতাৰ দুখ। মই হাজাৰ-হাজাৰজনৰ মনৰ প্ৰতিনিধি। মোৰ দুখ ব্যক্তিগত দুখ নহয়।"

তেওঁবিলাক গভীৰ অনুভৱত যেন বুৰ গ'ল। স্ৰোতস্বিনী শব্দটোৱে মনৰ মাজত থকা চেতনাস্ৰোতৰ কথাই বুজাইছিলো। তেনেই চমুকৈ মোৰ কবিতাৰ অলপ কথা এইখিনিতে কৈ থ'লে ভাল হ'ব যে ১৯৭০-৭১ চনমানৰপৰাই মোৰ কবিতাৰ শিল্পৰীতিৰ পৰিৱৰ্তন হ'বলৈ ক্ৰমান্বয়ে আৰম্ভ হ'ল। শিথিলতাৰ ঠাইত সংযত, নিটোল বাকভংগী গঢ় ল'বলৈ ধৰিলে ঃ

বন্দুকৰ শব্দত ৰাতিপুৱায়নে?
ওহোঁ,
পুৱায় সেই চৰাইটোৰ মাতত
যি কুটি খায়
ৰাতিৰ আন্ধাৰবোৰ
লাহে-লাহে।

প্ৰায় সমসাময়িক আন এটা কবিতা হ'ল ঃ

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ
মোৰ দেউতাক
দোকানৰ জাপভঙা
গামোচাৰ সুবাসত
মই হেৰা পাওঁ
মোৰ আইক
মই মোক মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত?

আচৰিত কথা, কলেজৰপৰা ৰিক্সাত উঠি ঘৰলৈ আহি থাকোঁতে এইবোৰ একমুহূৰ্তত পোৱা একোটা উপলব্ধিৰ চমকহে।

আচলতে অজানিতে বুকুৰ মাজত চেতনাস্ৰোতৰ নানা ক্ৰিয়া-প্ৰতিক্ৰিয়া চলিয়েই

থাকে। ভমক কৰে একোটা মুহূৰ্ত্তত ছন্দময় শব্দত দৃশ্যমান হৈহে উঠে।

এই দুটা কবিতাৰ প্ৰায় আগে-আগে লিখা আন দুটা কবিতা আছিল—

কপডুৰ ৰুণত
ৰ লাগি মোৰ ল'ৰালি,
পাক খাই খাই ওলমি ৰোৱা
শুকান বতাহত মোৰ যৌৱন
শেলুৱৈ ভৰা সেউজীয়া পুখুৰীটোৰ
থৰ পানীৰে নামি যোৱা ঘাটত
মোৰ বৰ্ত্তমান
শিলত পৰি ফাটি যোৱা
পকা শ্ৰীফলৰ গোন্ধত
মোৰ স্বপ্ন
... ...
... ...
মাটি আছেনে
তলত?
মাটি?
অস্তিত্ব
মই মোক সজাত ভৰাওঁ
আৰু
একোটা যুক্তিৰে
শলখা মাৰি থওঁ
মই মোক পাল্লাত উঠাওঁ
আৰু
বিভিন্ন ওজনৰ দগাৰে
জুখিব খোজোঁ।
সকলো সজা ব্যৰ্থ
সকলো দগা নিৰুপায়
মোৰ অস্তিত্বই
অট্টহাস্য কৰে—
মই বৈ যাওঁ

সকলো নিষিদ্ধতাৰ সুৰুঙাৰে
আৰু ৰূপ সলাই থাকোঁ
এবাৰ ফুল...
এবাৰ তৰোৱাল হৈ

এই কবিতাকেইটা প্ৰকাশ হোৱাৰ পাছতেই মোৰ ভ্ৰাতৃপ্ৰতীম ড° হীৰেন গোহাঁয়ে বৰ সুন্দৰকৈ স্বপ্ৰণোদিতভাৱে কবিতাকেইটা ইংৰাজী কৰি মোৰ হাতত দিছিল। সেই কবিতাকেইটাকে দিল্লীত বহা অল ইণ্ডিয়া ৰেডিঅ'ৰদ্বাৰা আয়োজিত সৰ্বভাৰতীয় বাৰ্ষিক কবি সন্মিলনখনত মই পাঠ কৰিছিলো। সেই সন্মিলনত সৰ্বভাৰতীয় কবিসকলে মোক কেনেকৈ প্ৰশংসা কৰিছিল সেয়া নেদেখিলে বা নুশুনিলে বিশ্বাস কৰিব নোৱাৰি। অতি সুদৰ্শনা, কবি অমৃতা প্ৰীতমে মোক ভিতৰলৈ মাতি নি প্ৰশংসাৰে অবাক কৰিছিল। তেখেতক মই সেই বিখ্যাত কবি অমৃতা প্ৰীতম বুলি চিনিবই পৰা নাছিলো। পিন্ধিছিল পেণ্ট আৰু শ্বাৰ্ট। গাত লৈছিল ক'লা এখন আলোৱান। মুখত জ্বলি থকা চিগাৰেট বৰ ষ্টাইলেৰে বাঁওহাতৰ আঙুলিত মাজে-মাজে নাচি আছিল। তেখেতেই মোক প্ৰথমবাৰলৈ ক'লে যেঁ "তোমাৰ মিত বাক ৰীতি অতি প্ৰশংসনীয়। কবিতাটোত বৰ্তমানৰ অনিকেত অৱস্থা অতি ৰসোত্তীৰ্ণ হৈ প্ৰকাশ পাইছে।" মই শিহৰিত হৈ উঠিলো। কাৰণ তেতিয়ালৈকে অসমত কোনেও এই নিটোল প্ৰকাশভংগীৰ বিষয়ে মোক এষাৰো কথা কোৱা নাছিল।

অসমৰ প্ৰায় সকলো উচ্চস্তৰৰ আলোচনীলৈকে মোৰ কবিতা খুজি নিছিল। ৰামধেনু, আৱাহন, নৱযুগ, মণিদীপ, প্ৰকাশ, প্ৰহৰী, অসমীয়া, আমাৰ প্ৰতিনিধি, প্ৰান্তিক, গৰীয়সী প্ৰমুখ্যে সকলো আলোচনীৰ উপৰিও সময়ে-সময়ে ওলোৱা কাব্য সংকলন, সাময়িক আলোচনী, স্মৃতিগ্ৰন্থ সকলোতে। কবি ভবেন বৰুৱাৰ সম্পাদনাত ওলোৱা সংলাপখনৰ দৰে ছিৰিয়াছ আলোচনীত মোৰ কবিতাৰ বিষয়ে এই দিকদৰ্শনকাৰী, তীক্ষ্ণ সমালোচকজনে বৰ উচ্চ মন্তব্য কৰিছিল। এনে মন্তব্যই নিশ্চয় মোক সাহস আৰু প্ৰেৰণা দিছিল।

অনুবাদকসকলে নিজগুণেই মুগ্ধ হৈ, মোৰ ভালেমান কবিতা ইংৰাজীলৈ অনুবাদ কৰিছিল। ইয়াৰ ভিতৰত লেখত ল'বলগীয়া কেইজনৰ নাম হ'ল হেম বৰুৱা, ড° ৰাঘবেন্দ্ৰ ৰাও, ড° নবনীতা দেব সেন, ড° ভোলাভাই পেটেল, ড° প্ৰফুল্ল দত্ত গোস্বামী, ড° হীৰেন গোহাঁই, ভবেন বৰুৱা, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, হীৰেন দত্ত, প্ৰদীপ আচাৰ্য আৰু কবি অজিৎ বৰুৱা। কথাশিল্পী অতুলানন্দ গোস্বামীয়েও কেইটামান কৰিছিল। হিন্দী ভাষাৰ কবি নবাৰুণ বৰ্মাদেৱে আৰু বন্তিআশা কাকতিয়ে মোৰ বহুত কবিতা হিন্দীলৈ অনুবাদ কৰিছিল। সাহিত্য একাডেমি বঁটাপ্ৰাপ্ত গ্ৰন্থ 'সুদীৰ্ঘ দিন আৰু ঋতু'

নামৰ মোৰ কবিতা সংকলনটোৱে বঁটা পোৱাৰ পাছত ভাৰতৰ বিভিন্ন ভাষালৈ কিতাপখন অনুবাদ হৈছে। আৰু তাৰ বাহিৰেও মোৰ অন্যান্য কবিতাসমগ্ৰ বিশ্বৰ বহুত ভাষালৈ মোৰ অজানা, সদাশয় লোকে অনুবাদ কৰি মোক চিৰকৃতজ্ঞ কৰিছে। মালয়েছিয়াত বহা বিশ্ব কবি সন্মিলনলৈ ভাৰতৰ একমাত্ৰ প্ৰতিনিধি কৰি ইণ্ডিয়ান কাউন্সিল ফৰ কালচাৰেল ৰিলেশ্যনে মোক ১৯৯২ চনত পঠাওঁতে মোৰ নাতি সপ্তৰ্ষি (জোন) আৰু ছোৱালী ড° স্বপ্নায়ো বহুত কবিতা ইংৰাজীলৈ অনুবাদ কৰি দিছিল। সাহিত্য একাডেমি (দিল্লীৰ) অনুৰোধক্ৰমে সুখ্যাত কবি অজিৎ বৰুৱাই মোৰ নিৰ্বাচিত এশ কবিতা ইংৰাজীলৈ অনুবাদ কৰি দিছে। অলপতে বোলে প্ৰকাশ পাব। আনজন বিশিষ্ট বন্ধু ললিত বৰুৱাই অনুবাদ কৰিছে প্ৰায় পঞ্চাছটামান কবিতা। মই কি বুলি যে শলাগ ল'ম।

বিশ্ববিদ্যালয়ত যোগ দিয়াৰ আগতেই 'নৱযুগ' নামৰ আলোচনীত 'দ্ৰৌপদী' নামৰ মোৰ ব্যক্তিক্ৰমধৰ্মী কবিতা এটা প্ৰকাশ পাইছিল। সেই কবিতটোৱে সেই সময়ত এক আলোড়নৰে সৃষ্টি কৰিছিল। সীতা, দ্ৰৌপদী, গান্ধাৰীৰ দৰে পৌৰাণিক নাৰী চৰিত্ৰ কেইটামানক নতুন দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰিছিলো আৰু এনে দৃষ্টিভংগীৰ কবিতাই আমাৰ সমাজত খলক তুলিছিল—

"... হাঁহি উঠে, মো বৰ হাঁহি উঠে—
আৱৰণৰ আঁৰত আমি
সকলো উলংগ..."

এনে ব্যংগমিহলি সত্য দ্ৰৌপদী কবিতাটোত প্ৰকাশ পোৱাৰ পাছত শ্ৰদ্ধেয় অমৰেশ দত্ত ডাঙৰীয়াৰ দৰে জ্যেষ্ঠজনে উপযাচি আহি মোৰ লগত অসমীয়া বিভাগত চিনাকি হৈ সকলোৰে আগতে অশেষ প্ৰশংসা কৰাত মই কেনেকৈ পুলকিত হৈছিলো, আজিও মনত আছে। একে বিভাগৰে অধ্যয়ন-অধ্যাপনাৰ ক্ষেত্ৰত তীক্ষ্ণধী, প্ৰসিদ্ধ সমালোচকৰূপে অতি খ্যাতিমন্ত ড° হীৰেন গোহাঁইক মই ভ্ৰাতৃসম স্নেহ-আদৰ কৰিছিলো আৰু তেওঁৰ বিৰল প্ৰতিভা দেখি চমৎকৃত হৈছিলো। তেওঁ মোৰ কবিতা ভাল পাই 'বন্দুকৰ শব্দত ৰাতি পুৱায়নে', 'মই মোক সজাত ভৰাওঁ' এই দুটা কবিতাও সেই সময়তে বৰ সুন্দৰকৈ ইংৰাজীলৈ অনুবাদ কৰি মোক ধন্য কৰিছিল। কবি, সমালোচক, অধাপক হীৰেন্দ্ৰ নাথ দত্ত, ড° প্ৰফুল্ল কটকী, ড° গোবিন্দ প্ৰসাদ শৰ্মাক সঘনাই বিভিন্ন প্ৰসংগত লগ পাইছিলো। বৰ্তমানৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৰঞ্জিত দেৱ গোস্বামীক বৰ সৰুৰেপৰাই বৰ আপোনভাৱে জানো। তেওঁৰ মই পেহী, তেওঁ মোৰ ভতিজা।

আমেৰিকালৈ যোৱাৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আমাৰ অসমীয়া বিভাগৰ

জ্যেষ্ঠ অধ্যাপক ড° গোলোক চন্দ্ৰ গোস্বামীদেৱৰপৰা আমেৰিকাৰ মানুহৰ মানসতা, তাৰ মানুহৰ আচাৰ-ব্যৱহাৰ সম্পৰ্কে কিছু কথা জানি লৈছিলো। তেখেত ভাষাবিজ্ঞানৰ নতুন আমেৰিকান পদ্ধতিৰ উচ্চশিক্ষাৰ কাৰণে সেই দেশত এবছৰ আছিলগৈ। তেখেত এনেয়েও মোৰ অগ্ৰজস্বৰূপ। তেখেতৰ পৰিবাৰ, মামণি অতি ৰাংঢালী আৰু সপ্ৰতিভ মহিলা— তেওঁ মোৰ ভগ্নীস্বৰূপা। তেওঁহে আমেৰিকানসকলক 'অব্‌জাৰ্ভ' কৰিছিল বেছি। মামণিয়ে কথাই প্ৰতি হঁহুৱায়। তেখেতসকলৰ সন্তানকেইটাও বৰ গুণী হৈছে। দাদা নিজে বৰ 'পজিটিভ আউটলুক'ৰ মানুহ। আমি তেখেতক আৰু আন এজন জ্যেষ্ঠ অধ্যাপক, সাহিত্যৰসিক ড° উপেন্দ্ৰ নাথ গোস্বামীক ড° কাকতি ছাৰৰ পিছতেই ভাষাবিজ্ঞানৰ ক্ষেত্ৰত বিজ্ঞ লোক বুলি জ্ঞান কৰোঁ। পুনেত মই ভাষাবিজ্ঞানৰ প্ৰশিক্ষণ ল'বলৈ যাওঁতেও তেখেত দুয়োকে লগ পাইছিলো। বিশ্ববিদ্যালয়লৈ আহি ঘনিষ্ঠ হ'লো। মোৰ আপোন ভগ্নীস্বৰূপা ড° অনিমা দত্তকো মই সৰুকালৰেপৰা শিৱসাগৰত লগ পোৱা। তেওঁ এতিয়া এগৰাকী বিদুষী নাৰী। তেওঁৰ চুটিগল্পই মোৰ মৰ্ম স্পৰ্শ কৰে। ভাষা যে কি যথাৰ্থ! তেওঁৰ মাত-কথা ইমান মাৰ্জিত আৰু শিৱসাগৰীয়া আপুৰুগীয়া সুৰ থকা শুৱলা যে আজিকালি এনে মাত-কথা পাবলৈকে টান। সৰুফুটীয়া ছোৱালীজনী ইমান মৰমলগা যে তেওঁক এপাহ খৰিকাজাঁই ফুল যেনেই লাগে। তেওঁৰ স্বামী বিখ্যাত কবি আৰু সমালোচক অধ্যাপক শ্ৰীহীৰেন্দ্ৰ নাথ দত্তও উজনিৰ, মানে তিতাবৰৰ। তেখেতৰ মাত-কথাতো বৰ অন্তৰংগ সুৰ। বিভাগৰ আন সতীৰ্থসকলৰ ভিতৰত শংকৰী সাহিত্য আৰু দৰ্শনৰ চৰ্চাত আত্মউচৰ্গা কৰা শ্ৰীভৱপ্ৰসাদ চলিহা আছিল এজন সদাশয় 'মাই ডিয়েৰ' ব্যক্তি। মানুহজন সদায় কেনেকৈ অনুত্তেজিত, ধীৰ-স্থিৰ হৈ থাকে মই আচৰিত হওঁ। আনহাতে মোৰ ৰিয়েকশ্যন হয় অতি সোনকালে। সংস্কৃতৰ অধ্যাপক প্ৰয়াত ৰজনীকান্ত শৰ্মা, প্ৰথিতযশা পণ্ডিত, প্ৰবন্ধকাৰ, কবি ড° মুকুন্দ মাধৱ শৰ্মা, গল্প-উপন্যাসৰ স্ৰষ্টা কথাশিল্পী ড° গোৱিন্দ প্ৰসাদ শৰ্মা (ইংৰাজী বিভাগৰ অধ্যাপক), অধ্যাপক জীৱন ভট্টাচাৰ্য (ইংলিছ টিচিং বিভাগৰ) এইসকলেও বিভাগত প্ৰয়োজন অনুযায়ী পাঠদান কৰি আমাক সান্নিধ্য দান কৰিছিল। ইংৰাজী বিষয়ৰ ড° শৈলেন ভৰালী আৰু মই একেদিনাই বিভাগত যোগ দিছিলো যদিও মই এঘণ্টামানৰ ছিনিয়ৰ হৈছিলো। ড° মহেশ্বৰ নেওগ ছাৰতো বিভাগীয় মুৰব্বী আছিলেই। কবি-সমালোচিকা অধ্যাপিকা লীলাৱতী শইকীয়া বৰা, সমালোচক ড° পৰীক্ষিত হাজৰিকা, সমালোচিকা ড° দীপ্তি ফুকন পাটগিৰি, কবি ড° নগেন ঠাকুৰ, নন্দনতত্ত্বৰ চৰ্চাত অনুৰাগী, সমালোচিকা ড° মালিনী গোস্বামী, ভাষাতত্ত্বৰ অনুৰাগী ড° দীপংকৰ মড়ল আদি হৈছে পাছত যোগদান কৰা সতীৰ্থ। সদা উৎসাহী ড° উপেন্দ্ৰ ৰাভা হাকাচামো। সত্ৰীয়া শিল্পকলাৰ গৱেষণাৰত ড° প্ৰদীপজ্যোতি মহন্তয়ো মোৰ পাছতহে বিভাগত যোগ দিছে। এওঁবিলাক

সকলোৰে অতি আপোন সহযোগ, মোৰ প্ৰতি দেখুউৱা শ্ৰদ্ধা-মৰম জীৱনত মই ক'ত পাহৰিম ? লীলাৱতীৰ সংগ্ৰামী মনোবলক মই সদায় উদ্‌গনি দিছিলো। তেনেকৈয়ে মোক কেউফালে সমীহ আৰু শ্ৰদ্ধাৰে, মৰম আৰু ভক্তিৰে আৱৰি ৰখা মোৰ অতি মৰমৰ ছাত্ৰ আৰু ছাত্ৰীসকলৰ মুখবোৰ হৃদয়ত শৰতৰ মুকুতাৰ দৰে তিৰবিৰাই থাকে। বিভিন্ন ক্ষেত্ৰত তেওঁবিলাকৰ সফলতা উদ্ভাসিত হৈ উঠা দেখিলে মোৰ মন আনন্দেৰে উপচি পৰে। মনত তেতিয়া এনে ভাব হয়,— তোমাৰ উজ্জ্বলতাত মোৰো যে আশীৰ্বাদ বিলীন হৈ আছে। এতিয়া নামবোৰ আটাইৰে মনত নপৰে, কিন্তু সজীৱ সেই মুখবোৰ এতিয়াও মনত সজীৱ হৈয়েই আছে। মোৰ সমগ্ৰ আন্তৰিকতাৰে, সমগ্ৰ শক্তিৰে তোমালোকক কিবা অকণ পোহৰ দিবলৈ চেষ্টা কৰিছিলো। সেই কথা ভাবিয়েই মোৰ সামৰ্থ্যৰ অপূৰ্ণতা যেন তোমালোকে ক্ষমা কৰা।

বিশ্ববিদ্যালয়ত আমাৰ অসমীয়া বিভাগটোৰ কাষতেই আছিল সন্মুখত কমাৰ্চৰ বিভাগটো আৰু তাৰ দাঁতিতে Major Indian Languages বিভাগটো। মোৰ গুৰু পৰম শ্ৰদ্ধেয় ড° সত্যেন্দ্ৰ নাথ শৰ্মা ছাৰ আছিল ৰবীন্দ্ৰ অধ্যাপক হিচাপে সেই বিভাগৰ মুৰব্বী। অসমীয়া বিভাগৰ জৱাহৰলাল নেহৰু অধ্যাপক, মোৰ আনজন স্কুলৰ দিনৰে গুৰু ড° মহেশ্বৰ নেওগ, শৰ্মা ছাৰ আৰু লোকসংস্কৃতি বিভাগৰ প্ৰতিষ্ঠাতা মুৰব্বী অধ্যাপক, মৌলিক সৃষ্টিশীল লেখকৰূপেও সুখ্যাত ইংৰাজীৰ ড° প্ৰফুল্ল দত্ত গোস্বামী ছাৰ,— এই তিনিওজন সেই সময়ৰ ত্ৰিৰত্নস্বৰূপ আছিল। M.I.L. বিভাগৰ ড° বাণীকান্ত শৰ্মাই মোৰ আগত কথাই প্ৰতি কামৰূপীয়া ফকৰা-যোজনা কৈ-কৈ মোক তবধ মনাইছিল। আমাৰ ফালে ইমান বেছি যোজনা মই শুনা নাই।

একে বিভাগৰ ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীও আছিল বৰ ঘৰুৱা। মোৰ গুৰুপত্নী মিলু বাইদেউৰ ভগ্নী মন্দিৰাক বিবাহ কৰোৱা কাৰণে সত্যেন মোৰ একেখন ঘৰৰ যেন হৈ পৰিছিল। বন্ধুবৰ ড° বীৰেন্দ্ৰ নাথ দত্তও গৈ ফকল'ৰত যোগ দিয়াৰ পাছত আৰু সৰবৰহী ড° নবীন শৰ্মাৰ সান্নিধ্যই লোকসংস্কৃতি বিভাগটোকে আপোন যেন কৰি তুলিছিল। সেই বিভাগৰ বিভিন্ন ছেমিনাৰত মই সক্ৰিয়ভাৱে যোগ দিছিলো।

ড° যোগীৰাজ বসুৰ দৰে বিদগ্ধ পণ্ডিতে সংস্কৃত বিভাগ গঢ়ি যোৱাৰ পাছত আনজন কবি, সুদক্ষ অধ্যাপক, প্ৰথিতযশা পণ্ডিত ড° মুকুন্দ মাধৱ শৰ্মাৰ নেতৃত্বত সংস্কৃত বিভাগটো গঢ়ি উঠা দেখিছিলো। ড° প্ৰিয়াংশুপ্ৰবাল উপাধ্যায়, ড° অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া, ড° ভবেন হাজৰিকা, ড° অশোক গোস্বামী আদিৰ দৰে অমায়িক বিশিষ্ট বন্ধুসকলকো সেই সময়তে লগ পাইছিলো। বাংলা বিভাগৰ সততে লগ পোৱা গুণীজন হ'ল অধ্যাপক দীপক সেন, উষাৰঞ্জন ভট্টাচাৰ্য আৰু অমলেন্দু চক্ৰবৰ্তী। তেওঁবিলাকৰ সহৃদয়তা সদায় মনত থাকিব। হিন্দী বিভাগৰ ভিতৰত ড° হীৰালাল তিৱাৰী আৰু ড° ভূপেন্দ্ৰ

ৰায়চৌধুৰীৰ নাম মনলৈ আহিছে।

আমাৰ একেটা ভৱনতে বিভাগসমূহৰ ভিতৰত বুৰঞ্জী বিভাগটো জিলিকি আছিল ড° হেৰম্বকান্ত বৰপূজাৰী ছাৰৰ দৰে বিচক্ষণ ব্যক্তিৰে। তেখেতৰ কৰ্মনিষ্ঠা দেখি তবধ মানিছিলো। তেখেতৰ আগৰ ড° বাজীক লগ পাওঁতে-নাপাওঁতেই তেখেত ৰিটায়াৰ হ'ল। অধ্যাপক ড° যোগেন ফুকন, ড° শ্ৰীমতী ভাৰতী বৰুৱা, ড° ৰঞ্জু বেজবৰুৱা,— এইসকললৈ মনত পৰিছে। দৰ্শন বিভাগত বিভাগ শুৱাই বৈছিল মাতৃৰূপা বাইদেউ নীলিমা দত্তই। তেখেতৰ স্বামী ড° ভৱানন্দ দত্তদেৱক মই বি. এ. পাছ কৰাৰপৰাই জানিছিলো। তেখেতে 'আৱাহন'ত মোৰ লেখাৰ বিষয়ে বৰ ভাল মন্তব্য দিছিল। তেখেতৰ তীক্ষ্ণতাই মোক আকৰ্ষণ কৰিছিল। কথাশিল্পী ড° নীলিমা শৰ্মাও আছিল দৰ্শন বিভাগৰে অধ্যাপিকা। সুসাহিত্যিক ড° ৰেণু দেৱী, ড° নন্দিতা শৰ্মা আছিল এডুকেশ্যন বিভাগৰ। আমাৰ বি. বৰুৱা কলেজৰ সতীৰ্থ অধ্যাপক বীৰেন তালুকদাৰেও পাছত এই বিভাগত যোগ দিছিল। ৰাজনীতি বিভাগৰ ড° ভেংকট ৰাওৰ দৰে অতি নিষ্ঠাবান আৰু গুৱাহাটী বিশ্ববিদ্যালয়খনৰ উন্নতিৰ কাৰণেই সৰ্বস্ব উচৰ্গা কৰা মহানুভৱ অধ্যাপকজনৰ সৰল জীৱনযাপনৰ আৰ্হি দেখি মুগ্ধ হৈছিলো। সেই বিভাগৰ ড° নিৰু হাজৰিকা, ড° অনুৰাধা দত্ত আৰু ড° কুঞ্জ মেধি নিজ ভগ্নীৰ দৰে হৈ পৰিছিল। অংক বিভাগৰ অমলা বেজবৰুৱা পঢ়া দিনৰেপৰা অতি আপোন। বুদ্ধ প্ৰসাদ চেতিয়া মোৰ সখী স্বৰ্ণৰ ভ্ৰাতৃ হিচাপে মোৰ নিজৰ ভাইৰ দৰে আছিল। ইক'নমিকছৰ ড° শাৰংগপাণি প্ৰখ্যাত আছিল। সদা উৎসাহী ড° শ্ৰীনাথ বৰুৱাকতো সৰুকালিৰেপৰা আদৰ কৰিছিলো।

বিজ্ঞান বিভাগৰ জাকতজিলিকা ড° জ্যোতি মেধি, ড° পৱন মহন্ত, মাধৱ গোস্বামী ছাৰ, ড° ভূমিধৰ চৌধুৰী দাদা, ড° অৰুণমণি বাইদেউৰ কথা বৰ শ্ৰদ্ধাৰে সোঁৱৰো। ড° ভুৱন মোহন দাস, ড° পবিত্ৰ শৰ্মা, ড° কিশোৰী মোহন পাঠক, ড° ইন্দুমোহন দাস, ড° মহম্মদ তাহেৰ বন্ধুস্বৰূপ আছিল। ড° সোণেশ্বৰ শৰ্মা, ড° হৰেন শৰ্মা, ড° পূৰ্ণ শৰ্মা আছিল বৰ আন্তৰিকতাপূৰ্ণ। ড° গিলেশ্বৰ কোঁৱৰ আমাৰ পিনৰ আছিল কাৰণে— আগৰেপৰাই তেখেতৰ সৈতে বন্ধুত্ব আছিল। ড° বিনয় তামূলী, ড° চন্দ্ৰমোহন শৰ্মা, ড° চম্পকলাল বৈশ্য, ড° হৰেন চৌধুৰী, ড° অপৰাজিতা বৰকটকী, ড° চন্দী ভট্ট, ড° ইন্দ্ৰ হাজৰিকা, ড° অলকা ফুকন, মুমতাজ আদিৰ সান্নিধ্যও প্ৰায়েই মনত পৰে। বিজ্ঞান বিষয়ৰ হ'লেও প্ৰকৃততে সাহিত্য-সংস্কৃতিজগতৰ জীৱন-শিল্পী আছিল যিজন মোৰ বিশিষ্ট বন্ধু, তেখেতৰ নাম ড° ভবেন্দ্ৰ নাথ শইকীয়া। বি. বৰুৱা কলেজত মই কাম কৰি থকাৰেপৰাই তেখেতে মোক যথেষ্ট সন্মান কৰিছিল। তেখেত বিশ্ববিদ্যালয়ত আগতেই সোমাইছিল। তেখেতৰ গল্পবোৰৰ মই অতি মুগ্ধ পাঠক আছিলো আৰু তেখেতৰ তীৰ্যক নিৰীক্ষণ শক্তিৰ বৰ প্ৰশংসা কৰিছিলো। ড° শইকীয়া, কবি ভবেন

বৰুৱা আৰু মই প্ৰায়ে লগ হৈ সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশ সম্বন্ধে আলোচনা কৰিছিলো। ড° শইকীয়াই জীৱনৰ প্ৰতিটো ক্ষণ কৰ্মেৰে সফল কৰাৰ ব্ৰত লৈছিল— ঠিক যেন মোৰ গানটোৰ দৰে—

জীৱনৰ লগন কৰা অনুপম
প্ৰতিটো প্ৰহৰ তুমি পূৰ্ণ কৰা
হাঁহিৰ সুবাসেৰে মনৰ সাহসেৰে
অশ্ৰুবিন্দুবোৰ মুক্তা কৰা
জীৱন বোধেৰে মন পূৰ্ণ কৰা।।

নিজস্ব মননশীল সূক্ষ্ম বিচাৰৰ পোহৰত যিজনে একোটা বিষয়ৰ গভীৰলৈকে অনুধাৱন কৰি একোটা বিষয়ত আগতে নপৰা পোহৰ পেলোৱাৰ ব্ৰতত ব্ৰতী, যিজন সম্পূৰ্ণ 'ডেডিকেটেড', ইংৰাজী বিভাগৰ অধ্যাপক, সেইজন হ'ল বন্ধুসম ভ্ৰাতৃ ভবেন বৰুৱা। তেওঁক লগ পালো অৱশ্যে বিশ্ববিদ্যালয়ত যোগ দিয়াৰ আগতেই। মই তেওঁৰ লগত পৰিচয় হ'বলৈ গৈছিলো মোৰ পি. এইচ. ডি. থেছিছ লিখি থকা সময়ত ১৯৭০ চন মানত। মই তেতিয়া থেছিছৰ পঞ্চম অধ্যায় আধুনিক কবিতাৰ ভাগটো লিখিবলৈ আৰম্ভ কৰিছিলো আৰু কেইজনমান আধুনিক অসমীয়া কবিৰ কবিতা নিজে অনুবাদ কৰিবলৈ সংকোচ কৰি অধ্যাপক বৰুৱাই কৰি দিয়ে যদি ভাল হ'ব বুলি ভাবি তেওঁৰ ওচৰ চাপিছিলো। পাছে তেওঁ প্ৰিঅকুপাইড আছিল। তেওঁ সহায় কৰিব নোৱৰাত মই সেই সময়ত গোৱালপাৰা কলেজত প্ৰিন্সিপাল হৈ থকা অগ্ৰজ কবি মহেন্দ্ৰ বৰা আৰু আনজন সুসমালোচক ইমদাদ উল্লাহক অনুবাদ কৰি দিবলৈ অনুৰোধ কৰাত দুয়োজনে আনন্দেৰে মোক এইকণ সহায় কৰি মোক কৃতজ্ঞ কৰিলে।

বিশ্ববিদ্যালয়ত যোগ দিয়াৰ পাছত আমাৰ অসমীয়া বিভাগত আৰু ড° ভবেন শইকীয়াৰ অফিচতে বৰুৱাৰ লগত সাহিত্য-সংস্কৃতিৰ ছিৰিয়াছ আলোচনা আমাৰ আৰম্ভ হ'ল। সেই সময়তে বিখ্যাত প্ৰকাশক 'বাণী প্ৰকাশে' ভবেন বৰুৱাৰ অতি সুন্দৰ পাতনি সম্বলিত মোৰ 'দিনৰ পাছত দিন' কবিতা সংকলনটি প্ৰকাশ কৰিছিল। সেইখন গ্ৰন্থই অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ কবিতাৰ পুৰস্কাৰ লাভ কৰিলে।

চিৰ অনুসন্ধিৎসু, প্ৰতিক্ষণ অধ্যয়নৰত মনৰ এই ছিৰিয়াছ প্ৰকৃতিৰ মানুহজন মোৰ কাৰণে ক্ৰমে-ক্ৰমে বিস্ময়েই হৈ পৰিল। কথা-বতৰাত ইতিহাস-সচেতনতা আৰু গভীৰতা থকা। বৰ তীক্ষ্ণ, বৰ সজীৱ। তেওঁৰ দৃষ্টিভংগী যথাৰ্থতেই আধুনিক। মোৰ জ্ঞানপিপাসু আত্মাই তেওঁৰ লগত হোৱা নানা আলোচনাৰে লাভবান হ'বলৈ ধৰিলে। তেওঁৰ ভাষাও সচেতন আৰু মেজাৰ্ড। বহুতৰপীয়া তেওঁৰ কবিতাই মোক আকৰ্ষণ কৰে।

বিশ্ববিদ্যালয়খনে মোক বহুতো অগ্ৰজ, গুণীজনৰ লগত পৰিচয় নিবিড় হোৱাৰ সুযোগ দিলে। উপাচাৰ্যসকলৰ ভিতৰত ধীৰ, স্থিৰ, সুদৰ্শন পুৰুষ ড° যামিনীমোহন চৌধুৰী (আগৰ উপাচাৰ্য ড° হিতেন বৰুৱা মোৰ সম্বন্ধীয় মামাই আছিল), ড° মুকুন্দ মাধৱ শৰ্মা, ড° নিৰ্মল চৌধুৰী, ড° দেৱপ্ৰসাদ বৰুৱাৰ নাম এইক্ষেত্ৰত মনলৈ আহিছে। শ্ৰদ্ধেয় দাদা চিদানন্দ দাসৰ পাছত ৰেজিষ্ট্ৰাৰৰূপে যোগ দিয়া কৈলাস চন্দ্ৰ ভট্টাচাৰ্য, ড° ৰত্ন বৰুৱা, কণ্ট্ৰ'লাৰ ড° মহেন্দ্ৰ বৰুৱা, ট্ৰেজাৰাৰ শৰৎ চন্দ্ৰ গোস্বামী প্ৰমুখ্যে ব্যক্তিসকললৈ মনত পৰে। সকলোৰে মোৰ প্ৰতি আছিল আন্তৰিক সহৃদয়তা। অন্যান্য বিভাগৰ সমূহ কৰ্মচাৰীয়েও নথৈ সহায়ৰ হাত আগবঢ়াইছিল। লাইব্ৰেৰিৰ লাইব্ৰেৰিয়ান ড° যোগেশ্বৰ শৰ্মা আৰু এছিষ্টেণ্ট সকলোৰে, বিশেষকৈ ৰীতা শৰ্মাৰ অকুণ্ঠ সহযোগ পাইছিলো। কেণ্টিনৰ তজবজীয়া বৰদা শৰ্মাৰ কথাইবা ক'ত পাহৰিম! ক'ত পাহৰিম কৃষ্ণচূড়াৰ ৰঙা পাপৰিয়ে মাটিত আলপনা আঁকি-আঁকি থোৱা, দল ঘাঁহ-বনৰ কোমল, কেঁচা গোন্ধেৰে সুৰভিত, নীলা পাহাৰে ঘেৰা পাতল সেউজীয়া, ডাঠ সেউজীয়া, গাঢ় সেউজীয়াৰে আৱৰা জালুকবাৰীৰ আশাৰে উজ্জ্বল দিনবোৰ! নাম মনত নাই বহুতৰেই, নাম মনত থাকিলেও উপাধি পাহৰিছোঁ। কিন্তু হাঁহিভৰা মুখবোৰ, আন্তৰিকতাভৰা কণ্ঠবোৰ মনত জিলিকি আছে, কাণত গুঞ্জৰিত হৈ আছে।

কত নাম দি মাতিছোঁ তোমাক
শ্যামলী, স্নিগ্ধছায়া
অপৰূপা তুমি কত যে আপোন
বনলতা, মধুমায়া।।

মই বিশ্ববিদ্যালয়ত কাম কৰি থকাৰ সময়খিনিত আৰু তাৰ পাছতো মোক গুৰু বৰণ কৰি শিষ্যত্ব ল'বলৈ ইজনৰ পিছত সিজনকৈ ছাত্ৰ-ছাত্ৰীৰ ইমানেই সংখ্যা বাঢ়িল যে, আটাইৰে দায়িত্ব ল'বলৈ মই অপাৰগ হ'লো। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (U.P.S.C.) পৰীক্ষক (examiner) হোৱাকে আৰম্ভ কৰি বহুত বছৰ মই National Book Policyৰো দায়িত্বত আছিলো। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ আৰু বিশ্বৰ বিভিন্ন সভা-সমিতিত অংশগ্ৰহণ কৰিবলৈ মই ঘনাই বিদেশলৈ যাব লগা হৈছিল। এইবোৰ অতি দায়িত্বপূৰ্ণ কাম। তীব্ৰ মানসিক হেঁচা অহৰহ ল'ব লগা হৈছিল। তদুপৰি মই সদায় 'কোৱালিটি'তহে গুৰুত্ব দিছিলো। লেখত বহুত হ'লেই জানিবা, লাভনো কি হ'ব!

প্ৰথমেই আহিল গান, কবিতা, গল্প আৰু সমালোচনামূলক কেইবাখনো গ্ৰন্থৰ ৰচয়িতা পৰাগ কুমাৰ ভট্টাচাৰ্য। তেওঁ আছিল জ্যোতিষশাস্ত্ৰৰ এজন বিজ্ঞ পণ্ডিত, প্ৰখ্যাত অধ্যাপক পুৰুষোত্তম ভট্টাচাৰ্যদেৱৰ পুত্ৰ। কামৰূপৰ কলেজ এখনত পৰাগে

তেতিয়া কাম কৰি আছিল। ইতিমধ্যে দুজন নাম থকা অধ্যাপকে গাইড হ'বলৈ মান্তি হৈ পৰাগৰ সময় অনাহকত কেইবাবছৰো নষ্ট কৰিছিল। উপায়ান্তৰ হৈ বিষণ্ণভাৱে তেওঁ মোৰ ওচৰ পালেহি আৰু পি. এইচ. ডি.ৰ গাইড হ'বলৈ বিনম্রভাৱে অনুৰোধ জনালে। কথা-বতৰা পাতি গম পালো তেওঁ বেচ তীক্ষ্ণ। ইংৰাজী সাহিত্যৰো যথেষ্ট পঢ়িছে। বিদ্যানুৰাগী ঘৰৰ ল'ৰা। উন্নতিৰ কাৰণে মনত আকুলতা আছে। মই তেওঁক আগৰ বিষয় বাদ দিবলৈ ক'লো আৰু যিহেতু তেওঁ গল্প লিখাৰ কলা-কৌশল আয়ত্ত কৰি যথেষ্ট গল্প লিখিছে, সেয়েহে তেওঁক 'অসমীয়া গল্প সাহিত্যৰ সামগ্রিক অধ্যয়ন' সম্পূর্ণৰূপে কৰিবলৈ উপদেশ দিলো। এতিয়া যদিও অসমীয়া বিভাগত অসমীয়া ভাষাতে পি. এইচ. ডি. থেছিছ লিখিব পৰা নিয়ম হ'ল, পৰাগৰ থেছিছ কিন্তু ইংৰাজীতহে আছিল। মোৰ থেছিছো আছিল ইংৰাজীতেই। ইংৰাজীত লিখিবলৈ এটাই সুবিধা যে ভাৰতৰ বা ভাৰতৰ বাহিৰৰ যিকোনো বিশেষজ্ঞ পৰীক্ষকলৈ (expert examiner) পঠাব পাৰি। অসমীয়া ভাষাত লিখিলে অসম, বংগদেশ, উৰিষ্যা আদিৰ অসমীয়া জনা পৰীক্ষককেহে পৰীক্ষা কৰিব পাৰে। মোৰ মনত আছে, পৰাগৰ 'থেছিছ' দাখিল কৰাৰ সময়টো পৰিছিল মই পশ্চিম জাৰ্মেনিলৈ আন্তঃৰাষ্ট্ৰীয় ছেমিনাৰ এখনলৈ যোৱাৰ সময়তেই। মই বাহিৰলৈ যোৱাৰ আগে-আগে তেওঁৰ থেছিছখন তন্নতন্নভাৱে পৰীক্ষা কৰি চাই শব্দ বা বাক্য বা পেৰাগ্ৰাফৰ কেনেকৈ পৰিৱৰ্তন কৰিছিলো আৰু তাকে কেইবাদিনো জুৰি ৰাতি এডোখৰলৈকে কৰোঁতে আনকি যাবৰ দিনাও ব্ৰহ্মপুৱাতে উঠি চাই-চাই কেনেকৈ সমাপ্ত কৰি তেওঁৰ হাতত টাইপ কৰিবলৈ দি থৈ গৈছিলো আৰু তাকে কৰোঁতে মোৰ চকু দুটাৰ ভয়ানক কষ্ট হৈছিল আৰু দুয়োটা চকু ফুলি গৈছিল সেই কথা স্পষ্টকৈ মনত আছে। যি নহওক তেওঁৰ এই অধ্যয়ন (study) সুন্দৰ হৈছে বুলি পৰীক্ষকসকলে শলাগিলে।

তাৰ পাছৰ শিষ্য-শিষ্যাসকল হ'ল পৰমা ৰাজবংশী (এওঁ 'দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত অসমীয়া সাহিত্য'— এই বিষয়ত ৰিছাৰ্চ কৰিছিল), পৰেশ শৰ্মা (এওঁৰ বিষয় আছিল 'নলিনীবালা দেৱীৰ কবিতাৰ সামগ্ৰিক অধ্যয়ন'), পূৰবী ভট্টাচাৰ্য (ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্যত সমাজ সচেতনতা), যতীন বৰুৱা (অসমীয়া দেশপ্ৰেমমূলক গীত আৰু কবিতা), প্ৰফুল্ল নাথ (অসমৰ নাথ সম্প্ৰদায় আৰু তেওঁলোকৰ সংস্কৃতি)। অসমৰ লোকমন অসমীয়া সাহিত্যত কেনেকৈ প্ৰতিফলিত হৈছে সেইবিষয়ে গৱেষণা কৰিবলৈ দিছিলো শ্ৰীমতী কল্পনা বেজবৰুৱাক। শ্ৰীমতী সংগীতা গোস্বামী যিহেতু চিত্ৰশিল্পী, সেয়েহে তেওঁক অসমৰ সত্ৰসমূহৰ চাৰু আৰু কাৰুকলা বিষয়ৰ গৱেষণা কৰিবলৈ উপদেশ দিছিলো। শ্ৰীমতী বন্তি ভূঞাক দিছিলো 'ড° সূৰ্যকুমাৰ ভূঞাৰ জীৱন আৰু কৃতি'ৰ বিষয়ে গৱেষণা কৰিবলৈ।

বহুত আগবাঢ়িও তেওঁলোকে গৱেষণা সম্পূৰ্ণ নকৰিলে। তেনেকৈয়ে লখিমপুৰৰ শ্ৰীললিত দত্ত আৰু শ্ৰীমতী তৰা কাকতি বৰাক ক্ৰমান্বয়ে দিছিলো লখিমপুৰৰ পৰম্পৰাগত সাংস্কৃতিক অধ্যয়ন আৰু 'শিৱসাগৰৰ সংস্কৃতি'ৰ বিষয়ে গৱেষণা কৰিবলৈ। তেওঁলোকে যথেষ্ট ভাল কাম কৰা সত্ত্বেও পাৰিবাৰিক অসুবিধাৰ কাৰণেই কাম সম্পূৰ্ণ কৰিবগৈ সময়মতে নোৱাৰিলে। গৱেষণাৰ এই বিষয়বোৰ আছিল অসমীয়া সাহিত্য আৰু অসমীয়া সংস্কৃতিৰ বিভিন্ন তাত্ত্বিক দিশত। কোনেও নোচোৱা, কোনেও নকৰা কিমান যে গভীৰ বিষয় সম্পৰ্কে মই গৱেষণাৰ কাম কৰাব খুজিছিলো। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই ফিল্ডৱৰ্ক কৰিবলৈ টান পায়। সাঁচিপতীয়া পুথি পঢ়িবলৈ টান পায়। টান পায় ইখন আৰু সিখন ৰাজ্যৰ সাহিত্য বিষয়ৰ তুলনামূলক অধ্যয়ন কৰিবলৈও। বেছিভাগেই বিচাৰে লাইব্ৰেৰিত বিচাৰিলেই পোৱা কিতাপৰ সহায়ত গৱেষণাকাৰ্য কৰিবলৈহে। কিন্তু গৱেষণা বোলা বস্তুটো ইমান সহজনে? সাহিত্যৰ লগত নেপথ্যৰ ইতিহাস আৰু সামগ্ৰিক দৰ্শনো যে সন্নিৱিষ্ট হৈ থাকে। কবিতালৈ ভয় কৰে, বেদ-বেদান্ত ঘাটিবলৈও সংকোচ কৰে। কিছুমানৰ আৰম্ভতেই ভাগৰ লাগে। অথচ মই বিচাৰোঁ 'first hand knowledge' আৰু perfection।

এবাৰ এজন উৎসাহী ল'ৰাক দিছিলো শংকৰোত্তৰ নাটসমূহ (দেশী ভাষাৰ) সংগ্ৰহ কৰিবলৈ আৰু তাৰ বিষয়ে গৱেষণা কৰিবলৈ। ফিল্ডৱৰ্কৰ কাম। সংগ্ৰহৰ কাম। এনেক্ষেত্ৰত ৰাইজৰ সহযোগো একান্তই লাগে। কিন্তু এনে নাট গাঁৱৰ যি-যি ৰাইজৰ হাতত আছে তেওঁবিলাকে হাতৰপৰা জেৰক্স কৰিবলৈ এৰি দিব নোখোজে, হাতত থাকিলেও নাই বুলি কয়। এইবিলাকতো জাতীয় সম্পত্তি— কাৰো ব্যক্তিগত সম্পত্তি নহয়। থওঁতে-থওঁতে বস্তুবোৰ পোকে কুটে, জহি-খহি যায়, কেতিয়াবা কাগজত পাওঁ কেজি কৰি তেনেবোৰ বস্তু গিৰিহঁতে আকালত বিক্ৰি কৰিও দিয়ে। অথবা বানপানীত উটি-বুৰি যায়। অজ্ঞতা আৰু গোঁৱাৰামিৰ কাৰণেই কতবোৰ জাতীয় অমূল্য সম্পদ আমাৰ বিনষ্ট হৈ আছে তাৰ খবৰ কোনে ৰাখে!

অন্তৰত একাগ্ৰ হেঁপাহ থাকিলে, গৱেষণাৰদ্বাৰা একোটা বিষয়ৰ আদি-অন্ত জানিবৰ আকুলতা হ'লে কোনো বাধাই থাকিব নোৱাৰে বুলি মোৰ বিশ্বাস। মোৰ অভিজ্ঞতা অকলশৰে যোৱাৰে অভিজ্ঞতা— "আগে আগে মই, পাছে-পাছে পথ" (মোৰ কবিতা ঃ স্থিতি)। অন্তৰত দুৰ্মদ সাহস লৈ আগ নাবাঢ়িলে দেশৰ প্ৰতি থকা আমাৰ নৈতিক দায়িত্ব কেনেকৈ পালন কৰিম। সেয়েহে বাৰে-বাৰে কওঁ,—

মই বিচাৰোঁ   হাজাৰ চকুত

দীপ্ত সূৰ্যশিখা

এই ভয়াৱহ যুগসন্ধিৰ
নাশিবলে বিভীষিকা
মই বিচাৰিছোঁ হাজাৰ খোজত
বলিষ্ঠ বিজুলী গতি
নিথৰ, স্তব্ধ এই প্ৰহৰৰ
যিহে আনি দিব যতি
মোক লাগে সেই অযুত চকু
জীৱনতৃষ্ণা আঁকা
দীপ্ত সূৰ্যশিখা।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U.G.C.) প্ৰজেক্টো আমি ডিপাৰ্টমেণ্টত মোৰ সময়ত কেইবাটাও কৰিছিলো; তাৰ ভিতৰত প্ৰধান হ'ল সাঁচিপতীয়া পুথিৰ সংগ্ৰহ আৰু সম্পাদনা, লোকভাষাৰে গৱেষণা আৰু লোকসংস্কৃতিৰ অধ্যয়ন। ড° মুকুন্দ মাধৱ শৰ্মাই কৰিছিল ভট্টদেৱৰ 'ভক্তি বিবেক'ৰ সম্পাদনা, ড° নবীন শৰ্মাই কৰিছিল ৰুচিনাথ কন্দলীৰ 'শ্ৰীশ্ৰীচণ্ডী', ড° বাণী শৰ্মাই কৰিছিল শংকৰদেৱৰ নাট 'পাৰিজাত হৰণ', মই কৰিছিলো গোৱিন্দ মিশ্ৰৰ 'গীতা', ড° মালিনী গোস্বামীয়ে কৰিছিল — সংস্কৃত গ্ৰন্থ 'চিত্তামোদকাব্য'ৰ সম্পাদনা, ড° হেমন্ত শৰ্মাই কৰিছিল 'মায়ং অঞ্চলৰ লোকসংস্কৃতি', ড° দীপংকৰ মড়লে কৰিছিল এক আঞ্চলিক ভাষাৰ অধ্যয়ন। কামবোৰ সময়মতে সমাপ্ত হ'লে কি যে তৃপ্তি আহে! গীতাত যে কৈছে 'কৰ্মই ধৰ্ম'— এয়া বৰ সত্য কথা।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দিগন্ত বিয়পা সম্ভাৱনা আছিল। উপাচাৰ্যসকলো আছিল অত্যন্ত সুদক্ষ। প্ৰতিটো বিভাগৰে মুৰব্বীসকল আছিল অতি মেধাৱী, অতি বিদ্বান, দেশে-বিদেশে খ্যাতি থকা সুযোগ্য পণ্ডিত। ছাত্ৰ-ছাত্ৰীসকল আছিল প্ৰচুৰ সম্ভাৱনাপূৰ্ণ। পাহাৰৰ গাতে লগা সুদৃশ্য বাতাৱৰণ। তথাপি কিহৰ অভাৱত বিশ্ববিদ্যালয়খনে আশা কৰা মতে তুংগ অৱস্থা পাবগৈ পৰা নাই? ৰাজনৈতিক ক্ষমতা লাভৰ দুৰ্বাৰ আকাংক্ষাই ছাত্ৰ-ছাত্ৰীসকলক পথভ্ৰান্ত কৰি তোলাটোৱেই ইয়াৰ উৎস নে কি? বহুত দূৰলৈকে, বহুত তৰপত কথাবোৰ ভাবি গ'লে এই কথাখিনিকে দেখা পাওঁ যে এই সৰ্বগ্ৰাসী ক্ষয়িষ্ণুতা অকল এটা দিশৰপৰাই অহা নাই, আদৰ্শৰ অস্পষ্টতা, ৰাজনৈতিক পন্থাৰ দ্বন্দ্বই বৰ্তমানৰ নৈতিকতাক যি মাৰঘাত মাৰিলে তাৰ বিক্ষিপ্ত আঘাতে সমগ্ৰ বিশ্বৰেই সামাজিক-সাংস্কৃতিক দিশ পংগু, অথৰ্ব, জৰ্জৰিত কৰি তুলিলে। মানুহৰ ভোগবাদী লালসাই অসাধুতা, অনৈতিকতাৰ সৃষ্টি কৰিলে, অৰ্থনৈতিক অসমতা বৃদ্ধি পালে, ভাৰতৰ উত্তৰ-পূব সীমান্তৰ অৰ্থনৈতিক স্থিৰতাৰ অভাৱে কল্পনাতীত সংকটৰ সৃষ্টি

কৰিলে, ভয়ংকৰ অস্থিৰতাই জুই জ্বলাই তুলিলে প্ৰচণ্ড ৰূপত। সেই জুয়ে আদৰ্শ, সম্প্ৰীতি, আনন্দ, শান্তি ভস্মীভূত কৰিবলৈ ধৰিলে। জন বিস্ফোৰণ, নিবনুৱা সমস্যাই যি ভয়ংকৰ হতাশা কেউদিশে সৃষ্টি কৰিলে, ক্ৰোধৰ অগ্নি লেলিহান হৈ সাধনাৰ তন্ময়তা, ধ্যান ছাৰখাৰ কৰিলে। আমি নিজক নিজে চিনি নোপোৱা অৱস্থাত পৰিলো। ভাৰতবৰ্ষত, বিশেষকৈ অসমত চল্লিছৰ দশকৰপৰাই আৰম্ভ হোৱা বিৱৰ্তনৰ প্ৰক্ৰিয়াই উৰ্ধ্বমুখী গতিৰ ঠাইত আত্মধ্বংসী অধোগতিৰ পিনে যেন নামি যাবলৈ ধৰিলে।

আমাৰ বিশ্ববিদ্যালয়খন এনে পটভূমিত পৰি কেৰিয়াৰ গঠনৰ (চাকৰিৰ কাৰণে) কেন্দ্ৰ হিচাপে চলি আছে যদিও প্ৰকৃত অৰ্থৰ 'শিক্ষা কেন্দ্ৰ' হৈ উঠিব পৰা নাই। খণ্ডিত মতবাদ, খণ্ডিত মেথড, খণ্ডিত চৰ্চা কেন্দ্ৰ একোটাই এক অখণ্ড 'ষ্টাডি চেণ্টাৰ' হৈ উঠিব নোৱাৰে। ইয়াৰ কাৰণে সুন্দৰ স্বপ্ন, সুস্থ আইডিয়া, উচৰ্গিত মনৰ ব্যক্তি আৰু আৰ্থিক স্বচ্ছলতা একান্ত প্ৰয়োজন। তাতোকৈও প্ৰয়োজন এক শান্তিৰ, সহযোগী পৰিৱেশ। আমাৰ দুৰ্ভাগ্য ক'ত থওঁ! অস্তিত্বৰ বিলুপ্তিও এনেকৈয়ে ঘটে।

১৯৮৯ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে (U.G.C.) মোক ৰাষ্ট্ৰীয় অধ্যাপিকা পদ যাচি সন্মানিত কৰিলে। ইয়াৰ কাৰণে পূৰ্বনিৰ্দিষ্ট কোনো দৰমহা নাথাকে। ভাৰতৰ যিকোনো বিশ্ববিদ্যালয়ে বিশেষ-বিশেষ বিষয়ত বক্তৃতা দিবলৈ সেই-সেই বিশ্ববিদ্যালয়লৈ নিমন্ত্ৰণ কৰি যাৱতীয় সকলো খৰচ মাননিসহ বহন কৰে। নিমন্ত্ৰণক্ৰমে মই ভাৰতৰ কেইবাখনো বিশ্ববিদ্যালয়ত বক্তৃতা দিবলৈ গৈছিলো।

মোৰ নাম অসম সাহিত্য সভাৰ সভানেত্ৰীৰূপে প্ৰস্তাৱিত হোৱাৰ কথা মই শুনিছিলো। অসম সাহিত্য সভাৰ গোটেই অসমজুৰি নশমান শাখা আছে। আটাইবোৰ সমানে সক্ৰিয় অৱশ্যে নহয়। সাহিত্য সভাৰ সভাপতি নিৰ্বাচনৰ কাৰণে পাঁচটামান নাম একজিকিউটিভ বডিয়ে পঠাই দি গোপন ভোটৰ কাৰণে শাখাবোৰলৈ লিখে। তাৰ আগতে নাম দিয়া কেইজনৰপৰা গোপন অনুমতি লয়। মোৰ তেনেকৈ অনুমতি লওঁতে মই অনুমতি দিছিলো।

মোৰ আগৰবাৰ সভাপতি নিৰ্বাচিত হৈছিল শ্ৰদ্ধেয় কবি নৱকান্ত বৰুৱাদেৱ। মোৰবাৰত ময়ে সৰ্বাধিক ভোট পোৱাৰ কাৰণে সভানেত্ৰীৰ দৰে সৰ্বোত্তম সন্মান মোলৈ আগবঢ়োৱা হ'ল। অসমৰ মানুহৰ মোৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা, মৰমৰ নিশ্চিত প্ৰমাণ পালো। গোটেই অসমজুৰি শাখাই-শাখাই সম্বৰ্ধনা সভা অনুষ্ঠিত হ'ল। এই শাখা সভাবোৰে সভাপতিক নিমন্ত্ৰণ কৰি নি প্ৰতি শাখাৰ কাম, কামৰ আঁচনি আৰু সাহিত্যৰ সমস্যাৰ বিষয়ে আলোচনা কৰে। আটাইৰে আশীৰ্বাদ শিৰ পাতি ল'লো। শাৰীৰিকভাৱে আটাইবোৰ ঠাইলৈ যোৱাটো সম্ভৱ নহ'ল।

অসম সাহিত্য সভাই কৰিব লগা কিমান কাম যে আছে! সেইবাৰ অসমৰ পশ্চিম প্ৰান্ত দুধনৈত মহাসমাৰোহেৰে সভা অনুষ্ঠিত হ'ল। অৱশ্যে অভ্যৰ্থনা সমিতিয়ে এপ্ৰিল মাহতহে (জানুৱাৰী বা ফেব্ৰুৱাৰীত পাতিব নোৱাৰি) অসম সাহিত্য সভা অনুষ্ঠিত কৰিলে।

অসম সাহিত্য সভা যিকোনো দলীয় ৰাজনীতিৰ উৰ্ধ্বত। বিদেশী বহিষ্কাৰ কথাটো মুখ্য কৰি গঢ় লৈ উঠা অসম আন্দোলনে এনে এক সৰ্বব্যাপী ৰূপ লৈছিল যে অসম সাহিত্য সভায়ো এই আন্দোলনক নৈতিক সমৰ্থন দিলে। পাছত অৱশ্যে এই আন্দোলনৰ ছাত্ৰনেতাসকলে নতুন আঞ্চলিক, ৰাজনৈতিক দল অসম গণ পৰিষদ গঠন কৰি নিৰ্বাচনত নামি দিছপুৰ দখল কৰিলে। মই সভানেত্ৰী হোৱা সময়ত অৱশ্যে কংগ্ৰেছৰ সুদক্ষ নেতা হিতেশ্বৰ শইকীয়াহে মুখ্যমন্ত্ৰী আছিল। বৰ পৰিতাপৰ কথা যে অ গ প ৰাজনৈতিক দল হোৱা সত্ত্বেও তেওঁবিলাক অসম সাহিত্য সভাৰ মঞ্চত বহিলে একো জগৰ নালাগে। কিন্তু আঞ্চলিক সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হৈও, কংগ্ৰেছী হোৱা কাৰণেই মুখ্যমন্ত্ৰী শইকীয়া সাহিত্য সভালৈ যাব নোৱাৰে। তেওঁ বিশ্ববিদ্যালয়লৈ গ'লে বিশ্ববিদ্যালয়ৰ মিটিং বৰ্জন হ'ব, সাহিত্য সভালৈ গ'লে সাহিত্য সভা বৰ্জিত হ'ব। অথচ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক সাহিত্য সভালৈ নিমন্ত্ৰণ কৰাটো পূৰ্বাপৰ চলি অহা ৰীতি। তেওঁ লাগিলে যি দলৰে নহওক। কাৰণ মুখ্যমন্ত্ৰীয়েহে অসম সাহিত্য সভাখন অনুষ্ঠিত কৰিবলৈ সহায়ৰ সকলো হাত আগবঢ়ায়। নিৰাপত্তাৰ দায়িত্বও তেওঁৰেই। কথা-কাণ্ড দেখি মই মোৰ বিবেকৰ বাণীয়েই মানি লৈছিলো। অভ্যৰ্থনা সমিতিৰ অকুণ্ঠ সহযোগত দুধনৈবাসী ৰাইজৰ আন্তৰিক আগ্ৰহৰদ্বাৰা ধন্য হৈ সভাখন বৰ নিয়াৰিকৈ অনুষ্ঠিত হ'ল।

অসম সাহিত্য সভাৰ সভানেত্ৰী হৈ মই প্ৰথমেই কাৰ্যকৰী কমিটি গঠন কৰিলো। সম্পাদক নিযুক্ত হ'ল অধ্যাপক নাহেন্দ্ৰ পাদুন।

মই সৰ্বপ্ৰথম সাহিত্য সভাই এটা আৰ্কাইভ কৰাতহে গুৰুত্ব দিলো। কাৰণ আৰ্কাইভ নহ'লে কোনো কিতাপ-পত্ৰ, কেছেট ভৱিষ্যতলৈ সাঁচি থ'ব নোৱাৰি।

অসম সাহিত্য সভাৰ সভানেত্ৰীৰ অভিভাষণখন লিখোঁতে মই বৰ সচেতন আছিলো। অসমৰ নিচিনা বহু ভাষা-ভাষী লোকৰ ৰাজ্য এখনত ভাষা-সাহিত্যৰ কোনো ভাষণ বিভ্ৰান্তকাৰী হ'ব নোৱাৰে। সত্যক শুদ্ধ ৰূপত পতাকাৰ দৰে দাঙি ধৰিবলৈ মই চেষ্টা কৰিছিলো আৰু এইক্ষেত্ৰত মোৰ বিচাৰ-বিবেচনাবোৰ শুদ্ধ হৈছেনে নাই মোৰ ভাতৃপ্ৰতিম অথচ অন্তৰংগ বন্ধু অধ্যাপক, কবি, সমালোচক শ্ৰীভবেন বৰুৱাৰ লগত আলোচনা কৰি লৈছিলো। সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰাটো মোৰ কোনোদিনেই কাম্য নাছিল আৰু এতিয়াও কোনোদিনে নাই। বৰ নিষ্ঠাৰে আৰু মোৰ জ্ঞান-বুদ্ধিৰ জোখাৰেই মই দৌৰিব খোজোঁ। মোৰ বিচাৰ-বুদ্ধি যি শ্ৰদ্ধা কৰে অথবা মোৰ দোষ-

ত্ৰুটি যি যুক্তিৰে, বিনম্ৰতাৰে খণ্ডন কৰিব পাৰে তেওঁকো মই অন্তৰেৰে শ্ৰদ্ধা কৰোঁ।

অভিভাষণখনৰ প্ৰায় প্ৰথমৰ পিনেই মই কৈ লৈছিলো অসমীয়া কোন। কাৰণ অসম সাহিত্য সভাখন অসমীয়া লোকৰদ্বাৰা ১৯১৭ চনতে সংগঠিত সভা। মই মোৰ একান্ত নিজা উপলব্ধিৰপৰাই কৈছিলো— "সেইসকলেই অসমীয়া যাৰ অন্তৰে অসমৰ সুখত হাঁহে, দুখত কান্দে। যিসকলে এয়ে মোৰ জন্মভূমি, এয়ে মোৰ কৰ্মভূমি, এয়ে মোৰ আই" বুলি অসমৰ মাটি সাবটি লৈছে, সেইসকলেই অসমীয়া। ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা অসমলৈ বিভিন্ন গোষ্ঠীৰ লোকৰ প্ৰচৰণ হৈছিল আৰু এই মাটিতেই তেওঁবিলাক জীৱন বিচৰা এক ঐক্যসূত্ৰতে লগ লাগিছিল আৰু মিলি গৈছিল।

অসম সাহিত্য সভাই যি আন্তৰিক বন্ধনেৰে অসমৰ সকলোকে সাবটিছে সেই বন্ধন যে কৃত্ৰিম বন্ধন নহয়, ই যে অসমৰ ইতিহাসৰ স্বাউতিযুগীয়া সমন্বয় আৰু ঐক্যৰ সূত্ৰটোকে স্মৰণ কৰাইছে এই কথা কৈ স্মৰণ কৰিছিলো মহামন্ত্ৰ— "সংগচ্ছধং, সংবদধং, সৎবোমনাংসি জানতাম্— এক হৈ গমন কৰিম, এক হৈ ক'ম, সকলোৰে মনক এক বুলি জানিম।" অতিশয় বিপদ, সংকট আৰু ভাবুকিৰ মাজেৰে যোৱা, অখণ্ডতা বিনাশৰ ভাবুকিয়ে ছিন্ন-বিচ্ছিন্ন কৰিব খোজা সংকট মুহূৰ্তত অসম সাহিত্য সভাৰ আন্তৰিক একতাৰ সাধনাই ভাৰতৰো চিৰন্তন সাধনা। এই মিলন ব্ৰতৰ মূলমন্ত্ৰ হ'ল প্ৰেম। প্ৰেমৰ প্ৰেৰণাৰেই বৃহৎ বিশ্বৰ বিচিত্ৰ মানুহে তেওঁবিলাকৰ সমস্ত বিচ্ছিন্নতাৰ দ্বন্দ্বক অতিক্ৰম কৰি অবিৰোধেৰে একত্ৰে মিলিব পাৰে। ভাৰতীয় সংস্কৃতিৰ কেন্দ্ৰীয় ইতিহাস, এই প্ৰেম বিস্তাৰৰে জয়গাথা।

এই প্ৰসংগতে ভাৰতীয় সংস্কৃতিৰ অতিশয় গুৰুত্বপূৰ্ণ গায়ত্ৰীমন্ত্ৰৰ মই উল্লেখ কৰিছিলো। বৈদিক ধ্বনিয়ে নিজ চৈতন্যক কেৱল ভূলোকত সীমাবদ্ধ নাৰাখি তাক ভুবৰ্লোক আৰু স্বলোকৰ মাজত বিচৰণ কৰিবলৈ দিছিল।* বৈদিক ঋষিৰ কণ্ঠতে ধ্বনিত হৈছিল— "স নো বুদ্ধ্যা শুভয়া সংযুক্ত"— তেওঁ আমাক সকলোকে শুভ বুদ্ধিৰ দ্বাৰা সংযুক্ত কৰক। সকলো বিশ্ববাসীৰ মংগলৰ কাৰণেই এই প্ৰাৰ্থনা।

প্ৰেম-মৈত্ৰীৰ এই গভীৰতৰ সত্যৰূপে স্বীকৃত হৈছে ভগৱান বুদ্ধৰ বাণীতো। গীতাতো সেই একে আদৰ্শ।

সৰ্বভূতৰ মাজত নিজক আৰু নিজৰ মাজত সৰ্বভূতক দেখা দৰ্শন সঁচাকৈয়ে মহত্তম দৰ্শন। ভাৰতীয় দৰ্শন, নীতিশাস্ত্ৰৰ মূল দৰ্শনেই হ'ল সৰ্বভূতৰ প্ৰতি নিষ্কাম প্ৰীতি।

এই কথাখিনিকে কিছু বহলাই অভিভাষণখনত কৈছিলো যে এনে ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰে বাহক হৈছে অসম আৰু অসমৰ সভ্যতা-সংস্কৃতি, পূব-পশ্চিম

** পাছত লিখা মোৰ 'সূৰ্য' গ্ৰন্থত গায়ত্ৰী আৰু সূৰ্য মহিমাৰ বিস্তাৰিত কথা আছে।*

দুয়োপিনৰ সমন্বয়ৰ সভ্যতা-সংস্কৃতি।

অসমীয়া ভাষা অসমৰ ভাষা। ভাৰতৰ সংবিধানৰদ্বাৰা স্বীকৃত হোৱা পোন্ধৰটা (বৰ্তমান ওঠৰটা) প্ৰধান আঞ্চলিক ভাষাৰ ভিতৰত ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্য অসমৰ ৰাজ্যভাষা 'অসমীয়া' হৈছে মূলতে আৰ্যভাৰতীয়— অথবা ইণ্ডো-ইউৰোপিয়ান ভাষা। এই ভাষাৰ উৎস হৈছে সংস্কৃত। সংস্কৃতৰপৰা প্ৰাকৃত আৰু মাগধী অপভ্ৰংশৰ স্তৰৰ মাজেৰে আহি এই অঞ্চলত অসমীয়া ভাষাৰ ৰূপ পৰিগ্ৰহণ কৰে।

সংস্কৃত আছিল বৈদিক ভাষাৰ সমগোত্ৰীয় ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত প্ৰচলিত কথিত ভাষাবিশেষৰ পৰিমাৰ্জিত আৰু সাহিত্যিক ৰূপ। বিদ্বান শ্ৰেণীৰ আৰ্যসকলে সাহিত্য-সংস্কৃতিৰ মাধ্যমৰূপে সংস্কৃতক প্ৰতিষ্ঠা কৰিছিল আৰু এই ভাষাই সৰ্বভাৰতীয় মৰ্যাদা লাভ কৰিছিল। আনহাতে আৰ্যসংস্কাৰযুক্ত জনসাধাৰণৰ মাজত দৈনন্দিন জীৱননিৰ্বাহৰ কাৰণে অসংস্কৃত কথিত আৰ্যভাষা প্ৰচলিত আছিল। এই কথিত আৰ্যভাষা স্বাভাৱিক পৰিৱৰ্তনৰ মাজেৰে সবল হ'বলৈ ধৰিলে। প্ৰাকৃতজনে অৰ্থাৎ জনসাধাৰণে কৈছিল কাৰণেই ভাষাটোক বোলা হৈছিল 'প্ৰাকৃত'। ক্ৰমান্বয়ে প্ৰাকৃত সৰল হৈ অহা স্তৰটোৱেই নাম পালে 'অপভ্ৰংশ'। নাটক আৰু কাব্যত সংৰক্ষিত হোৱা প্ৰাকৃতেই সাহিত্যিক প্ৰাকৃতৰ নিদৰ্শন। প্ৰাকৃতৰো ভাগ তিনিটা। আদি প্ৰাকৃত, মধ্য প্ৰাকৃত আৰু অন্ত্য প্ৰাকৃত।

এই কথাবোৰ মই বহলকৈ সভানেত্ৰীৰ অভিভাষণত কৈছোঁ যদিও কিছু কথাৰ পুনৰাবৃত্তি এইকাৰণেই কৰিছোঁ যে অভিভাষণখন হয়তো সেইদিনা কোনোবাই শুনিছিল, কোনোবাই শুনা নাছিল। কাগজত ওলাওঁতেও হয়তো কোনোবাই পঢ়িছিল, কোনোবাই পঢ়া নাছিল। অভিভাষণ বিলাওঁতেও কোনোবাই হয়তো কপি পাইছিল, কোনোবাই পোৱা নাছিল। অসমীয়া ভাষা-সাহিত্যৰ প্ৰাথমিক কথাখিনি আটায়ে জনা উচিত বুলিয়েই সৰ্বসাধাৰণৰ কাৰণে ইয়াতো মূল কথা কেইটামান লিখি থৈছোঁ।

অশোকৰ শিলালিপি, পালি ভাষাত (পালিও এবিধ প্ৰাকৃতেই) ৰচিত ত্ৰিপিটক আদি আৰু হীনযানী বৌদ্ধ শাস্ত্ৰসমূহ হৈছে আদি প্ৰাকৃতৰ নিদৰ্শন। মধ্য প্ৰাকৃতৰ নিদৰ্শন সংস্কৃত নাটকত থকা প্ৰাকৃত, হালৰ গাথা সপ্তপতী, আৰু জৈনধৰ্ম সম্বন্ধীয় সাহিত্যসমূহ। প্ৰাকৃতৰ শেষস্তৰ হ'ল অপভ্ৰংশসমূহ। বহুতো সাহিত্যিক নিদৰ্শনৰ ভিতৰত সহজীয়া বৌদ্ধাচাৰ্যসকলৰ দোহাসমূহো এই অপভ্ৰংশত পৰে। প্ৰাকৃত ভাষাই বিভিন্নতা লাভ কৰিছিল অঞ্চলবোৰৰ ভৌগোলিক, সামাজিক, অৱস্থাভেদে উচ্চাৰণৰ বৈশিষ্ট্য অনুসৰি। সাহিত্যিক ৰূপটো লক্ষ্য কৰি আঞ্চলিক প্ৰাকৃতৰ চাৰিটা নিদৰ্শন পোৱা গৈছে— পূৰ্বাঞ্চলৰ প্ৰাকৃতৰ নাম মাগধী, মধ্যদেশৰ প্ৰাকৃতৰ নাম সৌৰ শেণী, দক্ষিণ-পশ্চিমৰ প্ৰাকৃতৰ নাম মহাৰাষ্ট্ৰী আৰু উত্তৰ-পশ্চিমাঞ্চলৰ প্ৰাকৃতৰ নাম পৈশাচী।

বিশ্ববিখ্যাত ভাষাতাত্ত্বিক পণ্ডিত ড° সুনীতি কুমাৰ চেটাৰ্জিৰ মতে মাগধী প্ৰাকৃতৰপৰা উদ্ভৱ হোৱা শাখা চাৰিটা—(১) ৰাঢ় (ইয়াৰপৰাই পশ্চিম বংগৰ উপভাষাৰ সৃষ্টি হৈছে)। (২) বৰেন্দ্ৰ (উত্তৰ-মধ্য বংগৰ উপভাষাসমূহৰ সৃষ্টি ইয়াৰপৰাই হৈছে)। (৩) বংগ (পূৰ্ব বংগৰ উপভাষাৰ সৃষ্টি হৈছে ইয়াৰপৰা)। (৪) কামৰূপী (এই কামৰূপী অপভ্ৰংশৰপৰাই অসমীয়া আৰু উত্তৰ বংগৰ কোচবেহাৰ, জলপাইগুৰি, ৰংপুৰ আদি অঞ্চলৰ কথিত ভাষাৰ সৃষ্টি হৈছে)। পুৰণি কালত কামৰূপ ৰাজ্যৰ ভিতৰত সদায় উত্তৰ বংগৰ এই জিলাকেইখন আছিল। সেয়েহে উত্তৰ বংগৰ উপভাষা আৰু অসমীয়া ভাষাৰ মাজত প্ৰভেদো তেনেকৈ নাছিল। ৰংপুৰ, কোচবেহাৰ অসমীয়া সংস্কৃতি চৰ্চাৰ সময়বিশেষে কেন্দ্ৰস্থানো হৈছিল। অষ্টাদশ শতিকাৰপৰাহে উত্তৰ বংগৰ লগত অসমৰ সাংস্কৃতিক সম্পৰ্ক ক্ৰমে হ্ৰাস হৈ আহিল। অসমৰ অধিবাসীসকলৰ বিষয়েও আমাৰ প্ৰাথমিক জ্ঞানৰ প্ৰয়োজন। বিভিন্ন ঐতিহাসিক, প্ৰাগৈতিহাসিক সাক্ষী, গৱেষণা ইত্যাদিয়ে প্ৰমাণ কৰিছে যে এই ৰাজ্যৰ প্ৰাচীন অধিবাসী অষ্ট্ৰিক আৰু মংগোলীয় গোষ্ঠীৰ লোক আছিল যদিও প্ৰাকবৈদিক আৰ্য অথবা আলপাইন জাতিৰ লোকেও প্ৰাচীন কালত এই ৰাজ্যত বসতি কৰিবলৈ লৈছিল। আনুমানিক খৃষ্টপূৰ্ব দুহেজাৰমানত নৰকাসুৰৰদ্বাৰা বহুত শাস্ত্ৰজ্ঞ দ্বিজকো এই ৰাজ্যলৈ অনা হৈছিল। এইদৰেই প্ৰাগৈতিহাসিক কালৰেপৰা এই ৰাজ্যত আৰ্য বসতি আৰম্ভ হয়। আৰ্যসকলৰ উন্নত, শক্তিশালী ভাষা থকা কাৰণে আৰু এই ৰাজ্যৰ ৰজাসকলৰ পৃষ্ঠপোষকতা পোৱা কাৰণেই আৰ্যভাষা আৰু সংস্কৃতিয়ে এই ৰাজ্যৰ জনসাধাৰণক প্ৰভাৱান্বিত কৰিবলৈ ধৰে। আৰ্যভিন্ন লোকসকলৰ নিজা-নিজা ভাষা আছিল যদিও শক্তিশালী উচ্চতৰ যোগ্যতাৰে সংস্কৃতেই ৰাজভাষা হৈ পৰিছিল আৰু ইয়াৰ প্ৰমাণ বিভিন্ন তাম্ৰফলি, শিলালিপিয়ে আজিও দিয়ে। এই তাম্ৰফলিবোৰৰ ভাষা মূলতে সংস্কৃত আৰু শ্লোকবোৰ কবিত্ব গুণেৰে পূৰ্ণ। প্ৰখ্যাত চীনা পৰিব্ৰাজক হিউৱেন চাং সপ্তম শতিকাত এই ৰাজ্যলৈ আহোঁতে এই ৰাজ্যৰ ভাষা মধ্য ভাৰতৰ ভাষাৰ তুলনাত কিছু অমিল পাইছিল। এই উক্তিয়েই আছিল অসমীয়া ভাষাৰ প্ৰাচীনত্বৰ ঐতিহাসিক উক্তি।

এই উক্তিৰ নিদৰ্শনস্বৰূপে মোৰ অভিভাষণত কিছু বহলাই লিখিছিলো। প্ৰাচীন আৰ্যভাষাটোৱে অসমীয়া ভাষালৈ ৰূপ সলাওঁতে ঘাইকৈ তিনিটা প্ৰক্ৰিয়াৰ মাজেদি নতুন গঢ় লৈছিল। এক হৈছে তৎসম শব্দৰ সৰলীকৰণ, দ্বিতীয় হৈছে নতুনকৈ সোমোৱা বিভিন্ন থলুৱা শব্দসম্ভাৰ। ইয়াৰ ভিতৰত ধ্বনি, শব্দ আৰু ধাতু ৰূপৰ ৰূপান্তৰ আৰু পদপ্ৰয়োগ উল্লেখযোগ্য। বৈয়াকৰণ বিশিষ্ট নিয়মৰ মাজেদিহে ৰূপান্তৰ হৈ অসমীয়া এই আঞ্চলিক, নিৰ্দিষ্ট মানৰ (standard) ভাষাটো গঢ় লৈছিল— যি ইচ্ছা সেইমতে নহয়।

এই ৰাজ্যত আৰ্যভিন্ন গোষ্ঠীৰ উচ্চাৰণ আৰু দোৱানসমূহে অসমীয়া মূল ভাষাটোক, কিছু-কিছু অঞ্চলত বিশেষ প্ৰভাৱ পেলোৱাও লক্ষ্য কৰা যায়। ইয়াৰো নিদৰ্শন মোৰ অভিভাষণত দিছিলো।

বাস্তৱ প্ৰয়োজনতে আমি আটায়ে যেনেকৈ অসমীয়া ভাষাৰ অস্তিত্ব আৰু প্ৰাচীনত্ব সম্বন্ধে অৱগত হোৱা উচিত, সেইদৰে অসমীয়া সাহিত্যৰ অস্তিত্ব আৰু প্ৰাচীনত্ব সম্বন্ধেও অৱগত হোৱা উচিত। এই কথা অৱশ্যেই ক'ব পাৰি যে চৰ্যাপদসমূহেই অসমীয়া সাহিত্যৰ আদি স্তৰৰ নিদৰ্শন। এই চৰ্যাপদসমূহ মাগধী, কামৰূপী অপভ্ৰংশৰ শেষস্তৰৰ। উদাহৰণস্বৰূপে (লগতে এইকথাও কৈ থ'ব লাগিব যে চৰ্যাপদসমূহ সান্ধ্যভাষাৰো নিদৰ্শন) আৰু এই স্তৰ বাংলা, মৈথিলী, উড়িয়া আদি আঞ্চলিক ভাষাসমূহৰো উদ্ভৱৰ আদি স্তৰ বুলি আটায়ে দাবী কৰিব খোজে। অসমীয়া আৰু বাংলা ভাষাই আঞ্চলিক স্বতন্ত্ৰ স্তৰ লোৱাৰ ঠিক আগৰ স্তৰ বুলি এই চৰ্যাপদসমূহক ড° বাণীকান্ত কাকতিৰ নিচিনা ভাষাবিদ পণ্ডিতে ঠাৱৰ কৰিছে।

গূঢ় আধ্যাত্মিক তত্ত্বক চিত্ৰৰূপময় ভাষাৰে আকৰ্ষণীয় কৰি থিয় কৰোৱা সহজযান পন্থৰ ধৰ্মসাধনাৰ ৰাগবিশিষ্ট এই চৰ্যাপদবোৰ বিভিন্ন প্ৰান্তৰ সিদ্ধাচাৰ্যসকলৰদ্বাৰা ৰচিত। এই সিদ্ধাচাৰ্যসকলৰ ভিতৰত মীননাথ, মৎসেন্দ্ৰ নাথ, লুইপা আৰু সৰহপা কামৰূপৰ লোক আছিল বুলি বিভিন্ন তথ্যৰপৰা প্ৰতীতি জন্মে।

অসম,— এই নামটো বহুত পাছত হোৱা নাম। আগতে আমাৰ এই ৰাজ্যৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ। তাৰ পাছত হ'ল কামৰূপ। কামৰূপ নামটো তান্ত্ৰিক নাম বুলি মই ক'ব খোজোঁ। সপ্তম-অষ্টম শতিকামানৰপৰাই কামৰূপে তন্ত্ৰপ্ৰধান ক্ষেত্ৰৰূপে প্ৰসিদ্ধি লাভ কৰিছিল। সেয়েহে দশম শতিকামানৰ বৌদ্ধতান্ত্ৰিক এই দোহাসমূহে প্ৰাচীন অসমীয়া ভাষাৰ নিদৰ্শন দাঙি ধৰাত আচৰিত হ'বৰ কোনো কাৰণ নাই।

প্ৰাচীন কেইটামান আন্ধাৰ শতিকাৰ অসমীয়া সাহিত্যৰ ইতিহাস উদ্ধাৰ হোৱা নাই যদিও চৈধ্য শতিকাত অপ্ৰমাদী, প্ৰাকশংকৰী কবি মাধৱ কন্দলীয়ে সংস্কৃতৰ সপ্তকাণ্ড ৰামায়ণ অসমীয়া ভাষালৈ অপূৰ্ব কবিত্ব প্ৰতিভাৰে অনুবাদ কৰা কথাই অসমীয়া সাহিত্যৰ অতি গৌৰৱোজ্জ্বল, মহিমামণ্ডিত ইতিহাসৰ যাউতিযুগীয়া সাক্ষী বহন কৰি আহিছে। প্ৰাকশংকৰী যুগৰ হৰিহৰ বিপ্ৰ, হেম সৰস্বতী আদি কবিসকলো নিতান্তই স্মৰণীয়। মাধৱ কন্দলীৰ ৰামায়ণে অসমীয়া ভাষাৰ অতি শক্তিশালী প্ৰকাশিকা শক্তি, ঐশ্বৰ্যময় শব্দকোষৰ উজ্জ্বলতম প্ৰমাণ বহন কৰিছে। মাধৱ কন্দলীৰ ভাষা আৰু বৰ্ণনা সৌষ্ঠৱেৰে জতুৱা ঠাঁচ, ৰূপক, উপমা, কল্পচিত্ৰ আদিৰ সমৃদ্ধিৰে সমৃদ্ধ এই ৰামায়ণে প্ৰমাণ কৰে যে মাধৱ কন্দলী এই দীৰ্ঘকালীন সাহিত্যিক পৰম্পৰাৰ উত্তৰাধিকাৰী আছিল অৰ্থাৎ ইতিমধ্যে অসমীয়া ভাষা-সাহিত্যই আৰু সাহিত্যিক-

সাংস্কৃতিক প্ৰক্ৰিয়াই এক মুক্ত আৰু উচ্চস্তৰ ক্ৰমান্বয়ে লাভ কৰিছিল।

ইয়াৰ পাছত পঞ্চদশ শতিকাত অমিত প্ৰতিভাশালী কবি শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ নেতৃত্বত যি অভূতপূৰ্ব ভক্তিৰস আৰু সৌন্দৰ্যৰে ভৰপূৰ সাহিত্য আমি পালো, তাৰ গুণতে অসমীয়া সাহিত্যৰ এই যুগ 'স্বৰ্ণযুগ' বুলি চিহ্নিত হ'ল। উত্তৰ-পূব ভাৰতৰ গদ্যৰ সৰ্বপ্ৰথম নিদৰ্শনৰূপে অংকীয়া নাটৰ গদ্য শ্ৰীশ্ৰীশংকৰদেৱৰ ৰচনাত আমি প্ৰথম পালো। বৰগীত-নামঘোষাৰ দৰে অসমীয়া সাহিত্যতে নতুন, ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ অপূৰ্ব গ্ৰন্থ গুৰু দুজনাৰপৰা আমি লাভ কৰিলো। এহাতে নৱভক্তি ধৰ্মৰ পৰমতত্ত্বৰ প্ৰচাৰ আৰু সাহিত্যৰদ্বাৰা আনন্দ প্ৰদান— এনে আদৰ্শ আৰু প্ৰেৰণাৰে ৰচনা কৰা শংকৰ-মাধৱৰ ৰচনাত ভাৰতীয় বৈষ্ণৱ দাৰ্শনিকতা আৰু আধ্যাত্মিক ক্ষেত্ৰত সাম্যবাদৰ আদৰ্শই প্ৰধানকৈ প্ৰকাশিত হৈছিল। দুতৰপীয়া উদ্দেশ্যেৰে লিখা দুজনা গুৰুৰ অন্য পূৰ্ব সুষমামণ্ডিত অৱদানে অসমীয়া ভাষা-সাহিত্যক গভীৰতা দি গৌৰৱৰ উচ্চতম আসনত বহুউৱাৰ উপৰিও অসমীয়া সংস্কৃতিৰ সৰ্বভাৰতীয় সূত্ৰটোও নিবিড় কৰিলে। শংকৰী সাহিত্যৰ আদৰ্শ ওঠৰ শতিকালৈকে বিভিন্ন তঁৰংগত বৰ্তি থাকিল। ইয়াৰ মাজতে বিশিষ্ট গুণসম্পন্ন ভট্টদেৱৰ গদ্য চৰিত, পুথিৰ গদ্য আৰু বুৰঞ্জীসমূহৰ গদ্যৰ দৰে আপুৰুগীয়া গদ্যয়ো অসমীয়া সাহিত্যক অতি বলিষ্ঠ ৰূপত সমৃদ্ধ কৰিলে।

ইয়াৰ পাছত বৃটিছ যুগৰ লগে-লগে অসমীয়া সাহিত্যৰ নতুন দিগন্ত মুকলি হ'ল। চিৰস্মৰণীয় মিছনেৰিসকলে আৰম্ভ কৰা 'অৰুনোদয় যুগ' পাৰ হোৱাৰ পাছত আন এক 'নৱন্যাসৰ যুগ' 'বেজবৰুৱা যুগ' অসমীয়া সাহিত্যই লাভ কৰিলে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক আন এক নতুন গতি দি প্ৰাণৱন্ত কৰিবলৈ পশ্চিমীয়া আৰু ভাৰতীয় মানৱতাবাদৰ যুগ্ম আদৰ্শেৰে প্ৰেৰণামণ্ডিত হৈ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ প্ৰমুখ্যে প্ৰাতঃস্মৰণীয় সাহিত্যিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। কবিতা, চুটিগল্প, নাটক, উপন্যাস, সমালোচনাকে ধৰি উনৈছ শতিকাৰ সাহিত্যক নতুন চেতনাৰে সঞ্জীৱিত কৰিলে, বাঁহী আলোচনীৰে এচাম নতুন লেখকৰ সৃষ্টি কৰিলে, সমসাময়িকসকলেও নতুন প্ৰেৰণা লাভ কৰিলে। ব্যক্তিবাদ আৰু জাতীয় চেতনাই 'বেজবৰুৱা যুগ'ৰ প্ৰধান বৈশিষ্ট্য।

দ্বিতীয় মহাযুদ্ধৰ পাছৰ সাহিত্যিক তৰংগ এক আধুনিকতম তৰংগ। শিল্পযুগৰ বিবিধ নতুন চিন্তা, পৰিৱৰ্তিত মূল্যবোধৰ প্ৰশ্ন আৰু সন্ধানৰ সাহিত্য, আধুনিক সাহিত্য, নতুন-নতুন আংগিকৰ পৰীক্ষাও এই যুগত চকুত পৰা। এই যুগে আন্তৰ্জাতিক সাহিত্যকৰ্মৰ লগতো অসমৰ সাহিত্যিকসকলৰ ওচৰ সম্পৰ্ক স্থাপন কৰাইছে।

অসমৰ ৰাজ্যভাষা 'অসমীয়া' হ'ব লাগেনে নালাগে সেই কথা লৈও মাজে-মাজে

ন্যস্তস্বাৰ্থই মূৰ দাঙি উঠে। অসমৰ ৰাজ্যভাষা যে অসমীয়া হৈছে, সেয়া গুণগত দিশৰপৰাই যে হৈছে এইকথা মই মোৰ অভিভাষণখনত স্পষ্টকৈ ব্যাখ্যা কৰি দিছিলো।

ভাষা এটাৰ ৰূপ, ঠাঁচ, গঠনভংগী, শব্দকোষৰ প্ৰাচুৰ্য, উচ্চস্তৰৰ যুক্তিসংগত ব্যাকৰণ, উন্নত স্তৰৰ সাহিত্যৰ বিভিন্ন বিকাশেহে একোটা ভাষাৰ 'মান' (standard) নিৰ্ণয় কৰে আৰু পৃথিৱীৰ ঐশ্বৰ্যশালী ভাষাবোৰৰ লগত সমকক্ষ কৰি তোলে। আৱেগেৰে নহয়, একমাত্ৰ গুণগত দিশবোৰেৰেহে ভাষা এটাৰ মৰ্যাদা প্ৰাপ্তি হয়।

ভাষা এটা সকলো ভাব প্ৰকাশৰ ক্ষমতাৰে পূৰ্ণ প্ৰতিষ্ঠিত হৈ উঠিবলৈ শ-শ বছৰীয়া একান্ত সাধনাৰ প্ৰয়োজন। সেয়েহে ভাষাৰ ক্ষেত্ৰত হঠাৎ হোৱা উন্নাসিকতা প্ৰগতিৰ অন্তৰায় হৈ উঠিবও পাৰে। আনহাতে আঞ্চলিক জাতীয়তাবাদ আগ্ৰাসিক (aggressive) মনোভাবৰ হ'লেও ক্ষতিকাৰক হয়। অসমত অসমীয়া ভাষাটো কেন্দ্ৰীয় ভাষা বুলিয়েই যে অসমৰ বিভিন্ন জনগোষ্ঠীৰ নিজৰ ভাষাবোৰ বিপন্ন হ'ব, বিকশিত হ'ব নোৱাৰিব এনে আশংকা একেবোৰে অমূলক। প্ৰতি জনগোষ্ঠীৰে ভাষা গুণেৰে (merit) জীয়াই থাকিবৰ অধিকাৰ আছে। অসমীয়া ভাষাই আগ্ৰাসী মনোভাবেৰে সেই ভাষাবোৰৰ গতিৰোধ কেতিয়াও নকৰে।

অসমীয়া ভাষাই উন্নত মান ৰক্ষা কৰিছে বুলিয়েই নহয়, ব্যৱহাৰিক প্ৰয়োজনতে বিভিন্ন জনগোষ্ঠীয়ে আঞ্চলিক ঐক্যসূত্ৰ অসমীয়া ভাষাৰ মাজত বিচাৰি পাইছে। অসমীয়া ভাষাই বিভিন্ন জনগোষ্ঠীৰ মাজত সহযোগী ভাষা (link language) হৈ প্ৰাচীন কালৰেপৰা যোগসূত্ৰ ৰক্ষা কৰি আহিছে। এতিয়াও বাস্তৱসন্মত দৃষ্টিভংগীৰেই ক'ব খুজিছোঁ যে বিকাশমূখী জনগোষ্ঠীসকলৰ নিজৰ উপকাৰৰ কাৰণেই প্ৰয়োজনীয় এটা সংযোগী ভাষাৰ চৰ্চা মুক্ত হৈ থাকিব লাগিব। উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশ উন্মুখ জাতিসকলৰ বাবে গাতে লাগি থকা অসমীয়াৰ বাহিৰে অন্য উপযুক্ত ভাষা আৰু কি হ'ব পাৰে? প্ৰয়োজনীয় আৰু বহুত কথা কোৱাৰ লগতে মই কেইখনমান আঁচনিৰ কথাও উল্লেখ কৰিছিলো।

(১) প্ৰথমেই হৈছে শাখা সভাবিলাকক অধিক সক্ৰিয় কৰি তোলাৰ কথা। বিভিন্ন অঞ্চলত উদ্যমী আৰু উচৰ্গিত মনৰ কৰ্মী হ'লেহে অসম সাহিত্য সভাখন গতিশীল হ'ব। শাখা সভা প্ৰতিখনেই নিজ-নিজ অঞ্চলৰ সাঁচিপতীয়া, তুলাপতীয়া পুথি-পাঁজি, মূদ্ৰা-ভাস্কৰ্য, অন্যান্য শিল্পকলা, পৰম্পৰাগত গীত-মাত উদ্ধাৰ কৰিব লাগিব আৰু সংৰক্ষণ কৰিব লাগিব। শাখাটোত এদলে এনে অভিযানৰ কাম, আনদলে নিবিষ্টমনে সৃষ্টিশীল সাহিত্যৰ কাম, অনুবাদ সাহিত্যৰ কামত আত্মনিয়োগ কৰি নতুনসকলকো প্ৰেৰণা দি বছৰৰ শেষত, বছৰটো কিমান সফল হ'ল নিৰ্ণয় কৰিব লাগে। এইক্ষেত্ৰত সৰ্বোত্তম কৰ্ম কৰা শাখাক কেন্দ্ৰীয় সাহিত্য সভাই বঁটা

দিয়াৰ ব্যৱস্থা কৰিব পাৰে? প্ৰতিখন শাখা যদি সক্ৰিয় হয় এবছৰতে অসম সাহিত্য সভাৰ কাম উভৈনদী হ'ব।

(২) অসম সাহিত্য সভাৰ সভাপতি, সম্পাদক বছৰি সলনি হৈ থাকিলেও সেই সলনিয়ে স্পৰ্শ নকৰা ৰূপত অসম সাহিত্য সভাই স্থানীয়ভাৱে এখন সমিতি বিশেষজ্ঞসকলক লৈ গঠন কৰিব পাৰে। তাৰ কাৰণে বিশদ আঁচনিও জনাজনে কৰিব লাগিব। সেই আঁচনিখন হ'ব 'অসম আৰু অসমীয়া জীৱনধাৰা সম্পৰ্কীয় সকলো তথ্যপাতিৰ টোকা সম্বলিত গ্ৰন্থপঞ্জী' (Annotated Bibliography)। পুৰণি কালৰ পুথি-পাঁজিৰপৰা আৰম্ভ কৰি এতিয়ালৈকে যিমানবোৰ কিতাপ-পত্ৰ আৰু আলোচনী আদি প্ৰকাশ হৈছে, সেইবোৰতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিষয়ে কৰা গৱেষণা আৰু চিন্তা-চৰ্চাৰ সমলবোৰ সিঁচৰতি হৈ আছে। অথচ সেইবোৰৰ ধাৰাবাহিক তালিকা নাই, কোনে কি লিখিছিল, কেতিয়া ক'ত প্ৰকাশিত হৈছিল, তাৰ কোনো বিৱৰণী নাই আৰু সেইবোৰৰ কোনো সংৰক্ষণৰো ব্যৱস্থা আজিলৈকে হৈ উঠা নাই। অতি প্ৰয়োজনীয় আৰু অপৰিহাৰ্য সামগ্ৰী আৰু সমল ইতিমধ্যে হয়তো বহুতো নষ্ট হ'ল আৰু বাকী যি আছে সিঁও লোপ পোৱাৰ পথত। সেয়েহে সকলোবোৰ সমলৰ বিস্তৃত বিৱৰণী এখন কৰাৰ কাম আৰম্ভ হ'ব লাগে। সময়ে-সময়ে সেই গ্ৰন্থ পৰিবৰ্ধিত হৈ গৈ থাকিব।

(৩) অসমৰ সাহিত্য-সংস্কৃতিসেৱীসকলৰ জীৱনী, ফটো, নিজা সৃষ্টিকৰ্ম, হস্তাক্ষৰ আৰু আনে সেই সাহিত্যিকৰ বিষয়ে লিখা গ্ৰন্থ বা ৰচনা সম্বলিত একেটা 'ৰেফাৰেন্স লাইব্ৰেৰি' ঠাইবিশেষে বা কেন্দ্ৰীয়ভাৱে যোৰহাটতে অসম সাহিত্য সভাই পাতিব পাৰে। অঞ্চলবিশেষে, উদাহৰণস্বৰূপে শিৱসাগৰতে যদি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, কবি যতীন্দ্ৰনাথ দুৱৰা, কবি-নাট্যকাৰ পাৰ্বতিপ্ৰসাদ বৰুৱা, সাহিত্যিক পদ্মধৰ চলিহা প্ৰমুখ্যে সাহিত্যিকসকলৰ সৰ্বকৰ্ম সম্বলিত একোটা ৰেফাৰেন্স বিভাগ থকা লাইব্ৰেৰি হয়, তাৰদ্বাৰা সন্মান প্ৰদৰ্শনো হয়, তাকে লৈ গৱেষণা কৰিবও পাৰি, বাহিৰৰপৰা অহা অনুৰাগী মানুহক দেখুৱাবও পাৰি। (আমেৰিকাত দেখিছোঁ জীৱিত নবীন লেখক একোজনৰো জন্মৰ চন, তাৰিখ, ফটো, জীৱনী, সাহিত্যকৰ্ম এনে লাইব্ৰেৰিত সংৰক্ষিত হৈছে।)

(৪) অসমীয়া ভাষাৰ আখৰ জোঁটনিক লৈ হোৱা তৰ্ক-বিতৰ্ক সমস্যাৰ ওৰ আজিও পৰা নাই। মতানৈক্য আঁতৰাই, ঐক্যমতত প্ৰতিষ্ঠিত হ'ব পৰাকৈ এখন শুদ্ধ অভিধান আৰু শুদ্ধ ব্যাকৰণ প্ৰণয়ন কৰিব লাগে। কেইবাটাও খণ্ডত প্ৰস্তুত কৰা আঞ্চলিক অভিধানো আমাক লাগে।

(৫) অসমীয়া ভাষাৰ উচ্চাৰণৰ খেলি-মেলি তথা অশুদ্ধতা আঁতৰাবলৈ দূৰদৰ্শন আৰু আকাশবাণীৰ যোগেদি অসম সাহিত্য সভাই শুদ্ধ প্ৰশিক্ষণ দিওৱাৰ আঁচনি

হাতত ল'ব লাগে।

(৬) প্ৰতিদিনে ব্যৱহাৰ হোৱা, অন্যান্য ভাষাৰপৰা অসমীয়া ভাষালৈ অহা শব্দাৱলী সংগ্ৰহ কৰি, তাৰ পৰিভাষা সৃষ্টি কৰি এখন লাগতিয়াল গ্ৰন্থ প্ৰস্তুত কৰাৰ আঁচনি ল'ব লাগে।

(৭) বিজ্ঞান সাহিত্যৰ গুৰুত্ব দিনক দিনে বাঢ়িছে। সৰ্বসাধাৰণে হৃদয়ংগম কৰিব পৰাকৈ বিজ্ঞান সাহিত্যৰ বিভিন্ন শাখাৰ পুথি প্ৰণয়নত অধিক গুৰুত্ব দিব লাগে।

(৮) চিত্ৰকলা, স্থাপত্যকলা, ভাস্কৰ্য আৰু অন্য জনসংযোগ কলাৰ গ্ৰন্থ অসমীয়া ভাষাত তেনেই কম। সেই বিষয়ৰ পুথি প্ৰণয়নৰ চিন্তা কৰা যুগুত।

(৯) বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ নিৰ্বাচন কৰি অসমীয়া ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা কৰাৰ লগতে 'অনুবাদকৰ থূল' (Translators' Booth) এটাও গঢ়ি তুলিব লাগে। কিন্তু তাতোকৈও ডাঙৰ কথা, সৃষ্টিশীল উচ্চপৰ্যায়ৰ সাহিত্যও আমাক বহুত বেছি লাগে।

(১০) অসমীয়া সংস্কৃতিৰ সামগ্ৰিক বুৰঞ্জী এখন প্ৰণয়নৰ ব্যৱস্থা হ'ব লাগে।

(১১) ভাষাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ ক্ষেত্ৰত সংবাদ-পত্ৰ, আলোচনী আদিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সংবাদ-পত্ৰ, আলোচনীত শব্দৰ যাতে বিকৃত ব্যৱহাৰ নহৈ যথাৰ্থ ব্যৱহাৰ হয়, বাক্যৰ শুদ্ধ বিন্যাস হয় তাৰ কাৰণে সম্পাদকসকল সচেতন হ'ব লাগে। সমালোচনা সাহিত্য যিহেতু আমাৰ দুৰ্বল সেয়েহে এনে ৰচনাত প্ৰবৃত্ত হ'বলৈ লেখকক প্ৰেৰণা যোগাব লাগে।

(১২) সাহিত্য-সংস্কৃতিৰ প্ৰচাৰৰ কাৰণে তেনেই সৰু-সুৰু পুস্তিকা উলিওৱাৰ ব্যৱস্থা হ'ব লাগে।

(১৩) মহিলা সাহিত্যসেৱীৰ বিকাশৰ কাৰণে জিলাভিত্তিক সাহিত্য প্ৰতিযোগিতা মহিলাসকলৰ কাৰণে ঘনাই হোৱা বাঞ্ছনীয়।

(১৪) অষ্ট্ৰিক, দ্ৰাবিড়, চীন-তিব্বত আৰু ইণ্ডো-আৰ্য এই চাৰিটা বিশাল ভাৰতীয় বাক পৰিবাৰৰ অন্তৰ্গত ভাষাসমূহ তিনি হাজাৰ বছৰ বা তাৰো বেছি সময়জুৰি ওচৰা-উচৰিকৈ বসবাস কৰিছে আৰু পৰস্পৰক প্ৰভাৱান্বিত কৰিছে। পাৰস্পৰিক প্ৰভাৱৰ ফলত বৰ্তমান ভাৰতীয়, বিশেষকৈ উত্তৰ-পূব ভাৰতীয় ভাষাসমূহৰ ক্ষেত্ৰত এটা সুকীয়া ভাৰতীয় চৰিত্ৰৰ অভ্যুত্থান ঘটিছে। এই সুকীয়া বিশেষ চৰিত্ৰটো অধ্যয়ন কৰিবৰ কাৰণে, তথা পাৰস্পৰিক প্ৰভাৱৰ কথা জানিবৰ কাৰণে আৰু তাৰদ্বাৰা নিজস্ব ভাষাটোকো ভালকৈ জানিবৰ কাৰণে উত্তৰ-পূব ভাৰতৰ ভাষাসমূহৰ অনুসন্ধান, অধ্যয়ন আৰু গৱেষণা ('নৰ্থ ইষ্ট ডায়লেক্ট ছাৰ্ভে এণ্ড ষ্টাডি') অনতিপলমেই আৰম্ভ কৰিবলৈ অসম সাহিত্য সভাই চৰকাৰক টানি অনুৰোধ কৰিব লাগে। এই কাম হ'লে জনজাতীয়

প্রতিটো ভাষাৰ বৈজ্ঞানিক অধ্যয়ন হ'ব তথা প্রতিটোৰে অভিধান, ব্যাকৰণ, শব্দকোষৰ বিষয়ে আমি গ্রন্থ পাম আৰু পাৰস্পৰিক উন্নত বুজাবুজি হ'ব।

অসমৰ মুখাশিল্পৰ বিষয়ে তথ্যচিত্র এখন কৰাৰ কথা মোৰ মনলৈ কেনেকৈ আহিছিল বাৰু! যতদূৰ সম্ভৱ শিৱসাগৰৰ 'খাটপাৰ' সত্রৰ মুখাশিল্প দেখিয়েই চাগৈ। খাটপাৰ সত্রৰ সত্রাধিকাৰ প্রয়াত গোপীকান্ত মহন্ত ডাঙৰীয়া কিমান যে বিচক্ষণ ব্যক্তি আছিল! তেখেতৰ গুণৰ কথা কৈ শেষ কৰিব নোৱাৰি। বাদ্যই, নৃত্যই, ভাওনাই-বচনে, মুখাশিল্প, চাৰু-কাৰুশিল্প সকলোতে তেখেত অতি সুদক্ষ আছিল। তেখেতৰ পুত্র ৰেৱকান্ত মহন্ত মোৰ ডাঙৰ ভাই সোণৰ যুৰীয়াই হ'ব। তেৱোঁ উত্তৰাধিকাৰী সূত্রে পিতৃৰপৰা অশেষ গুণ লাভ কৰিছে। এই গুণী ব্যক্তি দুজনে তেওঁলোকৰ ৰূপদক্ষ হাতেৰে নির্মিত হেঙুল-হাইতাল চৰোৱা অজস্র সুন্দৰ-সুন্দৰ মুখা সত্রত দেখি মই অতিশয় মুগ্ধ হৈছিলো। এনে শিল্পৰ চর্চা অসমৰ আৰু ক'ত-ক'ত আছে অনুসন্ধান কৰিছিলো আৰু ক্রমান্বয়ে লুপ্ত হৈ অহা এই মহান ঐতিহ্যৰ প্রতিটো দিশ ৰেকর্ড কৰি ৰখাৰ বাসনা জন্মিছিল।

সেই সুন্দৰ ইচ্ছা পূর্ণ হওক বুলিয়েই মুখাৰ ইতিহাস আৰু বৈচিত্র্য জানিবলৈ মই যিমান পাৰোঁ অধ্যয়ন কৰিছিলো। ভাৰতীয় মুখাশিল্প, জাপানৰ মুখাশিল্প আৰু বিশ্বৰ অন্য ঠাইৰো এই শিল্পৰ সবিশেষ বিচাৰি মই লাইব্রেৰিয়ে-লাইব্রেৰিয়ে ঘূৰি ফুৰিছিলো। অসমৰ সত্র, নামঘৰ, মিউজিয়ামত অসমৰ মুখাশিল্পৰ উৰাদিহ বিচাৰি ফুৰিছিলো। তেনেতে গুৱাহাটীৰ ৰবীন্দ্র ভৱনত অৱস্থিত সাংস্কৃতিক সঞ্চালকালয়ৰপৰা তথ্যচিত্র নির্মাণৰ আহ্বান কাগজত দেখি ময়ো আবেদন কৰিলো। আবেদনৰ লগত দিয়া মোৰ synopsis পৰীক্ষা কৰি বিচাৰকসকল বৰ সন্তুষ্ট হ'ল আৰু তথ্যচিত্রখনৰ কাৰণে ধার্য কৰা চাৰি লাখ টকা পাবৰ উপযুক্ত বুলি বিবেচিত হ'লো। বাকী যিকেইজনে যি-যি বিষয়ত পাইছিল, তেখেতসকলকো প্রতিখন তথ্যচিত্র প্রস্তুত কৰিবৰ কাৰণে চাৰি লাখ টকাকৈয়ে ধার্য কৰিছিল। তাৰে দুই লাখকৈ আগতীয়া ধন হিচাপে মোকলাই দিব, বাকী দুই লাখ 'ৰাশ্ব প্রিণ্ট' জমা দিয়াৰ পাছত দিব।

মোলৈ এই বতৰাৰে চিঠি আহিলত বৰ উৎফুল্ল হ'লো। আগতীয়া দুই লাখকে মূলধন কৰি, আমাৰ জোঁৱাই ব্রজেন্দ্র নাথ ভট্টাচার্যৰ খুৰাকৰ ল'ৰা দিলুৰ (জ্যোতি চিত্রবনৰ সেই সময়ত শব্দ গ্রহণকাৰীৰূপে সোমোৱা শ্রীহীৰেন্দ্র নাথ ভট্টাচার্য) একান্ত সহযোগত মই নিজেই পৰিচালিকা হৈ এই তথ্যচিত্রখন নির্মাণ কৰিবলৈ সাজু হ'লো। এইক্ষেত্রত দিলুৱেই মোৰ সাৰথি হ'ল। দিলু এনেয়েও মোৰ বৰ মৰমৰ ভাই। চানমাৰিৰ ঘৰত দিলু মোৰ লগত পাঁচ বছৰমান সুখে-দুখে আছিলেই। কথাবোৰ বৰ বুজে আৰু

তেওঁৰ অমায়িক, নিৰ্জু স্বভাৱৰ কাৰণে মানুহক সহজে আপোন কৰিব পাৰে।

মোৰ নিজা সৰু ভাই মুনুক (প্ৰদীপ) মই লক্ষ্মণভাই বুলি কওঁ। সুখে-দুখে সিও মোৰ ছাঁৰ দৰে ইয়াত থাকে। বাকী ভাই দুটা— সোণ আৰু টুটু দূৰত। বিভিন্ন ক্ষেত্ৰত মুনুৰ বহুত আইডিয়া। ইষ্টাৰ্ণ অফ্‌ছেট প্ৰিণ্টাৰ্ছ নামৰ আমাৰ প্ৰেছটোৰ সি এতিয়া স্বত্বাধিকাৰী। তাকো এই যাত্ৰাত লগত ল'লো। লক্ষ্মণভাই বুলি কওঁতে কথা এষাৰ মনত পৰি হাঁহি উঠিছে। এখুদ ককাইদেউৰ (নৱকান্ত বৰুৱা) আগত এই শব্দটো কওঁতে তেখেতে টপৰাই কৈছিল— "তইনো কেতিয়াৰপৰা ৰাম হ'লি?" এৰা মই সীতাহে, ৰাম হ'বলৈ মই ভালো নাপাওঁ। সীতাক দিয়া যন্ত্ৰণাৰ কাৰণে ৰামক মই ক্ষমাই নকৰোঁ।

ৰামচন্দ্ৰ গোসাঁই তুমি
অকাৰ্য কৰিলা
সীতামাতৃ গৰ্ভৱতী
বনতে মেলিলা

— সাধাৰণ ৰাইজে বৰসবাহত গোৱা আৰু সৰুতে শুনা এই দিহানাম ফাকিলৈ চাঁতকৰে মনত পৰি গৈছে।

গুৱাহাটীৰ মিউজিয়ামৰ ফুলেৰে ৰমকজমক প্ৰাংগণত এই তথ্যচিত্ৰখনৰ প্ৰথম মহুৰৎ উৎসৱ হ'ল। মোৰ বন্ধু প্ৰখ্যাত কথা সাহিত্যিক আৰু চিত্ৰশিল্পী ড° ভবেন্দ্ৰ নাথ শইকীয়াই ক্লেপষ্টিক দিলে। কেমেৰাৰ দায়িত্বত লৈছিলো আন এজন স্বনামধন্য শিল্পী ইন্দুকল্প হাজৰিকাক। মিউজিয়ামৰ সঞ্চালক ড° ৰবীন দেৱ চৌধুৰী প্ৰমুখ্যে গণ্যমান্য ব্যক্তি বহুতো উপস্থিত আছিল। সেইদিনা মিউজিয়ামৰ মুখাকেইটাৰো ফটো লৈছিলো। তাৰ পাছত আমাৰ যাত্ৰা আৰম্ভ হৈছিল উজনি অসম অভিমুখে।

১৯৯৩ চনৰ ১ জানুৱাৰীৰ দিনা পুৱা নমান বজাত আমাৰ শুটিং ইউনিটটোৰ আঠজন মানুহসহ মই, ভণ্টি লক্ষ্মীপ্ৰিয়া, ভাই প্ৰদীপ, বীৰুৰ (মোৰ ছোৱালী স্বপ্নাৰ দেওৰেক বিষ্ণুপ্ৰসাদ ভট্টাচাৰ্য) চিটিবাছখন এসপ্তাহৰ বাবে ভাৰালৈ লৈ শিৱসাগৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। সেইদিনা সুকলমে গৈ ৰাতি প্ৰায় আঠমান বজাত শিৱসাগৰ পালোগৈ। শিৱসাগৰত মোৰ ডাঙৰ ভাই সোণে শিৱসাগৰৰ দৰিকা দলঙৰ ওচৰত থকা হোটেল বৃন্দাবনত ইউনিটটোৰ থকা-খোৱাৰ ব্যৱস্থা আগতেই কৰি থৈছিল। মই, ভণ্টি অকণি আৰু ভাই মুনু আমাৰ ঘৰত নামি গ'লো। বাকীবোৰ মানুহ হোটেললৈ গ'লগৈ।

পাছদিনা পুৱা চাহ-জলপান খায়েই নমান বজাত গোটেই ইউনিটটো শিৱসাগৰ-সোণাৰি পথত থকা খাটপাৰ সত্ৰলৈ বুলি ৰাওনা হ'লো। ভাওনাৰ মুখাৰ বাবে খাটপাৰ সত্ৰ প্ৰসিদ্ধ। সত্ৰৰ পৰম্পৰা অনুসৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত গোপীকান্ত মহন্ত আৰু

তেখেতৰ পুত্ৰ শ্ৰীৰেৱকান্ত মহন্তই নিজে ভাওনাৰ বাবে বৃহৎ মনোমোহা মুখা তৈয়াৰ কৰে। ১৯৫৭ চনত জালুকবাৰীত আৰু ১৯৭৬ চনত খানাপাৰত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ অধিবেশনৰ প্ৰদৰ্শনীত এখেতসকলে নিজ হাতেৰে বিভিন্ন মুখা থলীতে তৈয়াৰ কৰি দেখুৱাই দৰ্শকৰ প্ৰশংসা অৰ্জন কৰিছিল। শ্ৰীৰেৱকান্ত মহন্তই আমি সত্ৰলৈ শ্বুটিং ল'বলৈ যোৱাৰ সময়ত কুজিবালি স্কুলত শিক্ষকতা কৰি আছিল। মই আগতেই তেখেতসকলৰ সত্ৰলৈ গৈ মুখাবোৰৰ শ্বুটিং ল'ম বুলি জনাইছিলো। আমি যথাসময়ত সত্ৰ গৈ পোৱাত তেখেতসকল বৰ আনন্দিত হ'ল আৰু আথে-বেথে আমাক নি তেখেতসকলৰ বহাত বহুৱাই চাহ-জলপানেৰে সোধ-পোছ কৰিলে। তেখেতসকলৰ লগত মুখাৰ বিষয়ে অলপ সময় আলোচনা কৰাৰ পাছত ঘৰৰ সন্মুখৰ মুকলি চোতালত বিভিন্ন সৰু-বৰ মুখাবোৰ সজাই-পৰাই শ্বুটিঙৰ বাবে উলিয়াই দিলে। আমাৰ ইউনিটৰ কেমেৰামেন ইন্দুকল্প হাজৰিকাই তেওঁৰ সহযোগীসকলৰ সৈতে বিভিন্ন মুখাবোৰৰ চিত্ৰগ্ৰহণ কৰিলে। ইন্দুকল্প হাজৰিকা যশস্বী কেমেৰামেন। তেওঁ চিত্ৰগ্ৰহণ কৰা কেইবাখনো ছবিয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি অৰ্জন কৰিছে। তেওঁ বিভিন্ন এংগোলৰপৰা ভালুকৰ মুখা, তাৰকা ৰাক্ষসী, ব্ৰহ্মাৰ মুখা, সাপৰ মুখা, নৃসিংহৰ মুখা আদিৰ চিত্ৰগ্ৰহণ কৰাৰ পাছত মুখাবোৰ সাজি থকা আৰু ৰং দিয়া অৱস্থাত শব্দযন্ত্ৰী হীৰেন ভট্টাচাৰ্যৰ সহযোগত সত্ৰাধিকাৰ শ্ৰীযুত গোপীকান্ত মহন্ত আৰু ৰেৱকান্ত মহন্তৰ মই লোৱা সাক্ষাৎকাৰৰ চিত্ৰগ্ৰহণ কৰা হ'ল। সাক্ষাৎকাৰত তেখেতে মুখা তৈয়াৰ কৰাৰ পদ্ধতি আৰু এইবোৰৰ ব্যৱহাৰ সম্পৰ্কে বুজাই ক'লে। তেখেতে অসমৰ ক'ত-ক'ত মুখাবোৰ প্ৰদৰ্শন কৰিছে সেয়াও ক'লে। লগতে মুখাশিল্পটো জীয়াই ৰখাৰ প্ৰতি অসম চৰকাৰৰ নিৰুদ্বেগ মনোভাবৰ কথাও দুখেৰে দোহাৰিলে। এইখিনিৰ শ্বুটিং লওঁতে দুপৰীয়া দুইমান বাজিল। ইতিমধ্যে আমাৰ ইউনিটটোৰ বাবে তেখেতসকলে দুপৰীয়া ভাতৰ ব্যৱস্থা কৰি থৈছিলেই। সকলোৱে হাত-মুখ ধুই ভাত খাবলৈ বহিল। অতি সুন্দৰ আতিথ্য। ভাত-পানী খাই উঠাৰ পাছত আমি অলপ সময়ৰ বাবে বিশ্ৰাম ল'লো।

তেখেতসকলৰ ঘৰৰ কাষতে থকা ডাঙৰ নামঘৰটোত ৰাতিলৈ মুখাৰ ব্যৱহাৰ কৰা ভাওনাবিলাকৰ কিছু-কিছু অংশৰ শ্বুটিং ল'বৰ বাবে ৰেৱকান্ত মহন্তৰ নিৰ্দেশনাত কেইবাজনো লোকে আয়োজন সম্পূৰ্ণ কৰি তুলিছিল। ইতিমধ্যে দুই-এজনকৈ লোক আহি লাহে-লাহে নামঘৰ ভৰি পৰিল। সকলোৰে মুখে-মুখে এটাই কথা,— গুৱাহাটী দূৰদৰ্শনৰপৰা ভাওনাৰ শ্বুটিং ল'বলৈ আহিছে। আমাক কেইবাজনো লোকে সুধিলেও,— 'এইবোৰ টিভিত কেতিয়াকৈ ওলাব? আমি দেখা পামনে?' মই তেখেতসকলৰ হেঁপাহৰ প্ৰতি শ্ৰদ্ধা জনাই সকলোকে আমাৰ প্ৰকৃত উদ্দেশ্যৰ কথা বিৱৰি ক'লো। অসম

চৰকাৰৰ সাংস্কৃতিক বিভাগে যে অসমৰ প্ৰাচীন সম্পদ মুখাশিল্পটো সংৰক্ষণ কৰাৰ উদ্দেশ্যে তথ্যভিত্তিক ছবি কৰিবলৈ আমাক দিছে তাকো ক'লো। ৰাইজৰ আনন্দ-উলাহৰ সীমা নাই। প্ৰত্যেকেই যি পাৰে সহায় কৰি দিছে। সন্ধিয়া হ'ল। নামঘৰত সন্ধিয়াৰ প্ৰসংগ হ'ল। প্ৰসাদ বিতৰণ হ'ল। ইয়াৰ পাছত ভাওনাৰ অংশবিশেষত যিসকলে ভাও ল'ব সেইসকল সাজু হ'ল। ছবি গ্ৰহণৰ বাবে প্ৰয়োজন হোৱা লাইটবোৰ জ্বলি উঠিল। পাছে কথা এষাৰ আছে নহয়, য'তে বাঘৰ ভয় ত'তে ৰাতি হয়। আমাৰো সেই দশা হ'ল। শ্যুটিং ল'বৰ আগমুহূৰ্তত সন্ধিয়া ছয়মান বজাত কাৰেণ্ট গ'ল। গ'ল যি গ'লেই, আহিবৰ কোনো উমঘামেই নাই। সত্ৰাধিকাৰ শ্ৰীযুত গোপীকান্ত মহন্ত বিমোৰত পৰিল। কাৰণ সেই অঞ্চলত ক'তো জেনেৰেটৰ পাবলৈ নাই। আঠ বজালৈকে যেতিয়া কাৰেণ্ট নাহিল, আমি শিৱসাগৰৰ পৰাই এটা জেনেৰেটৰ অনা ঠিক কৰিলো। সেইমতে দুজনমান ল'ৰা লগত লৈ মোৰ ভাই মুনু বাছখন লৈ শিৱসাগৰৰ চেণ্ট্ৰেল মাৰ্কেটলৈ গ'ল। মানুহবোৰেও সাজি-কাচি সেই পুহমহীয়া ঠাণ্ডাত গামোচা এখনকে গাত মেৰিয়াই বহি থাকিল। দুই-এজন অতি কষ্টেৰে মুখা পিন্ধিও বহি আছিল। মই এইসকল শিল্পীৰ ধৈৰ্য দেখি বিমুগ্ধ হ'লো। ৰাতি প্ৰায় চাৰে নমান বজাত জেনেৰেটৰ এটা ভাৰালৈ লৈ তেল-মবিল ভৰাই মুনু আহি ওলালহি। অতি ক্ষিপ্ৰভাৱে জেনেৰেটৰ চলাই কাম আৰম্ভ কৰা হ'ল। ৰাতি এক বজালৈকে শ্যুটিং চলিল। সকলো মানুহে ৰাতি এক বজালৈকে অসীম ধৈৰ্যৰে ভাওনাৰ শ্যুটিং চাই থাকিল। আমি থকা সময়লৈকে কাৰেণ্ট আৰু নাহিল।

আৰম্ভণিতে মুখা পিন্ধি ধ্যানত মগ্ন হৈ থকা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ চিত্ৰগ্ৰহণ কৰা হ'ল। তাৰ পাছতে স্যমন্তক হৰণ নাটৰ এটা দৃশ্য— ৰজা প্ৰসেনজিতৰ মৃগয়া ভ্ৰমণ। হাবিৰ মাজে-মাজে পহু, বাঘ আদি। প্ৰসেনজিতৰ লগত সিংহ, তাৰ পাছত জাম্বুৱন্তৰ যুদ্ধ। ৰজা প্ৰসেনৰ বাহিৰে সকলোৱে মুখা পিন্ধি ওলোৱাৰ পাছত ৰামচন্দ্ৰই সীতা আৰু লক্ষ্মণৰ লগত অৰণ্যত বনবাস খটাৰ দৃশ্য দেখুউৱা হ'ল। সীতাৰ আগত মাৰীচৰূপী সোণৰ হৰিণাটো কৃত্ৰিমভাৱে সজা গছ-গছনিৰ অৰণ্যৰ মাজে-মাজে দৌৰি ফুৰিল। সীতাই ৰামৰ ওচৰত জেদ ধৰিলে সোণৰ পহু লাগে বুলি। ৰাম পহু বিচাৰি গ'ল। এনেতে আৰ্তনাদ শুনা গ'ল,— লক্ষ্মণভাই ৰক্ষা কৰা। সীতাৰ অনুৰোধত ৰামক সহায় কৰিবলৈ লক্ষ্মণ দৌৰি গ'ল। এনেতে ওলালহি ব্ৰাহ্মণৰ বেশত ভিক্ষা খুজি ৰাৱণ। সীতাই ভিক্ষা দিওঁতেই ব্ৰাহ্মণ গুচি দহমূৰীয়া ৰাৱণ হৈ পৰিল। ভাওনাখনৰ মুখা প্ৰয়োগৰ অংশবিশেষৰ এইখিনিলৈকে শ্যুটিং চলাৰ পাছত খন্তেক বিৰতি লৈ আকৌ শ্যুটিং আৰম্ভ হ'ল। এইবাৰ প্ৰকাণ্ড মুখা পিন্ধি কুম্ভকৰ্ণ ওলাল। ৰাম-লক্ষ্মণে কুম্ভকৰ্ণৰ লগত যুদ্ধ কৰি কুম্ভকৰ্ণক বধ কৰিলে। এইবাৰ ওলাল দহমূৰীয়া ৰাৱণ। ৰাৱণৰ লগতো

ৰাম-লক্ষ্মণৰ আৰু হনুমানৰ যুঁজ হ'ল। মুখাবোৰ ইমান ডাঙৰ যে সেইবোৰ মূৰৰ ওপৰেৰে গাত পিন্ধে আৰু আঁঠুৰ তললৈকে ঢাক খাই থাকে। মুখাবোৰ বৰ আকৰ্ষণীয়। এইবোৰ সজাৰ কৌশলো বেলেগ। বাঁহৰ মিহি কাঠীৰে জঁকাটো সাজি লৈ তাৰ ওপৰত আলতীয়া মাটি কাপোৰত লগাই লৈ জঁকাটো ঢাকি দিয়ে। নাক-মুখবোৰ হাতৰ আঙুলিৰে টিপি-টিপি গঢ় দিয়ে। মাটি শুকালে প্ৰয়োজন অনুসৰি হাইতাল-হেঙুলেৰে তৈয়াৰী বিভিন্ন ৰং দিয়ে। মুখা সম্পৰ্কত এই সত্ৰখনৰ বিশেষত্ব এয়ে যে তেওঁলোকে সকলোবোৰ মুখা বৃহৎ আকাৰত সাজে আৰু এইবোৰৰ ওজন এজন মানুহে পৰিধান কৰি অনায়াসে দাঙি লৈ ফুৰিব পৰা। ৰাম-ৰাৱণৰ যুদ্ধৰ পাছত সেইদিনালৈ শ্যুটিং সামৰা হ'ল। তেতিয়া ৰাতি প্ৰায় বাৰ বাজিছে। মাঘ মাহৰ ঠাণ্ডা। নামঘৰৰ মজিয়াত শুদাভৰিৰে শ্যুটিং চলাই থাকোঁতে আমাৰ সকলোবোৰ মানুহৰে ঠাণ্ডাত হাত-ভৰি চেঁচা হৈ কঁপনি উঠিছিল। উজনি অসমত এনেয়ে ঠাণ্ডা আন ঠাইতকৈ বেছি। ৰাতি ঘৰ পাওঁতে এক বাজিল। লৰালৰিকৈ ভাইবোৱাৰী সৰোজে গৰম কৰি দিয়া আহাৰ খাই বিছনাত পৰিলো।

পাছদিনা ৰাতি পুৱা চাহ-জলপান খোৱাৰ পাছতে ইউনিটটোসহ জাঁজী অভিমুখে ৰাওনা হ'লো। সেইদিনা জাঁজী জৰাবাৰী সত্ৰত মুখাৰ শ্যুটিং লোৱাৰ কথা আছিল। পুৱা ন বজাত জাঁজী আহি পালোহি। পূৰ্বৰ কথামতে জাঁজী ৰ হেমনাথ শৰ্মা কলেজৰ অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ (গায়ক প্ৰয়াত কলামণি সন্দিকৈৰ ভাতৃ) জাঁজীৰ চৰকাৰী বাছ আস্থানৰ সন্মুখত ৰৈ আছিল। তেওঁ আমাক তেওঁৰ ঘৰলৈকে লৈ গ'ল। তাতে চাহ-জলপান খাই উঠি জৰাবাৰী সত্ৰ অভিমুখে গ'লো যদিও বিশেষ অসুবিধাবশতঃ তাত শ্যুটিং লোৱা নহ'ল। তাৰপৰা আমি জাঁজী কলেজলৈ আহিলো। সেই সময়ত জাঁজী কলেজত 'কলেজ উইক' চলি আছিল। কলেজৰ তেতিয়াৰ অধ্যক্ষ শ্ৰীউমেশ ঠাকুৰ মোৰ ভাইসদৃশ। তেওঁৰ ঘৰো আমাৰ শিৱসাগৰতে। তেওঁৰ অনুৰোধত কলেজত আয়োজন কৰা সভা এখনত মোক সম্বৰ্ধনা জনোৱা হ'ল। ময়ো বক্তৃতা দিব লগা হ'ল। অধ্যাপকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে জনোৱা আদৰ-অভ্যৰ্থনাত মই অভিভূত হৈ পৰিলো।

সম্বৰ্ধনা সভা শেষ হোৱাৰ পাছত আমি টিয়কৰ ওচৰৰ যখৰীয়া নামঘৰলৈ আহিলো। তাত পাছদিনা মুখাৰ শ্যুটিং ল'ম বুলি নামঘৰৰ কৰ্মকৰ্তাসকলক লগ ধৰি কৈ আহিলো। চাৰিমান বজাত শিৱসাগৰলৈ ঘূৰি আহিলো।

পাছদিনা পুৱা দহমান বজাত আমি যখৰীয়া নামঘৰ পালোহি। এই নামঘৰত বিষ্ণুৰ অৱতাৰ নৃসিংহৰ এলুমিনিয়ামেৰে তৈয়াৰ কৰা প্ৰতিকৃতিৰ নিচিনা এটা ডাঙৰ মুখা আছে। এই প্ৰতিকৃতিৰ দৰে মুখাটো নামঘৰৰ মণিকূটৰ ওচৰত আঁৰ-বেৰ দি অতি

ভক্তিভাৱে সজাই থয়। সেই মুখা পৰিধান কৰা লোকজনে আগদিনা হবিচ খাটি পাছদিনা উপবাসে থাকিহে সেই মুখা পৰিধান কৰি ভাও দিব পাৰে। মুখাটোৰ চকু দুটাত বেটেৰি সংযোগ কৰা ৰঙা বাল্ব লগোৱা আছে কাৰণে অভিনয়ৰ সময়ত চকু দুটা ট-টকৈ ৰঙা হৈ জিলিকি উঠে। সেইদিনা ৰাতিলৈ মুখাটো পিন্ধি অভিনয় কৰিব লাগিব কাৰণেই পুৱা নাম-প্ৰসংগ কৰি প্ৰসাদ বিতৰণ কৰি থকা সময়তে আমি নামঘৰ পাইছিলোঁগৈ। দুপৰীয়া দুইমান বজাত নামঘৰৰ কৰ্মকৰ্তাসকলে ওচৰৰে স্কুল এখনত আমাৰ খোৱা-বোৱাৰ ব্যৱস্থা কৰি দিলে। আবেলি তিনিমান বজাৰপৰা নামঘৰলৈ ৰাইজৰ সোঁত ববলৈ ধৰিলে। দূৰদৰ্শনৰ ধাৰাবাহিকৰ বাবে শ্বুটিং ল'বলৈ গুৱাহাটীৰপৰা মানুহ আহিছে বুলি ইতিমধ্যে প্ৰচাৰ হৈ গৈছিল। ৰাইজ আৰু নামঘৰৰ কৰ্মকৰ্তাসকলে আমাৰ প্ৰতি দেখুউৱা আদৰ-আশ্বাসৰ আমি কিহেৰে প্ৰতিদান দিম। সেয়া ক'বলৈ ভাষা নাই।

আবেলি চাৰি বজামানত নামঘৰত আইসকলৰ নাম আৰম্ভ হ'ল। এই নামো নৃসিংহৰ মুখা ব্যৱহাৰ কৰাৰ উদ্দেশ্যেই গোৱা হয় বুলি আমাক নামঘৰ কৰ্তৃপক্ষই জনালে। নাম শেষ হোৱাৰ পাছত সন্ধিয়া ছয় বজাৰপৰা শ্বুটিং লোৱা পৰ্ব আৰম্ভ হ'ল। নামঘৰৰ কৰ্মকৰ্তা শ্ৰীটেপুৰাম হাজৰিকাৰ এটি সাক্ষাৎকাৰ বাণীবদ্ধ কৰাৰ পাছতে ভাওনাৰ আৰম্ভণিতে উপস্থাপন কৰা অগ্নিগড়ৰ দৃশ্যগ্ৰহণ কৰা হ'ল। অগ্নিগড়ৰ তলেৰে গায়ন-বায়ন মঞ্চলৈ সোমাই আহিল। অলপ সময় গায়ন-বায়ন চলিল। ইয়াৰ পাছত মঞ্চলৈ আহিল হিৰণ্যাক্ষ। যুদ্ধ হ'ল ভগৱান বিষ্ণুৰ অৱতাৰ বৰাহৰ লগত। এই যুদ্ধৰ সামৰণিৰ পাছত মঞ্চত হিৰণ্যকশিপু আৰু প্ৰহ্লাদৰ প্ৰবেশ ঘটিল। হিৰণ্যকশিপুৱে পুত্ৰ প্ৰহ্লাদক তোৰ ভগৱান ক'ত আছে? এই স্তম্ভটোত আছেনে?' বুলি সোধাত প্ৰহ্লাদে আছে বুলি ক'লে। হিৰণ্যকশিপুৱে গদাৰে কোবাই স্তম্ভটো ভাঙি দিলে। লগে-লগে তাৰপৰা ভয়ানক মূৰ্তি ধৰি নৃসিংহ ওলাই আহিল। দবা-শংখ-কাঁহ বাজিবলৈ ধৰিলে। ৰাইজে ভক্তিভাৱে সেৱা কৰিলে। একোটা কাণ তাল মৰা হুংকাৰ দি নৃসিংহ আগুৱাই আহিল আৰু হিৰণ্যকশিপুক নিজৰ আঁঠুৰ ওপৰত তুলি বুকু ফালি বধ কৰিলে আৰু হিৰণ্যকশিপুৰ নাড়ি-ভুৰু ডাল-ডালকৈ উলিয়াই পেলালে। প্ৰহ্লাদে স্তুতি কৰিলে। এই কৌশলবোৰ বৰ উপভোগ্য হৈছিল। অতি সাৱধানেৰে গোটেইখিনি দৃশ্যৰ শ্বুটিং লোৱা হ'ল। ইয়াৰ পাছত নৃসিংহ মুখাটোৰ ভিতৰত মানুহজন কেনেকৈ সোমায় তাৰ শ্বুটিং লোৱাৰ লগতে উপস্থিত দৰ্শকবৃন্দৰো কেইটামান শ্বট লোৱা হ'ল। এইখিনি দৃশ্যৰে শ্বুটিং শেষ হওঁতে ৰাতি চাৰে দহ বাজিল। সকলো বস্তু সামৰি-সুতৰি লৈ ঘৰ পাওঁতে প্ৰায় বাৰ বাজিল।

পাছদিনা শিৱসাগৰৰপৰা বিদায় লৈ মাজুলীৰ চামগুৰি সত্ৰ অভিমুখে পুৱা সাতমান বজাত যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় নমান বজাত যোৰহাটৰ নিমাতীঘাট পালোহি। তাত আহি পাই এক সমস্যাৰ সন্মুখীন হ'লো। ব্ৰহ্মপুত্ৰৰ পানী শুকাই যোৱাত বাছ পাৰ

কৰিব পৰা ডাঙৰ জাহাজখন ঘাটৰ কাষলৈ আনিব নোৱৰা কাৰণে আমাৰ বাছখন পাৰ কৰি মাজুলীলৈ যোৱাত সমস্যাই দেখা দিলে। মই আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ কৰ্মচাৰীসকলৰ সৈতে কথা-বতৰা পাতি যিকোনো উপায়েৰে আমাৰ এই সমস্যাটো সমাধান কৰি দিব পাৰে নে কি তাৰ বাবে অনুৰোধ জনালো। কিন্তু এইক্ষেত্ৰত তেওঁলোক একেবাৰে নিৰুপায় বুলি জনোৱাত আমি নগাঁৱৰ কলীয়াভোমোৰা দলঙেদি ব্ৰহ্মপুত্ৰ পাৰ হৈ যোৱাৰ বাহিৰে গত্যন্তৰ নাথাকিল। আমি নগাঁও অভিমুখে বাছ ঘূৰাই ল'লো। দুপৰীয়া জখলাবন্ধাত দুপৰীয়াৰ সাঁজ খাই লৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলো। যাত্ৰাৰ যেন শেষ নাই। যোৱা চাৰিদিনৰ অসম্ভৱ ব্যস্ততা আৰু বাছৰ যাত্ৰাই বাৰুকৈয়ে ভাগৰ লগাইছিল। তথাপি ইউনিটটোৰ কেইজনমান স্ফূৰ্তিবাজ যুৱকৰ বাছত বিহুনাম, হুঁচৰি আৰু নানা খুহুটীয়া কথা-কাণ্ডই আমাৰ মনবোৰ এই কষ্টকৰ যাত্ৰাত সকাহ দিছিল। ৰাতি প্ৰায় আঠ বজাত গহপুৰ পালোগৈ। তাতে ৰাতিৰ আহাৰ খাই অলপ সময় বিশ্ৰাম ল'লো। ইয়াৰপৰা লখিমপুৰলৈ আৰু দুঘণ্টাৰ বাট। গহপুৰৰ হোটেলৰ মালিকজনক সুধি জানিব পাৰিলো যে লখিমপুৰৰপৰা মাজুলীলৈ পুৱা ছয় বজাৰ আগতে প্ৰথম ফেৰি আছেঁ। গতিকে ফেৰিঘাট পুৱা ছয় বজাৰ আগতে পাবগৈ লাগিব। আনহাতে এতিয়াৰপৰা ৰাতিপুৱালৈকে ক'ত থকা যায়? আমাৰ ইউনিটটোৰ মানুহবোৰে গহপুৰত ৰাস্তাৰ কাষতে বাছ ৰখাই তাতে শুই থাকিব বুলি সিদ্ধান্ত ল'লে। কিন্তু বাছৰ ভিতৰত যথেষ্ট মহ আৰু শ্বুটিঙৰ সৰঞ্জামবোৰ থকাৰ বাবে বাছত ৰাতিটো কটাবলৈ অসুবিধা পালো। গহপুৰৰ হোটেলৰ মালিকজনেই তাৰপৰা পাঁচ কিল'মিটাৰ আঁতৰত থকা হাৱাজান আই বিতে ৰাতি চকীদাৰক কৈ ৰাতিটো থাকিব পাৰিব বুলি জনালে। আমি তেওঁক অশেষ ধন্যবাদ জনাই হাৱাজান আই বিলৈ আহিলো। তাত থকা চকীদাৰক সকলো বুজাই কোৱাত তেওঁ আই বিৰ দুটা কোঠা আমাক ৰাতিটো থাকিবৰ বাবে খুলি দিলে। কিছুমানে কোঠাৰ ভিতৰত, কিছুমানে বাছৰ ভিতৰত থাকি ৰাতিটো কটোৱা হ'ল। পুৱা তিনি বজাতে গা-পা ধুই চকীদাৰজনে কৰা চাহ একোকাপ খাই লখিমপুৰ অভিমুখে ৰাওনা হ'লো। প্ৰায় চাৰে পাঁচমান বজাত লখিমপুৰ আহি পালোহি। তেতিয়া লখিমপুৰ নিদ্ৰাদেৱীৰ কোলাতে। ছয় বজাত ফেৰিৰ চালকসকল অহাত আমাৰ বাছ ফেৰিত তোলা হ'ল। মই আৰু অকণিয়ে ফেৰিৰ একোণত বৈ কুঁৱলীয়ে আৱৰা ব্ৰহ্মপুত্ৰৰ পুৱাৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰাত লাগিলো। আধাঘণ্টামানৰ পাছত ফেৰি আহি সিপাৰৰ ঘাটত লাগিলহি। বাছখন ফেৰিৰপৰা নমাবৰ সময়ত আমি এটা সাংঘাতিক বিপদৰ সন্মুখীন হ'লে। বাছখনৰ আগচকা দুটা ফেৰিখনৰপৰা সিপাৰৰ বালিলৈ নমাই আনোতেই বাছ খনৰ ইঞ্জিন বন্ধ হৈ গ'ল। পিছৰ চকা দুটা ফেৰিৰ ওপৰতেই থাকি গ'ল। ড্ৰাইভাৰে বহু চেষ্টা কৰিও বাছখনৰ ইঞ্জিন ষ্টাৰ্ট কৰিব নোৱাৰিলে। বাছখনত

যুঁজি থাকোঁতে আধাঘণ্টামান সময় পাৰ হৈ গ'ল। ফেৰিৰ চালকে ফেৰিখন সময়মতে ঘূৰাই নিব নোৱৰা বাবে হুলস্থূল লগাবলৈ ধৰিলে। বাছখন ষ্টাৰ্টো নহয়, ঠেলিবও নোৱাৰি। কি কৰা যায়? সামান্য ইফাল-সিফাল হ'লে বাছখন ব্ৰহ্মপুত্ৰত পৰি যোৱাৰো ভয়। মই বৰ শংকিত হৈ পৰিলো। ইতিমধ্যে কেইবাজনো স্থানীয় মেকানিকে বাছখন ষ্টাৰ্ট দিবলৈ বিভিন্ন উপায়েৰে চেষ্টা কৰিছে যদিও সফল হ'ব পৰা নাই। এই পৰিস্থিতিৰপৰা উদ্ধাৰ পাবলৈ ভগৱানক প্ৰাৰ্থনা জনোৱাৰ বাহিৰে মোৰ হাতত আন উপায় নাছিল। সকলো বিপদতে মোক উদ্ধাৰ কৰোঁতা মা ভগৱতীলৈ এভাগি পূজা আগবঢ়াই এই সাংঘাতিক বিপদটোৰপৰা উদ্ধাৰ কৰিবলৈ মনতে প্ৰাৰ্থনা জনালো। কি আচৰিত! প্ৰাৰ্থনা জনোৱাৰ লগে-লগেই বাছখন ষ্টাৰ্ট হ'ল আৰু নিৰাপদে পাৰলৈ উঠি আহিল। দেৱীৰ মাহাত্ম্য দেখি মই বিস্ময়ত হতবাক হৈ পৰি দেৱীৰ স্তুতি কৰিবলৈ ধৰিলো।

ব্ৰহ্মপুত্ৰৰ বালিৰ ওপৰত অস্থায়ীভাৱে দিয়া চাহ দোকান এখনত আমি সকলোৱে শুদা চাহ খাই এঘণ্টামানৰ পাছত চামগুৰি সত্ৰ পালোহি। গুৱাহাটীৰ চন্দ্ৰপুৰৰ টেক্সটাইলছ মিলত কাম কৰা চামগুৰি সত্ৰৰ ক্ষীৰোদ মহন্তৰ যোগেদি চামগুৰি সত্ৰৰ অধিকাৰক আমাৰ সত্ৰলৈ আগমনৰ তাৰিখ আৰু উদ্দেশ্যৰ বিষয়ে জনোৱা হৈছিল। ক্ষীৰোদ মহন্তও সেইদিনা তাতে আছিল। আমি যথাসময়ত গৈ পোৱাত তেখেতসকল বৰ আনন্দিত হ'ল আৰু চাহ-জলপানেৰে আমাক অভ্যৰ্থনা জনালে। ইয়াৰ পাছত তেখেতসকলে ভাওনাত ব্যৱহাৰ হোৱা বিভিন্ন মুখাবোৰ আমাক দেখুৱালে। সেই পৰ্যায়ত কিছুমান মুখা, যেনে— বকাসুৰ, সহস্ৰাৰ্জুন, নৃসিংহ, বৰাহ, কুম্ভকৰ্ণ, ৰাৱণ, জটায়ু পক্ষী, শংখচূড়, গৰুড় পক্ষী আৰু ভাওনাৰ বিভিন্ন ভাওত ল'ৰা-ছোৱালীয়ে পিন্ধা মুখাৰ শ্বুটিং লোৱা হ'ল। দ্বিতীয় পৰ্যায়ত সত্ৰৰ সত্ৰাধিকাৰ ফণী মহন্তৰ এটি সাক্ষাৎকাৰ বাণীবদ্ধ কৰাৰ পাছত মুখা তৈয়াৰ কৰি থকা, মুখাত বিভিন্ন ৰং দিয়া আদি কামৰ শ্বুটিং সমাপ্ত কৰি দুপৰীয়া আহাৰৰ বাবে বিৰতি লোৱা হ'ল।

শিৱসাগৰৰ খাটপাৰ সত্ৰৰ দৰেই চামগুৰি সত্ৰৰ মুখাবোৰ বৃহৎ আকাৰৰ যদিও ওজনত তেনেই পাতল। ভাৱৰীয়াসকলে অনায়াসে মুখাবোৰ পিন্ধি ভাওনাত ভাও দিব পাৰে। দুয়োখন সত্ৰতেই মুখা সজাৰ বাবে মিহি-মিহি বাঁহৰ কামী তৈয়াৰ কৰি লয়। শিল্পীসুলভ হাতেৰে সেইবোৰ গুঁঠি যাওঁতে শৰীৰৰ বিভিন্ন অংগবোৰ পৰিস্ফুট হৈ উঠে। পাতল কাপোৰত আলতীয়া মাটি লেপি বাঁহৰ জঁকাটো ঢাকি দিয়াৰ বাবে মুখাটো পাতল হৈ পৰে। এই দুয়োখন সত্ৰৰে মুখা সজা কৌশলটো প্ৰায় একে।

চামগুৰি সত্ৰ অসমত দুখন আছে। এখন মাজুলীত আৰু আনখন নগাঁৱৰ কলিয়াবৰৰ ওচৰত। মাজুলীৰ চামগুৰি সত্ৰত মহাপুৰুষ শংকৰদেৱে পিন্ধা বাঁওভৰিৰ খৰমপাট আৰু কলিয়াবৰৰ ওচৰৰ চামগুৰি সত্ৰত সোঁভৰিৰ খৰমপাট সংৰক্ষণ কৰি থোৱা

হৈছে। পূৰ্বতে হেনো এই মাটিতে শংকৰদেৱে চামগছৰ পুলি এটা ৰুই ধৰ্মৰ বন্তি জ্বলিব বুলি ভৱিষ্যৎবাণী কৰিছিল। কালক্ৰমত সেই চামপুলিৰপৰাই এই সত্ৰৰ নাম চামগুৰি হ'ল।

চামগুৰি সত্ৰৰ অধিকাৰৰ বহাৰ লগতে থকা সুবৃহৎ নামঘৰটোতে ৰাতিলৈ মুখা প্ৰয়োগ থকা ভাওনাসমূহৰ কিছু-কিছু অংশ কৰি দেখুৱাবৰ বাবে ইতিমধ্যে প্ৰস্তুতি চলিল। মুখাবোৰো মোহাৰি-সামৰি চাফ-চিকুণ কৰা হ'ল। লাইটৰ ব্যৱস্থা হ'ল। কালীয় দমন নাটৰ বাবে ২০ ফুট ব্যাসাৰ্ধৰ পুখুৰীৰ নিচিনা এটা গাঁতত সাগৰৰ পানীৰ আভাস দিবলৈ বগা পলিথিন লগোৱা হ'ল। সকলো কামত ব্যস্ত। ৰাতিলৈ শ্বুটিং লোৱাৰ আগতে সকলো সম্পূৰ্ণ কৰিব লাগে। নিস্বাৰ্থ আৰু সহৃদয়েৰে এনেকৈ কাম কৰা লোক আজিৰ সমাজত বিৰল। মই তেওঁলোকৰ কৰ্মপদ্ধতিত মুগ্ধ নহৈ নোৱাৰিলো।

সন্ধিয়া পাঁচমান বজাৰপৰা পুনৰ শ্বুটিং আৰম্ভ হ'ল। প্ৰথমেই অগ্নিগড়ত আৰিয়া ধৰি গায়ন-বায়নৰ প্ৰৱেশ হ'ল। গায়ন-বায়নৰ পিছত গৰুড় পক্ষী আৰু বিষ্ণু। গৰুড় পক্ষীৰ পিঠিত বিষ্ণু উঠি অহাৰ নিচিনাকৈ আহি মঞ্চত এটা পাক মাৰি প্ৰস্থান কৰিলে। সহস্ৰাৰ্জুনৰ প্ৰৱেশৰ পাছত ৰাৱণৰ প্ৰৱেশ হ'ল। তাৰ পাছত পৰশুৰাম আৰু সহস্ৰাৰ্জুনৰ যুদ্ধৰ এটি অংশ পৰিৱেশন কৰা হ'ল। এইখিনিৰ দৃশ্যগ্ৰহণৰ পাছত মঞ্চত ৰাম-লক্ষ্মণে প্ৰৱেশ কৰিলে। ৰাম-লক্ষ্মণৰ প্ৰৱেশ নৃত্য শেষ হোৱাৰ পাছত কুম্ভকৰ্ণৰ প্ৰৱেশ আৰু যুদ্ধ হ'ল। ৰাৱণৰ লগতো ৰাম-লক্ষ্মণৰ যুদ্ধ হ'ল। এইখিনিৰ দৃশ্যগ্ৰহণৰ পাছত এইবাৰ দেখুউৱা হ'ল বিষ্ণুৰ বৰাহ অৱতাৰ। বৰাহৰ মুখা পিন্ধি শিঙৰ ওপৰত পৃথিৱীখন লৈ ভাৱৰীয়াজনে দৌৰি ফুৰাটো বৰ কষ্টকৰ কাম যদিও দৃশ্যটো বৰ উপভোগ্য হৈছিল। কৃষ্ণ আৰু বকাসুৰৰ যুদ্ধৰ এটা অংশ দেখুউৱা হ'ল। সকলোবোৰ দৃশ্যতে খোল-তাল-বাঁহীৰে সংগত কৰা হৈছিল। দৃশ্যগ্ৰহণৰ লগে-লগে বাণীবদ্ধও কৰি যোৱা হৈছিল।

ইতিমধ্যে ৰাতি বহুত হৈছিল। এইবাৰ আটাইতকৈ আকৰ্ষণীয় কালীয় দমনৰ দৃশ্যৰাজিৰ শ্বুটিং আৰম্ভ হ'ল। কৃত্ৰিম হ্ৰদৰ পাৰত পানী খাবলৈ গৈ গোপবালকসকল অচেতন হৈ পৰি যোৱাৰ পাছত কৃষ্ণই হ্ৰদত জঁপিয়াই কালীনাগৰ ফণাৰ ওপৰত নৃত্য কৰা দৃশ্যটো ইমান নিখুঁত আৰু আকৰ্ষণীয়ভাৱে দেখুউৱা হ'ল যে নিজ চকুৰে নেদেখিলে ইয়াৰ উপস্থাপনৰ কৌশলটো ধৰা টান। হ্ৰদৰ লেখীয়া গাঁতটোত পলিথিনৰ তলত চাৰিটা ল'ৰাই আঠটা সাপৰ ফণাৰ মুখা লৈ নচুৱাই থাকে। গাঁতটোৰ মাজতে মেজ এখন পলিথিনৰ তলত থোৱা হয়। সেই মেজখনৰ ওপৰতে কৃষ্ণই নৃত্য কৰে আৰু তলৰপৰা সাপৰ ফণাবোৰ নচুৱাই থাকে। দূৰৰপৰা সাপৰ ফণাৰ ওপৰত নৃত্য কৰা যেন দেখি। গাঁতটোৰ ওপৰত দিয়া পলিথিনখন তলত থকা ল'ৰাকেইটাই হাতেৰে লৰাই থকাৰ বাবে সাগৰৰ পানী বতাহত লৰি থকা যেন দেখি। অতি সুন্দৰকৈ পৰিৱেশন

কৰা এই নৃত্যটোৰ শ্বুটিং লোৱাৰ পাছত সেইদিনালৈ শ্বুটিং সামৰা হ'ল। তেতিয়া ৰাতি প্ৰায় বাৰ বাজি গৈছে।

পাছদিনা পুৱা সকলোৰেপৰা বিদায় লৈ আমি ন বজাত চামগুৰি সত্ৰৰপৰা গুৱাহাটী অভিমুখে ৰাওনা হ'লো। আহোঁতে মাজুলীৰ আউনীআটি সত্ৰত সোমাই ডেকা সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীক লগ ধৰি সেৱা জনোৱাৰ লগতে আমাৰ যাত্ৰাৰ উদ্দেশ্যৰ বিষয়ে বিৱৰি ক'লো। তেখেতে আমাৰ প্ৰচেষ্টাৰ শলাগ ল'লে আৰু সত্ৰীয়া নিয়মে চাহ-জলপানেৰে আপ্যায়িত কৰিলে। আমি সকলোৱে সত্ৰৰ বৃহৎ নামঘৰটো পৰিদৰ্শন কৰিলো।

আউনীআটি সত্ৰৰপৰা ওলাই আহোঁতে দুপৰীয়া প্ৰায় এঘাৰমান বাজিল। দুপৰীয়া কমলাবাৰীৰ হোটেল এখনত ভাত খাই গুৱাহাটী অভিমুখে যাত্ৰা কৰিলো। এইবাৰ পাছে অহা পথেৰে উভতি নাহিলো। কাৰণ আহোঁতে ব্ৰহ্মপুত্ৰ নদীত ফেৰিৰপৰা নামোতে যি বিপদৰ সন্মুখীন হৈছিলো, সেই বিপদ পুনৰ চপাই নলওঁ বুলি ভাবিয়েই ব্ৰহ্মপুত্ৰ পাৰ হ'ব নলগা স্থলপথ জেংৰাই-ঢকুৱাখানা হৈ ঘূৰি লখিমপুৰ পাওঁতে ৰাতি বহুত হ'ল। বহুত দীঘল যেন লাগিল পথছোৱা। খুবেলি-লুইত (মাজুলী-লখিমপুৰৰ মাজৰ ব্ৰহ্মপুত্ৰৰ সুঁতিটোৰ নাম) সুঁতিটোৱেদি পাৰ হৈ অহাহেঁতেন এঘণ্টামান সময় লাগিলহেঁতেন। লখিমপুৰত চাহ-জলপান খাই পুনৰ যাত্ৰা আৰম্ভ কৰি ৰাতি গহপুৰ পালোহি। তাতে বৰষুণ আৰম্ভ হ'ল। আমি দৌৰাদৌৰিকৈ ভাত খাই বাছত উঠিলোহি। বৰষুণ দিয়াৰ বাবে গহপুৰত বাছতে ৰাতিটো কটাম বুলি ভাবিছিলো যদিও আমাৰ ইউনিটৰ মানুহবোৰে লাহে-লাহে গৈ থকাই ভাল হ'ব বুলি জোৰ দি ধৰাত আমি প্ৰায় দোভাগ ৰাতি গহপুৰৰপৰা যাত্ৰা আকৌ আৰম্ভ কৰিলো। ভীষণ বৰষুণৰ মাজেৰে বাছ লাহে-লাহে আগবাঢ়িল। ঠাণ্ডা বেছিকৈ লগাত কম্বলেৰে গাটো ঢাকি চকু আধামুদা-আধামেলা কৰি গৈ থাকিলো। এনেকুৱা বৰষুণৰ বতৰত বাছত গৈ থাকিবলৈ ভয়ো লাগে। ভাগৰত ড্ৰাইভাৰৰ টোপনি ধৰিলে ক'ৰবাত বাছ পিছলি পৰিবলৈ হ'লে সকলো আধ্যা পৰিব।

বৰষুণৰ মাজে-মাজে এইদৰে আহি থাকোঁতে হঠাৎ চকুত পৰিল এটা চাকি যেন আমাৰ বাছৰপৰা প্ৰায় এক ফাৰ্লংমান দূৰত্বত গৈ আছে। ডাঠ বৰষুণৰ কাৰণে কি গৈ আছে ধৰিব পৰা নাই। কেৱল পোহৰটোহে দেখিছোঁ। পোহৰটোলৈ চাই গৈ থাকোঁতে এবাৰ দেখিলো পোহৰটো যেন ৰাস্তাৰ ওপৰতে খৰবাগৰ এটা মাৰি বৈ গ'ল। বাছৰ ড্ৰাইভাৰে চিঞৰি উঠিল— এক্সিডেণ্ট হ'ল। টোপনিৰ আবেশত ড্ৰাইভাৰৰ চিঞৰ শুনি মোৰ বুকু কঁপি উঠিল। কাৰণ আধাঘণ্টামানৰ আগতে বাছৰ ড্ৰাইভাৰে কৈছিল আমাৰ বাছৰ স্প্ৰিং ভগা বুলি। সেয়ে বাছখন বৰ ধীৰ গতিৰে চলাই আনিছিল। মই

ছিটিত পোন হৈ বহি আগলৈ চাওঁতে আমাৰ বাছখন আহি পোহৰটোৰ ওচৰ পাইছিলহি। সেই পোহৰটো আছিল এখন মালবাহী ট্ৰাকৰ বেকলাইট। ৰাস্তাৰ কাষতে লুটিখাই পৰা বাছখনৰ ওচৰত আমাৰ বাছখন ৰখোৱাত শুনিবলৈ পালো মৰিলো ঐ, মৰিলো ঐ বুলি চিঞৰি থকা ট্ৰাকখনৰপৰা ভাহি অহা পুৰুষৰ কণ্ঠস্বৰ। মই বাছৰ ল'ৰা দুটামানক কি হ'ল চাই আহিবলৈ ক'লো। বৰষুণৰ মাজতে সিহঁত নামি গ'ল আৰু এটা মানুহক দাঙি আনি আমাৰ বাছত সুমুৱালেহি। মানুহজনৰ হাত আৰু ভৰি ভাগিছিল। ড্ৰাইভাৰ-হেণ্ডিমেনে দুখ পাইছিল যদিও সিহঁতে সেই দুখ সহ্য কৰি ট্ৰাকখন এৰি আহিবলৈ মন নকৰিলে। মানুহজনক সুধি গম পালো যে তেওঁ গহপুৰৰপৰা তেজপুৰলৈ এই মালবাহী ট্ৰাকখনতে ভাৰা দি আহিছিল। চাৰিদিনৰ পাছত তেওঁৰ বিয়া আছিল কাৰণে ব্যৱসায় সংক্ৰান্তত গহপুৰলৈ গৈ টকা পাঁচ হাজাৰ লৈ আহিছিল। তেওঁ বিষত কেঁকাই-কেঁকাই ক'লে যে তেওঁৰ চোলাৰ জেপত পাঁচ হাজাৰ টকা আছে। সেই টকাকে লৈ হস্পিটেলত চিকিৎসাৰ বন্দবস্ত কৰিব লাগে। মোৰ মানুহটোলৈ বৰ বেয়া লাগিল। চাৰিদিনৰ পাছত বিয়া, আজি মানুহটোৰ এই অৱস্থা। বিয়া পাতিবৰ কাৰণে অনা টকা এতিয়া নিজৰে চিকিৎসাত ব্যয় কৰিব লগা হ'ল। বাছখনৰ মাজতে ছিট কেইটামান পাৰি দি মানুহটোক শুৱাই আনি ৰাতি দুই বজাত বৰগাং মিছন হস্পিটেলত ভৰ্তি কৰাই ডাক্তৰ মতাই আনি চিকিৎসা দিয়াৰ পাছতহে আমি গুচি আহিছিলো।

ধাৰাসাৰ বৰষুণৰ মাজে-মাজে আহি পুৱা ছয় বজাত তেজপুৰ পালোহি।

চামগুৰি সত্ৰৰপৰা আমাৰ লগতে অহা তেজপুৰত চাকৰি কৰা তাৰা মহন্তৰ ঘৰতে আমি সকলো নামিলোহি। গাড়ীখন স্প্ৰিং লগাবলৈ গ'ল। বাছখনৰ মেৰামতিৰ কাম সম্পূৰ্ণ কৰি দুপৰীয়া বাৰ বজাত আহি পালেহি। ইতিমধ্যে তাৰা মহন্তৰ ঘৰত দুপৰীয়া সকলোৱে খিচিৰি খাই দুইমান বজাত গুৱাহাটী অভিমুখে ৰাওনা হ'লো। শ্ৰীমান মহন্তই গোটেই ৰাতি বাছত টোপনি খতি কৰি আহি আমাক দিনটো আলপৈচান ধৰি আদৰ-অভ্যৰ্থনা যাচিলে, সেয়া মই পাহৰিব নোৱাৰোঁ। পাহৰিব নোৱাৰোঁ চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত ফণী মহন্ত, গুণী শিল্পীসকল, ক্ষীৰোদ মহন্ত আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ সহায়-সহযোগ, আদৰ-অভ্যৰ্থনা।

সেইদিনা সন্ধিয়া আঠ বজাত আহি সুকলমে গুৱাহাটী পালোহি। ইয়াতেই মুখাৰ প্ৰথম পৰ্যায়ৰ শ্যুটিং অন্ত পৰিল। দ্বিতীয় পৰ্যায়ৰ শ্যুটিং নামনি অসমৰ দক্ষিণপাৰে অৰ্থাৎ ছয়গাঁও, ধূপধৰা, দুধনৈ আদিত লোৱাৰ বাবে পাছৰ সপ্তাহত দিন ঠিক কৰিলো আৰু সেইমতে বিশ্ববিদ্যালয়ৰ অধ্যাপক মোৰ ভাতৃপ্ৰতিম ড° উপেন ৰাভাৰ সহযোগত আৰু স্থানীয় ৰাইজৰ অশেষ উৎসাহ, উদ্দীপনা আৰু আতিথ্যৰ মাজত ৰংজুলি, ধূপধৰা আদি ঠাইত স্থানীয়ভাৱে নিৰ্মিত মুখাৰ চিত্ৰগ্ৰহণ কৰা হ'ল।

চৰকাৰে দিয়া দুই লাখ টকাৰ উপৰিও মোৰ নিজৰপৰাও পোন্ধৰ হাজাৰমান টকা তথ্যচিত্ৰখনত খৰচ হ'ল। এটা ডাঙৰ ইউনিট লৈ মই ঘূৰি ফুৰিছিলো আৰু প্ৰতি ঠাইৰ 'মুখা' নিৰ্মাণকাৰীসকলক মাননিস্বৰূপে শকত অংকই দিব লগা হৈছিল। এতিয়া দেখিছোঁ অতি কৃপণালি কৰি অতি কম খৰচত মানুহে তথ্যচিত্ৰ নিৰ্মাণ কৰে। মই তেনেই অজ্ঞ আছিলো।

তথ্যচিত্ৰখনৰ আবহ সংগীত দিবলৈ, সম্পাদনা কৰিবলৈ আৰু ইংৰাজী narration খিনি দিবলৈ বাকী আছিল। তাৰ কাৰণে টকা লাগিব। মই টকাৰ কাৰণে আবেদন কৰিলো আৰু 'ৰাশ্ব প্ৰিণ্ট' সাংস্কৃতিক বিভাগৰ মানুহে যেতিয়াই ইচ্ছা চাব পৰাকৈ কাহিলিপাৰাৰ 'জ্যোতি চিত্ৰবন'ত জমা দিলো নিৰ্ধাৰিত সময়ৰ আগতেই— অৰ্থাৎ জানুৱাৰীত শ্বুটিঙলৈ গৈ এপ্ৰিলতে জমা দিয়া হ'ল। ফিল্মৰ দাম ইতিমধ্যেই বহুত বাঢ়ি গৈছিল আৰু ইয়াৰপৰা কলিকতালৈ প্লেনত মানুহ পঠাই উৰাজাহাজেৰে ফিল্মবোৰ আনিব লগা হৈছিল।

ইমান উৎসাহ-উদ্দীপনাৰে, অত কষ্টৰ মাজেৰে নিৰ্মাণ কৰা এই তথ্যচিত্ৰখন আজিলৈকে কাহিলিপাৰাৰ জ্যোতি চিত্ৰবনতে থাকিল। পাছৰ দুই লাখ টকা চৰকাৰী অফিচৰপৰাই অন্তৰ্ধান হ'ল।

মুখা নিৰ্মাণ কৰিব পৰা সুদক্ষ, বয়সস্থ শিল্পীসকলৰ বেছিভাগৰে মৃত্যু হ'ল। নতুনকৈ কোনোবাই কৰিব খুজিলেও এই শিল্পীসকলক আৰু নাপায়। সৰ্বাংগসুন্দৰ বস্তু এটা এনেকৈ ধ্বংস কৰা কাৰ্যৰ কোনোবাই বিচাৰ কৰিবনে?

সততা বস্তুটোকে জীৱনত সদায় মূল্য দি আহিছোঁ বা নিজে কোনো অসৎ চিন্তা, অসৎ কৰ্ম কৰা নাই কাৰণে সকলো মানুহ সৎ বুলি ভাবি লওঁ। আটাইবোৰ কথাকে বগা কাপোৰৰ দৰে ভাবি লওঁ কাৰণে দেউতাই মই সৰু থাকোঁতেই কৈছিল,— মোৰ এই আজলী ছোৱালীজনীয়ে জীৱনত বহুত ঠগ খাব। মইনো কি কৰিম! অন্তৰাত্মাই কাকো অবিশ্বাস কৰিবলৈ নিদিয়ে।

এই বিশ্বাস আজিকালি বহুত ক্ষেত্ৰত ভুল বুলি প্ৰমাণিত হয়। মই কেইবছৰমানৰ আগতে সাংঘাতিক আঘাত পালো এজনে কৰি দেখুউৱা এটা অতি গৰ্হিত প্ৰবঞ্চনাত। দেউতাৰ ভৱিষ্যৎবাণী ফলিয়ালে।

মা-দেউতাৰ নামত কিবা এটা স্থায়ী কাম কৰিবলৈ মোৰ বৰ মন আছিল। দেউতা আছিল বিদ্যানুৰাগী ব্যক্তি। সেয়েহে শিক্ষা-প্ৰতিষ্ঠান এটি কৰিলেই ভাল। আনহাতে মাক তেনেকৈ একো চিকিৎসাই কৰিবলৈ নাপালো। লাং কেনছাৰ অতি সংগোপনে

মাৰ বুকুত থাকি আকস্মিকভাৱে এদিনতে মাক মৃত্যুৰ মুখত পেলালে। কোনেও গম নাপাইছিল। মাৰ চৈধ্য দিনমান অলপ-অলপ জ্বৰ আৰু কাহহে হৈছিল। কাহ ভাল হ'বলৈ ডাক্তৰী দৰব দিয়াতো ভাল নহ'ল আৰু সিয়েই কাল হ'ল। সেইকাৰণে মাৰ নামত নাৰ্ছিংহোম এখন খুলি (কেৱল মাতৃৰ কাৰণে ত্ৰিছখনমান বিছনা থকা) মাৰ নামত উচৰ্গা কৰাৰ কথাও ভাবিছিলো। দেউতাই কিনি থৈ যোৱা আমাৰ প্ৰকাণ্ড বাৰীখনৰ দক্ষিণফালে খালী হৈ থকা মাটি আছিল। মাটি আছে, ইমান টকা নাই, কিহেৰে কি কৰোঁ? ধাৰ ল'বলৈও মোৰ নিচিনা ৰিটায়াৰ্ড মানুহক কোনে ধাৰ দিব? নহ'লেবা ভাবিছিলো এটা ডাঙৰ লাইব্ৰেৰি কৰি তাকে মা-দেউতাৰ নামত দিম। কিন্তু তাৰ কাৰণেও বহুত লাখ টকা লাগে। এইদৰে ভাবি-চিন্তি থাকোঁতেই শিৱসাগৰৰ ব'ৰ্ডিং ফিল্ডৰ কাষৰ শ্ৰীপ্ৰসন্ন দত্ত আহি কাকুতি-মিনতি কৰিলেহি,— তেওঁবিলাকে এটা residential স্কুল সাজিব খুজিছে। তালৈকে মাটিখিনি যথাসম্ভৱ কম দামত লাগে। মই সৰলভাৱে মোৰ স্বপ্নৰ কথা ক'লো। স্কুল হ'লে বৰ ভাল হ'ব, বৰ ভাল হ'ব। মই সাজিব পৰা নাই, তুমিয়েই সাজা। (প্ৰসন্ন দত্তই মোৰ ভাইৰ লগৰ বুলি কৈ মোৰ ভৰি চুই সেৱা কৰিছিল আহিয়েই) পাছে এটা চৰ্তত— মোৰ মা-দেউতাৰ নামত তাত কিবা এটা দিব লাগিব। তেওঁ অতি ভাবস্তিৰে কৈছিল,— "আপুনি যি কয় বাইদেউ তাকেই হ'ব। তেখেতসকলৰ নামত হয় তোৰণ দিম, নহয় ভৱন দিম। আপুনিয়েই আমাৰ গৱৰ্ণিং বডিখনৰ প্ৰেছিডেণ্ট হ'ব।" মই বৰ আনন্দিত হ'লো আৰু ভাইৰ লগৰ ভাই বুলি একান্তই বিশ্বাস কৰি তেনেই কম টকাতে মাটিখিনি বিক্ৰি কৰিলো। ট্ৰাংক ৰ'ডৰ গাতে লাগি থকা হীৰাৰ টুকুৰাৰ দৰে মাটি।

আটায়ে গম পালে,— বৰ সুন্দৰ এখন স্কুল সাজিবৰ কাৰণেই এই মাটি বিক্ৰি কৰা হৈছে। কিন্তু লাহে-লাহে গম পালো শিৱসাগৰৰ সেই মাটিটুকুৰাত স্কুলঘৰ সাজিবৰ যো-জা নকৰি প্ৰকাণ্ড হোটেল সজাৰহে প্লেন কৰিছে। কথাটো শুনিয়েই কিমান ফোন কৰিলো, কোনেও ফোনত প্ৰসন্ন দত্ত ঘৰত আছে বুলি নকয়। কিমান মানুহ পঠালো, তেওঁ ঘৰত নাই। অসমৰ বাহিৰত। মোৰ সকলো অনুসন্ধান অথলে গ'ল। মোক ফাকি দি প্ৰসন্ন দত্তই আৰু মুখ নেদেখুৱালে। এইবোৰ মানুহে ওৰফে, ওৰফে, ওৰফে কৰি তিনিটামান নাম লৈ-লৈ— আজিকালি যেনেকৈ কাম কৰি ফুৰে আমাৰ দৰে সাধাৰণ মানুহে এইবিলাক মাৰাত্মক ধূৰ্তালি কেনেকৈ বুজি পাম! এইক্ষেত্ৰত ভগৱানৰ বিচাৰলৈকে মই সকলো কথা থ'লো।

মোৰ জীৱনৰ এটা বিশেষ কৰ্ম অসম কলাক্ষেত্ৰৰ কথা অলপ উল্লেখ নকৰিলে আধৰুৱা হ'ব। অসম কলাক্ষেত্ৰ নামেৰে মই এটা প্ৰতিষ্ঠান কৰাৰ কথা নাছিলেই। মোৰ সকলো শক্তি 'সংগীত সত্ৰ'ৰ বিকাশতে আগবঢ়াইছিলো। এনেতে ১৯৮২ চনত

কলিকতাৰ ভাৰতীয় ভাষা পৰিষদৰ সেইসময়ৰ ডিৰেক্টৰ ড° প্ৰভাকৰ মাচুৱেৰপৰা মৌলৈ এখন চিঠি আহিল যে তেওঁবিলাকে দুৰাতি 'আছাম নাইট' কৰিব খুজিছে। কলিকতাতে ভাৰতীয় ভাষা পৰিষদৰ উদ্যোগত হ'ব। তাত থকা-খোৱাৰ সকলো খৰচ দিব। মাত্ৰ অহা-যোৱা খৰচটো অসম চৰকাৰৰপৰা লৈ যাব লাগে। আগদিনা অসমীয়া ভাষা-সাহিত্যৰ ছেমিনাৰ এখন হ'ব। ৰাতিলৈ হ'ব অসমৰ নৃত্য-গীতৰ প্ৰদৰ্শন। সময় দুইৰপৰা তিনিঘণ্টা। পাছদিনা ৰাতিও হ'ব। ড° মাচুৱেয়ে মোক বিভিন্ন স্থানৰ ছেমিনাৰত লগ পোৱা কাৰণে, মোক জানে কাৰণে মৌলৈকে লিখিলে। সংগীত সত্ৰৰ নাম নাজানে।

এই ছেগতে কলিকতাত অসমৰ এইহেন ঐতিহ্যমণ্ডিত শাস্ত্ৰীয় নৃত্য-গীত আৰু লোকনৃত্য-গীত প্ৰদৰ্শন কৰিব পাৰিম বুলি পৰম আনন্দিত হৈ যাব পাৰিম বুলি লিখিলো। কালচাৰেল এফেয়াৰ্ছৰ সেইসময়ৰ ডিৰেক্টৰক গৈ সবিশেষ জনাই দৰখাস্ত দিলো। পাছে ফাণ্ড নাই বুলি অসহযোগী মনোভাবেৰে তেওঁলোকে টকা নিদিলে। মই নিজে ট্ৰেইনত সকলোৰে কাৰণে অহা-যোৱা খৰচ দিলো— "যাব পাৰিম" বুলি কোৱা নিজৰ সন্মান ৰাখিবলৈকে। ভাবিলো অসমক প্ৰতিনিধিত্ব কৰিবলৈ ওলাইছোঁ যেতিয়া অহা-যোৱা টকাকেইটা চৰকাৰে ফাণ্ড হ'লে নিশ্চয় পাছত দিব। কিন্তু আজিকালি চিধা কথা, সঁচা কথা, সততাৰ ক'ত কিমান মূল্য আছে! টকা নিদিলে যি নিদিলেই।

মই সংগীত সত্ৰৰ প্ৰশিক্ষক ৰসেশ্বৰ শইকীয়াক মাতি আনি অসমৰ নাম ৰক্ষা কৰিবলৈ ওলাব লাগে বুলি দল এটা তৈয়াৰ কৰিবলৈ অনুৰোধ কৰিলো। সেইমতে আমাৰ ঘৰতে কেইবাদিনো ৰিহাৰ্ছেলো হ'ল। ৰসেশ্বৰ শইকীয়া কেৱল সংগীত সত্ৰৰে ল'ৰা-ছোৱালী নিয়াৰ পক্ষপাতী আছিল। সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱা ল'ৰা-ছোৱালী নিয়াৰ মই বিৰোধী আছিলো। যদি যাবই লাগে সৰ্বগুণসম্পন্ন, নিখুঁত দল এটা লৈ যাম। এনেকুৱা এটা দল দহজনেৰে গঠন কৰিব লাগিব, যি নাচিব, গীত গাব, ভাওনা কৰিব সকলো জানে— শাস্ত্ৰীয় আৰু লোকগীত-নৃত্য দুয়োটাতে। তাতে শইকীয়াই মতবিৰোধ হৈ যোৱাৰ আগদিনা নাযাওঁ বুলি ক'লে। এনেকুৱা শ'লঠেকত পৰিম বুলি কল্পনাও কৰা নাছিলো। সংকটত মোক কিহবাই শক্তি দিয়ে। মই আৰু সত্ৰীয়া নৃত্যবিশাৰদ গোবিন্দ শইকীয়াই লগ লাগি ৰাতি ন বাজি যোৱাত কম্বাচল পাহাৰ বগাই শিল্পী বিচাৰি যাব লগা হ'ল। কাৰণ ৰসেশ্বৰ শইকীয়া নাযাওঁ বোলাত তেখেতৰ ছাত্ৰী দুগৰাকীমানো নোযোৱা হ'ল। মই লগত যাম বুলি জানি অন্য অভিভাৱকে ল'ৰা-ছোৱালীবোৰ নিবলৈ দিলে। আমি কলিকতাত গৈ মহাৰাস, বিহু, দশাৱতাৰ নৃত্য, চালি নৃত্য, ঝুমুৰা নৃত্য, দেওধনী নাচ, দেৱদাসী নাচ, বিয়ানাম, বৰগীত, গোসাঁইনাম, আইনাম— এইকেইটা 'আইটেম' সৰ্বাংগ সুন্দৰ কৰি প্ৰদৰ্শন কৰিলত কলিকতা

বিশ্ববিদ্যালয়, ৰবীন্দ্ৰ ভাৰতী, শান্তিনিকেতন প্ৰমুখ্যে প্ৰতিষ্ঠানৰ উপাচাৰ্যসকল আৰু কলিকতাৰ বিশিষ্ট কাকতৰ প্ৰতিনিধিসকলে এনেকুৱা প্ৰশংসা আৰু সন্মান প্ৰদৰ্শন কৰিলে যে আমি এনে এটা প্ৰতিষ্ঠান খোলাৰ প্ৰতিজ্ঞা কলিকতাতেই ল'লো। কলিকতাৰ উচ্চস্তৰৰ Elite সকলে অসমত যে এনে অপূৰ্ব কালচাৰ আছে জনাই নাছিল বোলে। ইয়াৰ আগেয়ে অসমৰ কালচাৰ ময়দানতহে সৰ্বসাধাৰণৰ আগত প্ৰদৰ্শন কৰা হৈছিল— প্ৰদৰ্শনীৰ লগত। কোৱা শুনিলো।

এই অভাৱনীয় কৃতকাৰ্যতাত মোৰ মন ভৰি উঠিল। এটা কাম সফল হ'লে আন এটা কৰিবলৈ উৎসাহ জন্মে। কোনোবাই জানিব খুজিলে, কোনোবাই চাব খুজিলে লগে-লগে দেখুৱাব পৰাকৈ, শুনাব পৰাকৈ এই অপূৰ্ব লোকগীত-নৃত্য, শাস্ত্ৰীয় গীত-নৃত্যৰ পাৰদৰ্শীসকলক অন্ততঃ কিছু থূপ খুৱাব নোৱাৰিনে ? তেওঁবিলাকে ইচ্ছুকসকলক প্ৰশিক্ষণো দিব। এইদৰেই এইবোৰৰ উদ্ধাৰ, প্ৰচাৰ হ'ব। সংৰক্ষণৰ কাৰণেও ডকুমেণ্টেৰি কৰা, ৰেকৰ্ড কৰা, কিতাপত লিখি যোৱাৰো ব্যৱস্থা কৰিব লাগিব। এনে প্ৰতিষ্ঠান এটা নিজে আৰম্ভ নকৰোঁ কিয় ? 'সংগীত সত্ৰ'ততো সত্ৰীয়া গীত-নৃত্যৰহে চৰ্চা, প্ৰশিক্ষণ হয়। সেয়েহে এই নতুন প্ৰতিষ্ঠানটোৰ লগত সঙ্গীত সত্ৰৰ একো প্ৰতিদ্বন্দ্বিতা নহ'ব।

মোৰ মনত চাঁত কৰে এই কথা খেলালে। যেই 'আইডিয়া' একোটা মনলৈ আহে আৰু ৰক্ষা নাই। হাতে-কামে কৰিবই লাগিব।

কলিকতাৰপৰা আহিয়েই শ্ৰীগোবিন্দ শইকীয়া, শ্ৰীমতী কল্পনা বেজবৰুৱাক (তেওঁ চেতাৰ শিল্পী আৰু ভাৰতীয় সংগীতৰ যথেষ্ট কথা জানে) লগত আলোচনা এটা কৰি ড° অঞ্জলি বৰঠাকুৰক (এওঁ ফিজিক্ছৰ ডক্টৰেট যদিও কলা-সংগীতৰ বৰ অনুৰাগী, বৰ দৃঢ়মনা, বৰ সাহসী ছোৱালী) সম্পাদিকাৰূপে লৈ মই নিজে প্ৰতিষ্ঠাত্ৰী সভানেত্ৰীৰূপে (স্থায়ী) থাকি, আৰু দহগৰাকীমান সদস্যৰে সৈতে 'অসম কলাক্ষেত্ৰ' এই নাম দি ১৯৮২ চনতে এই প্ৰতিষ্ঠানটো ৰেজিষ্টাৰ কৰিলো। মই জনাত অসমত তেতিয়ালৈকে এনে কোনো প্ৰতিষ্ঠান এই নামেৰে, এই উদ্দেশ্যেৰে হোৱা নাছিল।

আমাৰ মাটিও নাই, ঘৰো নাই। আছে আকাশজোৰা সৎ উদ্দেশ্য। আমি অসম কলাক্ষেত্ৰৰদ্বাৰা প্ৰথমে বিভিন্ন প্ৰতিযোগিতাবোৰ পাতিবলৈ ধৰিলো। নহ'লে সৰ্বোত্তম শিল্পীসকলৰ সন্ধান পোৱা নাযায়। মোৰ নিজা উপাৰ্জনৰ সৰ্বস্ব ইয়াতে ব্যয় কৰিবলৈ ধৰিলো। জীয়াই থাকিবৰ কাৰণে চাবলৈ গ'লে মানুহকনো কিমান টকা লাগে ? মোৰ একো বিলাসিতাও নাই। দেউতা থাকোঁতেই ১৯৬৭ চনতে নতুন এম্বেছেডৰ গাড়ী এখন মোক উপহাৰ দিছিল যদিও মই চিটিবাছ, ৰিক্সাতেই সাউৎকৈ ওলাই যাওঁ। ঘৰখনৰ বাকী কামবোৰৰ কাৰণেই গাড়ীখন থাকে। ফুৰিবলৈ গ'লেহে মোৰ গাড়ীত উঠাৰ সময় হয়। কামত ৰিক্সা, বাছেই ভাল। নহ'লে ড্ৰাইভাৰৰ খৰচ, পেট্ৰলৰ খৰচে

ম'হতকৈ শিং চৰা হয়। সামাজিক কামত ব্যয় কৰাতহে মোৰ উপাৰ্জন উচৰ্গিত হৈছিল।

অসম কলাক্ষেত্ৰৰ সদৌ অসম প্ৰতিযোগিতাৰ ষ্টেণ্ডাৰ্ড আৰু সুদক্ষ পৰিচালনাৰ কথা আটাইৰে মুখে-মুখে হ'ল। উজনি-নামনি জুৰি সিঁচৰতি হৈ থকা এই লোকগীত-নৃত্যবোৰৰ বিষয়ে অসমৰ প্ৰাচীন পৰম্পৰাগত সংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে আমি প্ৰতিবছৰে এবাৰ বা দুবাৰকৈ ডাঙৰ আলোচনা-চক্ৰ পাতিছিলো। সেই আলোচনা চক্ৰবোৰত শ্ৰদ্ধেয় ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° নবীন শৰ্মা, সত্যপ্ৰসাদ বৰুৱা, কৃষ্ণমূৰ্তি হাজৰিকা, ড° পৱন বৰদলৈ, ড° নগেন শইকীয়া, দ্ৰোণকান্ত ভাগৱতী, ড° বীৰেন্দ্ৰ নাথ দত্ত প্ৰমুখ্যে অতি গুণী-জ্ঞানী ব্যক্তিসকলক মাতি আনি তেখেতসকলৰ মুখৰপৰা অসমৰ এনে বিষয়ৰ ঐতিহ্য আৰু বৈশিষ্ট্যৰ বিষয়ে আটাইকে জ্ঞাত কৰাইছিলো। উজনি অসমৰ লোকগীতৰ অতি প্ৰখ্যাত শিল্পী প্ৰয়াত কলামণি সন্দিকৈদেৱক মাতি আনি গুৱাহাটীত তিনিমাহ ৰাখি, নামঘৰে-নামঘৰে নতুন শিক্ষাৰ্থীসকলক, বিশেষকৈ পুৰুষক 'দিহানাম'ৰ প্ৰশিক্ষণ দিয়া হৈছিল। এইক্ষেত্ৰত ড° অঞ্জলি বৰঠাকুৰৰ উৎসাহ আৰু পৰিশ্ৰমৰ কথা চিৰস্মৰণীয়। আমি কলামণি সন্দিকৈক সন্মানিত মাননি আগবঢ়াইছিলো। প্ৰতিযোগিতাবোৰ ঘাইকৈ বিয়ানাম, গোসাঁইনাম, আইনাম, টোকাৰী গীত, গোৱালপৰীয়া গীত, কামৰূপৰ উৎসৱ-পৰ্বৰ লগত জড়িত লোকগীত, অপেছৰা সবাহৰ গীত, নিচুকনি গীত, জিকিৰ গীত, দিহানাম আদি এনে নামৰো সদৌ অসম ভিত্তিত পতা হৈছিল। বিচাৰকসকল আছিল নৃত্যশিল্পী, সংস্কৃতিসাধক প্ৰদীপ চলিহা, সুগায়িকা মীনা চক্ৰৱৰ্তী, শিল্পী অণিমা বৰঠাকুৰ, ড° কৃষ্ণকান্ত সন্দিকৈ প্ৰমুখ্যে গুণী শিল্পীসকল। মই নিজেও বিচাৰকৰ আসনত সদায় বহিব লগা হৈছিল। সুৰ আৰু পৰিবেশনৰ বিশুদ্ধতাৰ প্ৰতি মই বৰ সজাগ।

বৰ্তমান গুৱাহাটীত প্ৰতিষ্ঠিত শংকৰদেৱ কলাক্ষেত্ৰতকৈ 'অসম কলাক্ষেত্ৰ' বহুত আগতেই প্ৰতিষ্ঠিত হৈছিল। অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াক এনে এখন কলাক্ষেত্ৰ স্থাপনৰ বীজমন্ত্ৰ দিয়াৰ গৌৰৱো মই কৰিব পাৰোঁ। শংকৰী গৱেষণাৰ ওপৰত গুৰুত্ব দি ৰিছাৰ্চ উইং এটা স্থাপনৰ কথা সদায় কৈছিলো আৰু তেখেতেও "এই ৰিছাৰ্চ উইঙৰ ভাৰ আপুনি ল'ব লাগিব" বুলি সদায় গুৰুত্বসহকাৰে কৈছিল।

সাংস্কৃতিক বিভাগৰ মন্ত্ৰী তেখেতেই হোৱাত তেখেতক আমাৰ কলাক্ষেত্ৰৰ বাৰ্ষিক উৎসৱ চাবলৈ নিমন্ত্ৰণ কৰিলো। চৰকাৰৰ এপইচাও সহায় নোলোৱাকৈ বেচৰকাৰী এই প্ৰতিষ্ঠানটোৱে সদৌ অসম ভিত্তিত, এশ চাৰিটা দলে যোগ দি মহোৎসৱলৈ পৰিণত কৰা তিনিদিনীয়াকৈ পতা সাংস্কৃতিক কৰ্মবোৰ দেখি পৰম সন্তোষিত হ'ল আৰু আনন্দেৰে দুই লাখ টকা অসম কলাক্ষেত্ৰৰ গৃহ নিৰ্মাণৰ কাৰণে অনুদান আগবঢ়ালে।

১৯৯০ চনৰ আৰম্ভণিতেই হ'ব পায় ঘৰুৱা বহুত জঞ্জালৰ কাৰণে, বি. টি. কলেজৰ অধ্যাপিকা হৈ থকা অঞ্জলিয়ে কিছুদিনৰ কাৰণে সম্পাদিকা পদৰপৰা অব্যাহতি বিচৰাত বৰ চিন্তিত পৰিলো। অঞ্জলিয়ে ৰাতি দহ, এঘাৰ বজাতো নিজে গাড়ী চলাই শিল্পীসকলক ঘৰে-ঘৰে থৈ আহিবগৈ পাৰে। কোনো কামলৈকে লাজ কৰি, পিছ হুঁহকি যোৱা ছোৱালী অঞ্জলি নহয়। তেওঁৰ দিনতে 'স্তুতি' নামৰ গোসাঁই-গোসাঁনীৰ উজনিত প্ৰচলিত অপূৰ্ব নামখিনিৰ কেছেট এটা আমি কৰি বৰ প্ৰশংসিত হৈছিলো।

অঞ্জলিৰ ঠাইত এতিয়া কাক লোৱা যায়। ভাবি-চিন্তি থাকোঁতেই আমাৰ শিৱসাগৰৰে ফুকন নগৰৰ জীয়াৰী (পিতৃ প্ৰয়াত গিৰীন দত্ত) শেৱালি দত্ত আমাৰ ঘৰলৈ আহিল। তেওঁৰ ঘৰ নাৰিকলবাৰীতে। স্বামী প্ৰবীণ দত্ত। তেওঁৰ মাতৃ প্ৰয়াত হেমলতা দত্তই শিকোৱা উজনি অসমৰ অপূৰ্ব বিয়ানামবোৰৰ 'কন্যাদান' নামৰ কেছেট এটা অলপ দিনৰ আগতে উলিয়াই মোলৈ লৈ আহিছিল। কেছেটটো শুনি শেৱালিৰ লগত কথা-বতৰা পাতি তেওঁৰ সাংস্কৃতিক মন এটাৰ নিদৰ্শন পাই শেৱালিক যেন হঠাতেই আৱিষ্কাৰ কৰিলো আৰু মোৰ কলাক্ষেত্ৰখনৰ সম্পাদিকাৰ ভাৰ ল'ব পাৰিব বুলি অনুভৱ কৰিলো। সেইমতে সভা এখন পাতি তেওঁক সম্পাদিকা পতা হ'ল।

আমাৰ হাতত একো টকা-পইচা নাথাকিলেও মনত থাকে অফুৰন্ত উৎসাহ। আমাৰ সাংস্কৃতিক প্ৰতিযোগিতা পতা এমাহ-দুমাহ দেৰি হ'লেই প্ৰতিযোগিতাত যোগ দিবলৈ মানুহবোৰ অধীৰ হয়। গুৱাহাটীৰ ওচৰ-পাঁজৰৰ গাঁওবোৰৰ উপৰিও দুলীয়াজান, নাহৰকটীয়া, নগাঁও, মঙলদৈ, জাঁজী, জাগীৰোড, সোণাপুৰ, বৰপেটা, গৌৰীপুৰ ইত্যাদি নানা ঠাইৰ অসংখ্য দলে-দলে অহা প্ৰতিযোগীৰে হল নধৰা হৈছিল। পুৱাৰেপৰা ৰাতিলৈকে প্ৰতিযোগিতাৰ কাৰণে অপেক্ষা কৰি থকা দলবোৰক আমি একো আপ্যায়ন কৰিবও নোৱাৰোঁ। ভগবানলৈ আগবঢ়োৱা শৰাইৰ মাহ-প্ৰসাদ এমুঠিহে পানী এগিলাচেৰে আগবঢ়াব পাৰোঁ। তাতে তেওঁবিলাক পৰম সন্তুষ্ট হৈ আমাক ধন্য কৰে।

অসম কলাক্ষেত্ৰৰ ঘনিষ্ঠ কৰ্মীসকল হ'ল সৰ্বশ্ৰী লক্ষহীৰা চৌধুৰী, গোবিন্দ শইকীয়া, অণিমা হাতীকাকতি, দীপা গোস্বামী, অঞ্জলি মহন্ত ৰায়চৌধুৰী, মিনু বণিয়া, অণিমা বৰঠাকুৰ, মীনা চক্ৰৱৰ্তী, মাণিক বৰঠাকুৰ, উত্তম নাথ আদি ব্যক্তিসকল। সংগীত সত্ৰৰ সম্পাদক, ইষ্টাৰ্ণ অফ্‌ছেট প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী শ্ৰীপ্ৰদীপ বৰদলৈৰ অকুণ্ঠ সহযোগে অসম কলাক্ষেত্ৰক বহুত ধন্য কৰিছে। আমাৰ জোঁৱাই ব্ৰজেন ভট্টাচাৰ্যই কোষাধ্যক্ষৰূপে অশেষ সহায় কৰিছে। ড° স্বপ্নাৰ সহায়-সহযোগ সদায় উল্লেখনীয়। শ্ৰীমতী চিন্তা শৰ্মা, নিৰ্মালি শৰ্মাৰ নামো স্মৰণীয়।

আমি কলাক্ষেত্ৰৰ সাংস্কৃতিক সন্ধিয়াৰ মঞ্চও বৈশিষ্ট্যপূৰ্ণভাৱে সজাওঁ। ফুলকটা হেঙুল-হাইতাল বোলোৱা ফুলাম তামুলীপীৰাৰ ওপৰত ওখ পঞ্চপ্ৰদীপ জ্বলাই, কাষত

আমপাত দিয়া পানী তোলা ঘট, দুণৰি আদি সজাই, খোল-তাল-শংখ বাদ্য কৰি আমি শুভাৰম্ভ কৰোঁ। আমি যিবোৰ পুৰস্কাৰ দিওঁ সেইবোৰো প্ৰতিযোগিতাবোৰৰ লগত খাপ খোৱা।

অসমৰ লোকশিল্পৰ সুন্দৰ উদাহৰণ আমাৰ বানকাঁহী, বানবাটি, পানধোৱা, বহুমুখী পিতলৰ গছা, ফুলাম কাঁহী, বটা,— এই বস্তুবোৰ আমি বিভিন্ন প্ৰতিযোগিতাৰ পুৰস্কাৰৰূপে আগবঢ়াই আহিছোঁ। পুৰস্কাৰ কি দিম এই বিষয়ে চিন্তা কৰোঁতে শেৱালিয়েই আগ-ভাগ লৈ এইবোৰ বিচাৰি আনিছিল।

অসম কলাক্ষেত্ৰৰ যোগেদি 'অসমৰ স্ত্ৰী আচাৰ' সম্পৰ্কীয় বিভিন্ন প্ৰদৰ্শন আৰু প্ৰতিযোগিতা বৰ উপভোগ্য হয়। ষ্টেজৰ ওপৰতে জোৰোণ দিয়াৰ সকলো নিয়ম, কলপুলি পোতা বেইৰ তলত, নামে-গুণে পানী তুলি আনি উৰুলি-বাৰলিৰে কইনা বা দৰাক ধুউৱাৰ প্ৰদৰ্শন, মূৰত চাউল দিয়া, আমসাৰ, চাকিসাৰ দিয়া, হোমৰ গুৰিত হোম জ্বলাই গোৱা নাম, আঙঠি সলোৱা কত যে কি। এইবোৰ ক্ৰমান্বয়ে চহৰবোৰত লুপ্ত হৈ অহা কাৰণে পৰম্পৰাগত সৌন্দৰ্যবোৰ দেখি মানুহে বৰ আমোদ পায়। তেনেকৈয়ে নোৱাই-তোলনি বিয়াৰ নিয়ম-কাৰণ, বিয়াত 'যাত্ৰা সান্দহ' খুন্দাৰ নিয়ম আৰু তাৰ লগত গোৱা গীত-মাত, অপেছৰী সবাহৰ গীত-মাতৰ প্ৰদৰ্শন বৰ উপভোগ্য হয়। যাত্ৰা-সান্দহ খুন্দোতে ষ্টেজৰ ওপৰত ঢেঁকীশাল পাতি ঢেঁকী দিয়াও হয়। এনেকুৱা আৰু বহুত অনুষ্ঠান হয়। সন্তানক প্ৰথম সূৰ্য দেখুউৱা নিয়মবোৰো প্ৰদৰ্শন কৰি প্ৰতিযোগিতা পতা হয়। অতি স্বাভাৱিকভাৱে সকলোবোৰ কৰি দেখুৱাব পৰা আমাৰ অপূৰ্ব লোকশিল্পীসকল আছে।

বছৰটোৰ জাৰকালি আমি এনে প্ৰতিযোগিতাবোৰ পাতোঁ। গৰমৰ বন্ধৰ সময়ত জহকালি পাতোঁ ল'ৰা-ছোৱালীৰ আবৃত্তি প্ৰতিযোগিতা। অসমৰ কবিসকলকো নতুন প্ৰজন্মই চিনি পাব লাগে, তেওঁবিলাকৰ সাহিত্যৰ কাষ চাপি যাব লাগে। দ্বিতীয়তে, আবৃত্তিৰদ্বাৰা শুদ্ধ উচ্চাৰণৰ, শুদ্ধ শব্দ প্ৰক্ষেপণৰ চৰ্চা হয়। এই চৰ্চা বৰ প্ৰয়োজনীয়। আবৃত্তিৰ বিচাৰকৰূপে শ্ৰীঅৰুণ শৰ্মা, শ্ৰীঈশান বৰুৱা, শ্ৰীযুতা প্ৰীতি বৰুৱা, শ্ৰীমতী মঞ্জুমালা দাসৰ নাম উল্লেখ কৰিব পাৰি।

আবৃত্তিৰ লগতে আমি সাধু কোৱা প্ৰতিযোগিতাও ককা-আইতাৰ কাৰণে পাতোঁ। সাধুকথা কোৱাৰ এটা সুন্দৰ আৰ্ট আছে। পৰম্পৰাগত ষ্টাইলেৰে, শুদ্ধ অসমীয়া ভাষাৰে আমাৰ প্ৰচলিত সাধু ক'ব লাগিব। এই প্ৰতিযোগিতাও বৰ সুন্দৰ হয়। এই প্ৰতিযোগিতাৰ বিচাৰক শ্ৰীইন্দ্ৰ বণিয়া, শ্ৰীনীলু চক্ৰৱৰ্তী, শ্ৰীচেতনা দাস আদি থাকে।

আমি অসম কলাক্ষেত্ৰৰপৰা 'সাধু সাধু সাধু' নামৰ কেছেট এটি শিশুৰ কাৰণে কৰিছিলো। কেছেটটো ইমান জনপ্ৰিয় হৈছিল যে ক'বলৈ ভাষা নাই। আমি এনে

সাধুৰ আৰু কেছেট কৰিব লাগিব। আমাক সময়ে-সময়ে আৰ্থিক সাহায্যৰ হাত আগবঢ়াইছে চাহ উদ্যোগী শ্ৰীজয়ন্ত বৰুৱা, শ্ৰীবিনোদ শৰ্মা, শ্ৰীৰমেশ পাচাৰী আৰু আমেৰিকাৰ দুই-চাৰিজন গুণগ্ৰাহী সদাশয় লোকে। তেখেতসকললৈ আমি হিয়াভৰা কৃতজ্ঞতা জনালো।

অসম কলাক্ষেত্ৰৰ কাৰণে সুবিধাজনক ঠাইত অকণ মাটি আমি বহুত চেষ্টা কৰিও পোৱা নাই। কোনোবা সদাশয় লোকে মাটি অকণ দান দিলে আমাৰ বহুত আঁচনি ৰূপায়িত হ'ব। চৰকাৰ বৰ নিস্পৃহ। আন নালাগে বিয়ানামখিনি সংৰক্ষণ কৰিবলৈকে সংগীত-নাটক একাডেমিয়ে ব্যৱস্থা ল'বলৈ ইমান ডাঙৰ প্ৰজেক্ট দিয়া আজি পাঁচ বছৰ হ'বৰ হ'ল, নাই কাৰো নোম এডালেই নলৰে। প্ৰত্যেকেই ক্ষুদ্ৰ 'মই'টোক লৈ ব্যস্ত। মুখৰ কথা আৰু কাম একে বস্তু নহয়।

সোঁৱে-বাঁৱে, আগে-পিছে যুঁজোঁতে-যুঁজোঁতেই মোৰ জীৱনৰ যেন আধাতকৈ সৰহ সময়-শক্তি নষ্ট হ'ল এনে লাগে। সুকলমে কামবোৰ হৈ থাকিলে আৰু কিমান কাম কৰিব পাৰিলোহেঁতেন। চানমাৰিৰ ঘৰত থাকোঁতে পাছৰ দহ বছৰমান বৰষুণৰ পানীয়ে সৃষ্টি কৰা বাঁনপানীৰ লগতেই কমনো যুদ্ধ কৰিব লগা হ'লনে? প্ৰেছটোত পানী সোমাই সংসাৰৰ বস্তু নষ্ট কৰে। কাগজৰ গুদাম ধ্বংস হয়, প্ৰিণ্টেড মেটাৰ নষ্ট হয়। থকা ঘৰৰ ভিতৰত পানী সোমাই কিতাপ-পত্ৰ, এলবাম পানীয়ে উটুৱাই নিয়ে। এবাৰ যে ডিভানত থোৱা পিন্ধা গৰম কাপোৰ (ছুৱেটাৰ, ৰেপাৰ, মাফলাৰ, ৰাগ) সমস্ত শেষ কৰিলে। সেইবোৰ আছিল ৰাস্তাৰপৰা অহা বোকাপানী। পানী শুকাই গ'লে লেউ-লেউ বোকা। আমি ১৯৮৬ চনত চানমাৰিৰপৰা গীতানগৰৰ এই ঘৰটোলৈ আহিহে ৰক্ষা। প্ৰেছটোও মুনুৱে (এইটো তাৰ ভাগত পৰিল) চানমাৰিৰপৰা আনি ৰাধাগোবিন্দ বৰুৱা পথ পোৱালেহি। সি ইতিমধ্যে নাৰিকলবাৰীত নিজা ঘৰ-দুৱাৰো সাজিলে। আমাৰো চানমাৰিৰ ঘৰটো ভাঙি ওখকৈ লজ কৰা হ'ল। নাম থোৱা হ'ল 'ডি মুক্তা'।

গুৱাহাটীত যে আজিলৈকে পানীৰ সমস্যা শেষ নহ'ল। ভৰলু নৈ ভালকৈ দকৈ খন্দা নহ'ল। নলাবোৰ আধা খন্দাতে ৰ'ল। পাহাৰৰ মাটি কটা বন্ধ নহ'ল। বৰষুণ হ'লেই তেনে পাহাৰৰ মাটি উটি আহি বাট-পথ একাঁঠু কৰে।

১৯৯৩ চনত মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপিকা পদত থাকোঁতেই মোৰ অৱসৰৰ সময় আহিল আৰু মই অৱসৰ গ্ৰহণ কৰিলো। কোনো extension মই ল'ব নুখুজিলো।

১৯৯৪ চনত অসম চৰকাৰৰ ফালৰপৰা মোক সাহিত্যিক পেঞ্চন দি জানিবা সন্মান এটা যাচিলে। ঔষধ-পাতিৰ, বিশেষকৈ ইনছুলিন আদিৰ জুই-ছাই দাম হোৱাৰ্লৈ চাই

এই পেঞ্চনৰ টকা তেনেই সামান্য বুলিয়েই ভাবোঁ। তাতে আমাৰ দিনত বিশ্ববিদ্যালয়ৰ শিক্ষকবো কোনো পেঞ্চন নাছিল। ফাগু নোহোৱাৰ অজুহাতত গ্ৰেচুইটিৰ টকাও পাওঁতে কিমান বছৰ যে লাগিল।

তেতিয়া ১৯৯৫ চন। ডিচেম্বৰ মাহৰ ২৮ তাৰিখ। মোক সম্বৰ্ধনা জনাবলৈ সাহিত্য একাডেমিৰ (কলকাতাৰ) কনফাৰেঞ্চ ৰুম লোকে লোকাৰণ্য হৈছিল। বেছিভাগেই কলকাতাৰ বাঙালী Elite। সাহিত্য একাডেমিৰ (দিল্লীৰ) পৰাও কেইবাজনো লেখক পণ্ডিত আৰু সমালোচক আহিছিল। সাহিত্য একাডেমিৰ তেতিয়াৰ ৰিজিঅ'নেল ছেক্ৰেটেৰি শ্ৰীনিৰ্মলকান্তি ভট্টাচাৰ্যই দিল্লীৰ নিৰ্দেশত কলকাতাত এই 'Meet the Authors' অনুষ্ঠানটোৰ আয়োজন কৰিছিল। নিৰ্মলকান্তিৰ নিচিনা অতি মাৰ্জিত, অমায়িক, সুৰুচিসম্পন্ন ইংৰাজী অধ্যাপক কমেইহে পাইছোঁ। কৰ্মদক্ষতাৰ কাৰণেই পাছত গৈ তেওঁ নেশ্যনেল বুক ট্ৰাষ্টৰ ডাইৰেক্টৰো হ'লগৈ।

এতিয়া তেওঁক Indian Literature (সাহিত্য একাডেমিৰ মুখপত্ৰ)ৰ সম্পাদকৰূপে নিযুক্তি দি তেওঁক মাতি আনি দিল্লীতে ৰাখিছে। তেওঁৰ দিনতে মই 'প্ৰাচী' নামৰ পূব মণ্ডলৰ (eastern region) সাহিত্য একাডেমিৰ ইংৰাজী আলোচনীখনৰ সম্পাদিকা হৈ আনন্দেৰে কেইবাটাও সংখ্যা উলিয়াইছিলো। দিল্লী সাহিত্য একাডেমিয়েই অৱশ্যে মোক নিৰ্বাচন কৰিছিল।

সেই Meet the Author-অত মই ইংৰাজী আৰু বাংলা দুয়োটা ভাষাতে (মিহলিকৈ) বক্তৃতা দিছিলো। Illustrationবোৰ দিছিলো অসমীয়া ভাষাত। তেওঁবিলাকৰ প্ৰশ্নবোৰ ইমান উচ্চখাপৰ আছিল যে উত্তৰ দি মোৰ বৰ ভাল লাগিছিল। ৰোমাঞ্চিত হৈছিলো।

সভাখন অন্ত হোৱাৰ পাছত সেই সভাৰে দৰ্শকৰ আসনৰপৰা উঠি আহি মোৰ লগত চিনাকি হৈছিল অতি প্ৰখ্যাত চাহ খেতিয়ক, উদ্যোগপতি, তেতিয়াৰ ভাৰতীয় চাহ সংস্থাৰ সভাপতি, অত্যন্ত অমায়িক শ্ৰীহেমেন্দ্ৰ প্ৰদাস বৰুৱা ডাঙৰীয়াই। আমি আগতে কেতিয়াও লগ পোৱা নাছিলো। তেখেতে অৱশ্যে ভূপেনদাৰ মুখে মোৰ কথা শুনি আছিল। তেখেত মোৰ বক্তৃতা শুনি বৰ আপ্লুত হৈছিল আৰু পাছদিনা তেখেতৰ কলকাতাৰ বাসভৱনলৈ মোক আৰু মোৰ নাতি সংকল্পক (মিকিক) ৰাতিৰ ডিনাৰৰ কাৰণে নিমন্ত্ৰণ জনাইছিল।

তাতে ছবিজগতৰ আঠ-দহগৰাকী ডিৰেক্টৰ আৰু সুখ্যাত চিত্ৰাভিনেত্ৰী দীনা পাঠককো লগ পাইছিলো। তাৰে ভিতৰৰ এজন বিশেষ পৰিচালকে মোৰ বিষয়ে ফিল্ম এখন কৰাৰো বিশেষ ইচ্ছা প্ৰকাশ কৰিলে। তেখেতে সৰ্বভাৰতৰ ছজন কবি নিৰ্বাচন কৰিছিল। তাৰে ভিতৰৰ এজন ৰূপে মইপৰিছিলো। এনে সৌভাগ্যৰ মূলতে হেমেনদাৰ আতিথ্য। হেমেনদা

এতিয়া ভূপেনদাৰ দৰেই মোৰ এজন শুভাকাংক্ষী বন্ধুৰূপে পৰিগণিত হৈছে।

কৰটিত সোণৰ ৰেখাৰ দৰে জিলিকি থকা একো-একোষাৰ বাক্য, একো-একোষাৰ লিপিবদ্ধ কথায়ো জীৱনক পূৰ্ণ কৰিছে। তেওঁবিলাকে সামান্য মোক অসামান্য কৰি তুলিছে—

আমাকে যা দিয়েছ দান
তাহাৰ তুলনা নাই—।

বহুতে মোক আজীৱন ঋণী কৰি মোৰ নামত বহুত উচৰ্গা কৰিছে। তাৰ ভিতৰত আছে কবিতা, তাৰ ভিতৰত আছে কিতাপ, তাৰ ভিতৰত আছে ভৱন, তাৰ ভিতৰত আছে অজস্ৰ উপহাৰ, তাৰ ভিতৰত আছে মোৰ নাম। মোক হতবাক কৰি শ্ৰীমান সূৰ্য বৰদলৈয়ে মোৰ নামত এটি ভৱন উচৰ্গা কৰিছে— তেতেলীয়াৰ ওচৰত, পাহাৰৰ ওপৰৰ সুদৃশ্য অতি মনোৰম স্থানত— পাব্লিক হল। মনত ভাব খেলায়,— মইনো ইয়াৰ যোগ্যনে?

মোক দিয়া শত-শত নামৰ তালিকাৰ মাত্ৰ কেইটামান উল্লেখ কৰি গ'লো। মোৰ প্ৰতি মানুহৰ ইম্প্ৰেছনবোৰ কেনেকুৱা প্ৰতিটো নামেই প্ৰকাশ কৰিব।

সৰুতেই সংগীত সাধক, এম. পি. প্ৰফুল্ল বৰুৱাদেৱে মোক 'বাঁহী' নামেৰে অভিহিত কৰিছিল। মোৰ গানৰ মাতটো বৰ মিঠা আছিল বুলি। একে অৰ্থতেই পোনা ককাইদেৱে নাম দিছিল 'সুললিতা'। সংগীত, চিত্ৰকলা আৰু সাহিত্য বিষয়ক তিনিটা বক্তৃতা দিবলৈ আমেৰিকালৈ প্ৰথমবাৰ ১৯৭৯ চনত যাওঁতে দেশ-বিদেশৰ সাহিত্যিক আৰু পণ্ডিতসকলে নাম দিলে 'ডাৰ্লিং ইণ্ডিয়া'।

চিৰপূজনীয় কথাশিল্পী ছৈয়দ আব্দুল মালিক ককাইটিয়ে কোন কেতিয়াতে মোৰ নামত 'শিল আৰু শিখা' নামৰ কিতাপ এখন উচৰ্গা কৰিছিল আৰু এখন চিঠিৰে সৈতে মোলৈ পঠাই দিছিল— তাত লিখিছিল "তোমাৰ নাম দিলো অন্তৰা— গীতৰ অন্তৰা— অন্তৰা মানে কি জানা নহয়? গীতৰ মূল কথাখিনি। তোমাৰ কবিতা মই নুবুজোঁ, কিন্তু তোমাক মই শ্ৰদ্ধা কৰোঁ। বহুত শ্ৰদ্ধা— তোমাৰ দৃঢ় মানসিকতাক।"

বীৰেনদা মানে জ্ঞানপীঠ বঁটা বিজয়ী ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই কৈছিল— "আপোনাক দেখিলে শেৱালিৰ সুৰভি পোৱা যেন লাগে। আপুনি বিনাদোষত শাপগ্ৰস্তা হৈ থকা অহল্যা।"

টমি দাদা (সত্যপ্ৰসাদ বৰুৱাই) সদায় কৈছিল— "তুমি চিৰ প্ৰফুল্লিতা ফৰকাল এক আকাশ। তোমাক দেখিলেই মনটো মুকলি-মুকলি লাগে। অনুভৱ হয় পৃথিৱীত ক'তো যেন দুখ নাই।" প্ৰসিদ্ধ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাদেৱে নাম দিছিল 'উৰ্বশী'। উৰ্বশী? মইতো নৃত্য পটীয়সী নহওঁ। তেন্তে কিয় এই নাম? তেখেতে কৈছিল—

"তুমি লুইতৰ বুকুত থকা উৰ্বশী। লুইতৰ কোনো ধলে তোমাক উটুৱাই নিব নোৱাৰে।"

এখুদ ককাইদেৱে (নৱকান্ত বৰুৱা) মাতিছিল 'নীলা' বুলি। — "এই আকাশৰ নীলাৰ দৰে। তোক চাবহে পাৰি, চুব নোৱাৰি।"

মাজে-মাজে তেখেতে আৰু কৈছিল— "তহঁত মাৰ-জীয়েৰ দুজনী অজন্তাৰ পেনেলৰপৰা যেন নামিহে আহিছ— একেবাৰে ভাস্কৰ্য।"

ভূপেনদাই (ভূপেন হাজৰিকাই) কৈছিল— "তুমি অনন্যা। তুমি সাধাৰণ নাৰী নোহোৱা।"

যোগেশদাই (যোগেশ দাসদেৱে) কয়— "তুমি আমাৰ আশ্ৰয়— মূল্যবোধৰ আশ্ৰয়— তুমি অচঞ্চলা সৰস্বতী।"

বৰ আচৰিত কথা— সদৌ অসম সংস্কৃত সমাজেও এই 'সৰস্বতী' উপাধিকে মান পত্ৰেৰে প্ৰদান কৰি মোক বিৰল সন্মানেৰে সন্মানিতা কৰিলে।

এতিয়া অৱসৰপ্ৰাপ্ত, মানৱ সম্পদ বিভাগৰ সচিব, আই. এ. এছ. বিষয়া কে. কে. খুল্লৰে (তেখেত এগৰাকী ডাঙৰ সাহিত্যিক) মোৰ নাম দিছিল 'নাইটিংগেল অব্ আছাম'।

এই শিৰোনামাৰে মোৰ কবিতাৰ ইংৰাজী প্ৰবন্ধ এটা তেখেতে লিখি বিখ্যাত আলোচনী এখনত (দিল্লীৰ) প্ৰকাশ কৰিছিল।

অতি সন্মানিত এই লোকসকলে নিষ্কাম, নিষ্কলুষ সহৃদয়তাৰে মোক অভিহিত কৰা নামবোৰে মোৰ প্ৰতি থকা ইম্প্ৰেছনকে সূচায়।

চানমাৰিৰ ঘৰত মই থাকোঁতে মোৰ ঘৰত বিভিন্ন দেশৰ পুতলাৰ যেন মেলাহে আছিল। পুতলা সংগ্ৰহ কৰি মই বৰ ভাল পাইছিলো। সেই পুতলাবোৰৰ লগতে জিকি-মিকিয়ে নানান কথা পাতিছিল। সিহঁতে সেইবোৰক সাধুকথাবোৰৰ কিছুমান চৰিত্ৰ বুলি ভাবিছিল। পুতলাবোৰ চাবলৈ আমাৰ ঘৰলৈ সৰু-সৰু ল'ৰা-ছোৱালী বহুত আহিছিল আৰু মোৰ নাম দিছিল 'পুতলা বাইদেউ'। ৰাতিও মাকবোৰক কয়— "পুতলা বাইদেউৰ ঘৰলৈ লৈ যোৱা, লৈ যোৱা।" সিহঁতৰ মৰমতে পুতলাবোৰৰ কাণ ছিগিল, হাত ছিগিল, মূৰ ছিগিল। ভাঙি-ছিঙি পাছত সিহঁতৰেই কি কান্দোন!

'পুতলা বাইদেউ' বোলোঁতে মনত পৰিছে— ৰাজু-বিজুহঁতেতো মোক 'প্ৰাৰ্থনা বাইদেউ' নাম দিছিল। ৰাজু, বিজু দুয়োজনী এসময়ৰ চিত্ৰাভিনেতা, জয়মতী ছবিৰ নায়ক ফনু বৰুৱা দদাইদেউৰ কন্যা। ৰাজু অৰ্থাৎ নৃত্যপটীয়সী শুভলক্ষ্মী বৰুৱা, বিশ্ববিখ্যাত সৰোদ বাদক শিল্পী আমজাদ আলি খান চাহাবৰ পত্নী। প্ৰাৰ্থনা সভাত মই প্ৰাৰ্থনা গীত লগাই দিওঁ কাৰণে মোৰেই নাম 'প্ৰাৰ্থনা বাইদেউ' হ'ল। কি যে মৰমলগা সেইবোৰ দিন! প্ৰাৰ্থনা, প্ৰেৰণাময়ী, জ্ঞান তপস্বিনী— কত যে নাম!

একো-একোটা নামৰ সুৰভিৰে মোক পুলকিত কৰাৰ কাৰণে বিনিময়ত দিবলৈ

পাৰ্থিৱ সম্পদ মোৰ একোৱেই নাই— অপাৰ্থিৱ অনুভূতিৰ বাহিৰে। আত্মিক এই সম্পৰ্কবোৰ লাভ কৰি মই অশেষ ধন্যা হৈছোঁ।

জীৱন এক জিজ্ঞাসা, এই জিজ্ঞাসাৰ শেষ নাই। জীৱন এক অনন্ত যাত্ৰাও— এই যাত্ৰাৰো শেষ নাই। গোটেই জীৱন জুৰি মই বিভিন্ন ৰহস্যৰ সন্ধান কৰিছোঁ। প্ৰতিটো ৰহস্যৰ স্থিতি আছে, প্ৰশ্ন আছে। উত্তৰ? উত্তৰ অৱশ্যেই আংশিক।

জীৱনত বহুতবাৰ ভয়ংকৰ বিভিন্ন সমস্যাৰ সন্মুখীন হৈছোঁ। শয্যাশায়ী দেউতাৰ অতি সংকটাপন্ন মৃত্যুবৎ অৱস্থাৰ মাজত আইজনীৰ বিয়াখন পাতিব লগা সময়খিনিত, তাইৰ যমজ সন্তান দুটা জন্ম হোৱাৰ সময়ত, পাৰিবাৰিক মাটি-বাৰী সম্পৰ্কীয় বিভিন্ন কঠিন সমস্যাত, মোৰ মামী ৰূপহীৰ কঠিন ৰোগৰ সময়ত, আইজনীৰ হেপেটিক ফিভাৰ হৈ যোৱা-থোৱা অৱস্থাত, ডাঙৰ ভাই সোণৰ এক অচিনাকি ব্যাধিৰ সময়ত সৰগ ভাগি মূৰত পৰা অৱস্থাত যি মহাশক্তিয়ে মোক হাত পাতি ধৰি ৰক্ষা কৰিছে, সেই বিষয়ে বৰ্ণনা দিবলৈ গ'লে মানুহে মোক 'ধৰ্মপ্ৰচাৰিকা' বুলিও ভাবি ল'ব পাৰে। এয়া মোৰ ব্যক্তিগত জীৱনত ব্যক্তিগত সত্য অভিজ্ঞতাৰহে বৰ্ণনা— মোৰ সত্য অন্বেষণৰহে কাহিনী।

অন্বেষণ কেৱল অন্বেষণ
গছৰ পাত সৰে পাত ওলায়
পাত সৰে পাত ওলায়
পাত ওলায় পাত সৰে
পাত ওলায় পাত সৰে
এনেকৈয়ে মই গৈ থাকোঁ
গীৰ্জা মছজিদ মন্দিৰ নামঘৰৰ
তোৰণ পাৰ হৈ হৈ
মোৰ অবিৰত যাত্ৰা
অবিৰাম
পুৱাৰ ব্ৰহ্ম মুহূৰ্তত
প্ৰত্যক্ষ কৰোঁ ভুৱনেশ্বৰীক
মধ্যাহ্ন সূৰ্যত দৰ্শন পাওঁ
বিষ্ণুক
জীৱনৰ বিভিন্ন প্ৰহৰত
দেখা দিয়ে দশমহাবিদ্যাই
গীতাৰ বিশ্বৰূপ
সসীম, অসীম বিয়পি

মই ক'ত অনুভৱ কৰা নাই, মহত্ত্বম সেই শক্তি? সকলোতে, সকলোতে। মোৰ প্ৰতিটো নিশ্বাসত প্ৰতিটো কৰ্মত। মোৰ প্ৰাণশক্তি সেই শক্তিৰেই অস্তিত্ব।

এই যে ডিভাইন ডিছকনটেণ্টমেণ্ট (স্বৰ্গীয় অতৃপ্তি), এই যে ৰহস্যময় হিউমেন ৰিলেশ্যনশ্বিপ, এই যে সংজ্ঞাবিহীন মানসিক স্তৰবোৰ, এই যে পূৰ্বনিৰ্দিষ্ট ঘটনাবোৰ, দৈৱ সংযোগবোৰ, এইবোৰৰ অৰ্থ বিচাৰি মনে নিৰন্তৰ অহা-যোৱা কৰে মাটিৰপৰা আকাশলৈ, আকাশৰপৰা মাটিলৈ। কিবা এটা বিচাৰি ফুৰোঁ। অহৰহ কিবা এটাৰ অনুসন্ধানত থকাটো মোৰ এটা নিৰন্তৰ অভ্যাসত পৰিণত হৈছিল। তেতিয়া অৱশ্যেই জনা নাছিলো মই এক সত্যকে বিচাৰি ফুৰিছোঁ।

আকাশলৈ মূৰ তুলি চাওঁ— কিজানিবা কিবা দেখোঁ— পোহৰত, আন্ধাৰত, বিদ্যুতত। কাণ পাতোঁ মেঘৰ গৰ্জনত— কিজানিবা কিবা শুনো। বতাহৰ হো-হোৱনিত কিজানিবা কিবা শুনো। নদীৰ সোঁতত কিজানিবা কিবা দেখোঁ। কোন শব্দত মই কি বিচাৰোঁ? কোনেও নুশুনা হৃদয়ৰ শব্দত? আৰ্তনাদত? বলি দিয়া পশুৰ কাতৰ ক্ৰন্দনত? প্ৰণয়ৰ অফুট গুণগুণনিত? শাস্ত্ৰীয় গীতৰ আৰোহণৰ তুংগত?

কোনটো শব্দ? কোনটো শব্দই মোৰ অন্বেষণৰ পথত পোহৰ পেলাব? বিথ'ভেনৰ ছিম্ফনিত কি আছে ৰহস্যৰ সেই চমকনি? মুন লাইট ছনাটাত? কোনটো শ্লোক? পুৰাণৰ কোনটো কাহিনীত? বেদান্তৰ কোনটো উপলব্ধিত? মই এবাৰ হাত থওঁ বাইবেলত, এবাৰ হাত থওঁ কোৰানত, এবাৰ হাত থওঁ বৌদ্ধশাস্ত্ৰত। তন্ত্ৰশাস্ত্ৰৰ ভাইব্ৰেশ্যনত কি সত্য আছে?

মই কোন ৰূপত কাক প্ৰাৰ্থনা কৰোঁ? মাৰ মুখৰ কাকুতি ঘোষাৰ সুৰে মোৰ অন্তৰ বিগলিত কৰে। কৃষ্ণৰ ৰূপে মোক সন্মোহিত কৰে। ভাগৱতৰ বেদস্তুতিয়েই মোৰ শেষ প্ৰাৰ্থনানে? ইয়াতো সিপাৰৰ গূঢ়তত্ত্ব ক'ৰবাত আছে নে কি? তৃষ্ণাৰ বিশাল জোৱাৰে মোৰ বুকুত খুন্দিয়াই থাকে।

'পথেৰ দুধাৰে থকা দেৱালয়' তথা গণদেৱতাই মোৰ দেৱতা বুলি জনগণৰ শোকত, দুখত কাতৰ হৈ তেওঁবিলাকৰ চকুপানী মচাৰ অশেষ চেষ্টা কৰি তাতেই মোৰ তীৰ্থ বুলিও বাৰে-বাৰে অৱগাহন কৰোঁ। সত্যৰ স্বৰূপ চুব মই এতিয়াও পৰা নাই। শেষ সত্য ক'ত থাকে? ইপাৰত নে সিপাৰত? বাংময়তাত নে নিৰ্জনতাত? সত্যৰ ৰূপ কি? ই ৰূপ নে গন্ধ নে স্পৰ্শ? কি ইয়াৰ আকাৰ? ই জানো শূন্য? শূন্যৰো যে কিমান অৰ্থ।

সত্য কি, অসত্য কি, ধৰ্ম কি, অধৰ্ম কি, জন্ম কি, জন্মান্তৰ কি, মায়া কি, ব্ৰহ্ম কি, আত্মাৰ স্বৰূপ কি, পৰমাত্মাৰ স্থিতি কেনে— এই ৰহস্যবোৰৰ বিষয়ে মই সঠিক উত্তৰ ক'ত পাম?

সত্য মন্দিৰত নে নামঘৰত? গীৰ্জাত নে মছজিদত? কোনটো ধৰ্মসূত্ৰই নিশ্চিত

উত্তৰ দিব? মই কোৰান, বাইবেল, বেদ, পুৰাণ, ৰামায়ণ, মহাভাৰত একো বাদ নিদিয়াকৈ পঢ়িবলৈ আৰম্ভ কৰিলো। পঢ়িবলৈ আৰম্ভ কৰিলো তন্ত্ৰশাস্ত্ৰ। মানুহে অধ্যয়ন কৰোঁ বুলি দৃঢ়প্ৰতিজ্ঞ হ'লে সময়ৰ কোনো নাটনিয়েই বাধা হৈ থিয় হ'ব নোৱাৰে। অনন্ত তৃষ্ণাই হাৰ নামানে।

পাৰ্থিৱ ক্ষুদ্ৰ-ক্ষুদ্ৰ কৰ্মৰপৰা কাৰো ক'তো পৰিত্ৰাণ নাই। নিজ অন্ন নিজে উপাৰ্জন কৰাৰ উপৰিও বহুতৰ সামগ্ৰিক দায়িত্বৰ সকলোখিনি যেতিয়া বহন কৰিব লগা হয়, অশেষ শাৰীৰিক পৰিশ্ৰম হয়, মানসিক নিৰন্তৰ চাপত উৎকণ্ঠিত হৈ সৰ্বক্ষণ থাকিব লগা হয়, তেনে অৱস্থাত ক্লান্তি অহা নিতান্তই স্বাভাৱিক। কিন্তু মোৰ আত্মাৰ কোনগছ শিখা জ্বলিল, যি ক্লান্তিও মানি নল'লে?

"ৰূপ সাগৰে ডুব দিয়েছি অৰূপ ৰতন আশা কৰে"— ৰবি ঠাকুৰৰ এই কবিতাটো কি আশ্চৰ্যভাৱে অৰ্থময়!

পাৰ্থিৱ উপাধি Ph. D. ল'বৰ কাৰণে অতি বেছি অধ্যয়ন কৰিব লগা হৈছিল। What is Nature— মহা প্ৰকৃতিৰ সংজ্ঞা কি,— এই কথাটো জানিবৰ কাৰণেই Physics, Metaphysics বহুত অধ্যয়ন, Philosophy আৰু ধৰ্মশাস্ত্ৰবোৰৰো অনেক অধ্যয়ন কৰিব লগা হৈছিল। পোহৰবোৰে নিজে দেখা নিদিয়ে। আন্ধাৰৰ বক্ষ বিদাৰিব লগা হয়। তাতেই অপাৰ্থিৱ ছঁয়াময়া একোটা জিলিঙনি।

মাজে-মাজে মনত প্ৰায়ে প্ৰশ্ন জাগিছিল— আমি পূজা কৰোঁতে, পাঠ কৰোঁতে যিবোৰ মন্ত্ৰ উচ্চাৰণ কৰোঁ সেইবোৰ ক'লৈ যায়? নামৰ ধ্বনিবোৰেই বা যায় ক'লৈ? ক'ত বিলীন হয় এই ধ্বনিবোৰ? লাহে-লাহে বুজি উঠিলো যদি শুদ্ধ ৰূপত, তাল-মান-ছন্দ ৰক্ষা কৰি এইবোৰ উচ্চাৰণ কৰিব পৰা যায় এই sound energy-এ 'মিৰাকল' সাধন কৰিব পাৰে।

শব্দ একোটা বেলেগ শক্তিলৈ ৰূপান্তৰ হয়। ধ্বনি-শক্তিয়ে সৃষ্টি কৰা এটা সামান্য উদাহৰণ হ'ল— মেঘৰ ভয়ংকৰ গৰ্জনে মানুহৰ ঘৰৰ দুৱাৰ-খিৰিকীৰ আইনা ঝনজনাই তোলে, কেতিয়াবা আইনা ভাগি চুচুৰ্মৈও কৰে।

Energy, যেনে—sound, light, gravitation, magnetism ইত্যাদিবোৰ যেনেকৈ ধ্বংস নহয়, ৰূপান্তৰহে হয়, অবিনাশী বুলি কোৱা আত্মাও তেনে এক ৰূপান্তৰ হোৱা energyহে। নাম, ৰূপ সলাই-সলাই বিভিন্ন দেহ বা আকাৰ মাত্ৰ লয়। ধৰ্মৰ কথাবোৰ বৈজ্ঞানিক সত্যৰ ওপৰতে প্ৰতিষ্ঠিত।

উপনিষদত কৈছে,— অধ্যয়নেই তপস্যা আৰু তপস্যাৰ উত্তৰ হৈয়েই সত্যই দেখা দিয়ে। সত্য বৃহৎ আৰু এক। উপনিষদত আৰু কৈছে,— সত্যক জনাটোৱেই মানৱ জীৱনৰ লক্ষ্য আৰু ভূমাৰ স্পৃহাই এই উপলব্ধিৰ পথ। উপাসনাৰো অন্য নাম

হৈছে— আত্মতত্ত্বৰ অন্বেষণ। যি শিক্ষাই সত্য উপলব্ধি কৰায়, সেয়ে শিক্ষা। তৈত্তীৰিয় উপনিষদ, ছান্দোগ্য উপনিষদত কৈছে,— শিক্ষাৰ লক্ষ্য আৰু পৰম অৰ্থৰ কথা। কেৱল আক্ষৰিক জ্ঞানে পৰম তত্ত্বৰ উপলব্ধি নিদিয়ে।

তেন্তে 'অপৰা বিদ্যা'তে ক্ষান্ত থাকিম নে 'পৰা বিদ্যা'ৰ সাগৰত ডুব মাৰিম? ভূৰপৰা ভূমালৈ বোলা এটা বাক্য আছে। উপনিষদত ভূমাকে 'ব্ৰহ্ম' বুলি অভিহিত কৰিছে। সেই ভূমা কি? ব্ৰহ্ম কি?

ছান্দোগ্য উপনিষদত কৈছে,— যি অৱস্থাত অন্য কাকোৱেই দেখা নাযায়, অন্য একোৱেই শুনা নাযায়, অন্য একো নাজানে সেই অৱস্থাই ভূমা প্ৰাপ্তি অৱস্থা। ইয়াতেই অমৃতৰ স্থিতি। ভূমাৰ বিপৰীত হৈছে সসীম, অল্প, ই মৰণশীল। সেই ভূমা আত্মমহিমাত হয়তোবা প্ৰতিষ্ঠিত, নহ'লেবা ক'তোৱেই নাই। 'নাই' অথচ 'আছে'। উৰ্দ্ধত, অধঃত, আগত, পিছত, দক্ষিণত, উত্তৰত— সকলোতে ভূমা। সকলোতে আছে ব্যক্ত কৰিব নোৱৰা অবিনাশী অমৃত। যি অখণ্ড, অসীম। প্ৰাণেৰে সেই প্ৰাণক বিচাৰিব পাৰিব লাগিব।

প্ৰাণ! কি এক সৰ্বোচ্চ, সৰ্বোত্তম, অমোঘ শক্তি। ছান্দোগ্য উপনিষদৰ মতে ভগৱান সনত কুমাৰৰ ওচৰত নাৰদে ব্ৰহ্মজ্ঞান এইদৰে লাভ কৰিছিল— সকলোতকৈ শ্ৰেষ্ঠ কি? নাৰদে উত্তৰ দিছিল— "বাক"। পুনৰ সোধা হৈছিল,— বাকতকৈ কি শ্ৰেষ্ঠ? তেওঁ একাদিক্ৰমে উত্তৰ দিছিল— বাকতকৈ শ্ৰেষ্ঠ মন, মনতকৈ শ্ৰেষ্ঠ সংকল্প, সংকল্পতকৈ শ্ৰেষ্ঠ চিত্ত, চিত্ততকৈ ধ্যান, ধ্যানতকৈ বিজ্ঞান, বিজ্ঞানতকৈ বল, বলতকৈ অন্ন, অন্নতকৈ জল, জলতকৈ তেজ, তেজতকৈ আকাশ, আকাশতকৈ স্মৃতি, স্মৃতিতকৈ আশা, আশাতকৈ প্ৰাণ— প্ৰাণেই প্ৰাণক প্ৰাণদান-কৰে— তত্ত্বৰ কত যে তৰপ!

হে কৃষ্ণদেৱ মই আতুৰক
চৰণে কৰা উদ্ধাৰ
তিনি তাপময় সংসাৰ নিকাৰ
সহিতে নপাৰো আৰ।

জ্ঞানতত্ত্বতকৈ ভক্তিতত্ত্বৰ মাৰ্গে মোক বেছিকৈ আকৰ্ষণ কৰে। শৰণ ল'বলৈ, উদ্ধাৰ পাবলৈ কোনোবা এজন ঈশ্বৰ আছে। প্ৰাণে প্ৰাণ দান কৰাৰ দৰে হিন্দুধৰ্মৰ 'পজিটিভ' কথাবোৰে মোৰ প্ৰাণত চিৰদিন প্ৰাণ দি আহিছে। জ্ঞানে মোক পোহৰ দিয়ে, ভক্তিয়ে মোক আকুল কৰে। সেইকাৰণেইতো কওঁ,— আকুলতাৰ নামেই ভক্তি। জ্ঞান, কৰ্ম· আৰু ভক্তি তিনিওটাৰ মণিকাঞ্চন মিলন হ'লেহে হৃদিস্থিত আত্মাৰ উৎস পৰমাত্মাক তথা পৰম জ্যোতিক পোৱা যায়। এইবোৰ ব্যক্তিগত উপলব্ধিহে। নিজস্ব উপলব্ধি আটাইৰে বেলেগ-বেলেগ হয়। বলিৰ ক্ষেত্ৰতো তেনেকৈ মোৰ নিজা উপলব্ধি আছে। বলি মানে হ'ল আহাৰ। 'পিণ্ড' মানেও আহাৰ। মৃতকক দিয়া আহাৰক পিণ্ড বোলে।

পূৰ্বতে লোকসমাজৰ মাজত মাংস আহাৰ আৰু মাংসপ্ৰীতি আছিল কাৰণে ইয়াকে শ্ৰেষ্ঠতম আহাৰ বুলি গণ্য কৰি ভগৱতীৰ ওচৰত পশু বলি দিয়া হৈছিল। দিন যোৱাৰ লগে লগে মানুহে নানাবিধ সুস্বাদু মিষ্টান্ন প্ৰস্তুত কৰিবলৈ শিকিলে। তেনে সুস্বাদু, সুমিষ্ট দ্ৰব্যও নেদেখাজনৰ উদ্দেশ্যে মানুহে আগবঢ়োৱা হ'ল। পশুবলি চাবলৈ গ'লে বৰ নিষ্ঠুৰতম কথা। যিসকলে নিৰামিষ ভোজন কৰে, তেওঁবিলাকে পশুবলি পূজাত নিদিয়ে। তেন্তে তেওঁবিলাকৰ নৈবেদ্য ভগৱতীয়ে গ্ৰহণ নকৰে নে কি? তেওঁবিলাকক কৰুণা নকৰে নে কি? ভগৱতী ৰক্তলোলুপা বা তেওঁ ৰক্ত বিচৰাৰ শ্লোক ক'ত আছে? মই আজিলৈকে বিচাৰি পোৱা নাই। অৱশ্যেই এটা ডাঙৰ যুক্তি এয়ে যে মানুহে নিজৰ ভোগৰ কাৰণে প্ৰতিদিনে ছাগলী, মুৰ্গী, হাঁহ, পাৰ কাটিবই লাগিছে— ভোজ আৰু উৎসৱ আদিৰ কাৰণেও। যদি নিজৰ ভোগত মাংসভোজী হয়, মাংসৰ কাৰণে অহৰহ পশু-পক্ষী ধ্বংস কৰিব পাৰে, তেন্তে দেৱতাৰ নামতো তেনে কৰাত অস্বাভাৱিকতা ক'ত? মানুহ যেনেকৈ দেৱতাৰ সৃষ্টি, দেৱতাও মানুহৰে সৃষ্টি। মানুহে মানুহৰ ৰূপেৰে, মানুহৰ ধাৰণাৰেই 'ছুপাৰ পাৱাৰ'কো কিছুদূৰ গঢ় দিয়ে।

জীৱৰ মুৰে জীৱ (জীৱৰ সলনি জীৱ) দি দেৱীক তেজেৰে তুষ্ট কৰিব খোজা ভূত-প্ৰেতৰ বিশ্বাসেৰে বিধৌত কিছুমান আদিম ধৰ্মৰ প্ৰভাৱ শাক্ত ধৰ্মত ৰৈ গ'ল। সেইকাৰণে বলিপ্ৰথা এতিয়াও পূজাৰ লগত জড়িত হৈ থাকিল। মানুহৰ দৈনিক আহাৰত, উৎসৱ-পাৰ্বণত যেনেকৈ মাংস অবিচ্ছেদ্য অংগ হৈ পৰিছে, দেৱীপূজাতো তেনেকৈ বলিৰ সংখ্যা বাঢ়ি গৈছে। ধৰ্মবিশ্বাসত জীৱনেই প্ৰতিবিম্বিত হয়। মোৰ এনেকুৱা লাগে সাগৰৰ একাঁজলি ফেন হাতত ল'লে সৰু-বৰ অজস্ৰ বৃত্ত যি দেখা যায়, তেনে অজস্ৰ বৃত্ত যেন মোৰ মজ্জাৰ মাজত গঢ় লৈছে। একে সময়তে; একে সময়তে কিমান বৃত্তৰ ভিতৰত যে মই! এইবোৰ কেতিয়াবা পৰস্পৰ বিৰোধী, কেতিয়াবা পৰস্পৰ সংযোজক।

মহাশক্তিৰ অস্তিত্বও জানো এনেকুৱাই? চেতন-অৱচেতন দুয়োটা স্তৰত মোৰ মনে অবিৰত অন্বেষণ কৰিছে। মাটিত ভৰি দি থাকিলেও মই যেন মাটিত নাই। চিন্তা, কল্পনা, স্বপ্নত তেনে মই ভাহি ফুৰিছোঁ নে কি? সেয়াওতো সত্য নহয়। মই জাগতিকবিৰোধী শক্তিবোৰৰ লগত অহৰহ সংগ্ৰাম কৰি পৰিয়াল আৰু সমাজৰ কাৰণে যথাসাধ্য কৰ্তব্য কৰি আছোঁ। একোটা দিনতে কিমান ভূমিকাত যে অৱতীৰ্ণ হৈ থাকিব লাগে।

ইমান ফুলৰ সুবাসে মাতেহি
ইমান তৰাৰ গানে
বন্ধ ঘৰৰ সিপাৰত আঁকে
আলপনা ঘনে-ঘনে।।

আৱেগৰ তাড়নাতে হওক, অথবা মোক জুখি চাবলৈকে হওক কিমানে যে মোৰ দাপোণত নিজৰ মুখখন চাবলৈ বিচাৰিছিল। বন্ধ ঘৰৰ সিপাৰত অঁকা বিভিন্ন হাতৰ আলপনাবোৰ সঁচাকৈয়ে সুন্দৰ আছিল। নিজৰ আধ্যাত্মিক নৈতিকতাবোধ আছিল অৱশ্যেই তাতকৈ প্ৰখৰতৰ, উচ্চতৰ। দাৰ্শনিক-আধ্যাত্মিক চেতনাৰ প্ৰবাহ অহৰহ আছিল ৰক্তত। মই আছিলো যথেষ্ট ৰোমাণ্টিক। কিন্তু ৰোমাঞ্চে যুক্তিক উটুৱাই নিব নোৱাৰিছিল। কিবা এক 'চৈতন্য'ই মোক নিজ পথেৰে পৰিচালিত কৰে সদায়। এই ৰহস্যৰ মই উত্তৰ নাপাওঁ। মই অৱশ্যে সমগ্ৰ সত্তাৰেই উপলব্ধি কৰোঁ বুজিব নোৱৰা, মানে ব্যাখ্যা দিব নোৱৰা এই 'চৈতন্য'ক।

প্ৰেৰণা দিৱস

নভবা-নিচিন্তা কথাবোৰ আচম্বিতেই আৰম্ভ হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বেলতলা শাখাৰ সম্পাদিকা শ্ৰীমতী প্ৰতিমা বৰুৱাই এদিন আগবেলাতে আহি (১৯৯৮ চনৰ) জনালে যে তেওঁবিলাকে মোৰ জন্মদিন ২০ জুনটো প্ৰতিবছৰে পালন কৰাৰ স্থিৰ কৰি মোৰ অনুমতি বিচাৰি আহিছে। আৱেগত আৰু মৰমত মোৰ চকুপানী ওলাব খুজিলে। তেওঁবিলাকে ক'লে,— "এই দিনটো আমি 'প্ৰেৰণা দিৱস' ৰূপে পালন কৰিব খুজিছোঁ। কাৰণ আপোনাৰ জীৱন, আপোনাৰ সাহিত্যই আমাক কিমান যে প্ৰেৰণা দিয়ে আপুনি নাজানে। আপুনি আমাক বিমুখ নকৰিব।"

এই যে প্ৰেৰণা পাওঁ বাক্যটো উচ্চাৰণ কৰিলে, ইয়াতেই মই ধন্য হৈ গ'লো, মই 'অমৰ' হৈ গ'লো। মানুহৰ বুকুৰ মাজত ঠাই পোৱাতকৈ ডাঙৰ achievement আৰু কি আছে!

শ্ৰীমতী প্ৰতিমাক আগৰেপৰাই চিনি পাওঁ। সদৌ অসম লেখিকা সমাৰোহৰ বৰপেটা অধিবেশনতে আলোচনা-চক্ৰত তেওঁৰ সুন্দৰ ভাষণ শুনিছিলো। তেওঁ খানাপাৰা চেণ্ট্ৰেল স্কুলৰ এগৰাকী সুখ্যাত শিক্ষয়িত্ৰী। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাত্ৰী সভানেত্ৰী শ্ৰীমতী শীলা বৰঠাকুৰৰ সাংগঠনিক শক্তি দেখি মই বিমুগ্ধ।

মই তেওঁলোকৰ এই প্ৰস্তাৱটোৰ কথা ভাতৃপ্ৰতিম সুদক্ষ সংগঠক, অসম সাহিত্য সভাৰ সভাপতি, সাহিত্যিক ড° নগেন শইকীয়াক যোৰহাটত বহা এখন গুৰুত্বপূৰ্ণ অনুষ্ঠানত, ষ্টেজৰ ওপৰত বহি থাকোঁতে কৈছিলো আৰু সুধিছিলো তেওঁৰ মত কি? ড° শইকীয়াই কৈছিল,— "বাইদেউ, বৰ ভাল কথা। কেতিয়াও 'না' বুলি নক'ব। দিৱসটোৰ নাম 'শক্তি দিৱস' হ'লেহে বেছি খাপ খাব নে কি। আপুনিতো মূৰ্তিমতী শক্তি।"

ড° শীলা বৰঠাকুৰে কৈছিল, দিৱসটো বাইদেউৰ নামেৰে হওক— জ্যোতি দিৱসৰ দৰে। কিন্তু প্ৰেৰণামণ্ডিত বেলতলা শাখাই প্ৰেৰণা নামটো বেছি অন্তৰংগ, বেছি প্ৰেৰণাদায়ক হ'ব বুলি অনুভৱ কৰিলে। সেই আন্তৰিক অনুভৱ বুকুত বান্ধি তেওঁবিলাকে অফুৰন্ত উৎসাহ-উদ্দীপনাৰে আজিলৈকে ছবছৰ ধৰি এই দিৱস উদ্‌যাপন কৰি আহিছে। মোৰ জন্মদিনটোত মোক তেওঁবিলাকে ফুলেৰে ওপচাই অভিনন্দন জনাই শতায়ু, সুস্বাস্থ্য কামনা কৰে, মোৰ গীত অমিয়া কণ্ঠেৰে পৰিবেশন কৰে, প্ৰেৰণামণ্ডিতা অজস্ৰ

নাৰীয়ে কবিতা পাঠ কৰে, অতি মুগ্ধ কথাৰে মোক অভিভূত কৰে, প্ৰতিবছৰে একো-একোজন বিশিষ্ট ব্যক্তি মাতি আনি বক্তৃতা দিওৱাৰ ব্যৱস্থা কৰে। মোৰ অগ্ৰজস্বৰূপ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, অধ্যাপক নৱকান্ত বৰুৱা, অধ্যাপক যোগেশ দাস, বন্ধু অৰুণ শৰ্মা প্ৰমুখ্যে বহুতকেইজন সুসাহিত্যিকে মোৰ বিভিন্ন সাহিত্যিক দিশ আৰু ব্যক্তিত্বৰ পৰ্যালোচনা কৰে। কণ্ঠশিল্পীসকলৰ হেঁপাহৰ সীমা নাথাকে। অতি সুমধুৰ কণ্ঠৰ অধিকাৰী পুলক বেনাৰ্জী, পাহাৰী শইকীয়া, মনীষা হাজৰিকা, কুল বৰুৱা, মিহিৰ বৰদলৈ, বিপুল বৰুৱা, মৃদুলা দাস, সংগীতা বৰঠাকুৰ, মিতালী দে প্ৰমুখ্যে নামী-দামী শিল্পীসকলৰ অপূৰ্ব কণ্ঠসুধাই প্ৰেৰণা দিৱসক মধুময় কৰি তোলে। এপইচাও মাননি নোলোৱাকৈ, গীত গাবলৈ পায়েই যেন তেওঁবিলাক পুলকিত হয়। এনে অনুভৱ হয়— আন্তৰিকতাৰ এনে অসীম উষ্ণতাই যেন মোৰ মৰ্মস্পৰ্শ কৰে, বাৰে-বাৰে মই যেন জনম ধৰিম এই অমৃত পাবলৈ। বেলতলা শাখা লেখিকা সমাৰোহ সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্যতম বিশিষ্ট, এক সক্ৰিয় শাখা। এই বেলতলা শাখাৰ অতি উদ্যোগী কৰ্মীসকলে শিল্পী-সাংবাদিক শ্ৰীমতী তুলতুল বৰুৱাক সভানেত্ৰী আৰু চেণ্ট্ৰেল স্কুলৰ ছিনিয়ৰ শিক্ষয়িত্ৰী শ্ৰীমতী প্ৰতিমা বৰুৱাক সম্পাদিকাৰূপে লৈ এই কাম কৰি আছে। সক্ৰিয় কৰ্মীসকলৰ কেইগৰাকীমানৰ নাম মনলৈ আহিছে। তেওঁবিলাক হ'ল সৰ্বশ্ৰী কণিকা বৰদলৈ, জ্যোৎস্না ভাগৱতী, মনোৰমা শৰ্মা, চেনেহী দাস, দীপ্তি বৰুৱা, চিত্ৰা ডেকা, কিৰণ বৰুৱা, আৰতি শইকীয়া, কমলা উজীৰ, ডা. অনুৰাধা বৰুৱা, গিৰিবালা শৰ্মা, অনুৰূপা শৰ্মা, গীতা হাতীকাকতি, অপৰ্ণা গোস্বামী, অৰ্চনা শৰ্মা, ললিতা তহবিলদাৰ, গীতা গগৈ, শান্তি বৰুৱা, অৰ্চনা গোস্বামী, মহন্ত, যমুনা চৌধুৰী, সৰযূ শৰ্মা, কাবেৰী নাথ চহৰীয়া, বুলু বৰঠাকুৰ আৰু গীতা দেৱান। বেলতলা শাখাৰ সভানেত্ৰী শ্ৰীতুলতুল বৰুৱা মোৰ অতি মৰমৰ বাল্যবন্ধু। তেওঁৰ মাত-কথা কি অমায়িক! তেওঁৰ পিতৃ স্বৰ্গীয় ৰমা ভৰালী দদাইদেউ বিখ্যাত ভৰালী পৰিয়ালৰ। তেওঁৰ মাতৃ খুৰীদেৱো আমগুৰিৰ। উজনি অসমৰ আপুৰুগীয়া মৌসনা সুৰ তেখেতসকলৰ মাত-কথা। ফিজিক্‌ছৰ ছাত্ৰী, সুকণ্ঠী তুলতুলৰ কণ্ঠ এতিয়াও সুৰীয়া আৰু সতেজ। শুনিলেই ভাল লাগে। তেওঁ যেতিয়া অপূৰ্ব দৰদ দি বানপীড়িত ৰাইজৰ দুখত লিখা মোৰ গীত এটা গায়, মোৰ চকু চলচলীয়া হয়। মই ভাবোঁ,— তুলতুলে এই সকলো সম্ভাৱনা অপচয় কিয় কৰিলে? অৱশ্যে কৰোঁ বুলিয়েই মানুহে সকলো কাম কৰিব নোৱাৰে। অদৃষ্টৰ ইচ্ছা মতেহে মানুহৰ ইচ্ছা-অনিচ্ছা, কাৰ্য-কাৰণবোৰ হয়। ভাগ্যলিপি অখণ্ডন। জ্যোতিষো এক গাণিতিক, এক অতি উচ্চ স্তৰৰ বিজ্ঞান। এইবোৰ নিৰৰ্থক, গাঁজাখুৰী বস্তু নহয়। দিনে-দিনে এই উপলব্ধি মোৰ দৃঢ় হৈছে।

বেলতলা শাখা লেখিকা সমাৰোহে যোৱা ২০ জুনত (২০০৩) 'জ্ঞানতপস্বিনী ড°

নির্মলপ্রভা বৰদলৈ সমীপেষু' নাম দি একচল্লিছজন লেখকৰ অভিনন্দন লেখাৰে এখনি সুদৃশ্য প্রায় তিনিশ পৃষ্ঠাৰ গ্রন্থ প্রকাশ কৰি উলিয়াই মোৰ সত্তৰ বছৰীয়া জন্মদিনৰ অর্ঘ্যৰূপে মোৰ হাতত প্রদান কৰিলে। গ্রন্থখনি উন্মোচন কৰোঁতা হ'ল সুপ্রসিদ্ধ সমালোচক, চিন্তাবিদ, সাহিত্য একাডেমি বঁটা বিজয়ী কবি, অধ্যাপক শ্রীভবেন বৰুৱাৰদ্বাৰা। তেখেতে এটি জ্ঞানগর্ভ, অতি সুচিন্তিত ভাষণ প্রদান কৰি মোৰ কর্মৰাজিৰ ওপৰত বিশেষ আলোকপাত কৰি মোক অতি ধন্য কৰিলে। — দেখিলো গ্রন্থখনি প্রশস্তিবাচক স্তৱৰ গ্রন্থ হোৱা নাই, প্রতিজন লেখকেই বৰ সাৱধানেৰে মোৰ প্রতিটো দিশ অধ্যয়ন কৰি এক সুন্দৰ সামগ্রিক বিচাৰ দাঙি ধৰিছে। লেখিকা সমাৰোহৰ বেলতলা শাখাই ড° শীলা বৰঠাকুৰৰ গাম্ভীর্যপূর্ণ পৌৰোহিত্যত এনে এখন গ্রন্থ উন্মোচন কৰি মোক চিৰদিন ঋণী কৰিলে। "দুহাততে পালো অত ফুল ভাষা নাই মোৰ ওলগেৰে।" মানুহৰ আন্তৰিকতাৰ, মহানুভৱতাৰ এই প্রকাশত কি অমৃত, কি অমৃত!

এই একে অনুভৱেই মোক তিয়াই পেলাইছিল 'যুৱতীর্থ' নামৰ সুন্দৰ-সন্ধানী এটি সংস্থাই যেতিয়া ফুল, ছবি, সুৰ আৰু কথাৰে তেওঁবিলাকৰ তথা যুৱ প্রজন্মৰ মুগ্ধতা প্রকাশ কৰিছিল অভিনৱভাৱে। এই কমিটীখনত আছিল ডাঃ মৃণাল চৌধুৰী, শ্রীনীলোৎপল গোস্বামী, শ্রীঅৱনীৰঞ্জন পাঠক, শ্রীমুনীন দাস, শ্রীৰবীন কলিতা (I.R.S.), শ্রীপ্রণৱ বৰা, শ্রীদেৱজিত দাস। ২০০২ চনৰ মার্চ মাহত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত অতি সুৰুচিসম্পন্নভাৱে এই দলটিয়ে চাৰি ঘণ্টাজোৰা এক অনুষ্ঠানত মোৰ গানবোৰ ৰূপায়িত কৰি শ্রোতা-দর্শকক মন্ত্রমুগ্ধ কৰি ৰাখিছিল। তেওঁবিলাকৰ এই অভিনৱ অভিনন্দনৰ শলাগ ল'বলৈ মোৰ ভাষা আছেনে? অসমৰ প্রবীণ, নবীন ইমান নামী শিল্পীবোৰৰ কণ্ঠসুষমাৰ মায়াজালে মোক বেৰি পেলাইছিল। মই যেন মুহূর্তে-মুহূর্তে বিগলিত হৈছিলো— তেওঁবিলাকৰ প্রাণময়তাৰ প্রকাশত। গোটেই ৰবীন্দ্ৰ ভৱন মুগ্ধ শ্রোতা-দর্শকেৰে উপচি পৰিছিল। 'যুৱতীর্থ'ৰ প্রতিটো কথাই একোপাহ সুবাসিত ফুল হৈ যেন মোক গোটেই মানুহজনীক ৰমকজমক কৰি তুলিছিল।

২০০১ চনৰ কাৰণে মোলৈ 'প্রবীণা শইকীয়া' বঁটা আগবঢ়োৱা হ'ল। এই বঁটাৰ বাবে মহিলা লেখিকাসকলৰ ভিতৰৰ শ্রেষ্ঠা একোগৰাকীক নির্বাচন কৰা হয়। বঁটা প্রদান কৰে অসম লেখিকা সংস্থাৰ (অধ্যাপিকা, সুলেখিকা প্রীতি বৰুৱা বাইদেউ এই মহৎ সংস্থাটোৰ প্রতিষ্ঠাত্রী সভানেত্রী) যোগেদি প্রবীণা শইকীয়াৰ স্বামী প্রখ্যাত সাহিত্যিক, সাংবাদিক চন্দ্রপ্রসাদ শইকীয়াই। কথাশিল্পী, অধ্যাপিকা প্রবীণা শইকীয়াৰ অকাল বিয়োগত তেওঁৰ স্মৃতি ৰক্ষাৰ্থে এই সন্মানিত বঁটা প্রতি দুবছৰৰ মূৰে-মূৰে আগবঢ়োৱা হৈ আহিছে। প্রবীণা শইকীয়াৰ প্রতি সন্মান জনাই মই এই বঁটা গ্রহণ কৰিলো।

এতিয়া মোৰ দুয়োহাত যুৰি পৰিচিত-অপৰিচিত, বন্ধু-শত্রু সকলোকে প্রণাম

জনোৱাৰ সময়। যিসকল চিকিৎসকে সমুখৰপৰা বা নেপথ্যৰপৰা মোক জীৱনৰ অমৃত দান কৰিলে, তেওঁবিলাক আটাইলৈকে মোৰ প্ৰাণৰ প্ৰণাম। ডা. নলিনী শৰ্মা, প্ৰয়াত ডা. অনিল ভট্টাচাৰ্যৰ (হোমিঅ' ডাক্তৰ) নাম আগতে উল্লেখ কৰিছোঁ। এতিয়া সততে মোক আশ্চৰ্য যত্নেৰে আৱৰি থকা ডা. জয়ন্ত বৰদলৈ, ডা. প্ৰবীৰ বৰদলৈ দুয়োজনৰে নাম অতি আন্তৰিকতাৰে লৈছোঁ। এই দুয়োজন চিৰস্মৰণীয় কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ পুত্ৰ ডা. উমেশ চন্দ্ৰ বৰদলৈৰ সুপুত্ৰ। এওঁবিলাকৰ চিকিৎসাৰ ক্ষেত্ৰত dedication জীৱনজোৰা। দিছপুৰ পলিক্লিনিকখন এওঁলোকে অতি আদৰ্শ চিকিৎসালয় কৰি গঢ়ি তুলিছে। ডা. সান্ত্বনা বৰদলৈৰ দৰে আন্তৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰ পৰিচালিকা, গুণী শিল্পী ডা. জয়ন্তৰেই পৰিবাৰ। প্ৰবীৰৰ কেইবাটিও কন্যাও চিকিৎসক হৈ নিজক এইক্ষেত্ৰত উচৰ্গা কৰিছে। এক জীৱন্ত কিংবদন্তিস্বৰূপ ডা. মথুৰা ভট্টাচাৰ্যৰ অতি সুযোগ্য পুত্ৰ ডা. অঞ্জন ভট্টাচাৰ্য আৰু ডা. বনজিৎ চৌধুৰীৰ মোৰ প্ৰতি থকা অকুণ্ঠ সহায়ৰ ঋণ মই কেনেকৈ শুজিম! সুদীৰ্ঘ বছৰ ধৰি অঞ্জনে মোৰ দেহৰ প্ৰতি সংকটতে মোক উদ্ধাৰ কৰিছে অতি আপোন ভাবেৰে। ৰাজু বাইদেউৰ ল'ৰা বনজিতকো (ৰূপটি) সৰুতে কোলাত লোৱা। এতিয়া ডাক্তৰ।

মোৰ আধা জীৱনৰ লগৰী ডায়েবেটিছ ৰোগ দমনৰ ভাৰ স্বেচ্ছাই ডা. মিহিৰ শইকীয়াই লৈছে। কেনেকুৱা যে অমায়িক ডাক্তৰ এইজন! উজানবজাৰৰ ডায়েবেটিক কেয়াৰ চেণ্টাৰৰ প্ৰতিষ্ঠাতা ডা. ৰূপম বৰুৱা আৰু মোৰ ছোৱালী স্বপ্নাৰ বন্ধু ডা. সৰোজিনী দত্ত চৌধুৰীৰ অশেষ যত্ন এইক্ষেত্ৰত চিৰস্মৰণীয়। মেডিচিনৰ ডাক্তৰ এন. জে. দাস, ছাৰ্জন ডা. মনোজ চৌধুৰীৰ অক্লান্ত চিকিৎসা নোহোৱা হ'লে কেতিয়াবাই পৃথিৱীৰ পোহৰৰপৰা বঞ্চিত হ'লোহেঁতেন। তেনেকৈয়ে চকুৰ চিকিৎসক চিৰস্নিগ্ধ ডা. হৰ্ষ ভট্টাচাৰ্য, ভাতৃপ্ৰতিম চিৰঞ্জীৱ শৰ্মা, ই. এন. টি.ৰ বিশেষজ্ঞ ভাতৃপ্ৰতিম বিশ্বনাথ শৰ্মা (খুমনি), ডা. দীপ্তি শৰ্মা, দাঁতৰ চিকিৎসক ডাঃ পি. কে. বৰ্মন (যিজন অতি খুহুটীয়া), বেলতলাৰ হোমিঅ' ডাক্তৰ খাটনিয়াৰ, ডা. বৰঠাকুৰ জপমালাৰ দৰে হৈ পৰিছে। কাৰণ ঘূৰি-ঘূৰি এওঁবিলাককে জীৱন ৰক্ষাৰ কাৰণে লগ পাব লাগে। কোনো ডাক্তৰে মোৰপৰা এপইচাও নলয়। এয়া তেওঁবিলাকৰ মোৰ প্ৰতি থকা অগাধ সন্মানৰ স্বাক্ষৰ। কেৱল আশীৰ্বাদ জনাওঁ অন্তৰেৰে— "জয়ী হোৱা।"

ডা. জিতেন ভট্টাচাৰ্য (জিতু) আমাৰ ঘৰৰ ল'ৰা। তেওঁ মোৰ জোঁৱাই ব্ৰজেনৰ ভাতৃ। তেওঁ অহৰহ দিহা-পৰামৰ্শ দিয়েই থাকে। তেওঁ নিৰবে মোৰপৰা বহুত আশীৰ্বাদ লাভ কৰি আছে।

যিসকলে মোক 'অভিজ্ঞতা'ৰ দৰে অমূল্য সম্পদ পদে-পদে দান কৰিলে

সেইসকলো মোৰ নমস্য। আত্মজীৱনীখনৰ নাম 'জীৱন-জীৱন বৰ অনুপম' বুলি দিয়াত বহুতেই, বিশেষকৈ উৰিষ্যাৰ প্ৰখ্যাত লেখিকা ডা. প্ৰতিভা ৰায় আৰু সাহিত্য একডেমিৰ সম্পাদক ইন্দ্ৰনাথ চৌধুৰীয়ে কৈ উঠিছিল— "কি আচৰিত! তুমি জীৱনক অনুপম বুলি কৈছা, তোমাৰ জীৱন দেখোন সংঘাতেৰেই ভৰা; তুমি বিপৰীত নাম এটাহে দিব লাগিছিল?"

মই উত্তৰ দিছিলো,— সেই কাৰণেই অনুপম। এইটো জীৱন নোপোৱা হ'লে মই মহাজীৱনৰ স্বাদ ক'ত পালোহেঁতেন?

জীৱন সঁচাকৈয়ে মৰণ বিজয়ী সাধনা। প্ৰতি প্ৰহৰতে মৰণেই জীৱনৰ হাতত ধৰি থাকে, জীৱনেও মৰণৰ হাতত ধৰি থাকে। জীৱনটো কেনেকৈ লোৱা যায় তাতেহে জীৱনৰ অৰ্থ নিৰ্ভৰ কৰে।

জীয়াই থকাটো এটা আৰ্ট। প্ৰতিটো প্ৰহৰ সৌন্দৰ্যমণ্ডিত হ'ব পাৰে যদিহে ৰং আৰু সুৰভিৰে ভৰাই তুলিব জানা—কল্পনা, আশা, সমবেদনা, সহযোগী মনোভাব, স্বপ্ন, সামান্যতে তৃপ্ত হোৱা শক্তি,— এইবোৰৰ গুণো cultivate কৰিব লাগে— এটা গান বহুত বছৰৰ আগতে লিখিছিলো—

"প্ৰতি প্ৰহৰক কৰি যাম
শুভলগ্ন
নয়নক ৰাখি
মধু সপোনত মগ্ন।"

সীতাৰ অগ্নিপৰীক্ষা ৰামে এদিনেই লৈছিল। মোৰ কিন্তু অগ্নিপৰীক্ষা প্ৰায় প্ৰতিদিনেই হয়। মই য'লৈকে বক্তৃতা দিবলৈ যাওঁ, সেয়া লাগিলে চেন্নাই, মুম্বাই, মহীশূৰ, উৰিষ্যা, দিল্লী, কলকাতা য'তেই নহওক, অসমৰো ইমূৰৰপৰা সিমূৰলৈ অতিশয় মুগ্ধ ব্যক্তি দুই-চাৰিজন ওলাবই। মই ঘূৰি আহি ঘৰ পোৱাৰ আগতে তেওঁবিলাকৰ প্ৰশংসাৰ পত্ৰ, মুগ্ধতাৰ পত্ৰ, কাকুতি পত্ৰ উৰি আহি মোৰ পঢ়া মেজত উপচি থাকেহি। মইনো কি কথা কওঁ তাকো নাজানো, মোৰ গাত কিনো চুম্বক আছে তাকো নাজানো। আনহাতে 'জনপ্ৰিয়তা'ৰ কাৰণে পাতল কথাৰে মই কেতিয়াও বক্তৃতা নিদিওঁ। এই চিঠিবোৰৰ উত্তৰো কেতিয়াও দিয়া নাছিলো।

এতিয়া মোৰ উপলব্ধি হয় মানুহৰ প্ৰশংসায়ো মোক জীৱনীশক্তি দিলে। মানুহে প্ৰশংসা কৰাটো নিবিচাৰোঁ বুলি কোনেও ক'ব নোৱাৰে। মোৰ প্ৰতি 'বিশেষ'ভাৱে মুগ্ধ হোৱা সৰ্বভাৰতীয়ই নহয়, বাহিৰতো যথেষ্ট খ্যাতি থকা অতি উচ্চ পৰ্যায়ৰ কেইবাজনো সাহিত্যিকৰ নাম মনত পৰিছে। তেওঁবিলাকৰ বুদ্ধিদীপ্ত চিঠিবোৰ মোৰ ছোৱালীজনী, সেই সময়ত মোৰ লগত থকা ভাই মুনুকো দেখুৱাওঁ— জীৱনৰ তৰপবোৰ সিহঁতেও

চিনি পাওক বুলি।

এনে প্ৰসংগৰে কথা এটালৈ মনত পৰিছে। সৰ্বভাৰতীয় ছেমিনাৰ এখনত মই বক্তৃতা দিয়াৰ পাছতে বেচ ব্যক্তিত্বসম্পন্ন, মাৰ্জিত, পঁচপন্ন বছৰ মানৰ উপাচাৰ্য (মোৰ কাষতে বহা) এজনে উচ্ছ্বসিত হৈ ক'লে— Your speech is wonderful. So sweet is your presentation. Did we, did we meet before? (তোমাৰ বক্তৃতা আশ্চৰ্যভাৱে সুন্দৰ। তোমাৰ উপস্থাপন বৰ মনোমোহা। আমি আগতে লগ পাইছোঁনে বাৰু? এনেকুৱা লাগিছে তোমাক মই লগ পাইছোঁ)।

"No, not in this life. Perhaps in our last birth." (নাই, এই জন্মত লগ পোৱা নাই। হয়তো আগৰ জন্মত।) মই বাক্যটো সমাপ্ত নহয়, বিষয়টোকে তেনেকৈ সমাপ্ত কৰি ছেমিনাৰৰ পেপাৰ শুনাত মন দিলো। মই ক'তো এক মুহূৰ্তলৈকো একো এৰিব নোৱাৰোঁ, কথা পাতিবলৈ সময় ক'ত। কাৰণ মই যে তেনেকৈয়ে শিকোঁ। সকলো কথা ৰ লাগি শুনাই মোৰ nature।

গ'ল কথা গুচিল। কিন্তু যোৱা জন্মৰ সূত্ৰ ধৰি এখন ৰাঙাৰফুল চিঠি মোলৈ সেই ধীমান পুৰুষজনে লিখিলে। চিঠি পালেও নিশ্চয় ভাল লাগে। কিন্তু সেইবুলি মই উত্তৰ দিব নোৱাৰোঁ। উত্তৰ দিলেই জুই জ্বলি উঠিব,— যিটো নুমুউৱা টান হৈ পৰিব।

সংগীত জগতৰ, নাটকৰ জগতৰ কিমান মানুহ যে লগ পালো। মোৰ আটাইৰে লগতে ভাল। তেওঁবিলাকৰ দুখ, অভিযোগ, সুখৰ বতৰা মই কাণ পাতি শুনো। প্ৰয়োজনসাপেক্ষে সহায় কৰি দিওঁ। মোৰ আটাইবোৰ বন্ধু। মানুহেই বিচাৰে মানুহৰ এখন সমব্যথী অন্তৰ। বন্ধুত্ব, ভাললগা, ভালপোৱা সেইবুলি একে নহয়।

মৰম-স্নেহৰ এই ক্ষেত্ৰখনত ভাৰতীয় মহিলাৰ আধিপত্য বেছি। দেশখনো আমাৰ জননী। এই জননী (মাতৃ আৰু দেশ একে। সেয়েহে গৰীয়সী।) মাটি, মাতৃ, আই গোসাঁনী একেই বস্তু। 'মাতৃ' ইমান এটা তাৎপৰ্যপূৰ্ণ শব্দ— যুগে-যুগে ভাৰতীয় নাৰীৰ কল্যাণময়ী ৰূপে (গোসাঁনীও বৰদা, অভয় কল্যাণময়ী) মানুহক আপ্লুত কৰি ৰাখে। নাৰীয়েহে ত্যাগ কৰিব পাৰে, এখন ঘৰৰপৰা আন এখন ঘৰলৈ সেবাৰ কাৰণে ওলাই আহিব পাৰে, সন্তানৰ মাক নাৰীহে হ'ব পাৰে। দহমাহ দহদিন এটি জীৱন্ত শিশু গৰ্ভত ধাৰণ কৰা, লালন-পালন কৰা, প্ৰতি মুহূৰ্তে নিজৰ জীৱন উচৰ্গা কৰি থকাও জানো কম মহান কাম!

মাতৃৰ সমান কোন হ'ব আন
কোন আছে পৃথিৱীত।

এজনী সৰু ছোৱালীৰ মাজতো মাতে-কথাই, স্বভাৱে-চৰিত্ৰই, অনুভূতি-আবেগত মাতৃত্ব লুকাই থাকে। আনকি নিজৰ পিতৃকো অকমানি ছোৱালীজনীয়ে মাতৃৰ চকুৰে

সময়ে-সময়ে চায়। বাৎসল্য থাকে তেওঁৰ গভীৰত। সেয়েহে নাৰীয়ে অক্লান্তভাৱে ৰান্ধি-বাঢ়ি খুৱাই-ধুৱাই অপাৰ আনন্দ পায়। এই প্ৰসংগত এখুদ ককাইদেউলৈ (নৱকান্ত বৰুৱালৈ) মোৰ মনত পৰে।

তেতিয়া উজানবজাৰৰ ভাৰাঘৰত মই আৰু সোণ (ডাঙৰ ভাইটো)। এখুদ ককাইদেউ নদীৰ পাৰৰ ঘৰত। তেওঁৰ বিয়া হওঁ-হওঁ। তেখেত পুৱা ন বজাৰ চাহকাপ দেওবাৰৰ দিনা আমাৰ ঘৰত খোৱাকৈ আহে। মই ইটো কৰি সিটো কৰি (ফুলৰি, বেগুনী, মাছৰ কাটলেট, মোগলাই পৰঠা ইত্যাদি-ইত্যাদি কৰি) তেওঁক বা অন্যান্য আলহী-অতিথিক সোধ-পোছ কৰোঁ। আমাৰ ঘৰত কিন্তা বস্তুৰে চাহ দিয়াৰ নিয়ম নাছিল। ৰাতি দুপৰতো মাইঁতে পাছদিনা আলহী-অতিথিক দিবলৈ কিবা-কিবি খোৱাবস্তু এটা কৰি থয়। চুজিৰ লাডু, খীৰৰ লাডু, টোপা পিঠা, গমৰ লাডু,— এনেকুৱা বস্তু। মাইঁতৰপৰাই এইবোৰ নিয়ম পালো।

এখুদ ককাইদেৱে খাবও আৰু মোক জোকাবও— "এই আমাৰ বুঢ়ী আইতা। চাবলৈ আহোঁ কি ৰূপ, দেখুৱায় কি ৰূপ! ঠিকেই তই আকাশৰ নীলা। তোক চাব পাৰি, চুব নোৱাৰি।" বন্ধু-বান্ধৱৰ প্ৰতি হোৱা মৰম-চেনেহৰ বাৎসল্যই নে কি! "ইমানদূৰ বাট খোজকাঢ়ি মোৰ ওচৰলৈ আহিছে, আয়ে দেহি! কিয় চাহ এটোপা ভালকৈ খাই নাযাব!" ভাতৰ সময় হ'লে ভাতেই খুৱাই পঠাওঁ। ৰন্ধা-বঢ়া কৰি মই বৰ ভালো পাইছিলো। ভালনো নাপাইছিলো কি! চব কামেই ভাল লাগে দেখোন। বস্তুতক্ষেত্ৰত পুৰুষসকলে এনে মৰম-চেনেহবোৰকে ভুল বুজিও লয়। নাৰীৰ মমতাময়ী ৰূপ বৰ স্নিগ্ধ, বৰ মন-প্ৰাণ জুৰোৱা। এই যে বাঙালী মহিলাসকলে কাষত বহি খাবৰ পৰত বিচনীৰে বিচি থাকে— আঃ, ইমান যে মৰ্মস্পৰ্শী দৃশ্য! কেঁচামাটিৰ ঘৰ হওক না— যদি এই স্নেহ-ছায়া থাকে সিযে স্বৰ্গতকৈও অধিক। কোটিটকীয়া দালান, লাখ-লাখ টকীয়া ফাৰ্ণিচাৰৰপৰা কি শান্তি? —যদি এষাৰ মাত মউ বৰষি নুঠে? জুৰ ল'বলৈ যদি অকণ ছায়া নাথাকে? জীৱনে প্ৰাণ পায় এষাৰ মৰমৰ মাততেই।

মাতৃয়ে সন্তানক স্তনপান কৰোৱাৰ দৃশ্য কি অপূৰ্ব! সন্তানে ভৰিত পৰি সেৱা কৰা, পিতৃ-মাতৃয়ে দুহাতেৰে শিৰ তুলি ধৰি চুমা খাই আশীৰ্বাদ দিয়া দৃশ্য কি অপূৰ্ব! স্বৰ্গীয় জ্যোতি এইবোৰেই, ইয়াৰ কাৰণে কোনো শাস্ত্ৰ জনাৰ প্ৰয়োজন নাই। অন্তৰৰ সঁচা অনুভূতিতকৈ প্লাষ্টিক বস্তু আৰু কিবা আছেনে? ভাৰতীয় সংস্কৃতিৰ অৰ্থবহ সুন্দৰ কথাবোৰ পৃথিৱীৰ একোৰে লগত তুলনাই নহয়। সন্তান নাথাকিলেও মনৰ মমতাৰেই এগৰাকী ছোৱালী 'মাতৃ' হ'ব পাৰে। 'মাতৃ'ৰ সমান মহান পৰিচয় পৃথিৱীত একো নাই। মাতৃ এক মুকুট, মাতৃ এক কবচ, মাতৃ এক অনিৰ্ণেয় শক্তি। মই মাতৃ— এই পৰিচয়েৰে মই গৌৰৱান্বিত। এই জ্যোতি প্ৰথম দেখিলো মই মোৰ মাৰ গাত। মাৰ কৰ্মত, মাৰ

গুণত। মাক ভাল পায়েই মই দেশক ভাল পাবলৈ শিকিলো। দেশক ভাল পাই দেশৰ মানুহবোৰক আৰু মানুহক ভাল পাই মই ভগৱানৰ বিশালতাক ভাল পাবলৈ শিকিলো। ই এক চৰম উপলব্ধি— পৰম সত্য।

দেউতাতকৈ মা আছিল প্ৰায় ২৮ বছৰ সৰু। মাৰো সেই ন বছৰ বয়সতে সপত্নীক, সন্তানহীন দৰাৰ লগত বিয়া হৈছিল বৰমাৰ অনুমতিসাপেক্ষে, সন্তানৰ কাৰণেই। এগৰাকী অতি ধুনীয়া জীৱিত সতিনীৰ লগত থাকিব লগা হোৱা মাৰ মানসিক অৱস্থা কেনে আছিল? নিশ্চয় অবৰ্ণনীয়। তথাপি তেওঁ নিজৰ বায়েকৰ দৰে চিৰৰুগ্না সেই মহিলাগৰাকীক ৰাতিয়ে-দিনে শুশ্ৰূষা কৰিছিল কোনো ক্ষোভ নাৰাখি। নৈষ্ঠিক ব্ৰাহ্মণৰ ঘৰৰ সকলো ধুতি-নীতি ৰাখি মায়ে সমস্ত গৃহস্থী অতি শৃংখলাৰে এখন হাতেৰে চলাইছিল। অতি তেজী, খঙাল দেউতাক কেউপিনে সন্তুষ্ট ৰখা অসাধ্য কথা আছিল। কিন্তু মাৰ বিনম্ৰ উদাৰতাই, sober প্ৰকৃতিয়ে সকলোকে হাৰ মনাইছিল। মাৰ অপৰিসীম ত্যাগৰ কথাৰে মোৰ উপন্যাস এখনেই লিখিবৰ মন যায়— যি হ'ব ভাৰতীয় গৃহিণীৰ এক সত্য মৰ্মস্পৰ্শী ৰূপ। পেৰালাইছিছ হৈ ন বছৰ শয্যাশায়ী হৈ থকা, মন restless হৈ পৰা দেউতাৰ কাৰণে মায়ে ন বছৰ ৰাতি শোৱা নাছিল। ঘৰখনৰ ৰন্ধা-বঢ়াৰপৰা গোসাঁইঘৰ, আলহী, ধানৰ ভঁৰাল সকলো চম্ভালি মায়ে দেউতাৰ সমস্ত নাৰ্ছিং কৰিছিল। কাৰণ দেউতাক আন কাকো নালাগে— মাৰ বাহিৰে। আমি দেউতাক অকমান টানকৈ কোৱা যেন পালেও মায়ে বেয়া পায়। আমাক কয়,— "নক'বি, নক'বি একো নক'বি, দেউতাৰৰ এতিয়া ঋষি-মুনিৰ দৰে বয়স হ'ল। মোৰ একো কষ্ট হোৱা নাই, চব কৰিব পাৰিম।" মই জানো মাৰ সেয়া অসম্ভৱ ইচ্ছাশক্তি। ইমান ত্যাগ আজিকালিৰ ছোৱালীয়ে এশ ভাগৰ এভাগো নকৰে। ইমান আত্মকেন্দ্ৰিক হ'ল এতিয়াৰ সমাজ। চিনেমা, থিয়েটাৰ, বিয়া-সবাহ, ফুৰা-চকা মায়ে এই সুদীৰ্ঘকাল সকলো বাদ দিছিল। অকমান উলিয়াই নিব খুজিলেও মায়ে নাযায়, কয়,— "নাযাওঁ পাই, দেউতাৰে মনত দুখ পাব, নিজেযে খাব নোৱাৰে!"

এয়া জানো বাৎসল্যপ্ৰেমৰ মমতাই নহয়? অতি নিৰাভৰণ, অতি সামান্য, কিন্তু অসামান্য আলোকেৰে আলোকিতা এগছ যেন অনিৰ্বাপিত অখণ্ড বন্তি— একেখন থাপনাৰ কাষত জ্বলি আছে— মানৱতাৰ সেৱাই পৰম ধৰ্ম— এই গভীৰতম বিশ্বাসেৰে। ক'তো চঞ্চলতা নাই, ক'তো দ্বন্দ্ব নাই। অহং বিলুপ্তি নহ'লে অৰ্থাৎ নিজক সম্পূৰ্ণ বিলীন নকৰিলে কোনো ভক্তি, কোনো মানৱ সেৱাই সম্পূৰ্ণ নহয়, ই আধাবাটতে ৰৈ যায়। মানুহৰ সেৱাই যে ভগৱানৰ সেৱা। আত্মাই যে পৰমাত্মাৰে অংশ। এইবোৰ অতি ডাঙৰ কালচাৰ।

আধুনিক বিচাৰ-বুদ্ধিয়ে আমাক বৰ বেছিকৈ conflict দিলে, দ্বন্দ্ব দিলে, মানসিক

সংঘাত দিছে। আমি বৰ বেছি অসহিষ্ণু হৈ পৰিছোঁ। প্ৰতি পদক্ষেপতে 'মোৰ ইয়াৰপৰা কি লাভ হ'ব',— এনে চিন্তা মনলৈ অহা হ'ল। বিশ্বাসৰ শিপা বেয়াকৈ জোকাৰ খাবলৈ ধৰিলে। এইবোৰো বেয়া বুলি ক'ব নোৱাৰি। বিচাৰ-বিশ্লেষণ লাগিবই। কিন্তু মানসিক শান্তিৰ কাৰণে তাৰ মাজতে অকমান আছুতীয়া ঠায়ো লাগিব— য'ত বিশ্বাসে অকণ ঠাই পায়। জীৱনক যিয়ে 'পজিটিভ' অকমান দিয়ে, তেনে স্থিৰ ধাৰণা (দৰ্শন বুলিবও পাৰি) এটা ল'বই লাগিব। Super power এটাৰ ধাৰণা আৰু প্ৰাৰ্থনাও তাৰ কাৰণেই। সেই 'সত্য'ক লাগিলে যি নামেৰেই নামাতোঁ।

ভাৰতীয় জীৱন দৰ্শন optimist জীৱন দৰ্শন। "একং আদিত্যবৰ্ণং পুৰুষং তমস্তাৎ।" অন্ধকাৰৰ সিপাৰে পোহৰ আছে। সেই পোহৰ সোণ বৰণীয়া। মৃত্যু-চেতনা, নৈৰাশ্য ভাৰতীয় শিল্প-সাহিত্যৰ লক্ষণ নহয়। সোণালী পোহৰেৰে পৃথিবী এদিন উদ্ভাসিত হ'ব আৰু এই সোণালী ৰঙৰ (ই প্ৰতীকী অৰ্থত) এই প্ৰাপ্তিৰ কাৰণে লাগিব নিৰন্তৰ কৰ্ষণ, কৰ্ম, অবিৰত কৰ্ম। প্ৰতি প্ৰহৰৰ কৰ্ম। ক্ষয়ংকৰী কৰ্মেৰে নহয়, সৃষ্টিমূলক কৰ্মেৰে অসাধ্যসাধন কৰিব লাগিব। নিজক বিচাৰি পাব লাগিব। নিজৰ শক্তিক চেতনাৰে জগাই তুলিব লাগিব। চেতনাক প্ৰেৰণালৈ ৰূপান্তৰ কৰিব লাগিব।

আমি চাবলৈ শিকিব লাগিব, নিৰীক্ষণ কৰিবলৈ শিকিব লাগিব, দেশভূমিক তথা দেশবাসীক উপলব্ধি কৰিবলৈ শিকিব লাগিব, সামান্যৰ বুকুত থকা অসামান্যক focus কৰিবলৈ শিকিব লাগিব। কলাক কল্যাণকামী, সুন্দৰ, অনিৰ্বচনীয় শান্তি আৰু পোহৰ দিব পৰা সৌন্দৰ্যময় কৰিব লাগিব। সেই কলা নিজস্ব বৈশিষ্ট্যৰে, সত্যৰে উদ্ভাসিত হ'ব লাগিব। এদিনৰ নহয় সহস্ৰ দিনৰ সৌন্দৰ্য তাত মূৰ্তিমন্ত হৈ উঠিব লাগিব।

মই অন্তৰৰপৰা আশীৰ্বাদ জনাবলগীয়া এজন ব্যক্তিৰ নাম মোৰ জীৱনীত সোণৰ আখৰেৰে জিলিকি থকাটো মই বিচাৰোঁ। সেই নাম নগাঁৱৰ প্ৰশান্ত শইকীয়াৰ নাম। দিছপুৰ পলিক্লিনিকত কাম কৰা তেওঁ এজন অতি সৰলচিতীয়া, সৎ ব্যক্তি। তেওঁৰ ৰক্তৰ গ্ৰুপ মোৰ লগত মিলাত তেওঁ অতি হৰ্ষচিত্তেৰে এতিয়ালৈকে তিনিবাৰ ৰক্তদান কৰি মোক মৃত্যুমুখৰপৰা বচাই আছে। এনে ঋণ পৰিশোধৰ মোৰ শক্তি আছেনে? তেওঁ টকা লোৱা দূৰৰ কথা, মোৰপৰা উপহাৰ এটাও নলয়। কোন জন্মত মোৰ তেওঁ কি আছিল!

সেইদৰেই ডা. অজয়া মহন্ত, ডা. ৰণেন মহন্তৰ দৰে মহানুভৱ ব্যক্তি কমেইহে আছে। অহৰহ হাঁহিমুখে সহায়ৰ হাত আগবঢ়াই থকা সেই স্নেহময়ী 'অজয়া', সেই চিৰপ্ৰফুল্ল ডা. ৰণেন। মোৰ আশীৰ্বাদ তোমালোকৰ কপালত 'জয়ৰ তিলক' হৈ থাকক। আয়ুৰ্বেদিক ডাক্তৰ শ্ৰীজনাৰ্দন বেজবৰুৱা ডাঙৰীয়াই মোক জেদী ৰোগ এটাৰপৰা

সদায় বচাই আছে। মোৰ কৃতজ্ঞতাৰে তেখেতৰ যাত্ৰাপথ উজ্জ্বল হওক।

আৰু বা পাহাৰে-ভৈয়ামে, দেশে-বিদেশে নাম নজনা, নাম পাহৰা কিমান সহৃদয়, মানৱপ্ৰেমী লোকৰ মই সহায় পাইছোঁ, সেইসকললৈও যাচিলো এইটো ছেগতেই দুয়োহাত যোৰা প্ৰণাম। মোৰ কাষৰ, মোৰ দূৰৰ নদী আৰু বনস্পতিবোৰকো প্ৰণাম। মোক দিছে তেওঁবিলাকেও মানসিক জীৱন, শাৰীৰিক জীৱনৰতো কথাই নাই।

মই নিজক লৈ লিখা কবিতা এটালৈ মনত পৰিছে ঃ

আনে জীৱনক দিয়ে বয়স
মই বয়সক দিওঁ জীৱন
মোৰ শব্দবোৰ শব্দনে কি?
ওহোঁ
সেই শব্দ
শব্দৰ অন্তৰালৰ শব্দ
তাত আছে
অনুচ্চাৰিত, অনুদ্ভাসিত
উত্তাপময় কত অৰ্থ!
মোৰ ভিতৰত
মইনে কি?
অজন্তাৰ অৱয়ব?
ৰেখাৰ সুমিষ্ট ঘ্ৰাণ?
ওহোঁ,
মই স্পৰ্শৰ অতীত
কোনেও নুশুনা গান

... আটায়ে সোধে, বাইদেউ আপুনি তৃপ্তনে?

কেইবাজনে মোক প্ৰশ্ন কৰিছে,— "বাইদেউ, আপুনিতো বহুত লিখিলে, আপুনি তৃপ্তনে?"

মই সঁচাকৈয়ে বহুত লিখিলোনে? কি কি লিখিলো বাৰু? বৰ খৰকৈ এবাৰ মনত পেলাওঁচোন। কবিতাৰেঁহে আৰম্ভ কৰিছিলো হ'বলা?

কবিতা লিখাৰ প্ৰথম দিনটোৰ কথা মই আগতেই উল্লেখ কৰিছোঁ। কবিতা এইযে মোৰ সংগী হ'ল, ই দিনে-দিনে অতি অন্তৰংগ হৈ উঠিল। মোৰ অনুভৱ, উপলব্ধি স্বতঃস্ফূৰ্তভাৱে মই কবিতাত ৰূপ দিবলৈ ধৰিলো। অন্তৰত যেন কবিতাবোৰ জুৰিৰ দৰে বৈ আছিল আৰু প্ৰকাশৰ বাবে অপেক্ষা কৰিছিল। সেইবোৰ যদিও আখৰ মিলাই

লিখা কবিতা আছিল, আখৰ মিলাওঁতে কেতিয়াও মোৰ কষ্ট হোৱা নাছিল। বিভিন্ন ছন্দত কবিতাবোৰ আপোনা-আপুনি বান্ধ খাই অনর্গলভাৱে ওলাই আহিছিল। ক্লাছ ফাইভ-ছিক্সত এই কবিতা লিখাৰ ইমান নিচা হ'ল যে এখন ডাঙৰ, দীঘল বহীৰ একেবাৰে পাত নাইকিয়া হৈ গৈছিল। পুৱা-গধূলি মই পঢ়ি থকা সময়তো পঢ়া কিতাপৰ তলত কবিতাৰ বহী থৈ লুকাই-চুৰকৈও কবিতা লিখিছিলো। সেই কবিতাবোৰৰ বিষয়বস্তুৰ বেছিভাগেই আছিল প্ৰকৃতিৰ লগত একাত্ম হোৱাৰ বাসনা আৰু দেশৰ প্ৰতি বিদেশীয়ে কৰা অন্যায়-অপমান ওৰ পেলোৱাৰ কামনা, আৰু দেশক স্বাধীন কৰাৰ দুৰ্বাৰ আগ্ৰহ। ক্লাছ ছিক্সৰপৰা গীত লিখিবলৈ আৰম্ভ কৰিছিলো আৰু মজাৰ কথা এইটোও যে গীতবোৰৰ লগে-লগে সুৰ দিও গৈছিলো। সেই সময়ত গীত আৰু কবিতাৰ বাহিৰে মই অন্য সৃষ্টিত হাত দিয়া নাছিলো।

ক্লাছ এইট-নাইনমানৰপৰা মই ইংৰাজীত কবিতা লিখা আৰম্ভ কৰিছিলো আৰু সংস্কৃতৰ সৰু-সৰু শ্লোক কিছুমান অসমীয়ালৈ অনুবাদ কৰিছিলো। মোৰ এজন ভতিজা বোকাখাতৰ হৰেশ চন্দ্ৰ বৰদলৈ মই ক্লাছ ফ'ৰত থাকোঁতে আমাৰ ঘৰত থাকি পঢ়িবলৈ আহিছিল। তেওঁ তেতিয়া ক্লাছ ছেভেনত নাম লগাইছিল। হৰেশ পঢ়া-শুনাত অতিশয় চোকা ল'ৰা আছিল। তেওঁ পাছলৈ মেট্ৰিক পৰীক্ষা দিওঁতে কলিকতা বিশ্ববিদ্যালয়ত তেওঁৰ স্থান সোতৰ হৈছিল। তেওঁৰ কাৰণেই মই ক্লাছ ফ'ৰৰপৰাই, মুখে-মুখে শিকিয়ে সংস্কৃতত বৰ চোকা হৈছিলো আৰু পাছলৈ সংস্কৃতত বক্তৃতা দিব পাৰিছিলো। ক্লাছ এইটত মই মেট্ৰিক পৰীক্ষাৰ কাৰণে প্ৰাইভেটকৈ সাজু হোৱাৰ সময়খিনিত মোৰ কবিতা 'সেউজীয়া' নামৰ ছাত্ৰ-কংগ্ৰেছৰ আলোচনী এখনত প্ৰথম ছপা হৈ ওলাইছিল। সেইটো কবিতা কোনোবা প্ৰতিযোগিতাত প্ৰথমো হৈছিল। কবিতাটোৰ নাম যতদূৰ সম্ভৱ আছিল— 'কবিলৈ'। নাইন-টেনত ইংৰাজী গল্প অসমীয়ালৈ অনুবাদ কৰা, দিহিঙীয়া ছাৰৰ লগত লগ লাগি কালিদাসৰ 'মেঘদূত' সংস্কৃত কাব্যখনৰ অসমীয়া ৰূপ দিয়া আদি কাম বৰ নিষ্ঠাৰে কৰিছিলো। সেই সময়খিনিত বাহিৰা কিতাপৰ অধ্যয়নে মোক ইমানকৈ আকৃষ্ট কৰিছিল যে মোৰ মনত উগুল-থুগুল অৱস্থা এটাৰ অনবৰতে সৃষ্টি হৈছিল আৰু সকলো ভাল সাহিত্যৰ সোৱাদ সকলোকে যেন দিম,— এনেকুৱা এটা ভাবে অহৰহ মোক পৰিচালিত কৰিছিল। পৃথিৱীখন ইমান ডাঙৰ, সাহিত্যৰ জগতখন কি আচৰিতভাৱে আকৰ্ষণীয়— এই অনুভৱৰ উল্লাসত মই উল্লসিত হৈ আছিলো। দেউতাই মগাই আনি দিয়া 'হ'ম লাইব্ৰেৰি ক্লাব'ৰ ইংৰাজী কিতাপবোৰ পঢ়ি মই আনন্দত শিহৰিত আৰু দুখত কাতৰ হৈছিলো। আমাৰ ঘৰত দেউতাই পঢ়া অজস্ৰ বাংলা উপন্যাস, 'শুকতাৰা', 'আনন্দ বাজাৰ পত্ৰিকা', 'দেশ' ইত্যাদি আছিলেই। ক্লাছ ছিক্সমানৰপৰাই বুজি-নুবুজি কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ আৰু বংকিম চন্দ্ৰ চেটাৰ্জি, শৰৎ চেটাৰ্জিৰ

কিতাপ আদি পঢ়িছিলো। সেই কিতাপবোৰে মোৰ অন্তৰ যেন চহাই পেলাইছিল। মোৰ এতিয়া ভাবিলে দুখ হয়, সেইখিনি বেকগ্ৰাউণ্ড লৈ মই কলিকতা, দিল্লী আদি ভাল ঠাইলৈ পঢ়িবলৈ যাবলৈ পাব লাগিছিল। ভাল নিৰ্দেশ পোৱা হ'লে, ভাল পৰিচালনা পোৱা হ'লে হয়তো মই আৰু গুৰুত্বপূৰ্ণ কাম কৰিব পাৰিলোহেঁতেন।

মোৰ সৃষ্টিসমূহৰ নেপথ্যৰ কিছু কথা

১৯৫৭ চনত মোৰ প্ৰথম কাব্য সংকলন 'বন ফৰিঙৰ ৰং' প্ৰকাশিত হয়। এই কবিতাখিনিত মোৰ সেই সময়ৰ যুগসন্ধিৰ মানসতা প্ৰকাশ পাইছিল। সেই কবিতাবোৰ মোৰ এতিয়াৰ কবিতাৰ আংগিকৰ দৰে নাছিল। অৱশ্যে মুক্ত ছন্দই আছিল। এই কবিতাবোৰ পঢ়ি মোৰ মামা, এম. পি. হেম বৰুৱাই বৰ প্ৰশংসা কৰিছিল আৰু ইয়াৰ ইংৰাজী অনুবাদক কেইবাটাও সৰ্বভাৰতীয় সংকলনত তেখেতে স্থান দিছিল। কবিতাবোৰ যুগসন্ধিৰ ক্লান্তি, উদ্বাস্তু সমস্যাক লৈ সৃষ্টি হোৱা উদ্বেগ, যান্ত্ৰিক যুগৰ অভিশাপ ইত্যাদিৰে তেতিয়াই সমাজ-সচেতন আছিল। Sensitive কবিসকলৰ মনৰ বাহিৰৰ পৃথিৱীখনৰ পতন, ভণ্ডামি, কূটনীতিৰ খেলা বা প্ৰকৃতিৰপৰা আঁতৰি অহা কাৰণ্যাই তীব্ৰভাৱেই প্ৰতিক্ৰিয়া কৰে। যান্ত্ৰিক যুগৰ যন্ত্ৰণা অসমত তেতিয়া অনুভূত হৈছিল। বংগদেশৰ প্ৰখ্যাত কবি জীৱনানন্দ দাসৰ কবিতাই সেই সময়ত মোক বৰকৈ মুগ্ধ কৰিছিল। ইংৰাজী কবিতাও অজস্ৰ পঢ়িছিলো। বিশেষকৈ ৰিল্কে, ডাইৰ্লেণ্ড থমাছ, ৱাল্টাৰ উয়িটমেন, ডম মৰেইছ আদিৰ কবিতা।

'চিল চিল চিলা বাগী চিল মিলা' নামৰ প্ৰথম ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত শিশু গ্ৰন্থখন মই এম. এ. পঢ়ি থাকোঁতে ছাত্ৰীবাৰীত লিখা। তেতিয়াই নতুন অসমীয়া কাকতত শ্ৰদ্ধেয় কীৰ্তিনাথ হাজৰিকাদেৱৰ স্নেহশীল তত্ত্বাৱধানত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। কিতাপ আকাৰে প্ৰকাশ হ'ল ১৯৫৮ চনত। প্ৰকাশ কৰিলে মালিগাঁৱৰ শ্ৰীগুৰু প্ৰেছে। কিতাপখন প্ৰকাশ হোৱাৰ দিনাই চিয়াহী কেঁচা হৈ থাকোঁতেই মোৰ সহোদৰ ভাতৃস্বৰূপ নগাঁৱৰ প্ৰয়াত বীৰেন শৰ্মাই পাঁচ কপি নে তিনি কপি নি শ্বিলঙত ডি. পি. আই. অফিচত কিতাপ গ্ৰহণৰ একেবাৰে শেষৰ দিনা কাণে-কাণ মাৰি গৈ জমা দিছিলগৈ।

এই কিতাপখনত অসমত প্ৰচলিত খেল-ধেমালিবোৰ উপন্যাসৰ আংগিকৰ কৌশলেৰে শিশুবোৰৰ কাৰণে লিখি উলিয়াইছিলো। এটা কথা উল্লেখ কৰি থ'বই লাগিব যে শিৱসাগৰত মইনা পাৰিজাত মই বি. এ. পঢ়ি থকা সময়ৰেপৰা গঠন কৰিছিলো। তেতিয়া উজনি অসমত শিশু সংস্থাটোৰ নাম আছিল 'মইনা মেল'। ইয়াৰ কেন্দ্ৰীয় ঘাই অফিচ আছিল যোৰহাটত। গুৱাহাটীত আছিল একে শিশু সংগঠন 'পাৰিজাত কানন'। গুৱাহাটীত বি. এ. পঢ়িবলৈ আহি শ্ৰদ্ধেয়া নলিনী দেৱী আইতাৰ উজানবজাৰৰ ঘৰত (পিতৃ গৃহত) 'মইনা মেল' আৰু 'পাৰিজাত কানন' লগ লগাই নাম

দিয়া হ'ল 'মইনা পাৰিজাত'। মইনা পাৰিজাতৰ প্ৰধান ৰূপ দিওঁতা আছিল কবি নলিনীবালা দেৱী। চিল চিল চিলা বাগী চিল মিলা কিতাপখনে ৰাষ্ট্ৰপতিৰ প্ৰথম পুৰস্কাৰ পোৱাত শিশু সাহিত্যলৈও এটা ডাঙৰ অৱদান হ'ল বুলি আটায়ে একেমুখে ক'লে।

'বন ফৰিঙৰ ৰঙ'ৰ পাছত মোৰ কবিতাৰ দ্বিতীয় সংকলন আছিল 'সমীপেষু'। 'সমীপেষু' নামৰ কবিতা সংকলনটো শ্ৰীপবিত্ৰ ডেকাৰদ্বাৰা প্ৰকাশিত হৈছিল। এই কবিতাৰ আংগিক বন ফৰিঙৰ ৰং কবিতাতকৈ ক্ৰমান্বয়ে বেলেগ হৈ আহিছিল। এই সংকলনৰ কবিতাবোৰৰ বেছিভাগেই তীক্ষ্ণভাৱেই সমাজ-সচেতন আছিল আৰু ভণ্ডামিৰপৰা সমাজখন উদ্ধাৰ কৰাৰ এক তীব্ৰ আকাংক্ষা আছিল। 'সমীপেষু'ৰ বেটুপাতত আছিল কেকটাছ্ অৰ্থাৎ এজোপা কাঁইটীয়া, সৰু গছৰ ছবি। আনহাতে 'বন ফৰিঙৰ ৰঙ'ৰ বেটুপাতত আছিল এখিলা টেঁকীয়াপাতৰ ছবি। দুয়োটাই symbolic। সেই গ্ৰন্থ দুখন আমাৰ প্ৰেছ্ ইষ্টাৰ্ণ প্ৰিণ্টাৰ্ছতে ছপা হৈছিল। তৃতীয় কাব্য সংকলন হ'ল 'অন্তৰংগ'। এই কিতাপখন মালিগাঁৱৰ দত্ত বৰুৱাৰদ্বাৰা প্ৰকাশিত হৈছিল। ইয়াৰ বেটুপাতটো বৰ সুন্দৰ হৈছিল। আইডিয়াটো মই দিছিলো, আঁকিছিল চিত্ৰশিল্পী চন্দন চুতীয়াই। কিতাপখনৰ ভিতৰতো পাতে-পাতে জাপানী ছবিৰ আৰ্হিৰ ৰেখাচিত্ৰ আছিল। 'অন্তৰংগ'ৰ কবিতাবোৰ প্ৰেমৰ কবিতা। কোনো অপাৰ্থিৱ প্ৰেমৰ নহয়, পাৰ্থিৱ প্ৰেমৰেই। অসমীয়া নাৰীৰ পাৰ্থিৱ প্ৰেমৰ কবিতা সংকলন বোধকৰোঁ আগতে ওলোৱা নাছিল। প্ৰেম এক পোহৰহে। ই এক অদৃশ্য শক্তিহে, ই পংকিলতা নহয়। প্ৰেম এক স্বৰ্গীয় অনুভূতি। মানুহক ভাল পাব পৰাটো এক উচ্চতম অনুভূতিহে। ই কাকো অনিষ্ট নকৰে যেতিয়া ইয়াক পাপ বুলি ভবাটো ভুল। মোৰ অভিধানত প্ৰেমৰ সংজ্ঞা লালসা নহয়। ই সংযত, সংহত এক আধ্যাত্মিক উপলব্ধি। বেটুপাতৰ ছবিখন বৰ অৰ্থব্যঞ্জক। প্ৰথম দৃষ্টিত ই এখন সোণালী নৈ। যিখন নৈ আকাশী পোহৰেৰে উদ্ভাসিত হৈছে। দ্বিতীয় দৃষ্টিত নৈখনতে দুখন মুখ দেখা যায়।

চতুৰ্থ কাব্য সংকলন হ'ল 'দিনৰ পাছত দিন'। এই কিতাপখন প্ৰসিদ্ধ সমালোচক ভবেন বৰুৱাৰ এক অতি সুন্দৰ পাতনিৰে সমৃদ্ধ হৈ প্ৰকাশ হৈ ওলাইছিল। প্ৰকাশ কৰিছিল গুৱাহাটীৰ বাণী প্ৰকাশে। মোৰ কবিতাৰ অনুৰাগী পাঠক অজস্ৰ আৰু সমালোচনাও বহুতে কৰিছে যদিও এতিয়ালৈকে মোৰ কবিতাৰ মূল সুৰ যথাৰ্থতে বুজি পোৱা মানুহ মাত্ৰ ভবেন বৰুৱাহে। তেওঁৰ সুগভীৰ অন্তৰ্দৃষ্টিয়ে সৃষ্টিৰ ৰহস্যময় সকলো স্তৰপ ভেদ কৰি যায় আৰু পৰম সত্য ধৰা পেলায়। তেওঁৰ এই আচৰিত দক্ষতাৰ মই চিৰকালেই শলাগ লৈছোঁ। 'দিনৰ পাছত দিন'ৰ পাতনিখন অসমীয়া আধুনিক কবিতা বুজিবলৈ এক অতি প্ৰয়োজনীয় পাতনি। এই 'দিনৰ পাছত দিন' গ্ৰন্থখনে অসম

সাহিত্য সভাৰ প্ৰতিযোগিতাত অসমীয়া কবিতাৰ শ্ৰেষ্ঠ বঁটা লাভ কৰে।

ইয়াৰ পিছৰ কাব্য সংকলন হ'ল 'সুদীৰ্ঘ দিন আৰু ঋতু '। এই গ্ৰন্থখন মোৰ ভাই শ্ৰীপ্ৰদীপ বৰদলৈয়ে ইষ্টাৰ্ণ প্ৰিণ্টাৰ্ছৰপৰা প্ৰকাশ কৰিছে। এই গ্ৰন্থখনে ১৯৮৩ চনত সাহিত্য একাডেমি বঁটা লাভ কৰিছিল। এই গ্ৰন্থৰ পাতনিত উল্লেখ কৰা হৈছে যে অসমৰ এক অস্বাভাৱিক প্ৰহৰত, বিশেষকৈ অসম আন্দোলনৰ পটভূমিত এই কবিতাসমূহ লিখা হৈছিল। সুদীৰ্ঘ দিনক সামাজিক আৰু মনস্তাত্ত্বিক প্ৰতিক্ৰিয়াশীল উপলব্ধিবোৰৰ প্ৰকাশ দিয়া হৈছে আৰু ঋতুত সন্নিৱিষ্ট কবিতাবোৰ বিভিন্ন ঋতুৰ একো-একোটা ইম্প্ৰেছ্ন। এই গ্ৰন্থখনে সাহিত্য একাডেমি বঁটা পোৱাৰ পাছত বহুতো ভাৰতীয় ভাষালৈ অনূদিত হৈছে। তাৰ ভিতৰত বাংলা, গুজৰাটী, পাঞ্জাবী, উৰিয়া প্ৰধান।

ষষ্ঠ কাব্য সংকলন হ'ল— 'শব্দৰ ইপাৰে শব্দৰ সিপাৰে'। এইখন প্ৰকাশ কৰিছে গ্ৰন্থপীঠে। শব্দৰ ইপাৰে বিচিত্ৰ জগত, শব্দৰ সিপাৰে অনিৰ্ণেয় উপলব্ধি,— এয়ে কবিতা সংকলনখনৰ মূল কথা।

তাৰ পিছত আহিল— 'অমিতাভ শব্দ'। এই কাব্য সংকলনখন প্ৰকাশ কৰিছে পাণবজাৰৰ জ্যোতি প্ৰকাশনে। শব্দৰ আশ্চৰ্যজনক শক্তিৰ উপলব্ধি এই কবিতাৰ মূল উপজীব্য।

'নিৰ্বাচিত কবিতা' নামৰ গ্ৰন্থখন প্ৰকাশ কৰিলে ইমপ্ৰিণ্ট নামৰ প্ৰতিষ্ঠানটোৱে। মই সেই সময়ত গুৰুতৰভাৱে অসুস্থ থকাত এই সংকলন প্ৰস্তুত কৰোঁতে সক্ৰিয়ভাৱে সহায় কৰিব নোৱাৰিলো। আনকি ইয়াত এখন পাতনিও সংযুক্ত কৰা নহ'ল।

'The Dawn' নামৰ ইংৰাজী কাব্য সংকলন এখন দিল্লীৰ প্ৰকাশক এজনে নি আজিলৈকে উলিয়াই দিয়া নাই। চিঠি দিও উত্তৰ নোপোৱা হ'লো। মোৰ কবিতা ইতিমধ্যে পৃথিৱীৰ বহুত ভাষালৈ অনূদিত হৈছে। ইংৰাজীত অনূদিত হ'লে আখৰকেইটাকে বুজি পাওঁ, কিন্তু বহুত ভাষাৰ আখৰ বুজিবৰে সাধ্য নাই। লগত দিয়া ইংৰাজী চিঠিখনৰপৰাহে গম পাওঁ যে সেই আলোচনীত বা সেই এন্থ'লজিত মোৰ কবিতা অন্তৰ্ভুক্ত হৈছে। মালয়েছিয়াৰ কুৱালালামপুৰৰপৰা প্ৰকাশিত এন্থ'লজি অব্ ৱৰ্ল্ড পয়েট্ৰিত মোৰ কবিতা চাৰিটা নে ছটা অন্তৰ্ভুক্ত হৈছে।

নতুনকৈ লিখা কবিতাখিনি গোটালে আৰু দুখনমান সংকলন হ'ব। কেতিয়াকৈবা প্ৰকাশ কৰিব পাৰোঁ ক'ব পৰা নাই।

অসমৰ লোক-সংস্কৃতি ঃ কবিতা লিখাৰ উপৰিও মই সাহিত্য-সংস্কৃতি সম্বন্ধীয় বিভিন্ন কিতাপ লিখাৰ প্ৰেৰণা অন্তৰৰপৰাই পাইছিলো।

বি. এ. ক্লাছত মোৰ নৃতত্ত্ব (এনথ্ৰ'পলজি) থকা কাৰণে, হয়তো স্বাভাৱিকভাৱে

'অসমৰ সমাজ জীৱনৰ (বিশেষকৈ অসমৰ কৃষিজীৱী সমাজৰ) অৰ্থপূৰ্ণ আৰু সৌন্দৰ্যময় সাংস্কৃতিক দিশবোৰ পৰ্যালোচনা কৰি কিছু প্ৰবন্ধ লিখিছিলো। এই প্ৰবন্ধবোৰে সমাজৰ বিভিন্ন দিশৰ মানুহৰপৰা বৰ আদৰ পাইছিল। বিশেষকৈ পৰম শ্ৰদ্ধেয় কীৰ্তিনাথ হাজৰিকা দাদাই মোৰ ভাষাৰ আৰু উপস্থাপনৰ বৰ প্ৰশংসা কৰিছিল। ইয়াৰ উপৰিও পৰম শ্ৰদ্ধেয় গুৰু বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে এম. এ. ক্লাছত পঢ়ুৱাই থকা সময়ত তেখেতৰ 'অসমৰ লোক-সংস্কৃতি' নামৰ গ্ৰন্থত অন্তৰ্ভুক্ত নকৰা বিষয়সমূহ মোক লিখাৰ কথা কৈ আছিল। ক্লাছতে কৈছিল— "এইটো নিৰ্মলাই লিখিব, সেইটো নিৰ্মলাই লিখিব" এনেকৈ। তেখেতৰ আন্তৰিক ইচ্ছা অনুসৰিয়েই তেখেতে উনুকিয়াই দিয়া বিষয়বোৰৰ বিষয়ে লিখিবলৈ আৰম্ভ কৰিলো।

কিতাপখনে বৰ সুন্দৰ স্বীকৃতি পালে। বি. এ. ক্লাছৰপৰা এম. ফিল. ক্লাছলৈকে এইখন পাঠ্যপুথি হ'ল আৰু এতিয়াও হৈয়েই আছে।

কবিতাৰ কথা ঃ এই গ্ৰন্থখন মই কলেজ আৰু বিশ্ববিদ্যালয়ৰ ল'ৰা-ছোৱালীৰ কামত অহাকৈ লিখিছিলো। এনেয়েও বেছিভাগ মানুহে কবিতা বুজিবলৈ বৰ টান পায়— কবিতাৰ নেপথ্যৰ কথাবোৰ নাজানে কাৰণেই। পাশ্চাত্যৰ প্ৰভাৱত গঢ় লোৱা আধুনিক কবিতাবোৰ, আংগিকৰ পৰীক্ষা-নিৰীক্ষাবোৰ, আধুনিক কবিতাৰ থূলমূল ইতিহাস সাহিত্যানুৰাগী পাঠকে এনেয়েও জনা উচিত।

অসমৰ লোক-কবিতা ঃ অসমৰ লোক-সংস্কৃতিৰ দৰেই অসমৰ লোক-কবিতাও বৰ আকৰ্ষণীয়। লোক-কবিতাৰ বিভিন্ন বিভাগৰ একো-একোটা পৰিচয়হে ইয়াত দাঙি ধৰা হৈছে।

সাহিত্য আৰু সংস্কৃতি ঃ এইখন সাহিত্য আৰু সংস্কৃতি সম্বন্ধীয় প্ৰবন্ধ সংকলন। এনেকুৱা ধৰণৰ আৰু কেইবাখনো প্ৰবন্ধ সংকলন কৰিব পৰা যায়। মোৰ লেখাবোৰ গোটাবহে পৰা নাই।

কবিতা দেশী-বিদেশী ঃ বিশ্বৰ বিভিন্ন দেশ-বিদেশৰ কবিতাৰ সোৱাদ অসমীয়া পাঠকে পাওক আৰু এই বিষয়ে জ্ঞাত হওক,— এয়ে আছিল এই কিতাপখন ৰচনা কৰাৰ মূল উদ্দেশ্য। এই কিতাপখন আৰু বহলাব পাৰি। চকুৰ গুৰুতৰ অসুখ নোহোৱা হ'লে মই আৰু বহলালোহেঁতেন।

অসমীয়া চুটি গল্প ঃ নেশ্যনেল বুক ট্ৰাষ্টৰ অনুৰোধক্ৰমে এই গল্প সংকলনখন যুগুত কৰিছিলো। এই কিতাপখন বুক ট্ৰাষ্টৰদ্বাৰাই ভাৰতীয় বহু ভাষালৈ ইতিমধ্যেই ভাঙনি হৈছে।

Assamese Short Story ঃ এই কিতাপখন 'Authors Guild of India'ৰ

(দিল্লী) অনুৰোধক্ৰমে সংগ্ৰহ কৰিছিলো, সম্পাদনা কৰিছিলো আৰু কিতাপখন ৰিলিজ কৰিছিল ভাৰতৰ তদানীন্তন উপৰাষ্ট্ৰপতি এম. হিদায়াতুল্লাই। কিতাপখনে বৰ ভাল স্বীকৃতি পাইছে।

কাৰ্বি সমাজ আৰু সংস্কৃতিৰ এচেৰেঙা ঃ এই কিতাপখন অসম সাহিত্য সভাৰ অনুৰোধক্ৰমে লিখি উলিয়াইছিলো।

কবিতা আৰু প্ৰকৃতি ঃ মোৰ Ph. D. থেছিছখন এইটো বিষয়কে লৈ ইংৰাজীতে লিখা। ইংৰাজী থেছিছখন এতিয়ালৈকে প্ৰকাশ কৰিবলৈ দিয়াই হোৱা নাই। অলপ সৰু কৰিম বুলি ভাবি থাকোঁতেই সময় গৈছে। যিহেতু থেছিছখন ইংৰাজীত লিখা আছিল, তাৰ অসমীয়া এটা এডিশ্যন হওক বুলিয়েই 'কবিতা আৰু প্ৰকৃতি' লিখিছিলো।

দেৱী ঃ 'দেৱী' লিখাৰ মূল প্ৰেৰণা কিন্তু ৰহস্যময়। কোনোবা যেন অদৃশ্য, অলৌকিক শক্তিহে যেন মোৰ গাত এই সময়ত ভৰ কৰিছিল। নহ'লে ইমান কষ্ট মই কেনেকৈ কৰিছিলো। 'দেৱী'ৰ এতিয়ালৈকে ষষ্ঠ তাঙৰণ ওলাল। ইয়াৰ ইংৰাজী, বাংলা, হিন্দী অনুবাদো হ'ল। এই গ্ৰন্থখনে সৰ্বভাৰতীয় উচ্চ স্বীকৃতি লাভ কৰিছে।

আধুনিক কবিতা ঃ এই গ্ৰন্থখনো এম. এ. পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ কামত অহাকৈ প্ৰস্তুত কৰা হৈছিল। লগতে অসম সাহিত্য সভাৰ কবি সন্মিলনৰ (১৯৭৬) সভানেত্ৰীৰ অভিভাষণো সন্নিৱিষ্ট কৰা হৈছে।

বৰগীতৰ কথা ঃ গুৰু দুজনাৰ বৰগীতৰ ইতিহাস আৰু সাহিত্যিক সৌন্দৰ্যৰ বিচাৰ কৰি ইয়াৰ লগতে বৰগীতখিনি সন্নিৱিষ্ট কৰা হৈছে।

ৰবীন্দ্ৰ নাথৰ গীত আৰু কবিতা ঃ ৰবীন্দ্ৰ নাথৰ গান আৰু কবিতাৰ বহুতো অনুবাদ মই কৰিছোঁ। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ শতবাৰ্ষিকীৰ সময়ত আকাশবাণী গুৱাহাটীৰ অনুৰোধক্ৰমে বহুতো গান প্ৰখ্যাত শিল্পীসকলে গাবৰ কাৰণে অসমীয়ালৈ অনুবাদ কৰি দিছিলো। সেই গীতবোৰ এতিয়াও আকাশবাণীতে আছে। এই পুথিখনো গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি হৈছে।

গোপন সাধনা ৰাতি সেৱা ঃ অসমৰ গুপ্ত সম্প্ৰদায় এটাৰ সাধন-প্ৰণালীৰ লগত জড়িত কিছুমান গোপন গীত-মাত আৰু সাধন প্ৰক্ৰিয়াৰ কথা ইয়াত বৰ্ণিত হৈছে। এই গীত-মাত সংগ্ৰহ কৰোঁতে মোৰ অবৰ্ণনীয় কষ্ট হৈছে। কাৰণ প্ৰকাশ হোৱাটো গোপন সম্প্ৰদায়ৰ মানুহে নিবিচাৰে। গ্ৰন্থখন যন্ত্ৰস্থ।

শিৱ ঃ 'দেৱী'ৰ দৰেই এইখনো অতি কষ্ট কৰি সংগ্ৰহ কৰা এই বিষয়ৰ তথ্য আৰু তত্ত্বৰ মৌলিক বিচাৰ। 'দেৱী' যেনেকৈ কোনো শাক্ত ধৰ্মীয় গ্ৰন্থ নহয়, 'শিৱ'ও তেনেকৈ

কোনো শৈৱ ধৰ্ম প্ৰচাৰৰ গ্ৰন্থ নহয়। অসমৰ বুকুৰেদি প্ৰবাহিত হোৱা শৈৱ আৰু শাক্ত সংস্কৃতিৰ এই দুটা ধাৰাৰ বিষয়ে তন্নতন্ন বিচাৰ দুইখন গ্ৰন্থত কৰা হৈছে। 'দেৱী'ৰ দৰে 'শিৱ'ও বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হৈছে।

নাটক, অপেৰা, কাব্য নাটক ইত্যাদি

মেঘদূত ঃ ই এখন কাব্য নাটক। ক্লাছ নাইনত পঢ়ি থাকোঁতে মোৰ শিক্ষাগুৰু প্ৰয়াত পূৰ্ণেশ্বৰ দিহিঙীয়া ছাৰৰ লগত লগ লাগি সংস্কৃতৰপৰা 'মেঘদূত' কাব্যখন অসমীয়ালৈ অনুবাদ কৰিছিলো। তাৰপৰাই কাব্য নাটকৰূপে আন এটা ৰূপ দিয়া গ'ল।

উৰ্বশী ঃ মহাভাৰতৰ এটা কাহিনী মতে ইন্দ্ৰৰ ৰাজসভাত অৰ্জুনৰ লগত দেখা-দেখি হৈ উৰ্বশী অৰ্জুনৰ প্ৰণয়াকাংক্ষী হোৱাত কি অৱস্থাৰ সৃষ্টি হৈছিল এই অপেৰাখনত বৰ্ণোৱা হৈছে। এই অপেৰাখন প্ৰথম সন্দিকৈ কলেজৰ ছাত্ৰীসকলে গুৱাহাটীত মঞ্চস্থ কৰিছিল।

তৃতীয় অংক ঃ এইখন এখন মঞ্চ নাটক। প্ৰতীকধৰ্মিতাৰে লিখা নাটক। সামাজিক, ৰাজনৈতিক সংকটৰপৰা অসমক ৰক্ষা কৰিবলৈ কিছু সমাধানৰ ইংগিত এই নাটকত দিয়া হৈছে।

অগ্নিগৰ্ভা ঃ এইখনো মঞ্চ নাটক। অসম আন্দোলনৰ সময়ত তিনিচুকীয়া, যোৰহাটকে আদি কৰি বহুতো ঠাইত মঞ্চস্থ হৈছিল।

বেউলা ঃ বেউলা এখন কাব্য নাটক। গুৱাহাটীৰ সন্দিকৈ কলেজৰ ছাত্ৰীসকলৰ অনুৰোধক্ৰমে এই নাট লিখা হৈছিল। পাছত ভ্ৰাম্যমাণৰ যোগেদি বহুতো ঠাইত প্ৰয়াত নবীন বৰাৰদ্বাৰা অভিনয় কৰোৱা হৈছিল। এই নাটকৰ এতিয়া মোৰ হাতত কপি নাই। ভ্ৰাম্যমাণৰ কোনোবা মঞ্চত বিচাৰিলে হয়তো ওলাব পাৰে।

ফুলকোঁৱৰ ঃ ইও এখন কাব্যনাট, অপেৰা ধৰণৰ। আকাশবাণী গুৱাহাটীযোগে বহুতবাৰ প্ৰচাৰিত হৈছে।

মহাকাল ঃ আকাশবাণীৰ কাৰণে লিখা ই এখন পূৰ্ণাংগ নাট। শ্ৰদ্ধেয় সত্যপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰদ্বাৰা পৰিচালিত হোৱা এই নাটক উচ্চ শ্ৰেণীৰ বহুতো নাট্যশিল্পীয়ে যাঠি-সত্তৰৰ দশকত অভিনয় কৰিছিল আৰু প্ৰচাৰিত হৈছিল।

অশ্বঘোষ ঃ ই এখন অপেৰা। মোৰ এজন বিশিষ্ট বন্ধু মাখন দেৱানৰ একান্ত অনুৰোধক্ৰমে এই নাটকখন মঞ্চৰ কাৰণে লিখি দিছিলো—১৯৬৪-৬৫ চনমানতে।

মাখন দেৱানৰ পৰিচালনাত সৰ্বাংগসুন্দৰ ৰূপত ছায়াকৌশলেৰে, নৃত্য-গীতেৰে ভৰপূৰ হৈ মঞ্চস্থ হোৱাৰ পাছত এই নাটকখন গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত কেইবাবাৰো মঞ্চস্থ হোৱাৰ উপৰিও শ্বিলং, তেজপুৰ, ডিব্ৰুগড়, নগাঁও আদিৰ মঞ্চতো বৰ সফলতাৰে অভিনীত হৈছিল। অৱশ্যে তেতিয়া এই নাটৰ নাম আছিল 'তীৰ্থযাত্ৰী'। মধ্যযুগীয় পৰিৱেশ আনিবৰ কাৰণে এই অপেৰাত ছেমিক্লাছিকেল সুৰ দিছিল প্ৰখ্যাত সুৰকাৰ, কণ্ঠশিল্পী শ্ৰীপুলক বেনাৰ্জীয়ে। বিখ্যাত সাহিত্যিক-সাংবাদিক শ্ৰীহোমেন বৰগোহাঞিয়ে এই নাটকৰ বিষয়ে অতি প্ৰশংসা কৰি কাগজত লিখিছিল এনেকৈ— "বহুত বছৰৰ মূৰত প্ৰখৰ ৰ'দ, ধূলি-ধুমুহাৰ মাজত যেন এজাক মন শীতল কৰা বৰষুণ আহিল।"

ৰজা ঃ শিশুৰ কাৰণে লিখা ই এখন বৰ জনপ্ৰিয় অপেৰা। গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰ্ছে এই নাটক অতি কৃতকাৰ্যতাৰে বহুতবাৰ গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত মঞ্চস্থ কৰিছিল।

বন্ধু ঃ এইখনো শিশুৰ কাৰণে লিখা অপেৰা। অসমৰ বিভিন্ন ঠাইত এই নাটখন মঞ্চস্থ হৈছিল। টিভিৰ যোগেদিও প্ৰচাৰিত হৈছিল।

সোণবৰণী আই ঃ এইখন এখন নৃত্যনাট্য। ভ্ৰাম্যমাণ থিয়েটাৰৰদ্বাৰা ই মঞ্চস্থ হৈছিল। যিমানদূৰ সম্ভৱ কোনোবা এখন ভ্ৰাম্যমাণৰ ডেঞ্চ ডাইৰেক্টৰ, শিল্পী শ্ৰীযতীন গোস্বামীৰদ্বাৰা এই নৃত্যনাট্যৰ সুৰ আৰু নৃত্যৰ সংযোজনা কৰা হৈছিল।

পুতলা নাচ ঃ শিশুৰ কাৰণে লিখা ই এখন অপেৰা। কেইবাঠাইতো মঞ্চস্থ হৈছিল।

মেঘমল্লাৰ ঃ এই কাব্য নাটকখন ৰেডিঅ'যোগে কেইবাবাৰো প্ৰচাৰিত হৈছে।

বিহুৰে বিৰিণা পাত ঃ এইখনো আকাশবাণীযোগে প্ৰচাৰিত অপেৰা।

নবীন চন্দ্ৰ বৰদলৈ ঃ ই এখন পূৰ্ণদৈৰ্ঘ্যৰ ৰেডিঅ' ফিচাৰ। নবীন চন্দ্ৰ বৰদলৈৰ শতবাৰ্ষিকীৰ সময়ত এই ফিচাৰখন লিখা হৈছিল আৰু আকাশবাণীৰদ্বাৰা প্ৰচাৰিত হৈছিল।

চন্দ্ৰকুমাৰ আগৰৱালা ঃ ইও এখন চন্দ্ৰকুমাৰ আগৰৱালাৰ শতবাৰ্ষিকীৰ সময়ত লিখা পূৰ্ণদৈৰ্ঘ্যৰ ফিচাৰ। আকাশবাণীযোগে প্ৰচাৰিত হৈছিল।

অসমৰ জনজাতীয় গীত-মাত ঃ আকাশবাণীৰদ্বাৰা নেশ্যনেল প্ৰ'গ্ৰেমত প্ৰচাৰিত সংগীতালেখ্য।

মাজুলী ঃ এইখনো আকাশবাণীৰদ্বাৰা নেশ্যনেল প্ৰ'গ্ৰেমত প্ৰচাৰিত সংগীতালেখ্য।

আই ঃ 'আই' আকাশবাণীৰ নেশ্যনেল প্ৰ'গ্ৰেমত প্ৰচাৰিত হোৱা সংগীতালেখ্য।

অসমীয়া ওমলা গীত ঃ ইংৰাজী স্কুলত চলা নাৰ্ছাৰি ৰাইমছৰ দৰে অসমীয়া ভাষাৰ স্কুলত শিকাবৰ কাৰণে অসমীয়া নাৰ্ছাৰি ৰাইমছৰ এই পুথিখন লিখা হৈছিল। ল'ৰা-ছোৱালীৰ কল্পনা বাঢ়িবৰ কাৰণে অসমৰ পৰিৱেশৰ লগত খাপ খোৱাকৈ বিভিন্ন ছন্দত এই গীতবোৰ লিখা হৈছিল। পুথিখনে অতি জনপ্ৰিয়তা লাভ কৰিছে।

কথা সৰিত সাগৰ ঃ সংস্কৃত 'কথা সৰিত সাগৰ'ৰ কাহিনীসমূহৰ ভাবানুবাদ। এই গ্ৰন্থখন শিশুৰ কাৰণে লিখা হৈছে।

সুৱদি মাত ঃ নাৰ্ছাৰিৰ পিছতে শিশুৰ কাৰণে অসমীয়া বৰ্ণমালা শিকিব পৰাকৈ প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড হিচাপে দুটা খণ্ডত, ছন্দত এই পুথিখন লিখা হৈছিল।

সুৰীয়া মাত ঃ শিশুৰ কাৰণে লিখা গীতৰ পুথি।

শিশু গীতিনাট্য সংকলন ঃ অসম প্ৰকাশন পৰিষদৰদ্বাৰা প্ৰকাশিত এই গ্ৰন্থত কেইবাজনো কবি-নাট্যকাৰৰ শিশু উপযোগী গীতিনাট্যৰ সংকলন কৰা হৈছে।

চিল চিল চিলা বাগী চিল মিলা ঃ পৰম্পৰাগতভাৱে চলি অহা অসমৰ খেল-ধেমালিবিলাক উপন্যাস আকাৰে শিশুৰ কাৰণে ৰচিত হৈছে। এই কিতাপখনে ৰাষ্ট্ৰপতিৰ প্ৰথম পুৰস্কাৰ লাভ কৰিছিল।

Five freedom fighters ঃ স্বাধীনতা আন্দোলনত আৰু দেশৰ মংগলৰ কাৰণে প্ৰাণ আহুতি দিয়া পাঁচগৰাকী ছহিদৰ বিষয়ে ইংৰাজীত লিখা গ্ৰন্থ। অধ্যাপক প্ৰদীপ আচাৰ্য্য সহলেখক।

শালিকী ৰটো-টো ঃ শিশুৰ কাৰণে লিখা ই এখন কবিতা সংকলন।

মন উৰণীয়া ঃ শিশুৰ কাৰণে লিখা গল্পৰ ই এখন সংকলন।

মানুহ ঃ শিশুৰ কাৰণে নাটকীয়ভাৱে মানুহৰ দেহৰ প্ৰতিটো অংগ-প্ৰত্যংগৰ (উদাহৰণস্বৰূপে হাত, চকু, মুখ ইত্যাদি) বিষয়ে লিখা একাংকিকা দৃশ্যৰ এখন সংকলন।

সেউজী সেউজী ঃ শিশুৰ কাৰণে লিখা কেইবাটাও দৃশ্যৰ এখন নাটক।

হায় নাৰিকল পিঠা ঃ শিশুৰ কাৰণে লিখা তিনিখন নাটকৰ সংকলন।

জিকি-মিকিৰ কথা ঃ এইখনো সৰু ল'ৰা-ছোৱালীৰ কাৰণে লিখা সঁচা অভিজ্ঞতাৰ কাহিনী।

সোণবৰণী আই ঃ দেশপ্ৰেমমূলক গীতৰ সংকলন।

সূৰুষমুখী ঃ গীতৰ সংকলন।

Rajani Kanta Bordoloi ঃ সাহিত্য একাডেমিৰদ্বাৰা প্ৰকাশিত ইংৰাজীত লিখা এখন মনোগ্ৰাফ।

Raghunath Choudhary ঃ ইংৰাজীত লিখিত আন এখন মনোগ্ৰাফ।

তুলসী দাস ঃ নেশ্যনেল বুক ট্ৰাষ্টৰদ্বাৰা প্ৰকাশিত 'তুলসী দাস' নামৰ ইংৰাজী কিতাপৰ অনুবাদ।

মীৰা বাঈ ঃ নেশ্যনেল বুক ট্ৰষ্টাৰদ্বাৰা প্ৰকাশিত 'মীৰা বাঈ' নামৰ ইংৰাজী কিতাপৰ অনুবাদ।

বিন্দু আৰু সিন্ধু ঃ 'বুন্দ অউৰ সমুন্দৰ' নামৰ হিন্দী গ্ৰন্থৰ অসমীয়া অনুবাদ।

আমাৰ লাগতিয়াল গছ-গছনি ঃ নেশ্যনেল বুক ট্ৰাষ্টৰপৰা প্ৰকাশিত শিশুৰ কাৰণে লিখা অনুবাদ গ্ৰন্থ।

এছিয়াৰ সাধু কথা ঃ নেশ্যনেল বুক ট্ৰাষ্টৰ অনুৰোধত অনুবাদ কৰা গ্ৰন্থ।

উৰিষ্যাৰ লোক-সংস্কৃতি ঃ নেশ্যনেল বুক ট্ৰাষ্টৰ অনুৰোধত অনূদিত গ্ৰন্থ।

অমৰত্বৰ আভাস ঃ ছোভিয়েট ইউনিয়নৰ 'Immortality' নামৰ কবিতা সংকলনৰ অনুবাদ।

নামঘোষা ঃ শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত 'নামঘোষা'খন সম্পূৰ্ণকৈ বাংলালৈ অনুবাদ কৰা গ্ৰন্থ।

ডাকঘৰ ঃ কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'ডাকঘৰ' নামৰ নাটকৰ অনুবাদ আৰু সাহিত্য একাডেমিৰদ্বাৰা প্ৰকাশিত।

শব্দৰ আকাশ ঃ জ্ঞানপীঠ বঁটা বিজয়ী সীতাকান্ত মহাপাত্ৰৰ 'শব্দেৰ আকাশ' নামৰ কবিতা সংকলনৰ অনুবাদ।

কবিতা মঞ্জুৰী ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ তিনি বছৰীয়া বি. এ. পাঠ্যক্ৰমৰ কাৰণে যুগুত কৰা আৰু সম্পাদনা কৰা গ্ৰন্থ।

এশ বছৰৰ অসমীয়া কবিতা ঃ 'এশ বছৰৰ অসমীয়া কবিতা' নামৰ সৰ্বভাৰতীয় ছেমিনাৰৰ কাৰণে যিবিলাক প্ৰবন্ধ পাঠ কৰা হৈছিল তাৰ সংকলন।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিত আৰ্যভিন্ন উপাদান ঃ 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিত আৰ্যভিন্ন উপাদান' নামৰ সৰ্বভাৰতীয় ছেমিনাৰত পাঠ কৰা প্ৰবন্ধসমূহৰ

সংগ্ৰহ আৰু সম্পাদনা।

পাঞ্চালী বিবাহ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগে আগবঢ়োৱা টকাৰে বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপিকা হৈ থাকোঁতে যি project কৰিছিলো তাৰ ভিতৰত এখন সাঁচিপতীয়া পুথিৰ সম্পাদনা।

সূৰ্য ঃ 'দেৱী' আৰু 'শিৱ'ৰ দৰেই প্ৰাচ্যতত্ত্ব সম্পৰ্কীয় অধ্যয়ন। অসমত যি সৌৰ সংস্কৃতি চলিছিল সেই বিষয়ে এই গ্ৰন্থত সামগ্ৰিক অধ্যয়ন কৰা হৈছে।

সেউজী বননি ঃ লংপ্লেয়িং গ্ৰাম'ফোন ৰেকৰ্ড। ড° ভূপেন হাজৰিকাৰ সৈতে লগ লাগি কৰা। সাহিত্যখিনিৰ ৰচনা মোৰদ্বাৰা হৈছে। সুৰৰ ৰচনা ড° ভূপেন হাজৰিকাৰ। প্ৰযোজনা শ্ৰীদুৰ্গাপ্ৰসাদ নেওগৰ (চিফ কনজাৰভেটৰ অব্ ফৰেষ্ট)।

ভ্ৰমণ কাহিনী ঃ চেৰীফুলৰ দেশ জাপান আৰু বিস্ময়কৰ চীন।

শুভবাৰ্তা ঃ ই এটা কেছেট। সমগ্ৰ বাইবেল চৈধ্যটা গীতত লিখি দিয়া হৈছে। ডনবস্ক' স্কুলৰ ফাদাৰ লুকাছৰদ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

প্ৰাৰ্থনা ঃ বাইবেলৰ স্তোত্ৰবোৰৰ ভাব লৈ প্ৰাৰ্থনাৰূপে অসমীয়াত ৰচনা কৰা গীত। ডনবস্ক' স্কুলৰ ফাদাৰ লুকাছৰদ্বাৰা এই কেছেট প্ৰকাশিত আৰু প্ৰচাৰিত।

স্বাধীনতা সংগ্ৰামৰ গীত-মাত আৰু কবিতা ঃ সাহিত্য একাডেমিৰ অনুৰোধক্ৰমে এই গ্ৰন্থখন সংগ্ৰহ আৰু সম্পাদনা কৰি দিয়া হৈছে।

তাও টে চিঙ ঃ 'তাও টে চিঙ' নামৰ এখন চীনা ভাষাৰ অমূল্য গ্ৰন্থৰ কাব্যিক অনুবাদ।

নতুন ওমলা গীত ঃ ১৯৯৯ চনত প্ৰকাশিত শিশুৰ বাবে নতুনকৈ লিখা ওমলা গীতৰ পুথি।

ফুলৰ এই মেলাতে ঃ ২০০২ চনত প্ৰকাশিত বিভিন্ন সময়ত ৰচনা কৰা ৫০০ জনপ্ৰিয় গীতৰ সংকলন।

নীলা বাইদেউৰ শিশু সাহিত্য সংগ্ৰহ ঃ নিজে লিখা শিশু সাহিত্যৰ সম্পূৰ্ণ সংকলন (মুদ্ৰিত অৱস্থাত)।

নিৰ্মলপ্ৰভাৰ নাটক সংকলন ঃ (যন্ত্ৰস্থ)।

ঘৰৰ গোসাঁইঘৰতো পুৱা-গধূলি চাকি-বন্তি, ধূপ-ধূনা দি প্ৰাৰ্থনা কৰোঁৱেই, তেন্তে নামঘৰলৈ কিয় যাওঁ? মন্দিৰলৈ কিয় যাওঁ? সেই-সেই স্থানবোৰত ভগৱান বেছি জাগ্ৰত বুলি? মনৰ গভীৰত তেনে ভাব থাকিবও পাৰে। কিন্তু আপাতদৃষ্টিত এনে উত্তৰ মনলৈ আহে যে সামাজিক involvement-অৰ কাৰণেই সেই ঠাইবোৰলৈ যাওঁ। মই এক নিজা ব্যক্তি হোৱাৰ উপৰিও সামাজিক ব্যক্তিও।

ৰাজহুৱা নামঘৰত একেলগে বহি ৰাজহুৱা প্ৰাৰ্থনা কৰিলে এক একতাবোধ মনলৈ আহে। ঢাৰি পাৰি বা কঠ পাৰি একেলগে মাটিত বহিছোঁ, কণ্ঠত কণ্ঠ মিলাই একান্তভাৱে প্ৰাৰ্থনা কৰিছোঁ, মনে লাহে-লাহে সূক্ষ্ম স্তৰ লাভ কৰিছে, অমৃতবাণীবোৰ একেলগে উচ্চাৰণ কৰি একে আশীৰ্বাদ প্ৰাৰ্থনা কৰিছোঁ— মাটিত মূৰ দোঁৱাই। এই সকলোবোৰে এনে এক আনন্দ, উপলব্ধি কৰায় যে অকলে কৰা 'গুহ্য সাধনা'তকৈ ই বেলেগ।

একেলগে একোটা কাম কৰিলে ই একোটা শক্তিৰ (force) জন্ম দিয়ে। সমাজত টিমৱৰ্কৰ বহুত প্ৰয়োজন। অৱশ্যেই এইটো স্বীকাৰ্য যে আত্মিক উচ্চ বিকাশৰ কাৰণে নিৰ্জন, নিৰলস সাধনাও আনহাতে লাগিবই। চানমাৰিৰ অ'ল্ড ইউনিভাৰ্ছিটি কলনিৰ নামঘৰটো যাঠিৰ দশকত আমিয়ে মিলিজুলি প্ৰতিষ্ঠা কৰিছিলো। অতি ব্যক্তিত্বসম্পন্না আৰু সুৰুচিপূৰ্ণা, স্বাৱলম্বী মহিলা প্ৰয়াত ৰামেশ্বৰী খাটনিয়াৰণী আইতাই কেনেকৈ মোক সভানেত্ৰী তথা দলনেত্ৰী পাতি লৈ নামঘৰ এটা নোহোৱা ঠাইত নামঘৰ সাজিবলৈ দেহে-কেহে লাগিছিল, কেনেকৈ আমি মাটি বিচাৰি ফুৰিছিলো, কেনেকৈ চান্দা তুলিছিলো, সেই দিনত ৰাধাগোবিন্দ বৰুৱা আৰু চেনিকুঠিৰ নলিনী দাস ডাঙৰীয়াই প্ৰথম কেনেকৈ এহেজাৰ, এহেজাৰ টকা নামঘৰ সাজিবলৈ দিছিল, কেনেকৈ ডি. চি. অনিল চৌধুৰী ডাঙৰীয়াই ঘৰ সাজকগৈ বুলি মাটিৰ ক্ষেত্ৰত নিৰ্ভয় দিছিল, কেনেকৈ ৰাইজৰ আস্থা আমি পাইছিলো, কেনেকৈ নিজৰাপাৰ নামঘৰ জাগ্ৰত বুলি নাম ফাটি-ফুটি গৈছিল, কেনেকৈ দূৰদূৰণিৰ শৰাই এই নামঘৰলৈ আহিছিল,— এই কথাবোৰ ভাবিলেই মনটো ভাল লাগে। ভকতনী আইসকলৰ নাম পাহৰিছোঁ কাৰণেই দিব পৰা নগ'ল আৰু সেই কাৰণে ক্ষমা প্ৰাৰ্থনাও কৰিছোঁ। চানমাৰিৰ এই নামঘৰটো দূৰ হ'ল কাৰণে আজিকালি যাব নোৱাৰোঁ। বিহুৰে-সংক্ৰান্তিয়েহে সেৱা এটা কৰোঁগৈ। এতিয়া যাওঁ আমাৰ গীতানগৰৰ চিনাকি পথৰ নামঘৰটোলৈ। আমাৰ এই নামঘৰটো সৰু যদিও বৰ পৰিচ্ছন্ন আৰু ডিছিপ্লিন থকা। কোনেও এযাৰ বাহিৰা কথা তাত নাপাতে। প্ৰতি বুধবাৰে-বুধবাৰে পুৰুষসকলে শ্ৰীযুত সুধীন বৰুৱা (ৰিটায়াৰ্ড আই. এ. এছ.),

শ্ৰীযুত বিজয় খাটনিয়াৰ (ৰিটায়াৰ্ড ইঞ্জিনীয়াৰ) আদিৰ নেতৃত্বত নাম ধৰে। মহিলাসকলে এনেয়ে হ'লে প্ৰতি সোমবাৰে আবেলি আৰু ভাদ মাহত প্ৰতি আবেলি বৰ নিষ্ঠাৰে নাম-প্ৰসংগ কৰে, তিথি-উৎসৱ পাতে। এই নামঘৰটোৰ প্ৰস্তুতি পৰ্বত মই এই অঞ্চলতে নাছিলো। চিনাকি পথৰ এই নামঘৰটোৰ গুৰি-ধৰোঁতা আছিল শ্ৰীনাৰায়ণ পাঠক আৰু তেখেতৰ সহধৰ্মিণী মইনা পাঠকনী। নামঘৰ সজাত বাধা দিয়া লোকে মৰা গৰু এটা ওপৰলৈ ঠেং চাৰিটা কৰি মাটিটুকুৰাত পুতি থৈছিল। মাটিটুকুৰাৰ কথা কওঁতে শ্ৰীৰাধা বৰাৰ সহায়ৰ কথা উল্লেখযোগ্য।

শ্ৰীপ্ৰতিভা গোস্বামী, দীপিকা গোস্বামী, বিৰজা মেধি, অণিমা ৰয়, হিৰন্ময়ী বৈশ্য, দীপাঞ্জলি শৰ্মা আদিৰ সহযোগত মইনা পাঠকনীয়ে সেই মাটিকে আঁতাই-পিতাই তাতে শৰাই এখন দি নামঘৰ সজাৰ মানস কৰে। ক্ৰমান্বয়ে খেৰ-বাঁহৰ নামঘৰ আৰু তাৰ পাছত বৰ্তমানৰ চিকণ নামঘৰটি নিত্য সেৱাৰ ব্যৱস্থাৰে কৰা হয়। গুৱাহাটীৰ নাৰিকলবাৰীৰ সকলো ৰাইজৰ সহায়তো আছেই। তাৰে ভিতৰত সৰ্বশ্ৰী সুধীন বৰুৱা, চিত্ৰা বৰুৱা, লাৱণ্য দাস, চন্দনা দাস, শিৱ দত্ত, পাৰ্ল খাটনিয়াৰ, শেৱালি দত্ত, বিৰিঞ্চি বৰুৱা, ৰমেশ বৰুৱা, সান্ত্বনা বৰুৱা, বিজয় খাটনিয়াৰ, হৰিপ্ৰসাদ বৰকাকতি, ভুবন হাজৰিকা, ৰুক্মিণী বৈশ্য, ইন্দিৰা বৰুৱা, মীৰা বৰদলৈ, দীপজা নায়ক আদিৰ নাম উল্লেখ কৰিব পাৰি। আৰতি দাস, পুষ্পলতা ভূঞা, অলকা দত্ত, কল্পনা বৰা, পলি দাস, মীনা বৰঠাকুৰ, ইলা গোস্বামী, অঞ্জলি দত্ত, চপলা মেধি, ইলা বৰুৱা, মৃণালিনী বৈশ্য, গীতা দাস, প্ৰতিমা বৰা, দীপজা পাঠক, বিৰজা মেধি, বনলতা কাকতি, অঞ্জলি বৰকাকতি আদি গোপিনীসকলে ভাদমহীয়া সেৱা প্ৰসংগত নৈষ্ঠিকভাৱে যোগ দি আহিছে আৰু সোমবৰীয়া নামৰো নিয়মীয়া সেৱিকা। জন্মাষ্টমী, নন্দোৎসৱ, গুৰু তিথি, পালনাম আদিৰে বছৰটো ৰজনজনাই থকা নামঘৰটো মইনা পাঠক আৰু চিত্ৰা বৰুৱাৰ নেতৃত্বত বৰ সুচাৰুৰূপে চলি আছে। মাজে-মাজে অন্য নামঘৰৰ গোপিনীসকল আৰু তিথিবিশেষে ভকতসকলৰো আগমন ঘটে। নামৰ অমিয়াৰে পৰিৱেশটোৱেই অমৃতময় হৈ উঠে।

জিকি-মিকিয়ে সেই তেতিয়াতে আঁকা ছবিৰেই মই এতিয়া ড্ৰইংৰুমটো সজাইছোঁ। ইয়াত ৰৈ আছে সিহঁতৰ বৰ্ণময় শৈশৱ, প্ৰতিভাৰে জ্বলমল কৈশোৰ। সিহঁত এতিয়া ডাঙৰ হ'ল— সিহঁতৰ নিজাকৈ একোখন 'ৱৰ্ল্ড' হ'ল (সিহঁতৰ ২০০২ চনৰ ডিচেম্বৰত বিয়াও সম্পন্ন হৈছে। মধুস্মিতা আৰু সংঘামিত্ৰাৰ লগত। দুয়োজনী নাতি বোৱাৰী বৰ সুন্দৰ)। মই কিন্তু জিকি-মিকিৰ শৈশৱ আৰু কৈশোৰকে মোৰ বুকুৰ মাজত, মোৰ চকুৰ মণিত ধৰি ৰাখিব খোজোঁ। মোৰ দুকাণত সিহঁতৰ মৌসনা, আধাফুটা মাতবোৰ। দুয়োটা চকুৰ মণিত সিহঁতৰ হাঁহি, সিহঁতৰ চকুৰ ভংগী, সিহঁতৰ লৰা-ঢপৰা, দুষ্টামিবোৰ।

সিহঁতে আঁকা ছবিবোৰ শোৱাৰুমতো ৰাখিছোঁ। সেই অৰণ্য, সেই ঝৰ্ণা। সিহঁতে কাৰ্পেটিত কৰা (ন, দহ বছৰীয়া হৈ থাকোঁতে) অসংখ্য ৱাল হেঙিংৰ দুখনমানো বন্ধাই অ'ত-ত'ত আঁৰি থৈছোঁ।

জাপানৰপৰা অনা লতা, জাৰ্মেনিৰপৰা অনা ফুল, ৰঙা-ৰঙা সাগৰীয় মাছেৰে সুসজ্জিত মোৰ একুৰিয়ামটো,— বাহিৰৰ ৰ'দ, ধূলি, ৰুক্ষতাৰপৰা আহি মই যেন নদী, অৰণ্য ভৰা মোৰ বহা ৰুমটোত বহুত শান্তি পাওঁ— এক illusion জাগে। সৰু বস্তুৰেই অৰ্থময় কৰি ঘৰটো সজাব পাৰি। ঘৰটোৰ প্ৰাংগণো মোৰ সেউজীয়া। এই সাধাৰণ বহা কোঠাটোতে বহেহি দেশ-বিদেশৰ কতনা পণ্ডিত, কত তাত্ত্বিক, কত সাহিত্যিক। ইয়াতে আন্তৰ্জাতিক খ্যাতিসম্পন্ন আৰ্টিষ্ট বহেহি শ্যামল মিত্ৰ, আমজাদ আলি খান, হৰিপ্ৰসাদ চৌৰাচিয়া, ভূপেন হাজৰিকা, সীতাকান্ত মহাপাত্ৰ, ড° পাটনায়ক, ড° ডুগ্নল, আৰু যে কিমান! কালিও মন্দিৰা লাহিড়ী আহি মোৰ পুৰণি ৰং যোৱা হাৰমনিয়ামটোত আঙুলি বুলাই কেইবাটাও গান গাইছিল। মইহে কৈছিলো,— তুমি ক'ত! আৰু মোৰ এই হাৰমনিয়ামটো ক'ত! (মন্দিৰাই এতিয়া ৱাশ্বিংটন, নিউয়ৰ্কত গৈ-গৈ চাহাব-মেমক ভাৰতীয় ক্লাছিকেল সংগীত শুনায়গৈ)। মন্দিৰাই কৈছিল,— "বাইদেউ কিয় এনেকৈ কৈছে? এইটো আপোনাৰ ঐতিহাসিক হাৰমনিয়াম। আপোনাৰ হাৰমনিয়াম আমি চুবলৈ পাইছোঁ, ইয়াতে জীৱন ধন্য।"

মোৰ অৰ্গেন এটা কিনিবলৈ বৰ মন থাকি গ'ল। এতিয়া তেনে অৰ্গেন পাবলৈকে নাই।

শান্ত সুৰৰ মাজতে, অৰণ্যৰ ছবিৰ মাজতে মোৰ এতিয়াৰ বানপ্ৰস্থ। এতিয়া বাস কৰোঁ মই অন্তৰৰ গুহাৰ ভিতৰত। মই আটাইকে লগ পাওঁ। কিন্তু নিজক লগ পাবলৈ মই চেষ্টাহে কৰি থাকোঁ। নাজানো এই প্ৰাপ্তি কেতিয়া!

সংক্ষিপ্ত জীৱন বৃত্ত

নাম	ঃ	ড° নিৰ্মলপ্ৰভা বৰদলৈ
পিতৃৰ নাম	ঃ	৺ধৰ্মেশ্বৰ শৰ্মা বৰদলৈ
মাতৃৰ নাম	ঃ	৺মুক্তাবালা বৰদলৈ
জন্ম তাৰিখ	ঃ	২০ জুন, ১৯৩৩ চন
জন্ম স্থান	ঃ	শিৱসাগৰ
ঠিকনা	ঃ	'শ্ৰীময়ী', গীতানগৰ জু-নাৰেঙ্গী ৰ'ড, গুৱাহাটী-৭৮১০২১
শিক্ষা গ্ৰহণ	ঃ	প্ৰাথমিক ঃ ২ নং প্ৰাইমাৰী বিদ্যালয়, শিৱসাগৰ মাধ্যমিক ঃ ফুলেশ্বৰী হাইস্কুল; শিৱসাগৰ আই. এ. ঃ জয়সাগৰ কলেজ, শিৱসাগৰ বি. এ. ঃ সন্দিকৈ ছোৱালী কলেজ, গুৱাহাটী এম. এ. আৰু পি. এইচ. ডি. ঃ গুৱাহাটী বিশ্ববিদ্যালয়।
চাকৰি	ঃ	অধ্যাপিকা, ভোলা বৰুৱা কলেজ, গুৱাহাটী, অৱসৰপ্ৰাপ্ত জৱাহৰলাল নেহৰু অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-১৪ জাতীয় প্ৰবক্তা (বিশ্ববিদ্যালয় অনুদান আয়োগ, নতুন দিল্লী)
বঁটা আৰু সন্মান	ঃ	১৯৮৩ চনৰ সাহিত্য একাডেমীৰ কবিতাৰ বঁটা (সুদীৰ্ঘ দিন আৰু ঋতু) সাহিত্য একাডেমীৰ মিট দা অথৰ, ১৯৯৫ চন, কলিকতা সভাপতি, অসম সাহিত্য সভাৰ দুধনৈ অধিৱেশন ১৯৯১

শিশু সাহিত্যৰ ৰাষ্ট্ৰপতি বঁটা, ১৯৫৮
(চিল চিল চিলা বাগি চিল মিলা)।
অসম সাহিত্য সভাৰ ১৯৮৬ চনৰ শ্ৰেষ্ঠ গৱেষণা কৰ্মৰ বঁটা (দেৱী)
সাহিত্য একাডেমীৰ ১৯৮৮-৯৮ বৰ্ষৰ কাৰ্য নিৰ্বাহক সদস্যা
প্ৰবীণা শইকীয়া বঁটা, ২০০২ চন।
অসম সংস্কৃত সমাজৰ সৰস্বতী উপাধি লাভ
পাঁচ বছৰ নেচনেল বুক ট্ৰাষ্টৰ উপদেষ্টা সমিতিৰ সদস্যা
কলিকতাৰ ইষ্টাৰ্ণ জ'ন কালচাৰেল কনফাৰেন্সৰ পাঁচ বছৰ গৱৰ্ণিং বডিৰ সদস্যা
২০০৪ চনৰ কনকলতা বৰুৱা বঁটা লাভ।

মৃত্যুৰ তাৰিখ : ১ জুন, ২০০৪ চন

The Record of Dr. Nirmalprabha Bardoloi's Works

BOOKS OF UNIVERSITY AND COLLEGE LEVEL :

1.	Asomar Loka Sanskriti	(Treatise)
2.	Kabitar Katha	(")
3.	Asomar Loka Kabita	(")
4.	Sahitya Aru Sanskriti	(")
5.	Kabita Deshi-Bideshi	(")
6.	Adhunik Kabita	(")
7.	Assamiya Chuti Galpa	(Collected & Edited)
8.	Assamese Short Story	(Collected & Edited in English)
9.	Devi	(Criticism) Asom Sahitya Sabha Award for best research work, 1988.
10.	Kabita Aru Prakriti	(")
11.	Karbi Samaj Aru Sanskritir Echerenga	(Teratise)
12.	Gopan Sadhana 'Rati-Sewa'	(Criticism)
13.	Bargeetar Katha	(")
14.	Rabindra Nathar Gaan Aru Kabita	(")
15.	Yatras Aru Ankia Bhaona	(")
16.	Shiva	(Criticism)
17.	Surya	(Criticism)
18.	Swadhinata Sangramar Geet Maat	

BOOKS (Creative)

1.	Ban Pharingar Rang	(Collection of Self Composed Poems).
2.	Samipesu	(do)
3.	Antaranga	(do)
4.	Dinar Pachat Din	(do Received Assam Sahitya Sabha Award)
5.	Sudirgha Din Aru Ritu	(do) Received Sahitya Akademi Award.
6.	The Dawn	(Collection of English poems)
7.	Amitabha Sabda	(Collection of self composed poems)

8. Sabdar Epare Sabdar Sipare (Collection of self composed poems)
9. Banduk Ke Awaj me Subah Hoti Hai kya (Collection of self composed poems in Hindi)
10. Basantar Edin (do)
11. Nirbachita Kabita (Collection of self composed poems.)

BOOKS, CREATIVE (Drama, Opera, Kavya Natak etc.)

1. Meghdoot (Kavya Natak)
2. Urvasi (Opera)
3. Tritiya Anka (Drama)
4. Agnigarbha (Drama)
5. Beula (Opera)
6. Phulkonwar (Kaya Natak)
7. Mahakal (Drama)
8. Aswaghosh (Opera)
9. Raja (Opera)
10. Bandhu (Opera)
11. Son Barani Aai (Musical Drama)
12. Putala Dance (Opera)
13. Megha Mallar (Kavya Natak)
14. Bihure Birina Pat (Opera)
15. Raag Basanta (Opera)
16. Bookur Apon Aai (Opera)

RADIO FULL FEATURES :

1. Nabin Chandra Bardoloi
2. Chandra Kumar Agarawalla
3. Asomar Janajatiya Geet Maat (National)
4. Majuli (National Programme)
5. Aai (National Programme).

CHILDREN LITERATURE :

1. Asomiya Omala Geet
2. Katha Sarit Sagar
3. Suwadi Maat
4. Suria Maat

5. Sishu Geet Natya Sankalan.
6. Chil Chil Chila Bagi Chil Mila (Received Rastrapti Award)
7. Five Freedom Fighters (In English)
8. Saliki Ratau Tau
9. Man Uraniya
10. Sewji Sewji (Drama)
11. Hai, Narikal Pitha (Drama)
12. Raja (Drama)
13. Banjui (Drama)
14. Natun Omala Geet.
15. Enekhan Maramar Desh

BOOKS ON SONGS :

1. Son Barani Aai
2. Surujmukhi
3. Phular Ei Melate

NOVEL :

1. Jalapadma.

TRAVALOGUE :

1. Cheriphular Desh Japa Aru Bismayakar Chin.

ENGLISH MONOGRAPH :

1. Rajani Kanta Bardoloi
2. Raghunath Choudhury

TRANSLATED BOOKS :

1. Tulsidas
2. Meera Bai
3. Bindu Aru Sindhu
4. Amar Lagatial Gach-Gachani
5. Asiar Sadhu Katha
6. Orissar Lok Sanskriti
7. Amarattar Abhash (Russian War Poetry)
8. Namghosa (To Bangla)
9. Dakghar (Of Rabindra Nath Tagore)
10. Subha Barta (Bible in Songs)
11. Tao-Te-Ching (Chinese Poetry)

12. Singha Puwaliye Gujoribo Sikile
13. Alamelur Hutah
14. Rani Laksmibai
15. Sabdar Akash (Gyanpith Award winning Oriya book)

EDITING :

1. Kabita Manjari for T.D.C. Course of G.U.
2. Esha Basharar Assamiya Kabita
3. Assamiya Bhasa - Sahitya - Sanskritit Aryabhinna Upadan
4. Panchali Bibah (Sanchi Mss.)

A.I.R. RECORDS, GRAMOPHONE RECORDS AND CASSETTES :

1. Seuji Banabi (Long playing Gramophone Records along with Dr. Bhupen Hazarika)
2. Subha Barta (The whole Bible in fourteen songs)
3. Prarthana (Hynns of Bible)
4. Songs more than 1500 (fifteen hundred)

NAME OF THE SELECTED SEMINARS ATTENDED :

1. Patricipated in the ALL INDIA WRITER'S CONFERENCE held in MADRAS, 1958-59 with paper.
2. Participated in the ORIENTAL CONFERENCE held in GUWAHATI, 1964 with paper.
3. Participated in THE SEMINAR ON "GURU NANAK" held in BOMBAY, 1968.
4. Participated in the NATIONAL WRITERS' CAMP organised by N.B.T. held in SIMLA, 1971.
5. Participated in the NATIONAL WRITERS' SEMINAR organised by N.B.T. held in NEW DELHI, 1972.
6. Presided in the EASTERN ZONE WRITERS' CNFERENCE held in IMPHAL, MANIPUR, 1972.
7. Paticipated in the 'SEMINAR ON MODERN LITERATURE' organised by Sahitya Akademi held in Calcutta 1975.
8. Participated in the PURBA BHARAT SANSKRITIK SANMELAN with Two Papers on Film and Literature held in Guwahati, 1976.
9. Presided in the KAVI SANMELAN OF ALL ASSAM SAHITYA SABHA, held in Tihu, 1976.

10. Participated in the PURVA BHARAT SANSKRITIK SANMELAN with Two papers on Literature and Culture, held in Bhubaneswar, 1977.
11. Presided in the section of Culture in the section of INTERNATIONAL SEMINAR held in Cuttack (Orissa), 1978.
12. Presided in the Morning Session of the NATIONAL CONVENTION OF AUTHORS' GUILD OF INDIA, held in Trivendrum (Kerela), 1978.
13. Presided in the sessions of LITERATURE AND CULTURE OF THE NIKHIL BHARAT BANGA SAHITYA SANMELAN held in Tinsukia, 1978.
14. Participated in the INTERNATIONAL CONFERENCE organised by INTERNATIONAL BIOGRAPHICAL CENTRE with three papers on INDIAN LITERATURE, INDIAN MUSIC AND INDIAN PAINTINGS held in Massachusets (U.S.A.), 1979.
15. Participated in the INTERNATIONAL SEMINER ORGANISED BY I.B.C. held in U.K., 1979.
16. Inagugurated the CULTURE EVENING OF ALL INDIA VETERINARY CONFERENCE held in Guwahati, 1980.
17. Delevered Lectures on ASSAMESE LITERATURE AND CULTURE in Kerela, organised and deputed by Sahitya Akademi (Centre), 1980.
18. Participated in the SEMINAR OF FOLKLORE organised by NEHU, held in Shillong (Read one paper on Culture), 1980.
19. Participated in the SEMINAR OF FOLKLORE organised by the Folklore Dept. Gauhati University (Read one paper on Culture), 1981.
20. Presided in the SILVER JUBILEE OF DHEMAJI SAKHA SAHITYA SABHA, 1981.
21. Participated in the INTERNATIONAL SEMINAR, with one paper on Thai University (West Germany), 1981.
22. Participated in the INTERNATIONAL SEMINAR, with one paper on Thai-Assamese Relationship, held in one Research Centre of Saarbruken University (West Germany), 1982.
23. Inugarated the ASSAM SAHITYA SABHA LITERARY SEMINAR, held at Diphu, 1982.
24. Participated in the NATIONAL SEMINAR organised by Bharatiya Bhasha Parishad held in Calcutta, 1983.
25. Presided in the NATIONAL POETS' CONFERENCE organised by the Authors' Guild of Indian held in Calcutta, 1983.
26. Presided in the POETRY SESSION OF THE XXXI INTERNATIONAL CONGRESS OF HUMAN SCIENCES in Asia and North Africa, held in Tokyo

and Kyoto (Japan), 1983.

27. Participated in the SEMINAR OF INDIAN ARCHEOLOGICAL SOCIETY, with one Paper on Culture, held in Guwahati, 1984.
28. Participated in the SEMINAR "BRAHMAPUTRA SABHYATA" organised by the Director of Museum Assam held in Tezpur, 1985.
29. Participated in the SEMINAR OF XXXII INTERNATIONAL CONGRESS FOR ASIAN AND NORTH AFRICAN STUDIES with three papers on Literature and Culture held in the Hamberg University, West Germany, 1986.
30. Presided in the KAVI SANMELAN OF ALL ASSAM SAHITYA SABHA held in Bilashipara.
31. Participated in the SEMINAR OF ALL INDIAN NUMISMATIC SOCIETY held in Guwahati, 1986.
32. Participated in the WORKSHOP ON NATIONAL BOOK POLICY organised by the Ministry of Human Resources, held in New Delhi, 1989.
33. Participated in the SEMINARS OF ALL INDIA PROGRESSIVE WRITERS' ASSOCIATION, Paper on Robindra Nath neld in Calcutta, 1987.
34. Participated in the NATIONAL SEMINAR ON 'BHAKTI', Santiniketan, 1987.
35. Participated in the NATIONAL SEMINAR ON 'NATIONALISM AND POETRY' organised by Sahitya Akademi held in Jorhat, 1987.
36. Participated as Chief guest in the SEMINAR ON TRANSLATION, organised by the Forum, Indian Literature, held in Calcutta, 1987.
37. Participated in the INTERNATIONAL SEMINAR ON THAI STUDIES held in Kunming, China, 1990.
38. Selected as NATIONAL LECTURER BY U.G.C., 1989.
39. Appointed as the JAWAHARLAL NEHRU PROFESSOR BY G.U. in 1990.
40. Elected PRESIDENT, ASOM SAHITYA SABHA, 1991-92 Dudhnoi Session.
41. Participated in the WORLDS' POET MEET held in Kualalumpur, Malayasia, 1992.

DIRECTED :

DIRECTED TWO NATIONAL SEMINARS HELD IN THE DEPTT. OF ASSAMESE, G.U.

(a) Hundred Years of Assamese Poetry.

(b) The Extra Aryan Influence on Assamese Language, Literature & Culture.

(c) Director of an English Documentary Film "The Masks of Assam".